ইন্‌কিলাব

মূল

খাজা আহমদ আব্বাচ

অনুবাদ

ইমৰান শ্বাহ

লয়াৰ্ছ বুক ষ্টল
পাণবজাৰ : গুৱাহাটী : অসম

INQILAB an Assamese translation of the famous novel of the same title by K. A. Abbas by Imran Shah and Published by K. N. Dutta Baruah, Lawyer's Book Stall, Panbazar, Guwahati-1

প্ৰকাশক

শ্ৰী খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

লয়াৰ্ছ বুক ষ্টল

পাণবজাৰ, গুৱাহাটী, অসম

লয়াৰ্ছ প্ৰথম সংস্কৰণ-১৯৯৯

মূল্য ঃ ১৫০·০০ টকা মাত্ৰ

মুদ্ৰক

জলি

৭/১ এ জাষ্টিছ্ মন্মথ মুখাৰ্জী ৰো

কলিকতা-৭০০ ০০৯

ইনকিলাব

ইমরান শাহ

প্রিয়

[illegible] তুমি
[illegible] আবৃত্তি [illegible]:
[illegible]
[illegible]
[illegible]
[illegible] সেই [illegible]।
[illegible] ছিলো।

[illegible]

... of Industry ...

লয়ার্স বুক ষ্টল

"Stone walls do not a prison make
nor iron bars a cage :
Minds innocent and quiet take
that for an hermitage"

খাজা আহমদ আব্বাচ আৰু ইনকিলাব

১৯১৪ চনৰ ৭ জুন তাৰিখে যুৱজী প্ৰসিদ্ধ পানীপথৰ এটি জাতীয়তবাদী মুছলমান পৰিয়ালত খাজা আহমদ আব্বাচে জন্ম গ্ৰহণ কৰে। আলিগড় বিশ্ববিদ্যালয়ৰ বি-এ, এল-এল-বি, আব্বাচৰ মাতৃ ভাষা উৰ্দ্দু। বৰ্ত্তমান তেওঁ এগৰাকী অভিজ্ঞ আগ শাৰীৰ কথাছবি প্ৰযোজক পৰিচালক; উৰ্দ্দু আৰু ইংৰাজী সাহিত্যৰ বিশ্ব-বৰেণ্য লিখক, প্ৰখ্যাত সাংবাদিক, সমাজ সেৱক আৰু ৰাজনৈতিক চিন্তাবিদৰূপে সুপৰিচিত। ব্যক্তিগত জীৱনত আব্বাচ অতি সহজ-সৰল নিখুঁত ভাল মানুহ। তেওঁ যি ভাল পায় একেবাৰে শিশুৰ দৰে নিভাজ অন্তৰেৰে ভাল পায় আৰু যি বেয়া পায় তাকো শিশুৰ দৰেই বেয়া পায় আৰু কৈয়ো দিয়ে। কোনো ঢাক-ঢুক কাৰবাৰ তেওঁৰ জগত নাই। কিন্তু এনেকৈ বুদ্ধিজীৱীৰ সভাত আব্বাচৰ অষ্ট-ধীগুণ সৰ্ব্বজনৰ ঈৰ্ষাৰ বস্তু। ধাৰণাৰ প্ৰাঞ্জলতাই তেওঁক জয় আৰু পৰাজয় দুয়োটাকেই হাঁহিমুখে নিৰ্লিপ্ততাৰে গ্ৰহণ কৰিবলৈ শিকাইছে। জীৱনৰ প্ৰতি আব্বাচৰ অনুৰাগ প্ৰচণ্ড; ঔৎসক্য সুপ্ৰকট। আৰু প্ৰচণ্ড আব্বাচৰ কৰ্ম্মশক্তি।

পানীপথৰ আব্বাচ তাণ্ডৱ-ভীষণ হৈছিল এক আশ্চৰ্য্যসুন্দৰ পৰিৱেশৰ মাজত। তেতিয়া ভাৰতৰ স্বাধীনতাৰ সংগ্ৰাম পূৰ্ণোদ্যমে আৰম্ভ হৈ গৈছে। শিশু আব্বাচে বিস্মিত-মুগ্ধ চকুৰে দেখিছিল তেওঁৰ চাৰিওকালে দেশখন কিবা এক অত্যদ্ভুত চৈতন্যত ধীৰে ধীৰে সাৰ পাই উঠিছে।

সুমহান প্ৰচেষ্টা আৰু অমৰ ত্যাগৰ প্ৰেৰণাত লক্ষ লক্ষ মানুহৰ প্ৰাণবোৰে অভূতপূৰ্ব্ব বিবাটৰ লাভ কৰিছে। আৰু আজি আব্বাচে চকু তুলি চালে দেখে তেওঁৰ স্মৃতিৰ দিগন্ত অসংখ্য অত্যুজ্জ্বল নক্ষত্ৰৰ অম্লান জ্যোতিৰে উদ্ভাসিত : মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ, আবুল কালাম আজাদ, মতি লাল নেহৰু, সৰোজনী নাইডু, ডঃ আনচাৰি, জৱাহৰলাল নেহৰু, ৰুজ-ভেল্ট, ক্ৰুশ্চেভ, প'ল ৰ'বচন, চাৰ্লি চেপ্‌লিন, য়ুৰি গাগাৰিণ, ইত্যাদি ইত্যাদি হেজাৰজন কালজয়ী ব্যক্তি তেওঁ লগ পাইছে; কথা পাতিছে, অন্তৰঙ্গতা গঢ়ি তুলিছে, সিহঁতৰ বিষয়ে লিখিছে; অধ্যয়ন কৰিছে, জীৱনৰ কাঁইটীয়া বাটত এই সকল ব্যক্তি আব্বাচৰ লগে লগে আছে,--তেওঁক পথৰ নিৰ্দ্দেশ দিছে।

চকুহাল মুদি এখন্তেক ভাবিলেই আব্বাচৰ মানস পটত এতিয়াও ভাঁহি উঠে শৈশৱৰ অযুত স্মৃতি। তেওঁ দেখে উদ্যত সঙ্গীন লৈ গেৰেপ গেৰেপ কৈ আগবাঢ়ি গৈছে অগণন ইংৰাজ সৈন্য। ১৯১৯ চনৰ জালিয়ানৱালাবাগৰ নৃশংস হত্যাকাণ্ডৰ পিচত পঞ্জাবৰ ছাত্ৰসমূহক গ্ৰেণ্ড-ট্ৰাঙ্ক-ৰোডৰ দুয়ো কাষে মাইল মাইল বাট শাৰী পাতি থিয় কৰাই ৰাখি ইংৰাজ সৈন্যৰ কুচ-কাৱাজ চাবলৈ বাধ্য কৰা হৈছিল। সৰ্ব্বসাধাৰণ ৰাইজক ভয় দেখুৱাই শান্ত কৰি ৰাখিবলৈকে এনে কৰা হৈছিল। কিন্তু ভয়ঙ্কৰ কথাকো আমোদৰ খোৰাক ৰূপে সিহঁতে ব্যৱহাৰ কৰিব পাৰে। আব্বাচেও পাৰিছিল। তেওঁৰ ধাৰণা হৈছিল সেইবোৰ যেন ভয় লগা সৈনিক নহয়, কিছুমান খোজ কাঢ়িব পৰা পুতলা মাথোন। আৰু আব্বাচে আৰম্ভ কৰি দিছিল মাতৃভূমিৰ দাসত্বক ঘৃণা কৰিবলৈ, দেশৰ শত্ৰুক ঘৃণা কৰিবলৈ, দেশৰ জনতাৰ বাবে নিজৰ জীৱন উছৰ্গা কৰি দিবলৈ। ফলত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ খাজা আহমদ আব্বাচ জীৱন্ত ইতিহাসৰ দৰে হৈ পৰিছিল।

এবাৰ ১৯৪০ চনত আব্বাচে সিদ্ধান্ত কৰিলে, সত্যাগ্ৰহ কৰি তেওঁ কাৰাবৰণ কৰিব। 'দি-বোম্বে ক্ৰনিকল' কাকতৰ সম্পাদক আব্দুল্লা ব্ৰেল্‌ভিয়ে আব্বাচক মহাত্মা গান্ধীৰ ওচৰলৈ গৈ গ'ল। সকলো শুনি মহাত্মাই ক'লে, "মই তোমাক এটা 'ফতোৱা' (ধৰ্ম্মৰ নিৰ্দ্দেশ-বাণী) দিওঁ শুনা। তোমাৰ কাকতৰ কাৰণে তুমি বিশ্বস্তভাৱে কাম কৰি যোৱাটোও এটা সত্যাগ্ৰহ।"

সেইদিন খৰি আব্বাচৰ জীৱন সত্যাগ্ৰহৰ এক দুৰন্ত অভিযান যাথোন। পৰম নিষ্ঠাৰে আব্বাচে তেওঁৰ কলম অবিৰাম চলাই গৈছে। কিন্তু তেওঁৰ কৰ্ম্মক্ষেত্ৰ আজি আৰু দৈনিক বাতৰিৰ পৃষ্ঠাতে সীমাবদ্ধ হৈ থকা নাই। তেওঁৰ সত্যাগ্ৰহৰ পৃথিৱীত কথাছবিৰ ৰঙীন কাৰ্য্যক্ৰমণিকায়ো ঠাই পাইছে প্ৰথমতে চিত্ৰনাট্য ৰচনা কৰাৰপৰা পিচলৈ নিজে কথাছবি প্ৰযোজনা পৰিচালনাও কৰিছে আব্বাচে। সবাতোকৈ দামী চিত্ৰনাট্যকাৰ আব্বাৰ ছবিত গতানুগতিকতা নাই। ব্যৱসায়ী মনোবৃত্তি নাই। আছে সৃষ্টি আৰু যুগ-সচেতনতাৰ উজ্জ্বল স্বাক্ষৰ। ভাৰতীয় পাছবি শিল্পলৈ তেওঁৰ অৱদান কৈ শেষ কৰিব নোৱাৰা। ডঃ কট্নীচ্, আৱাৰা, শ্ৰী৪২০, ধৰ্তি কী লাল, মুন্না, পৰদেশী, আনহোনী, ৰাহী, চাৰ-দিল চাৰ-ৰাহেঁ আদি অনেক বিশ্ব বিখ্যাত ছবিৰ আব্বাচ কাৰিকৰ। তেওঁৰ শেহতীয়া 'চেহৰ্ আওৰ স্বপ্না' ছবিয়ে ৰাষ্ট্ৰপতিৰ শ্ৰেষ্ঠ ছবিৰ সন্মান অলপতে লাভ কৰিছে।

বাতৰি-কাকত আলোচনী-পত্ৰিকা আদিত সিচঁৰিত হৈ থকা অসংখ্য গল্প-প্ৰবন্ধৰ উপৰিও আব্বাচৰ প্ৰায় ডেৰকুৰিখন পুথি ছপা হৈ ওলাইছে। ইয়াৰ প্ৰত্যেকখন নিজস্ব মহিমাৰে উজ্জ্বল। তদুপৰি 'ব্লীজ' কাকতৰ ইংৰাজী সংস্কৰণৰ শেষ পৃষ্ঠা আৰু হিন্দী সংস্কৰণৰ আজাদ-কালামৰ লিখক ৰূপে দেশে-বিদেশে আব্বাচৰ পাঠক প্ৰচুৰ। ১৯৩৫ চনত আব্বাচৰ প্ৰথম চুটি গল্প 'আবাবীল' (Swallows) প্ৰকাশিত হয়। আৰু লগে লগে পৃথিৱীৰ চৈধ্যটা প্ৰধান ভাষালৈ এই গল্প অনুদিত হয়। বিশ্বৰ শ্ৰেষ্ঠ গল্প সংকলনত ভাৰতক প্ৰতিনিধিত্ব কৰা ৰবি ঠাকুৰ আৰু মুল্ক ৰাজ আনন্দৰ গল্পৰ লগতে আব্বাচৰ আবাবীলো সন্নিবিষ্ট হৈছিল। আব্বাচৰ ইন্‌কিলাব পৃথিৱীৰ প্ৰায় সকলো চহকী ভাষালৈ অনুদিত হৈছে। ১৯৩৬ চনত লৰ্ড লিন্‌লিথ্‌গো ভাৰতৰ ভাইচৰয় থকা কালত আব্বাচে বোম্বে ক্ৰনিকলত প্ৰকাশিত An Interview with the Viceroys Bulls নামৰ প্ৰবন্ধই সমকালীন চৰকাৰী মহলত তোলপাৰ লগাই দিছিল। সেই সময়তে বোম্বাইৰ হোটেল-কৰ্ম্মীসকলক লৈ লিখা এটা প্ৰবন্ধ মেক্সিম গোৰ্কীয়ে পৃথিৱীৰ বিভিন্ন দেশৰপৰা সংগ্ৰহ কৰা ১১০০ শ্ৰেষ্ঠ প্ৰবন্ধৰ এটা সংকলনত ঠাই পাইছিল। আব্বাচৰ এক লেড়কী, জাফ্‌ৰান কে ফুল, মৈঁই কৌন হুঁ, Out side India, Rice, Tomorrow is Ours, Till we reach the Stars বিখ্যাত গ্ৰন্থ।

ভাৰতৰ স্বাধীনতাৰ মহান আন্দোলনৰ এছোৱা অৱলম্বন কৰি ইন্‌কিলাবৰ কাহিনী গঢ়ি তোলা হৈছে। ভাৰত মাতৃৰ ভৰিৰ শিকলি ছিঙি দিয়া এমুঠি দুৰন্ত চৰিত্ৰ অন্তৰ-পৰশা কৰি ইন্‌কিলাবত ফুটাই তোলা হৈছে। ইন্‌কিলাব ভাৰতীয় জাতীয় জীৱনৰ সৰ্বাতোকৈ উল্লেখনীয় এছোৱা সময়ৰ নিখুঁত প্ৰতিচ্ছবি। লোকমান্য তিলক, মহাত্মা গান্ধী, ভগৎ সিং, মতিলাল নেহৰু, সুভাষ বসু প্ৰমুখ্যে অনেক বৰেণ্য পুৰুষে ইয়াত আকৰ্ষণীয় ৰূপত আত্ম প্ৰকাশ কৰিছে। ভাৰত বুৰঞ্জীত কালে মোহাৰিব নোৱাৰাকৈ দাগ বহুৱা অনেক ঘটনা ফৰিংফুটাকৈ দাঙি ধৰা হৈছে। ইন্‌কিলাব স্বৰাজ-আন্দোলনৰ জীৱন্ত প্ৰতিচ্ছবি।

ইমৰান শাহ

শিৱসাগৰ

ইন্‌কিলাব

ইনকিলাব

মৌলবী চাহেবৰ শুৱনী ডাড়িকোচা দেখিলেই মানুহজনলৈ ভক্তি ওপজে। আনোৱাৰৰ মনত এই ডাড়িকোচাই সদায়েই বিস্ময় জগাই আহিছে। ধক্ ধক্ কৰে বগা দীঘল একোচা ডাড়ি। ৰাতিপুৱা যেতিয়া যমুনাৰ পিনৰপৰা প্ৰভাতী-সমীৰ বৈ আহে কত ধৰণৰ ৰূপেইযে পৰিগ্ৰহ নকৰে ডাড়িকোচাই। এতিয়াই যদি ঘৰচিৰিকাৰ নেজৰ দৰে জোঙা হৈ আছে, পিচ মুহূৰ্ত্তে দেখা যাব উৰি থকা কপৌৰ পাখী হেন হৈ পৰিছে। এতিয়াই যদি শুই থকা এটা শান্ত মেকুৰীৰ দৰে হৈ আছে, পিচ মুহূৰ্ত্তে দেখা যাব চুবুৰীৰ ল'ৰালুৰিৰ আতঙ্কৰ কাৰণ গৃহহীন বাটৰ ঢেকুৰা কুকুৰৰ দৰে অশান্ত হৈ পৰিছে। কেতিয়াবা এজাক তীব্ৰ বতাহ হঠাৎ আহি ডাড়িকোচা বিশৃঙ্খল কৰি দিলে চাবলৈ ৰঢ়িয়া হয়। বৃদ্ধ মৌলবী গৰাকীয়ে ডাড়িকোচা চিজিল কৰাত ইমান ব্যস্ত হৈ পৰে যে কিছু সময়লৈ তেখেতে ল'ৰাই কোৰান পাঠত মনোযোগ দিছে নে নাই তালৈ কাণ দিবলৈকো পাহৰি যায়।

সুৰীয়াকৈ কোৰানৰ একেটা শ্লোককে আনোৱাৰে ঘূৰাই ঘূৰাই পঢ়ি আছিল। পঢ়াৰ লগে লগে তাৰ গাটো এবাৰ আগলৈ এবাৰ পিচলৈ এটা বিশেষ ছন্দত দুলি আছে। ঘূৰাই ঘূৰাই সি পঢ়ি যায়। কাৰণ কোৰানৰ শ্লোকবোৰ মুখস্থ কৰি ৰাখিব পৰাটোৱেই ডাঙৰ কথা। পুণ্যৰ কথা। লাগে সেয়া ভাটৌৰ কথা কোৱাৰ দৰেই হক। লাগে পঢ়োঁতাই জটিল আৰবী ভাষাৰ বিন্দু-বিসৰ্গও বুজি নেপাওক। তথাপি পঢ়ি যোৱাটোৱেই ডাঙৰ কথা। পঢ়ি যাব লাগে। কাৰণ মৌলবী চাহেবে ল'ৰাইতক সুন্দৰভাৱে বুজাই দিছে যে 'জন্নত' অৰ্থাৎ যি স্বৰ্গত একমাত্ৰ ইমানদাৰসকলহে থাকিবলৈ পায়, সেই জন্নতলৈ যাবলৈ হলে কোৰান-পাঠ অন্যতম প্ৰশস্ত উপায়। মৌলবী চাহেবে ল'ৰাইতক এইটোও কৈ দিছে যে যিবোৰ ল'ৰা দুষ্ট, যি কোৰান-পাঠত অমনোযোগী আৰু মৌলবী চাহেবক সন্মান নকৰে সিহঁত জহন্নাম অৰ্থাৎ নৰকলৈ যাব। জহন্নাম বৰ জঘন্য ঠাই। বেই-জুন মাহৰ দিল্লীতকৈও বহুত বেছি গৰম। গৰমৰ

সেই দিনকেটা আনোৱাৰে বৰ বেয়া পায়। মনত পৰিলেই গাটো বিজ-বিজাই উঠে। জেপেটা-স্নেপেটা খালী ঘাম। তদুপৰি ভয়, দুপৰীয়া কাৰো কেনিও ওলাবৰ সাধ্য নাই। ওলালেই সূৰ্য্যাক্ৰান্ত হৈ কোন ক'ত মৰে ঠিকনা নাই। সেইবুলি সেই দিনকেইটাৰ আৰামোযে নাই তেনেও নহয়। চৰ্ব্বত খাব পাৰি, আইচ-ক্ৰীম খাব পাৰি। কিযে বঢ়িয়া লাগে আইচ-ক্ৰীমবোৰ। খালী দিগদাৰ হ'লগৈ আইচক্ৰীম খালেই তাৰ ডিঙি-টোত কিবা চেৰ্‌চেৰনি এটা হয় আৰু পানী লাগে। কাঁহো হয়। আব্বাজানে সেই কাৰণে তাক আইচক্ৰীমতো দূৰৰ কথা আনকি বৰফ দিয়া পানীও খাবলৈ হাক দিযে। লুকাই মনে মনে কেতিয়াবা এঢোক-দুঢোক খাবৰো উপায় নাই। কাৰণ, খালেই তাৰ কাহ হ'বই। আৰু হ'লেই 'কঠাল চোৰৰ আঠাই সাক্ষী।' সাতে-পাঁচে সকলো পিনৰপৰা চাই আনোৱাৰে ভাবিছিল জন্নতলৈ গোৱাৰ বাটটো মুকলি কৰি ৰখাই বুদ্ধিমানৰ কাম। কি বঢ়িয়া তাত! গৰম নাই। সদাই সুন্দৰ। গাখীৰ আৰু মৌৰ তাত 'দৰিয়া' বয়। 'হুৰী'বোৰে তাত নাচি নাচি ফুৰে। গছৰ ডালত পৰি চৰায়ে গীত গায়।

বাৰু, সেই "হুৰী"বোৰ বাৰু কোন?—এই প্ৰশ্নটোৱে অনেকবাৰ আনোৱাৰৰ মনত খুন্দিয়াই খুন্দিয়াই গৈছিল। কিন্তু তাৰ আঠ বছৰীয়া কেঁচা মনটোৱে এই প্ৰশ্নৰ কোনো সন্তোষজনক উত্তৰ তাক দিব পৰা নাছিল। হুৰীবোৰ যে মাইকী মানুহ তাত আনোৱাৰৰ সন্দেহ নাই। মৌলবী চাহেবৰ কথাৰপৰা সেইটো সি বুজিছে। কিন্তু কেনেকুৱা মাইকী মানুহ? পেহীজানৰ নিচিনা নেকি বাৰু? পানী কেঁচুৱাতে মাকক হেৰুৱা আনোৱাৰক তুলি-তালি ডাঙৰ-দীঘল কৰা বিধবা নিঃসন্তান পেহী-জানৰ নিচিনা নে বাৰু পৰীবিলাক? পেহীজানৰ চুলিবোৰ সুন্দৰ, ধক্ ধক্ কৰে বগা। চিক্‌চিকিয়া। তেওঁ সদায় বগা কাপোৰ পিন্ধি থাকে। কথা কয় নিচেই কম। নে সিহঁতৰ বুঢ়ী চাকৰণী গুলাবীৰ নিচিনা? শকত, কিচ্‌কিচ্ কৰে ক'লা, মুখ লাওপাত কচুপাত। অথচ আঞ্জা ৰন্ধাত যাৰ তুলনা নাই। গুলাবীৰ হাতৰ সোৱাদ আঞ্জাৰ কথা যেতিয়াই মনত পৰে তেতিয়াই বেচাৰাৰ লালটি ওলাই আহে। এই দুজনী মানুহকেই আনোৱাৰে জীৱনত এই পৰিমিত চিনিব পাৰিছে। কিন্তু তেওঁলোকক নৃত্যৰতা হুৰীৰ ৰূপত কল্পনা কৰিব খুজিলেই ক'ত যেন তাৰ বাৰে বাৰে খোকোজা লাগে। সি ভাবে, হয়তো হুৰীবোৰ সেই "অন্য মাইকী মানুহ"বোৰৰ নিচিনা। কিন্তু সেইবোৰ মানুহৰ কথা আনোৱাৰে বিশেষ একো নেজানে। দুই এবাৰ ছুঁয়া-মৰাকে দেখিছে মাত্ৰ।

আনোৱাৰৰ সুৰীয়া কোৰান-পাঠ চলি থাকিল। দুলি থাকিল তাৰ শৰীৰ এক বিশেষ ছন্দত। কিন্তু এই "অন্য মাইকী মানুহ"বোৰৰ কথা মনত পৰাৰ লগে লগে তাৰ গাল দুখন ৰঙা পৰি উঠিল। কেইমাহমানৰ আগৰ এদিনৰ কথা তাৰ মনত পৰিল। লাল-কুৱান ৰাজপথৰ এখন দোকানৰপৰা তাৰ আব্বাজানৰ লগত সি সিহঁতৰ ডবিয়াগঞ্জৰ ঘৰলৈ উলটি আহিছিল। আব্বাজান ওখ-পাখ মানুহ। ঠেং দুখন দীঘল দীঘল। তেওঁৰ সমানে খোজ কাঢ়ি যাবলৈ গৈ সি প্ৰায় দৌৰি যাব লগাত পৰিছিল। লাল-কুৱানৰপৰা সিহঁত আহি হৌজ-কাজি পালে; তাৰপৰা বাওঁহাতে ঘূৰি গৈ চৌৰি বজাৰ সোমালগৈ। তেতিয়া ৰাতি এডোখৰ হৈছিল। সিদিনাৰ কাৰণে প্ৰায়বোৰ দোকানেই বন্ধ কৰা হৈছিল। তথাপি আনো-ৱাৰে দেখিছিল বাটত অসংখ্য মানুহ। ঠায়ে ঠায়ে ফুলৱালাই "লেলো ফুল ছামেলি কে"—বুলি চিঞৰি চিঞৰি জেচ্‌মিন ফুলৰ মালা বিক্ৰী কৰিছে। আনোৱাৰ আৰু তাৰ আব্বাজানেই কুকুৰ-খুজীয়াত গৈছে। তাৰ বাহিৰে অন্য কাৰো যেন ঘৰলৈ বা ক'ৰবালৈ যাবলৈ একো খৰখেদা নাই। তহলি তহলি সিহঁতে অহা-যোৱা কৰিছে। হাঁহিছে, কথা পাতিছে। ইজনে সিজনৰ গাত মাজে মাজে আনন্দত ঢলি পৰিছে। সৰু সৰু দোকানবোৰৰ ওপৰৰ ঘৰবোৰৰ অলিন্দসমূহত কিবা এটা যেন আছে। সকলো মানুহৰ আকৰ্ষণ যেন সেইফালেই। স্বাভাৱিকভাৱেই আনোৱাৰৰো চকু সেই-ফালে গৈছিল আৰু সি দেখিছিল সৰু সৰু প্ৰত্যেকখন বাৰাণ্ডাতে থিয় দি আছে একো একোজনী মাইকী মানুহ। এই মাইকী মানুহবোৰ আৰু পেহীজান বা গুলাবীৰ মাজত একোৰেই মিল নাই। প্ৰত্যেকজনীয়ে ৰঙচঙীয়া কাপোৰ পিন্ধিছে। ৰঙা, নীলা, সেউজীয়া, ক'ত ৰং,—ৰঙে তাৰ চকুত যেন চমক লগাই দিব। সিহঁতৰ গালবোৰ গোলাপৰ দৰে ৰঙচুৱা; ওঁঠবোৰ তেজৰ দৰে টিক্‌টিক্ কৰে ৰঙা; তেলদিয়া চুলিবোৰ কিচ্‌কিচ্ কৰে ক'লা। প্ৰত্যেকৰে সন্মুখত জ্বলি থকা লণ্ঠনৰ পোহৰে সিহঁতক আৰু চকুত লগাকৈ তুলি ধৰিছে। সিহঁতক এবাৰ দেখিয়েই আনোৱাৰে বুজিলে এইবোৰ মানুহ সি জীৱনত ইমানদিনে লগ পোৱা সকলোবোৰ মানুহতকৈ বেলেগ। ইহঁতে জীৱনৰ এনে কিবা গোপন কথা এনে কিবা ৰহস্যপূৰ্ণ কাহিনী জানে যাৰ বিষয়ে আনোৱাৰে একোকেই নেজানে। আৰু এই যে মানুহবোৰ, এই বজাৰৰ চিন্তাশূন্য হাঁহিমুখৰ মানুহবোৰেও সেই উত্তেজনাপূৰ্ণ গুপ্ত ৰহস্যৰ কথা জানে বা তাক উপভোগ কৰিবলৈকে ইয়ালৈ আহিছে। আছেহি। আব্বাজানক তাৰ এই মাইকী মানুহবোৰৰ কথা সুধিবৰ মন গৈছিল। কিন্তু কিয় যেন সাহস নহ'ল।

কাৰণ বয়সীয়াল মানুহ গৰাকীয়ে সি বাৰাণ্ডাবোৰলৈ চোৱা দেখি হঠাৎ তাক প্ৰায় ধমকি দিয়াদি ক'লে বোলে এইখন বজাৰৰ মাজেদি যাব লগা হ'লে ভাল মানুহে কেতিয়াও লোকৰ অলিন্দলৈ চাব নেপায়। আব্বাজান আনোৱাৰৰ প্ৰতি সদায় মৰমীয়াল, সহানুভূতিশীল। তেওঁৰ মুখত এই খঙৰ সুৰ শুনি সি থতমত খাই গ'ল। একোকেই কবলৈ বা সুধিবলৈ সাহস নহ'ল। বাকী গোটেই ছোৱা বাট সিহঁত চুপচাপ আগবাঢ়ি গ'ল। তলৰ মূৰ আৰু আনোৱাৰে ওপৰ নকৰিলে। আৰু সেইদিনাৰপৰা লগত পুতেক থাকিলে তাৰ আব্বাজানে বহুত দূৰ হলেও চান্দনী চৌক আৰু বল্লিমৰণ হৈ ঘৰলৈ ঘূৰি অহা কৰিলে।

"ছুঃ! ছুঃ! হা!- হা!!"

আমনিলগা সুৰেৰে একে লেথাৰিয়ে আনোৱাৰ আৰু আঞ্জুমে কোৰানৰ শ্লোক আওৰাইছিল। আঞ্জুম তাৰ বায়েক। দুবছৰৰ ডাঙৰ। তায়ো তাৰ ওচৰতে বহি কোৰান আওৰাইছিল। ওচৰৰে পাৰ-প্ৰেমী এজনে হঠাৎ ওপৰত কোৱাৰ দৰে চিয়ঁৰি উঠিল। আনোৱাৰৰ চিন্তাসূত্ৰ ছিগি গ'ল। সেই "অন্য মাইকী মানুহ"বোৰৰ চিন্তাই তাক ইমান সময় তন্ময় কৰি ৰাখিছিল। কিন্তু পাৰ-প্ৰেমীৰ মাতত তাৰ মন এজাক উড়ন্ত পাৰৰ ৰূপ দেখাৰ আনন্দত উত্ৰাৱল হৈ উঠিল আৰু মাইকী মানুহবোৰৰ কথা পাহৰি গ'ল। আনোৱাৰৰ আব্বাজানে এই পাৰ-প্ৰেমীবোৰৰ পাৰ লৈ ব্যস্ত থকা কথা মুঠেই সমৰ্থন নকৰে। তেওঁৰ মতে এয়া দিল্লীৰ এক ক্ষয়িষ্ণু অধুনা-দৰিদ্ৰ আভিজাত্যৰ অৰ্থহীন 'খেয়াল'ৰ বাহিৰে একো নহয়। এইবোৰে মানুহৰ পতন মাতে। আঞ্জুম আৰু আনোৱাৰক তেওঁ অনেকবাৰ কৈছে, কৰ্ত্তব্য পাহৰি এনেকুৱা অন্তঃসাৰশূন্য বিলাসী আমোদত সময় কটোৱাই মোগল সাম্ৰাজ্যৰ পতনৰ অন্যতম কাৰণ। সেয়ে আনোৱাৰক

তেওঁ চিলা-উৰুৱা, পাৰক শিকোৱা আদি কোনো কামত নহয়া এনেহৰা মানুহৰ ধেমালিত মন নিদিবলৈ দঢ়াই দঢ়াই কৈছিল। মানুহ মানুহৰ দৰে হব লাগে। শিকিলে মল্লযুদ্ধ শিকিব লাগে। স্বাস্থ্যৰ উন্নতিৰ কাৰণে কাবাদি খেলা, ডন-বৈঠক আদি কচৰৎ কৰা বৰ ভাল কথা। সেইবোৰ কৰিবলৈ তেওঁ আনোৱাৰক উৎসাহ দিছিল। আনোৱাৰে তেওঁৰ কথা বিশ্বাসো কৰিছিল। কিন্তু মস্কিল হ'লগৈ তাৰ যিটো স্বাস্থ্য সেই স্বাস্থ্য লৈ এনেকুৱা টান টান ধেমালিত যোগ দিয়া তাৰ পক্ষে সহজ কথা নাছিল। তাতে পেহীজানেও তাক বাধা দিছিল। কেনেকৈনো এৰি দিয়ে। যিহে ৈটৈৰা তেওঁৰ ভতিজাক। ওচৰতে কেনিবা এটা 'আখৰা', অৰ্থাৎ ব্যায়ামশালা আছে। তাত কুস্তি কৰি বাকীবোৰ ল'ৰাই যিহে গুণ্ডা-গুণ্ডা পালোৱান-পালোৱান একোটা চেহেৰা কৰিছে। সিহঁতৰ লগত খেলিলে আনোৱাৰৰ সৰণ-খেৰৰ দৰে হাড় কেডাল হাড় হৈ উভটি আহিবনে। আনোৱাৰে হওঁতে পেটে পেটে চিলা উৰুৱা আৰু পাৰ চৰাই পোহা দুয়োটাই ভাল পাইছিল। কিন্তু সেইকথা গম্ভীৰ কঢ়া আব্বাজানক কেতিয়াও জানিবলৈ দিয়া নাছিল। চিলাবোৰ ইমান ধুনীয়া। কত ৰঙৰ চিলা আছে; দেখি-লেই ভাল লাগে। আৰু আকাশত উৰোঁতে—এবাৰ ওপৰলৈ এবাৰ তললৈ, দেখিবলৈ ইমানযে সুন্দৰ হয়। কিন্তু চিলাতকৈও আনোৱাৰৰ পাৰবোৰহে ভাল লাগে। হাজাৰ হলেও সূতাই যিমান আঁটে তাতোকৈ ওপৰলৈ চিলাবোৰ যাব নোৱাৰে। উচচতাই হওক গতিয়েই হওক দুয়োটাকেই উৰাওঁতাই আঙুলিৰেই নিয়ন্ত্ৰণ কৰিব পাৰে। আৰু উৰাওঁতাই ইচ্ছা কৰিলেই তললৈ নমাই আনিবও পাৰে। কিন্তু পাৰৰ কথাই বেলেগ। ইচ্ছামতে সিহঁতে যেনি তেনি যাব পাৰে। এখণ্ড মেঘৰ দৰে সিহঁত তলৰপৰা জাক পাতি উৰি যায়। প্ৰত্যেকটো ঘৰৰ চালে চালে সিহঁতৰ ছাঁ বাগৰি যায়। শেষত সিহঁত উৰি উৰি দূৰ আকাশত প্ৰায় মিলি যায়। দূৰ দিগন্তত হয়তো এটা বিন্দুৰ দৰে সিহঁতক জান-নেজানকৈ মনিব মাত্ৰ পাৰি। ক'লৈ যায় বাৰু সিহঁত? কি বাৰু দেখিবলৈ পায় সিহঁতে দূৰ দিগন্তৰ সেই অচিন দেশত? কি মধুৰ স্মৃতি কি সুন্দৰ অভিজ্ঞতা লৈ উলটি আহে সিহঁত আকৌ? আনোৱাৰৰ মনটো প্ৰতিবাৰ পাৰ উৰা দেখিলেই এইবোৰ চিন্তাত মগন হৈ পৰে। যদি কেতিয়াবা কোনো এজনী পৰীয়ে, গুলাবীয়ে নিশা বিছনাত তাক শুৱাই টোপনি নোযোৱা-লৈকে কোৱা সাধুবোৰত থকা কোনো এজনী সুন্দৰী পৰীয়ে তাক আহি সুধিলেহেঁতেন, সি কি হবলৈ পালে ভাল পাব বুলি, সি নিশ্চয় একেষাৰেই উত্তৰ দিলেহেঁতেন—"এটা পাৰ চৰাই।"

"ছুঃ! ছুঃ! হা! হা!" চিয়ঁৰি আছিল পাৰ-প্ৰেমীয়ে। কিন্তু ক্ষন্তেক পিচতে আনোৱাৰে শুনিলে সেই মাত তল পেলাই অন্য এটা শব্দ ভাঁহি উঠিল। এটা স্পষ্ট বোঁ-বোঁৱনি শব্দ। ঠিক যেন এটা বৃহৎ মৌমাখিৰ মাত! বহুত দূৰত, দূৰণিৰ পূব দিগন্তৰ ওপৰত, হয়তো যমুনা নদীৰ সিপাৰে এটা অকলশৰীয়া পাৰ চৰাই উৰিছে। দলছাৰা পাৰটো এই ফাললৈয়ে আহিছে। পাৰটো লাহে লাহে আগবাঢ়ি আহিল। বোঁ-বোঁৱনি শব্দও বাঢ়ি আহিব ধৰিলে। লাহে লাহে সেই শব্দ ইমান ডাঙৰ হ'ল যে কোনো মৌমাখিয়েই কোনো জনমত সিমান ডাঙৰকৈ মাতিব নোৱাৰে। আনোৱাৰে দেখিলে এইটো পাৰ চৰাই আনবোৰৰ দৰে নহয়। ই পাখী কোবোৱা নাই। একাঁ-বেকাঁকৈ নাহি কাঁড়পাত অহাদি আহিছে। লাহে লাহে পাৰটো ডাঙৰ হৈ যেন এটা ঈগল চৰাই হ'ল। তাৰ পিচত আৰু ডাঙৰ হৈ আনোৱাৰহঁতৰ মূৰৰ ওপৰেদি সাউত কৰে পাৰ হৈ গ'ল। আনোৱাৰে গুলাবীৰ মুখত আৰবী-সাধুৰ চিন্দবাদৰ ৰক পখীৰ কথা শুনিছিল। এই চৰাইটো তাৰ কিন্তু তাতোকৈও ডাঙৰ ডাঙৰ যেন লাগিল।

মুহূৰ্ত্তৰ উত্তেজনাত আনোৱাৰ-আঞ্জুমে সিহঁতৰ কোৱান পাঠৰ কথা পাহৰি গ'ল। ইমান ডাঙৰ পাৰ চৰাই! উত্তেজনাত থিয় হৈ সকলো পাহৰি সিহঁতে বলিয়াৰ দৰে হাত চাপৰি বজাব ধৰিলে। লৰাহঁতৰ একে সুৰে লেনিয়াই পঢ়ি থকা কোৱান পাঠৰ সুৰ শুনি শুনি টোপনিয়াই থকা মৌলবী চাহেবৰ অভ্যাস। নিচিন্তমনে আজিও তেওঁ শুই আছিল। এই হুলস্থূলত তেওঁৰো সাৰ পাই জাপ মাৰি উঠিল।

"কি? কি হৈছে?" বৰ খং উঠা যেন দেখুৱাই তেওঁ সুধিলে। আচলতে তেওঁৰ বেছি খং উঠিবলৈ গাত ঠায়েই নাই। শকত পেটুৱা মানুহ! তাতে শান্তও; বৃদ্ধও। "এক মুহূৰ্ত্তৰ বাবে মই চকুহাল জপাবলৈহে পালো, পঢ়া-শুনা এৰি তহঁতে উৎপাত কৰাত লাগিলিয়েই।"

বিৰাট পাৰ চৰাইটো তেতিয়া কুতুব মিনাৰৰ পিনে আঁতৰি গৈছিল। দূৰত আকাশৰ গাত এটা ক'লা দাগৰ দৰে মাত্ৰ দেখা গৈছিল তাক। সেমেনাসেমেনি কৰি বহি পৰি আনোৱাৰহঁতে আকৌ পঢ়িবলৈ আৰম্ভ কৰি দিলে।.... আনোৱাৰে যি আবৃত্তি কৰি গৈছিল তাৰ এটা শব্দও সি বুজি পোৱা নাছিল। পৃথিৱীৰ এটা অন্যতম চহকী ভাষাৰ উচ্ছাসময় কবিতা পঢ়িছে বুলিও তাৰ ধনিষ্ঠামানো ধাৰণা নাছিল। হ'লেও মৌলবী চাহেবে শিকাই দিয়া সঠিক উচ্চাৰণৰে সৈতে ধুনীয়া ধুনীয়া শব্দবোৰ মাতি আনোৱাৰে মনত এক নামহীন আনন্দ পাইছিল। ডাঠ সোণোৱালী মৌৰ দৰে যেন শব্দবোৰ গলি গলি কণ্ঠৰে বাহিৰলৈ ওলাই আহি কাণত

পৰেহি। গাটো শিয়ৰি শিয়ৰি উঠিব খোজে। নিৰ্ভুল উচ্চাৰণেৰে এই শ্লোকবোৰ আবৃত্তি কৰিব পৰাক এটা মহৎ গুণ আয়ত্ত কৰা বুলি জ্ঞান কৰা হয়। পঢ়োতে আনোৱাৰৰ মনত এটা মিশ্ৰিত আনন্দ আৰু সম্বল-সম্বল ভাৱৰ অনুভূতি জাগে। এনে লাগে যেন সি লাভ কৰিছে শক্তি,— মানুহৰ শব্দৰ ওপৰত কৰ্তৃত্বৰ। এয়া এক অদ্ভুত আৰু বিস্ময়পূৰ্ণ শক্তি,— মানুহৰ বাকশক্তিৰ।



আনোৱাৰ যেতিয়া সোমাই আহে তেতিয়া কোঠাটো মানুহেৰে ভৰপূৰ। অনেক মাতৰ গুণগুণনিৰে কোঠাটো মুখৰ। আনোৱাৰ আহিছিল তাৰ আব্বাজানক আকাশেদি উৰি যোৱা সেই প্ৰকাণ্ড পাৰটোৰ বিষয়ে সুধিবলৈ। এতিয়া, ইমানবোৰ মানুহ কোঠাটোত দেখি সি চুপচাপ এচুকত বহি পৰিল। সঙ্কোচত সি পেপুৱা লাগিছিল। ভাবিছিল তাক কোনেও মন কৰা নাই। আব্বাজানৰ ইমানবোৰ বন্ধু একেলগে বহি থাকোঁতে তেওঁলোকৰ আগলৈ আহিবলৈ তাৰ সদায় সঙ্কোচ ওপজে। তেওঁলোকৰ প্ৰত্যেককে আনোৱাৰে চিনি পায়। প্ৰত্যেককে তাৰ ভালো লাগে, বেলেগ বেলেগ একো একো-জন মানুহ হিচাপে। কিন্তু তেওঁলোক গোট খাই থাকিলেই তাৰ ভয় লাগে। সি স্বভাৱতে লাজকুৰীয়া, অলপ ভয়াতুৰ ল'ৰা। এনে ল'ৰাৰ এটা স্বাভাৱিক নিজত্ব থাকে। এটা সুন্দৰ নিঃসঙ্গ-প্ৰিয়তা থাকে। আৰু দল বান্ধি থকা এই মানুহসকলৰ সমূহীয়া শক্তিয়ে যেন সেই একান্ত নিঃসঙ্গতা ভাঙি দিবলৈকে বদ্ধপৰিকৰ হৈ থাকে। আনোৱাৰৰ ভয় লাগে।

বাহিৰৰ বাৰাণ্ডাত বেলিৰ চোকা ৰ'দ সোমাব নোৱাৰাকৈ মিহি মিহি বাঁহৰ কাঠিৰে সজা চিক-পৰ্দা তৰা আছে। আনকি গৰমকালি দুপৰীয়াও সেইবাবে ভিতৰখন চেঁচা, ছাঁয়া-ছাঁয়া বেছ আৰাম-লগা হৈ থাকে। মৌলবী চাহেবে বাহিৰৰ ছাদৰ যি ঠাইত সিহঁতক সদায় কোৰান পঢ়ায়, তাত উজ্জ্বল পোহৰ; চৌদিশ খোলা। সেই পোহৰৰপৰা অহা বাবে এতিয়া আনোৱাৰে প্ৰথমতে কোঠাটোৰ একোকেই ভালকৈ মনিব পৰা নাছিল।

লাহে লাহে যেই হওক তাৰ দৃষ্টি সহজ হৈ আহিল। সি দেখিলে মজিয়াৰ কাৰ্পেটখন শীতল বগা চিটি কাপোৰেৰে ঢকা আছে। মূৰ-ভৰি নথকা নোদোকা নোদোকা গৰু পোৱালীৰ দৰে বগা ডাঙৰ পিপা একোটা হেন লগা 'কাও-কোচন'বোৰ বেৰৰ দাঁতিত পৰা আছে। তাত বহি আছে বগা বগা কাপোৰ পিন্ধি আব্বাজান আৰু তেওঁৰ বন্ধুবৰ্গ।

আনোৱাৰে তাৰ আব্বাজানক ভাল পাইছিল। এনে কি পেটে পেটে তেওঁক পূজা কৰিছিল বুলিয়ে কব পাৰি। আকবৰ আলি নামৰ এই মানুহ গৰাকী ওখ, হঠঙা, সুদৃঢ় স্বাস্থ্যৰ। দেখিলে আঢ়ৈ কুৰি বছৰ বয়স হৈছে বুলি ধৰিব সহজে নোৱাৰি। তেওঁৰ গাৰ বৰণ ৰঙা—বগা। সৰু ক'লা ডাটিকোচাই তেওঁক সম্রাট-সম্রাট লগা কৰি তুলি ধৰিছিল। ফুট এটা নপৰা শুধ বগা কাপোৰৰ বাহিৰে অন্য একো কাপোৰেই নিপিন্ধা মানুহ গৰাকী দেখিলে মূৰ্ত্তিমন্ত পবিত্ৰতা যেন লাগে। পবিত্ৰতা দেহাৰ; পবিত্ৰতা মনৰ। তেওঁৰ বন্ধু আৰু সহযোগী ব্যৱসায়ীসকলেও আকবৰ আলিক ভাল পাইছিল; বিশ্বাস কৰিছিল। এবাৰ এজন ব্যৱসায়ীয়ে তেওঁৰ হাতত কুৰি হাজাৰ টকা 'আমানত' থৈ বিশ্বাসতে ৰচিদো নোলোৱা কথা নিজ চকুৰে দেখা আনোৱাৰৰ মনত আছে। "আপোনাৰ মুখৰ কথাৰ মূল্য যি কোনো দলিলতকৈয়ো বহুত বেছি, আকবৰ আলি"—হাঁহি হাঁহি মানুহজনে কৈছিল। আৰু চকুৰ আগত ঘটা এই কাণ্ড দেখি আনোৱাৰৰ বুকু গৰ্ব্বত ফুলি উঠিছিল। "ইয়া আল্লা" নীৰৱে সি মোনাজাত কৰিছিল—"মোকো যেন ডাঙৰ হলে তুমি মোৰ আব্বাজানৰ নিচিনা কৰি তোলা!"

আকবৰ আলিৰ কাষতে সেয়া তেওঁৰ ব্যৱসায়ৰ অংশীদাৰ লালা ৰামেশ্বৰ দয়াল বহিছে। প্ৰকৃততে তেওঁ ব্যৱসায়ৰ অংশীদাৰতকৈ বহুত বেছি। তেওঁ আকবৰ আলিৰ অতি পুৰণা বন্ধু। পঢ়াশলীয়া দিনতো তেওঁলোক সহপাঠী, নলে-গলে লগা বন্ধু আছিল। কত দিন আনোৱাৰৰ সমুখতে তেওঁলোকে স্কুলীয়া দিনৰ নানান দুষ্টামিৰ স্মৃতি ৰোমন্থন কৰি হাঁহি হাঁহি ভাগৰি পৰিছে। ৰামেশ্বৰ দয়াল মানুহজন চাপৰ; মুখখন অলপ যেন শেঁতা পৰা। অতি ভদ্ৰ আৰু দয়ালু। আনোৱাৰৰ প্ৰতি তেওঁৰ মৰমৰ সীমা নাই। চোলাৰ হাত দুটা সদায় কোঁচাই অলপ উজাই ৰাখে। কথা পাতোতে মজিয়াত ঠেঙত ঠেং তুলি বহি বাওঁ ভৰিখন নচুৱাই থকা তেওঁৰ অভ্যাস। আনোৱাৰে দেখিলে কোঠাটোৰ পাতল পোহৰতো তেওঁৰ কামিজৰ সোণৰ বুতাম কেইটা চক্‌চকাই জিলিকি আছে। এই বুতামবোৰ আনোৱাৰৰ বাবে চিৰ-আকৰ্ষণৰ বস্তু। এই কথা ৰামেশ্বৰ দয়ালে জানিছিল।

সেয়ে তেওঁক "কাকা" অৰ্থাৎ খুড়া বুলি মতা আনোৱাৰক এনে এযোৰ বুতাম উপহাৰ দিম বুলিও এবাৰ কৈছিল। কিন্তু আকবৰ আলিয়ে অতি নম্ৰ ভাৱেই তেওঁক বুতামযোৰ দিবলৈ মানা কৰি দিলে। সোণৰ বুতাম পিন্ধা হেনো এটা অদৰকাৰী বিলাস মাত্ৰ। সৰু ল'ৰা আনোৱাৰৰ মন এনে বিলাসে বিপথগামী কৰিব পাৰে। তেওঁ কৈছিল.—"মোৰ ল'ৰা শক্তিশালী, কৰ্মী আৰু আত্ম-নিৰ্ভৰশীল হৈ উঠাই মই বিচাৰো। সোণৰ বুতাম পিন্ধা চেল-বেলীয়া অভিজাত হোৱা মই বাঞ্ছা নকৰো।"

কোঠাটোত আৰু দুগৰাকী মানুহ বহি আছিল। এজনৰ নাম হেকিম আবদুল ৰছিদ। তেওঁ এজন চিকিৎসক। ৰোগী চিকিৎসা কৰি জীৱন নিৰ্ব্বাহ কৰিলেও মনে-প্ৰাণে তেওঁ এজন কবিহে। "বেদিল" ছদ্মনাম লৈ তেওঁ কবিতা লিখে। মানুহ গৰাকী দেখাতেই নিচেই আলসুৱা। অবিৰাম গাৰপৰা গোলাপী-আঁতৰৰ গোন্ধ ওলাই থাকে। ইখনৰ পিচত সিখনকৈ অনবৰত পাণ চোবাই থাকে। আৰু কথা পাতোতে অনৰ্গল গালিব, মিৰ, জৌক আদি 'ক্লাছিকেল' উৰ্দ্দু কবিৰ কবিতাৰ পংক্তি উদ্ধৃত কৰি যায়। ভাগৰো নেলাগে; নেপাহৰেও। আনজন হ'ল চৌধুৰী মোহাম্মদ ওমৰ। এওঁ হেকিম বেদিলৰ সম্পূৰ্ণ বিপৰীত। শকত-আৱত মোটোহা মানুহ; কথাই কামে গদ্যময়। অৰ্থাৎ কাম ভাল পায়; কল্পনা-প্ৰৱণ নহয়। নিজ ঠাই পঞ্জাব এৰি গুচি অহা কিমান বছৰ হ'ল তেওঁৰ নিজৰে মনত নাই। অতি সামান্য অৱস্থাৰপৰা উন্নতি কৰি এতিয়া তেওঁ বিৰাট বাচন-বৰ্ত্তন আৰু এলুমিনিয়ামৰ কাৰবাৰৰ মালিক। পঢ়াশুনাৰ পিনৰপৰা তেওঁ তেনে বিদ্বান নাছিল আৰু সেয়ে প্ৰায়েই হেকিম বেদিলৰ সূক্ষ্ম হাস্যৰসৰ কথা বা সাহিত্যিক-মন্তব্যবোৰ বুজি উঠিব নোৱাৰিছিল। কিন্তু আকবৰ আলিয়ে খোলাখুলিভাৱে তেওঁক প্ৰশংসা কৰিছিল। আনোৱাৰক তেওঁ কৈছিল মোহাম্মদ ওমৰৰ দৰে ব্যৱসায়ী বাঢ়ে মানে দেশৰ পক্ষে মঙ্গল। কাৰণ একমাত্ৰ ব্যৱসায়ৰ যোগেদিহে যি কোনো মানুহ অথবা জাতিয়ে পৃথিৱীত নাম ৰাখিব পৰাকৈ উন্নতি কৰিব পাৰে। "ইংৰাজবোৰলৈকে চোৱা" তেওঁ প্ৰায়েই কৈছিল,—"তেওঁলোকযে আজি পৃথিৱীৰ গৰাকী একমাত্ৰ ব্যৱসায়ৰ যশতেই নহয় নে।"

এচুকত চুপচাপ বহি আনোৱাৰে বয়সস্থসকলৰ আলোচনালে কাণ দি তেওঁলোকৰ কথা বুজিবলৈ যত্ন কৰিছিল। আজিৰ আলোচনা যেন অন্য দিনাতকৈ বহুত বেছি সজীব। ভালেমান পৰলৈকে আনোৱাৰে তেওঁলোকেনো কিহৰ কথা পাতিছে একো ধৰিবই নোৱাৰিলে। "ৰাও-লাত বিল", "সামৰিক বিধান", "হৰতাল", "কংগ্ৰেছ", "মুছলিম লীগ", আদি কিছুমান অচিনাকী নতুন শব্দ মানুহ কেইজনৰ মুখৰপৰা মুখলৈ যেন উফৰি ফুৰিছে। "গান্ধীজী" বুলি এটা নাম বাৰে বাৰে লোৱা হৈছে। "সত্যাগ্ৰহ" বোলা কিবা এটা বস্তু লৈ প্ৰত্যেক জনেই যেন উত্তেজিত হৈ উঠিছে। লাহে লাহে আনোৱাৰৰ দৃষ্টিয়ে কোঠাটোৰ ঈষৎ এন্ধাৰতো ভাল দৰে দেখা হ'ল। বহি থকা প্ৰত্যেকজন মানুহক ভালকৈ চিনি পালে। আৰু আলোচিত বিষয়ৰ আঁতো ধৰিব পৰা হ'ল। তেওঁ-লোকৰ কথাৰ সকলো নুবুজিলেও যি বুজিলে তাতে আনোৱাৰ মগ্ন হৈ উঠিল। তাৰ কথাৰ প্ৰতি ৰাপ বাঢ়ি যোৱাৰ লগে লগে সি আব্বাজানক সুধিবলৈ অহা অদ্ভুত চৰাইটোৰ কথা পাহৰি গ'ল। তাতোকৈও অদ্ভুত, তাতোকৈ বহুত বেছি দৰ্কাৰী নতুন কথাই তাৰ মন জিনি পেলালে।

আনোৱাৰে বুজিলে ইংৰাজ চৰকাৰে ভাৰতৰ প্ৰতি উচিত ব্যৱহাৰ প্ৰদৰ্শন কৰা নাই। ইউৰোপত কিবা এখন ডাঙৰ "চাৰি বছৰীয়া যুদ্ধ" লাগিছিল। এই যুদ্ধত জয়লাভ কৰিবলৈ ভাৰতীয়সকলে ইংৰাজক সহায় কৰি দিছিল। তাৰ প্ৰতিদানত সিহঁতে ভাৰতীয় লোকক দেশ শাসনত অধিক অংশ গ্ৰহণ কৰিবলৈ দিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়া যুদ্ধ শেষ হ'লত সিহঁতে সিহঁতৰ প্ৰতিশ্ৰুতিও পাহৰি গ'ল। ভাৰত-বাসী এই কথাত ক্ষুব্ধ হৈ উঠা যেন বোধ হৈছে। এই লৈ অনেকে প্ৰতিবাদ কৰিবলৈ বিচাৰিছে আৰু অনেকে ১৮৫৭ চনত কৰাৰ দৰে ইংৰাজবোৰক গুলিয়ায়ে মাৰিব খুজিছে। আনহাতে চৰকাৰো সচৈম হৈছে। ৰাওলাত বিল নামৰ এখন নতুন আইন প্ৰণয়ন কৰা হৈছে। ইয়াৰ বলত চৰকাৰৰ বিপক্ষে কিবা কৰিলে বা ক'লেই কঠোৰ শাস্তি বিহিব পৰা যাব। এতিয়া, গান্ধী নামৰ এগৰাকী মানুহ ওলাইছে। এখেতে ইমানদিন দক্ষিণ আফ্ৰিকাত ওকালতি কৰি কাল কটাইছিল। এতিয়া নিজ দেশলৈ আহি দেশবাসীক কৈছে বোলে ইংৰাজ চৰকাৰৰ বিপক্ষে যুঁজি কৃতকাৰ্য্য হবৰ হ'লে এটাই মাত্ৰ অস্ত্ৰ আছে—যাৰ নাম "সত্যাগ্ৰহ"। আকবৰ আলি বা তেওঁৰ বন্ধুবৰ্গৰ কেৱেঁই এই সত্যাগ্ৰহৰ বিষয়ে বিশেষ একো নেজানে। মাত্ৰ ৰামেশ্বৰ দয়ালে গান্ধীয়ে লেখা এটা প্ৰবন্ধ পঢ়ি এই বিষয়ে এটা স্থূল ধাৰণা কৰিব পাৰিছে। আদৰ্শটো এনে ধৰণৰ। যদি গোটেই

দেশবাসীয়ে অন্যায় আইনসমূহ মানি লবলৈ অস্বীকাৰ কৰে তেতিয়া হ'লে চৰকাৰে সেই আইন উঠাই লবলৈ বাধ্য হব। ইংৰাজবোৰক আৰু গুলি-য়াই মৰাবো আৱশ্যক নহব। আশ্চৰ্য্য! এই গান্ধী এনে এজন মানুহ যি কাকোৱেই হত্যা কৰা কথা সমৰ্থন নকৰে। আনকি নিষ্ঠুৰ অবিচাৰি ইংৰাজ বিষয়াকো বধ কৰাৰ তেখেত বিৰুদ্ধে। সকলো কথাৰ গূঢ় অৰ্থ আনোৱাৰে বুজা নাছিল; কিন্তু দুটা কথাই স্বতঃপ্ৰণোদিতভাৱে তাৰ মনত দাগ কাটি গৈছিল: "চৰকাৰৰ অন্যায় আইন মানি ল'ব নেলাগে"; আৰু "কাকো বধ কৰিব নেলাগে।" আনোৱাৰৰ আব্বাজানে তাক অনেকবাৰ শিকাইছে যে অন্যায় অবিচাৰৰ লগত হাত মিলাই চলা খাঁটি মুছলমানৰ বাবে ডাঙৰ গুনাহৰ কথা। আকবৰ আলিয়ে এই সম্পৰ্কত পুতেকক নিজৰ পৰিয়ালৰে কাহিনী এটা কৈছিল। আকবৰ আলিৰ পিতাক দিল্লীৰ শেষ সম্ৰাটৰ ৰাজসভাৰ কবি আছিল। এবাৰ তেওঁ স্বৰচিত এটা কবিতাত সম্ৰাট আৰু তেওঁৰ পৰিষদবৰ্গৰ বিলাস প্ৰিয়তাৰ চোকা সমালোচনা কৰাৰ ফলত ৰাজকীয় সন্মান হেৰুৱাব লগাত পৰে। তথাপি তেওঁ একো পধ্যেই দোষ স্বীকাৰ কৰি ক্ষমা ভীক্ষা কৰা নাছিল। গৰ্ব্বেৰে সৈতে এই কাহিনী অনেক দিন অসংখ্যবাৰ কৈয়ো আকবৰ আলিৰ কেতিয়াও আমনি নেলাগিছিল। আৰু আনোৱাৰেও তাৰ মৃত নানায়েকক সশ্ৰদ্ধ মৰমৰে ভাল পাবলৈ আৰম্ভ কৰি দিছিল। আনহাতে জীৱিত যি কোনো প্ৰাণী বধ কৰা কথা আনোৱাৰে স্বভাৱতেই সহ্য কৰি-বলৈ টান পাইছিল। এবাৰ আখাশালত গুলাবীয়ে নিগনি এটা মৰা দেখি সি দুদিন একো খাব নোৱাৰা হৈ আছিল। আৰু, মানুহ মৰা? কি জঘন্য সাংঘাতিক কথা! তৎক্ষণাৎ আনোৱাৰে মনে মনে সিদ্ধান্ত কৰি পেলালে যেনে তেনে গান্ধী নামৰ এই মানুহজনৰ বিষয়ে সকলো কথা খৰচি মাৰি জানিবই লাগিব।

সমান উদ্যমে আলোচনা আগবাঢ়ি গৈছিল। আনোৱাৰে যত্ন কৰিও ধৰিব পৰা নাছিল তাৰ আব্বাজানে গান্ধীৰ এই নতুন আদৰ্শ সমৰ্থনেই কৰিছিল নে অসমৰ্থন কৰিছিল। ঠিক এনে সময়তে সিহঁতৰ ঘৰৰ বহু-দিনীয়া পুৰণি চাকৰ এটা তালৈ সোমাই আহি আকবৰ আলিৰ হাতত এখন টেলিগ্ৰাম দিলেহি। তেওঁ ৰচিদ এখনত চহী কৰি দি খাকী লেফা-ফাটো খুলিলে। আনোৱাৰৰ বুকুখন ধপ্‌ধপাব ধৰিলে। কিয় জানো টেলিগ্ৰাম আহিলেই আনোৱাৰৰ বুকু ধপ্‌ধপাই উঠে। হয়তো ইমান সোনকালে খবৰ অহা কথাই তাক উত্তেজিত কৰি তোলে। কলিকতাৰ পৰা দুই-এঘণ্টাতে খবৰ আহি পাই যায়হি; কম কথানে! কেনেকৈ

আহে তাৰ সদায়, জানিবৰ মন যায়। গুলাবীৰ সাধুকথাৰ প্ৰাচীন ৰজা-বোৰৰ খবৰ পাব চৰাইয়ে কাঢ়িয়াই আনিছিল। সিহঁতেই আনে নেকি বাৰু? নে আজি পুৱা দেখা সেই প্ৰকাণ্ড পাৰটোৱে এইবোৰ খবৰ আনে?

আনোৱাৰে জানে টেলিগ্ৰাম মানেই কিবা নহয় কিবা এটা ডাঙৰ ঘটনা হবই। এবাৰ দহ হেজাৰখন কম্বলৰ অৰ্ডাৰ পাইছিল আব্বাজানে একেলগে। এবাৰ আকৌ আকবৰ আলি আৰু ৰামেশ্বৰ দয়ালক উলৰ যোগান ধৰা এটা কাৰখানা জ্বলি যোৱাৰ খবৰ আহিছিল। আৰু প্ৰায়ে টেলিগ্ৰাম অহা মানেই ভ্ৰমণৰ সুযোগ অহা;—কাণপুৰ বা অমৃতচৰ, আনকি কেতিয়াবা কলিকতা পৰ্য্যন্ত যাব লগা হয়। এই ভ্ৰমণবিলাকত আব্বা-জানৰ লগত যাবলৈ আনোৱাৰৰ কিমান যে মন যায়! আব্বাজানে গৈ থকা সেই দূৰ দূৰণিৰ আচৰিত আচৰিত ঠাইবোৰৰ কথা আনোৱাৰে কল্পনা কৰি উত্তেজিত হৈ উঠে। কিন্তু দুৰ্ভাগ্যবশতঃ দূৰ দেশ ভ্ৰমণৰ সৌভাগ্য তাৰ এতিয়াও হৈ উঠা নাই।

আকবৰ আলিয়ে টেলিগ্ৰামখন তেওঁৰ অংশীদাৰলৈ আগবঢ়াই দিলে। ৰামেশ্বৰ দয়ালে লাহে লাহে এটা এটাকৈ শব্দবোৰ পঢ়িলে। সকলো কথাই এনেদৰে পঢ়া তেওঁৰ অভ্যাস।

"তাৰ মানে তুমি অমৃতচৰলৈ যাব লাগিব," আকবৰ আলিক টেলি-গ্ৰামখন ওভটাই দি তেওঁ ক'লে।

"ওঁ। নগ'লে নহ'ব যেন পাইছো।" লাহে লাহে কাগজখন ভাঁজ কৰি আকৌ লেফাফাত ভৰাই-ভৰাই আকবৰ আলিয়ে অন্যমনস্ক ভাৱে ক'লে।

সেইয়া! আখৰে আখৰে মিলি গ'ল আনোৱাৰৰ হিচাপ। তাৰ মানে আব্বাজান আকৌ অমৃতচৰ! আনোৱাৰে এটা স্বস্তিৰ নিশ্বাস পেলালে। টেলিগ্ৰামখনে সৃষ্টি কৰা উৎকণ্ঠাই বেচাৰাক একেবাৰে শ্বাস-ৰুদ্ধ কৰি পেলাইছিল। সি চকু দুটা মুদিলে আৰু প্ৰত্যেকবাৰ এনে ক্ষেত্ৰত কৰাৰ দৰে নীৰৱে আল্লাৰ ওচৰত প্ৰাৰ্থনা জনালে—"ইয়া খোদা, আব্বাজানক কোৱা, তেওঁ যেন মোকো লগত লৈ যায়। ইয়া আল্লা, মোৰ এই প্ৰাৰ্থনা তুমি 'কবুল' কৰা; মই প্ৰতিজ্ঞা কৰিছো মই সদায় ভাল ল'ৰা হৈ থাকিম। মই সদায় আব্বাজান আৰু পেহীজানৰ হাক-বচন মানি চলিম; আনকি—আনকি মৌলবী চাহেবৰ কথাও শুনিম।"

"কিন্তু আকবৰ আলি, এই সময়ত তুমি তালৈ যোৱাটো উচিত হব জানো?" আনোৱাৰে চৌধুৰী মোহাম্মদ ওমৰৰ মাত শুনি আল্লাৰ ওচৰৰ পৰা মনটো আঁতৰাই আনি চকু মেলি তেওঁলৈ চালে। "পঞ্জাবত এতিয়া

সামৰিক আইন বলবৎ কৰা হৈছে। কোনো মানুহৰ কাৰণেই সেই ঠাই বৰ্ত্তমান নিৰাপদ নহয়।"

"ঠিক কথা" চিৰাচৰিত কাৰ্য্যক সুৰত হেকিম বেদিলে সমৰ্থন জনালে—"অমঙ্গলৰ কলিয়া ডাৱৰে ঢকা দিগন্তত এতিয়া এন্ধাৰ। এয়া দুঃসময়, বন্ধু! গালিবে কৈছে——"

"গালিবৰ কথা এতিয়া এৰা" হাঁহি হাঁহি মাত লগালে আকবৰ আলিয়ে। "হেজাৰ হলেও মইতো আৰু হাতত বালা পিন্ধি মাইকী মানুহৰ দৰে ঘৰত সোমাই থাকিব নোৱাৰো। আৰু, মইতো যাম ব্যৱসায়ৰ কামত। মই কোনো ৰাজনীতিৰ প্ৰৰোচনাকাৰী নহওঁ। গতিকে মই ভয় কৰাৰ কি কাৰণ থাকিব পাৰে?"

"তথাপি, ভাই চাহেব" ৰামেশ্বৰ দয়ালে মাত লগালে। তেওঁ যদিও সমবয়সী বন্ধু তথাপি তেওঁ আকবৰ আলিক ককায়েকক মতাৰ দৰে সম্বোধন কৰে। "সময় যেহেতু ভাল নহয়, এই সময়ত তুমি বৰং নগলেই মই ভাল পাম।"

"এঁকবাৰ দৰে কথা নকবাচোন, ৰামেশ্বৰ! মই নিজে অমৃতচৰলৈ গৈ কাৰখানাবোৰৰ লগত বন্দোবস্ত নকৰিলে এই চুক্তি ৰক্ষা কৰিব আমি জানো পাৰিম! মই কাইলৈ পুৱাই যাত্ৰা কৰিম।"

তাৰ আব্বাজনাৰ কণ্ঠত থকা শান্ত দৃঢ়তাৰ সুৰটো আনোৱাৰৰ সদায় ভাল লাগে। ভয় খোৱা বা আতঙ্কগ্ৰস্ত হোৱা মানুহেই নহয় তাৰ আব্বাজান। কৰিব লগা কাম যদি হাতত থাকে হাঁহি হাঁহি সেয়া তেওঁ সম্পন্ন কৰিব। ফলাফলৰ কথা আগৰপৰা চিন্তা কৰি হাত সাবটি বহি নেথাকে। কথাবোৰ ভৱাৰ লগে লগে আকৌ এবাৰ আনোৱাৰৰ হিয়া গৰ্ব্বত ফুলি উঠিল। কিন্তু পিচ মুহূৰ্ত্ততে সেই গৰ্ব্বভৰা হিয়া উত্তেজনাত ধপ্‌ধপাই উঠিল। তাৰ কাণত যেন বাজি উঠিল কোনোবা মন্দিৰৰ অসংখ্য ঘণ্টা ধ্বনি। হাড়ে হাড়ে বিয়পি গ'ল আনন্দৰ এক মধু শিহৰণ।

"আনোৱাৰ!" তাৰ ফালে চাই তাৰ আব্বাজানে মাত লগালে।

"কি কৈছা, আব্বাজান!"

"মোৰ লগত যাবা নেকি তুমিও অমৃতচৰলৈ?" ধুনীয়াকৈ হাঁহি তেওঁ সুধিলে।

আৰু আনোৱাৰে একো উত্তৰেই দিব নোৱাৰিলে খিতাতে। অপ্ৰত্যাশিত এই প্ৰস্তাৱ আৰু এক অনামী আনন্দই তাক যেন অবাক কৰি পেলালে। সি আৰু তাত নৰ'ল। তাৰ আব্বাজানে উপস্থিত বন্ধুবৰ্গক আঠবছৰীয়া আনোৱাৰকো লগত নিব খোজাৰ কাৰণ দৰ্শাই কৈছিল যে

তেওঁ বিচাৰে আনোৱাৰ ডাঙৰ হৈ উঠক পৃথিৱীৰ লগত ভাল ভাৱে পৰি-চিত হৈ। ভ্ৰমণে তাৰ মন বহল কৰিব। সি নিৰ্ভীক হ'ব। উদ্যোগী সৎ-সাহসী হ'ব। সেইবোৰ কথা শুনিবলৈ আৰু নবৈ সি লৰ ধৰিলে 'জেনানা ঘৰ' অৰ্থাৎ অন্তেষপুৰলৈ আৰু উত্তেজনাত বায়েকক সাৰটি ধৰি চিঞৰি উঠিল—"অ' বাইজান! বাইজান! মই অমৃতচৰলৈ যাম! অমৃতচৰ!!"

তিৰবিৰ কৰি থকা কোটি কোটি তৰাৰে গ্ৰীষ্মকালৰ মুকলি নিশাৰ আকাশখন আঞ্জুম বাইজানে ঈদত পিন্ধা নীলা গুণাৰ কাম কৰা 'কামদানী দোপাত্তা'খনৰ দৰে দেখা গৈছিল। জেনানা-ঘৰৰ চোতালত গৰমকালি পেহীজান, গুলাবী আৰু আঞ্জুমৰ লগত আনোৱাৰো শোৱে। সেইদিনাও শুইছিল। কিন্তু তাৰ টোপনি অহা নাছিল। গোটেই ঘৰখনৰ ওপৰত চকু ৰাখিব লাগে বৃদ্ধা পেহীজানে। সেয়ে ৰাতি ভাগৰত তেওঁ পৰি দিয়াৰ লগে লগে টোপনি যায়। আজিও গৈছিল। আঞ্জুমৰতো কথাই নাই। বিছনাত পৰাৰ লগে লগে টোপনি যায়। গুলাবী শুবলৈ অহাই নাই। খাই-বই ওচৰৰে কাৰোবাৰ লগত এঘণ্টামান বহি কথাৰ মহলা মাৰি অহা তাইৰ অভ্যাস। কোনো নাই। মাখোন আনোৱাৰে তৰাৰে মিতালি পাতি জাগি আছে। সমাগত যাত্ৰাৰ চিন্তাই তাক ইমান উত্তেজিত কৰি তুলিছে যে কোনোমতেই সি টোপনি যাব পৰা নাই।

নীৰৱ নিঃসাৰ নিশা। উজাগৰে পৰি থাকে আনোৱাৰ। এনে সময়তে বাহিৰৰ পুৰণি দুৱাৰখন খোলাৰ শব্দ হ'ল। কব্জাবোৰ কেৰ্-কেৰাই উঠিল। আনোৱাৰে দেখিলে নিঃশব্দে গুলাবী সোমাই আহিল। পাৰ্য্যমানে শব্দ নুঠাকৈ তাই লাহে লাহে পুনৰ দুৱাৰখন বন্ধ কৰিলে। শিকলিডাল শলখাটোত খুৰাই দিলে। তাৰ পিচত হাতত সাৱে ভৰিত সাৱে নিজৰ খাটিয়াখনলৈ গ'ল।

"গুলাবী পেহী!" চাকৰণী যদিও আনোৱাৰক তাইকো সন্মানেৰে সম্বোধন কৰিবলৈ শিকোৱা হৈছিল।

"কি, বাচা, কি ক'বা ?"

"মোৰ টোপনি অহা নাই।"

"তাৰ মানে ? সাধু এটা ক'ব লাগে নহয় ?"

"পেহী ! এটা, অকণমান এটা কোৱা না।"

আকাশৰ সৰু সৰু তৰাবোৰ আগতকৈ যেন বেছি উজ্জ্বল হৈ উঠিল। যেন সিহঁতো ওচৰ চাপি আহিল গুলাবীৰ সাধুকথা শুনিবলৈ। গুলাবীয়ে যিমানবোৰ মজাৰ মজাৰ সাধুকথা ক'ব পাৰে তেনেকুৱা সাধু আকাশৰ তৰাবোৰেও যে কেতিয়াও শুনা নাই তাত আনোৱাৰৰ একো সন্দেহ নাই।

গুলাবীৰ বিপুল বপুটো ওপৰত পৰাৰ লগে লগে আনোৱাৰৰ সৰু খাটিয়াখনে কেৰ্‌কেৰাই বিদ্ৰোহ জনাই উঠিল। মুখত থকা তামোলৰ শেষ পিক্‌খিনি পেৰেক কৰি পেলাই গুলাবীয়ে আনোৱাৰৰ নিচেই চিনাকি, সময়ে সসন্মানে ৰক্ষা কৰি অহা, চিৰাচৰিত আৰম্ভনীৰে সাধু আৰম্ভ কৰিলে।

'পোৱে সংসাৰ আগে পাক পৰৱাৰদিগাৰ'—গোটেই পৃথিৱীৰে টোপনি যায়, কেৱল সৰ্ব্বশক্তিমান আল্লা সদায় সাৰে থাকে। 'হামাৰা তুমহাৰা খুদা বাদশ্বাহ, খুদাকা বনায়া নবী বাদশ্বাহ।' এক খোদা আমাৰ সকলোৰে ওপৰত সম্ৰাট আৰু নবীক খোদাই সম্ৰাট কৰি সৃষ্টি কৰিলে। বহুত দিনৰ আগতে এসময়ত এজন সম্ৰাট আছিল।........"

গুলাবীয়ে আনোৱাৰক কোৱা প্ৰত্যেকটো সাধু ঠিক এনেদৰে সদায় আৰম্ভ হয়। সদায় এজন ডাঙৰ ৰজা থাকিবই। কেৱল সেই ৰজাৰ কিমান ল'ৰা-ছোৱালী আছিল তাৰ ওপৰতে দুটা সাধুৰ পাৰ্থক্য নিৰ্ভৰ কৰে। কেতিয়াবা ৰজাৰ সাতজনী জীয়েক থাকে। কেতিয়াবা থাকে সাতজন পুতেক। এবাৰ এজন ৰজাৰ তিনিজনী জীয়েক আছিল। আজিৰ সাধুৰ ৰজাৰ পুতেক মাত্ৰ এটা।

"সম্ৰাটে পুতেকক নিজৰ জীউটোতকৈও বেছি মৰম কৰিছিল।" অতি কোমল গা-মন শীতল কৰি নিয়া সুৰত গুলাবীৰ মুখৰপৰা এটা এটাকৈ সুৰীয়া শব্দবোৰ নিজৰি ওলাই আহে। নিজ কাণেৰে নুশুনিলে, মাংসৰ এটা বিৰাট পিণ্ডৰ দৰে সেই দেহা আৰু সেইখন কুৎসিৎ মুখৰপৰা ইমান শুৱলা মাত ওলাব পাৰে বুলি বিশ্বাসেই কৰিব নোৱাৰি।.........

"যেতিয়া ৰাজকোঁৱৰৰ বয়স ওঠৰ বছৰ হ'ল তেতিয়া সম্ৰাটে এদিন পুতেকক ওচৰলৈ মাতি আনি এটা বগা ঘোঁৰা দিলে। এখন হীৰা খটোৱা তৰোৱাল দিলে। আৰু দিলে দিক্ নিৰ্ণয় কৰিব পৰা এটা কম্পাচ যন্ত্ৰ।"

'যোৱা বাচা, তুমি পৃথিৱী ভ্ৰমণ কৰাগৈ,' সম্ৰাটে ক'লে 'পৃথিৱীত কি আছে তুমি নিজ চকুৰে চাই আহাগৈ।' তাৰ পিচত তেওঁ পুতেকক উপদেশ দি আকৌ ক'লে—'বাচা, পূবলৈ যাবা ; উত্তৰলৈ যাবা ; যাবা দক্ষিণলৈকো ; কিন্তু কেতিয়াও পশ্চিমলৈ মু নকৰিবা। কাৰণ সেই ফালে বিস্তৰ অমঙ্গল আৰু সাংঘাতিক বিপদ ওৰ পাতি আছে। খোদা তোমাৰ সহায় হওক॥'

"আৰু তেতিয়া ৰাজকোঁৱৰে বিশ্ব ভ্ৰমণ কৰিবলৈ ওলাই গ'ল। প্ৰথমতে তেওঁ উত্তৰৰ পিনে গ'ল। সেই ফালে গৈ তেওঁ অনেক ভেড়া-ৰখীয়া মানুহ লগ পালে। সবল পাহাৰী জাতিৰ লগত চিনাকী হ'ল। তেওঁলোকৰ লগত অনেক দিন কটাই ৰাজকোঁৱৰে দেখিলে জীৱন নিৰ্ব্বাহৰ বাবে এই মানুহবোৰে কি কঠোৰ পৰিশ্ৰম কৰিব লাগে। ধুমুহা-বতাহ, তুষাৰপাত আদি প্ৰাকৃতিক দুৰ্য্যোগৰ লগত কিমান সাহসেৰে তেওঁলোকে যুদ্ধ দিব লাগে। তাৰ পিচত ৰাজকোঁৱৰ দক্ষিণমুৱা হ'ল।........

"বৰফে ঢকা কষ্টপূৰ্ণ উত্তৰৰ তুলনাত দক্ষিণ দিশ অতি সুন্দৰ। চাৰিওপিনে সেউজীয়া ৰঙৰ পোহাৰ। সুন্দৰ সুন্দৰ উপত্যকাৰ মাজেদি অসংখ্য নদী অকাঁই পকাঁই বৈ গৈছে। পথাৰত নদন-বদনকৈ ধান আৰু ঘেঁহুৰ শইচ হৈছে। ঠোকাঠোকে ফল-মূলেৰে লাগনি গছবোৰ ভৰপূৰ। কোনো পৰিশ্ৰম নকৰাকৈ মাটিত তলসৰা নাৰিকল, আম বা মধুৰীআম বুটলিয়েই মানুহে জীৱন নিৰ্ব্বাহ কৰিব পাৰে। ৰাজকোঁৱৰে যিমান মানুহ লগ পালে সকলো নম্ৰ, ভদ্ৰ আৰু অতিথি-বৎসল। হলেও তেওঁ-লোকৰ সৰহভাগেই সোৰোপা আৰু আলাসপ্ৰিয়। দোভাগখিনি সময় তেওঁলোকে গান গাই, নাচি আৰু নিজৰ গাত ৰামধেনুৰ বেলেগ বেলেগ ৰং সানি সানিয়ে কটাই দিয়ে।

"তাৰ পিচত ৰাজকোঁৱৰ পূব ফালে গ'ল। এইবাৰ তেওঁ দেখিলে অনেক বিখ্যাত বিখ্যাত মহানগৰ। সেইবিলাকত আচৰিত আচৰিত বস্তুৰে ভৰপূৰ অনেক বজাৰ। কত মন্দিৰ। কত পেগোডা। সক-লোৰে চূড়াবোৰ সোণেৰে বন্ধোৱা। ৰূপৰ পাল্কীত উঠি কত ধনী ধনী মানুহ অবিৰাম অহা-যোৱা কৰিছে। এই ফালৰ সকলো মানুহেই সম্ভ্ৰান্ত, সুসভ্য। ৰাজকোঁৱৰে ইয়াত অনেক জ্ঞানী মানুহ লগ পালে। একো একোজন পণ্ডিত যেন অনেক যুগৰ সঞ্চিত জ্ঞানৰ একো একোটা ভঁড়ালহে।

"পূব ফালৰ সকলো ঠাই চোৱা হ'লত এতিয়া ক'লৈ যোৱা যায় ভাবি ৰাজকোঁৱৰ থমকি ৰ'ল। পশ্চিম দিশ মাথোন আবিষ্কাৰ কৰা হোৱা নাই। কিন্তু পিতাক সম্ৰাটে সেইফালে যাবলৈ কোঁৱৰক দঢ়াই

দচাই হাক দি পঠিয়াইছে। কিন্তু দেশ ভ্ৰমণ কৰি কৰি এতিয়া কোঁৱৰৰ দেশ ভ্ৰমণত নিচা বহি গৈছে। সেয়ে তেওঁ সম্ৰাটৰ কথাকে পেলাই পশ্চিমৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ মনস্থ কৰিলে।

"আৰু ৰাজকোঁৱৰে তেওঁৰ ক্লান্ত ঘোঁৰাক পশ্চিম মুৱা কৰি দৌৰাই দিলে। ঘোঁৰা চেকুৰিল। কত দূৰ বাট। কত পৰ্ব্বত। কত উত্তপ্ত মৰুভূমি। কষ্টৰ সীমা নাই। ৰ'দ নাই, বৰষুণ নাই, ধুমুহা নাই, অৱশেষত আহি ৰাজকুমাৰ ভীতিপূৰ্ণ এক মহানগৰীত উপস্থিত হ'লহি। ইয়াত তেওঁ যিবোৰ দৃশ্য দেখিলেহি তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। দেখিলেই বুকু চমকি উঠে। হেজাৰ হেজাৰ মানুহ, তিৰোতা আনকি সৰু সৰু ল'ৰা-ছোৱালীকো শিকলিৰে বান্ধি গৰুৰে মৰণা ফুৰোৱাদি যন্ত্ৰৰ চকা টানি টানি ঘূৰাবলৈ লগাই দিয়া হৈছে। অবিৰাম সিহঁতে টানিছে। সিহঁতৰ আগত থিয় দি আছে এক প্ৰকাণ্ড দৈত্য। দৈত্যৰ মূৰটো লাগি আছে মেঘত। ভৰি দুখন মাটিত পোত গৈ আছে। তাৰ হাতত এডাল চাবুক। নিৰ্দ্দয়ভাবে সেই চাবুক কোনোবাই অকমান ঢিলাই দিলেই পিঠিত সাৰোপ কৰে পৰেহি। বিৰাট বিৰাট একোটা পৰ্ব্বত প্ৰমাণ শিল যন্ত্ৰৰ চেপা-শিল ৰূপে ব্যৱহাৰ কৰা হৈছে, যাৰ শব্দ শুনিলেই বুকু কঁপি উঠে। ভালকৈ চাই ৰাজকোঁৱৰে দেখিলে তাত অন্য বস্তু নহয় শুদ্ধ মানুহ চেপা হৈছে। আতঙ্কত ৰাজকোঁৱৰৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। বিকটাকায় দৈত্যটোৱে মাজে মাজে দুটামান মানুহ যন্ত্ৰৰ চেপা-শিলৰ মাজত সুমুৱাই দিয়ে। খন্তেক ৰয়। আকৌ দুটামান নতুন মানুহ সুমুৱাই দিয়ে। আৰু অবিৰাম দাসদলে ঘূৰি ঘূৰি ঘানি ঘূৰাই থাকে। তলমূৰ কৰি সিহঁতে চলাই যায় সিহঁতৰ আপোন ধ্বংসৰ যন্ত্ৰ। নিঃশব্দে। শিকলিবোৰ মাত্ৰ বাজি থাকে—ঝন্ ঝন্ ঝন্।

"এই হতভাগাহঁতৰ দুৰাৱস্থা দেখি ৰাজকোঁৱৰৰ অন্তৰ গলি গ'ল। তেওঁ তাৰে এটাক শিকলি খুলি মুকলি কৰি দিবলৈ যত্ন কৰিলে। কিন্তু মানুহটোৱে তেওঁক মানা কৰি ক'লে—'দৰ্কাৰ নাই ভাই, ইয়াৰ পৰা একো লাভ নাই। আকাশত 'ৰঙা-তৰা' নোলায় মানে আমি এই যন্ত্ৰ টানিবই লাগিব। তৰা ওলালে আমাৰ মুক্তি হব। তুমি বৰং অন্য এটা কাম কৰা। যোৱা আৰু সেউজীয়া-চকুৱা ড্ৰেগনটো বিচাৰি তাক বধ কৰা। আমাৰ অসংখ্য লগৰীয়া খাই সি অন্ত কৰিছে।"

"এই কথা শুনি ৰাজকোঁৱৰে সেউজীয়া চকুৰ দানৱটোক বিচাৰি গ'ল। বাটেদি যাওঁতে তেওঁ এখন ধুনীয়া উপবন পালে। সেই উপবনৰ নাম প্ৰলোভনৰ উপবন। চাৰিওফালে সুমধুৰ সঙ্গীতে আকাশ-জুৰি মাদকতা

সানি দিছে। কুলু কুলুকৈ বৈ আছে 'চিৰাজী'ৰ ে। হাতেৰে চুকি পোৱাতে থোকাথোকে ওলমি আছে অলেখ সোণ বৰণীয়া ফল। হেজাৰ হেজাৰ দেখিলেই মোহ যাব লগা সুন্দৰী সুন্দৰী গাভৰুৱে চাৰিওফালৰ পৰা কোঁৱৰক আহ্বান জনাইছে মন গলোৱা মিচিকি হাঁহিৰে। 'হেৰা অচিন দেশৰ যুৱক; এখন্তেক ৰবা। আমাৰ এই সুন্দৰ ঠাইত অলপ জিৰাই যোৱা। ইমান দৌৰাদৌৰি কিয়!' ৰাজকুমাৰে ভালকৈ বুজিছিল এইবোৰ তেওঁৰ লক্ষ্যক ভ্ৰষ্ট কৰাৰ বাবে উপস্থিত হোৱা একো একোটা প্ৰলোভনৰ বাহিৰে আন একো নহয়। সেই দাসবোৰৰ নিষ্কৰুণ চেহেৰাবোৰ তেওঁৰ মানস চকুত স্পষ্টকৈ ভাঁহি ভাঁহি উঠিছিল থাকি থাকি। একো প্ৰলোভনেই তেওঁক প্ৰলুব্ধ কৰিব নোৱাৰিলে। দৃঢ় পদক্ষেপ, দৃঢ়তৰ সংকল্পৰে ৰাজ-কোঁৱৰ পাৰ হৈ গ'ল সেই প্ৰলোভনৰ দিব্য উপবন।

"এইবাৰ ৰাজকোঁৱৰ আহি প্ৰৱেশ কৰিলে ভীতিৰ উপত্যকাত। অজ্ঞানতাৰ গাঢ় এন্ধাৰে সমগ্ৰ উপত্যকা ছাটি ধৰি আছে। সন্তৰ্পণে ৰাজকোঁৱৰ আগবাঢ়ি গ'ল। হঠাৎ একোটা একোটা ছায়াৰ দৰে ভৌতিক আকৃতি আহি তেওঁক যেন ডিঙি টিপা দি মাৰিব খোজে! যেন অদূৰৰ কোনো কান্তাৰ-গুহাৰপৰা ভয়লগা শব্দবোৰ আহি ৰাজকোঁৱৰৰ শৰীৰ কঁপাই কঁপাই গৈছে। নিশাৰ মৰিশালীৰ ভাষাই যেন তেওঁৰ কাণত কৈ কৈ গৈছে 'আমি তোক হত্যা কৰিম। আমাৰ কবলৰপৰা ক'লৈ সাৰিবি তই। যা, যদি বাচিব খোজ ভালে ভালে এতিয়াও উলটি যা।' নিৰ্ভীক কোঁৱৰ কিন্তু অটল। তেওঁৰ সম্ৰাট-পিতৃয়ে তেওঁক শিকাইছিল এক সৃষ্টি-কৰ্ত্তাৰ বাহিৰে কালৈকো ভয় নকৰিবলৈ। নিৰ্ভয়ে ৰাজকোঁৱৰ আগবাঢ়ি গ'ল। হাতত খোলা তৰোৱাল লৈ তেওঁ এবাৰ কোৱানৰ শ্লোক আবৃত্তি কৰিলে। তাৰ পিচত চিঞৰি চিঞৰি ক'লে—'মোৰ বাটৰ পৰা তহঁত আঁতৰি যা। মই মানুহ। মই মানৱ-সন্তান। এই পৃথিৱীৰ মই উত্তৰাধিকাৰী।' এইকেষাৰ কথা কোৱাৰ লগে লগে ইন্দ্ৰজালৰ দৰে ভৌতিক ছায়ামূৰ্ত্তিবোৰ অন্তৰ্হিত হ'ল। জয়াল শব্দবোৰ স্তব্ধ হৈ গ'ল। এক নীৰৱতাই ঠাইখন যেন নিৰাপদতাৰে মুখৰ কৰি তুলিলে।

"আৰু কিছুদূৰ গৈয়ে ৰাজকোঁৱৰ সেই সেউজীয়া চকুৰ ড্ৰেগনটো থকা ঠাই পালেগৈ। তেওঁ দেখিলে ভয়ঙ্কৰ ড্ৰেগনটোৰ চকুযোৰ সেউজীয়া 'এমাৰেল্ড' পাথৰৰ দৰে। উজ্জ্বল। তাৰ সুদীৰ্ঘ পুচ্ছ সোণ বৰণীয়া। মুখখন এটা গহ্বৰৰ দৰে গভীৰ। যেতিয়াই সি হাঁ-কৰি মুখ মেলি উশাহ টানে অসংখ্য মতা, তিৰোতা, ল'ৰা-ছোৱালী সেই মুখ-গহ্বৰত প্ৰৱেশ কৰে আৰু সি জীয়াই জীয়াই সিহঁতক চোবাই খায়। মুক্ত তৰোৱাল লৈ

ৰাজকোঁৱৰ আগবাঢ়ি গ'ল। কিন্তু তেওঁ ড্ৰেগনটোৰ গাত এটা প্ৰচণ্ড কোব সোধাবলৈ লৈয়ো শেষ মুহূৰ্ত্তত থমকি ৰ'ল। তেওঁ দেখিলে ঘূৰি ঘূৰি ড্ৰেগনটোৱে মানুহ খাই ফুৰিছিল। হঠাৎ এপাকত নিজৰ সোণালী-পুচ্ছকে মুখৰ ওচৰত পাই নিজকে নিজে চোবাই খাবলৈ ধৰিলে।

"ৰাজকোঁৱৰে ওপৰলৈ মূৰ দাঙি চালে। দেখিলে আকাশত উদয় হৈছে এটা উজ্জ্বল ৰঙা তৰা। ক্ষন্তেক পিচতে অদূৰত ধুমুহা-গাজনিৰ দৰে অনেক শব্দ তেওঁ শুনিবলৈ পালে। ওচৰ চাপি গৈ দেখিলে সেয়া মুক্তিপ্ৰাপ্ত দাসবোৰৰ আনন্দ-কোঢ়াল ধ্বনি মাত্ৰ। ৰাজকোঁৱৰে...."

কিন্তু তাৰ পিচত কি হ'ল আনোৱাৰে শুনিবলৈ আৰু নেপালে। মুক্ত মানুহৰ আনন্দ ধ্বনিৰ লগত তেতিয়া তাৰ সুপ্ত নাসিকায়ো সুৰ মিলাইছে।

সেইনিশা আনোৱাৰে এটা অদ্ভুত সপোন দেখিলে। সেয়া যে সপোন তাত আনোৱাৰৰ সন্দেহ নাছিল। তথাপি সেই স্বপ্ন নিতান্তই সঁচা-সঁচা যেন লাগিল তাৰ। প্ৰথমতে সি দেখিলে সি যেন এটা পাৰ চৰাই হৈ আকাশৰ এটা উজ্জ্বল নক্ষত্ৰৰ পিনে উৰি গৈছে। তাৰ পিচত দেখিলে, নহয়, সি আৰু পাৰ হৈ থকা নাই। তাৰ ঠাইত ৰাতিপুৱা দেখা প্ৰকাণ্ড পাৰটোৰ পিঠিত বহি সি কৰবালৈ যাত্ৰা কৰিছে। এই পাৰটোৰ পাখী নাই। পাখীৰ সলনি দুয়োকাষে মৌলবী চাহেবৰ দৰে দাড়ি আছে। বতাহত সেইবোৰে আচৰিতভাৱে ফৰ্ ফৰ্ কৰি উৰিছে। হঠাৎ আনোৱাৰে শুনিলে তাৰ আব্বাজানে যেন তাক পিচৰ পৰা চিঞৰি মাতিছে। সি ঘূৰি চালে। নহয়, আব্বাজান নহয়। সেয়া 'কাকা' ৰামেশ্বৰ দয়াল। অসংখ্য তৰাবে

চিক্‌মিকাই থকা নীলা আকাশৰ পিনে আনোৱাৰ উৰি গ'ল। ওচৰ পাই এটা তৰা ধৰি টান মাৰি আনিব খুজি সি দেখিলে, নহয়—সেয়া আকাশ নহয়। সেয়া আঞ্জুম বাইজানৰ দোপাত্তাখনহে। আনোৱাৰে দেখিলে দূৰৰপৰা এটা চৰাই তাৰ পিনে উৰি আহিছে। ওচৰ পালত দেখিলে, নহয়—সেইটো চৰাই নহয়। সেইখন অমৃতচৰৰপৰা অহা টেলিগ্ৰামখন, বতাহত নাচি নাচি আহিছে। লাহে লাহে প্ৰকাণ্ড পাৰটো এটা গুকুলা ধোঁৱালৈ ৰূপান্তৰিত হ'ল। ধোঁৱাটো চৰাইৰ দৰে উৰি উৰি বহুদূৰ গৈ এঠাইত মাটিলৈ নামিল আৰু তাৰ পিচত এখন উপত্যকাৰ মাজেদি কদমত যাবলৈ ধৰিলে। আকাশেদি উৰি অহা এজনী হুৰীয়ে দূৰৰপৰা মাত লগালে—"হেৰা অচিনাকি, এখন্তেক ৰবাচোন।" কিন্তু ওচৰ পালত আনোৱাৰে দেখিলে, নহয় সেয়া হুৰী নহয়। সেইজনী সেই চৌৰী-বজাৰৰ 'অন্য মাইকী মানুহ'বোৰৰ এজনীহে। তাকে দেখি আনোৱাৰে উত্তৰ দিলে—"মই মানুহ। মই মানৱ-সন্তান। এইখন পৃথিৱীৰ মই উত্তৰাধিকাৰী।" মাইকী মানুহজনীয়ে তেতিয়া ক'লে—"আৰু মই মাইকী মানুহ। মই প্ৰকৃতি-জীয়াৰী। মোৰ কবলৰপৰা তুমি বাচিব নোৱাৰা।" এই বুলি কৈয়ে তাই সাউত কৰে উৰি আহি আনোৱাৰক সাৱটি ধৰিলে। কিন্তু আনোৱাৰে দেখিলে সি দেপোন তাত নাই। মানুহজনীও নাই। সি আছেগৈ ভীতিৰ-উপত্যকাত। সেউজীয়া-চকুৰ ড্ৰেগনটোৱে তাক খাবলৈ খেদি আহিছে। তাৰ ভৰি দুখন যেন মাটিত পোত খাই গৈছে। আনোৱাৰৰ ধাৰণা হ'ল 'মৃত্যু তাৰ নিশ্চিত। ঠিক সেই সময়তে এটা অভাৱনীয় কাণ্ড ঘটিল। এজন কৃশাঙ্গ অকমান অচিনাকি মানুহ আহি আনোৱাৰ আৰু ড্ৰেগনটোৰ মাজত থিয় হ'ল। আৰু ক'লে—"মোৰ নাম গান্ধী। মই আফ্ৰিকাৰপৰা আহিছোঁ। ড্ৰেগন, এই অকণমান ল'ৰাটোক তই বধ নকৰিবি। যদি কৰ মই তোৰ অন্যায় কানুন আৰু মানি নচলিম। সঁচাকৈ কৈছোঁ মই, তই কাকোৱেই বধ কৰা উচিত নহয়। এটা নিগনিও মাৰিব নেপায়।" ড্ৰেগনটোৱে ভয়ঙ্কৰ ভাৱে হাঁ কৰি উশাহ টানিলে আৰু আনোৱাৰ সেই অচিনাকিৰে সৈতে ভিতৰ সোমাই গ'ল।....কিন্তু আনোৱাৰে দেখিলে ভিতৰখন মাত্ৰ তাৰ আব্বাজানৰ আধা-এন্ধাৰ আধা-পোহৰ বহা কোঠা 'বৈঠক'হে। হেকিম বেদিলে তাত বহি গালিবৰ কবিতা আবৃত্তি কৰি আছে। "অলক্ষণীয়া কলিয়া ডাৱৰে আকাশ ঢাকি ধৰিছে।" হেকিম বেদিলৰ মাতত আকাশলৈ চাই আনোৱাৰে দেখিলে সঁচাকৈয়ে আকাশত ক'লা ডাৱৰ উঠিছে। ক্ষন্তেকতে তাৰপৰা ৰবষুণ নামি আহিল। কোঠাটোৰ ভিতৰতো হুৰ-হুৰাই বৰষুণ।

চকুহাল ছাঁত কৰে মেল খাই গ'ল আনোৱাৰৰ। তাক জগাবলৈ আহি আন কালৰ দৰেই আঞ্জুমে তাৰ মুখত পানী ছটিয়াইছে। তাই হাঁহিছে—দুষ্টামিৰ হাঁহি। "ধোদৰ পছলা! অমৃতচৰলৈ যোৱা যদি উঠা! আব্বাজান কাপোৰ-কানি পিন্ধি সাজু হলেই। থাকিবা নহলে।"

ৰেল ষ্টেচন পাই আনোৱাৰে যেন এখন নতুন পৃথিৱীহে দেখিবলৈ পালে। এনে এখন ঠাইৰ ধাৰণা তাৰ কল্পনাৰ চূড়ান্ত অৱস্থাতো মনে চুকি পাব পৰা নাছিল। হুঁচ-হুঁচ কৰে ধোঁৱা উলিয়াই ভয়ঙ্কৰ একোটা দানৱৰ দৰে একো একোটা ইঞ্জিন চক্‌চকীয়া লাইনৰ ওপৰেদি অহা-যোৱা কৰিছে। বোম্বাই, কলিকতা, পেশ্বৱাৰ আদিৰ দৰে দূৰ দূৰ ঠাইৰপৰা অবিৰাম ৰেল আহিছে; গৈছে। নিছিগা ধাৰাৰ যাত্ৰী,—অহা আহিছে; যোৱা গৈছে। কত ধৰণৰ কত মানুহ! এটা অদ্ভুত সংমিশ্ৰণ। সকলো ৰঙৰ পাগুৰী; সকলো আকৃতিৰ টুপী। শ্বেলৱাৰ পিন্ধা পাঠান আহিছে; ধুতি পিন্ধি বঙালী আহিছে; তম্বুৰ নিচিনা বোৰ্খা পিন্ধি মুছলমান তিৰোতা আহিছে; শাৰীৰ এটা আগেৰে ভদ্ৰভাৱেৰে ওৰণি লৈ সম্ভ্ৰান্ত হিন্দু মহিলাসকল আহিছে; লগতে শেঁতা মুখৰ পাতল ফিৰফিৰিয়া স্বচ্ছ কাপোৰ পিন্ধা অনেক তিৰোতা। এইবোৰ নিশ্চয় চৌৰি বজাৰৰ সেই 'অন্য মাইকী মানুহ'বোৰ। কিন্তু নহয়। আব্বাজানে আনোৱাৰক বুজাই দিলে। এই যে চিগাৰেট হুপি ৰেলৰ ইঞ্জিনৰ দৰে ফাঁচ-ফাঁচ ধোঁৱা উৰুৱাই ৰাজ কৰ্ম্মচাৰী বা সৈন্য বিভাগত কাম কৰা ইংৰাজ 'চাহেব-লোগ' সকলে প্লেটফৰ্মত তহলি আছে এওঁলোক তেওঁলোকৰে পত্নী;—জীয়ৰী।

বাটত আনোৱাৰে আব্বাজানৰপৰা গ'ম পালে, সিহঁত পোনে পোনে অমৃতচৰলৈ নেযায়। আঢৈ কুৰি মাইল দূৰৰ পানীপথত এদিন থাকি তাৰ পিচতহে যাব।

"পানীপথ আমি আজি ৰাতিয়েই পামগৈ নে আব্বাজান?"

"ৰাতি? কিয়, মাত্ৰ তিনি ঘণ্টাৰ বাট। পামগৈয়ে।"

কথা পাতি পাতি আনোৱাৰ আৰু আব্বাজান প্লেটফৰ্মৰ যি টুকুৰা ঠাইত তেওঁলোক যাব লগা ৰেলখন ৰৈ আছে সেইখিনি ঠাই পালেগৈ। বেচ এটা হুলস্থূল, এটা হৈ-চৈ ইতিমধ্যেই তাত লাগি উঠিছে। অসংখ্য যাত্ৰীৰ ভীৰ হৈছে। শুভেচ্ছা জনাবলৈ অহা বন্ধুবৰ্গৰে সীমা সংখ্যা নাই। কুলি; ফলমূল আৰু চৰবৎ বিক্ৰেতা; কিতাপ আৰু খবৰ-কাগজ বেচোতা; এই সকলোবোৰে সমানে চিঞৰিবলৈ ধৰিছে। এই অন্তহীন শব্দক তল পেলাই দুটা শব্দ সকলোতকৈ ওপৰলৈ উঠিছে, "হিন্দু পানী।" "মুছলমান পানী।" "হিন্দু পানী।" মুছলমান পানী!"

"মুছলমান পানী" চিঞৰা মানুহটোৰ থুঁতৰিৰ আগতে একুচি ডাড়ি

আছে। ছাগলীৰ ছালেৰে কৰা পানীৰ এটা পাত্ৰ সি কান্ধৰপৰা ওলো-মাই ৰাখিছে। "হিন্দু পানী"ৱালাই দুহাতে দুটা বাল্টি কঢ়িয়াই ফুৰিছে। পানী আকৌ দুই বকমৰ কেনেকৈ হব পাৰে ভাবি নেপাই আনোৱাৰৰ নিজকে বেঙা-বেঙা লাগিল। কিন্তু পিচ মুহূৰ্ত্তত সি দেখিলে দুয়োটা পানীৱালাই সিহঁতৰ খালী হৈ যোৱা পাত্ৰবোৰ প্লেটফৰ্মৰ মাজ ভাগত থকা এটা পানীৰ টেপৰপৰা পুনৰ পূৰ্ণ কৰি লৈছে।

আনোৱাৰে দেখিলে ৰেলখনৰো সকলো ডবা আৰু তাৰ ভিতৰবোৰ দেখাত একে নহয়। প্ৰথম শ্ৰেণী আৰু দ্বিতীয় শ্ৰেণী লেখা থকা ডবা-বোৰৰ হাতৰে ধৰি উঠিবলৈ দিয়া হেণ্ডেলবোৰেই উজ্জ্বল সোণালী ৰঙৰ। বহা আসনবোৰ চামৰাৰে ঢকা, স্প্ৰীং খুউৱা। মুখ চাবলৈ আয়না আছে। বিজুলী বিচনী আছে। এইবোৰ ডবা ইংৰাজ মতা-মাইকীৰেই ঠাহ খোৱা। মাজে মাজে মাত্ৰ দুজন-এজন ধনী ভাৰতীয়ও উঠিছে। আনো-ৱাৰে দেখিলে সিহঁতৰ সন্মুখৰ ডবাটোত এজন সম্ভ্ৰান্ত ভাৰতীয়লোক উঠি-বলৈ যত্ন কৰিছিল। কিন্তু ডবাটোৰ দুজন বগা-আৰোহীয়ে তেওঁক জোৰ কৰি নমাই দি ক'লে—"অইন ঠাইলৈ যা। ক'লা-চামৰা এই ডবাত যাব নোৱাৰে।" ভাৰতীয় জনে দ্বিতীয় শ্ৰেণীৰ টিকটটো দেখুৱালে, টিকেট-কলেক্টৰৰ হতুৱাইও চেষ্টা কৰাই চালে। পিচে একো লাভ নহ'ল। মানুহজন বাধ্য হৈ আগৰে পৰাই ভাৰতীয় মানুহেৰে ঠাহ খাই থকা অন্য এটা ডবাত ঠেলি-হেঁচি সোমাব লগা হ'ল। আনোৱাৰৰ আশ্চৰ্য্য থবলৈ ঠাই নোহোৱা হ'ল। ইমানদিন সি শুনি আহিছিল বোলে ইংৰাজ শাসনৰ আগত সকলো সমান। তেন্তে এজন ভাৰতীয় ইংৰাজসকলৰ লগত একেটা ডবাতে কিয় যাব নোৱাৰে। ঠায়োতো যথেষ্ট আছে! তাৰ বাবে এইটো আন এটা সাঁথৰ। প্ৰথমটো সাঁথৰ আছিল—একেটা টেপৰপৰা ওলোৱা পানী বেলেগ বেলেগ ধৰ্ম্ম লৈ কেনেকৈ "হিন্দু পানী" আৰু "মুছলমান পানী" হ'ব পাৰে?

আনোৱাৰহঁত মধ্যম-শ্ৰেণীৰ এটা ডবাত সোমাই বহিছেহে মাত্ৰ, এনে সম-য়তে ৰেলৰ ইঞ্জিনৰ হুইচেল জোৰে বাজি উঠিল। লগে লগে ৰেলখনে এনে এটা জোকাৰ মাৰিলে যে আনোৱাৰে একেবাৰে উফৰি গৈ তাৰ আব্বাজানৰ কোলাত পৰিলগৈ। সি দেখিলে যেন সকলো মানুহৰে সৈতে প্লেটফৰ্মখনেই ক্ৰমাৎ দূৰলৈ আঁতৰি গৈছে। তাৰ নিজৰ চকুকে বিশ্বাস কৰিবলৈ সত্‌ নগ'ল।

"আব্বাজান! আব্বাজান! চোৱা, ষ্টেচনটো কেনেকৈ পিচলৈ দৌৰি গৈছে।" ভয় খোৱাৰ দৰে আনোৱাৰে চিঞৰি উঠিল। লগে লগে ডবাত থকা সকলো যাত্ৰীয়ে গিৰ্জ্জনী মাৰি হাঁহি উঠিল।

মিচিকিয়াই হাঁহি আকবৰ আলিয়ে তাৰ গাত হাত ফুৰাই ক'লে, "বাচা, ষ্টেচনটো যোৱা নাই ; প্ৰকৃততে আমি উঠি থকা ৰেলখনহে গৈ আছে। দূৰৰ সৌ গছবোৰলৈ চালেই বুজি পাবা। আমি ৰেলত গ'লে কাষৰ বস্তুবোৰৰপৰা আমি আঁতৰি গলেও দেখাত সেইবোৰহে আমাৰ বিপৰীত ফালে গতি কৰা যেন লাগে।"

নিজৰ অজ্ঞতাত আনোৱাৰৰ লাজতে মৰি যাবৰ মন গ'ল। কিন্তু পিচ মুহূৰ্ত্ততে এটা কথা মনত পৰি সি সান্ত্বনা লাভ কৰিলে। আনন্দত স্নায়ুৱে স্নায়ুৱে এটা শিহৰণো অনুভৱ কৰিলে। "হেজাৰ হওক, এই-টোৱেই মোৰ জীৱনৰ প্ৰথম ৰেল যাত্ৰা।" তাৰ ওঁঠত হাঁহি বিৰিঙি উঠিল। জোতাযোৰ খুলি ভালকৈ বাহিৰ মুৰাকৈ বহি লৈ সি চাই চাই যাবলৈ ধৰিলে। দৌৰি পিচলৈ গৈ গৈ টেলিগ্ৰাফৰ খুটাবোৰ অদৃশ্য হৈ গৈছে। এতিয়া সি ভালকৈ বুজিলে প্ৰকৃততে সেইবোৰ যোৱা নাই। যোৱা যেন দেখাইছেহে মাথোন।



সন্মোহিতৰ দৰে বহি বহি গৈ গৈ পানীপথৰ বাটত কত বস্তুকেই আনোৱাৰে দেখিলে। খিড়িকীৰ সিফালে ধৰা দিছে চলমান কত দৃশ্য, পথাৰ, প্ৰাঙ্গণ। লেভেল-ক্ৰচিংবোৰৰ আশে-পাশে কত সৰু সৰু ঘৰ। বহুত দূৰত সৌটো এটা বগা স্তম্ভ। এইখন এখন সৰু গাওঁ। সৰু সৰু ল'ৰা-ছোৱালীবোৰে চিঞৰিছে। হাত বাউল দিছে। দুৰ্ব্বাৰ গতিত ৰেল চলিছে। আনোৱাৰে জানে বহুত দূৰলৈ, পানীপথ–অমৃতচৰ বা বা তেনে এখন বিশেষ ঠাইলৈ যাবলৈ পোৱা বাবেই শিৰে শিৰে শিহৰণ সি অনুভৱ কৰা নাই। এই শিহৰণ তাৰ জাগিছে,—কাৰণ সি গৈছে ৰেলেৰে। উল্কা বেগেৰে গৈ থকা এখন ৰেলত সিও গৈ আছে—এই কথা ভবাৰ লগে লগে তাৰ যেন ৰক্তস্ৰোত প্ৰবল হৈ উঠিছে। মন গ'ল

আনোৱাৰৰ, আনন্দত হাত-চাপৰি বজাবলৈ ; চিঞৰিবলৈ ; জপিয়াবলৈ ; নাচিবলৈ। কিন্তু আনোৱাৰ ডাঙৰ-দীঘল হৈছে সযত্ন-প্ৰশিক্ষণৰ মাজত। সি জানে বাইজৰ আগত এনে আনন্দ প্ৰকাশ কৰা উচিত নহয়। আনন্দই হওক, শোক অথবা উত্তেজনাই হওক, বজনজনাই যোৱাকৈ প্ৰকাশ কৰা কথা তাৰ আত্মাজানে পচণ্ড নকৰে। সকলো কথাতে আনোৱাৰ সংযত। সি শিক্ষা পাইছে কেতিয়াবা পৰি বেয়াকৈ দুখ পালেও হাও-হাওকৈ নেকান্দি-বলৈ। হেকিম বেদিলে কেতিয়াবা কোৱা মৰাত্মক খুহুতীয়া কথাই পেটত খোচ মাৰি ধৰিলেও বাগৰি বাগৰি নেহাঁহিবলৈ। কেতিয়াও আনোৱাৰে উত্তেজনা প্ৰকাশ নকৰে, আনকি ঈদৰ বাবত দৰ্জিয়ে চিলাই দিয়া উজ্জ্বল সোণালী শেৰৱাণীটো দেখিলেও। আৰু সেয়ে এতিয়াও সি খিড়িকী মুখত বহি ৰ'ল বাহিৰে দেখাত শান্ত-শিষ্ট হৈ। কিন্তু ভিতৰি ভিতৰি সি যেন উত্তেজনাত ফাটি পৰিব খুজিছে। তাৰ এনে লাগিল যেন জীৱ-নত নিজকে ইমান সজীৱ সজীৱ তাৰ কেতিয়াও লগা নাছিল। ইমান শক্তিমান ; ইমান স্বাস্থ্যবান! যিহকে ইচ্ছা সি যেন কৰিব পাৰে। যলৈকে ইচ্ছা যেন যাব পাৰে। সি যেন গুলাবীৰ কাহিনীৰ ৰাজকোঁৱৰহে, দৰ্কাৰ হ'লে সেই সেউজ-চকুৰা ড্ৰেগনকো প্ৰত্যাহ্বান জনাব পাৰে। অৱশ্যে আনোৱাৰে খুব ভালকৈ জানে এই যে ড্ৰেগন, ছৰী, দৈত্য, দানৱ বা প্ৰেতাত্মা এইবোৰ সকলো অলীক। প্ৰকৃততে সেইবোৰ নাই। আত্মা-জানে এই কথা তাক স্পষ্টকৈ কৈ দিছে। গুলাবীৰ সাধুবোৰ সঁচা বুলি সি যেন কেতিয়াও নলয়। নহ'লে সিও আগলৈ পেহীজানৰ দৰে দেও-ভূতত বিশ্বাস কৰি অন্ধ-বিশ্বাসী হৈ উঠিব। তথাপিও আনোৱাৰে কেতি-য়াবা ভাবে ড্ৰেগন সঁচাসঁচি থাকিলেই সি হয়তো ভাল পালেহেঁতেন। সিহঁতৰ চকুৰ ৰং যেনে হয় হওক, চিন্তা নাই। মাত্ৰ এটা বা দুটা ড্ৰেগন থাকক। তেতিয়া হলে তাৰ দৰে সাহসী ল'ৰাই গৈ যুদ্ধ কৰি সেই ড্ৰেগন বধ কৰিব পাৰিব আৰু গুলাবীৰ বহুত সাধুত থকাৰ দৰে কোনোবা অপৰূপা ৰাজকুমাৰীৰ পাণিগ্ৰহণ কৰিব পাৰিব।

আনোৱাৰে দেখিলে ৰেলখন এখন মুকলি প্ৰান্তৰৰ মাজে গৈ আছে। সুবিস্তৃত সেই প্ৰান্তৰৰ আমনি লগা দূৰত্ব যেন আৰু শেষেই নহ'ব! ৰেল লাইনৰ সমান্তৰালভাৱে এটা আলিবাট গৈছে। এডাল বগা বিবনৰ দৰে আলিটো যেন এটা দীঘল সাপহে। বেঁকা-বেঁকি। হঠাৎ গছৰ সিফালে নেদেখা হয়। আকৌ ওচৰতে ওলায়হি। কেতিয়াবা ৰেল-লাইনৰ ইমান ওচৰ পায়হি যে আনোৱাৰে আলিয়েদি যোৱা উট-গাড়ীবোৰ ভালকৈ দেখি-বলৈ পায়। পিচ মুহূৰ্ত্ততে ইমান আঁতৰি যায় যে এনে লাগে যেন আলিটো

দিগন্ত ৰেখাৰ লগত একেডাল হৈ গৈছে। ডবাটোৰ মানুহবোৰে কথা পাতি পাতি ভাগৰি যেন নিমাত হৈ পৰিছিল। সুযোগ পাই আকবৰ আলিয়ে পুতেকক দেখি যোৱা বস্তুবোৰৰ বিষয়ে বুজাই যাবলৈ ধৰিলে। আব্বাজানৰ কথা শুনি আনোৱাৰৰ সদায় ভাল লাগে। আব্বাজানে সকলো কথাই জানে আৰু আনোৱাৰে যিমান প্ৰশ্নকে নোসোধক কেতিয়াও উত্তৰ নিদিয়াকৈ নেথাকে। তেওঁৰ আমনি যেন নেলাগেই। তেওঁ আনোৱাৰক ক'লে—"এই আলিটোৰ নাম 'সড়ক-ই-আজম' বা গ্ৰেণ্ড-ট্ৰাঙ্ক-ৰোড। কলিকতাৰপৰা দিল্লী হৈ পেশ্বৱাৰলৈকে গৈছে। পূব-ভাৰতৰপৰা উত্তৰ-পশ্চিম-ভাৰত জুৰি থকা এই ৰাজপথ প্ৰায় ১৫০০ মাইল দীঘল।" "ইংৰাজবিলাকে এই আলি বান্ধিছে নেকি, আব্বাজান?" আনোৱাৰে সুধিছিল। আব্বাজানে উত্তৰ দিলে—"ওহো। শ্যেৰশ্বাহ শুৰী নামৰ আমাৰ দেশৰে এজন ৰজাই এই আলি বন্ধাইছিল। তেতিয়াৰে পৰা এই বিশাল দেশখনৰ ইমূৰৰপৰা সিমূৰলৈ যাবলৈ সুচল হ'ল।"

"মোৰ আব্বাজানে কিমান কথা জানে।" আনোৱাৰে ভাবিছিল।

হঠাৎ ৰেলগাড়ীৰ বেগ কমি আহিল। ইমান পৰ জনপদশূন্য প্ৰান্তৰ দেখি দেখি আনোৱাৰৰ আমনি লাগি গৈছিল। এতিয়া তাৰ শেষ হ'ল। সি দেখিলে সেইখন এখন সৰু নগৰ। এটা সৰু টিলাৰ ওপৰত নগৰখন পতা হৈছে। ৰঙা-ইটাৰ সৰু সৰু ঘৰবোৰ যেন থাক-থাক কৰি সজাইহে থোৱা হৈছে। তাৰ মাজে মাজে ৰ'দৰ উজ্জ্বল পোহৰত চিক্‌মিকাই উঠিছে কোনোবা মন্দিৰৰ চূড়া, কোনোবা মচ্‌জিদৰ মিনাৰ, কোনোবা কবৰৰ স্তম্ভ।

"উঠা আনোৱাৰ" আব্বাজানে মাত লগালে—"আমি পানীপথ পালোহি।"

পানীপথ নগৰ যেন টোপনিত মগ্ন। নিৰ্জীৱ সজীৱ-ব্যস্ততাত অভ্যস্ত আনোৱাৰৰ এনে লাগিল যেন ইয়াৰ সকলো কথাই লাহে লাহে হয়। যেন নিৰ্জীৱ। যেন ক্লান্ত। চুচৰি চুচৰি জীৱন আগ বাঢ়িছে। বজাৰত প্ৰত্যেকজন মানুহ যাব লাগে বাবে গৈছে; আহিব লাগে আহিছে। কিবা এটা সোঁতেহে যেন উটুৱাই নিছে। ধনিষ্টোমানো উছাহ নাই। প্ৰত্যেক-খন দোকানৰ আগত এখন্তেক বৈ দুষাৰ অনাৱশ্যকীয় কথাৰ মহলা মাৰিছে। ক'ৰবাত হয়তো বহি টোৰোক-টোৰোক হোকা টনাতে লাগি গৈছে। জাবৰে-জোঁথৰে এদ'ম কিবা-কিবি বোজাই কৰা গাধবোৰ ওখৰা-মোখৰা একাঁ-বেঁকা আলিৰ মাজ ভাগতে হয়তো নিৰ্ব্বিকাৰভাৱে থিয় হৈ টোপ-নিয়াই আছে। ঘোঁৰাই টনা মান্ধাতাৰ আমলৰ পুৰণা টাঙ্গাবোৰো ফলত স্বচ্ছন্দে যাব নোৱাৰা হৈ পৰিছে। নগৰখনৰ আন এটা উল্লেখযোগ্য বস্তু হ'ল মাখি,—কোটিয়ে কোটিয়ে মাখি! এখন মিঠাইৰ দোকানৰ দুৱাৰ এখন দেখি আনোৱাৰ আচৰিত হৈ গ'ল;—ইমান ধুনীয়াকৈ ক'লা কাঠৰ ওপৰত নক্সা কেনেকৈ কাটিছে বাৰু? কিন্তু ওচৰৰপৰা পৰীক্ষা কৰি সি দেখিলে সেইবোৰ আন একো নহয় লাড়ু বান্ধি থকা মাখি মাত্ৰ।—ইয়াৰ অনেক মানুহে আকবৰ আলিক চিনি পায়। আৰু সেয়ে আব্বা-জানে তাক শিকাই দিলে যে যদি কোনোবাই "আচ্ছালামু আলেইকুম" বুলি সম্ভাষণ জনায় সিও যেন তেওঁৰ লগতে "ৱা আলেইকুম ছালাম" বুলি প্ৰত্যুত্তৰ দিয়ে।

বজাৰৰ মাজে মাজে কিছুদূৰ যোৱাৰ পিচত আনোৱাৰহঁত আহি মীৰ ফৈয়াজ আলিৰ ঘৰত উপস্থিত হ'লহি। এওঁ আকবৰ আলিৰ পুৰণা বন্ধু। যুদ্ধৰ সময়ত চাৰি বছৰ এওঁ আকবৰ আলিৰ লগত একেলগে কম্বলৰ ব্যৱসায় কৰিছিল। আকবৰ আলি আৰু ৰামেশ্বৰ দয়ালে সৈন্য বিভাগক হেজাৰ-হেজাৰ লাখ-লাখ কম্বল যোগান ধৰিছিল। ইয়াৰ সৰহ ভাগেই আহিছিল পানীপথৰপৰা। থলুৱা 'কম্লীয়া' অৰ্থাৎ কম্বল তৈয়াৰ কৰোঁতাসকল, ফৈয়াজ আলিৰ মতে, যুদ্ধৰ দিনত লাখপতি হৈ গৈছিল। টকা আহিছিল যাদুৰ দৰে। কিন্তু সেই ধন তেওঁলোকে বিয়া, ঘৰ সজা কাম, বিবিহঁতৰ গহনা-পাতি আদিত 'বেহুদা' খৰচ কৰি উৰুৱাই দিলে। "আমি হ'লো আশ্ৰাফ্ মানুহ, এই নগৰৰ পুৰণি ভদ্ৰলোক। খাওানী। এই জহৰা খেচেৰা মানুহবোৰৰ তাপত আমি তিষ্টি থকাই টান হৈছিল।" কথা কওঁতে গালি-গালাজ কৰি যি কোনো ৰুচিহীন শব্দ ব্যৱহাৰ কৰি যোৱা ফৈয়াজ আলিৰ অভ্যাস। আনহাতে আকবৰ আলি সংস্কৃত সুৰুচি-সম্পন্ন মানুহ। লগত আছে তেওঁৰ কোমল বয়সীয়া সহজেই সাঁচ বহিব

পৰা মনৰ চেনেহৰ পো আনোৱাৰ। জহৰাৰ নিচিনা শব্দ ফৈয়াজে ব্যৱহাৰ কৰিলেই সেই শব্দ আহি যেন প্ৰত্যেকবাৰ তেওঁক নিষ্ঠুৰভাৱে আঘাত কৰে। কথাই কথাই অসভ্য মাত মতা এই ধনাঢ্য ব্যক্তি গৰাকী যেতিয়া এবাৰ জেনানা মহললৈ সোমাই গ'ল, তেতিয়া সুবিধা বুজি চিৰ-কৌতূহলী আনোৱাৰে সুধিলে—"আব্বাজান, মীৰ চাহেবে যে বাৰে বাৰে কম্বল বনোৱা মানুহবোৰক জহৰা-জহৰা কৈছে; জহৰা মানে কি?"

ল'ৰা-ছোৱালীক প্ৰশ্ন সুধিবলৈ উৎসাহিত কৰাটো ভাল কথা বুলি আকবৰ আলিৰ দৃঢ় বিশ্বাস আছিল। আনোৱাৰে যিহকে নোসোধক সদায় তেওঁ ধৈৰ্য্য ধৰি বং মনেৰে উত্তৰ দিবলৈ যত্ন কৰিছিল। কিন্তু অনেক সময়ত এনে হৈছিল যে উত্তৰ দিব নোৱাৰি তেওঁ নিৰুত্তৰ হৈ যাবলৈ বাধ্য হৈ গৈছিল। বৰ্ত্তমান "জহৰা" শব্দটোৱেও তেওঁক দেখা-দেখি বিপাঙ্গত পেলাই দিলে। তথাপি তেওঁ পুতেকক একেবাৰে নিৰুৎসাহ নকৰি ক'লে—"মানে, বুজিছা, মানে এই শব্দটোৰ মানে হ'লগৈ........ বেয়া বে-বেয়া মানুহ।"

"তেন্তে আব্বাজান, মইও যদি কেতিয়াবা কিবা বেয়া কাম কৰোঁ, তোমাৰ কথা নুশুনো বা মোৰ পাঠ ঠিক মতে নাওঁৰাও তেনেহলে মানুহে মোকো জহৰা বুলি ক'ব নেকি বাৰু?"

এই কথাৰ প্ৰতিক্ৰিয়া আকবৰ আলিৰ অভিব্যক্তিত ইমান ৰূঢ়ভাৱে প্ৰকাশ পালে যে তেওঁৰ কাণমূৰ ৰঙা পৰি উঠিল। উত্তৰ দিব খিতাতে নোৱাৰি তেওঁ এনেদৰে উচপিচাব ধৰিলে যে আনোৱাৰেও বুজি উঠিল সি এই প্ৰশ্ন কৰি কিবা এটা মাৰাত্মক ভুল কৰিছে।

"নাই নাই বাচা।........তুমি এনে শব্দ মুখলৈ অনাই উচিত নহয়। জহৰা মানুহ যেই সেই সামান্য বেয়া মানুহৰ দৰে নহয়।........তেওঁ বেয়া মানুহতকৈও আৰু, আৰু বেয়া।"........

আনোৱাৰে বুজিলে এই "জহৰা" শব্দটোৰ কিবা এটা ৰহস্য আছে আৰু তাৰ আব্বাজানে তাক সেই কথা খুলি ক'ব নোখোজে। এনে সময়তে জেনানা-মহলৰপৰা মীৰ ফৈয়াজ আলি হাতত তামোল-পাণৰ বঁটা এটা লৈ ওলাই আহিল। বিষয় সলনি কৰাৰ এই সুযোগ পাই পিতা-পুত্ৰ দুয়ো মনত সকাহ পালে।

"বাৰু মীৰ চাহেব, কওঁকচোন", আকবৰ আলিয়ে আৰম্ভ কৰিলে, "দেশৰ বৰ্ত্তমান পৰিস্থিতিৰ বিষয়ে পানীপথৰ মানুহে কি ভাবে?"

"পৰিস্থিতি। কেনেকুৱা পৰিস্থিতি?" ক্ষয়িষ্ণু আভিজাত্যৰে পূৰ্ণ বৃদ্ধ মানুহজনে ভগা বেতৰ চকীখনত বহি, হোকা টানি টানি, পাণৰ

পিক্ পেলাই পেলাই সুধিলে—"আপুনি কি এই 'সত্যাগ্ৰহ' নে কি বস্তু-টোৰ কথা কৈছে নেকি ? মাৰক গুলি ! অন্ততঃ আমি পানীপথৰ খাণ্ডানী আশ্‌ৰাফ কেইজনৰ এই আটা আৰু দাইল বেচা বুৰ্ব্বক 'বণিয়া'টোৰ সৈতে কৰিবলৈ একো নাই।"

সেইদিনা আবেলিলৈ মীৰ ফৈয়াজ আলিয়ে তেওঁৰ আলহীক বু-আলি শ্বাহ কলন্দৰৰ 'মাজাৰ' অৰ্থাৎ সমাধি দৰ্শন কৰাবলৈ লৈ গ'ল। এই গৰাকী সাধু আছিল কেবা-শ বছৰৰ আগৰ মানুহ। তেওঁ 'কলন্দৰ' অৰ্থাৎ পগলা ফকীৰ বুলি জনাজাত আছিল। পগলাৰ দৰে তেওঁ জীৱন যাপন কৰিছিল। ফঁটা-ছিটা কাপোৰ পিন্ধিছিল আৰু অহৰ্নিশে সৃষ্টিকৰ্ত্তাৰ ধ্যানত এনেভাৱে নিমগ্ন থাকিছিল যে জাগতিক কোনো কথালৈকে তেওঁৰ কাণ দিবলৈ অৱসৰ নাছিল।

চাৰিওপিনে শিলৰ বেৰা দিয়া সমাধিক্ষেত্ৰৰ এচুকত অৱস্থিত এওঁৰ সমাধি স্তম্ভটো আছিল এটি সুন্দৰ বগা ঘৰ। সমাধিক্ষেত্ৰৰ মাজেদি যাওঁতে আনোৱাৰহঁতৰ জোতাই তলৰ পকা ঠেক বাটত টক্ টক্ শব্দ কৰিছিল। সমাধিক্ষেত্ৰৰ ভিতৰফালে যথেষ্ট মানুহ। কোনোবা ফালৰ পৰা অপ্ৰত্যাশিত ভাৱে সঙ্গীতৰ সুৰ ভাঁহি আহিছে। এইবাৰ জোতা খুলি থৈ তেওঁলোকে মাৰ্ব্বলেৰে তৈয়াৰী সমাধিগৃহৰ মজিয়াত খোজ দিলে। হঠাৎ এটা অদ্ভুত দৃশ্য আনোৱাৰৰ চকুত পৰিল।

ঠেক দুৱাৰেদি আনোৱাৰে অস্পষ্টভাৱে দেখিলে অদূৰত ফকীৰৰ কবৰ। ফুলে-ফুলে ঢাক খাই আছে। কবৰৰ আগত এডোখৰ মুকলি মানুহ বহিব পৰা ঠাই। তাত প্ৰায় দুই ডজনমান মানুহ বৃত্তাকাৰে বহি আছে। তাৰে এজনে বেচ উচ্ছ্বাসেৰে কিবা পাৰ্চী কবিতা আবৃত্তি কৰিছে। বাকী সকলে হাত চাপৰি বাই বাই তাল ৰাখিছে। একোটা কলি শেষ হ'লে পিচৰ ধুৰাটো সকলোৱে সমস্বৰে সুৰ ধৰি গায়। জোৱাৰৰ ক্ৰম-বৰ্দ্ধমান টোৰ দৰে সঙ্গীতৰ তীব্ৰতা তীব্ৰৰপৰা তীব্ৰতৰ হৈ গৈছিল। চাপৰিৰ জাউৰী কোবে কোবে চৰি আহিছিল। উন্মত্তৰ দৰে গায়কসকলে গীতৰ

ছেৰে-ছেৰে মূৰ জোকাৰিছিল। সকলোৰেই চকুবোৰ মুদ যোৱা। সকলো যেন হেৰাই গৈছে বিখ্যাত কবি ৰুমিৰ চুফিবাদী-কবিতা-আবৃত্তিৰ ফলত উদ্ভৱ হোৱা তীব্ৰ আৱেগ-উচ্ছ্বাসত। অবাক হৈ চাই থকা আনোৱাৰে দেখিলে এপাকত গায়কসকলৰ মাজ ভাগত বহি থকা এজন মানুহে চকু মেলি ডিঙি মেলি দূৰলৈ চালে। কিন্তু মানুহজনৰ দৃষ্টি যেন কতো নিবদ্ধ হোৱা নাই। দৃষ্টিহীন সেই দৃষ্টি। নিৰুদ্দেশ। এক মুহূৰ্ত্ত মানুহজন নীৰৱ হৈ ৰ'ল। তেওঁৰ চাৰিওফালে এক উদ্দাম আৱেগৰ উন্মত্ত ধুমুহা উঠিছে। তাৰ মাজত এই স্থিৰতা এই তন্ময়তা যেন ভাল নহয়; যেন ভয় লগা; যেন ভয়ানক এক বিমঙ্গলৰ পৰিচায়ক। তাৰ পিচত হঠাৎ যেন মানুহজনৰ গাত কিবা এক দেৱতাহে আহি লম্ভিলেহি। তেওঁৰ সমস্ত শৰীৰ কঁপি কঁপি দুলিবলৈ ধৰিলে। দ্ৰুত গতিত সঙ্গীতৰ কোবো চৰি যাব ধৰিলে। মানুহজনৰো অঙ্গ-সঞ্চালন বৃদ্ধি পাই যাব ধৰিলে। হাত দুখন ওপৰলৈ তুলি তেওঁ যেন এডাল অদৃশ্য ৰচিতহে ধৰিছে এনে ভঙ্গিমাৰে থিয় হ'ল। তাৰ পিচত আৰম্ভ কৰিলে নৃত্য। উদ্দাম, অনু-প্ৰেৰিত নৃত্য। নাচোনৰ কোবত তেওঁ টানি নিজৰ কাপোৰকে ফালিছে; আজুৰি নিজৰ চুলিকে ছিঙিছে। সংযম হেৰুৱাই তেওঁ যেন নিজৰ সত্তাকে পাহৰি পেলাইছে। সকলো পাহৰি যেন কিবা অন্তৰ্মুখী ৰহস্যৰ আহ্বানত এটা অদ্ভুত বন্য অভিব্যক্তি প্ৰকাশ কৰিছে। তাৰ পিচত গায়কৰ ওঁঠৰ গীত ক্ৰমাৎ স্তব্ধ হৈ গ'ল; আবেগৰ উদ্দাম স্ৰোত ধীৰে ধীৰে মাৰ গ'ল। উপস্থিত বাইজৰ মাজলৈ এক ভয়াল নীৰৱতা নামি আহিল। এক মুহূৰ্ত্তৰ আগতে নৃত্যৰত যিজন মানুহক অনুপ্ৰেৰিত, দেৱতাই ভৰ কৰা ব্যক্তি যেন লাগিছিল, সেইজন মানুহক এই নীৰৱ পটভূমিত থিয় হৈ থকা দেখিবলৈ কিবা যেন বিকৃত, খাপ নোখোৱা ধৰণৰ, হাঁহি উঠা হাঁহি উঠা লগা হ'ল। আকৌ এবাৰ বলিয়াৰ দৰে নাচি উঠিবলৈ মানুহজন কেই মুহূৰ্ত্তমান যেন ৰৈ থাকিল। কিন্তু গানৰ আৱেগপূৰ্ণ সমৰ্থন নেপাই নিজৰ ভৰেই নিজে সহিব নোৱাৰি মাটিত চৈতন্যহীনপ্ৰায় হৈ পৰি গ'ল।

এই দৃশ্যই আনোৱাৰৰ কোমল মনত এনে গভীৰভাৱে প্ৰতিক্ৰিয়া কৰিলে যে কেইবা মিনিটো একো কব নোৱাৰা হৈ সি থিয়দি থাকিল। তাৰ শৰীৰৰ তেজ কোবেৰে বব ধৰিলে। মনটো যেন তাৰ এটা বা-মাৰলিৰ মুখত পৰিহে পাকঘূৰণি খাই ফুৰিছে। গান শেষ হৈ যোৱাত তাৰ এনে লাগিল যেন তাৰ পেটটো সম্পূৰ্ণ খালী হৈ বিষাই উঠিছে। নাড়ী-ভুৰুবোৰ কৰবালৈ গুচি গৈছে!

এয়াই তেনেহলে কাওৱালী। পাৰ্চী-চুফিসকলৰ আনন্দপূৰ্ণ ধাৰ্ম্মিক

অনুষ্ঠান বিশেষ। ইয়াকে লৈ মীৰ ফৈয়াজ আলিয়ে বেচ গৰ্ব্ব কৰিয়েই যেন ক'লে—"পানীপথৰ নিচিনা ইমান ওখ খাপৰ কাওৱালি কোনো ঠাইতে নাই।" কিন্তু কিবা কাৰণে যেন আকবৰ আলিয়ে ভিতৰি ভিতৰি অস্বস্তি অনুভৱ কৰিছে। তেওঁ যেন লাজ পাইছে। অপমান বোধ কৰিছে। এনেদৰে উন্মাদপ্ৰায় হৈ আৱেগ প্ৰকাশ কৰা কথা তেওঁ কোনো মতেই সমৰ্থন কৰিব পৰা নাছিল। মনৰ কথা কৈয়ো পেলালে তেওঁ। ফলত দুয়োৰে মাজত বেচ গৰম এখন তৰ্ক-যুদ্ধই আৰম্ভ হৈ গ'ল। তৰ্ক শেষ নহয় হে নহয়। এনে সময়তে সমাধি-গৃহৰ দুৱাৰত এজন মানুহ উপস্থিত হ'লহি। মানুহজনে তাৰেপৰা কবৰলৈ চাই অতি সমৰ্পিত ভাৱেৰে সেৱা জনালে। তাকে দেখি আকবৰ আলিয়ে বিজয়ীৰ দৰে মানুহটোলৈ আঙুলিয়াই চিঞৰি উঠিল—"চোৱাঁ, সৌৱা চোৱাঁ। সেয়াই তেনেহলে তোমাৰ ইছলাম ধৰ্ম্ম! কবৰৰ ওচৰত সেৱা জনায়...যি কোনো এজন মূৰ্ত্তি উপাসকৰ দৰে!"

কিন্তু আকবৰ আলিয়েও সেই কবৰস্থানৰে এচুকত থকা আড়ম্বৰশূন্য অন্য এটা কবৰত নিজে সেৱা নকৰিলেও বেচ গদগদ ভাৱেৰে সন্মান প্ৰদৰ্শন কৰিলে। তেওঁ পুতেকক ক'লে সেইয়া হেনো বিখ্যাত সংস্কাৰক কবি হালিৰ কবৰ। হালিয়ে উৰ্দ্দু মহাকাব্য 'মুচাদ্দাচ' ৰচনা কৰিছে। তাত তেওঁ ইছলাম ধৰ্ম্মৰ উত্থান আৰু পতনৰ কথা সুন্দৰভাৱে বৰ্ণনা কৰিছে।

এই মহাকবিৰ আত্মাৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনা কৰি উঠি আকবৰ আলিয়ে কৈছিল—"এইজনা কবিয়ে এটা শুই থকা জাতিক জগাই তুলি-ছিল।" তাৰ পিচত এবাৰ মীৰ ফৈয়াজ আলি আৰু এবাৰ আকৌ এটা নতুন কাওৱালি গাবলৈ সাজু হোৱা মানুহ দললৈ কেৰাহিকৈ চাই কৈছিল, "কিন্তু হাঁয়! ভাবিলে বেজাৰ লাগে সেই হালিৰ নগৰৰ মানুহে এতিয়াও বিস্মৃতিৰ টোপনিত মগ্ন হৈ ভুলৰ সপোন ৰচিছে।"

আনোৱাৰ আৰু তাৰ আব্বাজানে পানীপথ এৰি ৰেলেৰে অমৃতচৰলৈ যাত্ৰা কৰিলে। সেই প্ৰশস্ত বগা বাটটোও লগে লগে গৈ থাকিল ৰেল লাইনৰ কাষে কাষে। বিস্মৃতিৰ নিদ্ৰাত মগ্ন নগৰখন এৰি আনোৱাৰহঁত আহি থাকিল। কিছু দূৰ আহি আকবৰ আলিয়ে আনোৱাৰক এক বিস্তৃত মুকলি প্ৰাঙ্গণ দেখুৱাই ক'লে—"এইখনেই হ'ল পানীপথৰ বিভিন্ন বিখ্যাত যুদ্ধৰ ৰণাঙ্গণ। তাৰো বহুত দিনৰ আগতে মহাভাৰতত বৰ্ণিত কুৰুক্ষেত্ৰ মহাযুদ্ধ ইয়াতেই মীমাংসিত হৈছিল।"

তাৰ মানে বুৰঞ্জী প্ৰসিদ্ধ একখণ্ড পবিত্ৰ মাটিৰ ওপৰেদি এতিয়া আনোৱাৰহঁত গৈ আছে। আনোৱাৰে মুগ্ধ দৃষ্টিৰে প্ৰাচীন প্ৰসিদ্ধ এই ৰণাঙ্গণলৈ চাই ৰ'ল। কল্পনা চকুৰে সি যেন দেখিলে ঠাইখন কুৰু-পাণ্ডৱৰ লেখজোখহীন মহা মহা যোদ্ধা সৈন্য-সামন্তৰে ভৰপূৰ হৈ উঠিছে। মৃত অৰ্দ্ধমৃতৰ ওপৰেদি হাতীবোৰ দুপ্‌দুপাই পাৰ হৈ গৈছে। ৰথৰ ঘৰঘৰণিত কাণ তাল-ফাল লাগিছে। শাৰী শাৰী অশ্বাৰোহী তীব্ৰবেগে দৌৰিছে। আৰু অগণিত তীব্ৰ মৃত্যুৰ পাৰ চৰাইৰ দৰে জাকে জাকে উৰি আহিছে। উৰি গৈছে। এইখন ঠাইতেই ঠিক এই ঠাইতেই বহি ভাৰত বুৰঞ্জীৰ অনেক অংশ তেজেৰে লেখা হৈছে। এইটো বগা বাটেদিয়েই সমদলে আগবাঢ়ি গৈছে কত আক্ৰমণকাৰী সেনাদল; কত বিজয়ী বীৰ; কত দেশপ্ৰাণ পুৰুষ; কত স্বদেশদ্ৰোহী, আৰু কত অৰ্থলীপ্সু দস্যু। কিন্তু সৌৱা আকৌ কি,—সৌৱা দূৰত?

প্ৰায় এমাইল বাট ৰাজপথটো ৰেল লাইনৰ লগত একেবাৰে সমান্তৰাল-ভাৱে গৈছে। সেই বাটেদি গৈছে, ৰেলৰ পৰাই আনোৱাৰে স্পষ্টকৈ দেখিলে, অশ্বাৰোহী এদল সেনা। ঘোঁৰাৰ ওপৰত অনেক মানুহ, ঘোঁৰাই টনা বৰতোপৰ গাড়ী; লগতে দুই এখন মটৰ গাড়ীও। পাগুৰি মৰা ভাৰতীয় সৈন্য, খাকী হেল্‌মেট পিন্ধা ইংৰাজ সৈন্য, ঘোঁৰা চহিচ্, এই আটাইবোৰ আনোৱাৰে দেখিয়েই চিনিব পাৰিছিল। আনোৱাৰে অতি মনোযোগেৰে চাই ৰ'ল। সি দেখিলে ধূলিৰ মেঘ উৰুৱাই সশব্দে আগবাঢ়ি গৈছে এটা বুৰঞ্জীয়ে গৰকা পথেদি এদল সেনা;—ভাৰতত থকা বিপুল বৃটিছ সেনা বাহিনীৰ এটা সৰু অংশ। অমৃতচৰলৈ আগবাঢ়ি গৈছে।

—অমৃতচৰ !

বেলখন আহি অমৃতচৰত ৰ'লহি। আনোৱাৰ আৰু তাৰ আব্বাজানকে আদি কৰি শ শ যাত্ৰী নামি পৰিল। কিন্তু ক'তো এজন পোৰ্টাৰো দেখিবলৈ নাই। নিজ মাল-বস্তু কেইটা কঢ়িয়াবলৈ টান পোৱা অনেক যাত্ৰীয়ে "কুলি। কুলি।" কৈ চিঞঁৰিবলৈ ধৰিলে। কিন্তু চিঞঁৰাই সাৰ হ'ল,—কোনো নাহিল।

আনোৱাৰহঁত ষ্টেচনৰপৰা ওলাই আহিল। অমৃতচৰলৈ আহিলে আকবৰ আলি এখন বিশেষ হোটেলত থাকে। অলপ দূৰ। কিন্তু এতিয়া যায় কেনেকৈ? কেনিও এখন টাঙ্গা দেখিবলৈ নাই যি নাগেই বস্তু-বাহানি-কেইটা নিবলৈ "হামাল" এটাও নাই ক'তো। অদ্ভুত কাণ্ড!

"বেচি দূৰ নহয় বাচা, তুমি বাৰু এই বিচনাখন বলে পাৰিবানে? মই বাকীবোৰ ল'ম, আনোৱাৰ!" নিৰুপায় হৈ আকবৰ আলিয়ে ক'লে। আনোৱাৰেতো ভালেই পায়। তাতে আব্বাজানৰ আগত নিজৰ অক্ষমতা দেখুৱাবলৈ সি নাৰাজ। বুকু ফিন্দাই সেয়ে সি ক'লে, "পাৰিমতো, কিয় নোৱাৰিম, আব্বাজান!"

বাটবোৰ ধূলিৰে পোত খোৱা। কিন্তু উপায়তো নাই। সেয়ে দুয়ো নিজৰ বস্তু-বাহানি কান্ধত তুলি বাকী সকলো যাত্ৰীৰ দৰেই খোজ ধৰিলে। মাজ আকাশত বেলিটোৱে খাওঁ খাওঁ মূৰ্ত্তি ধৰি আছে। সৰু এখন পাণৰ দোকানো কতো খোলা নাই গোটেই মহানগৰীখনত। কাপোৰৰ দোকান, মিঠাইৰ দোকান, গাখীৰৰ দোকান, চৰ্বতৰ দোকান, সকলো বন্ধ। তথাপি বজাৰবোৰ জনশূন্য নহয়। দোকানবোৰৰ আগৰ কাঠৰ খাটিয়া বা তেনে ঠাইবোৰত জুমে জুমে মানুহ বহি বহি বেচ উত্তেজিত ভাৱে কিবা কথা আলোচনা কৰাত ব্যস্ত। আলিমূৰবোৰত ঘাইকৈ বেছি মানুহ গোট খাইছে। কাবোবাৰ কাৰোবাৰ উত্তেজিত তীক্ষ্ণ মাতত বতাহবোৰেই যেন কঁপি উঠিছে। হাতত মজবুত মজবুত লাঠি লৈ অসংখ্য পুলিচ নিৰৱে বাটত তহলি আছে।

"আজি ইয়াত সম্পূৰ্ণ হৰতাল বোধহয়," কেইবা লানিও বন্ধ দোকান পাৰ হৈ যোৱাৰ পিচত আকবৰ আলিয়ে মাত লগালে। তেওঁলোকৰ লগে লগে গৈ থকা এজন থলুৱা মানুহে আকবৰ আলিক সমৰ্থন কৰি ক'লে বোলে, হয় হৰতাল হৈছে। মানুহজনে ক'লে বোলে ছয় এপ্ৰিলৰ

দিনটোত গোটেই দেশ জুৰি হৰতাল পালন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। ৰাইজে যে ৰাওলাত বিলক কোনো পধ্যেই সমৰ্থন কৰিব নোৱাৰে তাকে চৰকাৰক বুজাই দিবলৈ এই ব্যৱস্থা কৰিছে।

কথাটো ভাবিয়েই আনোৱাৰৰ শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। কম কথানে বাৰু! দিল্লী, অমৃতচৰ, বোম্বাই, কলিকতা, মাদ্ৰাজ সকলো ঠাইৰে হেজাৰ হেজাৰ দোকান বন্ধ কৰি ৰখা হৈছে। আনকি ইংৰাজ বিষয়া হলেও মাছ-মাংস, শাক-পাছলি বা অন্য বস্তু দূৰৰ কথা চিগাৰেট এটাও খাওঁ বুলিলে কাৰো পৰা কিনিব নোৱাৰে। এনেকুৱা সমূহীয়া অসন্তোষ প্ৰদৰ্শনৰ কিবা নহয় কিবা ফল লাভ নহৈ নোৱাৰে। গতিকে এনেকৈ দোকান-পাট বন্ধ কৰাৰ দৰে সহজ পন্থা অৱলম্বন কৰিয়েই ৰাইজে চৰকাৰক বেয়া আইন উঠাই দিবলৈ বাধ্য কৰিব পাৰে।

"আব্বাজান," সি মাত লগালে। বেচেৰাই গধুৰ বিচনাখনৰ বোজা বৈ বৈ ফোঁপাই গৈছিল। হলেও 'হৰতাল'ৰ কথাই তাৰ মনত যি উত্তেজনাৰ সৃষ্টি কৰিছিল সিয়ে তাক তাৰ ভাগৰৰ কথা পাহৰাই দিছিল। "আমাৰ দিল্লীৰ দোকানবোৰো বাৰু আজি বন্ধ আছে নে?"

"কিয় নেথাকিব, বাচা! ৰামেশ্বৰে নিশ্চয় আমাৰ দোকানো বন্ধ ৰাখিছে। ৰাইজে যেতিয়া হৰতাল কৰিবলৈ সিদ্ধান্ত লয় আমি সকলোৱে তাত যোগ দিবই লাগিব। ৰাইজেই ৰজা। কিন্তু...." হঠাৎ আকবৰ আলিৰ মাতটো বৰ করুণ যেন শুনা গ'ল...."মোৰ ভয় হয়, এই হৰতালেই সকলো সমস্যা হয়তো সমাধান নকৰিব। আৰু বহুত ডাঙৰ ঘটনা হব। হবলৈ বাধ্য।"

তেওঁলোক হোটেল পালেহি। হোটেলৰ চোতালৰ পৰা আনোৱাৰে দেখিলে বাটেদি এদল সশস্ত্ৰ সৈন্য মাৰ্চ্চ কৰি গৈছে। কঁকালৰ পৰা ৰিভল্‌ভাৰ ওলোমোৱা এজন ইংৰাজ বিষয়াই সেনাদল পৰিচালনা কৰি কোনেৰে লৈ গৈছে।

হঠাৎ আনোৱাৰৰ মনত পৰি গ'ল গ্ৰেণ্ড-ট্ৰাঙ্ক-ৰোডত দেখা সৈন্য দলবৈ। গ্ৰেণ্ড-ট্ৰাঙ্ক-ৰোড। চৰক-ই-আজম,—যিটো বাট অনেক বিজয়ীয়ে নিজৰ সৈন্য পৰিবহনৰ বাবে যুগে যুগে ব্যৱহাৰ কৰি আহিছে।



ৰতনৰ লগত চিনা-পৰিচয় হ'বলৈ পাই আনোৱাৰে মনত বৰ আনন্দ পালে। ৰতন অৱসৰ প্ৰাপ্ত সৈনিক জামাদাৰ অজিত সিংহৰ পুতেক। এতিয়া তেওঁ উল ব্যৱসায়ী ৰামলাল এণ্ড চন্সৰ দুৱাৰ-ৰখীয়াৰ কাম কৰে। আকবৰ আলিয়ে হিচাপ-পত্ৰ কিছুমান পকা কৰিবলৈ এইখন দোকানলৈ প্ৰত্যেক দিনেই আহিব লগাত পৰিছিল। সেই সময়খিনি ধেমালি-ধুমুলা কৰি কটাবলৈ তেৱেঁই আনোৱাৰক জামাদাৰৰ পুতেকৰ লগ লগাই দিছিল। ৰতন নামৰ এই শিখ ল'ৰাটোৰ বয়স আনোৱাৰৰ প্ৰায় সমান। অৱশ্যে ৰতন হৃষ্ট-পুষ্ট, ওখ স্বাস্থ্যৱান শক্তিশালী ল'ৰা। আনোৱাৰৰ দৰে সকলো কথাতে লাজকুৰীয়া বা সিমান আত্মসচেতনো নহয়। ৰতন স্ফূৰ্তিবাজ, চতুৰ। ৰতনে যেতিয়া হাঁহে মুকুতাৰ দৰে সুন্দৰ খাঁজ-খোৱা দুপাৰি দাঁত বঢ়িয়াকৈ চকুত পৰে। ৰতনে আনোৱাৰক কৈছিল বোলে সি সাঁতুৰিব পাৰে; গছত উঠিব পাৰে; তাৰ সমবয়সী যি কোনো ল'ৰাক মাল-যুঁজত ঘটুৱাব পাৰে। দিল্লীৰপৰা অহা আনোৱাৰ নামৰ দুৰ্ব্বল ল'ৰাটোৰ বাবে এইবোৰ কাম কৰিব পৰাটো যে বেচ বীৰত্বৰ কাম যেন অনুভূত হৈছিল তাক সহজেই অনুমান কৰিব পাৰি। সকলো শিখৰ দৰে ৰতনৰ সোঁহাতত এডাল লোহাৰ খাৰু আছিল। তাৰ দীঘল ৰেশমৰ নিচিনা চুলিকোচা সি এটা পাতল হালধীয়া পাগুৰীৰে ঢাকি ৰাখিছিল। সেই পাগুৰীৰ তলেদি একোচা দুকোচা চুটি চুলি বিদ্ৰোহ কৰি যেন কেউফালে ওলাই থাকে। সেইবোৰে ৰতনৰ স্বাস্থ্যবান ব্ৰোঞ্জত কাটি কৰা মূৰ্ত্তিৰ দৰে ধুনীয়া মুখখনক এটা আশ্চৰ্য্য-সুন্দৰ শোভা দান কৰে।

সকলোৰে পৰা আনোৱাৰ অকলশৰীয়া। পানী-কেঁচুৱাতেই আনোৱাৰে তাৰ আম্মাজানক হেৰুৱালে। তেওঁক দেখা তাৰ মনত নপৰে। আব্বা-জানৰ বিধবা ভনীয়েক পেহীজানেই তাক তুলি-তালি ডাঙৰ-দীঘল কৰিছে। বাইজান আঞ্জুমেও তাক বৰ ভাল পায়। হলেও, আঞ্জুমে ভাল পায় পুতলা-চুতলা লই ওমলিবলৈ; আৰু আনোৱাৰে ভাল পায় খেল-পথাৰত লৰা-চাপৰা কৰিবলৈ। ফলত দুয়োয়ে আপোন-আপোন ভাগে নিঃসঙ্গ হৈ হৈ উঠা স্বাভাবিক। আনোৱাৰক অৱশ্যে ইচ্ছা মতে ঘৰৰপৰা ওলাই গৈ ওচৰৰ ল'ৰাবোৰৰ লগত বেছি মিলা-মিচা কৰিবলৈ দিয়া নহৈছিল। আব্বাজানে ভয় কৰিছিল তেনে কৰিলে হয়তো আনোৱাৰে সেই ল'ৰা-বোৰৰ দৰে অসংযত বেহুদা চিয়ঁৰ-বাখৰ কৰিবলৈ শিকিব। পেহীজানে ভয় কৰিছিল কেতিয়াবা হয়তো তেওঁৰ এই নিশকতীয়া ভতিজাকটোৱে হাড়-মূৰ কিবা এটা ভাঙি ঘৰলৈ লৈ আহিব। সেইবাবে কাছুই নিজৰ চলংখনৰ ভিতৰতে সোমাই থকাৰ দৰে আনোৱাৰো আত্মকেন্দ্ৰিক হৈ উঠি-

ছিল। সি শিকিছিল নিজৰ লগতে কল্পনাতে নানান খেলা খেলিবলৈ। ৰতনেই আনোৱাৰৰ জীৱনৰ প্ৰথম বন্ধু। ৰতনৰ লগত সি খেলিছিল, কথা পাতিছিল, হাঁহিছিল। আৰু প্ৰতি মুহূৰ্ত্তে আনোৱাৰে উপলব্ধি কৰিছিল যে ৰতনৰ প্ৰতি তাৰ যি আকৰ্ষণ গঢ়ি উঠিছে সেই আকৰ্ষণ তাৰ আব্বাজান, পেহীজান বা বাইজানৰ প্ৰতি থকা আকৰ্ষণতকৈ বহুত বেলেগ। এই আকৰ্ষণত আছে এটা ৰহস্য এটা আশ্চৰ্য্যৰ অনুভূতি যিটো বাকীসকলৰ ক্ষেত্ৰত নাই। কেতিয়া ক'ত কি কৰিলে বা ক'লে তাৰ আব্বাজান-পেহীজানহঁতে কি ক'ব বা কি ব্যৱস্থা ল'ব আনোৱাৰে বঢ়িয়াকৈ জানে। কিন্তু তাৰ যি কোনো কথা-কামৰ উত্তৰত ৰতনে কি ক'ব বা কি কৰিব ধৰিব পৰা আনোৱাৰৰ পক্ষে অসম্ভৱ আছিল। আৰু এই বাবেই যেন ৰতনৰ প্ৰতি তাৰ আকৰ্ষণ ক্ৰমাগত বাঢ়ি গৈছিল। উদাহৰণ স্বৰূপে এবাৰ আনোৱাৰে লাজ-লাজকৈ জেপৰপৰা ফুলাম ৰুমাল এখন উলিয়াই ৰতনক উপহাৰ দিছিল। সি ভাবিবই পৰা নাছিল ৰতনে ৰুমালখন পাই কি কৰিব। ৰতনে কিন্তু তৎক্ষণাত সেইখন লৈ তাৰ পাগুৰীৰ ওপৰত বান্ধি ললে। আৰু একে দৌৰে তাৰ দেউতাকৰ ওচৰ পালেগৈ। দেউতাকক ৰুমালখন দেখুৱাই আকৌ একে দৌৰে আনোৱাৰৰ ওচৰ পালেহি আৰু হাঁহি হাঁহি তাক এটা ক'লা ধেমালি কৰা পিস্তল উপহাৰ দিলে।

"পিতাজীয়ে এইটো মোক বিলাতৰপৰা আনি দিছিল।" লৰালৰিকৈ ৰতনে ক'লে। তাৰ ইচ্ছা আনোৱাৰে যাতে তাৰ উপহাৰটো নেলাগে বুলি ক'বলৈ সময় নেপায়।

"তোমাৰ পিতাজী বিদেশলৈ গৈছে, বিলাতলৈ?" আনোৱাৰে সুধিলে। কথাষাৰ শুনি সি ইমান আচৰিত হৈ গ'ল যে আনকি বন্ধুক ভদ্ৰতাৰ খাতিৰত সুন্দৰ উপহাৰটোৰ বাবে ধন্যবাদ জনাবলৈকো পাহৰি গ'ল।

"উঁ", ৰতনে গৰ্ব্বৰে ক'লে। তাৰ পিতাজীৰ কথা ক'বলৈ পালে সি ভাল পায়; উত্তেজনা বোধ কৰে। "যোৱা যুদ্ধত মোৰ পিতাজীয়ে বিলাতৰ ফলীয়া হৈ যুদ্ধ কৰিছিল। প্ৰথমতে তেওঁ ফ্ৰান্সত আছিল। পিচত লণ্ডনলৈ যায়। সম্ৰাটে পিতাজীক সাহসিকতাৰ বাবে প্ৰশংসা কৰিছিল। জানা, মোৰ পিতাজী ভীষণ সাহসী। চৰকাৰৰপৰা তেওঁ বহুত মেডেল পাইছিল।"

সেই মেডেলবোৰ আনোৱাৰে দেখিছে। সোণৰ, ৰূপৰ, ব্ৰোঞ্জৰ, প্ৰত্যেকটোতে একো টুকুৰা সুন্দৰ ৰঙীন ৰিবন লগোৱা আছে। জামাদাৰৰ খাকী-পোচাকৰ ওপৰত বুকুৰ ওচৰত সেইবোৰ ওলমি থাকিলে কেনে ধুনীয়া দেখি। নিজৰে গৰ্ব্ব ওপজি যায়। সেইবোৰ প্ৰথম দেখোতেই

আনোৱাৰৰ গা শিৰশিৰাই উঠিছিল। এইবোৰৰ প্ৰত্যেকটো মেডেলৰ অন্তৰালত কিমান ৰোমাঞ্চকৰ দুঃসাহসৰ কাহিনী সোমাই আছে কোনে জানে। সোধো সোধো লাগিলেও সেইবোৰ দুঃসাহসৰ কথা সুধিবলৈ লাজে আনোৱাৰক বাধা দিছিল। তাতে বৃদ্ধ সৈনিক গৰাকীৰ প্ৰকাণ্ড ক'লা দাড়ি গোফবোৰ দেখিলে অলপ ধতুৰা আনোৱাৰৰ বুকুৱেই কঁপি উঠিব খোজে। এতিয়া সি ভাবিলে ৰতনৰ বন্ধু বিচাপে তেওঁক সেইবোৰ কথা সোধাৰ তাৰ নিশ্চয় অধিকাৰ আছে। "বাৰু" সি সসঙ্কোচে সুধিলে ৰতনক, "মই সোধো যদি তোমাৰ পিতাজীয়ে বিলাতত কি কি দেখিছিল মোক কবনে? জানিবলৈ ইমান মন যায় মোৰ; বিদেশলৈ যোৱা, বিদেশত গৈ যুদ্ধ কৰা মানুহৰ লগত মই কেতিয়াও কথাই পতা নাই।"

"কেলৈ নক'ব, নিশ্চয় ক'ব! তুমি মোৰ বন্ধু। মোৰ বন্ধুৰ কাৰণে যি কোনো কামকে কৰিবলৈ পালে পিতাজীয়ে আনন্দ পাব।"

"মোৰ বন্ধু!" ৰতনে আনোৱাৰক কি বুলি মাতিলে,—'মোৰ বন্ধু?' দুটা সৰু সৰু শব্দ। অথচ কি সুমধুৰ। সুললিত! কাণেদি সোমাই যেন আনোৱাৰৰ প্ৰাণটোকেই শীতল কৰি গ'ল। তাৰ ইচ্ছা হ'ল এই মুহূৰ্ত্তত তাৰ মনত উথলি উঠা মৰম আৰু কোমলতাৰ যি আৱেগ তাক সি কিবা প্ৰকাৰে প্ৰকাশ কৰে। সি বুজিলে এই আৱেগৰ নামেই বন্ধুত্ব। ঈদত সকলোৱে "মুচাবাহা" কৰাৰ দৰে আনোৱাৰৰ মন গ'ল ৰতনক সাবটি ধৰিবলৈ; মন গ'ল পেহীজানে তাক চুমা খোৱাৰ দৰে ৰতনক চুমা খাবলৈ। অন্ততঃ সেইবোৰ নহলেও আব্বাজানে ৰামেশ্বৰ দয়ালৰ লগত কৰাৰ দৰে আবেগেৰে ৰতনৰ লগত কৰমৰ্দ্দন কৰিবলৈ। কিন্তু সৰুৰে পৰাই আনোৱাৰে শিকি আহিছে মনৰ আবেগ প্ৰকাশ কৰিবলৈ নহয়, সযতনে সংযত কৰিবলৈ, লুকুৱাবলৈ। ফলত তাৰ নিজকে হতাশ-হতাশ, কিবা এক আনন্দৰ পৰা বঞ্চিত-বঞ্চিত যেন লাগিল। চকুহাল তাৰ অশ্ৰুৰে ভৰি উঠিল। সেই অশ্ৰু সযতনে সম্বৰণ কৰি আনোৱাৰে মনে মনে সিদ্ধান্ত কৰিলে ৰতনৰ সৈতে বন্ধুত্ব সি আমৰণ বজাই ৰাখিব, যেনেকৈ ৰাখিছে তাৰ আব্বাজানে আৰু কাকা ৰামেশ্বৰ দয়ালে। কথাষাৰ ভবাৰ লগে লগে মনটো আনোৱাৰৰ পাতল-পাতল লাগিল। শৰীৰৰ শক্তিও যেন তাৰ অনেক বাঢ়ি গৈছে। মনৰ নিসঙ্গভাৱো বিদূৰিত হৈছে।

তাত অমৃতচৰত, এটা নহয় দুটা স্বৰ্ণমন্দিৰ আছে। এটা বেছ মজবুত হৈ আছে আনটো অলপ ভাগিবলৈ আৰম্ভ কৰিছে। এটা অতি ওখ। যেতিয়া বগা বগা বৃহৎ মেঘৰ টুকুৰাবোৰ ইয়াৰ ওপৰেদি উৰি যায় তেতিয়া মন্দিৰটোৱেই আকাশত ভাঁহি উঠা যেন লাগে। আনটো চাপৰ। পাশ্ববৰ্ত্তী পবিত্ৰ পুখুৰীৰ ঘন সেউজীয়া পানীত উপঙি থকা যেন লাগে। অপূৰ্ব্ব দৃশ্য। উশাহ লবলৈও পাহৰি আনোৱাৰে পানীত প্ৰতিবিম্বিত হোৱা স্বৰ্ণ মন্দিৰলৈ চাই ৰৈছিল। সি সেই দৃশ্যত এনেভাৱে মজি গৈছিল যে ক্ষন্তেকলৈ জামাদাৰ অজিত সিঙে কৈ থকা মন্দিৰৰ ইতিহাস বা তাৰ ধাৰ্ম্মিক-গুৰুত্ব আদি একো কথাই আনোৱাৰৰ কাণত সোমোৱা নাছিল। তথাপি আনোৱাৰে তেওঁৰ কথাৰ পৰা বুজিলে যে মন্দিৰৰ চূড়াবোৰ সোণৰ পাতেৰে মেৰোৱা হৈছে। সেইবোৰত কিমান লাখ টকা খৰছ পৰিছে থিতাতে হিচাপ দিব নোৱাৰি। এই মন্দিৰেই শিখবিলাকৰ মনত আটাইতকৈ পবিত্ৰ মন্দিৰ। ধনী-দুখীয়া নিৰ্ব্বিশেষে অজস্ৰ তীৰ্থযাত্ৰী দিনৌ ইয়ালৈ আহি থাকে দেশৰ সকলো অংশৰপৰা। মন্দিৰ পৰিচালনা-পুঁজিলৈ তেওঁলোক সকলোৱে নিজৰ সাধ্য অনুসাৰে বৰঙণি আগ বঢ়ায়।

অৱশ্যে জামাদাৰৰ চোলাৰ সোণৰ মেডেল কেইটাই আনোৱাৰক যি পৰিমাণে কৌতুহলী কৰি তুলিছিল স্বৰ্ণ-মন্দিৰে সিমান কৌতূহলী কৰিব পৰা নাছিল। ওচৰৰপৰা মেডেলবোৰ নিৰীক্ষণ কৰি আনোৱাৰে দেখিছিল তাৰ কিছুমানত, টকা-অনা-পইচাত থকাৰ দৰে সম্ৰাটৰ মুখখন অঁকা আছে। আনবোৰত এজনী মাইকী মানুহৰ ছবি। মানুহ গৰাকীয়ে এহাতত এখন ঢাল আৰু আনহাতে এডাল যাঠী লৈ আছে। বোধহয় সেয়া ইংৰাজসকলে পূজা কৰা কোনোবা দেৱীৰ প্ৰতিকৃতি। প্ৰত্যেকটো মেডেলতে আনোৱাৰে পঢ়িব নোৱাৰা ইংৰাজী আখৰেৰে কিবা লেখা আছে। উৎকণ্ঠা দমাব নোৱাৰি সোধো সোধোও লাগিছে। অথচ লাজত সুধিবও পৰা নাই। শেষত আনোৱাৰে কাতৰভাৱে ৰতনলৈ চালে। সেই দৃষ্টিয়ে যেন ৰতনক ক'ব খুজিছে, "ৰতন, তুমিয়ে কিবা এটা কৰানা। মই ক'ব নোৱাৰোঁ।" ৰতনে বুজি পালে। যিহকে নকওক তাকেই নিঃসঙ্কোচে মুখ ফুটাই কৈ দিয়াই ৰতনৰ অভ্যাস। "পিতাজী, আনোৱাৰে তোমাৰ পৰা যুদ্ধৰ কথা শুনিব খুজিছে।"

"যুদ্ধ।" অবাক হৈ কৈ উঠিল জামাদাৰে। তাৰ পিচত এনেকুৱাকৈ আত্মসচেতন ভাৱে কাঁহ দুটামান মাৰিলে যেন তেওঁ ক'ব খুজিছে যুদ্ধত তেওঁ গ্ৰহণ কৰা ভুমিকাৰ কথা ক'বলৈ তেওঁৰ লাজ লাগে। "সাধাৰণ এটা সৈন্যই যুদ্ধৰ কথা কি ক'ম বাৰু? আমাক যেনেকৈ যুঁজিবলৈ

আদেশ দিছিল, যি কৰিবলৈ কৈছিল, তাকে আমি কৰিছিলো। আৰু 'ৱাহ-গুৰু'ৰ কৃপাত গুলি নোখোৱাকৈ বাচি আছিছিলো।"

কিন্তু তাৰ বন্ধুৰ আশাত চেঁচা পানী ঢালিবলৈ এৰি দিয়া ভকত নহয় ৰতন। "পিতাজী, আনোৱাৰক তুমি ফ্ৰান্সৰ কথা কোৱানা। তাৰ ট্ৰেন্সবোৰৰ কথা, জাৰ্ম্মানবোৰে প্ৰকাণ্ড বৰতোপেৰে কেনেকৈ এশ মাইল দূৰৰ পৰাও গুলি মাৰিছিল, সেইবোৰ কথা কোৱা।"

আশ্চৰ্য্যত আনোৱাৰৰ চকুহাল বহল বহলকৈ মেল খাই গ'ল। "জামাদাৰ চাহেব, এয়া সঁচা? এনেকুৱা ৰবতোপ সঁচাকৈয়ে আছেনে?"

"আছে, বাচা, আছে। তাতোতৈও আৰু বহুত বেছি ভয়ঙ্কৰ বস্তু আছে।" যুদ্ধৰ স্মৃতিকথা ক'বলৈ এইবাৰ জামাদাৰ সাজু হ'ল। "কিন্তু এইবোৰ কথা তোমাক কবৰ হ'লে মই যে আৰম্ভৰে পৰা ক'ব লাগিব।"

স্বৰ্ণ-মন্দিৰৰ তলৰ পবিত্ৰ পুখুৰী পাৰত তেওঁলোক তিনিও আৰাম কৰি বহি ললে। আনোৱাৰ উৎকৰ্ণ। ৰতনৰ কিন্তু এক মুহূৰ্ত্তও শান্তিৰে বহি থকাৰ অভ্যাস নাই। সৰু শিলগুটি এটা লৈ সি পুখুৰীলৈ দলিয়াই দিলে। এক মুহূৰ্ত্ততে দ্বিতীয় স্বৰ্ণ-মন্দিৰৰ ছাঁয়া অদৃশ্য হৈ গ'ল।

এক অদ্ভুত অশ্ৰুতপূৰ্ব্ব যুদ্ধৰ বৰ্ণনা আনোৱাৰে বহি বহি শুনিলে। এই যুদ্ধত শুকুলা ঘোঁৰাত উঠি কোনো ৰাজকুমাৰ ৰণাঙ্গনলৈ আগবাঢ়ি নেযায়। ধনু-কাঁড় লৈ কোনো সব্যসাচীয়ে ইয়াত ৰণ-কৌশল প্ৰদৰ্শন নকৰে। জাক জাক হাতী, শাৰী শাৰী ৰথ, এইখন যুদ্ধত শত্ৰুক আক্ৰমণ কৰাত ব্যৱহাৰ কৰা নহয়।

তাৰ পিতাজীৰ এইবোৰ বীৰত্বৰ কথা ৰতনে একাধিক বাৰ যে শুনিছে তাত সন্দেহ নাই। সেয়ে অধৈৰ্য্য হৈ সি মাত লগালে, "কিন্তু পিতাজী, ডাঙৰ ডাঙৰ বন্দুক আৰু এৰোপ্লেন,—আনোৱাৰক সেইবোৰৰ, কথাও কোৱা"।

"কৈছো। আমি য'ত আছিলো তাৰ পৰা বহুত দূৰত ক'ৰবাত শত্ৰু সৈন্যৰ কিছুমান ডাঙৰ ডাঙৰ ৰবতোপ আছিল। অবিৰাম আমি দেখিছিলো অজস্ৰ গোলা আমাৰ মূৰৰ ওপৰেদি উৰি গৈ ট্ৰেন্সৰ কেউফালে পৰি বিস্ফোৰিত হৈছিল। জাৰ্ম্মানবোৰ আহি যেতিয়া পেৰিচৰ পৰা সত্তৰ মাইল দূৰ পালেহি তেতিয়া সিহঁতে এনে এবিধ বন্দুক ব্যৱহাৰ কৰাত লাগিল যাক সকলো বন্দুকৰে "বুঢ়ীমাক" বুলিব পাৰি। এই বন্দুকেৰে পেৰিচৰ সবাতোকৈ ওখ গীৰ্জ্জাটোৰ চূড়াতো সত্তৰ মাইল দূৰৰ পৰা গোলা-বৰ্ষণ কৰিব পাৰি। তাৰ পিচত আকাশী-যানৰ কথা। সেই-বোৰ যেনিবা এবিধ প্ৰকাণ্ড কুলকুণীয়া চৰাইহে। ওপৰেদি যাওঁতে মানুহ

থকা ঠায়ে ঠায়ে কণী পাবি যায়। এই কণীবোৰ যেতিয়া ফাটে হেজাৰ হেজাৰ মানুহৰ থিতাতে মৃত্যু হয়। অতি সাহসী যুজাঁৰুৱেও বাৰু এইবোৰ বস্তুৰ বিপক্ষে কেনেকৈ যুঁজিব পাৰিব ? এই সকলো বিজ্ঞানৰ সহায়ত কৰা হয় আৰু বিজ্ঞান হ'লগৈ জাৰ্ম্মানবোৰৰ দাসী।"

আনোৱাৰৰ মনত পৰিল সি দেখা সেই উড়ন্ত প্ৰকাণ্ড পাৰ চৰাইটোলৈ। পিচত আব্বাজানে তাক কৈছিল সেইটো হেনো মৃত্যু আৰু ধ্বংস ঘটোৱা কামত ব্যৱহাৰ কৰা হয়।

"তেনেহলে আপোনালোকে জাৰ্ম্মান যুদ্ধত কেনেকৈ জয়লাভ কৰিলে, জামাদাৰ চাহেব ?" সাহস গোটাই আনোৱাৰে সুধিলে।

উত্তৰ দিয়াৰ আগতে বৃদ্ধ সৈনিক গৰাকী এক মুহূৰ্ত্ত নিৰৱে ৰ'ল। "বাচা, আমাৰ ফালেও যে তেনে কোনো অস্ত্ৰ-শস্ত্ৰৰ সহায় নাছিল তেনে বুলি নেভাবিবা। অৱশ্যে শত্ৰুতকৈ আমাৰ যে অস্ত্ৰবল কম আছিল তাত সন্দেহ নাই। কিন্তু একেবাৰে বেলেগ এটা কাৰণত জাৰ্ম্মানবোৰ হাৰিব লগাত পৰে।"

"কি কাৰণে ? কি কাৰণে ?" অতি উৎসুকতাৰে আনোৱাৰে সুধিলে।

জামাদাৰে যেন এই বিষয়ে আৰু বেছি কথা ক'বলৈ ইচ্ছা কৰা নাই। যেন এই এটা বিষয়ত মন্তব্য দিবৰ কাৰণে তেওঁ নিজকে উপযুক্ত বুলিয়ে বিবেচনা নকৰে। এনে ভাৱে তেওঁ ক'লে, "বাচা, মই মাত্ৰ এটা সামান্য অশিক্ষিত সৈন্য। মই ৰাজনীতি বা তেনে কিবা-কিবি নীতিবোৰৰ বিষয়ে কিয়েই বাৰু জানো ? ট্ৰেন্সত সোমাই থাকোঁতে এজন টমিয়ে ঠিক যুদ্ধ-সম্বৰণৰ আগ মুহূৰ্ত্তত মোক এই কথা কৈছিল। যুদ্ধৰ আগতে এই টমিজন এজন কলেজৰ অধ্যাপক আছিল। গতিকে তেওঁ বুজিছিল। তেওঁ কৈছিল—জাৰ্ম্মান ৰাইজে—বিশেষকৈ কাৰখানাৰ মজদুৰসকলে—সম্ৰাট কাইজাৰৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰি বিদ্ৰোহ কৰি উঠিছিল। সিইতে কৈছিল বোলে কাইজাৰে আৰু তেওঁৰ মন্ত্ৰীবৰ্গই নিজৰ ক্ষমতা-লোভৰ বাবে যি যুদ্ধ লগালে সেই যুদ্ধ চলি থকাটো কৰ্ম্মী মানুহসকলে আৰু নিবিচাৰে। জনসাধাৰণে সেয়ে কাইজাৰক বন্দী কৰি তেওঁলোকৰ নিজা চৰকাৰ গঠন কৰিলে। হেজাৰ হেজাৰ জাৰ্ম্মান সৈন্যই হাতৰ ৰাইফল পেলাই দিলে। 'আমাক বুৰ্ব্বক পাই বিপথে চলাই কাইজাৰে ইংৰাজ আৰু ফ্ৰান্সৰ লগত যুদ্ধত নমালে। এওঁলোকৰ লগত ৰণ দিয়াৰ আমাৰ একো কাৰণেই নাই। কাইজাৰ আৰু নাই। আমিও আৰু যুদ্ধ নকৰো।' ঠিক এইদৰে কৈছিল জাৰ্ম্মান ৰাইজে। গতিকে,

দেখিছা, প্ৰকৃততে ক'বলৈ গ'লে জাৰ্ম্মান বাইজৰহে এইখন যুদ্ধত জয়-লাভ হ'ল।"

কিন্তু জামাদাৰে নিজে সেই যুদ্ধত কেনে ভূমিকা লৈছিল তাক কোৱাৰ পৰা অতি কৌশলেৰে তেওঁ বিৰত থাকিল। অতি কমেও, এই মেডেল-বোৰ তেওঁ কেনেকৈ পালে তাকতো ক'ব লাগিছিল? আনোৱাৰৰ এতিয়া জামাদাৰৰ ক'লা প্ৰকাণ্ড দাড়ি-মোচলৈ থকা প্ৰথমৰ ভয় নাইকিয়া হৈছে। সেয়ে সি এইবাৰ নিঃসঙ্কোচে পোনপটীয়াকৈ প্ৰশ্ন কৰিলে।

"অ', এই মেডেলবোৰ।" হাঁহি হাঁহি ক'লে জামাদাৰে, "এই-বোৰ বিশেষ একো নহয়। এইবোৰ মই পোৱাৰ কাৰণ হ'ল মই চৰকাৰৰ সদায় বিশ্বাসী আছিলো আৰু মোক যিহকে কৰিবলৈ কোৱা হৈছিল তাকে কৰিছিলো।"

"তাৰোপৰি" এইবাৰ ৰতনে মাত লগালে, "তুমি এবাৰ নিজৰ জীৱন বিপন্ন কৰিও এজন ইংৰাজ বিষয়াৰ প্ৰাণ ৰক্ষা কৰিছিলা।"

"হয়" জামাদাৰে মূৰ দুপিয়ালে, "এবাৰ নিশাৰ আক্ৰমণত কৰ্ণেল স্মীথ্ চাহেব আহত হয়। আমি তেতিয়া পাচ হুইঁকিছো। ইফালে তেওঁ ৰণথলিৰ 'নো মেনচ্ লেণ্ড'ত বেহুঁচ হৈ পৰি আছে। স্মীথ্ চাহেব মোৰ ওপৰৱালা আছিল। তেওঁ মোক বৰ মৰম কৰিছিল। তেওঁক বচাবলৈ চেষ্টা কৰা মোৰ জানো কৰ্ত্তব্য নহয়, কোৱা? গতিকে মই এন্ধাৰৰ আঁৰ লৈ ট্ৰেন্সৰপৰা বগুৱা বাই ওলাই গ'লো আৰু তেওঁক নিৰা-পদ ঠাইলৈ কঢ়িয়াই আনিলো।"

"জাৰ্ম্মানবোৰে আপোনালৈ গুলি নকৰিলে নে?"

"কৰিছিল। এটা গুলি মোৰ ভৰিত লাগিছিল।" এই বুলি তেওঁ বাওঁ ভৰিৰ পেণ্টটো কোঁচাই ক'লাফুলত থকা টকাটোমান দাগ এটা দেখু-ৱালে। অনেক দিন হ'ল, জামাদাৰৰ ভৰিৰ ঘা শুকাই গৈছে। তথাপি দাগটো দেখিয়েই যেন আনোৱাৰৰ মূৰটো ঘূৰাই যাব খুজিলে।

তেতিয়া বেলি ভাটী দিছিল। মন্দিৰৰ চোতালত স্বৰ্ণ-মন্দিৰৰ ছাঁয়া দীঘলীয়া হৈ পৰিছিল। অজিত সিঙে অনুভৱ কৰিলে আকবৰ আলিক পুতেকলৈ বাট চোৱাই আৰু বেছি সময় ৰখোৱা উচিত নহয়। তিনিও

হোটেললৈ উভতিল। আনোৱাৰৰ এনে লাগিল যেন স্কুল বন্ধত কৰবালৈ প্ৰমোদ-যাত্ৰা কৰিহে সি উভতি আহিছে। তাৰ ইমান ভাল লাগিছিল যে ঘূৰি আহোঁতে ক'ত কি হৈছে একো লক্ষ্য কৰিবলৈকে সি পাহৰি গ'ল। সি মন নকৰিলে বাটেদি খোজ কাঢ়ি যোৱা মানুহবোৰে যেন ভীষণ উত্তেজনাত দৌৰিহে গৈছে। চাৰিওফালে সকলোৱেই ফুচ্‌ফাচ্ কৰি লুকাই-চুৰকৈহে যেন দুষাৰ-চাৰিষাৰ কথা পাতিছে। প্ৰত্যেকটো আলিমূৰত জুম পাতি পাতি অনেক সশস্ত্ৰ পুলিচে পহৰা দি আছে।

কোনো কথাতেই ধৈৰ্য্য হেৰুওৱা আকবৰ আলিৰ অভ্যাস নহয়। যিমান- ডাঙৰ ঘটনাই নহওক অস্থিৰ বা বিমূঢ় নহয় কেতিয়াও তেওঁ। কিন্তু আজি যেন তাৰ ব্যতিক্ৰম ঘটিল। বেচ্ ব্যগ্ৰ হৈ তেওঁ বাটলৈ ওলাই ওলাই চাই আছে আনোৱাৰহঁত অহালৈ। নহবই বা কিয়! মহানগৰীত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি হৈছে। চাৰিদিনৰ আগৰ হৰতালৰ ফল স্বৰূপে জনসাধাৰণৰ দুজন নেতা—কিচ্‌লু আৰু সত্যপালক গ্ৰেপ্তাৰ কৰা হ'ল। এই কথা শুনি এদল মানুহে সমদলৰে ডেপুটি কমিচনাৰৰ বঙলালৈ আগ বাঢ়ি গৈছিল প্ৰতিবাদ জনাবলৈ। কিন্তু 'হল-গে'ট ব্ৰীজ'ৰ ওপৰত তেওঁ-লোকক যাবলৈ বাধা দিয়া হ'ল আৰু তাতেই বাইজৰ ওপৰত গুলি চালনা কৰা হ'ল। অনেক মানুহ আহত হ'ল। অনেকৰ মৃত্যু হ'ল।

আনোৱাৰক থৈয়ে অজিত সিং আৰু ৰতন বেগাবেগিকৈ ঘৰলৈ গ'লগৈ। আনন্দ, ভয়, আশ্চৰ্য্য, এইবোৰ বিভিন্ন অনুভূতিৰ টনা-আঁজো-ৰাত আনোৱাৰ অলপ পেপুৰা লাগিছিল। নিমাত হৈ সি বিছনাত বহি পৰিল। চাকি নলগোৱা প্ৰায় এন্ধাৰ কোঠাটোত আব্বাজানে ইফালৰ পৰা সিফাললৈ জোৰে জোৰে অহা-যোৱা কৰি আছিল। বহুত দূৰত বহুত মানুহে একেলগে চিঞৰ-বাখৰ কৰা শব্দ ভাঁহি আহিছিল। হঠাৎ বাটেদি এজাক মানুহ দৌৰি যোৱা শব্দ শুনা গ'ল। পিচে পিচে যেন খেদিহে গৈছে, এনে ভাৱে পুলিচৰ বুট জোতাৰ গেৰেপ-গেৰেপ শব্দ শুনা গ'ল। তাৰ পিচত এদল অশ্বাৰোহী সেনাৰ ঘোঁড়াৰ খুৰাৰ শব্দ। তাৰ পিচত নিৰৱতা। সম্পূৰ্ণ, যেন মৃত্যুৰ নিৰৱতা। এই নিৰৱতা, বেছি ভয় লগা, বেছি অসহ্য যেন অনুমান হ'ল আনোৱাৰৰ। ভয়তে এবাৰ সি বিছনাবপৰা পৰি যাব ধৰিছিল। এনে সময়তে আব্বাজানে ফচ্ কৰে জুইশলা কাঠি এটা মাৰি মেজৰ ওপৰৰ লেম্পটো জ্বলাই দিলে।

উধাতু খাই, প্ৰায় লগে লগে, হোটেলৰ এটা চাকৰ-ল'ৰা সোমাই আহিল। উত্তেজনাত সি ভালকৈ উশাহকে ল'ব পৰা নাই। সি ক'লে, হুলস্থুল ক্ৰমাৎ বৃদ্ধি পাইছে। হল-গে'ট ব্ৰীজৰ গুলি চালনাৰ বাবে জন-

সাধাৰণ খণ্ডত উন্মাদৰ দৰে হৈছে, বহুত ঘৰ তেওঁলোকে জ্বলাই দিছে। ভালেমান ইউৰোপীয় লোকক হত্যা কৰিছে।

চাকৰটো ওলাই গ'লত আকবৰ আলিয়ে আকৌ কোঠাটোত বেগে-বেগে পায়চাৰী কৰিবলৈ ধৰিলে। ঘটনাবোৰৰ এই ভয়ানক ৰূপ-ধাৰণত বিমূঢ় হৈ আনোৱাৰ বোবাৰ দৰে বহি থাকিল। সেই অপূৰ্ব্ব—সুন্দৰ স্বৰ্ণ-মন্দিৰৰ পৃথিৱী—সেই প্ৰশান্ত পুখুৰী—সেই মৰমীয়াল জামাদাৰ—বন্ধু ৰতন-সকলোকে যেন পিহি মষিমূৰ কৰি পেলোৱা হ'ল। খিড়িকীয়েদি এজাক কোমল বতাহ সোমাই আহিছিল। হঠাৎ সেই বতাহ অনেক ৰাইফেল ফুটাৰ শব্দেৰে গধূৰ হৈ পৰিল। তাৰ পিচত বাজি উঠিল, থাকি থাকি মেচিন-গানৰ ৰেট্-টেট্-টেট্ ৰেট্-টেট্-টেট্ ভয় লগা শব্দ।



১৩ এপ্ৰিল, ১৯১৯ চন। আনোৱাৰৰ এই দিনটো সদায় মনত থাকিব।

সেইদিনাৰ পুৱাটো আছিল উজ্বল। ফৰকাল। সুন্দৰ। আগৰ দুটা দিন কিযে অবৰ্ণনীয় আতঙ্কৰ মাজত কটাব লগা হৈছে তাক মাত্ৰ ভুক্ত-ভোগীয়েহে অনুমান কৰিব পাৰিব। নিশাৰ বিভীষিকাত পেপুৱা লগা মানুহৰ দৰে হৈ হোটেলতে সোমাই থাকিব লগা হৈছে বন্দী হৈ। আজি সেই বিভীষিকা আৰু নাই। সেয়া যেন দূৰ অতীতৰ কথা। এজাক ঘৰ-চিৰিকাই খিড়িকীৰ ৰাৰত বহি চিৰিক-চাৰাক কৈ হুলস্থূল লগাই আছে। গা-পা ধুই কাপোৰ পিন্ধি থাকোঁতে আনোৱাৰে ভাবিলে আজি যদি সি ৰতনক লগ পায় বৰ ভাল হয়। যোৱা কেইদিন ধৰি সি তাৰ বন্ধুক লগ পোৱা নাই। কেইটামান মাত্ৰ দিন। অথচ তাৰ এনে লাগিছে যেন অনন্ত কাল সি তাৰ বন্ধুক লগ পোৱা নাই। সিহঁতৰ চিৰ-বিচ্ছেদ ঘটিছে।

আকবৰ আলিয়ে সিদিনাৰ কাকতখন পঢ়ি আছিল। কাকতখন আঁতৰাই থৈ তেওঁ ভাবিলে, তাৰ মানে মহানগৰীৰ অশান্ত পৰিস্থিতি যথেষ্ট শান্ত হৈ গৈছে। এই কেইদিনৰ ভিতৰত একো নতুন গণ্ডগোল ক'তো হোৱা নাই।

বহাৰপৰা তেওঁ উঠিল। শ্বেৰৱাণীটো পিন্ধিলে। তাৰ পিচত বজাৰলৈ যাবলৈ ওলাল। যোৱা দুদিন দুৱাৰদলিৰ বাহিৰ হ'ব পৰা নাই। পশম-ব্যৱসায়ীৰ লগত কেবাটাও হিচাপৰ মীমাংসা নিষ্পত্তি কৰিবলৈ আছে। ওলাই যাবৰ সময়ত আনোৱাৰক মাত লগাই ক'লে, "ভবা মতে যদি কেউটা কাম কৰি উঠিব পাৰো তেন্তে কালিলৈকে আনি ধৰবলৈ ৰাওনা হব পাৰিম।"

আনোৱাৰ অকলশৰে ভিতৰতে সোমাই থাকিল। নানা ধৰণৰ চিন্তা আহি তাৰ মন আগুৰি ধৰিলেহি। হঠাৎ তাৰ কাণত পৰিল বাহিৰৰ শিস দিয়াৰ বাটৰ ওপৰত বহুত গধুৰ বুটজোতাৰ গেৰেপ্-গাৰাপ শব্দ। লৰালৰিকৈ সি ওপৰ মহলাৰ বাৰাণ্ডালৈ ওলাই আহিল। সদায় যোৱাৰ দৰে এদল পহৰাদাৰ সৈন্য মহানগৰী-পৰিক্ৰমাত বাহিৰ হৈছে। প্ৰথম ভাগত শিখ-অশ্বাৰোহীৰ দল। তাৰ পিচতে এখন মটৰ গাড়ীত ৰঙা-মুখীয়া ইংৰাজ অফিচাৰবোৰ। সিহঁতৰ হাতে হাতে একো একোটা উদ্যত ৰিভল্‌ভাৰ। যেন যি কোনো মুহূৰ্ত্ততে গুলি চলাবলৈ সাজু হৈহে আছে। দলটোৰ শেষত গোৰ্খা সেনা বাহিনীৰ জন্দচেৰেকমান। সিহঁতৰ মূৰত দেখিলে হাঁহি উঠা চেপানুৰা হেট। কঁকালত কুৎসিত আঁকোৰা আঁকোৰা খুকুৰী। নান্দু নানৰ হোটেলৰ বনকৰা লগুৱাটোৱে ওচৰৰে কোঠা এটা সাৰি আছিল। পাৰ হৈ যোৱা সৈন্য দললৈ চাই পিচ ফালৰপৰা ঘৃণাত নাক কোঁচাই থুৱাই দি হঠাৎ সি কৈ উঠিল, "চালা চুৰব্‌কা বাচচাচব,—আমাক ভয় খুৱাব খুজিছ।"

আনোৱাৰ কোঠালিলৈ সোমাই আহিল। খিড়িকীৰ সিপাৰে সেয়া এযৰ ঘৰচিৰিকা। মাকজনীয়ে মাজে মাজে পোৱালীক টোপ খুৱাইছে। আকৌ চিৰিক-চাৰাক শব্দ কৰি সিহঁতক উৰিবলৈ শিকাইছে। আৰামী চকি এখনত নিৰৱে বহি একান্তমনে আনোৱাৰে সিহঁতৰ কাণ্ড-কাৰখানা চাবলৈ ধৰিলে।

এনে সময়তে হঠাৎ দুৱাৰত কাৰোবাৰ টোকৰ পৰিল। ঘূৰি-চাই আনোৱাৰে দেখিলে মুখত মিঠা হাঁহিটো লৈ ৰতন সোমাই আহিছে।

"ৰতন! ৰতন!!—বন্-ধু....।" আনন্দত আনোৱাৰ উত্ৰাৱল হৈ উঠিল।

কেবাদিনৰ মূৰত লগ পোৱা বাবে প্ৰথমতে দুয়োৰে কিবা অখজা-অখজা লাগিল। দুয়ো যেন বৰ আত্ম-সচেতন হৈ উঠিছে। কিন্তু কন্তেক পিচতে সেই ভাৱ আঁতৰি সিহঁত মুকলি-মূৰীয়া হৈ উঠিল। হাঁহি আৰু কথাৰ ভেঁটা ভাগি গ'ল। দিনটো এতিয়া কেনেকৈ কটোৱা যায় তাৰ পৰিকল্পনাত দুয়ো ব্যস্ত হৈ পৰিল। ৰতনে আনোৱাৰক ক'লে সেই-দিনা হেনো "বৈশাখী" উছৱ। পঞ্জাবী হিন্দুসকলৰ নৱবৰ্ষৰ দিন। এই উপলক্ষে মহানগৰীত সেইদিনা এখন ডাঙৰ মেলা বহিব। ওচৰৰ গাওঁবোৰৰপৰা হেজাৰ-বিজাৰ ৰাইজ আহি নগৰীৰ বাট-পথ উদুলি-মুদুলি কৰি তুলিবহি। ওলাই গৈ তেওঁলোকৰে মিলি ঘূৰি ফুৰিলেও কম আনন্দ নেলাগে। আনোৱাৰ অলপ চিন্তাত পৰিল। কি কৰা যায়? মহা-নগৰীৰ পথলৈ ওলাই যাবলৈ আব্বাজানৰপৰা সি অনুমতি লৈ থোৱা নাই। হওঁতে আব্বাজানে তাক হোটেল এৰি ক'লৈকো নেযাবলৈ বুলি খোলাকৈ হাকো দি যোৱা নাই। আনোৱাৰে ভাৱি চালে। এঘণ্টা বা বৰ বেছি দুঘণ্টাৰ ভিতৰতে সিহঁতে মেলাত এপাক ফুৰি উলটি আহিব পাৰিব। সিমানখিনি সময়ৰ ভিতৰতে আকবৰ আলি ঘূৰি অহাৰ মুঠেই আশা নাই। আব্বাজান লগত নোহোৱাকৈ এনেকৈ অকলে ওলাই যাব পৰা কথাটো ভাৱিয়েই আনোৱাৰে তাৰ ধমনিত উত্তেজনা অনুভৱ কৰিছিল। কিবা এক দুঃসাহসী অভিযানত ওলাই যাব খোজা যেন লাগিছিল। ৰতন তাৰ লগত থাকিব,—এই ভাবটোৱে তাক ইমান উৎসাহিত কৰিছিল যে অন্য একো কথাই ভাৱিবলৈ আনোৱাৰৰ অৱসৰ নহ'ল। বুকুত অশান্ত চপ্-চপনি লৈ আনোৱাৰ ওলাই গ'ল,—তাৰ বন্ধুৰ লগত।

মহানগৰীৰ বাটে-পথে অজস্ৰ মানুহ। বিৰ দি বাট পোৱা টান। প্ৰায়বোৰ মানুহেই হটঙা-হটঙ, অপৰিচ্ছন্ন। দেখিলেই গাৱঁলীয়া খেতি-য়ক বুলি অনুমান কৰিব পাৰি। তেওঁলোকৰ মূৰত বিৰাট একোটাইঁত পাগুৰী। গাত হাতে-কটা সূতাৰ মোটোহা খদ্দৰৰ পোছাক। ভৰিত আগটোইঁত ওপৰলৈ বোৰ খোৱা জোতা। জোতাৰ ওপৰত একোটা পাতল ধূলিৰ চামনি। আনোৱাৰে মনে মনে ভাৱিলে, এই ধূলি নিশ্চয় সেই বৃহৎ বগা ৰাজপথটোৰ ধূলি।....লক্ষ্যহীনভাৱে আনোৱাৰ-ৰতন বজাৰৰ মাজে মাজে ঘূৰি ফুৰিবলৈ ধৰিলে। কেতিয়াবা হয়তো কোনোবা দোকানৰ সমুখত এখন্তেক বৈ ভিতৰৰ বস্তু জুমি জুমি চায়। তাৰ পিচত আকৌ অগণন মানুহৰ সোঁতত কেনিবা উটি যায়। এনেকৈ ফুৰোঁতে ফুৰোঁতে এই ল'ৰাহালে ক্ৰমাত পাহৰি পেলালে সিহঁত ক'ত আছে, ক'লৈ গৈছে। হেৰুৱাই পেলালে সিহঁতে সময়ৰ জ্ঞান।

গৈ গৈ এটা বাটৰ মূৰত সিহঁতে দেখিলে এঠাইত এজুম মানুহ থুপ খাইছে। মাজতে আনোৱাৰৰ সমান বয়সৰ ফটা-ছিটা কাপোৰ পিন্ধা এটা সৰু ল'ৰা। ল'ৰাটোৱে দোকান এখনৰ সমুখৰ ওখ কিবা এটাত উঠি ধুম্-ধাম্ এটা তেলৰ টিনত কোবাইছে। উৎকণ্ঠাৰে আনোৱাৰহঁত ওচৰ চাপি গ'ল।

"ভাইও—বাইজ, শুনক!" ভালকৈ এজুম মানুহ গোট খালত টিন বজোৱা ল'ৰাটোৱে চিঞৰি চিঞৰি ক'বলৈ ধৰিলে, "আজি চাৰি বজাত জালিয়ানৱালা বাগত এখন বিৰাট ৰাজহুৱা সভা হ'ব। এই সভাত সভা-পতিত্ব কৰিব লালা হৰদিয়াল মহাশয়ে। সকলো ৰাইজে দলে বলে যোগ দিয়ক।" এই বুলি কৈয়ে ল'ৰাটোৱে টিনটোত মাৰিবে আৰু দুটামান কোব মাৰিলে। তাৰ পিচত জাপ মাৰি নামি লৰ ধৰিলে অন্য এঠাইত ৰৈ এই কথা আকৌ ঘোষণা কৰিবলৈ।

জীৱনত আনোৱাৰে কোনো ৰাজহুৱা সভাত উপস্থিত থাকি পোৱা নাই। এনে সভা এখন চাবলৈ তাৰ মনত এটা ডাঙৰ হেঁপাহ আছিল। ৰতনৰ কথা অৱশ্যে বেলেগ। ইচ্ছা মাতে য'লৈ ত'লৈ যাবলৈ যথেষ্ট স্বাধীনতা তাক দিয়া হৈছিল। ইতিমধ্যে ভালেমান ৰাজহুৱা সভা ৰতনে দেখিছে। আনোৱাৰক সি জোৰ দি ক'লে বোলে মানুহে পৰাপক্ষত কেতিয়াও ৰাজহুৱা সভালৈ নোযোৱাকৈ থাকিব নেলাগে। ইমান উত্তে-জনাপূৰ্ণ হয় এই সভাবিলাক।

"তেনেহলে এই সভাখনলৈ আমি যাবই লাগিব।" উৎসাহ দেখু-ৱাই ক'লে আনোৱাৰে। "ল'ৰাটোৱে সভাখন ক'ত হব বুলি ক'লে? কি বাগত?"

"জালিয়ানৱালা বাগ"—উত্তৰ দিলে মিঠা হাঁহি-মুখৰ অমৃতচৰ-সন্তানে।

বাগত প্ৰৱেশ কৰি আনোৱাৰ কিঞ্চিত হতাশ হ'ল। ঠাইখন সি দিল্লীৰ পাৰ্ক অথবা প্ৰমোদ-উদ্যানবোৰৰ দৰে হ'ব বুলি অনুমান কৰিছিল। মখমলৰ দৰে কোমল সেউজীয়া ডুবৰি থাকিব। ছাঁ দিয়া গছ থাকিব। প্ৰচুৰ ফুল থাকিব। ফোৱাঁৰা থাকিব। এইখন দেখোন এখন বিস্তীৰ্ণ, খোলা, এনেই পৰি থকা পথাৰ মাত্ৰ। মাজভাগত এটা পুৰণি কিবা বগা স্তম্ভৰ ভগ্নাৱশেষ। এচুকত তিনি চাৰি জোপামান গছ। সিফালে এজোপা অকলশৰীয়া আঁহত গছ; বয়সৰ ভৰত যেন বক্ৰ নতমস্তক হৈ পৰিছে। ঠাই খণ্ডৰ চাৰিওফালে ঘৰ। সেই ঘৰবোৰৰ বেৰে ঠাইখনো প্ৰায় চাৰিওফালে বেৰি ৰাখিছে। সোমাবলৈ থাই বাট মাত্ৰ এটা। অনেক মানুহে অৱশ্যে দুটা দুটা ঘৰৰ মাজৰ সৰু ঠেক বাটটোইঁতেদিও আহি বাগত প্ৰৱেশ কৰিছে।

আকাশত চ'ত মাহৰ প্ৰখৰ সূৰ্য্যই খাওঁ খাওঁ মূৰ্ত্তি ধৰিছে। ৰতন-আনোৱাৰে ৰ'দৰপৰা বাচিব পৰা এডোখৰ ঠাই বিচাৰি চালে চাৰিওফালে। নাই, ক'তো অকণো ঠাই নাই। চাওঁতে চাওঁতে সভাস্থল মানুহেৰে ভৰপূৰ হৈ উঠিল। প্ৰৱেশ-পথৰ ওচৰতে কাঠেৰে এখন ওখ মঞ্চ সজা হৈছে। বক্তাসকলে ইয়াতে উঠি বক্তৃতা দিব। এহাতে আনোৱাৰৰ হাতত ধৰি ৰতনে পাৰেমানে বক্তৃতা মঞ্চৰ ওচৰ চাপি গ'ল। আনোৱাৰ অনভিজ্ঞ যদিও ৰতনে জানে এনে সভাত বেছি ওচৰত বহিব নোৱাৰিলে সকলো কথা শুনাত আমনি হয়। ওচৰ পাই দেখাক দেখি আনোৱাৰহঁতো মাটিত লেপেটি কাঢ়ি বহিল। ক্ৰমানুয়ে মানুহৰ সমাগম বৃদ্ধি পাই যাব ধৰিলে। এটা নাম নোহোৱা সম-অনুভৱৰ উমে আনোৱাৰহঁতৰ মন উৎফুল্ল কৰি তুলিলে।

আনোৱাৰৰ এটা ঘড়ী আছিল। বাপেকে মৰম কৰি দিয়া ঘড়ী। সি ঘড়ীটো চালে। সভা আৰম্ভ হ'বলৈ বাকী কিমান সময় আছে? উৰা চাৰে-চাৰি হলেই দেখোন। এনেতে ৰতনে তাৰ গাত লাহেকৈ হাত দি ক'লে, "চোৱা। সৌপিনে চোৱা। সভা আৰম্ভ হ'ল।"

এজন বক্তা মঞ্চৰ ওপৰত থিয় দিলে। লগে লগে বিৰাট জনতাৰ মুখৰ গুণগুণনি থিতাতে স্তব্ধ হৈ গ'ল। মানুহজনে ৰাইজক জনালে যে আজিৰ সভাত ৰাইজৰ মৰমৰ নেতা সুখ্যাত ডক্টৰ কিছলু মহাশয়ে সভাপতিত্ব কৰিব। "ৰাইজসকল, আমি জানো চৰকাৰে এখেতক নজৰবন্দী কৰি ৰাখিছে। কিন্তু তথাপিও তেখেতে আমাৰ সকলোৰে অন্তৰ-আসন অবিৰাম শুৱনি কৰি আছে।" এই বুলি কৈ মানুহজনে সভাপতিৰ আসনত ডক্টৰ কিছলুৰ এখন ডাঙৰ ছবি উপস্থাপন কৰিলে। ক'লা

সৰু দাড়িৰে সৈতে সুন্দৰ এগৰাকী মানুহৰ ছবি। সকলো পিনৰপৰা উপস্থিত জনতাই হাত চাপৰি বজাই হৰ্ষধ্বনি কৰি উঠিল। সাগৰৰ সৰু সৰু ঢউক তল পেলাই জোৱাৰৰ বৃহৎ ঢউ আগবাঢ়ি অহাৰ দৰে এই হৰ্ষ আৰু কৰধ্বনিক তল পেলাই তীক্ষ্ণ স্বৰে কোনোবাই চিঞৰি উঠিল: "ইন্‌কিলাব জিন্দাবাদ।" আন্দোলন দীৰ্ঘজীৱী হওক। আনোৱাৰে এই "ইনকিলাব" শব্দটোৰ অৰ্থকে ভালকৈ নেজানিছিল। সি মাত্ৰ স্থূলভাৱে ইয়াকে বুজিছিল যে ইয়াৰ মানে কিবা এক মূলগত পৰিবৰ্ত্তন। তথাপিও এই ধ্বনি শুনি কিবা এক নামহীন উত্তেজনাত তাৰ সত্ত্বা যেন প্ৰজ্জ্বলিত হৈ উঠিল। তাৰ শৰীৰৰ প্ৰতিডাল নোম যেন লোমকূপৰপৰা ওলাই আহিব খুজিলে! গোটেই শৰীৰৰ বক্ত আহি যেন মুখ-মণ্ডলত থুপ খালেহি। বহুত দিনৰ আগতে এবাৰ সূৰ্য্যাক্ৰান্ত হওঁতে মূৰ ঘূৰোৱাৰ দৰে আনোৱাৰৰ মূৰটো ঘূৰাব ধৰিলে। সে ৰতনৰ মুখলৈ চালে। তাৰ বন্ধুৰেও যেন একেই অনুভূতিক আলোড়ন উপলব্ধি কৰিছে এনে ধাৰণা হ'ল আনোৱাৰৰ। হাত দুখন জোৰেৰে মুঠি মাৰি দাঁত কামুৰি ৰতন বৈ আছে। তাৰ হালধীয়া পাগুৰীৰ তলৰপৰা টোপে-টোপে ঘাম ওলাই আহি গালেদি বৈ গৈছে। এক অদ্ভুত আবেগেৰে যেন অনুপ্ৰেৰিত হৈ সন্মিলিত সমূহ জনতাই এইবাৰ সমস্বৰে চিঞৰি উঠিল: "ইন্‌কিলাব জিন্দাবাদ। ইন্‌কিলাব জিন্দাবাদ। ইন্‌কিলাব জিন্দাবাদ।" কুৰি হেজাৰ মানুহৰ আত্মাৰপৰা ওলাই অহা এই উদ্দাত্ত ধ্বনিয়ে গ্ৰীষ্ম-কালৰ মুক্তনীল আকাশ নিনাদিত কৰি তুলিলে। এই ধ্বনি চাৰিওফালৰ প্ৰাচীৰত ঠেকা খাই দুগুণ জোৰে প্ৰতিধ্বনিত হৈ উঠিল। তীব্ৰৰপৰা তীব্ৰতৰ হৈ এই ধ্বনি আকাশ-চোৰা হৈ উঠে। জনতাই উশাহ সলাবৰ হ'লে ক্ষন্তেক নিবৰ হয়। আকৌ পূৰ্ব্বৰ দৰে ঝংকৃত হৈ উঠে। বাৰে বাৰে পুনৰুক্তি কৰি থকা—ইন্‌কিলাব জিন্দাবাদ। ইন্‌কিলাব জিন্দাবাদ!! এই শব্দ দুটাই কিবা এটা শক্তিবৰ্দ্ধক ঔষধৰ দৰে যেন কাম কৰিলে। আনোৱাৰৰ এনে লাগিল এয়া যেন ঠিক পানীপথত দেখা কাওৱালিৰ দৰেই; মাত্ৰ এইয়া একেবাৰে বেলেগ ধৰণৰ কাওৱালি। মাত্ৰ এই অনুভূতিৰ উচ্ছাসৰ লগত কোনো মঠ-মন্দিৰৰ ৰহস্যঘন ধূপ-ধূনাৰ সুবাসৰ আবেশ নাই। বৰং ইয়াত আছে ৰণক্ষেত্ৰৰ উদ্দাম মত্ততা। ঠিক যেন ৰতনৰ বাপেকে বৰ্ণনা কৰা নিশাৰ আক্ৰমণবোৰৰ দৰে।

ভালেমান পৰৰ মূৰত জয়ধ্বনি ক্ৰমে ক্ৰমে স্তব্ধ হৈ আহিল। এই-বাৰ আৰম্ভ হ'ল বক্তৃতা। বক্তৃতা শুনি আনোৱাৰ অলপ হতাশ হ'ল। ইমান উত্তেজনাৰ পিচত হঠাতে ইমান শান্ত হৈ যোৱা কথাটো তাৰ কিবা

ল'বা ; আগদিনা মাথোঁ কথাই কথাই সি আনোৱাৰক কৈছিল অলপতে তাৰ বিয়া হৈ গৈছে বুলি। এক মুহূৰ্ত্তৰ বাবে সেই অগণন মানুহৰ কপা-লত যি দুখ ঘটিছিল সেয়া যেন নান্দুৰ মাজতে কেন্দ্ৰীভূত হৈ আনোৱাৰৰ চকুত ধৰা দিলে।

"জামাদাৰ চাহেব, জামাদাৰ চাহেব, আমি....আমি একো সহায় কৰিব নোৱাৰোনে ?" অকণমান দূৰতে যন্ত্ৰণাত চটফটাই থকা নান্দুক দেখুৱা-বলৈ ক'ব নোৱাৰাকৈয়ে অলপ উঠি আনোৱাৰে চিঞৰি উঠিল। অভাগা নান্দুৰ অৱস্থা দেখি সি নিজকে পাহৰি গ'ল। স্থিৰে থাকিব আৰু নোৱাৰিলে।

"খবৰদাৰ! শুই থাকা!" ভয়ানক জোৰে চিঞৰি উঠিল জামা-দাৰে। তৎক্ষণাত শুই পৰিল আনোৱাৰ আৰু প্ৰায় লগে লগে এটা বুলেট চোঁ-কৰে তাৰ ওপৰেদি পাৰ হৈ গ'ল। নিশ্চিত মৃত্যুৰ মুখৰপৰা কাণে কাণ মাৰিহে এই যাত্ৰাত সি যে বাচি গৈছে এই কথা উপলব্ধি কৰাৰ লগে লগে তাৰ সৰ্ব্বশৰীৰ হিমৰ দৰে চেঁচা পৰি গ'ল। অথচ সি গ'ম পালে সি ভীষণৰূপে ঘামিছে।

জামাদাৰেও নান্দুক লক্ষ্য কৰিছিল। তেওঁ ক'লে, "বোধহয় তাক আৰু কোনেও বচাব নোৱাৰিব। মাত্ৰ তাক যদি ওপৰলৈ মুখ কৰি শুৱাই দিব পৰা যায় তেতিয়া হ'লে হয়তো তেজবোৰ সহজে ওলাই যাব আৰু বেচাৰা অলপ শান্তিত মৰিব পাৰিব।" এই বুলি তেওঁ মাটিৰে বগুৱা বাই নান্দুৰ পিনে যাব ধৰিলে। আনোৱাৰ আৰু ৰতনে উশাহ বন্ধ কৰি উৎকণ্ঠাৰে চাই থাকিল। নিছিগা ধাৰে ওলাই থকা তেজ বন্ধ কৰিবলৈ নান্দুৱে আকৌ হাতেৰে পেটটো হেচি ধৰিছিল। জামা-দাৰে গৈ লাহেকৈ তাক ওপৰমুৱা কৰি শুৱাই দিলে। ক্ষন্তেক পিচতে তেজ ওলোৱা বন্ধ হৈ গ'ল।........আনোৱাৰে মাটিত তাৰ মুখখন জোৰেৰে হেচি ধৰিলে। মৃত্যুৰ কৰাল গীত গাই গাই সিহঁতৰ ওপৰেদি বুলেটৰ সমদল অবিৰাম চলি থাকিল। অজিত সিংহ বগুৱা বাই আকৌ আনোৱাৰহঁতৰ ওচৰ পালেহি। আনোৱাৰে দেখিলে মানুহজনৰ মুখত এটা ক্ৰোধান্বিত জিঘাংসু অচিনাকি অভিব্যক্তি প্ৰকট হৈ উঠিছে।

"চৰকাৰ কি পাগল হৈ গ'ল নেকি ? চৰকাৰ কি পাগল হৈছে ?" এই কথাষাৰ তেওঁ কেইবাবাৰো মুখৰ ভিতৰতে ভোৰভোৰালে। তাৰ পিচতে,—আনোৱাৰ আৰু ৰতনে বাধিব ক'ত বেচাৰাহঁতে টলকিবই নোৱাৰিলে,—তাৰ পিচতে হঠাৎ তেওঁ গিৰিসাই থিয় হ'ল আৰু সাক্ষাত মৃত্যুৰ জুই বৰষি থকা ৰাইফেলধাৰী সেনাদলৰ পিনে দুপদুপাই আগবাঢ়ি গ'ল।

তুলি চাই দেখিলে এখন আকাশী-জাহাজ ; এজনী অমঙ্গলীয়া বিৰাট চিকাৰী চিলনীৰ দৰে দূৰৈৰপৰা ক্ৰমাৎ তললৈ, সিহঁতৰ মূৰৰ ওপৰলৈ জাহাজখন নামি আহিল। এতিয়াই যেন সিহঁতৰ মূৰৰ ওপৰত সেইখন ভাগি পৰিব। আতঙ্কত ত্ৰস্তমান হৈ মানুহবোৰে চাই ৰ'ল ; মাইকী মানুহবোৰ কঁপিব ধৰিলে ; সৰু ল'ৰা-ছোৱালীবোৰে ভয়ত চিঞৰি উঠিল। কিন্তু পিচ মুহূৰ্ত্ততে জাহাজখন ওপৰলৈ উঠিল আৰু ক্ষন্তেকতে দূৰত এটা ক'লা বিন্দু আৰু এটা গুম্ গুম্ শব্দৰ বাহিৰে তাৰ একো চিনেই আৰু নেথাকিল। নিৰৱ হৈ যোৱা বক্তাজনে তেওঁৰ বক্তৃতা পুনৰ আৰম্ভ কৰিলে। ভয়ত থিয় দিয়া মানুহবোৰ আকৌ বহি পৰিল। ৰতন আৰু আনোৱাৰ জামাদাৰৰ পিচে পিচে যাবলৈ ধৰিলে। সৈনিকৰ পোছাক আৰু পদকৰ জোৰত জামাদাৰে জনতাক হেঁচি আঁতৰাই বাট উলিয়াই যাব ধৰিলে। কিন্তু অলপ গৈয়ে আনোৱাৰহঁত আকউ বৈ যাব লগা হ'ল। সঙ্কেত স্বৰূপে কোনোবা এজনে কিবা এষাৰ চিঞৰ মাৰি ক'লে। লগে লগে দুটা শব্দ জনতাৰ মুখে মুখে ইমূৰৰপৰা সিমূৰলৈ বাগৰি গ'ল। "বহ আগয়ে—বহ আগয়ে!"...."সিহঁত আহিল!—সিহঁত আহিল!"



আনোৱাৰে ঘড়ীটো চালে। পাঁচ বাজি ত্ৰিশ মিনিট। এইবাৰ সি 'বাগ'ৰ প্ৰৱেশদ্বাৰলৈ চালে। তাত যি দেখিলে লগে লগে যেন তাৰ সমগ্ৰ শৰীৰ শিলাভূত হৈ গ'ল।

ডেঢ়কুৰি-দুকুৰি মান ইংৰাজ আৰু গোৰ্খা সৈন্যৰ এটা দল। 'বাগ'ৰ প্ৰধান দুৱাৰেদি সোমাই সিহঁতে শাৰী পাতি থিয় হৈছে। সিহঁতৰ হাতে হাতে দেখিলে বুকু কঁপি উঠা একোটা উদ্যত ৰাইফেল। ইংৰাজ বিষয়া কেইজনমানৰ হাতত বিভলভাৰ। পহৰাদাৰ সেনাদল লৈ মহানগৰী পৰিভ্ৰমণ কৰা, আনোৱাৰে প্ৰায়ে দেখা, গাড়ীত উঠি যোৱা ৰঙা-মুখৰ বিষয়াজনো আছে।

তাৰ পিচত ক্ষন্তেকৰ ভিতৰতে অবৰ্ণনীয় অবিশ্বাস্য যিখিনি ঘটনা ঘটি গ'ল সেয়া শিলত কটা আখৰৰ দৰে আনোৱাৰৰ স্মৃতিত চিৰদিনলৈ সমুজ্জ্বল হৈ ৰব। শিলামূৰ্ত্তিৰ দৰে থিয় দি সপোনত দেখাৰ দৰে সকলো ঘটনা আনোৱাৰে দেখিলে আপোন দুচকুৰে। আশ্চৰ্য্যই তাৰ অকমাণ মনটোক এনেভাৱে আঘাত হানিছিল যে ভয় কৰিবলৈকো সি পাহৰি গৈছিল। তাৰ চউপাশে যি ঘটিছে তাৰ প্ৰতিক্ৰিয়া কেনে ভয়ানক হ'ব পাৰে উপলব্ধিও কৰিবপৰা নাছিল সি ক্ষন্তেকলৈকো। ৰঙা-মুখৰ বিষয়াজনে প্ৰথমতে গোৰ্খাবোৰক চিঞৰ মাৰি কিবা এটা ক'লে। লগে লগে সিহঁতে জনতাৰ পিনে ৰাইফেলবোৰ টোঁৱালে। তাৰ পিচত হুকুম হ'ল গুলিয়াবলৈ— "ফায়াৰ!" এক মুহূৰ্ত্ত পলম নকৰি গোৰ্খাবোৰে হুকুম পালন কৰিলে। কিন্তু আনোৱাৰে দেখিলে ঠিক গুলি কৰাৰ আগমুহূৰ্ত্তত সিহঁতে ৰাইফেলৰ নলবোৰ অলপ ওপৰলৈ দাঙি লৈছিল। এটা কৰ্কশ বীভৎস শব্দই আয়না ভঙাদি বাগৰ নিস্তব্ধতা ভাঙি চূৰমাৰ কৰি পেলালে। দূৰৰ গছ আৰু ঘৰৰ চালত পৰি থকা এজাক কাউৰী আৰু পাৰ চৰাই চিঞৰ-বাখৰ কৰি উৰি দূৰলৈ পলাই গ'ল। জনতা ছেদেলি-ভেদেলি হৈ যেনি তেনি পলাবলৈ ধৰিলে। চিলনীয়ে চোঁ-মাৰি আহিলে মাইকী কুকুৰাই নিজৰ পোৱালীক বচাবলৈ যেনেকৈ তৎপৰ হয় তেনেকৈ মাইকী মানুহবোৰে সিহঁতৰ কেঁচুৱা সন্তানবোৰ বুকুত সাৱটি ধৰিলে। কিন্তু আচৰিত ধৰণে কাৰো গাত এটা বুলেটো নেলাগিলে। তেতিয়া জনতাৰ মাজৰপৰা কোনোবা এজনে চিঞৰি উঠিল, "ৰাইজ, ভয় নেখাব। ইহঁতে ব্লেঙ্ক-কাৰ্ট্ৰিজ ফুটুৱাইছে।" প্ৰাণ লৈ বলিয়াৰ দৰে পলোৱা অনেক মানুহে এই কথা শুনি অলপ শান্ত হ'ল। আনকি অনেকে ঘূৰি সৈন্য দলৰ মুখামুখি হবলৈকে যেন সাজু হ'ল। এই কথা দেখি ৰঙামুখীয়া ইংৰাজজনৰ ভয়ানক খং উঠি গ'ল। তেওঁ গোৰ্খাবোৰৰ ফালে বিভল্‌ভাৰ জোকাৰি ভগা-ভগা হিন্দীৰে চিঞৰি কবলৈ ধৰিলে, "এই চুৰৰ বাচচা জহৰাইঁত, ইমান ওপৰেদি কোন বাপেৰৰ মূৰলৈ গুলিয়াইছ! তললৈ গুলিয়া। নহ'লে এতিয়া বিভল্‌-ভাৰেৰে তহঁতকে এটা এটাকৈ মাৰিম!" সকলো ইংৰাজ বিষয়াই বিভল্‌ভাৰ উলিয়াই গোৰ্খাবোৰলৈ টোৱালে। "ফায়াৰ।" আকৌ হুকুম দিলে ৰঙা-মুখীয়াই। আকৌ গুলিয়ালে গোৰ্খাদলে। আৰু এইবাৰ সিহঁতৰ ৰাইফেলৰ নলবোৰ আছিল জনতাৰ বুকুলৈ টোওঁৱা। "মাটিত পেট পেলাই পৰি দিয়া।" এজন অভিজ্ঞ সৈনিকৰ তৎপৰতাৰে জামাদাৰে চিঞৰি উঠিল; আনোৱাৰহঁতেও প্ৰশিক্ষণপ্ৰাপ্ত সেনাৰ দৰে সেই আদেশ পালন কৰিলে। কাণে কাণ মাৰি বাচি গ'ল সিহঁত। শৰীৰে মাটি চোওঁতে নোচোওঁতেই

সিইঁতৰ ওপৰেদি অজস্ৰ বুলেট চোঁ-চোঁকৈ পাৰ হৈ যাব ধৰিলে কালান্তক ৰূপ ধৰি।

মাটিত দীঘল দি পৰি এই ৰক্তাক্ত নাটক প্ৰত্যক্ষ কৰাৰ যি অভিজ্ঞতা সেয়া আনোৱাৰৰ বাবে যেন এক ভয়ঙ্কৰ নিশাৰ বিভীষিকাৰ অভিজ্ঞতা। ক্ৰুদ্ধ কুকুৰে ভুকাৰ দৰে ৰাইফেলবোৰে অবিৰাম গৰ্জ্জি আছিল। অব্যাহত খৰস্ৰোতা নদীৰ সোঁতৰ দৰে অজস্ৰ বুলেট মূৰৰ ওপৰেদি পাৰ হৈ গৈছিল। ধুমুহাত কলগছ পৰাদি চাৰিওফালে দলে দলে নিহত হৈ মাটিত শুই পৰিছিল—পুৰুষ; নাৰী; অবোধ শিশু। চিৎকাৰ, কান্দোন, কেকঁনিত ঠাইখন ভয়াবহ হৈ উঠিছিল। উদ্‌ভ্ৰান্ত হৈ পলাব ধৰা মানুহবোৰৰ কোনোৰ জোতা খুলি গৈছিল; কাৰোবাৰ পাগুৰি খহি পৰিছিল; আনকি কোনোৰ চুৰিয়াও খুলি থাকি গৈছিল। মাটিত শুই থকাবোৰক দৌৰি-যোৱাবোৰে গচকি গচকি গৈছিল। এযোৰ গধূৰ বুটজোতাৰ গচক পৰি আনোৱাৰৰ ভৰি এখন এবাৰ যে প্ৰায় ভাগিবই খুজিছিল। বাগৰ পৰা দৌৰি গৈ দুৱাৰমুখ পোৱাবোৰো সাৰিব পৰা নাছিল। ৰঙামুখীয়াই সিহঁতকো গুলিয়াবলৈ আদেশ দিলে। আৰু দুৰ্ভগীয়াইঁতক বাহিৰৰ নিৰাপদ ঠাই পোৱাৰ আগতে নিৰ্ম্মমভাৱে মোহাৰি পেলোৱা হ'ল।

আনোৱাৰহঁতৰ চাৰিওফালে পৰি আছিল অসংখ্য মৃত, অৰ্দ্ধমৃত আৰু আহত মানুহ। ৰাইফেলৰ নিৰবিচ্ছিন্ন গৰ্জ্জনৰ মাজতো শুনিবলৈ পোৱা গৈছিল মুমূৰ্ষ মানুহৰ সহায় বিচাৰি কৰা আৰ্ত্তনাদ, "আল্লাহ," আৰু "হে ভগবান" আৰু "মা ,অ'—মৰিলো।" সিহঁতৰপৰা দুবেওমান আঁতৰত কোনোবাই সশব্দে উচুপিছিল। অলপকৈ মূৰ দাঙি চালে আনোৱাৰে। সেইটো নান্দু, হোটেলৰ বনকৰা লগুৱাটো। দেখিলেই ধৰিব পাৰি তাৰ পেটত গুলি লাগিছে। হোলোকা-হোলোক তেজ ওলাইছে আৰু সি পেটত খামুচি খামুচি ধৰিছে। এবাৰ নান্দুৱে কোনোমতে তাৰ মূৰটো ঘূৰালে, দুয়োহাতে পেটত ধৰি থাকিয়েই থুৱাই দিলে, থু নোলাল,--ওলাল তেজ!

তেজ দেখি আনোৱাৰৰ নিজৰ পেটৰ নাড়ী-ভুৰুবোৰো যেন বাহিৰ হৈ ওলাই আহিব খুজিলে। ডাঠ, গাঢ়, কজলা এচলু তেজ নান্দুৰ মুখৰ পৰা ওলাই আহিল। অৱশ হৈ নান্দু আকৌ পৰি গ'ল। পাতল এসুঁতি তেজ তেতিয়াও তাৰ কোঁৱাৰীয়েদি বৈ থাকিল। কত সহস্ৰ আধামৰা মানুহ তাৰ চাৰিওফালে পৰি আছে, সকলো আনোৱাৰৰ অপৰিচিত। কিন্তু এই এটা মানুহক সি ভালকৈ চিনি পায়। তাৰ সতে আনোৱাৰে কথা পাতিছে, মন খুলি হাঁহিছে। নান্দু কম বয়সীয়া এটা ভৰ ডেকা

খাপ নোখোৱা যেন লাগিল। বক্তাসকলে হিন্দু আৰু মুছলমানক এক হবলৈ আবেদন জনালে। যোৱা দহ তাৰিখৰ দিনা পুলিচৰ গুলি চালনাত মৃত্যু হোৱা শ্বহীদসকলৰ প্ৰতি সন্মান জনোৱা হ'ল। বন্দী কৰি ৰখা নেতাসকলক বিনাচৰ্ত্তে মুক্তি দি ৰাওলত্ত-আইন উঠাই লবলৈ চৰকাৰক টানি অনুৰোধ জনোৱা হ'ল। জনতাৰ 'ফৰিয়াদ' অৰ্থাৎ কাতৰ আবেদনৰ প্ৰতি কাণ দিয়া হোৱা নাই বুলি কোনোবা এজনে শোকাৰ্ত্ত-স্বৰেৰে এটা কবিতা আবৃত্তি কৰিলে। মাজে মাজে "হিন্দু-মুছলমান কি জয়"—হিন্দু আৰু মুছলমানৰ জয় হওঁক—বুলি জয়ধ্বনি কৰা হ'ল। কিন্তু অলপ আগতে যি "বিপ্লৱ"ৰ কথা সকলোৱে সমস্বৰে চিঞৰিছিল তাৰ কথা কোনেও এষাৰো নক'লে। আনোৱাৰৰ নামৰ সৰু ল'ৰাটোৰ মনত এই গোটেইবোৰ নিতান্ত নিৰস ফেনাই ফেনাই কোৱা একে ধৰণৰ কথা যেন লাগিল। বেচাৰাই পৰিস্থিতিটোৰ প্ৰকৃত তাৎপৰ্য্যনো কি মুঠেই বুজি নেপালে। সি মাত্ৰ ইমানেই বুজিলে যে চৰকাৰে প্ৰজাৰ প্ৰতি কিবাকিবি বেয়া ব্যৱহাৰ কৰিছে আৰু সেয়ে প্ৰজাই মনত দুঃখ পাইছে। তেওঁলোকৰ খং উঠিছে। "ইনকিলাব জিন্দাবাদ" ধ্বনিয়ে বাইজৰ মাজত যি উছাহৰ সৃষ্টি কৰিছিল লাহে লাহে সেই উছাহ চেঁচা পৰি আহিল। এটা অৱসাদৰ ভাৰে জনতাক যেন আচ্ছন্ন কৰি তুলিলে। 'বাগ'ৰ বাহিৰ ফালে কোনো কোনো মানুহে জেপৰপৰা তাচ উলিয়াই জুম বান্ধি খেলাত বহিল। সৰু সৰু ল'ৰা-ছোৱালীবোৰে দৌৰাদৌৰি আৰম্ভ কৰি দিলে। ক'ৰবাত ক'ৰবাত দুটা এটা কেঁচুৱাই কান্দি উঠিল। আনোৱাৰৰ ঘৰলৈ যাবৰ মন গ'ল। সি উচপিচাব ধৰিলে। ঠিক এনে সময়তে সি দেখিলে কোনোবাপিনৰ পৰা আহি সিহঁতৰ সমুখত জামাদাৰজন উপস্থিত হৈছে। স্বস্তিৰ নিশ্বাস এটা সৰি পৰিল আনোৱাৰৰ। ৰতনক ইয়াত দেখি তাৰ বাপেক আচৰিত হৈ গ'ল।

"আৰে ৰতন! এইটো আকউ কেনেকুৱা কথা! মোক নোসোধাকৈ তই ঘৰৰপৰা গুচি আহিছ? আকৌ আকবৰ চাহেবৰ পুতেককো লগত আনিছ। আনোৱাৰ, তোমাৰ আব্বাজানে তোমাৰ কথা ভাবি বৰ চিন্তাত পৰিছে ছাগৈ। উঠা, ব'লা ঘৰলৈ। ৰতন, উঠ।"

জামাদাৰৰ লগত যাবলৈ আনোৱাৰ উঠিল। এতিয়া গৈ আব্বাজানক সি কি কৈফিয়ৎ দিব? কথাষাৰ ভবাৰ লগে লগে ভয়ত তাৰ কণ্ঠ-কণ্ঠ শুকাই যোৱা যেন লাগিল। সিহঁত যাবলৈ লৈছে। ঠিক এনে সময়তে আকাশত এটা বিকট গোৰ-গোৰনি শব্দ শুনা গ'ল। সকলোৱে মুৰ

"জৰ্ণেল চাহেব," নিৰ্ভীকভাৱে তেওঁ চিঞৰি উঠিল। উদ্দাত্ত অকুণ্ঠ জামাদাৰৰ মাত উড়ন্ত বুলেটৰ ভয়লগা বোঁ-বোঁৱনি তল পেলাই ৰজন-জনাই উঠিল।

"হেৰা জৰ্ণেল চাহেব," তেওঁৰ চাৰিওফালে গৈ থকা বুলেটবোৰলৈ আওকাণ কৰি জামাদাৰে আকৌ চিঞৰি উঠিল, "মোৰা মহাযুদ্ধত তোমা-লোকৰ হৈ মই যুদ্ধ কৰিছিলো। এজন ইংৰাজ বিষয়াৰ মই জীৱন ৰক্ষা কৰিছিলো। বিশ্বাস নহয় যদি চোৱা, এই মেডেলবোৰ পৰীক্ষা কৰি চোৱাঁ। কিন্তু এয়াতো ৰণাঙ্গন নহয়। নিৰস্ত্ৰ জনতাৰ ওপৰত তোমালোকে গুলি চালনা কৰিব নোৱাৰা। এনেদৰে গুলিয়াই থাকিলে তোমালোকে কুৰি হেজাৰ নিৰীহ মানুহক হত্যা কৰি পেলাবা দেখোঁন। হাতত অস্ত্ৰ নথকা অৱস্থাত আমিতো জাৰ্ম্মান সৈন্যকো গুলি কৰা নাছিলোঁ।"

বীৰদৰ্পেৰে জামাদাৰে তেনেকৈ আগবাঢ়ি যোৱাৰ অপূৰ্ব্ব দৃশ্য আনো-ৱাৰে জীৱনত পাহৰিব নোৱাৰে। কিমান দুঃসাহসিক, অথচ কিমান নয়নাভিৰাম। তন্ময় হৈ আনোৱাৰে চাই ৰ'ল। আনকি সি ভাবিব-লৈকো পাহৰি গ'ল যে বয়সস্থ মানুহ গৰাকীয়ে কেনেদৰে জীৱন বিপন্ন কৰিছে এনেকৈ গৈ। আতঙ্কগ্ৰস্ত পেপুৱা লাগি থকা জনতাৰ দৃষ্টি জামাদাৰৰ ওপৰত নিবদ্ধ হ'ল। এনে লাগিল যেন বৃদ্ধ সৈনিক গৰাকীয়ে ক্ষন্তেকলৈ বন্দুকধাৰী সেনাদলকো মোহাচ্ছন্ন কৰি পেলালে। এক মুহূৰ্ত্তৰ বাবে ট্ৰিগাৰৰ ওপৰত সিহঁতৰ আঙুলি সঞ্চালন স্তব্ধ হৈ ৰ'ল।

হাতত উদ্যত ৰিভলভাৰ লৈ মঞ্চৰ ওপৰত থিয় দি থকা ৰঙামুখীয়া ইংৰাজজনৰপৰা কেইগজমান মাত্ৰ আঁতৰত উপস্থিত হৈ জামাদাৰে আকৌ চিঞৰি উঠিল, "মুখলৈ চাই আছা কিয় চাহেব? কোৱা। কোৱা। তোমাৰ চিপাহীক গুলি-চালনা বন্ধ কৰিবলৈ কোৱা।" অজিত সিংহৰ মাতত তেতিয়াও প্ৰত্যাহ্বানৰ সুৰ আছিল। কিন্তু গম্ভীৰ সুৰ ক্ৰমাৎ যেন দুৰ্ব্বল হৈ আহিব ধৰিছিল। "আমি সকলো চৰকাৰৰ বিশ্বস্ত প্ৰজা, জৰ্ণেল চাহেব, আমি কোনোৱেই বিদ্ৰোহী বা প্ৰতাৰক নহওঁ। আমাক তোমালোকে এনেদৰে কিয় গুলিয়াই মাৰিছা? আমাক দয়া কৰা, চৰকাৰ, কাৰণ তোমালোকেই আমাৰ মাই-বাপ...." তেওঁৰ মাতৰ প্ৰত্যাহ্বানৰ শেষ ৰেশটোও দাসত্বসুলভ সমৰ্পিত খোকাথুকি মাতৰ মাজত হেৰাই গ'ল। যান্ত্ৰীক ভাৱেৰে তাৰ পিচত জামাদাৰৰ সোঁহাতখন কপাললৈ উঠি গ'ল। ডেৰকুৰি বছৰীয়া অভ্যাসৰ ফলত তেওঁ ইংৰাজ বিষয়াজনক স্বতঃপ্ৰণোদিত ভাৱে অভিবাদন জনালে।

আৰু ঠিক সেই মুহূৰ্ত্ততে এটা বুলেট ফুটাৰ শব্দ গৰজি উঠিল। সোঁহাতখন কপাললৈ তোলা অৱস্থাতে যেনে আছিল তেনেকৈয়ে জামাদাৰ-জন বৈ গ'ল। হাতখন নামি নাহিল। যেন এক চিৰস্থায়ী অভিবাদনত সেই হাত ক্ষোদিত কৰি দিয়া হ'ল।

জামাদাৰ বৈ থাকিল, যেন আৰু এখোজ আগ বাঢ়িবলৈহে তেওঁ প্ৰস্তুত হৈছে। পিচ মুহূৰ্ত্ততে তেওঁ মাটিত বাগৰি পৰিল। লগে লগে গুলিচালনা বন্ধ হৈ গ'ল। ৰঙামুখীয়াই চিঞৰি কিবা এটা আদেশ দিলে। সেনাদল আৰু বিষয়াবোৰ মাৰ্চ্চ কৰি প্ৰৱেশ পথেদি ওলাই গুচি গ'ল। এইবাৰ এক ভৌতিক নিৰৱতা নামি আহিল জালিয়ানৱালা বাগৰ বুকুলৈ। এই স্তব্ধতা ৰাইফেলৰ গৰ্জ্জনতকৈ যেন অনেকগুণে বেছি ভয় লগা; অসহ্য! আনোৱাৰ আৰু ৰতন চুচৰি-চুচৰি জামাদাৰৰ ওচৰ পালেহি। এটা বুলেটে জামাদাৰৰ চকচকীয়া মেডেল এটা ভেদ কৰি গৈ বক্ষস্থল বিদীৰ্ণ কৰি পেলাইছে। জামাদাৰৰ মৃত্যু হৈছে।

মৃত জামাদাৰৰ মুখলৈ চাবলৈ আনোৱাৰৰ সাহস নহ'ল। তাৰ চাৰিওফালে অসংখ্য মৃতদেহ। অসংখ্য আধামৰা আহত মানুহ। ঠিক যেন এখন যেঁহুৰ পথাৰ; দুদিনমান আগতে আটাইবোৰ যেঁহু দাই নিয়া হৈছে। এঠাইত এটা শিশুৱে তাৰ মাকক জগাবলৈ যত্ন কৰিছে; সি নেজানে মাকৰ টোপনি আৰু কোনো দিন নেভাগে। আন এঠাইত আনোৱাৰৰ সমবয়সীয়া এটা ল'ৰা মৰি চেপেটা হৈ পৰি আছে। চাৰিওফালে তেজ, তেজ, মাথোন তেজ। আনোৱাৰৰ মূৰটো ঘূৰিবলৈ ধৰিলে। পেটৰ মাংসপেশীবোৰ সংকুচিত হৈ আহিল। বমি বমি ভাব হ'ল তাৰ। বমি-য়াবলৈ চেষ্টা কৰিলে। নোৱাৰিলে। মাটিত মূৰটো থৈ সি আকাশলৈ চালে। আকাশখন ঘূৰিছে। আকাশত অগণন তৰা ওলাইছে। তৰা-বোৰে নাচিছে, মৃত্যুৰ নৃত্য; তাণ্ডৱ নৃত্য। সৌৱা, সৌৱা বুঢ়া আহত জোপাইও মৃত্যুৰ নাচোন নাচিছে। আনোৱাৰে অনুভৱ কৰিলে সি মূৰ্চ্ছা যাব ধৰিছে। ঠিক এনে সময়তে ছুয়াঁময়াকৈ সি দেখিলে তাৰ বন্ধু ৰতনৰ মুখখন। কি অদ্ভুত! সেই মুখত কোনো বেদনাৰ চাপ নাই। কোনো বিহ্বলতা নাই। বহুত দূৰলৈ চাই আছে। দিগন্ত-প্ৰসাৰী দৃষ্টিৰে কৰ-বালৈ চাই আছে ৰতনে। ওলাই আহিব খোজা বালসুলভ ক্ৰন্দনক তলৰ ওঁঠটো জোৰেৰে কামুৰি ধৰি সি সংযত কৰি ৰাখিছে। আৰু তাৰ চকু দুটা জ্বলিছে। আনোৱাৰে স্পষ্ট দেখিলে ৰতনৰ জ্বলন্ত চকুত তীব্ৰ ভয়া-নক প্ৰতিশোধৰ বহ্নিশিখা।

সময় বৰ ডাঙৰ নিৰামক। আৰু লবালিকালত মনেৰে হওক শৰীৰৰে হওক যি কোনো ঘায়েই সোনকালে শুকায়। তথাপিও অমৃতচৰত যি বিভৎস নাটক দেখি আহিলে আনোৱাৰে তাৰ স্মৃতি মনৰপৰা মচি পেলোৱা সহজ নাছিল তাৰ বাবে। হেজাৰ হেজাৰ মানুহৰ নৃশংস হত্যা-কাণ্ড দেখিলেও নান্দু আৰু জামাদাৰৰ মৃত্যুৱে তাৰ মনত বেছি গভীৰ দাগ বহুৱালে। দিন দিনকৈ মাহ বাগৰিল। আঠ মাহ পাৰ হৈ গ'ল। তথাপি আনোৱাৰে নান্দু আৰু জামাদাৰক প্ৰায়ে সপোনত দেখি থাকিবলৈ ধৰিলে। কেতিয়াবা নিৰলে বহি আনোৱাৰে বন্ধু ৰতনৰ কথা ভাৱে। ভাৱিলেই তাৰ মানস দৃষ্টিত ভাঁহি উঠে ৰতনৰ মুখৰ সেই তীব্ৰ প্ৰতিশোধৰ ভয়ানক অভিব্যক্তি। আৰু এটা ভয়লগা অপমানজনক অভিজ্ঞতাৰ কথা আনোৱাৰে সযতনে সকলোৰেপৰা লুকুৱাই ৰাখিছিল। এই কথাটোও সি পাহৰি যোৱা নাছিল। সিহঁত অমৃতচৰৰপৰা গুচি অহাৰ আগদিনাৰ কথা। তাৰ আব্বাজান কিবা কামত বজাৰৰ ফালে ওলাই গৈছিল। মনে মনে কোনেও নেদেখাকৈ হোটেলৰপৰা ওলাই আহি বিধবা মাকৰে সৈতে মহানগৰীৰ এচুকত যিটো পঁজাত ৰতন থাকে আনোৱাৰ তালৈ গ'ল। ঘৰটো এটা গলিত। গলিৰ মুখতে সঙ্গীনযুক্ত ৰাইফেল লৈ কেবাটাও ইংৰাজ সৈন্য তহলি আছিল। ভয়তে আনোৱাৰৰ উভটি আহিবৰ মন গৈছিল। কিন্তু নাহিল। সেই হত্যাকাণ্ডৰ পিচৰপৰা আনোৱাৰে ৰতনক দেখা নাই। আৰু পাচদিনা সি দিল্লীলৈ গুচি যাব। কোনে জানে কেতিয়া আকৌ আনোৱাৰে ৰতনক লগ পাব! বাটৰ দাঁতিয়ে দাঁতিয়ে ভয়ে ভয়ে আনোৱাৰ সৈন্যদলৰ পিনে আগবাঢ়ি গ'ল। গলিৰ বাটত সি ভৰি দিছে মাত্ৰ, এনেতে ধৰিলে থাপ মাৰি এটা সৈন্যাই আনোৱাৰৰ বাউসীত। আৰু কথা নাই বতৰা নাই তাক মাটিত পেলাই দি বগুৱা বাই যাবলৈ আদেশ দিলে। বগুৱা বাই,—ঠিক এটা নিগনিৰ দৰে,—গলিৰ লেতেৰা বন্ধুৰ পথেদি। ডালেমান দূৰ গৈ ভাগৰত এবাৰ সি বৈছিল। অলপ বৈ কষ্টত ভাগে ভাগে যেন লগা পিঠিখন পোনাব খুজিছিল। কিন্তু নোৱাৰিলে। তাৰ পিঠিত পৰিল গধূৰ বুটজোতাৰ নিৰ্দ্দয় গোৰ। আনোৱাৰৰ দুচকুৰেদি বৈ আহিছিল বন্ধ্যা-ক্ৰোধৰ অশ্ৰু-ধাৰা। এই ঘটনাত আনোৱাৰৰ লাজে-অপমানে ইমান মাটিৰ লগত মিলি

হোৱা যেন লাগিছিল, ইমান অসহায় ইমান বিবুধি হোৱা যেন লাগিছিল যে এই ঘটনাটোৰ কথা সি আনকি তাৰ আব্বাজানৰ আগতো কোৱা নাছিল।

সময় বৰ ডাঙৰ নিৰাময়ক। আৰু লৰালিকাল সীমাহীন সৰু-বৰ ঘটনাৰে ভৰপূৰ। অতীতৰ বেদনাগধূৰ স্মৃতিসমূহক পাহৰি থাকিবলৈ এই নিত্য-নৱ-সংঘটিত ঘটনাৱলীয়ে সহায় কৰে। পাহৰি থকা সম্ভৱ কৰি তোলে। গোটেই দিনটো আনোৱাৰ সদায় ব্যস্ত থাকিব লাগে। ৰাতিপুৱা সোনকালে উঠি মৌলবী চাহেবৰ ওচৰত কোৰান পঢ়িব লাগে। তাৰ পিচত লৰালৰিকৈ কিবা অলপ জলপান খায়েই মিউনিচিপালিটি স্কুললৈ লৰ ধৰিব লাগে। নিদাঘৰ দিনবোৰ ধীৰে ধীৰে বৰষাৰ অবিৰাম ধাৰাৰ মাজত পিগলি যোৱা বহুদিন হ'ল। আৰু এতিয়া বৰষাই বাট দেখুৱাই আনিছে শীতকালক। বছৰৰ এইটো ঋতু আনোৱাৰে সবাতোকৈ ভাল পায়। এইটো 'লিহাফৰ' ঋতু। লিহাফ অৰ্থাৎ ডাঠ বেজাইৰ মধুৰ উমত দীঘল নিশাবোৰ আৰাম কৰি কটাব পাৰি। তাৰ পিচত ৰাতিপুৱা ধোঁৱা উৰি থকা 'খিচিৰি'ৰ জলপান। চাউল বা অন্য কিবা মাহেৰে ৰন্ধা খিচিৰিৰ ওপৰত এলডা গোট মৰা মাখন দিয়া থাকিব। দেখিলে আনোৱাৰৰ ভূগোলৰ কিতাপত পঢ়া বৰফে ঢকা হিমালয়ৰ চূড়ালৈ মনত পৰি যায়। এইটো বতৰত ওৱাদানীকৈ খাবলৈ পায় ৰসাল কুঁহিয়াৰ, কজলা-কজলা জামুক। পানী খোৱা ছুটীত এইবোৰ খাবও পাৰি, খাই খাই খেলিবও পাৰি।

সমান বয়সৰ ল'ৰাবোৰৰ লগত স্কুলীয়া-জীৱন যাপন কৰি আনোৱাৰে ভালপোৱা স্বাভাৱিক। ভাল পাইছিল। হলেও বেচাৰাটো আছিল স্বভাৱতে অলপ বেছিকৈয়ে লাজকুৰীয়া। ফলত তাৰ বন্ধুৰ সংখ্যা বৰ

বেছি নাছিল। আজি-কালি আনোৱাৰে আগৰ দৰে আব্বাজানৰ কোঠাত বহি তেওঁলোকৰ বিবিধ আলোচনা শুনিবলৈ সময়েই নেপায়। নহলে সি ক'ব পাৰিলেহেঁতেন, জালিয়ানৱালা বাগৰ সেই "ৰঙা-মুখীয়া"ক চৰকাৰে শাস্তি দিবলৈ অস্বীকাৰ কৰা কথা। ক'ব পাৰিলেহেঁতেন সমগ্ৰ দেশ জুৰি জ্বলি উঠা ৰাজনৈতিক বিপ্লৱাগ্নিৰ কথা। স্কুলত এইবোৰ কথা গম পোৱাৰ উপায় নাছিল। ইংৰাজ চৰকাৰ অতি ন্যায়পৰায়ণ, পৰম প্ৰজাহিতৈষী এনে কথাই শিক্ষকে সিহঁতক কৈছিল। ইংৰাজৰাজত্বৰ দানসমূহৰ এক সুদীৰ্ঘ দেখিলে মূৰ ঘূৰাই যোৱা তালিকা আনোৱাৰহঁতে মুখস্থ কৰিব লগা হৈছিল ;—ৰেল, ৰাজপথ, স্কুল, টেলিগ্ৰাফ, ডাকঘৰ আৰু ক'ত কি! এইবোৰ শিকিছিল আনোৱাৰে। সঁচা বুলি মানিছিল ; মানিবলৈ বাধ্য হৈছিল। তথাপিও তাৰ মনৰ গভীৰ তলিৰ পৰা জালিয়ানৱালা বাগৰ আপোন চকুৰে দেখা সেই দৃশ্য কোনো ক্ৰমেই মচা নগৈছিল। সেই স্মৃতিয়ে এই সকলো কল্যাণময় উপহাৰৰ ওপৰত অবিৰাম পেলাই ৰাখিছিল এটা বৃহৎ প্ৰশ্নবোধক চিনৰ ছাঁয়া। হাতৰপৰা কেতিয়াও সৌকা নাতৰোৱা, দৰ্কাৰ বোধ কৰিলেই ছাত্ৰৰ কোমল পিঠিত পাঁচ-দহ কোব সাৰৌপ সাৰৌপ বহুৱাই দিবলৈ পাচ নোহোঁহকা শিক্ষক গৰাকীয়ে তাক কেতিয়াও বুজি নেপাব ; তাক সহানুভূতি নেদেখুৱাব ; এনে এটা ধাৰণা হৈছিল আনোৱাৰৰ মনত। কিয় সি নিজেই নেজানে।



কেৱল এয়ে নহয়, আৰু অনেক পৰিৱৰ্ত্তন হৈছিল আনোৱাৰৰ চাৰিওফালে। এতিয়াও আনোৱাৰে বায়েক আঞ্জুমক আৰু আঞ্জুমেও তাক আগৰ দৰেই ভাল পাইছিল। তথাপিও যেন সিহঁতৰ মাজত কিবা এক অজানা কাৰণত দূৰত্বৰ এটা কন্দৰে ৰূপ লৈছিল ধীৰে ধীৰে। সিহঁত দুয়োৱেই স্কুললৈ গৈছিল। কিন্তু আঞ্জুমৰ মৌলবী চাহেবৰ ওচৰত কোৰান পঢ়া

বন্ধ কৰি দিয়া হৈছিল। আঙুৰে আজি কালি মৌলবী চাহেবৰ ওচৰত কিয় নপঢ়ে সোধাত পেহীজানে কৈছিল, "বাছা, আঙুৰৰ বয়স প্ৰায় এঘাৰ বছৰ হ'লহি। এতিয়া তাই পৰ্দ্দা হ'ব লাগিব। সৰু হৈ থকা নাই নহয়।" তাৰ মানে এতিয়া আঙুৰে বিশেষ দৰ্কাৰ নহ'লে আগৰ দৰে ঘৰৰপৰা য'লৈ ত'লৈ যাব নোৱাৰে আৰু গ'লেও পেহীজানৰ দৰে মূৰৰপৰা ভৰিলৈ বোৰ্খাৰে ঢাকিহে ওলাব পাৰিব। বোৰ্খা পিন্ধাৰ কথা ভাবিলেই আনোৱাৰৰ উশাহ-নিশাহ বন্ধ হৈ যাব খোজে। ইমান বিৰাট কাপোৰ এদ'মৰ মাজত সোমাই থাকি মানুহেযে কেনেকৈ উশাহ লয় আনোৱাৰে ভাবিবই নোৱাৰে। অৱশ্যে পৰ্দ্দা নোহোৱাকৈ বাটে-পথে ঘূৰি ফুৰিলে মাইকী মানুহৰ যে অনেক বিপদ হ'ব পাৰে এই কথা মিছা নহয়।

গুলাবীয়ে চিলাই দিয়া প্ৰথম বোৰ্খাটো পাই আঙুৰে বৰ আনন্দ পাইছিল। ৰঙতে তাই যেন নাচিবই। তাকে দেখি আনোৱাৰে সুধিছিল, "পেহীজান, ঘৰপৰা ওলাই গ'লেই যে মাইকী মানুহে বোৰ্খা পিন্ধিব লাগে কেলৈ?"

পোনপটীয়াকৈ সোধা প্ৰশ্নটোত বৃদ্ধা গৰাকী এখন্তেক থতমত খাই ৰ'ল। তাৰ পিচত নিজকে চম্ভালি উত্তৰ দিলে, "আমাৰ ধৰ্ম্ম ইছলামে মাইকী মানুহক পৰ্দ্দা মানি চলিবলৈ নিৰ্দ্দেশ দিছে।"

"আমাৰ ধৰ্ম্মই পৰ্দ্দা মানি চলিবলৈ মাইকী মানুহকহে দিলে, মতা মানুহক নিদিলে কেলৈ পেহীজান?"

"কাৰণ....কাৰণ...." খোতামোজা কৰি পেহীজানে কওঁ নকওঁকৈ ক'লে, "মানে, বাটত বহুত বেয়া মানুহ থাকে। সিহঁতে মাইকী মানুহলৈ বেয়া চকুৰে চায়।"

"বেয়া চকুৰে?" জীৱনৰ কিবা এক আশ্চৰ্য্য ৰহস্য কিবা এক অজানা গোপন কথাই আনোৱাৰক বিবুধি কৰি দিলে। এয়া এক অদ্ভুত সাঁথৰ। চৌৰী বজাৰত সি দেখিছিল মানুহবোৰে সেই "বেলেগ মাইকী মানুহ"বোৰলৈ কিবা ধৰণে চোৱা, সিহঁতেই বাৰু মাইকী মানুহবোৰলৈ বেয়া চকুৰে চাইছিল নেকি? সিহঁতৰ বেয়া উদ্দেশ্যনো বাৰু কি হ'ব পাৰে? মাইকী মানুহৰ গাৰ অলঙ্কাৰ পাতি পাৰিলে কাঢ়ি লৈ যোৱাই সেই উদ্দেশ্য নেকি? হ'ব পাৰে।

"পেহীজান," সি সৰল ভাৱেৰে সুধিলে, "বোৰ্খা নিপিন্ধাকৈ তুমি যদি ঘৰৰপৰা কেনিবা ওলাই যোৱা মানুহে বাৰু তোমাৰ পিনেও বেয়া চকুৰে চাব নেকি?" প্ৰশ্নটো শুনি বৃদ্ধা মানুহ গৰাকীৰ সোতোৰা পৰা মুখখনো হঠাৎ ৰঙা হৈ উঠিল। কিবা এটা ক'ব খুজিও অস্বস্তিত তেওঁ

একো ক'ব নোৱাৰিলে। কিয় এনে হ'ল আনোৱাৰে বুজিব নোৱাৰিলে।

আঞ্জুমে অৱশ্যে পৰ্দ্দা হোৱা কথাটোত বেচ্ আমোদ পাইছিল। আন-ন্দত নিজৰ নতুন বোৰ্খাটো বাৰে বাৰে লিৰিকি-বিদাৰি চাইছিল। হঠাৎ যেন তাই বহুত ডাঙৰ হৈ গৈছে, অন্য দহজনী লেখৰ মানুহৰ মাজৰ এজনী হৈ গৈছে, এনে লাগিছিল আঞ্জুমৰ। তাই কিয় এনে কৰিছে আনোৱাৰে চেষ্টা কৰিও বুজিব নোৱাৰিলে। সি ভাবিলে আঞ্জুমে নিশ্চয় পেহীজনাৰ মনত ভাল লগাবলৈকে এনে কৰি দেখুৱাইছে। তথাপিও যেন অন্য ফালৰ পৰা সঁচা-সঁচিকৈয়ে আঞ্জুম বহুত সলনি হৈ গৈছে।

আজি-কালি তাই পেহীজান আৰু গুলাবীৰপৰা বন্ধা-বাঢ়া, চিলাই কৰা, ফুল-তোলা আদি শিকি শিকিয়েই বহুত সময় কটায়। তাতোকৈও এটা ডাঙৰ ৰহস্যৰ কথা!—আজি-কালি আৰু আঞ্জুমে আগৰ দৰে ভায়েকৰ লগত কাজিয়া কৰি মাৰপিট নলগায়। তাৰ সলনি বেচ বয়সীয়া মানুহৰ দৰে গহীনজনী হৈ নিজৰ মান বচাই ফুৰে!

পাঠশালীত আনোৱাৰৰ গোপাল নামে এটা ল'ৰাৰ লগত বন্ধুত্ব গঢ়ি উঠিল। গোপাল এজন ডাঙৰ ঠিকাদাৰৰ ল'ৰা। যুদ্ধৰ সময়ত গোপালৰ বাপেকে অজস্ৰ টকা ঘটিলে। তাৰে তেওঁ আজমীৰী গেটৰ ফালে বহুত এনেই পৰি থকা মাটি কিনি থৈছিল। সেই মাটিতে এতিয়া ভাইচ্ৰয়ৰ উপনিবেশ এখন নিৰ্ম্মাণ হোৱাৰ যো-জা চলিছে। গোপালক দেখিলেই আনোৱাৰৰ ঈৰ্ষা জন্মিছিল। গোপালে সদায় ইংৰাজবোৰৰ দৰে কাপোৰ কানি পিন্ধে। চুলিবোৰো চাহেবৰ দৰে কাটে। গোপালৰ এটা ফাউ-ণ্টেনপেন আৰু এটা সোণোৱালী হাত-ঘড়ীও আছে। কিন্তু এই গোটেই

বোৰতকৈ আনোৱাৰৰ তালৈ বেছি ঈৰ্ষা হৈছিল তাৰ বাইচাইকেলখনৰ বাবে,—চকচকীয়া ক'লা এখন বাইচাইকেল; হেণ্ডেলডাল উজ্জ্বল; আৰু ইমান ধুনীয়াকৈ বাজে টিলিঙাটো। এই বাইচাইকেলত উঠি সদায় গোপাল স্কুললৈ আহে। আবেলি ছুটী হ'লে ন'ৰাবোৱে গোপালক বেঢ়ি ধৰি খাতিৰ কৰিব ধৰে এবাৰ বাইচাইকেলখনত উঠিবলৈ দিবলৈ। আনোৱাৰে অৱশ্যে উপযাচি গোপালক এনে অনুৰোধ কেতিয়াও নকৰিলে-হেঁতেন। সি কৰিব নোৱাৰে। কিন্তু গোপাল আছিল পঢ়া-শুনাত বেয়া। এদিন সিয়ে আনোৱাৰক শিক্ষকে ঘৰত কৰি নিবলৈ দিয়া অঙ্ক দুটামান কৰি দিবলৈ অনুৰোধ কৰিলে। আনোৱাৰে কৰি দিলে। সেই দিনা ছুটীত গোপালেই আনোৱাৰক বাইচাইকেলত উঠিবলৈ উপযাচি মাতিলে। চলাব নজনা আনোৱাৰ উঠিল। গোপালে চলালে।

"ক'লৈ যাবা কোৱা?" গোপালে সুধিলে। মাত্ৰহীন আনন্দত সি অবিৰাম টিলিঙা বজাইছে আৰু টিলিঙাৰ তালে তালে পেডেল ঘূৰাইছে। এই প্ৰথম আনোৱাৰৰ বাইচাইকেলত উঠা। ভয়তে আনোৱাৰে গোপা'লৰ 'মফ্জিত' নিজকে সোমাই দি হেণ্ডেলত খামুচি ধৰি আছে!

"ষ্টেচনলৈ যাওঁ ব'লা।" অলপ ভাবি আনোৱাৰে ক'লে। অমৃত চৰলৈ যাওঁতে ষ্টেচনত দেখা অদ্ভুত দৃশ্যবোৰৰ কথা সি পাহৰিব পৰা নাছিল। মনত পৰিলেই তাৰ আকৌ যাওঁ আকৌ-যাওঁ লাগে।

ষ্টেচনলৈ সোমোৱা বাটত অসংখ্য মানুহ। চাইকেল দূৰৰ কথা খালী মানুহটোহঁত সোৱাই টান। গোপালহঁত নামিল। এনেই ফুৰি আনন্দ কৰিম বুলি আহিছে সিহঁত। চাইকেল হাৰমালহে ষ্টেচনত। নিৰাপদ চাই এঠাইত গোপালে চাইকেলখন তলা মাৰি থৈ আহিল। তাৰ পিচত দুখন প্লেটফৰ্মৰ টিকেট কিনি ষ্টেচনলৈ সোমাই গ'ল। অসংখ্য মানুহ! মানুহবোৰৰ কথাৰপৰা আনোৱাৰহঁতে বুজিলে কোনোবা এজন তিলক নামৰ মানুহ বোম্বাইৰপৰা আহি অমৃতচৰলৈ এইখন বেলেদিয়ে যাব। তেওঁক চাবলৈয়ে জনতাই ভীৰ কৰি আছিছে। গোপালৰ এইবোৰ কথালৈ সিমান ভ্ৰূক্ষেপ নাই। চৰ্ব্বৎৱালাৰ দোকানত থাকে থাকে সজাই থোৱা ৰঙা-নীলা-সেউজীয়া বতলবোৰত মাত্ৰ তাৰ চকু। কিন্তু আনোৱাৰ এই তিলক নামৰ মানুহ গৰাকীৰ বিষয়ে জানিবলৈ ব্যগ্ৰ হৈ উঠিল। বিশে-ষকৈ অমৃতচৰৰ নামোল্লেখে তাক বেছি কৌতূহলী কৰি তুলিলে। শেষত আৰু নিজক সংযত ৰাখিব নোৱাৰি সি দেখাত শান্ত-শিষ্ট এজন ভদ্ৰলোকক

গৈ সুধিয়ে পেলালে। বৃদ্ধয়ো ল'ৰাটোৰ ঔৎসুক্য দেখি যি জানে ক'লে। বৃদ্ধই ক'লে বোলে তিলক ভাৰতবৰ্ষৰ এগৰাকী মহান জাতীয়-নেতা। দেশৰ মানুহৰ স্বাৰ্থৰ হকে যুঁজি তেখেতে অনেক বছৰ কাৰাবাস কৰিব লগাত পৰিছে। তেখেত মাৰাঠী মানুহ। কিন্তু জাতিৰ কাৰণে তেখেতে কৰা ত্যাগ স্বীকাৰে তেখেতক সমগ্ৰ দেশৰে চেনেহৰ পাত্ৰ কৰি তুলিছে। এতিয়া তেখেত অমৃতচৰত হ'ব লগা কংগ্ৰেছ মহাসভাত যোগ দিবলৈ এই বাটেদিয়ে যোৱাৰ কথা। তেখেতক সন্মান প্ৰদৰ্শন কৰিবলৈকে ইমান মানুহ গোট খাইছে।

এনে সময়তে ৰেল আহি ষ্টেচনত সোমালহি। মহান নেতা গৰাকীক এবাৰ চাবলৈ প্লেটফৰ্ম জোৰা জনতা ৰেলখনৰ ওপৰতে একেবাৰে উবুৰি খাই পৰাদি পৰিলহি। ফলত বেচাৰা নিশকতীয়া আনোৱাৰৰ পক্ষে তাত তিষ্ঠি থকাই টান হৈ উঠিল। ষ্টেচনৰ বাহিৰ ফালৰ বাৰান্দাতো হেজাৰ হেজাৰ মানুহ। প্ৰথম-প্ৰথম কেৱল টিকেট কিনা বোৰকহে সোমাবলৈ দি ৰেল-কৰ্ম্মচাৰীসকলে মানুহৰ ভীৰ নিয়ন্ত্ৰণ কৰিবলৈ যত্ন কৰিছিল। কিন্তু পিচলৈ অসহায় হৈ গেট খুলি দিব লগাত পৰিল। আৰু লগে লগে যেন মানৱতাৰ এক পাৰভঙ্গা বন্যাহে ষ্টেচনৰ বুকুলৈ সোমাই আহিল। এটা ফল-বিক্ৰেতাৰ ঠেলা গাড়ীখন হেচাঁ-ঠেলাত লুটি খাই গ'ল। ভৰিৰ ওপৰত কিমান যে গচক পৰিল তাৰ সীমা নাই। এপাকত আনোৱাৰৰ নতুন ফেজটুপিটো কৰবাত পৰি আহিল। ক্ৰমবৰ্দ্ধমান জনস্ৰোতে সৰু ল'ৰাহালক উটুৱাই নি একেবাৰে ষ্টেচনৰ বেৰত লগালেগৈ।...."লোকমান্য তিলক কি জয়....মহাত্মা গান্ধী কি জয়....হিন্দু-মুছলমান কি জয়......", মুহুৰ্মুহু ধ্বনিত আকাশ কঁপাব ধৰিলে সমবেত জনতাই।

ষ্টেচনৰপৰা ওলাই আহি বাহিৰত আনোৱাৰে গোপালক ক'লে, "অতি আচৰিত নহয়নে! বোম্বাইৰ নিচিনা ইমান দূৰৰপৰা অহা এজন মানুহক সন্মান দেখুৱাবলৈ ইমানবোৰ মানুহ গোট খাইছে। লোকমান্য তিলক নিশ্চয় বৰ ডাঙৰ মানুহ।"

"এৰা, কংগ্ৰেছ নহয়!" গোপালৰ মাতৰ প্ৰচ্ছন্ন ঘৃণাৰ সুৰত আনোৱাৰ অবাক হৈ গ'ল। গোপালে কৈ গ'ল, "আমাৰ দেউতাই কংগ্ৰেছী মানুহ চকু পাৰি দেখিব নোৱাৰে। সিহঁত হেনো ৰাজদ্ৰোহী। চৰকাৰ ভঙাৰ চেষ্টা চলাইছে। তুমিয়েই কোৱা, চৰকাৰ নথকা হ'লে আমাৰ দেউতাক ইমান ডাঙৰ ডাঙৰ ঠিকা কোনে দিলেহেঁতেন বাৰু? ব'লা ভাই, এইবোৰ মানুহৰ লগত আমাৰ একো সম্বন্ধ নাই। থকা উচিতো নহয়।"

তথাপিও আনোৱাৰে অনুভৱ কৰিলে এইবোৰ মানুহৰ লগত তাৰ যথেষ্ট সম্বন্ধ আছে ; ভৱিষ্যতেও হ'ব। এটা অপ্ৰতিৰোধ্য আকৰ্ষণ, এটা মুগ্ধতাই তাক তেওঁলোকৰ প্ৰতি আকৰ্ষণ কৰিছে। অহৰ্নিশে। কিন্তু সি এইবোৰ কথা লৈ গোপালৰ লগত অযথা নিৰস তৰ্ক কৰি তাৰ লগত গঢ়ি উঠা নতুন বন্ধুত্ব নষ্ট কৰি পেলাব নুখুজিলে।

ঘৰ পাই আনোৱাৰে দেখিলে তাৰ নামত এখন চিঠি আহিছে। ৰতনে লেখিছে। ততাতৈয়াকৈ চিঠিখন খুলি সি ঘূৰাই ঘূৰাই পঢ়িব ধৰিলে। এখন নিচেই চুটি চিঠি। ৰতনে সদায় চমু চিঠিয়েই লেখে। ডাঙৰ-ডাঙৰ বহল-বহল আখৰবোৰ। এগিঠিত মাত্ৰ ছটামান শাৰী জোৰেছে। আখৰবোৰ দেখিলেই আনোৱাৰে চিনি পায়। ৰতন স্কুলত পঢ়ে। আনোৱাৰৰ সহপাঠী। পঢ়া-শুনাত ৰতন বৰ মনোযোগী। অকমাণ সময়ো সি অবাবত খাবলৈ নিদিয়ে। ৰতনে প্ৰাণ-টাকি যতন কৰিছে এটা জলপানি ধৰিবলৈ। নহ'লে তাৰ বিধৱা মাকৰ পক্ষে তাক হাই-স্কুলত পঢ়োৱা খৰচ বহন কৰা অসম্ভৱ বুলি সি জানে। ৰতনে লেখিছে, "যোৱা কেইবামাহো সিহঁতে আমাক ছমাইল ছমাইল দিনৌ খোজ কঢ়াই লৈ গৈছিল সৈন্য শিবিৰলৈ। তাত আমি সৰু সৰু ছাত্ৰবোৰে ইংৰাজৰ পতাকাক অভিবাদন জনাব লাগিছিল। আমাৰ লগত সদায় দুই-চাৰিটা বগা-চিপাহী 'টমি' গৈছিল। যাওঁতে ভাগৰ লাগি আমাৰ কোনোবাই খোজ কঢ়াত অকণমান ঢিলাই দিলেই টমিহঁতৰ বুটজোতাৰ গোৰ খাব লগা হৈছিল। এতিয়া অৱশ্যে আমাক তেনেকৈ নিয়া হোৱা নাই। কিন্তু বন্ধু, মোক বিশ্বাস কৰা—মই কোনোদিন পাহৰিবও নোৱাৰিম পিতা-

জীৰ মৃত্যুৰ কথা।" চিঠিৰ শেষত ৰতনে চহী কৰিছিল। "তোমাৰ বন্ধু ৰতন"—বুলি। তাৰ পিচত পুনশ্চ বুলি আৰৌ লেখিছিল; "আমাৰ জাতীয় কংগ্ৰেছ মহাসভাৰ বছেৰেকীয়া অধিবেশন এইবাৰ ইয়াত বহিব। তিলক, গান্ধীজী, মহম্মদ আলি আৰু চৌকৎ আলি সকলো আহিব। নেতাসকল ইয়াত থাকোঁতে তেওঁলোকক পৰিচৰ্য্যা কৰিবলৈ ময়ো স্বেচ্ছাসেৱক দলত নাম লেখাইছোঁ। তেওঁলোকক এইবাৰ নিচেই ওচৰৰপৰা দেখিবলৈ পাম। কথাষাৰ ভাবিয়েই মোৰ ভাল লাগিছে। ইয়াৰ পিচৰ চিঠিত মই তোমালৈ এইবোৰ সকলো কথা বিতংভাৱে লেখিম।"

আনোৱাৰৰ এনে লাগিল যেন ৰতন ইতিমধ্যে বেচ ডাঙৰ সাবালকৰ দৰে হৈ উঠিছে। ডাঙৰৰ দৰে এইবোৰ ডাঙৰ ডাঙৰ ঘটনাত অংশ গ্ৰহণ কৰিছে। আৰু সি কি কৰিছে? এটা বুৰ্ব্বক সৰু ল'ৰাৰ দৰে গোপালৰ চাইকেলখন দেখি খিয়ালত জ্বলি-পুৰি থাকোঁতেই গৈছে।......কিন্তু এইবোৰ কথা বেছি সময় আনোৱাৰে ভাবি থাকিবলৈ নেপালে। তাৰ আব্বাজানে পেহীয়েকৰ লগত কিবা কথা পাতি আছিল। হঠাৎ তেওঁ তাক মাতি ক'লে বোলে তেওঁৰ ককায়েক, আনোৱাৰৰ ডাঙৰ-আব্বা আমজাদ আলি দিল্লীত দুদিনমান থকাকৈ অলপতে আহিব। ডাঙৰ-আব্বাই পুতেক ৰৌফকো লৈ আহিব বুলি শুনি আনোৱাৰৰ আনন্দ থবলৈ ঠাই নোহোৱা হ'ল। আনোৱাৰে জানে তাৰ ডাঙৰ-আব্বা গহীন-গম্ভীৰ ভয় লগা মানুহ। ল'ৰা-ছোৱালীক মৰম কৰি, বৰকৈ ওচৰ চাপিবলৈ দি তেওঁ আশে নিদিয়ে। লগুৱা-লিগিৰীবোৰকো হোৱাই নোহোৱাই ৰকে। তেওঁ গড়গাওঁ জিলাৰ তহ্‌চিলদাৰ। অনেক বছৰ চৰকাৰী চাকৰী কৰি মানুহজন খঙাল খিটখিটীয়া হৈ গৈছে। কিন্তু আনোৱাৰে ৰৌফক আজিলৈকে দেখা নাই। শুনিছে, ৰৌফ হেনো তাতোকৈ অলপহে ডাঙৰ। "কেকাজানে ৰৌফকো লৈ আহিব দিল্লীখন দেখুৱাবলৈ।" আব্বাজানে তাকে কৈছিল। সি আটাইতকৈ ভাল পালে যেতিয়া তেওঁ ক'লে, "তেওঁলোকৰ লগতে তুমিও দিল্লীৰ চাবলগীয়া ঠাইবোৰ চাব পাৰিবা। কেকাজানে লগত নিজৰ মটৰ গাড়ীখনো আনিব। গতিকে ফুৰিবলৈ একো অসুবিধা নহব।"

আনোৱাৰ আৰু ৰৌফ ড্ৰাইভাৰৰ ওচৰত বহি গৈছিল। ওখ, অলপ পুৰণি মটৰ গাড়ীখনে হৰ্ণ বজাই বজাই দিল্লী-গেটেদি পাৰ হৈ গৈছিল। পাচৰ আসনত বহি আকবৰ আলি আৰু আমজাদ আলি নানা কথাত মগ্ন হৈ আছিল। তেওঁলোকৰ কথাৰ এষাৰ-দুষাৰ মাজে মাজে আহি আনোৱাৰৰ কাণত পৰিছিল।

"নকবা আৰু ভাইজান, এই বিদ্ৰোহী উচ্ছৃঙ্খল দলৰ কথা নকবা।" আমজাদ আব্রিয়ে কৈছিল, "জেনেৰেল ডায়াৰে দিলে নহয় সিহঁতক অমৃত-চৰত এমজা। সিহঁত তাৰেই যোগ্য। মোৰ এলেকাত সিহঁতৰ এটা মানক পালেও মই বচিয়াকৈ এশিকনি দিম।" আনোৱাৰে বুজিব নোৱাৰিলে মানুহ গৰাকীয়ে "বিদ্ৰোহী" "উচ্ছৃঙ্খল" কাক কৈছে। জামাদাৰ চাহেব, নান্দু আৰু গুলি খাই মৰা সকলো মানুহকে তেওঁ সেই বুলি কৈছে নেকি? কিন্তু সেই বিষয়ে সি আৰু বেছি ভাবিব নোৱাৰিলে। বাটৰ বাওঁ দাঁতিত থকা অদ্ভুত সুন্দৰ এটা শিলৰ প্ৰাচীন ঘৰে তাৰ মনোযোগ আকৰ্ষণ কৰিলে। সেইটো এটা বিখ্যাত পুৰণি কলীয়া দুৰ্গ। চাৰিওফালে ওখ শিলৰ প্ৰাচীৰ আৰু গড়ঁখাৰৈ খন্দা।

আকবৰ আলিয়ে দিল্লীৰ বুৰঞ্জী আৰু ইয়াৰ কীৰ্ত্তিচিনসমূহৰ বিষয়ে অনেক কথা জানে। সুবিধা পালেই তেওঁ পুতেকক এইবোৰৰ বিষয়ে নানা জানিবলগীয়া কথা কয়। ৰৌফ দিল্লীলৈ এই প্ৰথম আহিছে। দিল্লীৰ ইতিহাস সি প্ৰায় নেজানে। তাতোকৈ বয়সে ডাঙৰ ৰৌফৰ আগত নিজৰ জ্ঞান জাহিৰ কৰিবলৈ পাই আনোৱাৰ ৰঙতে ফুলি উঠিল। সি ৰৌফক ফৰাফৰ কৈ গ'ল কেনেকৈ দিল্লী হেজাৰ হেজাৰ বছৰ ধৰি ভাৰত-বৰ্ষৰ ৰাজধানী হৈ আছিল। কেনেকৈ ইটো বংশৰ পিচত সিটো বংশই ইয়াত আত্ম-প্ৰতিষ্ঠা কৰিছে। শই শই সম্ৰাটে শাসন কৰিছে। আজি-কালিৰ মানুহে "ডেল্‌হী" বুলি ক'লেও এই নাম ইংৰাজহে দিয়া। সিহঁতৰ মুখত "দিল্লী" নুফুটি "ডেল্‌হী" হৈছে। তাৰো আগতে অতি পুৰণি কালত দিল্লীৰ নাম "ইন্দ্ৰপ্ৰস্থ" আছিল। তাৰ অৰ্থ ইন্দ্ৰৰ নগৰ। ইন্দ্ৰ হিন্দুসকলৰ মতে দেৱতাৰ ৰজা। প্ৰখ্যাত মোগল সম্ৰাট তাজমহল নিৰ্ম্মাতা ছাহজাহানে আগ্ৰাৰপৰা ইয়ালৈ ৰাজধানী তুলি অনাৰ পিচত এই দিল্লীৰে নাম 'ছাহজাহানাবাদ' ৰাখিছিল। সাতবাৰ এই দিল্লী বিভিন্ন সময়ত ধ্বংস কৰা হৈছে; সাতবাৰ নতুনকৈ ইয়াত নগৰ পত্তন কৰা হৈছে। প্ৰত্যেকবাৰ পূৰ্ব্বৰ ধ্বংসস্তুপৰ বুকুত নতুন মহানগৰে গঢ় লৈছে। সেই অতীত কালৰ বিধ্বস্ত মহানগৰীৰ অসংখ্য চূৰ্ণ প্ৰাসাদ, স্তম্ভ, মানমন্দিৰ,

অতিথিশালা আদিৰ ধ্বংসাৱশেষ দিল্লীৰ চুকে-কোণে সিচঁৰিত হৈ আছে। আনোৱাৰহঁত এতিয়া গৈ থকা পথৰ সোঁহাতে যি বিশাল মুকলি ভূমিখণ্ড পৰি আছে তাত অলপ দিনৰ ভিতৰতে আৰু এখন নতুন দিল্লী গঢ়ি উঠিব। এইখন হব অষ্টম দিল্লী। ইংৰাজ শাসকসকলৰ দিল্লী। আনোৱাৰে জানে ইয়াতেই ক'ৰবাত গোপালৰ বাপেকৰো অলপ মাটি আছে। গোপালৰ বাপেকে সেই মাটিত ইংৰাজ বিষয়াসকল থাকিব পৰাকৈ কিছুমান দেখনিয়াৰ বঙলা ঘৰ নিৰ্ম্মাণ কৰিব। ভাইচৰয়-নগৰী সম্পূৰ্ণ হৈ উঠিলেই এই ঘৰবোৰত বিষয়াসকল থাকিবলৈ লবহি।

চকুত-লগা সমাধিস্তম্ভৰে সৈতে হুমায়ুনৰ কবৰ, সাধু নিজামুদ্দিন আওলিয়াৰ নয়নাভিৰাম 'ৰৌজা'-গৃহ, চুফি কবি-দাৰ্শনিক আমীৰ খুশ্রুৰ অনাড়ম্বৰ প্ৰশান্ত সমাধি আৰু তাৰ পিচত মেহ্‌ৰৌলী গাওঁ পাৰ হৈ গৈ হঠাৎ জোৰেৰে ব্ৰেক ধৰি মটৰখন ৰৈ গ'ল। আৰু আনোৱাৰে, সিয়েই যেন ইয়াৰ গৰাকী এনে এক গাম্ভীৰ্য্যৰে ৰৌফক আঙুলি টোৰাঁই দেখুৱালে ;—কুতুব মিনাৰ। গাড়ীৰপৰা সকলো নামিল। ৰৌফৰ দৃষ্টি মিনাৰৰ পাদদেশৰপৰা ক্ৰমাৎ ওপৰলৈ উঠি যাব ধৰিলে। ওপৰলৈ, ওপৰলৈ, আৰু—ও-প-ৰ-লৈ। শেষ ক'ত ? ডিঙি তাৰ প্ৰায় মোটোকা খাই যোৱাৰ উপক্ৰম হ'ল। মিনাৰৰ শীৰ্ষদেশত দৃষ্টি স্থাপন কৰাৰ পিচত তাৰ এনে লাগিল যেন গোটেই সৌধটো ক্ৰমাৎ হাউলি আহিছে। আৰু, আৰু, আ-ৰু। এইবাৰ পৰিল। গগণচুম্বী সৌধ এইবাৰ তাৰ মূৰৰ ওপৰত ভাগি পৰিল। আতঙ্কত ৰৌফে প্ৰায় চিঞৰ মাৰি দিলে। অভিজ্ঞ পৰ্য্যটকৰ দৰে আনোৱাৰে তেতিয়া তাক হাঁহি হাঁহি বুজাই দিলে যে ভয় কৰিব লগা একো কথা নাই। টুকুৰা-টুকুৰ মেঘবোৰ আকাশত চলাচল কৰি থকা' বাবে মানুহৰ এনে দৃষ্টি-বিভ্ৰম প্ৰথম-প্ৰথম হয়েই।

দুয়োটা ল'ৰাই আকোঁৰ-গজালি লগাদি লাগিল, সিহঁত মিনাৰৰ শিখৰলৈ যাবই। বাধ্য হৈ গোটেই দলটো আন্ধাৰ, গোন্ধোৰা, অকোঁৰা-পকোঁৰা চিৰিয়েদি ওপৰলৈ উঠিব ধৰিলে। ওপৰলৈ মিনাৰটো ক্ৰমাগত সৰু হৈ অহাৰ লগে লগে চিৰিবোৰো ঠেক আৰু থিয় হৈ আহিব ধৰিলে। মাজে মাজে হঠাৎ আন্ধাৰৰপৰা দুটা-এটা বাদুলী চপ্‌চপাই উৰি যায়। গাৰ নোম শিয়ঁৰি উঠে! প্ৰথমতে উঠিবলৈ ৰৌফেই আগবণুৱা হৈ ওলাইছিল। পিছে আধামান খাপ বগোৱাৰ পিচত তাৰ উদ্যম মোলান পৰি আহিল। সি উভটিব খুজিলে। কিন্তু শিখৰত উঠাৰ পিচত যি অনিৰ্ব্বচনীয় আনন্দ পোৱা যায় তাৰ অভিজ্ঞতা আনোৱাৰৰ আছে। সেয়ে সি ইমানদূৰ অহাৰ পিচত অলপৰ বাবে ধৈৰ্য্য হেৰুৱাই নেপেলাবলৈ ৰৌফক উছাহ দিব ধৰিলে।

অৱশেষত সিহঁতে বিশ্বৰ শিখৰত পদাৰ্পণ কৰিলে। অন্ততঃ কুতুব মিনাৰৰ চূড়াত থিয় দি আনোৱাৰহঁতৰ তেনেই অনুভৱ হ'ল। মিনাৰ চূড়াৰ এচমকা মজিয়াত থিয় দি সিহঁতে দেখিলে সপ্ত দিল্লীয়ে নগ্ন ৰূপত সিহঁতৰ চকুত ধৰা দিছে। গছ-গছনিৰ সেউজীয়া প্ৰাঙ্গনৰ মাজত এডাল বগা ৰিবনৰ দৰে একাঁ-বেকাঁ হৈ পৰি আছে এইমাত্ৰ সিহঁতে মটৰেৰে গৰকি অহা সুদীৰ্ঘ ৰাজপথটো। সকলো কেইখন দিল্লীৰ সীমাৰ সিপাৰে দূৰত সেয়া স্নিগ্ধবাৰি যমুনা ; শুকান শীতৰ বাবে শীৰ্ণ হৈ এখন ঠেক খৰস্ৰোতা নিজৰাৰ দৰে হৈ পৰিছে। সুৰভিসনা আবেলিৰ বতাহত কিবা যেন এটা অনামিকা মাদকতা সনা আছে। প্ৰাণ-মন প্ৰফুল্ল আকুল-উন্মনা কৰি তুলিব খোজে। নিৰুদ্দেশভাৱে চিয়ঁৰিবৰ মন যায়। গান গাবৰ মন যায়। আনোৱাৰে মূৰৰ টুপিটো খুলি পেলালে। নিচেই চুটি-চুটিকৈ কটা চুলিৰে তাৰ মূৰটো এজাক ব্যস্ত বতাহে চেঁচা লগাই গ'ল। মিনাৰৰ শিখৰত নিৰৱে ঠিয় দি থাকি আনোৱাৰৰ ভাল লাগিল অবৰ্ণনীয়ভাৱে। তলত, বহুত তলত অহা-যোৱা কৰি থকা মানুহবোৰ যেন এটা এটা গুড়ি-পৰুৱাহে। মটৰগাড়ীবোৰ আচল মটৰগাড়ী নহয় যেন একোখন পুতলা মটৰ গাড়ীহে! সিহঁত ইমান তলত আছে। ইমান তলত। অথচ কিমান তলতেইবা আছে সিহঁত। আনোৱাৰহঁত অতি ওখত আছে। অথচ কিমান ওখতেইনো আছে সিহঁত। তলৰপৰা যিবোৰ মেঘ মিনাৰৰ চূড়াত লাগি থকা যেন অনুমান হৈছিল সেইবোৰ দেখোন এতিয়াও বহুত ব-হু-ত ওখত আছে। লাহে লাহে পশ্চিম দিগন্তৰ কোনো এক ধূসৰ প্ৰান্তলৈ সূৰ্য্য যেন নামি যাব ধৰিলে। ধীৰে ধীৰে। বতাহবোৰ ক্ৰমাৎ বেছি চেঁচা হৈ আহিব ধৰিলে। চোলাৰ ডিঙিয়েদি যেন পিগলা-শীত সোমাই আহি কামিহাড়ৰ ওপৰেদি বৈ গৈছে। আনোৱাৰে হাঁচিয়ালে।

"ব'লা, ইমানতে আমি ওভটা ভাল।" পুতেকে হাঁচিওৱা দেখি আকবৰ আলিয়ে ক'লে। সকলোটি আকৌ নামি আহিল আন্ধাৰ চিৰিয়েদি। এইবাৰ চিৰিবোৰ আগতকৈ বেছি যোপমৰা যেন লাগিছে। ভেকুঁৰা গোন্ধটোও বেছি তীব্ৰ। বোধহয় শিখৰৰ সুৰভিসনা বতাহ আৰু সীমাহীন মুক্ততাৰপৰা নামি অহা বাবেই এনে লাগিল সিহঁতৰ।

মোচযোৰ দেখিলেই ভয় লগা।—ক'লা বিছাৰ নোমৰ দৰে ডাঠ। অলপ অলপ পকিবলৈ আৰম্ভ কৰিছে। প'মেড ঘঁহি জোঙা কৰি আগ দুটা দুয়োফালে ওপৰলৈ ঘূৰাই থিংখুৰাই থোৱা। গাল দুখন নিপোতলকৈ খুৰোৱা। কিন্তু মাজে মাজে খুৰে এৰি যোৱা ঠাইত থাকি যোৱা ডাঢ়ি-বোৰ অতিপাত ঘন। চকুৰ চেলাউৰিযোৰো ঘন, জোপোহা। ঠিক এটা সৰু খেৰী জুপুৰীঘৰৰ চালৰ দৰে চকুৰ ওপৰত ওলমি পৰা। কোচা-কোচে কেঁকোৰা নোম সৰ্ব্বাঙ্গত,—হাত, হাতৰ আঙুলিৰ পাব, আনকি কাণতো। কিন্তু চকুহাল হলে সম্পূৰ্ণ বেলেগ। উজ্জ্বল ৰিম-নথকা চশ্মাৰ মাজেদি জিলিকি থকা চকুহাল দেখিলেই মৰমীয়াল বুলি ধৰিব পাৰি। সেইহাল চকুৰে মানুহ গৰাকীয়ে আনোৱাৰক এবাৰ মূৰৰপৰা ভৰিলৈ চকু ফুৰাই চালে। সেই দৃষ্টিত ফুটি উঠিল পিতৃসুলভ চেনেহ।

আনোৱাৰ ডাক্তৰ মোখতাৰ আহমদ আনচাৰিৰ ৰোগী পৰীক্ষা কৰা কোঠাত বহি আছিল। আনচাৰি খ্যাতনামা চিকিৎসক। আকবৰ আলিৰ মতে সমগ্ৰ দিল্লীৰ ভিতৰত তেওঁৰ দৰে নিৰ্ভৰযোগ্য চিকিৎসক দ্বিতীয় এজন নাই। ইংলণ্ডৰ কেইবাখনো বিখ্যাত বিশ্ববিদ্যালয়ত তেওঁ চিকিৎসা বিজ্ঞান অধ্যয়ন কৰাৰ উপৰিও ভালে কেইখন বৃটিশ হস্পিতালতো চাকৰি কৰি অভিজ্ঞতা লাভ কৰিছিল।

অসুস্থ আনোৱাৰক প্ৰথম প্ৰথম হেকিম বেদিলেই চোৱা-চিতা কৰিছিল। বেচ্ মনোযোগেৰে সম্পূৰ্ণ এটা পষেক হেকিম বেদিলে আনোৱাৰক 'ইউনানি' পদ্ধতিৰে চিকিৎসা কৰিলে। কিন্তু ফল তেনেকৈ একো পোৱা নগ'ল। কুতুব মিনাৰৰ চূড়াত মৰা হাঁচিটোৱেই কাল হ'ল। সেই যি পানী লগা আৰম্ভ হ'ল কোনোমতেই আৰু নেৰোৱা হ'ল। প্ৰথমে অলপকৈ পানী লগাই ক্ৰমাৎ বাঢ়ি সাংঘাতিক ৰূপ ল'লে। কাঁহি কাঁহি বেচাৰাই ৰাতিও শুব নোৱাৰা হ'ল; দিনতো লৰেজান হৈ থাকিব লগাত পৰিল। কুতুব মিনাৰৰ ওপৰিও ৰৌফইতে অনেক ঠাই চালে। কিন্তু আনোৱাৰে সেই এদিনেই যি গ'ল, আৰু যাব নোৱাৰিলে। পেহী-জানে তাক দুৱাৰ-খিড়িকী মাৰি কোঠাৰপৰা ক'লৈকো ওলাবলৈ নিদিয়া হ'ল। হেকিম বেদিলে 'জোশান্দা' আৰু বিভিন্ন বনৌষধ ইপালিৰ পিচত সিপালি খুৱাবলৈ ধৰিলে। তথাপিও আনোৱাৰৰ অৱস্থা ক্ৰমাগত বেয়াৰ ফালেহে ঢাল খাব ধৰিলে। শেষত আকবৰ আলিয়ে তাক আন-

চাৰি ডাক্তৰক এবাৰ দেখুৱাবলৈকে ঠিক কৰিলে। ডাক্তৰ আনচাৰিৰ ঘৰ বেছি দূৰত নহয়। যমুনা নদী আৰু পুৰণা নগৰ-প্ৰাচীৰৰ মাজৰ ডৰিয়াগঞ্জ নামৰ ঠাইৰ এমূৰে এটা বঙলাঘৰত তেওঁ বাস কৰে। তাতে ৰোগীও চায়।

ডাক্তৰ আনচাৰিৰ ৰোগী-চোৱা কোঠালৈ সোমাই যাওঁতে তাৰ বুকু-খনে ভয়ত ধান বনাদি বানিছিল। ডাক্তৰ বুলিলেই তাৰ পেটতে হাত-ভৰি লুকাব খোজে। ডাক্তৰে কৰা অনেক মাৰাত্মক অস্ত্ৰোপচাৰৰ কথা সি শুনিছে। তেওঁলোকে হেনো অৱলীলাক্ৰমে কেতিয়াবা মানুহৰ পেট ফালে; কেতিয়াবা হয়তো কাৰোবাৰ গাৰ একোটা অঙ্গকে কাটি পেলায়। তাতে পেহীজানে সকলো কথা বঢ়াই বঢ়াই কওঁতে কওঁতে তাৰ ডাক্তৰলৈ ভয় নিতৌ বাঢ়িহে গৈছিল। তাৰ ধাৰণা হৈছিল ডাক্তৰবোৰৰ গাত শতকৰা আঢ়ৈকুৰি ভাগ একোটা কচাই আৰু আঢ়ৈকুৰি ভাগ একোটা নৰ-ঘাতকৰ গুণ থাকে। ডাক্তৰ আনচাৰিও আধা-কচাই আধা নৰ-ঘাতক এজন মানুহ হ'ব বুলি আনোৱাৰে ধৰি লৈছিল। আৰু প্ৰথমেই মানুহজনৰ থিং খাই থকা প্ৰকাণ্ড মোচকোচা দেখি সি ভাবিলে, তাৰ অনুমান সঁচা। আজি ইয়াৰপৰা হাত-ভৰি কিবা এটা এৰি নোযোৱাকৈ যাব পৰা টান আছে। কিন্তু মানুহজনৰ চকুহাল দেখি আৰু মাতটো শুনি সি অবাক হ'ল। ভয়াৰ্ত্ত আনোৱাৰে এনে এযোৰ মোচ থকা এজন মানুহৰ কেনেকৈ ইমান মৰমীয়াল এহাল চকু আৰু ইমান কোমল এটা মাত থাকিব পাৰে কোনোমতেই ভাবি উলিয়াব নোৱাৰিলে। নিখুঁত চাহেবী সাজ-পাৰ পিন্ধি আছে ডাক্তৰে। কিন্তু কথা-বতৰা কৈছে নিভাঁজ হিন্দুস্থানীতে।

"কিউ বেটা, কিয়া হাল হেই?"

—কি বাচা, তোমাৰ কেনে?—

আৰু একো কথাই ক'ব লগা নহ'ল ডাক্তৰে। ক্ষন্তেকতে আনো-ৱাৰৰ সকলো ভয়-ভ্ৰান্তি নাইকিয়া হ'ল। আৰু সি মুকলি মনেৰে কথা পাতিবলৈ ধৰিলে। ইকথা সিকথাকৈ সি তাৰ পঢ়া-শুনাৰ কথা, স্কুলৰ কথা, অমৃতচৰ ভ্ৰমণৰ কথা, জালিয়ানৱালাবাগৰ কথা, সকলো মুখস্থ মতাদি তেওঁক কৈ যাব ধৰিলে। জালিয়ানৱালাবাগৰ নৃশংসতাৰ কথা আনো-ৱাৰৰ মুখত শুনি হঠাৎ আনচাৰিৰ মিহি কপালখন উত্তেজনাত থুপ খাই উঠিল। উজ্জ্বল হাঁহো-হাঁহো চকুহাল কৰুণ, চলচলীয়া হ'ল। হাতত লৈ থকা তীক্ষ্ণ জোঙা কাগজকটা চুৰিখনৰ আগটো জোৰেৰে ব্লটিং পেড্-টোত বহুৱাই দিলে। তথাপি তেওঁ অকমাণ লৰাটোক এই বিষয়ে বেছি

কৰলৈ বা ভাবিবলৈ সুবিধা নিদি কৌশলেৰে অন্য বিষয়ৰ অৱতাৰণা কৰিলে। তেওঁ পাৰ-চৰাই, চিলা আৰু উৰাজাহাজৰ কথা উলিয়ালে। আনোৱাৰৰ ঔৎসুক্য দেখি কথাই কথাই তেওঁ ক'লে, "জানা আনোৱাৰ, তুমি ডেকা হোৱা মানে উৰাজাহাজ আজিকালিৰ ৰেল-জাহাজৰ দৰে এটা সাধাৰণ কথা হৈ পৰিব।" কথাষাৰ শুনি আনোৱাৰৰ নিজৰ কাণকে বিশ্বাস কৰিবৰ মন নগ'ল। আশ্চৰ্য্যত তাৰ চকু দুটা বৰ বৰ একোটা হৈ পৰিল।



ডাক্তৰৰ লগত কথা পাতোতে তাৰ লাজ ভয় বা সঙ্কোচ একোৱেই লগা নাছিল। বৰং অকাৰণ এক আনন্দত সি যেন নিজকে পাহৰি গৈছিল। হঠাৎ এটা কথা সি অনুভৱ কৰিলে। আৰু অনুভৱ কৰি সি অবাক হৈ গ'ল। উৱা; তাৰ সেখোন অসুখ ভাল হৈয়ে গৈছে। ডিঙিটো অকণো চেৰচেৰোৱা নাই; জ্বলা নাই। জ্বৰ-জ্বৰ যেন লগাও নাই অকণো। কোঠাটোৰ দুৱাৰ-খিড়িকী কেউফালে মেলা আছে। ফেৰফেৰকৈ বতাহ সোমাইছে। অথচ অহাৰ পৰা এতিয়ালৈকে সি এবাৰো হাঁচিওৱা নাই। কাহ এটাও মৰা নাই। ডাক্তৰজনে কিবা যাদু-মন্ত্ৰ জানে নেকি বাৰু? মানুহজনে আনোৱাৰৰ লগত এনেভাৱেৰে কথা পাতিছে যেন আনোৱাৰৰ কিবা অসুখ হোৱা কথা তেওঁ কবই নোৱাৰে। আৰু তাৰো এনে লাগিছে যেন সি সম্পূৰ্ণ নিৰোগী। কথা কৈ কৈয়ে তেওঁ এবাৰ আনোৱাৰক ধেমালিৰ চলেৰে শুবলৈ ক'লে। ৰেল, মটৰ, ভ্ৰমণ, আদি সি ভাল পোৱা কথা কৈ কৈয়ে তেওঁ তাৰ নাড়ী পৰীক্ষা কৰিলে। ষ্টেথ'স্কপ লগাই তাৰ বুকু পৰীক্ষা কৰিলে। পেটত আঙুলিৰে টুকৰিয়াই চালে। মানুহজনৰ হাতখনো ইমান কোমল। ইমান মৰম সনা। স্পৰ্শ কৰিলে আৰু চুই থাকক যেন লাগে। আঙুলিবোৰ দীঘল-দীঘল জোঙা, কপাহৰ জোলাৰ নিচিনা। আনোৱাৰে ভাবিলে এইখন হাতেৰে চুলে অকমান কেঁচুৱা এটায়ো দুখ পাব নোৱাৰে। অথচ এই ডাক্তৰ আনচাৰিয়ে এইখন হাতেৰে

সেই মাৰাত্মক অস্ত্ৰোপচাৰবোৰ কেনেকৈ কৰে। নাই, আনোৱাৰৰ বিশ্বাস নহয়। সেইবোৰ মানুহে এনেই উলিওৱা ফাকি কথা।

"ঠিক আছে, ডেকা ল'ৰা!" আনোৱাৰক ধৰি থিয় কৰাই দি ডাক্তৰে তাৰ গাত হাত ফুৰাই ক'লে। ইমান কোমলকৈ কথাবোৰ তেওঁ কৈছিল যে আনোৱাৰৰ এনে লাগিল যেন সেইবোৰ কথা নহয়,—কিছুমান সশব্দ-মৰমহে: "একো চিন্তা নাই। তোমাৰ একেবাৰে একো হোৱা নাই। কিন্তু এটা কথা। তোমাৰ দৰে চালাক-চতুৰ লৰা সদায় স্কুলতে সোমাই থাকি সময় নষ্ট কৰা মই বৰ ভাল নেদেখো। পঢ়া-শুনাৰ ওপৰিও তুমি অলপ লৰা-ঢপৰা কৰিব লাগে। মুকলি ঠাইত, বাগানত, ফিল্ডত ফুৰিব লাগে। বহুত দূৰ দূৰ খোজ কাঢ়িব লাগে। তেহে।" তাৰ পিচত আনোৱাৰৰ আব্বাজানলৈ চাই ক'লে—"চাওক আকবৰ চাহেব, মহানগৰীৰ এই হুলস্থূল আৰু অস্বাস্থ্যকৰ আৱহাওৱাৰপৰা আঁতৰাই আপোনাৰ ল'ৰাক কিছুদিন কোনোবা গাঁৱে-চাৰে ৰাখিব নোৱাৰেনে?"

আকবৰ আলিয়ে ডাক্তৰ আনচাৰিক ভালকৈ জানে। তেওঁ পুতেকক স্বাস্থ্যকৰ ঠাইত কিছুদিন থবলৈ মান্তি হ'ল। গড়গাঁৱত থকা তাৰ ডাঙৰ-আব্বাৰ ঘৰত আনোৱাৰ সহজেই কিছুদিন থাকি আহিব পাৰিব। তদুপৰি তহচিলৰ গাওঁবোৰলৈ আমজাদ আলি প্ৰায়ে মফস্বললৈ গৈয়ে থাকে। আনোৱাৰেও ইচ্ছামতে ফুৰাচকা কৰিব পাৰিব।

আনোৱাৰহঁত আহিবলৈ ওলাল। এনে সময়তে দুজন মানুহ কোঠাটোলৈ সোমাই আহিল। দুজন প্ৰকাণ্ড ডাঢ়িয়া মানুহ। গাত বিৰাট-বিৰাট আৰবী পোছাক। মানুহ দুজন ইমান শকত-ডাঙৰ আৰু সাজ-পাৰো ইমান ডাঙৰ-ডাঙৰ যে সৰু কোঠালিটো যেন মানুহ দুজনৰেই একেবাৰে ভৰ্ত্তি হৈ গ'ল। আনোৱাৰহঁতলৈ ঠাইৰে নাটনি হৈ পৰিল। মানুহ দুজনৰ আচহুৱা চেহেৰা-পাতি আৰু গলগলীয়া মেঘ-গজা-হেন মাত শুনি আনোৱাৰৰ অলপ ভয়-ভয় লাগিল। আহিছেও একেবাৰে ধুমুহাৰ দৰে, একোকে নগণি দপ্‌দপকৈ সোমাই। দুয়োজনেই শকত-আৱত। হলেও তাৰে এজন একেবাৰে পৰ্ব্বতাকাৰ। এই মানুহজনে কথা ক'লে ঘৰটো কঁপি উঠা যেন লাগে। তেওঁ ক'লে—"আনচাৰি, আমি এতিয়া যাওঁ। তোমাক আকৌ ভাটিবেলাকৈ লগ ধৰিমহি।" আনজনে হাতত দুখনমান বাতৰি-কাকত লৈ আহিছিল। তাৰে এখন মেজত থৈ তেওঁ ক'লে,—"তুমি এইখন মনোযোগেৰে পঢ়ি থবাচোন। আবেলিকৈ তোমাৰ মতামত মোক জনাবা।" যেনেকৈ ধুমুহাৰ দৰে দুয়ো সোমাই আহিছিল তেনেকৈয়ে আকৌ দুয়ো ওলাই গ'ল। উশাহ বন্ধ কৰি আনোৱাৰ বৈ আছিল। এতিয়া উশাহ সলাই খিড়িকীৰ

কাকেৰে ডিঙি মেলি চাই সি দেখিলে দূৰত অদ্ভুত মানুহ দুজনৰ প্ৰকাণ্ড আৰবী-পোছাক বতাহত ফৰ্‌ফৰাই উৰিছে।

"কি চাইছা? সেয়া কোন কোন জানা?" অবাক হৈ অপসৃয়মান ব্যক্তিদ্বয়লৈ চাই থকা আনোৱাৰৰ মনোভাব বুজি মিচিকিয়াই হাঁহি ডাক্তৰ আনচাৰিয়ে সুধিলে। আনোৱাৰে নেজানো বোলাত তেওঁ ক'লে বোলে সেয়াই স্বনামখ্যাত মোহাম্মদ আলি আৰু চৌকৎ আলি। আব্বাজানৰ 'বৈঠক'ৰ আলোচনাত একাধিকবাৰ এই নাম দুটা শুনা আনোৱাৰৰ মনত আছে। এই ভ্ৰাতৃদ্বয়েই বিখ্যাত খিলাফৎ আন্দোলনৰ প্ৰবৰ্ত্তক। অলপতে মাথোন তেওঁলোক কাৰাগাৰৰপৰা ওলাই আহিছে। এনেকুৱা দুটা গম্ভীৰ আশ্চৰ্য্য ব্যক্তিত্বলৈ স্বয়ং চৰকাৰেও যে ভয় কৰিব তাত আনোৱাৰৰ একো সন্দেহেই নেথাকিল।

আনোৱাৰ আৰু তাৰ আব্বাজান ওলাই আহোতে বিদায় সম্ভাষণ জনাই ডাক্তৰ আনচাৰিয়ে ক'লে—"ভাই আনোৱাৰ, মাজে মাজে আহিবা দেই। কিন্তু খবৰদাৰ। কাহ-পানীলগা এইবোৰ অভিযোগ লৈ নহয়।"

ডাক্তৰ আনচাৰিৰ প্ৰকাণ্ড বঙলাটো কেউফালে আচৰিত আচৰিত মানুহেৰেই ভৰি থকা যেন লাগিল আনোৱাৰৰ। আগফালৰ বহল চোতালৰ বননি ডৰা পাৰ হৈ যাওতে সি দেখিলে এঠাইত বননিতে ব'দত লেপেতি কাঢ়ি বহি থকা কোনোবা এজন মানুহক আন ভালে কেইজন মানুহে বেঢ়ি-কুৰি চাই আছে। মানুহজন নিচেই কৃশকায়। ঠেং দুখন দুডাল শুকান খৰিকাৰ দৰে। গাত খহতা কাপোৰৰ চুৰিয়া আৰু কুৰ্ত্তা-চোলা। বহি বহি তেওঁ একাগ্ৰমনে যতঁৰত সূতা কাটিছে। মানুহজনৰ মূৰত ওৰণি লোৱাৰ দৰে এখন কাপোৰ এনেই পেলাই থোৱা হৈছে। দূৰৰপৰা দেখোতে আনোৱাৰে তেওঁক এজনী মাইকী মানুহ বুলিয়ে ভাবি-

ছিল। আনোৱাৰহঁত ওচৰ পালত মানুহ গৰাকীয়ে এক মুহূৰ্ত্তৰ বাবে যতঁৰ ঘূৰোৱা বন্ধ কৰিলে। লাহেকৈ মূৰৰপৰা কাপোৰখন গুচালে। এখন ডাঙৰ ঘূৰণীয়া ফ্ৰেমৰ চশ্মা পিন্ধা সৰু মুখ ওলাই পৰিল। অতি মৰম লগাকৈ বহুত দিনৰ চিনাকি বন্ধুৰ দৰে মানুহজনে আনোৱাৰলৈ চাই হাঁহিলে। নিতান্ত শিশু-শিশু স্নিগ্ধ হাঁহি। আনোৱাৰৰ বৰ অস্বস্তি লাগিল। এনেদৰে মুখেৰে নেমাতি কেৱল হাঁহিৰে জনোৱা সম্ভাষণৰ কেনেকৈ উত্তৰ দিব লাগে আনোৱাৰে নেজানে। উপায় নেপাই সিও দোষী-দোষী ভাবেৰে মিচিক্ কৰে হাঁহিকে দিলে। অকণমানকৈ তপা সৰু মূৰটো আকৌ কাপোৰৰ তললৈ সোমাই গ'ল। আকৌ যঁতৰটোৱে ৰং মনেৰে কেৰ-কেৰাব ধৰিলে।

অলপ দূৰ আহি আনোৱাৰে প্ৰশ্নসূচক দৃষ্টিৰে আব্বাজানলৈ চালে। তাৰ মনৰ ভাব বুজি আকবৰ আলিয়ে ক'লে—"এখেতেই হ'লগৈ মহাত্মা গান্ধী। এখেত, মোহাম্মদ আলি, চৌকৎ আলি, ডাক্তৰ আনচাৰি, এওঁ-লোক সকলো লগ হৈ স্বৰাজৰ বাবে কাম কৰিছে।"

"স্বৰাজ মানে কি, আব্বাজান?" আনোৱাৰে সুধিলে।

"স্বৰাজ মানে নিজৰ চৰকাৰ। ভাৰতীয়ৰ নিজৰ চৰকাৰ, বাচা।"

আনোৱাৰৰ মন উৰি গ'ল কেইবামাহৰো আগৰ এটা দিনলৈ। সেই দিনা তাৰ আব্বাজান আৰু কাকা ৰামেশ্বৰ দয়ালে এই মহাত্মা গান্ধীৰে কথা উলিয়াইছিল। অকণো ৰক্তপাত নকৰাকৈ তেওঁ কেনেকৈ দেশৰ পৰা বহিৰাগত সকলক খেদি পঠিয়াব খুজিছে সেই কথা আলোচনা কৰি-ছিল। আৰু, আৰু তাৰ মানে, এইজনেই সেই মহান মানুহ গৰাকী যি সপোনত আনোৱাৰক ড্ৰেগনৰ মুখৰপৰা ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিছিল!

ইমান খীন ক্ষুদ্ৰাকায় এজন মানুহ। অথচ এইজন মানুহে ভয়ঙ্কৰ ড্ৰেগনলৈকো অকণমানো ভয় নকৰে। আচৰিত হৈ সি ভালেমানপৰ মনে মনে থাকিল।

"আব্বা!"

"কি, বাচা?"

"মহাত্মা গান্ধীয়ে গুলাবীৰ নিচিনা এজনী বুঢ়ী মানুহৰ দৰে হৈ বহি বহি যঁতৰত সূতা কাটি আছে কেলৈ?"

যি কোনো কথাই পুতেকক শিকাবলৈ বা বুজাবলৈ পালে আকবৰ আলিয়ে ভাল পায়। বিশেষকৈ আনোৱাৰৰ আজিৰ ঔৎসুক্য নিবাৰণ কৰিবলৈ পায় তেওঁ বৰ আনন্দ পালে। "বাচা, মহাত্মাই কয় আমি

ভাৰতীয়সকলে বিদেশী কাপোৰ-কানি কিনি পিন্ধিলে কোটি-কোটি টকা ইংলণ্ড আদি ঠাইৰ বিদেশী মানুহৰ হাতলৈ ওলাই গুচি যায়। গতিকে আমি যদি ঘৰত কটা সূতাৰ খদ্দৰ কাপোৰ পিন্ধা নিয়ম কৰো তেন্তে এই ধন আমাৰ দেশতে থাকি যাব। তদুপৰি আমাৰ দেশত লাখ লাখ নিবনুৱা মানুহ আছে। তেনেকৈয়ে লাখ লাখ মানুহে আকৌ যি উপাৰ্জ্জন কৰে তাৰে ভালকৈ খাবলৈ-পিন্ধিবলৈ জোৰাব নোৱাৰে। দুখীয়া খেতিয়কসকলে আকৌ খেতিৰ দিনকেটাৰ বাহিৰে বাকী সময়খিনিৰ এনেই শুই-বহি কটাব লগাত পৰে। এনে স্থলত আমি আটায়ে যদি খদ্দৰ পিন্ধা নিয়ম কৰো তেন্তে এই মানুহবোৰৰ কাৰণে এটা উপকৰা উপাৰ্জ্জনৰ বাট মুকলি হয়। এয়াতো এয়াই। তদুপৰি মহাত্মাই কয় সূতা-কটাৰ অভ্যাস কৰিলে মানুহ ধৈৰ্য্যশীল হয়। ই মানুহক সৰল, বিনীত আৰু নম্ৰ কৰি ৰাখে।"

"আব্বাজান।"

"কোৱা, আনোৱাৰ?"

"আব্বাজান, তুমি মহাত্মা গান্ধীক ভাল পোৱা?"

"পাওঁ বাচা। তেখেত মহান। তেখেতক সকলোৱে ভাল পায়।"

"আব্বাজান।"

"বাচা?"

"আব্বাজান, মযো মহাত্মাক ভাল পাওঁ। অতি ভাল পাওঁ।"



গড়গাৱঁৰ শুকান শীতল স্বাস্থ্যকৰ জলবায়ুয়ে আনোৱাৰৰ ব্ৰংকাইটিচ এমাহতে ভাল কৰি পেলালে। এই এমাহৰ দোভাগখিনি সময় সি মুকলি বতাহতে ৰং মনেৰে কটালে। স্বাস্থ্যবো আগতকৈ উন্নতি হ'ল। আনোৱাৰৰ ডাঙৰ-আব্বা সকলো কথাতে শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত বৰ কড়া। আনোৱাৰ, ৰৌফ আৰু ৰৌফৰ পাঁচ-ছয় বছৰীয়া ভনীয়েক বিল্‌কিচ সদায় চল-পুৱাতে উঠিবই লাগিব। ইমান ৰাতিপুৱাই কোমল বিছনাৰ উম এৰি উঠি অহা এলা-পেচা কথা নহয়। কিন্তু এবাৰ উঠি বাহিৰ ওলাই আহি

চেঁচা মুকলি বতাহ সেৱন কৰিবলৈ পালে অৱশ্যে সকলো ঠিক হৈ যায়। আনন্দত মন ভৰি উঠে। সজীৱ হৈ উঠে। বাহিৰৰ খোলা পথাৰত সিহঁতে দৌৰাদৌৰি কৰে; ইটোৱে সিটোক খেদে। বৌফ বয়সত ডাঙৰ; ওখও। সি সকলোতকৈ আগ হয়। বিল্‌কিচজনী টিপ্‌টিপি, আটাইতকৈ সৰু। আনোৱাৰে তাইক পিচ পেলাই গ'লেই তাই চিঞৰি কান্দি একেবাৰে হুলস্থুল লগাই দিয়ে। তেতিয়া আনোৱাৰ বৈ দিয়ে, তাই আহি লগ ধৰেহি। বিল্‌কিচৰ বেছিকৈ ভাগৰ লগা যেন দেখিলে সিহঁত তিনিও গৈ এটা সৰু নিজৰা পাৰত বহি জিৰণি লয়। পথাৰৰ মাজে মাজে মন্থৰ গতিত বৈ থকা নির্ম্মল পানীৰ নিজৰাটো চাই থাকি সিহঁতৰ ভাল লাগে।

বিল্‌কিচক আনোৱাৰৰ বৰ ভাল লাগিছিল। তাই অকণমান, কোমল, আলসুৱা;—অথচ প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰপূৰ। তাইৰ ৰেশমৰ দৰে চুলি-কোচাৰ ৰংটো উজ্জ্বল বাদামী। সৰু এদাল ফিটাৰে গোটাই বান্ধি থোঁৰা-ফানৰ দৰে ওলোমাই থয়। যেতিয়া তাই দৌৰে ঘোঁৰাফানৰ চুলিকোচা অদ্ভুত ধৰণে কিটিপ্ কিটিপ্ কৈ উঠা-নমা কৰে। দেখিলে ইমান যে হাঁহি উঠে আনোৱাৰৰ। বৌফকো আনোৱাৰৰ ভাল লাগিছিল। পিচে সি আৰু বৌফ সম্পূৰ্ণ বেলেগ পৰিৱেশত বেলেগ শিক্ষা-দীক্ষাৰে ডাঙৰ হোৱা ল'ৰা। বৌফৰ কিছুমান অভ্যাস কথা-বতৰা দেখি মাজে-মাজে আনোৱাৰ আচৰিত হৈ যায়। কেনেকুৱা ল'ৰা! আকবৰ আলিয়ে আনোৱাৰক সকলোকে সন্মান কৰিবলৈ শিকাইছিল। আনকি ঘৰৰ চাকৰ-নাকৰকো হেয় জ্ঞান কৰি কথা-বতৰা ক'বলৈ বা কোনো অসন্মান-জনক উক্তি কৰিবলৈ নিদিছিল। এবাৰ গুলাবীক পেহী নুবুলি নাম কাঢ়ি মাতোতে আব্বাজানে তাক ক্ষমাতো খোজাইছিলেই, আকৌ দিনটো একো খাবলৈ নিদি ৰাখি শাস্তি বিহিছিল। কিন্তু ইয়াত একেবাৰে ওলোটা। বৌফে চাকৰবোৰক নাম কাঢ়ি মতাতো সাধাৰণ কথা, হোৱাই নোহোৱাই বকা-জকা কৰিছিল, গালি পাৰিছিল। আনকি কেতিয়াবা এনে অমা-র্জ্জিত ভাষাও প্ৰয়োগ কৰিছিল যে শুনিয়েই আনোৱাৰ লাজতে মূচকচ যোৱাৰ দৰে হৈছিল।

তহ্‌চিলদাৰ আমজাদ আলিৰ ঘৰত বনকৰা মানুহৰ হিচাব নাই। এটাক মাতিলে তিনিটা আহে। নিজে দৰ্ম্মহা দি ৰখা খিনিৰ ওপৰিও আধা ডজনমান চৰকাৰী পিয়নো তেওঁৰ ঘৰতে খাটিছিলহি। আৰু সিহঁতে বৌফক খাতিৰ কৰি তাক সন্তুষ্ট ৰাখিবলৈ পাৰেমানে চেষ্টা কৰিছিল। বৌফেও এই সুযোগ লৈ সিহঁতৰ ওপৰত সকলো প্ৰকাৰে প্ৰভুত্ব খটাবলৈ পাচ নুহৈকিছিল।

ৰাতিপুৱা ফুৰি-চাকি লৰা-ঢপৰা কৰি যেতিয়া উভটি আহে তেতিয়া ভোকত সিহঁতৰ পেটে তল-ওপৰ কি-খাওঁ—কি-খাওঁ লগায়। আৰু অকণো পলম নকৰি সিহঁতৰ বাবে ৰৌফৰ মাকে মেজত সজাই থোৱা জলপানত উবুৰি খাই পৰেহি কেউটা। ৰৌফৰ মাকক আনোৱাৰে ডাঙৰ-আম্মা বুলি মাতিছিল। ডাঙৰ-আম্মাই তাক মৰম কৰিছিল। মানুহ গৰাকী এনেকৈ বেয়া নহলেও ভয়ঙ্কৰ এলেহুৱা। দিনটোত তেওঁ কমেও এশখন 'পাণ' খায়। ঘৰখনৰ গোটেইবোৰ কাম চাকৰ-নাকৰেই ভাগে-ভাগে কৰে। আনোৱাৰে কেতিয়াও তাৰ ডাঙৰ-আম্মাক ভুলতো এগছ-কুটা দুগছ্ কৰা দেখা নাই। কথাষাৰ ভাবিলেই তাৰ ঘৰৰ পেহীজানলৈ মনত পৰি যায়। বেচাৰী মানুহ গৰাকী! ৰন্ধা-বঢ়াৰপৰা ঘৰ সৰা কাপোৰ চিলোৱালৈকে সকলো কৰি দিনটো তেওঁ এখন্তেক মূৰ ডাঙিবলৈ সময় নেপায়। সেযাতো সেয়াই। আকৌ আত্তুমকো গুলাবীক কাহী-বাটি মজা আদিত সহায় কৰিবলৈ লগাই দিয়েহে। কিন্তু ইয়াত? চৰকাৰী চাকৰিয়ালৰ ল'ৰা-ছোৱালীয়ে কাম কৰা দূৰৰ কথা সিহঁতৰ সকলো আউল মাৰিবলৈকো বেলেগাই মানুহ আছে। এই কথাটো আনোৱাৰৰ কেনেবা-কেনেবা লাগে। বিসদৃশ! নিজে শোৱা বিছনাখনো আনে জাৰি-জোকাৰি পাৰি দিব। জোতাযোৰতো আনে ৰং কৰি দিব। কি কাণ্ড! এইবোৰ আছিল আনোৱাৰৰ বাবে অচিন্তিতপূৰ্ব্ব, আচৰিত কথা!

জলপান খাই উঠি ৰৌফ স্কুললৈ যায়। আমজাদ আলিও কাছাৰিলৈ ওলাই যায়। ডাঙৰ-আম্মাই ঘোঁৰা-বাগৰ এটা মাৰি লবলৈ বিছনাত উঠে। দুপৰিয়াৰ আহাৰ খাবলৈ আকৌ উঠিবই লাগিব। অৱশ্যে ঘোঁৰা-বাগৰ তিনি চাৰি ঘণ্টাৰ! আৰু বিল্‌কিচে তাইৰ পুতলাৰ পোছাৰখন উলিয়াই লয়! ফলত এই সময়ছোৱা হৈ পৰে আনোৱাৰৰ নিজা। অকলশৰীয়া হৈ সি তাৰ বাবে আছুতীয়া কৰি দিয়া নিজৰ কোঠাত সোমাই গৈ আৰু

তাৰ বাকচ খুলি গোপন সা-সম্পত্তিবোৰ উলিয়াই লয়। সেই সম্পত্তি অইন একো নহয়,—কিছুমান কিতাপ। আহিবৰ সময়ত আব্বাজানে তাক সেইবোৰ দি কৈছিল—“চোৱা বাচা, তাত থকা সময়ৰ ভিতৰতে তুমি যদি এইখিনি পঢ়ি শেষ কৰিব পৰা মই নপৈ সন্তোষ পাম। স্কুল খতি কৰা বাবে পঢ়া-শুনাত অলপ হানি হ'ব যদিও এইখিনি পঢ়িলে তাৰ কেইবাগুণো বেছি ক্ষতিপূৰণ হৈ যাব।”

আকবৰ আলিয়ে বাছি দি পঠোৱা কিতাপখিনি বঢ়িয়াকৈ বন্ধোৱা। কেইখনমান সৰু, কেইখনমান যথেষ্ট বৃহৎ কলেৱৰৰ। কিতাপবোৰ আনোৱাৰৰ ভাল লাগে। ৰঙীন বেটুপাতৰ ওপৰত সোণালী আখৰেৰে গ্ৰন্থকাৰ আৰু কিতাপৰ নাম ছপোৱা আছে। দেখিলেই ভাল লাগে। আনোৱাৰৰ বেছি ভাল লাগে কিতাপবোৰৰ মৃদু গোন্ধবোৰ। নতুন কাগজৰ ফুৰফুৰীয়া গোন্ধ। নতুন কাগজ, ছপাশালৰ চিয়াহি, আঠা আৰু চামৰাৰ বেটুপাত, গোটেইবোৰ মিলি ভাষাৰে বুজাব নোৱাৰা অতুলনীয় যিটো কিতাপৰ-গোন্ধ ওলায় সি আনোৱাৰক পুলক-মতলীয়া কৰি তোলে। আৰু পাঁচ? পঢ়ি যি আনন্দ পোৱা যায় তাৰতো তুলনাই নাই। এই-বোৰ যেন কিতাপ নহয় এখন এখন খিড়িকী। মেলি চাই পঠিয়ালেই চকুৰ আগত উদ্ভাসিত হৈ উঠে নতুন-নতুন দিগন্ত; নতুন-নতুন আশ্চৰ্য্য-সুন্দৰ এখন-এখন পৃথিৱী। আনোৱাৰে মাত্ৰ চকুৰ আগত এখন কিতাপ মেলি ল'লেই হ'ল। অদৃশ্য এক শক্তিয়ে তাক নানান আশ্চৰ্য্যৰে ভৰা অজান দেশলৈ আনন্দ উত্তেজনাৰ অভিযাত্ৰাসুলভ পথেদি ৰুদ্ধশ্বাসে কঢ়িয়াই লৈ যাব।

ইতিমধ্যে কেইবাখনো কিতাপ আনোৱাৰে পঢ়ি শেষ কৰিছে। সেই-বোৰ কিতাপে তাৰ কল্পনা ৰাজ্যক ভীষণ ভাৱে দোলা দিও গৈছে। এখন কিতাপৰ নাম “চাৰ দৰবেশ।” ইৰাণৰ চাৰিজন দৰৱেশ অৰ্থাৎ সাধুৱে তাক তেওঁলোকৰ লগত অনেক অদ্ভুত আৰু দুঃসাহসিকতাৰে পৰি-পূৰ্ণ অভিজ্ঞতাৰ মাজলৈ লৈ গৈছিল। ঈছপৰ জন্তু আৰু মানুহৰ সাধু অথবা সৰল-সহজ মকৰা কথাৰে লেখা “হিয়ায়ত-ই-লোকমান” পঢ়িও আনোৱাৰে অনেক বাস্তৱ-জ্ঞান লাভ কৰিলে। শ্বাৰাৰৰ “বেহিস্ত-ই-বেৰীন” পঢ়ি তাৰ এনে লাগিছিল যেন সি সেই ধূৰ্ত্ত নায়কৰ ছবী, মধুৰ নদী, গান গোৱা চৰাই আদিৰে পৃথিৱীতে স্বৰ্গ সাজি মানুহক অসৎ পথলৈ আনিব খোজা দিনবোৰলৈ গুচি গৈছে। কিন্তু আনোৱাৰক আটাইতকৈ বেছি অভিভূত কৰি তুলিছিলি “মুছাদ্দক-ই-হালি” নামৰ কিতাপখনে। ইছলামৰ উত্থান-পতন লৈ ৰচনা কৰা এই মহাকাব্য, পানীপথৰ যাৰ কবৰত

আনোৱাৰ আৰু তাৰ আব্বাজানে সন্মান প্ৰদৰ্শন কৰিছিল সেইজন মহা-কবিৰে ৰচনা। নবছৰীয়া এই অকমাণ ল'ৰাটোৱে কবিতাৰ ভাল-বেয়া কিয়েইবা বুজে! সি আনকি পুথিখনৰ ঐতিহাসিক তাৎপৰ্য্যৰো একো আগ-গুৰি ধৰিব পৰা নাছিল। তথাপিও অমৰ কবিৰ ছন্দৰ ললিত-সুৰ আৰু শব্দ-গাঁথনিৰ মাধুৰ্য্যই তাক স্বতঃপ্ৰণোদিতভাৱেই আৱেগৰ সোঁতত উটুৱাই লৈ গৈছিল। কোৰানৰ আয়াত আবৃত্তি কৰোতে যেনে লাগে ঠিক তেনে আনন্দ আৰু শক্তিৰ এটা উচছ্বাস সি স্নায়ুৱে স্নায়ুৱে অনুভৱ কৰিছিল হালিৰ প্ৰত্যেক ছত্ৰ কবিতা আবৃত্তি কৰোঁতে। অনেক উক্তি তাৰ মনত চিৰদিনলৈ গঁঠা হৈ গৈছিল।

প্ৰত্যেকবাৰ পঢ়োতে আনোৱাৰ অনুপ্ৰেৰীত হৈছিল; গৰ্ব্ববোধ কৰিছিল; হতাশ হৈছিল; লাজে-অপমানে নিচেই সৰু হৈ যোৱা যেন বোধ হৈছিল। সন্দেহ নাই, কবিয়েও তেওঁৰ পাঠকৰ মনত ঠিক এনে প্ৰতিক্ৰিয়া হোৱাই বাঞ্চা কৰিছিল। কিন্তু পঢ়ি উঠাৰ পিচত কিবা এটা পৰিবৰ্ত্তনৰ আৱশ্যকতাবোধ, জ্ঞানৰ আলোকেৰে অজ্ঞানতাৰ আন্ধাৰ দূৰ কৰাৰ কিবা এটা প্ৰত্যয়, মনত ক্ষীণভাৱে হলেও জাগি উঠে। সন্দেহ নাই, পাঠকৰ মনত এই প্ৰতীতী জগাই তোলাও কবিৰ অন্যতম উদ্দেশ্য আছিল।

চিৰাচৰিত পৰিবৰ্ত্তনৰ মাজেদি ঋতুৱে বাগৰ সলায়। তহ্চিলদাৰৰ বঙলাঘৰৰ খিড়িকীৰে সোমোৱা যি বতাহে অলপ দিনৰ আগেয়েও হাড়-লৈকে কঁপাই তুলিছিল সেই বতাহৰ বৰফ-স্পৰ্শ ঋতু-পৰিবৰ্ত্তনত হেৰাই গ'ল। চাৰিওফালৰ খাল-ডোং আৰু পথাৰৰ ওপৰত পুৰা ওলমি-ওলমি ওপঙি থকা কুঁৱলীবোৰ বেলিৰ পোহৰত অদৃশ্য হ'ল। জাৰকালিৰ শইচ গোমধান সময়মতে কটা হ'ল। গৰমকালিৰ শইচ যেহুঁৰ বাবে খেতি-য়কে তৰী উলিয়ালে। জলন্ত জেঠমাহ ঘৰ্ম্মাক্ত কলেৱৰেৰে উপস্থিত হ'লহি। ভয়ঙ্কৰ 'লু'ৰ ভয়ত দিনৰ দুপৰীয়াৰপৰা সন্ধ্যালৈ কোনো ল'ৰাই যাতে ঘৰৰ দুৱাৰ-ডলি পাৰ নহয় তাৰ বাবে কঢ়া-কঢ়ি ব্যৱস্থা লোৱা হ'ল। ক্ৰমে বাহিৰত বোৱা বতাহ ইমানেই তপত হৈ আহিব

ধৰিলে যে তিয়াই থোৱা 'খুশ' পৰ্দ্দাবোৰ ই লগে লগে শুকুৱাই শুকুৱাই নিয়া হ'ল। আৰু সেই বাবে আমজাদ আলিৰ তিনিটা চাকৰ অবিৰাম এই পৰ্দ্দাবোৰ তিয়াই থকা কামতে পৰিব্যাপ্ত হৈ পৰিল।

ৰৌফইতৰ লগত ধেমালি-ধুমুলা কৰা, আব্বাজানে আগৰ খিনিৰ ওপৰিও আৰু এবাৰ পঠাই দিয়া কিতাপবোৰ পঢ়া, আৰু মাজে মাজে ৰতনলৈ চিঠি লেখা, ইয়াৰ বাহিৰে কৰিবলৈ আনোৱাৰৰ একো নাছিল। তেনেকৈয়ে দিনবোৰ সি কটাবলৈ ধৰিলে। ৰতনৰ চিঠি পালে তাৰ ভাল লাগিছিল। অমৃতচৰৰ তাৰ এই বন্ধুজনে প্ৰায় প্ৰত্যেক সপ্তাহতে এখনকৈ হলেও চিঠি দিছিলেই। ৰতনৰ চিঠিবোৰ সৰু ল'ৰাৰ দৰে নহয়। গধুৰ। কৰাল বাস্তৱৰ তপত সেমেকা নিশ্বাসেৰে ভৰা। আনোৱাৰ এতিয়া সুৰক্ষিত চৰকাৰী চাকৰিয়ালৰ বঙলাৰত বাস কৰিছে। ইয়াৰ পৰিৱেশ শান্ত, শীতল, আবেশপূৰ্ণ। কিন্তু ৰতনৰ চিঠিৰ তপত নিশ্বাসে এই পৰিৱেশো যেন উত্তাল কৰি তুলিব খোজে। এখন চিঠিত ৰতনে লেখিছিল অমৃতচৰৰ কংগ্ৰেছ অধিবেশনত সি নেতাসকলৰ আৱাস শিবিৰত স্বেচ্ছাসেৱকৰ কাম কৰাৰ কথা। এবাৰ হেনো মহাত্মা গান্ধীক নিজ হাতেৰে পানী আনি দিয়াৰ সৌভাগ্যও তাৰ হৈছিল। অধিৱেশনৰ সকলো খুটি-নাটি কথা, সভাত যোগ দিয়া নেতাসকলৰ কথা, তিলক, আলি ভ্ৰাতৃ-দ্বয়, আৰু আনোৱাৰৰ চিনাকি ডাক্তৰ আনচাৰিৰ কথা ৰতনে ফঁহিয়াই ফঁহিয়াই লেখিছিল। আৰু আনোৱাৰৰ ৰতনৰ প্ৰতি ভয়ানক ভাৱে ঈৰ্ষা উপজি গৈছিল। ইমান সৌভাগ্য ৰতনৰ।

ৰতনে তাৰ নিজৰ দুখ-দুৰ্দ্দশাৰ কথাও অৱশ্যে বন্ধুক জনাইছিল। সেইবোৰ শুনি ৰতনৰ জীৱনৰ লগত তাৰ নিজৰ সুখ আৰু আৰামেৰে পৰিপূৰ্ণ জীৱনটোৰ তুলনা কৰি আনোৱাৰৰ নিজৰে লাজ লাগি গৈছিল।

ৰতনৰ বাপেক জমাদাৰৰ মৃত্যুৰ লগে লগে তেওঁৰ চৰকাৰী পেন্সনৰ টকা কেটাৰো মুদা মৰিল। ৰতনক পঢ়ুৱাবই লাগিব। সেয়ে তাৰ বিধৱা মাকে তেওঁৰ যি অলপ গহনা-পাতি আছিল তাৰ কিছুমান বেচিলে, কিছু-মান বন্ধকত থলে। কিন্তু তাৰেও নাটে বাবে তেওঁ এতিয়া ওৰেদিন যতৰত সূতা কাটে আৰু সেই সূতা বেচি জীৱিকা আৰু ৰতনৰ পঢ়া খৰচ উলিয়ায়। "জানা বন্ধু," ৰতনে এখন চিঠিত লেখিছিল, "আমাক এই 'চৰখাটো' মহাত্মাই নিজে দিছে। নহ'লে ইমান দিনে হয়তো লঘোনে-ভোকে আমাৰ কিযে হ'লহেতেন। পঢ়া-শুনা এৰি মই কিজানি ষ্টেচনৰ বস্তু কঢ়িওৱা কামত ধৰিব লাগিলহেতেন।" এনেকৈ জীয়াই থকা কিমান কষ্টসাধ্য আনোৱাৰে কল্পনাও কৰিব নোৱাৰে। তথাপিও এই

সুতা কটা যতঁৰটোৱেই ৰতনহঁতক জীয়াই থকাৰ সমল যোগাইছে। এবাৰ সম্পূৰ্ণ এমাহ আনোৱাৰে ৰতনৰ চিঠি-পত্ৰ পোৱা নাছিল। পিচত ৰতনৰ চিঠিৰ পৰা কাৰণটো বুজিব পাৰি আনোৱাৰ মৰ্ম্মাহত হৈছিল। অনেক যত্ন কৰিও এটা পোষ্টকাৰ্ড কিনিবলৈকো ৰতনে হেনো পয়চাৰ যোগাৰ কৰিব পৰা নাছিল। আৰু সেই চিঠি পঢ়ি থকাৰ সময়ত আনো-ৱাৰৰ বাকচত প্ৰায় এধাৰ টকা পয়চা এনেই পৰি আছিল! তাক মাহে নিয়মিত ভাৱে হাত-খৰচৰ বাবে দুটাকৈ টকা দিযে আব্বাজানে। তাৰে ৰাহি হৈ হৈ সিমানখিনি হৈছেগৈ। সেইদিনা সেই চিঠি পঢ়ি অকণো নভৱাকৈ আনোৱাৰ পোনে পোনে ডাকঘৰলৈ গৈছিলগৈ আৰু পূৰা দহ টকাৰ টিকট কিনি এটা লেফাফাত ভৰাই ৰতনলৈ পঠিয়াই দিছিল। কিন্তু আনোৱাৰে নেজানে এক শ্ৰেণীৰ মানুহ আছে যি নেখাই থাকিব পাৰে, কিন্তু এনে ধৰণৰ উপহাৰ কেতিয়াও গ্ৰহণ নকৰে। পিচৰ চিঠিৰ লগতে ৰতনে গোটেইখিনি টিকট ওভটাই পঠাই দিলে! লগতে সি যিখিনি কথা লেখি পঠাইছিল—পঢ়ি আনোৱাৰে নেকান্দি থাকিব নোৱাৰিলে: "বন্ধু ভাই, ভবিষ্যতে মোলৈ কেতিয়াও আৰু এনেকৈ বস্তু নপঠিয়াবা দেই। মই জানো, মোলৈ তুমি মৰমতে এইবোৰ পঠিয়াইছা। কিন্তু তথাপিও। এইবোৰে যে মোৰ মনত বৰ দুখ দিয়ে ভাই। মাই মোক কৈছে, আমি দৰ্কাৰ হ'লে নেখাই মৰিম। তথাপিও কেতিয়াও কাৰো কোনো প্ৰকাৰৰ দয়া গ্ৰহণ নকৰে।।"

অন্তৰীক্ষত মৌচুমী ডাৱৰে ভুমুকি মাৰিলেহি। আকাশী-আৰ্শীষৰ দৰে প্ৰথম ছাটি বৰষুণে সকলো সুগন্ধৰ মাজৰ শ্ৰেষ্ঠ সুগন্ধ—সিক্ত ধৰিত্ৰীৰ বুকুৰ সুবাস মানুহৰ মাজত বিলাই দিলে। শুকান মাটিয়ে এটুকুৰা স্পঞ্জৰ দৰে পৰাৰ লগে লগে পানীবোৰ শুহি নিলে। চাই থাকোতে থাকো-তেই গাৱঁৰ পটভূমি নতুন জীৱনেৰে জাতিষ্কাৰ হৈ উঠিল। সৰু অপৰি-

স্কাৰ গড়গাওঁ নগৰখন যেন কোনোবাই ধুই-মেলি চাফ-চিকুণহে কৰি দিলে। বাটৰ ধূলিবোৰ বাটৰ বুকুতে মাৰ গ'ল। তহ্চিলদাৰৰ বঙলাৰ চৌহদতো য'তেই অকমাণ খালী ঠাই পালে তাতেই বাঁহ-বন আৰু সৰু সৰু সেউজীয়া গুল্ম জাতীয় গছ খিহ্খিয়াই গজি উঠিল। কি ভাবি জানো ডাঙৰ-আম্মায়ো বাৰীৰ সবাতোকৈ ওখ এমুৰীয়া নিম জোপাৰ শকত চাই ডাল এটাৰ পৰা এদাল ফঁইৰে 'ঝুলা' এখন ওঁৰোৱাই দিয়ালে। আৰু তাতে পাৰেমানে খেমালি কৰাত সৰু সৰু ল'ৰা-ছোৱালী কেইটা একেবাৰে মত-লীয়া হৈ উঠিল।

বছৰৰ এই সময়ছোৱা বেচ্ আৰামৰ। বেছি গৰমো নহয়, বেছি চেঁচাও নহয়। তহ্চিলদাৰে এই সময়তে তেওঁৰ অধীনৰ মহকুমা এলেকা পৰিভ্ৰমণ কৰিবলৈ ওলায়। এইবাৰো ওলাল। আৰু লগে লগে ভ্ৰমণৰ বাবে বিবিধ ধৰণৰ আয়োজনৰ হৈ-চৈ পৰি গ'ল। দূৰৰ গাৱঁত ফুৰিবলৈ যাবলৈ পোৱাৰ আনন্দত ল'ৰা-ছোৱালী তিনিটাৰো গা সাতখন আঠখন লাগিবলৈ ধৰিলে। ৰৌফে ইয়াৰ আগতেও তাৰ আব্বাজানৰ লগত মফস্বললৈ গৈছে। এনেকৈ গৈ কিমান যে ভাল লাগে আনোৱাৰ আৰু বিল্‌কিচক সি ফেনেকি-ফেনেকি কৈয়ে তত্ পোৱা নাই। পাৰেমানে বঢ়াইছেও কওঁতে। "গাৱঁত জানিছা," এইষাৰ কথাকে সি কেইবাৰ ক'লে ঠিক নাই, "মানুহবোৰে যে একেবাৰে আব্বাজানক ৰজা আৰু মোক যুৱৰাজ দেখাদি দেখে। ক'ত লওঁ ক'ত থওঁ কৰে। প্ৰত্যেকটো মানুহ আহি আমাক চালাম কৰি যাবই লাগিব নহয়। এয়া নিয়ম।" ৰৌফে ডাংকোপ মাৰি কোৱা কথাষাৰ শুনি আনোৱাৰৰ কিন্তু অকণো ভাল লগা নাছিল। বৰং সেয়া বেয়া কথা, আনন্দৰ নহয় লাজৰ কথাহে যেন ধাৰণা হ'ল তাৰ। তথাপি সি একো নক'লে। এনে কথাবোৰত পৰাপক্ষত মুখেৰে নমতাই ভাল বুলি সি বুজিছে। কাৰণ ইতিমধ্যে ৰৌফৰ লগত তাৰ মানুহে চাকৰক কেনে ব্যৱহাৰ কৰা উচিত এইলৈ এদিন ভালকৈ এখন খকাখুন্দা লাগি গৈছে। ইমান দিন হাঁহি-মাতেৰে ইয়াত থকাৰ পিচত সিদিনাৰ পৰা ৰৌফে তাক অলপ বেয়া পোৱা হ'ল। এতিয়াও ৰৌফৰ অপ্ৰিয় কিবা এটা ক'লে তাৰ সেই বেয়া পোৱা ভাৱ অনাহকতে বঢ়োৱাহে হব। ৰৌফেতো নুবুজে।

ৰৌফে কোৱা কথাৰ সঁচা-মিছা প্ৰমাণ অতি সোনকালেই পাই গ'ল আনোৱাৰে। ভ্ৰমণৰ সময়ত সকলোতকৈ আগত ঘোঁৰাত উঠি ৰজাৰ দৰে যায় তহ্চিলদাৰ খামজাদ আলি। তেওঁৰ

পিচে পিচে এখন টাঙ্গাত আনোৱাৰহঁত। সিহঁতৰ পিচত তম্বু, খাটিয়া, চকি, বাচন-বৰ্ত্তন আদিৰ বোজাই লৈ এখন গৰুগাড়ী। এয়েই তহ্‌চিলদাৰৰ কাৰাভান। গাৱঁৰ পিচত গাওঁ ৰাজকীয় জাকজমকৰে সিহঁতে ভ্ৰমণ কৰি ফুৰিব ধৰিলে। তহ্‌চিলদাৰ অহা শুনিলেই গাৱঁৰ মানুহ তটস্থ হৈ উঠে। দূৰত কাৰাভান দেখিলেই ৰাইজে ঘ'ৰে বন ত'তে এৰি ৰাজশক্তিৰ প্ৰতিনিধিক সাষ্টাঙ্গে প্ৰণিপাত কৰিবলৈ ভাগি-ভুঁহৰি আহে। যথা নিয়মে সন্মান দেখুৱাৰ পিচতো ছুটি নাই,—ঘৰ-সংসাৰ এৰি তহ্‌চিলদাৰৰ শুশ্ৰূষাত গোটেই গাৱঁৰ মানুহ উবুৰি খাই পৰিব লগা হয়। সিহঁতৰ মাজত যেন প্ৰতিযোগিতাহে আৰম্ভ হৈ যায়। ইটোতকৈ সিটো আগবাঢ়ি আহি তহ্‌চিলদাৰৰ চাকৰৰ তম্বু তৰা কামত হাত-উজান দিয়েহি। তাৰ বাবে গাৱঁৰ ওচৰৰ সকলোতকৈ ভাল সুচল ঠাই এডোখৰ অজৰাই অঁজাই-পিঅই দিয়া হয়। গছ কটাই গছ কাটে; পানী অনাই পানী আনে। 'চৰকাৰ'ৰ কোনো ইচ্ছাই পূৰণত যাতে তিলমানো পলম নহয় তাৰ বাবে সকলো সজাগ সচেষ্ট হৈ উঠে। তম্বু তৰা হৈ গ'লে তহ্‌চিলদাৰে এখন আৰামী চকিত আৰাম কৰি বহি লয়। ভৃত্যাই কাষত দীঘল নলিচাৰ গুৰগুৰী যঁতাই দি যায়হি। তাৰ পিচতে আৰম্ভ হয় মলিয়ন ফটা-চিটা কাপোৰ পিন্ধা ছালছিগা কৃষকসকলৰ শোভাযাত্ৰা। এজনৰ পিচত এজনকৈ ক্ৰম লগাই 'চৰকাৰ'ৰ ওচৰত আঠু লবহি। প্ৰত্যেকৰে এটা নহয় এটা প্ৰাৰ্থনা আছেই। প্ৰত্যেকেই দয়াৰ ভিখাৰী। "হুজুৰ, এইবাৰ শইচ একেবাৰে নহ'ল। পোকেও খালে, পানীয়েও মাৰিলে।" বা "হুজুৰ, খাজনা দিবলৈ ফুটা-কড়ি এটাও নাই।" অথবা, "হুজুৰ, আপুনিয়েই আমাৰ মাই-বাপ। ৰাখিলেও ৰাখক মাৰিলেও মাৰক।" বৌফৰ মতে এনেকৈ লোকক 'মাই-বাপ' বোলা কথাটো হেনো বৰ হাঁহি-উঠা। ইয়াৰ পৰাই হেনো ধৰিব পাৰি এই গাৱঁলীয়া খেতিয়কবোৰ কিমান অধামূৰ্খ।

নুৰ-পুৰ নামৰ গাওঁখন আছিল নিচেই সৰু। এটা ঠেক চাপৰ অহা-যোৱা কৰা বাট। গোৰাটৰ কিঞ্চিত উন্নত সংস্কৰণৰ দৰে। ডাঙৰকৈ দুজাকমান বৰষুণ হ'লেই পানীত তলগৈ বাটটো এটা ৰীতিমত খালত

পৰিণত হয়। এই বাটটোৱে দুয়ো কাষে থকা মাত্ৰ আঢৈ কুৰি ঘৰমান মানুহৰেই নুৰ-পুৰ গাওঁ। সৰু সৰু খেৰৰ জুপুৰী ঘৰবোৰ। চাৰিও-পিনে এনি-তেনি মলিয়ন সেউজীয়া ৰঙৰ পানীৰ ডোঙা। জাক জাক বোন্দা-ম'হে দিনতে ভোন্‌ভোনাই থাকে। নুৰ-পুৰত থকা অৱস্থাত আনোৱাৰইঁতে কেতিয়াও যাতে এবাৰ ভালকৈ ফুটাই নোলোৱাকৈ পানী নেখায় তাৰ বাবে তহ্‌চিলদাৰ আমজাদ আলিৰ কড়া হুকুম জাৰি হৈ গ'ল।

গাওঁখন লেতেৰা হলেও য'ত তহ্‌চিলদাৰৰ তম্বু তৰা হ'ল সেই ঠাই-খিনি ভাল। মুকলি। তম্বুৰ গাৰে পৰা আৰম্ভ হৈছে এখন বিস্তৃত আমনী-বাৰী। তম্বু তৰাৰ খন্তেক পিচতেই আমবাৰীৰ মালিকো কাওঁ-বাওঁ কৰি আহি ওলালহি। মূৰত লৈ আহিছে এপাচী ৰসাল মোক-খা মোক-খা পকা আম। এয়া 'নজ্‌ৰানা।' তম্বুৰ পিচতেই খানচামাই তাৰ মফস্বলীয় ৰান্ধনি-ঘৰটো পাতিছিল। তাৰ পৰা ওলাই আহিছিল কিবা দামী মছলাৰ সুস্বাদু গোন্ধ। যেন আমৰ মধুৰ গোন্ধৰ লগত প্ৰতি-যোগিতা কৰিবলৈকে এই গোন্ধ সাজি-কাচি ওলাইছে। গোটেইবোৰ কথা-বতৰাই আনোৱাৰৰ কেনেবা-কেনেবা লাগিছিল। দেখি দেখি তিতা লগাত সি মনে মনে আঁতৰি গ'ল। আমবাৰীত সোমাই বিচাৰি বিচাৰি এফালে এডোখৰ বেচ নিৰল ঠাই বাচি ল'লে আৰু ছাঁত ভালকৈ বহি লৈ কিতাপ এখন মেলি ল'লে। কিতাপখন আছিল ৰোমাঞ্চকৰ এক গাৰ নোম শিয়ৰি উঠা অভিযানৰ কাহিনীৰ,—ইংৰাজী 'ৰবিন্সন ক্ৰুশ্ব' নামৰ কিতাপৰ উৰ্দ্দু ভাঙনি। সকলো পাহৰি খন্তেকৰ ভিতৰতে কল্পনা-প্ৰৱণ আনোৱাৰে কল্পনাৰ শুকুলা পাখিৰে উৰি গৈ এখন নিৰ্জ্জন বিস্তৃৰ্ণ মৰুভূমি পালেগৈ। তাত সি দেখিবলৈ পালে মানুহ নোহোৱা মৰুভূমিৰ বালিৰ ওপৰত মানুহৰ ভৰিৰ খোজৰ চাপ। আৱিষ্কাৰ কৰিলে 'মানৱ-ৰূপী শুক্ৰবাৰ'ক। এনে ধৰণৰ অদ্ভুত কাহিনীয়েই আনোৱাৰৰ বেছি ভাল লাগে। উত্তেজনাত গাৰ নোম ডাল ডাল হৈ শিয়ঁৰি উঠে। একান্তমনে পঢ়ি গৈছিল আনোৱাৰে। কিমান সময় পাৰ হৈ গৈছিল সি ক'ব নোৱাৰে। হঠাৎ তাৰ কাণত পৰিল কোনোবাই ওচৰতে কেনিবা চিয়ৰ-বাখৰ লগাইছে। খন্তেক কাণ পাতিয়ে সি ধৰিব পাৰিলে ৰান্ধনি ঘৰৰ পৰাই গণ্ডগোলটো আহিছে। খানচামাটোৱে কাৰোবাক হুটা মাতেৰে অকথ্য ভাষাৰে গালি-শপঁনি পাৰিছে। অন্য এটা অচিনাকী সৰু মাতেও সমানে চিঞৰি প্ৰতিবাদ জনাবলৈ চেষ্টা কৰিছে। কিতাপখন হাতত্তে লই আনোৱাৰ দৌৰ মাৰি পাকঘৰ পালেগৈ। তাৰ অনুমান সঁচা।

ভয়লগা ক'লা দাড়ি-মোচেৰে হটঙা মানুহ খানচামা ইয়াকুবে আনোৱাৰৰ সমান বয়সৰ ক্ষীণকায় অৰ্দ্ধনগ্ন ল'ৰা এটাক গালি পাৰিছে। মাজে মাজে খেদা মাৰি দুই-এথাপৰ মাৰিছেও।

"ইয়াকুব! ইয়াকুব! কি হৈছে তোমাৰ? কিয় মাৰিছা ইয়াক? ৰবা!" খঙেৰে চিয়ঁৰি উঠিল আনোৱাৰে। ইয়াকুবে তাৰ মালিকৰ ভতিজাকৰ কথা পেলাব নোৱাৰি ৰ'ল। তাৰ পিচত বেচ গৰ্ব্বেৰে তাৰ এই বীৰত্বপূৰ্ণ কামৰ হেতু দৰ্শশাই কৈফিয়ত্‌ প্ৰদান কৰিব ধৰিলে। ল'ৰা-টোক কিয় মাৰিছে কৈ দিলে আনোৱাৰেও যে তাক সমৰ্থন কৰি লাগিলে নিজেও ল'ৰাটোক দুই-এচাট যে দিবহে এই বিষয়ত যেন তাৰ কোনো সন্দেহেই নাই।

"চৰকাৰ" চৰকাৰী চাকৰিয়ালৰ লগুৱাৰ অভ্যস্ত তেলীয়া সকৃতজ্ঞ কেচুটি হৈ বক্তব্য পেচ কৰাৰ সুৰেৰে সি আৰম্ভ কৰিলে–"আপুনি এই চুৱৰৰ-বাচচা হাৰামজাদাক চিনি নেপায়। চৰকাৰ বাহাদুৰৰ বাবে অ'ম-লেট বান্ধিবৰ বাবে মই গোটেই গাওঁ চলাথ কৰিও এটা কণী নেপালো। মাত্ৰ ই কুকুৰৰ ঘৰত কেইটামান কণী আছে। এতিয়া খুজিলত সি কণী নিদিয়ে। চালাই বেনিবা কণীৰ ওপৰত নিজে বহি ওমনিহে লব!" নিজৰ ৰসিকতাত ইয়াকুবে নিজেই লুকুৱাই অকমানকৈ হাঁহিলে।

আনোৱাৰে আধা-নাঙঠা খাৰলৈ নেপাই হাড়-ছাল হোৱা ল'ৰাটোলৈ চালে। দেখ্‌মেখকৈ অভাৱগ্ৰস্থ গৃহস্থৰ ঘৰৰ ল'ৰা। পয়চাৰ নিতান্ত দৰ্কাৰ। অথচ কণী বেচি কিয় ল'ৰাটোৱে দুপয়চা আৰ্জ্জিব পৰাৰ এই সুযোগ গ্ৰহণ কৰা নাই আনোৱাৰে বুজিব নোৱাৰিলে। "কিহে, তুমি কণী বিক্ৰী কৰিব খোজা নাই কিয়?"

ইয়াকুবৰ ওঁঠৰ একোণে এটা কুৎসিত হাঁহি বিৰিঙি উঠিল। প্ৰথমতে ধৰিব নোৱাৰিলেও ল'ৰাটোৱে তাৰ প্ৰশ্নৰ যি উত্তৰ দিলে সেই উত্তৰৰ পৰা সি ইয়াকুবৰ হাঁহিৰ অৰ্থ ভালদৰে বুজি পালে। "হুজুৰ, কণী নেবেচো বুলিতো মই কোৱা নাই। বেচিবলৈকে ৰখা কণী এয়া। কিন্তু এওঁ যে মোক ফুটা-কড়ি এটাও নিদিওঁ বুলি কৈছে। ৰামুৰ বাবীৰ পাচলি আৰু দোকানীৰ পৰা খিৰৌ এওঁ পয়চা নিদিয়াকৈ এনেই লৈ আহিছে। হুজুৰ, এক মা'ৰ বাহিৰে মোৰ কোনো নাই। ছজনী কুকুৰা পুহিছো। তাৰে কণী বেচি আমি দুবেলা দুমুঠি খাওঁ। হুজুৰ, ছটা কণীৰ বাবে মোক অন্ততঃ তিনি অনা পয়চা দিয়ক। মই গুচি যাম।"

গোটেই ঘটনাটো আনোৱাৰে বুজি উঠিল। ইয়াকুবে এই মানুহবোৰৰ পৰা বিনা পয়চাই ডকা-হকা দি বস্তু কাঢ়ি আনে। অথচ এইবোৰ বস্তুকে

কিনি অনা বুলি কৈ মালিকৰ পৰা দুগুণ পয়চা উচল কৰি লয়। বহিম্না কাৰবাৰ। আনোৱাৰে ভাবিলে, এনে অন্যায় চলি থাকিবলৈ দিব নোৱাৰি। কথাষাৰ সি এতিয়াই ডাণ্ডৰ-আব্বাৰ কাণ চোৱাই বিহিত ব্যৱস্থা লোৱাব লাগিব। ডাণ্ডৰ-আব্বাই এইবোৰ গ'ম নেপায়। এবাৰ শুনিলেই সকলো ঠিক কৰি দিব।

চকুপানী মচি মচি ল'ৰাটোৱে তাৰ উচুপনি বন্ধ কৰিবলৈ যত্ন কৰিছিল। আনোৱাৰে ক'লে, "তুমি মোৰ লগত আহা। ইয়াকুব তুমিও আহা। তোমাৰ কথা মই ডাণ্ডৰ-আব্বাক লগাই দিম।" ওচৰতে আহি আন এটা চাকৰ থিয় হৈ ঘটনাৰ আলেখ-লেখ চাইছিলহি। তাৰ পিনে চাই ইয়াকুবে ধূৰ্ত্তৰ দৰে অৰ্থব্যঞ্জকভাৱে চকু টিপিয়ালে। তাৰ পিচত নিৰ্ব্বিকাৰভাৱে আনোৱাৰৰ পিচ ল'লে।

মূৰত বিৰাট পাগুৰী আৰু বগা-গোফৰ সৈতে এজন মানুহে চকিত বহি তহ্‌চিলদাৰ আমজাদ আলিৰ লগত কথা পাতি আছিল।

"কি ক'ম আৰু আপোনাক তহ্‌চিলদাৰ চাহেব" আনোৱাৰহঁত সোমাই আহোতে মানুহজনে কৈ আছিল—"এই চুৰ বৰ বাচচা খেতিয়কবোৰ আজিকালি মাটিত থাকিবই নোখোজা হ'ল। সিহঁতৰ মন সদায় সপ্তম বৈকুণ্ঠতহে থাকে। এদলেতো একেবাৰে স্বৰাজেই পালে। জমিদাৰেই হওঁক চৰকাৰেই হওঁক কালেকো সিহঁতে পৰোৱাই নকৰে। সহযোগ কৰা বাদেই দিয়ক। আপোনাক কুটা এগছ লৰচৰ কৰি দিবৰ হ'লেও মজুৰী বিচাৰিব। যেনিবা চালাহঁতৰ চৈধ্য পুৰুষে জমিদাৰৰ কাম কৰি দিলে পয়চা পাইহে আহিছে। আৰু, মোৰ কথা আপুনি বিশ্বাস কৰক,— এই সকলোৰে মূলতে কোন জানেনে? সেই বনিয়াৰ-পো গান্ধী। গান্ধীয়েই মানুহক এইবোৰ শিকালে। হোৱাই-নোহোৱাই দাবী জনাবলৈ শিকালে। যত কুটৰ ঘাই এই গান্ধী।"

টোৰোক-টোৰোক কৰি গুৰ্‌গুৰীত দুটামান টান দি ধোৱাঁবোৰ এৰি-এৰি তহ্‌চিলদাৰে মাত লগালে "আপুনি নিশ্চিন্ত থাকক ঠাকুৰ চাহেব, একো ভয়েই নাই। গান্ধীৰ নিচিনা পাৰত-গজা মানুহক কেনেকৈ ঠিক কৰিব লাগে চৰকাৰে বঢ়িয়াকৈ জানে। সাগৰত বাস কৰি ঘঁৰিয়ালৰে খৰিয়াল পতাৰ মজা নিজে নিজে পাব বপুৱাই। আৰু এইবোৰ ডাল-পাত, ঘাই-শিপা কটা গ'লে নিজেই শুকাই যাব।"

"ডাণ্ডৰ-আব্বা" তেওঁ বোৱা যেন কৰাতেই আনোৱাৰে অধৈৰ্য্য হৈ চিয়ৰি উঠিল,—"চাওকচোন। ইয়াকুবে এই ল'ৰাটোৰ পৰা কণী আনি পয়চা দিয়া নাই। আকৌ খুজিলত বুৰি তাকেহে উৰাই-ঘুৰাই মাৰিছে।"

আমজাদ আলিয়ে যেন ঠিক ধৰিব নোৱাৰিলে ঘটনাটোনো কি! তেওঁৰ ভতিজাকৰ ওজৰ কোনখিনিত। "কি হৈছেনো ইয়াকুব? ই যদি কণী দিছেই তইনো আকৌ ইয়াক মাৰিছ কেলৈ?"

"নহয়, চৰকাৰ, কথা সেইটো নহয়। হাৰামজাদাই কণী নিদিয়ে। আকৌ কয় বোলে নগদ পয়চা নহ'লে সি হেনো লাট-চাহাবকো কণী নিদিয়ে। সি আপোনাক অপমান কৰিছে, চৰকাৰ।"

আমজাদ আলিক একো ক'বলৈ সুবিধা নিদি এইবাৰ গাৱঁৰ বয়সস্থ মাটি-গিৰিয়া বৃদ্ধ ঠাকুৰ শ্বনন্ সিঙে গোটেই সমস্যাটো সমাধানৰ ভাৰ নিজৰ হাতত তুলি ল'লে। তহ্চিলদাৰৰ মনতুষ্টি কৰি নিজক সাব্যস্ত কৰিবলৈ এলাপাকতে আহি পৰা এই সুযোগ এৰি দিয়া ভকত বৃদ্ধ ঠাকুৰ নহয়।

"এই ল'ৰা, তোৰ নাম কি?"

"মোৰ নাম ভোলা, ঠাকুৰ চাহেব।"

"বাপেৰৰ নাম?"

"সেউতা নাই, ঠাকুৰ চাহেব। যোৱা বছৰ জহনি মহামাৰীত ঢুকাল। তেওঁৰ নাম বামু আছিল ঠাকুৰ চাহেব।"

"অ' তই জহনিত যোৱা বামুৰ ল'ৰা। শুন, তই এখেত কোন চিনি পাবনে?" ঠাকুৰে আমজাদ আলিক দেখুৱাই সুধিলে। ভোলাই তল-মুৰ কৰিলে।

"এখেত কোন জানিও তই চাৰিটা কণী দিবলৈ টান পাইছ। জান, এখেতে ইচ্ছা কৰিলে তোক এতিয়াই সৌ জোপা গছতে বন্ধাই জীয়াই-জীয়াই ছাল বখলিয়াবলৈ হুকুম দিব পাৰে। তেখেত দয়ালু মানুহ। হ'লে এনেকৈ চৰকাৰৰ লগত ফেৰ পতা বাবে তোক তৎক্ষণাত গ্ৰেপ্তাৰ কৰি জেললৈ পঠিয়ালেহেতেন। মই কি কৈছো, বুজি পাইছনে, বুৰ্বক?" ঠাকুৰৰ কথাত বেচেৰা ল'ৰাটো ভয়ত গছৰ পকা পাত কঁপাদি কঁপিছিল, "ঠিক আছে, শুন! তোক এখেতে এইবাৰলৈ ক্ষমা কৰি দিব বাক্য। এতিয়া তহ্চিলদাৰ চাহেবক চালাম কৰ আৰু ইয়াৰ পৰা গুচি যা।"

"চালাম তহ্চিলদাৰ চাহেব। চালাম ঠাকুৰ চাহেব।"

শুকান খৰিকাৰ দৰে ভৰি দুখন খৰকৈ চলাই প্ৰায় দৌৰি ভোলা প্ৰস্থান কৰিলে। জীয়াই-জীয়াই ছাল বখলিওৱাৰ ভয়ত সি ঠক্ ঠক্ কৰে কঁপিছিল। বৃদ্ধ ঠাকুৰে গৰ্ব্বৰ মিচিকি হাঁহি মাৰি আমজাদ আলিলৈ চালে। আমজাদ আলিয়ে টোবোক-টোবোক গুৰ্‌গুৰী টানিব ধৰিলে। আনোৱাৰৰ কালে এবাৰ কেৰাহীকৈ চাই ইয়াকুব ভিতৰ সোমাই গ'ল।

তাৰ বক্ৰ চাৱনিয়ে যেন আনোৱাৰক ঠাট্টা কৰি কৈ গ'ল, "দেখিলা! মইতো এনে হ'ব বুলি জানোৱেই। ভাগ্যে ঠাকুৰ চাহাবে তাৰ কুকুৰা কেজনী এৰি দিলে।" লাজে-অপমানে আনোৱাৰৰ মাটিৰ লগত মিহলি হৈ যাবৰ মন গ'ল। সি বুজিলে, ভোলাৰ পক্ষ লৈ ওকালতি কৰিবলৈ গৈ সি নিজকে কিমান মূৰ্খ বুলি দহৰ আগত চিনাকি দিছে। এতিয়া সকলোৱে তাৰ কথা কৈ হঁহা-হঁহি কৰিব। ৰৌফ আৰু বিল্‌কিচেও হাঁহিব। তথাপিও তাৰ অন্তৰৰ অন্তঃস্থলৰ পৰা কোনোবাই যেন তাক কৈ গ'ল, সি ভুল কৰা নাই। সি যি কৰিছে ন্যায়সঙ্গত কামেই কৰিছে। আনোৱাৰৰ দুয়ো চকুলৈ নিবৰুদ্ধ অশ্ৰুধাৰা নামি আহিল। এই অশ্ৰু সি কাকো দেখুৱাব নোৱাৰে। অন্ততঃ এওঁলোকক। আনোৱাৰ দৌৰ মাৰিলে আমবাৰীৰ দূৰ নিভৃত কোণলৈ। সেইদিনা আনোৱাৰে একো-ৰেই খাব নোৱাৰিলে। ভোক নেলাগিল। আৰু অ'মলেট? অ'মলেট খাবলৈ ওৰে জীৱনেই হয়তো আৰু তাৰ মন নেযাব। খাব নোৱাৰিব।

গাৱঁলৈ সোমাই যাওঁতে আনোৱাৰে দেখিলে জেঠ-মহীয়া ৰ'দত নঙঠা ক'লা শৰীৰ শুকুৰাই শুকুৰাই খেতিয়কবোৰে পথাৰত কাম কৰি আছে। হাল বাইছে। কোৰ মাৰিছে। আনোৱাৰহঁতৰ শিবিৰৰ সকলোৱেই খাই-বই দিবানিদ্ৰা উপভোগ কৰিছিল। কিন্তু আনোৱাৰৰ টোপনি নাহিল। তাৰ মানস-চকুত বাৰে-বাৰে ভাঁহি উঠিছিল ভীতিগ্ৰস্ত ভোলাৰ কৰুণ-বিহ্বল মুখখন। মুখখনে যেন তাক খেদি আহিছে; অনুনয়-বিনয় কৰি কিবা আবেদন জনাইছে। একো একোবাৰ তাকেই যেন কিবা কাৰণে দোষাৰোপ কৰিছে। সহিব নোৱাৰি আনোৱাৰ ওলাই আহিছিল। এই ভৌতিক দৃশ্যৰ কবলৰপৰা নিজৰ মনক মুক্ত কৰিবৰ হ'লে সি কিবা

এটা কৰিবই লাগিব। তাৰ জেপত দুটকাতকৈ অলপ বেচি খুচুৰা-পয়চা অনুজনাই আছে। ইয়াকুবে ঠগি তিনি অন্য পয়চা নিদিয়াৰ সলনি এই গোটেইখিনি পয়চা ভোলাক দি ক্ষতিপূৰণ কৰিবলৈ মনস্থ কৰিছে আনোৱাৰে। কিন্তু! এৰা, কিন্তু! আনোৱাৰে ভাবিলে। বেচেৰা দুখীয়া অশিক্ষিত বান্দনিটোক দোষ দিলেনো কি হ'ব। এই লাজ-লগা কাণ্ড-টোৰ বাবে দায়ী কৰিবৰ হ'লে দোষ দিব লাগিব একমাত্ৰ আনোৱাৰৰ ডাঙৰ-আব্বা তহ্‌চিলদাৰ আমজাদ আলিক। এক মুহূৰ্ত্ততে আনোৱাৰৰ মানুহজনলৈ ভয়ানক ভাবে ঘিণ লাগি গ'ল। ছিঃ! মানুহ এনেকুৱাও হ'ব- পাৰে। আনোৱাৰে সিদ্ধান্ত কৰিলে, যিমান সোনকালে পৰা যায় সিমান সোনকালে সি ইয়াৰ পৰা ঘৰলৈ গুচি যাব। ইয়াত উশাহ লোৱাও কষ্টকৰ।

গাঁৱত প্ৰৱেশ কৰিয়েই আনোৱাৰে শুনিলে কোনোবা এফালৰপৰা এটা কোমল মিঠা গীতৰ সুৰ ভাঁহি আহি তাৰ কাণত পৰিছে। অদূৰত এটা সৰু জুপুৰী ঘৰত কেইবাজনীও ছোৱালীয়ে একেলগে বহি গীত গাইছে। লগে লগে এটা 'ঢোলক' বাজিছে। গীতৰ সুৰটো কৰুণ। একেটা গতত বাজি থকা ঢোলকৰ আমনি লগা বোলে সুৰটো কৰুণতৰ কৰি তুলিছে। দিল্লীৰ সম্ভ্ৰান্ত ভাষা-ভাষীৰ মাজত ডাঙৰ হোৱা ল'ৰা আনোৱাৰ। সেয়ে সি পাঞ্জাৰী থলুৱা মাতেৰে গোৱা গীতটোৰ মৰ্ম্মাৰ্থ ধৰিব নোৱাৰিলে। তথাপি ঘূৰাই পূৰাই গাই থকা ধুৰাটো তাৰ ঠিক এনে যেন লাগিল: "দিয়া বলেই চাৰি ৰাত, মেৰিয়া জলুম, এ দিয়া বলেই চাৰি ৰাত।" (ওবে নিশা চাকি জ্বলে, অ' মোৰ নিঠুৰ প্ৰিয়, ওৰে নিশা চাকি জ্বলে।) ওৰে নিশা চাকি কিয় বাৰু জ্বলে? কাৰ বাবে বাৰু মানুহজনীয়ে বাট চাই আছে? আনোৱাৰে যদি এই জনপ্ৰিয় পঞ্জাবী লোকগীতটোৰ অৰ্থ বুজিলেহেঁতেন তেন্তে সি জানিলেহেঁতেন,—এই গীতটোৰ নায়িকাই যুগ যুগ ধৰি তাইৰ প্ৰেমিকৰ প্ৰতীক্ষাত চাকি জ্বলাই বহি আছে। তথাপিও তাইৰ প্ৰিয়তম অহা নাই।

কিন্তু আনোৱাৰৰ মন তেতিয়া ভোলাৰ অশ্ৰুসিক্ত কৰুণ মুখখনতে লাগি আছিল। সেয়ে দুখোজমান গৈয়ে সি এই প্ৰোষিতভৰ্ত্তৃকা নাৰীৰ কৰুণ গীতটোৰ কথা প্ৰায় পাহৰিয়ে গ'ল। তথাপিও তাৰ এনে লাগি-ছিল যেন এই গীতটোৰ সুৰ আৰু কথাৰ লগত কিবা এক অপ্ৰকাশ্য ধৰণে ভোলাৰ ভাগ্যৰ বিশেষ মিল আছে। প্ৰেমিকজন বাৰু ক'ত হেৰাই গ'ল? তাক বাৰু দাসত্ব কৰাবলৈ জমিদাৰে বলপূৰ্ব্বক ধৰাই নিলে

নেকি ? নে তহচিলদাৰে তাক গছত বন্ধোৱাই জীয়াই-জীয়াই ছাল বখলিওৱালে ?

গাওঁৰ দুজনমান বয়সীয়া মানুহ এজোপা গছৰ ছাঁত বহি কিবা কথা পাতি আছিল। আনোৱাৰ ওচৰ চাপি গৈ তেওঁলোকক বামুৰ পুতেক ভোলাৰ ঘৰ কোনটো সুধিলে। এজন দঢ়িয়া বৃদ্ধই তাক সম্ভ্ৰমেৰে উঠি এটা অতি চাপৰ আধা-ভগা ঘৰ আঙুলিয়াই দেখুৱাই দিলে।

ইমানপৰে আনোৱাৰে একো নেভাবি মনৰ উছাহতে আহি আছিল। এতিয়া গন্তব্য ঠাই পাই তাক লাজে-সঙ্কোচে আগুৰি ধৰিলে। কি বুলি যাব ? কি ক'ব ? কিন্তু নগৈয়োতো উপায় নাই। যিটো কামৰ বাবে সি এই ভৰ ব'দত ওলাই আহিছে সেই কাম সম্পন্ন নকৰাকৈ উভটি গ'লে তাৰ মনে কোনোমতেই শান্তি নেপাব।

"ভোলা ! ভোলা !" দুৱাৰ মুখত বৈ আনোৱাৰে মাত দিলে। এগৰাকী ক্ষীণ পকাচুলীয়া বুঢ়ী মানুহে দুৱাৰখন খুলি দিলে। মানুহ গৰাকী নিশ্চয় ভোলাৰ মাক। দাৰিদ্ৰই অকালতে বৃদ্ধা কৰি পেলোৱা মানুহজনীৰ প্ৰকৃত বয়স দেখি অনুমান কৰা অসম্ভৱ। দুৱাৰ মুখত ফিট্-ফাট কাপোৰ-কানি পিন্ধা এটা সম্ভ্ৰান্ত বংশজাত ল'ৰা থিয় হৈ বৈ থকা দেখি ভোলাৰ মাক আচৰিত হৈ দুখোজ পিচ হুইকি গ'ল। এচুকত বহি ভোলাই শুকান 'চাপাতি' চোবাই আছিল। সি আনোৱাৰক দেখি লৰালৰিকৈ উঠি আহিল।

"মা ! মা !" সি মাকক ক'লে, "এয়াই তহ্‌চিলদাৰ চাহেবৰ ভতিজাক। এৱেঁই মোক...." আনোৱাৰে কিন্তু ভোলাক তাৰ কথা শেষ কৰিবলৈ নিদিলে। চকুৰ পচাৰতে সি সাউত কৰে জেপৰপৰা পয়চাৰ বেগটো উলিয়ালে আৰু ততোধিক ক্ষীপ্ৰতাৰে ভোলাৰ অবাক হৈ বৈ থকা মাকৰ হাতত গুজি দি কৈ উঠিল, "অনুগ্ৰহ কৰি এইখিনি ৰাখক। আৰু ভোলাক অকল স্কুললৈ পঠিয়াব।" কৈয়ে সি আৰু তাত নৰ'ল। প্ৰাণ-টাকি দৌৰ মাৰিলে।

গাওঁৰ বুঢ়া কেজনে আগৰ ঠাইতে বহি তহ্‌চিলদাৰৰ ভতিজাকৰ গাওঁৰ মাজত ৰহস্যজনক আবিৰ্ভাৱৰ কথা আলোচনা কৰি আছিল। অলপ পিচতে একেটা ল'ৰাকে এনেকৈ উধাতু খাই লৰি উভটি যোৱা দেখি তেওঁলোকে বিচুতি খালে। কি কথা ! ল'ৰাটোক যেন ভূতেহে খেদি নিছে। বাস্তৱিক ; মহানগৰীৰ এই ধনী মানুহবোৰৰ সকলোকথাই আচৰিত।

দৌৰি দৌৰি গাওঁৰ বাহিৰ নোপোৱালৈকে আনোৱাৰ ক'তো নৰ'ল। তাৰ ভয় লাগিছিল কিজানি ভোলা বা তাৰ মাকে পয়চাখিনি ওভটাই

দিবলৈ তাৰ পিচে পিচে খেদি আহে। পথাৰখন পাৰ হৈ উশাহ সলাবলৈ সি ৰ'ল। ভাগৰত দেহা ভাগো ভাগো লাগিলেও সন্তুষ্টিৰ এটা অনামী অনুভূতিয়ে দেহা-মন যেন তাৰ শীতল কৰি পেলাইছিল। বৈ বৈ আনোৱাৰে শুনিলে বহুত দূৰৰপৰা বতাহত ভাঁহি আহিছে ঢোলকৰ দুম্ দুম্ দুম্ শব্দ। সমস্বৰ সুৰত গীত চলি আছে এটা কৰুণ ক্ৰন্দনৰ দৰে : "দিয়া বলেই চাবি ৰাত........" এজাক ছোৱালীয়ে ঘূৰাই ঘূৰাই গাই আছে।

আনোৱাৰৰ সমুখত চহাই থোৱা বিস্তীৰ্ণ পথাৰ। খেতিয়কবোৰে কাম কৰি আছে। ভাগৰুৱা গৰুবোৰক খৰকৈ খেদাবলৈ যত্ন কৰি কোবাইছে। আনোৱাৰৰ মূৰৰ ওপৰত ওলমি আছে এচপৰা কলীয়া ডাৱৰ। ওচৰত,—নিচেই ওচৰত। এই ডাৱৰ,—কোনে জানে হয়তো এয়া সুনিশ্চিত আগজাননী—আগন্তুক মহা দুৰ্যোগৰ........

আনোৱাৰে গড়গাৱঁত আঁতৰি থকা সময়খিনিতে ইফালে এক প্ৰচণ্ড ধুমুহাই ধীৰে ধীৰে ভয়ানক ৰূপ ধাৰণ কৰিছিল। সমগ্ৰ দেশৰ বুকুৰেদি এক অভিনৱ বিপ্লৱী উত্তেজনাৰ সোঁত বৈ গৈছিল। অনমনীয় এটা বিদ্ৰোহী মনোভাৱ যেন প্ৰতি প্ৰাণে প্ৰাণে সাৰ পাই উঠিছিল। আৰু এই মনোভাৱ এই উত্তেজনা সম্পূৰ্ণৰূপে আৰু সম্পূৰ্ণ অপ্ৰত্যাশিত ৰূপেই দেশৰ ঠায়ে ঠায়ে প্ৰপঞ্চিত হৈ উঠিছিল। এই ধুমুহাই সকলোকে চুই গৈছিল। ৰাজনীতিৰ প্ৰতি সচেতন নোহোৱা মানুহ, শান্ত উষ্মাবিহীন মানুহ, স্বাৰ্থপৰ আৰু নীচ মনোভাৱাপন্ন মানুহ, আনকি চৰকাৰী বিষয়াক খাতিৰ কৰি জীৱিকা অৰ্জ্জা মানুহ—সকলোৰেই যেন ৰাজনৈতিক আলোড়নৰ এই ঘূৰ্ণীবায়ুত ধীৰে ধীৰে আৱৰ্ত্তিত হব ধৰিছিল। আনোৱাৰ দিল্লীলৈ উভতি অহাৰ দুদিন পিচতে আব্বাজানৰ কোঠাৰ আলোচনা প্ৰসঙ্গত কোৱা-কুই কৰা শুনিলে বোলে গোটেই দেশৰ ভিতৰতে আইন-অমান্য কৰাৰ বাবে যি দুজন মানুহক প্ৰথম গ্ৰেপ্তাৰ কৰা হৈছে তেওঁলোক দুয়ো পানীপথ নামৰ শুই থকা সৰু চহৰখনৰ দুজন মুছলমান। এই পানীপথলৈকে আগৰ বছৰ আনোৱাৰ গৈছিল। হাঁহি হাঁহি আকবৰ আলিয়ে পানীপথৰ বৃদ্ধ মীৰ্জ্জা চাহাবে কৰা মন্তব্যৰ কথা তেওঁৰ বন্ধুবৰ্গক কৈছিল। মীৰ্জ্জা চাহেবে কৈছিল: "....অন্তত: আমাৰ, এই পানীপথৰ আশ্ৰাফ্ সকলৰ, অহোবলীয়া বণিয়াৰ ল'ৰা গান্ধীৰ লগত একো সম্বন্ধ নাই...." এতিয়া যদি এই পানী-পথেই এইদৰে আলোড়িত হৈ উঠিব লগা হ'ল তেন্তে দেশৰ অন্য ঠাই-বোৰলৈ আৰু কি বাকী থাকিল।

বিভিন্ন ৰূপত এই বিপ্লৱৰ ধুমুহাই আত্মপ্ৰকাশ কৰিলে। দেশৰ ঐতিহাসিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাম্প্ৰদায়িক স্বাৰ্থসমূহেও ভাগে ভাগে নিজ নিজ ৰূপ প্ৰকাশ কৰিলে। কি কি কাৰণে আৰু কেনে কেনে ধৰণেনো বিপ্লৱ হৈছে আনোৱাৰে সঠিক ধৰিব পৰা নাছিল। সি মাত্ৰ থূলমূলকৈ ইয়াকেই বুজি পাইছিল যে বৰ্ত্তমানৰ বিদেশী চৰকাৰে দেশক অন্যায়ভাৱে শোষণ কৰিছে আৰু সেই বাবেই সমগ্ৰ দেশৰ বেদনাহত জনতাই প্ৰতিবাদ জনাই চৰকাৰৰ বিৰুদ্ধে মূৰ তুলি উঠিছে। তাৰ এই ধাৰণা জালিয়ানৱালা-বাগৰ নৃশংস হত্যাকাণ্ডৰ দিনৰ পৰাই মনত বদ্ধমূল হৈ উঠিছিল। জালিয়ানৱালা-বাগৰ সিও প্ৰত্যক্ষ সাক্ষী। দৰাচলতে ৰাজ-নীতিৰ এই আলোড়নৰ মূলতে আছিল এক সুগভীৰ অৰ্থনৈতিক অস্থিৰতা।

জাগ্ৰত-শক্তি দৰিদ্ৰ কৃষিজীৱী জনতাই আজি প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিছে ভালদৰে খাই-লই সুখৰ জীৱন যাপন কৰাৰ স্বত্ব তেওঁলোকৰো আছে। ভোক, দাসত্ব আৰু শৃঙ্খল চকু-মুদি তেওঁলোকে আৰু সহ্য কৰি নেযায়। তেওঁলোক সাৰ পাই উঠিছে। গড়্গাৱত থাকোতে গঞা ৰাইজৰ অৱস্থা নিজ চকুৰে দেখি আহিছে আনোৱাৰে। ভোলাৰ কথা সি জীৱনত নেপাহৰে। পাহৰিব নোৱাৰে। তহ্চিলদাৰৰ প্ৰতাৰক খান্চামা ইয়াকুবক তিনিটা কণী বিনা-পইচাই দিবলৈ অস্বীকাৰ কৰা দৰিদ্ৰ খেতিয়কৰ অকমান ল'ৰা ভোলা! এই ভোলা সমগ্ৰ দেশজুৰি জাগি উঠা বঞ্চিত মানৱতাৰ যি বিপ্লৱী চেতনা সেই চেতনাৰ জ্বলন্ত প্ৰতীক। ভোলা বিপ্লৱী।



আনোৱাৰে আকৌ আগৰ দৰে স্কুললৈ অহা-যোৱা কৰিব ধৰিলে। কিন্তু দেশৰ এনেকুৱা উত্তপ্ত পৰিস্থিতিত ভাল পঢ়া-শুনা এনেও আশা কৰিব নোৱাৰি। মানুহৰ মন-জুৰি দেশ-জুৰি একেই কথা। চাৰিওফালে মাথোন জনসভা আৰু শোভাযাত্ৰা। মানুহৰ মুখে মুখে মাথোন জয়ধ্বনি আৰু স্বদেশ প্ৰেমৰ গীত। এয়া যেন দেশবাসীৰ প্ৰতি সময়ৰ নিৰ্দ্দেশ। আজ্ঞাবহৰ দৰে সকলোৱে সহাঁৰি দিছে। এই সকলোৰে লগে লগে চাৰিওফালে মানুহৰ মুখত শুনা গৈছে আৰু এটা অভিনৱ শব্দ;—'বয়কট্'। বৰ্জ্জন। কেউপিনে মানুহে মাথোন বৰ্জ্জন কৰাত লাগি গৈছে উঠি-পৰি। চৰকাৰী চাকৰি, উপাধি, আদালত, স্কুল-কলেজ, আৰু তাৰ লগতে বিলাতী কাপোৰ মানুহে বৰ্জ্জন কৰিছে। প্ৰত্যেক দিনাই দেখাদেখিকৈ খোলা ঠাইত ইংৰাজী হে'ট দামী-দামী চুট ইত্যাদি দ'ম কৰি জ্বলাই দিয়া হৈছে। মানুহৰ যেন ৰুচিয়েই সলনি হৈ গৈছে। বিলাতী সাজ-পাৰ পিন্ধি চৌবিশ ঘণ্টা ফিট্-ফাট্ ফুলবাবু হৈ থকা মানুহেও দেশী হাতে-কটা মোটোহা খদ্দৰ পিন্ধি গৰ্ব্ব অনুভৱ কৰা হ'ল। এদিন ডবিয়াগঞ্জৰ বাটেদি নিজৰ মটৰত উঠি যোৱা ডাক্তৰ আনচাৰিক দেখি আনোৱাৰেযে পোনতে চিনিবই পৰা

নাছিল। আগৰ কোট-পেণ্ট পিন্ধি চাহেব হৈ থকা মানুহজন আৰু নাই। তাৰ ঠাইত গাত দীঘল খদ্দৰৰ কুৰ্ত্তা আৰু পায়জামা। মোচযোৰ আগৰ দৰেই ভয়ঙ্কৰ নিৰ্ভীক হৈ আছে। মুখৰ হাঁহিটো কিন্তু আগতকৈও যেন কোমল মৰমীয়াল হৈ উঠিছে। ইমান দিনৰ পিচতো মাত্ৰ এদিন লগ পোৱা ব্যস্ত মানুহ গৰাকীয়ে তাক পাহৰি নোযোৱা দেখি আনোৱাৰৰ গৰ্ব্ব অনুভৱ হ'ল। ডাক্তৰ আনচাৰিয়ে গাড়ী ৰখাই তাক মাতিলে। স্বাস্থ্যৰ খা-খবৰ ল'লে।

সেই দিনবোৰৰ কথা পাহৰিব নোৱাৰি। কিমান উত্তেজনাপূৰ্ণ কিমান প্ৰাণৱন্ত সেই দিনবোৰ। ইমান মুকলি মনেৰে খোলা অন্তৰেৰে ইয়াৰ আগতে কেতিয়াও ভাৰতৰ হিন্দু-মুছলমান একমুঠ হোৱা নাছিল। শোভাযাত্ৰা-বোৰত হিন্দু-মুছলমানে আপোন পাহৰি সমস্বৰে চিয়ঁৰিছে: "বন্দে মাতৰম"। ঐক্যৰ চিন স্বৰূপে হিন্দুৱে মুছলমানৰ মুছলমানে হিন্দুৰ হাতৰ পৰা পানী খাইছে। আনকি মহান হিন্দু নেতাসকলক জামে মচজিদ বা গ্ৰেণ্ড-মচজিদৰ ভিতৰ সোমাই শুকুৰবাৰৰ জুম্মা-নামাজৰ পিচত বক্তৃতা দিবলৈ আহ্বান কৰি নিয়া হৈছে।

মহানগৰীৰ ৰাজপথত নিতৌ নতুন নতুন গীতৰ সুৰ শুনা গৈছে। দেশৰ ডেকাশক্তিৰ চেতনাক উদ্বেল কৰি তুলিব পৰা জুই ৰৰষা গীত। আলি ভ্ৰাতৃদ্বয় চৌকৎ আলি মোহাম্মদ আলিক কৰাচীত গ্ৰেপ্তাৰ কৰা হ'ল। তেতিয়া তেওঁলোকৰ বৃদ্ধা মাতৃয়ে মহাত্মা গান্ধীৰ প্ৰধান সহকাৰীৰূপে পুতেকহঁতৰ খালী ঠাই পূৰণ কৰিলে। এই ঘটনাক কেন্দ্ৰ কৰি অনতি-পলমে বাৰটাতকৈয়ো বেচি জনপ্ৰিয় গীতে ভাৰতৰ আকাশ নিনাদিত কৰি তুলিলে। তাৰে কেইবাটাও আনোৱাৰেও মুখস্থ কৰি পেলাইছিল:

"কহ্ ৰহে হেই কৰাচী কে কয়দী
হাম তু যাতে হেই দু দু বৰছ কো"

(কৰাচীৰ কয়দীয়ে কয়: "দুবছৰৰ বাবে আমি কাৰাগাৰলৈ ওলালো।")

আকৌ: "বোলী আম্মা মোহাম্মদ আলি কী
জান, বেটা, খিলাফট পে দেদো"

(মোহাম্মদ আলিৰ মাতৃয়ে কয় শুনা: "তোমাৰ জীৱন দান কৰা, বাচা--খিলাফতৰ কাৰণে।")

ইংৰাজৰ সম্মান ক্ষুণ্ণ কৰি ৰচনা কৰা অনেক শ্লেষাত্মক গীতো মানুহৰ মুখে মুখে হৈছিল। এটা গীতৰ এটা শাৰী এনেকুৱা আছিল: "বোল গয়ি, মাই লৰ্ড, কুক্-ৰু-কূঁ"। (আমাৰ প্ৰভুয়ে ভয়ত মতা-কুকুৰাৰ দৰে কত-কতাই গৈছে!)—অকলশৰীয়াকৈ ৰাষ্টে-পথে কোনোবা ইংৰাজ যোৱা

দেখিলেই ল'ৰাবোৰে গোট খাই মজা-কুকুৰাই ডাক দিয়াৰ দৰে—'কত্ কত্ কতোচ্' কৰি চিয়ঁৰি আকাশ তাল-ফাল লগায়। গৰ্ব্বী বগা চাহেবৰ অস্বস্তি বিৰক্তিৰ সীমা নাইকিয়া হয়। আনোৱাৰ স্বভাৱতে অলপ ভয়াতুৰ আৰু লাজকুৰীয়া লৰা। এনেকুৱা ৰাজহুৱা হুলস্থূলত সেয়ে সি প্ৰত্যক্ষ ভাৱে অংশ লব পৰা নাছিল। হলেও মাজে মাজে যে মনটোৱে কচ্‌কচোৱা নাছিল এনে নহয়। চাৰিওফালে শিপাই পৰা এই অনমনীয় ভাৱ তাৰ গালৈকো সংক্ৰমিত হৈছিল। এদিন হ'ল এটা কাণ্ড। স্কুলৰ পৰা ঘৰলৈ সি আহি আছে। এনেতে দেখিলে চাদনী-চৌকৰ ৰাজপথেদি এজন ইংৰাজ সৈনিক অকলে-অকলে গৈ আছে। হঠাৎ কৰ নোৱাৰাকৈয়ে তাৰ মুখৰ পৰা ওলাই গ'ল: "বোল গয়ি, মাই লৰ্ড, কুক্-কু-কুঁ"। সৈনিক-জন থমকি ৰ'ল। তেওঁৰ ৰঙা চকু দেখিয়েই আনোৱাৰ আৰু তাত নৰ'ল। ভিৰাই ল'ৰ ধৰিলে। তাক ধৰা দূৰৰ কথা খেদি আহিবলৈকো সৈনিকজনে সুবিধা নাপালে। তথাপি আনোৱাৰে তাৰ ভৰি দুখনে নিৰ পাৰে মানে বেগাই প্ৰাণ টাকি দৌৰি থাকিল। তাৰ মনৰ চকুত ভাহি উঠিল জালিয়ান-ৱালা-বাগৰ মৰ্ম্মন্তুদ দৃশ্য;—ৰঙামুখীয়া অজস্ৰ সৈন্যই যেন ৰাইফেল টোৱাঁই তাক খেদি আহিছে। সেইদিনা নিশা সপোনতো বাৰে বাৰে আনোৱাৰে এই দৃশ্য দেখি সাৰ পাই-পাই উঠিছিল।

এফালৰ পৰা চালে আনোৱাৰক কপালী লৰাই বুলিব লাগিব। এক পৰম উত্তেজনাপূৰ্ণ ঘটনাবহুল যুগসন্ধিত জীৱন ধাৰণ কৰাৰ সৌভাগ্য আনোৱাৰে [লাভ কৰিছিল। হলেও, এই আশ্চৰ্য্য-ৰোমাঞ্চকৰ যুগৰ নাটকে তাৰ ব্যক্তিগত জীৱনত কোনো চাপ বহুৱাব বা প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। নাটকীয় কাহিনীৰ সোঁতত সক্ৰীয় অংশ গ্ৰহণকাৰী ৰূপেতো তাঁহি বোৱা নাছিলেই। সি যেন ঠিক এজন বিচ্ছিন্ন দৰ্শক। সাগৰৰ পাৰত ওখ নিৰাপদ ঠাইত নিশ্চেষ্ট হৈ বৈ সি চাই আছে। সাগৰত ধুমুহা আহিছে। পৰ্ব্বত-প্ৰমাণ ঢৌ উঠা-নমা কৰিছে। সেই ক্ৰোধান্বিত

চউৰ লগত অন্য সমুদ্ৰাৱৰ্তিলোকে প্ৰচণ্ড সংগ্ৰামত লিপ্ত হৈছে। আৰু সি মাথোঁ চাই আছে বৈ বৈ।

এনে সময়তে অমৃতচৰৰ পৰা এদিন এখন চিঠি আহিল। ৰতনৰ মাকে লেখিছে। ৰতনক নিষিদ্ধ শোভাযাত্ৰাত যোগ দিয়াৰ অভিযোগত গ্ৰেপ্তাৰ কৰি এবছৰ কাৰাদণ্ড দিয়া হৈছে। গোটেই দেশজুৰি প্ৰত্যেক দিনাই সহস্ৰ সহস্ৰ লোক গ্ৰেপ্তাৰ হোৱাৰ কথা আনোৱাৰে শুনিছে। কাগজতো পঢ়িছে। মুখ্য মুখ্য নেতা প্ৰায় সকলো জেলত। তথাপি তাৰ বন্ধু ৰতন বন্দী হোৱা শুনি আনোৱাৰ চক্ খাই উঠিল। আনোৱাৰ সৰ্ব্ব-সাধাৰণ এক মধ্যবিত্ত পৰিয়ালত ডাঙৰ দীঘল হোৱা ল'ৰা। কাৰাগাৰ বস্তুটো চোৰ-ডকাইত বা তেনে বেয়া চৰিত্ৰৰ মানুহৰ স্থান বুলি গণ্য কৰিবলৈকে সি সৰুৰে পৰা শিকি আহিছে। কোনোবা জেললৈ যোৱা মানে সেই মানুহৰ সামাজিক মান-সম্মান সকলো শেষ হৈ যোৱা বুলিয়ে সি জানে। কিন্তু সি লক্ষ্য কৰিলে বৰ্ত্তমান দেখোন গোটেই কথাটোৰেই অৰ্থ সলনি হৈ গৈছে। জেলত দিনচেৰেক কটাই আহিব পৰা মানুহে যশস্যাৰ কথা বুলি ভবা হ'ল। হেজাৰ হেজাৰ মানুহে দিনে নিশাই স্বেচ্ছাই কাৰাবৰণ কৰিছে। তেওঁলোকৰ সংখ্যা দিন দিন ইমান বাঢ়ি গৈছে যে সকলোৰে নাম প্ৰকাশ কৰিবলৈকো খবৰ কাগজত ঠায়ে নটা হৈছেগৈ। এইবোৰ কথাকে ভাবি থাকোঁতে এদিন সি এখন চিঠি পালে ৰতনৰ পৰা। অমৃতচৰৰ জিলা-কাৰাগাৰৰ পৰা সি লেখিছে:

"বন্ধু আনোৱাৰ ভাই, তুমি শুনি পৰম সুখী হবা যে মই বৰ্ত্তমান ইয়াত,—মোৰ 'শশুৰাল', মানে—শহুৰৰ ঘৰত...."

'শশুৰাল'। শহুৰৰ ঘৰ। ৰতনে কাৰাগাৰক শহুৰৰ ঘৰ বুলি কৈ তাৰ কয়দী জীৱনৰ বিতং বৰ্ণনা দিছে। তাত থাকি তাৰ হেনো বেচ ভাল লাগিছে। কংগ্ৰেছ আৰু খিলাফতৰ অনেক কৰ্ম্মীৰ লগত সি ইয়াত একেলগে আছে। ৰতনে গৰ্ব্ব কৰি লেখিছে: "জানা, সকলো কয়দীৰ ভিতৰত বয়সত ময়ে আটাইতকৈ সৰু। সকলোৱে মোক ভীষণ মৰম কৰে। সম্পূৰ্ণ এবছৰ মোৰ স্কুল খতি হ'ব। হওক, মই একো চিন্তা কৰা নাই। ইয়াত অনেক জ্ঞানী সুপণ্ডিত মানুহৰ মাজত মই আছোঁ। তেওঁলোক প্ৰত্যেকেই মোক সকলো প্ৰকাৰৰ শিক্ষা দিয়াত আগ্ৰহশীল। মোৰ বিশ্বাস হৈছে, মই ইয়াত স্কুলতকৈ বহুত বেছি ভাল কথা শিকিব পাৰিম।" তাৰ মানে দেখাদেখিকৈ ৰতন মানসিক বৃত্তিত আনোৱাৰতকৈ অনেক বেছি আগুৱাই গৈছে। এই কাগজৰ পৰা আনোৱাৰৰ মনতো এতিয়াও পানী কেঁচুৱা হৈয়ে আছে।

শহুৰৰ ঘৰ! এৰা, ভাৰতবৰ্ষৰ কোটি কোটি জনৰ বাবে বন্দীশাল শহুৰৰ ঘৰত পৰিণত হৈছে। বাস্তৱিক, কোনোবা গ্ৰেপ্তাৰ হ'লেই বন্ধু-বান্ধৱ আত্মীয় পৰিজন আহি তেওঁক মালা পিন্ধায়। তেওঁৰ গাত, তেওঁ যোৱা বাটত ফুল চটিয়ায়। অভিনন্দন জনাই, কৰমৰ্দ্দন কৰি, আলিঙ্গন কৰি, হাঁহি মাতি এনে উছাহেৰে আগবঢ়াই দিয়েহি যেন সঁচায়ে তেওঁ দৰা সাজি কইনা ঘৰলৈহে যাত্ৰা কৰিছে।

তাৰ পিচত এদিন, কাকা ৰামেশ্বৰ দয়াল আৰু অন্যান্য বন্ধু-বান্ধৱৰ লগত বহি কথা পাতি থাকোঁতে অতি সহজভাৱে হাঁহি হাঁহি, অমৃতচৰ বা কানপুৰলৈ ব্যৱসায়ৰ কামত যাব লগা হলে যেনেদৰে কয় ঠিক তেনেদৰে আকবৰ আলিয়ে ক'লে: "কালিলৈ মযো মোৰ শহুৰৰ ঘৰলৈ যাব লাগিব!"

আনোৱাৰ এচুকত মনে-মনে বহি আছিল। হঠাৎ যেন তাৰ বুকুৰ ঢপঢপনি বন্ধ হৈ গ'ল। মৰমৰ মাজত জীয়াই থকা আলসুৱা ল'ৰা আনোৱাৰ। হঠাৎ যদি তাক এৰি থৈ আব্বাজান এবছৰ বা দুবছৰৰ কাৰণে গুচি যায়! সিযে কেনেকৈ থাকিব ভাবিবই নোৱাৰে। অন্তৰাত্মাই হাঁহাকাৰ কৰি উঠে। কিন্তু তথাপিও। আগন্তুক এই বিচ্ছেদৰ বেদনাৰ লগে লগে তাৰ সৰু বুকুখন গৰ্ব্বতো ওফন্দি উঠিল যেন! এতিয়াৰ পৰা সিও বুকু ফিন্দাই ফুৰিব পাৰিব। বন্ধু-বান্ধৱক কৈ বঢ়াই কৰিব পাৰিব: "জানা, মোৰ আব্বাজান এতিয়া শহুৰেকৰ ঘৰত!" আৰু সকলোৱে আনোৱাৰ বীৰ পিতাৰ সন্তান বুলি স্বীকৃতি দি সন্মান প্ৰদৰ্শন কৰিব।

পিচদিনা আকবৰ আলিক গ্ৰেপ্তাৰ কৰা হ'ল। মানুহক দেখুৱাই নামত মাত্ৰ অকমান বিচাৰ কৰি পোন্ধৰ মাহ কাৰাদণ্ডৰ হুকুম দিয়া হ'ল।

তাৰ জীৱনৰ এই এটা স্মৰণীয় দিনৰ সকলো খুটি-নাটি কথা আনোৱাৰৰ মনত আছে। আনকালতকৈ সোনকালেই সেইদিনা আব্বাজান

ৰাতিপুৱা উঠি গা-পা ধুলে। নতুনকৈ ধোৱাই ধোৱা কাপোৰ পিন্ধি দাড়িখিনি আঁচুৰিলে। প্ৰত্যেক শুকুৰবাৰেই হ'ওঁতে তেওঁ এইখিনি কাম কৰেই। তথাপি যেন আজি অন্য দিনতকৈ বেছি মনোযোগেৰে প্ৰত্যে-কটো কাম কৰি গৈছে। কাপোৰ পিন্ধা, প্ৰসাধন কৰা, প্ৰত্যেকটোতে যেন যথেষ্ট সময় লৈছে। সকলো কৰা হ'লত তেওঁ পেহীজানক এক বাণ্ডিল নোট দি ক'লে, "এইখিনি ৰাখা; মোৰ অহা পলম হ'লে খৰচ কৰিবা।" তাৰ পিচত আঙুমক সাৱটি ধৰি চুমা খালে আৰু আনোৱাৰৰ হাতত ধৰি একেলগে 'জেনানা'ৰ পৰা ওলাই আহিল।

দুপৰীয়া আনোৱাৰে আব্বাজানৰ লগত একেলগে জামে-মচজিদত শুকুৰবাৰৰ জুম্মা নামাজ পঢ়িলে। অপূৰ্ব্ব-সুন্দৰ মচজিদৰ ৰঙা-ৰঙা স্তম্ভ সমূহ সূৰ্য্যৰ দীপ্ত কিৰণত জলমলাই উঠিছিল। মুৱাজ্জিনৰ আহ্বানত শাৰী শাৰীকৈ আহি থিয় হোৱা প্ৰাৰ্থনেচ্ছুক সমৱেত জনতাৰে মচজিদ ভৰপূৰ হৈ উঠিছিল। এই এটা দৃশ্য দেখিলে আনোৱাৰৰ মন সদায় আনন্দত উৎফুল্ল হৈ উঠে। ধৰ্ম্মৰ জ্ঞান আনোৱাৰৰ সীমাবদ্ধ। আব্বাজানে শিকোৱা সত্যবাদিতা আৰু সচ্চৰিত্ৰৰ ধাৰণা আৰু তাৰ লগতে মৌলবী চাহেবে কোৱা স্বৰ্গ আৰু নৰকৰ ক্ষীণ ধাৰণা,—ইয়াৰ ওপৰতে আনোৱাৰৰ ধাৰ্ম্মিক-প্ৰত্যয় প্ৰতিষ্ঠিত। এইদৰে হেজাৰ হেজাৰ মানুহে শৃঙ্খলাবদ্ধভাৱে একে-লগে উঠা-বহা কৰি প্ৰাৰ্থনা কৰা দৃশ্যই আনোৱাৰৰ মন বিস্ময়াভিভূত কৰি তোলে। ইছলাম প্ৰৱৰ্ত্তিত এই সামূহিক প্ৰাৰ্থনাৰ অন্তৰালৱৰ্ত্তি গণতান্ত্ৰিক আদৰ্শৰ কথা আব্বাজানে আনোৱাৰক বুজাবলৈ অনেকদিন চেষ্টা কৰিছে। আজিও আনোৱাৰে অন্য দিনৰ দৰেই চাৰিওফালে চকু ফুৰাই দেখিলে সমাজৰ বিভিন্ন শ্ৰেণী তথা স্তৰৰ মানুহ একেলগে কান্ধত কান্ধ মিলাই শাৰী পাতি থিয় হৈছে। কলপ্ দিয়া মছলিন্ কাপোৰ পৰিহিত তেজগোৰা ডাঙৰ অভিজাত, ফুলতোলা টুপি পিন্ধা সামান্য দোকানী, ঘৰত বোৱা মোটোহা কাপোৰ পিন্ধা খেতিয়ক বা অন্য বৃত্তিয়াল মানুহৰ মাজত একো পাৰ্থক্য নাই। সমগ্ৰ জনতাই যেতিয়া ক্ৰমে আঁঠুকাঢ়ি, মাটিত উবুৰি হৈ পৰি একেলগে কোৰাণৰ নিৰ্দ্দিষ্ট শ্লোক পুনঃ পুনঃ পাঠ কৰে তেতিয়া এক অনামী ঐক্য আৰু সমতাৰ ভাৱেৰে আনোৱাৰৰ অন্তৰ আপ্লুত হৈ উঠে। নহয়, তাৰ এই ভাৱাৱেশৰ লগত আদৰ্শশ্ৰয়ী কোনো আত্মিক তন্ময় ভাৱৰ সামঞ্জস্য নাই।

প্ৰাৰ্থনাৰ অন্তত মচজিদঘৰ এখন জনসভাত পৰিণত হ'ল। খদ্দৰ পৰিহিত ভালেমান অন্য ধৰ্ম্মৰ মানুহ মচজিদৰ ভিতৰ সোমাই আহিল। তেওঁলোকক সমবেত জনতাৰ সন্মুখত মচজিদৰ বণ্ডা মজিয়াত বহিবলৈ দিয়া হ'ল। অনেক বক্তাই এজন এজনকৈ বক্তৃতা দিলে। সকলোবে শেষত বক্তৃতা দিবলৈ উঠিল আকবৰ আলি। তেওঁৰ বক্তৃতাই আছিল সবাতোকৈ শ্ৰেষ্ঠ; ওজস্বী। অপৰিসীম গৌৰৱবোধেৰে বুকু ফিন্দাই আনোৱাৰে তাৰ আব্বাজানলৈ চাই ব'ল। নিৰ্ভীক পদক্ষেপেৰে গহীনাই আগবাঢ়ি গৈ তেওঁ বক্তাৰ নিৰ্দ্দিষ্ট ঠাইত আৰোহন কৰিলে। ঘন ক'লা দাঢ়ি কোচাৰে সৈতে আকবৰ আলিক এহাতে যেনে সৌম্য প্ৰশান্ত গৌৰৱমণ্ডিত যেন দেখা গৈছিল আনহাতে তেনেকৈ ভয়লগা প্ৰতাপী মানুহ যেনো লগা হৈছিল। সমবেত জনতাই পোনতে তেওঁ উঠোতেই "আল্লাহু আকবৰ" ধ্বনিৰে তেওঁক সম্ভাষণ জনালে। তাৰ পিচত মচজিদৰ দূৰৰ এটা কোণৰ পৰা কোনোবা এজনে তীক্ষ্ণকণ্ঠে চিয়ঁৰি উঠিল: "ইন্‌কিলাব জিন্দাবাদ।" লগে লগে সমূহ জনতাই তাৰ প্ৰতিধ্বনি কৰি উঠিল। মুহুৰ্মুহু ইন্‌কিলাব-জিন্দাবাদ ধ্বনিত জামে মচজিদ কঁপি উঠিল। ভালেমান পৰৰ মূৰত বাইজ শান্ত হ'লত আকবৰ আলিয়ে বক্তৃতা আৰম্ভ কৰিলে। প্ৰয়োজন অনুসৰি গুৰুগম্ভীৰ অথবা সুকোমল হৈ উঠা আনোৱাৰৰ চিৰ চিনাকি কণ্ঠস্বৰেৰে অকণো খোকোজা নলগাকৈ আকবৰ আলিয়ে বিদেশী শাসনৰ অন্যায়-অসাম্য আৰু জাতিৰ অসন্মান—অৱমাননাৰ কথা অন্তৰ-পৰশা কৰি কৈ গ'ল। তুৰ্কী সাম্ৰাজ্য খণ্ড খণ্ড কৰি বিনষ্ট কৰিবৰ বাবে ইংৰাজ শক্তিয়ে কৰা উপৰ্য্যুপৰি চেষ্টাৰ ইতিহাস তেওঁ বাইজৰ আগত আগত ডাঙি ধৰিলে। অমৃতচৰৰ নৃশংস হত্যাকাণ্ডৰ কথা তেওঁ এনে কৰুণ ভাষাৰে বৰ্ণনা কৰিলে যে আনোৱাৰকে আদি কৰি অনেক শ্ৰোতাই সভাস্থলীতে কান্দি পেলালে।

দেশ জুৰি হোৱা হেজাৰ হেজাৰ মানুহৰ গ্ৰেপ্তাৰৰ কথা কৈ আকবৰ আলিয়ে ঘোষণা কৰিলে এয়া মাত্ৰ আৰম্ভণীহে। এনে আৰু অনেক গ্ৰেপ্তাৰ হব। অনেক বেছি। হয়তো এই সভাৰ অন্তত এই মচজিদতো গ্ৰেপ্তাৰ-পৰ্ব্ব সমাধা হ'ব। জনতাক তেওঁ অনুৰোধ জনালে তেনে ঘটনা হ'লে তেওঁলোকে যেন আত্ম-সংযম নেহেৰুৱাই ধৈৰ্য্য ধৰি থাকে। "মহাত্মাই আমাক এই শিক্ষা দিছে। স্বাধীনতাৰ বাবে আমাৰ সংগ্ৰাম অহিংস হ'ব বুলি তেখেতে প্ৰতিশ্ৰুতি দিছে। আমি মহাত্মাৰ কথা আখৰে আখৰে সত্য কৰি তুলিবই লাগিব।" মুহুৰ্মুহু ইন্‌কিলাব-জিন্দাবাদ আৰু আল্লাহু-আকবৰ ধ্বনিৰ মাজত তেওঁ বক্তৃতা সামৰিলে। আকবৰ আলিৰ বক্তৃতাৰ

এটা শব্দও আনোৱাৰে নুশুনাকৈ নেথাকিল,—যদিও গৌৰব আৰু আনন্দই তাৰ উত্ৰাৱল মন বক্তৃতা শুনাৰ অৱস্থাত থাকিবলৈ দিয়া নাছিল,—যদিও এই ডাঙৰ-ডাঙৰ কথাবোৰৰ সৰহভাগেই সি বুজিব পৰা নাছিল। "আহ! মোৰ আব্বাজান কিমান ডাঙৰ কিমান জ্ঞানী মানুহ!"

সভা শেষ হ'ল। অগণিত বাইজ মচজিদৰ তিনিখন প্ৰধান দুৱাৰেদি ওলাই যাব ধৰিলে। উত্তেজনাত প্ৰায় কঁপি কঁপি আনোৱাৰ তাৰ আব্বা-জানৰ লগে লগে ওলাই আহিল। পূব ফালৰ দুৱাৰেদি ওলাই আহোঁতে মানুহৰ সোঁতত লগ হেৰুৱাই পেলোৱাৰ ভয়ত আনোৱাৰে আব্বাজানৰ শেৰ-ৱাণীৰ এমুৰত খামুচি ধৰিলে। কিন্তু এনে সময়তে দেখা গ'ল বাহিৰত ৰৈ থকা এজন পুলিচ-ইন্সপেক্টৰ ছজন কনিষ্টবলৰে সৈতে আকবৰ আলিৰ পিনে আগবাঢ়ি আহিল। অতি নম্ৰভাৱে ইন্সপেক্টৰে ক'লে : "আকবৰ আলি চাহেব, অনুগ্ৰহ কৰি আপুনি আমাৰ লগত অলপ 'কটোৱালি'লৈ (থানা) আহিব লাগে। আপোনাক মাতি পঠাইছে।"

ইয়াৰ অৰ্থ কি কোনেও নুবুজাকে নেথাকিল। পুলিচ হেড্কোৱা-টাৰৰপৰা মাতি পঠোৱাৰ উদ্দেশ্য কি হ'ব পাৰে বুজাত আনোৱাৰৰো একো অসুবিধা নহ'ল। থানা পোৱাৰ লগে লগে তাৰ আব্বাজানক গ্ৰেপ্তাৰ কৰা হ'ব। আব্বাজানক গ্ৰেপ্তাৰ কৰি নিলে তাৰ ব্যক্তিগত জীৱনত কি কি অসুবিধা আহি পৰিব সেইবোৰ একো কথা আচৰিত ধৰণে সেই মুহূৰ্ত্তত আনোৱাৰৰ মনলৈ নাহিল। যিজন পুলিচ বিষয়াই তাৰ আব্বা-জানক ধৰি নিবলৈ আহিছে সেই মানুহজনো এজন ভাৰতীয় এই সত্যটোৰ আঁৰত থকা বৈসাদৃশ্যটোৱেই মাথো বাৰে বাৰে তাৰ মনলৈ আহিল। বিস্ময়াবিষ্টৰ দৰে আনোৱাৰে ইন্সপেক্টৰৰ উজ্জ্বল খাকী পাগুৰীৰ কলপ্ দিয়া খজু শিখাটোলৈ চালে। তাৰ পৰা তাৰ দৃষ্টি ক্ৰমে তেওঁৰ চক্-চকাই থকা ক'লা বেল্ট আৰু একে ক'লা চামৰাৰ হোলষ্টাৰত ভৰাই থোৱা ৰিভলভাৰটোলৈ বাগৰি গ'ল।

"হয় নেকি? বৰ ভাল কথা। তেনেহলে মোৰ শহুৰৰ ঘৰৰ নিম-ন্ত্ৰণ আহিয়ে গ'ল!" হাঁহি হাঁহি ক'লে আকবৰ আলিয়ে, "বলক! মইতো যাওঁ-যাওঁ কৰি খোজ দাঙিয়ে আছো!"

আকবৰ আলিয়ে নিতান্ত সহজভাৱে ললেও উপস্থিত বাইজে ঘটনাটো সিমান সহজভাৱে লব নোৱাৰিলে। তেওঁলোকে প্ৰতিবাদ কৰি উঠিল, "নাই নাই, সেইটো হ'ব নোৱাৰে। তোমাৰ লাজ লগা নাইনে, ইন্স-পেক্টৰ? তুমি প্ৰতাৰক! দেশদ্ৰোহী! এনেকুৱা ভাৰতীয় বিদেশী-তকৈও অপাত্ৰ! ধৰা আটাৱে! ইয়াৰ পাগুৰী খুলি পেলোৱা যাওক!"

আনোৱাৰে বুজিলে এতিয়াই এটা মাৰাত্মক কাণ্ড ঘটি যাব। লাজ-অপমান আৰু হয়তো ভয়ত ইন্সপেক্টৰৰ মুখমণ্ডল ৰঙা হৈ পৰিছে। তেওঁৰ জোঙা মোচযোৰ কঁপিছে। শৰীৰৰ পেশীবোৰ টান হৈ উঠিছে। যন্ত্ৰ চালিতৰ দৰে হাতখনে ৰিভলভাৰটো খামুচি ধৰিছে। চাৰিওফালে হেজাৰ-হেজাৰ মানুহ গোট খাই আছে। তুলনাত পুলিচৰ দল সামান্য পিটিকা এখনৰ বাবেও যথেষ্ট নহয়। মাত্ৰ ছজন। জনতাৰ ক্ৰুদ্ধ চিৎকাৰ ক্ৰমশঃ ভয়ঙ্কৰ হৈ উঠিছে। "ধৰ! ধৰ! চালা বিদেশীৰ পদলেহী কুকুৰ! বিশ্বাসঘাতক! তই,—তই কোন বুলি ভাবিছ? ভাইচৰয় ওলাইছ? হা-হা-হা! ধৰ চালাক! ভাইচৰয় হলেও আজিকালি কোনেও ভয় নকৰে!" পিচ মুহূৰ্ত্তে কোনোবা এজনে সাহসেৰে আগবাঢ়ি আহি মাৰিলে এক থাপৰ ইন্সপেক্টৰৰ মূৰত। বেচেৰাৰ মদগৰ্ব্বী পাগুৰী স্খলকি মাটিত পৰি গ'ল। আৰু বিক্ষুদ্ধ জনতাই জিঘাংসু শাৰ্দ্দুলৰ দৰে ইন্সপেক্টৰৰ ওপৰত জঁপিয়াই পৰিল। চকুৰ পথাৰতে ঘটনাটো ঘটিল। পেপুৱা লগা বপুৰা ইন্সপেক্টৰে খোপৰপৰা তেওঁৰ আগ্নেয়াস্ত্ৰ উলিয়াব-লৈকো সময় নেপালে। আতঙ্কত ইন্সপেক্টৰৰ চকুদুটা চাব নোৱাৰা হৈ পৰিল। ভয়ত আনোৱাৰৰো বুকু কঁপিবলৈ ধৰিলে। বাৰে বাৰে তাৰ মনত এটা কথাই খেলাবলৈ ধৰিলে। "ইচ্ ইহঁতে এতিয়া মানুহটোক মাৰিয়ে পেলাব! একেবাৰে জান মাৰি দিব!" কিন্তু পিচ মুহূৰ্ত্তে আকবৰ আলিৰ দীপ্ত কণ্ঠস্বৰ জনতাৰ হুলস্থূল তল পেলাই সিংহনাদে গৰ্জ্জি উঠিল। "বন্ধ কৰক! বন্ধ কৰক! ভাইসকল, কি কৰিছে আপোনালোকে! কি কৰিব খুজিছে! পাহৰি নেযাব আমি মহাত্মাৰ অহিংসাৰ মন্ত্ৰ গ্ৰহণ কৰিছো। আমি প্ৰতিজ্ঞাবদ্ধ!" তেওঁৰ মাতত যেন কিবা এক অদ্ভুত যাদু শক্তিহে প্ৰভাৱ আছিল। আদেশৰ সুৰত তেওঁ কথা কোৱা নাছিল। অথচ সেয়া যেন আছিল এনে এক আদেশ যাক পৃথিৱীৰ কোনেও পেলাব নোৱাৰে। ইমান কোমল অথচ ইমান দৃঢ়তাৰে ক'লে তেওঁ কথাকেষাৰ। হতভম্ব হোৱাৰ দৰে উন্মাদপ্ৰায় জনতা থমকি ৰ'ল। তাৰ পিচত ইন্সপেক্টৰক এৰি দি এজন এজনকৈ আঁতৰি থিয় হ'ল। ইন্সপেক্টৰে তেওঁৰ লেতু-সেতু হোৱা পাগুৰীটো মাটিৰপৰা তুলি ধূলি জোকাৰি আকৌ পিন্ধি ল'লে।

"আনোৱাৰ, মই যাওঁ দেই।" এইবাৰ আব্বাজানে তালৈ চাই ক'লে, "মই নেথাকোতেও ভাল লৰাৰ দৰে থাকিবা; দুষ্টালি নকৰিবা। সদায় পেহীজানৰ কথা শুনিবা। কিবা দৰ্কাৰ হ'লে কাকা ৰামেশ্বৰক কবা। খোদা হাফেজ! আহোঁ দেই!" আৰু একো নাই! সহজ

পদক্ষেপেৰে তেওঁ পুলিচ ইন্সপেক্টৰজনৰ লগত গুচি গ'ল। কোনো মৰম-পিগলা কথা তেওঁ নকলে। পুতেকক চেনেহৰে এবাৰ সাৱটি নল'লে। বিদায়ৰ চুমা এটাও নেখালে। আনকি লাহেকৈ এবাৰ পিঠিত হাত ফুৰায়ো নিদিলে। আনোৱাৰে তাৰ আব্বাজানক বিশেষ অন্তৰঙ্গ ভাৱেই চিনি পায়। তেওঁৰ ফালৰ পৰা বাইজৰ মাজত সদৰি ভাৱে কোনো আৱেগৰ প্ৰদৰ্শন আনোৱাৰ আশাও কৰা নাছিল। তথাপি তাৰ শিশু প্ৰাণে কামনা কৰিছিল দুটা এটা মৰমৰ কোমল শব্দ। আব্বাজানৰ তাৰ প্ৰতি চেনেহৰ কিবা এটা চিন যাৰে অন্ততঃ সি বিদায়ৰ ব্যথাক কিঞ্চিত লাঘৱ কৰিব পাৰে। আকবৰ আলি পুলিচ দ'লটোৰ লগত গুচি গ'ল। সমবেত জনতাই পিচে পিচে জয়ধ্বনি কৰি যাব ধৰিলে। অকলশৰে আনোৱাৰ থিয় দি ৰ'ল মচজিদৰ দুৱাৰ মুখৰ বঙা চিৰিৰ ওপৰত। তাৰ সমুখৰ চিৰিৰ খপলাবোৰ ক্ৰমাগত বহল হৈ হৈ বাটৰ লগত মিলি গৈছে। বৰ ভাগৰ লগা যেন অনুভৱ কৰি আনোৱাৰ বহি পৰিল। মধ্যাহ্নৰ জুই যেন ৰ'দত চিৰিবোৰ উত্তপ্ত হৈ উঠিছে। আনোৱাৰে কিন্তু সেই তাপ অনুভৱ কৰিব নোৱাৰিলে। অনেক সময় সি তাতে বহি ৰ'ল। মূৰত ভৰ দুপৰীয়াৰ ৰ'দ লৈ সি মাথোন ভাবিবলৈ ধৰিলে আব্বাজানৰ অবিহনে এই দিনবোৰ সি কেনেকৈ কটাব। কটাব জানো পাৰিব। সহ্য কৰিব পাৰিব এই বিচ্ছেদ। তাৰ মনত পৰিল পেহী-জান আৰু আম্মুমলৈ। এই খবৰ পাই সিহঁতৰ অৱস্থা কেনেকুৱা হব। যাবৰ সময়ত আব্বাজানে তাক কৈ গৈছে: "যদি তোমাৰ কিবা দৰ্কাৰ হয়, কাকা ৰামেশ্বৰৰ ওচৰলৈ যাবা।" আনোৱাৰে এতিয়াই এবাৰ দোকানলৈ গৈ তেওঁক লগ ধৰিবলৈ মনস্থ কৰি থিয় দিলে। মূৰ তুলি চাই আনোৱাৰ দেখিলে তাৰ সমুখত সেয়া অদূৰত চিৰ-পৰিচিত লাল-কিল্লা; আশ্চৰ্য্য-সুন্দৰ মোগল দুৰ্গ। আৰু তাৰ প্ৰধান দ্বাৰত সেয়া ফৰ্‌ফৰাই উৰি আছে—ইউনিয়ন জেক্‌। "আৰু কিমান দিন? আৰু কিমান দিন এই পতাকা তাত উৰিব? উৰি থাকিব?" ভাবি ভাবি আনোৱাৰ চিৰিয়েদি নামি আহিল লাহে লাহে।

সকলো কথাতে ধৰাবন্ধা নিয়ম মানি চলা অভ্যাস লালা ৰামেশ্বৰ দয়ালৰ। তেওঁৰ স্বাস্থ্য আছিল দুৰ্ব্বল। অকমান অনিয়ম হলেই এটা নহয় এটা ৰোগে আক্ৰমণ কৰিবই। সেইবাবে নিয়মমতে আহাৰ কৰি, দৈনন্দিন জীৱনৰ কাম-কাজতো নিয়ম মানি চলি, নিয়মমতে শুবলৈ আৰু দিনৰ বেলাতো জিৰণি লবলৈ ডাক্তৰে তেওঁক উপদেশ দিছিল। ডাক্তৰে লগতে এইটোও জনাই দিছিল যে যি কোনো প্ৰকাৰ উত্তেজনাই দয়ালৰ প্ৰতি মৰাত্মক। সেইবাবে পত্নীয়ে তেওঁক কোনো সভা-সমিতি আদি-লৈকো যাবলৈ নিদিছিল। দয়ালৰ পত্নী লজ্জাৱতী নামতহে লজ্জাৱতী। কথা-বতৰা চেহেৰা-পাতিত তাৰ বিপৰীত। মানুহ গৰাকী অতিপাত স্থূলাঙ্গী। মাতটোও কঠুৱা, টেংটেঙীয়া। তেওঁ অতি কঠোৰ নীতি-নিয়মৰ মাজত ঘৰৰ কাম-কাজ পৰিচালনা কৰিছিল। ঘৰেই নহয় নিজৰ স্বামীৰ ক্ষেত্ৰতো তেওঁ আছিল ভয়ানক কাঢ়া। মানুহ গৰাকী নিঃসন্তান; ল'ৰা-ছোৱালী নাই। বোধহয় সেই কাৰণেই নিজৰ ৰুগ্ন দুৰ্ব্বল স্বামীক এটা অসহায় শিশুৰ দৰেই ব্যৱহাৰ কৰি যেন তেওঁ নিজৰ অতৃপ্ত মাতৃ-হৃদয়ৰ গোপন পোৱণি নিবসন কৰাৰ প্ৰয়াস পাইছিল। অৱশ্যে স্বামীৰ প্ৰতি তেওঁৰ ভক্তি বা আসক্তিৰ যে অভাৱ আছিল এনে নহয়। হলেও তেওঁ স্বামীৰপৰা এনে ধৰণেৰে নিৰ্ব্বিবাদ-বশ্যতাৰ দাবী কৰিছিল যেন তেওঁ দয়ালৰ পত্নী নহয়, মাকহে। ঠিক ঠিক সময়ত তেওঁ স্বামীক ডাক্তৰৰ নিৰ্দ্দেশ মতে বিধে বিধে ঔষধ খুৱাব। এক মুহূৰ্ত্তৰো হেৰ-ফেৰ হবৰ সাধ্য নাই। সেৰেঙা হৈ অহা চুলিত নিজে ঔষধীয় তেল ঘঁহি দিব। নিজে আগত থাকি আহাৰ কৰাব। ডাক্তৰে বান্ধি দিয়া জিৰণিৰ সময় হ'লে একো নকৰাকৈ বহি থাকিবলৈ হুকুম দিব। সময় হ'লে দোকানলৈ যাবলৈ ক'ব। আৰু নিৰ্দ্দিষ্ট সময়তকৈ এধানমান পলমকৈ উভটি আহিলেও বাঘিনীয়ে ধৰাদি খাওঁ-খাওঁকৈ ধৰিব। আবেলি তিনি বজাৰ পৰা পাঁচ বজালৈ দয়ালৰ জিৰণিৰ বন্ধা সময়। এইখিনি সময়ত তেওঁৰ জিৰণিত দয়াল-পত্নীয়ে কোনো প্ৰকাৰৰ ব্যাঘাত ঘটিবলৈ নিদিয়ে। আনকি ব্যৱসায় সংক্ৰান্ত কিবা অতি জৰুৰী খবৰ থাকিলেও এই সময় ছোৱাত সেই খবৰ দয়ালে পাবৰ উপায় নাই।

কিন্তু ইমান যত্ন ল'লেও কি হ'ব। অসুবিধাৰ জানো শেষ আছে!

লজ্জাৱতীয়ে স্বামীক জোৰ কৰি বিচনাত পৰি থাকিবলৈ আদেশ দিব পাৰে, কিন্তু টোপনি যাবলৈতো বাধ্য কৰিব নোৱাৰে। দয়ালৰ মনটোক তেওঁ লেকাম লগাব কেনেকৈ। ফলত এই দুঘণ্টা ৰামেশ্বৰ দয়ালৰ শৰীৰটো নিশ্চল হৈ বিচনাত পৰি থাকে। চকুদুটা মুদ গৈ থাকে। কিন্তু মনটোৱে পৃথিৱীৰ আছে মানে য'তবোৰ উদ্ভট কথা চিন্তা কৰি কটায়। অৱশ্যে এইবোৰ চিন্তাৰ কথা পত্নীৰ আগত অলপকৈ হলেও কোৱাৰ সাহস তেওঁৰ নাই। সৰু কালৰ কথা, স্কুলৰ দিনবোৰৰ কথা, বিস্মৃতিত হেৰাই যোৱা বন্ধু-বান্ধৱৰ কথা, আদি ক'ত কথা ভাবি ভাবি তেওঁ সাৰ পাই-পাই শুই থাকে। তেওঁৰ মনলৈ আহে, যৌৱনৰ কল্পনা-ৰঙীন দিনবোৰত কিমানবোৰ ডাঙৰ-ডাঙৰ কাম কৰাৰ কথাই তেওঁ নেভাবিছিল! কিমান দূৰ দূৰ ঠাই ভ্ৰমণ কৰিবলৈ একান্তভাৱে আশা কৰিছিল! জীৱনক সাৰ্থক কৰি তুলিব পৰা কতবোৰ ৰোমাঞ্চকৰ অভিযানৰ নায়ক হবলৈ মন আছিল তেওঁৰ। কিন্তু হায়! দুৰ্ব্বল শৰীৰ আৰু দুৰ্ব্বলতৰ মনোবলে তেওঁকতো কাহানিও ঘৰৰপৰা এখোজো বহল পৃথিৱীলৈ ওলাই যাবলৈ নিদিলে। অক্ষমতাৰ শিকলিয়ে তেওঁক যেন সদায় একেটা বৃত্তৰ মাজতে বান্ধিহে ৰাখিলে। আৰু তাৰ পিচত তেওঁৰ বিয়া হ'ল। বিয়াৰ লগে লগে এই সকলোবোৰ আশা চিৰতৰৰ বাবে একেবাৰেই নিঃশেষ হৈ গ'ল। দিনবোৰ গৈ থাকিল। লাহে লাহে বাস্তৱত যি সম্ভৱ হৈ নুঠিল কল্পনাৰ মাজত তেওঁ তাৰ বিকল্প বিচাৰি পালে। তেওঁৰ সকলো দুঃসাহসিক অভীপ্সা অভিযানৰ পটভূমি এইবাৰ স্থানান্তৰিত হ'ল মনৰ মাজলৈ; কল্পনা ৰাজ্যলৈ। সময়ে তেওঁক শিকালে টোপনিৰ ভাও জুৰি পৰি থাকি পত্নীৰ কড়া শাসনৰ চকুত ধূলি চটিয়াই কল্পলোকত নিজৰ সকলো অতৃপ্ত বাসনা পৰিতৃপ্ত কৰি লবলৈ।

সেইদিনা শুই শুই তেওঁ ভাবিছিল অভিন্ন-হৃদয় বন্ধু আকবৰ আলিৰ কথা;—বিশেষভাৱে। তেওঁৰ বন্ধু, ব্যৱসায়ৰ একমাত্ৰ অংশীদাৰ আকবৰ আলি কাৰাগাৰলৈ যোৱা তিনিমাহ হৈ গ'ল। কামত আকবৰ আলি আছিল বহুদৰ্শী। অকলই ভালেমান দিক্ বজাই চলিব পাৰিছিল। ফলত এতিয়া স্বাভাৱিকতে ৰামেশ্বৰ দয়ালৰ ওপৰত কামৰ হেঁচা বেচিকৈ পৰিছে। অৱশ্যে কাম বঢ়া বাবে তেওঁ অকণোকে বেয়া পোৱা নাই। কাৰণ বন্ধু আকবৰৰ প্ৰতি তেওঁৰ যি ভালপোৱা সেয়া আন্তৰিক। তাৰ উপৰি তেওঁৰ বন্ধুৱে কাৰাবৰণ কৰিছে দেশৰ কাৰণে। আকবৰ আলিলৈ তেওঁৰ ঈৰ্ষা হয়। ইচ্ তেৰোঁ যদি আকবৰ আলিৰ নিচিনা হ'ব পাৰিলেহেঁতেন। তেনেকুৱা ওখ-পাখ; বলিষ্ঠ। একোলৈকে ভয়

নকৰা নিৰ্ভীক। মাত্ত মাতিলে মেঘমন্দ্ৰ মল্লাৰ ধ্বনি যেন লগা। তেওঁ যদি আজি আকবৰ আলিৰ লগতে কাৰাগাৰলৈ যাব পাৰিলেহেঁতেন। তাত গৈ একেলগে থাকি কত কথাই তেওঁলোকে আলোচনা কৰিব পাৰিলে-হেঁতেন। আকবৰ আলিৰ 'বৈঠক'ৰ আলোচনাবোৰৰ কথা মনত পৰি যায় দয়ালৰ। কিমান বসাল কিমান আনন্দৰে ভৰা আছিল সেই আলো-চনাবোৰ। এতিয়া তাৰো মুদা মৰিল।

আকবৰ আলিক জেলত এবাৰ লগ ধৰাৰ কথা ভাবি চালে ৰামেশ্বৰ দয়ালে। কিন্তু তাকে কৰিবৰ হ'লেও পত্নীৰ অজ্ঞাতেই কৰিব লাগিব। কাৰণ লজ্জাৱতীয়ে এনেয়ে তেওঁক য'লৈ ত'লৈ যাবলৈ নিদিয়ে; তাতে আকবৰ আলিক তেওঁ মুঠেই ভাল নেপায়। নামকে নলয় একেবাৰে। কিবা প্ৰসঙ্গত ওলালেও "তোমাৰ সেই মুছলমান দোস্ত" বুলিহে ব্যঙ্গৰ সুৰেৰে কথা কয়। লজ্জাৱতী ধৰ্ম্মাভাৱাপন্না। কিন্তু ধৰ্ম্মক ইমান উদাৰ ভাবে ল'ব পৰা শিক্ষা-সংস্কাৰ নাই। তেওঁ তেওঁৰ স্বামীৰ বেলেগ ধৰ্ম্মৰ এজন মানুহৰ লগত ইমান ঘনিষ্ঠ মিল হোৱা কথাষাৰ কোনোমতেই সহজভাৱে ল'ব নোৱাৰিছিল। প্ৰথম-প্ৰথমতো দুয়োৰে লগ এৰুৱাই দিবলৈকে চেষ্টা কৰিছিল। কিন্তু অনতিপলমেই তেওঁ বুজি উঠিছিল এই বন্ধুত্ব অতি নিবিড়। ৰামেশ্বৰ দয়াল আৰু আকবৰ আলিক পৰস্পৰৰ পৰা বিচ্ছিন্ন কৰা নিচেই সহজ নহয়। সেয়ে তেওঁ পিচলৈ সেই চেষ্টা এৰি দিছিল।

ওচৰৰ কোঠাত কোনোবাই ডাঙৰ ডাঙৰকৈ কথা পাতিছে। কল্প-লোকৰপৰা ৰামেশ্বৰ দয়াল বাস্তৱলৈ নামি আহিল। লজ্জাৱতীয়ে বেচ উত্তেজিত ভাৱে কাৰোবাক কিবা কৈছে। দয়াল কাণ পাতি ৰ'ল। আনটো মাত্ত কাৰ বুজাত তেওঁৰ অকণো পলম নহ'ল। আনন্দত তেওঁৰ মন অধীৰ হৈ উঠিল। সেয়া আনোৱাৰ।

"মই তোমাক কৈছো নহয়, লালাজী এতিয়া শুইছে। মই তেওঁক

কোনোমতেই জগাব নোৱাৰেঁ।” দয়াল-পত্নীয়ে কৈছে, “যদি তোমাৰ বিশেষ দৰ্কাৰ তেন্তে কালিলৈ দোকানত লগ ধৰিবা। এতিয়া যোৱা।”

“কিন্তু কাকী, (খুড়ীদেউ) আপুনি মোক চিনি পোৱা নাই। মোৰ নাম আনোৱাৰ। মই আকবৰ আলি চাহেবৰ পুত্ৰেক হওঁ। আব্বাজানে মোক কৈ গৈছিল যেতিয়াই মোৰ কিবা সহায়ৰ দৰ্কাৰ হয় কাকাৰ ওচৰলৈ আহিবলৈ। ইফালে ৰাতিপুৱা মই স্কুললৈ যাব লাগে। সময় নেপাওঁ। গতিকে আপুনি যদি বেয়া নেপায় আৰু অনুগ্ৰহ কৰি অনুমতি দিয়ে? মই কাকা সাৰ নেপায় মানে ইয়াতে বহি বাট চাওঁনে? মই মনে মনে বহি থাকিম। একো গণ্ডগোল নকৰেঁ।” আনোৱাৰৰ কথা কোৱাৰ সুৰ অতি মাৰ্জ্জিত; মৰম-লগা ভাবে ভদ্ৰ। সৰ্ব্বসাধাৰণ ল’ৰাৰ লগত নিমিলে। শুনিলে মৰম লাগে। বিমুখ কৰিব নোৱাৰি। কিন্তু দয়াল-পত্নী নিৰ্ব্বিকাৰ। তেওঁৰ এক কথা।

“মোৰ এক কথা। নোৱাৰা বুলিছো মই, নোৱাৰা। অন্য সময়ত তেওঁক লগ ধৰিবা। আৰু এতিয়া তেওঁ কিমান সময়ত সাৰ পাই তাৰো একো ঠিক নাই।”

“ভাল বাৰু কাকী, মই তেন্তে যাওঁ। আপুনি অনুগ্ৰহ কৰি সাৰ পালে কাকাক ক’ব মই তেখেতক বিচাৰি আহিছিলো।” আনোৱাৰৰ মাতত ফুটি উঠিল কৰুণ তীব্ৰ হতাশাৰ সুৰ। লালা ৰামেশ্বৰ দয়ালে শুনিলে আনোৱাৰৰ ভৰিৰ খোজৰ সৰু সৰু শব্দবোৰ ক্ৰমে আঁতৰি গৈছে।

“আনোৱাৰ! আনোৱাৰ! এইফালে আহাঁ। মই সাৰে আছো।” তেওঁ চিয়ঁৰি উঠিল। আনোৱাৰ থমকি ৰ’ল। মুখখন তাৰ জিলিকি উঠিল আনন্দত। উভটি সি লৰ ধৰিলে দয়ালৰ কোঠালৈ। লজ্জাৱতীও বিৰক্ত হৈ আনোৱাৰৰ পিচে পিচে সোমাই গ’ল। জিৰণিৰ যি নিৰ্দ্ধা-ৰিত নিয়ম সেই নিয়ম ভঙা বাবে খঙেৰে এবাৰ স্বামীৰ পিনে চালে। তাৰ পিচত আকৌ দুপদুপাই কোঠাৰ পৰা ওলাই গ’ল।

“কি খবৰ বাচা, তোমাৰ ভাল নে?” মৰমেৰে আনোৱাৰৰ গাত হাত ফুৰাই কাকা ৰামেশ্বৰে সুধিলে। তেওঁ সদায় আনোৱাৰক “বাচা” বুলি মাতে, ঠিক আব্বাজানৰ দৰে। যদিও আব্বাজানৰ অন্তৰঙ্গ বন্ধুৱে তাক তেনেকৈ মতাত আচৰিত হ’ব লগা একো নাই তথাপি আনোৱাৰৰ কেনেবা-কেনেবা লাগে। তদুপৰি আব্বাজানে তাক কাচিৎহে আকো-ৱালি লয় বা গাত হাত ফুৰাই মৰম কৰে। ফলত এনে ধৰণৰ শাৰীৰিক মৰম পোৱাৰ অভ্যাস আনোৱাৰৰ নাই। কোনোবাই কৰিলেও অস্বস্তিহে লাগে।

"বাচা, পিচে কেলৈনো আহিলা তুমি ?" আনোৱাৰৰ স্কুলৰ কথা, আঞ্জুম আৰু পেহীজানৰ কথা, তাৰ নিজৰ স্বাস্থ্য ইত্যাদি সকলো গতানুগতিক খবৰ লৈ শেষত কাকা ৰামেশ্বৰে সুধিলে।

"কাকা, আব্বাজানে জেলৰপৰা এখন চিঠি দিছে।" এইবাৰ সুযোগ পাই আনোৱাৰে একে উশাহে কৈ গ'ল : "আব্বাই লেখিছে মই ইচ্ছা কৰিলে আপোনাৰ লগত তেওঁক চাবলৈ যাব পাৰো হেনো। চৰকাৰৰ অনুমতি ল'লেই আমি দুয়ো যাব পাৰিম। কাকা, অনুগ্ৰহ কৰি আপুনি ডেপুটি কমিচনাৰৰ পৰা হুকুম আনি মোক সোনকালে লৈ বলক। আব্বাজানক মই আজি তিনিমাহ দেখা নাই। আমি কালিলৈকে যাব পাৰিমনে বাৰু কাকা ?"

আনোৱাৰৰ অধীৰতা দেখি ৰামেশ্বৰ দয়ালে মৰমেৰে হাঁহিলে। "নিশ্চয় বাচা আনোৱাৰ, নিশ্চয়। আমি দুয়ো একেলগে তোমাৰ আব্বাজানক চাবলৈ যাম। কিন্তু একেদিনেই সাক্ষাতৰ অনুমতি আদি বন্দোবস্ত কৰিব পৰা নহব নহয়। তুমি একো চিন্তা নকৰিবা। মই সকলো ঠিক কৰি যিমান পাৰো সিমান সোনকালে তোমাক লৈ যাম।"

কাকা ৰামেশ্বৰে তাক আব্বাজানৰ ওচৰলৈ লৈ যাব শুনি সন্তুষ্ট মনেৰে আনোৱাৰে বিদায় লৈ যাবলৈ ওলাল। কিন্তু তাক এখন্তেক ৰ'বলৈ ক'লে দয়ালে।

"অকণমান ৰবা, আনোৱাৰ—এইটো লৈ যোৱা।" এই বুলি তেওঁ গাৰুৰ তলৰপৰা চিকাৰূপ এটকা উলিয়াই তাৰ হাতত দিলে। আব্বাজানে তাক দিনৌ এক অনাকৈ মাত্ৰ পাচা ভাঙি খাবলৈ দিছিল। এতিয়া চক্‌চকাই থকা এটকাকৈ ৰূপ দেখি তাৰ মন লক্‌লকাই উঠা স্বাভাৱিক। কিন্তু সৰুৰেপৰা পোৱা শিক্ষা আৰু সংস্কাৰে তাক এই উপহাৰ গ্ৰহণ কৰাত বাধা দিলে।

"এক টকা, কাকা!" সি চিঁয়ঁৰি উঠিল, "ইমানবোৰ পয়চাৰে মই কি কৰিম ?"

"লোৱা লোৱা, বাচা! যি মন যায় তাকে কৰিবা।" এইবুলি জোৰ কৰি তাৰ হাতত টকাটো গুজি দি কাকা ৰামেশ্বৰে তাক বিদায় দিলে।

দুৰ্গৰ প্ৰাচীৰৰ নিচিনা কাৰাগাৰৰ ওখ দেৱালবোৰ দেখিলেই বুকু কঁপি উঠা বিধৰ। বিৰাট লোহ-কপাট বন্ধ কৰি এটা প্ৰকাণ্ড তলা ওলোৱাই ৰখা হৈছিল। কিন্তু ওচৰৰে এখন সৰু চোৰ-দুৱাৰ খুলি সেইপিনেদি আনোৱাৰ আৰু ৰামেশ্বৰ দয়ালক ভিতৰ সুমুৱাই নিয়া হ'ল। সঙ্গীন খুউৱা এটা ৰাইফেল কান্ধত পেলাই লৈ জেলৰ দুৱাৰ মুখত দুৰ্দান্ত চেহেৰাৰ এজন পুলিচ অবিৰাম তহলি আছিল। সোমায়েই ওচৰতে জেলৰ অফিচ-সমূহ। প্ৰথমতে আনোৱাৰহঁতক চুপাৰিণ্টেণ্ডেণ্টৰ অফিচলৈ লৈ যোৱা হ'ল। ভয়ত আনোৱাৰৰ বুকু দুৰু-দুৰু কঁপিছিল। কিতাপত পঢ়া আৰু মানুহৰ মুখত শুনা জেলৰ গহ্বৰ আৰু শাস্তি-কক্ষবোৰৰ কথা তাৰ কল্পনাত ভাঁহি উঠিছিল। জেলৰ প্ৰধান অধ্যক্ষজন দেখাত এটা বিৰাট দৈত্যৰ দৰে হ'ব বুলি আনোৱাৰৰ ধাৰণা আছিল। কিন্তু এতিয়া সি যি দেখিলে সেয়া সম্পূৰ্ণ বিপৰীত। বেচ সুন্দৰ মৰম-লগা চেহেৰাৰ মানুহ জেলৰ অধ্যক্ষজন। কাম কৰি কৰি মাত্ৰ অলপ ক্লান্ত হৈ পৰিছে। হ'লেও আনোৱাৰৰ পিনে চাই তেওঁ ধুনীয়াকৈ হাঁহি এটা মাৰিলে। কাকা ৰামেশ্বৰে তেওঁক অনুমতি পত্ৰখন দেখুৱালত অধ্যক্ষই তেওঁলোকক ওচৰৰ আন এটা কোঠালৈ লৈ গ'ল। তাত কেইবাজনো ৰাজনৈতিক বন্দীয়ে নিজৰ নিজৰ আপোন মানুহ আৰু বন্ধু-বান্ধৱৰ লগত কথা পাতি আছিল। এটা চুকত এজন ৱাৰ্ডাৰে মনে মনে এখন টুলত বহি পহৰা দি আছিল।

অধ্যক্ষই তেওঁলোকক বহিবলৈ কৈ আনোৱাৰলৈ চাই হাঁহি ক'লে, "বহাঁ ভাইটি, তোমাৰ আব্বাজান এতিয়াই ইয়ালৈ আহিব।" তাৰ পিচত তেওঁ ওলাই গ'ল।

আনোৱাৰে কোঠাটোৰ চাৰিওফালে চকু ফুৰাই চালে। যিখন দুৱাৰেদি অধ্যক্ষৰ অফিচৰপৰা সিহঁত ইয়ালৈ আহিল তাৰ ঠিক বিপৰীত ফালে আৰু এখন দুৱাৰ আছে। সেই ফালেদি জেলৰ ভিতৰলৈ যাব পাৰি বুলি আনোৱাৰৰ অনুমান হ'ল। দুৱাৰখনৰ ওচৰতে এখন সৰু অকল-শৰীয়া খিড়িকী। খোলা খিড়িকীখনেদি দেখা যায় ভিতৰৰ চোতালত আগটো জেলৰ পোছাক পিন্ধা দুজনমান কয়দীয়ে ইফালৰ পৰা সিফাললৈ অহা-যোৱা কৰি আছে। সিহঁতে ইটা, মাটি আৰু চিমেণ্ট কঢ়িয়াইছে মূৰত টুকুৰী লৈ। বোধহয় ভিতৰ পিনে কিবা ঘৰ সজা কাম চলি আছে। আনোৱাৰে মন কৰিলে সিহঁতৰ কাৰো কাৰো ভৰিত পলাব নোৱাৰাকৈ শিকলি বন্ধা আছে। তাৰ বৰ দুখ লাগিল এই কথাটো দেখি। কাকা ৰামেশ্বৰ দয়ালে তাক বুজাই ক'লে, এইবোৰ খুন-ডকাইতি আদি অপৰাধৰ বাবে দীঘলীয়া কাৰাদণ্ড পোৱা মানুহ। বিশ্বাসৰ যোগ্য নহয়

বাবেই এনেকৈ শৃঙ্খলিত কৰি ৰাখিছে। আনোৱাৰৰ ভাবি বৰ দুঃখ লাগিল,—ইমান ভাল ন্যায়পৰায়ণ মানুহ তাৰ আব্বাজান ইয়াত এইবোৰ নষ্ট-চৰিত্ৰ জঘন্য মানুহৰ লগত একেলগে থাকিব লগা হৈছে। মানুহে কিয় ডকাইতি কৰে? আনকি মানুহে মানুহক হত্যাও কৰি পেলাব পাৰে কিয়? ভাবিলে আনোৱাৰ অবাক হৈ যায়। কিয়? কোনো সদুত্তৰ বিচাৰি নেপায় সি।

আনোৱাৰ কিয়, এই এটা চিৰকলীয়া প্ৰশ্নই যুগে যুগে অনেক চিন্তা-শীল উৰ্ব্বৰ মনক বিপাঙত পেলাই আহিছে। আনোৱাৰেও তাৰ সীমিত শক্তিৰে চিন্তা কৰি চাইছিল মানুহৰ অপৰাধৰ অন্তৰালত কি প্ৰেৰণাই কাম কৰে। এনে সময়তে কেৰেক্ কৰি জেলৰ ভিতৰলৈ যোৱা দুৱাৰখন মেল খাই গ'ল। আৰু তাৰ আব্বাজান ধীৰ পদক্ষেপেৰে সোমাই আহিল।

আনন্দত "আব্বাজান" বুলি আনোৱাৰে তেওঁক সাৱট মাৰি ধৰিবলৈ আগবাঢ়ি গ'ল। আকবৰ আলিয়ে তেওঁৰ স্বাভাৱিক প্ৰশান্ততাৰে মৰম কৰি তাৰ মূৰত হাত ফুৰাই দিলে। তাৰ পিচত অতি সাৱধানতাৰে মৰমৰ অত্যধিক বাহ্যিক প্ৰদৰ্শনৰপৰা নিজক সংযত কৰি সসম্ভ্ৰমে ৰামেশ্বৰ দয়ালৰ পিনে আগবাঢ়ি গৈ অন্তৰঙ্গতাৰে তেওঁৰ লগত কৰমৰ্দ্দন কৰিলে। তাৰ পিচত নিজে এখন চকিত বহি আনোৱাৰহঁতকো বহিবলৈ ইংগীত দিলে।

কথা পাতি থাকোঁতে আনোৱাৰে তাৰ আব্বাজানক ভালকৈ চালে। মানুহ গৰাকী আগতকৈ খীনাল; গাল দুখনো শেঁতা পৰি গৈছে যথেষ্ট। কিন্তু মনটো দেখাতেই সজীৱ হৈ আছে। তেওঁ সহযোগীৰ পৰা ব্যৱ-সায়ৰ সকলো খবৰ এটা এটাকৈ ল'লে। আনোৱাৰক ঘৰৰ খা-খবৰ সুধিলে। আনোৱাৰৰ মন কিন্তু এইবোৰত নাছিল। সি উৎকণ্ঠিত আব্বাজানৰ জেল-জীৱনৰ খুটি-নাটি নানা কথা জানিবলৈ। কিন্তু আকবৰ আলি বেলেগ ধাতুৰে গঢ়া মানুহ। নিজৰ দুখ নিজৰ দুৰাৱস্থাৰ কথা আত্ম-সদয় হৈ বৰ্ণনা কৰি আনৰ সহানুভূতি কামনা কৰা মানুহেই নহয় তেওঁ। পুতেকৰ আগত সেইবোৰ কথা ফেনাই ফেনাই কোৱাৰ কথা তেওঁ ভাবিবই নোৱাৰে। হাঁহি হাঁহি সেয়ে তেওঁ ক'লে জেলত থাকি তেওঁ হেনো বেচ আমোদ পাইছে। এক কথাত ক'বলৈ গ'লে বিচিত্ৰ জেল-জীৱন তেওঁ উপভোগ কৰিছে প্ৰাণভৰি। "জানা, এই কেমাহতে মই অসংখ্য কিতাপ পঢ়ি শেষ কৰিলো। অনেক নজনা কথা শিকিলোঁ। বাহিৰত থাকিলে দিন নাই ৰাতি নাই মাথোন কাৰবাৰ আৰু কাৰবাৰ। ক'ত ধৰণৰ যে ভাল ভাল গুণী-জ্ঞানী মানুহ লগ পাইছো হিচাপেই নাই।" জেলত আকবৰ আলিৰ লগত ৰাজনৈতিক বন্দী হৈ

একেলগে আছেহি অনেক বিখ্যাত আইনজীৱি, বেৰিষ্টাৰ, মেধাৱী অধ্যাপক, মৌলৱী, পণ্ডিত। দৰ্শন, ৰাজনীতি, ধৰ্ম্ম বা সমাজনীতিৰ কিবা আলোচনা এবাৰ যেতিয়া তেওঁলোকৰ মাজৰ আৰম্ভ হয় সহজে আৰু শেষ হ'ব নোখোজে। পৃথিৱীৰ সকলো জ্ঞানৰ ভাণ্ডাৰ উজাৰ কৰা হয়। এনেকৈ জেলত থাকিবলৈ পোৱা কথা শুনি আনোৱাৰ আচৰিত হ'ল। "আব্বাজান, জেলত বাৰু সৰু ল'ৰা মানে মোৰ সমান ল'ৰাও আছে নেকি ?" উত্তৰত আব্বাজানে "আছে" বুলি কোৱাৰ লগে লগে আনোৱাৰে তাৰ ভৱিষ্যত সম্পৰ্কেও স্থিৰ সিদ্ধান্ত এটা গ্ৰহণ কৰি পেলালে। য'ত তাৰ আব্বাজান আছে তালৈ সিও আহিব। আৰু অতি সোনকালেই আহিব।

সাক্ষাতৰ নিৰ্দ্ধাৰিত সময় শেষ হোৱাত অধ্যক্ষই আহি বিনীতভাৱে সেই কথা জনাই দিলে। আনোৱাৰহঁত যাবলৈ ওলাল। জেল-বিষয়া জনৰ লগত আনোৱাৰে ধন্যবাদ জনাই কৰমৰ্দ্দন কৰিলে। ৰামেশ্বৰ দয়ালেও তেওঁৰ স্বাভাৱিক বিনয় বচনেৰে বিষয়াজনৰ সজ-ব্যৱহাৰৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলে। সোমাই যোৱা সৰু দুৱাৰ খনেৰে ওলাই আহি বাহিৰত মুকলি বতাহত থিয় দি আনোৱাৰে ভাবিলে এইখন জেললৈ অনতিপলমে সি আকৌ আহিব। কিন্তু এইবাৰ আৰু এনেকৈ ক্ষন্তেকৰ বাবে নাহে। এইবাৰ আহিব ইয়াত দীঘলীয়াকৈ থাকিবলৈ।

শান্তিপ্ৰিয় আইন অনুগত ভাৰতীয় প্ৰাণলৈ প্ৰভূত পৰিবৰ্ত্তন আহিছে। এটা অপৰিচিত অদ্ভুত বাগীয়ে যেন তেওঁলোকৰ মন উন্মনা কৰি তুলিছে। হঠাৎ তেওঁলোকৰ মাজত জেল-জীৱনৰ প্ৰতি এক উৎকট অনুৰাগ অদমনীয় আকৰ্ষণ প্ৰকট হৈ উঠিছে। ব্যৱসায়ীয়ে স্বাৰ্থ পাহৰি দোকানৰ দুৱাৰত তলা ওলোমাই দিছে। ছাত্ৰই স্কুল-কলেজৰ পঢ়া-শুনাত জলাঞ্জলী দিছে। ধৰ্ম্মভীৰু ধৰ্ম্মপ্ৰাণ লোকে মন্দিৰ-মচজিদৰ মোহ ত্যাগ কৰিছে। মাইকী মানুহে অন্তেষপুৰৰ ওখ-বেৰা নেওচা দি ৰাজপথলৈ ওলাই আহিছে। আইনৰ ধ্বজাধাৰী দলে দলে আইনজীৱী উকিলে

আইন-অমান্য কৰিছে। চৰকাৰ প্ৰদত্ত উপাধি লৈ গৰ্ব্ব কৰা উপাধিধাৰী সকলে উপাধি বৰ্জ্জন কৰিছে। চৰকাৰৰ অনুগত বিষয়াসকলে আহি 'ৰাজ-শত্ৰু' দলৰ শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। আৰু এই সকলোৱে কাকতি কৰিঙৰ দৰে দলে দলে আহি জেলত নধৰা হৈছেহি। পৃথিৱীৰ ইতিহাসত ইয়াৰ আগতে ইমানবোৰ মানুহে একেলগে স্বইচ্ছাই কাৰাবৰণ কৰাৰ নিদৰ্শন পাবলৈ নাই।

জেলত আব্বাজানক দেখা কৰি অহাৰ পিচত কাৰাবৰণ কৰাৰ চিন্তাত আনোৱাৰৰ চকুত টোপনি নাইকিয়া হ'ল। হাতে-কটা মোটোহা খদ্দৰৰ পোছাক আৰু এটা সৰু বগা 'গান্ধী টুপি' সি পিন্ধি ফুৰিবলৈ ধৰিলে। এই সাজপাৰ ইতিমধ্যে বিপ্লৱৰ প্ৰতীকৰূপে গৃহীত হৈছিল। ৰাতি ঘৰৰ সকলোৰে টোপনি গ'লে সি মনে মনে তাৰ কোঠাৰ বিচনাৰপৰা চাৰি-পাতিবোৰ নমাই মজিয়াত পাৰি লৈ মাটিত শোৱাৰ অভ্যাস কৰে। আনোৱাৰে শুনিছিল জেলত হেনো যিবোৰ কম্বল কয়দীক ব্যৱহাৰ কৰিবলৈ দিয়ে সেইবোৰ ভীষণ খহটা। গাত ঠহ্‌ঠহাই বিন্ধে। সিও আব্বাজানৰ দোকানৰপৰা মনে মনে তেনে এখন কম্বল আনি ললে। কম্বলখন ক'লা। কাঁইটৰ নিচিনা নোমবোৰ গাত লগাবই নোৱাৰি। তদুপৰি কেচেমা-কেচেম গোন্ধায়ো। তথাপি সেইখন গাত লোৱাৰ অভ্যাস সি কৰিবই লাগিব। কপাহৰ সুকোমল জোলা আৰু চিল্কৰ কাপোৰেৰে কৰা 'লিহাফ্'ৰ আৰাম নেওচি এইখন কম্বল গাত মেৰাই প্ৰত্যেক নিশা সি শোৱে। প্ৰথম প্ৰথম ওৰেনিশা তাৰ টোপনি নাহিছিল। কিন্তু লাহে লাহে অভ্যাস হৈ আহিল। তাৰ এই সাফল্যত সি যেন অন্তৰৰ ফালৰ পৰা বিশেষ বল আৰু আত্মাৰ পোহৰৰ সন্ধান লাভ কৰিলে। ৰাতিপুৱা ঘৰৰ আন মানুহ সাৰ পোৱাৰ আগতে আনোৱাৰে লৰালৰিকৈ উঠে। বিচনাখন পালেঙত আগৰ দৰে পাৰি থৈ কম্বলখন তুলিৰ তলত লুকুৱাই থয়। কোনোবাই যদি দেখে কম কথা হবনে। সন্ন্যাসী সুলভ আত্ম-নিপীড়নৰ আখৰাৰ কথা আনে জানিলে আনোৱাৰে হয়তো লাজতে মৰিয়েই যাব।

আগৰ দৰেই নিয়মীয়াকৈ আনোৱাৰ স্কুললৈ গৈ আছিল। কিন্তু পঢ়া-শুনাতহে তেনেকৈ মন বহুৱাব পৰা নাছিল। পঢ়াতকৈ অন্য ধৰণৰ কথাৰ প্ৰতি তাৰ আকৰ্ষণ বেছি হ'ল। শোভাযাত্ৰা, কোনোবা নেতাৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত হোৱা হৰতাল, আকৌ সেই হৰতালৰ ফলত হোৱা পুনৰ গ্ৰেপ্তাৰ এইবোৰ লৈয়ে সি ব্যস্ত হৈ উঠিল। মুকলি ঠাইত বিদেশী বস্ত্ৰ দাহ কৰাটো এটা নতুন উত্তেজনাপূৰ্ণ খেলাত পৰিণত হোৱাৰ দৰে

হৈছিল সেই সময়ত। ৰাজপথৰ মাজত বিৰাট এক অগ্নিকুণ্ড প্ৰজ্জ্বলিত কৰি তাত দামী দামী চুট, চিল্কৰ শ্বেৰৱাণী, মাইকী মানুহৰ জৰ্জ্জেটৰ শাড়ী, কইনাৰ মূল্যবান সাজ জাহ দিয়া হয়। সৰু সৰু ল'ৰাবোৰৰ এই কামত উৎসাহ আছিল বেছি। প্ৰায়ে দেখা গৈছিল কোনোবা ল'ৰাই হয়তো ঘৰৰপৰা দামী এটা কোট বা শ্বেৰৱাণী এটা লৈ আগে আগে দৌৰি আহিছে। পিচে পিচে বাপেকে খঙত একো নাই হৈ গালি-শঁপনি পাৰি খেদা ধৰিছে। ধৰোঁ-ধৰোঁ হওঁতেই লৰাটোৱে হয়তো জুইত কাপোৰখন দলিয়াই দি নিজকে বাপেকৰ হাতত এৰি দিছে এতিয়া মাৰিলেও মাৰা কাটিলেও কাটা—এনে এটা ভাবেৰে। কিন্তু সেই সময়ত দেশৰ ধূলিৰ কণাই কণাইও এনেদৰে জাতীয়তাৰ ভাব জাগ্ৰত হৈ উঠিছিল যে বাপেকহঁতে এনে কথাত ল'ৰাক প্ৰকাশ্যে মানুহৰ আগত শাস্তি দিব-লৈকো সাহস নকৰিছিল। ভয়, জানোচা তেতিয়া দহে তেওঁলোকৰ দেশপ্ৰেমৰ অভাৱৰ কথা কৈ ফিচিঙা-ফিচিং কৰে! হেয়জ্ঞান কৰে!

আনোৱাৰেও মনে মনে ঘৰৰপৰা কিছুমান বিদেশী কাপোৰ আনি জুইত জাহ দিলেহি। পেহীজানৰ ভয়তে মনে মনে আনিব লগা হ'ল। এইবোৰ নোহোৱা-নোপজা নতুন নতুন কথাৰ একো ভূ-ভটং তেনেকৈ নেপায় পেহীজানে। তেওঁযে এনেকৈ কথা নাই, বতৰা নাই ভাল নতুন কাপোৰ এসোপা নি পুৰি পেলোৱা কথা কোনোমতেই সমৰ্থন নকৰিব তাত আনোৱাৰৰ সন্দেহ নাছিল। কিন্তু তথাপিও এটা বস্তু সি পুৰিব পৰা নাছিল। আগৰ বছৰ ঈদ উছৱত লোৱা জকমকীয়া চিল্কৰ শ্বেৰ-ৱাণীৰ মোহ সি চেষ্টা কৰিও এৰিব পৰা নাছিল। কিন্তু বিপ্লৱে যেতিয়া ক্ৰমাৎ গুৰুতৰ ৰূপ ধাৰণ কৰিলে, দলে দলে নেতৃস্থানীয় লোকক জেলত ভৰোৱা হ'ল আৰু প্ৰত্যেক দিনাই অপৰিমিত বিলাতী কাপোৰ ধোঁৱাত পৰিণত হ'ব ধৰিলে তেতিয়া আনোৱাৰে আৰু শ্বেৰৱাণীটো সুমুৰাই ৰাখিব নোৱাৰিলে। সি জানে এই শ্বেৰৱাণীটো জুইত দিবৰ হ'লে তাৰ প্ৰাণে কান্দি উঠিব। কিন্তু দেশৰ দাবীযে বহুত ডাঙৰ। দেশে আজি বিচাৰিছে দেশৰ বেদীত প্ৰত্যেক ব্যক্তিয়ে তেওঁৰ মৰমৰো মৰমৰ সকলো সম্পত্তি উছৰ্গা কৰক; বলি দিয়ক। তেনে স্থলত আনোৱাৰে যদি এটা সাধাৰণ শ্বেৰৱাণীৰ মোহো এৰিব নোৱাৰে তেন্তে সি জেললৈ যাব কেনেকৈ!

এদিন ৰাতিপুৱা চাহ-জলপান খাই উঠি আনোৱাৰ নিজৰ কোঠাত সোমাল। শ্বেৰৱাণীটো উলিয়াই শেষবাৰলৈ বুলি ভালকৈ এবাৰ চাই ল'লে। তাৰ পিচত কাগজ এখনেৰে মেৰিয়াই নিজৰ কিতাপ-বহীৰ

তলত জাপি লৈ মনে মনে কোঠাৰপৰা পদুলি পালেহি। এনেতে সি শুনিলে বিপৰীত ফালৰপৰা এখন টাঙ্গা অহাৰ শব্দ। টাঙ্গাখনে খৰধৰকৈ যাব ধৰা আনোৱাৰক প্ৰায় খুন্দিয়াইয়ে দিছিল আৰু। টাঙ্গা-খন ৰ'ল। মূৰ তুলি চাই আনোৱাৰে দেখিলে টাঙ্গাৰ পৰা নামি আহিছে স্বয়ং তাৰ ডাঙৰ-আব্বা আমজাদ আলি। লগত বয়-বস্তু লৈ এটা চাপ্ৰাচি।

"চালাম-আলেইকুম্‌ ডাঙৰ-আব্বা।" কোনোমতে সম্ভাষণ জনায়েই সি যাব খুজিলে।

"খোদা তোমাৰ ভাল কৰক।" অভ্যস্ত নিৰস সুৰত আমজাদ আলিয়ে উত্তৰ দিলে: "ইমান সোনকালে তুমি ক'লৈ যোৱা?"

"স্কুললৈ ডাঙৰ-আব্বা।" যাবলৈ অধৈৰ্য্য হৈ আনোৱাৰে উচ্‌পিচ লগালে।

আমজাদ আলি অভিজ্ঞ লোক। অনেক বছৰ আদালতত দাগী দাগী চোৰৰ লগত হাত-বাত কৰি কটাইছে। সকলোকে নিৰ্ব্বিচাৰে সন্দেহ কৰা তেওঁৰ অভ্যাসত পৰিণত হৈছে। আনোৱাৰেও যে কিবা এটা কথা লুকুৱাবলৈ যত্ন কৰিছে তাৰ মুখ দেখিয়ে বুজাত তেওঁৰ অকণো অসুবিধা নহ'ল। আনোৱাৰৰ কিতাপজাপৰ তলত থকা টোপোলাটোলৈ তেওঁৰ চকু গ'ল।

"সেইটো কি? কিতাপৰ তলত?" তেওঁ ৰুক্ষভাবে সুধিলে।

আনোৱাৰে জানে, এই গৰাকী মানুহে বিলাতী কাপোৰ জলোৱা অগ্নিকুণ্ডত শ্বেৰৱাণীটো পুৰিবলৈ গ'ম পালে কেতিয়াও নিদিয়ে। পেহী-জানে তাক ইতিমধ্যে কৈছেই, "এই ৰাজদ্ৰোহী কংগ্ৰেছ্‌মখাৰ লগত মুৰ্খৰ দৰে ঘূৰি জেলত সোমাই বংশৰ নামত কলঙ্ক অনা" বাবে আমজাদ আলিৰ ভায়েকৰ ওপৰত ভীষণ খং। আৰু যদি এতিয়াই টোপোলাটোত কি আছে গম পায় সুখে এৰিবনে? আনোৱাৰৰ সকলো পৰিকল্পনাই নিৰ্ঘাত পণ্ড হৈ যাব।

"নাই নাই, ডাঙৰ-আব্বা, একো নাই।" খকামকাকৈ কৈয়ে সি সি উভটি লৰ ধৰিলে। আমজাদ আলিয়ে তাক ৰবলৈ জোৰে জোৰে চিঞৰাতো সি আৰু নৰ'ল।

সেইদিনা ঘৰলৈ ঘূৰি আহোঁতে আনোৱাৰৰ নিশা হৈছিল। ঘৰ পাই সি দেখিলে তালৈ বাট চাই ডাঙৰ-আব্বা গহীন হৈ বহি আছে। ঘৰখনত এটা ভয়-ভয় অস্বস্তিকৰ নিৰৱতা বিৰাজ কৰিছে। পেহীজান, আঞ্জুম সকলোৰে মুখত গভীৰ উদ্বিগ্নতাৰ ছাঁয়া।

"আনোৱাৰ।" কঠোৰ মাতেৰে ডাঙৰ-আব্বাই তাক মাতিলে। দুৰ্দ্ধৰ্ষ ডকাইতো আদালতত আমজাদ আলিৰ যি মাত শুনি কঁপি উঠে সেই মাত শুনি ওঁঠ চেপিলে গাখীৰ ওলোৱা আনোৱাৰৰ অৱস্থা কেনে হৈছিল সহজে অনুমান কৰিব পাৰি।

"কি কয়, ডাঙৰ-আব্বা ?" ভয়ে-ভয়ে সি ওচৰত থিয় দিলেহি।

"গোটেই দিন তুমি ক'ত আছিলা ?........কোৱা ?....মুখেৰে মাতা।" প্ৰশ্নটো সোধাৰ ক্ৰোধান্বিত সুৰটোৱেই আনোৱাৰক নিৰ্ব্বাক কৰি তুলিবলৈ যথেষ্ট আছিল। ভয়ত পেপুৱা লাগি সি তলমূৰ কৰি ৰ'ল। আমজাদ আলিয়ে ক'বলৈ ধৰিলে, "তুমি যদি নেমাতি ৰণ জিকিব খুজিছা তেন্তে শুনা, মই কওঁ। এই জঘন্য কংগ্ৰেছ আৰু খিলাফতৰ বেহুদামখাৰ লগ লাগি তুমি দিনটো ধদুৱা কোৱাই টলৌ-টলৌ কৰি ঘূৰি ফুৰিছা। শোভা-যাত্ৰা কৰিছা। বিলাতী কাপোৰ পুৰিছা। ৰাতিপুৱা মই সোধোতে স্কুললৈ যাওঁ বুলি তুমি ফাঁকি মাৰিলা। স্কুললৈ গৈছিলানে ? এয়া ভাল ল'ৰাৰ চিন। মই তোমাৰ স্কুলৰ প্ৰধান শিক্ষকৰ লগত কথা হৈছিলো। তোমাৰ মতি-গতি দেখি তেওঁ একেবাৰে হতাশ হৈ পৰিছে।"

এক মুহূৰ্ত্ততে যেন দেশজুৰি হোৱা উত্তেজনাপূৰ্ণ মন-মতলীয়া কৰি তোলা সকলো ঘটনাৰ সকলো মহত্ব, স্বদেশপ্ৰেমপূৰ্ণ সকলো বৈশিষ্ট্য আৰু বৈচিত্ৰ কোনোবাই কাঢ়ি নিলে। তহ্চিলদাৰৰ ৰঙীন চশমাৰ মাজেদি চাই সেইবিলাক এনে লগা হ'ল যেন সেয়া কিছুমান উশৃঙ্খল বেয়া মানু-হৰ ধ্বংসৰ মনোবৃত্তি লৈ কৰা অপকৰ্ম্ম মাথোন। এনেকৈ অযথা হুল-স্থূলৰ সৃষ্টি কৰি দেশৰ শান্তি নষ্ট কৰা মানুহক গুলিয়াই মৰাই উচিত। আনোৱাৰৰ সহজে দাগ বহা কোমল মনত গভীৰ দ্বিধাৰ উপস্থিত হ'ল। "হয়তো, হয়তো ডাঙৰ-আব্বাৰ কথাই সঁচা।" সি ভাবিলে। কিন্তু......

"কিন্তু ডাঙৰ-আব্বা,—আব্বাজানেওযে এইবোৰ সমৰ্থন কৰে ? এই-বোৰ কাম কৰা বেয়া হোৱা হ'লে আব্বাজান কেতিয়াও জেললৈ নগ'ল-হেঁতেন।"

"ইয়া আল্লা।" অতি মনোকষ্টত চিঞঁৰি উঠিল যেন তেওঁ, "কিযে এটা ভাই দিলা তুমি মোক। আৰু ভাই চাই ভতিজা। চৰকাৰে মোৰ

কামত মোৰ বিশ্বস্ততাত সন্তুষ্ট হৈ মোক ই-এ-চিৰ পদলৈ উন্নীত কৰিছে। দেশদ্ৰোহী বে-আইনী কাম দমন কৰাত মই দিনে-ৰাতিয়ে খাটিব লগীয়া হৈছে। আৰু এতিয়া চোৱা, মোৰ নিজৰ পৰিয়ালৰ মানুহে চৰকাৰে মোক দেখুৱা মৰমৰ প্ৰতিদান কেনেদৰে দিছে। অকৃতজ্ঞইঁত! এই চুৰঁৰৰ-বাচছাইঁতৰ লগত হাতত হাত মিলায় ভাল মানুহে! গান্ধী, মোহাম্মদ আলি, চৌকৎ আলিৰ দলৰ প্ৰবঞ্চকবোৰৰ লগত একেলগে উঠা-বহা কৰে। ছিঃ ছিঃ!"

এইদৰে ভালেমান পৰ তেওঁ অনৰ্গল বকি গ'ল। শেষত আনোৱাৰক নিজৰ সিদ্ধান্ত শুনাই দিলে: "শুনা। মূৰ্খৰ চূড়ামণি আকবৰে যি কাম কৰিলে সেই কাম এতিয়া মই নোহোৱা কৰিব নোৱাৰোঁ। সি নিজে তাৰ প্ৰতিফল পাব। যি হ'ল হ'ল। সেইবুলি চৰকাৰৰ চকুত আমাৰ পৰিয়ালৰ স্থান মই আৰু তললৈ নমাবলৈ এটা সৰু ল'ৰাক কেতিয়াও দিব নোৱাৰোঁ। আনোৱাৰ! তুমি কালিলৈ ৰাতিপুৱাই মোৰ লগত গড়গাওঁলৈ যাব লাগিব। ইয়াত পেহীজানে তোমাৰ ওপৰত ঠিক-মতে চকু ৰাখিব নোৱাৰে। তোমাৰ আব্বাজান জেলৰপৰা ওলাই নাহে মানে তুমি মোৰ লগত থাকিব লাগিব। এনেকৈ তোমাক জহন্নামলৈ যাবলৈ আমি এৰি দিব নোৱাৰোঁ।"

সেইনিশা আনোৱাৰে শুবতো নোৱাৰিলেই খাবও নোৱাৰিলে। আব্বাজানেতো তাক কোনোদিনে টান কথা নকয়েই, অন্য কোনেও আজি পৰিমিত তাক এনে সুৰত কথা কোৱা নাই। এনেকৈ নিষ্ঠুৰ ভাৱে কথা কোৱা অন্যায়। কথাখিনিয়ে যেন তাৰ অন্তৰখন বিদাৰি পেলালে। বিশেষকৈ তাৰ ইমান মৰমৰ আব্বাজানক আক্ৰমণ কৰি কোৱা কথাখিনি সহ্য কৰিবলৈ সি টান পালে। তেতিয়াই তাৰ ভীষণ খং উঠি গৈছিল। কিন্তু খুড়ৰ কোবতে সি তেতিয়া একো ক'ব নোৱাৰিলে। এতিয়া এনে লাগিল যেন এতিয়াই সি গৈ আমজাদ আলিৰ আগত থিয় দি ক'ব, আপুনি তহচিলদাৰ হ'ব পাৰে। ই-এ-চি হ'ব পাৰে। কিন্তু মোৰ আব্বাজানৰ ভৰিৰ জোতাৰ তলিখনৰো জোৰ আপুনি নেপায়। আব্বাজান ভৰিৰ জোতা স্পৰ্শ কৰাৰো যোগ্যতা আপোনাৰ নাই। আনোৱাৰৰ কবৰ মন গ'ল, দেশৰ সৰ্ব্বসাধাৰণ ৰাইজে আমজাদ আলিৰ নিচিনা মানুহক বিশ্বাসঘাতক বুলি ভাবে। হীন, ভেকুলিৰ দৰে কলিজাৰ বিদেশীৰ পদলেহী কুকুৰৰূপে জ্ঞান কৰে। অতি উত্তেজিত হোৱা স্বত্বেও তাৰ ভিতৰৰ কিবা এটা অনামী শক্তিয়ে আনোৱাৰক সংযত কৰি ৰাখিলে। হয়তো হ'ব পাৰে সেয়া সৰুৰে পৰা আনোৱাৰে পাই

অহা ডাঙৰৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ শিক্ষা। হয়তো হ'ব পাৰে সেয়া তাৰ স্বাভাৱিক অবাঞ্চনীয় উগ্ৰ পৰিস্থিতিৰ প্ৰতি বিকৰ্ষণ। অথবা, সম্ভৱতঃ, হ'ব পাবে সেয়া তাৰ নিচক শাৰীৰিক দুৰ্ব্বলতা।

বিনিদ্ৰ অধীৰ বিচনাত আনোৱাৰ পৰি ৰ'ল। নিশা ক্ৰমাগত গভীৰ নিস্তব্ধ হৈ আহিল। তাৰ গাৰু তপত তিক্ত অশ্ৰুৰে সিক্ত হৈ উঠিল। বাৰে বাৰে সি নিজকে ক'বলৈ ধৰিলে: "মই ঘিণ কৰো! ডাঙৰ-আব্বাক মই ঘিণ কৰো! ঘিণ কৰো! ঘিণ কৰো! তেওঁৰ লগত মই নেযাওঁ। নেযাওঁ নেযাওঁ নেযাওঁ; কেতিয়াও নেযাওঁ। কেতিয়াও নেযাওঁ। কেতিয়াও।"

ৰাতিপুৱা ওচৰৰ মচজিদৰপৰা মোৱাজ্জিনে ধৰ্ম্মভীৰু সকলক প্ৰত্যুষৰ প্ৰাৰ্থনাৰ বাবে আহ্বান জনালে। আনোৱাৰ উঠিল। উলৰ শ্বেৰৱাণীটো পিন্ধিলে। কাণ দুখন গৰম ৰাখিব পৰাকৈ মেৰিয়াই গলাবন্ধ এখন মাৰিলে। তাৰ পিচত হাতত সাৰে ভৰিত সাৰে কোঠালিৰপৰা ওলাই আহিল। বাহিৰত তেতিয়াও এন্ধাৰ। বাহিৰ ওলায়ে সি শুই থকা মেকুৰি এটাৰ নেজতে দিলে গচক মাৰি। মেউ-মেউ কৰি মেকুৰিটো আঁতৰি গ'ল। আনোৱাৰৰ গোটেই গাটো শিয়ঁৰি উঠিল। এক মুহূৰ্ত্ত শিলামূৰ্ত্তিৰ দৰে সি থৰ হৈ ৰল। কোনোবা যদি সাৰ পাই উঠে! নাই, কোনো সাৰ পোৱাৰ উমঘাম নাই। টুকটুক্‌কৈ খৰতকীয়া খোজেৰে আহি সি পদুলীৰ মাই গেটখন পালেহি। কিন্তু ইকি! আজিহে সি প্ৰথম লক্ষ্য কৰিলে গেট-খন বন্ধ কৰা দাংডাল বহুত ওখ। সি ঢুকি নেপায়। উপায়? অলপ ভাবি উভটি গৈ নিঃশব্দে সি টুল এখন লৈ আহিলগৈ। উত্তেজনাত তাব বুকুখন কঁপি উঠিছে। কঁপি কঁপি সি টুলখনত উঠিল আৰু হাত মেলি দাংডাল খুলিলে। কিন্তু নামিব খোজোতে ওখৰা-মোখৰা মাটিত টুলৰ ভাৰসাম্য ৰাখিব নোৱাৰি হঠাৎ সি গিৰিং কৰে পৰি গ'ল। বেৰাৰ পকাত মূৰটো বেয়া ধৰণে খুন্দা খালে। চাৰিওফালে পৃথিৱীখন এবাৰ কঁপি উঠা যেন লাগিল। কিন্তু সেই সময়ত কিমান দুখ পাইছে চাবলৈ বা ভাবিবলৈ আনোৱাৰৰ সময় নাছিল। সি পৰি যোৱা শব্দত হয়তো ঘৰে-ঘৰোৱাল মানুহ এতিয়াই সাৰ পাই উঠিব আৰু কি-হ'ল কি-হ'ল কৰি খেদি আহিব, এই ভয়ত তাব বুকুখন চপচপাব ধৰিলে। কণামুণাকৈ সি গে'টখন খুলিলে আৰু প্ৰাণটাকি জনশূন্য বাটটোৰেদি দৌৰিবলৈ ধৰিলে। দৌৰি দৌৰি সৰু বাটটোৰপৰা আহি প্ৰধান ৰাজপথত উপস্থিত হৈহে সি উশাহ সলাবলৈ বেগ কমাই দিলে। তেতিয়া চাৰিওপিনে দোকমোকালিৰ কাহিলি-কাহিলি পোহৰ হৈছে। দূৰত, প্ৰশান্ত-গতি যমুনাৰ সিপাৰে

পূব-দিগন্ত ক্ৰমাৎ হেঙ্গুলীয়া হৈ আহিছে। কিন্তু মূৰৰ ওপৰত নভো-মণ্ডলত অনেক তৰা তেতিয়াও তিৰবিৰ কৰি আছে,—কিঞ্চিত মোলান ভাৱে।

ইমান ই-মা-ন ৰাতিপুৱাই বিছনা এৰি আনোৱাৰ কেতিয়াও ঘৰৰ পৰা বাহিৰ ওলাই অহা নাই। ইমান ৰাতিপুৱা বাহিৰ ওলোৱাটো কিবা এটা দুঃসাহসিক কামহে যেন সি কৰিলে এনে লাগিল আনোৱাৰৰ। কিবা অনাস্বাদিতপূৰ্ব্ব এক উত্তেজনাত সি শিহঁৰি উঠিল। পুৱাৰ বতাহজাক চেঁচা; বেজিয়ে বিন্ধাৰ দৰে গালে-মুখে আহি লাগিছে। কাণৰ ওপৰেদি গলাবন্ধখন ভালকৈ মেৰিয়াই লব খোজোতে বাওঁফালৰ চকুটৰ ওপৰত কপালত কিবা এটা আঁঠা-আঁঠা যেন বস্তু হাতত লগা যেন লাগিল তাৰ। চকুৰ আগলৈ হাতখন আনি চাই আনোৱাৰে দেখিলে,—তেজ। সেই-খিনিতে সি পকা বেৰত খুন্দা খাইছিল। আচৰিত ধৰণে আনোৱাৰৰ তেজ দেখি অকণো ভয় নেলাগিল। বৰং যেন এটা অভূতপূৰ্ব্ব বিজয়-গৰ্ব্বত বুকুখন ফুলিহে উঠিল। ইমান দিনে সকলোৱে আনোৱাৰক তাৰ কটাৰীনলীয়া দুৰ্ব্বল দেহাটোৰ বাবে পুতৌ আৰু ইতিকিং কৰি আহিছে। পেহীজানেতো ক'ৰবাত তাৰ উজুটিতে কিবা এটা হয় বুলি সদায় উদবিগ্ন হৈয়ে থাকে;—যেনিবা সি মানুহ নহয় এটা ননীৰ পুতলাহে। এতিয়া আহক সকলো। চাওকহি! সেইটো ল'বাৰে মূৰটো পকাত জোৰেৰে খেতেলা খাই গৈছে। ক্ষত স্থানৰপৰা ফিন্‌ফিনকৈ তেজ ওলাইছে। অথচ সি ভ্ৰূক্ষেপেই কৰা নাই। অকণো কেটকুট কৰা নাই। বেদনা অনুভৱ কৰা নাই। আনকি টক্ টক্ কৰে ৰঙা জীয়া তেজ দেখিও ভয়ত কোঁচ খাই যোৱা নাই। সি কম্পাতো নায়েই,—তাৰ সলনি অসম সাহসী মানুহৰ দৰে নিৰ্ব্বিকাৰ চিত্তে ৰৈ আছে! এই কথা, এই তাৰ স্থিৰ ধৈৰ্য্যৰ কথা আব্বাজানে জনা হ'লে কিমান নইযে সন্তোষ পালেহেঁতেন।

আব্বাজান! অতি সোনকালে, আৰু মাত্ৰ কেইঘণ্টামানৰ পিচতেই সি তাৰ আব্বাজানক লগ পাব! পাবই! কাৰণ অনতিপলমে সিও কাৰাবৰণ কৰিব। তাৰ গন্তব্য সম্পৰ্কে আনোৱাৰে মনে মনে স্থিৰ সংকল্প গ্ৰহণ কৰিছে।

আনোৱাৰৰ ধাৰণা আছিল কাৰাগাৰলৈ যোৱাটো নিতান্ত সহজ কথা। মনটো ডাঠ কৰি লৈ সাহসেৰে কিবা এটা বে-আইনী কাম পুলিচৰ চকুৰ আগতে কৰি পেলালেই হ'ল। ৰাজনৈতিক-উত্তেজনা সৃষ্টিকাৰীবোৰক দিনৌ পাইকাৰী হাঁৰত নিয়াৰ দৰে সাউত কৰে আহি পুলিচে চৰাইৰ সজাঁৰ দৰে সেই ক'লা গাড়ী এখনত ভৰাই পোনেই লৈ যাবহি। বচ,— 'শহুৰৰ ঘৰ।' একো লেঠাই নাই।

পিচে পুলিচ বিভাগৰহে এই বিষয়ত মনোভাব আছিল সম্পূর্ণ বেলেগ। চোৰ, জেপ-লুকুকা, থগ, ডকাইত-খুনী আদি ৰাখিব পৰাকৈ তেওঁলোকে যথেষ্ট পৰিমাণে কাৰাগাৰ নির্ম্মাণ কৰিছে সন্দেহ নাই। কিন্তু বৰ্ত্তমানৰ দৰে আচৰিত অৱস্থাৰ সন্মুখীন কেতিয়াবা হ'ব লগা হ'ব পাৰে বুলিতো তেওঁলোকে কাহানিও ভৰা নাছিল। পৃথিৱীৰ কোনো চৰকাৰেই কেতিয়াও এনেকুৱা হাৰত বন্দী ৰাখিব লগা হোৱা নাই। তাকো চোৰ-ডকাইত নহয়। হেজাৰ-হেজাৰ আইন-অনুগত, ভদ্ৰ, ঈশ্বৰ-বিশ্বাসী মানুহৰ মনত স্বেচ্ছাই কাৰাবৰণ কৰাৰ এটা অদ্ভুত নিচা লাগিছে। দহ হেজাৰ! কুৰি হেজাৰ! ডেৰকুৰি হেজাৰ! তথাচ সংখ্যা কমা নাই। দিনে দিনে ছুবিছেহে। সকলো কাৰাগাৰ ঠাহ খাই পৰিছে। জেল-কর্ত্তৃপক্ষ, পুলিচ-বিভাগ, বিচাৰ-বিভাগ, সকলোৰেই এই অভিনৱ কাৰাগাৰ অভিমুখী তীৰ্থযাত্ৰীদলক যথাযোগ্য অভ্যর্থনা জনাওঁতে জনাওঁতে ভাগৰি পৰিছে। আইন অমান্য আন্দোলনৰ হেচাঁত গোটেই চৰকাৰটোৱেই বিকল হৈ নপৰিলেও জুকলা হৈ পৰিছে।

সেয়ে চৰকাৰে সিদ্ধান্ত গ্রহণ কৰিছিল পাৰ্য্যমানে কম সংখ্যক মানুহ গ্রেপ্তাৰ কৰিবলৈ। আৰু এনে সময়তে আনোৱাৰেও সিদ্ধান্ত কৰিলে যেনেকৈ হওঁক কাৰাগাৰবাসী বন্দী-চাতক দলকে সখিত্ব বান্ধিবলৈ। ফলত আনোৱাৰৰ উদ্দেশ্য সফল হোৱা টান হৈ উঠিল। চৰকাৰে ঠিক কৰিছিল বাচি বাচি দুই চাৰিজন নেতৃস্থানীয় লোকক মাত্র কাৰাৰুদ্ধ কৰি বাকী সৰু-সুৰা বোবৰ ক্ষেত্রত পৰোক্ষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ।

ক'লৈ যাম কি কৰিম একো নভবাকৈয়ে আনোৱাৰ ঘৰৰপৰা ওলাই আহিছিল। এতিয়াও সি লক্ষ্যহীনভাৱেই গৈ থাকিব ধৰিলে। এনে সময়তে আগত এখন প্ৰকাণ্ড কংগ্ৰেছ পতাকা লৈ বিপৰীত পিনৰপৰা আহি থকা তাৰ স্কুলৰে এজাক ছাত্ৰক সি লগ পালে। খবৰ লৈ সি জানিলে সিহঁত এটা তাণ্ডৱ শোভাযাত্ৰাত যোগ দিবলৈ গৈছে। কথাই-কথাই সিহঁতৰে এটাই আনোৱাৰক ক'লে, "জানা, আজি বোধহয় অসংখ্য

মানুহক পুলিচে গ্ৰেপ্তাৰ কৰিব।" গ্ৰেপ্তাৰ? তেন্তে আৰু কোনে পায়! তাকেইতো আনোৱাৰে বিচাৰিছে।

সিদিনাৰ সমদলটো আছিল অতি বৃহৎ; এক কথাত অভূতপূৰ্ব্ব। দীঘলে একেবাৰে ফতেহ্‌পুৰী মচজিদৰপৰা শিলা-কুটীৰ প্ৰাচীৰলৈকে জোৰা। সমদলৰ একেবাৰে আগত যোৱাৰ ইচ্ছা আনোৱাৰৰ; তাৰ বন্ধুদলৰো। তেতিয়া হ'লে সম্ভাব্য যি কোনো পৰিস্থিতিৰে ভাগ ল'ব পৰা যাব ভালকৈ। দীঘল দাঢ়িয়া এজন মুছলমান মৌলবী আৰু গেৰুৱা পোছাক পিন্ধা এজন হিন্দু স্বামীয়ে শোভাযাত্ৰাৰ নেতৃত্ব কৰিছে। জনতাই ঘনে ঘনে জয়ধ্বনি কৰি গৈছে; স্বদেশ প্ৰেমৰ উদ্দাত্ত গীত গোৱা হৈছে। আনোৱাৰে অমৃতচৰত শুনা জয়ধ্বনিৰ কথাবোৰকে ইয়াতো চিয়ঁৰা হৈছে। জনতাৰ আকাশ কপোঁৱা গৰ্জ্জনৰ লগত সিওঁ তাৰ মিহি চি-চিওৰঁা মাতটো মিলাই দি চিয়ঁৰিব ধৰিলে। বন্দে মাতৰম্! মাতৃভূমিৰ জয় হওক! আল্লাহ আকবৰ। ভগৱান মহান! জীৱনত প্ৰথমবাৰ আনোৱাৰে ইন্-কিলাব জিন্দাবাদ—এই যাদু-লগা শব্দ দুটা উচচাৰণ কৰাৰ উত্তেজনা প্ৰাণে-প্ৰাণে উপলব্ধি কৰিলে। শোভাযাত্ৰাৰ প্ৰত্যেকজন মানুহকে যেন এই শব্দ দুটাৰ তড়িত পৰশে অন্তৰৰ গভীৰ প্ৰদেশলৈকে সচকিত কৰি গৈছে। জনতাৰ মাজত হেৰাই গৈ, মানৱ সমুদ্ৰৰ মাজৰ এটা ক্ষুদ্ৰ জল-বিন্দুৰ দৰে হৈ, নিজৰ ক্ষুদ্ৰ ব্যক্তিত্বক বিৰাটৰ মাজত নিঃশেষ কৰি দি, সামূহিক আৱেগৰ স্ৰোতত নিজকে উটুৱাই দি আনোৱাৰৰ এনে লাগিল যেন ভিতৰি ভিতৰি সি গোটেই মানুহটোৱেই এটা নতুন মানুহ হৈ গৈছে। এতিয়া আৰু সি ব্ৰীড়াৱনত এটা ল'ৰা নহয়; নহয় এটা দুৰ্ব্বল নিশ-কতীয়া শিশু। তাৰ সত্ত্বাত নতুন শক্তিৰ উন্মেষ ঘটিছে। নতুন সাহস। দুঃসাহসিকতা! এই মুহূৰ্ত্তত, এই মুহূৰ্ত্তত মূৰ্ত্তিমন্ত মৃত্যু আহি ভয়ানক ৰূপত তাৰ সমুখত থিয় দিলেও সি তিলমানো কেৰেপ নকৰে!

মৃত্যু আহি কালান্তক ৰূপত তাৰ সমুখত থিয় হ'লহিও। মূৰ্ত্তিমন্ত মৃত্যুৰূপী এদল সশস্ত্ৰ পুলিচে শোভাযাত্ৰাৰ পথ ৰুদ্ধ কৰি শাৰী পাতি ঠিয় দিলে। সিহঁতৰ হাতে-হাতে সঙ্গীন লগোৱা উদ্যত ৰাইফেল। কুন্দাবোৰ বাউ-সীত হেঁচি ধৰি নলীবোৰ জনতাৰ বুকুলৈ টোৱাই সমান্তৰাল কৰি বখা হৈছে। শোভাযাত্ৰা থমকি ৰ'ল। সমগ্ৰ জনতাৰ মাজেদি মৌ-মাখিৰ গুণগুণনিৰ দৰে এটা গুণগুণনি শব্দ বৈ গ'ল। পুলিচে বাধা দিয়াৰ খবৰ শোভাযাত্ৰাৰ প্ৰথমাংশৰ পৰা মুখে মুখে বাগৰি শেষৰ মানুহজনৰো কাণত পৰিলহি। জনতাৰ মাজৰ ক্ষনিক আগৰ উদ্যম যেন চকুৰ পচা-ৰতে অন্তৰ্হিত হ'ল। তাৰ ঠাইত এটা অস্বস্তিকৰ চঞ্চল পৰিস্থিতিৰ

উত্তৰ হ'ল। আনোৱাৰহঁতৰ স্কুলৰে কিষেন নামৰ এটা তল শ্ৰেণীৰ নিচেই কম বয়সীয়া ল'ৰাও সিহঁতৰ লগত আছিল। এতিয়া পুলিচ দেখি হঠাৎ সি ভেঁ-ভেঁকৈ কান্দিবলৈ আৰম্ভ কৰি দিলে। ফলত আকাশ কপোঁৱা জয়ধ্বনি, উদ্দাত্ত গীত আদিৰে আগবাঢ়ি অহা শোভাযাত্ৰা অনুষ্ঠানটোৱেই যেন এটা হাস্যকৰ উপসংহাৰত উপনীত হ'লহি। আচৰিত ধৰণে ল'ৰাটোৰ কান্দোনে অলপ আগলৈকে পৰিপূৰ্ণভাৱে থকা জনতাৰ মাজৰ আবেগিক ঐক্য যেন ছিন্ন-ভিন্ন কৰি দিলে। এক বিৰাট অখণ্ড সত্ত্বাৰ ঠাইত তেওঁলোক যেন আকৌ এজন এজন বিচ্ছিন্ন ব্যক্তিত পৰ্য্যবসিত হ'ল। অসহায় ভাৱে কান্দি উঠা ল'ৰাটোৰ দৰেই নিজা নিজা দুৰ্ব্বলতা আৰু ব্যক্তিগত চিন্তা-ভাৱনা লৈ সকলো মানুহ যেন ব্যতিব্যস্ত হৈ উঠিল।

এজন পুলিচ-বিষয়া আগবাঢ়ি আহি শোভাযাত্ৰাৰ নেতা দুজনৰ হাতত গ্ৰেপ্তাৰী পৰৱানা দাখিল কৰিলে। দুয়োজন নেতাই মিচিকিয়াই হাঁহি উঠিল। যেন ইয়াৰ বাবেই তেওঁলোক ইমান দূৰ বাট বাটকুৰি বাই আহিছে। "তেনেহলে মোৰ শহুৰৰ ঘৰৰ আমন্ত্ৰণ অৱশেষত আহিল। বেচ, যাবলৈ মইতো ঠেং দাঙিয়ে আছো।" ইন্সপেক্টৰৰ লগে লগে আগবাঢ়ি যাওঁতে দাঢ়িয়া মৌলবীয়ে ক'লে। গেৰুৱা পোছাক পিন্ধা আনজন নেতাই ৰাইজৰ পিনে ঘূৰি চিঞঁৰি চিঞঁৰি ক'ব ধৰিলে, "ভাইসকল। আমাক লৈ যোৱা হৈছে। আপোনালোকে অধৈৰ্য্য নহৈ শান্ত অহিংস ৰূপত কৰ্ত্তব্য কৰি যাওক। মনত ৰাখিব আৱশ্যক হ'লে আমি আমাৰ প্ৰাণ উচ্ছৰ্গা কৰিম। কিন্তু আমাৰ বোৰতৰ শত্ৰুকো হত্যা নকৰো সত্যাই আমাৰ একমাত্ৰ অস্ত্ৰ।" দৃষ্টিহীন—চকুৰ দৰে ৰাইফেলৰ নলীবোৰলৈ চাই আনোৱাৰৰ মনত খেলাই গ'ল—এইবোৰক পৰাজয় কৰাত কেৱল সত্যাই জানো সফলকাম হ'ব। তাৰ মানসপটত অমৃতচৰৰ স্মৃতি ভাঁহি উঠিল। এই ৰাইফেলবোৰে কি প্ৰলয়কাণ্ড ঘটাব পাৰে আনোৱাৰে জানে। আপোন চকুৰে সি দেখিছে।

নেতা দুজনক নি লানি পাতি থকা পুলিচৰ গাড়ী এখনত ভৰোৱা হ'ল। দুৱাৰ বন্ধ কৰি দিয়া হ'ল। তেওঁলোকক নেদেখা হোৱাৰ লগে লগে আনোৱাৰৰ মনত পৰিল আজিৰ শোভাযাত্ৰাত যোগ দিয়াৰ তাৰ উদ্দেশ্যৰ কথা। সি নিজেহে আজি গ্ৰেপ্তাৰ হোৱাৰ কথা আছিল। সুযোগ দেখোন যায়েই এতিয়া। নাই-নাই, গ্ৰেপ্তাৰ সি নিশ্চয় হ'ব লাগিব। আৰু এই ছেগতে। নহ'লে এনে সুযোগ বাৰে বাৰে নাহে। সি সোমাই পুলিচ-গাড়ী কেখনৰ পিনে আগবাঢ়ি গ'ল। তাকে দেখি বাকী ল'ৰাবোৰেও আগ-পিচ নুগুণি আনোৱাৰৰ পিচ ল'লে।

"তোমালোকে মোকে৷ গ্ৰেপ্তাৰ কৰা৷" আনোৱাৰে কৈ উঠিল, "ময়ো চৰকাৰৰ বিৰোধী৷" এই কথা ক'লে গ্ৰেপ্তাৰ নকৰাৰ একো প্ৰশ্নই নুঠে বুলি আনোৱাৰে ভাবিছিল৷

"হয় আমাকো৷ আমাকো৷" বাকীবোৰ ল'ৰাই চিঁঞৰি উঠিল, "আমিও চৰকাৰৰ বিৰোধী৷ তোমালোকে আমাকো৷ গ্ৰেপ্তাৰ কৰি জেললৈ লৈ যাব লাগিব৷"

দেখিলে ভয় লগা চেহেৰাৰ পুলিচ ইন্‌সপেক্টৰজনৰ মুখত এটা বিকৃত কুটিল হাঁহি বিৰিঙি উঠিল৷ "বেচ ভাল কথা, মইনাহঁত৷" এই বুলি তেওঁ কনিষ্টবল এটালৈ চাই ইঙ্গিতেৰে চকু টিপিয়াই ক'লে, "ইহঁতক সৌখন গাড়ীত ভৰাই লোৱা৷ গোটেই জাকক৷'

বনভোজ খাবলৈ ওলোৱা এজাক ছাত্ৰৰ দৰে হেতা-ওপৰাকৈ আনোৱাৰহঁত গৈ গাড়ীত সোমালেগৈ৷ প্ৰায় কুৰি-পঁচিশটা ল'ৰা৷ সিহঁতৰ মনত আনন্দই নধৰা হৈছে৷ কেৱল এধানমান কিষেনটোৰহে মুখখন ভয়ত মৃত্যু-বিবৰ্ণ হৈ গৈছে৷

"কোৱাচোঁন," গাড়ীখন চলিবলৈ আৰম্ভ কৰাত সি আনোৱাৰক সুধিলে, "তাত বাৰু ইহঁতে আমাক মাৰিব নেকি?"

"নাই নাই," কিষেনৰ অজ্ঞতাত আনোৱাৰৰ নিজকে বহুত ডাঙৰ অভিজ্ঞ যেন লাগিল৷ কিষেনক মৰম কৰি সান্ত্বনাৰ সুৰত সি ক'লে, "ভয় নকৰিবা৷ জেলত সিহঁতে তোমাক একো নকৰে৷ সৰু সৰু কোঠাত বন্ধ কৰি মাত্ৰ থব৷'

"তুমি কেনেকৈ জানিলা?" অন্য এটা ল'ৰাই সুধিলে৷

আনোৱাৰৰ মনটো বিজয়-গৰ্ব্বত ফুলি উঠিল৷ বুকু ফিন্দাই সি উত্তৰ দিলে, "মই কিয় নেজানিম৷ দেখি আহিছো৷ জানা, মোৰ আব্বাজানো জেলত আছে৷"

"উৰা! উৰা! আমি পিচে ক'লৈ গৈছো এতিয়া৷" প্ৰাচীন দুৰ্গৰ কাষেৰে হঠাৎ গাড়ীখন বাওঁহাতে ঘূৰা দেখি এটা ল'ৰাই চিঁঞৰি উঠিল, "এই বাটেদিতো জেললৈ নেযায়৷"

তেতিয়া গভীৰ মাজনিশা। চোৰে চৰ মাৰিলেও নেদেখা এন্ধাৰ। হাড় কপোঁৱা জাৰ। বাটৰ দুয়োকাষে গছ-বিৰিখৰ আঁৰ লৈ ঘূৰি ফুৰিছে যেন অসংখ্য অশৰীৰী জীৱ। বহুত দূৰত এটা কেঁচাই বৈ বৈ কুৎসিত ভাৱে চিয়ঁৰি আছে। ভৌতিক এন্ধাৰৰ মাজে মাজে ফটফটকৈ পক্ষহীন পাখি কোবাই কোবাই অদৃশ্য বাদুলীবোৰ অহা-যোৱা কৰিছে।

ভয়ত আনোৱাৰৰ অণ্ঠ-কণ্ঠ শুকাই গৈছিল। কিন্তু তাতকৈ বেয়া অৱস্থা হৈছিল বেচেৰা অকণমান কিযেনটোৰ। ভয়ত কঁপি কঁপি দাঁতে দাঁতে লগা যেন হৈ সি জোৰেৰে আনোৱাৰৰ বাউসীত খামুচি ধৰিছিল। জীৱনৰ আশা তাৰ শেষ হৈ গৈছিল। গোটেই গাটো তাৰ সোতৰ মুখৰ বিৰিণাৰ দৰে কঁপিছিল। ক্লান্ত ভৰি দুখন চোচঁৰাই নিবলৈকো তাৰ শক্তিয়ে কুলোৱা নাছিল। নগৰীয়াৰ এই পানীত হাঁহ নচৰা অৱস্থাই অৱশ্যে আনোৱাৰক যথেষ্ট মনোবল যোগাইছিল। নিজৰ ভয়ৰ কথা সি পাহৰি গ'ল। নিজকে তাৰ যথেষ্ট ডাঙৰ শক্তিশালী কিযেনক বিপদৰ পৰা ৰক্ষা কৰিব পৰা এটা ল'ৰা যেন লাগিল। অসহায় পুতেকৰ প্ৰতি সবল বাপেকৰ যেনে মৰম ওপজে তেনে এক অনুভূতিত আনোৱাৰৰ অন্তৰখন যেন বিগলিত হৈহে যাব ধৰিলে। ভয়ত পেপুৱা লগা, ভাগৰত অৱশ হোৱা দুৰ্ব্বল কিযেনৰ নিশ্চেষ্ট সমৰ্পণে আনোৱাৰৰ মনত আশ্ৰয় দানৰ অনুভূতি জগাই তুলিলে। এই সন্ধিক্ষণত কিযেনৰ নিৰাপত্তাৰ প্ৰতি আনোৱাৰৰ দায়িত্বজ্ঞান সচেতন হৈ উঠিল। নানান কথাৰে উৎসাহ দি কিযেনক সি বৰ্ত্তমান বিপদৰ কথা পাহৰাই ৰাখিবলৈ যত্ন কৰিলে। ক'লে, দিল্লীতো আৰু বেছি দূৰ নহয়। মাত্ৰ কেইমাইলমান। আৰু এইটো বাটত বনৰীয়া হিংস্ৰ জন্তু-তন্তুও নোলায়। তেন্তে ভয় কিহৰ। আনোৱাৰে জানে দিল্লীলৈ এতিয়াও নাই কমেও দহ মাইল বাট আছে। ভাবিলে তাৰ নিজৰে মূৰটো ঘূৰাই যোৱা যেন লাগে। তথাপি সি মনোবল নেহেৰুৱাই নানান টেটকুটীয়া কথা উলিয়াই হাঁহি, মাজে মাজে দেশপ্ৰেমৰ তেজ উতলোৱা গীত গাই গাই যাব ধৰিলে। আৰু কিবা প্ৰকাৰে তাৰ পৰা লাভো হ'ল। কিযেনতো কিযেনেই, সি নিজেও লাভৱান হ'ল। পথশ্ৰমৰ কথা পাহৰি আগুৱাই যাব পৰা হ'ল। এনেকৈ কিছু দূৰ যোৱাৰ পাচত আকাশত কৃষ্ণা নৱমীৰ জোন ওলাল। অন্ধকাৰৰ ভৌতিক আকৃতিবোৰ অন্তৰ্হিত হ'ল। মনত যথেষ্ট সাহস পাই কিযেনেও আনোৱাৰৰ বাউসীৰপৰা তাৰ দৃঢ় খামোচ ঢিলাই দিলে।

ধূৰ্ত্ত পুলিচ ইন্সপেক্টৰৰ বুদ্ধিতে আনোৱাৰহঁতৰ এনে দুৰ্দ্দশা হ'ব লগা হ'ল। জেললৈ যাব খোজা ল'ৰাজাকক ভালকৈ এশিকনি দিবলৈ

তেওঁ এটা অভিনৱ উপায় উদ্ভাৱন কৰিছিল। সিহঁতক গাড়ীত ভৰাই নগৰৰপৰা বহুত দূৰলৈ নিৰ্জ্জন বনে-ঢকা পথেদি লৈ গৈ প্ৰত্যেক দুই-তিনিমাইল আঁতৰে-আঁতৰে দুটা-তিনিটাকৈ জোৰ কৰি নমাই দি চেঁচা এন্ধাৰ ৰাতি খোজ কাঢ়ি ঘৰলৈ আহিবলৈ বাধ্যত পেলাব। আগতেও দুই তিনিবাৰ এনে পৰীক্ষা কৰি তেওঁৰ দৃঢ় বিশ্বাস জন্মিছিল যে ধৰি নি জেলত ভৰাই থোৱাতকৈ এই শাস্তি উতনুৱা কম বয়সীয়া ল'ৰাৰ বাবে বেছি কাৰ্য্যকৰী। এনে কৰিলে ইহঁতেও ভালকৈ শিকনি পায় আৰু এনেয়ে সন্ধি নোহোৱা ফাটেকবোৰত আৰু মানুহ জাপি দিয়াৰ আমনিৰ পৰাও হাত সাৰিব পাৰি।

সৰু সৰু ল'ৰাহাল ভয়ে ভয়ে আহি থাকিল। কেইমাইলমান অহাৰ পিচত কিষেন ইমানেই অৱশৰ দৰে হৈ পৰিল যে কেইখোজমান গৈ গৈয়ে সিহঁত জিৰাবলৈ ৰ'ব লগাত পৰিছিল। আনোৱাৰে তাতকৈ সৰু কিষেণৰ আগত প্ৰকাশ নকৰিলে কি হ'ব, ভাগৰে তাকো পাইছিলগৈ। এনেয়ে সি দুৰ্ব্বল ল'ৰা। এতিয়া মাইলৰ পিচত মাইল খোজ কঢাৰ পিচত তাৰ সকলো শক্তি শেষ হৈ যোৱা যেন বোধ হৈছিল। ৰাতিপুৱাৰ উদ্যম, শোভাযাত্ৰা গীত আৰু জয়ধ্বনিৰ উত্তেজনা, আব্বাজানক জেলত লগ ধৰাৰ অদম্য ইচ্ছা,—এই সকলো যেন কোনোবা বিস্মৃত দূৰ অতীতৰ কথা হৈ পৰিল। অতিমাত্ৰাই উত্তেজনাপূৰ্ণ এটা দিনৰ শেষত এতিয়া তাৰ অৱসাদপূৰ্ণ প্ৰতিক্ৰিয়াই দেখা দিলে। কিষেণক উৎসাহ দিবলৈ আনোৱাৰে গোৱা গীতবোৰ ধীৰে ধীৰে নিৰৱতাৰ মাজত বিলীন হৈ গ'ল। কথা পাতিবলৈকে৷ বপুৰাইঁতৰ শক্তি নোহোৱা হ'ল। নিৰৱে কুমজেলে-কুৱা গতিত সিহঁত আগবাঢ়িব ধৰিলে। সিহঁতৰ পিচে পিচে উৰি উৰি গৈ থাকিল এটুকুৰা নিচেই সৰু ধূলিৰ মেঘ—ভৰিৰ খোজত উৰা।

হঠাৎ আনোৱাৰে উপলব্ধি কৰিলে তাৰ ভীষণ ভোক লাগিছে। গোটেই দিনটো সি একোকে খোৱা নাই। ৰাতিপুৱাৰ জলপান, দুপৰীয়া ৰাতিৰ দুসাজ আহাৰ ;—একোকেই খোৱা নাই। সি উপলব্ধি কৰিলে সি অতিমাত্ৰাই ক্লান্ত, টোপনিয়ে তাৰ দুচকুৰ পাহি গধুৰ কৰি আনিছে। আগদিনা ৰাতিও খং-বেজাৰে সি চকুৰ টিপ এটা মাৰিবলৈ নহ'ল। নোৱাৰিলে। হঠাৎ তাৰ মনত পৰিল কপালৰ ঘা-ডোখৰলৈ। ৰাতিপুৱাই হোৱা ঘা-ডোখৰৰ ৰক্তক্ষৰণ খন্তেক পিচতে বন্ধ হৈছিল। তাৰ কথা আনোৱাৰে পাহৰিয়ে গৈছিল। হঠাৎ এতিয়া সি গ'ম পালে বিষৰ কামোৰণিত তাৰ কপালখন ফাটি-যাও ফাটি-যাও লাগিছে। লগে লগে সি গ'ম পালে তাৰ মবাৰক জাৰ লাগিছে। বৰফ-চেঁচা বতাহ তাৰ

উলৰ শ্বেৰৱাণীটোৰ মাজেৰে সৰকি গৈ শৰীৰৰ মাজৰ হাড়বোৰো যেন ভেদ কৰি পেলাইছে। কোমল উম-লগা বিছনাখনৰ স্মৃতিত তাৰ মন উৱাউল হৈ উঠিল। গুলাবীয়ে তাৰ বাবে ৰান্ধি সজাই থোৱা তপত-তপত আঞ্জা, মচমচীয়া সুস্বাদু 'চাপাতি'বোৰৰ কথা ভাবি তাৰ প্ৰাণে হাঁহাকাৰ কৰি উঠিল। চিয়ঁৰি চিয়ঁৰি কান্দিবৰ মন গ'ল তাৰ।

আৰু ঠিক এনে সময়তে আনোৱাৰহঁতে সিহঁতৰ অলপ আগে আগে এখন গৰুগাড়ী কেৰকেৰাই গৈ থকা শব্দ শুনিলে। দুয়োটা ল'ৰাই অকূলত কূল পোৱা যেন অনুভৱ কৰিলে। অন্ততঃ অলপ দূৰ হ'লেও এইখন গাড়ীতে উঠি যোৱাৰ সুযোগ হয়তো সিহঁতে পাব। কিন্তু কেৱল এই ভাবিয়ে যে সিহঁতৰ ভাল লাগিল এনে নহয়। তাতোকৈ ডাঙৰ কথা, এখন গৰুগাড়ী লগ পোৱা মানে নিজান নিঃসঙ্গ নিশা নৰ-মনুষ্যৰ সঙ্গ পোৱা। ভাগৰ পাহৰি কুকুৰ-খুজীয়াত গৈ সিহঁতে তৎক্ষণাত গাড়ীখন লগ ধৰিলেগৈ। এজন খেতিয়কে গাড়ীত কবি, ওলকবি, মূলা আৰু বিভিন্ন শাক-পাচলি বোজাই কৰি ক'ৰবালৈ, বোধহয় কোনোবা হাট-বজাৰলৈ নিছে।

সেই শেষনিশা সুন্দৰ কাপোৰ-কানি পিন্ধা, দেখিলেই কোনোবা ভদ্ৰ ধনী পৰিয়ালৰ ল'ৰা বুলি ধৰিব পৰা এহাল সৰু ল'ৰা সেই নিৰ্জ্জন বাটেদি অকলে খোজ কাঢ়ি অহা দেখি খেতিয়কজন অবাক হ'ল। কিন্তু আনো-ৱাৰে সকলো কথা বিবৰি কোৱাত তেওঁ সহব্যস্ত হৈ চিয়ঁৰি উঠিল: "আই ঐ দেহি! বাচাহঁত, উঠা উঠা। আহাঁ, মোৰ ওচৰতে বহাঁহি। তোমালোকৰ ছাগৈ বৰ ভাগৰ লাগিছে। মুখবোৰ শুকাই গৈছে দেহি! এই ৰাতিখন ইমান সৰু সৰু ল'ৰাক এনেকৈ কুৰি মাইল বাট অকলে খোজ কাঢ়ি আহিবলৈ এৰি দিব পাৰেনে মানুহে! ছিঃ! ছিঃ! উহ ভগৱান! এই পুলিচবোৰ! ইহঁত জহৰা! গোটেইবোৰ জহৰা!! হাৰামজাদা!"...জহৰা! সেই নিষিদ্ধ শব্দটো! শব্দটো আহি আনো-ৱাৰৰ কাণত ঠহৰকৈ বাজিল। কিন্তু খেতিয়কজন তাতেই সন্তুষ্ট থকা ভকত নহয়। বচা বচা আৰু এলানি সমান ইতৰ শব্দ তেওঁ পুলিচৰ বিশেষণ ৰূপে ব্যৱহাৰ কৰিলে। অৱশ্যে এই শব্দবোৰৰ প্ৰায়খিনিয়েই আনোৱাৰে ইয়াৰ আগতে কেতিয়াও শুনা নাই। অৰ্থও তাৰ অজ্ঞাত।

ইমান দূৰ বাটকুৰি বাই অহাৰ পিচত গাড়ীত উঠি সিহঁতৰ এনে লাগিল যেন গৰু গাড়ীতকৈ আৰামৰ বাহন পৃথিৱীত আৰু অন্য একো নাই। তথাপিও থেকেচনিটোৰে প্ৰতি সিহঁতৰ এনেয়ে বিক্ত পাকস্থলী বিক্ততৰ হৈ অহা যেন লাগিবলৈ ধৰিলে। লগে লগে গাড়ীত থকা

পাচলীৰ কেঁচা গোন্ধে বাৰে বাৰে সিহঁতৰ নাসাৰন্ধ্র তথা ৰসনাক আক্রমণ কৰি প্রলুব্ধ কৰিবলৈ ধৰিলে। হেজাৰ ভোক নেলাগক আনোৱাৰ হ'লগৈ অতি ভদ্র পৰিৱেশত সযত্ন-পালিত সুসংযত ল'ৰা। এজন অচিনাকি মানুহৰপৰা কিবা খুজি খোৱা কথা তাৰ সপোনৰো অগোচৰ। তথাপি আনোৱাৰে খোৱা বস্তুৰ চিন্তাৰ পৰা নিজৰ মন বেছিপৰ আঁতৰাই ৰাখিব নোৱাৰিলে।

"এইবোৰ বাৰু মূলা নেকি?" সি এপাকত খেতিয়কক সুধি পেলালে।

"এৰা বোপাই, মূলা, ওলকবি, ফুলকবিও আছে। এইবোৰ মই কেঁচা শাক-পাচলিৰ বজাৰ "চব্জিমণ্ডি"লৈ আনিছো;—বেচিবলৈ।"

"মূলা খাই মোৰ বৰ ভাল লাগে।" কিষেণে উৎসাহ দেখুৱাই ক'লে, "ইমান সোৱাদ!"

"মযো! মযো ভাল পাওঁ।" আনোৱাৰেও কৈ উঠিল, "আৰ-কালি আমি প্রায়ে মূলা খাওঁ নহয়। আকৌ আমাৰ পেহীজানে মূলাৰে হালোৱাও কৰে। খাবলৈ ইমান বঢ়িয়া হয়। এই মূলাবোৰ বাৰু ভালনে? সোৱাদ?"

"খাই চোৱা।" খেতিয়কজনে সিহঁতক কেইটামান মূলা উলিয়াই দিলে।

আৰু কোনে পায়! ভদ্রতাৰ খাতিৰত অন্ততঃ 'ধন্যবাদ' বুলি ক'ব-লৈয়ো আনোৱাৰহঁতে পাহৰি চিকাৰৰ ওপৰত ভোকাতুৰ বাঘ জঁপিয়াই পৰাদি জঁপিয়াই পৰি মচৰ-মচৰকৈ কেঁচা মূলাকে চোবাবলৈ ধৰিলে। সিহঁতে খোৱাৰ ধৰণৰ পৰাই খেতিয়কজনে আচল কথাটো বুজিব পাৰি চাই চাই ভাবিব ধৰিলে: "হাঁয়! কিযে এটা মূৰ্খ মই! বেচেৰাহঁতৰ ভোক লাগিছে বুলি মই প্রথমতেই ধৰিব পাৰিব লাগিছিল।"

পেটৰ পোৱণি শাঁত হ'লত কিষেণে আনোৱাৰৰ কান্ধতে মূৰ থৈ আৰাম কৰি বহিলে আৰু নিমিষৰ ভিতৰতে গভীৰ টোপনিত নিমগ্ন হ'ল। ধীৰে ধীৰে দুৰ্যোগৰ দীঘলীয়া নিশাৰ ওৰ পৰি আহিল। সুদূৰ প্রসাৰী চকুৰে চাই আনোৱাৰে দেখিলে, দূৰত—বহুত দূৰত—দিল্লীৰ সিফালে নিমগ্ন নিমজ্জ দিগন্ত ক্রমে ক্রমে ৰক্তগোলাপ বৰণীয়া হৈ আহিছে। চাৰিওফালৰ দূৰৰ গাওঁবোৰ শান্তিৰ কোমল কোলাত চুপচাপ শুই আছে,—গাওঁবোৰ, চকুৰে চুকি পাই মানে উন্মুক্ত পথাৰবোৰ, পঁজাই পঁজাই খেতি-য়কবোৰ, গোহালিয়ে গোহালিয়ে গৰুবোৰ, মহবোৰ,—সকলো স-ক-লো শুই আছে। একেৰাহে তন্দ্রাজড়িত কেৰ কেৰ কেৰ শব্দ কৰি গাড়ী-

খন গৈ থাকে। গৰুহালৰ ডিঙিৰ সৰু সৰু টিলিঙাবোৰ টিলিং টালাং কৰি ছিগা-ছিগা ছন্দত বাজি থাকে একেৰাহে। শব্দবোৰ বহুত দূৰৈপৰা ভাঁহি অহা যেন লাগে। খেতিয়কজনে গুণগুণাই কিবা এটা গায়। মাতটোত, গীতটোত টোপনিৰ জড়িমা সনা।

আনোৱাৰৰো টোপনি আহিছিল। হলেও এক অভিনৱ আশ্চৰ্য্যৰ উন্মাদনাই তাক টোপনিৰ মাজত হেৰাই যাবলৈ দিয়া নাছিল। ঢল-ফাট দিয়া পূবৰ দিগন্ত; শান্ত-সৌম্য গাৰ্ভৰ ৰূপচ্ছবি; ৰাতিপুৱাৰ নিয়ৰ-সিক্ত মাটি আৰু বন-বিৰিখৰ কেঁচা-কেঁচা গোন্ধ; গৰুৰ টিলিঙা, গাৰো-ৱানৰ গুণগুণনি আৰু গাড়ীৰ চকাৰ অপূৰ্ব্ব সঙ্গীত; সকলো আশ্চৰ্য্য। সকলোৱে আনোৱাৰৰ চেতনাক যেন উন্মনা কৰি সাৰে ৰাখিছিল। গাড়ীত উঠিবলৈ দি মূলা খাবলৈ দিয়া গাৰোৱানৰ প্ৰতি আৰ্দ্ৰ কৃতজ্ঞতা আৰু কান্ধত মূৰ থৈ পৰম নিৰ্ভৰত টোপনি যোৱা কিষেণৰ প্ৰতি অসীম মৰম বিগলিত কৰুণাত আনোৱাৰৰ হিয়া উদ্বেল হৈ উঠিছিল। এদ'ম পাচলিৰ ওপৰত মূৰ থৈ বহল আকাশলৈ চাই চাই সি ভাবিলে: "কিমান সুন্দৰ কিমান আশ্চৰ্য্যৰে ভৰপূৰ সুন্দৰ এই পৃথিৱী।" আৰু—আৰু তাৰ পিচত সিও টোপনিৰ সোঁতত উটি গ'ল লাহে লাহে।

ভয়ে ভয়ে চুচুক-চামাককৈ আনোৱাৰ আহি ঘৰ সোমালহি। প্ৰায় ডেৰকুৰি ঘণ্টাৰ পিচত সি ঘৰলৈ উভটি আহিছে। আৰু সি ক'লৈ গৈছিল ঘৰত কোনেও নেজানে। এনে অৱস্থাত ডাঙৰ আব্বাজানৰ সন্মুখত কেনেকৈয়ে সি থিয় দিব ভাবিবলৈকে টান লাগিল তাৰ। পেটটোৰ

কোনোবা এঠাইত এটা অস্বস্তিকৰ অনুভূতিয়ে খোচ মাৰি ধৰা যেন লাগিল। কিন্তু, সি ভাবিলে, এনেওতো হব পাৰে—কালিৰ শোভাযাত্ৰাত সি অংশ লোৱাৰ কথা আৰু পুলিচে সিহঁতক কৰা নগুৰ-নাগতিৰ কথা আমজাদ আলিয়ে ইতিমধ্যেই গ'ম পাই গৈছে। যদি সেয়ে হয় তেন্তে আৰু কথা নাই। এটা ভয়ঙ্কৰ দৃশ্যৰ অৱতাৰণা হোৱাটো নিশ্চিত। কিন্তু দুঃসাহসিকতা যথেষ্ট কৰা হৈছে, আৰু দৰ্কাৰ নাই। সি ভাবিলে, তাতোকৈ ডাঙৰ আব্বাজানৰ বকনি খোৱাই ভাল। কেৱল সি কামনা কৰিলে বিচাৰ আৰু তাৰ শাস্তিৰ পৰ্ব্ব যেন দীঘলীয়া নহয়।

ঘৰত সোমাই আনোৱাৰে প্ৰথম যিজন মানুহ দেখিলে সেয়া স্বয়ং তাৰ আব্বাজান। প্ৰথমতে সি তাৰ নিজৰ চকুকে বিশ্বাস কৰিবলৈ টান পালে। হয়তো তাৰ দৃষ্টিৰ ভুল। কিন্তু নহয়, ঠিকেই—সেয়া স্বয়ং আকবৰ আলিৰ বাহিৰে আন কোনো নহয়। মানুহজন খীণাই শেঁতা পৰি চিনিব নোৱাৰা হৈছে। বিচনাত গাৰুত আউজী তেওঁ অৰ্দ্ধশায়িত অৱস্থাত পৰি আছে। ওচৰতে বহি হেকিম বেদিলে তেওঁৰ হাতৰ নাড়ী পৰীক্ষা কৰি আছে।

আব্বাজানৰ যে অসুখ এই কথা বুজি উঠাত আনোৱাৰৰ অকণো পলম নহ'ল। লগে লগে সি বাকী সকলো কথা পাহৰি গ'ল। "আব্বাজান, আব্বাজান। তুমি আহিলা আব্বাজান।" আনোৱাৰ দৌৰি ওচৰ চাপি আহিল।

"মই আহিলো, আনোৱাৰ। কিন্তু তুমি ক'লৈ গৈছিলা? অন্ধাৰপৰা মই দেখা নাই। এওঁলোকে কৈছে তোমাক হেনো কালি ৰাতিপুৱাৰ পৰাই বিচাৰি পোৱা নাই।" আকবৰ আলিৰ মাতটো দুৰ্ব্বল; আগৰ গম্ভীৰ স্পষ্ট মাতটো আৰু নাই।

যিমান পাৰে চমুকৈ আৰু এষাৰো কথা নুলুকুৱাকৈ আনোৱাৰে সকলো বিৱৰি ক'লে। সকলো শুনি আব্বাজানৰ মুখত চেনেহৰ হাঁহি বিৰিঙি উঠা দেখি তাৰ মনৰপৰা যেন এমোনীয়া বোজা এটাহে নামি গ'ল। ঠিক সেই সময়তে ভিতৰৰ পৰা হাতত কাপ্টা ধোঁৱা উৰি থকা চাহৰ পিয়লা এটা লৈ আমজাদ আলি ওলাই আহিল। আনোৱাৰৰ কিন্তু এতিয়া তেওঁলৈ অকণমানো ভয় নেলাগিল। নেলাগে। আব্বাজান লগত থাকিলে আনোৱাৰৰ পৃথিবীৰ কালৈকো ভয় নেলাগে।

"জেলৰ পৰা ইফালে মই ওলাই আহোঁতে সিফালে তোমাক তালৈ পঠাই দিয়া হ'লে বেছ হাঁহি উঠা কথা এটা হ'লহেঁতেন নহয়নে বাৰু আনোৱাৰ?"

আনোৱাৰে উত্তৰ দিয়াৰ আগতে হেকিম বেদিলে মন্তব্য কৰিলে:

"মই কিন্তু ভাবো জেল কৰ্তৃপক্ষই এতিয়াও তোমাক বিশেষ একো সোন-কালে এৰি দিয়া নাই। আৰু এমাহমান থাকিবৰ হোৱা হ'লে তোমাৰ স্বাস্থ্য একেবাৰেই ধ্বংস হৈ গ'লহেঁতেন। জেলৰ আহাৰেই তোমাৰ স্বাস্থ্যৰ এই গতি কৰিলে।'

"কিন্তু মই অকণো ভাল পোৱা নাই। নাই, নাই, এনেকৈ মোৰ মুঠেই ভাল লগা নাই।" উত্তেজিত হৈ চিঞঁৰি উঠিল আকবৰ আলিয়ে। "সকলো যুদ্ধত লিপ্ত আৰু মই আহত সৈন্যৰ দৰে এনেকৈ ঘৰত বহি আছো! নাই, মোৰ সহ্য নহয়। অকণমান সুস্থ হলেই মই পুলিচ কৰ্তৃপক্ষক মোক পুনৰ গ্ৰেপ্তাৰ কৰিবলৈ সাদৰ আহ্বান জনাম।"

এনে সময়তে কোঠালৈ সোমাই আহিল কাকা ৰামেশ্বৰ দয়াল। তেওঁৰ হাতত এখন বাতৰি কাকত। প্ৰথমতে তেওঁ আনোৱাৰৰ পিঠিত হাত ফুৰাই মৰম কৰিলে। তাৰ পিছত ধীৰে-সুস্থিৰে বহিল। এয়া তেওঁৰ অভ্যাস। অভ্যাস অনুযায়ীয়েই তাৰ পিছত নিজৰ কৰঙনত হাতেৰে চপ-ৰিযাই চপৰিয়াই কবলৈ ধৰিলে: ' আৰে ভাইচাহেব, তুমি ইমান চিন্তা কৰিছা কিয়? গান্ধীজীয়ে যে আন্দোলন উঠাই লৈছে তুমি হ'বলা কবই নোৱাৰা?"

"তাৰ মানে? কি কৈছা তুমি?" আকবৰ আলিৰ মাতত পূৰ্ব্বৰ আবেগৰ উম আকৌ ফুটি উঠিল।

"হয়, হয়; মই ঠিকেই কৈছো। আন্দোলন উঠাই লোৱা হৈছে। এয়া পঢ়া। বাতৰি কাকতত সকলো কথা বিতংকৈ ওলাইছে।"

"কিন্তু কিয়? কিয়?"

"উত্তৰ প্ৰদেশৰ চৌৰি-চৌৰা নামৰ কোনোবা এডোখৰ ঠাইত কিছুমান আন্দোলনকাৰীয়ে জনচেৰেক পুলিচ বিভাগৰ মানুহ বধ কৰিছে। সেয়ে গান্ধীজীয়ে কৈছে মানুহৰ অন্তৰত এতিয়াও হিংসাৰ ভাব আছে। আৰু সেই কাৰণে আইন অমান্য-আন্দোলন স্থগিত হবই লাগিব।"

এই কথা শুনি আকবৰ আলিয়ে যি উত্তৰ দিলে তাত এনে এক তিক্ততাৰ সুৰ ফুটি উঠিল যে আনোৱাৰ আচৰিত হৈ গ'ল। সদা-সংযত আকবৰ আলিৰ ক্ষেত্ৰত এয়া বিৰল কথা। "দুটা বা চাৰিটা পুলিচ বিভাগৰ মানুহ যে মৰিছে, তাত একো সন্দেহ নাই! কিন্তু তাৰপৰা কি হ'ল? এই বিৰাট দেশখনৰ প্ৰত্যেকজন মানুহ ঋষি-মুনি বা মহাত্মা হব যে পাৰিবই লাগিব এনে কিবা কথা আছে নেকি? সিহঁতে আমাৰ মানুহ কিমান মাৰিছে কোনোবাই হিচাপ দিব পাৰিবনে!" ক্ষন্তেক নিৰৱে ৰৈ তাৰ পিচত তেওঁ অনুচ্চ কণ্ঠত নিজকে কোৱাদি ক'লে, "তেখেতে এয়া কি কৰিলে? এয়া কি কৰিলে? আমাৰ লক্ষ্যত উপনীত হওঁ-হওঁ অৱস্থাত আমাক কিয় আগবাঢ়ি যোৱাত বাধা দিলে।"

কিন্তু আনোৱাৰৰ তেতিয়া ৰাজনীতিৰ কথা ভাবিব পৰা মনৰ অৱস্থা নাছিল। সি কেৱল মনে মনে প্ৰাৰ্থনা জনাইছিল: "হে আল্লা, হে দয়ালু খোদা! ভাল কৰি দিয়া। তুমি মোৰ আব্বাজানৰ স্বাস্থ্য আগৰ দৰে কৰি দিয়া।"

অতি কম সময়ৰ ভিতৰতে আকবৰ আলিৰ স্বাস্থ্য ভাল হৈ আহিল। ইয়াৰ বাবে হেকিম আব্দুল ৰছিদ বেদিলৰ নির্ভুল ঔষধ ব্যৱস্থা আৰু পেহীজানৰ অক্লান্ত পৰিচৰ্য্যা দুয়োটাই সমানে প্রশংসা পাবৰ যোগ্য। তথাপি ঘনীভূত এক নীৰদখণ্ডৰ দৰে মৃত্যুৰ ছায়াই অনিবাৰ তেওঁৰ মনাকাশ যেন আচ্ছন্ন কৰি ধৰি ৰাখিলে। মানুহ গৰাকীৰ সত্তালৈ যে এক স্পষ্ট পৰিবৰ্ত্তন আহি পৰিছিল এয়া যেযে-সেয়ে ধৰিব পাৰিছিল। আগৰ দৰেই তেওঁ দোকানদাৰিৰ কামত চকু দিছিল, বৈঠকত বন্ধু-বান্ধৱৰ লগত বহি "দীঘলীয়া আড্ডা পকাবলৈ ভাল পাইছিল। আগৰ দৰেই তেওঁ দৈনিক বাতৰি কাকত খৰচি মাৰি পঢ়ি নানান ৰাজনৈতিক ঘটনাৱলী পর্য্যালোচনা কৰিছিল। হলেও, তেওঁ যেন পূৰ্ব্বৰ জ্বলন্ত উদ্যম অনেক পৰিমাণে হেৰুৱাই পেলালে। ধীৰে ধীৰে তেওঁৰ সুন্দৰ দাড়ি কোচা পকিবলৈ আৰম্ভ কৰিছিল। ভালেদিন অসুখত পৰি থকাৰ ফলত গাৰ ছালৰ আগৰ উজ্জ্বল ৰং এতিয়া নাইকিয়া হ'ল। আনকি তেওঁৰ মাতত আগতে যি এক বলিষ্ঠতা আছিল সেই বলিষ্ঠতাও আৰু উভটি নাহিল। আগৰ উন্নত-শিৰ মানুহজন কিঞ্চিত দোঁ খাই দেখিলে বৃদ্ধ-বৃদ্ধ লগা হৈ পৰিল। মাজে মাজে তেওঁ সম্পূর্ণ নিৰৱ হৈ বহি থকা হ'ল, যেন বিষাদময় কোনো চিন্তা-তহে তেওঁ সমাধিস্থ হৈ পৰে। সেই সময়ত কোনেবাই মাত দিলে খক্-মক্কৈ চিন্তা ৰাজ্যৰপৰা আকৌ বাস্তৱলৈ উভটি আহে।

নিবন্ধে আনোৱাৰে তাৰ আব্বাজানৰ সকলো কথা লক্ষ্য কৰি আছিল। সি দেখিলে আজিকালি তেওঁ অস্বাভাৱিক ভাবে সুদীর্ঘ সময় প্রার্থনা কৰি কটায়। আগতেও তেওঁ পাঁচ 'ৱক্ত' নামাজ নিয়মমতে পঢ়িছিল। ভুলতো কেতিয়াও 'কাজা' নহৈছিল। সময়খো হেৰফেৰ নঘটিছিল। কিন্তু সেযে সুশিক্ষিত সৈনিকে ব্যায়াম কৰা দৰে নামাজৰ নির্দ্ধাৰিত কুঁজা হোৱা, আঠুকৰা, মাটিত উবুৰি হৈ পৰা আদি কামখিনি অৱলীলাক্রমে কৰি গৈছিল। কিন্তু এতিয়া নামাজ পঢ়া আসনত বহি নাম-মালা গণি-গণি অথবা কিবা গভীৰ চিন্তাত নিমগ্ন হৈ ঘণ্টাৰ পিচত ঘণ্টা কটাই দিয়া হ'ল। আনোৱাৰে দেখে প্রার্থনা কৰি থাকোঁতে প্রায়ে তেওঁৰ দুগালে অশ্রুৰ ধাৰা বৈ যায়। কঁপা কঁপা মাতেৰে প্রার্থনাৰ শেষত তেওঁ কয়, "হে খোদা, তুমি পৰম দয়ালু, পৰম কল্যাণময়, মোক দয়া কৰা, মোৰ সন্তানক দয়া কৰা। আমাক সৎ পথে পৰিচালিত কৰা। পাপৰ

পৰা ৰক্ষা কৰা।” আৰু আনোৱাৰৰ অকস্মাৎ হিয়া ঈশ্বৰৰ প্ৰতি ভয়ত বিহ্বল হৈ উঠে। ঈশ্বৰ, যাৰ আগত তাৰ আব্বাজানো ইমান অসহায় ইমান হীন বল হৈ পৰে, সেই ঈশ্বৰ কিমান ডাঙৰ! কিমান মহান!

অন্যান্য পৰিবৰ্ত্তনেও দেখা দিছিল আকবৰ আলিৰ জীৱনত। আজি-কালি তেওঁ চৌধুৰী মোহাম্মদ ওমৰৰ লগত বহুত সময় কটাবলৈ ধৰিলে। তেওঁৰ সদৰ-বজাৰৰ বাচন-বৰ্ত্তনৰ দোকানলৈকো সঘনে যাতায়াত কৰিবলৈ ধৰিলে। এই পঞ্জাবী ব্যৱসায়ী গৰাকীয়ে আকবৰ আলিয়ে ৰাজনীতিত যোগ দিয়া কথাত সদায়েই প্ৰতিবাদ জনাইছিল। তেওঁ প্ৰায়ে কৈছিল, “আকবৰ চাহেব, আমি আদাৰ বেপাৰীক জাহাজৰ খবৰ কেলৈহে! ৰাজনীতিৰ সমস্যা ৰাজনীতিৰ মানুহে সমাধান কৰক। সেইবোৰ এৰি তুমি বৰং কাৰবাৰৰ প্ৰতি বেচি মনোযোগ দিয়াই উচিত বুলি মই ভাবো।” কিয় জানো আনোৱাৰৰ এই মোহাম্মদ ওমৰ বোলা মানুহ গৰাকীক ভাল নালাগিছিল। মানুহজনক ভাল নলগা তেনে একো দেখ-দেখ কাৰণ হওঁতে নাছিল। তথাপি মানুহজনৰ কিবা খহটা অমাৰ্জ্জিত ধৰণ-কৰণ, হটঙা-হটঙা মাত-কথা আৰু লগ পালে আনোৱাৰৰ পিঠিত চিনাকি মানুহৰ দৰে চপৰিওৱা কথাই এই স্পৰ্শকাতৰ ল'ৰাটোৰ মন তেওঁৰ প্ৰতি বিকৰ্ষিত কৰিছিল।

এদিন 'বৈঠক'ত প্ৰৱেশ কৰি আনোৱাৰে দেখিলে আব্বাজানে চৌধুৰী মোহাম্মদ ওমৰৰ লগত অনুচ্চ স্বৰে কথা পাতি আছে। তেওঁলোকৰ সমুখত কিছুমান কাগজ-পত্ৰ মেলি থোৱা আছে। দেখিলেই ধৰিব পাৰি তেওঁলোকে কিবা এটা গোপনীয় বিষয় আলোচনা কৰিছে। তেওঁলোকক আমনি নকৰো বুলি আনোৱাৰ নীৰবে উভটি আহিব খুজিছিল। কিন্তু তাক দেখি মোহাম্মদ ওমৰে মাত লগালে, “আহাঁ, আহাঁ, আনোৱাৰ ক'লৈ যোৱা। আমি তোমাৰপৰা গোপন কৰিবলগীয়া একো কথা পতা নাই।” আনোৱাৰ সোমাই আহি ৰহিলত আকবৰ আলিয়ে ক'লে, “বুজিছা আনো-ৱাৰ, মই এইমাত্ৰ দলিল পত্ৰত চহী কৰি দিলো। আজিৰপৰা চৌধুৰী চাহেব আৰু মই তেওঁৰ বাচন-বৰ্ত্তনৰ দোকানৰ সমান অংশীদাৰ। এতিয়া তুমি ইচ্ছামতে আমাৰ দোকানৰপৰা বিনা পইচাই কাপপ্লেট লাগে, গিলাচ লাগে আনি থাকিব পাৰিবা।” এই বুলি তেওঁ আনোৱাৰলৈ চাই তেওঁৰ নিজস্ব মিঠা হাঁহিটো মাৰিলে।

“আমাৰ দোকান!” কথাষাৰ আনোৱাৰৰ অকণো ভাল নালাগিল।

কিন্তু সি নিজেই ধৰিব নোৱাৰিলে। "কিন্তু আব্বাজান, তুমি দেখোন কাকা ৰামেশ্বৰ দয়ালৰো ব্যৱসায়ৰ অংশীদাৰ।"

"সেইটোতো আছেই। কেলৈ, মই দুখন বেলেগ বেলেগ দোকানৰ অংশীদাৰ হ'ব নোৱাৰোনেকি? তদুপৰি জানা, যুদ্ধৰ পিচৰপৰা কম্বলৰ ব্যৱসায় দিনে দিনে পৰি আহিবলৈ ধৰিছে। এইবোৰ খবৰ ৰাখিবা। তুমি এইবোৰ জনা উচিত। মোৰ পিচত তুমিযেইতো কাৰবাৰ চলাব লাগিব।"

"আব্বাজানে ঠিক কথা কৈছে বাচা।" আনোৱাৰৰ পিঠিত দুখ পাই যোৱাকৈ চপৰিয়াই মোহাম্মদ ওমৰে সোল্লাসে কৈ উঠিল, "তোমাৰ আব্বাজান আৰু মোৰ দৰে তুমি আৰু চফিও অন্তৰঙ্গ বন্ধু আৰু বিশ্বস্ত অংশীদাৰ হ'ব লাগিব।"

আনোৱাৰে মোহাম্মদ ওমৰৰ পুতেকক দেখিছে। তাতোকৈ বহুত ডাঙৰ। অথচ ভদ্ৰতা নাজানে। কেতিয়াবা আনোৱাৰ সদৰ-বজাৰৰ দোকানলৈ গ'লে আনোৱাৰক তাৰ ব্যৱসায়ৰ জ্ঞান দেখুৱাবলৈ যত্ন কৰি কৰি হাযৰান কৰি দিয়ে। চৌধুৰী চাহেবক কাৰবাৰত সহায় কৰি দিয়াৰ অজুহাতত সি প্ৰাথমিক স্কুলৰ পিচতে আৰু নপঢ়িলে। চফিৰ বন্ধু আৰু অংশীদাৰ হ'ব লগা কথাষাৰ আনোৱাৰে কোনো পধ্যেই মানি ল'ব নোৱাৰিলে। কিন্তু আব্বাজানৰ সম্মান ৰাখিবৰ বাবে চৌধুৰী চাহেবৰ এই মুঠেই ভাল নলগা উৎসাহ সি নীৰৱে সহ্য কৰি গ'ল।



বৈঠকত বযোজ্যেষ্ঠসকলে পতা কথা-বতৰা শুনি শুনি আনোৱাৰে অনেক কথা শিকিছিল। স্কুল ছুটীৰ পিচত সদায় সি চুপচাপ আহি আব্বাজানৰ বহা কোঠাত সোমায়। আব্বাজানে তেওঁৰ বন্ধু-বান্ধৱৰ লগত নানান আলোচনাৰ আসৰ পাতে নিতৌ। আৰু সি এটা মাত নমতাকৈ নীৰৱে বহি সকলো শুনি থাকে।

প্রত্যেক দিনাই কিবা নহয় কিবা এটা নতুন কথা ওলায়। দেশৰ নতুন পৰিস্থিতি সম্পৰ্কে আলোচনা হয়। আৰু আনোৱাৰৰ শব্দৰ ভঁৰালত দিনৌ নতুন নতুন শব্দ জমা হয়। মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন বন্ধ কৰি দিলে। কিন্তু তথাপিও চৰকাৰে তেওঁক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত আৱদ্ধ কৰি থলে। হেকিম বেদিলে বৈঠকত উক্ত বিচাৰৰ বিৱৰণী বাতৰি কাকতৰপৰা চিঞৰি চিঞৰি পঢ়ি সকলোকে শুনাইছিল। আনোৱাৰে শুনিলে, যেতিয়া হেনো মহাত্মাক বিচাৰ কৰিবলৈ আদালতলৈ লৈ অনা হ'ল, তেখেতক সম্মান দেখুৱাবলৈ উপস্থিত সকলোৱেই আসন এৰি থিয় হ'ল—আনকি বিচাৰক নিজেও থিয় হ'ল। লগে লগে আনোৱাৰৰ মন কেইবা বছৰৰ আগৰ এটা দিনলৈ উৰা মাৰিছিল। সেইদিনা সি দেখিছিল, ডাক্তৰ আনচাৰিৰ চোতালৰ দূৰৰিত বহি এজন সৰু সৰু ভৰিৰ কৃশকায় মানুহে 'চৰখা'ত সূতা কাটিছিল। অকমাণ মানুহ গৰাকীৰ মুখৰ ঘূৰণীয়া চশ্মাযোৰলৈ আৰু তাক দেখি মৰা মৰমৰ হাঁহিটোলৈ আনোৱাৰৰ মনত পৰিছিল। সেইজন মানুহক চৰকাৰে ফাটেকত ৰাখিছে। কিন্তু কিয়? তেওঁ শত্ৰুক হত্যা কৰিব নিবিচাৰে, আনকি নিগনি এটাও নামাৰে, সেই কাৰণে? আনোৱাৰৰ কাৰণে এইখন পৃথিৱী এতিয়াও এটা দুৰ্বোধ্য সাঁথৰ।

আনোৱাৰে তাৰ আব্বাজানে আন্দোলন বন্ধ কৰি দিয়া বাবে মহাত্মাক যে ক্ষমা কৰিব পৰা নাছিল এই কথা ভালকৈ বুজিছিল। সেই খণ্ডতে আব্বাজানে কেতিয়াবা মহাত্মা সম্পৰ্কে একো একোটা তীব্ৰ ব্যঙ্গপূৰ্ণ মন্তব্য কৰি পেলাইছিল। আৰু চৌধুৰী মোহাম্মদ ওমৰৰতো কথাই নাই। ৰামেশ্বৰ দয়াল নাথাকিলে তেওঁ প্ৰায়ে কৈছিল, "হেজাৰ হওঁক যি বণিয়া সি বণিয়াই। আটা-ময়দা আৰু দাইল বিক্ৰীহে জানে!"

এদিন হঠাৎ কোনো খা-খবৰ নিদিয়াকৈ ৰতন আহি উপস্থিত হ'লহি আনোৱাৰহঁতৰ ঘৰত। বয়সৰ তুলনাত বহুত বেছি বাঢ়ি ডাঙৰ হৈ পৰা এই শিখ ল'ৰাটোক হঠাৎ দেখিলে চিনিব পৰাই টান হৈ পৰিছে। ৰতনে মূৰত এটা ক'লা পাগুৰী মাৰিছে। আনোৱাৰে সি হালধীয়া পাগুৰী মাৰিবলৈ কিয় এৰি দিলে সোধাত ৰতনে উত্তৰ দিলে, "কেলৈ তুমি নাজানা? মই আকালি হ'লো নহয়।"

"আকালি। আকালি মানে কি?" বন্ধুৰ আগত নিজৰ অজ্ঞতা দেখুৱাবলৈ আনোৱাৰৰ লাজ লাগিছিল। তথাপি সি নুসুধি নোৱাৰিলে।

"কেলৈ, নাজানা?" যৌৱনদীপ্ত ভঙ্গীত বাহু সঞ্চালন কৰি ওজস্বী ভাষাৰে ৰতনে আকালি অভ্যুত্থানৰ সকলো কথা বিৱৰি ক'লে। কেনেকৈ

আকালি দলে চৰকাৰ তথা চৰকাৰৰ আজ্ঞাবহসকলৰ হাতৰপৰা গুৰুদ্বাৰ অৰ্থাৎ শিখসকলৰ ধৰ্ম্মমন্দিৰ উদ্ধাৰ কৰিছে এৰিব। ৰতনে বিশদ বৰ্ণনা দিলে কেনেকৈ আকালিসকলক নিৰ্য্যাতন কৰা হৈছে, কোবাইছে আনকি কেতিয়াবা পুলিচে হত্যাও কৰিছে। ৰতনে ক'লে, আকালিদলৰ বিপ্লৱী শক্তি দিন দিন বৃদ্ধি পাব ধৰিছে। কথাৰ সোঁতত ৰতন এনেভাৱে উটি গৈছিল যে তাৰ বন্ধু বেচাৰা আনোৱাৰে কিবা বুজিছেনে নাই তাৰ কথা ভাবিবলৈ তাৰ খবৰেই নাছিল। "তুমি চাই থাকা। তুমি দেখিবা— এদিন এই আকালি দলেই ভাৰতবৰ্ষক স্বাধীন কৰিব।"

"বাৰু ৰতন, হঠাৎ তুমি কিয় দিল্লীলৈ আহিলা?"

"কেলৈ, তুমি নাজানা?" ৰতনৰ কথাত আকৌ আনোৱাৰ তাৰ নিজৰ অজ্ঞতাত সংকুচিত হৈ উঠিল। "এইবাৰ দিল্লীত কংগ্ৰেছৰ অধি-বেশন বহিছে। সেইবাবে আমাৰ আন্দোলনৰ বিষয়ে সকলো বুজাই ক'বলৈ লাহোৰৰপৰা এদল আকালি স্বেচ্ছাসেৱক পঠোৱা হৈছে। জানা, আমি কংগ্ৰেছৰ সৈতে এক।"

"ময়ো কংগ্ৰেছৰ অধিবেশনলৈ গৈ তাত যোগ দিব পাৰিমনে বাৰু?" আনোৱাৰে সুধিলে। ৰতনৰ নিজকে আনোৱাৰতকৈ বহুত ডাঙৰ-ডাঙৰ লাগিল। ধুনীয়াকৈ হাঁহি সি আনোৱাৰৰ বাবে এটা টিকট যোগাৰ কৰি দিম বুলি আশ্বাস দিলে।

"বাৰু, মই তেনে যাওঁ। বৰ পলম হৈ গৈছে।" ৰতন যাবলৈ থিয় হ'ল।

"নাই, নাই। সেইটো কেনেকৈ হ'ব পাৰে। কথা পাতি মই পাহৰিয়ে গৈছো। কিবা অকমাণ নোখোৱাকৈ তুমি যাব নোৱাৰা। অকমাণ ৰবা, মই পেহীজানক আমাক কিবা খাবলৈ দিবলৈ কৈ আহো। আমি দুয়ো আজি একেলগে আহাৰ কৰিম, কেৱল তুমি আৰু মই।"

পেহীজানে পিচে আনোৱাৰক তাৰ বন্ধুক ভিতৰলৈ আনিব নিদিলে। "কিয়, তুমি নাজানা। তোমাৰ বাইজান ডাঙৰ হৈছে। আজিকালি তেওঁ পৰ্দ্দা। তুমি বাহিৰা মানুহক কেনেকৈ জেনানালৈ আনিবা।" যেই হওঁক, তেওঁ বিভিন্ন খোৱা বস্তু ভালকৈ সজাই বাহিৰলৈ পঠাই দিলে। আকবৰ আলি ঘৰত নাছিল। সেয়ে সিহঁতে 'বৈঠক'ৰ মজিয়াতে বহি খোৱা-লোৱা কৰিলে। ফকিৰাই সিহঁতৰ খোৱা বস্তুৰ পৰিবেশন কৰিলে।

পাচদিনা কংগ্ৰেছৰ সভামণ্ডপত লগ দিয়াৰ প্ৰতিশ্ৰুতি দি ৰতন গ'লগৈ। "তুমি আহিবা। সভাৰ প্ৰধান তোৰণলৈকে পোনাই যাবা। মই তাতে ৰৈ থাকিম।"

ৰতন গ'লত আনোৱাৰ ভিতৰ সোমাই আহিল। হঠাৎ তাৰ কাণত পৰিল পেহীজানে গুলাবীক কৈছে। "শিখ ল'ৰাটোৱে খোৱা বাচন-বৰ্ত্তনবোৰ ভিতৰলৈ নানিবা। বাহিৰতে ভালকৈ ছাইৰে মাজি তিনিবাৰ ধুই 'পাক' (পবিত্ৰ) কৰিহে আনিবা।"

আনোৱাৰৰ বুকুখন মোচোকা খাই উঠিল। এনে কৰা মানে যে তাৰ বন্ধুক স্পষ্ট অপমান কৰা এই কথা অনুভৱ কৰি তাৰ চিঞৰি উঠিবৰ মন গৈছিল। কিন্তু সি নিজক সংযত কৰিলে। অনুৰূপ এটা ঘটনাৰ কথা তাৰ মনত পৰিল। এবাৰ কাকা ৰামেশ্বৰ দয়ালৰ ঘৰত সি আহাৰ কৰিছিল। কাকাৰ পত্নীয়ে সি দেখাকৈয়ে তাৰ বাচন-বৰ্ত্তনবোৰ হাতেৰে ঠেলি আঁতৰ কৰি ৰাখিছিল। মানুহ গৰাকীয়ে তেনে কৰাৰ অৰ্থ আনোৱাৰে তেতিয়া বুজিব পৰা নাছিল। এতিয়া বুজি পালে। কাকাৰ পত্নীৰ চকুত সি যেনেকৈ অপবিত্ৰ ঠিক তেনেকৈয়ে তাৰ পেহীজানৰ চকুত ৰতনো অপবিত্ৰ। কিন্তু কিয়? কিয়? কিয়? কিয়?

১৯২৩ চনৰ ছেপ্টেম্বৰ মাহত দিল্লীত বহা কংগ্ৰেছৰ বিশেষ অধিবেশনত যোগ দিবলৈ আনোৱাৰ নাহিল। ৰতনে তাৰ কাৰণে প্ৰধান তোড়ণৰ আগত মিছাকৈয়ে বাট চাই ৰ'ল।

আনোৱাৰে ৰতনক দিয়া কথা ৰাখিব নোৱাৰিলে। সেই অধিবেশনত সভাপতিত্ব কৰা ডেকা মুছলিম নেতা সুপণ্ডিত মৌলানা আবদুল কালম আজাদৰ বক্তৃতা শুনিবলৈ পোৱাৰ সুযোগো সি হেৰুৱালে। এই অধিবেশনৰ ভাৰতৰ স্বাধীনতাৰ সংগ্ৰামৰ দৃষ্টিৰপৰা বিশেষ ঐতিহাসিক মূল্য আছে। এই অধিবেশনত কংগ্ৰেছ নেতাসকলে তেওঁলোকৰ আন্দোলনৰ পদ্ধতি সলনি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। চৰকাৰৰ লগত সম্পূৰ্ণ অসহযোগৰ ঠাইত আইন সভাৰ ভিতৰত থাকি সাংবিধানিকভাৱে প্ৰতিৰোধ কৰিবলৈ ঠিক কৰে।

ইফালে আকবৰ আলিয়ে তেওঁৰ জীয়েক আঞ্জুমক বিয়া দিবলৈ মন কৰিলে। পাত্ৰ স্থিৰ হ'ল তেওঁৰ ভতিজাক বৌফ। ৰাজনৈতিক এই

উঠা-নমাবোৰ যিমানেই উত্তেজনাপূৰ্ণ নহওঁক লাগে সিবোৰতকৈ এটা তেৰ বছৰীয়া ল'ৰাৰ বাবে বিবাহ-উছৱৰ আকৰ্ষণ বেছি হোৱা স্বাভাৱিক। সেইদিনা পুৱা নিয়মমতে শুই উঠি আনোৱাৰে সাজি-পাৰি কংগ্ৰেছৰ মণ্ডপত ৰতনক বিচাৰি যাবলৈ ওলাইছিল। কিন্তু হঠাৎ সি দেখি আচৰিত হৈ গ'ল—আব্বাজানে 'বৈঠক'ত বহি ডাঙৰ আব্বা আমজাদ আলিৰ লগত দেখোন কথা পাতি আছে। আমজাদ আলি যোৱা নিশাই আহিল হেনো। এতিয়া পুৱা দুই ককাই-ভায়ে অতি উৎসাহেৰে সৈতে কিবা এটা বিষয় লৈ আলোচনা কৰিছে। বৈঠকত সোমায়ে সি শুনিলে ডাঙৰ-আব্বা আমজাদ আলিয়ে কৈছে, "তেন্তে সেইটোৱেই ঠিক হ'ল। আকবৰ, অহাটো জোনৰ বাৰদিন যোৱাত; দিনটো বেচ ভাল। মঙ্গলজনক। এই বিষয়ে মই আগতেই মৌলবী চাহেবৰ লগত কথা হৈ আহিছো।"

আকবৰ আলিয়ে উত্তৰ দিলে, "ভাল কথা কেকাজান। মোৰ একো আপত্তিয়েই নাই। বেমাৰৰ পিচৰপৰা মই বৰ দুৰ্ব্বল হৈ পৰিছো। কোনে জানে আল্লাই আৰু কিমান দিন জীয়াই ৰাখে। চিৰদিনৰ বাবে চকু মুদাৰ আগতে আঞ্জুমৰ বিয়াখন পাতি যাব পাৰিলে মই শান্তি পাওঁ।"

আমজাদ আলিয়ে ক'লে, "আল্লাৰ দয়াত ৰৌফ ডেকা হৈছে। এই সময়তে তাৰ বিয়াখনো হৈ যোৱাটো ভাল। বহুত বয়সলৈকে অবিবাহিত থাকিলে আজিকালি ল'ৰাৰ মন নানা পাপলৈ ঢাল খায়।"

তাৰ মানে এওঁলোকে আঞ্জুম বাইজানক ৰৌফ কেকালৈ বিয়া দিব খুজিছে। আনোৱাৰে ৰৌফক সিমান ভাল নাপায়। সেয়ে সি এবাৰ ভাবিলে ৰৌফ নহৈ আঞ্জুমৰ বিয়া আন কাৰোবাৰ লগত হোৱা হ'লে তাৰ বেছি ভাল লাগিলহেঁতেন। ৰৌফ বৰ বেছি অভিজাত। মুখটোও অকমাণো ঠাণ্ডা নহয়। কিন্তু ইমানবোৰ কথা ভাবি থাকিবলৈ তাৰ তেতিয়া ধৈৰ্য্য নাছিল। আঞ্জুমৰ বিয়া হ'ব—এই কথাষাৰেই তাৰ মন উত্ৰাৱল কৰি তুলিবলৈ যথেষ্ট আছিল। পৰিয়ালৰে কেইখনমান বিয়া খাবলৈ ইয়াৰ আগতে আনোৱাৰ গৈছে। ইমান ভাল লাগে। ৰমক জমক কাপোৰ-অলঙ্কাৰ-পাতি পিন্ধি অহা আহিব, যোৱা যাব। কত ধৰণৰ আনন্দ-উছৱ অনুষ্ঠিত হব। আৰু এতিয়া এনে এখন বিয়া হ'ব নিজৰ ঘৰত। আহ, কিমান ভালেইযে নালাগিব।

"আনোৱাৰ, এইফালে আহা।" আব্বাজানে তাক মাতিলে। সোমাই আহি দুয়োজন বয়সস্থকে সম্মান দেখুৱাৰ পাচত আব্বাজনে তাক ক'লে, "শুনা, অহা মাহত তোমাৰ বাইজানৰ ৰৌফকেকাৰ লগত বিয়া হব। তুমি এতিয়াই ডাকিবালৈ যোৱা আৰু ৰানাৰসীলাল সোণাৰীক ইয়ালৈ মাতি আনাগৈ।"

এক মুহূৰ্ত্তও নবৈ অনেক সোণাৰীৰ দোকানেৰে ভৰপূৰ ডাৰবা পালেগৈ আনোৱাৰ। উত্তেজনাৰ কোবত সি ৰতনৰ কথা, মাত্র আগদিনা চাবলৈ পোৱাৰ আশাত উদগ্রীৱ হৈ উঠা কংগ্রেছৰ অধিবেশনৰ কথা একেবাৰেই পাহৰি গ'ল।



"আঞ্জুম বাইজান, আঞ্জুম বাইজান, আমাৰ ঘৰত হেনো এখন বিয়া হব। কাৰ বিয়া তুমি কব পাৰানেকি?"

"দুষ্ট, কৰবাৰ। ইয়াৰপৰা গ'লানে। তোমাৰ বিয়া হ'ব। তোমাৰ, কোনোবা এজনী এচকুৱা যখিনীৰ লগত তোমাৰে বিয়া হব।"

অকলশৰে বহি আঞ্জুমে এটা চিল্কৰ চোলাত একান্ত মনেৰে পাৰি খুৰাই আছিল। আনোৱাৰে এই সুযোগ পাই বায়েকক জোকাবলৈ লাগিল। আব্বাজানে সোণাৰীক অলঙ্কাৰৰ ফৰমাশ দিয়াৰ কথা, 'বৈঠক'ত দ'ম হৈ থকা দামী চিল্ক 'জামেৱাৰ' আৰু 'মশ্রু' কাপোৰবোৰৰ কথা আনোৱাৰে আঞ্জুমক ক'লে। আজিকালি আপোন ডাঙৰ-আব্বাৰ আগতো আঞ্জুম কিয় পৰ্দ্দা হয় সেইকথা হৈ হাঁহিলে। আৰু কথাৰ লাচতে ৰৌফৰ নামো উলিয়ালে। ৰৌফৰ নাম শুনাৰ লগে লগে আঞ্জুমৰ গাল দুখন ৰঙা হৈ উঠিল। ভাগ্যে এনে সময়তে পেহীজান আহি ওলাই এই বিপদৰ পৰা আঞ্জুমক ৰক্ষা কৰিলে। তেওঁ আনোৱাৰক আঞ্জুমক জোকাই নাথাকি ওলাই গৈ আব্বাজানক বয়-বস্তু কিনাত সহায় কৰি দিবলৈ ক'লে। বিয়াৰ গোন্ধ পাই সোণাৰী ওলাই যোৱাৰ লগে লগে জাকে জাকে কাপোৰ আদিৰ ফেৰীৱালা আৰু দোকানী আহি আব্বাজানক বেঢ়ি-কুঢ়ি ধৰিছেহি। আনোৱাৰ ওলাই গৈ দেখিলে ৰামধনুৰ সাতো ৰঙৰ কাপোৰ, বাচন-বৰ্ত্তন, চকী-মেজ, কাৰ্পেট আদিৰে ঠাহ খাই বৈঠকটো এটা সৰু সুৰা গুদামত পৰিণত হৈছে। গাৰু আৰু তুলিও বাদ পৰা নাই আনকি।

চৌধুৰী মোহাম্মদ ওমৰৰ গাতেই যেন সকলো কিনা-কুটাৰ ভাৰ। উপযাচি আগৰণুৱা হৈ বেচ কৰ্তৃত্ব দেখুৱাই প্ৰত্যেকটো বেপাৰীৰ লগত তেওঁ কথা হৈছে। মাজে মাজে মাত্ৰ তেওঁ চিঞৰি কোৱা শুনা গৈছে। "ঠিক আছে, ঠিক আছে। এইটো থৈ যোৱা।" তাৰ পিচত আকবৰ আলিলৈ চাই সান্ত্বনাৰ সুৰত কয়, "তুমি চিন্তা নকৰিবা আকবৰ-আলি, তুমি দিয়া যৌতুকৰ বস্তু মই এনেদৰে কিনি দিম যে অনেক বছৰ ধৰি কোনেও জীয়েকৰ বিয়াত এনে উছৰ্গা কৰা নাই বুলি মানুহে মুখে মুখে ক'ব।"

আনোৱাৰৰ এনে লাগিল যেন বিয়াৰ এই যোগাৰ-যন্ত্ৰৰ মাজত থাকিব লগা কিবা এটা বিশেষ বস্তু নাই। মোহাম্মদ ওমৰৰ কথা-কাণ্ড নিৰীক্ষণ কৰি থাকোঁতে হঠাৎ তাৰ মনত পৰি গ'ল। ঠিক, কাকা ৰামেশ্বৰ দয়ালৰ কথাই সি অনুভৱ কৰিছে। আজি অন্ততঃ তেওঁ ইয়াত থকা উচিত আছিল। আৰু হয়ো, বহুত দিনেইতো সি তেওঁক 'বৈঠক'লৈ অহা দেখা নাই।

"আব্বাজান," সি সাহসত ভৰ দি সুধিলে, "দয়াল কাকা দেখোন আজি ভালেমান দিন আমাৰ ঘৰলৈ অহা নাই। কিয়?"

"বোধহয় তেওঁৰ দোকানত কাম বেছি হৈছে; এৰি আহিব পৰা নাই।" চমুকৈ অন্যমনস্কভাৱে আকবৰ আলিয়ে উত্তৰ দিলে। আনোৱাৰৰ এনে লাগিল যেন কিবা অজ্ঞাত কাৰণত আকবৰ আলিয়ে তাৰ এই প্ৰশ্নটো ভাল পোৱা নাই। আৰু তেওঁ কিয় বাৰু "তেওঁৰ দোকান" বুলি ক'লে? আগেতো সদায় "আমাৰ দোকান" বুলিয়েই কয়। তাৰ মানে ইয়াৰ ভিতৰতে কিবা এটা ডাঙৰ ঘটনা ঘটি গৈছে নেকি?

আৰু দৰাচলতে ইয়াৰ ভিতৰতে আনোৱাৰে নজনাকৈয়ে যি ঘটনা ঘটি গ'ল সি আকবৰ আলি আৰু ৰামেশ্বৰ দয়ালৰ মাজৰ পুৰণা ব্যৱসায় ছিন্ন হৈ যোৱাতকৈ বহুত ডাঙৰ কথা। হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ সম্পৰ্ক, যুঁটিয়া খিলাফৎ-স্বৰাজ আন্দোলনে দৃঢ় কৰি তোলা এটা একতাৰ সম্পৰ্ক, নিঃশেষ হৈ যোৱাৰ আশঙ্কাই দেখা দিছিল।

দেশপ্ৰেম আৰু ঐক্যৰ জোৱাৰ যাব গৈ ভাঁটা আহিছিল। আইন-অমান্য আন্দোলন স্থগিত কৰি দিয়াৰ ফলত দেশৰ ৰাজনৈতিক জীৱনলৈ এটা স্থিৰ অৱস্থা আহি পৰিছিল আৰু তাৰে সুযোগ লৈ দুটা পৰস্পৰ বিৰোধী আন্দোলনে মূৰ দাঙি উঠিছিল। এগৰাকী ধৰ্ম্ম-ভাৱাপন্ন হিন্দু কংগ্ৰেছী লোকক তেওঁৰ মেয়াদ শেষ হোৱাৰ আগতেই কাৰাগাৰৰপৰা মুক্তি দিয়া হৈছিল। জানিব পৰা গৈছিল যে তেওঁ ৰাজনীতি ত্যাগ কৰি সকলো শক্তি ধৰ্ম্ম-কৰ্ম্মৰ প্ৰতি নিয়োজিত কৰাৰ ইচ্ছা প্ৰকাশ কৰাৰ বাবেই তেওঁক এৰি দিয়া হৈছিল। আনকি এনে সিদ্ধান্ত গ্ৰহণ কৰিবৰ বাবে তেওঁক উচ্চ-পদস্থ চৰকাৰী বিষয়া অনেকেই 'উৎসাহিত' কৰিছিল বুলিও অভিযোগ অনা হৈছিল। যেই হওঁক জেলৰপৰা ওলাই আহি তেওঁ 'শুদ্ধি' আন্দোলন আৰম্ভ কৰিলে। সকলো অহিন্দুক ধৰ্ম্মান্তৰ গ্ৰহণ বা পুনৰোদ্ধাৰ কৰি হিন্দু আদৰ্শৰ আওতালৈ অনাই এই আন্দো-লনৰ লক্ষ্য আছিল। এই আন্দোলনৰে এটা উপশাখাৰ দৰে আছিল 'সংগঠন' বা হিন্দুক 'হিন্দু' হিচাপে লৈ এটা শক্তিশালী সংঘ গঢ়ি তোলাৰ প্ৰচেষ্টা। ইয়াৰে প্ৰতিদ্বন্দ্বীস্বৰূপে অনতিপলমে গঢ় লৈ উঠিল 'তবলীগ'ৰ আন্দোলন,—যাৰ অৰ্থ আল্লা এই শব্দটো সজোৰে ঘোষণা কৰা আৰু 'তনঝিম' অৰ্থাৎ মুছলমানক মুছলমান হিচাবে সংঘীভূত কৰা আন্দোলন। ঠিক হিন্দু আন্দোলনৰ দৰেই ভূতপূৰ্ব্ব এগৰাকী কংগ্ৰেছী আৰু সাম্প্ৰদায়িক ঐক্যৰ কাণ্ডাৰী লোকেই এই 'তবলীগ—তনঝিম' আন্দোলনৰো প্ৰৱৰ্ত্তক আছিল।

আব্বাজানৰ কথা-বতৰাৰ মাজত আনোৱাৰে এই তবলীগ আৰু তন-ঝিম শব্দ দুটা শুনিছিল। অৱশ্যে সি তাৰ অৰ্থ অকণমানো নুবুজি-ছিল। এইবোৰ কথাৰ তাৰ আৰু ৰামেশ্বৰ কাকাৰ সম্বন্ধৰ লগত কৰিবলৈ কিবা কথা থাকিব পাৰে বুলি সি ভুলতো ভবা নাছিল। কাৰণ আনো-ৱাৰক সৰুৰেপৰাই তাৰ আব্বাজানৰ এই প্ৰাক্তন সহযোগী গৰাকীক 'কাকা' বুলি সম্বোধন কৰি আপোন দদায়েকৰ দৰে সম্মান কৰিবলৈ শিকোৱা হৈছিল। আনোৱাৰৰ বাবে এই গৰাকী মানুহ, যাক সি আপোন ডাঙৰ-আব্বা আমজাদ আলিতকৈয়ো বেছি ভাল পায়, সম্মান কৰে, সদায় সিহঁতৰ পৰিয়ালৰে এজন মানুহৰ দৰে আছিল। থাকিবও।

আব্বাজানে তাক বুজাই কৈছিল যে কম্বলৰ কাৰবাৰত তেওঁ আৰু ৰামেশ্বৰ দয়ালৰ অংশীদাৰৰ ভাগি যোৱাৰ একমাত্ৰ কাৰণ তেওঁক সদৰ-বজাৰৰ বাচন-বৰ্ত্তনৰ দোকানত খটাবৰ বাবে অধিক টকাৰ প্ৰয়োজন হোৱাটোৱেই। তদুপৰি ৰামেশ্বৰ দয়ালে নিজেও অন্য কাৰবাৰ আৰম্ভ

কৰিবৰ বাবে পুঁজিৰ প্ৰয়োজন অনুভৱ কৰিছিল। আব্বাজানৰ কথা আনোৱাৰে বিশ্বাস কৰিছিল। সঁচা, আব্বাজানক সি কেতিয়াও অবিশ্বাস কৰিব নোৱাৰে। কিন্তু তথাপিও সি গোটেই কথাটোকেই সহজভাৱে লব পৰা নাছিল। সকলোতকৈ সি সহিবলৈ টান পাইছিল চৌধুৰীৰ মুখত ফুটি উঠা বিজয়ৰ হাঁহিটো। বেচ অন্তৰঙ্গ সুৰত তেওঁ যেতিয়া কৈছিল, "তাৰোপৰি বুজিছা বাচা, আমি মুছলমানবোৰ যে এক হৈ থাকিব লাগে এই কথা আমি আটায়ে বুজি পাবই লাগিব। আমি এই বেইমানবোৰৰ লগ লাগিলে কেনেকৈ চলিব।" —তেতিয়া আনোৱাৰৰ অকণমান হিয়াখন অজান কাৰণত ভাগি যোৱা যেন লাগিছিল।

বিয়াৰ দিন ওচৰ চাপি অহাৰ লগে লগে আনোৱাৰৰ জিৰাবলৈ সময় নোহোৱা হৈ আহিল। মনৰ উত্তেজনাও দিন দিন বৃদ্ধি পাব ধৰিলে। কিষানবোৰ কামেইযে কৰিব লগা হ'ল, গোটেই ঘৰটো চূণ মাৰি নকৈ ৰং লগাব লগা হ'ল; 'বৈঠক' কোঠাটো নতুনকৈ সজোৱা হ'ল; বিয়ালৈ অহা সকলো নিমন্ত্রিত অতিথিক দিব পৰাকৈ কেইবাবিধৰো মিঠাই কেইবা যোগকৈ তৈয়াৰ কৰিবৰ বাবে সকলো যা-যোগাৰ কৰা হ'ল। আকবৰ আলিৰ শ-শ বন্ধু, আপোন মানুহ আৰু ব্যৱসায়ৰ সম্বন্ধ থকা মানুহলৈ সুন্দৰ ফুলাম কাৰ্ডত সুন্দৰকৈ ৰচনা কৰি সুন্দৰকৈ ছপোৱা চিঠি পঠোৱা হ'ল। আনোৱাৰেও তাৰ বন্ধু আৰু সহপাঠী কেইজনমানলৈ নিমন্ত্রণী চিঠি পঠিয়ালে। ৰতনলৈকো এখন দিলে। সি আশা কৰিছিল এই চিঠি পালে ৰতনে হয়তো তাক সেইবাৰ কংগ্ৰেছ মণ্ডপলৈ আহিম বুলি কথা দিও নহা বাবে ক্ষমা কৰি দিব।

ইছলামী কেলেণ্ডাৰ মতে সেই চন্দ্ৰ-মাহৰ বাৰ তাৰিখৰ দিনা পূৰা

ডাঙৰ-আব্বা আমজাদ আলি, লগত নিজৰ পৰিয়াল আৰু অনেক বন্ধু-বান্ধৱ লৈ দুখন লৰীৰে গড়গাৰ্ঁবপৰা আহি ওলালহি। এইবাৰ অৱশ্যে তেওঁলোকে এটা বেলেগ ঘৰত উঠিলহি। মাত্ৰ ডাঙৰ-আব্বা আমজাদ আলি দুটামান শেষ কথা আলোচনা কৰিবলৈ বুলি এবাৰ অকলে ভায়েকৰ ওচৰলৈ আহিল। আনোৱাৰৰ এবাৰ বৌৰু আৰু বিলকিচৰ লগ ধৰি আহিবলৈ যাবলৈ বৰ মন গৈছিল। কিমান দিন সিহঁতক সি দেখা নাই। কিন্তু পেহীজানে তাক যাবলৈ নিদিলে। তেওঁ ক'লে বোলে কইনাৰ ভায়েক হিচাবে সি এতিয়াই যোৱাটো ভাল নহব। বিবাহোৎসৱ হৈ যোৱাৰ পিচত গ'লে বেলেগ কথা।

আগফালে চোতালত কাৰ্পেট পাৰি বহা-আসন, হোকা আদি ঠিক কৰি থোৱা হৈছিল। গধূলি হোৱাৰ লগে লগে নিমন্ত্ৰিত অভ্যাগতেৰে বিয়া-মণ্ডপ্ ভৰি পৰিবলৈ ধৰিলে। ভিতৰত 'জেনানা'তো কোলাত কেঁচুৱা লৈ কথা চোৱাই চোবাই অহা জাকে জাকে মাইকী মানুহৰ ভীৰত বাট নোহোৱা হ'ল। আৰু আধা ডজনমান মানুহৰ সহায়েৰে পেহীজানে এইখিনি মানুহক অভ্যৰ্থনা জনাই লেঠা মৰাও টান হৈ পৰিল। আনোৱাৰে এটা নতুন চিল্কৰ শ্বেৰৱানি পিন্ধিছে। ক্ষীণ চাপৰ ল'ৰাটোক এই পোছাকত দেখিলে কোনেও তেৰ বছৰীয়া বুলি নকয়। ল'ৰা মানুহৰ দৰে সহজে 'জেনানা'লৈ যাব পৰা বাবে সি আগফাল পিচফাল কেউফালে সমানে চাকৰি ঘূৰাদি ঘূৰিছে। আনন্দ আৰু উত্তেজনাত সি যেন মাটিত ভৰি নেপেলাবই। 'ডম্‌নি' অৰ্থাৎ পেশাদাৰ গায়িকাসকলে মণ্ডপৰ একোণত বহি ঢোলকৰ তালে তালে চিৰ পৰিচিত বিয়াৰ গীত গাইছে। কিন্তু আলহীৰ হাঁহি-মাতৰ আগত সিহঁতৰ গানৰ শব্দ কেনিবা হেৰাই গৈছে। মাইকী মানুহৰ যাইকৈ গাভৰু ছোৱালীবোৰৰ সাজপাৰবোৰ চাবলগীয়া হৈছে। যেনিবা ৰঙৰ পোহাৰহে বহিছে। ৰঙা-নীলা-সেউজীয়া কত যে ৰং। বিয়াৰ বাবে বিশেষভাবে আয়োজন কৰা গেচ লাইটৰ পোহৰত সিহঁতৰ অলঙ্কাৰ-পাতিবোৰ জকমক কৰি চকু চাঁট মাৰি ধৰিছে। বিভিন্ন আতৰ আৰু অন্যান্য সুগন্ধি দ্ৰব্যৰে গোটেই বিয়াঘৰ মলমলাই আছে। পাণ-চুপাৰী আনিবলৈ বা কাকা ৰামেশ্বৰ দয়ালে কইনালৈ অনা দামী অলঙ্কাৰ আৰু কাপোৰৰ উপহাৰখিনি দিবলৈ বা তেনে কিবা কামত যেইবাৰ আনোৱাৰ ভিতৰলৈ গৈছে সেইবাৰেই সি উপলব্ধি কৰিছে ভিতৰৰ এই পৰীৰাজ্যসুলভ পৰিৱেশে তাৰ ওপৰত এক অদ্ভুত প্ৰভাৱ বিস্তাৰ কৰিছে। বয়সীয়া মাইকী মানুহ একো গৰাকীয়ে তাৰ গাত হাত ফুৰাই বা সাবটি ধৰি, "আই ঐ দেহি, ইমান ডাঙৰ হ'লা তুমি" বুলি যেতিয়াই

কৈছে তেতিয়াই সি আত্ম-সচেতন হৈ উঠিছে। সি মন কৰিছে কম বয়সীয়া ছোৱালীবোৰে তাইৰ কেৰাহী-কেৰাহীকৈ চায় আৰু সি ওচৰ পালেই লাজ-লাজ ভাৱে আঁতৰি যায়। আনকি খিলকিচো। এই কেবছৰৰ ভিতৰতে তাই কেইবা ইঞ্চিও ওখ হ'ল। নীলা সাজপাৰ পিন্ধি গাত ৰূপালী বুটাবচা দুপাটা লৈ তাই দেখিবলৈ সাইলাখ এজনী সৰু ৰাণীৰ দৰে হৈছে। তায়ো আনোৱাৰক দেখিলে এনে এটা লাজকুৰীয়া অভিব্যক্তি প্ৰকাশ কৰিছে যে বাৰে বাৰে আনোৱাৰ ৰোমাঞ্চিত হৈ হৈ উঠিছে।

নিশা ন মান বজাত 'বৰাত' অৰ্থাৎ বৰযাত্ৰীদলৰ শোভাযাত্ৰা আহি উপস্থিত হ'ল। সকলোৱে বেঢ়ি কুৰি চাবলৈ ধৰা ৰৌফলৈ আনোৱাৰৰ ঈৰ্ষা হ'ল। এই কেবছৰতে সি বহুত ওখ হৈছে। গাত সুন্দৰ বনকৰা 'শ্বেৰৱানী', মূৰত ঈষৎ ৰঙচুৱা পাগুৰী আৰু মুখত 'শ্বেহৰা' অৰ্থাৎ ফুলৰ এখন ঢাকনি। অদ্ভুত সুন্দৰ দেখাইছে ৰৌফক। ঘোঁৰাৰপৰা নামি ৰৌফ অতি গহীন পদক্ষেপেৰে ভিতৰ সোমাই আহিল। ৰভাৰ মাজত ভেলভেটেৰে কৰা সম্মানিত আসন 'মচ্‌নদ'ত ৰৌফক বহুওৱা হ'ল। অনতিপলমে দুয়োপক্ষৰ প্ৰতিনিধিস্বৰূপে দুজন মৌলবীয়ে বিবাহানুষ্ঠানৰ কাম আৰম্ভ কৰি দিলে। আৰবী ভাষাত হোৱা প্ৰাৰ্থনাখিনিৰ বাহিৰে বাকী গোটেইখিনি কাম নিচেই চমু আৰু অনাড়ম্বৰ ভাৱেই সম্পন্ন হৈ গ'ল। তাৰ পিচত চিঞৰ-বাখৰ কৰি এগৰাকী মৌলবী ভিতৰ সোমাই গ'ল। আনোৱাৰেই তেওঁক বাট দেখুৱাই নিলে। ভিতৰত প্ৰায় আধা ডজনমান আপোন মাইকী মানুহে বেঢ়ি-কুৰি থকা এটা ৰঙা কাপোৰৰ দ'মক সম্বোধন কৰি মৌলবীয়ে সুধিলে যে "আকবৰ আলিৰ জীয়েক আঞ্জুম বেগম"ৰ "আমজাদ আলিৰ পুতেক আব্দুল ৰৌফৰ লগত" পাঁচ হেজাৰ টকা মহৰণাত "নিকাহ কবুল" কৰাত সন্মতি আছে নাই। কাপোৰৰ দমটো নীৰৱেই থাকিল। অকমাণো লৰচৰ নহ'ল। কিন্তু উপস্থিত এগৰাকী বয়সীয়া মানুহে চিঞৰি কৈ উঠিল, "হৈছে, হৈছে। কইনাই 'আছো' বুলি কৈছে। লাজ-কাজ এৰি চিঞৰি ক'লেহে আপোনাৰ শান্তি লাগিব নেকি?" মানুহেৰে ঠাঁহ খোৱা কোঠালীটোত থাকি আনোৱাৰৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। এনেকুৱা কথাকাণ্ড দেখি বেচাৰা পেপুৱাও লাগিছিল। মৌলবীৰ সৈতে সি ওলাই যাব খুজিছে। এনেতে কইনাৰ প্ৰকাণ্ড পোছাকৰ আঁৰত লুকাই থকা এখন হাতে তাক টানি ধৰিলে। কোমল মাতেৰে আঞ্জুমে ফুচ্‌ফুচাই ক'লে, "সকলো কাম হৈ গ'লে তুমি এবাৰ মোৰ ওচৰলৈ আহিবাচোন দেই।" দৌৰ মাৰি আনোৱাৰ ওলাই আহিল। অনুষ্ঠানৰ এটা অংশও চাবলৈ নোপোৱাকৈ যাবলৈ দিবলৈ তাৰ ইচ্ছা নাই। বাহিৰ পাই সি

শুনিলে মৌলবী চাহেবে সুধিছে যে "আমজাদ আলিব পুত্র আব্দুল বৌফ"ৰ পাঁচ হেজাব টকা দেন-মোহৰত "আকবৰ আলিৰ জীয়েক আঙুৰ বেগম"ৰ লগত 'নিকাহ-কবুল' কৰাত সন্মতি আছে নে নাই? দৰাই তিনিবাৰ উত্তৰ দিলে "কাবিলতু" —অর্থাৎ তেওঁ সন্মত আছে। তাৰ পিচত চিৰাচৰিত প্রথামতে বাইজৰ মাজত খেজুৰ বিলোৱা আৰু দুয়োজন বিয়েৰ সম্ভাষণ জনোৱাৰ পৰ্ব্ব আৰম্ভ হ'ল।



সেইদিনা দৰাই তেওঁৰ অন্তৰঙ্গ বন্ধু জনচেৰেকৰ সৈতে আব্বাজানৰ বহা-কোঠা 'বৈঠক'তে নিশা যাপন কৰিবলৈ ল'লে। পিচদিনা পুৱা কইনাৰ পাল্কী লগত লৈ তেওঁলোক উভটি যাব। আনন্দময় এক অনাবী উচ্ছ্বাসে গোটেই বিয়াঘৰ যেন বিভোৰ কৰি ৰাখিছিল। নিশা শোৱাৰ কথা সকলোৱে পাহৰিয়ে গ'ল। ডেকাদলে নানান ৰং-ৰহইচৰ কথা উলিয়াবলৈ ধৰিলে। আনন্দ মনেৰে বৌফে দুজনমান অন্তৰঙ্গ বন্ধু লৈ তাচ খেলাত বহি গ'ল। বাকীসকলে সিইঁতৰ খেলা বেঢ়ি ধৰি একান্তমনে চাব ধৰিলে।

ভিতৰতো ;—কিছুমান মানুহ গ'লগৈ। কিন্তু ওচৰ সম্পৰ্কীয়সকল থাকিল। তেওঁলোকে এতিয়া আজৰি পাই 'ডমনি'সকলৰ গীত উপভোগ কৰাত লাগিল। গায়িকাইঁতেও এতিয়া নীৰৱ নিশা মুকলি পাই গলা খুলি গান গাবলৈ ধৰিলে। পেহীজান তেতিয়াও ৰান্ধনিশালত। অসংখ্য বনকৰা মানুহ, পানীৱালা, পাল্কীভাৰী, নাপিত আৰু অন্যান্য চাকৰক গুন্ধাবীয়ে খাবলৈ দিছে। পেহীজানে তদাৰক কৰিছে। এই সুবিধাতে মনে মনে কোনেও গম নোপোৱাকৈ আনোৱাৰ গৈ বাইজানৰ কোঠাত সোমালগৈ।

আঞ্জুম কুচিমুচি বিছনাৰ ওপৰত বহি আছিল। বিপুল কইনাৰ সাজৰ আঁৰত আচল মানুহজনীলো কোনখিনিত সতকাই ধৰাই টান। হাতত সাৰে ভৰিত সাৰে বিছনাৰ কাষলৈ আহি আনোৱাৰে মাত লগালে, "বাইজান, মই আহিছোঁ। তুমি যে মাতিছিলা।"

আঞ্জুমে অনুচ্চ কণ্ঠেৰে ক'লে, "প্ৰথমতে দুৱাৰখন বন্ধ কৰি আহঁা। নহ'লে মই ভালকৈ কথাকে কব নোৱাৰিম।"

দুৱাৰখন ভালকৈ বন্ধ কৰি উভটি আহি আনোৱাৰে দেখিলে এইবাৰ আঞ্জুম বিছনাত ভৰি ওলোমাই ভালকৈ বহিছে। মেজৰ লেম্পৰ পোহৰত মুখখন জিলিকি উঠিছে।

আঞ্জুম আছিল তন্বী, গাৰ ৰং কেঁচা হালধিৰ দৰে। বয়সতকৈ বহুত ওখ আঞ্জুমৰ ডাঙৰ আঁকা-আঁকা চকুহাল আছিল ঈষৎ তাম বৰণীয়া। শিশু-সুলভ সৰলতা সেই চকুৰপৰা এতিয়াও শেষ হৈ যোৱা নাই। আঞ্জুমৰ হাত দুখন আছিল স্পৰ্শ-কাতৰ। তলুৱাৰ 'হেন্না'ৰ বোলৰ বাবে হাত দুখন স্বাভাৱিকতকৈ অনেক বেছি বগা হাতীদাঁতৰ যেন লগা হৈছিল। প্ৰত্যেকটো আঙুলিতে হীৰা-পতোৱা আঙুঠি। কম্বুৰ দৰে সৰু ডিঙিত গধুৰ এডাল সোণৰ নেক্‌লেচ। ক'লা চুলিত এটা 'ঝুমুৰ'—দেখিবলৈ ঠিক চুলিৰ জালত আবদ্ধ এটা সোণোৱালী পখিলা যেন লগা হৈছে।

আশ্চৰ্য্য আৰু এটা ভয় ভয় ভাৱত আনোৱাৰে কথা কব নোৱাৰা হৈ ৰ'ল। এইজনী ছোৱালী, সৰগৰপৰা নামি অহা কোনোবা পৰীৰ দৰে এই মূৰ্ত্তি,—এইয়াই জানো তাৰ বাইজান। মনত পৰা দিনৰেপৰা খেমালি-ধুমুলা, হাই-কাজিয়া কৰি একেলগে ডাঙৰ হোৱা তাৰ বাইজান এইয়া জানো হব পাৰে!

আঞ্জুমে আনোৱাৰৰ হাতত ধৰি তাইৰ ওচৰতে তাক বহুৱালে। নিচেই কাষতে বহি মূৰ তুলি চাই এইবাৰ আনোৱাৰে দেখিলে আঞ্জুমৰ ডাঙৰ ডাঙৰ চকুহাল পানীৰে ভৰি পৈছে।

আঞ্জুমৰ চকুত চকুলো দেখি আনোৱাৰ অতি আচৰিত হৈ গ'ল। "উৰা! বাইজান, তুমি আকৌ কান্দিছা কেলৈ? বিয়া হোৱা বাবে তোমাৰ মনত আনন্দ লগা নাইনে?"

মৰমেৰে তাক সাৱটি ধৰি আঞ্জুমে ক'লে, "ভাইজান, কাইলৈ যে মই এইখন ঘৰ এৰি গুচি যাব লাগিব। আব্বাজান, পেহীজান, তোমাক সকলোকে এৰি মইয়ে যাবগৈ লাগিব এই কথা তুমি ভাবি চোৱা নাই। উহ! আনো-ৱাৰ—মোৰ, মোৰ যে ভাবিবলৈকে ভয় লাগিছে!" আনোৱাৰে গম পালে তপত লুণীয়া চকুলো আঞ্জুমৰ দুয়ো গালেৰে ধাৰাসাৰে বৈ আহিছে।

গোটেই পৰিস্থিতিটো আনোৱাৰৰ বৰ অস্বস্তিকৰ যেন অনুভূত হৈছিল। ইমান দিন সি তাৰ বায়েকক জ্ঞান আৰু শান্ত-গাম্ভীর্য্যৰ প্রতিকৃতিৰূপেই জ্ঞান কৰি আহিছিল। আজি সেই বায়েকক এনেকৈ অভিভূত হৈ পৰা দেখি কেনেকৈ সান্ত্বনা দিব ভাবি বিমূঢ় হৈ পৰিল। আঞ্জুমৰ ভয়ৰ কাৰণ কি হব পাৰে আনোৱাৰে ধৰিব পৰা নাছিল। কিন্তু ক্ষন্তেকৰ ভিতৰতে তাৰ মনৰপৰা গোটেই দিনটোৰ বিবাহোৎসৱৰ সকলো আনন্দ সকলো উত্তেজনা কেনিবা উৰি গ'ল। এক মুহূর্ত্ততে তাৰ চকুত বিয়াৰ প্রকৃত স্বৰূপ ধৰা পৰি গ'ল। ৰং-চঙীয়া সাজ-পাৰ, খোৱা-বোৱা, স্ফূর্ত্তি, এই সকলো মাথোন বাহিৰৰ কথা। আচল যিটো কথা,—নিতান্ত শিশুৰ দৰে সেই কথা সি উপলব্ধিকে কৰিব পৰা নাছিল। ইয়াৰ সতে জড়িত আছে বেদনা,—অতি চেনেহৰ আপোন বাইজানৰপৰা হব লগা বিচ্ছেদৰ বেদনা। কালিলৈ আঞ্জুম বাইজান যাবগৈ,—আৰু এইখন ঘৰত আনোৱাৰ একেবাৰে অকলশৰীয়া হৈ যাব। কাৰ লগত সি ধেমালি কৰিব? কাক সি জোকাব? স্কুলৰপৰা উভটি আহিলে মৰম-পিংগলা হাঁহিৰে তাক কোনে সম্ভাষণ জনাব? আনোৱাৰেও সকলো পাহৰি গ'ল। বাইজানক সাবটি ধৰি সিও হুকহুকাই কান্দি দিলে। আৰু আঞ্জুম। আকৌ আগৰ দৰে তাই তাৰ বাইজান হৈ পৰিল। মৰম কৰি, সান্ত্বনা দি তাক মাতৃসুলভ অনুভাৱেৰে ওচৰ চপাই ললে।



ঘৰটোৰ ওপৰ মহলাৰ এচুকত এটা কোঠা আছিল। তালৈ সাধাৰণতে কোনো নাযায়। ভগা-ছিগা চকী-মেজ আদিৰ গুদাম হিচাবে সেইটো ব্যৱহৃত হয়। কোনেও কব নোৱাৰাকৈ ওপৰলৈ গৈ আনোৱাৰ তাত সোমাই এখন ভগা বিছনাত শুই পৰিল। তাৰ মন গৈছিল সকলোৰেপৰা দূৰত অকলশৰে অলপ সময় কটাবলৈ।

খিৰিকীৰে চাই পঠিয়াই আনোৱাৰে দেখিলে এচমকা সৰু আকাশ। এমুঠি তৰাই তাত তিৰবিৰ কৰি হাঁহিছে। কিন্তু তৰাৰ হাঁহিয়ে তাৰ মনৰ পোৰণি শাঁত কৰিব নোৱাৰিলে। তলৰ ৰভাস্থলিৰপৰা 'ডমনি'ইতৰ সুললিত গীতৰ সুৰ ভাঁহি আহিছিল। সিহঁতে করুণ সুৰত কইনাৰ বিদায়ৰ গীত গাইছে। এই গীত আনোৱাৰে অইন মানুহৰ ঘৰৰ বিয়াত কেইবাবাৰো শুনিছে। আজি কিন্তু কিয় যেন গীতটোৱে তাৰ অন্তৰক গভীৰভাৱে স্পর্শ কৰি গ'লহি। গীতটোৰ মাজেদি তাৰ আপোন বাইজানেই যেন আব্বাজানক কাকুতি জনাই কৈছে:

কাহে কো বিয়হি বদেচ্
আৰে লক্ষী বাবুল মোৰে
হম তু, বাবুল, বেলে কি কলিয়াঁ
ঘৰ ঘৰ মাঙ্গী যায়েঁ
হম তু, ৰে বাবুল, খোঁতে কি গাইয়াঁ
হাকোঁ জিধৰ হাঁক যাঁয়ে
হম তু, ৰে বাবুল; ঝাপে কি ছিৰিয়াঁ
ৰাইঁ বচে উৰ যায়েঁ।

(অ' মোৰ চেনেহৰ দেউতা, মোক বিয়া দি ইমান দূৰলৈ কিয় উলিয়াই দিলা।
অ' মোৰ চেনেহৰ দেউতা, আমি মাথোন মালতী ফুলৰ কলিৰ দৰে ঘৰে ঘৰে যাক বিলাই দিব পাৰি।
অ' মোৰ চেনেহৰ দেউতা, আমি মাথোন অজান মূক গাইৰ দৰে যিখন পথাৰলৈ ইচ্ছা কৰা তালৈকে আমাক পঠিয়াই দিব পাৰি।
অ মোৰ চেনেহৰ দেউতা, আমি মাথোন সঁজাৰ পখীৰ দৰে নিশা শেষ হ'লেই, উৰি গুচি যাওঁ।)

মাজনিশা গায়িকাইতৰ গীত বন্ধ হ'ল। কিন্তু আনোৱাৰৰ মনত সেই গীতৰ ৰেশ ধ্বনিত-প্ৰতিধ্বনিত হৈ থাকিবলৈ ধৰিলে। কিশোৰ আনোৱাৰক আনন্দ আৰু বিষাদৰ চিৰমিশ্ৰণ-প্ৰসূত যি সনাতন সমস্যা সেই সমস্যাৰে এই গীতে যেন মুখামুখিকৈ থিয় কৰাই দিলে।

দিল্লীৰ গৰম। মহানগৰীৰ আকাশে অসহনীয় উত্তাপত খাণ্ড-খাণ্ড মূৰ্ত্তি ধৰে। আলকাতৰা ঢলা ৰাজআলি, দোকান-পোহাৰৰ টিনৰ ছাল ইটাৰ পকী বেৰ, ষ্ট্ৰীট-লাইটৰ লোহাৰ খুটা, প্ৰত্যেকটোৰ পৰাই যেন প্ৰচণ্ড উত্তাপ বিকীৰিত হ'ব ধৰে। জন-মানৱশূন্য ৰাজপেথদি একো একো-বাৰ হো-হোকৈ গৰম 'লু' বৈ যায়। উৰুৱাই নিয়ে জাবৰ-জোঁথৰ, সৰাপাত, ধূলি। ওপৰলৈ উৰুৱাই পঠাই দিয়ে সেইবোৰ বা-মাৰলীৰ যোগেদি। আকাশ-খন এটা গলিত তামৰ প্ৰকাণ্ড পাত্ৰ যেন লাগে। সূৰ্য্য হেৰাই যায় তাৰ নিজৰে অত্যুজ্জ্বল ৰশ্মিমালাৰ আঁৰত। জুইৰ দৰে আকাশৰপৰা উত্তাপ নামি আহে। মাটিৰপৰাও সমান বেগেৰেই উত্তাপ উদ্গীৰণ হয়। দুয়োটা যোগ হৈ সমগ্ৰ মহানগৰী এখন প্ৰকাণ্ড খোলাত পৰিণত কৰে। এনে লাগে আনোৱাৰৰ এয়া যেন দিল্লী নহয়, এয়া মৌলবী চাহাবৰ মুখত অজস্ৰবাৰ শুনা সাক্ষাত 'জহন্নামেই।'

আবেলি তিনি চাৰি ঘণ্টা সমগ্ৰ মহানগৰী দিবানিদ্ৰাত যেন মগ্ন হৈ পৰে। দোকানীবোৰে দোকানৰ সন্মুখত ডাঠ সেউজীয়া পৰ্দ্দা আঁৰি দি ভিতৰত শুই পৰে। ধনী মানুহবোৰে সুগন্ধি 'খুশ্' ঘাঁহেৰে তৈয়াৰী পৰ্দ্দা নমাই দিয়ে। চাকৰে সেই পৰ্দ্দা ঘনে ঘনে পানীৰে তিয়াই তিয়াই যায়। আৰু তেওঁলোকে ভিতৰৰ শীতল কোঠাত টোপনি যায়। কেতিয়াবা কাচিৎ একোখন গৰুগাড়ী হেকেৰ-পেৰেককৈ গৈ থকাৰ বাহিৰে বাটে-পথে একো যান-বাহন নাইকিয়া হয়। গৰু গাড়ীবোৰৰ গৰুটো-হঁতৰ অৱস্থা দেখিলে দুখ লগা হয়। পিয়াহত বেচাৰাহঁতৰ জিভা এহাত-লৈকে ওলাই পৰে।

আকবৰ আলিৰ ঘৰত মাটিৰ তলত থকা এটা কোঠা আছিল। কোঠাটো চেঁচা—জেকা-জেকা গোন্ধাই থাকে। ইয়াৰ নাম 'তেহ-খানা।' এখাৰ বজাত স্কুলৰপৰা আহি খাই-বই এই তেহ্-খানাত আনোৱাৰ যি সোমাব লগা হয়, এখোজো আৰু তাক ওলাবলৈ দিয়া নহয়। আকবৰ আলি গৰম বৰ বেছি পৰিলেও তেহ্খানালৈ নাহে। খুশ-পৰ্দ্দা আঁৰি বৈঠকত সোমাই থাকিয়েই তেওঁ ভাল পায়। পেহীজানে কিন্তু আনো-ৱাৰক জোৰ কৰিয়েই তেহ্খানাত আৱদ্ধ কৰি ৰাখে। দুৰ্ব্বল স্বাস্থ্যৰ মৰমৰ ভতিজাকক গৰমে কষ্ট দিয়ে বুলি তেওঁৰ বৰ ভয়। জাৰকালিও

আনোৱাৰৰ চেঁচা লাগে বুলি তেওঁৰ চিন্তাত তৎ নেথাকে। আৰু এতিয়া আগকালে চোতালৰ 'গুচাল' গছজোপাৰ ছাঁ অলপ চুটি হলেই আনোৱাৰক তেহ্‌খানাত সোমাবলৈ তৎ হেৰুৱায়।

পেহীজানৰ কথা আনোৱাৰে অমান্য নকৰে। চিৰিয়েদি নামি গৈ তেহ্‌খানাৰ দুৱাৰমুখত এক্ষন্তেক চকু মুদি ৰয়—আন্ধাৰৰ লগত অভ্যস্ত হবলৈ। আকৌ যেতিয়া চকু মেলে বগা চাদৰপৰা বিচনাবোৰ চকুৰ আগত স্পষ্ট হৈ উঠে। নিজৰ বিচনালৈ গৈ আনোৱাৰ নিৰৱে শুই পৰে। তাৰ তপত গালত চেঁচা গাৰুৰ পৰশে এটা নামহীন আমেজৰ পুলক জগাই যায়।... ....

....চকু দুটা মুদি আনোৱাৰ বিচনাত পৰি আছিল। কিন্তু তাৰ টোপনি অহা নাছিল। এটাৰ পিচত এটাকৈ ভাবৰ সোঁতত তাৰ মন কৰবালৈ উৰি গৈছিল। এইদৰে আগগুৰি নোহোৱা চিন্তাত মন উৰি যোৱা কথাটোত আনোৱাৰ নিজে নিজেই সদায় আচৰিত হৈ যায়। স্কুলৰ শিক্ষকসকলেও এই কথা লৈ প্ৰায়ে আপত্তি কৰে। এনেকৈ বেচ চোকা বুদ্ধিৰ ল'ৰা আনোৱাৰ। অথচ তাৰ নিজৰ মনটোৰ ওপৰত অকণো নিয়ন্ত্ৰণ নাই। একো কথাত হওঁ বুলি একনিবিষ্ট হ'ব নোৱাৰে। ইয়াৰ কাৰণ কি হ'ব পাৰে বাৰু? কেতিয়াবা বহি অঙ্ক বা জ্যামিতিৰ কিবা অনুশীলন কৰি থাকোঁতে তাৰ মনটো কৰ নোৱাৰাকৈয়ে বাহিৰৰ বিজুলী বাতিৰ খুটাত পৰি থকা চৰাই এটাৰ ওচৰ পাবগৈ। তাৰ পিচত তাৰ মন উৰা মাৰি যাব বহুত দিনৰ আগলৈ,। এদিন এটা বিৰাট পাৰ চৰাই চৰাই,—এতিয়া সি জানে সেয়া চৰাই নহয় উৰাজাহাজহে,—আকাশত উৰা সি দেখিছিল। সেই চৰাইটোৰ বোকোচাত উঠি মানুহ কিমান দূৰ-দূৰান্তৰ দেশলৈ যাব পাৰে সি কল্পনা কৰিবলৈ আৰম্ভ কৰি দিব। আমেৰিকাৰ কথা, ইংলেণ্ডৰ কথা ভাবি সেই-সেই দেশত কেনে ধৰণৰ মানুহ থাকে নিজকে নিজে প্ৰশ্ন কৰিব। ইংলেণ্ডৰ বিষয়ে আনোৱাৰে তাৰ পাঠ্যপুথিত অনেক কথাই পঢ়িছে। তাত ইংলেণ্ডৰ সম্ৰাট বাস

কৰে। বিভিন্ন ভাইচৰয়সমূহ তাৰপৰাই নিয়োগ কৰা হয়। তাত ইংলেণ্ডত বহুত মহানগৰী আছে। প্ৰত্যেকখনেই দিল্লীতকৈ ডাঙৰ। আটাইতকৈ ডাঙৰখনৰ নাম লণ্ডন। আৰু আমেৰিকা। আমেৰিকাতো সাক্ষাৎ ৰহস্যপুৰী। তাৰপৰাই সি বায়স্কোপৰ পৰ্দাত দেখা যাদুলগা চলছবিবোৰ আহে। ওঁ, সঁচাসঁচিকৈ খোজ কাঢ়ি আচৰিত-আচৰিত কাম কৰা ছবি। বিজুলী বেগেৰে মটৰ-গাড়ী দৌৰে; ঘোঁৰাই চেকুৰে; ধুনীয়া মাইকী মানুহক বিৰাট ক'লা মোঁচ থকা জংঘলী মানুহে পিচে পিচে খেদে;—বাস্তবিক, এই বায়স্কোপ বস্তুটো অতি অদ্ভুত। ছবিবোৰেই নো কেনেকৈ লৰচৰ কৰিব পৰা হয় জানিবলৈ আনোৱাৰৰ ইমান মন যায়। দেখিলে একেবাৰে সঁচাসঁচি মানুহ যেন লাগে। আনোৱাৰৰ মনত আছে এবাৰ সি এজন হাঁহি উঠা মানুহৰ চলছবি দেখিছিল, মানুহটো দেখিলেই হাঁহি উঠে। নাকৰ তলতে অকমাণ একুচি মোঁচ। মূৰত ওলোটাই থোৱা হাড়িয়াটোৰ দৰে এটা হেট্। ওলমি পৰা সোলোক-ঢোলোক পেণ্ট। হাতত এডাল লাঠি। মুহূৰ্ত্তে-মুহূৰ্ত্তে মানুহটোৰ মুখখন এনেভাৱে ভেঙুৰা-ভেঙুৰি হৈ থাকে যে দেখিলে কোনোমতেই হাঁহি সাম ৰিব নোৱাৰি।....আৰু এতিয়াও আনোৱাৰৰ ওঁঠত এটা মিচিকি হাঁহি নিজে নিজে বিৰিঙি উঠে।

"আনোৱাৰ!" শিক্ষকৰ গুৰু গম্ভীৰ মাতত আনোৱাৰে যেন আকাশৰ পৰা আহি খেকেচকৈ মাটিতহে পৰেহি। "তুমি হাঁহিছা কিয়? অঙ্ক ওলালনে?"

আনোৱাৰে এতিয়া শিক্ষকক কেনেকৈ বুজায় যে খিড়িকীৰে এবাৰ বাহিৰলৈ চোৱাৰ ফলত তাৰ উৰণীয়া মন পাৰ চৰাইৰপৰা উৰাজাহাজেৰে উৰি ইংলেণ্ড আমেৰিকা ঘূৰি বায়স্কোপৰ এজন হাঁহি উঠা মানুহৰ অঙ্গী-ভঙ্গীৰ কথা ভাবি সি হাঁহি উঠিছে। অঙ্ক কৰাই নাই। একো উত্তৰ নিদি বেচেৰাই শিক্ষকৰ তিৰস্কাৰ নিৰৱে সহ্য কৰি যায়।.......



সঁচা কথা, কমোৱা তুলাৰ দৰে আনোৱাৰৰ চিন্তাৰাশি সঘনে নিৰুদ্দেশভাৱে উৰি উৰি যোৱা সি নিজেই লক্ষ্য কৰিছিল। এতিয়াও তেহ্‌খানাত শুই শুই প্ৰথমতে সি আঞ্জুম বাইজানৰ কথা ভাবিলে। আঞ্জুমৰ বিয়া হৈ যোৱা ছমাহৰো ওপৰ হ'ল। অথচ ঘৰখনত যে আঞ্জুম আজিকালি নেথাকে কথাষাৰ সি এতিয়াও সহজ কৰি ল'ব পৰা নাই। তাৰ জীৱনৰ এটা চুক যেন ৰিক্ত হৈ গৈছে। এই ৰিক্ত ঠাই আঞ্জুমৰপৰা সপ্তাহে সপ্তাহে পোৱা চিঠিয়েও পূৰাব পৰা নাই। আঞ্জুমে ভায়েকলৈ ধুনীয়া-ধুনীয়া মৰম-ভৰা চিঠি লেখে। কিন্তু নতুন ঘৰত নতুন জীৱন তাইৰ কেনে লাগিছে ভুলতো এবাৰ নেলেখে। সিহঁত আজিকালি গড়গাৱঁত নেথাকে। আমজাদ আলি দিল্লীৰপৰা এশ মাইলমান দূৰৰ চালামপুৰ নামৰ এখন সৰু প্ৰদেশৰ 'মিনিষ্টাৰ' নিযুক্ত হ'ল। তেওঁৰ সন্মান এতিয়া আগতকৈ বহুগুণে বৃদ্ধি পালে। আজিকালি দিল্লীলৈ আহিলে আমজাদ আলিৰ লগত ৰঙা আৰু সোণোৱালী উৰ্দ্দি পিন্ধা দুটা চাপৰাচী আহে। নম্বৰ প্লেটত প্ৰদেশৰ নাম লেখা থকা এখন ধুনীয়া মটৰত তেওঁ ফুৰা-চকা কৰে। এই মটৰ-গাড়ী, চাকৰ-নাকৰ, ধন-সম্পত্তি এইবোৰ লৈ চালামপুৰত থাকি আঞ্জুমৰ ভাল লাগিবই বুলি আনোৱাৰে ধৰি লৈছিল। ৰৌফে প্ৰৱেশিকা পাচ কৰাৰ পিচতে আৰু কলেজত ভৰ্ত্তি হবলৈ ইচ্ছা নকৰিলে। তাৰ সলনি পুলিচ বিভাগৰ চাকৰি বিচাৰি দৰ্খাস্ত কৰিলে। এতিয়া, পুলিচ বিভাগটোৱেই, মানে চালামপুৰৰ পুলিচ বিভাগটোৱেই আমজাদ আলিৰ তলত থকা বিভিন্ন বিভাগসমূহৰ এটা মাত্ৰ। গতিকে সিযে চাকৰি পাবই তাত সন্দেহৰ কোনো অৱকাশেই নাছিল।

ৰৌফৰ কথা ভাবি আনোৱাৰৰ অকণো ভাল নেলাগে। এতিয়া অৱশ্যে ৰৌফ তাৰ কেৱল ডাঙৰ-আব্বাজানৰ পুতেক ককায়েকেই নহয় আপোন ভিনিটিও। তথাপি কিয় জানো আনোৱাৰে মৰম আৰু সহানুভূতিপূৰ্ণ ভাবৰ সৃষ্টি কৰিব নোৱাৰিলে নিজৰ মনত ৰৌফৰ প্ৰতি। অহংকাৰী আৰু মইমতীয়া ল'ৰাটোৰ কথা মনত পৰিলে আনোৱাৰৰ অন্তৰত মাত্ৰ এটা গোপন প্ৰতিহিংসাৰ ভাবহে জাগ্ৰত হৈ উঠে। সেইবাবে জোৰ কৰি আনোৱাৰে ৰৌফৰ কথা নেভাবি তাৰ ভনীয়েক বিলকিচৰ কথা ভাবিবলৈ যত্ন কৰিলে। বিলকিচৰ কথা ভাবিলেই তাৰ মনটো মৰমত সেমেকি উঠিব খোজে। গড়গাৱঁৰ নুকলি পথাৰত বাতিপুৱা অনেকবাৰ ফুৰিবলৈ ওলাই যোৱা কথা আনোৱাৰে পাহৰা নাই। তাৰ মনত আছে বিলকিচৰ গাহৰি নেজৰ দৰে কৰি বন্ধা চুলি কোচা তাই দৌৰিলে কেনেকৈ হাঁহি উঠা ধৰণে উঠা-নমা কৰে। কিমান দিনৰ আগৰ কথা সেয়া!

এতিয়া বিলকিচ্ বাঢ়ি বৰ এজনী হ'ল। সৰু-সুৰা এগৰাকী ভদ্ৰমহিলাই একেবাৰে! কিন্তু আঞ্জুমৰ বিয়ালৈ আহোঁতে কিয় বাৰু লাজ লাজ কৰি দূৰে দূৰে থাকিল তাই? কিয় বাৰু ইমান গহীনজনী হৈ দেখুৱালে? তিনি বছৰৰ ভিতৰতে এনে কি সাংঘাতিক ঘটনা ঘটি গ'ল যে সিহঁতৰ মাজৰ মুকলি আনন্দপূৰ্ণ সৌহাৰ্দ্দ্য শেষ হৈ যাব লগা হ'ল? বিলকিচৰ কিয় এনে হ'ব লগা হ'ল আনোৱাৰে বহুত সময় একান্তমনে ভাবি চালে। হঠাৎ তাৰ মনত আন এটা কথা খেলাই গ'ল। সম্পূৰ্ণ বেলেগ কথা। এটা প্ৰশ্ন। তাৰ একান্ত ব্যক্তিগত এটা প্ৰশ্ন। তিনি বছৰৰ আগতে বিলকিচৰ লগত ধেমালি-ধুমুলা কৰিবলৈ সি ভাল পাইছিল। নিঃসঙ্কোচে তাইৰ চুলিত ধৰি টানি জোকাই তাইক হাবাশাস্তি কৰি দিব পাৰিছিল। কিন্তু এইবাৰ সি ক'ব নোৱাৰাকৈয়ে তাৰ মনোভাৱ সলনি হৈ গৈছিল। আগৰ দৰে পাতল ধেমালিত গা এৰি দিবৰ মন যোৱা নাছিল তাৰ। তাৰ ঠাইত তাৰ মন গৈছিল ঘনে ঘনে মাথোন তাইক চাই থাকিবলৈ। চকুৰ পতাই লাজৰ আচ্ছাদনেৰে ঢাকি নথকা অৱস্থাত তাইৰ ডাঙৰ-ডাঙৰ সুন্দৰ চকুহাললৈ একেথৰে বহুত পৰ চাই থাকিবলৈ। আনকি এতিয়াও তাৰ ভাল ধৰণেই মনত আছে বিয়াৰ আনন্দোৎসৱত বিলকিচে কোন সময়ত কোন সাজ কাপোৰ পিন্ধিছিল........

নাই, নোৱাৰিলে। মানুহৰ মাজৰ সম্বন্ধৰ এই চিৰ-পৰিবৰ্ত্তনশীলতাৰ সমস্যা সমাধান কৰিব আনোৱাৰে নোৱাৰিলে। উপায়ান্তৰ হৈ এইবাৰ সি ৰতনৰ কথা ভাবিলে। আজি কেইবামাহো ধৰি ৰতনৰ সি একো খা-খবৰ পোৱা নাই। মাত্ৰ আঞ্জুমৰ বিয়াৰ নিমন্ত্ৰণী পাই এখন চিঠি দিছিল। তাকো একেবাৰে নিস্প্ৰাণ। মাত্ৰ লৌকিকতাৰ খাতিৰত ধন্যবাদ জনাই দিয়া চিঠি। সেই যে আনোৱাৰে কথা দিও কথা নেৰাখি কংগ্ৰেছ মণ্ডপলৈ নাহিল তাৰ বাবে ৰতনে তাক আজিও ক্ষমা কৰা যে নাই তাত একো সন্দেহ নাই। "এই ৰতনটো!" আনোৱাৰে ভাবিলে মনত তিক্ততা লৈ, "সি ইমান ৰাজনীতি-পাগল হৈ পৰিল। ৰাজনীতিৰ বাহিৰে তাৰ আন একো চিন্তাই নাইকিয়া হ'ল। এই সোপা কথাৰ বাহিৰে সি একো কব বা লেখিবই নোৱাৰে॥" কিন্তু তথাপিও! তথাপিও তাৰ কিমান মন যায় এবাৰ তাৰ বন্ধুক চাবলৈ! লগ পাবলৈ!

দিগন্তত বেলি মাৰ যোৱাৰ লগে লগে মহানগৰী আকৌ সাৰ পাই উঠিল। গা-পা ধুই সতেজ হৈ মানুহবোৰ ঘৰৰ ভিতৰৰপৰা ওলাই-ওলাই আহিল। দোকান-পোহাৰ আৰু বজাৰবোৰ আকৌ ব্যস্ততাৰ গুঞ্জনেৰে মুখৰ হৈ উঠিল। ক্ৰমে ক্ৰমে মানুহ গোট খাবলৈ ধৰিলে। মছজিদ আৰু দুৰ্গৰ মাজত পৰি থকা খোলা মাটি খণ্ড আগেয়ে গোড়া চিপাহীয়ে কুচ-কাৱাজ কৰিবলৈ ব্যৱহাৰ কৰিছিল। সেয়ে যেন হঠাৎ অস্থায়ী এক প্ৰমোদ-ক্ষেত্ৰলৈ ৰূপান্তৰিত হ'ল। বাজীকৰ, চাৰ্কাচৰালা, ঔষধ-বিক্ৰেতা, পুৰণি মাল বিক্ৰেতা, নিলাম কৰোঁতা, গানৰ কিতাপ বেচা হ'কাৰ, পিতলৰ 'কোতৃৰা' জোকাৰি জোকাৰি অহা পানীৱালা—ইত্যাদি ইত্যাদি যেন ভূমি-ফুটি ওলাই হঠাৎ এখন মেলা বহুৱাই দিলেহি। বিপ্লৱী চুফি সাধু 'শৰ্মাদ'—যাক কোনোবা সম্ৰাটে শিৰচ্ছেদ কৰাইছিল,—তেওঁৰ সমাধি-স্থলিত অন্য দিনৰ দৰেই অসংখ্য ফকিৰ আৰু ভক্ত গোট খাই কাওৱালি গাবলৈ আৰম্ভ কৰি দিছিল। একাষত এজন খৃষ্টান পাদ্ৰীয়ে বাইবেলৰ অংশবিশেষ উৰ্দু হৰফত ছপোৱা সৰু সৰু পুস্তিকা বিলাইছিল।

আধা-আলো আধা-ছায়াঁৰ এই মেলাৰ মাজত সন্ধিয়া কটাবলৈ আনোৱাৰে বৰ ভাল পাইছিল। ক্ৰম বিলীয়মান সন্ধ্যাৰ পোহৰত এই আনন্দ মেলাক অৰ্দ্ধেক বাস্তৱ অৰ্দ্ধেক-কল্পনা যেন লাগে। আনন্দমুখৰ জন-স্ৰোতৰ মাজত সি নিজকে নিৰুদ্দেশ ভাৱে হেৰুৱাই পেলাব পাৰে। সাগৰৰ উত্তাল ঢৌৰ লগত কৰবালৈ গুচি যোৱা যেন লাগে।

সেইদিনা তাৰ মনটো আছিল বিশেষভাৱে উৎফুল্ল। কাৰণ আব্বাজানে তাক কৈছিল যদি সি ভাল ধৰণে প্ৰৱেশিকা পাচ কৰিব পাৰে তেনেহলে তেওঁ তাক আলিগড়ৰ বিখ্যাত মুছলিম বিশ্ববিদ্যালয়ত পঢ়িবলৈ পঠাব। বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ সমূহীয়া জীৱনৰ বিচিত্ৰতাৰ বিষয়ে আনোৱাৰে অনেক কথা শুনিছে। গতানুগতিক ঘৰুৱা জীৱনৰ নিৰলসতা আজিকালি তাৰ বাবে দিন-দিন অসহ্য হৈ আহিছে। তাতে আঞ্জুম গুচি যোৱাৰপৰা ঘৰখন যেন হেজাৰগুণে নিৰ্জীৱ হৈ পৰিল। ইয়াৰপৰা আঁতৰি শ-শ সম-বয়সীয়া ল'ৰাৰ লগত সমূহীয়া জীৱন কটাবলৈ পোৱাৰ আশাত তাৰ মন উত্তেজনাৰে ভৰি পৰিছিল।

উলাহিত হিয়া আৰু উল্লাসিত মনেৰে সি মানুহৰ ভীৰৰ মাজে মাজে ঘূৰি ফুৰিছিল। গৈ গৈ সি এঠাইত দেখিলে অস্থায়ীভাৱে বেৰি থোৱা এটা সৰু কোঠাৰ আগত লেখি থোৱা আছে, "দুটা মূৰ আৰু পাঁচখন ঠেঙৰ আচৰিত গৰু পোৱালী।" তাৰ পিচত দেখিলে আন এঠাইত এটা মানুহে আন এটা মানুহক সন্মোহনী বিদ্যাৰে মূৰ্চ্ছিত কৰি পেলাইছে। অজ্ঞান

মানুহটোৱে নির্ভুলভাৱে যি কোনো ধৰণৰ প্ৰশ্নৰে পটাপট উত্তৰ দি গৈছে। "বগা শ্বেৰবাণী আৰু ৰঙা ফেজ টুপী পিন্ধা ল'ৰাজনৰ জেপত কিমান পয়চা আছে ?" যাদুকৰজনে চিঞৰি সুধিলে। মাটিত শুই থকা কাপোৰেৰে ঢাকি থোৱা অজ্ঞান মানুহজনে উত্তৰ দিলে, "চৈধ্য অনা।" জেপত হাত সুমুৱাই গোটেইখিনি পয়চা উলিয়াই আনি আনোৱাৰে লেখি চালে,—এটা আধলি, এটা সিকি, এটা আনী আৰু চাৰিটা তামৰ পয়চা। চৈধ্য অনা। সকলোৱে তাৰ পিনে ঘূৰি ঘূৰি চাবলৈ ধৰিলে। সি আত্ম-সচেতন হৈ উঠিল। গোটেই শৰীৰ যেন তাৰ ঘামি উঠিছে। লৰালৰিকৈ সি আঁতৰি আহিল। অদ্ভুতা কেনেকৈ জানিলে। গোটেই ঘটনাটো এটা নিৰ্ঘাত সস্তীয়া ইন্দ্ৰজাল নে প্ৰকৃততেই এয়া আধিদৈবীক শক্তিৰ নিদৰ্শন আনোৱাৰে ভাবি উলিয়াব নোৱাৰিলে। যাদুকৰ, জ্যোতিষী, সন্মোহন-কাৰী আদি সকলো মানুহক আব্বাজানে অকণো বিশ্বাস নকৰে। ফু মাৰি উৰুৱাই দিয়ে। কিন্তু এইয়া সঁচা নে মিছা এই প্ৰশ্নৰ উত্তৰ আনো-ৱাৰে নেপালে।

সন্মোহনকাৰীজনৰপৰা আঁতৰি আনোৱাৰ আন এজুম মানুহৰ ওচৰ পালেহি। এওঁলোকেও মাজত এজন মানুহ লৈ বেঢ়ি-কুৰি চাইছে। মানুহজনে বাক শক্তিৰ পৰাকাষ্ঠা দেখুৱাইছে। এয়াও একপ্ৰকাৰ সন্মোহন বিদ্যাই। চাৰিওফালৰ মানুহে পাথৰৰ মূৰ্ত্তিৰ দৰে থৰ লাগি মানুহজনৰ মুখৰপৰা ওলাই অহা অনৰ্গল শব্দবাজি শুনি আছে। আনোৱাৰৰ ধাৰণা হ'ল মানুহজন নিশ্চয় এজন প্ৰতিক্ৰিয়াশীল ৰাজনৈতিক কৰ্ম্মী। কিবা বিপ্লৱৰ মন্ত্ৰ প্ৰচাৰ কৰিছে। মানুহজনৰ বক্তৃতাত উষ্মা আছে, আবেগ আছে, আছে আন্তৰিকতা। অৱশ্যে দেখাত মলিয়ন জধলা ইংৰাজী সাজপাৰ আৰু তেলসনা দীঘল চুলিৰে তেওঁক অকণো নেতা-নেতা যেন নেলাগে। তেওঁ সলসলীয়া, পৰিষ্কাৰ আৰু অলঙ্কাৰপূৰ্ণ হিন্দুস্তানিৰে কৈ গৈছিল, "ভাইসকল, মই আপোনালোকক সুধিছো এটা জাতিৰ শক্তিৰ মূল ৰহস্য কি ? কি শক্তিৰ বলত ইংলেণ্ড আজি সপ্ত-সমুদ্ৰৰ সম্ৰাজ্ঞী ? কিহৰ কাৰণে আমেৰিকা আজি পৃথিবীৰ ভিতৰত সকলোতকৈ সমৃদ্ধিশালী দেশ ? কিহে জাপানক ইমান শক্তিশালী কৰি তুলিছে ?" তাৰ পিচত এক মুহূৰ্ত্তৰ নাটকীয় বিৰতি। সকলোৱে, আনোৱাৰেও ৰুদ্ধশ্বাসে বাট চাই আছে উত্তৰটোৰ বাবে। "মই আপোনালোকক ক'ম ভাইসকল। শুনক, এই ৰহস্য নিহিত হৈ আছে ভাল স্বাস্থ্য, নিপোতল বলিষ্ঠ দেহাৰ মাজত। আমাৰ পূৰ্ব্ব পুৰুষসকলেও কৈ গৈছে 'স্বাস্থ্যই সম্পদ।' কিন্তু ভাল স্বাস্থ্যৰ গৰাকী আপোনালোক হ'ব কেনেকৈ ?

আপোনালোকে যে যৌৱনৰ প্ৰাৰম্ভতেই আপোনালোকৰ স্বাস্থ্যবৃক্ষৰ যাই শিপাত আঘাট সানি পৌৰুষৰ ফুলবাজিক ধূলিৰ লগত মিলাই দিয়ে। চাওঁক—এয়া মোৰ হাতত কিছুমান বড়ি আছে........।"

ধেৎ। এই কথা! সামান্য এটা বড়ি বিক্ৰেতা। আৰু তাৰ বাবেই এই বক্তৃতাৰ ফুলজাৰি। আনোৱাৰে মিচিক কৈ হাঁহি আগবাঢ়ি গ'ল।

সি দেখিলে এখন তামোল-পাণৰ দোকানৰ আগত গোপাল বৈ আছে। ষোৰা বছৰ গোপালে প্ৰমোচন নেপালে। সেয়ে সিহঁত দুয়ো এতিয়া একে শ্ৰেণীত নহয়। তথাপিও সিহঁত দুয়োৰো মাজৰ বন্ধুত্বৰ সূত্ৰ এতিয়াও অছেদ্য হৈয়ে আছে। সিহঁতৰ বন্ধুত্ব দুয়োৰো মনৰ তথা স্বভাৱৰ ঐক্যৰ বাবে নহয়। বৰং মন আৰু স্বভাৱৰ বৈপৰীত্যৰ বাবেই সিহঁতে পৰস্পৰৰ প্ৰতি আকৰ্ষিত অনুভৱ কৰে। গোপাল আছিল সদায় চিন্তাশূন্য। ৰং-তামাচা লৈয়ে সদাব্যস্ত। সদায় সি ফিটফাটকৈ কাপোৰ-কানি পিন্ধি থাকে। তাৰ জেপ সদায় পইচাৰে শকত হৈ থাকে। গোপালৰ আত্ম-বিশ্বাস আৰু বৈষয়িক বুদ্ধিয়ে আনোৱাৰক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। গোপালে জীৱনটোক এটা প্ৰমোদপূৰ্ণ অভিযানৰূপে গ্ৰহণ কৰিছিল। কিন্তু আনোৱাৰ আছিল অতি মাত্ৰাই আত্ম-সচেতন, লাজকুৰীয়া আৰু দুৰ্ব্বল স্বাস্থ্যৰ। খেলা-ধূলাতকৈ কিতাপ পঢ়ি ভাল পোৱা নিজৰপৰা সম্পূৰ্ণ বেলেগ এই লৰাটোৰ প্ৰতিও গোপাল একেদৰেই আকৰ্ষিত হৈছিল।

হঠাৎ বন্ধু এজন লগ পাই যোৱাত আনোৱাৰৰ ভাল লাগিল। বেছ উৎসাহেৰে সি গোপালক সম্ভাষণ জনালে। ঠিকাদাৰ-পুত্ৰইও তৎক্ষণাৎ আনোৱাৰক আইচ-ক্ৰীম খাবলৈ মাতি লৈ গ'ল।

"ধন্যবাদ। মই পিচে আইচক্ৰীম খাব নোৱাৰো নহয়। আইচক্ৰীম খালে মোৰ ডিঙিটো বেয়া ধৰণে চেৰচেৰায়।" নিজৰ দুৰ্ব্বল স্বাস্থ্যৰ কথা কব লগাত আনোৱাৰৰ লাজ লাগিছিল।

"ঠিক আছে; তেন্তে অন্ততঃ পাণ এখনতো খাব পাৰিবা।"

"নাই নাই। ধন্যবাদ। মই নেখাৱেই। আব্বাজানে মই পাণ খোৱাটো পচও নকৰে।"

"ইচ, তুমি কিযে! সকলো আনন্দৰ মূৰতে তুমি কুঠাৰাঘাত কৰিছা। বেছ তেন্তে, আহা এনেয়ে ফুৰোঁ এপাক। মোৰ চাইকেলখনৰ কাৰণে মই পালে এটা লাইট কিনিম।"

দুয়ো কথা পাতি পাতি ঘূৰি ফুৰিবলৈ ধৰিলে। প্ৰত্যেকখন দোকানৰ আগতে হিহঁত একোক্ষন্তেক ৰয়। নতুন নতুন বস্তুবোৰ চায়। এইদৰে ঘূৰোতে ঘূৰোতে সিহঁতে চাইকেলৰ লাইটৰ কথা পাহৰিয়ে গ'ল। দোকান-

বোৰতযে লাইট নাছিল এনে নহয়। কিন্তু উদ্দেশ্যহীনভাবে ঘূৰি ফুৰাত যি এটা নামহীন আবাম আছে সেই আৱামত সিহঁতে তেতিয়া বিভোৰ হৈ উঠিছে। শেষত আহি আহি সিহঁত মচজিদৰ পশ্চিমফালে উপস্থিত হ'লহি। তাত ওখ বেৰৰ ছাঁত এখন অকণমান দোকানত বিধে বিধে কাপোৰ, ৰঙীন ৰুমাল, টাৱেল, সৰু সৰু গামোচা আদি সজাই থোৱা হৈছে। গোপালে এখন চিকচিকীয়া ৰুমাল কিনি পাঁচটকীয়া নোট এখন উলিয়াই দিলে। দোকানীয়ে ভাঙনিখিনি ঘূৰাই দিবলৈ সিহঁত বৈ আছে, এনেতে হঠাৎ সিহঁতে শুনিলে দূৰত এটা হুলস্থূল লাগিছে। কোনোবাই 'মাৰ' 'মাৰ' কৈ চিঞৰিছে। কোনোবাই দুপ্ দুপকৈ লৰ ধৰিছে। তাৰ পিছতে কোনোবাই চিঞৰিছে 'মাৰিলে ঐ, মাৰিলে ঐ।' ঘটনাটোনো কি সি বুজি উঠিব পৰাৰ আগতেই দোকানীবোৰে খৰখেদাকৈ দোকান-পোহাৰ-বোৰ সামৰি যেয়ে যিপিনে পাৰে ফৰিং ছিটিকাদি ছিটিকিবলৈ ধৰিলে। কিবা এটা বিপদ ঘটিছে! কি নজনাকৈয়ে লৰা দুটাইও ছোঁৰি বজাৰৰ পিনে দৌৰিবলৈ ধৰিলে। তাতো সকলোৱে দোকান বন্ধ কৰি পলোৱাত ব্যস্ত। অথচ কোনেও নেজানে ভালকৈ কিয় সিহঁত পলাইছে। এনে সময়তে মচজিদৰ মিনাৰৰ পৰা ভাঁহি আহিল মোৱাজ্জিনৰ আজানৰ সুৰ। ধৰ্ম্মভীৰুসকলৰ প্ৰতি প্ৰাৰ্থনাৰ আহ্বান। ঠিক একে সময়তে ওচৰৰ কোনোবা এটা মন্দিৰতো বাজি উঠিল পূজাৰ ঘণ্টাধ্বনি। এটা অদ্ভুত পৰিস্থিতি। সেই পৰিস্থিতিক আৰু বিসদৃশ কৰি বাটৰ মানুহক খুন্দিয়াই-যেনি এখন টাঙ্গা উৰ্দ্ধশ্বাসে সিহঁতৰ কাষেদিয়ে পাৰ হৈ গ'ল। ক'ৰবাত এটা সৰু লৰাই কান্দি উঠিল। এগৰাকী মানুহে আতঙ্কত চিঞৰিব ধৰিলে। আৰু হঠাৎ—হঠাৎ কোনোবাই আনোৱাৰ আৰু গোপালক দুহাতে চোঁচৰাই নিয়াদি নি এটা দুমহলীয়া ঘৰলৈ উঠি যোৱা এন্ধাৰ ঠেক খটখটিৰ মাজ পোৱালেগৈ।

"বাচাহঁত, হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ হৈছে", কোমল মাতেৰে ক'লে কোনোবাই। আন্ধাৰত আনোৱাৰহঁতে কাকো নেদেখিলে। এনেতে তলৰ আলিৰ সিটো পাৰেই কোনোবাই ভীষণ ভয়ত চিঞৰি উঠিল "মৰিলো ঐ!" তাৰ পিচত শুনা গ'ল এটা ভয়-লগা ধৰণৰ গোঁ-গোৱনি ; ঘৰ্ ঘৰণি।-তাৰ পিচত সকলো নিস্তব্ধ! আনোৱাৰৰ পেটটো বিষাই উঠিল। সি ভাবিলে, "কাৰোবাক কোনোবাই হত্যা কৰিলে।" ভয়ত তাৰ অণ্ঠ-কণ্ঠ শুকাই যোৱা যেন লাগিল। সি ভাবিলে, "কাক বা মাৰিলে? হিন্দু নে মুছলমান?" এনে সময়তে আন্ধাৰৰ মাজৰপৰা পূৰ্ব্বৰ কোমল মাতটোৱে আকৌ ক'লে, "বাচাহঁত, তোমালোকৰ ঠাইত আজি মই হোৱা হলে আজি এই সময়ত কেতিয়াও বাটলৈ নোলালোহেঁতেন। এতিয়াও তোমালোকে অন্ততঃ অলপ

সময়ৰ কাৰণে ইয়াত থাকা। ওলাই নেযাবা। মই এবাৰ মোৰ দোকানলৈ যাওঁ,—মোৰ দোকানৰ কৰ্ম্মীখিনিৰ খবৰ এটা কৰিব লাগিব।" আনোৱাৰ-হঁতে গম পালে আন্ধাৰৰ আঁৰৰ পৰা এটা ছায়ামূৰ্ত্তি ওলাই নিৰ্জ্জন ৰাজপথত অদৃশ্য হৈ গ'ল। আকৌ পূৰ্ব্বৰ একেটা ভাবলৈকে আনোৱাৰৰ মনটো ঘূৰি আহিল,—আৰু এয়া, আমাক কোনোবাই ৰক্ষা কৰিলে,—আমাক, এটা হিন্দু আৰু এটা মুছলমান লৰাক! আৰু,—আৰু আমি নেজানো, আমাক যি ৰক্ষা কৰিলে তেওঁ হিন্দু নে মুছলমান!—!

সেই ঠেক অন্ধকাৰ চিৰিত কিমান সময় বহি আছিল আনোৱাৰহঁতে কব নোৱাৰে। গোপাল লৰাটোৱে এনেইহে মুখত 'কুচ-পৰোৱা-নাই' ভাব এটা দেখুৱাই থাকে। সময়ত এতিয়া দেখা গ'ল আচলতে সি অতি ভয়াতুৰ। ভয়ত কঁপি কঁপি সি মাত্ৰ কৈ থাকিব ধৰিলে, "উঃ ভগবান, এতিয়া কি হব। কি হব এতিয়া।" ভয় আনোৱাৰৰো লাগিছিল। কিন্তু ভয়তকৈ তাৰ খং উঠিছিল বেছি। কি সাংঘাতিক এটা নিষ্ঠুৰ মূৰ্খামী জড়িত হৈ আছে এই গোটেই কাণ্ডটোৰ সৈতে। সাম্প্ৰদায়িক সংঘৰ্ষ,—হিন্দু আৰু মুছলমানৰ মাজত। কিন্তু কিয়? ভাৰতৰ আন আন দুই এখন ঠাইতো এনে সংঘৰ্ষ হৈছিল বুলি আনোৱাৰে শুনিছিল। কিন্তু বহুত দূৰত ঘটা এইবোৰ সংঘৰ্ষৰ স্বৰূপ সি ঘনিষ্ঠভাৱে উপলব্ধি কৰিব পৰা নাছিল। দিল্লীতো এনে কাণ্ড ঘটিব পাৰে বুলি সি সপোনতো ভবা নাছিল। অকণমান আগতেও ইয়াত মুছলমান আৰু হিন্দুৱে নিশ্চিন্ত-ভাৱে নিজ নিজ কাম কৰি ফুৰা নাছিলনে? নে কোনোবাই হঠাৎ বুকুত ছুৰি বহুৱাই দিব পাৰে বুলি পেটে পেটে ভয় কৰিয়ে আছিল? তেনেহলে এতিয়া এয়া কি হ'ল? সি এটা মুছলমান লৰা আৰু গোপাল এটা হিন্দু লৰা নহয় নে? কিন্তু তাৰতো গোপালক মাৰি পেলাবৰ মন যোৱা নাই! আৰু সি ভালকৈ জানে গোপালৰ মনতো তাৰ জীৱনৰ প্ৰতি কোনো আক্ৰোশেই নাই। তেন্তে এইখন দেশৰ আন অলেখ গোপাল অনেক আনোৱাৰেও কিয় এনেদৰে বন্ধু হৈ থাকিব নোৱাৰে? কিয় নোৱাৰে?

সিহঁতৰ পিচফালে ওপৰৰপৰা কোনোবা চিৰিয়েদি নামি অহা শব্দ হ'ল। এটা লেম্পৰ ক্ষীণ পোহৰ আহি সিহঁতৰ গাত পৰিলহি। সিহঁতৰ মনৰ এই অৱস্থাত লৰাহালে ভয়ত প্ৰায় চিঞঁৰি উঠিল।

"কোন তোমালোক? ইয়াত কি কৰিছা?"

মাতটো এগৰাকী মাইকী মানুহৰ। আনোৱাৰহঁতে মনত কিঞ্চিত বল পালে।

"আমি....আমি".... কি কব কি নকৰ খোতামোজা লগাই আনোৱাৰে শেষত ক'লে "চাওঁক, বাহিৰত হিন্দু-মুছলমানৰ সংঘৰ্ষ লাগিছে। অনেক মানুহ হত্যা কৰা হৈছে। সেইবাবে....কোনোবা এজন দয়ালু মানুহে আমাক ইয়ালৈ লৈ আনি মাৰপিট বন্ধ নহয় মানে লুকাই থাকিবলৈ ক'লে।"

গোপালে এতিয়া যথেষ্ট পৰিমাণে স্থিৰতা ঘূৰাই পাইছে। ভয় কমিল। এইবাৰ সি মাত লগালে। "বাইদেউ," মানুহজনীৰ চেহেৰা সিহঁতে এতিয়াও দেখা নাই যদিও গোপালে বাইদেউ বুলিয়ে সম্বোধন কৰিলে— "আমাক অলপ সময়ৰ কাৰণে ভিতৰ সোমাই বহিবলৈ দিবনে? চিৰিত বৈ বৈ আমাৰ ভৰি জঠৰ হৈ পৰিছে।"

"বেছ্—আহা বাৰু। কিন্তু তোমালোক নিচেই সৰু লৰা।" মানুহজনীয়ে 'সৰু লৰা' শব্দটো এনেদৰে উচ্চাৰণ কৰিলে যেন তাৰ মাজেদি তেওঁৰ মনৰ ঘৃণা আৰু হতাশাৰ ভাবহে প্ৰকাশ হৈ পৰিছে। সুৰটো আনোৱাৰৰ কাণত বাজিল; কিন্তু তাৰ তাৎপৰ্য্য কি হব পাৰে সি ধৰিব নোৱাৰিলে। তাৰ মনৰ ভাব ধৰিব পাৰিয়ে হয়তো গোপালে ফুচফুচাই কৈ উঠিল, "আমি বৰ ভাগ্যৱান, দোস্ত! এইটো এজনী বেশ্যাৰ ঘৰ।"

বেশ্যা? বহুতদিনৰ আগতে এইখন বজাৰৰ মাজেদি যাওঁতে ছুঁৱা-ময়াকৈ দেখা সেই "বেলেগ মাইকী মানুহ"বোৰৰ এজনী। কিন্তু, তাৰ আব্বাজানৰ মতেতো, ভাল মানুহে সিহঁতৰ কুখ্যাত ঘৰলৈ যোৱা দূৰৰ কথা সিহঁতৰ ফালে মুৰ তুলি চোৱাও উচিত নহয়। স্বাভাৱিক ভাৱেই, চিৰিৰ ওপৰ পাই আৰু আগ বাঢ়িবলৈ তাৰ দ্বিধা ওপজিল। কিন্তু গোপালে প্ৰায় টানি নিয়াদি নি তাক এটা পোহৰেৰে জলমলাই থকা কোঠাত সুমুৱা-লেগৈ। আঁকৰা-আঁকৰা চকুৰে সি ইফালে-সিফালে চাব ধৰিলে। অনেক মানুহৰ অট্টহাঁহিত ঘৰটো হঠাৎ কঁপি উঠিল।

আচৰিত ধৰণৰ আচবাবেৰে কোঠাটো সজোৱা। মজিয়াত এখন বগা কাপোৰ পৰা আছে। মানুহৰ খোজত ঠায়ে ঠায়ে কোঁচ খাই সোতোৰ-মোতোৰ হৈছে। দুই এঠাইত পিক্‌ৰ দাগো লাগিছে। বেৰত কেইবাখনো ডাঙৰ ডাঙৰ আয়না আৰু অৰ্দ্ধনগ্ন মাইকী মানুহৰ বেলেগ বেলেগ ভঙ্গীত অঁকা ৰঙীন ছবি আঁৰা আছে। ছবিবোৰ এনে অশ্লীল যে আনোৱাৰৰ কাণমূৰ ৰঙা হৈ উঠিল। কোঠাটোৰ সিফালে ভিতৰলৈ যাব পৰা এখন দুৱাৰ। ডাঠ পৰ্দ্দা লগোৱা। এবাৰ এটা চাকৰ ওলাই আহোঁতে পৰ্দাখন দাং খোৱাত আনোৱাৰে ফাঁকেদি দেখিলে তাত এখন প্ৰকাণ্ড চাৰি খুটাৰ বিছনা আছে।

কোঠাটোত বৰ বেছি মানুহ নাছিল। আনোৱাৰহঁতক বাহিৰৰ চিৰিৰ পৰা ভিতৰলৈ অনা মানুহজনীৰ বয়স দুকুৰি পাঁচ বছৰমান হব। স্থূলাঙ্গী মানুহজনীৰ গাত মঙহ ধৰিবলৈ ঠাই নাই আৰু। মাজ-মজিয়াত বহি এটা পাণ-দানৰ পৰা সামগ্ৰী লৈ থুৰিয়া-তামোল সজোৱাত লাগি গৈছে তাই। একাষে দুজনী ছোৱালী বহি আছে। একজনীৰ বয়স কুৰি বছৰমান হব। আনজনী অলপ সৰু হলেও ডাঙৰ নহয়। সিহঁতে শ্বেলৱাৰ আৰু গাত আঁট খাই ধৰা কামিজ পিন্ধিছে। ইমান আঁট খোৱা যে লাজ-লগা ধৰণে দেহাৰ প্ৰত্যেকটো ভাঁজ প্ৰকট হৈ উঠিছে। দুয়োজনী ছোৱালীৰে গাৰ ৰং মটীয়া; কিন্তু পাউডাৰ আৰু 'ৰুজ'ৰ প্ৰকোপত সিহঁতৰ গালবোৰ আওঠাৰ দৰে ৰঙা হৈ আছে। সিহঁত এনেদৰে বহি আছে যেন গাত একো সাৰেই নাই। শান্ত-শিষ্ট বেচাৰীহঁত। কিন্তু সেয়া কৃত্ৰিম। মাজে মাজে সিহঁতে সদ্যাগত নৱাহালৰ প্ৰতি যি দৃষ্টি নিক্ষেপ কৰিছে সেয়া স্পষ্টভাৱেই নিৰ্লজ্জ আৰু নৱাহালৰ মন মতলীয়া কৰিবলৈ জুখি মাখি নিক্ষেপ কৰা দৃষ্টি। সিহঁতক দেখি কিয় জানো আনোৱাৰৰ বহুত দিনৰ আগতে এখন চাৰ্কাচত দেখা তন্বী-দেহৰ দুজনী নাহৰফুটুকী বাঘিনীলৈ মনত পৰি গ'ল। ছোৱালী দুজনীৰ শৰীৰ দুটা ঠিক তেনেকুৱা,—যেন চিকাৰৰ ওপৰত জঁপিয়াই পৰিবলৈ সাজু হৈ আছে। সিহঁতৰ চকুৱে-চকুৱে পৰাৰ ভয়ত আনোৱাৰে ছোৱালী দুজনীলৈ চাব পৰা নাছিল। ছোৱালী দুজনীৰ দৃষ্টিয়ে তাৰ শৰীৰ আৰু মনত অদ্ভুত ধৰণে এক অচিনাকি শিৰ্হৰণ জগাই তুলিছিল। একে সময়তে পুলক জগোৱা আৰু বিকৰ্ষণ কৰা এক আশ্চৰ্য্য অনুভূতি। অলপ দূৰত আওহতীয়াকৈ দুজনমান সঙ্গীত-শিল্পী বহি অনুচ্চ কণ্ঠে বাহিৰৰ সংঘৰ্ষৰ কথা আলোচনা কৰি ঘৰলৈ কেনেকৈ যাব পৰা হব চিন্তা কৰিছে।

আনোৱাৰে লক্ষ্য কৰিলে গোপালে অকণো অস্বস্তি অনুভৱ কৰা নাই।

সিহে পানীৰপৰা ওলাই পৰা মাছৰ দৰে ছুটফটাই আছে। বৰং ঠিকাদাৰ-পুত্ৰ এই আচহুৱা পৰিবেশত নিতান্ত সহজভাৱেই আছে। ফৰফৰাই সকলোৰে লগত কথা পাতিব পৰাত গোলাপৰ লগত কোনেও ফেৰ পাতিব নোৱাৰে। এতিয়া সি ইয়াতো তাৰ বাক-শক্তি প্ৰয়োগ কৰিব ধৰিলে। সি কাৰ লৰা, সিহঁতৰ ধন-সম্পত্তি কিমান এইবোৰ কথা কৈ বেশ্যালয়ৰ গৰাকিনীক হাতলৈ আনিবলৈ গোপালে কৰা চেষ্টা দেখি আনোৱাৰ অবাক হৈ গ'ল। কথাৰ ফাঁকে ফাঁকে সিফালে বহি থকা ছোৱালী দুজনীলৈকো সি অৰ্থব্যঞ্জকভাবে চকু মাৰিছে আৰু ছোৱালী দুজনীবো যেন তাৰ মুখত মটৰ-গাড়ী, বঙলা-ঘৰ, চিল্কৰ-শাৰী, গহনা পাতি ইত্যাদিৰ কথা শুনি শুনি জিভাৰ পানী পৰাৰ উপক্ৰম হৈছে। খিলি-পাণ তৈয়াৰ কৰা হ'লত বয়সীয়া মানুহজনীয়ে কেইখনমান এটা ৰূপৰ বটাত সজাই ছোৱালী দুজনীৰ ভিতৰৰ বেছি সৰুজনীৰ হাতত দিলে। লীলায়িত ভঙ্গীমাৰে নিতম্বদেশ নচুৱাই আহি সসন্মানে মূৰ দোঁৱাই প্ৰথমতে তাই গোপাললৈ বটাটো আগবঢ়াই দিলে।

গোপাল অদ্ভুত। ছোৱালীজনীৰ চকুৱে চকুৱে চাই সি অকণো নকঁপাকৈ মাত লগালে, "মই যদি পাণ খাব লাগে, তেনেহলে তুমি নিজ হাতেৰে মোক খুৱাই দিব লাগিব।"

ছোৱালীজনীয়ে খিল-খিলাই হাঁহি উঠিল আৰু এখন খুৰিয়া তামোল লৈ গোপালৰ মেলা মুখত সুমুৱাই দিলে। আৰু লগে লগে এটা শব্দ হ'ল—'চটপ্।' গোপালে সশব্দে তাইৰ আঙুলিৰ আগত এটা চুমা খালে। আনোৱাৰে ভাবিছিল এনে কাম কৰা বাবে হয়তো ছোৱালীজনীয়ে এতিয়াই গোলাপৰ গালত ঠাঁচ কৰে এটা চৰ বহুৱাই দিব। কিন্তু সেয়া দূৰৰ কথা। অতি সাধাৰণ আৰু নিৰ্দ্দোষ এটা ধেমালিৰ দৰে লৈ আনোৱাৰৰ বাহিৰে সকলোৱেই গিৰ্জ্জনী মাৰি হাঁহি উঠিল। ছোৱালীজনীৰ আঁচলত এহাতেৰে ধৰি ৰাখি গোপালে জেপৰপৰা এখন পাঁচটকীয়া নোট উলিয়াই তাইৰ হাতত দিলে। নোটখন দিওঁতে আকৌ তাইৰ হাতৰ তলুৱাত কিবা অকণমান আদৰৰ চিন দিবলৈ পাহৰা লোক গোপালতো নহয়েই।

এইবাৰ আহিল আনোৱাৰৰ পাল। ছোৱালীজনী তাৰ ফালে অহাৰ লগে লগে এটা চোকা চেণ্টৰ গোন্ধত তাৰ নাক জনজনাই গ'ল। সি পাণ নেখায় বুলি কবলৈ নেপালেই—অস্বস্তিত মেল খাই থকা তাৰ মুখৰ পিনে ছোৱালীজনীৰ হাত এখন আগবাঢ়ি আহিলেই।

"বন্ধু, তুমি একেবাৰে বেঙা," গোপালে তাক কাণে কাণে ঠাট্টা কৰি ক'লে, "এনেকুৱা সোণালী সুযোগ সতকাই আৰু ক'ত পাবা।" আৰু

আনোৱাৰে মনে মনে প্ৰাৰ্থনা কৰিলে এই মুহূৰ্ত্তত যেন বসুমতী ফাট মেলি তাক গিলি থয়।

আনোৱাৰৰ মুখত তামোলখন গুজি দি ছোৱালীজনী বৈ থাকিল তাৰ সমুখত বটাটো দাঙি ধৰি। জীৱনৰ প্ৰথমখন তামোল অনভ্যস্তভাবে চোবাবলৈ যত্ন কৰি আনোৱাৰে উপলব্ধি কৰিলে সি বটাটোত কিবা এটা দিব বুলি ছোৱালীজনীয়ে বাট চাইছে। সি জেপত হাত সুমুৱাই যি পালে গোটেইখিনি উলিয়াই আনিলে,—এটা আঠলি, এটা সিকি, এটা অনীয়া আৰু চাৰিটা তামৰ পইচা। তাৰ কম্পিত হাতৰপৰা সশব্দে যেতিয়া বটাটোত পইচাখিনি পৰিল উপস্থিত সকলোৱে ঢেক্‌ঢেককৈ হাঁহি আকৌ এবাৰ কোঠাটো কঁপাই তুলিলে। আৰু এই সুযোগতে গোপালে ছোৱালী-জনী টানি নি নিজৰ ওচৰত বহুৱাই অভ্যস্তৰ দৰে তাইৰ গাল দুখন জোৰে জোৰে টিপিবলৈ ধৰিলে।

জীৱনত আনোৱাৰে কেতিয়াও তামোল খোৱা নাই। চোবোৱাৰ লগে লগে তাৰ মুখখন পিকেৰে ভৰি উঠিল। এতিয়া এইখিনি পেলাই দিব লাগে নে গিলি থব লাগে ভাবি উলিয়াব নোৱাৰি সি অস্থিৰ হৈ পৰিল। ইফালে তাৰ স্পৰ্শকাতৰ ডিঙি তামোলে সোপা মাৰি ধৰিছে। বোধহয় মানুহজনীয়ে তামোলৰ লগত অলপ ধপাতৰ গুড়ি বা তেনে কিবা বস্তুও মিহলাই দিছিল। তাৰ মূৰটো।আচন্দ্ৰাই কৰি অনা যেন লাগিল। বেৰৰ উলঙ্গ ছবিবোৰ, সঙ্গীত শিল্পীকেইজন, পাণদান লৈ বহি থকা মানুহ-জনী, তাক খাওঁ খাওঁ কৈ জোপ লৈ বহি থকা নাহৰফুটুকী বাঘ—ছোৱালী দুজনী, হাঁহোতে তামোলেৰে ৰঙা হোৱা দাঁত নিকটোৱা গোপাল,—আৰু আন মানুহবোৰ, কোঠাটোৰ সকলো বস্তু, সকলো যেন, কঁপিছে; ঘূৰিছে; ঘূৰিছে।

সি নিজেই নেজানে কেনেকৈ, কেতিয়া সি নিজৰ জোতাজোৰ বিচাৰি পিন্ধি দৌৰ মাৰি বাহিৰ ওলাল। যেন এটা বিৰাট দৈত্যইহে তাক খেদি আনিছে এনে ভাৱেৰে মৰো-জীও কৰি সি চিৰিয়েদি দৌৰি নামি আহিল। নাই, নাই, নাই। আৰু এক মুহূৰ্ত্ত এইটো ঘৰত থকাতকৈ ব্যাটৰ সংঘৰ্ষমত্ত ৰক্তপিপাসু দলৰ হাতত সি প্ৰাণ বিসৰ্জ্জন দিব। সেয়ে ভাল! সেয়ে ভাল।।

কেইবাদিনৰো পিচত সাম্প্ৰদায়িক সংঘৰ্ষই শাম কাটিলে। তেতিয়া বুজা গ'ল এজন অসৎ চৰিত্ৰৰ মুছলমান আৰু অনুৰূপ চৰিত্ৰৰ এজন হিন্দু মানুহৰ অতি সামান্য ব্যক্তিগত এখন খৰিয়ালৰ পৰাই এনে এটা কাণ্ড হবলৈ পালে। বৌটোকে চৌটো কৰি দুয়ো সম্প্ৰদায়ৰ কিছুমান গোড়া মানুহে ভয়ঙ্কৰ কিছুমান উৰা বাতৰি উলিয়াই দিয়াৰ ফলতে এনে কুৎসিত এটা কাণ্ড ঘটি গ'ল। আনোৱাৰে তাৰ ছোৰি বজাৰৰ অভিজ্ঞতাৰ কথা আব্বাজানৰপৰা সযতনে লুকুৱাই ৰাখিলে। সি জানে, ইচ্ছা কৰি নহয় অৱস্থাই বাধ্য কৰাতহে তেনে এডোখৰ অবাঞ্ছিত ঠাইলৈ সি যাব লগা হৈছিল। কিন্তু তাৰ ভয় লাগিল, হয়তো এই বৃদ্ধ মানুহ গৰাকীয়ে সেই দৃষ্টিকোণৰপৰা নেচাই তাৰ চৰিত্ৰ সম্পৰ্কেই সন্দিহান হৈ উঠিব। মনত কষ্ট পাব।

সংঘৰ্ষই শান্তৰূপ ধাৰণ কৰিলে সঁচা, কিন্তু ই যি তিক্ততাৰ সৃষ্টি কৰিলে মানুহৰ মনত, তাৰ পৰিসমাপ্তি হ'লে নঘটিল। দুয়োটা সম্প্ৰদায়েই পৰস্পৰক নানান ধৰণে দোষাৰোপ কৰিবলৈ ধৰিলে। আব্বাজানৰ 'বৈঠক'ত আনোৱাৰে আনকি এনে মাৰাত্মক কথাও শুনিবলৈ পালে,—সমগ্ৰ ভাৰতৰ হিন্দুসকলে হেনো একেমুঠ হৈ মুছলমানসকলৰ ওপৰত অকথনীয় অত্যাচাৰ কৰিবলৈ প্ৰস্তুতি চলাইছে। চৌধুৰী মোহাম্মদ আলিৰ দৰে আকবৰ আলিয়ে কথা কওঁতে কঢ় বা নিন্দামূলক শব্দ কেতিয়াও ব্যৱহাৰ নকৰে। তথাপিও আনোৱাৰে অনুভৱ কৰিব পাৰিছিল তাৰ আব্বাজানৰ অন্তৰ তেওঁৰ হিন্দু বন্ধুসকলৰ প্ৰতি দিন দিন কঠোৰ বিৰূপ হৈ আহিছে। ফলত আজিকালি কাকা ৰামেশ্বৰ দয়াল প্ৰায় নহাই হ'লগৈ। আহিলেও আব্বাজানে যেন টানত পৰিহে ভদ্ৰতা ৰাখি দুষাৰ-চাৰিষাৰ কথা পাতে।

আনোৱাৰ বৰ চৌঠেঙ্গীয়াত পৰিল। এনেকুৱা আচৰিত জটিল সমস্যাৰ কেনেকৈ সমাধান কৰা উচিত সি নেজানে। আব্বাজান আৰু চৌধুৰী মোহাম্মদ ওমৰৰ কথা-বতৰাৰ পৰা সংঘৰ্ষৰ সময়ত হিন্দুসকলে মুছলমানসকলক এনেভাৱে অত্যাচাৰ কৰা কথা শুনিছিল যে তাৰ গাৰ নোম ডাল ডাল হৈ গৈছিল। হিন্দু মাত্ৰকেই ঘিণ কৰিবলৈ তাৰ মন গৈছিল। কিন্তু যেতিয়া কাকা ৰামেশ্বৰ বা গোপাল বা সিহঁতক স্কুলত ভূগোল পঢ়োৱা শান্ত অমায়িক শিক্ষক গৰাকীক সি লগ পাইছিল বা তেওঁলোকৰ লগত কথা পাতিছিল তেতিয়া এজন এজন মানুহ হিচাপে কোনোজনকেই ঘৃণা কৰা তাৰ বাবে অসম্ভৱ প্ৰতিপন্ন হৈছিল। আচলতে তেতিয়া এইবোৰ কথা তাৰ মনলৈকে নাহিছিল। যেতিয়াই এওঁলোকৰ কোনোবা এজনক আনোৱাৰে লগ পাই কথা পাতে তেতিয়া তাৰ মনলৈকে

নাহে যে সি এজন হিন্দু মানুহৰ লগত কথা পাতি আছে। আগৰ দৰে সন্মান দেখুৱাই অন্তৰঙ্গতাৰে কথা-বতৰা পাতে। হঁাহে। পিচতহে তাৰ এইবোৰ মনলৈ আহে। তেতিয়া তাৰ চৌধুৰী মোহাম্মদ ওমৰ বা তেওঁৰ পুতেক খোলা-খুলিভাৱে হিন্দুক নিন্দা কৰা চকিৰ দৰে 'পক্কা' মুছলমান হ'ব নোৱাৰি এনেকৈ দুৰ্ব্বলতা প্ৰকাশ কৰা বাবে নিজৰ ওপৰতে খং উঠে। লাজ লাগে। পাঞ্জাবী ব্যৱসায়ী ওমৰ আছিল "মুছলমানে মুছলমানৰ পৰাহে বস্তু কিনিব পাৰিব"—এই আন্দোলনৰ প্ৰধান গুৰিয়াল। মুছলমানৰ মাজত ব্যৱসায় বস্তুটো জনপ্ৰিয় কৰাই তেওঁলোকে এই আন্দোলনৰ মুখ্য উদ্দেশ্য বুলি কৈছিল। এনেকৈ, এতিয়ালৈকে মুছলমান-সকলে ব্যৱসায়ক তেওঁলোকৰ সন্মানৰ পৰিপন্থি বুলিয়েই গণ্য কৰিছিল। আৰু ইয়াৰ ফলত যদি মোহাম্মদ ওমৰ আৰু আকবৰ আলিৰ যৌথ বাচন-বৰ্ত্তনৰ দোকানলৈ অলপ গ্ৰাহক বেছিকৈ আহিছিলো তাক তেওঁলোকে মুছলমানৰ মাজত থকা ভাতৃত্বৰ বান্ধোনৰ জ্বলন্ত প্ৰমাণ বুলিয়ে গ্ৰহণ কৰি আল্লাক ধন্যবাদ জনাই প্ৰশংসা কৰিছিল।

চেপ্তেম্বৰ মাহত স্কুলবোৰ বন্ধ দিয়া হ'ল। এইটোৱেই আনোৱাৰৰ স্কুলৰ শেষৰ বছৰ। মাৰ্চ্চ মাহত সি প্ৰৱেশিকা পৰীক্ষাত বহাৰ কথা। তথাপি আনোৱাৰৰ পঢ়া-শুনাত বিশেষ মনোযোগ দেখা নগ'ল। সি বৰং এতিয়াও বৈঠকত একাষৰীয়া হৈ নীৰৱে বহি থাকি কথা-বতৰা শুনি থাকিবলৈকে ভাল পায়। কথা-বতৰা বুলিবলৈয়ো তেতিয়া মুখে মুখে এটা সমস্যাৰে কথা। সাম্প্ৰদায়িক বিৰোধৰ কথা। আনোৱাৰৰ মনটো স্বভাৱতে স্পৰ্শকাতৰ। সংঘৰ্ষৰ মৰ্ম্মান্তিক বৰ্ণনা শুনিলে তাৰ অন্তৰাত্মালৈকে ক'লা পৰি যায়। অথচ সংঘৰ্ষৰ যেন শেষ নাই। প্ৰত্যেক দিনেই লাগিবই লাগিছে। আৰু আনোৱাৰো, মনত ইমান কষ্ট পোৱা স্বত্বেও, যিমানে শুনে সিমানে তাক এই বীভৎস কাণ্ডবাজিয়ে অবাক কৰি তোলে, যিমানে ইখনৰ পিচত সিখন মহানগৰত এই হত্যা আৰু ধ্বংসলীলা হোৱাৰ কথা আনোৱাৰে শুনিবলৈ ধৰিলে সিমানে তাৰ বাবে কোনে কাক হত্যা কৰিছে এই কথাৰ মূল্য কমি আহিল। কালিলৈকে যি বন্ধুৰ দৰে এক মাতৃৰ পেটৰ ভাইৰ দৰে আছিল আজিয়ে সিহঁতে পৰস্পৰক হত্যা কৰাত মতলীয়া কিয় হৈ উঠিল এই প্ৰশ্নইহে তাৰ মনত আটাইতকৈ বেছি দাগ বহুৱাব ধৰিলে। এইখন দেশৰ মানুহবোৰৰ কি যুক্তি-বিচাৰ সকলো শেষ হৈ গ'ল? কিমান জঘন্য এই সংঘৰ্ষ আনোৱাৰে কল্পনাই কৰিব নোৱাৰে। কি সাংঘাতিক :—সি জানো কেতিয়াবা গৈ কাকা ৰামেশ্বৰৰ বুকুত চুৰি বহুৱাই দিব পাৰিব? নে গোপালেই কেতিয়াবা আহি এইখন ঘৰত জুই লগাই

লগাই দিব পাৰিব ? কি জঘন্য ! হাতুৰিৰে কোবোৱাৰ দৰে তাৰ কাণত যেন অবিৰাম কোনোবাই কৈ থাকে, "এই জঘন্য কাণ্ড বন্ধ কৰিবলৈ কিবা এটা কৰিবই লাগিব ! কিবা কৰিবই লাগিব ! কৰিবই লাগিব !" কিন্তু সি ; পোন্ধৰো বছৰো বয়স নোহোৱা এটা ল'ৰাই, দেশৰ মহা মহা নেতাসকলে যি কাম কৰাত বিফল হৈছে, সেই কাম কেনেকৈ কৰিব ?

তথাপিও আনোৱাৰে মনস্থিৰ কৰিলে। এদিন চৌধুৰী মোহাম্মদ ওমৰে তেওঁৰ চিৰাচৰিত ঘৃণা-ব্যঞ্জক সুৰেৰে ক'লে যে গান্ধী (তেওঁ সদায়েই ইচ্ছা কৰিয়েই মহাত্মা শব্দটো ব্যৱহাৰ নকৰে) আহি মহানগৰী পাইছেহি। কথাষাৰ শুনি আকবৰ আলিয়ে যি মন্তব্য কৰিলে তাতো ব্যঙ্গৰ সুৰ প্ৰকট হৈ উঠিল, "আগে হোৱা হ'লে হয়তো এওঁ দেশক এই দুৰৱস্থাৰপৰা ৰক্ষা কৰিব পাৰিলেহেঁতেন।" তৎক্ষণাত আনোৱাৰৰ মনত এটা কথা বিজুলীৰ দৰে খেলাই গ'ল। "মই নিজে গৈ মহাত্মা গান্ধীক লগ ধৰিব লাগিব। তেখেতে নিশ্চয় কিবা এটা কৰিব পাৰিব। আৰু তেখেতে কিবা এটা কৰিবই লাগিব। সপোনত তেখেতেই জানো মোক ড্ৰেগনৰ মুখৰপৰা ৰক্ষা কৰা নাছিল ? তেখেতেই জানো ভাৰতবাসীক অহিংসাৰ শিক্ষা দি ইংৰাজসকলক হত্যা নকৰিবলৈ কোৱা নাছিল ? তেতিয়া সকলোৱে তেখেতৰ কথা পালন কৰিছিল। এতিয়াও যদি তেখেতে দেশবাসীক পৰস্পৰক হত্যা কৰিবলৈ বাৰণ কৰে তেওঁলোকে সেই কথা মানিবলৈ বাধ্য।" কথাষাৰে তাৰ মনত এনেভাৱে তোলপাৰ লগাই উঠিল, তাৰ বুকুখন উত্তেজনাত ইমান চপ্‌চপাব ধৰিলে যে এক মুহূৰ্ত্তও আৰু কোঠাটোত নাথাকি নীৰৱে সি ওলাই গুচি আহিল। তাৰ ভয় লাগিছিল জানোচা আব্বাজানে তাৰ মনৰ গোপন সংকল্পৰ কথা ধৰিব পাৰি তাক যাবলৈ মানা কৰি দিয়ে।

দৰিয়াগঞ্জৰ ওচৰৰে কুচাচিলন ৰাজপথৰ মৌলানা মোহাম্মদ আলিৰ ঘৰতে আহি মহাত্মা গান্ধী উঠিছিলহি। অকোঁৱা-পকোঁৱা ঠেক ঠেক বাটেৰে ঘূৰি পকি গৈ থাকোঁতে আনোৱাৰে ভাবিছিল, এইটো নিশ্চয়

এটা মঙ্গলৰ চিন। কাৰণ সি জানে মহাত্মা আৰু মৌলানা দুয়ো দুয়োৰে অন্তৰঙ্গ বন্ধু। আৰু জেলৰপৰা মুক্ত হোৱাৰ পিচত মৌলানা কংগ্ৰেছৰ সভাপতি নিৰ্ব্বাচিত হৈছে। এজন হিন্দু, আনজন মুছলমান, দুজন এনে মহৎ লোকৰ যোগাযোগৰ ফল আন যিয়েই নহওক সুখপ্ৰদ নহৈ নোৱাৰে।

মোহাম্মদ আলিৰ ঘৰটোৱেই আছিল তেওঁৰ কতৃত্বাধীনৰ দুখন বাতৰি-কাকতৰো কাৰ্য্যালয়। কাকত দুখনৰ এখন উৰ্দ্দু;—নাম 'হামদৰ্দ'; আনখন ইংৰাজী,—নাম 'কমৰেড'। আনোৱাৰে আহি যেতিয়া ভয়ে ভয়ে দুৱাৰত টুকৰিয়ায় তেতিয়া মোহাম্মদ আলিয়ে সম্পাদকীয় লিখি আছিল। সদায় পিন্ধি থকা প্ৰকাণ্ড আৰবী পোছাকযোৰেৰে মানুহজনকো অতি প্ৰকাণ্ড যেন দেখা গৈছিল।

"কৌন হেই?" (সেয়া কোন?) পুৰুষব্যঞ্জক গৰ্‌গৰীয়া মাতেৰে তেওঁ সুধিলে। লিখা কিন্তু বন্ধ নহ'ল।

নিজকে কি বুলি পৰিচয় দিব ভাবি আনোৱাৰ মহা বিপাঙত পৰিল। খোতামোজা লগাই সি উত্তৰ দিলে, "মই.. মই... মানে....মোক ক্ষমা কৰিব ....মই আহিছিলো........"

লিখকৰ লিখা বন্ধ হ'ল। সুন্দৰ দড়িয়া মুখখন তুলি তেওঁ চালে—এনেকৈ কামত ব্যাঘাত জন্মোৱা ভদ্ৰলোকনো কোন। তেওঁ দেখিলে দুৱাৰমুখত চটফটাই আছে সঙ্কোচত পেপুৱা লগা এটা কম বয়সীয়া স্কুলীয়া ল'ৰা। সুন্দৰ এটা স্নেহ-বিগলিত হাঁহিত তেওঁৰ মুখখন উজ্জ্বল হৈ উঠিল। "আহাঁ—আহাঁ—ভিতৰ 'সোমাই আহাঁ—ডেকা ল'ৰা!"

আনোৱাৰ সোমাই আহিল। তাৰ সকলো ভয় নিমিষতে শেষ হৈ গ'ল। সি ক'বলৈ ধৰিলে, "আপোনাক মই বহুত দিনৰ আগতে এবাৰ ডাক্তৰ আনচাৰীৰ ঘৰত দেখিছিলো। মই মোৰ আব্বাজানৰ লগত গৈছিলো...."

কিন্তু তাৰ কথা শেষ হবলৈ নিদি তেওঁ কৈ উঠিল,—"তাৰ মানে তোমাৰ আব্বাজান আনচাৰিৰ বন্ধু, হয়নে? বহা, বহা—বাচা। পিচে কোৱা-চোন ইয়ালৈ কিয় আহিলা?"

"মই মহাত্মা গান্ধীক লগ পাবলৈ আহিছো।" ঘপহকৈ সি কৈ উঠিল। অৱশেষত ইমান সহজে সি অহাৰ কাৰণটো কৈ দিবলৈ পাই আনোৱাৰৰ কান্ধৰপৰা এটা ডাঙৰ বোজা নামি যোৱা যেন লাগিল।

"আচ্ছা। সেইটোৱেই তেনে তোমাৰ উদ্দেশ্য? পোনে পোনে ওপৰলৈ উঠি যোৱা বাচা। কাৰো লগত দেখা-সাক্ষাত কৰাৰ ইচ্ছা আজি মহাত্মাৰ নাই। নিৰলে থাকিব খুজিছে। তথাপি তুমি যোৱা। তোমা-লোকৰ দৰে কম বয়সীয়া ল'ৰা লগ পালে তেখেতে বৰ ভাল পায়।"

"ধন্যবাদ, মৌলানা চাহেব, 'আদব আর্জ'।" সম্মান দেখুৱাই আনোৱাৰ পিচ হুহঁকি কোঠাৰপৰা ওলাব ধৰিলে।

"যোৱা বাচা, খোদাই তোমাক দীর্ঘায়ু কৰক" মৌলানাই ক'লে। আনোৱাৰে কোঠাৰপৰা সম্পূর্ণ বাহিৰ নৌ হওঁতেই তেওঁ আকৌ লিখাত মনোনিৱেশ কৰিলে।

ওপৰ তলালৈ উঠিয়েই আনোৱাৰে দেখিলে মহাত্মাই অকলে কার্পেট পৰা মজিয়াত হামাগুৰি মাৰি বহি চৰখাত সূতা কাটি আছে। তেখেত কিবা গভীৰ চিন্তাত ইমান নিমগ্ন হৈ আছিল যে আনোৱাৰ সোমাই অহা কথাও বহুত পৰলৈ কৰকে নোৱাৰিলে। আনোৱাৰেও এই ক্ষুদ্ৰকায় মহান ব্যক্তি গৰাকীক নিচেই ওচৰৰপৰা নিৰিক্ষণ কৰাৰ সুযোগ পালে। তেখেতৰ মূৰটো অলপ জোঙা-মূৱা, নিপোটলকৈ খুৰোৱা। নাকটো জোঙা, চকুহাল ডাঙৰ ওলাই ওলাই থকা। ডাঙৰ ঘূৰণীয়া চশমাৰ তলৰ তীক্ষ্ণ চকু দুটা চৰখাৰ চকাত নিবদ্ধ হৈ আছে। মানুহ গৰাকী এটা সৰু ল'ৰাতকৈও ক্ষীণ, ক্ষুদ্ৰকায়। তাৰ নিজৰ ক্ষুদ্ৰ আকৃতিৰ লগত তুলনা কৰি আনোৱাৰে জীৱনত প্ৰথমবাৰ শৰীৰৰ ফালৰপৰা আত্মপ্ৰসাদ লাভ কৰিলে।

চৰখাৰ চকাৰ কেৰ্‌কেৰ্‌ শব্দৰ বাহিৰে কোঠাটোত সম্পূর্ণ নিস্তব্ধতা বিৰাজ কৰিছে। ভয়ে-ভয়ে আনোৱাৰে সৰুকৈ কাঁহ এটা মাৰিলে। লগে লগে চৰখাৰ চকা ঘূৰা বন্ধ হৈ গ'ল। এযোৰ করুণ-করুণ চকু লাহে লাহে ওপৰলৈ দাং খালে। মহাত্মাই আনোৱাৰলৈ চালে। তাক দেখাৰ লগে লগে চকুৰ দৃষ্টিৰ করুণ-করুণ ভাৱটো নাইকিয়া হৈ গ'ল আৰু বৃদ্ধ মানুহ গৰাকীয়ে এটা মধুৰ মিচিকি হাঁহিৰে আনোৱাৰক আদৰণি জনালে। ঠিক এনেদৰেই বহুত দিনৰ আগতে ডাক্তৰ আনচাৰিৰ চোতালৰ ঘাঁহনিতো এবাৰ আনোৱাৰক তেখেতে সম্ভাষণ জনাইছিল।

"বৈঠো, বৈঠো", মহাত্মাই তাক সাদৰ দেখুৱাই বহিবলৈ ক'লে। আনোৱাৰ দিল্লীৰ ল'ৰা। সদায় মাৰ্জ্জিত হিন্দুস্থানী শুনি থকা অভ্যাস। তাৰ কাণত মহাত্মাৰ মুখৰ এই বাক্যাংশত স্পষ্ট গুজৰাটি শ্বাসাঘাত ধৰা পৰিল। হলেও সুৰটোতেই কোমলতা আৰু মৰম প্ৰকট হৈ ওলাইছিল। মুহূর্ত্ততে আনোৱাৰৰ আত্ম-সচেতনতা আৰু ভয়-ভয় ভাৱ বিদূৰিত হ'ল। জোতাযোৰ খুলি সি মজিয়াত ঘনিষ্ঠ হৈ বহি ল'লে। চৰখা আকৌ কেৰ্‌ কেৰ্‌ শব্দ কৰি ঘূৰাত লাগিল। সূতা কাটি—কাটিয়েই কথা পতাৰ অভ্যাস যে মহাত্মাৰ আছে তেখেতৰ গতি-বিধিৰ পৰাই বুজা গ'ল।

আনোৱাৰৰ গাত খদ্দৰৰ শ্বেৰৱাণী আৰু পায়জামা দেখি মহাত্মা গান্ধীয়ে

বিশেষ সন্তোষ পালে। তেখেতে বিশেষ ভূমিকা নকৰাকৈয়ে সকলো মানুহে হাতে-কটা আৰু হাতে-বোৱা কাপোৰ পিন্ধাৰ গুৰুত্বৰ বিষয়ে কবলৈ আৰম্ভ কৰি দিলে। এই এটা বিষয়ৰ ওপৰত আৱশ্যক হ'লে মহাত্মাই ঘণ্টাৰ পিচত ঘণ্টা কৈ থাকিব পাৰে। কিন্তু আনোৱাৰ আহিছে এইবোৰ কথা শুনিবলৈ নহয়, সাম্প্ৰদায়িক সংঘৰ্ষৰ বিষয়ে আলোচনা কৰিবলৈ। এতিয়া মাথোন কেনেকৈ সেইটো বিষয় উত্থাপন কৰা যায় সেই লৈহে সি সমস্যাত পৰিছে। খাদীৰ গুৰুত্বৰ কথা কাণ পাতি শুনি থাকোঁতে তাৰ মনটো সি ক'ব নোৱাৰাকৈ ভুৰুং কৰে নিজৰ অভ্যাস অনুযায়ী উৰা মাৰিলে। সংঘৰ্ষৰ বিষয়ে সি শুনা ভয়ঙ্কৰ—ভয়ঙ্কৰ কথাবোৰৰ কথা সি ভাবিবলৈ ধৰিলে ;—হিন্দু আৰু মুছলমানে পৰস্পৰে কেনেকৈ পৰস্পৰক হত্যা কৰিছে ; ঘৰ জ্বলাইছে ; প্ৰাৰ্থনা গৃহ অপবিত্ৰ কৰিছে। আপোন মনে লাহে লাহে কৈ থকা মহাত্মাৰ কথা আৰু চৰখাৰ কেৰ্‌কেৰ্‌ শব্দ তল পেলাই তাৰ কাণত যেন আকৌ এবাৰ বাজি উঠিল সেই ভয়ঙ্কৰ চিৎকাৰবোৰ,—"মাৰ! মাৰ!" "মৰিলো ঔ! মৰিলো ঔ!" তাৰ আত্মাৰ এই অসীম যন্ত্ৰণাৰ কথা মহাত্মাক সি কেনেকৈ জনাব? সি কেনেকৈ ক'ব যে, তাৰ আব্বাজান মুছলমান যাক সি প্ৰাণেৰে ভাল পায়। তাৰ এজন 'কাকা' আছে, যি হিন্দু। এই মানুহ দুজনক আপোন দদায়েকৰ দৰে ভাল পাবলৈ, সন্মান কৰিবলৈ সি সৰুৰেপৰা শিক্ষা পাই আহিছে। কিন্তু এতিয়া এই দুজন মানুহ, যি অলপ দিনৰ আগলৈকে আজীৱনৰ অন্তৰঙ্গ বন্ধু আছিল, তেওঁলোকৰ মাজৰ বন্ধুত্ব শেষ হৈ গৈছে। কেনেকৈ সি ক'ব গোপালৰ কথা ;—অনেক দোষ থকা স্বত্বেও যি গোপাল তাৰ মৰমৰ বন্ধু ; যাক সি হেৰুৱাব নোখোজে। আৰু ৰতন? এই শিখ ল'ৰাটোৰ সৈতে বন্ধুত্বৰ অৰ্থ তাৰ জীৱনৰ কাৰণে কিমান মূল্যবান সি মহাত্মাক কেনেকৈ বুজাব? আৰু এই সাম্প্ৰদায়িক কাজিয়াই এতিয়া সিহঁতৰ মাজৰ অপৰূপ সম্বন্ধসমূহক ধীৰে ধীৰে কেনেকৈ বিষাক্ত কৰি তুলিছে! যদি মাথোন এই সকলো কথা সি এবাৰ মহাত্মাক বুজাব পাৰিলেহেঁতেন। যদি মাথোন!........কিন্তু তাৰ ভাষা হেৰাই গ'ল! তাৰ কণ্ঠ অৱৰুদ্ধ হৈ পৰিল! তাৰ নিজকে অসহায় ভয়ানক দুৰ্ব্বল যেন বোধ হ'ল। আৰু সি ৰ'ব নোৱাৰি হুকু-হুককৈ কান্দি দিলে।

ঘূৰিবলৈ এৰি চৰখা আকৌ বৈ গ'ল। এটাও শব্দ নকৈ মহাত্মা ল'ৰাটোৰ ওচৰ চাপি আহিল। লাহেকৈ তাৰ মূৰৰপৰা ফেজ-টুপীটো খুলিলে আৰু আলফুলকৈ তাৰ চুলিত আঙুলি বুলাই দিব ধৰিলে।

তেখেতৰ স্পৰ্শত এনে এক আশ্চৰ্য্য কোমলতা আছিল যে আনোৱাৰৰ মনৰ অসহায় ভাব দুগুণে বাঢ়ি গ'ল আৰু সি হেকটিয়াই হেকটিয়াই উচুপিব ধৰিলে, "হে মহাত্মাজী" উচুপনিৰ মাজে মাজে সি ক'ব ধৰিলে, "অনুগ্ৰহ কৰি আপুনি কিবা এটা কৰক। এই হিন্দু-মুছলমানৰ সংঘৰ্ষ বন্ধ কৰক। মোৰে শপত। মহাত্মাজী, মোৰে শপত। মাত্ৰ আপুনিয়েই আমাক সকলোকে ৰক্ষা কৰিব পাৰে!"

কান্দি কান্দি সি অহাৰ কাৰণটো কৈ উঠাৰ পিচত আনোৱাৰৰ বুকুৰ বোজা ভালেখিনি পাতলি যোৱা যেন লাগিল। চকুৰ পানী মচি মূৰ তুলি চাই এইবাৰ সি দেখিলে মহাত্মাৰ মুখত এক অভিনৱ অভিব্যক্তি ফুটি উঠিছে। এই প্ৰথম সি বুজি পালে মানুহে তেওঁক কিয় মহাত্মা কয়। মহান আত্মা! তেখেতৰ মুখত যন্ত্ৰণা, মৰম আৰু দয়াৰ এনে এটা মিশ্ৰিত ভাব প্ৰকট হৈ উঠিছে যেন তেখেতে নিজেই প্ৰতি মানৱ আত্মাৰ অসীম যন্ত্ৰনা উপলব্ধি কৰিছে। কিন্তু সেইবুলি তাত হতাশা নাই। বৰং এক অসীম প্ৰশান্তি তথা স্নিগ্ধতা বিৰাজ কৰিছে। তেখেতৰ সৌম্য চকুহালিলৈ চাই চাই আনোৱাৰে অনুভৱ কৰিলে তাৰ প্ৰাণলৈ নতুন প্ৰেৰণা উভটি আহিছে। এই এগৰাকী মানুহ অন্ততঃ আছে যি কোনো ব্যাখ্যাৰ প্ৰয়োজন নোহোৱাকৈ তাৰ অন্তৰৰ কথা বুজিব পাৰে। অন্ততঃ এই এগৰাকী মানুহ এতিয়াও আছে যি তাৰ দৰে এটা দুৰ্ব্বল কান্দুৱা ল'ৰাক ব্যঙ্গ নকৰি বুজি পাই সহানুভূতিৰ হাঁহিৰে আদৰ জনায়। চকুৰ পানীৰে আনোৱাৰৰ গাল দুখন তিতি আছিল। কিন্তু মহাত্মাৰ মধুৰ হাঁহিৰ প্ৰত্যুত্তৰত সিও মিচিক কৰে হাঁহি নিদি থাকিব নোৱাৰিলে।

"ঠিক কথা, বাচা," মহাত্মাই কোমল মাতেৰে উত্তৰ দিলে, আনোৱাৰে দেখিলে মহাত্মাৰ দৃষ্টি কোনোবা সুদূৰ দিগন্তত নিবদ্ধ। তেখেতে কৈ গ'ল, "তুমি যেনেকৈ কান্দিছা, মোৰ অন্তৰেও কান্দিছে। ময়ো অনুভৱ কৰিছো তোমাৰ দৰেই। ভগৱানে যদি মোক সহায় কৰি প্ৰকৃত পথ দেখুৱাই নিয়ে, তেনেহলে মই মই কিবা এটা কৰিম। কৰিম বুলিয়ে আহিছোঁ।"

পিচদিনা পুৱা নীৰৱে বৈঠকত প্ৰৱেশ কৰি সদায় বহা চুকটোত আনোৱাৰ যেতিয়া বহেহি তেতিয়া হেকিম বেদিলে চিঞৰি-চিঞৰি খবৰ-কাগজ পঢ়ি আছিল। গান্ধীজীয়ে কাগজত দিয়া বিবৃতি শুনি উপস্থিত সকলোৱেই যেন বিশেষভাৱে উত্তেজিত হৈ পৰিছে। মহাত্মাই একৈশ দিন অনশন কৰিব বুলি সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰিছে। লগতে মহাত্মাই ইমান দিন একেলগে কাম কৰি অহা হিন্দু-মুছলমান সকলোকে তেওঁলোকৰ ঐক্যত ভাঙন ধৰিবলৈ নিদি মিলি-জুলি আগবাঢ়ি যাবলৈ আহ্বান জনাইছে। এই ঐক্যই সমগ্ৰ দেশক আন্দোলনৰ বহু প্ৰত্যাশিত শেষ ফল লাভ কৰাত সহায়তা কৰিব।

"তেখেতে কৰিলে! তেখেতে কৰিলে!" আনোৱাৰে মনতে ভাবিলে। এনে হ'ব পাৰেনে বাৰু? সি মহাত্মাক লগ ধৰাৰ লগত তেখেতৰ এই মহান সিদ্ধান্তৰ কিবা সম্বন্ধ থাকিব পাৰেনে বাৰু? বুৰঞ্জীৰ এই গতি নিৰ্ণয়ত তাৰো অকণমান হলেও অৱদান থাকিব পাৰেনে বাৰু?

এনেও হ'ব পাৰে নে বাৰু?

গোটেই কথাটোৱেই কিবা সাধাৰণ মগজুৰে চুকি নোপোৱা বিধৰ। নিতৌ তীব্ৰ উৎকণ্ঠাৰে আনোৱাৰে নিজে বাতৰি-কাকতখন পঢ়ে। গোটেই দেশ জুৰি হোৱা মহাত্মাৰ অনশনৰ প্ৰতিক্ৰিয়াৰ কথা পঢ়ি তাৰ অকণমান প্ৰাণটো আনন্দত উৰুলীকৃত হৈ পৰে। অনতিপলমে সাম্প্ৰদায়িক বিৰোধৰ কথা মানুহে পাহৰিয়ে পেলালে। ঐক্যৰ বাবে পূৰ্ণোদ্যমে প্ৰচাৰ কাৰ্য্য চলিল। মহাত্মাৰ দীৰ্ঘায়ুৰ বাবে দেশ জুৰি সভা, প্ৰস্তাৱ আৰু প্ৰাৰ্থনা হ'বলৈ ধৰিলে। এসপ্তাহৰ ভিতৰতে সকলো সম্প্ৰদায়ৰে নেতৃবৃন্দ আহি দিল্লী ভৰি পৰিল। বিৰাট একতা সভা বহিল। আকবৰ আলিলৈকো নিমন্ত্ৰণ আহিল। আনোৱাৰে তাকো লগত লৈ যাবলৈ আব্বাজানৰ গাত জোক লগাদি লাগিল। সি নেযাব কিয়? এইখন জানো তাৰেই সভা নহয়?........

....আনোৱাৰে দেখিলে এজন এজনকৈ নেতাসকল আহি বক্তৃতামঞ্চত আসন গ্ৰহণ কৰিছেহি। আকবৰ আলিয়ে আঙুলি টোৱাই টোৱাই তাক স্বনামধন্য লোকসকলক দেখুৱাই গ'ল। শুৰবৰাণী আৰু ভৰিত কাপ খাই ধৰা পায়জামা পিন্ধি আহিছে অতুলনীয় ৰূপবান মতিলাল নেহেৰু। তেখেতেই সভাত পৌৰোহিত্য কৰিব। ক'লা চশমা পিন্ধি আহিছে সেয়া চি-আৰ দাশ, বঙ্গদেশৰ এগৰাকী প্ৰখ্যাত নেতা। কবি সৰোজনী নাইডুও আহিছে। আনোৱাৰে জানে সৰোজনী নাইডুক "বুলবুল-এ-হিন্দ"—ভাৰতবৰ্ষৰ বুলবুল পখী বুলি কোৱা হয়। অকণো নোবোৱাকৈ ইটো-

সিটো কৰি টাকুৰি ঘূৰাদি ঘূৰি ফুৰা সুশ্ৰী ডেকা এজনক দেখুৱাই আকবৰ আলিয়ে ক'লে, সেয়া জৱাহৰলাল,—মতিলাল নেহৰুৰ পুত্ৰ। মঞ্চত পকাচুলিৰে সৈতে এগৰাকী বয়সস্থা ইংৰাজ মহিলাও বহি থকা দেখি আনোৱাৰ আচৰিত হৈ গ'ল। আকবৰ আলিয়ে চিনাই ক'লে বোলে তেখেত হৈছে শ্ৰীমতী বেচান্ত। ভাৰতৰ এগৰাকী পৰম বন্ধু। ভাৰতীয়ৰ স্বৰাজ আন্দোলনৰ তেখেত পূৰ্ণ সমৰ্থনকাৰী।

তাৰ পিচত বক্তৃতা আৰম্ভ হ'ল। সৰহ ভাগেই ইংৰাজীত দিয়া বক্তৃতা। আনোৱাৰে কাণ পাতি শুনি গ'ল। কিন্তু মৌলানা মোহাম্মদ আলিয়ে তেখেতৰ বক্তৃতা উৰ্দ্দুতে দিলে। যি আৱেগভৰা ভাষাৰে তেখেতে জাতীয় একতাৰ বাবে আবেদন জনালে তাক আনোৱাৰে জীৱনত কেতিয়াও নেপাহৰে। আলি চাহেবে এইবুলি বক্তৃতা সামৰিলে।

"ধৰ্ম্ম বিশ্বাসত মই এজন ভয়ানক গোড়া মানুহ। কিন্তু মই স্পষ্ট ভাষাত ঘোষণা কৰো—এইবোৰ সংঘৰ্ষৰ লগত ধৰ্ম্মৰ একো সম্বন্ধই থাকিব নোৱাৰে। একমাত্ৰ সহনশীলতা আৰু অহিংসাইহে আমাৰ অন্তৰৰপৰা অসূয়া আৰু ঘৃণাৰ ভাব দূৰীভূত কৰিব পাৰিব। আমাক যদি কোনোবাই অতি বেয়া ধৰণেও জোকাই লয় তেতিয়া হলেও সহি থাকি আমি শান্তি ৰক্ষা কৰিব লাগিব। দেশভূমি হোৱা এই জঘন্য বক্তপ্লাৱন বোধ কৰিবলৈ আমি কিবা এটা কৰিবই লাগিব। আমি এক হ'বই লাগিব। যি কোনো ত্যাগ স্বীকাৰৰ বিনিময়তেই হওক। নহলে আমি আমাৰ মূল স্বাধীনতাৰ লক্ষ্যৰপৰা দ্ৰুত আঁতৰি যাম। আৰু স্বাধীনতাৰ আন্দোলনৰ যি চৰম মুহূৰ্ত্তত আমি এক হৈ থিয় দিয়া আৱশ্যক সেই সময়ত নিজৰ ভিতৰতে এনেকৈ খোৱা-কামোৰা লগালে আমাৰ মূৰ্খামী দেখি শত্ৰুৱে আমাক হাঁহিব।"

অগণন জনতাই হাত-চাপৰিৰে মৌলানাক সমৰ্থন জনাইছিল। আনোৱাৰে ঘূৰি চালে আব্বাজানৰ মুখলৈ। দেখিলে চকুৰ পানী তেওঁৰ গালেদি বৈ দাড়িৰে টোপ টোপকৈ পৰিছে। আচৰিতভাৱে আব্বাজানৰ চকু পানী দেখি আনোৱাৰৰ মনত আনন্দহে লাগিল। কাৰণ আনোৱাৰে এতিয়া নিশ্চিতভাৱে বুজিলে মহাত্মাৰ যি উদ্দেশ্য সেই উদ্দেশ্য সফল হৈছে। প্ৰেম আৰু মানৱতাৰ আধাৰ যি ঈশ্বৰ, সেই ঈশ্বৰ আৰু সিংহাসনচ্যুত হৈ থকা নাই। মানুহৰ হিয়াই হিয়াই ভগৱানৰ পুনৰ প্ৰতিষ্ঠা হৈছে।

প্ৰৱেশিকা পৰীক্ষা শেষ হ'ল।

লগে লগে শেষ হ'ল মনৰ দূৰন্ত অস্থিৰতাও।

পৰীক্ষা যদিও শেষ হ'ল তথাপি ফলাফল ঘোষণা হ'বলৈ আৰু কমেও দুমাহ লাগিব। গতিকে এতিয়া আৰু কৰিবলৈ একো নাই। মাত্ৰ ফলাফললৈ বাট চাই চাই মাজৰ সময়খিনি কেনেকৈ ফলপ্ৰসূভাৱে কটাব পাৰি তাৰ চিন্তা কৰা। তাতে আনোৱাৰ আনবোৰ ল'ৰাতকৈ এনেও বেছি দিন ঘৰত বহি থাকিব লাগিব। কাৰণ আলিগড় বিশ্ববিদ্যালয়ত ছাত্ৰ-ভৰ্ত্তিৰ কাম অক্টোবৰ মাহতহে আৰম্ভ হব। তাৰ মানে সময় কটাবৰ বাবে ভাল উপায় এটা উলিয়াব নোৱাৰিলে গোটেই গৰম দিনকেইটা সি এনেই বহি বহি কটাব লাগিব।

সেই সময় ছোৱাত গোটেই দেশ জুৰি এটা শান্ত অৱস্থা বিৰাজ কৰিছে। সকলোৰে যেন কৰিবলৈ একো নাই। প্ৰচুৰ অৱসৰ। ঠিক আনোৱাৰৰ দৰে। দেশৰ ৰাজনৈতিক ক্ষেত্ৰতো তেনে একো উল্লেখযোগ্য ঘটনা ঘটা নাই, ফলত 'বৈঠক'ৰ মেলো লাহে লাহে নিষ্প্ৰাণ গতানুগতিক হৈ আহিবলৈ ধৰিলে। দোভাগখিনি ।ঘৰুৱা বা স্থানীয় খা-খবৰৰ কথাতে সীমাবদ্ধ থকা হ'ল। আকবৰ আলিহঁতৰ বাচন-বৰ্ত্তনৰ ব্যৱসায়ৰ দোপত দোপে উন্নতি হৈ আহিছিল। প্ৰায় সকলো মালেই জাপানৰপৰা আমদানি কৰা হৈছিল। এই দেশখনে এই. বস্তুবোৰ নিচেই কম খৰচতে যোগান ধৰিব পাৰিছিল। যেন সিহঁতে নাম মাত্ৰ খৰচত সেইবোৰ উৎপাদন কৰাৰ কিবা গোপন কৌশলহে আবিষ্কাৰ কৰিছে। কাকা ৰামেশ্বৰও নিজাকৈ এখন ডাঙৰ কাপোৰৰ দোকান খুলিলে। 'বয়কট' আন্দোলন তেতিয়া এক প্ৰকাৰ বন্ধই হৈ গৈছিল বুলিব পাৰি। ধনী আৰু বিলাসী সকলক এনেও মোটোহা খদ্দৰে সন্তোষ দিব পৰা কথা নহয়। এতিয়া সুযোগ পাই তেওঁলোকে আকৌ আগৰ দৰে কাপোৰ-কানি বিচৰা হ'ল। আৰু ৰামেশ্বৰ দয়ালেও প্ৰচুৰ পৰিমাণে বিদেশী কাৰখানাৰ টাৰ্টিন, ভেলভেট, চিল্ক, মুছলিন, ভইল আদি কাপোৰ বেচি ব্যৱসায়ত প্ৰসাৰ লাভ কৰিবলৈ ধৰিলে।

আনোৱাৰে সৰহখিনি সময় পঢ়ি শুনিয়েই কটাবলৈ ধৰিলে। চকুৰ আগত যিহকে পায় তাকে বাচ-বিচাৰ নোহোৱাকৈ সি পঢ়ি যাব ধৰিলে। আব্বাজানৰ পুথি ভৰালত থকা অসংখ্য ক্লাছিকেল উৰ্দু কবিতা আৰু গদ্য

পুথি পঢ়িলে। ডিটেক্টিভ উপন্যাস পঢ়িলে। অভিযান কাহিনী, ৰহস্য কাহিনী পঢ়িলে। পঢ়িলে শেক্সপিয়েৰৰ সাধুও! সদায় আবেলি কাপোৰ-সাজ পিন্ধি সি ওলাই যায় আৰু জামে-মচজিদৰ ওচৰৰ কম দামত পুৰণা কিতাপ বেচা এখন দোকানত সোমাই গৈ। তাৰ পিচত এঘণ্টামান খুচৰি খুচৰি ধূলিৰে পোতখাই থকাৰপৰা কিবা এখন সুখপাঠ্য কিতাপ বিচাৰি উলিয়াব আৰু কেই অনামান দি সেইখন কিনি লৈ আনিব। তেতিয়া তাৰ মন আনন্দত উচাতন,—যেন কিতাপ নহয় সেয়া সি কিবা গুপুত ধনৰ আঁকৰহে আবিষ্কাৰ কৰিছে।

হলেও, হ'ল বুলি আৰু মানুহে সদায় কিতাপ লৈয়োতো বহি থাকিব নোৱাৰে। কেতিয়াবা তাৰ আমনি লাগে। দীঘল গৰমৰ দিনবোৰ নেযায়-নুপুৱায় লাগে। আনোৱাৰৰ বন্ধু-বান্ধৱৰ সংখ্যাও এনেয়ে কম। যি দুই এটা আছে সিহঁতৰ ঘৰলৈকো যাবলৈ তাৰ লাজেই লাগে। কিন্তু হঠাৎ এদিন গোপাল আহি ওলালত সি বৰ আনন্দ পালে। কথা পতাত গোপালৰ সমকক্ষ নাই। ভালেমান সময় সি আনোৱাৰক নানান কথা কৈ কৈ ব্যস্ত কৰি ৰাখিলে। যাবৰ সময়ত সি আনোৱাৰক এঠাইলৈ ফুৰিবলৈ যাবলৈ মাতি গ'ল। গোপালৰ দেউতাকো যাব, সিও যাব। "ৰেচিনা" বা ভাইচৰয়ৰ নতুন নগৰীত নতুন উপনিৱেশৰ বিস্তৰ ঘৰ-বাৰী নিৰ্ম্মিত হৈছে। মানুহে এই নতুন নগৰখনক নতুন-দিল্লী বুলি কয়। চাবলৈ বৰ ভাল হৈছে। আনোৱাৰ ৰং মনেৰে সন্মত হ'ল।

পিচদিনা পুৱা সোনকালেই ঠিকাদাৰৰ পুৰণি ফৰ্ড-গাড়ী ঘেটেং মেটেং কৰি আহি আনোৱাৰহঁতৰ পদূলিত বৈ পঁট-পঁট হৰ্ণ বজাব ধৰিলে। আনন্দ আৰু উত্তেজনাত আপোনপাহৰা হৈ আনোৱাৰ দৌৰ মাৰি ওলাই আহিল। গোপালৰ দেউতাকৰ নাম লালা কিষেণলাল। ফকৃফকীয়া মানুহ গৰাকী এখন্তেকো মনে মনে থাকিব নোৱাৰে। বৰ শকতো। গাত মঙহ ধৰিবলৈ আৰু ঠায়েই নাই। দূৰৰপৰা দেখিলে খুঁতৰি এটা নে দুটা ধৰিব নোৱাৰি। এটা দাঁত সোণেৰে বন্ধোৱা,—জিলিকি থাকে। হাস্যৰসিক মানুহ বুলি তেওঁ নিজেই গৰ্ব্ব কৰে। এতিয়াও যাওঁতে ওলে বাট নানান খুহুটিয়া সাধু আৰু টেট্‌কুটিয়া কথা কৈ লৰাহঁতক হঁহুৱাই পেটৰ নাড়ী ডাল ডাল কৰি নিছে। কথা কওঁতে মানুহজনে নিৰ্ব্বিকাৰভাৱে "চালা" "শহুৰ" আদি বা তাতোকৈও ইতৰ অনেক শব্দ ব্যৱহাৰ কৰি কথা-বতৰা ৰসাল কৰিবলৈ যত্ন কৰে। আনোৱাৰে তেওঁৰ কথাত আমোদো পাইছিল আৰু এইবোৰ শব্দ শুনি আচৰিতো হৈছিল। ইমান সহজভাৱে এইবোৰ শব্দ কেনেকৈ উচ্চাৰণ কৰিব পাৰে। কাকা ৰামেশ্বৰৰ সম্ভ্ৰান্ত আৰু মাৰ্জ্জিত

কথোপকথনলৈ মনত পৰি মনে মনে সি দুয়োজন মানুহ ৰিজাই চাইছিল।

পোন্ধৰ মিনিটমানৰ ভিতৰতে আনোৱাৰহঁত গন্তব্যস্থল পালেগৈ। গাড়ীখন শাৰী শাৰী ৰঙা নতুন ইটাৰ নিৰ্ম্মীয়মান ঘৰৰ মাজেদি যাব ধৰিলে। অৰ্দ্ধ-সম্পূৰ্ণ ভালেমান ধুনীয়া ধুনীয়া বঙলা ঘৰলৈ আঙুলিয়াই কিষেণলালে গৰ্ব্বেৰে ক'লে যে সেইবোৰৰ মালিক তেৰেঁই। মাজে মাজে গাড়ীখন ৰয়। বিপুল-বপু ঠিকাদাৰ নামি তেওঁৰ কৰ্ম্মীবোৰক ইটো-সিটো নিৰ্দ্দেশ দিয়ে। আনোৱাৰৰ এনে লাগে যেন নিজৰ দাম বঢ়াবলৈহে দৰাচলতে মানুহজনে এনে কৰিছে। লাহে লাহে আহি সিহঁত বেছি ব্যস্ত আৰু ডাঙৰ ডাঙৰ নিৰ্ম্মাণ কাৰ্য্য চলি থকা ঠাই পালেহি। মাত্ৰ কেইবছৰমান আগতে এইখণ্ড ঠাই আছিল শুকান, বালিময় আৰু জনবসতিশূন্য। কোনোবা বিস্মৃত প্ৰাচীন এক মহানগৰৰ দুই এটা ধ্বংসাৱশেষ মাত্ৰ এনি তেনি দেখিবলৈ পোৱা গৈছিল। তাৰ ঠাইত এতিয়া লাহে লাহে গঢ়ি উঠিছে এক অভিনৱ ৰাজধানী-নগৰ। পুৰণা আৰু নতুন, অৰ্দ্ধ-নিৰ্ম্মিত আৰু অৰ্দ্ধ-ধ্বংসীভূত ওচৰা-ওচৰিকৈ থিয় দি আছে। হঠাৎ দেখিলে কোনটো অতীতৰ আৰু কোনটোনো ভৱিষ্যতৰ থিতাতে কোৱাই টান।

এটা বিশাল ঘূৰণীয়া আকৃতিৰ অৰ্দ্ধ-নিৰ্ম্মিত গৃহৰ সম্মুখত গাড়ীখন আহি ৰ'লহি। কিষেণলালে ক'লে, এইটোৱেই হ'লগৈ সংসদী ভৱন। দেশৰ ভৱিষ্যত সংসদীসকল ইয়াতে সন্মিলিত হৈ আইন প্ৰণয়ন কৰিব। গড়কাপ্তানি বিভাগক বস্তু যোগান ধৰাৰ ভাৰ, অলপ পৰিমাণে হ'লেও, কিষেণলালৰো ওপৰত পৰিছিল। সেয়ে যাওঁ বুলিলে তেওঁ প্ৰত্যেকটো ঘৰলৈকে যাব পাৰিছিল। এতিয়াও তেওঁ ল'বা দুটাক লৈ ভিতৰ সোমাই গ'ল। সকলো পিনে মাথোন ভিজা মাটি চূণ আৰু চিমেণ্টৰ গোন্ধ। চাল নোহোৱা বিৰাট একো একোটা হল—ঘৰত সোমালে ভূতৰ গুহাত সোমোৱা সোমোৱা লাগে। অকোৱা-পকোৱা বাৰাণ্ডা আৰু গেলেৰীত সিহঁতৰ খোজৰ শব্দ ৰজনজনাই উঠে। অলীক কল্পনা-বিলাসী আনোৱাৰৰ এনে লাগিছিল যেন সিহঁতৰ কোনোবা প্ৰাচীন বিধ্বস্ত ৰাজপ্ৰাসাদৰ মাজেৰেহে খোজ কাঢ়ি গৈছে। সময়ে এই প্ৰাসাদৰ চালবোৰ খহাই পেলাইছে। বেৰৰ মসৃনতা ধ্বংস কৰি পেলাইছে। সেমেকা-ডেকুঁৰা গোন্ধ ওলাইছে। আৰু যেতিয়া সিহঁত ঘূৰি ঘূৰি বাহিৰৰ বেলিৰ পোহৰলৈ ওলাই আহিল, তাৰ এনে লাগিল যেন অতীতৰ বুকুৰপৰা সিহঁত বৰ্ত্তমানলৈহে উভটি আহিল।

সংসদী ভৱনৰপৰা সিহঁত আহি ভাইচৰয়ৰ গৃহ পালেহি। প্ৰকাণ্ড এটা দুৰ্গৰ দৰে এই ঘৰটো ঘৰি-পকি চাওঁতে সিহঁতৰ এঘণ্টাতকৈও বেছিহে

সময় লাগিল। ইয়াতে কিষেণলালৰ এজন ইঞ্জিনীয়াৰ বন্ধুও সিহঁতৰ লগ লাগিল। তেওঁ প্ৰত্যেকটো কোঠা, প্ৰত্যেকটো হল কি উদ্দেশ্যে নিৰ্ম্মাণ কৰা হৈছে খৰচী মাৰি বুজাই গ'ল। কোঠাটোৰ নামবোৰ মনত ৰাখিবলৈ গৈয়ে আনোৱাৰৰ মূৰ ঘূৰাই যোৱা যেন লাগিল। ভাইচৰয়ৰ পুৰাৰ কোঠা, ভাইচৰয় পত্নীৰ দুপৰীয়াৰ জিৰণি কোঠা, ভাইচৰয়ৰ শোৱা কোঠা, ভাইচৰয় পত্নীৰ শোৱা কোঠা, দুয়োৰে ব্যক্তিগত আহাৰ কৰা কোঠা, ৰাজহুৱা আহাৰ কৰা কোঠা, ভোজ-উছৱৰ কোঠা, বলনাচৰ কোঠা, নীলা-কোঠা, বাটচ'ৰা, অভ্যৰ্থনা কোঠা, অতিথি কোঠা, চেক্ৰেটৰীসকলৰ কোঠাবোৰ, এ-ডি-চিৰ চাকৰ-নাকৰৰ কোঠাবোৰ, ৰান্ধনি, ড্ৰাইভাৰ, লগুৱা, আদিৰ কোঠাবোৰ.... ইচ্! আৰু প্ৰত্যেকটোৰেই এটা এটা প্ৰকাণ্ড বঙলা ঘৰৰ দৰে। গেৰেজ আৰু গুদামেই কিমান তাৰ লেখ নাই। পৃথিৱীৰ সকলো গাড়ীয়েই যেন তাত ধৰিব। মদৰ গুদামটোতো কিজানি পৃথিৱীৰ সকলো মদেই ধৰিব।.... গোটেই ঘৰটোত কি কি আচবাব থাকিব, কেনেকৈ সজোৱা হব, ইঞ্জিনীয়াৰজনে সগৰ্ব্বে তাৰ পুঙ্খানুপুঙ্খ বৰ্ণনা দিলে। তেওঁ ক'লে, পৃথিৱীৰ শ্ৰেষ্ঠ কাঠেৰে নিৰ্ম্মিত সকলোতকৈ দামী চকী-মেজৰ বাবে ইতিমধ্যেই ফৰমাচ দিয়া হৈছে। সেইবোৰ ইংলেণ্ডৰপৰা অনা হব। মজিয়াত পাৰিবৰ বাবে পাৰস্যৰপৰা কাৰ্পেট অনা হব। বাৰাণ্ডাতো কাৰ্পেট থাকিব। বেবৰোৰত বিৰাট বিৰাট তৈল-চিত্ৰ, দামী দামী চীনা-মাটিৰ বাচন-বৰ্ত্তন, ভোজ-উছৱৰ কোঠাৰ বাবে অপূৰ্ব্ব ঝাড়-লণ্ঠন....

অনৰ্গল কথা কৈ যোৱা ইঞ্জিনীয়াৰৰ কথা শুনি শুনি ভাগৰ লাগি গৈছিল আনোৱাৰৰ। সি ভাবিছিল—ইমান বিলাস, এই খৰচ, আড়ম্বৰ, ইমান আয়োজন এয়া দুজন, মাথোন দুজন মানুহৰ কাৰণে;—ভাইচৰয় আৰু তেওঁৰ পত্নী। থাকিবৰ বাবে ঘৰত যাৰ এশটা কোঠালীৰ দৰ্কাৰ তেওঁলোক বাৰু কেনেকুৱা মানুহ হব লাগিব? আনোৱাৰে মোগল সম্ৰাটৰ প্ৰাসাদো দেখিছে। সেই ৰজা-মহাৰজাসকলেওতো ইয়াতকৈ বহুত কম আড়ম্বৰৰ মাজত দিন কটাইছিল? নে এই নতুন শাসনকৰ্ত্তাসকলে ইচ্ছাপূৰ্ব্বকভাৱে প্ৰাচীন সম্ৰাটসকলক জাকজমক তথা বিলাসৰ ক্ষেত্ৰত হাৰ মনাব খুজিছে! অৱশ্যে এইবোৰ কথা আনোৱাৰে কাকো মুখ ফুটাই কোৱা নাছিল। কাৰণ এনে ঠাইত এনে কথা সদৰী কৰি কোৱাটো কেৱল অনুচিতেই নহয় বিপদজনকো বুলি সি জানিছিল।

বাহিৰৰ সুপ্ৰশস্ত বাগানৰ বাবে সাজু কৰা ঠাইখন চাবলৈ যেতিয়া আনোৱাৰহঁত যায় তেতিয়া কেনিবা হঠাৎ জোৰে জোৰে ঘণ্টা বাজি উঠিল। দলে দলে কাম কৰা মানুহ ওলাই আহি দুপৰীয়াৰ আহাৰ খাবলৈ ছাঁ পৰা

ঠাই বিচাৰি ইফালে সিফালে যাবলৈ ধৰিলে। যাওঁতে আহাৰ কৰি থকা দুই-চাৰিটা মানুহ আনোৱাৰে দেখিলে। সিহঁতে সুদা শুকান ৰুটি আৰু পিয়াঁজ খাইছে। হালবোৱা ফুলনিত ইতিমধ্যেই ফুলৰ পুলিয়ে পোখা মেলিবলৈ আৰম্ভ কৰিছেই। ফুলনিখনৰ সিফালে এলানি চাপৰ এচলীয়া টিনৰ পঁজা। তাতে এই কাম কৰা মানুহবোৰ থাকে। সিহঁতে সজা ঘৰ আৰু সিহঁতে থকা ঘৰৰ পাৰ্থক্য আনোৱাৰে মন নকৰি নোৱাৰিলে। সিহঁতে বাৰু এইবোৰ কথা ভাবেনে নেভাবে এনেয়ে এবাৰ আনোৱাৰে ভাবি চালে। হঠাৎ তাৰ মনত আচৰিত ভাব এটা খেলাই গ'ল, এই মানুহবোৰে আচলতে কিবা কথা ভাবিব পাৰে নে বাৰু? ভাবে জানো? চিন্তা শক্তি আছে জানো?

প্ৰবেশিকা পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ল। আনোৱাৰে প্ৰথম বিভাগত পাছ কৰিলে। বৰ বেয়া নহয়। অৱশ্যে আৰু এশজনতকৈ বেছি ল'ৰাই প্ৰথম বিভাগ পাইছে। চল্লিশজন লৰাই তাতোকৈ ভাল কৰিছে। শতকৰা আশী নম্বৰ পাই সিহঁতে "বিশেষভাৱে" পাছ কৰিছে। সেইবাবেই তাৰ আব্বাজানে সি পাছ কৰা বাবে ওলগ জনালে যদিও সাধাৰণভাৱে। অযথা প্ৰশংসা কৰিলে ল'ৰা নষ্ট হয় বুলি তেওঁ জানে। তথাপিও আনোৱাৰে ধৰিব পাৰিছিল বাহিৰে নেদেখুৱালেও আচলতে আব্বাজানে বৰ ৰং পাইছে। সিও তাকেই বিচাৰে।

ৰাজনৈতিক স্থিতাৱস্থা হঠাৎ অন্য ধৰণৰ এটা হুলস্থূলৰ দ্বাৰা ভঙ্গ হৈ গ'ল। খণ্ডে-কোপে এদিন দপদপাই আহি চৌধুৰী মোহাম্মদ ওমৰে ভোৰ-ভোৰাই ক'লেহি বোলে তেওঁ যাবলৈ ওলায়ো লুধিয়ানাৰ নিজৰ ঘৰলৈ এবাৰ যাব পৰা নাই। কাৰণ উত্তৰ-পশ্চিম ৰেল বিভাগে ধৰ্ম্মঘট কৰিছে। পঞ্জাবলৈ এখন গাড়ীও নেযায়। ৰেলকৰ্ম্মীসকলে তেওঁলোকৰ দৰমহা আৰু কামৰ পৰিমাণত অসন্তুষ্টি প্ৰকাশ কৰি তীব্ৰ প্ৰতিবাদ জনোৱাৰ ফলত সমগ্ৰ ৰেল বিভাগেই অচল হৈ পৰিছে। এয়া এক নতুন কথা। আন্দো-

লনৰ চিন্তাকৰ্ষক পৰিণতি। কিন্তু ব্যৱসায়ীসকলে ইয়াক সহজভাৱে লব পৰা নাছিল। সামান্য এদল চিগ্‌নেলাৰ মুটিয়া শ্ৰেণীৰ মানুহৰ স্পৰ্দ্ধা দেখি চৌধুৰী জ্বলি-পকি উঠিছিল। বছৰত এবাৰ তেওঁ পুৰণি ঘৰত পাক এটা মাৰি আহেগৈ। এতিয়া ইহঁতৰ উদ্ভৱাৰ্লিত সিও নষ্ট হব নেকি? "পৰস্বাৰ পাখী গজিলে উৰিবলৈ বিচৰাৰ দৰে কথা নহয়নে এইবোৰ।" বিতৃষ্ণাত থু পেলাই তেওঁ কৈছিল, "বোলো তহঁত যিমানৰ মানুহ সিমানত থাকিব পাৰ। ম'হতকৈ শিং চৰা হ'ল এতিয়া! এই গান্ধীযেই যত কুটন ঘাই। সেই বণিয়া, মৈদা আৰু খেচাৰী ডাইল বেচা গান্ধীৰপৰাই এইবোৰ হবলৈ পাইছে।"

ৰতনৰ এখন চিঠিৰপৰা আনোৱাৰে পৰিস্থিতিটো আন এটা দৃষ্টিকোণৰ পৰা চাবৰ বাবে সুবিধা পালে। ৰতনে ৰাজনৈতিক কৰ্ম্মীৰ এটা সৰু দলৰ লগ হৈ ৰেল কৰ্ম্মীসকলক সহায়তা কৰিছে। স্বাভাৱিক আবেগপূৰ্ণ ভাষাৰে ৰতনে আনোৱাৰলৈ লিখিছে, "ইচ আনোৱাৰ, তুমি যদি এই সময়ত লাহোৰত থাকিলাহেঁতেন। কালি নিশা ৰেলকৰ্ম্মীসকলে কৰা অভূতপূৰ্ব্ব শোভাযাত্ৰা দেখি কিমান যে আনন্দ পালাহেঁতেন। বিপ্লৱৰ ধ্বনি কৰি কৰি দহ হেজাৰতকৈ বেছি মানুহে বাটেদি খোজ কাঢ়ি গৈছিল। তেওঁলোকে বিপ্লৱী কৰ্ম্মীৰ যিখন ৰঙা নিচান সমুখত বহন কৰি নিছিল সেই নিচান তেওঁলোকে আপোন তেজেৰে ৰঙাকৈ বোলাই লৈছিল। সিহঁতক দেখা হলে তুমি উপলব্ধি কৰিলাহেঁতেন দেশৰ বুকুত কেনেকৈ এটা নতুন অসীম শক্তিয়ে সাৰ পাই উঠিছে। এই শক্তি গৰীব বনুৱা শ্ৰেণীৰ শক্তি! এওঁলোক সাৰ পাই উঠিছে। এবাৰ এই শক্তি সম্পূৰ্ণে জাগি উঠিলে একোৱেই আৰু তাক ৰোধ কৰিব নোৱাৰে। আনকি স্বয়ং মহাত্মাৰ ঋষি সুলভ দ্বিধা আৰু সুচিন্তাজনিত ধৈৰ্য্যয়ো এওঁলোকক সংযত কৰিব নোৱাৰে।"

আনোৱাৰ স্বভাৱতেই অলপ ভয়াতুৰ লৰা। জাতীয় আন্দোলনৰ প্ৰতি তাৰ যি আকৰ্ষণ আছিলো সিও গ্ৰহণৰ সময়ৰ জোনৰ দৰে তল পৰি গৈছিল আব্বাজানে ৰাজনীতিৰ লগত সকলো সংশ্ৰৱ এৰি দিয়াৰ পৰা। কিন্তু তাৰ বন্ধু ৰতন এই আন্দোলনৰ সৈতে নিবিড়ভাৱে জড়িত হৈ থকা কথা ভাবি তাৰ পেটে পেটে গৰ্ব্ব হ'ল। শিখ-সন্তান ৰতনৰ চিঠিত থকা বিপ্লৱী মনৰ উম্ সি যেন শিৰাই শিৰাই উপলব্ধি কৰিলে।

পেহীজানৰ বয়স প্ৰায় তিনিকুৰি বছৰ হ'লহি। স্বভাৱতে তেওঁৰ চন তাৰিখ আদিৰ প্ৰতি মনোযোগ কমি আহিছিল। কিন্তু হঠাৎ যেন এইবাৰ তেওঁ কেলেণ্ডাৰখন লৈ বৰ ব্যস্ত হৈ উঠিল। পাকটোৱে প্ৰতি আনোৱাৰক এইটো কি মাহ, আজি কি তাৰিখ এনে ধৰণৰ প্ৰশ্ন সুধি থকা হ'ল। এদিন আৰু আনোৱাৰে থাকিব নোৱাৰি সুধিয়ে পেলালে, "পেহীজান, আগেযেতো তুমি মাহ তাৰিখৰ খবৰ ৰবকৈ ৰখা নাছিলা! কিবা হৈছে নেকি?" বৃদ্ধাই সস্নেহে উত্তৰ দিলে, "তুমি ঠিকেই কৈছা, বাচা। খবৰ ৰাখিছো। এইটো জুন মাহ, নহয়? অহা মাহত আল্লাই কৰিলে তুমি কাৰোবাৰ মামাজান হবা।" পেহীজানৰ কথাৰ অৰ্থ সি প্ৰথমতে বুজিবই পৰা নাছিল।

আনোৱাৰ আৰু আঙুমক পেহীজানে নিজহাতে তুলি-তালি ডাঙৰ-দীঘল কৰিছে। তেওঁৰ ভাৱ আঙুমৰ প্ৰথম সন্তান দিল্লীত তেওঁৰ নিজৰ সজাগ দৃষ্টিৰ আগত ভূমিষ্ঠ হব লাগে। প্ৰত্যেক মাহতে তেওঁ আনোৱাৰৰ হতুৱাই ককায়েকলৈ একোখনকৈ চিঠি লেখাই জনাই আছে ঠিক সময়ত যাতে আঙুমক ভাল হবলৈ ইয়ালৈ পঠাই দিয়া হয়। সেই মতে জুন মাহৰ শেষৰ ফালে আঙুম আহি ওলালহি। লগত বনকৰা লগুৱা, ধাই ইত্যাদিও আহিছে। ৰৌফ অহা নাই। ৰৌফ নহাত আনোৱাৰে ভালেই পালে। প্ৰায় এবছৰতকৈও বেছি দিনৰ মূৰত বাইজানক পাই আনোৱাৰ আনন্দত আত্মহাৰা হ'ল। অৱশ্যে আঙুমৰ শেঁতা পৰি যোৱা চেহেৰা আৰু চকুৰ চাৰিওফালে ক'লা ডাগ দেখি অলপ চিন্তিতো হ'ল। আঙুম আগতকৈ বহুত খীণাই গৈছে। থৰক-বৰক ভৰিৰে গৰ্ভৰ বোজা তাই যেন কোনো-মতেহে বৈ ফুৰিছে।

"আই ঔ নই ক'তে মৰোঁ,—তোমাৰ বাবে নমৰিলে!" গুলাবীয়ে নিজস্ব সুৰত মৰমেৰে চিঞৰি সাৱটি ধৰি কৈ উঠিল, "ইচ্ আমাৰ 'বিটিয়া'-জনী খীণাই একেবাৰে খৰিকাডাল যেন হ'ল! শহুৰেৰৰ ঘৰত তোমাক খাবলৈ নিদিয়ে নেকি?"

আকবৰ আলিও সোনাই আহিল। জীয়েকক আকোৱালি ধৰি মূৰত হাত ফুৰালে। জোঁৱাই নৰা ৰৌফ নাহিল কিয় সুধিলে। আঙুমে সকলো ন-বোৱাৰীৰ দৰে লাজত তলমূৰ কৰি ক'লে যে "তেখেত" বিশেষ চাকৰি-সম্পৰ্কীয় কামৰ বাবে আহিব নোৱাৰিলে। হলেও কেইদিনমানৰ পিচতে "তেখেত" আহিব।

সকলো আকৌ দিহাদিহিকৈ গ'লত আঙুমে আনোৱাৰক ওচৰলৈ মাতি সাৱটি ধৰি হুকহুকাই কান্দি উঠিল। আনোৱাৰে বুজি পালে বহুত দিনৰ

মূৰত বায়েকে ভায়েকক লগ পালে যি অৰ্থত কান্দে ঠিক সেই অৰ্থত আঞ্জুমে কন্দা নাই। তাই বৰং গভীৰ দুখত যেন ভাগি পৰিব খুজিছে। গাটো থৰ্‌থৰ্ কৰি কঁপিছে। যেনেকৈ পাৰে তেনেকৈ চেষ্টা কৰিও সি আঞ্জুমক শান্ত কৰিব নোৱাৰিলে। স্থান-কাল পাহৰি তাই কান্দি থাকিল। উত্তেজনাত তাইৰ আঙুলিৰ নখবোৰ আনোৱাৰৰ বাউসীত সোমাই সোমাই যাব ধৰিলে। ভালেমান পৰৰ পাচত অৱশ হৈয়ে যেন তাই শান্ত হ'ল। আনোৱাৰক এৰি দিলে। তাৰ পিচত আনোৱাৰে ঘটনাই কেনি গাল লৈছে তলকিব পৰাৰ আগতেই আঞ্জুম তাৰ কোলাত ঢলি পৰি সম্পূৰ্ণভাৱে মূৰ্চ্ছা গ'ল।

"পেহীজান! আব্বাজান! গুলাবী পেহী!" ভয়ত কিংকৰ্ত্তব্য বিমূঢ় হৈ আনোৱাৰে চিঞৰি উঠিল "আহা-আহা! আঞ্জুম বাইজানৰ কিবা এটা হ'ল।"

তাৰ পিচৰ দিনকেটা যেন আনোৱাৰৰ বাবে অসহনীয় এক নিশাৰ বিভীষিকাৰ মাজেৰেহে পাৰ হ'ল। তাৰ সমগ্ৰ চেতনা জুৰি উত্তাৰল হৈ ৰ'ল—এক অপ্ৰকাশ্য ভয়ানক উৎকণ্ঠা। নাই সি খাব পাৰে, নাই পঢ়িবই পাৰে! বাইজানৰ বিচনাৰ ওচৰত বহি থাকিবও সি নোৱাৰে। আকৌ বাইজানৰপৰা দূৰত থাকিলেও মনটোৱে চাটিফুটি কৰি উঠে। আঞ্জুমে যদি জোৰেৰে নিশ্বাস এটাও পেলায় ভয়ত তাৰ অণ্ঠ-কণ্ঠ শুকাই যায়। আকৌ ক্লান্ত হৈ যদি তাই নিঃসাৰ হৈ পৰি থাকে মাৰাত্মক পৰিণতি কল্পনা কৰি আতঙ্কিত হৈ উঠে।

ডাক্তৰ আনচাৰি আৰু এগৰাকী ইংৰাজ লেডী ডাক্তৰলৈ খবৰ দিয়া হ'ল। তেওঁলোক আহি প্ৰায় এঘণ্টা পৰীক্ষা কৰি চালে। তাৰ পিচত দুয়ো হাত ধোৱাৰ সময়ত আনোৱাৰে তেওঁলোকৰ আলোচনা শুনিলে। কিবাকিবি ডাক্তৰী শব্দবোৰ ব্যৱহাৰ কৰা বাবে আনোৱাৰে সকলো কথা

বুজি নেপালে। তাতে লেডী ডাক্তৰ গৰাকীৰ উচ্চাৰণবোৰো কেনেবা ধৰণৰ,—সহজে ধৰাই টান। তথাপি যিখিনি সি বুজিলে সেয়াও তাৰ বাবে নিচেই কম নাছিল।

"ৰক্তস্খলন হৈছে....হয়, হয়, আৰু কি হব পাৰে। এইটো বন্ধ কৰা অসম্ভৱ।"

"বেচাৰীজনী....ইমান কম বয়সীয়া। ইমান মৰমলগা,....বাপেকক মই আগৰে পৰা চিনি পাওঁ। অদ্ভুত ভাল মানুহ।'

"....বৰ কম বয়সত বিয়া....ইমান সৰুতে লৰালুৰি হোৱা....চাবলৈ গলে এয়া দেখ-দেখ নৰহত্যাৰ বাহিৰে একো নহয়।"

"অজ্ঞানতা। মাৰাত্মক অজ্ঞানতা। এনেকৈয়ে এই দেশত কতৰ মৃত্যু হৈছে কোনে জানে।"

"শিশুটো বাহিৰ কৰি পেলাব লাগিব। আমাক লাগিব এটা....হয়তো.... বহুৱাই দিব পৰা হব...."

পিচত আনোৱাৰে শুনিলে ডাক্তৰ আনচাৰিয়ে আব্বাজানক কৈছে, বহুত পলম হৈ গ'ল। এতিয়া আৰু হস্পিতাললৈ নিয়াৰ কথাই নুঠে। ঘৰতে অস্ত্ৰোপচাৰ কৰিব লাগিব।

পিচদিনা লগত সহকাৰী দুজনমান আৰু শুভ্ৰবসনা এজনী নাৰ্চ লৈ দুয়ো গৰাকী ডাক্তৰ আকৌ আহিল। লগত তেওঁলোকে কেবাটাও ডাঙৰ ধাতুৰে নিৰ্ম্মিত চকচকীয়া বাকচ লৈ আহিছে। তাৰ ভিতৰত অসংখ্য তীক্ষ্ণ অস্ত্ৰোপচাৰৰ সা-সজুলি। সেইবোৰলৈ চাই থাকিবলৈকে আনোৱাৰৰ সাহস নহ'ল। বাইজানক অস্ত্ৰোপচাৰ কৰা হব—কথাটো ভবাৰ লগে লগে তাৰ মূৰটো ৰিম্‌ঝিম কৰিব ধৰিলে। ভয়ত ঘৰৰ এমূৰে গৈ চুপচাপ লুকাই থাকিলগৈ।

'চিজাৰিয়ান' অস্ত্ৰোপচাৰ সম্পন্ন হ'ল। মৃত সন্তান এটা উলিয়াই অনা হ'ল। আনোৱাৰে দেখিলে কান্দি কান্দি চকু ওৰ-ফুল যেন হোৱা গুলাবীয়ে পুতলা এটা মেৰিয়াই থোৱাৰ দৰে কাপোৰৰ টোপোলা এটা আনি আকবৰ আলিৰ হাতত দিলে। আকবৰ আলিয়ে তাকে কবৰ দিবলৈ লৈ গ'ল। ডাক্তৰ দুগৰাকীও কোঠাৰপৰা ওলাই আহিল। ভাগৰত যেন দুয়ো ক্লান্ত, শেঁতা পৰি গৈছে। বাউসী পৰ্য্যন্ত জোৰা দীঘল দীঘল ৰবৰৰ হাতমোজাবোৰ খুলিবলৈকো যেন তেওঁলোকৰ শক্তি নোহোৱা হৈছে।

আনোৱাৰৰ বুকুৰ চপ্‌চপনি সি নিজেই শুনিবলৈ পাইছিল। ভয়ে ভয়ে ডাক্তৰ আনচাৰিৰ ওচৰ চাপি সি সুধিলে, "ডাক্তৰ চাহেব, মোৰ বাইজান ভাল হৈ যাব, নহয়?" বিখ্যাত অস্ত্ৰোপচাৰক গৰাকীয়ে হাঁহিবলৈ

যত্ন কৰি আনোৱাৰৰ গাত হাত ফুৰাই ক'লে, "আল্লাই যদি ৰহম কৰে বাচা, তোমাৰ বাইজান ভাল হৈ উঠিব।"

আল্লাই যদি 'ৰহম' কৰে! তাৰ মানে এতিয়াও সেয়াই আবেদনৰ বাবে শেষ আদালত! সেইবাবেই আব্বাজানে জীয়েকৰ প্ৰাণ ৰক্ষাৰ বাবে বহি বহি সৰ্ব্বশক্তিমানৰ ওচৰত প্ৰাৰ্থনা জনায়! সেইবাবেই এতিয়াও পেহীজানে চকুলো টুকি টুকি তেওঁৰ বঙা নামমালা লৈ আল্লাৰ সহস্ৰ নাম জপ কৰিছে! ইয়া কহহৰ! ইয়া জব্বৰ! ইয়া গফ্ফাৰ! কিন্তু আল্লা দয়াময়, আঞ্জুমন দৰে এজনী নিৰপৰাধ ছোৱালীৰ জীৱন তেওঁ অকালতে বিনষ্ট কৰিব নোৱাৰে। নকৰে। তথাপিও তাৰ আব্বাজান আৰু পেহী-জানৰ প্ৰাৰ্থনাৰ লগত তাৰ নিজা প্ৰাৰ্থনা যোগ দিয়া আনোৱাৰৰ কৰ্ত্তব্য। সি জানে আল্লাই সৰু ল'ৰাৰ প্ৰাৰ্থনা সোনকালে শুনে। কাৰণ সিহঁত নিষ্পাপ। দেৱতুল্য। আনোৱাৰৰ এনে লাগিল, যেন আল্লাই সি প্ৰাৰ্থনা কৰাৰ লগে লগে পূৰ্ণ কৰিব।

ঘৰৰপৰা ওলাই আনোৱাৰ পোনে পোনে জামে মছজিদলৈ গ'ল। প্ৰাৰ্থনা যদি কৰিবই লাগে সি স্বয়ং খোদাৰ ঘৰত বহি কৰিব। জুন মাহৰ দুপৰীয়া ভাগৰত ফোপাই ঘামত তিতি খোজেপতি দুটাকৈ চিৰি বগাই সি মচজিদ পালেগৈ। দুৱাৰমুখতে জোতাযোৰ থৈ সি একেবাৰে বেদীৰ যিখিনিৰপৰা ইমামে প্ৰাৰ্থনা পৰিচালনা কৰে সেইখিনি পালেগৈ। নিৰ্দ্ধা-ৰিত ৰীতি অনুযায়ী পশ্চিমফালে মু-কৰি দুহাত তুলি সি কবলৈ ধৰিলে "প্ৰাৰ্থনা কেনেকৈ কৰিব লাগে মই নেজানো। কিন্তু মানুহৰ অন্তৰৰ সকলো কথাইতো তুমি জানা। হে খোদা! মোৰ এই প্ৰাৰ্থনা তুমি শুনা। মোৰ বাইজানৰ প্ৰাণ ৰক্ষা কৰা। তাই নিচেই অকণমান। বিয়া হৈছেহে মাথোন। জীৱনত তাই কেতিয়াও কাকো দুখ দিয়া নাই। হে খোদা, বাইজানক তুমি লৈ নেযাবা।" বিজ্ঞ মচজিদ ঘৰত তাৰ মাত ৰজনজনাই প্ৰতিধ্বনিত হৈ উঠিল। এনে লাগিল এয়া যেন তাৰ প্ৰাৰ্থনা আল্লাই শুনাৰে চিন। তাৰ অন্তৰৰপৰা সকলো যন্ত্ৰণা যেন নাইকিয়া হৈ গ'ল। উল্লাহিত অন্তৰেৰে সি উঠি আহিল। ঘৰ পাই ৰোগীৰ কোঠালৈ এবাৰ ভুমুকি মাৰি চালে। নাৰ্চে কিবা এটা ঔষধ খুৱাইছে আঞ্জুমক। তাৰ সকলো চিন্তা আঁতৰি গ'ল। কেইবাদিনৰো পিচত সেইনিশা সি পেট ভৰি আহাৰ কৰিলে। তাৰ পিচত নিশ্চিন্ত মনে টোপনিত নিমগ্ন হ'ল।

তেতিয়াও বাতিপুৱা ভালকৈ পোহৰ হোৱাই নাছিল। হঠাৎ আনোৱাৰৰ টোপনি ভাগি গ'ল। কোনোবাই কান্দিছে, চিঞৰি চিঞৰি। প্ৰথমতে তাৰ ধাৰণা হ'ল সি বোধহয় সপোন দেখিছে। জোৰ কৰি চকু দুটা মেলি চাই দেখিলে আকাশত দুটা এটা তৰা কাৰোবাৰ সজল চকুৰ দৰে তিৰবিৰাই আছে। চোতালৰ সিমলুৰ প্ৰকাণ্ড নিমগছ জোপা ছায়ামূৰ্ত্তি ধৰি থিয় হৈ আছে,—যেন আকাশতে অঁকাহে আছে। এইবাৰ সি স্পষ্ট শুনিলে পেহীজানে ইনাই-বিনাই কান্দিছে। তেওঁৰ বিননিৰ সৈতে ভাঁহি অহা ভয়ঙ্কৰ শব্দ দুটা এটাই যেন আনোৱাৰৰ বুকু ভেদ কৰি গ'ল তীক্ষ্ণ শেলৰ দৰে। "আই অ' আঞ্জুম অ'—মোক এৰি তই ক'লৈ গলি। মই নমৰি তই কিয় মৰিলি।" খালী ভৰিৰেই আনোৱাৰ ৰোগীৰ কোঠালৈ লৰ ধৰিলে। বিচনাৰ ওচৰৰ মেজত এটা লেম্প জ্বলি আছে। আঞ্জুমক ঢাকি থোৱা কাপোৰত বগা পোহৰ চিৰ্টিকি পৰিছে। "নাই নাই আঞ্জুম নিশ্চয় শুইহে আছে।" আনোৱাৰে নিজক সান্ত্বনা দিবলৈ যত্ন কৰিলে। "পেহীজানজনী পাগলী। কি ভাবি কি কৰিছে ঠিক নাই" এই ভাবি আনোৱাৰে বয়সীয়া নাৰ্চ গৰাকীৰ মুখলৈ চালে। কিন্তু তেওঁৰ মুখত সি এনে এটা অভিব্যক্তি দেখিবলৈ পালে যে মুহূৰ্ত্তৰ ভিতৰতে তাৰ সকলো আশা ধূলিসাৎ হৈ গ'ল। "আহা বাচা" তেওঁ খোকাথুকি মাতেৰে ক'লে, "এবাৰ তোমাৰ বাইজানক শেষবাৰলৈ চাই লোৱাহি।" আৰু, আৰু তেওঁ ধীৰে ধীৰে কাপোৰখন ডাঙি অতি চিনাকী মৰমৰ মুখ এখন উদঙাই ধৰাৰ লগে লগে যেন আনোৱাৰৰ বুকুৰ স্পন্দন স্তব্ধ হৈ গ'ল। কিমান প্ৰশান্ত কিমান সুন্দৰ দেখাইছে আঞ্জুমক,—যেন নিশ্চিন্তে শুইহে আছে তাই; আৰু ভালকৈ চাবলৈ আৰু এখোজ আগবাঢ়ি আহিল আনোৱাৰ। কিন্তু নাই, নাই। এয়া তাৰ বাইজান নহয়। হ'ব নোৱাৰে। এয়া অন্য কোনোবা। অন্য কোনোবাই বাইজানৰ ৰূপ ধৰি আহিছে। বাইজান নহয়। এয়া এক ভয়ঙ্কৰ কিবা,—যি লৰচৰ নকৰে, উশাহ নলয়, যি নিৰ্জীৱ। এয়া ভুৱা, ফাঁকি, প্ৰতাৰণা, এয়া জীৱনৰ প্ৰহসন। এয়া মৃত্যু।

আনোৱাৰৰ চিঞৰি চিঞৰি কান্দিবৰ মন গৈছিল। কিন্তু নোৱাৰিলে। মৃতকৰ মুখ দেখাৰ পিচতো নোৱাৰিলে। নীৰৱে যন্ত্ৰণাত ক'লা পৰি সি ঘূৰিল। ঘূৰি এই প্ৰথম দেখিলে চাৰিওফালে অনেক মানুহ মূৰ্ত্তিৰ দৰে নিথৰ নীৰৱ হৈ বহি আছে। সেয়া আব্বাজান। এই কৰুণতম পৰিৱেশতো সৌম্য ৰূপ ধৰি কিবা এটা প্ৰাৰ্থনাৰ শ্লোক মনে মনে পঢ়ি আছে। সেয়া পেহীজান। পাগলীৰ দৰে কান্দি কান্দি অৱশ হৈ নিতাল মাৰিছে।

সেয়া ডাঙৰ আব্বা আমজাদ আলি। বাতিৰ ভিতৰতে নিশ্চয় আহি পাইছে। আৰু সেয়া আমজাদ আলিৰ কাষত তলমূৰ কৰি বহি আছে বৌফ। বৌফ। বৌফ।—ডাক্তৰৰ আলোচনাৰ টুকুৰা টুকুৰ দুই এটা কথা আকৌ যেন আনোৱাৰৰ কাণত বাজি উঠিল। অসহ্য বেদনা-মিশ্ৰিত ক্ৰোধত হঠাৎ আনোৱাৰে যেন সকলো ধৈৰ্য্য সকলো কাণ্ডজ্ঞান হেৰুৱাই পেলালে।

"তুমি। তুমি।" বৌফলৈ চাই সি চিঞৰি উঠিল, "তুমি মোৰ বাইজানক হত্যা কৰিলা। তুমি খুনী।" আৰু সি তাত নৰ'ল। এক বীভৎস, অপবিত্ৰ, হেয় কিবা এটা দেখি ভয়ত পলোৱাৰ দৰে আনোৱাৰ কোঠাৰপৰা ওলাই লৰ মাৰিলে।

অকলশৰীয়া এটা গাখীৰৱালাৰ বাহিৰে বাটত ক'তো কোনো নাছিল। সোঁৱে-বাঁৱে কেনিও নোচোৱাকৈ আনোৱাৰ ফোঁ-ফোঁৱাই গৈ থাকিব ধৰিলে। তাৰ ভৰিত জোতা নাই। মূৰো উকা। খং আৰু দুখত সি একো ক'ব নোৱাৰা হৈ আছে। ক'লৈ গৈছে, কেনৈ গৈছে সেইবোৰৰো তাৰ খবৰ নাই। তাৰ অন্তৰ যেন অপৰিসীম তিক্ততাৰে ভৰি উঠিছে। অথচ সি নেজানে কাৰ বিৰুদ্ধে তাৰ এই তিক্ততা। তাৰ ইচ্ছা, আজি সি অস্বীকাৰ কৰিব, প্ৰত্যাহ্বান জনাব এক মহান শক্তিক—পৃথিৱীৰ আটাইতকৈ ডাঙৰ যি শক্তি সেই শক্তিক;—অথচ সি নেজানে সেই শক্তি কি। কোন সেই শক্তিৰ অধিকাৰী।

ৰাতিপুৱাৰ প্ৰাৰ্থনাৰ বাবে জামে মচজিদৰ দুৱাৰ খোলা হৈছিলহি মাত্ৰ। আনোৱাৰ সোমাই আহিল। থিয় চিৰি বগোৱাৰ ভাগৰত এখন্তেক পুখুৰীটোৰ পাৰত ৰ'ল। সুউচ্চ আৰু গম্ভীৰ মচজিদৰ চূড়া আৰু মিনাৰ বোৰৰ ছাঁয়া কজলা পানীৰ বহুত তললৈকে দেখা গৈছে। প্ৰভাতী-সমীৰৰ পৰশত সেই ছাঁয়া অলপ অলপ কঁপিছে। এনে লাগিছে যেন এক অনামী কম্পনত সমগ্ৰ সুদৃঢ় জামে মচজিদেই অলপ অলপ কঁপি উঠিছে। মচজিদৰ ছাঁয়াৰ দৰেই আনোৱাৰৰ মনটোও ধীৰে ধীৰে গভীৰ আৰু বিষাদপূৰ্ণ ভাৱৰাশিৰ আৱৰ্ত্তত যেন হেৰাই গ'ল।

মচজিদৰ মিনাৰৰপৰা মুৱাজ্জিনৰ আজানৰ ধ্বনি তীক্ষ্ণ সুৰে ভাঁহি উঠিল। প্ৰাৰ্থনাৰ বাবে আহ্বান। চিন্তাৰ গভীৰ সমাধিৰপৰা আনোৱাৰ যেন সাৰ পাই উঠিল। কি? প্ৰাৰ্থনা। প্ৰাৰ্থনা।। মুখখন তাৰ কিবা তিতা-তিতা যেন লাগিল। সি ভাবিলে, কিন্তু কাৰ ওচৰত প্ৰাৰ্থনা কৰিব লাগে? কিয়? কি উদ্দেশ্যে? সিতো প্ৰাৰ্থনা কৰিছিলেই। তথাপিও দেখোন তাৰ বাইজানজনী মৰি থাকিল। আনকি আল্লাইও তাইক ৰক্ষা নকৰিলে। এইবোৰ বিস্বাদপূৰ্ণ কথা ভাৱি থাকোঁতে

তাৰ অন্তৰৰ ভিতৰতো কিবা এটা বস্তু ভাগি মষিমূৰ হৈ গ'ল। সেই বস্তুটো আন একো নহয়,—বিশ্বাস।

বহুত পৰৰ মূৰত আনোৱাৰৰ চকুপানী ওলাল। সি কান্দিব ধৰিলে। গোট খাই থকা অশ্রু যেন প্রবল বন্যাৰ দৰে নিছিগা ধাৰেৰে বৰলৈ ধৰিলে। বিশাল জনশূন্য মচজিদৰ চোতালত থিয় দি, সুউচ্চ মিনাৰৰ তুলনাত নিজৰ ক্ষুদ্রত্ব উপলব্ধি কৰি, তাৰ এনে লাগিল যেন সি বৰ অসহায় বৰ অকশৰীয়া। তাৰ ভয় লাগিল এক মহান শক্তিক ক্ষন্তেক আগতে অস্বীকাৰ কৰা বাবে, দোষাৰোপ কৰা বাবে। চকুহাল মচি ভাগৰত প্রায় খোৰাই খোৰাই সি মচজিদৰ চৌহদৰপৰা ওলাই আহিল। বিশ্বাস নোহোৱাকৈ, পৰমপিতাৰ ওপৰত আস্থা নোহোৱাকৈ মানুহ জীযাই থাকিব পাৰেনে ?

পূব দুৱাৰেদি ওলাই চিৰিৰে নমাৰ আগতে সি এক মুহূর্ত্ত থমকি ৰ'ল। তাৰ সমুখৰ পূব-দিগন্ত পুৱাৰ সোণ-ৰঙা ৰহনেৰে উজ্বলি উঠিছে। তলত ৰাজপথত মানুহৰ সমাগম আৰম্ভ হৈ গৈছে। বগা বগা শাৰী পিন্ধি অনেক মাইকী মানুহ নদীৰ ফালে গৈছে। প্রধান ৰাজপথেদি এখন ট্রাম সবেগে পাৰ হৈ গ'ল। হঠাৎ যেন আনোৱাৰ চক্ খাই উঠিল। তাৰ পিচতে সি যেন মনত বহুত সকাহ বহুত বল ঘূৰাই পালে। সি উপলব্ধি কৰিলে তাৰ বাইজানৰ মৃত্যুৰ লগে লগে এই পৃথিৱীখন শেষ হৈ যোৱা নাই। পৃথিৱী আছে। জীৱন এতিয়াও নিত্যবৎ প্রৱাহমান। আজিও ৰাতিপুৱাইছে। বেলি ওলাইছে। আৰু মানুহ কামত প্রবৃত্ত হৈছে। খেলাত প্রবৃত্ত হৈছে। জীৱনৰ মাজতেই মৃত্যু চিৰ বিদ্যমান। আৰু মৃত্যুৰ মাজতে জীৱন।

এতিয়াহে সি ভালকৈ উপলব্ধি কৰিলে মহাকবি গালিবৰ উক্তিৰ মৰ্ম্মাৰ্থ। প্রতিধ্বনিৰ দৰে তাৰ নিজৰ ভাববোৰেই আকৌ তাৰ মনলৈ ঘূৰি আহিব ধৰিলে। জন্ম আছে; মৃত্যু আছে। জন্ম-মৃত্যুৰ মাজত আছে অপৰিসীম যন্ত্রণা। এয়া সি চকুৰ আগত দেখিছে—জীৱন প্রস্ফুটিত ফুলৰ দৰে,—মতা মানুহ, মাইকী মানুহ আহিছে, গৈছে, সৰু সৰু ল'ৰা-ছোৱালী স্কুললৈ গৈছে; অসংখ্য যাত্রী লৈ ট্রামগাড়ী চলিছে; খবৰ-কাগজ বেচা ল'ৰাটোৱে খবৰ-কাগজৰ প্রধান প্রধান খবৰবোৰ চিঞৰিছে....

আনোৱাৰে নেজানে সেই মুহূর্ত্তত তাৰ মনৰ মাজত অন্য এক চেতনা অন্য এক নতুন বিশ্বাস অঙ্কুৰিত হ'ল। সি নেজানে, সেই মুহূর্ত্ততে সি হৈ উঠিল........

নিজ সম্প্ৰদায়ৰ গোড়া দলটোৰ বাধা অতিক্ৰম কৰি যি গৰাকী দুৰন্ত সাহসী দূৰদৰ্শী বৃদ্ধই 'মহাম্মেদান এংলো-অৰিয়েণ্টেল কলেজ' প্ৰতিষ্ঠা কৰিছিল তেখেঁতেই বিশেষ কৌশলী মনৰ পৰিচয় দি কলেজৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিছিল এটা কাঁচিজোন। পতাকাৰ মাজৰ ভাগত আছিল এজোপা খেজুৰী গছ। আৰবেই যে সিহঁতৰ ধৰ্ম্মবিশ্বাসৰ জন্ম ঠাই এই কথা ছাত্ৰসকলক সঁকিয়াই থকাই এই গছ তাত দিয়াৰ অৰ্থ। পতাকাৰ এফালে কাঁচিজোন আৰু আনফালে সমান্তৰাল ভাৱে ৰাজমুকুট। কাঁচিজোন ইছলামৰ ঐতিহ্যৰ প্ৰতীক। ৰাজমুকুট 'বৃটিছ-ৰাজ'ৰ প্ৰতি আনুগত্যৰ চিন। এনেকৈয়ে তেৰশ বছৰীয়া প্ৰাচীন এক সংস্কৃতিৰ দেশৰ নতুন শাসন কৰ্ত্তাসকলে লগত লৈ অনা পশ্চিমীয়া বিজ্ঞানৰ লগত মিলন ঘটাবলৈ যত্ন কৰা হৈছিল। আৰু নিজ ৰাজ্য হেৰুৱাই পেলোৱাৰ পিচত হতাশ হৈ অসহায়ভাৱে দিগভ্ৰান্ত হৈ পৰা ভাৰতৰ মুছলমানসকলক পুনৰ জাগ্ৰত কৰি তুলি দেশৰ শাসনত নিজৰ দাবী সাব্যস্ত কৰাৰ শক্তি দান কৰাই আছিল সেই অনুষ্ঠানৰ লক্ষ্য।

এই কলেজখনেই এতিয়া ক্ৰমোন্নতি লাভ কৰি এখন বিশ্ববিদ্যালয়ত পৰিণত হৈছেহি। প্ৰথমতে ইয়াক অক্সফোৰ্ড আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ আদৰ্শতেই গঢ়ি তোলা হৈছিল। শুকান বালিময় মুকলি প্ৰাঙ্গনৰ বুকুত ধীৰে ধীৰে গঢ় লৈ উঠিল ডাঙৰ ডাঙৰ হল. পাঠাগাৰ, শাৰী শাৰী বক্তৃতাৰ কোঠা, গৱেষণাগাৰ। বন্ধুৰ ভূমিখণ্ড সযতনে চাচি-চুকুহি সম্মানিত দঢ়িয়া শ্বেখ, চৈয়দ আৰু মিৰজা সকলৰ দুলালসকলে ক্ৰিকেট, হকি, টেনিচ, ফুটবল আদি খেলিবৰ বাবে খেল পথাৰ তৈয়াৰ কৰা হ'ল। ক্ৰিকেট-পথাৰখন আছিল ঠিক মচজিদৰ কাষতে; সদায় মচজিদৰ উচচ চূড়াৰ ছাঁ তাত পৰি থাকে। কেতিয়াবা এনে হয়, ল'ৰাহঁতে খেল পথাৰত নতুনকৈ ৰাজ-ভাষাৰে ক্ৰিকেটৰ "হাউ ইজ দেট আম্পায়াৰ ?' চিঞৰিবলৈ অভ্যাস কৰি থাকোঁতেই সিফালৰপৰা মুৱাজ্জিনৰ অপৰাহ্নৰ প্ৰাৰ্থনাৰ বাবে আহ্বান আজান-ধ্বনি ভাঁহি আহে। কাঁচিজোন আৰু ৰাজমুকুটৰ নামত প্ৰতিস্থিত এই শিক্ষা-মন্দিৰৰ ইও এটা 'পাৰাডক্স'—দৃষ্টিভ্ৰম।

আলিগড়ত থকা আনোৱাৰৰ তিনি বছৰেই হ'বৰ হ'লহি। তথাপিও সি ইয়াৰ জীৱন যাত্ৰাৰ লগত নিজকে খাপ খুৱাই লব নোৱাৰিলে এতিয়াও। তাৰ এতিয়াও প্ৰথম সি অহাৰ সময়ৰ কথাবোৰ মনত পৰে। মনত পৰিলে ভয়ত সি কঁপি উঠে। চিৰাচৰিত প্ৰথামতে তাকো 'ৰেগ' কৰা হৈছিল। জোকাই, বেয়া বেয়া নামেৰে মাতি, অনেক ৰকমে অপদস্থ কৰি, মূৰ্খ প্ৰতীয়মান কৰি, অত্যাচাৰৰ কোবত তাক অলাকলা কৰা হৈছিল। পুৰণা ছাত্ৰসকলে তাক বুজাই দিছিল যে আলিগড় ছাত্ৰ সম্প্ৰদায়ে তেওঁলোকৰ মাজলৈ নতুন ছাত্ৰক আদৰি লওঁতে হেনো সদায়েই এনেভাৱে অভ্যৰ্থনা জনায়। কিন্তু আনোৱাৰ আছিল অতি মাত্ৰাই স্পৰ্শকাতৰ ল'ৰা। সৰুৰে পৰা মৰম-চেনেহৰ মাজতে ডাঙৰ-দীঘল হোৱা। এনেকুৱা কৰ্কশ আৰু অত্যাচাৰী খেমালিক সি কোনোমতেই ভাল চকুৰে চাব নোৱাৰিছিল। অসন্তুষ্ট চিত্তেৰে সি ল'ৰাবোৰৰ ওচৰত আত্ম-সমৰ্পণ কৰিব লগাত পৰিছিল। সিহঁতৰ সমুখত সদায়ে গোমোথা হৈ ৰৈছিল। আৰু কোঠাত সোমাই মাজে মাজে আনকি পঙ্গু-ক্ৰোধৰ বেদনাত কান্দিছিলো। ফলত আলিগড় ছাত্ৰ-জীৱনৰ সতে খাপ খাই পৰিবলৈ তাৰ বহুত দিন লাগিছিল। যিমানেই সি গহীন হৈ থাকিছিল তিমানেই পুৰণি ছাত্ৰসকলে তাক 'অত্যাচাৰ' কৰি আনন্দ পাইছিল। আনকি তাৰ ইয়াত থকা তিনি বছৰত সোমালতো মাজে মাজে সি কোনো কোনোৱে তাৰ কথা কওঁতে "ননীৰ পুতলা আনোৱাৰ" বা "ভণ্টি আনোৱাৰ" বুলি উল্লেখ কৰা শুনিবলৈ পাইছিল। আৰু সি ক'তো নবৈ পোনাই নিজৰ কোঠাত সোমাই দুৱাৰ বন্ধ কৰি দিছিল।

দুবছৰীয়া কলেজীয়া জীৱনত আনোৱাৰে মাত্ৰ এজন ল'ৰাৰ লগত স্বৰূপ অৰ্থত বন্ধুত্ব গঢ়ি তুলিব পাৰিলে। ওচমান ফলজভাই তাতোকৈ বয়সে এবছৰমান ডাঙৰ হলেও একেলগেই পঢ়িছিল। পঢ়াৰ বিষয়ো আছিল একে,—অৰ্থনীতি আৰু ৰাজনীতি-বিজ্ঞান। ওচমান বোম্বাইৰ ল'ৰা। এজন 'খোজা' সুগন্ধি দ্ৰব্যৰ ব্যৱসায়ীৰ পুতেক। ওচমান আৰু আনোৱাৰৰ এটা বিষয়ত মিল আছিল। সেয়ে হ'ল সিহঁত দুয়ো একো খেলাই নেখেলে। হলেও ওচমান আনোৱাৰৰ দৰে নহয়। বোম্বাইৰ নিচিনা এখন বাৰে বৰণীয়া মানুহ থকা ডাঙৰ মহানগৰত ডাঙৰ হোৱা ল'ৰা সি। তাৰ আত্ম-প্ৰত্যয় যথেষ্ট; আৰু কথাই-বতৰাই সকলো পিনৰপৰা নিঃসঙ্কোচ,—আগবঢ়া। খেলা-ধূলা নকৰে যদিও নোৱাৰে বুলি নহয়। কিবা এক অহমিকা ভাৱ অথবা কিবা এক বিদ্বেষী ভাৱৰ বাবেহে সি আনৰ লগত খেল-ধেমালিত যোগ নিদিয়ে। ৰাজনীতি আৰু

সাহিত্যতেই তাৰ একমাত্ৰ ৰাপ। বাকী সকলো কথাকেই সি নীচক সময়ৰ অপব্যয় বুলিয়েই ভাৱে। মকবুৰা অৱশ্যে নদন-বদন বাবে যি কোনো কিতাপেই সি ওলালেই কিনে আৰু ৰংমনেৰেই আনোৱাৰকো পঢ়িবলৈ দিয়ে। তাৰ উপৰিও ওচমানে তাৰ মৰমৰ বাতৰি-কাকত 'ডি বোম্বে ক্ৰনিকল্'খন ডাকযোগে অনাৰ ব্যৱস্থাও কৰি লৈছে। এইখন পঢ়ি দুয়োজন বন্ধুৱে দেশৰ দ্ৰুত-পৰিবৰ্ত্তনশীল ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে সকলো জ্ঞান আহৰণ কৰে।

নিজে জাতীয়তাবাদী বুলি আনোৱাৰৰ পেটে পেটে গৰ্ব্ব আছিল। হলেও তাৰ আদৰ্শৰ নিজস্ব কোনো ৰূপ নাছিল। এতিয়া ওচমানৰ লগত বন্ধুত্ব গঢ়ি উঠাৰ পিচত তাৰ ৰাজনৈতিক আদৰ্শবাদে বিশিষ্ট ৰূপ পৰিগ্ৰহ কৰিলে। আবেলি যেতিয়া আনবোৰ ল'ৰাই ক্ৰিকেট বা টেনিচ খেলিবলৈ যায় তেতিয়া আনোৱাৰ আৰু ওচমান ফুৰিবলৈ ওলাই যায়। ৰেল লাইন পাৰ হৈ সৰিয়হ, ডাইল আদিৰ খেতি থকা পথাৰৰ মাজে মাজে সিহঁত বহুত দূৰলৈ যায়গৈ।....সিহঁতে ফুৰি ফুৰি নানান কথা আলোচনা কৰে। শ্ৰেণীত আৰু কিতাপত পোৱা কথাবোৰৰ লগত ভাৰতৰ বৰ্ত্তমান ৰাজনৈতিক ঘটনাৱলী বিজাই চায়। সূত্ৰসমূহ প্ৰয়োগ কৰিবলৈ যত্ন কৰে। অৱশেষত সিহঁতে সদায়েই এটা কথা স্বীকাৰ কৰিবলৈ বাধ্য হয় যে পুথিৰ সূত্ৰাৱলী আৰু কঢ় বাস্তৱৰ মাজত চিৰকালেই এটা সুবিস্তৃত কন্দৰ বিদ্যমান। ওচমানে সদায় সকলো কথা নিশ্চিতভাৱে জোৰ দি কয়। তাৰ দৃষ্টিভঙ্গী তথা মতবোৰো বেছ সৰল। কেতিয়াবা তাৰ আনোৱাৰৰ ওপৰতো খং উঠি যায়। অধৈৰ্য্য হৈ সি ভাৱে, এয়া মাত্ৰ আনোৱাৰৰ মনৰ অৰ্থহীন শান্তিপ্ৰিয়তাৰ দুৰ্ব্বলতা, তাৰ দুৰ্ব্বল মনৰ দ্বিধা; যি কোনো এটা সমস্যাক সদায় দুয়োফালৰপৰা চাব খোজা এটা বিৰক্তিকৰ ইচ্ছা। ওচমানৰ খোলা মন আৰু স্পষ্ট দ্ব্যৰ্থক নোহোৱা মতবাদৰ বাবে আনোৱাৰৰ তাক ভাল লাগে। হলেও নিজে সি সদায়েই চিন্তাশীল, কথাবোৰ মন্ময় দৃষ্টিৰে চাই ভাল পায়। ব্যক্তিগত সম্বন্ধৰ ক্ষেত্ৰত সি সকলোৰে সৈতে মৰমৰ সূতাৰে গঁঠা। যাক সি সন্মান কৰে, ভাল পায়, তেওঁলোকৰ ওপৰত তীক্ষ্ণ মন্তব্য কৰিবলৈ সি টান পায়। ওচমানৰ মতে গোপালৰ বাপেকৰ দৰে মানুহ সদায়েই হীন দাস মনোবৃত্তিৰ। কাকা ৰামেশ্বৰৰ দৰে মানুহ দেশ-প্ৰেমহীন সুদখোৰৰ দৰে। বিদেশী কাপোৰৰ ব্যৱসায় কৰি তেওঁ প্ৰকাৰান্তৰে 'শত্ৰু'কেই সহায় কৰিছে। আনোৱাৰে বেয়া পাব পাৰে বুলি খোলাখুলিকৈ নকলেও ওচমানে ভাবে আকবৰ আলিৰ দৰে মানুহ নভবা-নিচিন্তাকৈ কিবা এটা মতবাদ খামুচি ধৰি থকা অন্ধ

প্ৰতিক্ৰিয়াশীল মানুহৰ বাহিৰে আন একো নহয়। আনোৱাৰে জানে যুক্তিৰে বিচাৰ কৰি চালে ওচমানৰ প্ৰত্যেকটো কথাই সঁচা। তথাপি অনামী কিবা এটাই তাক এনেভাৱে টানি ধৰে যাৰ শক্তি যুক্তিতকৈও বহুত বেচি। সি ওচমানক মানি ল'ব নোৱাৰে।

সেইবুলি সিহঁতে সদায় ৰাজনীতিকে আলোচনা নকৰে। কেতিয়াবা ওচমানে বোম্বাইৰ কথা কয়। তাৰ বৰ্ণাঢ্য কৰ্ম্মব্যস্ত জীৱনৰ বৰ্ণনা দি তাৰ লগত আলিগড়ৰ 'মৃত্যু-নিশ্চল' পৰিৱেশৰ তুলনা কৰে। তাৰ বাপেকৰ কাৰণেই সি ইয়ালৈ আহিছে। পুতেকক কোনোবা "মুছলমান" অনুষ্ঠানত শিক্ষা দিয়া তেওঁৰ একান্ত ইচ্ছা। নহলে সি বোম্বাইতে পঢ়িবলৈ ভাল পালেহেঁতেন বুলি খোলাখুলিকৈয়ে কয়। "ইচ" বিৰক্তি প্ৰকাশ কৰি ওচমানে কয়, "ইয়াত কিটো আছে? জীৱন নাই, কাম নাই, সমাজ নাই। আনকি ইয়াত এখন ধুনীয়া ছোৱালীৰ মুখো দেখিবলৈ নাই।"

সকলো পিনৰপৰাই সম্পূৰ্ণ এই বিশ্ববিদ্যালয়খনত এই এটা বস্তুৰ নাম গোন্ধেই নাই। এজনীও "ছোৱালী" নাই। বিশ্ববিদ্যালয়ৰ লগতে সংযুক্ত ছোৱালী কলেজ এখন হওঁতে আছে। কিন্তু কি হ'ব। তাত কঠোৰভাৱে পৰ্দ্দা প্ৰথা পালন কৰা হয়। কুৰি ফুট ওখ পকা বেৰ দি পুৰুষৰ দৃষ্টিৰপৰা 'সন্মানিত' মুছলমান পৰিবাৰৰ দুলালীসকলক সযতনে বচাই ৰখা হয়। যাই মহানগৰ খনৰপৰা বিশ্ববিদ্যালয় নগৰীখন অলপ দূৰত। তালৈ যাবৰ হ'লেও ছাত্ৰাবাসৰ অধ্যক্ষৰ অনুমতি ল'ব লাগে। সেইবাবে কেতিয়াবা কাচিৎ ওচৰতে থকা ষ্টেচনলৈ গলে মাত্ৰ এখনি নাৰীমুখ দেখিবলৈ পোৱা যাব পাৰে বুলি আশা কৰিব পাৰি। অৱশ্যে ষ্টেচনলৈ ট্ৰেন অহা-যোৱা কৰা চাবলৈ যোৱাটো পৰম্পৰাগত ৰূপেই বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ বাবে একমাত্ৰ অনুমোদিত প্ৰমোদ হিচাপে পৰিগণিত হৈ আহিছে।

খেলা-ধূলাত যোগ নিদিয়া আনোৱাৰ-ওচমানৰ নিচিনা ল'ৰা নিচেই কম নহয়। সিহঁতৰ বাবে এই ষ্টেচনটো আবেলিৰ অৱসৰ বিনোদনৰ প্ৰকৃষ্ট ঠাইত পৰিণত হৈছিল। ভাগ্য ভাল থাকিলে দুই-এখন ছোৱালীৰ ৰূপহী মুখ দেখাতো হয়েই; তাৰ উপৰিও ষ্টেচনটোৰ অন্য আকৰ্ষণো কেবাটাও আছে। নিৰলভাৱে কোনোবা ৰেষ্টোৰাত বহি এপিয়লা ভাল চাহ খাব পৰাৰ সুবিধা একমাত্ৰ ইয়াতেই আছে। অন্য ঠাইত ৰেষ্টোৰাঁ নাই। ছাত্ৰাবাসৰ চাহৰ খ্যাতি পৃথিৱীৰ সকলো ছাত্ৰই জানে। তাত মোৰা-মাছ এমাহ মেলি ৰাখিলেও নমৰে। দ্বিতীয়তে, নহয় ভুল হৈছে,

তৃতীয়তে চৈচনত এখন সৰু কিতাপ-পত্ৰিকাৰ দোকান আছে। নকৈ ওলোৱা সকলো কিতাপ, আলোচনী আৰু বাতৰি-কাকত তাত সদায় মজুত থাকে। আৰু, আৰু সেই প্ৰথনটো। কপালৰ জোৰ থাকিলে হঠাতেই কেতিয়াবা সপোন সফল হয়। ভদ্ৰলোকৰ দৰে প্লেটফৰ্মত তহলি থাকোঁতে হঠাৎ কেতিয়াবা দেখা যায় যাওঁ-নেযাওঁকৈ পাৰ হৈ যোৱা কোনো এক ডবাৰ খিৰিকীত আধা-সপোন-আধা-বাস্তৱ অপৰূপ এক নাৰীমুখ। দৃষ্টিৰ তৃপ্তিত দুচকু জাপ খাই যাব খোজে। অথবা পলক পৰিবলৈ পাহৰি যায়।



অক্টোবৰ মাহৰ পহিলা তাৰিখৰপৰা শ্ৰেণীবোৰ নিয়মমতে নচে; পাঠ্যক্ৰম আৰম্ভ হয়। নিৰ্দ্দিষ্ট সময়ত আহি পাই আনোৱাৰে দেখিলে ওচমান অহা নাই। আৰ-তাৰ মুখত শুনিলে বিশেষ কাৰণত ওচমান হেনো দুসপ্তাহমান পলমকৈ আহিব। ছাত্ৰাবাসৰ কোঠাবোৰৰ ভাগ-বতোৱাৰাও নতুনকৈ কৰা হৈছে। "চাৰ চৈয়দ কোর্ট"ৰ এটা কোঠা তাৰ নামত পৰিছে। এই কোঠাৰ ছাত্ৰ তাকে ধৰি তিনিজন। একে-বাৰে ন-চিনাকি দুজন ছাত্ৰৰ লগত সি থাকিব লাগিব। যোৱা দুবছৰ সি আৰু ওচমান একেটা কোঠাতে থাকোঁতে থাকোঁতে মকৰা যেন হৈ গৈছিল। এতিয়াও ওচমানকে পাম বুলি সি আশা পালি আহিছিল। এই ব্যৱস্থা দেখি তাৰ বৰ বেজাৰ লাগিল। কিন্তু বেজাৰ লাগিলে কি হ'ব, উপায়োতো নাই। দেখাই য'কচোন নতুন বন্ধু দুজননো কেনে হয় বুলি আহি যাক যাক দেখিলেহি সিহঁতৰ চেহেৰা দেখিলেই তাৰ আমঠুলৈকে ক'লা পৰি গ'ল।

ল'ৰা দুজনৰ এজনৰ নাম মুস্তাক আহ্‌মদ। লক্ষ্ণৌৰ ল'ৰা। ক্ষীণ কটাৰীনলীয়া মাঁনিয়াবঙৰ ল'ৰাজনে চকুত শক্তিশালী ডাঠ চশমা পিন্ধে।

প্ৰথম পৰিচয়তে মুস্তাকে জনাই দিলে, তাক যেন আনোৱাৰইতে ভুলতো মুস্তাক বুলি নেমাতে। তাক মাতিব লাগিব 'ৰাজ' বুলি। ৰাজ— উদীয়মান কবি মুস্তাক আহ্‌মদৰ ছদ্মনাম। ৰাজক দেখি আনোৱাৰ তলকা লাগিল। কেনেকুৱা! ছোৱালীৰ নিচিনাকৈ কেনেকৈ লেনিয়াই কথা কয়, হালি-জালি খোজ কাঢ়ে। চুলিবোৰো ছোৱালীৰ সমান নহ'লেও অস্বাভাৱিক ধৰণে দীঘল। কিবা এবিধ সন্তীয়া উগ্ৰ গোন্ধৰ তেল টিপ্-টিপিয়াকৈ লয় মূৰত। দূৰৰ পৰাই একেবাৰে ফোঁ-ফোঁৱাই থাকে। বগা গাৰু-গিলিপটো তেল-চিকতিৰে একেবাৰে চাব নোৱাৰা হৈ আছে।........ আনজন ল'ৰাৰ নাম আচগৰ হুছেইন। ৰাজৰ সম্পূৰ্ণ বিপৰীত,—আকাশ পাতাল পাৰ্থক্য। অবিৰাম খেলা-ধূলা লৈয়ে ব্যস্ত আৰু বেচ পাকৈতো। শৰীৰটো আটিল; সুগঠিত। সুন্দৰো। কিন্তু দেহ চৰ্চাই তাৰ সকলো; মন বা মগজৰ প্ৰতি কোনো আকৰ্ষণ নাই। আচগৰৰ মতে কবি, দাৰ্শ-নিক আদি তথাকথিত বুদ্ধিজীৱীৰ শ্ৰেণীটো দৰাচলতে মানুহেই নহয়। মানুহতকৈ নিম্ন স্তৰৰ মানুহ আকৃতিৰ এটা জীৱ বিশেষ মাত্ৰ। এই নিশকতীয়া কাঁই-বাঁই শ্ৰেণীটোক দুচকু পাৰি দেখিব নোৱাৰে আচগৰে; মুখৰ আগতে নিন্দা কৰে। আনোৱাৰতকৈ আচগৰ কেইবাবছৰো ডাঙৰ। অনেকবাৰ চেষ্টা কৰিও বি-এৰ জপনাখন ডেই যাব নোৱাৰি বছৰৰ পিচত বছৰ ছাত্ৰাবাসৰ আহাৰ হজম কৰি কটাই দিছে। অৱশ্যে বি-এ পাচ কৰিব পৰা নোৱাৰা লৈ তাৰ মনত লেশমানো উদবিগ্নতাও নাই। পৰীক্ষাত উত্তীৰ্ণ হোৱাতকৈ বছেৰেকীয়া খেল-ধেমালি প্ৰতিযোগিতাত কেনেকৈ শ্ৰেষ্ঠ-প্ৰতিযোগী হোৱা যায় এয়েহে তাৰ দিন-ৰাতিৰ চিন্তাৰ বিষয়।

তিনিটা তিনি ধৰণৰ ল'ৰাৰ এই সংযোগ অভূতপূৰ্ব্ব। আচগৰে মনে-প্ৰাণে বিশ্বাস কৰে মানুহ নিশা দহ বজাত শুই পুৱা ছয় বজাত উঠিব লাগে। প্ৰাতঃক্ৰিয়া কৰি অলপ 'ডামবেল' আদি লৈ কচৰৎ কৰি ওলাই গৈ মুকলি পথাৰত ক'মেও তিনি মাইল বাট দৌৰি আহিব লাগে। ৰাজে ৰাতি দুই বজাৰ আগতে শোৱাৰ নামকে নলয়। সদায় মাজনিশা শলিতা জ্বলাই মহাকবি গালিবৰ অনুকৰণত উৰ্দ্দু গীত আৰু কবিতা ৰচনা কৰে। আৰু ৰাতিপুৱা দহ বজাৰ আগতে জগাই দিলে খঙত টিক্‌চি-বিক্‌চি উঠে। খোৱা-লোৱাৰ বিষয়তো আচগৰ উদাৰ। এসেৰ এসেৰ গাখীৰ, ছচকল মাখনেৰে ভজা পাওৰুটি, আৰু তিনিটা অৰ্দ্ধ-সিদ্ধ কণী পুৱাই পেটলৈ চালান দিয়ে! সেই অনুপাতে বাকী কেসাজ। ৰাজে দিনটোত কিমান পিয়লা চাহ খায় তাৰ নিৰ্ভুল হিচাপ দিয়া সম্ভৱপৰ নহয়। কিন্তু চাহৰ লগত বিস্কুট খায় নিগনিয়ে কুটি খোৱাৰ দৰে নাম মাত্ৰ। খেলোৱাৰ

আচগৰে কথা নকয় ;—কথা কবৰ হলে সিংহৰ দৰে গোজৰে। কবি ৰাজেও কথা নকয় ;—কথা কবৰ হ'লে পোৱালী ছাগলীৰ দৰে মুনমুনকৈ বেবায়। আচগৰৰ মতে পৃথিৱীত প্ৰকৃত অৰ্থত এজনেই মাত্ৰ মহৎ লোক আছে,—তেওঁৰ নাম চেণ্ডো। দ্বিতীয়জনৰ মতে পৃথিৱীত জন্ম' লৈয়ো যদি কোনো মানুহে আনিচ,আতিচ বা মমিনৰ দৰে লক্ষ্ণৌৰ প্ৰাচীন মহা-কবিৰ কাব্য নপঢ়াকৈ থাকে তেন্তে তেওঁৰ জন্মই বৃথা। এনেই চেহেৰা দেখুৱাবলৈহে আহিল পৃথিৱীলৈ। দুই নাৱত দুই ভৰিৰ দৰে বেচাৰা আনোৱাৰৰ বৰ শ'ল-ঠেকত পৰিল। ইপক্ষেও সি মাত মাতিব নোৱাৰে ; সিপক্ষেও নোৱাৰে। সি জানে ৰাজ আচগৰ কাৰো ধাৰণাই নিৰ্ভুল নহয়। দুয়ো পক্ষ পক্ষপাত দুষ্ট। অথচ নিবোকা-চামোন হৈ থকাৰো উপায় নাই। সভাত থাকি নকয় উচিত দোষে পায় কিঞ্চিত-কিঞ্চিত। প্ৰত্যেক কথাতে আচগৰ-ৰাজে তাৰ সমৰ্থন আহ্বান কৰে।

আচগৰ আৰু ৰাজৰ ভিতৰত আনোৱাৰে পেটে পেটে আচগৰকে বেছি ভাল পাইছিল। মানসিক বৃত্তিত আনোৱাৰ দুখীয়া নহয়। কিন্তু বিটো বস্তুৰ তাৰ একান্ত অভাৱ সেইটোতেই আছিল আচগৰ একেবাৰে কুবেৰ সদৃশ। দেহাৰ ভাঁজে ভাঁজে উচছল স্বাস্থ্যৰ হাঁহিয়ে যেন খল্‌খল্‌ কৰিছে। ভাগৰ-অৱসাদ কাক বোলে আচগৰে নেজানে। এনে কোনো পুৰুষ সুলভ খেলা-ধূলা নাই য'ত আচগৰ পাকৈত নহয়। সাতোঁৰা, ঘোঁৰা-দৌৰোৱা, ক্ৰিকেট খেলা, জঁপিওৱা, দৌৰা, সকলোতে অৱলীলাক্ৰমে যোগ দি প্ৰশংসাভাজন হব পাৰে। আচগৰেও আনোৱাৰক চেনেহ-চকুৰে চাইছিল। দুৰ্ব্বল, নিশকটীয়া আনোৱাৰৰ শিশুসুলভ মৰম লগা চেহেৰা-টোৱেই হয়তো তাৰ মনত আনোৱাৰৰ প্ৰতি এটা আশ্ৰয়দাতা অভয়দাতা সুলভ অনুভূতি জগাই তুলিছিল। আৰু কাৰোৱাক আপোন বুলি ভবাৰ পিচত সেই ভাব পেটতে পুহি ৰখা ভকততো আচগৰ নহয়েই। অনতি-পলমে সি ছাত্ৰাবাসৰ সকলো অধাইতং চূড়ামণিক সতৰ্কবাণী শুনাই দিছিল—আনোৱাৰ তাৰ বন্ধু। এতিয়াৰপৰা যদি কোনোবাই তাক জোকাই ঠাট্টা কৰে, অত্যাচাৰ কৰে, তেন্তে সেয়া সিহঁতৰ নিজৰ দায়িত্বত। কথা ভাল নহব। আচগৰ আছে। একে লগে তিনি-চাৰিটা ডিঙি মোটোকাই দিব সি পাৰে।....কবিজনক কিন্তু আনোৱাৰৰ ধনিষ্ঠামানো ভাল নেলাগি-ছিল। কেনেকুৱা আচহুৱা সাপ-সাপ ছোৱালী-ছোৱালী চেহেৰা। তেলেৰে টুপ্‌ টুপীয়া অস্বাভাৱিক দীঘল চুলি। আটাইতকৈ কুৎসিত আটাইতকৈ তিক্ত লাগে ৰাজৰ কিবা ভাবি ভাবি ঘণ্টাৰ পিচত ঘণ্টা বেৰ-ছাললৈ চাই বহি থকা অভ্যাসটো। কিনো চায়, কিনো ভাৱে! কিজানি একো-

সেই নেচায় : একেবাৰে নেভাৰে। ঠাণ্ডা লাগি বহি থকা দেখি দেখি এমনি লাগি যায়গৈ। বিকৰ্ষণীয় খিণ-খিণ লাগে আনোৱাৰৰ।

অৱশেষত যেই হওক ওচমান আহি ওলালহি বোম্বাইৰপৰা। আনোৱাৰে স্বস্তিৰ নিশ্বাস পেলালে। ৰাজনীতিৰ এশ-একুৰি গৰম গৰম খবৰ লগত লৈ আহিছে ওচমানে। তাক এইবাৰ এটা সুকীয়া কোঠা দিয়া হৈছে থাকিবলৈ। হলেও মাল-পত্ৰখিনি নিজৰ কোঠাত থৈ অলপ পিচতে সি আনোৱাৰৰ ওচৰ ওলালেহিয়েই। অনেক কথাই খুন্দিয়া-খুন্দি লগাই আছে তাৰ মনত। আনোৱাৰক নকয় মানে সুত নেলাগে। সিহঁত দুয়ো ফুৰিবলৈ ওলাই গ'ল। ঘাই বাটেদি নগৈ পথাৰৰ মাজৰ নিৰ্জ্জন বাট ধৰিলে। ফুৰি ফুৰি শেষত দুয়ো ষ্টেচন পাব আৰু তাত এপিয়লা এপিয়লা চাহ খাব। কোনেও কাকো কোৱা নাই যদিও দুয়ো পেটে-পেটে এই আঁচনিকে কৰি থৈছে। অক্টোবৰ মাহ প্ৰায় শেষ হবৰ হ'লহি। বতাহত ইতিমধ্যেই সন্ধ্যা হ'লে শীত-শীত ভাব এটা অনুভূত হয়। শস্যৰ পথাৰত যেন ৰঙা সেন্দুৰীয়া আদি বিভিন্ন ৰঙৰ জুইহে জ্বলিছে। অস্ত ৰবিয়ে যেন প্ৰত্যেকটো বস্তুতে উজ্জ্বল সোণোৱালী ৰহণ ছটিয়াই বিদায় মাগিছে।

বোম্বাইৰ ডেকা ওচমানে অন্যান্য ছাত্ৰৰ দৰে কেৱল কিতাপ পঢ়ি অলস ভাৱে কটাই দিয়া নাই বন্ধৰ দিনবোৰ। ৰাজনীতিৰ বিভিন্ন কামত সক্ৰীয় ভাৱে অংশ গ্ৰহণ কৰিছিল। প্ৰথমতে সি আনোৱাৰক বৰদলিৰ কৃষক সত্যাগ্ৰহৰ কথা ক'লে। এই সত্যাগ্ৰহে জৰাটৰ গাওঁবোৰত বিপ্লৱৰ অগনি জ্বলাই তুলিছে। বৰদলি ওচমানৰ পূৰ্ব্বপুৰুষসকলৰ আদি বাসস্থান। নিজৰ ন্যায্য দাবী সাব্যস্ত কৰিবৰ বাবে এই খেতিয়কসকলে দুৰন্ত সাহসেৰে চৰকাৰ আৰু জমিদাৰৰ বিপক্ষে মূৰ দাঙি উঠি কেনেকৈ মাৰ খাইছে, জেল খাটিছে, নিজৰ ধন-সম্পত্তি হেৰুৱাইছে ;—অথচ বীৰৰ

দৰে কেনেকৈ আপোন আদৰ্শৰপৰা চুলি এডাল মানো বিচলিত হোৱা নাই,—ওচমানে আৱেগপূৰ্ণ ভাষাৰে আনোৱাৰক কৈ গ'ল। অৱশেষত খেতিয়কসকলৰেই জয় হ'ল। সকলো বন্দীকেই বিনাচৰ্ত্তে মুক্তি দিয়া হ'ল। আৰু চৰকাৰে তেওঁলোকৰ অভাৱ-অভিযোগৰ যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈকো প্ৰতিশ্ৰুত হ'ল। সকলো খুটি-নাটি মাৰি হবহুকৈ ওচমানে এই সংঘাতৰ বৰ্ণনা দি গৈছিল। আৰু আনোৱাৰৰ কল্পনা-চকুত ভাঁহি উঠিছিল এক অপূৰ্ব্ব-সুন্দৰ দৃশ্য। হেজাৰ হেজাৰ সুস্থ-সবল মাটিৰ মানুহ নিজৰ ন্যায্য দাবী প্ৰতিষ্ঠাত এক মুঠ হৈ থিয় দিছে। আঘাত আহিছে। দুৰন্ত বাধা আহিছে। কিন্তু সেও মনা নাই। অন্যায় উৎ-পীড়কৰ প্ৰচণ্ড শক্তিৰ হেঁচাত এক খোজ পিচ হুইকি অহা নাই।....আহি আহি আনোৱাৰহঁত এখন সৰু গাৱঁৰ মাজ পালেহি। সৰু সৰু মাটিৰ ঘৰবোৰৰ পৰা নীলা-নীলা ধোঁৱা অঁকাই-পকাই নীল-লোহিত তীখাৰ দৰে প্ৰশান্ত আকাশৰ বুকুলৈ ধীৰে ধীৰে উঠি গৈছিল। পথাৰৰপৰা কান্ধত নাঙল লৈ ক্লান্ত খেতিয়কবোৰ এজন দুজনকৈ ঘৰলৈ উভতি আহিছে। প্ৰত্যেকৰে আগে আগে একো একোহাল গৰু। প্ৰত্যেকটো মানুহ দেখাতে সহজ-সৰল, হোজা। প্ৰত্যেকেই খীণকায়। অধমাৰ্দ্ধত একো ডোখৰ মাটি বুলীয়া মলিয়ন কাছুটিৰ বাহিৰে একো নাই। ভদ্ৰ সাজপাৰ পিন্ধা দুজন ডেকাক গাৱঁৰ বাটত দেখি সিহঁতে অবাক হৈ চাইছিল। প্ৰত্যেকেই কৰপুটে অভিবাদন জনাইছিল। আনোৱাৰহঁত ৰেল-ষ্টেচনৰ পিনে আগ বাঢ়িল। কিমান লেতেৰা, পুতিগন্ধময় এই গাওঁ। অৱস্থাই সিহঁতক চাফ-চিকুণ হবলৈকো সুযোগ দিয়া নাই। কিন্তু আৰু কিমান দিন?—আনোৱাৰে ভাবিলে। যি জুই আজি লেলিহান শিখাৰে জ্বলি উঠিছে সুদূৰ বৰদলিত, সেই পাৱক-অগ্নি আহি এই যুক্তপ্ৰদেশৰ গাৱঁকো অগ্নিস্নান কৰাবলৈ আৰু কিমান লাগিব? তুৰঙ্গ-গতি সেই অগণিৰ?

ওচমানৰ তেতিয়াও সকলো খবৰ কোৱা হোৱাই নাই। গাৱঁৰপৰা ওলায়েই সি অন্য এটা সমান ৰাজনৈতিক গুৰুত্বপূৰ্ণ ঘটনা বৰ্ণনা কৰাত লাগি গ'ল। এই ঘটনা বোম্বাই মহানগৰীৰ মাজ মজিয়াত ঘটা। ওচমানে নিজ চকুৰে দেখা। বোম্বাইৰ কাপোৰৰ মিলবোৰত হেজাৰ হেজাৰ বনুৱাই কাম কৰে। সকলো কৰ্ম্মীয়ে এইবাৰ অভূতপূৰ্ব্ব একতাৰে ধৰ্ম্মঘট অনুষ্ঠিত কৰে। কত কি কৰা হ'ল। কিন্তু যি পৰিমিত সিহঁতৰ অভাৱ-অভিযোগৰ কথা কাণ পাতি শুনি ব্যৱস্থা গ্ৰহণৰ বাবে জনোৱা দাবী কৰ্তৃপক্ষই মানি নল'লে সেই পৰিমিত হেজাৰ হেজাৰ বনুৱাৰ নিম্নতমজনেও এডাল সুতাকো হাতেৰে স্পৰ্শ নকৰিলে। ওচমানে জোৰ দি কৈছিল, এই যি কৃষক-

বনুৱাৰ সংগ্ৰাম আৰম্ভ হৈ গৈছে ইয়াৰ এটা সম্পূৰ্ণ বেলেগ তাৎপৰ্য্য আছে। আপাত-দৃষ্টিত মাটিৰ খাজনা কমোৱা আৰু দুটামান পইচা বেছিকৈ পাবৰ বাবেই এই বিক্ষোভ প্ৰদৰ্শন যেন বোধ হলেও সেয়া নিমিত্ত মাত্ৰ। প্ৰকৃততে ই ভাৰতবৰ্ষৰ ৰাজনীতিক পটভূমিত এটা প্ৰচণ্ড নতুন শক্তিৰ আবিৰ্ভাৱেই সূচনা কৰিছে। এইবাৰ আৰু কংগ্ৰেছ "বৃটিশ শাসনৰ তলতে থাকি স্বায়ত্ত শাসনৰ" দাবী জনাই প্ৰস্তাৱৰ পিচত প্ৰস্তাৱ মাথোন গ্ৰহণ কৰি যোৱা এমুঠি ভয়াতুৰ আইনজীৱীৰ অনুষ্ঠান হৈ নেথাকে। থাকিব নোৱাৰে। "স্বাধীন ভাৰত সংঘ" গঠন কৰা হৈ গৈছে। এই সংঘৰ কৰ্ণধাৰ স্বয়ং জৱাহৰলাল নেহৰু আৰু সুভাষচন্দ্ৰ বসু। সমগ্ৰ দেশৰ যুবাশক্তিক এই সংঘই সংগঠন কৰিছে। কংগ্ৰেছৰ বৃদ্ধ নেতৃবৰ্গক আগৰ ভয়াতুৰ মনোভাৱ এৰি পূৰ্ণ স্বাধীনতাৰ দাবী উত্থাপন কৰিবলৈ বাধ্য কৰিবলৈ এই সংঘই কাম কৰি গৈছে।.... আনোৱাৰৰ হঠাৎ কিয় জানো ৰতনলৈ মনত পৰি গ'ল। আজি কেইবা বছৰো ধৰি সি ৰতনক লগ পোৱা নাই। আনকি আজিকালি চিঠি-পত্ৰও তেনেকৈ নেপায়েই। পালেও নিচেই চমু চমু। ওচমানৰ কথা শুনি শুনি আনোৱাৰৰ মনলৈ আহিল—"আহা! সেই এটা লৰাক মই কিমান ভাল পাওঁ! কিমান আদৰ্শৰ মিল ওচমান আৰু ৰতনৰ! মই যদি এবাৰ ইহঁত দুটাক লগ লগাই দিব পাৰিলোঁহেঁতেন!"

খোজ কাঢ়ি কাঢ়ি যথেষ্ট ভাগৰ লাগিছিল ; হলেও উত্তেজনাৰ কোৰত ভাগৰৰ প্ৰতি সিহঁতে কেৰেপেই কৰা নাছিল। হাঁহি হাঁহি ৰং মনেৰেই দুয়ো ষ্টেচনত সোমালেহি। পশ্চিমাকাশত ৰঙা ৰং কিছুমান এৰি থন্তেক আগতে মাথোন বেলি যাব গৈছে। এহাতে সিহঁত আনহাতেদি পঞ্জাব-মেইলখন আহি পূৰ্ব্ব-পৰিকল্পিতভাৱে যেন একেলগে ষ্টেচনত প্ৰৱেশ কৰিলে। আনোৱাৰৰ বাবে যেন এই ৰেলখনতে কিবা এটা অনামী উত্তেজনাৰ খোৰাক, কিবা এটা ৰঙীন কল্পনাৰ বোল সনা আছে। ৰেলখন

দেখিলেই তাৰ গাটো শিবশিৰাই উঠে। কোন সুদূৰ হুগলী নদীৰ পাৰৰ কোনো এক বিৰাট মহানগৰীৰপৰা এই ৰেল অবিশ্ৰাম আহি আছে। আকৌ যাবগৈ দিল্লী পাৰ হৈ পঞ্জাবৰ উন্মুক্ত প্ৰান্তৰৰ মাজে মাজে কোন দূৰ পশ্চিমলৈ! ৰেলখন দেখিলেই আনোৱাৰৰ মনত পৰি যায়,—তাৰ যাবৰ মন যোৱা অনেক দূৰ-দূৰ সুন্দৰ-সুন্দৰ ঠাইলৈ; মনত পৰি যায় তাৰ কৰিবৰ ইচ্ছা থকা অনেক ডাঙৰ ডাঙৰ উত্তেজনাপূৰ্ণ কামবোৰলৈ। ৰেলখন যেন সেই সকলোৰে প্ৰতিনিধি; সকলোবে বতৰা লৈ আহিছে। কঁপি কঁপি ফোঁপাই ফোঁপাই আহি ৰেলখন জনাকীৰ্ণ ষ্টেচনৰ বাকৰিত গা-ঘঁহাই বৈ গ'লহি। একাষৰীয়াহৈ থিয় দি আনোৱাৰইঁতে যাত্ৰীৰ উঠা-নমা উখল-মাখল লক্ষ্য কৰিবলৈ ধৰিলে। নিজৰ অজান্তেই সিহঁতৰ চকুৱে পিট্‌পিট্‌কৈ বিচাৰিব ধৰিলে কৰবাত এখনি ধুনীয়া গাভৰু-মুখ। হঠাৎ এঠাইত আনোৱাৰৰ চকুহাল থিৰ হৈ বৈ গ'ল। অন্তৰখন যেন জাঁপ মাৰি বুকুৰ ভিতৰৰ পৰা বাহিৰ ওলাই আহিব খুজিলে। সি দেখিলে এটা ডবাৰ এখন খিৰিকীত এজনী ছোৱালী। ইমান ধুনীয়া! ইমান ধুনীয়া চেহেৰা আনোৱাৰে জীৱনত দেখা নাই। এজনী শুদ্ধ বগা কাপোৰ পিন্ধা ছোৱালী। বয়স পোন্ধৰ-যোল্ল বছৰৰ বেছি হব নোৱাৰে। স্বল্পাথত ষোড়শী। সুন্দৰ কণী আকৃতিৰ মুখ। সেন্দুৰী-গাখীৰৰ দৰে বং। অপ-ৰ্য্যাপ্ত ক'লা মেঘৰ দৰে ঢউ-খেলা চুলিযে সেই মুখ আবৰি ৰাখিছে। ডাঙৰ-ডাঙৰ কলা আকুল চকুহালে যেন ষ্টেচনত কাৰোবাক বিচাৰিছে। ডবাটো লাহে লাহে চলি গৈ অলপ আগত ৰ'লগৈ। শত শত যাত্ৰীৰ উঠা-নমা হুলস্থূলত আনোৱাৰে ছোৱালীজনী নেদেখা হৈ গ'ল। ঠিক এনে সময়তে ভাগৰি-জুগৰি ফোঁপাই সিহঁতৰ ওচৰত উপস্থিত হ'লহি বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ গুৰিয়াল অধ্যাপক চেলিম। স্বাস্থ্যবান মানুহগৰাকী তেজে-গাল-ফুটো-ফুটো একেবাৰে ৰঙা হৈ থাকে। সাজ-পাৰলৈয়ো বৰ সাৱধান,—সদায় সুন্দৰ ফিট-ফাট কাপোৰ-কানি পিন্ধি থাকে। অধ্যাপকক দেখিয়েই আনোৱাৰে বুজিলে ষ্টেচনলৈ তেওঁ কাৰোবাক আগবঢ়াই নিবলৈ আহিছে। ব্যগ্ৰ হৈ ইফালে সিফালে চাইছে।

"তোমালোকে, তোমালোকে মোৰ ছোৱালীজনী ৰেলৰপৰা নমা দেখিছা নেকি?" তেওঁ আনোৱাৰইঁতক সুধিলে। দেখা দেখি মানুহৰ উদুলি-মুদুলিত মানুহজন জীয়েকৰ কথা লৈ বিবুধি হৈছে। নকলেও আনোৱাৰে বুজিলে তেওঁ একান্তভাৱেই সিহঁতৰ সহায় কামনা কৰিছে।

আনোৱাৰ-ওচমানে অধ্যাপকৰ জীয়েকক দেখা দূৰৰ কথা তেওঁৰ যে এজনী জীয়েক আছে এই প্ৰথম শুনিলে। কিন্তু কন্তেক আগতে

আনোৱাৰে এজনী আশ্চৰ্য্যসুন্দৰ ছোৱালী দেখিছিল। ডাঙৰ-ডাঙৰ কলা অজলা-সজলা চকুৰে আকুলভাৱে ছোৱালীজনীয়ে ষ্টেচনত কাৰোবাক চাইছিল। এনে নেভাবি অনুমানতে আনোৱাৰে কৈ পেলালে' "হয়, হয়, চাৰ, দেখিছোঁ। আপোনাৰ জীয়েক আগৰ সোঁটো ডবাতে আছে।" দৌৰাদৌৰিকৈ উৎকণ্ঠিত অধ্যাপক ডবাটোৰ পিনে আগবাঢ়ি গ'ল। মানুহৰ ভীৰ ঠেলি আনোৱাৰেও তেওঁৰ পিচ ল'লে। সৌভাগ্যক্রমে আনোৱাৰৰ অনুমান ভুল হোৱা নাছিল। ওচৰ পাই আনোৱাৰে দেখিলে এটা মধুৰ স্বপ্নৰ দৰে ধুনীয়া ছোৱালীজনীয়ে, অধ্যাপক চেলিমৰ ডিঙিত সাৱটি ধৰিছে।.... মুটিয়াই ইতিমধ্যেই মাল-বস্তু মূৰত তুলি লৈছিল। গকলোটিয়ে ষ্টেচনৰ বাহিৰলৈ খোজ ল'লে। ছোৱালীজনী যাত্ৰাৰ আনন্দত উচ্ছ্বসিত আপোনপাহৰা হৈ আছে। সুদূৰ কানপুৰৰপৰা দিল্লী আহি পাওঁতে বাটত কত কি হ'ল কৈয়ে অন্ত পোৱা নাই। কোনটো ঘটনা আগে কয়,— ইটোতকৈ সিটো অবিস্মৰণীয়। কত দিনৰ মূৰত বাপেক-জীয়েক লগ হৈছে। কত কথা আছে পাতিবলৈ। তাৰ মাজত তৃতীয় পুৰুষে কিবা কবলৈ যোৱাৰ কোনো মানেই হব নোৱাৰে। তথাপি বেচাৰা আনোৱাৰৰ নিজৰ উপস্থিতি জনাবলৈ তাৰ ইমানেই আগ্ৰহ হৈছিল যে সি নিজেও নজনাকৈ ওচৰ চাপি গৈ চিঞৰ মাৰি সুধিলে: "আৰু কিবা কৰি দিব নেকি চাৰ? গাড়ী-চাড়ী কিবা বন্দবস্ত?" অধ্যাপকে সাধাৰণভাৱে উত্তৰ দিলে: "নেলাগে আনোৱাৰ, ধন্যবাদ! মই মোৰ মটৰ লৈ আহিছো।' কথা পাতি পাতি মানুহৰ মাজেৰে বাপেক-জীয়েক আগ বাঢ়ি গ'ল ক্ষন্তেক পিচতে তেওঁলোক নেদেখা হৈ গ'ল। ছোৱালীজনীয়ে এবাৰো আনোৱাৰৰ পিনে উভটি নেচালে। সম্ভৱতঃ তাই আনোৱাৰহঁতৰ উপস্থিতি অনুভৱেই নকৰিলে।

"আহঁা ভাই, এতিয়া এপিয়লা চাহ খাই লোৱা যাওক।" ওচমানৰ মাতত আনোৱাৰে যেন সম্বিত ফিৰাইহে পালে। দূৰত গাৰ্ডে হুইছেল বজাইছিল। ৰেলখন এবাৰ কঁপি উঠি যাবলৈ সাজু হ'ল। লাহে লাহে ষ্টেচনত মানুহৰ ভীৰ কমি আহিল। যাৰ লগাবোৰ হেঁচা-খেলা কৰি ৰেলৰ ডবাই ডবাই সোমাল। বাকীবোৰ বাহিৰলৈ ওলাই যাব ধৰিলে। সকলো যোৱাৰ পিচতো ৰৈ থাকিল মাত্ৰ ক'লা কোট পিন্ধা জনচেৰেক ছাত্ৰ। প্লেটফৰ্মৰ ইমূৰৰপৰা সিমূৰলৈ সিহঁত অহাযোৱা কৰি আছে। "মহিলা" লেখা থকা ডবাৰ ওচৰ পালেই সিহঁতৰ খোজৰ বেগ একেবাৰে কমি যায়। তাৰ পিচত আকৌ বাঢ়ে। আকৌ কমি যায়। আকৌ বাঢ়ে। আকৌ কমে। ৰিফ্ৰেচমেণ্টৰ পিনে গৈ থাকোঁতে ওচমানে আকৌ উৎসাহেৰে

কৰলৈ আৰম্ভ কৰিছিল। “জানা; বোম্বাইত মই যিমানবোৰ বিখ্যাত কংগ্ৰেছী লোক লগ পালো সকলোৰেই মোক এষাৰ কথা কৈছিল। এইবাৰ কিবা এটা হবই। এই যি বিপ্লৱ হব সেয়া হব স্বাধীনতাৰ শেষ যুদ্ধ। নাই ইপাৰ, নাই সিপাৰ।....আৰু এই কাৰণেই তোমাৰ মোৰ দৰে সৰ্ব্ব-সাধাৰণ ৰাইজো প্ৰস্তুত হবৰ হ'ল।....” আপোন উচ্ছ্বাসত ওচমানে অনর্গল বলকি গৈছিল। আনোৱাৰ কিন্তু তেতিয়া তাৰ আপোন কল্পনা-ৰাজ্যত বিচৰণ কৰিছে। বন্ধুৱে কি কৈছে শুনাৰ মানসিক অৱস্থা তেতিয়া আৰু তাৰ নাছিল। ওচমানৰ মুখৰ এটা শব্দও তাৰ কাণত সোমোৱা নাছিল।

সেইদিনা ৰাতি আনোৱাৰৰ বহুত নিশালৈকে টোপনি নাহিল। টোপনি অনাৰ বৃথা চেষ্টা কৰি চটফটাই বিছনাতে বাগৰি আছে। লাহে লাহে নিশা গভীৰ হৈ আহিল। দিগন্তৰ পৰা দিগন্ত জুৰি নিৰৱতাৰ মৌন-সঙ্গীত আৰম্ভ হ'ল। প্ৰগাঢ় নিদ্ৰাত আচগৰৰ নাসাৰন্ধ্ৰই গৰ্জ্জন কৰিব ধৰিলে। বহুত আগতেই ৰাজে সিহঁতৰ কোঠাৰে সন্নিবিষ্ট পিচফালৰ সৰু বহা কোঠাত প্ৰৱেশ কৰি অৰ্গল বন্ধ কৰি দিছে। এতিয়া মানে চাগৈ খিড়িকীৰে কৱিতা-কুঁৱৰী প্ৰৱেশ কৰি ৰাজৰ লগত নিৰ্জ্জন প্ৰেমালাপ আৰম্ভ কৰি দিছে। অকণো শব্দ নকৰাকৈ আনোৱাৰ বিছনাৰ পৰা উঠিল আৰু কোঠাৰ পৰা ওলাই আহিল। উকা ভৰিৰেই। মনৰ ভিতৰত অনামী কিবা এটাই যেন তাৰ হাঁহাকাৰ কৰি উঠিছে। তৰা বচা মুকলি আকাশৰ তলত একান্ত অকলশৰে অনেক সময় বহি থাকিবলৈ স্নায়ুৱে স্নায়ুৱে যেন তাৰ কিবা এটা নিৰ্জ্জন-কামনা উদ্বেল। নাই, জীৱনত কোনো দিন আনোৱাৰৰ মনত এনে উদাস নিৰুদ্দেশ কামনা জগা নাই। এয়া তাৰ বাবে এক নতুন অভিজ্ঞতা। এই অনুভূতিৰ নাম কি সি নেজানে।

নিবিড় নিৰৱতাৰ মাজত ছাত্ৰাবাসটো বুৰ গৈ আছে। কোঠাবোৰ আন্ধাৰ। সুপ্ত। ক'ৰবাত দুই এটা কোঠাত মাত্ৰ ক্ষীণ পোহৰ দেখা গৈছে। পঞ্চমীৰ জোনৰ শেঁতা পোহৰে নিশাৰ বুকুত যেন ৰহস্যৰ জাল তৰি দিছে। নিসৰ্গৰ ভাঁজে ভাঁজে নিঃসঙ্গতাৰ যেন মদিৰ নিৰ্য্যাস। তৰাবচা আকাশখন যেন বহুত তললৈ নামি আহিছে। দূৰৰ মছজিদৰ মিনাৰ আৰু উত্তুঙ্গ চূড়াবোৰে আকাশখন চুই আছে। এইবোৰ বস্তু, এই আকাশ, তৰা, মিনাৰ, আনোৱাৰেতো সদায় দেখিছে। তথাপি তাৰ উপলব্ধি হ'ল এই সৌন্দৰ্য্য ঠিক এনেভাৱে সি আজি প্ৰথম অনুভৱ কৰিলে ; আজি এই মাজনিশা। ক্লান্ত জোন, সজল চকুৰ দৰে তৰা, অৰুন্ধতি, স্বাতী—এয়া কাশ্মীৰী সুন্দৰীৰ দৰে লাৱণ্যভৰা কুঁৱৰীৰ ওৰণি লোৱা মিনাৰ, সুগঠিত নিতোল মচজিদৰ চূড়াবাজি, গম্ভীৰ চিন্তামগ্ন যোগীৰ অনুপম ৰূপ ধৰি আনোৱাৰৰ চকুত ধৰা দিছে।

ৰাতিৰ বতাহ অনেক ফুলৰ সুৰভিৰে মদিৰ ;—গোলাপৰ স্নিগ্ধ সৌৰভ, ৰজনীগন্ধাৰ উতলা-উতলা গন্ধ, শব্-দুল্‌হন অৰ্থাৎ নিশাৰ-কুঁৱৰীৰ তীব্ৰ মন-মতলীয়া কৰা উগ্ৰ সুগন্ধ! সকলো মিলি যেন চেতনা বিভোৰ কৰি তুলিব খোজে। চোতালৰ দুবৰিত শুই শুই আনোৱাৰে অনুভৱ কৰিলে গাত আৰাম লগাকৈ বিন্ধি থকা সমানকৈ কাটি থোৱা দুবৰিৰ কিশলয়বোৰো গোন্ধাইছে। নিয়ৰত সেমেকি উঠা মাটিখনো গোন্ধাইছে।

চাৰিওফালে বিৰাজ কৰিছে মূৰ্ত্তিমান প্ৰশান্তি। প্ৰশান্তি আৰু নিৰৱতা আৰু এক অবৰ্ণনীয় স্নিগ্ধ আনন্দ-আকুল ভাৱ। তথাপি তথাপিও। তথাপিও যেন এই প্ৰশান্ত-নিৰৱ-আনন্দৰ সৈতে নিহিত হৈ আছে একাত্ম হৈ আছে কোনো এক অনামিকা গোপন বেদনা। কৰুণ-ব্যথা। তাৰো ; আনোৱাৰৰো। তাৰো অন্তৰৰ অন্তঃস্থলিতো এক বিষণ্ণ নিঃসঙ্গ বেদনা বিৰাজমান। নিসঙ্গ নিসৰ্গৰ দৰেই তাৰ প্ৰাণতো সি অনুভৱ কৰিছে অপূৰ্ব্ব প্ৰশান্তি। অথচ সি অনুভৱ কৰিছে এই প্ৰশান্তিৰ লগতে তাৰ প্ৰাণ অস্থিৰ হৈ উঠিছে নামহীন এক আশ্চৰ্য্য চাঞ্চল্যত। সি ক্লিশ্যমান। আনোৱাৰৰ এনে লাগিল, এই যি আদিম অকাৰণ গভীৰ বেদনা প্ৰাণে প্ৰাণে সি অনুভৱ কৰিছে এয়া যেন ভবিষ্যত কোনো এক পৰম নিবৃত্তিৰ প্ৰতিশ্ৰুতি। সৃষ্টিৰ মধুৰ বেদনা।

আনোৱাৰ দুবৰিত পৰি থাকে....এঘণ্টা....দুঘণ্টা....যেন অনন্তকাল। সি সাৰে আছে। তথাপিও সি যেন নিদ্ৰিত। তাৰ চেতনা নিদ্ৰিত। ওচৰতে ক'ৰবাত সময়ৰ সঙ্কেত ঘোষণা কৰি ঘণ্টাধ্বনি হ'ল। চেষ্টা কৰিও আনোৱাৰে ধৰিব নোৱাৰিলে কিমান বাজিল। সময়ৰ ধাৰণা তাৰ

শেষ হৈ গৈছে। একোকেই সি সুস্থিৰভাৱে ভাবিব পৰা নাই; পাৰিছে মাথোন এৰা-ধৰাকৈ অনুভৱ কৰিব। শুকান পৃথিৱীয়ে যেনেকৈ বাৰিষাৰ প্ৰথম বাৰিধাৰ পৰম তৃষ্ণাৰে শুহি নিয়ে নিৰ্লিপ্ত নিৰ্ব্বিকল্প ভাৱে ঠিক তেনেকৈ আনোৱাৰেও নিজম নিশাৰ বেদনা, মধুৰ প্ৰশান্তি আৰু সস্মিত সুন্দৰতা আকুলভাৱে আকণ্ঠ পান কৰি গৈছে।

মাটিত আনোৱাৰে লাহেকৈ মুৰটো থ'লে। গালেৰে এবাৰ সেমেকা মাটিৰ কোমলতাখিনি উপভোগ কৰাৰ যত্ন কৰিলে। ঘাঁহৰ ভোঁটা মূৰবোৰে তাৰ গোটেই গাতে শিহঁৰণ তুলি গ'ল। হঠাৎ আনোৱাৰৰ মন গ'ল কিবা এটা মাৰাত্মক দুঃসাহসিকতাপূৰ্ণ বীৰত্বব্যঞ্জক কোনেও কাহানিও নকৰা কাম কৰি পেলাবলৈ। দেহাৰ পেশীয়ে পেশীয়ে ৰক্তস্ৰোত উত্তাল হৈ উঠিল। উত্তেজনাত সি জোৰেৰে খাঁমোচ মাৰি ধৰি শিপাৰে সৈতে ফঁটা-মুঠিৰে এমুঠি কেঁচা ঘাঁহ উভালি পেলালে। দেহাৰ পৰা কোনো এটা অঙ্গ জোৰ কৰি ছিঙি পেলোৱাৰ দৰে ঘাঁহ মুঠি এৰাই আহেঁাতে এটা কাতৰ শব্দ হ'ল। বিকৃত শব্দটো শুনি সি যেন এটা বন্য উন্মাদ উল্লাস লাভ কৰিলে! কোমল সেমেকা মাটিৰ বুকুত জোৰেৰে সি তাৰ নখবোৰ বহুৱাই দিলে। তাৰ মন গ'ল পৃথিৱীখন যেন সি ভাঙি বিকৃত কৰি দিব! মনৰ সকলো অনুদ্দেশ হিংসা জিঘাংসা তাত ঢালি দিব! আনোৱাৰে হাতখন মেলি দিলে। এজোপা গোলাপ ফুল। এপাহ গোলাপ ছিঙি আনি সি পাহিবোৰ এপাহ এপাহকৈ একুৱাই মোহাৰি পেলাব ধৰিলে।

হঠাৎ তাৰ আঙুলিত কাঁইট এটা সোমাই গ'ল। আঙুলিটো মুখলৈ নি সি ক্ষতস্থান চুহিবলৈ ধৰিলে। তাৰ তেজ; নিজৰে তেজবোৰ তিতিকি অথচ সোৱাদ-সোৱাদ লাগিল তাৰ নিজৰে জিভাত।

লাহে লাহে আনোৱাৰ উঠিল আৰু নিজৰ কোঠালৈ সোমাই আহিল। সি যেন অতিপাত ক্লান্ত হৈ পৰিছে। এইমাত্ৰ যেন সি দুৰ্গম গিৰিপথহে অতিক্ৰম কৰি আহিল। তথাপিও সি যেন সন্তুষ্ট। যেন বিশেষ ভাবেই পৰিতুষ্ট। কিয় সি নেজানে। বিছনাত পৰাৰ প্ৰায় লগে লগেই তাৰ চকুলৈ টোপনি আহিল। হলেও সেই টোপনি নিৰুপদ্ৰৱ নহ'ল। বাৰে বাৰে কোনোবা আহি তাক আমনি কৰি থাকিব ধৰিলে। সেই কোনোবা আন কোনো নহয়। স্পষ্ট সি চিনি পালে সেয়া শৈশৱৰ সপোনৰ সেই 'অন্য-মাইকীমানুহ'জনী। তেতিয়াৰ দৰে এতিয়াও তাই চিঞঁৰি চিঞঁৰি কৈছে, "ক'লৈ পলাবা তুমি! মই মাইকী মানুহ। মাইকী মানুহৰেই জীয়েক। পুৰুষ হৈ মোৰ জাতৰ কবলৰ পৰা ক'লৈ সাৰিবা!" সপোনতে মানুহজনী তাৰপিনে আগবাঢ়ি আহিল। নিচেই ওচৰ পালত আনোৱাৰে

দেখিলে, মানুহজনীৰ মুখৰ আকৃতি এটা সুন্দৰ কণীৰ দৰে। ঢউ খেলা অপৰ্য্যাপ্ত মেঘকৃষ্ণ চুলিয়ে সুন্দৰ মুখখন যেন ছবিৰ দৰে বন্ধাই ৰাখিছে। এহাল এঁকা-এঁকা ডাঙৰ চকু; ক'লা; সজল, অজলা-অজলা।



পিচদিনা পুৱা মূৰ আচুৰিবলৈ বুলি আয়নাৰ সমুখত থিয় হৈ আনোৱাৰে দেখিলে তাৰ গাল আৰু থুতৰিত সৰু সৰু তলমুৱা কিছুমান নোম। ঈষৎ সোণ বৰণীয়া। ডাঢ়ি গজিবলৈ আৰম্ভ কৰিছে। প্ৰকৃততে ভালেমান দিনৰ আগৰ পৰাই এইবোৰ গজিছিল। সিহে মন কৰা নাছিল। আজি সি ভালকৈ চালে। তাৰ ফুলৰ দৰে কোমল মসৃন গালত ৰেশমৰ দৰে ডাঢ়িবোৰ কিমান ধুনীয়া দেখাইছে। আনোৱাৰে জানে এবাৰ এইবোৰ খুৰাবলৈ আৰম্ভ কৰি দিলেই গাল দুখন তাৰ বাজ আৰু আচগৰৰ দৰে টান, খহটা হৈ পৰিব। ভৰভৰকৈ শকত ডাঢ়ি দিনে৷ ওলাব ধৰিব। বাজ-আচগৰৰ দৰে দিনৌ নুখুৰালে থাকিব পৰা নেযাব।

ইমান দিন মনেই নকৰা দাঢ়িবোৰ দেখি আজি জানো কিয় তাৰ লাজ লাজ লাগিল। অস্বস্তি লাগিল। পুৰুষ-ব্যঞ্জক ঘন দাঢ়িৰ সলনি সৰু সৰু চেৰা-নোমবোৰৰ কাৰণে তাক দেখিবলৈ কেনেকুৱা লৰামতীয়া লগা হৈছে। পুৰুষ দেখিবলৈ চেহেৰাই-পাতিয়ে পুৰুষৰ দৰে হ'ব লাগে! সি মন থিৰ কৰি পেলালে। এবাৰ সুযোগ চাই কোনো নেথাকোতে কোঠালৈ আহি সি ভিতৰৰপৰা দুৱাৰখন বন্ধ কৰি ল'লে। তাৰ পিচত আচগৰৰ ক্ষৌৰকৰ্ম্মৰ সা-সজুলি গোপা গোটাই লৈ নেচ অভিজ্ঞৰ দৰে মুখত চাবোন ঘঁহাত লাগি গ'ল। তাৰ পিচত দুধাৰমান টোৰঁাই ভিৰাই আৰম্ভ কৰিলে। ব্লেডখন প্ৰথমবাৰ গালত লাগোতেই তাৰ শৰীৰেদি যেন বিদ্যুতহে চমকি গ'ল। নোমৰ ৰন্ধ্ৰে ৰন্ধ্ৰে উত্তেজনাৰ পুলক শিহঁৰণ লৈ সি চাবোনৰ লগত উঠি অহা শেলুৰৈৰ দৰে নোমবোৰ চাই চাই পৰম উছাহেৰে খুৰাই যাব ধৰিলে। কিন্তু যৌৱন-গৰ্ব্বত আনোৱাৰ যিমানে

গব্বিত নহওক, দাড়ি খুৰাবলৈকো মানুহক অভিজ্ঞতা লাগে। খৰক-বৰক অৰ্থজা-অৰ্থজা হাতেৰে খুৰাই যাওঁতে গ'ল এপাকত হাত পিছলি, আৰু গ'ল লগতে থুতৰিৰ কাষৰে এবখলা ছাল উঠি। কিন্তু জীৱনত প্ৰথমবাৰ ডাটি কটাৰ আগত অকমাণ ক্ষত হোৱাটোতো সামান্য কথা। আনোৱাৰে তালৈ কেৰেপকে নকৰিলে। বগা ফেনৰ মাজত ৰঙা এটা দাগ জিলিকি উঠিল। নিৰ্ব্বিকাৰ ভাৱেৰে সি পাকৈত হাতেৰে ক্ষত স্থানত ফিট্‌কিৰি ঘঁহি দিলে। ধাঁ ডোখৰ টন্‌টনাব ধৰিলে। কিন্তু আচৰিত ভাৱে টন্‌টননিটো তাৰ ভালহে লাগিল। এটা নাম নোহোৱা আৰাম যেন উপভোগ কৰিলে। ফিট্‌কিৰি পাই তেজ তৎক্ষণাত বন্ধ হ'ল। সেই সময়ত আনোৱাৰে নেভাবিলে, ভবিষ্যতেও হয়তো মনত নেথাকিব তাৰ, সেই এটা দাগ তাৰ মুখত থাকি যাব। চিৰদিনলৈ। আনোৱাৰৰ পৌৰুষ-প্ৰাপ্তিৰ প্ৰথম দাগ।

সিদিনাৰেপৰা নিজৰ পিন্ধা-উৰা চেহেৰা-পাতি আদিৰ প্ৰতি আনোৱাৰ বিশেষভাৱে সচেতন হৈ উঠিল। কিয় সি নিজেই নেজানে। আয়নাৰ সমুখত প্ৰয়োজনতকৈ বেছি সময় কটাবলৈ ধৰিলে। আনোৱাৰৰ মুখখন সচৰাচৰ ভাল স্বাস্থ্যৰ ল'ৰাতকৈ তুলনামূলক ভাৱে শেঁতা পৰা। চকু দুটা কিঞ্চিৎ সোমোৱা। নহ'লে এনেকৈ দেখিবলৈ সি ধুনীয়াই। গাটো মিঠা, কমনীয়। আয়নাত নিজৰ মুখখনকে চাই চাই আগগুৰি নোহোৱা অনেক কথা ভাৱি ভাবি থাকি তাৰ ভাল লগা হ'ল। ওচমানৰ লগত আবেলি ফুৰিবলৈ ওলাই যোৱাও ক্ৰমে ক্ৰমে পাতলি আহিব ধৰিলে। অকলে থাকিয়ে তাৰ ভাল লগা হ'ল। কিবা এটা চেলু লৈ ওচমানক এৰি সি অকলেই ওলাই যায় আৰু অকলে অকলে জনশূন্য নিৰলাত ঘূৰি ঘূৰি অকলেই উভটি আহে। কেতিয়াবা বাধ্যত পৰি ওচমানৰ লগত যাব লগা হলেও তাৰ ৰাজনীতিৰ আলোচনাত সি বিশেষ ৰস নোপোৱা হৈ আহিল। বৰং ব্যক্তিগত আবেগ-অনুভূতিৰ কথা অৱতাৰণা কৰি আলোচনা কৰিবলৈ পালেহে তাৰ ভাল লগা হৈ আহিল।

"বাৰু ওচমান, এটা কথা তুমি মোক কোৱাচোন" এদিন আগগুৰি নোহোৱাকৈ হঠাৎ কৰি আন কথাৰ মাজতে সি সুধিলে, "প্ৰেম সম্পৰ্কে তোমাৰ বাৰু ধাৰণা কি?"

ওচমান বোম্বাইৰ সন্তান। মহানগৰীৰ মানুহৰ অৰণ্যত থাকি সি জীৱনৰ জড়বাদী চেহেৰাটোৰ লগত ভালভাৱে চিনাকি হোৱাৰ সুযোগ পাইছে। চিনাকি হৈছে। সেয়ে আনোৱাৰৰ প্ৰশ্নত সি অপ্ৰস্তুততো নহ'লেই, নিতান্ত অদৰ্কাৰী এটা কথাৰ দৰে অকণো আগ্ৰহ নদেখুৱাই

ক'লে, "শুদ্ধ এটা বলিয়ালি ;—আৰু কি। চোৱা আনোৱাৰ, আমাৰ জীৱনৰ দাম আছে। দেশৰ বৰ্ত্তমান অৱস্থাত আমাৰ প্ৰত্যেকৰে বহুত কৰিব লগা আছে। মোৰ নিজাকৈয়ো এটা জীৱনৰ লক্ষ্য আছে। নেতা হ'ব মই খোজা নাই। মান-যশো মোক নেলাগে। কিন্তু এজন ৰাজনৈতিক সফল কৰ্ম্মী হোৱা মোৰ আদৰ্শ। এনে স্থলত সামান্য আৱেগ লৈ চিন্তা কৰা বা সাধাৰণ এজনী ছোৱালীৰ আঁচলত নিজৰ জীৱনটো বান্ধি দি ধন্য মনাৰ কথা মই যে ভাবিবই নোৱাৰো।"

"কিন্তু ওচমান, তেনেকৈ উৰাই দিব পৰাকৈ ছোৱালীজনী সামান্যা সাধাৰণ নহবওতো পাৰে।"—আনোৱাৰ ধ্ৰুপদী গীতি-কাব্য পঢ়া বস্তু-জগতৰ ওপৰৰ মানসিক পৰিমণ্ডলত বিচৰণ কৰা ল'ৰা। ওচমানৰ এই একা-চেকা বিদ্বেষী মনোবৃত্তি সহজ ভাবে ল'ব নোৱাৰি সি তৰ্ক জুৰিলে: "ধৰা সেই ছোৱালীজনী দহজনী আন ছোৱালীৰপৰা সম্পূৰ্ণ পৃথক। তোমাৰ অগ্ৰগতিত বাধা ৰূপে থিয় নহৈ বৰং আপোন মানসিক বৃত্তি তথা অস্মিতাৰ বলত প্ৰেৰণাৰ এক পৰম উৎসৰ দৰে তোমাৰ যাত্ৰাত সহায়তা কৰিব পাৰে।"

"থৈ দিয়া তোমাৰ যুক্তি। ছোৱালী মাত্ৰই সাধাৰণ। সামান্য। কোনো ব্যতিক্ৰম নাই।" আৰু একো নকৈ ওচমান মনে মনে থাকিল। এনেভাৱে সি কথাষাৰ ক'লে যেন তাৰ সত্যতা সম্পৰ্কে ওচমানৰ কোনো সন্দেহেই নাই। বহুজন পৰীক্ষিত সৰ্ব্বজন বিদিত এষাৰ কথাহে সি নক'লে নহয় দেখি ক'লে আৰু। সাধাৰণতে এনেকৈ থোৰতে মন্তব্য কৰি নীৰৱ হৈ যোৱা অভ্যাস নহয় ওচমানৰ। কথা ক'বলৈ পালে সি ভালেই পায় ; এশবাৰ কৈ উঠা কথা আকৌ নূৰৰপৰা আৰম্ভ কৰাতো তাৰ আপত্তি নাই। আনোৱাৰে ভাবিলে, হয়তো অতীত অভিজ্ঞতাৰ পৰা কিবা অকাট্য যুক্তি-প্ৰমাণ তাৰ আগত উপস্থিত কৰিবৰ বাবে ওচমানে নিজৰ স্মৃতিৰ ভঁৰাল সেপিয়াই চাইছে। কিন্তু ওচমান সঁচাকৈয়ে মনে মনেই থাকিল।

পিচদিনা ওচমান আহি ওলোৱাৰ আগতেই সি মনে মনে ছাত্ৰাবাসৰ পৰা ওলাই গ'ল। মচজিদৰ পিচফালে খেল পথাৰত ক্ৰিকেট-খেলা ল'ৰাবোৰে বগা-বগা কাপোৰ পিন্ধি খেলাৰ অনুশীলন কৰি আছে। অধ্যাপকসকলৰ ক্লাবতো পেটুৱা, ক্ষীণ, তপামূৰীয়া সকলো ধৰণৰ অধ্যাপক গোট খাই চিয়ঁৰ-বাখৰ কৰি টেনিচ খেলাত ব্যস্ত। তাৰ মাজতে সি অধ্যাপক চেলিমকো দেখিলে। খেলুৱৈ হিচাবে তেওঁৰ নাম আছে। এসময়ত তেওঁ কেম্ব্ৰিজৰ ব্লু আছিল। এতিয়া মাজ বয়স। গা গধুৰ হৈছে। হলেও এতিয়াও খেলত এলা-পেচা ডেকাইও সতকাই বলে নোৱাৰে।

আনোৱাৰ পোনে পোনে কিছু দূৰ আগবাঢ়ি গ'ল। তাৰ পিচত চিভিল চাৰ্ভিচ ক্লাবৰ দাঁতয়েদি যোৱা বাটেদি ঘূৰি ষ্টেচনৰ পিনে পোনাই দিলে। কিন্তু লাল-দিগ্গীৰ ওচৰ পাই কিবা ভাবি থমকি ৰ'ল। অপৰিষ্কাৰ আৰু আৱৰ্জনা আকৃতিৰ পুখুৰীটোৰ পিনে খন্তেক চালে। তাৰ পিচত ঘূৰি মেৰিচ ৰাজপথেদি গুপ্‌গুপাই যাব ধৰিলে।

"এই ফালেদি ষ্টেচনলৈ গ'লে এমাইলমান দূৰ পৰিব," সি ভাবিলে, "কিন্তু পৰক, ভালেই। খোজ কঢ়াটো স্বাস্থ্যৰ পক্ষে ভাল। বিশেষকৈ মোৰ পক্ষে আৰু দৰ্কাৰী।"

তলমূৰ কৰি কিছু দূৰ গৈ মূৰ দাঙি সি দেখিলে সন্মুখত ছোৱালী কলেজৰ গবাক্ষবিহীন সুউচ্চ ক'লা দেৱাল। ভয়ঙ্কৰ প্ৰহৰীৰ দৰে থিয় দি আছে। হঠাৎ তাৰ মনত এটা ভাব খেলাই গ'ল। কিয় এই ভাবটো তাৰ মনলৈ আহিব লগা হ'ল ধৰিব নোৱাৰি সি নিজেই আচৰিত হৈ গ'ল। সি ভাবিলে অধ্যাপক চেলিমৰ জীয়েক চালমা নামৰ ছোৱালীজনী নিশ্চয় এইখন কলেজতে এতিয়াৰ পৰা পঢ়িব! ভাবি ভাবি সি গুপ্-গুপাই গৈ আছিল। কিন্তু হঠাত এটা ধুনীয়া বঙলা-ঘৰৰ গেটত পিতলৰ নে'ম-প্লেট এখন দেখি তাৰ খোজবোৰ নিজে নিজেই মন্থৰ হৈ গ'ল। সি আচৰিত হৈ গ'ল। কিহে পালে তাক লাহে লাহে যাবলৈ! উৰা! বুকুখন আকৌ ইমানকৈ ঢপচপাব লগা কি কথা হ'ল! ঘৰটোৰ ফালে আনোৱাৰে চালেই জানিবা। মানুহেতো ভাল বস্তু দেখিলে চাবই। ইমান সমানকৈ ভেল্‌ভেটৰ কাপোৰ হেন কৰি কাটি ৰখা ঘাঁহনি ডৰা! মেহ্‌দি গছৰ চকোৱা যেন কৈ কৰুই খোৱা গছবোৰৰ সিফালে মোক-চা মোক-চা কৈ জকমকাই ফুলি আছে কত বিধৰ ফুল! কত ৰং! সিতো চাবই। আৰু তেনেকৈ চাওঁতে সি যদি দেখে, বগা গাখীৰ হেন চক্-চকীয়া ঘাব্‌ৰা, আকাশ-নীলা শ্বালৰাৰ আৰু ঈষৎ নীলিম দোপাট্টা পৰি-হীতা কোনো এক তন্বীয়ে বাৰাণ্ডাৰ আৰামী চকীত বহি কিবা এখন সচিত্ৰ আলোচনী চাই আছে, তেন্তে তাৰ কি দোষ! সেয়া কোনো পধ্যেই অভদ্ৰ বা অসভ্য কাম এটা কৰা হৈ গ'ল বুলি কোনেও ক'ব নোৱাৰে! সি নিজেও নোৱাৰে! আৰু তাৰ পিচত ইমান দূৰ খোজ কাঢ়ি ষ্টেচনলৈ নগৈ অলপ দূৰ গৈয়ে আনোৱাৰ যদি আকৌ সেই বাটে-দিয়ে উভটি গুচি আহে তাৰ বাবেও তাক দোষ দিয়া নেযায়। তাৰ বিশেষ অন্য কোনো কাৰণ বা উদ্দেশ্য নাই। এতিয়া ষ্টেচনলৈ গ'লে গৈ পাওঁতেই বহুত পলম হ'ব। ঘূৰি আহোঁতে আৰু পলম হ'ব। এইটোৱেই একমাত্ৰ কাৰণ। কাৰণ ওভটোতে চেষ্টা লাগি, কি ঠিক,

খিহে দুৰ্ব্বল সি, তাৰ হয়তো পানীয়ে লাগি যাব। নিউমোনিয়াও হৈ যাব নোৱাৰে বুলি কোনে ক'ব পাৰে। সকতে এবাৰ........

....সেই সপ্তাহতে কেইবাবাৰো আনোৱাৰে আবেলি মেৰিচ ৰাজ-পথেদি ফুৰিবলৈ গ'ল। বেছ্ ভাল লাগে এই কালে ফুৰি। বাটটোও সুন্দৰ, মুকলি। মানুহ-দুনুহো বৰকৈ নাই। তাতোকৈ ধূলি-মাকতি উৰুৱাবলৈ মটৰ-গাড়ী, একাগাড়ী বা টাঙাও এই বাটে তেনেকৈ নাহেই বুলিব পাৰি। এনে ঠাইত ফুৰা-চকা কৰাইতো স্বাস্থ্যৰ কাৰণে বিশেষ উপযোগী। কিন্তু দেখা গ'ল আনোৱাৰেই নহয় আৰু ভালেমান ছাত্ৰই ইতিমধ্যে স্বাস্থ্যৰ উপযোগী এই ঠাই খণ্ড আবিষ্কাৰ কৰি পেলা-ইছে। সিইঁতো আহে। আৰু ঠিক আনোৱাৰৰ দৰেই নিৰ্জলা স্বাস্থ্যৰ স্বাৰ্থত তহলোতে হঠাৎ কেতিয়াবা সিইঁতেও যদি কোমল বাহুলতাৰ ওপৰেদি অযতনে পেলাই ৰখা ৰামধনুৰ দোপাট্টা বা জংঘলী শাৰী পিন্ধা কোনো তন্বী বিধুমুখীৰ আয়ত-আয়ত চকু অথবা পিচফালে অকমাণকৈ গাঁঠি দি থোৱা অপৰ্য্যাপ্ত চুলিৰ কাৰোবাক ক'ৰবাত দেখি যায় তেন্তে সিইঁতেও একো বেয়া নেপায়। ঘটনাক্ৰমে ঘটি যোৱা ঘটনা। সকলোৱে সহজ ভাৱে লয়। নলব কিয়? সোলাৰ মুখত মাখি পৰে লাভৰে বিষয়। এয়া আছিল এক মনোৰঞ্জক খেলা। অনেকেই খেলি ভাল পায়। অনেকেই খেলিছিল। আৰু এই খেলুৱৈ দলে স্বাভাৱিকতে তাকো নিজৰ মাজৰে এজন বুলি ধৰি লৈছিল।

"কি খবৰ আনোৱাৰ ভাই। ৰাজহংস-তংস দেখিছানে ক'ৰবাত আজি?" এদিন আবেলি আনোৱাৰক অধ্যাপক চেলিমৰ ঘৰৰ ওচৰত লগ পাই এজন ল'ৰাই সুধিলে।

"ৰাজহংস? কি ৰাজহংস?" অনভিজ্ঞ আনোৱাৰে সঁচাকৈয়ে একো নুবুজি অৰ্কবা-অৰ্কবাকৈ সুধিছিল।

"বাহ্ সুন্দৰতো। ৰাজহংস কাক কয় আজিও তুমি জনা নাই। বেছ্ তেন্তে, মৎসকন্যা কাক কয় নিশ্চয় জানা। মেৰিচ ৰাজপথত যে বিচৰণ কৰে জলকুৰ্ব্বী........"

ল'ৰাজনৰ কথা বুজিবলৈ এইবাৰ আৰু আনোৱাৰৰ একো বাকী নৰ'ল। হঠাৎ আনোৱাৰ বিৰক্ত হৈ উঠিল। কচুভাৱে সি ইজন ল'ৰাক খোলাখুলিকৈ ক'লে যে এইবোৰ কথা, এনেকুৱা অমাৰ্জ্জিত ধেমালি সি অকণো ভাল নেপায়।

"হেৰা বন্ধু, সাধু পুৰুষৰ অভিনয় তুমি আমাৰ আগত কৰি নেদে-খুৱালেও হ'ব দিয়া।" ল'ৰাটোৱে ব্যঙ্গ কৰি মুখ এঙাই ক'লে, "তুমিও

জানা, ময়ো জানো, আমি একেখন নাৱতে ভাই। অন্ততঃ পক্ষে চকুৰ তৃপ্তি নিৰ্বিচাৰি অহা নিৰামিষ ভকত আমি হ'লে এই বাটত কাহানিও দেখা নাই; আমাৰ ভাই লুক-ঢাক নাই। বিশ্বাস কৰা, চাল্‌মাক দূৰৰ পৰা অকমাণ দেখিলেও মোৰ বুকু জুৰ পৰি যায়। জানা, চালমাৰ নোম এডালৰ সমান জোৰ পাব পৰা ছোৱালী জীৱনত নই দেখা নাই। চাল-মাক ঠিক পকা আঙুৰ এটাৰ দৰে নেলাগে বুলি তুমিয়ে কোৱা! হাহঁৰে।" এই বুলি ল'ৰাজনে চকুহাল মুদি তাৰ ক'লা ডাঠ কামুক-কামুক লগা ওঁঠ দুটাৰে অশ্লীল ভঙ্গীমা এটা কৰি এটা সশব্দ চুমা আঁকি দিলে—ৰতাহতে।

নীচ! জঘন্য! আনোৱাৰৰ গাৰ গোটেইবোৰ তেজ আহি যেন তাৰ গাল দুখনত থুপ খালেহি। ইমান অভদ্ৰ, ইমান অসভ্য হব পাৰে মানুহ। হাত দুখন তাৰ পিৰ্‌পিৰাই উঠিল। এতিয়াই যেন এটা প্ৰচণ্ড ঘোঁচা বহুৱাই বন্ধ কৰি দিব ল'ৰাটোৰ মুখখন চিৰকাললৈ। কিন্তু আনো-ৱাৰ সকলো কথাতে সংযত। সংযত নকৈ বৰং কিঞ্চিৎ ভয়াতুৰ বুলি কলেও ভুল কোৱা নহয়। এবাৰ প্ৰতিবাদো নকৰি সি খপহকৈ ঠাইতে ঘূৰিল আৰু সোঁৱে-বাঁৱে কেনিও নোচোৱাকৈ কাঁড় পাত যোৱাদি ছাত্ৰা-বাসলৈ গতি কৰিলে। ছোৱালী পাগল 'লোথাৰিও' জন আচৰিত হৈ সৰগ পৰা মানুহৰ দৰে য'তে আছিল ত'তে থৰ হৈ বৈ চাই থাকিল।

এটা নিতান্ত সামান্য ঘটনা। আন দহজন ল'ৰাৰ কাৰণে হয়তো একো ভাবিব লগীয়া কথাই নহয়। কিন্তু আনোৱাৰৰ মন অতিশয় স্পৰ্শকাতৰ। এই ঘটনাই তাৰ মনক গভীৰ স্থললৈকে জোকাৰি গ'ল। প্ৰচণ্ড আঘাত পালে অন্তৰত সি। এনেকৈয়ো মানুহে ছোৱালীৰ কথা পাতিব পাৰে, ভাবিব পাৰেনে? কি জঘন্য। সঁচা কথা, ঈশ্বৰে ধুনীয়া বস্তু অনেক সৃজিছে। সেয়া মানুহে চাই নিশ্চয় তৃপ্তি লভিব পাৰে। প্ৰশংসা কৰিব পাৰে। ইয়াত কোনো দোষ নাই বুলি আনো-ৱাৰৰ ধাৰণা আছিল। কিন্তু তাৰ মনৰ সেই নিষ্কলুষ সৌন্দৰ্য্য-চেতনাৰ আনন্দ এক মুহূৰ্ত্তত অশ্লীল লালসাৰ ক্লেদাক্ত স্তৰলৈ নামি অহা যেন বোধ হ'ল আজি। ছিঃ ছিঃ! কি কাম কৰিছে সি। নিজলৈকে তাৰ লাজ লাগি গ'ল। আকবৰ আলিৰ পুত্ৰ সি। এটা সুসন্মানিত উচ্চ পৰিয়ালৰ বংশধৰ। সকলোৱে ভাল ল'ৰা বুলি জনা আনোৱাৰ আলি তাৰ নাম। আৰু তাক আজি জঘন্য অভদ্ৰ ব্যৱহাৰ প্ৰদৰ্শনৰ দোষত দোষী ৰূপে অভিযুক্ত কৰা হ'ল। সিও ছোৱালীৰ ক্ষেত্ৰত! সঁচা কথা, তাৰ মনত কোনো নীচ কামনাৰ ভাব নেথাকিব পাৰে। কিন্তু দহে কি

ভাবিছে : কি কৈছে ! সকলোৱেইতো ভাবিছে, বেয়া উদ্দেশ্যেৰে ছোৱালীৰ পিছে পিছে ঘূৰি ফুৰা বেহুদা ল'ৰাবোৰৰ ভিতৰৰে সিও এটা। আৰু, ঠিকেইতো। সেয়ানো কি। সকলোৱে কিজানি তাক আৰু বেয়া হিচাপেহে লৈছে। চৌবি-বজাৰত ৰাতি "অন্য মাইকী মানুহ"বোৰক প্ৰশংসা কৰি অথবা অশ্লীল কথা কৈ ঘূৰি ফুৰা চৰিত্ৰহীন মদপীবোৰৰ লগৰ মানুহ বুলিও ভাবিব পাৰে তাক। পাৰ্থক্যওতো বেছি নাই। মাত্ৰাৰ হীন-ডেটি মাত্ৰ।........এনেকৈয়ে মনৰ এই গভীৰ আত্মনিন্দাৰ সময়ত সি তাৰ "পাপ" কৰ্ম্মৰ অসম্ভৱ অসম্ভৱ তুলনা কিছুমান কল্পনা কৰি গ্লানিত জ্বলি-পুৰি মৰিবলৈ ধৰিলে। "নাই। নাই। নাই। জীৱনত মই আৰু কেতিয়াও মেৰিচ ৰাজপথেদি ফুৰিবলৈ নেযাওঁ।" বাৰে বাৰে সি নিজকে কবলৈ ধৰিলে। বেচেৰা আনোৱাৰ। সি নেজানে এনেকৈ সজ্ঞানে আত্মনিন্দা কৰাৰ পৰাই এটা কথা স্পষ্টকৈ ধৰিব পৰা যায়। আনোৱাৰ মেৰিচ ৰাজপথেদি কেৱল মেহ্‌দি গছৰ বেঢ়াৰ সিফালে সুন্দৰ সুন্দৰ নানা ৰঙী ফুল মাত্ৰ চাবলৈকে বাৰে বাৰে গৈ থকা থকা নাছিল, তাৰ উপৰিও আৰু কিবা কাৰণ আছিল। আৰু কিবা কাৰণ।

নবেম্বৰ মাহত আলিগড়ৰ বতৰ বেচ বঢ়িয়া, ফৰকাল হয়। জাৰ পৰিবলৈ আৰম্ভ কৰে। কিন্তু অসহ্য নহয়। আৰাম লগা ; মৰম-মৰম লগা জাৰ। শ্ৰেণীৰ পঢ়া-শুনা পূৰ্ণ উদ্যমেৰে আগবাঢ়িছে। কিন্তু পৰীক্ষাৰ বাবে প্ৰস্তুত হবৰ সময় এতিয়াও নৌ হয় এথোন। পৰীক্ষা বোৰলৈ পলম আছে। শ্ৰেণীৰ বাহিৰৰ সময়খিনি অন্য চিন্তাত কটাব পাৰি। আলিগড় বিশ্ববিদ্যালয় অক্সফোৰ্ড-কেম্ব্ৰিজৰ নমুনাত গঢ়ি তোলা। ছাত্ৰ থাকি লৈ পঢ়া-শুনা কৰে। এনে বিদ্যানুষ্ঠানৰ ছাত্ৰৰ বাবে ওপৰত উনুকিওৱা বিষয়সমূহত মনোনিৱেশ কৰিবৰ বাবে এইটোৱেই সবাতোকৈ প্ৰশস্ত সময়। তাৰ লগতে বাৰ্ষিক খেল-প্ৰতিযোগিতা, টুৰ্ণামেণ্ট, তৰ্ক

সভা, অতিথি গুণী-জ্ঞানীৰ বক্তৃতা, নাট-প্ৰতিযোগিতা, বনভোজ ইত্যাদিতো আছেই। হলেও, এই সকলোবোৰতে এটা বিদেশী আবহাওৱা বৰ্ত্তমান। সেয়ে ছাত্ৰসকলে মাজে মাজে দেশী ৰুচিকো আদৰ জনাই 'মুশ্বায়েৰা' অৰ্থাৎ কবি সন্মিলনৰ আয়োজন কৰে। সেই উপলক্ষে দূৰ দূৰণিৰ খ্যাতনামা কবিসকলক নিমন্ত্ৰণ জনোৱা হয়। আৰু এই সুযোগতে ছাত্ৰৰ মাজৰ ভবিষ্যৎ কবি সকলেও নিজৰ প্ৰতিভা অথবা প্ৰতিভাৰ দৈন্যতা প্ৰকাশ কৰাৰ সুবিধা পায়।

এবাৰ এনে এক মুশ্বায়েৰাৰ আয়োজন কৰা হ'ল। আনোৱাৰ স্বভাৱতে কিছু পৰিমাণে কবিতাৰ ৰসগ্ৰাহী। সৰুৰে পৰাই কবিতা পঢ়িছে। পঢ়ি ভাল পায়। সেইদিনাও সি নিৰ্দ্দিষ্ট সময়ৰ বহুত আগতে গৈ মঞ্চৰ ওচৰত এটুকুৰা ভাল ঠাই বাচি লৈ বহি ল'লে। ক্ৰমে ক্ৰমে মানুহ গোট খালে। মুশ্বায়েৰা আৰম্ভ হ'ল। কিন্তু প্ৰথমতেই আনোৱাৰ হতাশ হ'ল। প্ৰথম-প্ৰথম স্থানীয় কবি-যশ-লীপ্সু দলে কবিতাৰ নামত যি অত্যাচাৰ আৰম্ভ কৰিলে শুনি আনোৱাৰৰ মূৰ টিংটিঙাবলৈ ধৰিলে। ডেকা দলৰ পিচত দুজনমান বৃদ্ধই আবৃত্তি কৰিলে। এওঁলোকৰ প্ৰতিভা অনেক দিনৰ আগতেই ফুছিল হৈ গৈছে। মৰোঁ-জিউকৈ কবিতা তৈয়াৰ কৰাৰ অপচেষ্টা দেখি আনোৱাৰৰ মূৰ টিংটিঙনি দুগুণে বৃদ্ধি পালে। কিন্তু তাৰ পিচতে এনে দুটা ঘটনা ঘটি গ'ল যি দুটাই তাৰ মনৰ আনন্দ আকৌ ঘূৰাই আনিলে। দুয়োটা ঘটনাই অপ্ৰত্যাশিত। প্ৰথম, মুশ্বায়েৰাত অধ্যাপক চেলিম আৰু চালমাৰ আবিৰ্ভাৱ। তেওঁলোকক সসন্মানে আদৰি নি মঞ্চৰ ওপৰত ঠিক আনোৱাৰৰ পোনে পোনে মুখামুখিকৈ বহিবলৈ দিয়া হ'ল। আৰু দ্বিতীয়, ৰাজৰ কবিতা আবৃত্তি।

অপ্ৰতিৰোধ্যভাৱে গালিবৰ বিখ্যাত গজলৰ এটা পংক্তি বাৰে বাৰে তাৰ মনলৈ আহিবলৈ ধৰিলে: ইয়ে জন্নত-এ-নিগাহ বহ ফিৰদৌচ গোশ্ হেই (এয়া চকুৰ তৃপ্তি সেয়া কৰ্ণৰ শান্তি।) প্ৰথম প্ৰথম আনোৱাৰৰ চালমাৰ পিনে মূৰ তুলি চাবলৈকে লাজ লাগিছিল। যেৰিচ ৰাজপথৰ সেই কথাবোৰ মনত পৰি নিজে নিজে সঙ্কোচত সি কোঁচ-মোচ খাই পৰিছিল। "কি ঠিক। চালমাই যদি মোক এটা সামান্য চেলেপু ল'বাৰ দৰে সিহঁতৰ পদূলি শুঙি ঘূৰি ফুৰা লক্ষ্য কৰিছিল তেন্তে এতিয়া মোক দেখি কি বা ভাবিছে ছাগৈ মনে মনে!" কিন্তু কবিতা আবৃত্তি কৰিবলৈ ৰাজ ঠিয় দিয়াৰ লগে লগে আনোৱাৰৰ সংকোচৰ কাৰণ নাইকিয়া হৈ গ'ল। ৰাজে তাৰ কবিতাৰ প্ৰথমটো শাৰী উচ্চাৰণ কৰাৰ লগে লগে চালমাকে আদি কৰি সকলো শ্ৰোতাৰ দৃষ্টি ৰাজৰ ওপৰত নিবদ্ধ হ'ল। এই সুবিধা পাই

আনোৱাৰে কাণেৰে তাৰ বন্ধুৰ কবিতা শুনি শুনি চকুৰে এক থৰে চাল্মাক চাবলৈ ধৰিলে।

আনোৱাৰৰ ধাৰণা আছিল বিশ্ববিদ্যালয়ৰ সকলো ছাত্ৰৰ ভিতৰত চেহেৰাই-পাতিয়ে কথাই-বতৰাই ৰাজেই আটাইতকৈ বেয়া। কিন্তু আজি হঠাৎ ইন্দ্ৰজালৰ দৰে সেই ল'ৰাটোৰে যেন আমূল পৰিবৰ্ত্তন ঘটি গ'ল। "মৰমীৰ প্ৰতি কবিৰ উক্তি" নামৰ স্বৰচিত কবিতা এটা ৰাজে আবৃত্তি কৰিছিল। মঞ্চত যেন সেয়া ৰাজ নহয়। অন্য এক কোনো মহান বীৰ-পুৰুষহে তাত থিয় দি আছে। অভিনৱ এক অনামী দ্যুতিত চকুহাল তাৰ চিক্ মিক্ তিৰ্ বিৰ্ কৰিছে। তাৰ জীৰ্ণ অস্থি-সৰ্ব্বস্ব হস্তদ্বয় বিশেষ অৰ্থব্যঞ্জক সুন্দৰ ভঙ্গিমাত উঠা-নমা কৰিছে আলাসতে। আৰু কণ্ঠস্বৰো যেন ৰাজৰ নহয়। অভিনৱ আবেদনৰে ৰাজৰ কণ্ঠস্বৰে যেন নৱজীৱন লাভ কৰিছে। আবেগৰ উঠা-নমাৰ লগত সমানে তাল ৰাখি মাজে মাজে উদাত্ত মাজে মাজে সুকোমল হৈ উপস্থিত সকলোৰে যেন অন্তৰ পৰশি পৰশি গৈছে। এজন প্ৰকৃত মানুহৰ বুকুত সুপ্ত হৈ থকা সাক্ষাত চৈতন্যময়তাই এয়া যেন পাৱক অগ্নিৰ ৰূপত দপ্দপাই জ্বলি উঠিছে। ধূসৰ অনাকৰ্ষণীয় বাহ্যিক প্ৰপঞ্চৰ ওপৰত প্ৰতিভাৰ প্ৰোজ্জ্বল দীপ্তিয়ে বিজয় ঘোষণা কৰিছে ইন্দ্ৰজালৰ দৰে। কবি ৰাজে প্ৰথমে আত্ম-গৌৰৱ ঘোষণা কৰিলে ওজস্বী ভাৱে। প্ৰত্যেক পংক্তিকেই সমবেত শ্ৰোতাবৰ্গই বিপুল হৰ্ষধ্বনিৰে গ্ৰহণ কৰিলে : "মোৰ শিপাই খামুচি আছে মাটিকেই ; কিন্তু শিৰে স্পৰ্শ কৰিছে অন্তৰীক্ষ। মাটিৰ খ ৰ মই কাণে কাণে কওঁ আকাশৰ অযুত তৰাৰ,....মই কবি জনতাৰ...." তাৰ পিচত কবিয়ে প্ৰেয়সীক নিবেদন জনালে এনেকৈ : "গোলাপ পাহিৰ সুৰভি তুমি ; পাহাৰী নিজৰাৰ কুলু কুলু গীত ; তুষাৰ-ধৱল হিমাচল চূড়াৰ সৌম্যতা তুমি ; তুমি কুমাৰী পৃথিৱীৰ সৃষ্টি সম্ভাৱনা।"....আনোৱাৰে কবিতা পঢ়িছে। বিভিন্ন ধৰণৰ প্ৰচুৰ কবিতাই সি পঢ়িছে। তথাপি তাৰ এনে লাগিল যেন এয়া অলপ বেলেগ অলপ নতুন ধৰণৰ কবিতা। এইখন পৃথিৱীৰে কবিতা ; অথচ তাত যেন আছে কিবা এক অভিনৱত্ব, এক পৃথিৱী চেবাই যাব খোজা প্ৰচণ্ড গতিময়তা। নিতান্ত কেঁচা হাতৰ ৰচনা ; অথচ তাতেই যেন আছে এক অদ্ভুত নৈপুণ্য। এই কবিতাত এনে কিবা এটা আছে যি মানুহৰ ধমনিৰ ৰক্তস্ৰোত প্ৰখৰ কৰি তোলে ; আপোন অন্তৰৰ প্ৰতিধ্বনি তাত শুনিবলৈ পোৱা যেন লাগে। এই কবিতা নিষ্প্ৰাণ নহয় ; সজীৱ, প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰা। ইয়াত হতাশা নাই ; আশাৰ উম আছে। এয়া মন শীতলাই নিয়া চৰবৎ

নহয় ; নহয় টোপনি অনা ঔষধো। বৰং এয়া উদাত্ত আহ্বান কৰ্ম্মময় জীৱনলৈ।

আনোৱাৰে ৰাজৰ কবিতা শুনিলে। কেৱল শুনাই নহয়,—দেখিলেও। ৰাজৰ কবিতাৰ প্ৰতিবিম্ব সি চাল্‌মাৰ অভিব্যক্তিত দেখিবলৈ পালে। সক্ৰিয় বেৰ'মিটাৰৰ দৰে কবিৰ মুখৰ প্ৰতিটো শব্দ, প্ৰতিটো উপমা, প্ৰত্যেক সৰু সৰু আৱেগৰ উঠা-নমাৰ প্ৰতিক্ৰিয়া সি চাল্‌মাৰ মুখমণ্ডলত প্ৰকট হৈ উঠা দেখিবলৈ পালে। এয়া যেন একেই সুৰত বন্ধা দুটা সহঁাৰিময় বাদ্য-যন্ত্ৰহে। এটাত ঝংকৃত হৈ উঠা সুৰ আনটোত অনুৰূপ স্পন্দনৰে প্ৰতিধ্বনিত হৈ উঠিছে। কিমান বুদ্ধিদীপ্ত চাল্‌মাৰ মুখখন। কিমান স্পৰ্শকাতৰ। কিমান অভিব্যক্তিময়! মিচিকি হাঁহিত উজলি উঠা, সেইমুখ কি অনিন্দ্য সুন্দৰ। আকৌ ভাৱগধুৰ মুহূৰ্ত্ততো সেই মুখৰ ৰূপৰ তুলনা নাই। কিয় জানো আনোৱাৰৰ এনে লাগিল যেন চাল্‌মাৰ আঁকা-আঁকা ডাঙৰ ক'লা চকুহালত বহুত কৰুণতা থুপ খাই আছে। যেন চাল্‌মা নিতান্তই অকলশৰীয়া। কোনো এক সহানুভূতিশীল বন্ধুৰ তাইৰ একান্ত প্ৰয়োজন। তাৰ হিয়াখন কিবা এক অনামী আৱেগ, এক ব্যাকুল মৰমত ভাৱাকুল হৈ উঠিল। চাল্‌মাৰ প্ৰতি নিৰুদ্দেশ সহানুভূতিত সেই হিয়া যেন গলি যাব ধৰিলে। চাল্‌মাৰ আনন্দৰ বাবে, চাল্‌মাৰ মুখত এটি হাঁহি ফুটাই তুলিবৰ বাবে কিবা এটা কৰিবলৈ পালে সি যেন পৰম শান্তি পাব। আৰু ; আৰু চাল্‌মাৰ বাবে যি কোনো কাম যি কোনো ত্যাগ স্বীকাৰ কৰিবলৈকো সি প্ৰস্তুত। মাত্ৰ এবাৰ চাল্‌মাই মুখ খুলি ক'লেই........

"মৰমী মোৰ। এবাৰ মাথোন কোৱা তুমি" ৰাজে তাৰ কবিতাৰ শেষ স্তবককেটা আবৃত্তি কৰিছিল। "আকাশৰ কাঁচিজোন পাৰি আনি দিম মই, তোমাৰ কপালত পিন্ধিবলৈ ; তৰা আনি দিম তোমাৰ কাণৰ দুলত আঁৰি লবলৈ। কিন্তু হে মোৰ প্ৰাণাধিক প্ৰিয়া, তুমি জোন নুখুজিবা, তৰা নুখুজিবা! কাৰণ জানা, তোমাৰ এই কবিৰ হৃদয় সিবোৰতকৈ মূল্যবান হেজাৰ হেজাৰ গুণে। আৰু এই হৃদয় উৎসৰ্গিত তোমাৰেই বাবে চিৰতৰলৈ।"

বিপুল হৰ্ষধ্বনিৰ মাজত ৰাজ বহি পৰিছিল। আনোৱাৰে লক্ষ কৰিলে, হয়তো ভাৱত তন্ময় হৈ থকা বাবেই খন্তেকলৈ চাল্‌মাই কৰ'ই নোৱাৰিলে আবৃত্তিয়ে শেষ হ'ল। হয়তো কবিৰ সুৰৰ প্ৰতিধ্বনিৰ ৰেশ তাইৰ কাণত তেতিয়াও বাজি আছিল। তাৰ পিচত তাই সৰুকৈ এটা বিমৰ্ষ হুমুনিয়াহ কাঢ়িলে। আনোৱাৰে যেন দেখিলে হুমুনিয়াহৰ লগে লগে চাল্‌মাৰ চকুত এটা ভাৱ-গধুৰ চাৱনি ফুটি উঠিল। কিন্তু সেয়া

প্ৰকৃত নে তাৰ কল্পনাৰ ভুল আনোৱাৰে ধৰিব নোৱাৰিলে। পিচ মুহূৰ্ত্তে চাল্‌মাই বেচ উছাহেৰে হাত-চাপৰি বজাবলৈ ধৰিলে। তাইৰ মুখত বিমল আনন্দৰ অলেখ ৰেখাই মিঠা মিঠা আঁক-বাঁক আঁকি গ'ল। আনোৱাৰৰ মনটো যেন মৰহি গ'ল। অকাৰণ ঈৰ্ষাত তাৰ-বুকুখন বিষাই উঠিল। সেয়া ৰাজ নহৈ মঞ্চত যদি আজি সি হ'লহেঁতেন। যদি সি এনেকৈ স্বৰচিত কবিতা আবৃত্তি কৰিব পাৰিলেহেঁতেন।

এই মুশ্বায়েৰাই ৰাজৰ কপালত বিজয়ৰ কান্তি-তিলক আঁকি দিলে। কিন্তু নিশা নিজৰ কোঠালৈ উভটি আহি আনোৱাৰে দেখি আচৰিত হৈ গ'ল যে আচগৰ ইতিমধ্যেই গভীৰ টোপনিত নিমগ্ন হৈ পৰিছে। মুশ্বায়েৰা, তৰ্কসভা, বক্তৃতা আদিত অযথা সময় খৰচ কৰিবলৈ আচগৰৰ সময় নাই। ৰাজে বিশ্ব জয় কৰি আহিলেও তাক সম্বৰ্দ্ধনা জনোৱাতকৈ টোপনিৰ মূল্য আচগৰৰ বাবে বহুত বেছি। ৰাজ শোৱা নাই। সাজ-পাৰ নসলোৱাকৈয়ে বিচনাত দীঘল দি পৰি মুখৰপৰা অবিৰাম ছাদৰ পিনে ছিগাৰেটৰ ধোৱাঁৰ ক্ষুদ্ৰ ক্ষুদ্ৰ আবৰ্ত্ত এৰি দিছে। আনোৱাৰৰ মন গ'ল ৰাজক যেন সি আজি তাৰ কবিতাৰ কথা কৈ পাৰে মানে প্ৰশংসা কৰিব। ইমান দিনে ৰাজৰ গুণ চিনি নোপোৱাৰ বাবে দোষ স্বীকাৰ কৰি নিজৰ অক্ষমতা মানি ল'ব। ভবিষ্যতে ৰাজক অন্তৰঙ্গ বন্ধুৰূপে পাবলৈ ঐকান্তিক আশা প্ৰকাশ কৰিব। কিন্তু উচ্ছ্বাস প্ৰকাশ কৰিব আনোৱাৰে নেজানে। এইবোৰ কথা কেনেকৈ ক'ব লাগে ভাবি সি মোৰকে ধৰিব নোৱাৰিলে। এনেও সি মনৰ আবেগ প্ৰকাশ কৰিবলৈ ভয় কৰে। তথাপি এষাৰ কথাও নোকোৱাকৈতো সি থাকিব নোৱাৰে। সেয়ে থোৰতে সি ক'লে, "ৰাজ, আজি তোমাৰ কবিতাটো অতি সুন্দৰ হৈছিল। সকলোৱেই তোমাক ওখ শ্ৰেণীৰ প্ৰতিশ্ৰুতিপূৰ্ণ কবি বুলি প্ৰশংসা কৰিছে।" কিন্তু তাৰ কথা শুনি ৰাজে যিটো উত্তৰ দিলে শুনি আনোৱাৰ অবাক হৈ গ'ল। অৰ্থ নুবুজিলে। সাঁথৰ সাঁথৰ লাগিল। "সঁচা ? কিন্তু ভাই 'সকলোৱে' প্ৰশংসা লৈ মই কি কৰিম। কিয়েইবা তাৰ দাম।"

বহুত ৰাতিলৈকে সেইদিনা আনোৱাৰৰ টোপনি নাহিল। ৰাজৰ কথাষাৰৰ প্ৰকৃত অৰ্থ অনেক ভাবিও সি উলিয়াব নোৱাৰিলে। 'সকলোৱে' প্ৰশংসাৰ তাৰ বাবে যদি একো দাম নাই তেন্তে বাৰু কাৰ প্ৰশংসাৰনো দাম থাকিব পাৰে ?

অক্সফোৰ্ড বিশ্ববিদ্যালয়ত এখন ছাত্ৰৰ একতা সভা আছে। এনে স্থলত আলিগড়তো যে এখন নেথাকিব তাৰ কোনো কাৰণ নাই। আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ একতা সভাৰ যথেষ্ট গাম্ভীৰ্য্য আছে। বছৰি এবাৰকৈ এই সভা গঠনৰ বাবে সভ্য নিৰ্ব্বাচন কৰা হয়। এই সভাৰ উদ্যোগতে বছৰি দহ-বাৰখন তৰ্কসভা আৰু আমন্ত্ৰিত বিশিষ্ট লোকৰ বক্তৃতা সভাৰ আয়োজন কৰা হয়। এসোপা ভেৰুঁৰা পুৰণি কিতাপৰ এটা পুথি ভঁৰাল আৰু এটা সংশ্লিষ্ট পাঠাগাৰো এই সভায়েই পৰিচালনা কৰে। আৰু তাৰ বাহিৰে বছৰৰ বাকী ছোৱা সময় একতা-সভাই আয়ুস টুটি অহা বৃদ্ধই অধ্যাত্ম চিন্তাত সময় কটোৱাৰ দৰে নানান অৰ্থহীন আদৰ্শন কথা চোবাই চোবাই কটাই দিয়ে। সি যি কি নহওক ছাত্ৰসভাৰ কিন্তু এটা বৰ ভাল প্ৰশংসনীয় দিশো আছে। অনুষ্ঠানৰ পৰিচালনা সুস্থ ভাবেই হওক অসুস্থ ভাবেই হওক—সকলো কৰে ছাত্ৰই নিজে। এই ক্ষেত্ৰত ছাত্ৰসকলে অসীম বাক-স্বাধীনতাকে আদি কৰি সকলো জন্মগত স্বাধীনতা পূৰ্ণভাবে উপভোগ কৰিবলৈ পায়। এয়া যেন ঠিক এখন গণতান্ত্ৰিক শাসন সভাৰ ক্ষুদ্ৰ সংস্কৰণ। ভাৰতৰ অনেক খ্যাতনামা মুছলমান বক্তা তথা শক্তিশালী ৰাজনীতিজ্ঞ ব্যক্তিয়ে পোনতে এই সভাৰ জৰিয়তেই তেওঁলোকৰ প্ৰতিভাৰ কৰ্ষণ আৰু বিকাশ কৰাৰ সুযোগ পাইছিল। আলিগড় বিশ্ববিদ্যালয়ৰ 'ইউনিয়ন হল'ৰ দেৱালত অনুষ্ঠানৰ গৌৰৱ স্বৰূপ এইসকল খ্যাতনামা লোকৰ নাম সোণোৱালী আখৰেৰে লেখা আছে।

সিও ইয়াৰ ছাত্ৰ। তেওঁলোকো ইয়াৰে ছাত্ৰ আছিল। ইউনিয়ন হলত সোমালেই আনোৱাৰে এই নামবোৰ বাবে বাবে পঢ়ি পঢ়ি চাইছিল। নামৰ গৰাকীবোৰলৈ তাৰ ঈৰ্ষা হৈছিল। অৱশ্যে ভবিষ্যতে তেওঁলোকৰ দৰে এজন মানুহ হোৱাৰ কথা সি কাহানিও ভুলতো ভবা নাছিল। তথাপি এটা কথা সি ধ্ৰুৰূপ জানিছিল। আহিল কণা গ'ল কণাৰ দৰে নহৈ অন্ততঃ সি যদি ছাত্ৰ সকলৰ মাজতো কিবা অকমাণ খ্যাতি অৰ্জ্জন কৰিব খোজে তেন্তে এদিন নহয় এদিন সি এই মৰৰ মঞ্চত বক্তা হিচাপে থিয় দিবই লাগিব। তাৰ বাবে অন্য পথ নাই। এতিয়া, প্ৰায় সকলো তৰ্ক সভাৰে বিষয়-বস্তু সাধাৰণতে ৰাজনীতি সংক্ৰান্ত আছিল। আৰু ৰাজনীতি যেন আনোৱাৰৰ তেজৰ কণাই কণাই মিহলি হৈ আছে। নিচেই সৰুতেই আব্বাজানৰ বৈঠকত বহি বহি তাৰ ৰাজনীতিৰ লগত বৰ্ণ-পৰিচয় ঘটিছিল। আৰু এতিয়া ৰাজনীতিৰ সকলো তলা-নলাৰে সুপৰিচিত ওচমানৰে নিবিড় সান্নিধ্যই তাৰ ৰাজনীতিজ্ঞান প্ৰখৰ কৰি তুলিছিল। যি কোনো বিষয়েই নহওক লাগে সুচিন্তিভাৱে বহু সময় ধৰি তৰ্ক কৰিব পৰা সামৰ্থ্য তাৰ

আছে। হলেও এটা কথা ভাবি মাত্ৰ সি সদায় কোঁচ খাই বব লগা হৈছিল। মঞ্চত থিয় দি কথা ক'ব সি জানো পাৰিব? নতুন অনভিজ্ঞ বক্তাব দুৰ্ব্বলতাব সুযোগ লৈ ঠাট্টা-মস্কৰা কৰি বিপৰ্য্যস্ত কৰাত ছাত্ৰ সমজুৱাসকলব প্ৰতিদ্বন্দী নাই। এনে ল'ৰাও আছে যি শেষৰ শাৰীত বহি সুবিধা বুজি উকনী দিবলৈ অথবা মেকুৰীৰ দৰে মেও-মেও কৰিবলৈকে তৰ্কসভাবোবলৈ আহে। নিজৰ বক্তা হোৱাৰ সামৰ্থ্য নাই। মঞ্চত তুলি দিলে বেঙে-মুতা গৰুৰ দৰে কঁপিব। অথচ সময়-বুজি বিকৃত হাঁহি মাৰি বা অকাৰণতে সাধাৰণ কথা এষাৰতে হাত-চাপৰি বজাই কেনেকৈ বক্তাক অপ্ৰস্তুত কৰিব লাগে তাৰ কৌশল এওঁলোকৰ বঢ়িয়াকৈ আয়ত্ত। এনে এদল সমজুৱাৰ আগত থিয় হোৱাৰ ভয়ত অনেক সুযোগ্য আৰু সাহসী ছাত্ৰও বক্তৃতা মঞ্চলৈ আগবাঢ়ি নাহে। তেনেস্থলত ভয়াতুৰ আনোৱাৰে সিহঁতৰ পৰিকল্পিত আক্ৰমণৰ সমুখ হব কেনেকৈ? হলেও টিকি থাকিব পাৰিবনে?

"এইবাৰ মোহাম্মদ আনোৱাৰ আলিয়ে প্ৰস্তাৱটোৰ বিপক্ষে তৰ্ক কৰিব।"

বহুত দূৰৰপৰা সভাপতিৰ মাত ভাঁহি আহি কাণত পৰা যেন লাগিল আনোৱাৰৰ। বহুত দূৰ, অন্য এখন পৃথিৱীৰপৰা। সপোনতহে যেন কোনো-বাই কথা কোৱা শুনিছে। "যোৱা, এইবাৰ তোমাৰ পাল।" ওচৰতে বহি থকা কোনোবাই তাক লাহেকৈ হেচুকি দিলে। সি উঠিল। উত্তেজনাত তাৰ কাণ-মুৰ ৰঙা পৰি উঠিছে। ভৰি দুখন কঁপা কঁপা লাগিছে। জিভাখন শুকাই যোৱা যেন লাগিছে। লাহে লাহে সি গৈ সভাপতিৰ সোঁ-হাতে বক্তাৰ বাবে নিৰ্দ্দিষ্ট ঠাইত থিয় দিলেগৈ। বাৰে বাৰে সি নিজকে বুজাবলৈ যত্ন কৰিছে, ভয় কৰাৰতো তাৰ একো কাৰণেই নাই। বক্তব্যৰ সপক্ষে সকলো যুক্তি সুন্দৰভাৱে জুকিয়াই লোৱা আছে। প্ৰত্যেকটো যুক্তি সমৰ্থন আৰু প্ৰতিষ্ঠা কৰিবলৈ আছে ওচমানে যুগুতাই দিয়া বিখ্যাত আৰু নিৰ্ভৰযোগ্য বিভিন্ন গ্ৰন্থৰ অকাট্য সিদ্ধান্ত ৰাশি। গোটেই বক্তৃতাটো লেখি ক'মেও সি বাৰ-তেৰবাৰ পঢ়ি সলসলিয়াকৈ মুখস্থ কৰি পেলাইছে। তদুপৰি দুবাৰ তিনিবাৰ কথাখিনি কেনেকৈ ক'ব তাৰ আখৰাও কৰিছে। তেন্তে? এতিয়া মাথোন কবৃকবাই কৈ গ'লেই হ'ল। ভয় কৰিবলৈ কিটো আছে।

"সভাপতি মহাশয়।" চিৰাচৰিত সংসদী-ভঙ্গীত, সি ক'বলৈ আৰম্ভ কৰিলে, "আজি আনাৰ আগত প্ৰস্তাৱিত বিষয়টো হ'ল 'হিন্দু আৰু মুছলমানৰ ৰাজনীতিক চেতনা, ন্যায় আৰু ভাগ্য পৰম্পৰৰ পৰা সম্পূৰ্ণ

পৃথক। আৰু সেই কাৰণে এই দুযোটা সম্প্ৰদায়ৰ নিজা নিজা ৰাজনৈতিক সংঘ থকা উচিত।' একেবাৰে অৰ্থহীন মূৰ্খতাপ্ৰসূত এটা প্ৰস্তাৱ এইটো। ইয়াৰ মই দুৰ্ঘোৰ বিৰোধীতা কৰো এই কাৰণেই যে. . ..''

হঠাৎ তাৰ দৃষ্টি গ'ল সন্মুখৰ দৰ্শকবৃন্দলৈ সি সচেতন হৈ উঠিল। তাৰ সন্মুখত বৈ আছে শাৰী শাৰী বগা পেণ্ট, ক'লা কোট, ৰঙা ৰঙা ফেজ টুপি। অসংখ্য দুৰ্দ্ধৰ্ষ শত্ৰু। অসংখ্য বিদ্বেষী দানৱ। সকলো বৈ আছে সাজু হৈ ব্যগ্ৰ হৈ তাৰ গালৈ নিৰ্ম্মম বিদ্ৰূপৰ তীৰ নিক্ষেপ কৰিবলৈ। জপিয়াই পৰি তাৰ দেহ খণ্ড খণ্ড কৰিবলৈ। আনোৱাৰে যেন দেখিলে সেইবোৰ সুকীয়া সুকীয়া এজন এজন মানুহ নহয়। সেয়া এদল মানুহেই নহয়। এখন উত্তাল ফেনিল সাগৰ সেয়া। পৰ্ব্বত প্ৰমাণ ঢৌ তুলি আগবাঢ়ি আহিছে কালান্তকৰূপে তাক গ্ৰাস কৰিবলৈ। তাৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। কিবা এসোপা যেন বুকুৰপৰা ওপৰলৈ উঠি আহি টেটুত সোপা মাৰি ধৰিলেহি। কুমৰ ৰগ দুডাল স্ফিত হৈ উঠি জোৰে জোৰে কোবাবলৈ ধৰিলে।.......

''শ্ৰদ্ধেয় সভাপতি মহাশয়.......'' ঘূৰাই ঘূৰাই একেকেটা শব্দকে সি কৈ থাকিবলৈ ধৰিলে। মুখৰপৰা আৰু অন্য কথা নোলাল। কি কবলৈ আহিছিল সি সম্পূৰ্ণে পাহৰি গ'ল। ঠিক কৰি থোৱা যুক্তিবোৰ দূৰৰ—কথা, ভাবি চিন্তি ঠিক কৰি থোৱা বক্তৃতাটোৰ শব্দ এটাও কেনৈ তাৰ মনলৈ নাহিল। প্ৰথমতে সভাগৃহৰ দূৰৰ চুকবোৰত এটা দুটা নিৰ্ম্মম খেক্ খেক্ হাঁহি আৰম্ভ হ'ল। ক্ষন্তেক পিচতে সহস্ৰ দৈত্যাই একেলগে গিৰ্জ্জনি মাৰি অট্টহাস্য কৰি উঠিল। হতভম্ব হৈ আনোৱাৰে অসহায় দৃষ্টিৰে সহায়ৰ আশাত সভাপতিলৈ চালে। কিন্তু হঠাৎ তাৰ চকুত পৰিল সভাপতিৰ সিফালে এমূৰত সেয়া কাৰোবাৰ এহাল আঁকা-আঁকা কাজল ৰঙৰ ডাঙৰ ডাঙৰ অজনা চকু। সেইহাল চকুৱেও হাঁহিছে। কিন্তু কতা ? এয়াতো হাঁহি নহয় বিদ্ৰূপৰ। নিষ্ঠুৰ আঘাতৰ। সেয়া হাঁহি সহানুভূতিৰ। আপোন-আপোন ভাবৰ উৎসাহৰ। ''কৈ যোৱা'' চকুহালে যেন নীৰৱ ভাষাৰে কৈছে, ''ভয় কিহৰ! ইমান ডাঙৰ মতা ল'ৰা এটা হৈ তুমি বাং কুকুৰৰ খেক্‌খেকনিলৈ ভয় কৰিবা নেকি ?'' সেইহাল চকুত যেন সুপ্ৰকট হৈ উঠিছে নিৰ্ম্মল বন্ধুতাৰ প্ৰকাশ ; অসীম বিশ্বাস ; প্ৰশ্নহীন আস্থা ; সহজ সৰল মানবীয় অনুকম্পা। মুহূৰ্ত্তৰ ভিতৰতে আনোৱাৰৰ যেন সকলো অস্থিৰতা জুৰ পৰি গ'ল। ভয় বিদূৰিত হ'ল। তাৰ মুখত স্বস্তিৰ নিচিকি হাঁহি বিৰিঙি উঠিল। তেনেহলে সি অকলশৰীয়া

নহয়। বাং কুকুৰৰ দলৰ সমুখ হবলৈ দৃঢ়তাৰে সাজু হৈ সি মূৰ তুলি চালে। উৱা! ক'তা? সিহঁত দেখোন আৰু নাই। তাৰ আগত এয়া বহি আছে সহস্ৰাধিক ছাত্ৰ মাথোন। একে ঠাইতে পঢ়া। আৰু ইহঁতৰ মাজৰ বাৰটা ল'ৰাবো তাৰ দৰে মঞ্চলৈ উঠি দুআষাৰ কবলৈ আগ-বাঢ়ি আহিব পৰা কলিজা নাই। অথচ সিহঁতেই তাক ব্যঙ্গ কৰিবলৈ সাহ কৰে; কোন যুক্তিত। ঠিক আছে। সিহঁতক সি হঁহুৱাব! মুখস্থ কৰি অহা কথাবোৰ পাহৰি গ'ল কি হ'ল,—মুখৰ ভিতৰত তাৰ এখন জিভা এতিয়াওতো আছে।

"শ্ৰদ্ধেয় সভাপতি মহোদয়।" দানৱৰ দলে উশাহ সলাবলৈ এখন্তেক হাঁহি বন্ধ কৰাৰ সুযাগ লৈ নতুন উদ্যমেৰে সি আৰম্ভ কৰিলে। "আপো-নাক মই গোপনে কথা এষাৰ কৈ লওঁ, শুনক।" আনোৱাৰৰ অভিব্যক্তি আৰু সুৰৰ এই আকস্মিক পৰিবৰ্ত্তনত সমজুৱা দলেই যেন বিপাঙত পৰি গ'ল। কিহৰপৰা কি হ'ল ধৰিব নোৱাৰি থিতাতে সভাখন কাঁহ পৰি জীন যোৱাৰ দৰে হ'ল। নিশ্চিন্ত মনেৰে আনোৱাৰে কবলৈ ধৰিলে। "আজি মই ইয়াত ক'ম বুলি বক্তৃতা এটা বঢ়িয়াকৈ লেখি কণ্ঠস্থ কৰি পেলাইছিলো একেবাৰে ভাটৌৰ দৰে। পিছে কি হ'ল জানে? ক'বলৈ উঠি দেখিছো এটা শব্দও দেখোন মোৰ মনত নাই।"

আকৌ এবাৰ হাঁহিৰ ৰোলত গোটেই ঘৰ ভাগো ভাগো হ'ল। কিন্তু এইবাৰৰ হাঁহিত বিদ্ৰূপৰ ৰেশো নাই। বৰং বক্তাৰ কথন ভঙ্গীত আটায়ে যেন নিভাঁজ ৰসহে পাইছে। আনকি ইমান খোলাখুলিকৈ মনৰ কথা ক'ব পৰা সাহস দেখি অনেকৰ দৃষ্টিবোৰেই যেন সপ্ৰশংস হৈ উঠিছে।

"বক্তৃতাটো মুখস্থ কৰাই মোৰ ভুল হৈছিল। ভৱিষ্যতৰ বাবে এটা ভাল শিক্ষা পালো! অৱশ্যে উঠিলো যেতিয়া আৰু সভাত থাকি উচিত নক'লে দোষেও চোৱে যেতিয়া দুআষাৰ ক'বই লাগিব। হওঁতে বক্তৃতাৰ শব্দবোৰ পাহৰি গৈছো যদিও ক'ম বুলি ভৱা মূল কথাখিনি পাহৰি যোৱা নাই মই। গতিকে সহজ-সৰল ভাবে থুলমূলকৈ তাকে কওঁ শুনক। আপোনালোকক আনন্দ দিম বুলি অলঙ্কাৰপূৰ্ণ যি ভাষা মই ঠিক কৰি থৈছিলো তাৰপৰা আপোনালোকক বঞ্চিত কৰিব লগাত পৰিলো। তথাপি একো কথা নাই। আপোনালোকে বেয়া নাপাব। এয়া ভালৰ বাবেহে হৈছে। ইয়াৰ ফলত অনেক অৰ্থহীন বাৰে-ভচহু কথা শুনাৰ দুৰ্ভাগ্যৰপৰা আপোনালোক বাচি যাব।" আকৌ এবাৰ উপস্থিত সকলোৰে মুখত আমোদৰ হাঁহি বিৰিঙি গ'ল।

"ল'ৰাটোৰ সাহসো আছে ৰসজ্ঞানো আছে দেখিছো।" সমজুৱাই নিজৰ ভিতৰতে কোৱা-মেলা কৰিলে।

আৰু সেইখিনিৰেই মাত্ৰ দৰ্কাৰ আছিল। তাৰ পিচত গোটেই ৰাইজ তাৰ হাতৰ মুঠিলৈ আহি গ'ল। তেওঁলোকক লৈ এতিয়া আনোৱাৰে যি ইচ্ছা তাকে কৰিব পৰা হ'ল। আনোৱাৰে কিন্তু তাৰ পক্ষৰ সমৰ্থনত ৰাজনীতিৰ কথা যুক্তিৰে সাব্যস্ত কৰিবলৈ যত্ন নকৰিলে। ডাঙৰ ডাঙৰ লেখকৰ উক্তি বা তেনে কোনো পৰিসংখ্যাৰ হিচাপো ডাঙি নধৰিলে। আচলতে উচ্ছ্বাসিত বক্তৃতা-চাতুৰিৰে তেওঁলোকক মুহি পেলোৱাৰ কোনো চেষ্টাই সি নকৰিলে। তাৰ সলনি সি তেওঁলোকক মানুহৰ জীৱনৰ কিছুমান নিতান্তই সৰু সৰু সত্যৰ কথা ক'লে। ক'লে তাৰ নিজৰ জীৱনৰ গভীৰ অভিজ্ঞতাৰ কথা। আনোৱাৰে কথাৰ সোঁতত উটি গৈ পাহৰিয়ে গ'ল যে তৰ্ক প্ৰতিযোগিতাত নিজৰ পক্ষক সমৰ্থন কৰিবলৈ থিয় দিছে। ভাষাক ৰসাল কৰিবলৈ যত্নতো নকৰিলেই, প্ৰতিযোগিতাৰ খাতিৰত তৰ্কৰ এৰাব নোৱাৰা দিশবোৰৰ প্ৰতিও একো মনোযোগ নিদিলে। মাত্ৰ জীৱনৰ সত্যক সি যেনেদৰে দেখিছে ঠিক তেনেদৰে অকণো বিকৃত নকৰাকৈ কৈ গ'ল। কাকা ৰামেশ্বৰ দয়ালৰ লগত তাৰ আব্বাজানৰ বন্ধুত্বৰ কথা, তাৰ নিজৰ লগত ৰতন আৰু গোপালৰ বন্ধুত্বৰ কথা সি ক'লে। দিল্লীৰ কাণ্ডজ্ঞানহীন হিন্দু-মুছলমান সংঘৰ্ষৰ কথা ক'লে। অৱশ্যে সেই নিশা সি আৰু গোপালে ক'ত আশ্ৰয় লৈছিল সেই কথা সি নক'লে। কোৱা হ'লে তাৰ অৱস্থা কি হ'লহেঁতেন সহজে অনুমান কৰিব পাৰি। মহাত্মা গান্ধীক সি লগ পোৱাৰ কথা আৰু এই ক্ষুদ্ৰকায় মহান ব্যক্তিজনাই সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধ কৰিবৰ কাৰণে কেনেকৈ নিজৰ জীৱন বিপন্ন কৰিছিল সেই কথাও সি ক'লে। শেষত আপোন চকুৰে সি জালিয়ানৱালা বাগত যি দেখিছিল তাৰ হুবহু বৰ্ণনা দিলে। সেই বীভৎস দৃশ্যৰ বৰ্ণনা সি এনে ভাবে দিলে যে সকলোৰে ধাৰণা হ'ল যেন তেওঁলোকে নিজ চকুৰেহে সেই ঘটনা দেখিছে। অসংখ্য মানুহৰ মাজে মাজে এহাল সৰু সৰু ল'ৰা আগবাঢ়ি গৈছে। মুহুমুৰ্হু জনতাই বিভিন্ন দেশাত্মবোধক জয়ধ্বনিৰে গগন নিনাদিত কৰিছে। ইজনৰ পিচত সিজন নেতাই ওজস্বী ভাষাৰে বক্তৃতা দি গৈছে। হঠাৎ জনতাৰ মাজৰপৰা কোনোবাই চিঞৰি উঠিছে: "ৱহ আগয়ে। ৱহ আগয়ে।"....ৰঙামুখীয়া সেনাধ্যক্ষৰ হাতৰ ৰিভল্ভাৰ উঠা-নমা কৰিছে। শাৰী শাৰী ৰাইফেলবোৰৰ মুখৰপৰা ভমক্ ভমক্ কৰি জুই উদগীৰণ হৈছে। ভয়ানক মৰণ যন্ত্ৰণাত নাম্পুৰে গোঁ-গোঁ শব্দ কৰিছে। তাৰ পিচত জামাদাৰ অজিত সিং বীৰদৰ্পে সেনাধ্যক্ষৰ ওচৰলৈ

গৈ চিঞৰি চিঞৰি কৈছে গুলি-চালনা বন্ধ কৰিবলৈ। কিন্তু পিচ মুহূৰ্ত্তে জামাদাৰ, এদিন এজন ইংৰাজ অফিচাৰক ৰক্ষা কৰাৰ বিনিময়ত পোৱা বুকুৰ মেডেলত অন্য এজন ইংৰাজ অফিচাৰৰ অব্যৰ্থ গুলি লৈ, চিৰদিনৰ কাৰণে বাগৰি পৰিছে! কওঁতে কওঁতে অভিভূত হৈ আনোৱাৰৰ মাতটো যেন তাৰ ডিঙিতেই হেৰাই যাব খুজিলে। আৱেগত সেমেকি উঠা মাতেৰে সি কৈ গ'ল : "আৰু তাৰ পিচত, সভাপতি মহাশয়, সমগ্ৰ 'বাগ' জুৰি নামি আহিছিল মৃত্যুৰ নীৰৱতা। মাজে মাজে কোনোবা আহত কোনোবা মৰণোন্মুখৰ অন্তিম চিৎকাৰৰ শব্দই সেই নীৰৱতা আৰু ভয়ঙ্কৰ আৰু অসহনীয় কৰি তুলিছিল। সেই চিৎকাৰ মই আজিও শুনো, সভাপতি মহোদয়! আজি ন-বছৰ হৈ গ'ল। তথাপিও সেই চিঞৰ আমাৰ সকলোৰে কাণত আজিও বাজি আছে!" তাৰ পিচত আনোৱাৰে বক্তৃতা সামৰিলে। সামৰণিৰ কথা কেষাৰ কওঁতে সি ইমান উত্তেজিত হৈ উঠিল, তাৰ মাত ইমান তীক্ষ্ণ উদ্দাত্ত হৈ উঠিল যে সি নিজেই আচৰিত হৈ গ'ল। "তেন্তে? এই যিসকল অমৰ শ্বহিদে প্ৰাণদানেৰে জালিয়ানৱালাবাগ পবিত্ৰ তীৰ্থভূমিত পৰিণত কৰি গ'ল তেওঁলোকৰ তপস্যা কি বিফল হ'ব পাৰে! কেৱল মৃত্যুৰ বাবেতো নহয় সেয়া মৃত্যু। তেওঁলোকে প্ৰাণ দিলে, এদিন আমি আমাৰ প্ৰাণেৰে মুক্ত মানুহৰ জীৱন যাপন যাতে কৰিব পাৰোঁ, সেই কাৰণেই। সিদিনা তাত হিন্দু আৰু মুছলমান আৰু শিখৰ তেজ একেলগে মিলি জালিয়ানৱালাবাগৰ ধূলি শোনিম কৰি তুলিছিল। আজি যিসকলে ক'ব খোজে আমাৰ জীৱন বেলেগ, আমাৰ ৰাজনীতি-সংঘ-ভাগ্য বেলেগ, তেওঁলোকক মই প্ৰত্যাহ্বান জনাইছো—যাওক, এবাৰ সেই ৰঙা ধূলিবপৰা আমাৰ তেজ পৃথক পৃথককৈ বাছি উলিয়াওক। তাৰ পিচত আমি নিজেই মানি ল'ম—আমি বেলেগ বেলেগ মানুহ।"

উত্তাল প্ৰশংসা ধ্বনিত সভাঘৰ তাল-ফাল লাগি গ'ল। উত্তেজনাত কঁপি কঁপি আপোন-পাহৰা হৈ আনোৱাৰ বহি পৰিল। মূৰটো তাৰ ঘূৰোৱা-ঘূৰোৱা যেন লাগিছিল। চকুৰ আগত যেন বহুত ধোঁৱা কুণ্ডলি পকোৱা। তথাপি তথাপিও। সেই ধোঁৱাৰ মাজেদিয়ে সি দেখিলে সিপাৰে জিলিকি উঠিছে এহাল আঁকা-আঁকা করুণ-সজল চকু। অন্তহীন মৰি-যাম যেন লগা চেনেহ বৰষা সেইহাল চকু অপলক অলৰ বৈ আছে তাৰ মুখৰ ওপৰত। ইমান উত্তেজিত, ইমান আৱেগ-আকুল জীৱনত আনোৱাৰে কাহানিও হোৱা নাই। তাৰ দেহা জ্বলিছিল। মন জ্বলিছিল। কিন্তু নিজৰ শৰীৰৰ ওপৰত সেইহাল চকুৰ স্নিগ্ধ দৃষ্টি-পৰশ অনুভৱ কৰাৰ লগে লগে তাৰ দেহা-মন জুৰ পৰি গ'ল। সি বুজিলে

তাৰ বক্তৃতা সফলকাম হৈছে। তাৰ কথাও শুনিবলৈ সি মানুহক বাধ্য কৰিছে। এই মুহূৰ্ত্তৰপৰা যোগ্য-ভোগ্য বস্তুবোৰত সি আৰু 'কোনো' নোহোৱা হৈ থকা নাই। নিজৰকৈ অকমাণ ঠাই সি অধিকাৰ কৰি লৈছে। আজিৰপৰা কোনেও আৰু তাক নগণ্য বুলি উলাই কৰিব নোৱাৰে। আৰু........আৰু সি উপলব্ধি কৰিলে আজিৰপৰা অগণন জনতাৰ আগত থিয় দি সৰলভাৱে মুক্তকণ্ঠে প্ৰাণৰ কথা ক'বলৈ তাৰ অকণো কুণ্ঠাবোধ নহয়।

সুন্দৰ বক্তৃতাৰ বাবে কেইবাদিনলৈকে বন্ধু-বান্ধৱ শুভাকাঙ্খী আৰু সহপাঠীসকলে আনোৱাৰক অভিনন্দন জনাই থাকিল। কিন্তু লোকৰ ভাল এটা দেখিব নোৱাৰা চকু চৰহা এদল সদায় থাকেই। এতিয়াও এদল ছাত্ৰৰ স্বাভাৱিকতে ঈৰ্ষাত গা বিজ্‌বিজাব ধৰিলে। আনোৱাৰৰ বিপক্ষে হোৱাই-নোহোৱাই কিবা কেলেঙ্কাৰী ৰটনা কৰি তাৰ সুনামৰ অঙ্কুৰ মূলতে বিনষ্ট কৰি দিবলৈ সিহঁত সচেষ্ট হ'ল। অনতিপলমেই আনোৱাৰেও গম পালে, তাৰ বিপক্ষে এটা গুপ্ত ষড়যন্ত্ৰ এটা বিশেষ মহলত পাগ লৈ উঠিছে। কাৰণ সি দেখিলে, কথা নাই বতৰা নাই কোনোবাই হয়তো কেতিয়াবা তাক হঠাৎ সুধি দিয়ে ইমান সুন্দৰ বক্তৃতা দিয়াৰ প্ৰেৰণা সি ক'ৰপৰা পালে? মেৰিচ ৰাজপথত নেকি? আন কোনোবাই হয়তো উপযাচি কথা পাতিবলৈ আহি প্ৰসঙ্গক্ৰমেহে কয়, চাল্‌মা চেলিমে আনোৱাৰৰ বক্তৃতাৰ উচ্ছ্বাসিত প্ৰশংসা কৰিছে বুলি। আৰু তাৰ পিচতে হাঁহি হাঁহি তাক অভিনন্দন জনাই এনে এগৰাকী অনিন্দ্য সুন্দৰী প্ৰশংসা-কাৰিণী লাভ কৰা বাবে। এইবোৰ ঠাট্টা-মস্কৰা কাম নাইকিয়া ল'ৰাৰ কাম বুলি আওকাণ কৰি চলিবলৈকে যত্ন কৰিছিল আনোৱাৰে। কিন্তু এদিন এনে এটা ঘটনা ঘটি গ'ল যে নিৰ্ব্বিকাৰ হৈ থকা আৰু তাৰ পক্ষে সম্ভৱ নহ'ল। এদিন ৰাজনীতি-দৰ্শনৰ শ্ৰেণীত প্ৰৱেশ কৰি আনোৱাৰে দেখিলে বোৰ্ডত এটা কুৎসিত ৰুচিহীন ব্যঙ্গচিত্ৰ অঁকা আছে। চিত্ৰৰ

পাত্র দুজন যে সি আৰু চালমা দেখিলেই ধৰিব পাৰি। চিত্ৰাপিত চাল্‌মাই তাৰ ডিঙিত ওলমি কৈছে : "উহ্ কিযে ভীষণ-সুন্দৰ বৰ্তৃতা! ধন্যবাদ প্ৰাণৰ ৰোমিও মোৰ!" আৱেগত আপোন-পাহৰা হৈ সি কৈছে: "এয়াযে তোমাৰেই দান, প্ৰাণৰ জুলিয়েট! তোমাৰ প্ৰেৰণাতে মোৰ পৰিচয়!" ব্যঙ্গ চিত্ৰখনত এবাৰ চকু ফুৰাইয়ে সি শ্ৰেণীত বহি থকা ল'ৰাবোৰলৈ ঘূৰি চালে। ল'ৰাবোৰে পুলুঙা-পুলুং, ফিচিঙা-ফিচিং কৰিছে। সকলোৰে মুখত জোৰে হাঁহি সামৰিবৰ চেষ্টা। খঙত আনোৱাৰৰ গা থৰ্ থৰ্ কৰি কঁপিব ধৰিলে। কাৰোবাক ধৰি তাৰ উধাই-মুধাই ঘুঁচিয়াবৰ মন গ'ল। মাৰি মাৰি মাৰি পেলাবৰ মন গ'ল।

"কাৰ কাম এয়া? কোনে আঁকিছে?" ভীষণ জোৰেৰে সি চিঞৰি উঠিল, "উঠি আহক! যদি অকমাণো সাহ আছে উঠি আহক মোৰ আগলৈ!"

"কাটেংগা! সাৱধান—কামুৰিব!" শেষৰ শাৰীত কোনোবা এটাই চি-চিয়া মাতেৰে কৈ কুকুৰৰ দৰে ভুকি উঠিল। আৰু খঙত একো নাই হৈ আনোৱাৰে সেইফালে চোঁচা লব খোজোতেই অধ্যাপক চেলিম আহি শ্ৰেণীত প্ৰৱেশ কৰিলে। লৰালৰিকৈ আনোৱাৰ গৈ নিজৰ ঠাইত বহি পৰিল।

সকলোৰে ভাবিছিল ঘটনাই এইবাৰ গুৰুতৰ ৰূপ ধাৰণ কৰিব। কিন্তু একোৱেই নহ'ল। অধ্যাপক চেলিমে বক্তৃতা দিওঁতে বোৰ্ডত লিখি-লিখি বুজায়। সেওঁয় শ্ৰেণীত পঢ়া আৰম্ভ কৰাৰ আগতে সদায় তেওঁ যি কোনো এজন ছাত্ৰক বোৰ্ডখন পৰিষ্কাৰ কৰিবলৈ কয়। আজিও ক'লে। শিক্ষক হিচাপে তেওঁৰ সুনাম আছে। নিজৰ বিষয়টোত বিশেষ দক্ষ। বক্তৃতাসমূহো মনোগ্ৰাহী। শ্ৰেণীত থকা সময়খিনি ছাত্ৰই তেওঁৰ কথা শুনি আপোন-পাহৰি থাকে। যি পঢ়ায় তাক আকৌ নপঢ়িলেও হয়। সিদিনা তেওঁ বিপ্লৱৰ সময়ৰ ফ্ৰান্সত প্ৰচলিত ৰাজনীতিৰ আদৰ্শৰ বিষয়ে আলোচনা কৰিলে। অকণো বাধাপ্ৰাপ্ত নোহোৱাকৈ বা নিজৰ পিনৰ-পৰাও অকণো অন্যমনস্ক নোহোৱাকৈ অধ্যাপকে পাঠ শেষ কৰিলে। আনোৱাৰে অৱশ্যে যথেষ্ট যত্ন কৰিও সেইদিনা পঢ়াত মনোনিৱেশ কৰিব নোৱাৰিলে। তাৰ মনলৈ ঘূৰি ঘূৰি সেই কুৎসিত ব্যঙ্গচিত্ৰখনৰ কথাই আহি থাকিবলৈ ধৰিলে।

সময় শেষ হোৱাৰ সঙ্কেত ধ্বনি শুনাৰ লগে লগে অধ্যাপক চেলিমে সশব্দে তেওঁৰ কিতাপখন জপালে। যথানিয়মে গম্ভীৰ খোজেৰে দুৱাৰৰ পিনে আগবাঢ়ি গ'ল। কিন্তু কেইখোজমান গৈয়ে কিবা এটা মনত পৰাৰ

দৰে আকৌ ঘূৰি আহিল আৰু আনোৱাৰলৈ চাই ক'লে, "আনোৱাৰ, তুমি মোৰ কোঠালৈ আহাঁচোন, এতিয়াই।"

তাৰ মানে ছবিখনৰ পিনে মন নকৰিলেও কিবা প্ৰকাৰে এই কেলেংকাৰীৰ কথা অধ্যাপকৰ কাণতো পৰিছে। কি ঠিক, হয়তো দেখিও-নেদেখা ভাও জুৰি থাকিল তেওঁ ছবিখন। নীৰৱে আনোৱাৰ অধ্যাপকৰ পিচে পিচে বাৰাণ্ডাইদি যাব ধৰিলে। শ্ৰেণীৰ ল'ৰাবোৰে এতিয়া মানে চাগৈ কি কোৱা-মেলা কৰিছে আনোৱাৰে এবাৰ অনুমান কৰি চালে। আজি বপুৰাই এনে এশিকনি পাব যে জীৱনত আৰু সি পাহৰিব নোৱাৰে। এই ভাবি চাগৈ সিহঁতে আনন্দ পাইছে। কিন্তু সি কি কৰিব? কি উপায়েইবা আছে তাৰ? বলিশাললৈ খেদাই নিয়া পঠাৰ দৰে ভয়ে ভয়ে সি অধ্যাপকৰ কোঠাত সোমালগৈ।

"বহা, আনোৱাৰ।" চকী এখনৰ এটা চুকত কোনোমতে সি বহিলে।

"সেইদিনা তোমাৰ বক্তৃতা মই শুনিছো। অতি সুন্দৰ। যত্ন কৰি থাকিলে এসময়ত তুমি প্ৰখ্যাত বক্তা হবগৈ পাৰিবা।"

"ধন্যবাদ, ছাৰ।" তলমূৰ কৰি সি ক'লে। কিন্তু পেটে পেটে সি ভাবিলে,—কি হ'ব এইবোৰ ক'লে। এয়া জানিবা খাবলৈ মৰাৰ আগতে খাহীক খুৱাই-বুৱাই শকত কৰিহে লোৱা হৈছে। তাতোকৈ তুমি যিমান পাৰা সোনকালে বাম-দা উলিয়াই কাম ফেৰা কৰি নোথোৱা কিয়? কাটা কাটা। আকৌ ৰেপা কিয়। এনে নিৰ্ম্মম প্ৰতিক্ষা মোৰ সহ্য নহয়।"

"তুমি দিল্লীৰ আকবৰ আলি চাহেবৰ ল'ৰা, নহয় নে?"

"হয়, ছাৰ।"

"তোমালোকৰ বংশটো বেচ নামজাদা বংশ। মই ভালকৈ জানো।"

আনোৱাৰে বুজিলে এয়া ভূমিকা। এইবাৰ আৰম্ভ হ'ব যাই বক্তৃতা। এনে এটা পৰিয়ালৰ ল'ৰা হৈ আনোৱাৰৰ যে নৈতিক দায়িত্ব কিমান তাক ধুনীয়াকৈ বুজাই দিয়া হ'ব। কিন্তু তাৰ সলনি অধ্যাপকে যিটো কথা তাক সুধিলে শুনি আনোৱাৰৰ অৱস্থা মুষ্টি-যুদ্ধত 'নক-আউট' হোৱা খেলুৱৈৰ দৰে একেবাৰে 'কাহিল' হৈ পৰিল।

"অঁ—হেৰি নহয়। তুমি মোৰ ছোৱালী চাল্‌মাক দেখিছা নহয় নে?"

"নাই ছাৰ। নহয়—মানে দেখিছো ছাব........এদিন ষ্টেচনত ছাৰ...."

"তৰ্ক প্ৰতিযোগিতালৈয়ো চাল্‌মা গৈছিল।" অধ্যাপকে যেন তাক মনত পেলাইহে দিছে।

"হয়। হয় ছাৰ ; গৈছিল।"........আৰু সি একো ক'ব নোৱাৰিলে। ইয়াৰ পিচৰ কথাখিনি কল্পনা কৰিয়েই তাৰ মুখে কেহেৰাজ বটাৰ বৰণ ধৰিলে। বুকুখনেও যেন চপচপাবলৈ এৰি বৈ গৈছে।

"শুনা আনোৱাৰ, মই তোমাক মাতিছিলো,........কালিলৈ চাল্‌মাৰ জন্ম দিন পৰিছে। তাই তোমাক আবেলিৰ চাহ-টোপা আমাৰ ঘৰতে খাবলৈ নিমন্ত্ৰণ কৰিছে।" আনোৱাৰৰ মন গ'ল নিজৰ গাতে এবাৰ চিকুটি চাবলৈ—সাৰে আছেতো সি। নে সপোন দেখিছে। নাই নাই, সাৰে থাকিলেও কাণ দুখনক সি কোনোমতেই বিশ্বাস কৰিব নোৱাৰে। অধ্যাপকে কিন্তু সহজভাৱেই কৈ গ'ল, "পাৰিবাতো যাব ? কাম আছে নেকি কিবা ? আমনি—বেয়া-চেয়া নোপোৱাতো ?"

আমনি ? বেয়া ? আৰু স্বৰ্গলৈ যাবলৈ। সিতো যাবলৈ পালে সকলো কাম এৰি যাব পাৰে। কিন্তু সেয়া জানো সম্ভৱ। কামধেনুৰ ওপৰত নাচিবলৈ পোৱাৰ ভাগ্য আনোৱাৰৰ আছেনে। কম্ভু'—শ্যেক্স-পিয়েৰ-গালীৰ একেলগে হবলৈ পোৱাৰ ভাগ্য আনোৱাৰৰ ক্ষেত্ৰত সম্ভৱ হৈ উঠিব নে ?

"কি ভাবিছা ? কিবা বিশেষ কাম আছে নেকি কালিলৈ ?"

আনোৱাৰে যেন সম্বিত ঘূৰাই পালে। উত্তেজনা আৰু আনন্দত কঁপা-কঁপা মাতেৰে সি ক'লে, "নাই ছাৰ—একো কাম নাই। মই কালিলৈ নিশ্চয় যাম। যাবলৈ পালে মই সুখী হ'ম। আপোনাৰ জীয়েকক অনুগ্ৰহ কৰি মোৰ ধন্যবাদ জনাব। মই ঠিক চাৰি বজাত গৈ ওলামগৈ।"

"কিন্তু মোৰ ঘৰটো চিনি পোৱা জানো ?"

"পাওঁ ছাৰ" লুকুৱাবলৈ যত্ন নকৰি সি ক'লে, "সেই ফালেদি যাওঁতে গে'টত আপোনাৰ নাম লিখা থকা দেখিছো।"



অধ্যাপক মোহাম্মদ চেলিমে তেওঁৰ অক্সফোৰ্ডৰ ডিগ্ৰীটোৰ বাবে নিজে নিজেই গৌৰৱ-বোধ কৰে। তেওঁ তিনি বছৰ ইংলণ্ডত আছিল। কেৱল ডিগ্ৰীটো বুলিয়েই নহয় ইংলণ্ডৰ স্মৃতি বিজড়িত সকলো-সুৰা তেওঁৰ লগত থকা বস্তুবোৰো তেওঁ বৰ ভাল পায়। প্ৰৌঢ় আৰু বিপত্নীক হ'লেও এতিয়াও তেওঁ বুকুজেপত 'বেজ' লগোৱা ট্ৰিনিটিৰ টেনিচ-ব্লেজাৰটো পিন্ধি ভাল পায়। অনেকবাৰ ধুবিৰ হাতত পৰি কোটটোৰ নীলা ফ্লানেল কাপোৰবোৰ উৰ্ণলি যোৱাৰ দৰে হৈছে। 'বেজ'টোৰো সোণোৱালী ৰং অনুজ্জ্বল মদৰুৱা হৈ পৰিছে। দৰ্জ্জিৰ হতুৱাই কেইবাবাৰো ডাঙৰ কৰোৱাই লোৱা হৈছে যদিও কোটটোৱে অধ্যাপকৰ ক্ৰম-বৰ্দ্ধমান দেহাৰ আয়তনৰ লগত তাল ৰাখিব পৰা নাই। সাজ-পাৰত অধ্যাপকৰ বেচ চখ আছে। আলমাৰিত নতুন নতুন ধৰণৰ বিধে বিধে পোছাক ঠাহ খোৱা। তথাপিও সদায় আবেলি ক্লাবলৈ যাওঁতে এই ব্লেজাৰটো তেওঁ পিন্ধিবই। যেয়া যেন ধৰ্ম্মৰ এটা বিশেষ পালিবলগীয়া নিয়মৰ দৰেহে কথা। এই কোটটোৰ সৈতে বিজড়িত হৈ আছে অধ্যাপকৰ যৌৱনৰ অনেক মধুৰ স্মৃতি। তদুপৰি ই যেন তেওঁৰ বাবে অক্সফোৰ্ডে তেওঁক শিকোৱা 'উচ্চতৰ' পাশ্চাত্য সভ্যতা প্ৰীতিৰ প্ৰতীকহে।

এগৰাকী সাহসী দৃঢ় মতাৱলম্বী পুৰুষ বুলি আলিগড়ত অধ্যাপক চেলিমৰ সুনাম আছে। পশ্চিমীয়া সাজ-পাৰতো অনেকেই পিন্ধে; অধ্যাপক চেলিমেও পিন্ধাত বিশেষত্ব হয়তো একো নাই। তথাপি তেওঁৰ কথা বেলেগ। কাপোৰ-কানিতে নহয় দৈনন্দিন জীৱনৰো প্ৰতি খোজতে তেওঁ বিলাতী ধৰণ-কৰণ নিষ্ঠভাৱে অনুসৰণ কৰিবলৈ যত্ন কৰে। আনকি ঈদ বা বকৰ-এ-ঈদৰ দৰে উছৱৰ দিনতো তেওঁ চুট এৰি শেৰৱানি এটা নিপিন্ধে। মচজিদত পাঁচ-ৱক্ত নমাজৰ বাবে সমূহীয়াভাৱে প্ৰাৰ্থনা কৰি-বলৈকো তেওঁ নাযায়। ৰমজান মাহৰ ৰোজাৰ দিনকেইটাতো তেওঁ উপ-বাস নকৰে। নিজকে অধ্যাপক চেলিমে প্ৰগতিশীল বুলি ভাবে। গোড়া ভাৰতীয় মুছলমান সমাজত প্ৰচলিত পৰ্দ্দা আৰু বহুবিবাহ প্ৰথাক তেওঁ খোলাখুলিভাৱে নিন্দা কৰে। আনকি কোনো কোনো পৰচৰ্চাকাৰী নিন্দুকৰ মতে কেতিয়াবা হেনো তেওঁ কিবা উপলক্ষ্যত ইংৰাজ বিষয়া বা ইংৰাজী ধৰণ-কৰণ ভালপোৱা দেশী-চাহেব বন্ধুক ঘৰলৈ নিমন্ত্ৰণ কৰি

আপ্যায়িত কৰিবৰ হ'লে লগতে ভদ্ৰতাৰ খাতিৰত দুই এক পেগ পানীয় গলাধঃকৰণ কৰিবলৈকো পিচ নোহোহঁকে।

অধ্যাপক মোহাম্মদ চেলিমৰ কৰ্ম্মজীৱনৰ প্ৰথম ছোৱাত তেওঁৰ জীৱনৰ এটা ডাঙৰ বিফলতাৰ কথা সেই সময়ত আলিগড়ত থকা প্ৰায়ে সকলো মানুহেই জানে। অধ্যাপকৰ পত্নী আছিল পুৰণি ধৰণৰ মানুহ। হেজাৰ চেষ্টা কৰিও তেওঁ পত্নীক পৰ্দ্দাৰ আঁৰৰপৰা উলিয়াই আনি পশ্চিমীয়া ধৰণৰে জীৱন যাপন কৰাবলৈ সন্মত কৰাব নোৱাৰিলে। এই পৰাজয়ৰ বাবে জীৱনৰ অনেক বছৰ তেওঁ মনোকষ্টৰ মাজত কটাব লগা হয়। কেতিয়াবা কোনোবা সহকৰ্ম্মীৰ লগত নাৰী-স্বাধীনতা সম্পৰ্কে তুমুল তৰ্ক যুদ্ধত অবতীৰ্ণ হৈয়ো নিজৰ গাৰ্হস্থ্য জীৱনৰ কথা সুঁৱৰি শেষত নিজে নিজেই হাৰ মানিব লগাত পৰে। ইয়াৰ বাবে অৱশ্যে অধ্যাপক চেলিমক দোষ দিব নোৱাৰি। জীৱন-সঙ্গিনী বাছি লোৱাৰ সুযোগ তেওঁৰ হোৱা নাছিল। কলেজত পঢ়ি থকা অৱস্থাত কম বয়সতে তেওঁৰ বিয়া পাতি দিয়ে। বিয়াৰ পিচতে তেওঁ ইংলণ্ডলৈ গৈ তাত তিনি বছৰ কটাই আহে। কিন্তু এই তিনিটা বছৰে তেওঁৰ আৰু পত্নীৰ মাজত যি এটা প্ৰশস্ত মানসিক কন্দৰৰ সৃষ্টি কৰিলে তাক আৰু পিচত অনেক চেষ্টা কৰিও তেওঁ একোৱেই পূৰাব নোৱাৰিলে। ছবছৰ মানৰ আগতে অধ্যাপক পত্নীৰ ইন্‌ফ্লুয়েঞ্জা মহামাৰীত মৃত্যু হয়। অন্যথা বিফল এই অসুখী দাম্পত্য জীৱনৰ একমাত্ৰ সুখজনক পৰিণতি এটা মধুৰ দুৰ্ঘটনাৰ দৰে অধ্যাপক পত্নীয়ে এৰি থৈ যায় একমাত্ৰ জীয়েক চাল্‌মাক। মৃত্যুৰ পিচত অধ্যাপকে তেওঁৰ অশিক্ষিতা বা 'কুশিক্ষিতা' পত্নীক ঘৃণা কৰাৰ প্ৰশ্ন নুঠে। বৰং জীৱিতাৱস্থাতো তেওঁ পত্নীক ঘৃণা কৰা নাছিল। পুতৌ কৰিছিল। হ'লেও পত্নীৰ বিয়োগৰ পিচত জীয়েকৰ ওপৰত যাতে কু-সংস্কাৰী মাকৰ কোনো ছাঁই থাকিব নোৱাৰে তাৰ বাবে বিহিত ব্যৱস্থা লবলৈ অধ্যাপক বদ্ধ-পৰিকৰ হ'ল। একমাত্ৰ তেওঁৰ তত্ত্বাৱধানত ডাঙৰ দীঘল হোৱা চাল্‌মা সকলো দিনৰপৰা আধুনিক জাগ্ৰত নাৰী জাতিৰ সাৰ্থক প্ৰতিনিধিস্বৰূপ হৈ উঠিব লাগিব!

চাল্‌মাৰ শৈশৱ নিতান্ত অকলশৰীয়া আৰু প্ৰায় অসুখীভাৱেই অতিবাহিত হয়। চাল্‌মাৰ মাক-বাপেকৰ মাজত খুট-খাট নলগাকৈ এটা দিনো পাৰ নগৈছিল। আৰু বেচাৰী অকলুষ আত্মাৰ চাল্‌মাজনীয়েই আছিল দোভাগখিনি মনোমালিন্যৰ মূল। চাল্‌মাক কেনে ধৰণৰ শিক্ষা দিয়া উচিত আৰু অনুচিত—এই বিষয়ত দুয়োৰে মাজত কাহানিও আপোচ মিমাংসা হৈ নুঠিল। মাক-বাপেকৰ টনা-আজোৰা সৰু-সুৰা কাজিয়া-

পেচালৰ কথাৰেই চাল্‌মাৰ শৈশৱ-স্মৃতিৰ ভঁৰাল খুল খোৱা। মাকে বিচাৰে চাল্‌মাই কোৰানৰ 'আয়াত' আয়ত্ত কৰক। বাপেকে শিকাই 'টিংকল টিংকল লিটল ষ্টাৰ' আবৃত্তি কৰিবলৈ। বাপেকে আয়োজন কৰা বন্ধু-বান্ধৱৰ কোনো চাহ-মেল বা তেনে অনুষ্টুপীয়া অনুষ্ঠানলৈ মাক কেতিয়াও ওলাই নাহে। সেয়ে নিৰুপায় বাপেকে তেওঁৰ এই আশ্চৰ্য্য প্ৰতিভাময়ী জীয়েকৰ গুণ-গৰিমা প্ৰদৰ্শন কৰিয়েই মাকে কৰা ক্ষতি পূৰণ কৰিবলৈ যত্ন কৰে। বাপেকে বিচাৰে চাল্‌মাই ইংৰাজ ল'ৰা-ছোৱালীৰ দৰে পাতল অনাড়ম্বৰ ফ্ৰক পিন্ধক। আৰু মাকে ৰংচঙীয়া চিল্কৰ এসোপা কাপোৰেৰে গোটেই ছোৱালীজনীকে ঢাকি ৰাখিবলৈ পালেহে সুখ পায়। আৰু গহনা-পাতিৰ কথা যে ক'বলৈ গ'লে আহৰিয়েই। বস্তুটোৰ প্ৰতি মাকৰ যদি সোতৰ অনা অনুৰাগ বাপেকৰ ওঠৰ অনা বিৰাগ। এই দুই ম'হৰ যুঁজত মাজতে মৰণ মিলিছিল বিৰিণাৰ। তাইৰ নিজৰ ভাল-পোৱা বেয়া-পোৱাৰ প্ৰশ্নটো নুঠিছিলেই; বৰঞ্চ কাৰ কথা শুনিব কাক সন্তুষ্ট কৰিব উবাদিহেই নাপাই দুই নাৱত দুই ভৰিৰ দৰে অসহায়-হতাশ হৈ পৰিছিল। প্ৰতিদ্বন্দ্বিতা আৰু খৰিয়ালেৰে ভৰা এখন ঘৰত ডাঙৰ হ'ব লগা হোৱা চাল্‌মা যে স্বাভাৱিকতে অকালপক্ক হ'ব তাত সন্দেহ নাই। তাইৰ বয়সৰ ছোৱালীয়ে জনা অনুচিত আৰু অস্বাভাৱিক অনেক অপ্ৰিয় কথাই তাই নিচেই সৰুতেই শিকি পেলাইছিল। মাক-বাপেকৰ একেজনী ছোৱালী। আগলৈও নাই। পিচলৈও নাই। সেয়ে অপৰ্য্যাপ্ত মৰম পালেও ল'ৰাই হওক বা ছোৱালীয়েই হওক তেনে কোনো সমবয়সীয়াৰ সঙ্গ পোৱাৰ সৌভাগ্য চাল্‌মাৰ নাছিল। অকলশৰে থাকি থাকি তাই আত্মকেন্দ্ৰিক হৈ পৰিছিল। কাৰোবাৰ লগত বন্ধুত্ব গঢ়ি তোলাৰ মানুহৰ যি স্বাভাৱিক প্ৰবৃত্তি সেই প্ৰবৃত্তিক অৱদমন কৰি অলীক সপোন ৰচি ৰচি সময় কটোৱাৰ কৌশল তাই আয়ত্ত কৰিছিল। বাপেকে তাইক চিণ্ড্ৰেলাৰ সাধু আৰু তেনেকুৱা অনেক সাহসী ৰাজকুঁৱৰী-ৰাজকোঁৱৰৰ থকা ৰূপকথাৰ কিতাপ পঢ়িবলৈ দিছিল। সেইবোৰ পঢ়ি পঢ়ি তায়ো অনেক দুঃসাহসী কাম নিজে সম্পন্ন কৰাৰ কথা বহি বহি কল্পনা কৰি সময় কটাইছিল।

মাকৰ মৃত্যুৰ পিচত চাল্‌মা সম্পূৰ্ণে বাপেকৰ হাতলৈ আহিল। বাপেকেও অকণো পলম নকৰাকৈ তাইক নাইনিতালৰ এটা কনভেণ্টলৈ পঠিয়াই দিলে। তাত ইংৰাজ, এংলো-ইণ্ডিয়ান আৰু ধনী ধনী পশ্চিমীয়া চাল-চলনত চলা পৰিয়ালৰ ল'ৰা ছোৱালীবোৰ পঢ়ে। শিক্ষয়িত্ৰীবোৰো শ্বেতাঙ্গী মিচনেৰী মেম। বাপেকৰ দৃঢ় বিশ্বাস আছিল তাত পঢ়িলে

চাল্‌মাই অতি সোনকালে একেবাৰে "ইংৰাজৰ দৰেই ইংৰাজী ক'ব পৰা" হৈ যাব।........কনভেণ্টত প্ৰায় সাতশ জনী ছোৱালী পঢ়ে। কিন্তু আচ-ৰিতভাৱে ইমানবোৰ ছোৱালীৰ মাজত থাকিও চাল্‌মাৰ মনৰপৰা তাইৰ নিসঙ্গ-নিসঙ্গ ভাৱটো বিদূৰিত নহ'ল। সিহঁতৰ মাজৰে এজনী হৈ পৰিব চাল্‌মাই কোনোমতেই নোৱাৰিলে। প্ৰথম অৱস্থাততো তাই সিহঁতৰ উচ্ছাসিত খিল খিল হাঁহি, চাল্‌মাৰ মানত অমাৰ্জ্জিত ৰুচিহীন কথা-বতৰা, এংলো ইণ্ডিয়ান ছোৱালীবোৰৰ মুখৰ লেকাম নোহোৱা অশ্লীল মাত, আৰু দেখিলে কিবা ষড়যন্ত্ৰ কৰিছে যেনহে লগা ফুচফুচীয়া যৌন-আলো-চনাৰ প্ৰকোপ দেখি প্ৰায় ভয়েই খাই গৈছিল। মনৰ গহনত তাইৰ বিৰাজ কৰিছিল এনে এক একান্ত ভাৰতীয় সংস্কাৰ যাক তাই উত্তৰাধিকাৰী সূত্ৰে পাইছিল মাকৰপৰা আৰু যাক নিৰ্ম্মূল কৰাৰ মানসেৰেই বাপেকে তাইক কনভেণ্টত পঢ়িবলৈ পঠিয়াইছিল। কিন্তু ছুবছৰৰ মূৰত নাই-নিতালৰপৰা চাল্‌মা যেতিয়া ওলাই আহে তেতিয়া দেখা গ'ল বাপেকে আশা কৰা মতেই তাই নিৰ্ভুল উচ্চাৰণেৰে ইংৰাজী ক'ব পৰা হৈছে। ইংৰাজী সাহিত্যৰ যথেষ্ট জ্ঞানো তাই আহৰণ কৰিছে। কিন্তু এংলো-ইণ্ডিয়ান জীৱন-পদ্ধতিৰ লগত কোনোমতেই তাই নিজকে খাপ খুৱাই লব নোৱাৰিলে। তেজ্ৰে কথা ক'লে। স্বভাৱতে চাল্‌মা আছিল আদৰ্শ-গত প্ৰাণা ; অলপ ৰোমাণ্টিক। এই ছোৱালীবোৰৰ সাধাৰণ আৰু নিতান্ত দৈহিক জীৱন তথা ধাৰণাক চাল্‌মাই কোনো পধ্যেই ভাল চকুৰে চাব পৰা নাছিল। তাইৰ গাভৰু মনৰ সপোনত আছিল অনামী এক ৰূপ কোঁৱৰ। বাৰ্ষিক উছৱ বা তেনে ধৰণৰ আন অনুষ্ঠান আদিত লগ পোৱা উতনুৱা অভদ্ৰ আধা-চেলোৱা-চাহেববোৰৰ মাজত সেই সপোন-কোঁৱৰক কেতিয়াবা হঠাৎ লগ পাই যোৱাৰ আশা চাল্‌মাই কেতিয়াও ভুলতো কৰা নাছিল।

চাল্‌মাই যেতিয়া চিনিয়ৰ কেম্ব্ৰিজ পাছ কৰে তেতিয়া তাইৰ বয়স মাত্ৰ যোল্ল বছৰ। ইমান সৰুতে এই পৰীক্ষা পাছ কৰা ছাত্ৰ-ছাত্ৰী নিচেই ক'মেই আছে। এইবাৰ বাপেকে চাল্‌মাক আনি নিজৰ লগত ৰাখি আলিগড় ছোৱালী কলেজত নাম লগাই দিলে। তেওঁ ভাবিলে তেওঁ বিচৰা মনোমত শিক্ষা চাল্‌মাই পাইছে। এতিয়া তাই ঘৰত থকা দৰ্কাৰ। ঘৰখনো চোৱা-চিতা কৰিবলৈ শিকিব লাগে। তদুপৰি পৰৱৰ্ত্তী জীয়ৰী, নিজৰ ভৱিষ্যত "সফল" বৈবাহিক জীৱনৰ বাবেও সাজু হবৰ হ'ল। অধ্যাপক দূৰদৰ্শী মানুহ। জীয়েকৰ ভৱিষ্যত সম্পৰ্কে নভৰা-নিচিন্তাকৈ ঘপ্‌কৰে কিবা এটা কৰি পেলাব তেওঁ নোৱাৰে।

নিজৰ জীৱন-সঙ্গী নিৰ্ব্বাচনৰ ভাৰ তেওঁ কোনোমতেই এক গাভৰুৰ কমোৱা তুলাৰ মনৰ খেয়াল-খুচিৰ ওপৰত এৰি দিব নোৱাৰে। আনহাতে পুৰণি দিনৰ মাজৰ-মানুহৰ ওপৰত সকলো এৰি দি ছোৱালীক একো নোসোধাকৈ কিবা কৰাবো তেওঁ পক্ষপাতি নহয়। এই ক্ষেত্ৰত কৌশলেৰে তেওঁ আগবাঢ়িবলৈ মনস্থ কৰিছিল। চাল্‌মাৰ যোগ্য পাত্ৰ এজন তেওঁ নিজেই বিচাৰি উলিয়াব। কম বয়সীয়া প্ৰতিভাবান এটা ভাল বংশৰ সচ্চৰিত্ৰ ল'ৰা বিচাৰি নিজে দিহা-ভৰসা দি তেওঁ এটা ভাল চাকৰি পোৱাই দিব। চাল্‌মাৰ দৰে এজনী ৰূপৱতী আৰু গুণী ছোৱালীক তেওঁতো আৰু যাৰে-তাৰে হাতত তুলি দিব নোৱাৰে। সেয়ে অধ্যাপকে এই পৰিকল্পনা ভাবি উলিয়াইছিল। আৰু সৌভাগ্যক্ৰমেই আনোৱাৰৰ মাজত তেওঁ বিচৰা মতে উপযুক্ত "কেঁচা মাল"ৰ সন্ধানো পাইছিল। চেহেৰা-পাতিৰ পিনৰপৰা দহটা ল বাৰ মাজত জিলিকি থকা ল'ৰা সি। শিষ্টাচাৰ জানে। বেচ চালাক-চতুৰ; পঢ়া-শুনাতো বেয়া নহয়। ভবিষ্যতৰ প্ৰচুৰ সম্ভাৱনা আছে ল'ৰাটোৰ মাজত। সবাবো উপৰি আনোৱাৰৰ দৃষ্টিভঙ্গী আধুনিক। স্ত্ৰীক পৰ্দ্দাৰ এখোজো বাজলৈ ওলাই আহিবলৈ দিব নোখোজা বিধৰ নহয়। অকণমান কোনোবাই চাই-চিতি দিলেই সহজেই চিভিল-চাৰ্ভিচ পৰীক্ষা পাছ কৰিব পৰা সামৰ্থ্য আনোৱাৰৰ আছে। আৰু সেয়ে হ'লেই। চাল্‌মা এগৰাকী সম্ভ্ৰান্ত কালেক্টৰৰ গৃহিণী হৈ যায়। আৰু কি লাগে। যি কোনো এজনী ছোৱালীয়েই যুক্তিসঙ্গতভাৱে ইয়াতোকৈ আৰু বেছি ওপৰলৈ কেতিয়াও আশা কৰিব নোৱাৰে।

কিন্তু এইবোৰ কথা তেওঁৰ মনতে আছিল। ঘূণাক্ষৰেও চাল্‌মাক জানিবলৈ দিয়া নাছিল। বুদ্ধিয়ক মানুহ অধ্যাপক। তেওঁ জানে চাল্‌মাৰ মন এতিয়া কহুঁৱা-ফুলৰ। কত সপোন আছে তাত। সেই মধুৰ সপোন অকৰ দৰে কথাৰে ভাঙি দি তেওঁ মূৰ্খামি কৰিব নোৱাৰে। আপোন পৰিকল্পনাত এনেভাৱে আগবাঢ়িব লাগিব যাতে চাল্‌মাই কিহৰপৰা কি হ'ল একো ধৰিবই নোৱাৰে। বৰং তাইৰ ধাৰণা হ'ব যেন তাই নিজৰ জীৱন-সঙ্গী নিজেইহে বাছি লৈছে। বলপূৰ্ব্বক বিবাহ দিয়া কথাটো অধ্যাপকে সমৰ্থ ন কৰে। প্ৰগতিপন্থী বুলি আত্ম-গৌৰৱ আছে তেওঁৰ। হ'লেও তেওঁ জানে জুখি-মাখি নিৰ্ভুলভাৱে আগবাঢ়িব জানিলে প্ৰেমৰ মাজেৰে হোৱা বিবাহো একেবাৰেই পূৰ্ব্ব-পৰিকল্পিতভাৱে ঘটাই দিব পাৰি। জীয়েকক বুলিয়ে নহয় আনোৱাৰকো এইবোৰ কথা প্ৰথমৰেপৰা জানিবলৈ দিয়া মূৰ্খামি বুলিও তেওঁ জানে। অতি সাৱধানে লুকাই

থাকি বচি টানি পুতলা নাচৰ নাটক আগবঢ়াই নিব পৰাতেই সূত্ৰধাৰৰ কৃতিত্ব। সেইবাৰেই তেওঁ চাল্‌মাৰ জন্মদিনৰ উছৱলৈ বাছি বাছি আৰু কেইবাজনো ল'ৰাকো মাতিলে। ৰাজকো মাতিলে। বিষাদ-মগ্ন এই কবি কেতিয়াবা কেনেবাকৈ চাল্‌মাৰ জীৱন-সঙ্গী হয় যদি হ'ব—এনে ভাবেৰে তেওঁ ৰাজক কেতিয়াও মতা নাছিল। গোটেই আয়োজনটোকেই এটা স্বাভাৱিক সন্দেহাতীত ৰূপ দিয়াই তেওঁৰ আছিল উদ্দেশ্য। তদুপৰি যুগে যুগেতো সম্ভ্ৰান্ত বিলাসী অভিজাত দুখ কাক বোলে নজনা মহিলাৰ আনন্দ বিনোদনৰ বাবে দুখৰ কবিতা গোৱা কবি সম্প্ৰদায় ব্যৱহৃত হৈ আহিছেই। ৰাজেও নিমন্ত্ৰণ পালে এই প্ৰহসনটোৰ যশতেই। ৰাজে যদি দুটামান কবিতা আবৃত্তি কৰি শুনায় চাল্‌মাৰ জন্মদিনৰ উৎসৱ বেচ ৰসাল হৈ উঠিব নিশ্চয়।



নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ আনোৱাৰ আহিল। অৱশ্যে আহিল বুলিও তাৰ মনত ধনিষ্টোমানো স্বস্তি নাছিল। অধ্যাপক আৰু চাল্‌মা দুয়োৰে মনত তাৰ প্ৰতি যে ভাল ধাৰণা থাকিব নোৱাৰে এয়া সি আগতিয়াকৈয়ে ধৰি লৈছে। তথাপিও সি নাহি নোৱাৰিলে। চাল্‌মাৰ লগত বন্ধুত্ব গঢ়ি তোলাৰ এই সোণালী সুযোগ সি কোনোমতেই এৰি দিব নোৱাৰে। ওচমানকো নিমন্ত্ৰণ কৰা হৈছিল।

ওচমান অদ্ভুত। নিমন্ত্ৰণ ৰাখি আহি অতি সহজ নিসঙ্কোচভাৱে সি সকলোৰে লগত কথা-বতৰা পাতিছে। আনকি, আনোৱাৰে দেখি

অবাক হৈ গ'ল, সি দুই-এবাৰ সুবিধা বুজি চালুমাক দুষাৰ-এষাৰ মুখৰোচক কথা শুনোৱাবলৈকো পিচ হোইঁকা নাই। জন্মোৎসৱৰ কাৰণে চালু-মাই পৰিষ্কাৰ বগা কাপোৰ পিন্ধিছে। এপাহ ফুলৰ দৰে পুনীয়া চালুমাক এই সাজটোৱে তুলি ধৰি সাক্ষাত কোনোবা পবিত্ৰতাৰ দেৱী প্ৰতিমা যেন দেখা কৰিছে। বাজে এটা চুকত আৰাম কৰি বহি লৈছিল। অধ্যা-পকে উদাৰতা দেখুৱাই কাবোবাৰ মন গ'লে চিগাৰেট খাবলৈ অনুমতি দিয়া বেপৰা সি অনবৰত ইটোৰ পিচত সিটোকৈ চিগাৰেট হুপি হুপি আয়াসাৰে ধোঁৱাবোৰ চক্ৰাকাৰ কৰি এৰি এৰি বহি আছে। বাকী-বোৰ ল'ৰাই নোপোৱাই পোৱাদি লাজ-কাজ কাতি কৰি চালুমাক বেচ্‌-কুৰি ধৰিছে। চালুমাৰ মুখৰ প্ৰত্যেকটো শব্দ সিহঁতে পাবিলে যেন গিলিহে খাব। সামান্য কিবা এটা হাঁহি উঠা কথা চালুমাই ক'লেই হাঁহিৰ কোৰত সিহঁত ভাগি পৰিব খুজিছে। অধ্যাপক চেলিমেও তেওঁৰ অদ্ভুত গঢ়ৰ প্ৰকাণ্ড পাইপটো হুপি হুপি এটা বিশেষ ভঙ্গীমাত আসনত বহি চাই আছে। এই পাইপটো তেওঁৰ চুইজাৰলেণ্ড ভ্ৰমণৰ চিন। সময় বুজি ব্যৱহাৰ কৰে। কোনোবাই অকণমান ঔৎসক্য দেখুৱালেই নিজৰ ভ্ৰমণ-অভিজ্ঞতা প্ৰকাশৰ সুযোগ গ্ৰহণ কৰে। তেওঁৰ মুখত বেচ গাম্ভীৰ্য্যপূৰ্ণ অথচ মুগ্ধ তৃপ্ত হাঁহিৰ ৰেখা। তেওঁ ভাৱে মাৰ্জ্জিত ৰুচিৰ সুসংস্কৃত এজন ভদ্ৰলোকৰ পক্ষে জীয়েকৰ প্ৰথম গুণমুগ্ধ দলৰ প্ৰতি এনে নিৰ্ব্বিকাৰ-অভিভাৱকসুলভ অভিব্যক্তি প্ৰদৰ্শনেই শোভা পায়।

আনোৱাৰৰ বৰ অস্বস্তি লাগিছিল। আড়ষ্ট হৈ বহি থকাৰ বাহিৰে আৰুনো সি কি কৰিব বা কৰা উচিত কোনোমতেই ভাবি উলিয়াব পৰা নাছিল। প্ৰথমতে সি অলপ সময় ৰ-লাগি চালুমাকে চাই থাকিল। আৰু সঁচাকৈয়ে চুপচাপ বহি ছোৱালীজনীকে চাই থাকিবৰ মন গৈছিল তাৰ। কিন্তু খন্তেক পিচতে লোকৰ গাভৰু ছোৱালী এজনীলৈ এনেকৈ বেঙাৰ দৰে চাই থকা কিমান লাজৰ কথা উপলব্ধি কৰি তৎক্ষণাত চকু ঘূৰাই বেৰৰ ছবি এখনৰ সৌন্দৰ্য্য উপভোগ কৰাত ব্যস্ত হৈ পৰিল। তাৰ পিচতে সি যত্ন কৰিলে আপোন গতিত আগবাঢ়ি যোৱা কথা-বতৰাত অংশ গ্ৰহণ কৰিবলৈ। কিন্তু ইমানেই অপ্ৰস্তুত হৈ আছিল তাৰ মন যে হঠাৎ মাতটো ইমান ডাঙৰ ডাঙৰ হৈ ওলাল যেন শুনি সকলোৱে কপালৰ গাঁঠি খপ খুৱাইহে নিছে এনে লাগিল তাৰ। আৰু বাধ্য হৈ কোঁচ-মোচ খাই সি মনে মনে বহি থাকিল। চালুমাই অৱশ্যে তাৰ প্ৰতি বিশেষ মনোযোগ আৰু আদৰ-সাদৰ প্ৰদৰ্শন কৰা যেনেই অনুমান হ'ল তাৰ। "ক'তা আলি, আপুনি দেখোন একো খোৱাই নাই! থাওক—" এই

বুলি কৈয়ে কেক বা 'চমোচা'ৰ প্লেট এখন তাৰ পিনে আগবঢ়াই দিয়ে। অভদ্ৰতা হৈ যায় বুলি ঘূৰাই দিবলৈকো ভয় —"খাইছো খাইছো ;—হব ;—ধন্যবাদ!" এনেকৈ অলপ অলপকৈ লওঁতে লওঁতে তাৰ সমুখত খোৱা বস্তুৰ পাহাৰ হৈ গৈছে। অথচ আবেগ-উত্তেজনাৰ কোবত সি একোকেই খাবও পৰা নাই। আনোৱাৰৰ এইবোৰ বিপৰ্য্যয়ে চূড়ান্ত সীমা পালেগৈ তেতিয়া যেতিয়া সি হাতৰপৰা থৰক-বৰক কৰি পেলাই এবাৰ সুন্দৰ পিৰিচ এখনকে ভাঙি পেলালে। চালমাই তাৰৈ চাহ আগবঢ়াই দিছিল। চালমাৰ ক'লা-ক'লা ডাঙৰ-ডাঙৰ অজলা চকু-হাললৈ চাই চাই সি অন্যমনস্কভাবে পিয়লাৰ নালটোত ধৰিলে, পিৰিচ-খনত ধৰিবলৈ নহ'ল। পকাত পৰি পিৰিচখন খণ্ড খণ্ডকৈ ভাগি গ'ল। অধ্যাপক আৰু চালমা দুয়ো দঢ়াই-দঢ়াই আনোৱাৰক একো চিন্তা নকৰিবলৈ ক'লে। কিন্তু তাৰ ইমান লাজ লাগিছিল যে একো একোৰাৰ কিবা এটা চেলু কৰি কোঠাৰপৰা ওলাই একেবাৰে গুচি আহিবলৈকে মন গৈছিল। যেই হওক সিমানখিনি যেনিবা হ'ব লগা নহ'লগৈ। তাৰ আগতে এজন ল'ৰাই প্ৰস্তাৱ আগবঢ়ালে যে এইবাৰ ৰাজে সিহঁতক কবিতা আবৃত্তি কৰি শুনাব লাগে। সকলোৱে হয়ভৰ দি উঠিল। আনো-ৱাৰেও স্বস্তিৰ নিশ্বাস পেলালে। ৰাজে প্ৰথমতে নাই-নথওঁ কৰিছিল। কিন্তু চালমায়ো যেতিয়া প্ৰস্তাৱটো সমৰ্থন কৰি জোৰ দি অনুৰোধ কৰিলে তেতিয়া ৰাজ আজ্ঞা-পালনাৰ্থে সাজু হ'ল।

প্ৰথমতে ৰাজে দুটামান গজল আবৃত্তি কৰিলে। আনোৱাৰে ৰাজৰ স্বৰচিত গজলত বিশেষ একো ৰস নাপালে। কবি হিচাপে ৰাজ নিচেই দলিয়াই পেলাব লগা নহব পাৰে। কিন্তু হেজাৰ হ'লেও কবিশ্ৰেষ্ঠ গালিব, জৌক, মমিন আদিৰ জোৰ কোনে পাব পাৰে। অনেক শ্ৰেষ্ঠ গীত এই সকল কবিয়ে বিশ্বক দি গৈছে। আৰু তাৰ সৰহখিনিৰে ৰসাস্বাদন কৰি আনোৱাৰ তৃপ্ত হৈ আছে। গজলৰ ক্ষেত্ৰত তাৰ বিষয়-বস্তুটোৱেই মুখ্য কথা নহয়। প্ৰকাশভঙ্গীমা, আকাৰ, শব্দ-চয়ন আদি সকলোৰে সুসমন্বয়ৰ ওপৰতহে গজলৰ সৌন্দৰ্য্য নিৰ্ভৰ কৰে। এই ক্ষেত্ৰত ওপ-ৰোক্ত অপ্ৰমাদী কবিসকলৰ সমকক্ষ হ'বলৈ ৰাজক যে আৰু অনেক বছৰৰ তপস্যা লাগিব তাত সন্দেহ নাই। আনোৱাৰে এইবোৰ কথা ভাবি থাকোঁতেই শুনিলে উপস্থিত কোনোবা এজনে ৰাজক অনুৰোধ কৰিলে, "মৰমীৰ প্ৰতি কবিৰ উক্তি" নামৰ কবিতাটো আবৃত্তি কৰিবলৈ। ৰাজে প্ৰথমতে নাই-নাই কৰি উঠিল। কেলৈ, সকলোৱেই জানো সেইটো কবিতা মুশ্বায়েৰাত শুনা নাই? আকৌ কেলৈ!—"কিন্তু সেই দিনাৰ

কথা যে একেবাৰে বেলেগ আছিল ৰাজচাহেব।" কোমল মাতেৰে চাল্‌মাই আবেদন জনালে, "সেইটো কবিতা আজিৰ দৰে বহু৷ বহু৷ কম মানুহৰ মজলিচত শুনিলে একেবাৰে বেলেগ লাগিব।" এনে ক্ষেত্ৰত মন্তব্য কৰাত ওচমানৰ সমকক্ষ নাই। সুযোগ নেৰি সি তৎক্ষণাত চাল্‌মাক সমৰ্থন জনাই ক'লে বোলে তেওঁ উচিত কথা কৈছে। এনে কবিতা শুনিবলৈ মানুহ কম হয় মানে ভাল। আটাইতকৈ ভাল শ্ৰোতা যদি মাত্ৰ এজন হয়। ওচমানৰ কথাত এমুঠি লাজ আহি চাল্‌মাক ব্ৰীড়াবনতা কৰি তুলিলে। তাইৰ গুলপীয়া গাল দুখন ৰঙা হৈ উঠিল। ৰাজে চকু যোপা কৰি এবাৰ ওচমানলৈ চালে। কিন্তু অধ্যাপককে আদি কৰি বাকী সকলোৱেই কথাষাৰ নিতান্ত নিৰ্দ্দোষ এটা ধেমেলীয়া মন্তব্যৰূপেই লৈ হাঁহি উঠিল।

ৰাজে কবিতাটো আবৃত্তি কৰিলে। কিন্তু সিদিনাৰ দৰে উদ্দাত্ত কণ্ঠে নহয়। লাহে লাহে কোমল অনুচচ স্বৰত কবিতাটো সি আবৃত্তি কৰিলে। নিতান্তই যেন নিস্পৃহ। তথাপি আনোৱাৰে ৰাজৰ আজিৰ আবৃত্তিত এটা অভিনৱ আবেগৰ উম উপলব্ধি কৰিলে। ধীৰে ধীৰে অত্যন্ত অন্তৰঙ্গ আৰু একান্তভাৱে উক্তিবোৰ যেন মনক চুই যাব পৰাকৈ কৰিবলৈ যত্ন কৰা হৈছে। এটা দৰ দূৰ একক ভাৱ ফুটি উঠিছে। লাহে লাহে আৰ্দ্ৰ স্বৰে শব্দবোৰ উচচাৰণ কৰা বাবেই এনে লাগিছে নেকি বাৰু? আজি ৰাজৰ মাতত সকলো শুনাকৈ যেন প্ৰত্যাহ্বান কৰিছে কথা কোৱাৰ সুৰ নাই। আজি যেন কাৰোবাক নিচেই কাষৰত বহি কাণে-কাণে ব্যক্তিগতভাৱে আকুল-আকুতি নিবেদন কৰা হৈছে। আবৃত্তিৰ মাজেদি উচচাৰণৰ কলা-কৌশল প্ৰদৰ্শনৰ চেষ্টা কৰা হোৱা নাই; তাৰ সলনি অন্তৰৰ এটা নিভাঁজ উপলব্ধি মাথোন অকৃত্ৰিম গদগদ সুৰত স্বাভাৱিক ভাৱে প্ৰকাশ কৰা হৈছে। ইয়াৰ কাৰণ কি হ'ব পাৰে বাৰু? নে ৰাজৰ আবৃত্তিত একো নাই, আনোৱাৰৰ মনৰ অৱস্থাৰ বাবেই এনে লাগিছে? চাল্‌মাৰ উপস্থিতি, ইমান ওচৰত থাকিও ইমান দূৰত (!) থকা চাল্‌মাৰ উপস্থিতিৰ বাবেই শব্দবোৰে নতুন বৈশিষ্ট্যৰে আনোৱাৰৰ মনত ধৰা দিছে নেকি? কৰবাত আনোৱাৰে পঢ়িছিল কবিতা হেনো তিনিসিৰিয়া কাঁচৰ প্ৰিজমৰ দৰে। সময়, পৰিৱেশ আৰু মনৰ অৱস্থা অনুসৰি একেটা কবিতাৰপৰা মানুহে বেলেগ বেলেগ অৰ্থ পাব পাৰে; বেলেগ বেলেগ সৌন্দৰ্য্য উপভোগ কৰিব পাৰে। কেনে পৰিৱেশত আৰু মনৰ কেনে অৱস্থাত কবিতাটো পঢ়া হৈছে তাৰ ওপৰতে তাৰ ৰূপ আৰু আবেদন

নির্ভৰ কৰে। আজি সেই কথাত আনোৱাৰৰ দৃঢ় বিশ্বাস জন্মিল। কেইদিনমানৰ আগতে মাথোন এই একেটা কবিতাৰে যিবোৰ শব্দই তাক শিবাই শিবাই উত্তেজিত কৰি তুলিছিল সেই একেবোৰ শব্দই আজি তাৰ চেতনাত সম্পূৰ্ণ বেলেগ অনুভূতিৰ সৃষ্টি কৰিছে। কিবা যেন এটা অকল-শৰীয়া ভাৱ, এটা মধুৰ যন্ত্ৰণা, বুজিব নোৱাৰা বুজাব নোৱাৰা অনামী কিবা এটাৰ বাবে যেন এক আকুল হাহাকাৰ তাৰ ৰোমে-ৰোমে উথলি উঠিছে। ৰাজে আবৃত্তি কৰোঁতে আনোৱাৰে এবাৰো চাল্‌মাৰ মুখলৈ চাবলৈ সাহস কৰা নাছিল। জানোচা চাল্‌মাই কিবা ভুল ধাৰণা কৰি লয় বুলি ভয়তে সি একেথৰে ৰাজৰ মুখলৈকে চাই আছিল। ৰাজেও কালৈকো নেচাই চালৰ এটা কোণত দৃষ্টি স্থাপন কৰি আপোনমনে আবৃত্তি কৰি গৈছিল। কিন্তু কবিতাটো যেতিয়া ক্ৰমে শেষ হৈ আহিল লাহে লাহে যেন ৰাজৰ দৃষ্টিও চঞ্চল হৈ আহিব ধৰিলে। আৰু "মৰমী মোৰ, এবাৰ মাথোন তুমি কোৱা........" ইত্যাদিখিনি কবৰ সময়ত আনোৱাৰে দেখিলে ৰাজে ফট্‌কৰে এবাৰ কেৰাহিকৈ চাল্‌মাৰ পিনে চাই পঠিয়ালে। চাল্‌মাৰ অৱশ্যে ভাবান্তৰ হোৱা নাছিল। একান্তমনে চাল্‌মাই দুয়ো হাতৰ আঁজলিত সুগোল মুখখন ৰাখি এক সুন্দৰ ভঙ্গীমাত নিলৰ হৈ বৈ নিৰলে আবৃত্তি শুনি গৈছিল।

ৰাজৰ আবৃত্তি শেষ হ'ল। আবৃত্তি শেষ হোৱাৰ পিচত প্ৰায় এক মিনিট কাল কোঠাটো সম্পূৰ্ণে নীৰৱ হৈ ৰল। কাৰো মুখত মাত-বোল নাই। যেন কবিতাৰ সুৰেই মৌনমুখৰৰূপে কোঠাটোত ভাঁহিহে ফুৰিছে। খন্তেক পিচত অধ্যাপকে তেওঁৰ হাতঘড়ীটো চালে। তাকে দেখি এজন ল'ৰাই মাত লগালে,—যথেষ্ট পলম হৈছে। এতিয়া উঠাহে কথা আৰু। লগে লগে কোঠাটো আকৌ সজীৱ গুঞ্জনেৰে মুখৰ হৈ উঠিল। "ধন্য-বাদ ছাৰ।"—"তোমালোক অহা বাবে নথে সুখী হলোঁ।"—ওচমানে এই সুযোগতে তাৰ নিজস্ব ভঙ্গীত কৈ উঠিল, "আমি আটায়ে প্ৰাৰ্থনা কৰিছো মিচ্ চাল্‌মাৰ জন্মদিন যেন বছৰত কেইবাবাৰোকৈ পৰে। তেতিয়া হ'লে আজিৰ দৰে চাহমেললৈ আমি কেইবাবাৰো আহিবলৈ পাম।" প্ৰত্যুৎপন্নমতী চাল্‌মাই তৎক্ষণাত উত্তৰ দিলে, "তেতিয়া পিছে মইহে চাওঁতে-চাওঁতেই বুঢ়ী হৈ যাম।" সকলোৱে হাঁহিছিল। আনোৱাৰৰ মন গৈছিল সিও কিবা এটা কয়। এনেকুৱা মুখৰোচক কিবা এটা। কিন্তু কি ক'ব ভাবি উলিয়াব নোৱাৰি বেচাৰাই গতানুগতিক ভাৱেই বিদায় ল'ৰ লগাত পৰিল।

সকলোতকৈ শেষত সি বিদায় ল'লে। তাৰ কৰমৰ্দ্দন কৰি অধ্যা-

পকে বেচ অন্তৰঙ্গভাৱে ক'লে, "আকৌ আহিবা সেই আনোৱাৰ। তোমাৰ যেতিয়াই মন যায় তেতিয়াই আহিবা। তুমি মাজে মাজে আহি থাকিলে চাল্‌মায়ো বৰ ভাল পাব। জানা, আলিগড়ত চাল্‌মাৰ বন্ধু-বান্ধৱ একেবাৰে নাই বুলিয়ে ক'ব পাৰি।" চাল্‌মায়ো লগতে ক'লে, "আহিব সেই। আবেলি অইন কাম নাথাকিলে আপুনি আমাৰ ঘৰলৈকে গুচি আহিব।" আনোৱাৰ বিবুধি হৈ পৰিল। কেনেকৈনো সি ধন্যবাদ জ্ঞাপন কৰিলে সি নিজেই নাজানে। নিশ্চয় অতি হাঁহি উঠা ধৰণে। আনোৱাৰে নাজানে লোকৰ গাভৰু ছোৱালীৰ লগত কৰমৰ্দ্দন কৰাটো উচিত নে অনুচিত। সেয়ে সি অঁকৰা-অঁকৰি কৰি কোনোমতে কপাললৈ হাত তুলি লৌকিকতা দেখুৱাই ক'লে, "আদব আৰ্জ।" আৰু তাৰ পিচত লৰালৰিকৈ....

এই অনুৰোধৰ সুযোগ আনোৱাৰে গ্ৰহণ কৰিলে। দুদিনমানৰ পিচত সি আকৌ চাল্‌মাহঁতৰ ঘৰলৈ আহিল। আনোৱাৰ কোমল বয়সীয়া এটা ছাত্ৰ মাত্ৰ। অধ্যাপক চেলিম তাৰ শিক্ষক। কিন্তু গুৰু-শিষ্যৰ ব্যৱধানৰ প্ৰতি গুৰুত্ব নিদি অধ্যাপকে তাক অভ্যৰ্থনা কৰোতে ইমান আপোনভাৱেৰে মৰম দেখুৱালে যে আনোৱাৰ অভিভূত নহৈ নোৱাৰিলে। খন্তেক পিচতে চাল্‌মাও আহি অধ্যাপকৰ আলহী বহা কোঠাত প্ৰৱেশ কৰিলে। চাল্‌মাৰ লগে লগে কোঠাটোলৈ সোমাই আহিল এটা মিঠা সুগন্ধৰ আমেজ। আনোৱাৰে উপলব্ধি কৰিলে সি এইখন ঘৰত অবাঞ্ছিত আলহী মাথোন নহয়। বৰং সি অহাটো এওঁলোক দুয়ো কামনা কৰে। চাহৰ যোগাৰ কৰা হৈছিল যদিও একেলগে বহি চাহ খাবলৈ অধ্যাপক চেলিম থাকিব নোৱাৰিলে। কৰ্ম্মব্যস্ত মানুহ। ক্লাবত কিবা এখন জৰুৰী সভা আৰু তাৰ লগতে চাহমেলো থকা বাবে তেওঁ গাড়ীখন লৈ ওলাই গ'লগৈ। ঘৰত থাকিল মাত্ৰ আনোৱাৰ আৰু চাল্‌মা।

এজনী গাভৰু ছোৱালীক এটা নিৰ্জ্জন আবেলি ইমান অকলশৰে লগ পোৱাৰ অভিজ্ঞতা আনোৱাৰৰ জীৱনত এয়ে প্ৰথম। এনে ঘটনাও মানুহৰ জীৱনত ঘটিব পাৰে বুলি তাৰ ধাৰণাই নাছিল। সি ভাবিছিল মানুহ যিমানে আধুনিক নহওক গাভৰু ছোৱালীক এনেকৈ এজন ডেকাৰ লগত অকলে কেতিয়াও এৰি নিদিয়ে। ছোৱালীয়ে অপৰিচিত বা নতুন চিনাকি কোনোবা ডেকাৰ লগত কথা-বতৰা পাতিব লগা হ'লে ওচৰে-পাজৰে হয় বাপেক, নহয় মাক, নহয় মাহীয়েক পেহীয়েক, অন্ততঃ এটা বিশ্বস্ত চাকৰ কিবা এটা কৰাৰ চেলু লৈ উপস্থিত থাকিবই। কিন্তু এতিয়া তাৰ নিজৰ জীৱনতে এনে এটা ঘটনা ঘটি গ'ল। একেখন অনতিবৃহৎ চোফাত ওচৰা-ওচৰিকৈ সি আৰু চাল্‌মা বহি আছে। একে-লগে চাহ খাইছে। বহুত দূৰত বান্ধনি ঘৰত এটা চাকৰে কিবা বন্ধাৰ উমান পোৱা গৈছে। তাৰ বাহিৰে ইমান ডাঙৰ ঘৰটোত ক'তো কোনো নাই। পৰিস্থিতিটো নিতান্তই কাম্য সন্দেহ নাই। তথাপিও যেন সি সানন্দে আৰু সহজভাৱে ইয়াক গ্ৰহণ কৰিব পৰা নাই। এয়া যেন এক অস্বস্তিকৰ ছন্দপতনহে। লাজে-সঙ্কোচে আনোৱাৰ ভিতৰি-ভিতৰি অস্থিৰ হৈ পৰিছে। আড়ষ্ট হৈ সি মাথোন বহিহে আছে। আগভাগ লৈ চাল্‌মায়ে কথা-বতৰা উলিয়াইছে। এৰাব নোৱাৰা ক্ষেত্ৰত চমু চমুকৈ দুটা এটা শব্দৰে মাথোন উত্তৰ দি সি সৰহভাগ নীৰৱেই শুনি গৈছে। আনোৱাৰে দেখিলে মানুহৰ লগত কেনেকৈ কথা পাতিব লাগে তাৰ কৌশল চাল্‌মাই বিশেষ ভালভাৱেই জানে। ভাষাৰ ওপৰতো তাইৰ কৰ্তৃত্ব অপৰিসীম। সলসলীয়াকৈ আৰু নিৰ্ভুলভাৱে ইংৰাজী আৰু হিন্দুস্তানী দুয়োটা ভাষাই ক'ব পাৰে। চাল্‌মা সম্পূৰ্ণ দুয়োটা বিভিন্ন আৰু বিপৰীতমুখী সংস্কৃতিৰ সঙ্গমৰ সন্তান। প্ৰাচ্য আৰু পাশ্চাত্য দুয়ো ভাৱ-ধাৰা লগ লাগি চাল্‌মাৰ ব্যক্তিত্বক এক মনোৰম ৰূপ দান কৰিছে। ইংৰাজ ছোৱালীৰ দৰেই চাল্‌মা মুকলিমূৰীয়া; অহেতুক লাজ-সঙ্কোচত কোঁচ খাই নাথাকে। আত্ম-সচেতনতাৰো অৰ্থহীন বাধা নাই। বিভিন্ন বিষয়ৰ ওপৰত মুকলিভাৱেৰে আলোচনা কৰি গৈছে। হ'লেও আনহাতেদি তাই মাকৰ জীয়েকো। তাইৰ দুচকুত আছিল এক অভিনৱ অন্তৰ্জন্মা পবিত্ৰ বিনয়ৰ ভাৱ। এই বিনয়ে চাল্‌মাৰ কথা-বতৰা ভাৱ-ভঙ্গী সকলো সুন্দৰ মধুৰ কৰি তুলিছিল।

ইমান ওচৰৰপৰা ইমান ভালকৈ আনোৱাৰে চালমাক আজি প্ৰথম দেখিলে। চিক্কণ গাত আঁট-খাই পৰা শ্বালৱাৰৰ ওপৰত চালমাই এটা পাতল হালধীয়া ৰঙৰ চুৰেটাৰ পিন্ধিছে। তাইৰ গাভৰু দেহাৰ বিদ্ৰোহী

উঠা-নমাবোৰ লিপিট খাই পৰা চুৰেটাৰটোৰ গুণত দুগুণে প্ৰকট হৈ উঠিছে। চালমাৰ গাৰ বং সেন্দূৰীয়া গাখীৰৰ দৰে।" গাল দুখন তেজে কুটো-কুটো কৰা। পাউডাৰ আৰু ৰুজৰ কাৰণে নহয়—ভাল স্বাস্থ্যৰ বাবেই চাল্‌মাৰ গালত এই উষ্ম-উজ্জ্বলতা। কথাষাৰ ভাবিয়েই আনোৱাৰৰ ভাল লাগিল। ঘনকৃষ্ণ মেঘৰ দৰে অপৰ্য্যাপ্ত চউ খেলা চুলিকোছা তাই দুডাল শকত ঢিলা বেণী গুঁঠি গালৰ দুফালে পেলাই থৈছে। মুখটো অকমাণ লৰচৰ হ'লেই বেণী দুডালৰ ভাঁজবোৰ নিজে নিজে যেন খোৱা আকৌ যেৰ খোৱা যেন লাগে। আকাশ-নীলা এখন জৰ্জ্জেটৰ দোপাট্টা স্কন্ধদেশৰ ওপৰেদি অযতনভাৱে পেলাই থোৱা আছে। বাহিৰত জাৰ। ফেৰ্‌ফেৰকৈ বতাহো মাৰি আছে। ছাত্ৰাবাসৰপৰা এই ছোৱা বাট খোজ কাঢ়ি আহোঁতেই আনোৱাৰৰ থাকি থাকি হাঁড়ৰ ভিতৰলৈকে কঁপি কঁপি উঠা যেন লাগিছিল। অথচ এই চেঁচা বতৰতো ছোৱালীজনীয়ে বাক কিয় উলৰ শ্বাল এখনো অন্ততঃ গাত লৈ থকা নাই। আনোৱাৰে নুবুজিলে। অনেক কথাইতো এইখন পৃথিৱীৰ আনোৱাৰে বুজিব নোৱাৰিলে।

"আলি, আপুনি সেইদিনা তৰ্কসভাত ইমান সুন্দৰকৈ কথা কৈছিল। কিন্তু এতিয়া ক'তা, আপুনি দেখোন একো কথাই নকয়। মইহে বলকি আছো।" হঠাৎ এপাকত অনুযোগৰ সুৰত চাল্‌মাই হৈ উঠিল। অপ্ৰস্তুত হোৱাৰ দৰে আনোৱাৰৰ বাণ-মুখ ৰঙা পৰি উঠিল। সি অলপ বেছিকৈয়ে নীৰৱ হৈ আছে সঁচা। অন্তৰঙ্গ কথা-বতৰাত এনে নীৰৱতা অস্বস্তিকৰ। হ'লেও এনেকৈয়ে চাল্‌মাই প্ৰত্যাহ্বান কৰি তাক শ'লঠেকত পেলাব পাৰে সি আশাই কৰা নাছিল।

"অ'....নাই—নাই। আপুনি একো নাভাবিব। বেয়া নাপাব।" দোষ স্বীকাৰ কৰি সি খোলাখুলিকৈ ক'লে, "মই আপোনাৰ কথাই শুনি আছো একমনে। তদুপৰি...." প্ৰকৃত সত্যটো কোৱাৰ আগতে সি সেপ চুকি এক মুহূৰ্ত্ত ৰ'ল,—"তদুপৰি আপোনাৰ আগত বেছি কথা কৰলৈ মোৰ আপোনালৈ ভয় লাগে।"

"মোলৈ ভয় লাগে?" চাল্‌মাই কথাষাৰ বিশ্বাস কৰিব পৰা নাছিল। ভাবিছিল আনোৱাৰে ধেমালি কৰিছে।

"নহয়—মানে—চাওক, মানে মই ইয়াৰ আগতে আপোনাব নিচিনা ছোৱালীৰ লগতে কথা পতা নাই। কাকো এনেকৈ লগেই পোৱা নাই।"

আনোৱাৰে একো ভবা নাছিল। যি সত্য তাকে কৈছিল। কিন্তু পৰোক্ষ এই কথাৰ অৰ্থ কি হ'ব পাৰে সি ভাবি চোৱা নাছিল। সবল

মনৰ এই অকৃত্ৰিম স্তৱবাদত চাল্‌মা মুগ্ধ নহৈ নোৱাৰিলে। কোনেও নোৱাৰে। মানুহে প্ৰশংসা বিচাৰেই। চাল্‌মাও তাৰ ব্যতিক্ৰম হোৱাৰ প্ৰশ্নই নুঠে। লাহে লাহে তাইৰ এই পাণ্ডুৰ মুখৰ ল'ৰাটোক ভাল লাগি আহিছিল। ইমান সৰল, ইমান অনাড়ম্বৰ। অঁকৰা-অঁকৰা শিশু-শিশু লাগে। অথচ অকমাণো বুদ্ধিহীন নহয়। বৰং মূৰ্ত্তিমন্ত এটা প্ৰতিভাহে সি। কত কথা জানে। তাৰ জ্ঞানৰ প্ৰমাণ তৰ্ক-সভাৰ বক্তৃতাতে পাই থৈছে। কিমান গভীৰ তাৰ বিচাৰ-বুদ্ধি। প্ৰসঙ্গ পৰিবৰ্ত্তনৰ চেষ্টা কৰি এইবাৰ চাল্‌মাই সুধিলে, সেইদিনা বাৰু আনোৱাৰে সঁচাই তাৰ বক্তৃতা পাহৰি গৈছিল নে নিজৰ যুক্তিসমূহ বসাল সজীৱ কৰি প্ৰতিষ্ঠা কৰিবলৈহে কথো বুলি তেনে কৰিছিল। আনোৱাৰে তেতিয়া সিদিনাৰ অপ্ৰত্যাশিত ঘটনাটোৰ স্বৰূপ বুজাই দিলত চাল্‌মাই ক'লে বোলে তাইৰো হেনো অনুৰূপ এটা অভিজ্ঞতা আছে। এবাৰ স্কুলত অভিভাৱকসকলৰ এখন সভাত তাইৰো ঠিক তেনে হৈছিল। 'মাৰ্চেণ্ট অব ভেনিচ' নাটকৰ আদালতৰ দৃশ্যৰ পোৰ্চিয়াৰ বক্তৃতাটো তাইক আবৃত্তি কৰিবলৈ দিয়া হৈছিল। ঠিক-ঠিক মতে তাই মুখস্থ আৰু আখৰাও কৰিছিল। কিন্তু সেই "কোৱালিটি অব মাৰ্চি ইজ নট ষ্ট্ৰেইণ্ড—ইট ড্ৰপেথ ফ্ৰ'ম হেভেন আপন দি প্লেচ বেনে'থ : ইট ইজ টোৱাইচ ব্লেচড" এইখিনি কওঁতেই তাই দেখিলে এটা চাকৰে প্লেটত আইচ-ক্ৰীম লৈ অতিথিসকলৰ মাজত বিলা-বলৈ ধৰিছে। অতিথিসকলক দিওঁতে-দিওঁতে আইচ-ক্ৰীম শেষ হব ; ইফালে তাইৰ আবৃত্তি কৰি থাকোঁতেই যাব, ভাগলৈ আইচ-ক্ৰীম নেথাকিব গৈয়ে। এই ভাবটো মনলৈ অহাৰ লগে লগে তাই ইমান চঞ্চল হৈ উঠিল যে পোৰ্চিয়াইনো কি কৈছিল একেবাৰেই পাহৰি গ'ল। সৰু সৰু বগা বগা জোঙা পিৰামিড আকাৰৰ আইচক্ৰীমৰ দ'মটোলৈ অপলকে চাই চাই তাই মাথো একেষাৰ কথাকে ঘূৰাই ঘূৰাই কৈ থাকিব ধৰিলে : "ইট ব্লেথেচ হিম ডেট গিভচ্—এণ্ড হিম্ ডেট্ টে'কচ্।" ইমান ধুনীয়াকৈ বহন লগাই চাল্‌মাই তাইৰ অৱস্থাটোৰ বৰ্ণনা দিছিল যে আনোৱাৰে স্থান-কাল-পাত্ৰৰ কথা পাহৰি হো-হো কৈ হাঁহি উঠিল। চাল্‌মায়ো মন খুলি হাঁহিব ধৰিলে। হাঁহিৰ কোবত বহুত তেজ আহি তাইৰ গাল দুখনত থুপ খাই তাইক অসম্ভৱ ধুনীয়া কৰি তুলিলেহি। যৌৱনৰ প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰা এই হাঁহিয়ে আনোৱাৰৰ সকলো সঙ্কোচ আড়ষ্টতা, সকলো আত্ম-সচেতনতাৰ বাধা ধুই উটুৱাই লৈ গ'ল। নিচেই কাষতে বহি থকা এই অপূৰ্ব্ব সুন্দৰী ছোৱালীজনীৰ প্ৰতি তাৰ সকলো 'ভয়' নিঃশেষ হৈ গ'ল। এনে লাগিল যেন সেয়া তাৰ অনেক দিনৰ চিনাকি বন্ধু ;—সি আৰু

গোপালৰ দৰে ; সি আৰু ৰতনৰ দৰে ;—বা—হয়তো—হয়তো তাতো-কৈও বহুত অন্তৰঙ্গ।

আঙুলিৰ ফাঁকে ফাঁকে বালি সৰকাদি আনোৱাৰ আৰু চাল্‌মাৰ হাঁহি আৰু কথাৰ ফাঁকে ফাঁকে সময়বোৰ সৰকি সৰকি কেতিয়া নাইকিয়া হ'ল দুয়ো ধৰিবই নোৱাৰিলে। প্ৰত্যেকে প্ৰত্যেকক অনেক কথা ক'লে ; অনেক কাহিনী। লাহে লাহে সন্ধিয়া আগবাঢ়ি আহিল। কোঠাটো এন্ধাৰ হৈ পৰিল। সেই এন্ধাৰত চাল্‌মাৰ উজ্জ্বল চকুহালৰ বাহিৰে ক্ৰমে ক্ৰমে একোৱেই নেদেখা হৈ আহিল। চাকৰ এটা সোমাই আহি চুইচটো অন্ কৰি লাইটটো জ্বলাই দি গ'ল। ইমানবোৰ সময় কোন তলকত গ'ল ভাবি দুয়ো আচৰিত হৈ গ'ল। অধ্যাপক চেলিম ক্লাবৰপৰা উভতি আহি আনোৱাৰ চাল্‌মাক পুৰণি চিনাকি বন্ধুৰ দৰে বহি বহি কথা পাতি থকা দেখি ৰং পালে। এইবাৰ আনোৱাৰ উঠিল আৰু যাবলৈ বুলি মাত লগালে। চাল্‌মাই কিন্তু তাৰ কোনো আপত্তিয়েই নুশুনিলে। "পাগল নেকি!" তাই কৈ উঠিল, "তুমি আজি ৰাতিৰ আহাৰ খাইহে যাব পাৰিবা।" নিজেই কব নোৱাৰাকৈ কেতিয়াবা তাই আনোৱাৰক 'আপুনি' বোলাৰপৰা 'তুমি'লৈ ওচৰ চাপি গৈছে। আনোৱাৰেও।

ক্ৰমে ক্ৰমে অধ্যাপক চেলিমৰ ঘৰলৈ আনোৱাৰ আবেলি এবাৰ অহাটো দৈনিক এটা নিয়মত পৰিণত হোৱাৰ দৰে হ'ল। কেতিয়াবা আবেলি চাহ খাবলৈ সি আহে আৰু ঘূৰি যায় ৰাতিৰ আহাৰ কৰি। কথাৰ শেষ নাই। সদায় এটা নহয় এটা নতুন কথা ওলাবই। চাল্‌মাৰ কবিতাৰ প্ৰতি বিশেষ দুৰ্ব্বলতা আছিল। আনোৱাৰৰতো কথাই নাই। কেতিয়াবা সি ইকবালৰ, কেতিয়াবা যোশ্‌ৰ, আকৌ কেতিয়াবা কোনোবা নতুন কবিৰ ন-প্ৰকাশিত কবিতা-গ্ৰন্থ একোখন লৈ আহে। তাৰ ভাল লগা কবিতা একোটা উলিয়াই চাল্‌মাক পঢ়ি শুনায়। চাল্‌মায়ো কবিতাটো ভাল পালে দুয়োৰো ৰুচি মিলি যোৱা দেখি আনোৱাৰে আনন্দ পায়। কেতিয়াবা আকৌ আনোৱাৰে ৰাজে তাক পঢ়িবলৈ দিয়া কবিতাৰ পাণ্ডুলিপি একোটাকে মনে মনে লৈ আনে। ৰাজৰ কবিতা শুনি চাল্‌মাই প্ৰায়ে মন্তব্য কৰে বোলে ৰাজৰ নিচিনা ডেকা কবিবোৰৰ কবিতাত এনে এটা বিশেষ ধৰণৰ উষ্মা আৰু উচ্ছ্বাস আছে যিটো আগৰ চামৰ সংযত ক্লাছিক কবিসকলৰ ৰচনাত নাই। আনোৱাৰে মানি লয়। সপ্তাহত এবাৰকৈ সিহঁত চিনেমা চাবলৈ যায়। ৰূপালী পৰ্দ্দাৰ অবাস্তৱ পৃথিৱীত বাস্তৱ জীৱনৰ আশ্চৰ্য্য-ৰূপায়ণ চাই তৃপ্তি লাভ কৰে। অৱশ্যে কেতিয়াবা চিনেমাবোৰ অতিপাত্ত বেয়া হয়। চীনৰ ষোপমৰা ছবিৰবত সোমাই থাকি উশাহ-নিশাহ বন্ধ

হোৱা যেন লাগে। তথাপি আনোৱাৰ ওলাই আহিব নোৱাৰে চাল্‌মা কাষত থকাৰ আনন্দতে।

সুখ আৰু আনন্দৰ এক ৰঙীন স্বপ্নত মচগুল হৈ আনোৱাৰৰ দিনবোৰ যেন পাৰ হৈ গৈছিল। তাৰ আৰু চাল্‌মাৰ বন্ধুত্বক কেন্দ্ৰ কৰি গঢ়ি উঠিব পৰা কেনেকুৱা, পৰচৰ্চাকাৰী মানুহৰ বাবে-ভচহু মন্তব্যৰ প্ৰতি কাণ দিবলৈকো তাৰ যেন অৱসৰ নাছিল। চাল্‌মাৰ প্ৰতি তাৰ ইমান আকৰ্ষণৰ গুৰিতেনো কি বা তাৰ নিজৰ মনটোনো এই ক্ষেত্ৰত কেনেকুৱা, চিন্তাশীল ল'ৰা হৈয়ো এবাৰ বিশ্লেষণ কৰি চাবলৈ সি যত্ন কৰা নাছিল কেতিয়াও। কোনোবাই কেতিয়াবা সি চাল্‌মাৰ প্ৰেমত পৰিছে বুলি তাক শুনায়ে মন্তব্য কৰিছিল। কিন্তু আনোৱাৰে সেইবোৰ হীন মনোবৃত্তিৰ মানুহৰ ভিত্তিহীন অপবাদ বুলি আওকাণ কৰিছিল। এনেকৈয়ে যৌৱনে মানুহক বন্দী কৰিবৰ বাবে অদৃশ্য সূতাৰে জাল গোঁঠে। পিচত নিজৰ জালতে নিজে পৰি মানুহ যেতিয়া বন্দী হয় তেতিয়া মাথোন অবাক হোৱাৰ বাহিৰে কৰিবলৈ আৰু একো নাথাকে।



অলপ দিনৰ ভিতৰতে 'আনোৱাৰ-চালমা-প্ৰণয়'ৰ ইতিকথা বিশ্ববিদ্যালয়ৰ সকলো ছাত্ৰৰ মাজত সদৰী হৈ পৰিল। আনোৱাৰৰ বন্ধু-মহল আৰু বাজ আৰু আচগৰৰ ক্ষেত্ৰত ইয়াৰ প্ৰতিক্ৰিয়া দেখা গ'ল সম্পূৰ্ণ বেলেগ বেলেগ ধৰণে। অধ্যাপক চেলিমৰ ঘৰলৈ সদায় সদায় যোৱা কথা লৈ আচগৰে আনোৱাৰক এবাৰ নে দুবাৰ এনেই ধেমালি কৰি জোকালেও বিশেষ একো কোৱা নাছিল। বাজৰ কথাতো এনেয়েও বেলেগেই। সি নিজৰ কাল্পনিক পৃথিৱীত আপোনমনে বাস কৰে। কাকো নিজৰ কথা নকয়। কাৰো কথা নুশুনেও। কিন্তু ওচমানটো 'চিনিক'। একা-

চেকা। কাৰো মুখলৈ নেচাই চোকা-চোকা ৰূঢ় মন্তব্য কৰি পেলায় যেতিয়াই তেতিয়াই। এতিয়া লগ পালেই সি আনোৱাৰক এজনী সামান্য ছোৱালীৰ লগত লাগি নিজৰ পঢ়া-শুনা বন্ধু-বান্ধৱ সকলোকে আওকাণ কৰা বুলি ঠাট্টা কৰিবলৈ ধৰিলে। "মোৰ কথা শুনা ভাই, আনোৱাৰ" সদায় সি বেচ গুৰুত্ব দি অভিভাৱকৰ সুৰত কয়, "কোনো ছোৱালীৰেই ইমানখিনি পাবৰ যোগ্যতা নাই। ছোৱালী ছোৱালীয়েই। দুয়োকূল হেৰুৱাই পিচত অনুতাপ নকৰিবা ভাই।" আনে এনেকৈ কোৱা হ'লে হয়তো আনোৱাৰেও উভটি দুযাব কৈ চকাত তেল দিবলৈ পৰামৰ্শ দিলেহেঁতেন। কিন্তু ওচমান অদ্ভুত। বোম্বাইৰ এই ডেকাৰ ব্যক্তিত্বত এনে এটা অভিভাৱকসুলভত্ব আছে ইমান দৃঢ় প্ৰত্যয়ৰে নিজৰ মন্তব্য প্ৰকাশ কৰে যে তাৰ আগত আনোৱাৰে একো মাতেই মাতিব নোৱাৰা হৈ যায়। এনেও ওচমানৰ কথা বেলেগ। আনোৱাৰে জানে তাৰ নিস্বাৰ্থ বন্ধু যি কেইজন আছে তাৰ ভিতৰত ওচমান অন্যতম। তাৰ প্ৰতি ওচমান ৰূঢ় হব পাৰে। কিন্তু অন্তৰত তাৰ আনোৱৰলৈ কেৱল মৰমেই আছে। শত্ৰুতাৰ লেশ মানো নাই।

কিন্তু সেই বুলি সকলোতো আৰু ওচমান নহয়। তাৰ আৰু চাল্‌মাৰ সম্বন্ধৰ কথা লৈ মুখৰ খজুৱতি মৰা বিশ্ববিদ্যালয়ৰ বাকী শ-শ লৰাৰ কথা সহ্য কৰিবলৈ আনোৱাৰে টান পাইছিল। কেতিয়াবা জুম পাতি বৈ থকা এজাক ল'ৰাৰ কাষেদি পাৰ হৈ যাব লগা হ'লে আনোৱাৰে উমান পায় তাক দেখিয়ে সিহঁতৰ আলোচনা হঠাৎ বন্ধ হৈ গৈছে। সি বুজে সিহঁতে তাৰ কথাকে আলোচনা কৰি আছিল। এদিন নিজ কাণেৰে সি সিহঁতে কেনে ধৰণৰ আলোচনা কৰে শুনিলেও। সেইদিনা আবেলি সি অধ্যাপক চেলিমৰ ঘৰলৈ যোৱা নাছিল। মুকলি পথাৰৰ মাজে মাজে বহুত দূৰ খোজ কাঢ়ি আহি সাঁজ লাগি ভগাত চুইমিং পুলৰ কাষত থকা ৰেষ্টোৰাঁলৈ গ'ল এপিয়লা চাহ খাওঁ বুলি। নীৰৱে সোমাই সকলোৰে অলক্ষিতে এচুকৰ এখন অকলশৰীয়া মেজত সি বহিল। দীঘলীয়া মজিয়াখনৰ মাজ-ভাগত সৰহ মানুহ একেলগে বহিব পৰা এখন মেজ। তাৰ কেউপিনে বহি সাত-আঠজনমান ছাত্ৰই বেচ্ মনোযোগেৰে কিবা এটা কথা আলোচনা কৰি আছে। কথাত সিহঁত মগ্ন যে আনোৱাৰ আহি এচুকত বহাৰ কথা কোনেও মনেই কৰা নাই। চাহ দিবলৈ সি চিঞৰ মাৰি কব খুজিছে এনেতে তাৰ কাণত পৰিল ল'ৰাজাকে যেন বাৰে বাৰে তাৰ নামটো উল্লেখ কৰিছে কিবা কথাত। এবাৰ সি ভাবিলে কোনেও নেদেখাকৈ যেনেকৈ আহিছিল তেনেকৈয়ে সি ওলাই যাব নেকি? এইবোৰ তাৰ ভাল নেলাগে। পৰচৰ্চা, লোকৰ কেলেঙ্কাৰীৰ আলোচনা সি নিজেও নকৰে; আনে

কৰাও দেখিব নোৱাৰে। তাতে যদি তাৰ কথা বা চাল্‌মাৰ কথা কোনোবাই বেয়া ধৰণে কয় সি কোনোমতেই সহ্য কৰিব নোৱাৰিব। সকলো পাৰিলেও এটা কথা গ্ৰহণ কৰিবলৈ আনোৱাৰে বৰ টান পায়। তাৰ লগতে তাৰ কাৰণেই এই নিষ্পাপ সৰল ছোৱালীজনী কিয় অপবাদৰ ভাগী হয়। ওলাই যাব নে নেযায় ভাবি থাকোঁতেই বনকৰা ল'ৰা এটাই এপিয়লা চাহ আনি তাৰ আগত থৈ গ'লহি। যোৱাৰ কথা বাদ দি সি অ'ভাৰকোটটোৰ কলাৰচটা তাৰ মুখখন নেদেখাকৈ দাঙি দি সিহঁতে কি কি কয় শুনিবলৈ সাজু হ'ল। কিন্তু হঠাৎ কোনোবা এজনে হুটা-হুটা মাতেৰে কোৱা এষাৰ কথা শুনি সি মূৰ দাঙি চাবলৈ বাধ্য হ'ল। "শুনা। তোমালোকে যিমানেই নোকোৱা এইবোৰ কথা একেবাৰে মিছা। আনোৱাৰ আৰু চাল্‌মা চেলিনৰ বিষয়ে এইবোৰ কথা নীচ মনৰ মানুহে ৰটনা কৰা অহেতুক কুৎসাৰ বাহিৰে একো নহয়।" এই কথা কোৱা ছাত্ৰজন ইমান পৰ আন এটা চুকত মনে মনে বহি আছিল। কথা কৈ কৈ এইবাৰ উঠি মাজৰ মেজৰ ওচৰ চাপি আহিল, "মই তোমালোকক সাৱধান কৰি দিছো— এনেকৈ এইবোৰ কথা য'তে ত'তে আলোচনা কৰা মই আৰু সহ্য নকৰিম। বুজিছাতো ?" ছাত্ৰজন ওখই ছফুটৰ বেচি হ'লেও কম নহয়। শকত-আৱত পালোৱান চেহেৰা। ডাঙৰ সোলোক-ঢোলোক অ'ভাৰকোট এটা পিন্ধিছে। মূৰত এটা ক'লা কোমল ফেল্ট-হেট। ঘৰটোৰ ধূসৰ পোহৰত বিৰাটকায় ছাত্ৰজনক সাক্ষাত যমদূত যেন দেখা গৈছে। ছাত্ৰজনৰ মাতত কেৱল শাসনৰে নহয় এটা নিশ্চিত প্ৰত্যাহ্বানৰ সুৰো স্পষ্ট হৈ ওলাইছে। সকলোৱে তাৰ মুখলৈ চালে। সকলোৰে মুখৰ মাত বন্ধ হৈ গ'ল। মাত্ৰ এটা ল'ৰাই ভয়ে ভয়ে লাহেকৈ ক'লে, "নাই-নাই! মানে আমি এনেই ধেমালি....!" তাৰ পিচতে পইচা দি সিহঁত এটা এটাকৈ ওলাই গ'ল।

আনোৱাৰে ক'লা অ'ভাৰকোট পিন্ধা ল'ৰাজনক এতিয়াহে চিনি পালে। এম-এ শ্ৰেণীৰ ছাত্ৰ ; নাম চোব্‌হান। আলিগড়ৰ কেইজন ছাত্ৰৰ এটা সৰু দল আছে। বাকীবোৰ ছাত্ৰই সিহঁতক 'ৰাছীয়ান' বুলি কয়। এই দলটোৰ হেনো দেহা থাকে ভাৰতত প্ৰাণ থাকে ৰুছ দেশত। সদায় চোভিয়েট ৰাষ্ট্ৰত সম্পন্ন হোৱা নানান আচৰিত-আচৰিত কামৰ কথা পৰম শ্ৰদ্ধা সহকাৰে আলোচনা কৰে। কমিউনিষ্ট মতবাদৰ প্ৰতিও হেনো এই দলটোৰ সহানুভূতি আছে। চোবহান এই 'ৰাছীয়ান' দলৰ অন্যতম প্ৰধান সভ্য। অদ্ভুত আচৰণ এই ৰাছীয়ান দলৰ সভ্যসকলৰ। কাৰো লগত কোনো সম্বন্ধ নাই। সদায় নিজক লৈয়ে ব্যস্ত। সদায় ডাঙৰ ডাঙৰ আদৰ্শৰ কথা পাতে। সিহঁতৰ এনেকুৱা আঁতৰি আঁতৰি থকা কথাৰ

সুযোগ লৈ বাকীবোৰ ছাত্ৰই সিহঁতক সমূহীয়াকৈ এটা নাম দিয়ে এৰা নাই—প্ৰত্যেকৰে গাইগুটীয়া নামটোহঁতো বিকৃত কৰি কচ্ছ দেশৰ মানুহৰ নামৰ নিচিনা শুনিবলৈ কৰি দিছে। চোব্‌হানৰ নাম দিছে চোবহানস্কি; মুচাক কয় মুচাকভ্‌; জেহিৰ গুচি গৈছে জহিৰফ্‌। এনেকৈ ৰাছীয়ান দলৰ কাৰো লগত কেতিয়াও আনোৱাৰে কথা পাতি পোৱা নাই। আৱশ্যক বোধো কৰা নাই। কিন্তু আজি চোব্‌হানস্কিৰ কাম দেখি সি আচৰিত হ'ল। কৃতজ্ঞতাবোধ জন্মিল। এনেকৈ তাক পৰচৰ্চ্চাকাৰীৰ অন্যায় আক্ৰমণৰপৰা ৰক্ষা কৰি দেখুওৱা সাহসৰ বাবে ধন্যবাদ জনোৱা উচিত বুলি তাৰ ওচৰলৈ আগবাঢ়ি আহিল।

"আচ্ছালামু আলেইকুম্‌। মোৰ নাম আনোৱাৰ।"

"মই জানো। বহা।"—ৱা-আলেইকুম ছালাম নাই। 'অনুগ্ৰহ কৰি' বহা বুলি কৈয়ো ভদ্ৰতা দেখুৱা নাই! নিৰ্ব্বিকাৰভাৱে মাত্ৰ কৈ গ'ল চোব্‌হানে—"মোৰ নাম চোব্‌হান;—অৱশ্যে সকলোৱে মোক চোব্‌হানস্কি বুলিয়ে জানে।"

"আপুনি লৰাকেইটাক কোৱা কথা মই শুনিছো। তাৰ বাবে মোৰ ধন্যবাদ...."

"ঠিক আছে! ঠিক আছে! বাদ দিয়া সেইবোৰ।" আনোৱাৰৰ মুখৰ ওপৰতে কৈ উঠিল চোব্‌হানে, "মানুহে পৰচৰ্চ্চা কৰা কথাটোৰেই মই সহ্য কৰিব নোৱাৰো। সঁচা হক, মিছা হক। এইটো মধ্যবিত্ত শ্ৰেণীৰ ক্ষয়িষ্ণু নৈতিকতাৰ লক্ষণ।"

"আপুনি তেনে কৰাত মই বৰ ভাল পাইছো। মানে এয়া সঁচাই বৰ পৰিতাপৰ কথা........মানুহৰ পৱিত্ৰ আৰু সৰল সম্বন্ধক বিকৃত কৰি এনেকৈ...."

"বাদ দিয়া সেইবোৰ কথা। মতা আৰু মাইকীৰ মাজৰ কোনো সম্বন্ধই 'পৱিত্ৰ আৰু সৰল' হব নোৱাৰে। এটা মতা ছাগলী আৰু এজনী মাইকী ছাগলীৰ যি সম্বন্ধ এটা মতা মানুহ আৰু এজনী মাইকী মানুহৰো সেই একে সম্বন্ধ। এয়া মানুহৰ যৌন-চেতনাৰ প্ৰতি 'হৰম'ন' আৰু 'গ্লেণ্ডুলাৰ এক্টিভিটি'ৰ সহাঁৰিৰ কথা। একো অৰ্থ নাই। হলেও, সেইবুলি তোমাৰ 'লিবিডো'ৰ কথা আনে হাটে-বজাৰে কিয় আলোচনা কৰি ফুৰিব লাগে মই বুজি নেপাওঁ।"

মতা ছাগলী! মাইকী ছাগলী! যৌন-চেতনা! আনোৱাৰ যেন ভয় খাই উঠিল। এনে ধৰণৰ কথা এনেকৈ তাক সাঙুৰি ইয়াৰ আগতে কোনেও আনোৱাৰক কোৱা নাই। এইবোৰ কথা এনে খোলা-খুলিকৈ

বেষ্টৌৰাঁত বহি কোনেও নকয়। কব নোৱাৰে। আনোৱাৰৰ ভয় লাগিল। কথাবোৰ তাৰ সাঁথৰ-সাঁথৰ লাগিল। সেয়াটো সেয়াই। তদুপৰি লিবিডো। এই লিবিডো বস্তুটো আকৌবা কি?

"লিবিডো?" ক'ব নোৱাৰাকৈয়ে আনোৱাৰৰ মুখৰপৰা ওলাল।

"ওঁ—লালসা। ইচ্ছা হ'লে প্ৰেম বুলিও কব পাৰা। অৱশ্যে তোমাৰ নিচিনা ৰোমাণ্টিক কল্পনা-বিলাসীৰ হাতত পৰি এই এটা শব্দই মূল অৰ্থই হেৰুৱাই পেলাইছে। এটা সহজ স্বাভাৱিক দৈহিক ক্ষুধাক আত্মা ইন্দ্ৰিয়াতীততা আদি কত কি'ৰ সাজ-পাৰ পিন্ধাই তোমালোকে কিম্ভুত-কিমাকাৰ কৰি পেলাইছা।"

"মই কল্পনাবিলাসী ৰোমাণ্টিক বুলি আপুনি কেনেকৈ জানিলে?" সকলো ৰোমাণ্টিক মনোভাৱাপন্ন মানুহেই নিজকে বাস্তৱবাদী বুলি ভাবি গৰ্ব্ব অনুভৱ কৰে। এনেকৈ ভবাটোৱেই ৰোমাণ্টিকতাৰ এটা লক্ষণ। আনোৱাৰেও নিজক বাস্তৱবাদী বুলি ভাবে।

"হেৰা, তোমাৰ বক্তৃতা মই শুনিছো। কিমানবোৰযে অৰ্থহীন, ভাৱবিলাসী আগগুৰি নোহোৱা উক্তিকে সিদিনা তুমি নকৰিলা! 'একে আৰু সমান ভাগ্যৰ স্ৰোত'! হিন্দু-মুছলমানৰ তেজ গোট মাৰি এক হৈ যোৱা! যেন এইখন পৃথিৱীত মানুহৰ জীৱনবোৰ জীৱন নহয় একো একোটা কবিতাহে! যেন শাসক গোষ্ঠীৰ বন্দুকৰ গুলীও সঙ্গীতৰ সুৰতহে বন্ধা!"

তাৰ পিচত চোব্‌হানে আনোৱাৰৰ আগত মাৰ্ক্স আৰু ফ্ৰয়েডৰ জীৱন বিশ্লেষণ আৰু প্ৰেমৰ ধাৰণা সম্পৰ্কে কমেও কুৰি মিনিট ধৰি এটা বিৰাট বক্তৃতাই দি দিলে। শুনি শুনি যেন আনোৱাৰৰ মূৰটো ঘূৰোৱা ঘূৰোৱা লাগিল। তথাপিও কিয় যেন তাৰ ওচমানক ভাল লাগিল। ইমান মজবুত; ইমান শকত-ডাঙৰ। মানুহৰ লগৰ মানুহ এটা বুলি কব পাৰি চোব্‌হানক। আৰু কি সাহস। মনৰ কথা মানুহে ইমান খোলাখুলিকৈও কব পাৰে নে? ভাবিলে অবাক হব লাগে। আনকি আনোৱাৰৰ মনৰ বদ্ধমূল ধাৰণা-সমূহৰ মূলতো কুঠাৰাঘাত কৰি কোৱা নিষ্ঠুৰ কথাবোৰো যেন আনোৱাৰৰ বেয়া নেলাগিল। বৰং সেইবোৰে যেন তাক বহুত মনোবলহে যোগালে। অন্য সিহঁকে নহওক লাগে, এই কথোপকথনে সিহঁত দুয়োকে পৰস্পৰৰ বন্ধু কৰি তুলিলে। যাবৰ সময়ত সশব্দে আনোৱাৰক ঢকা এটা মাৰি দৈত্যাকায় চোব্‌হানে কলে, "তুমি যে এটা মস্ত বুৰ্ব্বক, তোমাৰ মাজতো যে আটাইবোৰ মধ্যবিত্ত তথাকথিত বুদ্ধিজীৱিৰ দৰেই মাত্ৰ অজস্ৰ দ্বিধাৰ ক্লেদ মাত্ৰ আছে তাত একো সন্দেহ নাই। হলেও অকণমান পঢ়া-শুনা

কৰিলেই তুমি তোমালোকৰ শ্ৰেণীচৰিত্ৰ এই জঘন্য বিধাৰ মুক্তি পাব পাৰিবা। ঠিক আছে, তুমি চাই থাকা ;—আমি তোমাক অতি সোনকালে এজন পক্কা মাৰ্ক্সবাদী কৰি তুলিছে এৰিম।”

এই নতুন বন্ধুৰপৰা বিদায় লৈ আনোৱাৰে পোনে পোনে ছাত্ৰাবাসলৈ খোজ ল’লে। তাৰ এনে লাগিল যেন এইমাত্ৰ সি এটা অদ্ভুত মানসিক ধুমুহাৰ মাজেৰেহে পাৰ হৈ আহিল। চৌধুৰীহানন্দিৰ চিন্তাধাৰা, সি প্ৰকাশ কৰা দৃষ্টিভংগীসমূহ বাস্তৱিকতে “বিপ্লৱী”। এনে কোনো সৰ্ব্বজন-গ্ৰাহ্য “মূল্যবোধ” নাই যাক সি নিৰ্মমভাৱে আক্ৰমণ কৰা নাই। ধৰ্ম্ম, জাতীয়তাবাদ, নৈতিকতা, প্ৰেম, নন্দনতত্ত্ব,—সকলোকে। লেনিনৰ যুক্তিৰে সি প্ৰতিপাদন কৰি দেখুৱালে যে ধৰ্ম্ম মাত্ৰ এক প্ৰকাৰ কানীৰ দৰে বাগিয়াল বস্তু যাক প্ৰয়োগ কৰি শাসক-গোষ্ঠীয়ে সাধাৰণ মানুহক বাগীত বিভোৰ কৰি ৰাখে। নিজক সিহঁতে পাহৰি যায়। জাতীয়তাবাদ পুঁজিপতিৰ উৰ্ব্বৰ মস্তিষ্কৰ এনে এক উদ্ভাৱন যাৰদ্বাৰা সিহঁতে সকলো শক্তিকে নিজৰ হাতলৈ লৈ গৈছে। নৈতিকতা ৰেল-জাহাজৰ ঠেক ৰোপ-মৰা শয়ন-কুঠৰীৰ দৰে। আৰু প্ৰেম,—ধেৎ। এগিলাচ কেঁচা পানী খোৱাত যিমান পবিত্ৰতা থাকিব পাৰে তাতোকৈ ইয়াত একো বেছি নাই। কথা কৈ যাওঁতেই চৌধুৰীহানন্দিয়ে অনৰ্গল অৱলীলাক্ৰমে অনেক অদ্ভুত শুনিলেই ভয় লগা শব্দ ব্যৱহাৰ কৰি গ’ল। ‘ডায়েলেক্টিকচ্’, ‘বুৰ্জোৱা’, ‘প্ৰলেটাৰি-য়েট’, ‘ইডিপাচ কমপ্লেক্স’, ‘ফিক্সেচন্’, ‘ইনহিবিচন’—আৰু কত কি! শব্দবোৰতকৈও চৌধুৰীহানন্দিৰ বিচিত্ৰ মনোভাৱ প্ৰকট হৈ ওলাই পৰিছিল সেইটোহে আছিল বেছি ভয় লগা। অথচ চমকপ্ৰদো। চৌধুৰীহানন্দিয়ে

এইবোৰ কথা 'অব্জেক্টিভ',—বিষয়মুখী বুলি অভিহিত কৰি আনোৱাৰক অতিমাত্ৰাই 'চাবজেক্টিভ' বা আত্মমুখী বুলি দোষাৰোপ কৰিছিল। ৰাজনীতি বা অৰ্থনীতিৰ ক্ষেত্ৰত মানুহ যে বিষয়মুখী হোৱা আৱশ্যক এই কথা আনোৱাৰে নিজেও জানে। অৱশ্যে তাতো ব্যক্তিস্বাৰ্থৰ ভূমিকা নিচেই গৌণ নহয়। কিন্তু মানুহ নিজৰ নন্দনতাত্ত্বিক বা কান্তৰুচি আৰু আৱেগিক প্ৰতিক্ৰিয়াসমূহৰ ক্ষেত্ৰতো কেনেকৈ বিষয়মুখী হব পাৰিব? আৰু নেলাগে প্ৰেমৰ ক্ষেত্ৰতে মানুহ বিষয়ী হব পাৰিবনে বাৰু? এপাহ গোলাপ ফুলৰ সৌন্দৰ্য্য বিশ্লেষণ কৰিবলৈ গৱেষণাগাৰত পৰীক্ষা চলোৱাৰ কি আৱশ্যকেই বা আছে। কুলি-কেতেকীৰ গানৰ সুৰৰ তড়িত-স্পন্দন কিমান তাৰ আবিষ্কাৰৰ বাবে বাস্তৱ পৰীক্ষা কেলৈ কৰিব লাগিছে।

এইবোৰ কথাকে ভাবি প্ৰায় আত্মবিস্মৃত অৱস্থাত আহি আনোৱাৰ তাৰ কোঠাত সোমালহি। তাৰ ৰাতিৰ বাবে খোৱা-বস্তুখিনি আনি চাকৰে মেজত ভালকৈ ঢাকি-ঢুকি থৈ গৈছে। আচগৰ অহাই নাই। সিহঁতৰ ক্ৰিকেট খেলুৱৈ দলৰ অধিনায়কে কিবা এটা ভোজৰ আয়োজন কৰিছে। তালৈ গ'ল। ৰাজে যথা-নিয়মে তাৰ অকমান কোঠাত সোমাই বিছনাত ওপৰমুৱা হৈ শুই চুৰটৰ ধোঁৱাৰে কবিতা-কুঁৰবীক স্তৱ জনাইছে। হঠাৎ আনোৱাৰে শুনিছে ৰাজে অতি কোমল কৰুণ মাতেৰে কিবা এটা কবিতা গাইছে। আন দিনাৰ দৰে নীৰৱে ভাবি থকা নাই। কাণ পাতি শুনি আনোৱাৰে ধৰিব পাৰিলে এইটো ৰাজৰ স্বৰচিত কবিতা নহয়। গালিবৰ এটা বিখ্যাত গজল। কিন্তু ৰাজে গোটেই গজলটো নেগাই এটা বিশেষ কলিকে ঘূৰাই ঘূৰাই দোহাৰি আছে। আনোৱাৰ আচৰিত হৈ গ'ল:

ইস্ক্ চে তবিয়ৎনে জিস্ট্ কা মজা পায়া
দৰ্দ্ কী দাৱা পাঈ, দৰ্দ্-এ-বে-দাৱা পায়া—

(জীয়াই থকাৰ আনন্দ মই প্ৰেমৰপৰা আহৰণ কৰিলো;—দুয়োটাই মই পালো—বেদনাৰ নিৰাময় আৰু নিৰাময়বিহীন বেদনা।)

এয়া প্ৰেমৰ এটা সংজ্ঞা! এই সংজ্ঞা চোব্হানৰ 'এগিলাচ কেঁচা পানী'ৰ সূত্ৰৰপৰা কিমান বেলেগ। গালিবৰ মতে,—আৰু এইজন কবিয়ে চোব্হানৰ দৰে মানি নললেও প্ৰেমৰ বিষয়ে অলপ কথা হলেও জানিছিল, —প্ৰেম হ'ল এক 'নিৰাময়হীন বেদনা'; অথচ এই প্ৰেমৰ মাজতে মানুহে জীয়াই থকাৰ আনন্দ লাভ কৰিব পাৰে। ঠিক যেন এটা পেৰাডক্সৰ মাজত অন্য এটা পেৰাডক্স সোমাই আছে। আৰু কোনে জানে হয়তো প্ৰকৃত সত্য সোমাই আছে এই দুয়োটা কূটাভাসৰ মাজৰে কোনোবা এখিনিত।

গাতে লগা ডাঙৰ কোঠাটোত আনোৱাৰ আছে বুলি ৰাজে ক'ৰপৰা

নাছিল। সেয়ে সি আবেগভৰা কণ্ঠে উক্ত কবিতা ছত্ৰ ঘূৰাই ঘূৰাই গাই থাকিল। হঠাৎ আনোৱাৰৰ বাজে চাল্‌মাৰ আগত "ষৰমীৰ প্ৰতি কবিৰ উক্তি" নামৰ কবিতাটো আবৃত্তি কৰাৰ কথা মনত পৰিল। ঠিক এনে। এনে কণ্ঠস্বৰেৰেই সেইদিনাই বাজে কবিতা আবৃত্তি কৰিছিল। লাহে লাহে বহুত কথা বুজি উঠা যেন লাগিল আনোৱাৰৰ। তাৰ মনত এটা কথা খেলাই গ'ল: "তাৰ মানে? ৰাজো চাল্‌মাৰ প্ৰেমত পৰিছে।" "বাজো" চাল্‌মাৰ প্ৰেমত পৰিছে? তাৰ মানে? তাৰ মানে কি? এয়া সি কি ভাবিছে? বাজো মানে আৰু কোন। হঠাৎ আনোৱাৰৰ ভয়ানক খং উঠি গ'ল তাৰ নিজৰ ওপৰতে। এনে এটা কথা সি ভাবি পেলাব কিয়। ভাবিব পাৰিলে কেনেকৈ। ৰাজো প্ৰেমত পৰিছে বুলি ভবা মানে সি নিজেও প্ৰেমত পৰিছে বুলি স্বীকাৰ কৰি লোৱা নহয়নে? কিন্তু সেয়া কেনেকৈ সম্ভৱ হব পাৰে। চাল্‌মাক তাৰ ভাল লাগিব পাৰে; এটা দুৰ্দ্দমনীয় আকৰ্ষণো হয়তো অনুভৱ কৰিব পাৰে; কিন্তু সেইবুলি মাত্ৰ কেইটা সপ্তাহমানৰ আগতে চিনাকি হোৱা এজনী ছোৱালীৰ প্ৰেমত সি পৰি যাব পাৰে কেনেকৈ? প্ৰথম দৰ্শনতে প্ৰেমত পৰি যাবলৈকো সিতো আৰু এটা দুৰ্ব্বল মনৰ সস্তীয়া কল্পনাপ্ৰৱণ অনুভূতিসৰ্ব্বস্ব মূৰ্খ নহয়। সি আৰু চাল্‌মা বন্ধু। কেৱল বন্ধু। মাত্ৰ বন্ধু। সকলোকেইতো খোলা-খুলিকৈ কৈ দিছে, কৈ দিব পাৰে—চাল্‌মাৰ সি প্ৰেমত পৰা নাই; সিহঁত সহজ স্বাভাৱিক বন্ধু। কিন্তু কোনেও তাৰ কথা বিশ্বাস নকৰে কিয়। কিয়?

কিন্তু। এৰা কিন্তু। তাৰ কথা সি জানো নিজেই বিশ্বাস কৰে?

মানুহৰ মনলৈ একো একোটা সময়ত আত্মত্যাগৰ একো একোটা নামহীন ভাৱাবেগ আহে। এনে এটা শুহীদী আবেগপূৰ্ণ মুহূৰ্ত্ততে আনোৱাৰে ঠিক কৰিলে সি ৰাজৰ প্ৰেমৰ কথা চাল্‌মাক ক'ব।

লাগে যদি ৰাজৰ হৈ অলপ ওকালতিও কৰিব। আৰু যেনেকৈ হওক ৰাজ-চাল্‌মাৰ যাতে বিয়াখন সুকলমে হয় তাৰ সকলো বন্দবস্ত কৰি দিব। কথাটো ভবাৰ লগে লগে তাৰ নিজকে অসীম মনোবলসম্পন্ন এক ব্যক্তি, চৰম ত্যাগ-স্বীকাৰ কৰিব পৰা 'গুড-চামাৰিটান' (হৰিশ্চন্দ্ৰ) যেন লাগিল। এইখিনি মহানতা তাৰ আছে। আৱশ্যক হ'লে বন্ধুৰ কাৰণে হাঁহি হাঁহি সি নিজৰ প্ৰাণো দান কৰিব পাৰে। ৰাজ সুখী হওক! সুখী হওক চাল্‌মা! তাকেইতো আনোৱাৰে অন্তৰেৰে কামনা কৰে। অনাগত ভৱিষ্যতত জীৱনৰ ধূসৰ পথেদি আগবাঢ়ি যাওঁতে আনোৱাৰৰ হিয়াক ৰাজ-চাল্‌মাৰ সুখী জীৱনৰ ছবিয়ে পোহৰ যোগাব। সান্ত্বনা দিব। আৰু কি লাগে! চাল্‌মা অপূৰ্ব্ব সুন্দৰী। ৰাজ এটা জীৱন্ত প্ৰতিভা। সিহঁত দুয়ো দুয়োৰে উপযুক্ত। তাৰ কি আছে? কি যোগ্যতা আছে তাৰ? বাওনা হৈ জোনলৈ হাত মেলেলি আঁতৰি থকাই ভাল। তাৰ নিচিনা সাধাৰণ স্তৰৰ মানুহে এনেকুৱা উচচ থাপৰ দুই প্ৰণয়াকাঙক্ষীৰ মিলনত অযথা হকাবাধা নকৰি মানে মানে একাষৰীয়া হৈ দিয়াই উচিত।

অৱশ্যে শেষলৈকে আনোৱাৰে এই ত্যাগ স্বীকাৰ কৰি বীৰত্ব দেখুৱাৰ লগা পৰিস্থিতি এটা উপস্থিত নহ'লগৈ। বৰদিনৰ বন্ধ ক্ৰমাত আগবাঢ়ি আহিছিল। আকবৰ আলিয়ে তালৈ চিঠি লেখি দিছিল বন্ধত যাতে সি ঘৰলৈ নাহি চান্দামপুৰলৈ যায়। কেইবাবছৰো সি ডাঙৰ-আব্বাৰ তালৈ যোৱা নাই। বিল্‌কিচহঁতক দেখা নাই। গতিকে এবাৰ গৈ অহা তাৰ কৰ্ত্তব্য। আনোৱাৰৰ অৱশ্যে ভালেমান কাৰণে বন্ধটো আলিগড়তে কটাবলৈ একান্ত ইচ্ছা আছিল। কিন্তু সি আব্বাজানৰ কথা পেলাব নোৱাৰে। কেতিয়াও পেলোৱা নাই। উপায় সি চাল্‌মাক শেষত এই কথা জনালে। কিন্তু শুনিয়ে তাই একেবাৰে জাপ মাৰি উঠিল, "উৱা! সেইটো কেনেকৈ হ'ব। তুমি যে আমাৰ লগত আগ্ৰালৈ যাবই লাগিব। নেযাবা নেকি তেন্তে?"

"আগ্ৰালৈ?"

"ওঁ-ওঁ। কিয়, বাবাই তোমাক একো কোৱা নাই? আমাৰ বাবা এক নম্বৰ 'ভোলানাথ'—অধ্যাপক জানা! একো খবৰেই নাই গাত। অথচ কথাটো প্ৰথমে নিজেই উলিয়াইছিল। জানাতো, আজি শুক্লা একাদশী; আৰু তিনি দিনৰ মূৰতে পূৰ্ণিমা। আৰু পূৰ্ণিমাৰ নিশাইতো তাজৰ পূৰ্ণ গৌৰৱ বিকশিত হয়।"

আনোৱাৰে তাজ দেখা নাই। পূৰ্ণিমাৰ জোনাকে-ধোৱা নিশা সেই

তাজ সি দেখিব। তাৰ নিচেই কাষত থাকিব অনন্যা চাল্‌মা।.......স্বৰ্গ-তোতো সি ইয়াতোকৈ সুখ কল্পনা কৰিব নোৱাৰে। কিন্তু......কিন্তু বাজৰ কথা সিয়ে পাহৰি গ'লে নচলিব।

"আমি সকলো যাম নেকি?" চাল্‌মাৰ জেলুক-লগা দিয়া অনুৰোধ পেলাব নোৱাৰি শেষত কথা দি সি সুধিলে।

"ওঁ—সকলো। তুমি,—মই,—বাবা!"

"কিয় বাজ?"

"বাজ? বাজ,—বাজক,—জানো—মইতো লগ লোৱা নাই।" আনোৱাৰে চাল্‌মাৰ মাতত অস্বস্তিৰ সুৰ শুনিলে; কিন্তু কিহৰ ধৰিব নোৱাৰিলে।

তথাপি সি নাচোৰবান্দা: "ঠিক আছে, মই কৈ দিম। নাই, বাজ নহ'লে কেনেকৈ চলিব; তাক লবই লাগিব। কিমান ভাল লাগিব। চাৰিওফালে জোনাকেৰে ঢৌ খেলি যাব। অতুলনীয় তাজৰ সমুখত জোনাকত ডুবি ডুবি আমি বহি থাকিম। আৰু বাজে আবৃত্তি কৰিব অপূৰ্ব্ব কবিতা। আহ্ কি সাংঘাতিক ভালেইযে নেলাগিব।"

আৰু তাৰ পিচতেই সেই কাণ্ড ঘটি গ'ল। কেঁচু খান্দোতে সাপ ওলাই পৰিল। চাল্‌মাৰ এনে ৰূপ আনোৱাৰে কাহানিও দেখা নাই। তাইৰ সকলো ধৈৰ্য্যৰ বান্ধ যেন খুলি গ'ল। খঙত জলি-পকি চিঞৰি-চিঞৰি তাই কৈ গ'ল,—বাজ হেনো অভদ্ৰ। আত্ম-সম্মানহীন। সি হেনো তাইলৈ ইতিমধ্যে অসংখ্য প্ৰেমপত্ৰ লিখিছে। আকৌ প্ৰত্যেক চিঠিৰ লগতে দুই-তিনিটাকৈ কবিতাও পঠাই দিয়ে। আটাইবোৰ কবিতা হেনো তাইৰ নামতে উছৰ্গা কৰা। পঢ়িলেও হেনো তাইক লৈয়ে ৰচা যেন লাগে। এইবোৰ জানো ভাল মানুহৰ কথা। কি ভাবে বাজে তাইক! বাজে তাইক অতি বিপদত পেলাই দিছে। প্ৰথম প্ৰথম বাপেকৰ পৰা তাই এইবোৰ কথা লুকুৱায়ে ৰাখিছিল। এতিয়া হেনো গম পাই তেওঁ খঙত টিক্‌চি-বিক্‌চি আছে। "কি জঘন্য। কিমান জঘন্য এই-বোৰ কথা!!" কৈ কৈ চাল্‌মাই প্ৰায় উচুপি উঠি একো কব নোৱাৰা হৈ খন্তেক মনে মনে থাকিল। তাৰ পিচত শান্ত হৈ লাহে লাহে ক'লে, "বাজে এনে কৰিব নেলাগিছিল। বৰ পৰিতাপৰ কথা এয়া। এই-বোৰ কথা উলিয়াবলৈকে মোৰ লাজ লাগে। তথাপি তোমাক ক'লোঁ। তোমাক ক'ব পাৰি; কাৰণ তুমি মোৰ বন্ধু। তোমাক মই বিশ্বাস কৰোঁ।"

বাজৰ হৈ দৰ্কাৰ হ'লে ওকালতি কৰি হ'লেও যেনে-তেনে আনোৱাৰে

এই ৰূপ আৰু গুণৰ মাজত মিলন ঘটাই দিব বুলি মনস্থিৰ কৰি থৈছিল। কিন্তু এতিয়া এক মুহূৰ্ত্তত সি সেই গোটেইবোৰ পাহৰি গ'ল। এটা কথাই মাত্ৰ ঘূৰি ঘূৰি তাৰ মনটো তোলপাৰ লগাই যাব ধৰিলে: চাল্‌মাই কৈছে সি তাইৰ বন্ধু। বন্ধু,—যাক চাল্‌মাই বিশ্বাস কৰে।

সিহঁতৰ লগত আগ্ৰালৈ ৰাজ না আন কোনো নেযায় বাবে এতিয়া বৰং আনোৱাৰৰ ভাল হে লাগিল।



এডাল বগা আঁকোৰা-পঁকোৰা দীঘল ফিটাৰ দৰে আগ্ৰা-ৰাজপথটো পৰি আছিল। তীব্ৰ গতিত অধ্যাপক চেলিমৰ মটৰ গাড়ী চলিছিল মাইলৰ পিচত মাইল অতিক্ৰম কৰি। অধ্যাপক মটৰ চলোৱাত বিশেষ দক্ষ। ড্ৰাইভাৰ লগত আছিল যদিও উপযাচিয়ে তেওঁ নিজে গাড়ী চলাবলৈ ল'লে। আমেৰিকাৰপৰা অনোৱা নতুন গাড়ী। সুন্দৰ চলে। সকলো প্ৰকাৰ আৰামৰো ব্যৱস্থা আছে। কিন্তু হ'লে কি হ'ব? বহু-দিনীয়া পুৰণি আগ্ৰা ৰাজপথৰ যিহে চেহেৰা! অসম্ভৱ ওখোৰা-মোখোৰা। একো একোবাৰ হঠাৎ চকুত নপৰা গাতত পৰি গাড়ীখন জঁপিয়াই উঠে। আৰু আৰোহীকেজন এনেভাৱে জোকাৰ খাই যেন সিহঁত মানুহ নহয় আলুৰ বস্তাহে। আনোৱাৰ আৰু চাল্‌মা বহিছিল পিচৰ আসনত। অভিযাত্ৰীৰ কাৰণে কষ্টই আনন্দ। ওখোৰা-মোখোৰা বাটেদি যোৱাৰ কষ্টকো আনোৱাৰহঁতে আনন্দস্বৰূপেই গ্ৰহণ কৰিছিল। গাড়ীখনে সিহঁতক হঠাৎ বেয়াভাৱে দলি মাৰি দিলেই সিহঁতে হাঁহি উঠিছিল সশব্দে। কেতিয়াবা ওপৰৰ লোহাত খুন্দা খাই দুখ পাই গ'লেও হাঁহিছিল। বন্ধুৰ বাটৰ বঞ্চনাত সিহঁতৰ দুৰ্গতি যিমানে বাঢ়িছে ইফালে গাড়ীৰ বেগো

সিমানে বাঢ়ি গৈছে। অধ্যাপকৰ গাত তেতিয়া গাড়ী চলোৱাত তেওঁ পাৰ্গতালি দেখুৱাৰ নিচা লাগিছে। একোটাইত মাৰাত্মক কেঁকুৰীত বা কেতিয়াবা কোনোবা গৰুগাড়ীক পিচ পেলাব হওঁতেও গাড়ীৰ বেগ অকণো নকমায় তেওঁ চলাই গৈছে। চকাই কাতৰ শব্দ কৰি উঠিছে। গাড়ী-খন একতীয়া হৈ পৰো পৰো হৈছে। আৰু পিচৰ আসনৰ আৰোহী দুজন এনে ক্ষেত্ৰত প্ৰত্যেকবাৰ ইজনৰ গাত সিজন ঢলি পৰিবলৈ বাধ্য হৈছে। প্ৰত্যেকবাৰ এই কাণ্ডটো ঘটিলেই চালমাই হাঁহি উঠে। অথচ নাম নজনা কিবা এটা লাজত তাইৰ গাল দুখনো সেন্দুৰ-বুলীয়া হৈ উঠে। আৰু প্ৰত্যেকবাৰ আনোৱাৰৰ শৰীৰৰ মাজেদি যেন একোটা তড়িত-শিহৰণ পাৰ হৈ যায়। সি যেন আকৌ এবাৰ গাড়ীখন ঘূৰিবলৈ বাট চাই থাকে নিজেই ক'ব নোৱাৰাকৈ। আৰু ক্ৰমে ক্ৰমে সি যেন উপলব্ধি কৰিবলৈ আৰম্ভ কৰি দিয়ে,—এজনী সুন্দৰী গাভৰুৰ সান্নিধ্য-প্ৰসূত যি আনন্দ সেয়া কেৱল বন্ধুত্ব-সুলভ দেহাতীত আত্মাৰ আনন্দই নহয়।

তেন্তে? তেন্তে কি মাৰ্ক্স-ফ্ৰয়েডৰ একান্ত শিষ্য চোধ্‌হানন্থিৰ সূত্ৰই সত্য?

সময়ৰ জ্ঞান পাহৰি আনোৱাৰইত গৈ আছিল। হঠাৎ এবাৰ সশব্দে গাড়ীৰ চকা এটা ফুটি থাকিল। আগ্ৰা ৰাজপথত গাড়ীৰ চকা ফুটাত আচৰিত হব লগা একো নাই। বৰং নুফুটাটোৰেই ব্যতিক্ৰম। গাড়ী ৰখাই ফুটাটো সলাই নতুন টায়াৰ-টিউব লগোৱাত ব্যস্ত হৈ পৰিল ড্ৰাই-ভাৰজন। অধ্যাপক চেলিমে ক'লে, ইমানখিনি সময় এনেই বৈ থকাতকৈ সিহঁতে দেখোন ওচৰৰ গাওঁখনকে এপাক মাৰি চাই আহিবগৈ পাৰে। পালে তাতে কিবা বিলাহী বা আন টাট্‌কা শাক-পাচলিও কিনি আনিব পাৰিব। মনৰ সেই অৱস্থাত কাঞ্চনজংঘা বগাবলৈ লগ ল'লেও আনো-ৱাৰইত আগ বাঢ়িব। তৎক্ষণাত ওলাল। মাজতে দুচাহমান বাই থোৱা আঠ-দহ নলমান বহল এখন পথাৰ। তাৰ সিপাৰেই গাওঁখন। সৰু সৰু ঘন ঘন পঁজা ঘৰবোৰ দূৰৰপৰাই দেখা যায়। হাঁহি-মাতি ঠাট্টা-মস্কৰা কৰি কৰি তিনিও চপৰা মাটি ভাঙি ভাঙি গাৱঁৰ পিনে আগ বাঢ়িল।

আনোৱাৰে গাওঁ নেদেখা নহয়। দেখিছে। কিন্তু গাৱঁৰ এই ৰূপ সি দেখা নাছিল। নিচেই সৰুতে গড়গাৱঁত ডাঙৰ-আব্বাৰ লগত থাকোঁতে আনোৱাৰে অনেক গাওঁ দেখিছিল। সৰু পঁজাঘৰ আলিগড়তো আছে। সেই পঁজাঘৰৰ দাৰিদ্ৰৰ নিকৰুণ উলঙ্গ ৰূপ আনোৱাৰে দেখিছে। দেখি তাৰ প্ৰাণে কান্দিছেও। কিন্তু আজি যি গাওঁ সিহঁতে দেখিলে তাৰ অৱস্থা

অবৰ্ণনীয়। দুটা-চাৰিটা ক'লা ক'লা অস্থিচৰ্ম্মসাৰ প্ৰায় নওঠা ল'ৰা যদি বাটে-পথে দেখা নগ'লহেঁতেন তেন্তে হয়তো মানুহে ইয়াক কোনোবাই কাহানিবাই এৰি থৈ যোৱা এখন বিগত দিনৰ গাৱঁৰ ধ্বংসাৱশেষ বুলিহে ভাবিলেহেঁতেন। নিৰ্ম্মম দাৰিদ্ৰ আৰু হতাশাই যেন গাওঁখনক গ্ৰাস কৰি পেলাইছে। গাওঁখনত এনে এটা জুপুৰী নাই যিটো মেৰামতিৰ অভাৱত ভাগি যাব ধৰা নাই; পুৰুষেই হওক স্ত্ৰীয়েই হওক এনে এজন মানুহ নাই যাৰ গাত এখন নস্টা নিছিটা কাপোৰ আছে; এনে এটা শিশু নাই যিটোক অকণমান স্বাস্থ্যবান বুলি ক'ব পাৰি। দুই এঠাইত আনোৱাৰহঁতে সুধি-পুচি চালে। কিন্তু যোচিব পৰা বাহি শাক-পাচলি কাৰো ঘৰতেই নাই। অধ্যাপকৰ সন্দেহ হ'ল, গাওঁখনত কিজানি কিবা মহামাৰীয়ে দেখা দিছে; নাইবা দুৰ্ভীক্ষ হৈছে। তেওঁৰ স্বাভাৱিক সমাজতান্ত্ৰিক অনুসন্ধিৎসা সজাগ হৈ উঠিল। ক'লা ছালৰ ওপৰৰপৰাই কামিহাঁড়বোৰ এডাল এডালকৈ লেখিব পৰা এজন হজুৱা মানুহক লগ পাই তেওঁ সুধিয়ে পেলালে। কিন্তু নাই। মানুহজনৰ কথাৰপৰা বুজা গ'ল তেনে কোনো দুৰ্য্যোগে গাৱঁত দেখা দিয়া নাই। খেতি-বাতি স্বাভাৱিকভাৱেই হৈছে। ভিতৰুৱাল গাৱঁত দুই এজন মানুহৰ বাৰিষা কালি হাইজা আৰু খৰালি নেৰেঙ্গা এনেও হয়েই। বসন্তও হয়। নগৰতেই হয়। তেনে দুজন এজন বেমাৰী থাকিলেও মহামাৰী ৰূপত একো হোৱা নাই। আনোৱাৰহঁতে দেখিলে, বুজিলে,—এই যি কৰাল দাৰিদ্ৰ, হতাশাচ্ছন্ন মন, মৃত্যুৰ নিচিনা জড়তা, অসীম আলস্য,—এয়া গঞ্জা ৰাইজৰ চিৰকালৰ চিনাকি। মূৰৰ ওপৰত যেনেকৈ সীহ-পাণ্ডুৰ আকাশ আছে, ভৰিৰ তলত যেনেকৈ ক'লা শুকান মাটি আছে, ঠিক তেনেকৈয়ে এইবোৰ আছে চিৰকাল। ইয়াত অস্বাভাৱিক একো নাই। চিন্তনীয় একো নাই। আনোৱাৰহঁত মটৰলৈ উভটি আহিল। ওচৰ পাই দেখিলে এজাক আপাত দৃষ্টিত বুভুক্ষু ল'ৰা-ছোৱালীয়ে মটৰখন বেঢ়ি-কুৰি ৰৈ আছে। সিহঁতক ভীক্ষা লাগে।

নিচেই সামান্য কথাতে হাঁহিব পৰা, আনন্দ কৰিব পৰা এটা মনৰ প্ৰস্তুতি লৈ আনোৱাৰ আহিছিল। সেই মনৰ সকলো উৎসাহ তাৰ ভঁয় পৰি গ'ল। প্ৰায় নীৰৱেই বহুদূৰ বাট আহি সিহঁত এটা কৃত্ৰিম নিজৰাৰ পাৰ পালেহি। তাৰ পাৰতে নামি সিহঁতে আহাৰ খাবলৈ বহিল নিজৰা পাৰৰ ঘাঁহনিত। চালমাই এটা বৃহৎ বেতৰ খাঙত আটাইবোৰ বছা-ৰছা খোৱা বস্তু লৈ আহিছে; সুস্বাদু শ্বামি-কাবাব, খাঁটি ঘিৰ পাৰাঠা, মুৰ্গীৰ ৰোস্ত। ভোকো লাগিছিল। তথাপিও আনোৱাৰে একোকেই ভালকৈ

খাব নোৱাৰিলে। পিচৰ বাচছোৱা চাল্‌মাই দেখিলে তাইৰ সজীৱ মুখখন কিবা এক অনামী বিষাদৰ ছাঁয়াই ক'লা কৰি ৰাখিছে। চাল্‌মা বুদ্ধিমতী ছোৱালী। অদৰ্কাৰী কিছুমান প্ৰশ্ন কৰি আনোৱাৰক অযথা আমনি নকৰি তাই নিজেও মনে মনে মাৰ ধৰিলে। এনেও চাল্‌মাই হুলস্থূল কৰি পেক্‌পেকাই যিহকে-তিহকে বকি থকা ল'ৰাবোৰ দেখিব নোৱাৰে। একো একোটাইঁতৰে থাকে! যেনে-তেনে লোকৰ মনোযোগ আকৰ্ষণ কৰি সাঁচ বহুৱাবলৈ যত্ন কৰোঁতে কৰোঁতে বপুৰাইঁতৰ নিজৰ কথাও এবাৰ ভাবি চাবলৈ সময়েই নেথাকেগৈ। ফলত নিজস্ব একো এটাই নেথাকেগৈ। কিন্তু এই আনোৱাৰ নামৰ ল'ৰাটোক তাইৰ ভাল লাগে। ভদ্ৰ। কথা পাতিব জানে। অথচ চিন্তাশীল। চাল্‌মাৰ ভাল লাগে তাক, আনকি তাৰ মনৰ এনে বিষাদ-মলিন ভাৱাচ্ছন্ন অৱস্থাতো। আৰু তাই জানে,—চাল্‌মাই জানে, তাৰ মনৰ এই ভাৱৰ ইচ্ছা কৰিলে তাই বিদূৰিত কৰি দিব, ক্ষন্তেকতে, মাথোন তাইৰ মুখৰ এটি মিচিকি হাঁহিৰে।

সুদৃঢ় আৰু সুদৃশ্য বৃত্তাকাৰ প্ৰৱেশদ্বাৰেৰে বন্ধোৱা নয়নাভিৰাম তাজ-মহল জীৱনত প্ৰথমবাৰ দেখি আনন্দ আৰু আশ্চৰ্যত আনোৱাৰৰ যেন উশাহ-নিশাহ বন্ধ হৈ গ'ল। ইমান ধুনীয়া ইমান সুন্দৰ বস্তুও এইখন পৃথিৱীত থাকিব পাৰে! আছে! বিশ্বাস কৰা টান, ধাৰণা কৰা টান আপোন চকুৰে নেদেখিলে। আনোৱাৰ যেন হেৰাই গ'ল। তাৰ কাণতে যেন তাৰ মাজৰপৰাই জন্ম পোৱা কেবাটাও বেলেগ বেলেগ স্বৰে কৈ যাব ধৰিলে অনেক কথা। এটা স্বৰে ক'লে: "আচৰিত হৈছা কিয়! এয়াতো সাধাৰণ! নিতান্তই পাথৰৰ! নিৰ্জীৱ! তোমাৰ কাষত নিলৰ

হৈ বহি থকা চাল্‌মালৈ চোৱা,—তেজ-মঙহৰ এটা জীৱন্ত তাজমহল। এয়া মানুহে সজা ; সেয়া স্বভাৱে।” হঠাৎ যেন এটা অন্য এটা স্বৰে চেক্‌চেককৈ ‘চিনিক’ৰ হাঁহি মাৰি কৈ উঠিল : “দূৰ। দূৰ। দুজন মৰা মানুহৰ বাবে নিৰ্ম্মিত এই বিৰাট সৌধটো চাই কিহৰ ৰং পাব লগা কথা আছে হে। এতিয়াই জানো দেখি অহা নাই আগ্ৰা-পথত কোটি কোটি জীয়া মানুহে তাজমহলৰ দেশতে কেনেকুৱা জীৰ্ণ-শীৰ্ণ ঘৰত বাস কৰিছে।”

তেতিয়া গুচি গৈ গভীৰ নিশা জোনাকে ধোৱা তাজ চাবলৈ আনো-ৱাৰহঁত আকৌ হোটেলৰপৰা ওলাই আহিল। এইবাৰ আনোৱাৰৰ মন কবিতাৰ দৰে স্নিগ্ধ। দিনৰ সেই অসূয়াজন্মা দৃষ্টি-বিভ্ৰাট আৰু নাই। আশ্চৰ্য্যসুন্দৰ জোনাক-বিভোৰ নিশাৰ তাজমহলক ঘেৰি থকা ৰহস্যসঘনতাৰ কাষৰত এইবাৰ আনোৱাৰে তাৰ কান্ততৃষাতুৰ আত্মাক প্ৰকৃত সুন্দৰপ্ৰেমীৰ দৰে সম্পূৰ্ণকৈ সমৰ্পণ কৰিলে। তাৰ দৃষ্টিৰ আগত ধৱল জোনাকৰ সমুদ্ৰত গা-ধুই-ধুই অপূৰ্ব্ব সুন্দৰ পটভূমিত সাক্ষাত এক কমনীয় কোমল-তাৰ দৰে থিয় দি আছে যুগজয়ী তাজ ; সনাতন প্ৰেমৰ অমৰ সৌধ। সঁচা ; এই তাজ এগৰাকী মানৱী সম্ৰাটে তেওঁৰ সম্ৰাজ্ঞীৰ স্মৃতি ৰক্ষাৰ্থে নিৰ্ম্মাণ কৰাইছিল। কিন্তু কেৱল সেই বুলি কৈ দিলেই সকলো কৈ দিয়া নহয়। যি অনুভূতিয়ে সেই সম্ৰাটক এই তাজ নিৰ্ম্মাণৰ বাবে প্ৰেৰণা যোগাইছিল সেই অনুভূতি তেওঁৰ অকলৰ নহয়। এয়া এক সাৰ্ব্বজনীন বিশ্ব-অনুভূতি। এই অনুভূতি ৰাজনীতি অৰ্থনীতি আদি সৰু সৰু জাগ-তিক কথাৰপৰা বহুত দূৰত। বহুত ব-হু-ত ওপৰত। স্বয়ং কালেও এই অনুভূতিক সৰু সীমাবদ্ধ কৰি দিব নোৱাৰে। ই কালজয়ী। অপৰি-বৰ্ত্তনীয়। অমৰ। যুগ আহিব। যুগ যাব। কিন্তু সেই চিৰকাল এইখন দেশ, আৰু পৃথিৱীৰ সকলো দেশৰ অগণন মানুহ ইয়ালৈ আহিব। প্ৰেমিক-প্ৰেমিকা আহিব। ধনী-দুখীয়া আহিব। অভিজাত দুলালী আহিব। গাৱঁৰ জীয়ৰী আহিব। সকলো আহিব। মানুহৰ হাতৰ, মানুহৰ শিল্পীমানসৰ এই অমৰ সৃষ্টি চাই জীৱন সাৰ্থক কৰিব। সেই সকলোৰে মনত এই তাজ সিহঁতৰে আপোনাৰ অযুত সপোন গোট মাৰি পাথৰ হোৱা যেন বোধ হব। সিহঁতৰে আপোনাৰ অনেক কোমল অনু-ভূতি এই অপূৰ্ব্ব-সুন্দৰ মাৰ্ব্বল কীৰ্ত্তিৰ মাজত পৰিস্ফুট হোৱা দেখিবলৈ পাব। এনে লাগিব যেন সিহঁতৰে আপোনাৰ অশ্ৰু আৰু হুমুনিয়াহ-বোৰেই স্ফটিক হৈ ৰূপ লৈছে এই নিষ্কলঙ্ক জলমল হীৰা-মুকুতাৰ। ইয়াৰ পৰা যেতিয়া সিহঁত উভটি যাব সিহঁতৰ গধুৰ গধুৰ বুকুৰ বোজা পাতল হৈ

যাব ; মনত লৈ যাব সিহঁতে দুৰ্মদ বিশ্বাস। কাৰণ; কাৰণ সিহঁতে যে ইয়াত পান কৰি যাব, পান কৰি তৃষ্ণা নিবাৰণ কৰি যাব প্ৰেমৰ চিৰ-প্ৰৱাহমান নিৰ্জ্জন নিজৰাৰ পানী। সেই নিজৰাতে সিহঁতেও ঢালি দি যাব সিহঁতৰ নিজৰো বিগলিত কৰুণাৰ অমলিন অশ্ৰুধাৰ।

নিজৰ ভাৱৰ মাজতে আনোৱাৰ যেন হেৰাই গৈছিল। চেতনা তাৰ হৈ পৰিছে অৰ্দ্ধ-নিমীলিত। সেই নিমজ্জ চেতনাৰ দূৰ প্ৰদেশৰপৰা সি শুনিলে বহুত দূৰৰপৰা অধ্যাপক চেলিয়ে যেন তাক সুধিছে: "আনোৱাৰ, বি-এ পাছ কৰি উঠি তুমি কি কৰিম বুলি ভাবিছা?"

"মই,—মই. তেনেকৈ বিশেষ একো ভবা নাই, ছাৰ।" আপোন স্বপ্নাৱেশৰপৰা হঠাৎ ইমান বিষয়ী এটা স্তৰলৈ নামি আহিবলৈ আনোৱাৰৰ কষ্ট হৈছিল। তথাপি সি ক'লে, "আব্বাজানে মই পঢ়া-শুনা কৰি উঠি ব্যৱসায়ত ধৰিলেই ভাল পাব। তেখেতৰ বয়স হৈছে। পিছে মোৰ নিজৰ বৰ মন নাই ব্যৱসায়ত নামিবলৈ।"

"চিভিল-চাৰ্ভিচ প্ৰতিযোগিতাত যোগ দিয়াৰ কথা কেতিয়াবা ভাবি চাইছানে বাৰু? কেনে দেখা?"

আনোৱাৰে 'জনপালন-কৃত্যক' দূৰৰ কথা সাধাৰণ আন কিবা চৰকাৰী চাকৰি কৰাৰ কথাও কেতিয়াও ভবা নাই। আৰু সঁচা কথা ক'বলৈ গ'লে পঢ়া সাং হ'লে ভবিষ্যত জীৱনতনো কি কৰিব তাকেই সি কেতিয়াও বিশেষভাৱে চিন্তা কৰি চোৱা নাই। কিয় যেন তাৰ মনত উপকন্ঠা এটা ধাৰণা আছিল, কোনো চৰকাৰী উচ্চ পদৰ বাবে সি উপযুক্ত নহয়। তথাপিও এতিয়া অধ্যাপকে মৰমেৰে আপোনভাৱেৰে সোধা কথা এষাৰৰ উত্তৰত সি পোনে-পোনে 'নাই' বুলিনো কয় কেনেকৈ? তথাপিও তাৰ অনিচ্ছা বা অৰ্হতাৰ অভাৱৰ কথা প্ৰকাশ কৰি কিবা এষাৰ ক'ব খুজিছিল। কিন্তু তাৰ আগতে চালমাই মাত লগালে: "তুমিনো কি সুধিছা বাবা? আনোৱাৰৰ নিচিনা ল'ৰাই চিভিল-চাৰ্ভিচ পৰীক্ষা নিদিলে কোনে দিব। দিবই লাগিব। দিয়া উচিত। আৰু মোৰ সন্দেহ নাই; আনোৱাৰে পাবই।"

"ওঁ। ঠিক কৈছা। ময়ো ঠিক তাকে ভাবো। মোৰো বিশ্বাস আছে। তুমি আনোৱাৰ, যান্তি হোৱা যদি মই তোমাক পৰীক্ষাৰ নিয়মাৱলী যোগাৰ কৰি দি তুমি যি যি বিষয়ত পৰীক্ষা দিব খোজা সেই সেই বিষয়ত বিশেষ শিক্ষা লভাবো বন্দবস্ত কৰি দিব পাৰোঁ। বুজিছা আনোৱাৰ, মোৰ মতেৰে এতিয়া নিদি আৰু দুবছৰৰ পিচত পৰীক্ষা দিবৰ হ'লেও তুমি এতিয়াৰপৰাই প্ৰস্তুত হোৱা উচিত।"

আনোৱাৰে আৰু কি ক'ব। বাধ্যত পৰি সি অধ্যাপকক ধন্যবাদ জনাই এই বিষয়ে গভীৰভাৱে চিন্তা কৰি চাব বুলি কথা দিলে। অৱশ্যে ইমান জটিল আৰু প্ৰতিযোগিতাপূৰ্ণ এটা পৰীক্ষাত কৃতকাৰ্য্য হব পাৰিব বুলি তাৰ নিজৰ মনত এধানমানো বিশ্বাস নাছিল। সেই কথাও সি নম্ৰ ভাৱেই ব্যক্ত কৰিলে।

"পাগল নেকি?" অধ্যাপকে মৰমেৰে তাৰ পিঠিত হাত ফুৰাই ক'লে, "আনে যদি পাৰে তুমি নোৱাৰিবা কিয়! আৰু মই ভালকৈ জানো আন দহটা ল'ৰাতকৈ তুমি বহুত সহজেই পাৰিবা।"

তাৰ পিচতে মটৰৰপৰা কম্বলখন অনাৰ বিষয়ে কিবা এটা মুখৰ ভিতৰতে কৈ কৈ অধ্যাপক চেলিম আঁতৰি গ'ল। কোনে জানে হয়তো ইচ্ছাকৃত ভাৱেই আনোৱাৰ-চাল্‌মাক এখন্তেক অকলে থকাৰ সুযোগ দিয়ে 'আঁতৰি গ'ল। সিহঁত বহি থাকিল তাজৰ অঙ্গনৰ মাৰ্ব্বলৰ বেঞ্চত সমুখৰ চাবিচুকীয়া পুখুৰীৰ গভীৰ পানীলৈ চাই চাই। গভীৰ সেউজীয়া পানীত দ্বিতীয় এটা তাজমহল অকণ অকণকৈ কঁপি কঁপি ডুব গৈ আছে। জাৰ কালিৰ বাতি জাৰত ঠেৰেঙা লাগিয়ে যেন পুখুৰীৰ দুয়োপাৰে নীৰৱে জুপুকা মাৰি থিয় দি বৈ আছে দুশাৰী চিয়াহীৰ দৰে ক'লা চাইপ্ৰেচ গছ। ক'তো কোনো নাই। চতুৰ্দ্দিশ মৌনমুখৰ। বহি আছে ওচৰাওচৰিকৈ মাথোন আনোৱাৰ আৰু চাল্‌মা। সৃষ্টিৰ প্ৰথম মানুহ। তথাপিও কিয় যেন আনোৱাৰৰ চাল্‌মালৈ ভয় লাগিল। পৰিস্থিতিটো সহজভাৱে ল'ব নোৱাৰি সি অস্থিৰ হৈ উঠিল ভিতৰি ভিতৰি। একো কথাই ক'ব নোৱাৰা হৈ গ'ল সি। চঞ্চল চিত্তে উৎকণ্ঠিত হৈ সি বাট চাই ৰ'ল অধ্যাপক উভতি অহালৈ। ঠিক এনে সময়তে আকাশেদি গৈ থকা এচমকা মন্থৰ গতিৰ মেঘে পাতলকৈ জোনটো ঢাকি ধৰিলে। লগে লগে তাজ-মহলেও যেন নিজৰ গাত এখন হীৰক খচিত সুস্বচ্ছ ধুসৰ-বগা আচ্ছা-দনহে টানি ল'লে, এই ৰূপত তাজ আৰু সুন্দৰ আৰু ৰহস্যময় হৈ উঠিল। জোনৰ অনুজ্জ্বল কোমল পোহৰত আনোৱাৰে যেন তাৰ হেৰোৱা সাহস ঘূৰাই পালে। লাহে লাহে মুখ তুলি সি চাল্‌মাৰ চকুলৈ চালে। তাৰ বাবেই যেন চাল্‌মায়ো বাট চাই আছিল। তায়ো মুখ দাঙিলে। দুহাল চকুৱে এখন্তেক চকুৱে চকুৱে চাই ৰ'ল। এটি মুহূৰ্ত্তৰ দুটি মনৰ নীৰৱ চকুৱে চকুৱে চোৱা! আৰু একো নাই। কিন্তু সেয়েই যথেষ্ট। সেয়েই বহুত। সেই এটা চাৱনিয়েই কৈ দিলে অনেক কথা। হেজাৰ শব্দৰেও কৈ বুজাব নোৱাৰা কথা। এটা মুহূৰ্ত্তৰ ভিতৰতে আনোৱাৰৰ মনৰ সকলো সন্দেহ, সকলো ভয়, সকলো দ্বিধা ধুমুহা মুখৰ নগণ্য ধুলিৰ

ৰূপাৰ দৰে কৰবালে উৰি গ'ল। তাজমহলৰ এই ৰূপ-মধুৰিমা তাৰ বাবে আৰু এটা বাহ্যিক বিষয়-পদাশ্রিত প্ৰপঞ্চ মাথোন হৈ নেথাকিল। আজি এই মুহূৰ্ত্তত যি মহতী সত্যৰ আবিষ্কাৰ সি কৰিলে তাৰ বাবেই যেন এই ৰূপৰাশি সাৰ্থক পটভূমি, সুযোগ্য সাক্ষীৰূপে হাঁহি হাঁহি ৰৈ আছে। প্ৰথম বাৰৰ বাবে আনোৱাৰে উপলব্ধি কৰিলে,—সি চাল্‌মাক ভাল পায়। আৰু,—আৰু চাল্‌মায়ো তাক ভাল পায়। ইয়াত প্ৰশ্নৰ অৱকাশ নাই। আৰু সি জানে এই ভালপোৱা কি এয়া,—"দৰ্দ্দ কী দাৱা পাই,—দৰ্দ্দ-এ-বে-দাৱা পায়া।"

কম্বল এখন গাত মেৰিয়াই লৈ অধ্যাপক উলটি আহিছিল ভালেমান পৰৰ পিচত। কিন্তু তেওঁ উভটি অহালৈকে আনোৱাৰ বা চাল্‌মা কোনেও কাকো এষাৰ কথাও কোৱা নাছিল। তথাপি তথাপিও। সিহঁতৰ বাবে ইয়াৰ ভিতৰতে গোটেই বিশ্ব-সংসাৰৰ ৰূপ অৰ্থ সলনি হৈ গৈছিল।



পোহৰৰ দুডাল ৰশ্মি দূৰৰ এন্ধাৰৰ মাজত বিলীয়মান হৈ গৈছিল। দীঘল এৰ্কা-বেৰ্কা ফিটাৰ দৰে ৰাজপথেদি মটৰখন আলিগড়লৈ বুলি দ্ৰুত-বেগে ধাৱমান হৈছিল। আলিগড় আজি পাবই লাগিব। আনোৱাৰ কালিলৈ ঘৰলৈ ৰাওনা হোৱাৰ কথা। অধ্যাপকৰো পিচদিনা অধিবিদ্যা-পৰিষদৰ বিশেষ সভা আছে। সেই কাৰণে ভীষণ জাৰ পৰা সত্ত্বেও আনোৱাৰহঁত ৰাতিয়েই উভটি আহিল।

হাড়-কঁপোৱা জাৰ। সিহঁতে গলাবন্ধ আৰু অভাৰকোটেৰে নিজকে ভালকৈ ঢাকি-ঢুকি ল'লে। অধ্যাপকে গাড়ী চলাইছে। তেওঁৰ মূৰত কোমল হেট্, চকুৰ ওপৰলৈকে নমাই লৈছে; অভাৰকোটৰ কলাৰ তুলি দি গাললৈকে ঢাকি থৈছে। হাতত ঘন উলৰ হাত-মোজা। মটৰৰ ভিতৰৰ এন্ধাৰত তেওঁৰ মুখৰ চিগাৰেটৰ অঙঠা ডোখৰ মাত্ৰ জিলিকি আছে।

পিচৰ আসনত আনোৱাৰ আৰু চাল্‌মা ওচৰা-ওচৰিকৈ বহিছে। আঠুৰ ওপৰেদি সিহঁত দুয়ো এখন কম্বল পেলাই লৈছে। কেনেকৈ কেতিয়া আনোৱাৰে নেজানে,—হয়তো নেজানে চাল্‌মায়ো,—তাৰ হাতখনে চাল্‌মাৰ কপাহৰ দৰে কোমল পদুম কলিৰ দৰে চেঁচা সৰু হাত এখন তাৰ দুয়ো হাতৰ মাজত আলফুলকৈ সুমুৱাই ল'লে। আবেগৰ এটা কুহুমীয়া সোঁত সেই হাতৰ স্পৰ্শ-বিন্দুৰ মাজেদি পৰস্পৰৰ দেহালৈ ক্ৰমাগত প্ৰবাহিত হ'বলৈ ধৰিলে। এটা এটাকৈ অজস্ৰ আবেশ-বিভোৰ ক্ষণ অনন্ত কালৰ মাজত বিলীন হৈ যাব ধৰিলে। হঠাৎ এবাৰ আনোৱাৰে গম পালে তাৰ গালত আহি লাগিছে কিহবাৰ এটা কোমল মধুৰ ৰেশমী-পৰশ। চাল্‌মাৰ একোছা চুলি বতাহত উৰি উৰি তাৰ গাল চুই চুই গৈছে। এটা অপ্ৰকাশনীয় আমেজ-মদিৰ সুবাসে ধীৰে ধীৰে যেন তাৰ চেতনাক বিৱশ কৰি কৰি নিছে। তন্দ্ৰাতুৰ চাল্‌মা অলপ অলপকৈ তাৰ বাউসীত ঢলি পৰিছে পৰম নিৰ্ভৰেৰে।

বাহিৰত ভালুকৰ নোমৰ দৰে এন্ধাৰ। বাহিৰত জাৰ।

গছৰ শিখৰে শিখৰে হোঁ-হোঁ শব্দ তুলি এজাক হিম-চেঁচা বতাহ বলিছে। বাহিৰত পথাৰ আছে, এচাহ দুচাহ খেতিয়কে হাল বাই থোৱা। বাহিৰত গাওঁ আছে দাৰিদ্ৰ আৰু দুঃখ আৰু অন্তহীন আবৰ্জ্জনাৰে ভৰা। দিনত সেয়া দেখিছিল আনোৱাৰে তাত শোষণ আছে। অত্যাচাৰ আছে। লাখে লাখে মূক মানৱে তাত প্ৰতীক্ষা কৰি আছে মুকুতিৰ বাবে। বাহিৰত বনা জন্তুৰ শ্বাপদৰ ভয় আছে। বিপদ আছে। আছে হোঁ-হোঁ প্ৰচণ্ড ধুমুহাৰ প্ৰত্যাহ্বান। আৰু এয়া ভিতৰত আছে মাথোন উম—মাথোন শান্তি। বাহিৰৰপৰা চেঁচা বতাহ সোমাব নোৱাৰা এখন সৰু মটৰৰ ভিতৰত এয়া স্প্ৰীং লগোৱা আৰামপূৰ্ণ আসন। সুকোমল। বাউসীত এয়া ভেঁজা দি আছে, এডাল লতাৰ দৰে নিৰ্ভৰ কৰি আছে এক অপূৰ্ব্ব সুন্দৰ সুবাসিত নাৰী দেহা। ফুৰফুৰীয়া আমেজ-মদিৰ সুবাস........অনুপম অনুপম........ধীৰে ধীৰে........ধীৰে ধীৰে........দুচকুত নামি আহে........আবেশ আবেশ........টোপনি

আকবৰ আলিৰ কথা পেলাব নোৱাৰিয়েই আনোৱাৰ চালামপুৰলৈ গৈ ডাঙৰ-আব্বাহঁতৰ তাত দিনদিয়েক থাকিব লগা হ'ল। এনেকৈ তাৰ অকণো মন নাছিল। আমজাদ আলিৰ পৰিয়ালৰ লগত থাকিবলৈ যোৱা মানে যেনিবা কোনোবা ৰজা-ঘৰৰ আতিথেয়তা গ্ৰহণ কৰিবলৈহে যোৱা। অতিপাত বিলাস-ব্যসনযুক্ত এখন ঘৰ। প্ৰত্যেকৰ কাৰণেই এজনকৈ নহয় একেবাৰে এদল এদল চাকৰ-নাকৰ। গোটেই পৰিবেশটোৱেই ৰাজোচিত সন্দেহ নাই। যথেষ্ট আড়ম্বৰ আৰু গাম্ভীৰ্য্যও নোহোৱা নহয়। হ'লেও, এইবোৰ আড়ম্বৰ আনোৱাৰে কেতিয়াও অন্তৰেৰে সমৰ্থন কৰিব নোৱাৰিছিল। এনেকৈ যি কোনো জাকজমকেই আনোৱাৰে ঘিণ কৰিছিল বুলিও অৱশ্যে খিতাতে কৈ দিব নোৱাৰি।

যেই হওক, এইবাৰ ইয়াত থাকি আনোৱাৰৰ সিমান বেয়া নেলাগিল। যথেষ্ট উত্তেজনাপূৰ্ণ কাম কৰা হ'ল। বৌফৰ লগত বন্দুক লৈ অনেকবাৰ চিকাৰ কৰিবলৈ গ'ল সি। চিকাৰ কৰাত যে ইমান অভূতপূৰ্ব্ব আনন্দ থাকিব পাৰে আনোৱাৰৰ ধাৰণাই নাছিল।

তাৰ উপৰিও আছিল বিল্‌কিচৰ আকৰ্ষণ। তাহানিৰ সেই নানান দুষ্টামিৰ ভঁৰাল আপেল-ৰঙা গালৰ এটা পুতলাৰ দৰে দৌৰোতে মূৰৰ খোঁৰা নেজৰ দৰে কৰি বন্ধা চুলি, হাঁহি-উঠা কৈ উঠা-নমা কৰা অকণমান বিল্‌কিচ-জনী আৰু নাই। আনোৱাৰে দেখিলে তাৰ ঠাইত বিল্‌কিচ এজনী বেচ্ গহীন-গম্ভীৰ আশ্চৰ্য্য-সুন্দৰী গাভৰু হৈ উঠিছে। দেখি সি যে কেৱল আচৰিতেই হ'ল এনে নহয়, এটা অদ্ভুত আত্ম-সচেতনতাৰ ভাৱে তাৰ মনত কিছুমান খেলিমেলিৰ সৃষ্টিও কৰিও কৰি গ'ল। কিন্তু আপোন ডাঙৰ-আব্বাৰ জীয়েকৰ এই যৌৱন-দীপ্ত ৰূপ দেখি সি কিয় চঞ্চল হৈ উঠিব লাগে? নিজৰ দুৰ্ব্বলতাক নিজেই সি বাৰে বাৰে ধিক্কাৰ দিবলৈ ধৰিলে। কিন্তু তথাপিও। যিমান বাৰ তাৰ চকু বিল্‌কিচৰ কুন্তলৰূপা প্ৰতিমা-প্ৰতিমা মুখত, হাঁহিলে তাইৰ গালত পৰা টোলত পৰে....সিমান বাৰ যেন সি শিহৰি শিহৰি উঠে। বিসদৃশভাৱে তাৰ স্নায়ুয়ে স্নায়ুয়ে বৈ যায় এটা অনামী ঈৰ্ষাৰ সোঁত বিল্‌কিচৰ ভবিষ্যত-স্বামীৰ প্ৰতি।

এদিন ঘূৰি ঘূৰি ভাগৰত প্ৰায় অৱশ হোৱাৰ দৰে হৈ আমজাদ আলিৰ ঘৰলৈ উভটি আহি আনোৱাৰে দেখিলে তাৰ নামত দুখন চিঠি আহিছে। প্ৰথমতেই সি চিনাকি আখৰৰ নীলা খামৰ চিঠিখন আলফুলকৈ খুলিলে।

চাল্‌মাৰ চিঠি। ইমান দীঘল ইমান মৰম লগা চিঠি চাল্‌মাই সাধাৰণতে নেলেখে। চাল্‌মাই লেখিছে বন্ধৰ দীঘল দিনবোৰ তাইৰ নেযায়-নুপুৰায় লাগিছে। ভাৰকালিৰ নিৰুৎসাহিত মুকুৰা গোমোঠা আবেলি-সন্ধ্যাবোৰ এনেয়েই তাইৰ অসহনীয় লাগে। তাতে এতিয়া তাই ইমান নিঃসঙ্গ। চাল্‌মাই লেখিছে আনোৱাৰৰ অনুপস্থিতি তাই বৰকৈ অনুভৱ কৰিছে। সি আলিগড়লৈ কেতিয়া উভতি যাব সুধি পঠিয়াইছে। "তুমি নেথাকিলে মোৰ যে ইমান বেয়া লাগিব আগতে মই ভাবিবই পৰা নাছিলো। তুমি নেথাকিলে জীৱনেই দেখোন উষৰ-মৰু যেন লাগে, আনোৱাৰ।" চিঠিখন পঢ়ি পঢ়ি আনোৱাৰৰ বুকুখন বিষাই উঠিল। এবাৰ চাল্‌মাক চাবলৈ যেন অন্তৰখনে উচুপি উঠিল। আৰু তাৰ চকুহাল প্ৰেম, আকুলতা আৰু কৰুণাৰ অশ্ৰুৰে সেমেকি উঠিল।

লাহে লাহে আনোৱাৰে চাল্‌মাৰ চিঠিখন ভাঁজ কৰি খামত ভৰাই বিছনা তলত শিতানৰ পিনে ভৰাই থ'লে। এতিয়া থক। ৰাতি শুই শুই ধীৰে-সুস্থিৰে আকৌ এবাৰ পঢ়িব লাগিব। এনে চিঠি আৰামেৰে নিস্তব্ধ পৰিৱেশত পঢ়িব লাগে; খৰখেদাকৈ নহয়। নহ'লে এনে চিঠিৰ পূৰ্ণ আবেদন উপভোগ কৰিব পৰা নেযায়। এইবাৰ সি আনখন চিঠি খুলিলে অন্যমনস্কভাৱে। চিঠিখন আলিগড়ৰপৰা ঘূৰাই পঠোৱা হৈছে। ওপৰৰ ঠিকনাটো টাইপ কৰা। গতিকে আখৰ চাই কাৰ চিঠি ধৰা অসম্ভৱ। কিন্তু খুলি চাই সি অতি আচৰিত হৈ গ'ল। ভিতৰৰ চিঠিখনো টাইপ কৰা; তদুপৰি তলত কাৰো নাম-চহী নাই। হ'লেও, দুশাৰীমান পঢ়িয়েই এই চিঠিৰ ৰহস্যময় প্ৰেৰক কোন বুজিবলৈ তাৰ একো বাকী নেথাকিল। কিন্তু ৰতনে কিয় এনেকৈ ইমান সাৱধানভাৱে কোনেও ধৰিব নোৱাৰাকৈ আওপকীয়া চিঠি দিব লগা হ'ল সি ধৰিব নোৱাৰিলে।

"মৰমৰ বন্ধু" চিঠিখন এনেকৈ আৰম্ভ কৰা হৈছে। ৰতনে সাৱধানে সদায় লেখি অহা দৰে এইবাৰ আনোৱাৰৰ নামটো উল্লেখ কৰা নাই। "মই জানো, মই কোন বুজাত তোমাৰ অকণো অসুবিধা নহয়। মই তোমাৰ বন্ধু—স্বৰ্ণমন্দিৰ থকা মহানগৰীৰ।" তাৰ মানে অমৃতচৰ। "মই তোমাৰ সেই বন্ধু যাৰ লগত তুমি শৈশৱৰ এটা অবিস্মৰণীয় আবেলি কটাইছিলা, এখন ফুলনিত—যি ফুলনিত হেজাৰ হেজাৰ ৰক্ত-ৰঙা গোলাপ ফুলিছিল সেইদিনা আবেলি।" এয়া জালিয়ানৱালাবাগৰ কথা। কিন্তু তাৰ পাচৰপৰা চিঠিখন ক্ৰমে ক্ৰমে যেন দুৰ্বোধ্য হৈ আহিল। "তুমি নিশ্চয় বাতৰি-কাকত পঢ়ি সকলো কথা গম পাইছাই। আমি সেই ফুলনি নতুনকৈ সংস্কাৰ কৰিবলৈ আৰম্ভ কৰি দিছোঁ। এপাহ এপাহকৈ তাৰ

সকলো তেজ-বঙা গোলাপ ছিঙি পেলোৱা হ'ব। অৱশেষত এটা দিন আহিব যিদিনাবপৰা তাত মাত্র শান্তিৰ বগা গোলাপ ফুলহে ফুলিব। এই কাম অতি টান জানা। ফুলনিখন অনেক কাঁইটীয়া জোপা আৰু শিল-ইটাৰে ভৰা। কিন্তু তথাপিও। প্ৰথম চাৰ কোৰ তাত পৰিছে। আনি আৰু নিজিৰাওঁ। আমি অবিৰাম খাল্পি যাম। কাম কৰি যাম। আমাৰ বাট যিমানেই সঙ্কুল নহওক লাগে! ভাই, এতিয়া যি কোনো মুহূৰ্ত্ততে তোমাৰ সহায় মোৰ আৱশ্যক হব পাৰে। হ'লেই মই সহায় বিচাৰিম। আশা কৰো তুমি মোক বিমুখ নকৰিবা। তুমিতো মোক এবাৰ গৈ তোমাৰ লগত দিনদেক থাকি আহিবলৈ অনেক বাৰেই নিমন্ত্ৰণ কৰিছিলা। মনত আছে? এতিয়া যি কোনো মুহূৰ্ত্ততে মই তোমাৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ যাব পাৰোঁ। কেৱল যোৱাৰ আগতে এবাৰ জানিব খোজো মোক গ্ৰহণ কৰিবলৈ তুমি এতিয়া ভাল পাবা নে নোপোৱা। গতিকে এই চিঠি পোৱাৰ লগে লগে এই ঠিকনাত এখন চিঠি দিবা:—হৰসুখ ৰায়। মা: পোষ্ট মাষ্টৰ। জেনেৰেল পোষ্ট অফিচ, লাহোৰ।—চোৱা, যদি বেয়া পোৱা খোলাখুলি লেখিবা। মই বেয়া নেপাওঁ। চিঠিৰ তলত তুমি চহী কৰিব নেলাগে। মাত্র লেখিবা, —তোমাৰ অনেক স্মৃতিৰ বন্ধু—এই বুলি।"

তাৰ বুদ্ধিয়ে চুকি পায় মানে নানাৰূপে ভাবিও আনোৱাৰে এই ৰহস্যময় চিঠিৰ প্ৰকৃত মৰ্ম্ম উদ্‌ঘাটন কৰিব নোৱাৰিলে। এটা কথা ঠিক, ৰতনে জানিব খুজিছে ইয়ালৈ আহিলে সি আনোৱাৰৰ লগত থাকিব পাৰিবনে নোৱাৰে। কিন্তু এই সামান্য কথাটোৰ কাৰণেই ইমান লুক-ঢাক চাৰ্লক হোমচ্‌-গিৰি কৰাৰ অৰ্থ কি? ৰতনৰ কিবা বিপদ হৈছে নেকি? হ'লে, কি বিপদ? কাৰ কাৰণে? পুলিচৰপৰা? পুলিচ! হঠাৎ আনোৱাৰৰ মনত যেন এচাটি পোহৰ আহি পৰিলহি। একে দৌৰে সি ডাঙৰ-আব্বাৰ অফিচ কোঠা পালেগৈ আৰু থাকত জাপি থোৱা এজাপ খবৰ কাগজ নমাই আনিলে। এইখন ঘৰলৈ সদায় নিয়মমতে ডাকযোগে বাতৰি-কাকত আহে। পিচে কাকত পঢ়ি সময় নষ্ট কৰা মানুহ ইয়াত নায়েই। প্ৰায়ে যেনে কাকত তেনেই তুলি থোৱা হয়। ইয়ালৈ অহাৰপৰাই আনোৱাৰেও কি কাৰণতে হওক কাগজ পঢ়া নাই। কাগজ জাপ আগত পেলাই লৈ সি খৰখেদাকৈ বাতৰিবোৰৰ ওপৰৰ বৰ বৰ হৰফৰ শিৰোনামবোৰত চকু ফুৰাই গ'ল এখন এখনকৈ। হঠাৎ কেইবাদিনৰো আগৰ এখন কাগজৰ মুখৰ পিঠিতে ডাঙৰ ডাঙৰ আখৰেৰে এই কথাখিনি লেখা থকা পাই ভয়ত তাৰ গোটেই শৰীৰ কঁপি উঠিল:

লাহোৰত সন্ত্ৰাসবাদীৰ সক্ৰিয়তা
ইংৰাজ ইন্সপেক্টৰ হত্যা
পুলিচ অফিচৰ সমুখতে দিন-দুপৰত দুঃসাহসিক আক্ৰমণ
চোৰাংচোৱা বিভাগৰ ছাত্ৰ-বিপ্লৱী অনুসন্ধানত তৎপৰতা
সমগ্ৰ পঞ্জাৱ জুৰি খানা-তালাচ আৰু সন্দেহযুক্ত লোক গ্ৰেপ্তাৰৰ ধুম

এই সংবাদটোৰ লগত ৰতনৰ চিঠিৰ কি সম্বন্ধ থাকিব পাৰে আনোৱাৰে সেই কথা বেছি নেভাবিলে। মাথোন তাৰ মানস চকুত ভাঁহি উঠিল বহুত দিনৰ আগৰ ল'ৰালি কালৰ এখন ছবি, যি ছবি তাৰ স্মৃতিৰ পটত অঁকা আছে মচিব নোৱাৰা ভাৱে। কল্পনা-চকুৰে সি দেখিলে তাৰ সমুখত ভাঁহি উঠিছে নৃত্যুৰে গৰকা এখন চিত্ৰ,—জালিয়ানৱালাবাগৰ। সেই চিত্ৰতে প্ৰক্ষিপ্ত কৰি ডাঙৰ কৈ অঁকা আছে আৰু এখন মুখ। সেই মুখ ৰতনৰ। চকুৰ আগতে অলপ আগতে নিৰ্ম্মমভাৱে ৰতনৰ বাপেকক হত্যা কৰা হৈছে। কিন্তু তাৰ বাবে কোনো দুখ বা বেজাৰৰ চিন সেই মুখত নাই। নাই চকুত চকুলো। ৰতনৰ ডাঙৰ ডাঙৰ নিষ্পলক চকুত ফুটি উঠিছে দিগন্ত-বিয়পা এক অদ্ভুত দৃষ্টি। সেই অভী দৃষ্টিত জ্বলিছে অপৰিসীম ক্ৰোধ আৰু অসহজ-উপশম্য প্ৰতিহিংসাৰ জুই।

তেন্তে সেই ৰতন, তাৰ বন্ধু, হালধীয়া পাগুৰীৰ তলেদি কোচাকোচে কোমল চুলি ওলাই থকা কোমল-মুখ মিঠা-হাঁহিৰ ৰতন, আজি দুৰন্ত সন্ত্ৰাসবাদী হৈ উঠিছে। বোমা আৰু বিভলভাৰত বিশ্বাস কৰা আস্থা ৰখা এটা আদৰ্শৰ অনুগামী হ'ল সি। সেই হাঁহি-মুখৰ খেমেজীয়া অকণমান ল'ৰাটোৱে আজি মানুহ হত্যা কৰি ফুৰিছে,—এই কথা কল্পনা কৰি চাবলৈকো টান লাগে। অৱশ্যে জালিয়ানৱালাবাগৰ সেই নৃশংস ঘটনাৰ পিচৰপৰাই এনে এটা কথা হব পাৰে বুলি আনোৱাৰে সদায় অনুমান কৰিছিল; ভয় কৰিছিল। আৰু এতিয়া সঁচাকৈয়ে সেয়া হৈ উঠিল বুলি নিশ্চিতভাৱে জনাৰ পিচত আনোৱাৰৰ মনলৈ নানা ধৰণৰ চিন্তা আহিবলৈ ধৰিলে। তাৰ স্বভাৱ-শান্ত স্পৰ্শকাতৰ মনে অহিংসাৰ আদৰ্শত দৃঢ়ভাৱে বিশ্বাস কৰিছিল। এইবোৰ ৰাজনৈতিক হত্যাকাণ্ডক কোনোমতেই সি সমৰ্থন জনাব পৰা নাছিল। অহেতুক জ্ঞান কৰিছিল। লাহোৰত চাউণ্ডাৰচ্‌ নামৰ এজন ডেকা ইংৰাজক হত্যা কৰা হ'ল। কিন্তু এই হত্যাৰ যোগেদি কেনেকৈ ৰতনৰ বাপেকৰ হত্যাৰ প্ৰতিশোধ লোৱা হব পাৰে আনোৱাৰে বুজি নেপায়। তথাপি, এইবোৰ হিংসাত্মক কামৰ প্ৰতি বিৰেকে সমৰ্থন নজনালেও তাৰ মৰমৰ বন্ধুৰ নিৰাপত্তাৰ কথা ভাবি আনোৱাৰ ব্যতিব্যস্ত হৈ উঠিল। ৰতন যদি এইবোৰ সন্ত্ৰাসবাদী কাৰ্য্যত সঁচাকৈয়ে লিপ্ত

তেনেহলে তাৰ জীৱন যে বিপন্ন তাত সন্দেহ নাই। কল্পনাতে আনোৱাৰে দেখিলে, ৰতনক যেন হাতকেৰেয়া লগাই ধৰি নিয়া হৈছে। জেলৰ লোহাৰ বেৰাৰ ভিতৰত ভৰাই থোৱা হৈছে। আকৌ তাৰপৰা উলিয়াই আনি কাঁচী কাঠত তোলা হৈছে। ডিঙিত খোৰোচা-গাঁঠি লগাই ওলোমাই দিয়া হৈছে। ভয়ত আনোৱাৰ থক্ থক্ কৰে কঁপিব ধৰিলে। নাই। নাই। নাই। ৰতন আৰু আনোৱাৰৰ মাজত আদৰ্শগত ভাৱে যিমানেই অনৈক্য নেথাকক এই সময়ত ৰতনে যদি আশ্ৰয় বিচাৰি আহে আনোৱাৰে তাক বিমুখ কৰিব নোৱাৰে। কেতিয়াও!

সেই নিশা আকৌ এবাৰ আৰাম কৰি পঢ়িম বুলি আনোৱাৰে মূৰৰ শিতানত থৈ দিছিল চালমাৰ চিঠিখন। কিন্তু তাৰ সেইখন চিঠিৰ কথা মুৰিবাৰ আৰু মনতেই নপৰিল। তাৰ সলনি ৰতনৰ ৰহস্যপূৰ্ণ চিঠিখনকে কেইবাবাৰো আৰু ঘূৰাই ঘূৰাই পঢ়িলে। তাৰ পিচত ৰহস্য-মানৱ "হৰসুখ বাৰলৈ" এখন চিঠি লেখি জনাই দিলে যে যেতিয়াই তেওঁ ইচ্ছা কৰে— আহিব পাৰে। এই মুহূৰ্ত্তৰপৰাই সি তেওঁলৈ বাট চাই ৰ'ব।



চালামপুৰৰ সদৰকে কেন্দ্ৰ কৰি গোটেই প্ৰদেশখনেই যেন ব্যস্ত হৈ উঠিছে। নৱবৰ্ষৰ মেলা আহি পৰিছে। সকলো নানান আয়োজনত ব্যস্ত। আৰকালি পৰা এই উৎসৱকেই পৰম্পৰাগতভাৱে সৰাতোকৈ শ্ৰেষ্ঠ জ্ঞান কৰা হয়। নৱাবেও একমাত্ৰ আৰকালিৰ এইকেটা দিনেই ইয়াত কটায়। নহ'লে তেওঁ মুচৌৰীৰ শীতল স্বাস্থ্য-নিবাসতে দোভাগখিনি থাকে। আৰু নহ'লে 'পেৰিচ'ৰ একেবাৰে 'গৰম ঠাই'খিনিতেই থাকেগৈ।

সেই বছৰ এই নববৰ্ষৰ মেলা আৰু আইনমতে দেশৰ উত্তৰাধিকাৰী ৰাজ-কুমাৰৰ জন্মদিন—এই দুয়োটা দিনেই একেদিনাই পৰিছে। ৰাজকুমাৰ ডেকা হ'ল। সেই বাবে এইবাৰ সকলো প্ৰস্তুতি অলপ শকত ধৰণেই কৰা হৈছে।

নিৰ্দ্দিষ্ট দিনৰ এপৰ আগৰেপৰাই প্ৰদেশখনৰ শাসনৰ প্ৰত্যেক বিভাগেই, ডাঙৰৰপৰা সৰুলৈ সকলো কৰ্ম্মচাৰীয়েই আন সকলো দায়িত্ব বাদ দি একাগ্ৰপতীয়াকৈ মেলাৰ আয়োজনত লাগি গ'ল। মেলাৰ বাবে মুকলি পথাৰত এখন তম্বু-নগৰী নিৰ্ম্মাণ কৰা হয়। ডাঙৰ-আৰু আমজাদ আলিকে আদি কৰি সকলো মিনিষ্টাৰে মেলাৰ এই তম্বু আদিৰ তদাৰকৰ কামত আত্ম-নিয়োগ কৰিলে। ৰাজকুমাৰৰ গাত তো গোসাঁযেই নাই। সাবালক হোৱাৰ আনন্দত তেওঁৰ ক'লৈ যাওঁ কি-কৰো লাগিছে। আনোৱাৰৰ লগত ইতিমধ্যেই ৰাজকুমাৰৰ চিনাকি হৈছিল। হঠাৎ কি মন গ'ল, ৰাজকুমাৰে ঠিক কৰিলে আলিগড়ৰপৰা অহা এই কিতাপৰ-পোক ল'ৰা-টোক তেওঁ য'লৈকে যায়, যিহকে কৰে, সকলোতে সঙ্গী কৰি লৈ ফুৰাব। ফলত ৰাজ দৰবাৰ, যৌৱনপ্ৰাপ্ত ৰাজকুমাৰৰ সন্মানাৰ্থে আয়োজিত জখলা ইউনিফ'ৰ্ম পিন্ধি কেইশমান সৈন্যই জনাই-নজনাই কৰা কুচ-কাৱাজ, কুমাৰৰ আনন্দ বৰ্দ্ধনাৰ্থে কলিকতাৰপৰা অনোৱা চিনেমা আৰু চাৰ্কাচ, সকলোলৈকে আনোৱাৰ যাব লগা হ'ল। প্ৰথম-প্ৰথম আনোৱাৰ বেছ কৌতূহলী হৈয়ে আছিল। কিন্তু সকলো কথাকে কেউফালৰপৰা ভালকৈ যুক্তি-অযুক্তি বিচাৰ কৰি চোৱা আনোৱাৰৰ অভ্যাস। এই সকলো আড়ম্বৰ জাকজমকৰ অৰ্থহীনতাৰ কথা ভাবি সোনকালেই সি বুজি উঠিল। মেলা আৰু উৎসৱে তাক আমুৱালে। সাধাৰণ ইংৰাজ ফোপজহী বিষয়াবোৰৰ নীৰস বুদ্ধিহীন কথা-বতৰা, অন্যান্য নৱাব আৰু নৱাববোৰৰ পৰিষদবৰ্গ, নামত-ৰাজকুমাৰৰ মোচাহেবৰ দল, আৰু সকলো মানুহৰে কোনো কাৰণ নোহোৱাকৈ অনৰ্গল চাতুকৰী কথা কৈ থোৱা অভ্যাস দেখি দেখি আনোৱাৰৰ তিতা-কেঁহা লাগিল।

"আনোৱাৰ, তোমাক মই বন্দুক চলাবলৈ শিকাম।" ৰাজকুমাৰে এবাৰ কথাই কথাই আনোৱাৰক কৈছিল। আৰু তাৰ পিচতে নিৰ্লজ্জভাৱে আত্ম-প্ৰশংসাত একেবাৰে পঞ্চমুখ হৈ উঠিছিল, "এই গোটেই প্ৰদেশখনত, জানা, মোৰ সমান দক্ষতাৰে বন্দুক চলাব পৰা মানুহ আৰু কোনো নাই!"

"তাত সন্দেহেই নাই, ছোটে' চৰকাৰ," ওচৰতে বহি থকা কোনোবা এজনে তৎক্ষণাত মাত লগালে।

"নকবা আৰু। এবাৰতো মই নিজ চকুৰে দেখি অবাক হৈ গ'লো

একেবাৰে। ছোটে' চৰকাৰে এমাইলতকৈয়ো বেছি দূৰৈৰপৰা গুলী কৰি এটা কপৌ বগৰাই পেলাইছিল।" দ্বিতীয় এজনে কৈ উঠিল।

"হয় হয়। নহয় কেলৈ। মোৰ বঢ়িয়াকৈ মনত আছে।" তৃতীয় এজনে মাত লগালে। এওঁ আগৰ দুজনতকৈ একাঠি চৰা, "কিযে নিচান! উহ! আচৰিত! সুন্দৰ! তেওঁ ৰাজকুমাৰৰ আঙুলিৰ টিপৰ সৌন্দৰ্য্যৰ প্ৰশংসাত নিজৰ আঙুলিতে চাটৌপ কৰে চুমা এটা খালে, "চোব্‌হানাল্লাহ্! এনে হাত জীৱনত মই দেখা নাই! বিজুলী গতিত কপৌটো গৈছিল এনেকৈ...." এই বুলি তেওঁ হাতখন কোবেৰে বেঁকাবেঁকিকৈ ইফালৰপৰা সিফাললৈ নি দেখুৱালে। "আৰু কুমাৰৰ বন্দুকৰ গুলীও ঠিক তেনেকৈয়ে গ'ল।" আকৌ তেওঁ কুমাৰৰ গুলীটো কেনেকৈ গ'ল দেখুৱাই আগৰ দৰে হাতখন ইফালৰপৰা সিফাললৈ নিলে।

আৰু প্ৰায়ে ওলায় ছোৱালীৰ কথা।

নহয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ দৰে নহয়। তাত সীমা আছে। যথেষ্ট নির্দোষো। কিন্তু এয়া ৰীতিমত অশ্লীল। প্ৰকৃত নষ্ট-চৰিত্ৰৰ মানুহৰ ভাষাত আলোচনা হয়। ৰাজকুমাৰৰ বয়স নিতান্তই কম হ'লে কি হব,—স্বাভাবিক অস্বাভাবিক দুয়ো প্ৰকাৰৰে যৌন জীৱনৰ অভিজ্ঞতাত ইতিমধ্যে তেওঁ ভালকৈ পকি উঠিছে। এই দৃষ্টিৰপৰা আনোৱাৰ নিমাখিত ডেকা। তাক তেওঁৰ ঘটনাবহুল বাবে-বৰণীয়া আচৰিত আচৰিত যৌন-অভিযানৰ বিবৰণীৰে চমক খুৱাই দি আমোদ লভাত কুমাৰৰ উৎসাহৰ সীমা নাই। কুমাৰৰ প্ৰাসাদত অসংখ্য লিগিৰী। প্ৰয়োজনতকৈ বহুত বেছি। লিগিৰী-বোৰৰ সৰহখিনিয়েই কম বয়সীয়া। লিগিৰী হ'বলৈ আৱশ্যকীয় অৰ্হতাৰ ভিতৰত ধুনীয়া হোৱাটোও এটা। গতিকে সিহঁতৰ কোনোজনীয়েই অন্ততঃ দেখিবলৈ বেয়া নহয়। এই লিগিৰীবোৰৰ কথা ক'বলৈ পালে কুমাৰে খোৱা-বোৱাও পাহৰে। কাৰ লগত কি হ'ল; ক'ত কি হ'ল; কোনজনী অলপ লাজকুৰীয়া, —বৰ আপত্তি; আকৌ কোনজনী একেবাৰে বাঘিনীৰ নিচিনা, জাপুটি জাপুটি ধৰে, এৰিবকে নিদিয়ে; কোনজনীক আকৌ দাম দিব লগা হয় নেকলেচৰে! এজনী আকৌ আছে একেবাৰে টিংখোপত উঠি। তাইৰ ধাৰণা এদিন তাই এই প্ৰাসাদৰ 'হেৰেম'ত স্থান পাব। কুমাৰে কৈয়ে যায় অনৰ্গল,—শুনি শুনি আজন্ম সুৰুচি সুসংস্কাৰৰ মাজত ডাঙৰ-দীঘল হোৱা আনোৱাৰৰ এনে লাগে যেন কোনোবাই তাৰ ডিঙিত আহি টিপা মাৰি ধৰিছেহি লোহাৰ হাতেৰে।

আনোৱাৰকো কুমাৰৰ দলমে এজন কৰি লবলৈ চেষ্টাৰ কোনো ত্ৰুটি

হোৱা নাছিল। সকলো প্ৰকাৰৰ লোভ দেখুৱাৰ উপৰিও কামিনীৰ পাশত আৱদ্ধ কৰাৰ যত্নও কৰা হৈছিল। প্ৰাসাদতে এজনী লিগিৰী আছিল, দেখিবলৈ বেচ্ ভাল। কিন্তু স্বভাৱত সাক্ষাত কামদা। যি কোনো পুৰুষক পাপলৈ প্ৰলুব্ধ কৰাত পাকৈত। বেচ্ কৌশলেৰে এদিন আনোৱাৰক এইজনী ছোৱালীৰ লগত এটা কোঠাত সুমুৱাই দিয়া হ'ল। ছোৱালীজনীৰ কামেই এইবোৰ। কুমাৰৰ দলৰপৰা ইংগীতো পাইছে। তাতে আনো-ৱাৰৰ চেহেৰা-পাতি ভাল। কামুক ছোৱালীজনী এনেয়ে পুৰুষ-সঙ্গৰ বাবে বলিয়া। ৰতি-বিলাসিনী। আনোৱাৰক দেখি তাক ভোগ-লিপ্ত কৰাবলৈ তাই উঠি-পৰি লাগিছিল। ভাগ্য ভাল, চৰম মুহূৰ্ত্তত কিবা কাৰণে কুমাৰৰ মাক আহি তাত উপস্থিত হ'লত সেই যাত্ৰালৈ আনোৱাৰ বাচি যায়। এইবোৰ দেখি শুনি এনেয়ে আনোৱাৰ ভয়ত বিমূঢ় হৈ পৰিছিল। তাতে কুমাৰে যেতিয়া শেষত তাক মেলাৰ অতিথিবৰ্গৰ আনন্দবৰ্দ্ধনাৰ্থে বিভিন্ন ঠাইৰপৰা সংগ্ৰহ কৰি অনা আঢৈকুৰিজনী "নাচনী" অৰ্থাৎ সেই "অন্য মাইকী মানুহ"বোৰ চাবলৈ যাবলৈ লগ ধৰিলে আনোৱাৰ প্ৰায় মূৰ্চ্ছা যাবৰ উপক্ৰম হ'ল।

নুচি-লা-টেচি এজনী নিতান্ত সাধাৰণ মদ-বিক্ৰী কৰা এখন হোটেলৰ নাচনীৰ নাম। নামটো শুনিবলৈ ফৰাচী নামৰ দৰে। কথাবোৰো তাই ভঙা-ভঙা অনুনাসিক কৰি কৈ ফৰাচী বোলাই থাকিবলৈ যত্ন কৰে। হ'লেও, তাইযে জীৱনত কেতিয়াও বোম্বাইৰপৰা এখোজো পশ্চিমলৈ যোৱা নাই এই কথা সকলোৱে জানে। বুচৌৰীৰ এটা নৈশ-প্ৰমোদগৃহত

নবাবে এবাৰ তাইক দেখে আৰু দেখি তাইক পাবলৈ বলিয়াৰ দৰে হয়। আৰু দামী-দামী উপহাৰ, অলঙ্কাৰ-পাতি, কাপোৰ, ফুল, সুগন্ধি ইত্যাদিৰে নবাবে তাইক পুতি পেলোৱাৰ উপক্ৰম কৰিলে। আনকি এবাৰ তাই—পাতল-নীলা ৰংটো মোৰ ইমান ভাল লাগে—বোলা বাবেই নবাবে তাইক নিজৰ মৰমৰ মটৰ-গাড়ী ডাইম্‌লাৰ বোভূষ্টাৰখনকে দি দিছিল। যেন্মৰ সময়তে আনোৱাৰে তাইক প্ৰথম দেখে। এখন অলঙ্কাৰৰ দোকানত সোমাই তাই ইপদৰ পাচত সিপদকৈ গহনা বাছি বাছি কিনি গৈছিল। দাম কিমানলৈ উঠিছে খবৰেই কৰা নাই। চিন্তা কিহৰ। হওক বিমানে হয়। দিবতো নবাবে। আৰু দিবই। দুপৰীয়াৰ ৰ'দে খাওঁ খাওঁ মূৰ্ত্তি ধৰিছে। ঘামত তাই জুৰুলি-জুপুৰি হৈছে। মুখৰ প্ৰলেপ, সম্পূৰ্ণে উঘালি পেলাই পেন্সিলেৰে আঁকি লোৱা চেলাউৰি, লিপষ্টিক, সকলোবোৰ পিগলি একাকাৰ হৈ তাইক দেখিবলৈ কিম্ভূত-কিমাকাৰ কাঁপৰে-ধৰা যেন হৈছে। কি আছে এইজনী মানুহৰ গাত। ভাবি আনোৱাৰ আচৰিত হৈ গ'ল। বৃদ্ধ নবাবৰ দৰে অনেক ঘাটৰ পানী খোৱা নাৰী-দেহৰ চমজদাৰ অভিজ্ঞ মানুহক এনেকৈ বলিয়া কৰি বান্দৰ-নচুৱা দিব পাৰে কি শক্তিৰ বলত!

কিন্তু সেইদিনা সন্ধিয়াই এই প্ৰশ্নৰ উত্তৰ পালে আনোৱাৰে। বছা-বছা অতিথিবৰ্গৰ আগত তাই নৃত্য-প্ৰদৰ্শন কৰা আনোৱাৰে দেখিলে। আৰু সেই নৃত্য দেখি বুজিলে লুচিৰ পুৰুষক মতলীয়া কৰি তুলিব পৰা গোপন শক্তিৰ ৰহস্য ক'ত? ৰঙীন পোহৰত লুচিয়ে নাচিছিল। অতি সুন্দৰ সাজ-সজ্জা আৰু প্ৰসাধন কৰি ওলোৱা তাইক মাৰাত্মক ধুনীয়া অন্য যি কোনো নাৰীতকৈ কমনীয় লোভনীয় দেখা গৈছিল। অদ্ভুত কিবা এটা শক্তি আছে লুচিৰ গাত। নামহীন সেই শক্তিৰ প্ৰভাৱত উপস্থিত সকলোকে যেন তাই মন্ত্ৰমুগ্ধ কৰি পেলাইছিল। সকলোৱে অনুভৱ কৰিছিল যেন সিহঁত সাধাৰণ মানুহ নহয়। তাতোকৈ বহুত বেছি অন্য কিবা। আৰু তাৰ পিচত পুৰুষ যদি লুচিৰ কাৰণে বলিয়া হয়, লুচি যদি অন্যান্য মাইকী মানুহৰ ঈৰ্ষা ঘৃণাৰ পাত্ৰ হয়, তেনেহলে তাত আচৰিত হব লগা একো নাই।

গাত কাপ খাই পৰা উজ্জ্বল পোহৰত চিকমিকাই উঠা কাপোৰ। মূৰত কেঁটা সাপৰ ফণাৰ দৰে শিৰাভৰণ। এই সাজ পিন্ধি লুচিয়ে স্বৰ্ণ-ভুজঙ্গ-নৃত্য পৰিবেশন কৰিলে। সেইদিনাৰ অনুষ্ঠানত লুচিয়ে প্ৰদৰ্শন কৰিবলগীয়া বিষয়-সূচীৰ ভিতৰত এই নৃত্যই আছিল আটাইতকৈ আকৰ্ষণীয়। নৃত্যৰ তালে তালে যেন তাইৰ তনু বেতৰ লতাৰ দৰে তন্বী দেহাটোৰে

সাইলাখ এটা সাপৰ দৰেই অকোঁৱা-পকোঁৱা কৰিছে। যোগীৰ বাঁহীৰ সুৰে সুৰে যেন এজনী জীৱন্ত সাপেহে নাচিছে। সুপুষ্ট বুকুত এবুকু যৌৱনৰ কামদ আহ্বান। খামুচীয়া কঁকাল। সুপ্ৰশস্ত আকোৱালি নোপোৱা বৰ্তুলাকাৰ নিতম্বদেশ। এইবোৰ সৌষ্ঠৱেৰে সুকোমল এটা দেহা নৃত্যৰ তালে তালে এনেভাৱে লাস্যমুখৰ হৈ উঠিছে যেন দেখিলে ধাৰণা হয় তাইৰ গাত এডালিও হাড় নাই। সঁচাসঁচিকৈয়ে যেন তাই এজনী মাইকী ফেঁটী সাপেই। অতিশয় বিষাক্ত। এতিয়াই কাৰোবাক দংশন কৰিবৰ বাবে সাজু হৈছে। এতিয়াই যি কোনো মুহূৰ্ত্তত খোট মাৰি দি যি কোনো পুৰুষক অনন্ত নিদ্ৰাত শয়ন কৰাব পাৰে!

কিন্তু লুচিৰ এই অনবদ্য সৰ্পিনীৰ ৰূপ-ধাৰণ আছিল তাইৰ অন্য এক লক্ষ্যত উপনীত হোৱাৰ উপায় মাথোন। নিখুঁত সৰ্পিনী সাজি কৃতিত্ব অৰ্জ্জাই তাইৰ সাধনা নাছিল। শিল্পসৃষ্টি তাইৰ লক্ষ্য নাছিল। শিল্পৰ মাজেৰে মানুহক ভুলাই বশ কৰাই আছিল তাইৰ লক্ষ্য। তাইৰ নৃত্যৰ সাপটোৰ একমাত্ৰ উদ্দেশ্য আছিল আদমক লোভ দেখুৱাই কুচুলাই নিষিদ্ধ-ফলৰ গুটি খাবলৈ আমন্ত্ৰণ জনোৱা।

বাঁহীৰ সুৰে সুৰে তন্ময় হৈ নাচি নাচি তাই যেন আৱেশ-মগ্ন হৈ উঠিছিল। সুৰৰ তীক্ষ্ণ আঘাতত যন্ত্ৰণাকাতৰ হৈ যেন ধেনুভিৰীয়া হৈ গৈ এনে ভাৱে কামোদ্দীপক বিভিন্ন দেহাভঙ্গীমা প্ৰদৰ্শন কৰিছিল যে লগে লগে দৰ্শকসকলৰ ওপৰতো দুৰন্ত কামনাৰ এক সম্মোহনী জাল বিস্তৃত হৈ পৰিছিল। নিজ নিজ আসনত সকলো অধীৰ হৈ উঠিছিল। সিহঁতৰ বাবে লুচি আৰু সামান্য এজনী নাচনী মাথোন হৈ থকা নাছিল; নাছিল এজনী কেৱল অসহ্য-সুন্দৰ সৰ্পিনী হৈয়ো; তাই হৈ পৰিছিল সৰগৰ যেন কোনো পৰম-ভোগ্যা প্ৰলুব্ধকাৰিণী উৰ্ব্বশী-মেনকা। আনৰ কথা বাদেই, আনকি স্বয়ং আনোৱাৰো যেন কিছু পৰিমাণে সম্মোহিত হৈ পৰিছিল। তাৰ তন-মন যেন কোনো এক অচিন নাগকন্যাই অপ্ৰতিৰোধ্য শক্তিৰে ক'ৰবালৈ আকৰ্ষণ কৰি লৈ গৈছিল। আপোন পাহৰি চিত্ৰাৰ্পিতৰ দৰে সি বহি আছিল। হঠাৎ সি গ'ম পালে ওচৰতে বহি থকা কোনোবাই কিলাকুটিৰে তাৰ বাবৃচনিত মৃদু আঘাট কৰিছে। সপোনৰপৰা সাৰ পাই উঠাৰ দৰে উচপ খাই উঠি ঘূৰি চাই সি দেখিলে,—যুৱৰাজ।

"এই আনোৱাৰ!" কুমাৰে বাপেক বৃদ্ধ নৱাবলৈ আঙুলিয়াই আনোৱাৰৰ কাণে কাণে ক'লে, "বুঢ়ালৈ চোৱা। দেখিছা? কেনেকুৱা হৈ গৈছে। দেখিলে বুঢ়া এতিয়াই মূৰ্চ্ছিত হৈ পৰিব যেন নেলাগেনে? কিন্তু নাই। আচল কথা কি জানা? বুঢ়া এই নাটকৰ পৰৱৰ্ত্তী দৃশ্যৰ

বাবে অধৈর্য্য হৈ পৰিছে। সেই দৃশ্য তুমি চাবলৈ নোপোৱা। ইয়াত নহয়, শোৱনি কোঠাত হব।"

বৃদ্ধ নবাব প্ৰকাণ্ড সোণ-ৰূপ খটোৱা আসনত বহি নৃত্যৰ তালে তালে ইফালৰপৰা সিফাললৈ দুলি দুলি আছিল। তেওঁৰ সৰু সৰু চকু দুটাত কামনাৰ জুই জলি উঠিছিল। এনে লাগিছিল যেন আৰু অলপ হলেই চকু দুটা কোটৰৰপৰা ওলাই পৰিব। নুচিয়ে জানে কি প্ৰভাৱ তাই বিস্তাৰ কৰিছে নবাবৰ ওপৰত। সেয়ে তাই নাচি নাচি মাজে মাজে নবাবৰ ওচৰলৈ আহি পাৰ্শ্বমানে অকশোভা দেখুৱাই দুটা এটা মৰি-যাওঁ মৰি-যাওঁ লগা হাঁহি তেওঁৰ প্ৰতি নিক্ষেপ কৰিছিল।

ঠিক এনে সময়তে অপ্ৰত্যাশিত ঘটনা এটি ঘটি গ'ল। হঠাৎ দেখোন এবাৰ নবাব ধপহকৈ থিয় হ'ল। তেওঁক সম্মান দেখুৱাই ৰীতি অনুযায়ী বাকীবোৰ মানুহ থিয় হ'বলৈ নৌ পাওঁতেই নবাব গুপ্‌গুপাই দৰবাৰ গৃহৰ পৰা ওলাই গুচি গ'ল। মুহূৰ্ত্তৰ ভিতৰতে নৃত্য বন্ধ হৈ গ'ল। বাঁহীবাদক-জনে মাত্ৰ তাঁৰত থকা বাবে ঘটনাটো ধৰিব নোৱাৰি বজাই থাকিল। খন্তেকৰ বাবে সম্পূৰ্ণ নীৰৱ হৈ পৰা ঘৰটোত এটা কৰুণ আৰ্ত্তনাদৰ দৰে বাঁহীৰ তীব্ৰ ক্ৰন্দন অনুৰণিত হৈ বাজি থাকিল। প্ৰাসাদৰ সকলো তত্ত্বা-ৱধানৰ দায়িত্ব যাৰ ওপৰত সেই মন্ত্ৰীজনা দৌৰাদৌৰিকৈ নুচিৰ ওচৰলৈ গৈ তাইৰ কাণে কাণে কিবা এটা ক'লে। তাৰ পিচত দুয়ো ওলাই গ'ল।

আনোৱাৰৰ ভয় লাগিল। সি ভাবিলে ক'ৰবাত নিশ্চয় কিবা এটা বেয়া লাগিল। নবাবৰ খঙৰ কোবত কাৰ ক'ত এতিয়াই কি হয় ঠিক নাই। তাৰ মনোভাব বুজি যুৱৰাজে কৈ উঠিল, "নাই নাই। একো হোৱা নাই। মাত্ৰ কথা হৈছে, বুঢ়া আৰু ৰ'ব নোৱাৰা হ'ল।"....

"তাৰ মানে? সঁচা?"

"আকৌ!" কুমাৰে চকুৰ টিপ মাৰি ক'লে, "কি ভাবা তুমি। পিছে ঘটনা তাতোকৈ বেয়া। তুমি নেজানা। বুঢ়া অক্ষম হৈছে নহয়। নিজে একো কৰিব নোৱাৰে। তথাপি, নিজৰ আগত আনক চায়েই তৃপ্তি পায়।"

সেই নিশাৰ ভোজমেলেই আছিল উছৱৰ শীৰ্ষবিন্দু। খোৱা-বোৱা নিশা আঠ বজাৰপৰাই আৰম্ভ হব লাগিছিল যদিও বিশেষ কাৰণত দহ বজাৰপৰাহে হ'ল। আনোৱাৰৰ ধাৰণা হ'ল ইমানবোৰ চৰ্ব্য-লেহ্য-পেয় জীৱনত সি একেলগে কেতিয়াও দেখা নাই। পেটুকৰ-স্বৰ্গ সদৃশ সেই ভোজ সভাত কিমান বিভিন্ন ধৰণৰ খাদ্যৰ পদ আছিল তাৰ নিৰ্ঘণ্ট প্ৰস্তুত কৰি শক্তিৰ অপচয় কৰাৰ কোনো অৰ্থ নহয়। ইংৰাজ অতিথিসকলৰ কাৰণে আছিল বিলাতী-খানা; ভাৰতীয়ৰ কাৰণে ভাৰতীয়; আৰু ওচৰ-চুবুৰীয়া দেশীয় ৰাজ্যবোৰৰ নিৰামিষ "ৰাজা"সকলৰ বাবে আছিল নিৰামিষ খাদ্যৰ আয়োজন। ছবিধ ছুৰুহা; বাৰবিধ মাংসৰ আঞ্জা; ছবিধ পোলাও; পুডিং; আৰু মিঠাইযে কিমান বিধৰ তাৰ লেখ-জোখ নাই। প্ৰত্যেকটো পদকে নৱাবে অলপ-অলপ চাকি চাইছে। তেওঁৰ সন্মুখত দাণ্ডি ধৰা প্লেটৰপৰা দুই একামোৰ খোৱাৰ পিচত এৰি দিয়া প্লেটখন মেজৰ কোনোবা এজনক দিয়া হৈছে। যি পাইছে সি ৰাজকীয়-চেনেহ পোৱা বুলি ধন্য মানিছে। আনবোৰে তেওঁলৈ ঈৰ্ষাৰে চাইছে। কিন্তু এই কামুক লম্পট চৰিত্ৰহীন শ্বাপদৰ শ্ৰেণীৰ মানুহ নৱাবৰ কাঁহিৰ এৰেহা খোৱা কথাটো দেখিয়েই আনোৱাৰৰ বমি-বমি ভাৱ হ'ল। মদ আৰু মদ জাতীয় অন্যান্য পানীয়বো যে ইমানবোৰ প্ৰকাৰভেদ থাকিব পাৰে আনোৱাৰৰ কোনো ধাৰণাই নাছিল। হুইস্কি, ব্ৰাণ্ডি, চেম্পেন আৰু জিনৰ নাম আনোৱাৰে শুনিছে। কিন্তু ইয়াত ৰামধেনুৰ যিমান ৰং আছে তাৰ দুই-তিনি গুণ বেছি ৰঙৰ পানীয়ৰ সমাৱেশ ঘটিছে। পোৰ্ট, শ্বেৰী, ৰাৰমুঠ্, ভদ্‌কা, বাৰ্‌গাণ্ডি, ৰিন-ৰুজ, ৰিন-ব্লাঙ্ক, ফ্ৰেন্স-ৱাইন, পৰ্তুগীজ-ৱাইন, স্পেনিচ-ৱাইন; ইয়াৰ উপৰিও আৰু অনেক আছে যিবোৰৰ নাম উচ্চাৰণ কৰা আনোৱাৰৰ সাধ্যৰ অতীত। তদুপৰি আছে ক'কটেল্। বিভিন্ন প্ৰকাৰৰ মদ বিভিন্ন অনুপাতত ৰূপৰ 'ক'কটেল-চেকাৰ'ত মিশ্ৰিত কৰি অভ্যাগতসকলক যাচি কৰা হৈছে।

ভোজ-সভা সামাজিক অনুষ্ঠান। সকলোৱে নিজ নিজ সন্মান অনুযায়ী নিৰ্দিষ্ট আসন পাইছে। গতিকে লুচি ইয়াত নৱাবৰ কাষত বহিব পৰা কথাই নহয়। অৱশ্যে নৱাবে যে তাইক ওচৰত বহুৱাই ল'ব পৰা হ'লেই ভাল পালেহেঁতেন তাত সন্দেহ নাই। লুচিয়ে এতিয়া নাচৰ সাজ খহাই থৈ সামাজিক পোছাক পিন্ধি ওলাইছে। গাত আহাৰ কৰোঁতে পিন্ধা পশ্চিমীয়া গাউন। গাউনৰ ডিজাইনটো এনে কৌশলেৰে কটা হৈছে যে পিন্ধিলে বুকুৰ প্ৰায় একাল সম্পূৰ্ণভাৱে ওলাই থাকে। কি ভাৱি লুচি আহি পোনেই বহিলহি ৰাজকুমাৰ আৰু আনোৱাৰৰ মাজতে এখন চকী

টানি লৈ। ভোজন-পৰ্ব্ব চলি থাকিল। অতি সোনকালেই লুচিয়ে গ'ম পালে তাইৰ কাষতে বহা কম বয়সীয়া ল'ৰাটোৱে মদ খোৱা নাই। লগে লগে তাইৰ দুষ্ট প্ৰবৃত্তি সজাগ হৈ উঠিল। আৰু স্বতঃপ্ৰণোদিত হৈ তাক পানীয়ৰ অধিষ্ঠাতা দেৱতা 'বেক্কাচ'ৰ লগত চিনাকি কৰি দি জীৱনৰ এটা পৰম আনন্দৰ সোৱাদ দিয়াৰ ভাৰ গ্ৰহণ কৰিলে।

"লুচি, শুনা।" কুমাৰেও তাইক উৎসাহিত কৰি ক'লে, "আনোৱাৰে হেনো মদ নেখায়। তুমি কিবা এটা উপায় কৰা। নহ'লে সি আজিৰ এই মহান অনুষ্ঠানৰেই মৰ্য্যাদা নষ্ট কৰিব।"

"থুম্মি একো চিন্‌তা নঁ-কৰিবা, কু-মাৰ!" লুচিয়ে তাইৰ নকলী-ফৰাচী উচ্চাৰণৰে ক'লে, "কি-য়ঁ নাঁ-খাব'। খা-ব'। লুচিৰ কো-ম-ল হা-তৰ পৰা লা-গে। নঁ-হয় নে মোৰ সো-নঁ-টো।"

ইমানবোৰ মানুহৰ মাজত এটা শিশুৰ দৰে তাক 'সোণটো' বুলি মতাত আনোৱাৰৰ কাণ-মূৰ গৰম হৈ উঠিল। বগ্ৰা-চগ্ৰা পৰি সি ক'লে, "না-নাই। নাই। ধন্যবাদ। চাওক—মই—মানে মই মদ নেখাওঁ।"

"নাঁ—নাঁ। সেই-টো কি কথথা। আহাঁ—আহাঁ। ম-ই-নাঁ কঁ-ই-চেছা। মোৰ হাত্‌তৰপৰা খাব্বই লা'-গিব!" আনোৱাৰে লগে লগে গম পালে এখন তপত অতি কোমল হাত আহি তাৰ কৰঙ্গনৰ ওপৰত বৈছে। খন্তেক বৈ হাতখনে লাহে লাহে তাৰ কৰঙ্গনটো পিটিকি দিলে। আনোৱাৰৰ এনে লাগিল যেন তাৰ বাওহাঁড়ৰ মাজেদি এটা চঞ্চল শিহঁৰণ পাৰ হৈ গৈছে।

আনোৱাৰে দেখিলে সুদীৰ্ঘ মেজখনৰ ইমৰৰপৰা সিমূৰলৈ বহি থকা সকলোৱেই তালৈ চাই আছে। এটা অসহ্য দোধোৰ-মোধোৰ ভাৱে তাক যেন ব্যতিব্যস্ত কৰি পেলালে। নিজক সি পাহৰি গ'ল। লুচি এনে এজনী মানুহ জীৱনত যি কেতিয়াও কাৰো প্ৰত্যাখানৰ বেদনা সহ্য কৰি পোৱা নাই। ক'কটেলৰ সৰু পিয়লাটো আনোৱাৰৰ ওঁঠলৈ দাঙি ধৰি প্ৰথমতে তাই অনুনয় কৰিলে। তাৰ পিচত ফুচুলালে। আৰু শেষত ধমকি মাৰি'খাবলৈ হুকুম কৰিলে। এনে ক্ষেত্ৰত এটা কামেই আনোৱাৰে কৰিব পাৰিলেহেঁতেন। খং দেখুৱাই পিয়লাটো দলি মাৰি পঠিয়াব পাৰিলে-হেঁতেন। কিন্তু তেনে কৰা মানেই এটা অবাঞ্ছিত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰা। তাকে কৰিবলৈ ভাল নেপাই আনোৱাৰে পিয়লাটো ল'লে আৰু চকু মুদি একে সোহাই গোটেইখিনি মদ গিলি দিলে। উপস্থিত সকলোৱে হাঁহি হাঁহি তালৈ চাই থাকিল। দুই এজনে আনন্দ প্ৰকাশ কৰি হাত চাপৰিও বজালে।

আনোৱাৰৰ এনে লাগিল যেন এখন দুমুখীয়া চোকা 'ব্লেড'হে তাৰ ডিঙিয়েদি ভিতৰ সোমাই গ'ল। আনোৱাৰে ভাবিছিল সি চৰ্চৰণি খাব; হয়তো মুখেদি তাৰ তেজ ওলাব। কিন্তু একোৱেই নহ'ল। ডিঙিৰ পোৰণি তৎক্ষণাত নাইকিয়া হ'ল। কিন্তু দুমুখীয়া ব্লেড্‌খন পেটত পৰাৰ লগে লগে তাত যেন ভমক্ কৰে একুৰা জুইহে জ্বলি উঠিল। আনোৱাৰে ভাবিলে এইবাৰ তাৰ নিশ্বাসত জুই নোলালেও অন্ততঃ ধোঁৱা নিশ্চয় ওলাব। কিন্তু নোলাল। মদ খোৱা কথাটোৰ তেন্তে এইটোৱেই আটাইতকৈ হাঁহি উঠা কথা। হাঁহি উঠা। অতি। অতি হাঁহি উঠা কথা। সঁচাকৈয়ে। ইমান হাঁহি উঠা।

আৰু আনোৱাৰে ৰব নোৱাৰি ঢেক্‌ঢেকাই হাঁহি উঠিল। কিয়, কি দেখি সি হাঁহি উঠিল কোনেও ধৰিব নোৱাৰিলে। হওঁতে সি নিজেও ভালকৈ ধৰিব পৰা নাই। তথাপি সি এটা কথা জানে। আনোৱাৰে জানে তাৰ চাৰিওফালে যিমান যি আছে সকলোবোৰেই হাঁহি উঠা। মূৰৰ ওপৰত ভয়লগাভাৱে ওলমি থকা জ্বলন্ত ঝাড়-লণ্ঠনটো, ঠিক এজোপা ওলোটা গছৰ দৰে। কম হাঁহি উঠানে। ট্ৰিগাৰ টিপি দিলেই গুলী ওলাই যোৱা ৰিভল্‌ভাৰৰ দৰে টিপি দিলেই চৌডা ওলাই অহা হাকোটাটোৰ নিচিনা চিফ'নটোৰ আকৃতি, ক'কটেল ভৰাই জোকাবি মিহলোৱা পাত্ৰটো, চাকৰবোৰে ক'কটেল জোকৰা ভঙ্গিমাটো,—একে লয় একে সুৰত যি আবেগভৰা ভঙ্গিমাত সিহঁতে জোকাৰি থাকে যেন নেজানি কি এটা মহান পুণ্যৰ কামহে কৰিছে,—এই সকলো—সকলো হাঁহি উঠা।

হাঁহি উঠা। অতি হাঁহি উঠা। এইবোৰ দেখি দেখি এটা প্ৰকাণ্ড আকৰ্ণবিস্তৃত মূৰ্খৰ হাঁহি যেন আনোৱাৰৰ মুখমণ্ডলত স্থায়ীভাৱে আঁকা হৈ গ'ল। সকলো কথা, সকলো বস্তু ইমান হাঁহি উঠা। নৱাবৰ মূৰটো তপা; উজ্জ্বল পোহৰত আয়নাৰ দৰে চিক্‌চিকাই আছে। আৰু মূৰটোৰ দুফালে দুটা শিং। আনোৱাৰৰ পোনে পোনে বহি থকা ইংৰাজ আবাসিক-জনৰ বঙা মুখখন আকৌ দেখিবলৈ সাইলাখ বান্দৰৰ বঙা পিচফাল ডোখৰৰ দৰে। নুচিৰ বগা-বগা স্তন দুটাই নমাই-কটা গাউনটোৰ নগত লুকাভাকু খেলিছে;—আচলতে লুকাইছে কম, 'ভাকু' হৈছে মানে ওলাইছে বেছি। আৰু, আৰু ইমান ডাঙৰ ফুটবল দুটা মান হ'ল কেনেকৈ বাৰু? নিজৰ ভাৱতে বগৰ পাই আনোৱাৰে সশব্দে হাঁহি উঠিল। কিন্তু, ঠিক কথা। তাৰ এই বগৰৰ ভাগ সি কাকো নিদিয়ে। কাকো। কিয় দিব?

কোনোবাই সুধিলে কাকো সি দেখা এই হাঁহি-উঠা বস্তবোৰৰ কথা নকয়। শিঙাল-নৱাবৰ মুৰটো লাহে লাহে দেখিবলৈ ভোবোলা ছাগলীৰ মুৰৰ দৰে হৈ গ'ল। ইংৰাজ আবাসিকজনে গছৰ ফেৰেঙনিত বহি ভলুকা কুকুৰৰ দৰে ভুকিছে। দেখিবলৈ পিছে এতিয়াও বান্দৰৰ নিচিনাই হৈ আছে। 'ৰাজা'ৰ পাগুৰীত আকৌ দেখিবলৈ কুৎসিত এটা বিষগুলীয়া শগুন পৰি আছে। 'ৰাজা' বপুৰাৰ গাত খবৰেই নাই। আৰু ওঁ—হোঁ— আনোৱাৰে তেওঁক কৈ নিদিয়ে। ওঁ—কিয় কৰ!

"এই,—ছোটে-নৱাব,—লোৱা; এইখিনি তোমাৰ ডেকা বন্ধুক দিয়া। লুচিৰ হাতৰ মদ খাবলৈ পাই তেওঁ দেখোন এতিয়া আন কাৰো পিনে নোচোৱাই হ'ল।" সকলো মানুহে গিৰ্জ্জনী মাৰি হাঁহি উঠিল। নৱাবে খাই এৰা কুকুৰা মাংসৰ ৰোস্ত থকা প্লেট এখন আনোৱাৰৰ আগত দিয়া হ'ল। আনোৱাৰে নেলাগে-নেলাগে কৰিছিল। ৰাজকুমাৰে ফুচ্‌ফুচাই কৈ উঠিল, "নাই নাই, আনোৱাৰ, লোৱা। আৰু খাই পেলোৱা। নহ'লে অপমান পাই বুঢ়াৰ খং উঠি যাব একেবাৰে।" বুঢ়াৰ খং উঠালৈ ভয় কৰা ভকত আনোৱাৰ নহয়। তথাপি এতিয়া সি উদাৰ মনৰ মানুহ হৈ আছে। বহল দৃষ্টিভঙ্গীৰে সকলো কথা চাব পাৰে সি। নিৰ্ব্বিকাৰ ভাৱ দেখুৱাই এটুকুৰা মাংস সি তুলি ল'লে আৰু মুখত ভৰাই থ'লে।

কেতিয়া কেনেকৈ কি অৱস্থাত ভোজ-মেলৰপৰা সি ওলাই আহিল আনোৱাৰৰ একো মনত নাই। সি নেজানে, প্ৰাসাদৰ বাৰাণ্ডাৰ ক্ষীণ পোহৰত চলংপলংকৈ সি কেনেকৈ আহি আছিল। সি নেজানে লুচিয়ে কেনেকৈ তাক তাত লগ ধৰিলেহি। মাত্ৰ সি অনুভৱ কৰিছিল এহাল ক্ষীণ অথচ সবল আৰু আকুল বাহুৱে তাক পাপ-পাপ ভাৱেৰে সাবট-মাৰি ধৰিছিল। আৰু পিচ মুহূৰ্ত্ততে জুইৰ অঙঠাৰ দৰে এহাল ওঁঠ তাৰ ওঁঠত

লগাই কোনোবাই জোৰেৰে হেচি ধৰিছিল। ধোঁৱা-ধোঁৱা দৃষ্টিৰে সি দেখিছিল এখন মুখ। ৰঙ-কৰা চুটি চুটি চুলিৰে আবৰা এখন মুখ। তাৰ গালত লাগিছিল চেম্পেনৰ বাষ্প আৰু কামনাৰ আৱেগেৰে ভৰা তপত নিশ্বাস। তেজৰ দৰে ৰঙা লালিমা-সিক্ত এহাল ওঁঠ লোভনীয় ভাৱে মেল খাই থকা অৱস্থাত তাৰ মুখত জাপি দিছিল। সি অনুভৱ কৰিছিল লিপষ্টিকৰ স্বাদ। তৃষ্ণাতুৰ, কামাতুৰ, অভিজ্ঞ ওঁঠৰ স্বাদ। লাহে লাহে এখন পাতল ফেঁটী সাপৰ দৰে লিক্লিকোৱা দীঘল জিভা তাৰ মুখৰ ভিতৰলৈ সোমাই আহিছিল। তাৰ মুখৰ ভিতৰখন চেলেকিছিল। আৰু এনেকৈ কৰাৰ ফলতেই সেই কাণ্ডটো ঘটি গ'ল। ঘৃণাত আনোৱাৰৰ পেটটো ওকট্-পাকট্ কৰিবলৈ ধৰিলে। বমি-বমি লাগিল। লুচিৰ কবলৰপৰা জোৰ কৰি এৰাই আনোৱাৰ কোনোমতে বাহিৰৰ বননিলৈ লৰ ধৰিছিল। বিষাই উঠা মূৰটো দুহাতেৰে হেচি ধৰি সি বহি পৰিছিল। আৰু তাৰ পিচতে হাউক-হাউক কৰে বমি কৰি দিছিল।

খোৱা প্ৰত্যেকটো বস্তু বমি কৰি উলিয়াই পেলাওঁতে আনোৱাৰৰ নাড়ী-ভুৰুবোৰো লগতে ওলাই অহা যেন লাগিছিল। কিন্তু যিমানে বমি কৰিছিল সিমানে তাৰ ভাল লাগি আহিছিল। পাতল লাগিছিল। অৰ্দ্ধ-চন্দ্ৰৰ ধূসৰ কুঁৱলীয়ে তাৰ মন তেতিয়াও আচচন্ন কৰি ৰাখিলেও হঠাৎ এটা আচৰিত ভাৱ তাৰ মনলৈ আহিল। সি ভাবিলে, বমি কৰি দি সি কেৱল মদ আৰু খাদ্যবস্তুখিনিকে, নবাবৰ এৰেহা ৰোস্ত ডোখৰকে, লুচিৰ লিপষ্টিক ঘঁহা ওঁঠৰ পঁচা-মিঠাইৰ সোৱাদখিনিকে বাহিৰ কৰি দিয়া নাই। সি উলিয়াই পেলাই দিছে চালানপুৰলৈ অহাৰ দিন ধৰি সি যিমান দেখিলে, যিমান শুনিলে, যিমান অভিজ্ঞতা অৰ্জ্জন কৰিলে, সকলো। সকলো। বমি কৰি উলিয়াই সি বৰ্জ্জন কৰিলে এটা সমগ্ৰ ধাৰা; এটা জীৱন-যাত্ৰাৰ অদ্ভুত পদ্ধতি; এটা সম্পূৰ্ণ যুগ, যি যুগ পঁচি গৈছে, উৱলি গৈছে, বিষাক্ত হৈ গৈছে।

আলিগড়লৈ উভটি আহি আনোৱাৰৰ মনটো ফৰকাল লাগিল। কোনোবা দূৰ কষ্টকৰ প্ৰবাসৰপৰা ঘৰলৈ ঘূৰি অহা যেন লাগিল। বন্ধুবোৰৰ লগত পৃথিৱীত আছে মানে নানা ধৰণৰ কথা পাতি উজ্জ্বল ফুলেৰে পাৰ বন্ধোৱা ঘাঁহনিৰ কাষে কাষে ছাত্ৰাবাসৰ বাৰাণ্ডাত তহলি তহলি আনোৱাৰে যেন হেৰুৱাই পেলোৱা নিজকেহে আকৌ ঘূৰাই পালে। সকলো ছাত্ৰইয়ে যেন ৰাজনীতিৰ উৰহৰ কামোৰতহে চট্‌ফটাই আছে। সকলোৰে মুখে মুখে মাথোন একেবোৰ কথা। ভাৰতবৰ্ষৰ স্বায়ত্ত শাসন লাভৰ বাবে যোগ্যতা কিমানখিনি আছে আৰু দেশ জুৰি বিয়পি পৰা সন্ত্ৰাসবাদীৰ কাৰ্য্যাৱলীৰ স্বৰূপ কেনে, এই দুটা কথা অনুসন্ধান কৰিবলৈ আহি দেশ পৰিভ্ৰমণত ৰত থকা 'সকলো বগা' মানুহেৰে গঠিত চাইমন-কমিচনৰ কথাই সকলোৰে মুখে মুখে। কেতিয়াবা মাথোন হঠাৎ কোনোবা এটা আহি হয়তো কয়,—এবাৰ ষ্টেচনৰ ফালে পাক এটা মাৰিব পৰা হ'লে বেয়া নাছিল; কাৰণ নতুন এংলো-ইণ্ডিয়ান ষ্টেচন মাষ্টৰজনে হেনো ইতিমধ্যে কামত যোগ দিছেহি। আৰু ষ্টেচনৰ মাষ্টৰৰ হেনো দুজনী অদ্ভুত ধুনীয়া জীয়েক আছে। নাইবা আন এটাই হয়তো কয়,—এইবাৰ ছাত্ৰ সন্থাৰ তৰ্কসভালৈ জইণ্ট-মেজিষ্ট্ৰেটকো মাতিব লাগিব। মানুহটো নীৰস; দেখিবলৈকো কেঁচাৰ নিচিনা হ'লে কি হ'ল। যোৱা ছুটীত ঘৰলৈ গৈ যিহে এজনী পত্নী সংগ্ৰহ কৰি আনিছে,—সাংঘাতিক। সাক্ষাত যেনিবা পৰীহে। কিন্তু বেছি পৰ নিটিকে এইবোৰ মুখৰোচক কথা। তৃতীয় এটাই হয়তো এনে সময়তে হাতত কাগজ এখন জোকাৰি-জোকাৰি উধাতু খাই আহি ক'ব: "মন্মাদৰ ওচৰত আৰু এটা বোমা বিস্ফোৰণ হৈছে।" আৰু লগে লগে এই তৰুণ বিপ্লৱীৰ দল অহিংসা-সন্ত্ৰাসবাদ-নবুৱা আন্দোলনৰ তুলনামূলক দোষ-গুণৰ বিচাৰত তৎপৰ হৈ উঠিব।

এটা কথা শুনি আনোৱাৰ অতিমাত্ৰাই আচৰিত হ'ল। তাৰ বন্ধু ৰাজ সংসাৰবিদ্বেষী আত্মগতপ্ৰাণ কবি মানুহ। পৃথিৱীৰ খবৰ নেৰাখে। কিন্তু এইবাৰ এই ৰাজনীতিৰ সংক্ৰামক ব্যাধিয়ে ৰাজকো ভালকৈয়ে আক্ৰমণ কৰিছে। বন্ধত ৰাজ লক্ষ্ণৌলৈ গৈছিল। তাত কংগ্ৰেছ স্বেচ্ছাসেৱক দলে অতি শান্তিপূৰ্ণভাৱে উক্ত কমিচনৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰিছিল। শোভাযাত্ৰা কৰি সিহঁতে "চাইমন, উভটি যোৱা" বুলি ধ্বনি

তুলিছিল। কিন্তু হঠাৎ শান্তিপ্ৰিয় শোভাযাত্ৰীকাৰী দলক নিৰ্ম্মমভাৱে অশ্বাৰোহী সৈন্য দলৰ হতুৱাই আক্ৰমণ কৰোৱাই প্ৰহাৰ কৰা হয়। ৰাজে কৈছিল: ইংৰাজ পুলিচ বিষয়াবোৰে স্বেচ্ছাসেৱকবোৰৰ গাৰ ওপৰেদি ৰণুৱা ঘোঁৰাৰ জাক চেকুৰাই দিছিল। ঘোঁৰাৰ তাৱৰপৰা কোনোমতে সাৰি কোনোবাই থিয় দিলেই লাঠিৰে কোবাই মুৰ ভাঙি দিয়া হৈছিল। এই ঘটনাটো বৰ্ণনা কৰোঁতে খঙতে ৰাজৰ মুখখন ৰঙা-নীলা পৰি গৈছিল। উত্তেজনা আৰু প্ৰক্ষোভে যেন তাৰ ডিঙিত টিপা মাৰি ধৰিছিলহি। কথা কব নোৱাৰা হৈ সি বৈ বৈ গৈছিল।

"সিহঁত...সিহঁত....হাৰামজাদাহঁতে....সিহঁতে আনকি জৱাহৰলালকো বাদ নিদিলে! এটা ঘোঁৰাই তেওঁক লঠিয়াই থৈ যোৱা মই নিজ চকুৰে দেখিছোঁ। আৰু জানা, মানুহৰ মাজত থকা বাবে সিহঁতে তেওঁক চিনি নেপালো বুলিও কব নোৱাৰে। কাৰণ তেওঁ অকলশৰে আছিল; জনতাৰ মাজত নাছিল। অকলশৰে বাটৰ মাজত খিয় হৈ কেউপিনে পুলিচে স্বেচ্ছাসেৱকবোৰক মাৰপিট কৰা চাই আছিল। আৰু বুজিছা, ইচ্ছা কৰা হ'লেই তেওঁ একাষৰীয়া হৈ নিজকে বচাব পাৰিলেহেঁতেন। কিন্তু এক খোজ তেওঁ লৰচৰ নহ'ল। নিৰ্ভীক দুৰ্দ্দম কেশৰী-সিংহৰ দৰে তেওঁ উচ্চশিৰে থিয় দি বৈ থাকিল। মাৰাত্মকভাৱে লাঠি ঘূৰাই ঘূৰাই অশ্বাৰোহী পুলিচ এটা আহি তেওঁৰ পিঠিত ওপৰাওপৰিকৈ দুটা নিষ্ঠুৰ পূৰ্ণহতীয়া মাৰ শোধাই দিলেহি। কিন্তু তথাপিও! তেওঁ পৰিতো নগ'লেই, চুলি এডালমানো লৰচৰ নকৰিলে! কি সাহস! কি শক্তি! সেয়াই আমাৰ জৱাহৰলাল! মোক বিশ্বাস কৰা আনোৱাৰ, এনে সময়তে এজন ডেকা ল'ৰা দৌৰি আহি নিজে গা পাতি নোলোৱা হ'লে সিহঁতে জৱাহৰলালক মাৰি পেলালেহেঁতেন। ভীষণ জোৰেৰে তৃতীয় মাৰটো জৱাহৰলালৰ মুৰ লক্ষ্য কৰি মৰা হৈছিল।"

আমাৰ জৱাহৰলাল! আলিগড়েই নহয় সমগ্ৰ দেশৰ তৰুণ দলে প্ৰসঙ্গ ওলালেই বিশেষ অনুৰাগেৰে আপোন ভাৱেৰে "আমাৰ জৱাহৰ" বুলি জৱাহৰলালৰ কথা উল্লেখ কৰিছিল। তেওঁ ডেকাদলৰ নিজা; তেওঁ সিহঁতৰ! ডাক্তৰ আনচাৰিৰ ঘৰত জৱাহৰলালক দেখা আনোৱাৰৰ মনত আছে। সেইবাৰ জৱাহৰ তেওঁৰ বিখ্যাত বৃদ্ধ পিতৃ ৰূপোৱালি চুলিৰ মতিলাল নেহৰুৰ লগত আহিছিল। এই তৰুণ পুৰুষ-সিংহৰ আশ্চৰ্য্য ব্যক্তিত্ব তেতিয়া যেন আনোৱাৰৰ চকুত তেনেকৈ ধৰা পৰা নাছিল। জ্যেষ্ঠ নেহৰুৰ বিৰাট উজ্জ্বল ব্যক্তিত্বৰ আঁৰত সেয়া যেন গ্ৰহণ কালৰ সূৰ্য্যৰ দৰে লুকাই আছিল। তথাপি সেই বলিষ্ঠ অথচ অদ্ভুত-

সুন্দৰ মুখৰ কমনীয় চেহেৰা আৰু লাহী অথচ খেলুৱৈসুলভ শৰীৰৰ আঁৰত প্ৰচ্ছন্ন হৈ থকা এক প্ৰচণ্ড শক্তিৰ উমান আনোৱাৰে তেতিয়াই পাইছিল। সুবিধা পায়ো তেতিয়া ডেকা নেহৰুৰ সৈতে চিনা-পৰিচয় হৈ নোখোৱা বাবে এতিয়া আনোৱাৰৰ অনুতাপ হব ধৰিলে। এতিয়া সেই জৱাহৰলাল হৈ উঠিল ডেকা-বুঢ়া সকলোৰে আদৰৰ ধন। গোটেই দেশৰ কোটি কোটি তৰুণৰ তেওঁ হৈ উঠিল সপোন-কুমাৰ "আমাৰ জৱাহৰ।" ৰাজৰ কথা শুনি থাকোঁতেই আনোৱাৰৰ মনত এটা প্ৰশ্ন খেলাই গ'ল। দেশ-ধনত ইমানবোৰ নেতা থকা সত্বেও দেশৰ তৰুণ চামটোৰ জৱাহৰলালৰ প্ৰতি ইমান অকুণ্ঠ আকৰ্ষণ কিয়? হাতে-বোৱা খদ্দৰ পিন্ধা সত্বেও তেওঁ দেখিবলৈ অতীব সুন্দৰ, তজবজীয়া, খেলুৱৈ খেলুৱৈ লগা। সেই-বাবেই নেকি বাৰু? আনোৱাৰে জৱাহৰলালৰ বক্তৃতা শুনা নাই। কিন্তু যিবোৰে শুনিছে সিহঁতৰ মতে তেওঁ বিশেষ ভাল বক্তা নহয়। অৱশ্যে তেওঁৰ বক্তৃতা শুনিলে হেনো নবীন দলৰ তেওঁক নিজৰে মাজৰ এজন এজন লাগে। বয়োজ্যেষ্ঠসকলৰ কথন-ভঙ্গীত গাম্ভীৰ্য্য আছে। সযত্ন-কৰ্ষিত সংযম আছে। কিন্তু জৱাহৰলাল বিশেষ ভাৱেই যৌৱন-চঞ্চল। অধৈৰ্য্য। আনকি অলপ বেন বেছিকৈয়ে উচ্ছসিত আদৰ্শবাদীও। আৰু এইখিনিতেই তেওঁৰ বক্তৃতা আৰু অন্য নেতাৰ বক্তৃতাৰ পাৰ্থক্য। অলপতে তেওঁ দিয়া এটা বক্তৃতাৰ এটা বিশেষ কথাই আনোৱাৰৰ মনত গভীৰ প্ৰভাব বিস্তাৰ কৰিছে। বাতৰি কাকতৰপৰা কথাখিনি টুকি ৰাখি পঢ়ি পঢ়ি আনোৱাৰে প্ৰায় মুখস্থ কৰি পেলাইছে। সদৌবঙ্গ ছাত্ৰ সন্মিলনৰ সভাত সভাপতিত্ব কৰি জৱাহৰলালে কৈছিল: "যুবক আন্দো-লনে যদি দেশলৈ বিপ্লৱ আনে তেন্তে সেই বিপ্লৱ অতি বহল অৰ্থত আনিব। ই দেশলৈ পৰিবৰ্ত্তন আনিব। পৰিবৰ্ত্তন, বেয়াৰপৰা ভাললৈ। এই তৰুণ আন্দোলনৰ অৰ্থই হ'ল এটা বিপ্লৱী মনোবৃত্তি; যি মনোবৃত্তিয়ে যুদ্ধ কৰে সকলো নীচতা-হীনতাৰ বিৰুদ্ধে; বেয়াৰ বিৰুদ্ধে। আৰু এই শক্তি বৈ নেথাকে। বৈ নেথাকে। বৈ নেথাকে।"

ৰাজে তেতিয়াও কৈ আছিল: "জৱাহৰলালেই একমাত্ৰ নেতা যাক আমি সম্পূৰ্ণভাৱে বুজি পাব পাৰোঁ। অনুসৰণ কৰিব পাৰোঁ।" কবি নিৰ্লিপ্ত ৰাজৰ এই পৰিবৰ্ত্তন আছিল বিশেষভাৱে মন কৰিবলগীয়া। আগেয়ে ৰাজে ঠেটুৱৈ ধৰা জাবকালিও পাৰ লগোৱা ফিৰ্ফিৰিয়া মুচলিন কাপোৰৰ চোলা পিন্ধি থাকিছিল। এতিয়া তাৰ ঠাইত মোটোহো খদ্দৰৰ কাপোৰ পিন্ধিবলৈ লৈছে। যোৱা কেইবা মাহো ধৰি ৰাজে এটাও গজল বা ৰোমাণ্টিক প্ৰেমৰ কবিতা ৰচনা কৰা নাই: যি লিখিছে সকলো

ৰাজনীতি লৈ বিপ্লৱৰ জুই-বৰষা কবিতা। আনোৱাৰে লক্ষ্য কৰিছে ৰাজৰ বাওঁহাতখন একেবাৰেই অকামিলা হৈ গৈছে। একোৱেই, আনকি চাহৰ পিয়লা এটাও সি বাওঁহাতেৰে তুলিব নোৱাৰে। লক্ষ্ণৌৰ পুলিচৰ লাঠি-চালনাৰ ফলত তাৰ বাওঁহাতৰ কব্জি একেবাৰেই নষ্ট হৈ গৈছে। ৰাজে অৱশ্যে সি কেনেকৈ মাৰ খালে সেই কথা একোকেই নকয়। সুধিলে মনে মনে থাকে। বিনয়ী সি। হ'লেও, আনোৱাৰে মাজে মাজে ভাৱে, জৱাহৰলালৰ মুৰলৈ নামি অহা তৃতীয় প্ৰচণ্ড মাৰটো যিজন ডেকাই গাত পাতি ল'লে সেইজন ডেকাৰ নাম 'ৰাজ' নহয়তো!

সঁচা; বিশ্ববিদ্যালয়লৈ উভটি আহি একে মন একে ভাৱৰ সমনীয়া ছাত্ৰ বন্ধুবোৰৰ লগত গৰম-গৰম ৰাজনীতিৰ আলোচনাত যোগ দিবলৈ পাই আনোৱাৰৰ ভাল লাগিল। কিন্তু আটাইতকৈ বেছি আনন্দৰ কথা আছিল চান্‌মাক আকৌ লগ পাবলৈ পোৱাটো। কাৰণ তাৰ বাবে চান্‌মা এতিয়া হৈ পৰিছে "জীৱনৰ সকলো কথা, সকলো কামৰ একমাত্ৰ অৰ্থ।" আনোৱাৰে অজস্ৰ ইংৰাজী আৰু উৰ্দ্দু কবিতা পঢ়িছে। কিন্তু আগতে সকলো কবিতা সি সমানে ভাল নেপাইছিল। ৰাজৰ লগত তৰ্ক প্ৰসঙ্গত কেতিয়াবা বৰং কিছুমান কবিতা "কল্পনা-বিলাসী ৰোমাণ্টিক কবিৰ প্ৰলাপ" বুলি ঘৃণাব্যঞ্জক অভিমতেই প্ৰকাশ কৰিছিল। কিন্তু চান্‌মাই তাক সকলো কবিতা ব্যাখ্যা কৰি খৰচী মাৰি বুজাই দিলে। তাই যেন আছিল পৃথিৱীৰ সকলো কবিতাৰ সাৰাংশ সোমাই থকা এটা সাক্ষাত কবিতা। তাইক লগ পোৱাৰ পিচত কোনো কবিতাই আৰু দুৰ্ব্বোধ্য বা নীৰস হৈ নেথাকে। কিন্তু চান্‌মাৰ প্ৰতি তাৰ আকৰ্ষণৰ একমাত্ৰ সেয়েই কাৰণ নহয়। সোনকালেই অতি মাৰাত্মক ভূমিকা গ্ৰহণ কৰি আহিছে......

বাস্তৱিক, বেজীৰে ফুটাব নোৱাৰা গাঢ় অন্ধকাৰ প্ৰেক্ষাগৃহত নিচেই কাষত চাল্‌মাক লৈ বহি থাকি তাৰ অদ্ভুত ভাৱ লাগিছিল। তেতিয়া জাৰৰ ভৰপক। গাত লৈ অহা উলৰ শ্বালখন চাল্‌মাই নিবিড়ভাৱে মেৰিয়াই লৈছে। চাকিবোৰ হঠাৎ নুমাই গ'ল। তাৰ পিচত ৰূপালী পৰ্দাত বিজ্ঞাপন-পৰ্ব্ব আৰম্ভ হ'ল। চোৰৰ দৰে মনে মনে খেপিয়াই আনোৱাৰৰ আকুল হাতখনে চাল্‌মাৰ সুকোমল উমাল হাত এখন বিচাৰি নিজৰ দুহাতৰ মাজত সুমুৱাই ল'লে। উষ্ম-আৰ্দ্ৰ আৱেগৰ সোঁত শিৰাই শিৰাই বিয়পি পৰি মুহূৰ্ত্ততে দুখনি অন্তৰ গোলাপী কামনাত কঁপি উঠিল।

বিজ্ঞাপনৰ পিচত সমাচাৰ-চিত্ৰ প্ৰদৰ্শিত হ'ল। এই দুয়োটাৰে প্ৰতি অৱশ্যে চাল্‌মাৰ অকণো আকৰ্ষণ নাছিল। কিন্তু আনোৱাৰে আশা কৰিছিল হয়তো দেশৰ কিবা বিশেষ ডাঙৰ ঘটনাৰ ছবি দেখিবলৈ পাব। পালেও। ছবিত কলিতকাত অলপতে বহি যোৱা জাতীয় কংগ্ৰেছৰ চতুৰ্ত্ৰিংশতি অধিবেশন দেখুৱা হ'ল। অধিৱেশন হৈ যোৱা মাত্ৰ দুমাহ হৈছে। ঐতিহাসিক তাৎপৰ্য্যপূৰ্ণ এটা ঘটনা এই অধিৱেশন। গতিকেই নিজ চকুৰে দেখিবলৈ নোপোৱা আনোৱাৰৰ দৰে হেজাৰ জন অন্য দৰ্শকৰ বাবে এই ছবিৰ আকৰ্ষণ মুঠেই কমি যোৱা নাছিল। পৰ্দাত পৰিচয়-লিপি ওলোৱাৰ লগে লগে চাৰিওফালৰপৰা উৎসাহৰ গুণ-গুণনি শুনা গ'ল। পৰ্দাত জনতাৰ চেনেহৰ নেতৃবৃন্দৰ মুখ ভাঁহি উঠাৰ লগে লগে সকলোৱে হৰ্ষধ্বনি কৰিবলৈ ধৰিলে। পণ্ডিত মতিলাল নেহৰু! মহাত্মা গান্ধী! সৌৱা দুৰ্দ্ধৰ্ষ বুদ্ধিজীৱী সুভাষ বসু,—কংগ্ৰেছ স্বেচ্ছা-সেৱকৰ জি-অ'-পিৰ বিশেষ পোছাক পিন্ধি আছে। তাৰ পিচত ওলাল চিনাকি হাঁহিৰে বন্ধু-বন্ধু লগা ডাক্তৰ আনচাৰি। আৰু সকলোৰে শেষত ওলাল জৱাহৰলাল নেহৰু। মৰমৰ নেতা সপোন-কোঁৱৰ বীৰ পুৰুষক দেখাৰ লগে লগে জনতাই হাত-চাপৰিৰ শব্দত ছবিঘৰ ভাঙো-ভাঙো কৰিলে। আনোৱাৰেও যোগ দিলে।

হাত-চাপৰি বজাবলৈ চাল্‌মাৰ কোমল উমাল হাতৰ নীড়ৰপৰা নিজৰ হাতখন আঁতৰাই অনাৰ লগে লগে আনোৱাৰে অনুভৱ কৰিলে চাল্‌মা যেন সচকিত হৈ উঠিছে। এই অপসৰণ কাৰ্য্যৰ প্ৰতিক্ৰিয়া অদ্ভুতভাৱে প্ৰতিফলিত হৈছে তাইৰ ওপৰত। তাই যেন আড়ষ্ট হৈ উঠিছে। যেন হঠাৎ তাৰপৰা বহুত দূৰলৈ আঁতৰি গৈছে। দৰাচলতে তাই আনো-ৱাৰৰ কাষৰপৰা এক ইঞ্চিৰ সহস্ৰ ভগ্নাংশৰ একাইশও আঁতৰি যোৱা নাছিল। তথাপি যি আৱেগৰ মিহি সূতাই মুহূৰ্ত্তৰ আগতেও সিহঁতক এক কৰি বান্ধি ৰাখিছিল সেই সূতা যেন ছিগি গৈছে। আৰু তাৰ নিচেই কাষতে

বহি থাকিও তাই যেন তাৰপৰা অনেক যোজন দূৰলৈ আঁতৰি গৈছে।

ৰূপালী পৰ্দাত দেখুৱা ঐতিহাসিক দৃশ্যাৱলীৰ প্ৰতি তাৰ মনৰ খন্তেক আগৰ আকৰ্ষণ নাইকিয়া হৈ গ'ল। এইবাৰ মূল ছবিৰ পৰিচয়-লিপি পৰ্দাত ভাঁহি উঠিল। আনোৱাৰেও স্বস্তিৰ নিশ্বাস পেলালে: আজি সিহঁতে চাবলৈ অহা ছবিখনৰ নায়ক-নায়িকা যথাক্ৰমে বিল্লিমেৰিয়া আৰু সুলোচনা। এই বিখ্যাত ৰোমাণ্টিক শিল্পীদ্বয়ৰ অভিনয় চান্‌মাই অতি ভাল পায়। আনোৱাৰে ভাবিলে, খন্তেক আগৰ চান্‌মাৰ মনৰ আচৰিত প্ৰতিক্ৰিয়াৰ কাৰণ যিয়েই নহওক এইবাৰ সি বিদূৰিত।

কিন্তু আচৰিত! মোহময়ী সুলোচনাৰ নিচেই ওচৰৰপৰা সুন্দৰ ছবি এখন প্ৰথমবাৰ পৰ্দাত ওলোৱাৰ লগে লগে চান্‌মাই আনোৱাৰক কাণে কাণে ক'লে, "আমি যাওঁগৈ ব'লা।" আৰু আনোৱাৰে একো ক'বলৈ নৌ-পাওতেই চান্‌মা উঠি বাহিৰলৈ খোজ ল'লেই। কোবা-কুবিকৈ যাওঁতে বাটৰ কাৰ ভৰিত খোজ পৰিছে, ক'ত উজুটি খাইছে, কোনে কি মন্তব্য কৰিছে তাৰ প্ৰতিও তাই কোনো মন নকৰিলে।

"মই ভাবিছিলো সুলোচনা থকা ছবি চাবলৈ তুমি বৰ আশা কৰি আছা। ইমান দিনৰ মূৰত আহিল ছবিখন। ভাল নোপোৱা সুলোচনাক ?" টাঙ্গাত উঠি সি ক'লে। কিহৰ পৰানো কি হ'ল সি এতিয়াও একো তৎ ধৰিব পৰা নাই।

"ওঁ!--ভালতো পাবেই। নেপাম কিয়। কিন্তু কেলৈ জানো আজি মোৰ অকণো চাবৰ মন নগ'ল।" চান্‌মাই কৈ গ'ল, "তদুপৰি ঘৰত বাবা নাই। ক'ৰবাত নিমন্ত্ৰণ আছে। ব'লা—আমি ঘৰলৈ গৈ খাই-বই বহি বহি কথা পাতিম........"

তেতিয়া বাহিৰত ভালকৈ এন্ধাৰ হৈছে।

বহা কোঠাৰ চিমনীত জোভ লগাকৈ একুৰা ধুনীয়া জুই জ্বলি আছিল। চান্‌মাই চোফা এখন চোচৰাই জুইৰ কাষলৈ টানি আনিলে। চুইচটো অন্ কৰি নিদিয়াকৈয়ে আনোৱাৰকো বহিবলৈ কৈ বহি পৰিল।....আহাৰ কৰোঁতেও তাই বেচ মুকলি মনেৰেই আনোৱাৰৰ লগত কথা পাতিছিল। তথাপি আনোৱাৰৰ অনুমান হ'ল এইবোৰ তাই যত্ন কৰিহে কৰিছে। আচলতে তাইৰ মনটো ক'ৰবাত যেন ওপঙি ফুৰিছে। খাই উঠি সিহঁত জুইৰ কাষত ওচৰাওচৰিকৈ বহিল। নাচি নাচি জ্বলি থকা জুইৰ অবাস্তৱ পোহৰ কোঠাটোত। নৃত্যৰত শিখাবোৰে তাইৰ মুখমণ্ডলত সোণোৱালী ৰং ছটিয়াই দিছে। আনোৱাৰে লক্ষ্য কৰিলে তাইৰ মুখত কি অভিব্যক্তি ফুটি উঠিছে সেয়া স্পষ্ট বিৰাগৰ নহ'লেও অনুৰাগৰ কোনোমতেই নহয়।

"ছবিখনত তোমাৰ কি হৈছিল ?" ভালেমান পৰৰ নীৰৱতা ভাঙি আনোৱাৰে সুধিলে, "তেনেকুৱা কৰিছিলা কিয় ? মই একেবাৰে ভয় খাই গৈছিলোঁ ।"

এইবাৰ চাল্‌মাই তাইৰ ঘন-ঘন ক'লা অজলা চকুহাল বহলকৈ মেলি আনোৱাৰলৈ চালে । তাইৰ দৃষ্টিত অভিমান প্ৰকট হৈ উঠিল । এইবাৰ ঘূৰি তাই আনোৱাৰক যিটো প্ৰশ্ন কৰিলে তাৰ উত্তৰ দিয়া তাৰ পক্ষে টান হৈ উঠিল । আহত আত্ম-সন্মানৰ বেদনা ফুটি উঠা মাতেৰে তাই সুধিলে :

"মোৰ হাতখনৰ পৰা তুমি কিয় হাতখন আঁতৰাই নিছিলা ?"

"কিয় ? পৰ্দাত জৱাহৰলাল ওলাওঁতে হাত-চাপৰি বজাবলৈ । সকলোৱেইতো বজাইছিল । আৰু কিয় আঁতৰাই নিব পাৰো বাৰু মই ?"

"তাৰ মানে তোমাৰ কাৰণে মোতকৈ জৱাহৰলালৰ মূল্য বহুত বেছি!"

চাল্‌মাই ধেমালি কৰা নাই । একেবাৰে অন্তৰৰ পৰা কোৱা কথা বুলি সুৰতে ধৰিব পাৰি । বেচাৰী কিমান হোজা, কিমান শিশুৰ দৰে তাই । এবাৰ আনকি ভাবিও চোৱা নাই এনে এটা তুলনা কিমান অৰ্থহীন, কিমান হাঁহি-উঠা ।

আনোৱাৰে হোঁ-হোঁৱাই হাঁহি উঠিল । "তাৰ মানে, তাৰ মানে তোমাৰ জৱাহৰলাললৈ ঈৰ্ষা হৈছে ।"

এইবাৰ চাল্‌মাৰ মুখৰ বিষণ্ণতা কিঞ্চিত কমিল । তাৰ ঠাইত এটা মৃদু হাঁহি বিৰিঙি উঠিল । "হ'বলো । নহ'ব কিয় ?" আনোৱাৰৰ হাত এখন নিজৰ হাতত লৈ তাই কৈ গ'ল, "মোৰপৰা তোমাক যি এক চেকেণ্ডৰ বাবেও আঁতৰাই নিব পাৰে তেনে সকলো মানুহ, সকলো কথাকে মই ঈৰ্ষা কৰোঁ । বেয়া পাওঁ ।"

আনোৱাৰে চাল্‌মাৰ চকুলৈ চালে । তাত সি দেখিলে এক অভিনৱ চাৱনি । কাৰোবাক একান্তভাৱে আপোন কৰি লব খোজা আকুল দৃষ্টি । এনে দৃষ্টি জীৱনত সি দেখা নাই । প্ৰথমতে আনোৱাৰে ভয় খাই গ'ল । কিন্তু খন্তেকলৈহে । পিচ মুহূৰ্ত্ততে এই সৰ্ব্বগ্ৰাসী প্ৰচণ্ড অনুৰাগৰ পাত্ৰ সি নিজেই বুলি ভবাৰ লগে লগে গৰ্ব্বত তাৰ বুকু ফুলি উঠিল । মনলৈ আহিছিল তাৰ অসংখ্য যুক্তি । সেইবোৰ এটা এটাকৈ উপস্থিত কৰি চাল্‌মাৰ ঈৰ্ষা কিমান ভিত্তিহীন প্ৰমাণ কৰি দেখুৱাবলৈকো তাৰ লোভ হৈছিল । কিন্তু সেইবোৰ আৰু একোৱেই কোৱা নহ'ল । চাল্‌মাৰ চুলিৰ মধুৰ সুগন্ধত হঠাৎ সি বিভোৰ হৈ উঠিল ।

অতি আলফুলকৈ চান্‌মাই তাৰ বাহুত মূৰটো থ'লে। জুইৰ সোণ-বৰণীয়া আভাত চান্‌মাক অধিকতৰ কমনীয় অধিকতৰ মোহনীয় দেখা গৈছিল। আনোৱাৰে অপলকে তাইৰ গভীৰ চকুহাললৈ চাই ৰ'ল। সেই চকুত তাৰ বাবে অপৰিসীম ভালপোৱা দেখি তাৰ নিজকে নিচেই সৰু-সৰু যেন লাগি গ'ল। লিপ্‌ষ্টিক নোহোৱাকৈয়ে ঈষৎ বঙচুৰা চান্‌মাৰ পাতল সজীৱ ওঁঠযোৰ অলপকৈ মেল খাই আছে। তাইৰ মাৰ্ব্বল মসৃন কপালত পৰি থকা কেশগুচ্ছ আঙুলি-লিৰিকি-বিদাৰি মৰম কৰি-বলৈ অকমাণ হাউলি সি অনুভৱ কৰিলে চান্‌মাৰ তপত নিশ্বাস আহি তাৰ গালত লাগিছে। সজ্ঞানে আনোৱাৰে চান্‌মাক চুমা খোৱাৰ কথা কেতিয়াও ভৱা নাছিল। তথাপি ক'ব নোৱাৰাকৈয়ে সি দেখিলে কোনোবা এটা সময়ত তাৰ আকুল ওঁঠযোৰ চান্‌মাৰ ওঁঠৰ ওপৰত সি হেঁচি ধৰিছে পৰম আৱেশাচ্ছন্ন ভাৱে।

ইয়াৰ আগতে আনোৱাৰে চান্‌মাক কেতিয়াও চুমা খোৱা নাছিল। চান্‌মাক কিয়, কোনো ছোৱালীকেই সি কেতিয়াও চুমা খোৱা নাই। মাতাল অৱস্থাত লুচিৰ সৈতে হোৱা ঘটনাক সি অকণো সহজ ভাৱে ল'ব পৰা নাছিল। সেই ঘটনাত তাৰ নিজৰ ফালৰ পৰাতো একো কৰিবলৈ নাছিলেই, বৰং পিচতে সি পৰম ঘৃণাত বমি কৰি পেলাইছিল। "ওঁঠত ওঁঠ ৰাখি চুমা খোৱাৰ" বিষয়ে তাৰ এটা ক্ষীন অস্পষ্ট ধাৰণা মাথোন আছিল। এতিয়া সি বুজিলে চুমাৰ অৰ্থ কি। অথচ মনৰ আনন্দ প্ৰকাশ কৰাৰ ভাষাও তাৰ নাছিল। চান্‌মাৰ পিনৰপৰাও আৱেগ-মধুৰ সঁহাৰি পাই আনোৱাৰে তাইক উবাই-ঘূৰাই উন্মাদৰ দৰে চুমা খাবলৈ ধৰিলে। এনে লাগিল তাৰ যেন এই এটা মুহূৰ্ত্তৰ মাজত হেৰাই গৈছে তাৰ জীৱনৰ অতীতৰ অশেষ মধুৰ কোমল অভিজ্ঞতা। চুমাৰ আৱেশত যেন শেষ হৈ গৈছে,—জীৱনত সি দেখা যত বেলিমাৰৰ ৰঙীন সৌন্দৰ্য্য; সি শুঙা যত ফুলৰ বিচিত্ৰ সুবাস, সিক্ত মাটিৰ বুকুৰ মন মতলীয়া কৰা গোন্ধ, নিদাঘৰ ৰাতিপুৱাৰ মলয়াৰ কোমল স্পৰ্শ; কোনোবা দূৰণিত বজা ৰিণি ৰিণি বাঁহীৰ সুৰ; নৃত্যৰতা কোনোবা সুৰসুন্দৰীৰ ভৰিৰ নেপুৰ-ধ্বনি, মন্দিৰাৰ শব্দ....। পৰম সুখৰ এই মুহূৰ্ত্তৰ লগত যেন এক হৈ মিলি গৈছে তাৰ জীৱনৰ সকলো দুঃসাহসিকতাপূৰ্ণ মধুৰ সপোন; উড়ন্ত ঘোঁৰা; মোহময়ী মায়াময়ী 'হুৰী'ৰ দল; উৰি উৰি গৈ গৈ তৰা-বচা আকাশৰ ওচৰ পাই ফুল-বচা 'কাৰদানী-দোপাট্টা'ৰ দৰে সেই আকাশ হাতেৰে আজোৰ মাৰি অনাৰ কথা। এই চুমাৰ মাজতেই সি পালে সেই সকলো আনন্দ; সেই সকলো শিহৰণ।

কিন্তু এই চুমা তাতোকৈয়ো বেছি। ইয়াত কেৱল এক পৰম তৃপ্তিয়েই নাই। আছে এক অনামী বেদনাও। এহাতে ই প্ৰাণক তৃপ্তি দিয়ে। আনহাতে অন্য এক দুৰ্ব্বাৰ ভাবিলে ভয় লগা তৃষ্ণাৰ ভূমিকাৰ ৰূপ লৈ প্ৰাণৰ মাজত হাঁহাকাৰময় বেদনাৰ জন্ম দিয়ে।

চিমনিৰ জুই কুৰা প্ৰায় নুমাই গৈছিল। হঠাৎ যেন চান্‌মা অকমানকৈ কঁপি উঠিল। নিজকে তাই আনোৱাৰৰ বাহুমুক্ত কৰি তাৰ চুলিত মৰমেৰে আঙুলি বুলাই বুলাই ক'লে: 'তুমি যোৱাগৈ যোৱা, আনোৱাৰ। নহ'লে আমি ক'ৰবাত নিজকেই পাহৰি পেলাম। তাৰ ওপৰি বাবা আহিবৰ সময় হৈছে।"

কিমান বেছি বিষয়-বুদ্ধি সম্পন্না, কিমান বেছি বয়সীয়াৰ দৰে কথা-বোৰ কৈছে চান্‌মাই। তাইৰ কথাৰ প্ৰকৃত অৰ্থ বুজাৰ লগে লগে আনোৱাৰে লাজত ৰঙা পৰি উঠিল। ইচ্ তাৰতো একো খবৰেই নাছিল। নিজৰ কামনাক সংযত কৰিব নোৱাৰি সি যদি চান্‌মাৰ কিবা অপকাৰ কৰি পেলালেহেঁতেন। কথাষাৰ ভবাৰ লগে লগে যেন এপাত তীক্ষ্ণ শেলৰ দৰে অনুতাপ আহি তাৰ অন্তৰত আঘাত কৰিলেহি। "ইচ! এনে ঘটনা হোৱা হ'লে! মই কেতিয়াও কেতিয়াও নিজকে ক্ষমা কৰি দিব নোৱাৰিলোহেঁতেন।" সি ভাবিছিল। চান্‌মাই তাক বাট দেখু-ৱাবলৈ বাৰাণ্ডাৰ লাইটটো জ্বলাই দি দেখিছিল এটা দোষী-দোষী ভাৱত আনোৱাৰৰ মুখখন বিব্ৰত বিবৰ্ণ হৈ উঠিছে।

"ইহ্! কথাই নোহোৱা হ'ল দেখোন। এওঁ যেনিবা বৰ দুঃখহে পাইছে।" চান্‌মাই তাক ধেমালি কৰি ক'লে।

দুঃখ? উহুঁ চান্‌মা। তোমাক যদি মই বুজাব পাৰিলোহেঁতেন কিমান সুখী আজি তুমি মোক কৰিলা! তোমাৰ ওচৰত নিজকে মোৰ ইমান ক্ষুদ্ৰ ক্ষুদ্ৰ লাগিছে। কি আছে মোৰ।..কিন্তু আনোৱাৰে একো-কেই ক'ব নোৱাৰিলে। সি নেজানে এইবোৰ কথা কেনেকৈ ক'ব লাগে। সি মাথোন চান্‌মাৰ চকুলৈ চাই ৰ'ল—অভিব্যক্তিহীন বুৰ্ব্বকৰ চাৱনিৰে। কিন্তু চান্‌মাই বুজিলে। তাই হাঁহিলে মৰম লগাকৈ। আনোৱাৰেও হাঁহিলে।

পদূলি পাই সি শুনিলে পিচৰপৰা বৈ চাই থকা চান্‌মাই চিঞৰি কৈছে: "কালিলৈ দেওবাৰ, মনত থাকিবতো! সোনকালে আহিবা।"

আনোৱাৰ আহি ছাত্ৰাবাস পালেহি। তাৰ ওঁঠত তেতিয়াও যেন লাগি আছিল অনাস্বাদিতপূৰ্ব্ব গাভৰু-ওঁঠৰ চুমাৰ সোৱাদ। ইতিমধ্যে নিশা গভীৰ হৈ আহিছিল। আনোৱাৰে ভাবিছিল এতিয়া মানে নিশ্চয় ৰাজ আৰু আচগৰ দুয়োটাৰে টোপনি গৈছে। চাল্‌মাইঁতৰ ঘৰলৈ আনোৱাৰ প্ৰায় প্ৰত্যেক দিনাই আবেলি যায়। চাল্‌মাৰ প্ৰতি ৰাজৰ মনোভাৱ জনাৰ পিচৰপৰা চাল্‌মাৰ ওচৰৰপৰা নিজৰ কোঠালৈ ঘূৰি আহিলে আনোৱাৰৰ সদায় দোষী-দোষী লাগে। আচগৰটো শিলেৰে বন্ধাৰা মনৰ মানুহ। আৱেগ, ভালপোৱা আদি কথাৰ লগত তাৰ কোনো সম্বন্ধ নাই। নেভাবেও। প্ৰেমৰ ধাৰণাও তাৰ নিতান্ত সাধাৰণ মানুহৰ দৰে। কেতিয়াবা মন গ'লে ঠাট্টাৰ সুৰেৰে আনোৱাৰক সোধে,—তাৰ প্ৰেমৰ কিমান দূৰ কি হৈছেগৈ। এনে সুৰত সোধে যে আনোৱাৰৰ গোটেই প্ৰেম বস্তুটোৱেই বহুত তললৈ এটা সাধাৰণ বস্তুৰ শাৰীলৈ নামি যোৱা যেন লাগি যায়। আজি কিন্তু সি দূৰৰপৰাই দেখিলে সিহঁতৰ কোঠাৰ লাইট জ্বলি আছে। তাৰ মানে সিহঁত সাৰে আছে আৰু এতিয়া আচগৰে তাক ধৰি কমেও আধাঘণ্টা উকিলৰ দৰে জেৰা কৰি ব্যতিব্যস্ত কৰি তুলিব। ৰাজে একো মাত নেমাতে। কিন্তু তাৰ কেনেবা-কেনেবা লগা মৌনতাই আনোৱাৰৰ বেছি অসহ্য লাগে। কিন্তু উপায়ো আৰু নাই। আনোৱাৰ সেইবাবে অৱশ্যম্ভাৱী পৰিণতিৰ বাবে সাজু হৈ আগবাঢ়ি গল।

কোঠাৰ দুৱাৰমুখত থিয় হৈ সি যথা নিয়মে টুকৰিয়াই দিলে। কিন্তু আজি যি আহি দুৱাৰ খুলি দিলেহি তাক দেখি আনোৱাৰ আচৰিত হৈ গ'ল। একেবাৰে অচিনাকি এটা ল'ৰা। ক্ষীণ; মুখখন অতিমাত্ৰাই শেঁতা-পৰা; গাত এটা ঢিলা অভাৰ-কোট; মূৰত বহুত দিন নকটা এমূৰ জপৰা চুলি। এটা চুকত পৰি থকা এখন বিচনা আৰু চুটকেচ এটা দেখি আনোৱাৰে বুজিলে ল'ৰাটো অলপ আগতে আহি পাইছে আৰু ৰাতি থাকিব। নিশ্চয় ৰাজ বা আচগৰৰ বন্ধু হব,—আনোৱাৰে মনতে ভাবিলে। কিন্তু। তেতিয়া হলেও ল'ৰাটোৱে তাৰ ফালে চাই এনেকৈ হাঁহিব কিয়। নে আচগৰে গোটেইবোৰ কৈ দিছে। আচগৰৰতো মুখৰ একো লাগবান্ধ নাই। দায়িত্বজ্ঞানো নাই। হয়তো ধেমালি কৰি তাৰ বন্ধুৰ আগত আনোৱাৰৰ প্ৰণয়-কাহিনী কৈ হাঁহা-হাঁহি কৰিছে। আৰু এতিয়া তাৰ বন্ধুৱেও আনোৱাৰক দেখি ব্যঙ্গৰ হাঁহি মাৰিবলৈ সাহ কৰিছে। অৱশ্যে ল'ৰাটোৰ মুখখন আনোৱাৰৰ চিনাকি চিনাকি লাগিছে। কিন্তু কোন হব পাৰে অকণো ধৰিব পৰা নাই। এনে লাগিছে যেন ল'ৰাটোক কেতিয়াবা আনোৱাৰে সপোনত দেখিছিল।

"কি খবৰ, আনোৱাৰ ?" ল'ৰাটোৱে সুধিলে। মাতটোও যেন আনোৱাৰৰ নিচেই চিনাকি। তাৰ মানে তুমিও মোক চিনি পোৱা নাই। বেচুতো!"

"কোন? ৰতন?" চিঞৰি উঠিল আনোৱাৰে। আৰু "এয়া তোমাৰ কি হ'ল" বুলি তাৰ মৰমৰ বন্ধুক সাৱটি ধৰিলেগৈ। কিন্তু ৰতনে ওঁঠলৈ আঙুলি তুলি তাক মনে মনে থাকিবলৈ ইংগীত কৰি লাহে লাহে ক'লে, সিটো কোঠাত বাড়ি আৰু আচগৰ শুই আছে।

"মই লাহে লাহে তোমাক সকলো কথা ক'ম।" আনোৱাৰৰ বিছনাত বহি ৰতনে ক'লে, "তাৰ আগতে তুমি মোক কোৱা তোমাৰ আলহী হিচাপে মই ইয়াত কেইদিনমান থাকিব পাৰিম নে নোৱাৰিম? খোলাখুলিকৈ কবা। মই বেয়া নেপাওঁ। তোমাৰ চিঠি মই পাইছো। সেই মতেই আহিছোও। কিন্তু ইতিমধ্যে তোমাৰ মনোভাব সলনি হবও পাৰেতো!"

"এইবোৰ কি বাজে কথা কৈছা।" আনোৱাৰে খং দেখুৱাই ক'লে, "তুমি কিয় থাকিব নোৱাৰিবা, নিশ্চয় পাৰিবা। থাকিব লাগিবও। মই এতিয়াই তোমাৰ বিছনা ঠিক কৰি দিম"

"আৰু এটা কথা। মই ইতিমধ্যেই তোমাৰ বন্ধু দুজনক মোৰ পৰিচয় দিছো। তুমিও মোৰ পৰিচয়টো জানি থোৱা—"এইবুলি ৰতনে আনোৱাৰক জেপৰপৰা এখন দীঘলীয়া কাৰ্ড উলিয়াই দিলে। ছপা আখৰেৰে তাত লেখা আছে: "ৰামলাল চোপ্ৰা, ইন্সিওৰেন্স এজেণ্ট"।

তাৰ মানে বৰ্ত্তমান ৰতন এই নতুন পৰিচয়ত ইয়ালৈ আহিছে।

"বুজিছতো?"

আনোৱাৰে মূৰ দুপিয়ালে। সি লক্ষ্য কৰিলে ডাঢ়ি-গোঁফ-বিহীন অৱস্থাত ৰতনক আগতকৈ বহুত ক্ষীণ আৰু শেঁতা-পৰা দেখা গৈছে। কিন্তু তথাপি কথা-বতৰা ভাব-ভঙ্গি সকলোতে এক অভিনৱ আত্ম-প্ৰত্যয় আৰু দৃঢ়তা প্ৰকাশ পাইছে। আগৰ অকণমান ৰতন নামৰ সৰু ল'ৰাটোৰ আবেগ-প্ৰৱণতা আৰু চঞ্চলতা একেবাৰেই নাই। তাৰ মাতত এজন প্ৰাপ্ত-বয়স্ক মানুহৰ স্থৈৰ্য্য প্ৰকাশ পাইছে। সি যেন জানে সি কি বিচাৰিছে নিশ্চিত ভাৱে। আৰু জানে কেনেকৈ সেই বিচৰা বস্তু পাব পাৰি। এয়া এনে এজন মানুহৰ কণ্ঠস্বৰ যাৰ মনত আপোন জিজ্ঞাস্য সম্পৰ্কে কোনো সন্দেহ নাই; নাই দ্বিধা। আছে নাথোন নিৰঙ্কুশ বিশ্বাস।

তাৰ বন্ধুৰ এই নতুন ব্যক্তিত্ব দেখি আনোৱাৰ বিমুগ্ধ হ'ল। অথচ এক অজান আশঙ্কাত তাৰ বুকুখন কঁপি উঠিল।

পিচদিনা দেওবাৰ। বাই-বই উঠি আনোৱাৰে তাৰ বন্ধুক লৈ প্ৰাচীন মাৰাঠা দুৰ্গৰ পিনে ফুৰিবলৈ ওলাই গ'ল। আনোৱাৰহঁত থকাৰপৰা প্ৰায় দুমাইল দূৰত দুৰ্গটো; বিশ্ববিদ্যালয় নগৰীৰ উত্তৰ পিনে অৱস্থিত। ঘৰ-বাৰী একো নাই এইফালে। ফুৰিবলৈকো প্ৰায় কোনো নাহেই বুলিব পাৰি। আওহতীয়া। ইয়াত বহি বহি আনোৱাৰহঁতে সকলো গোপন কথা নিশ্চিন্তে পাতিব পাৰিব। কোনেও আমনি নকৰে।

গৈ গৈ সিহঁত ৰেল-লাইনটো পাৰ হ'ল। আনোৱাৰে জানে এতিয়া আৰু সিহঁতৰ কথা-বতৰা কোনেও শুনাৰ ভয় নাই। তাৰ মনত অবিৰাম খু-দুৱাই থকা সৰ্ব্বপ্ৰধান প্ৰশ্নটো এইবাৰ সি পোনপটীয়াকৈ সুধি পেলালে। "ৰতন, কালি ৰাতি তোমাক চিনিব নোৱাৰা বাবে তুমি মোক বেয়া নেপাবা ভাই। তুমি এনেকৈ ডাড়ি-গোঁফ কাটি আহিব পাৰা বুলি মোৰ ধাৰণাই নাছিল। কিন্তু, তোমালোকৰ ধৰ্ম্মই এই কামটো কৰিবলৈ জানো নিষেধ কৰা নাই ?"

কুৰি খোজমান একো নকৈ ৰতন মনে মনে গৈ থাকিল। তাৰ পিচত লাহে লাহে ক'লে, "শুনা; এই বিষয়ে মোৰ নিজৰ বক্তব্য তোমাক নকৈ মোতকৈ বহুত ডাঙৰ এজন মহান লোকৰ উক্তি তুমি বোধহয় বেছি ভাল পাবা। ঠিক একেটা প্ৰশ্নই তেওঁক সোধা হৈছিল। উত্তৰত তেওঁ কৈছিল: জাতিৰ কাৰণে যি মানুহে নিজৰ শিৰ কটা যাবলৈ আগবঢ়াই দিছে সেই মানুহে এডাল ডাড়ি বা চুলি কটা যোৱাৰ কথা চিন্তা কৰাৰ কি অৰ্থ থাকিব পাৰে। পুলিচৰ হাতৰপৰা ৰক্ষা পাবলৈ ডাড়ি-চুলি কটাতকৈ ভাল আৰু সহজ ছদ্মবেশ আমাৰ বাবে আৰু একো নাই।"

ৰতনে উদ্ধৃত কৰা সাহসিকতাপূৰ্ণ উক্তিটো আনোৱাৰৰ মনত ধৰকৈ লাগিল। সি সুধিলে, "কোনে কৈছিল তেনেকৈ ? অতি আচৰিত মানুহতো।"

"ওঁ—অতি আচৰিত মানুহ। তেৱেঁই আমাৰ নেতা,—নাম তুমি নিশ্চয় জানা,—ভগৎ সিং।" আনোৱাৰে দেখিলে নামটো কোৱাৰ লগে লগে ৰতনৰ মুখ ভক্তিত দোঁ খাই গৈছে। মাতটোও আবেগত সেমেকি উঠিছে।

ভগৎ সিং। আনোৱাৰে দুজনমান পঞ্জাৱী ছাত্ৰৰ মুখত ভগৎ সিঙৰ কথা শুনিছে। ভগৎ সিং বিপ্লৱী ডেকাৰ অনুষ্ঠান "নওজোৱান ভাৰত সভা"ৰ সংগঠক। পঞ্জাৱত ঘটা সকলো সন্ত্ৰাসবাদী কাৰ্য্য-কলাপৰ মূলতে আছে ভগৎ সিং। ভালেমান দিন ধৰি কেইবাখনো প্ৰদেশৰ পুলিচ বিভাগক তেওঁ বান্দৰ নচুৱাদি নচুৱাইছে। এতিয়াও তেওঁৰ সংঘৰ কাম পূৰ্ণোদ্যমে চলি আছে।

"ভগৎ সিঙেই জানো চাউণ্ডাবচ্‌ক গুলী কৰি মৰা নাই?' আনোৱাৰে সুধিলে। ভগৎ সিঙেই চাউণ্ডাবচ্‌ক মৰা বুলি সকলোৰে ধাৰণা।

"সেই কথা ক বলৈ মোৰ অনুমতি নাই।" দৃঢ় স্বৰেৰে ৰতনে ক'লে। আনোৱাৰৰ মুখখন হতাশাত ক'লা পৰি যোৱা দেখি খন্তেক বৈ সি আকৌ ক'লে, "আনকি তোমাকো মই এই কথা কব নোৱাৰো। যদিও মই মোক নিজক যিমান বিশ্বাস কৰো তাতোকৈ তোমাক বেছি বিশ্বাস কৰোঁ। দলীয় নীতি-নিয়ম মই কোনো ক্ষেত্ৰতেই ভঙ্গ কৰিব নোৱাৰো। তদুপৰি এই বিপ্লৱ আমাৰ সকলোৰে উমৈহতীয়া বিপ্লৱ। ইয়াত যি কোনো কাম এজন বিশেষ ব্যক্তিয়ে কৰা বুলি ধৰা নহয়। তেনে দৃষ্টিৰে বিচাৰো কৰিব নোৱাৰি। যিটো আঙুলিয়ে চৰম মুহূৰ্ত্তত ট্ৰিগাৰ টিপিছিল সেই আঙুলি দলৰ যাবে তাবে হব পাৰে। সেইবুলি চাউণ্ডাবচ্‌ক এজন মানুহে হত্যা কৰা নাই। স্বৰ্গীয় লালা লাজপৎ ৰায়ক হত্যা কৰাৰ প্ৰতিশোধ লবলৈ বিচৰা এটা জাতিৰ ক্ৰোধৰ আগত চাউণ্ডাৰ্‌চৰ পতন হৈছে।"

ৰতনৰ প্ৰথম ৰহস্যপূৰ্ণ চিঠিখন পোৱাৰ পিচৰেপৰা এটা প্ৰশ্নই দুৰ্ব্বোধ্য সাঁথৰৰ দৰে আনোৱাৰক আমনি দি আছিল। এইবাৰ সেই প্ৰশ্ন কৰিবলৈ আনোৱাৰ সাজু হ'ল। "ৰতন, তোমালোকৰ দলীয় কোনো গোপন কথা মোক খাকে কব নেলাগে। কিন্তু মোক এটা কথা, অনুগ্ৰহ কৰি, কোৱা। মোৰ নিজৰ বাবেই এই প্ৰশ্নৰ উত্তৰ মৰ দৰ্কাৰ। কোৱা ৰতন, তুমি নিজে..তোমাৰ নিজ হাতেৰে..এই পৰিমিত.."

"..কাবোবাক হত্যা কৰিছো নে নাই?" যি কেইটা ভয়ঙ্কৰ শব্দ উচ্চাৰণ কৰিবলৈ গৈ আনোৱাৰ ভয়ত কোঁচ খাই বৈ ৰাখ লগা হৈছিল সেই কেইটা শব্দ ৰতনে নিজেই কৈ দিলে। "তুমি যি অৰ্থত সুধিছা, সেই অৰ্থত, সঁচা কথা কবলৈ গ'লে, নাই কৰা। কাৰণ তেনে ভাব পোৱাৰ সৌভাগ্য মোৰ এতিয়াও হোৱা নাই। কিন্তু সেইটোতো একো কথা নহয়। তেনে কৰাৰ আৱশ্যক হোৱা নাই বাবেই মই কৰা নাই। সময় আহিলে মই কেতিয়াও পিচ নোহোহঁকো।"

ৰতনৰ কথাৰ সুৰত আনোৱাৰে এটা নতুন উত্তাপ-নিষ্ঠুৰতাৰ সুৰ শুনিবলৈ পালে। চকুৰ আগত ইংৰাজ বিষয়াৰ হাতত খাপেকৰ কৰুণ মৃত্যু ৰতনে দেখিছিল। সেইদিনা ৰতনৰ অভিব্যক্তিত যি তিক্ত প্ৰকোপ আনোৱাৰে দেখিছিল তাৰ লগত বৰ্ত্তমানৰ নিষ্ঠুৰ সুৰৰ একো মিল নাই। তথাপি তথাপিও। আনোৱাৰৰ মুখৰপৰা এটা স্বস্তিৰ নিশ্বাস সৰি পৰিল। তাৰ বন্ধু ৰতনৰ হাত এতিয়াও হত্যাৰ তেজেৰে তেনেহ'লে ৰঙা হোৱা নাই।

"এতিয়া তুমি বাৰু মোক এটা কথা কোৱা, আনোৱাৰ। ধৰি লোৱা ইতিমধ্যে মই যদি কোনোবা ইংৰাজ বা পুলিচ বিষয়াক হত্যা কৰিলোহেঁতেন—তুমি বাৰু মোক ঘিণ কৰিলাহেঁতেন নেকি? নাইবা পুলিচৰ হাতত গতাই দিলাহেঁতেন নেকি?"

"নাই নাই। কিয় কৰিম। তেনে কথা মই ভবাই নাই। সেই কাৰণে সোধাও নাই।" আনোৱাৰে লৰালৰিকৈ ক'লে, "হেজাৰ হলেও, তোমালোকৰ সন্ত্ৰাসবাদৰ আদৰ্শৰ লগত মোৰ আদৰ্শ নিমিলিলেও, মই তোমালোকৰ লক্ষ্যক অন্তৰেৰে সন্মান কৰোঁ।"

তাৰ পিচত সিহঁতে দেশৰ অসংখ্য ডেকাই আলোচনা কৰি থকা সাধাৰণ বিষয়—হিংসা আৰু অহিংসাৰ যুক্তি-অযুক্তি লৈ আলোচনাত মগ্ন হৈ পৰিল। সকলোতকৈ আনোৱাৰে স্বতঃপ্ৰণোদিত ভাৱেই গান্ধীবাদ ভাল পাইছিল। এতিয়া মহাত্মাৰ ৰচনাৱলী আৰু বক্তৃতাসমূহ পঢ়ি তাৰ অহিংসাবাদত আস্থা দুগুণে বৃদ্ধি পাইছে। স্বাধীনতাৰ দৰে মহান এটা লক্ষ্যত উপনীত হবৰ কাৰণে সৎ আৰু ন্যায়যুক্ত পন্থাই অৱলম্বন কৰা উচিত বুলি সি জোৰ দি ক'লে। ৰতনে এই লক্ষ্য আৰু লক্ষ্যত উপনীত হোৱাৰ উপায়ৰ মাজৰ পাৰ্থক্য তথা বৈষম্যটোকেই হাঁহি উঠিল। ছলেৰেহে ছল কাঢ়িব পাৰি। কপাহৰ জোলাৰে নোৱাৰি। অন্যায়-প্ৰৱঞ্চনা সদায় অন্যায়-প্ৰৱঞ্চনাই। ইয়াক বিদূৰিত কৰিবৰ বাবে যি কোনো পন্থাই অৱলম্বন কৰা নহওক সিয়েই যুক্তিসঙ্গত। "নীচ সাম্ৰাজ্যবাদীৰ হিংসাত্মক কাৰ্য্যৰ যোগ্য প্ৰত্যুত্তৰ দিব পাৰি একমাত্ৰ প্ৰতিহিংসাৰ দ্বাৰাহে।" এইবুলি দৃঢ়ভাৱে কৈ ৰতনে আনোৱাৰক বুজাবলৈ যত্ন কৰিলে, যেন গান্ধীবাদী অহিংসা আন একো নহয়—কাপুৰুষৰ কাপুৰুষালি ঢাকি ৰখা এটা সহজ ছদ্মবেশ মাত্ৰ। মহাত্মাক লগাই এনে অসম্মানোচিত উক্তি কৰা শুনি আনোৱাৰ একেবাৰে চক খাই উঠিল। কাতৰ ভাৱেৰে অহিংসাৰ আদৰ্শক সমৰ্থন জনাই সি ৰতনক বুজাবলৈ ধৰিলে যে সভ্য সমাজ তথা জীৱনৰ মূলতে আছে প্ৰেম; অসূয়া নহয়। অহিংসাৰ যোগেৰে যি স্বাধীনতা অৰ্জন কৰা যাব সি স্বেচ্ছাচাৰ আৰু ৰক্তপাতৰ মাজেৰে অহা স্বাধীনতাতকৈ দীৰ্ঘস্থায়ী হব। "আমি যদি মহাত্মাৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ কাম কৰি যাওঁ এদিন নহয় এদিন আমাৰ শত্ৰুৱেও আমাৰ দৃষ্টিভঙ্গীৰ কথা বুজিব পাৰিব আৰু আমাৰ দাবীৰ যুক্তিও মানি লবলৈ বাধ্য হব।"

ৰতনে কিবা এটা কব খুজিছিল। ঠিক এনে সময়তে এনে এটা ঘটনা ঘটি গ'ল যে সি আৰু তৰ্ক কৰাৰ আৱশ্যকেই বোধ নকৰিলে। সি ভাবিলে এই ঘটনাই তাৰ আদৰ্শৰ সমৰ্থনত অতি বাস্তৱ আৰু শেষ-

সিদ্ধান্ত স্বৰূপ নিদৰ্শন। আনোৱাৰৰ দৃষ্টি মাত্ৰ সি সেই ফালে আকৰ্ষণ কৰিলে।



কথা পাতি পাতি সিহঁত মাৰাঠা-দুৰ্গৰ গড়খাৰৈৰ ওচৰ পাইছিলহি। যাই বাটেদি নগৈ এডৰা খাঁহনিৰ ওপৰেদি পোনাই দি দুৰ্গলৈ বাট চমু কৰিব খুজিলে আনোৱাৰহঁতে। কথাত মজি আছে দুয়ো। ঘাঁহবোৰত কেতিয়াও গৰু এটাৰো মুখ পৰা নাই। ওখ ওখ হৈছে। হঠাৎ আনোৱাৰৰ ভৰি কোমল পিছল কিবা এটাত পৰিল। তললৈ চাই সি দেখিলে ফোঁচ কৰে শব্দ কৰি তাৰ সমুখত ফেঁট তুলি বৈছে মৰাত্মক এটা ফেঁটি সাপ! বিশ্ববিদ্যালয়ৰ আশে-পাশে এনেও অনেক সাপ লিকলিকাই ফুৰে। দুৰ্গৰ বাকৰিত ওলোৱা স্বাভাবিক। এইবিধ সাপ কিমান বিষাক্ত আনোৱাৰে ভালকৈ জানে। আনোৱাৰৰ ভৰি দুখন যেন লৰাব নোৱাৰা হৈ মাটিত পোত খাই গৈছে। কিবা এক ভয়ানক মন্ত্ৰৰ প্ৰভাৱত সি যেন শিলা হৈ গৈছে। কথাৰ কোবতে একো মন নকৰি ইতিমধ্যেই কেইখোজমান আগবাঢ়ি গৈছিল ৰতন। তাক মাতিবলৈকো যেন তাৰ মুখৰ মাত হেৰাই গৈছে। যোৰে-ধৰাৰ দৰে হৈ ফণা তুলি খুটিবলৈ সাজু হোৱা ক্ৰুদ্ধ সাপটোলৈ অপলকে চাই ৰ'ল আনোৱাৰে। দুভাগকৈ ফটা এখন লিকলিকিয়া জিভা এবাৰ জিলিকি উঠিল। আৰু ঠিক খুটিব খোজোতেই হঠাৎ ভীষণ জোৰে এটা শব্দ হ'ল—'গুৰুম'। দুৰ্গটো যেন কঁপি উঠিল। মৃত্যুৰ যন্ত্ৰণাত সাপটো মাটিত ধৰফৰাব ধৰিলে। উচপ খাই উঠি আনোৱাৰে ৰতনলৈ চালে। ৰতনৰ হাতত এটা উদ্যত ক্ষুদ্ৰাকৃতি পিষ্টল। মুখেৰে ধোঁৱা ওলাইছে। ৰতনে হাঁহিছে।

"দেখিলা। ফেঁটি সাপক তুমি প্ৰেম আৰু অহিংসাৰে জয় কৰিব নোৱাৰা।" ৰতনে যেন আনোৱাৰৰ শৰীৰ-মনৰ বিপৰ্য্যস্ত অৱস্থাটো উপভোগ কৰি আনন্দ পাইছে। "বিষাক্ত সাপৰপৰা ৰক্ষা পাবৰ হ'লে তাক গুলীয়াই মাৰিবই লাগিব। সাম্ৰাজ্যবাদী-শোষণৰ সাপৰ ক্ষেত্ৰতো একেই কথা, ভাই!"

কিন্তু তেতিয়া আনোৱাৰে সাপটোৰ কথা, সাপৰ দংশনৰপৰা কাণে-কাণ মাৰি সি ৰক্ষা পৰাৰ কথা, পাহৰিয়ে গৈছে। একেথৰে সি চাই আছে ৰতনৰ হাতৰ পিষ্টলটোলৈ। আনোৱাৰে জানে তাৰ বন্ধু সন্ত্ৰাসবাদী। তথাপিও সি যেন তাক সঁচাকৈয়ে নিপুণ হাতেৰে গুলী-চালনা কৰা দেখি এতিয়া নতুনকৈ ভয় খাই উঠিল। তাৰ মানে ৰতনে যি কৈছে সকলো আখৰে-আখৰে সঁচা। সময় আহিলে, কাৰোবাক হত্যা কৰিবলৈ নিৰ্দ্দেশৰ দিয়া হ'লে ৰতনে এখোজো পিচ নোহোহঁকে।

"আহাঁ, আহাঁ" পিষ্টলটো বিৰাট অভাৰকোটৰ কোনোবা গুপ্ত স্থানত লুকুৱাই ৰতনে হাঁহি হাঁহি ক'লে, "মই অহিংসাত বিশ্বাস নকৰাৰপৰা তোমাৰ আজি যথেষ্ট উপকাৰ হ'ল। কিন্তু মোৰ চিন্তা হৈছে গুলীৰ শব্দ কোনেও শুনা নাইতো!"

পৰিখাৰ পাৰে পাৰে গৈ আনোৱাৰে ক'লে, "চিন্তা নকৰিবা। এই পৰিত্যক্ত দুৰ্গৰ পিনে কোনো কেতিয়াও নাহে।"



আনোৱাৰে ক'ৰবাত পঢ়িছিল—নাৰীৰ মনেই হেনো সৃষ্টিৰ ভিতৰত সবাতোকৈ দুৰ্ব্বোধ্য। কেতিয়া কি হয় কোনেও আগতে কব নোৱাৰে। শেক্সপিয়েৰে কৈছিল, "নাৰী আৰু পুৰুষৰ সম্বন্ধই জোৱাৰ-ভাঁটাৰ নিয়ম মানি চলে।" আন এজন 'চিনিক' দাৰ্শনিকে তাতে যোগ দি মন্তব্য কৰিছে বোলে—একোটা মুহূৰ্ত্তত পুৰুষ নাৰীৰ ভালপোৱাৰ ঢৌৰ শিখৰত উঠি থাকিব পাৰে। আৰু পিচ মুহূৰ্ত্তত হয়তো সেই ঢৌৱে তেওঁক উঠি

বোৱা কাঠৰ টুকুৰাৰ দৰে নিৰ্জ্জন উপকূলত দলিয়াই থৈ যাব পাৰে। আনোৱাৰে সাগৰৰ জোৱাৰ-ভাঁটা নিজ চকুৰে দেখা নাই। কিন্তু তাৰ একমাত্র পৰিচিত নাৰী চাল্‌মাৰ সখন ভাবান্তৰ লক্ষ্য কৰি সি জোৱাৰ-ভাঁটাৰ স্বৰূপ সম্পৰ্কে এটা স্থূল ধাৰণা কৰিব পাৰিছিল।

মাত্র শনিবাৰৰ নিশা সিহঁতে সিহঁতৰ প্ৰেমৰ চুক্তিনামাত এটা চুমাৰে,—নহয় এটা নহয়, অসংখ্য আকুল স্নেহসিক্ত চুমাৰে স্বাক্ষৰ কৰিছিল। কিন্তু সোমবাৰে আনোৱাৰ আহি দেখিলে পৃথিৱীখন উভটি ঘূৰিছে। শনিবাৰৰ সন্ধ্যাৰ স্মৃতিয়ে তাৰ জীৱনৰ শ্ৰেষ্ঠতম স্মৃতি হিচাপে আনোৱাৰৰ মৰণ মণিকোঠা ঠাই পাইছে। সেই দৃশ্যৰ পুনৰাভিনয় কৰাৰ আশাৰে ব্যাকুল হৈ সি আহিছিল। কিন্তু আহি দেখিলে, চাল্‌মা কেৱল ধুনীয়া অভিমানত ওফন্দিয়ে থকা নাই; খঙত জ্বলিও আছে!

আনোৱাৰ সুবেদী ল'ৰা। যি কোনো কথাই তাৰ হৃদয়তন্ত্ৰীত অকণ-মানতে কঁপনি তুলি যায়। বিশেষকৈ চাল্‌মাৰ প্ৰত্যেকটো কথাই তাৰ স্পৰ্শকাতৰ মনক স্পৰ্শ নকৰাকৈ নেথাকে। ব্যস্তভাৱে, ব্যগ্ৰভাৱে, আশাৰে, অনেক কথা ক'ম বুলি আহি চাল্‌মাক সি মাত দিছিল। কিন্তু চাল্‌মাই যেতিয়া নিৰসভাৱে—অ' তুমি, বহঁা—বুলি ক'লে তাৰ মনটো মৰহি গ'ল। তাৰ যেন কথা ক'বলৈকে নোহোৱা হ'ল। সি জানে দেওবাৰে আহিম বুলিও সি নহা বাবে চাল্‌মাই বেয়া পাব। পোৱা কথাও। তথাপি তাই অন্ততঃ তাক সোধা উচিত আছিল সি কিয় নাহিল। তেতিয়া যদি সি উপযুক্ত কাৰণ দেখুৱাব নোৱাৰে তেন্তে তাই যি শাস্তি বিহে বিহক। কিন্তু এনেকৈ যুক্তিহীনভাৱে ৰূঢ় ভাৱ দেখুৱাই তাক কষ্ট দিব খোজা দেখি আনোৱাৰৰ মনত বৰ দুখ লাগিল। নীৰৱে ড্ৰয়িংৰুমৰ এচুকত তন্ময়ৰকৈ চিন্তামগ্ন হৈ সি বহি থাকিল। চাল্‌মায়ো উলৰ কাম কৰাত অতি ব্যস্ত হৈ থকাৰ ভাও জুৰি বহি থাকিল।

ভালেমান পৰৰ মূৰত যথেষ্ট হৈছে বুলি ভাবিয়েই হয়তো চাল্‌মাই উলৰ কামখন সামৰি থৈ ব্যঙ্গভৰা মাতেৰে ক'লে, "তাৰ পিচত? কালি বোধহয় মৰমৰ বন্ধুবৰ্গৰ লগত ৰাজনীতিৰ বিশেষ আলোচনাত ব্যস্ত হৈ থাকিব লগা হৈছিল।"

বৰফ গলিল। আনোৱাৰে আগদিনা আহিব নোৱাৰাৰ কাৰণ দেখুৱাই ক্ষমা-প্ৰাৰ্থনা কৰাৰ সুযোগ পালে। প্ৰথমেই এই কামটো কৰিম বুলিয়ে সি আহিছিল। কিন্তু চাল্‌মাই তাক সুবিধা দিলে ক'ত? "চাল্‌মা মই বৰ দুঃখিত। কালি হঠাৎ অপ্ৰত্যাশিতভাৱে দিল্লীৰপৰা পুৰণি বন্ধু এজন আহি ওলালহি। মই কোনোমতেই এৰাই আহিব নোৱাৰিলোঁ।"

"কিন্তু, তোমাৰ বন্ধুকো দেখোন লৈ আহিব পাৰিলাহেঁতেন।" পুৰুষ-বন্ধুৰ সংখ্যা বাঢ়িলে চাল্‌মাই বেয়া নেপায়। বৰং তাইৰ ৰূপমুগ্ধৰ দল বৃদ্ধি পালেই হয়তো তাই ভাল পায়। তদুপৰি আনোৱাৰৰ বন্ধু-বান্ধৱবোৰৰ লগত চা-চিনাকি হোৱাও তাইৰ ইচ্ছা। "তুমিতো জানাই তোমাৰ যি কোনো বন্ধুকে তুমি আমাৰ ঘৰলৈ আনিব পাৰা।"

"মই জানো। পিচে মোৰ এই বন্ধুজন অলপ নিৰস। তুমি তাক অকণমানো ভাল নেপালাহেঁতেন।"

"কি নাম তেওঁৰ?"

"ৰামলাল।"

"ৰামলাল? উৱা, তোমাৰ হিন্দু বন্ধুও আছে বুলি মই ক'বই পৰা নাছিলো।"

চাল্‌মাৰ সুৰটো আনোৱাৰৰ অকণো ভাল নেলাগিল। এটা অতি হেঁয়া মনোভাৱ যেন প্ৰকট হৈ উঠিছে। তাৰ বিৰক্তি উপজিল। সিও একেই টেঙা সুৰেৰে কৈ উঠিল, "নেজানিছিলা নেকি? উৱা! মই আকৌ ভাবিছিলো জানা। এতিয়াতো জানিলা।"

"অ'—ছিঃ! ইমান পাহৰি যাওঁ কথাবোৰ মই। তোমাৰতো শিখ বন্ধু এজনো আছে। তৰ্কসভাত যে কৈছিলা। কি নাম তেওঁৰ?"

"ৰতন।"

এনে সময়তে অধ্যাপক চেলিম সোমাই আহিল। আনোৱাৰে সন্মান দেখুৱাই থিয় দিলে।

"বহঁা-বহঁা, আনোৱাৰ। মই ঠিক তোমাকে লগ পোৱাৰ কথা বাটে-বাটে ভাবি আহিছিলো। যোৱাচোন চাল্‌মা, আমাক চাহ দিবলৈ কোৱাগৈ। বহা আনোৱাৰ।"

অধ্যাপকে বেচ হাঁহি-হাঁহিয়েই কথা কেষাৰ ক'লেও আনোৱাৰে অকণো সহজভাৱে লব নোৱাৰিলে। কিন্তু সি নিজেই নেজানে। অধ্যাপকেনো কি কব খুজিছে জানিবলৈ উদগ্ৰীৱ হৈ উঠিল আনোৱাৰ। তাৰ এনে লাগিল যেন অধ্যাপকে ৰতনৰ বিষয়ে কিবা কব খুজিছে। আৰু অনতিপলমে সি গম পালে তাৰ অনুমান ভুল নহয়।

অধ্যাপকে কিন্তু অকণো ঘূৰোৱা-পকোৱা নকৰি আৰু বিশেষ গুৰুত্ব দিয়া যেন কৰিও নেদেখুৱাই সুধিলে, "বাৰু আনোৱাৰ, এই ৰামলাল কোন?"

ইমান হঠাতে প্ৰশ্নটো সোধা হ'ল যে থিতাতে কি উত্তৰ দিব ভাবি নেপাই থতমত খোৱা যেন হৈ আনোৱাৰ এখন্তেক মনে মনে থ'ল। তাৰ

পিচত লাহে লাহে ক'লে, "সি মোৰ বন্ধু। মই তাক সকৰেপৰা চিনি পাওঁ।"

"ওঁ—চিনিতো পোৱাই। কিন্তু ৰাজনীতিৰ লগত তাৰ কি সম্বন্ধ সেই বিষয়ে কি জানা? জানাতো, এতিয়া সময় বৰ বেয়া। অতি সাৱধানে থাকিও মানুহ বিপদত পৰা এনে সময়ত টান নহয়। বিশ্ববিদ্যালয় কর্তৃপক্ষই তাক বিপ্লৱী দলৰ মানুহ বুলি সন্দেহ কৰিছে। এনে ল'ৰাৰ লগত তুমি হলিগলি কৰা কোনোমতেই উচিত নহয়। চিভিল-চাৰ্ভিচ পৰীক্ষাত ভাল ফল দেখুৱালেও এনেবোৰ কথাই তোমাৰ সুবিধা লাভত বাধা হব পাৰে।"

চৰকাৰী চাকৰি পোৱা নোপোৱাৰ কথা আনোৱাৰে ভুলতো ভবা নাছিল। সেই মুহূৰ্ত্তত তাৰ মনলৈ আহিছিল মাত্ৰ এটা প্ৰশ্ন—বন্ধুৰ প্ৰতি মানুহৰ প্ৰকৃত কৰ্ত্তব্য কি?—"চাৰ, মই বৰ অনুতপ্ত। মোৰ হয়তো দোষ হৈছে আপোনালোকৰ কাষত। তথাপি এটা কথা মই নকৈ নোৱাৰো। মোৰ বন্ধুক মইতো খেদি দিব নোৱাৰোঁ।" আনোৱাৰে লাহে লাহে কিন্তু স্পষ্টকৈ কথাকেষাৰ ক'লে। তাৰ নিজৰ সাহস আৰু দৃঢ়তাত সি নিজেই আচৰিত হৈ গ'ল।

অধ্যাপক চেলিম অতি চতুৰ মানুহ। কথাৰ পাকত তেওঁক ঘটুৱাব পৰা মানুহ নাই। অতি চৰম অৱস্থাতো তেওঁ ধৈৰ্য্য নেহেৰুৱায়। উত্তেজিততো নহয়েই। "তুমি নিজেই ভাবি চোৱা। যি ভাল দেখা কৰিবা। মই তোমাৰ ঠাইত হোৱা হ'লে কিন্তু অৰ্থহীন বিশ্বস্ততা আৰু আতিথেয়তা দেখুৱাবলৈ গৈ মোৰ নিজৰ ভবিষ্যত মাটি হবলৈ কেতিয়াও এৰি নিদিলোঁহেঁতেন।" এইবুলি তেওঁ কাপোৰ সলাবলৈ উঠি গ'ল।

চান্‌মা নীৰৱে কেতিয়াবা সোমাই আহি আনোৱাৰহঁতৰ কথা-বতৰা শুনি আছিল। আনোৱাৰে তাইৰ চকুলৈ চালে। সি আশা কৰিছিল সেই চকুত সি সহৃদয়তা আৰু সমৰ্থনৰ ভাব দেখিবলৈ পাব। কিন্তু তাক চোৱা দেখি তাই মুখ ঘূৰাই একমনে উলৰ কামত লাগি গ'ল। তাৰ মানে, আনোৱাৰে বুজিলে, চান্‌মাও তাৰ বিপক্ষৰ শিবিৰৰ।

অধৈৰ্য্য হৈ সি থিয় দিলে। চান্‌মাই এইবাৰ মুৰ তুলি চাই হাঁহি-হাঁহি ক'লে, "আনোৱাৰ, মই এইটো কি কৰিছো জানানে? তোমালৈ এটা চুৱেটাৰ গুঠিছোঁ।"

"ধন্যবাদ!" চুৱেটাৰ দেখুৱাই কুচুলাৰ খুজিছা, সি ভাবিলে। "মই যাওঁ।"

"কিয়, আমাৰ ইয়াত ৰাতিৰ সাজ খাই যাবা—থাকা।"

"নাই, মই যাওঁ।"

"আনোৱাৰ!"

"নাই, চাল্‌মা।"

"আনোৱাৰ! জিত নধৰিবা। যাবাই তোমাৰ ভালৰ বাবেই ৰামলালৰ লগ এৰি দিবলৈ কৈছে।"

"মই জানো। কিন্তু মইতো একো জিত ধৰা নাই। মই যি কৰিছো উচিত ভাবিয়েই, মোৰ কৰ্ত্তব্য বুলিয়েই কৰিছো।"

"নাই নাই। তুমি জিত ধৰিছা। তুমি জিদ্দী। গাধৰ দৰে জিদ্দী!"

"মই যাওঁ।" আনোৱাৰ আৰু একো নকৈ দুৱাৰৰ পিনে আগবাঢ়ি গ'ল।

"ঠিক, আনোৱাৰ? ৰামলালৰ মূল্য তোমাৰ ওচৰত মোতকৈও বেছি? বেছি তেন্তে যোৱা। তাৰ ওচৰলৈকে যোৱা। ইয়ালৈ আৰু নাহিবা। কেতিয়াও। কেতিয়াও। কেতিয়াও।" তাৰ পিচত হুকহুককৈ কান্দি তাই চোফাত বাগৰি পৰিল।

প্ৰায় দৌৰি যোৱাৰ দৰে বেগেৰে আনোৱাৰ বাটলৈ ওলাই আহিল। তাৰ মনটো যেন বিপৰীতমুখী একাধিক বিশৃঙ্খলতাৰ, কৰ্ত্তব্যবোধৰ থৈয়া-নথৈয়া ৰণক্ষেত্ৰত পৰিণত হৈছে। কোনটো তাৰ প্ৰকৃত কৰ্ত্তব্য! কোনটো ধৰিব। কোনটো এৰিব।

কোনো সিদ্ধান্তত উপনীত হব লগা অৱস্থা অৱশ্যে তাৰ নহ'ল। ছাত্ৰাবাসত প্ৰৱেশ কৰাৰ লগে লগে ৰাজে ক'লে, ৰামলাল হেনো হঠাৎ গুচি গৈছে। কাকো একো কৈ যোৱা নাই। আনোৱাৰে ভাবিলে, মেজত হয়তো কিবা লেখি থৈ যাব পাৰে। কিন্তু চাই দেখিলে তাত একো নাই। মাত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ এখন ঘোষণা-পত্ৰহে পৰি আছে। তাত ছাত্ৰসকললৈ নিৰ্দ্দেশ দিয়া হৈছে, সিহঁতে যেন কোনো অপৰিচিত লোকক নিজৰ কোঠাত অতিথি হিচাপে নেৰাখে। ৰাখিবৰ হ'লে আগে ছাত্ৰাবাসৰ অধ্যক্ষৰপৰা অনুমতি লব লাগিব।

"সি এইখন দেখিছিল?" আনোৱাৰে সুধিলে।

একো নকৈ ৰাজে মূৰ দুপিয়ালে। তাৰ মানে এই কাৰণেই ৰতন গুচি গ'ল।

বন্ধুৰ কথা ভাবি আনোৱাৰৰ দুখ লাগিল। সি ক'লৈ গ'ল কোনেও নেজানে। ধৰা নপৰাকৈ পুলিচৰপৰা কেনেকৈ সাৰি থাকিব বাৰু ৰতন! তথাপিও আনোৱাৰৰ এটা সৰু স্বস্তিৰ নিশ্বাস ওলাই আহিল। অন্ততঃ চাল্‌মাৰ লগত তাৰ বিচ্ছেদ ইমান সোনকালে ঘটাৰ দুখ হয়তো সি সহ্য কৰিব আৰু নেলাগে।

আৰু সেইবাবে, নিৰ্লজ্জৰ দৰে সি আকৌ মেৰিচ ৰাজপথেদি উভতি আহিল। তাৰ নিষ্ঠুৰ ব্যৱহাৰৰ বাবে দোষ-স্বীকাৰ কৰি সি চাল্‌মাক তাক ক্ষমা কৰি দিবলৈ কব। মাত্ৰ আধাঘণ্টাৰ আগতে চাল্‌মাক অস্বীকাৰ কৰিবলৈ সি সাজু হৈছিল। কিন্তু তেতিয়াও সি জানিছিল অন্তৰৰ গভীৰ থলীৰপৰা সি চাল্‌মাক অস্বীকাৰ কৰিব নোৱাৰে—নোৱাৰিব কোনোদিন। —কাৰণ, কাৰণ সি চাল্‌মাক ভাল পায়। আপোন আৱেগ-অনুভূতিৰ সূক্ষ্ম গ্ৰন্থিৰে যি মকৰাজাল সি গুঠিছে আনোৱাৰে জানে সেই জালৰপৰা কোনো-দিন সি নিষ্কৃতি নেপায়! আৰু, আৰু প্ৰকৃতপক্ষে সেই জালৰপৰা নিষ্কৃতি পাবলৈ সি নিবিচাৰেও।

প্ৰত্যেক বছৰেই নিয়মিতভাৱে ব'লা মৌচুমী বতাহৰ মাজেৰে ফেব্ৰুৱাৰী মাহটো শেষ হৈ গ'ল। মাৰ্চ্চ মাহ আহিল। চেঁচা অথালি-পথালি বতাহ বলিবলৈ ধৰিলে। আলিগড়ৰ চাৰিওফালৰ অৰ্দ্ধ-মৰুভূমি সদৃশ ঠাইবোৰৰ পৰা ধূলি উৰি সৰু সৰু বা-মাৰলীৰ ৰূপত ঘূৰি ঘূৰি আলিবোৰৰ ওপৰেদি নাচনী ছোৱালীৰ দৰে ইটোৰ পিচত সিটো যাবলৈ ধৰিলে। এই সময়ত আনোৱাৰৰ দৰে এম-এ পঢ়া ছাত্ৰৰ বাবে দিনটোত দুটা বা কাচিৎ তিনিটা বক্তৃতাত উপস্থিত থকাৰ বাহিৰে কৰিবলৈ তেনে একো কাম নথাকে। আনোৱাৰৰো নাছিল। মাজে মাজে কেতিয়াবা তৰ্কসভা হয়। পিচে তাতো একো নতুনত্ব নাই। বক্তাবোৰে সদায় আমনি লাগি যোৱাকৈ একেবোৰ কথা একেবোৰ সংসদী-ৰংগৰকে বাৰে-বাৰে চৰ্ব্বিত-চৰ্ব্বণ কৰি থাকে। অলপ দিনৰ আগতে অনুষ্ঠিত হোৱা শিল্প আৰু কৃষি প্ৰদৰ্শনীৰ সময়ত বিশ্ববিদ্যালয় কিছু পৰিমাণে সজীৱ হৈ উঠিছিল। সিও শেষ হৈছে। ইকালে বছেৰেকীয়া খেল-প্ৰতিযোগিতা আৰু টুৰ্ণামেণ্টলৈকো সময় আছে। গোটেই বিশ্ববিদ্যালয়খনেই যেন হিম-শীতল বতাহৰ ভয়ত জড়তাৰ কম্বল মূৰে-গাৰে লৈ বিছনাত কুচি-মুচি সোমাইহে আছে।

এয়া আলিগড়ৰ কথা। বাহিৰৰ বাকী দেশখনত কিন্তু ৰাজনীতিৰ উত্তাপ দিনে দিনে বৃদ্ধি পাইছিল। প্ৰত্যেক দিনৰ বাতৰি কাকত পঢ়ি

আনোৱাৰৰ ধাৰণা হৈছিল গোটেই আন্দোলনটোৱেই এইবাৰ বোধহয় এটা চূড়ান্ত অৱস্থালৈ দ্ৰুতগতিত আগবাঢ়ি আহিছে। দেশৰ প্ৰত্যেক অঞ্চলৰ পৰাই দিনৌ নতুন নতুন সন্ত্ৰাসবাদীৰ কাৰ্য্যকলাপৰ সংবাদ আহিব ধৰিছে। যিমানে পঢ়ে সিমানে তাৰ জানিবৰ আগ্ৰহ বাঢ়ি যায়—তাৰ বন্ধু ৰতন ওৰফে ৰামলালে এইবোৰ কাৰ্য্যত কি ভূমিকা গ্ৰহণ কৰিছে। বোম্বাইত ইয়াৰ ভিতৰতে আকৌ এবাৰ সাম্প্ৰদায়িক সংঘৰ্ষ লাগি যায়। পাঠানবোৰে সৰু সৰু ল'ৰা-ছোৱালী অপসৰণ কৰি হত্যা বা আহত কৰাৰ পৰাই এনে ঘটনা ঘটে। কিন্তু পিচত গোটেই কথাটোৱেই মিছা গুজৱ বুলি প্ৰমাণিত হোৱাত সংঘৰ্ষৰ ওৰ পৰে। আনফালে চাইমন কমিচনে অনুসন্ধান কৰিবলৈ যলৈকে যায় তাতেই হৰতাল শোভাযাত্ৰাৰে কমিচনক আদৰণা জনোৱা হয়। হৰতাল, ক'লা পতাকা, 'চাইমন উভতি যোৱা' ধ্বনি, আনকি ঠায়ে ঠায়ে হিংসাত্মক বিক্ষোভো প্ৰদৰ্শন কৰা হৈছে। মহাত্মা গান্ধীৰ বিদেশী কাপোৰ বৰ্জন কৰা আন্দোলন পূৰ্ণোদ্যমে আগবাঢ়ে। ফলত লেঙ্কাচায়াৰ আৰু মানচেষ্টাৰৰ কাপোৰৰ প্ৰতিষ্ঠানসমূহ বেয়াভাৱে ক্ষতিগ্ৰস্ত হব ধৰে। মাৰ্চ্চ মাহৰ চাৰি তাৰিখে বিদেশী কাপোৰ স্তূপাকাৰ কৰি জুলাই দিয়াৰ অপৰাধত কলিকতাত মহাত্মাক গ্ৰেপ্তাৰ কৰা হয়। তাৰ দুদিনমানৰ পিচতে পণ্ডিত মতিলাল নেহৰুৱে সংসদীসকলৰ "পদত্যাগ! পদত্যাগ!" ধ্বনিৰ মাজত চৰকাৰী পক্ষক বেয়াভাৱে পৰাজিত কৰে। চৰকাৰৰ বাজেট-দাবীক সংসদীসকলে নমাই আনি এটকা পোৱাইছি। আৰু চৰকাৰেও কাৰ্য্যকভাৱেই মহাত্মাক এটকা জৰিমনা কৰি এৰি দিয়ে।

চাৰিওফালৰ এনে অস্থিৰ পৰিস্থিতিৰ মাজত আনোৱাৰ নিজে বিশ্ববিদ্যালয়ৰ ইতিহাস-সভাৰ সম্পাদক নিযুক্ত হোৱাটো সি বিশেষ গুৰুত্বপূৰ্ণ কথা নহয় বুলিয়ে সি ভাবিছিল। সি জানে অধ্যাপক চেলিমৰ প্ৰভাৱ তথা চুপাৰিশতে তাক এই পদ দিয়া হৈছে। তাৰ বৰ ভাল লগা নাছিল। হলেও সি নেজানে, এদিন আহিব যেতিয়া তাৰ এই সম্পাদক নিযুক্তিয়ে

বিভিন্ন পাৰিপাৰ্শ্বিকতাৰ মাজেদি তাৰ ভৱিষ্যত জীৱনৰ ৰূপ আৰু গতিকেই নিয়ন্ত্ৰণ কৰিব।

সম্পাদক হোৱা বাবে তাক অভিনন্দন জনাই অধ্যাপক চেলিমে আকৌ এবাৰ তাক চিভিল-চাৰ্ভিচ পৰীক্ষাৰ কথা সোঁৱৰাই দি ক'লে অহা বছৰৰ পৰা আৰম্ভ হব লগা এই বিষয়ৰ বিশেষ শ্ৰেণীত যোগ দিবলৈ সি যেন নেপাহৰে। এই পৰীক্ষা দিবই বুলি আনোৱাৰে এতিয়াও সিদ্ধান্ত গ্ৰহণ কৰা নাই। অৱশ্যে নিদিওঁ বুলিও ভবা নাই। সেই কাৰণে সি একো নকলে। তাক চৰকাৰী চাকৰিত এদিন নিয়োজিত হোৱা এদিন দেখিবলৈ পামেই বুলি ভাবি থকা অধ্যাপকক নিৰাশ কৰা বা অযথা চালমাৰ লগত তৰ্ক কৰাৰ সি কোনো কাৰণ নেদেখিলে।

আনোৱাৰৰ বয়স উনৈশ বছৰ পাৰ হৈ কুৰিত সোমাইছে। আলিগড় বিশ্ববিদ্যালয়ৰ সি স্নাতক। তদুপৰি সি গভীৰভাৱেই প্ৰেমত পৰিছে। অথচ এতিয়াও সি ঠিক কৰা নাই ভৱিষ্যত জীৱনত সি কি কৰিব। বুৰঞ্জীমূলক গৱেষণাৰ প্ৰতি তাৰ অলপ ধাপ আছিল। আৰু সেই কাৰণেই সি বুৰঞ্জীত এম-এ পঢ়িবলৈ লৈছিল। কিন্তু তাৰ আব্বাজানৰ আশা আছিল তেওঁৰ পুতেক উকিল হব। "আমাৰ মুছলমানৰ ভিতৰত ভাল উকিলৰ বিশেষ দৰ্কাৰ।" সকলো কথাকে সাম্প্ৰদায়িক দৃষ্টিভঙ্গীৰে চোৱা আব্বাজানে তাক কৈছিল। তেওঁৰ কথা ৰাখি সি আইনৰ শ্ৰেণীত নামো লেখাইছিল। হলেও সন্ধিয়াৰ আইনৰ শ্ৰেণীত উপস্থিত থকাৰ কথা তাৰ প্ৰায়ে মনত নেথাকিছিল। এতিয়া অধ্যাপক চেলিমেও তাক চিভিল-চাৰ্ভিচ পৰীক্ষাৰ বাবে আয়োজিত বিশেষ শ্ৰেণীত যোগ দিবলৈ নিৰ্দ্দেশ দিছে। তেওঁ ইতিমধ্যে তাৰ ভৱিষ্যত শহুৰৰ সুৰতে কথা কবলৈ আৰম্ভ কৰি দিছে। আব্বাজানৰ কথা নীৰৱে মানি লোৱাৰ দৰেই তেওঁৰ কথাতো আনোৱাৰে নীৰৱে সন্মতি জনাই থ'লে।

সজ্ঞানে চিন্তা নকৰিলেও আনোৱাৰৰ মনৰ গহনত কিন্তু তাৰ ভৱিষ্যত জীৱন সম্পৰ্কে এটা জটিল প্ৰশ্নবোধক চিন অঙ্কিত হৈ আছিল। সি নিজেও নেজানিছিল যে তাৰ ভৱিষ্যত জীৱন, দেশৰ আন অনেক ডেকাৰ জীৱনৰ দৰেই, কাৰো ব্যক্তিগত ইচ্ছা-অনিচ্ছাই গঢ় দিব নোৱাৰে। ইয়াক গঢ় দিব এতিয়াও কালৰ গৰ্ভত সোমাই থকা অনাগত অনেক ঘটনাই। বুৰঞ্জীৰ সমানেই শক্তিশালী এক অনামী শক্তিয়ে।

সেইদিনা আছিল মার্চর মাহৰ একৈশ তাৰিখ। যথেষ্ট জাৰ পৰিছে। নিশাৰ বতাহ কুঁৱলীৰে গধুৰ। তথাপি মেৰিচ ৰাজপথৰপৰা দুমাইল বাট খোজকাঢ়ি আহি তাৰ যথেষ্ট গৰম লাগিছিল। সেইদিনা সন্ধিয়া চালমাৰ মনটো বেচ প্ৰফুল্ল হৈ আছিল। বেডমিণ্টন খেলাত আনোৱাৰ তাইৰ হাতত দুগে'ম হাৰিছে। সি অৱশ্যে হাৰি অকণো বেয়া পোৱা নাছিল। মৰমীৰ হাতত হৰাৰ এটা বেলেগ আৰাম আছে। খেলাৰ পিচত তাই তাক নিজৰ সৰুকালৰ ছবি থকা এলবাম এটা দেখুৱাইছিল। তাৰ পিচত তাইৰ অনুৰোধক্ৰমে আনোৱাৰে তাইক জোশ্বৰ নতুন কবিতা এটা আবৃত্তি কৰি শুনোৱালে। সকলোৰে মনত আনন্দ। আনকি, শেষত অধ্যাপকে যেতিয়া পাইপটো আনোগৈ বুলি নিজৰ কোঠালৈ গ'ল উপবাচি কাষ চাপি চালমাই আনোৱাৰক তাইক চুমা খাবলৈকো দিলে।

ভিক্টোৰিয়া-গে'টৰ ওপৰৰ বিৰাট ঘড়ীটোত এঘাৰ বজাৰ লগে লগে ছাত্ৰাবাসত প্ৰৱেশ কৰি আনোৱাৰ নিজৰ কোঠালৈ গ'ল। এতিয়া এঘণ্টামান পঢ়া-শুনা কৰি সি তাৰ কোমল বিছনাত আৰাম কৰি শুব। আৰু শুই শুই মনোৰম সপোন ৰচনা কৰিব। কিন্তু কোঠাত সোমায়ে সি দেখিলে চোব্‌হানে তালৈ বাট চাই বৈ আছে। কাপোৰ-কানি পিন্ধি কৰবালৈ যাবলৈহে যেন সি ওলাই আহিছে।

"উৱা! চোব্‌হানক্ষি দেখোন।" আনোৱাৰে তাৰ 'বাশীয়ান' বন্ধুক ঠাট্টাৰ সুৰত মাত লগালে। এনেদৰে মাতিলে চোব্‌হানে বেয়া নেপায়। মনেই নকৰে। "পিচে কি মন কৰি? নে বিপ্লৱৰ চৰম শিঙা বাজি উঠিলেই? সময় আহি গ'ল?"

"ঠিক কৈছা। এইবাৰ সময় আহিল।" চোব্‌হানে কৈ উঠিল, "তুমি আজিৰ কাগজ পঢ়িছানে?"

"ওঁ—পঢ়িছো। ৰাতিপুৱাই।—সকলো কমৰেড দলে-বলে গ্ৰেপ্তাৰ হোৱা যেন পাইছো। এতিয়া পিচে কি কৰো বুলি ভাবিছা? প্ৰতিবাদ সভা?"

"প্ৰতিবাদ সভা লাহে-ধীৰে হব।" চোব্‌হানে ক'লে, "আগতে ওলোৱা। মই তোমাক লৈ যাবলৈহে আহিছো। দিল্লীলৈ যাব লাগে। বন্দীসকলক মিৰাটলৈ নিব। গতিকে কপাল ভাল হ'লে আমি একেলগে গাজিয়াবাদ পৰ্য্যন্ত যাব পাৰিম। আৰু ঠিক সময়ত উভটি আহি শ্ৰেণীত উপস্থিতো হব পাৰিম।"

"বেচ্‌তো! তাৰ মানে তীৰ্থযাত্ৰা কৰিব খুজিছা। দৰ্শন। ঠিক আছে—তোভাবিচ্ছু, মই যাম। পিচে তোমাৰ হাতত পৰ্য্যাপ্ত পৰিমাণে

মস্কো-স্বৰ্গ আছে জানো টিকেটৰ দাম দিবলৈ? নে আমি বিন্-টিকেটে যাব লাগিব?"

এইদৰে হাঁহি-ধেমালি ঠাট্টা-মস্কৰা কৰি দুয়ো ওলাই আহিল। যাবলৈ ভাল লাগিব বুলিয়ে আনোৱাৰ একে আষাৰে যাবলৈ মান্তি হ'ল। ভ্ৰমণৰ প্ৰতি লোভ আনোৱাৰৰ তেজত আছে। অভিযানত ওলাই যোৱা যেন লাগিব। অৱশ্যে ওচমানে আন কাকো লগ নলৈ তাক লগ লোৱাৰ কাৰণ কি তাকো আনোৱাৰে জানে। আনোৱাৰৰ ৰাজনীতিৰ প্ৰতি প্ৰচণ্ড আকৰ্ষণ আছে। কিন্তু আনৰ দৰে অন্ধভাৱে শিৰা এটা স্বযুগতে কোনো এটা দল বা মতবাদ সমৰ্থন কৰি লোৱা ল'ৰা সি নহয়। ৰাজনীতিৰ বৰণীয়াল সকলোৱেই আনোৱাৰক নিজৰ নিজৰ বৰণীত সিবলৈ যত্ন কৰিছে। কংগ্ৰেছী, কমিউনিষ্ট, মুছলিম লীগ, আনকি নিজকে উদাৰপন্থী বুলি পৰিচয় দিয়া চৰকাৰৰ বহুতীয়া দলেও আনোৱাৰক নিজৰ দলভুক্ত কৰিবলৈ টনা-আজোৰা লগাই আছে। এই সকলোৰে ভিতৰত চোব্‌হানেই সকলোতকৈ বুধিয়ক; আৰু সেই কাৰণেই আনোৱাৰৰ তাক ভাল লাগে। চোব্‌হান বেছ্ ধেমেলীয়া; ৰঙীয়াল; আৰু কথা-বতৰাবোৰতো যুক্তি থকা বিধৰ। নিজেও কয়; আনৰ কথাও শুনে। ওচমানৰ মত হ'ল—ভাবি যদি ভাল পায় মানুহে যিমান ইচ্ছা ভাবক। কিন্তু সি জানে, বিশ্বাস কৰে, 'ৰঙা' নেতাসকলৰ বিষয়ে ভালদৈ জানিলে "বিপথগামী আদৰ্শবাদী দল" এনেও কমিউনিষ্ট হৈ উঠিব।....আৰু আনোৱাৰৰ কথা হ'ল—'তেওঁলোকক' যদি দেখিবলৈ পোৱা যায় তেন্তে চাৰিকুৰি মাইল বাট অহা-যোৱা কৰাটোনো কি এনে ডাঙৰ কথা!

আনোৱাৰে বাতৰি কাকতত গ্ৰেপ্তাৰ হোৱা মানুহখিনিৰ বিষয়ে বিতংকৈ পঢ়িছে। তেওঁলোকৰ ভিতৰত আছে—এজন বিধান সভাৰ সদস্য, এজন ডাক্তৰ, কেইবাজনো ছাত্ৰ আৰু একোৰে লগত সংশ্ৰৱ নথকা বুদ্ধিজীৱি; তাৰ উপৰি আছে দুজন ইংৰাজ আৰু কেইজনমান মুছলমান মানুহ প্ৰমুখ্যে বোম্বাই আৰু কলিকতাৰ ট্ৰেড্ ইউনিয়নৰ সকলো বিষয়-ববীয়া। কমিউনিষ্ট আন্দোলনটো এক দৃষ্টিকোণৰপৰা চাবলৈ গ'লে আন্তৰ্জাতিক আন্দোলন। আৰু সেই কালৰপৰা চালে এই 'গ্ৰেপ্তাৰ'ক সম্পূৰ্ণেই প্ৰতিনিধিমূলক বুলি কব পাৰি।

সকলো নহয় কিছুমান 'নেতা' আছে যি নিজৰ 'নেতাগিৰি' সাব্যস্ত কৰিবৰ বাবে কিছুমান বিশেষ কৌশল প্ৰয়োগ কৰি অবিৰাম চেষ্টা চলায়। বিশেষ ধৰণৰ সাজ-পাৰ পিন্ধি, কিছুমান বিশেষ শব্দ আৰু কথন-ভঙ্গী ব্যৱহাৰ কৰি, আৰু সমাজৰ আগত ভুৱা মানৱতাবোধৰ প্ৰদৰ্শন কৰি নেতা

হবলৈ যোৱা এই শ্ৰেণী মানুহৰ প্ৰতি আনোৱাৰৰ এটা অস্পষ্ট ঘৃণাৰ ভাব আছিল। ভাল কাপোৰ পিন্ধা, ভাল ভাল খাবলৈ পোৱা, তথাকথিত 'নেতাই' বুভুক্ষু জনতাৰ হৈ ওকালতি কৰাটো হাঁহি উঠা কথা যেনেই লাগে আনোৱাৰৰ। আজিও, এদল গ্ৰেপ্তাৰ হোৱা বিপ্লৱী নেতাক চাবলৈ গৈছে যদিও তাৰ মনটো সিমান উচ্ছ্বসিত হৈ উঠা নাছিল। বৰং কিবা এটা অদৰ্কাৰী কামেই কৰিবলৈ যোৱা যেন লাগি আছিল তাৰ। তাৰ ধাৰণা আছিল, টোপনি খতি কৰি আহি যাক সি দেখিব—সকলোৱেই 'ড্ৰয়িংৰুমৰ চোফাত বহি বিপ্লৱ কৰা বিপ্লৱী'। কিতাপত আনোৱাৰে ফ্ৰান্স, ৰুছীয়া আৰু আয়াৰলেণ্ডৰ বিপ্লৱীবোৰৰ কথা পঢ়িছে। তেনে বিপ্লৱী ইয়াত সি ক'ত দেখিব।

তেতিয়া ৰাতি পুৱাও পুৱাও। শীতৰ কুঁৱলীয়ে যমুনা নদীৰ ওপৰত আঠুৱা তৰিবলৈ আৰম্ভ কৰি দিছে। এনে সময়তে সিহঁত আহি দিল্লী ষ্টেচনত প্ৰৱেশ কৰিলে। পোহৰ হৈছে যদিও এন্ধাৰৰ ভাব সম্পূৰ্ণে নোহোৱা হোৱা নাই। মানুহেৰে ঠাঁহ খোৱা তৃতীয় শ্ৰেণীৰ ডবাত খিৰিকীৰ কাষত বহি আহি সিহঁতৰ দেহ-মন ছিগি-যায় ভাগি-যায় লাগিছিল। এতিয়া এপিয়লা এপিয়লা গৰম চাহ খাব পাৰে তেহে ভাল লাগিব। চাহ পালে। ভালেমান পৰ সিজাই থকা আৰু তিতা হ'লেও ধোঁৱা উৰি থকা চাহ একো পিয়লা খাই গাত বল বান্ধি সিহঁতে মিৰাট অভিমুখী ৰেলখন বিচাৰি ওলাল। ৰেলৰ ওচৰ পাই দেখিলে যি উদ্দেশ্যেৰে ইমান কষ্ট কৰি আহিল সেয়া সহজে সফল হোৱা টান। যিটো ডবাত বন্দীবোৰ আছে তাত সোমোৱা প্ৰায় অসম্ভৱ। ডবাটোৰ দুয়োকাষে সশস্ত্ৰ পুলিচ দলে পৰ দি আছে।

চোৰহানে যেই হওক, কোনোমতে বাট উলিয়াই ডবাৰ সমুখ পালেগৈ। আৰু আনোৱাৰে জীৱনত প্ৰথম কাৰৰ কাৰণে দুৰ্দ্ধৰ্ষ 'ৰঙা' বিপ্লৱীৰ এটা দল দেখিবলৈ পালে। মুহূৰ্ত্তৰ ভিতৰতে আনোৱাৰৰ সকলো ধাৰণা তাৰ মানত মিছা বুলি প্ৰতীয়মান হ'ল। সি দেখিলে সিহঁতৰ কাৰো গাত অকণমানো 'নেতাৰ' চেহেৰা নাই। প্ৰত্যেকৰে গাত ভিন ভিন সাজ-পাৰ, চুট-পেণ্টৰপৰা চুৰিয়া-পায়জামালৈকে। কিন্তু কাৰো গাত তথাকথিত নেতাৰ 'ইউনিফৰ্ম' নিৰ্ভেজাল খদ্দৰৰ পোছাক নাই। বহুত দূৰ অহা বাবে জপৰা চুলি, ভোবোৰা গাল, আৰু মলিয়ন কাপোৰেৰে মানুহবোৰ দেখিবলৈ জলহ-জলহ লগা হৈছে। হলেও মনোবল উদ্যমৰ অভাৱ ঘটা নাই কাৰো। চোৰহানে প্ৰথম যিজনক সম্ভাষণ জনালে তেওঁ দেখিবলৈ সাইলাখ বাৰীত কাউৰী খেদিবলৈ সাজি থোৱা ভুমুঠিৰ জঁকাৰ দৰে। খীণ,

ওখ, এজন পাৰ্চী মানুহ। দীঘল দীঘল আধাপকা আধা কেঁচা চুলি। ভাটোৰ নাকৰ দৰে টিকটিকিয়া নাকৰ ওপৰত এঁযোৰ জলজলীয়া চশমা। চোৱহানক পায়ে তেওঁ এই "সাম্রাজ্যবাদী"ৰ যন্ত্ৰৰ পিচত লাগি দৌৰি অহা "ৰঙা ডবা"টোৰ কথা মুখস্থ মতাদি মাতি কৈ যোৱাত লাগিল। পিচত আনোৱাৰে গ'ম পালে এই 'ৰঙা-ডবা'ৰ যাত্ৰীজনৰ নাম ঝাবৱালা। মানুহ-জন আচলতে কমিউনিষ্ট নহয়। কিন্তু ভাৰতবৰ্ষত তেওঁৰ সমান ট্ৰেড ইউনিয়নৰ জন্ম দিয়া মানুহ দ্বিতীয় এজন নাই।...গোটেই দলটোৰ ভিতৰতে ইংৰাজ দুজন জিলিকি আছে। খীণ, ওখ, চাৰ্লি চেপলিনৰ দৰে মোচ থকাজনৰ নাম স্প্ৰেট্‌। আনজন শকত-আৱত, গাখলু;—নাম ব্ৰেড্‌লি। ব্ৰেড্‌লিয়ে ধূসৰ ৰঙৰ ডবল-ব্ৰেষ্ট কোটৰ চুট পিন্ধিছে। সকলোৰে ভিতৰত এওঁকেই অলপ ফিটফাট থকা যেন দেখা গৈছে। চোৱহানে সি চিনি পোৱা আৰু দুজনমানক আনোৱাৰক দেখুৱাই দিলে। দেখিলেই জ্ঞানী যেন লগা বুদ্ধিদীপ্ত চেহেৰাৰে সেয়া ডক্টৰ অধিকাৰী; ওচৰতে সেইজনো জাৰ্মানীত শিক্ষা পোৱা এজন পি-এইচ-ডি, চকুত ডাঠ চশমা, চুলিবোৰ ঘনকৃষ্ণ। অতি ওখকৈ সেইজন নিম্বকাৰ। অপৰা চুলিৰে সেয়া ঘোগ্‌লে-কাৰ। কলেজীয়া ছাত্ৰৰ দৰে লগাজন মিৰাজকাৰ। এই চাৰিওজন মহাৰাষ্ট্ৰৰ,—মাৰাঠী ভাষাত কথা পাতি আছে। এই এটা ভাষা আনোৱাৰে তাৰ জীৱনত প্ৰথম শুনিলে। এটা কথা আনোৱাৰৰ মনত ৰৰকৈ লাগিল। ডবাটোত এনে এটা পৰিৱেশ বিৰাজ কৰিছে যেন সেয়া এদল বন্দী সোমাই থকা ডবাই নহয়। নজনা মানুহে দেখিলে ভাবিব,—এদল কলেজীয়া ছাত্ৰই যেন দল বান্ধি ক'ৰবাত ফুটবল খেলিবলৈহে গৈছে। এটা কথা ভাবি আনোৱাৰৰ ভাল লাগিল। অন্ততঃ এই কমিউনিষ্ট নেতাদলে কোনো প্ৰকাৰৰ বাৰ্দ্ধক্যৰ পৰা ভোগা নাই।

শেষত চোৱ্‌হানে সুবিধা বুজি নিজকে আলিগড় বিশ্ববিদ্যালয়ৰ মাৰ্ক্স-অধ্যয়ন-চক্ৰৰ সম্পাদক বুলি বন্দীসকলক চিনাকি দিলে। সকলোৱে সেই কথা শুনি আনন্দ প্ৰকাশ কৰিলে। দুই এজনে মুঠি-মৰা হাত তুলি তাক নমস্কাৰো জনালে। "তেন্তে সংক্ৰামক ব্যাধিয়ে আলিগড়ো চুইছেগৈ।" এজনে হাঁহি-হাঁহি মন্তব্য কৰিলে। এইবাৰ চোৱ্‌হানে তাৰ স্বাক্ষৰ-সংগ্ৰহৰ বহীখন উলিয়াই দি ক'লে যোলে অধ্যয়ন-চক্ৰত উপস্থাপন কৰিবলৈ তাক কিবা এটা সংবাদ লিখি দিব লাগে। সকলোৱে একেমুখে চিঞৰি উঠিল, "ডক্টৰে লিখি দিয়ক, ডক্টৰে!" মানে ডক্টৰ অধিকাৰীয়ে।

অধিকাৰীয়ে ফাউণ্টেন-পেনটো খুলি খুলি সুধিলে, "তুমি তাত কি পঢ়িছা ?"

"শ্ৰেণীত দৰ্শন," চোৱহানে উত্তৰ দিলে, "বাহিৰত মাৰ্ক্সবাদ।"

"মাৰ্ক্সবাদতকৈ ডাঙৰ দৰ্শন আৰু একো নাই।" বহীখন ঘূৰাই দি অধিকাৰীয়ে ক'লে। আনোৱাৰে পঢ়ি চালে। তাত সুন্দৰ গোট গোট আখৰেৰে লেখা আছে: "আগৰ দাৰ্শনিকসকলে পৃথিৱীৰ অনেক অৰ্থ দি গৈছে। এই পৃথিৱী পৰিবৰ্ত্তন কৰাই আমাৰ কাম।—কাৰ্ল মাৰ্ক্স।"

চোৱহানে ধন্যবাদ জনাই নৌ অঁটাওঁতেই গাৰ্ডে দূৰত হুইছেল বজালে। লগে লগে ইঞ্জিনেও দুগুণ জোৰে উঁকি দি উঠিল। এতিয়াহে চোৱহানৰ আনোৱাৰৰ কথা মনত পৰিল। লৰালৰিকৈ সি ক'লে, "চাওক কমৰেড-সকল, এওঁ মোৰ বন্ধু মোহাম্মদ আনোৱাৰ আলি। এতিয়াও মাৰ্ক্সবাদী হৈ উঠা নাই; কিন্তু ওচৰতে আছে।"

"আপোনাক লগ পাই সুখী হ'লো, কমৰেড।" আকৌ এক দফা কৰমৰ্দ্দন-পৰ্ব্ব চলিল। আনোৱাৰে এই মাৰ্ক্সবাদী দলৰ শক্তি আৰু অন্তৰঙ্গতা গভীৰভাৱে উপলব্ধি কৰিলে। সিহঁতৰ সৰহভাগৰে বয়স আনোৱাৰতকৈ বিশেষ বেছি নহয়। তদুপৰি দেখাত ধৰিব পাৰি সকলো-বোৰেই মধ্যবিত্ত শ্ৰেণীৰ বুদ্ধিজীৱী মানুহ। সাধাৰণ বনুৱা শ্ৰেণীৰ মাজত সিহঁতে বিপ্লৱৰ বীজ সিঁচি দিছে। সি ভাবি আচৰিত হ'ল বিশেষ জনপ্ৰিয়তা লাভ নোহোৱা এই কাম কৰিবলৈ এইদল মানুহ কিয় আগবাঢ়ি আহিছে। নিজকেই সি প্ৰশ্ন কৰে,—কিহে সিহঁতক প্ৰেৰণা যোগাইছে?

ৰেলখন চলিবলৈ ধৰিলে। ৰঙা-ডবাৰ বন্দী যাত্ৰীদলে চিঞৰি উঠিল, "সাম্ৰাজ্যবাদ ধ্বংস হওক।" "বিপ্লৱৰ জয়।" আনোৱাৰে লক্ষ্য কৰিলে স্পেচট আৰু ব্ৰেডলিয়েই জয়ধ্বনি লগাই দিছে। দুজন ইংৰাজে ভাৰতীয়ৰ লগত কণ্ঠ মিলাই চিঞৰিছে, "সাম্ৰাজ্যবাদ ধ্বংস হওক।" এয়া যথাৰ্থতে আচৰিত কথা। আনোৱাৰে মনে মনে সিদ্ধান্ত কৰিলে এনে আশ্চৰ্য্যও সম্ভৱ কৰি তোলা মাৰ্ক্সবাদতনো কি আছে সি ভালকৈ পঢ়ি চাব।

কমিউনিষ্ট বন্দী দলৰ লগতে একেলগে গাজিয়াবাদ পৰ্য্যন্ত যাম বুলি সিহঁতে ভাবি আছিছিল। সেইটো সম্ভৱপৰ হৈ নুঠিল। বাধ্য হৈ আনোৱাৰহঁতে চিনাকি সেউজীয়া ৰঙৰ পঞ্জাব-কলিকতা-মেইলৰ সন্ধান কৰাত লাগিল। প্লেটফৰ্মত এদল খদ্দৰ পিন্ধা মানুহ গোট খাইছে। দুই-এজনৰ হাতে-হাতে একোখন কংগ্ৰেছ পতাকাও। বোধহয় কোনোবা নেতা ক'ৰবালৈ যাব এই ৰেলেৰে। আৰু সেইবাবে থলুৱা কংগ্ৰেছী লোকসকলে তেওঁক বিদায় সম্ভাষণ জনাবলৈ আহিছে। কোন হ'ব পাৰে বাৰু? কংগ্ৰেছীসকলে বেঢ়ি-কুৰি ধৰি থকা বিদায়ীৰ ডবাটোৰ কাষ চাপি গ'ল আনোৱাৰহঁত। আৰু ওচৰ পায়ে আনোৱাৰে চিনি পালে মানুহজন কোন। সেয়া আন কোনো নহয়। স্বয়ং জৱাহৰলাল নেহৰু। এয়া, এইজন নেতাকেই জীৱনত এবাৰ হলেও লগ পোৱাৰ কথা আনোৱাৰে সদায় ভাবে। আৰু আজি সুযোগ আহিছে। একোৰেই বিনিময়ত এই সুযোগ নষ্ট হবলৈ দিব নোৱাৰি। কিন্তু জৱাহৰলালে তাৰ দৰে এটা সামান্য ছাত্ৰৰ কথালৈ জানো কাণ কৰিব? তাৰ লগ দিবলৈ ভাল পাব? আনোৱাৰে শুনিছে জৱাহৰলালৰ খং হেনো টিঙিৰি-তুলাৰ দৰে। টিকিচু কৰে উঠে। আৰু খং উঠি গ'লে কাৰো মুখলৈ নেচায়। কিবা মতানৈক্য লৈ তৰ্ক উঠিলে আন বয়সত ডাঙৰ নেতাসকলৰ কথাই নাই নিজৰ বাপেককো হেনো সুদাই নেৰে। এনে স্থলত আনোৱাৰে গৈ যদি কয় যে সি তেওঁৰ লগত কেইমিনিটমান কথা পাতিব খোজে; তেওঁ বাৰু সেয়া তাৰ অধিকাৰৰ সীমা চেৰাই গৈ কৰা কাম বুলি ভাবিব নেকি? লাগিলে গালি পাৰি তেওঁ তাক ডবাৰপৰা বাহিৰ কৰিও দিব পাৰে। আৰু সেয়ে হ'লে চোব্‌হানকে আদি কৰি বিশ্ববিদ্যালয়ৰ ল'ৰাবোৰে ইতিকিং কৰি তাৰ কুকুৰে কাঁইট নোখোৱা অৱস্থা নকৰিবনে!

"আহাঁ, আহাঁ। ৰেল চলিলেই।" চোব্‌হানৰ মাতত আনোৱাৰৰ দিবাস্বপ্ন ভাগি গ'ল। দুয়ো দৌৰাদৌৰিকৈ ওচৰৰে এটা তৃতীয় শ্ৰেণীৰ ডবাত জপিয়াই উঠি পৰিল।

গাজিয়াবাদতো অসংখ্য মানুহ গোট খাই আছিল। ৰেল আহি পালত সকলোৱে, "জৱাহৰলাল নেহৰু কি জয়!" বুলি চিঞৰিবলৈ ধৰিলে। মানুহৰ ভীৰ দেখি ইয়াত নামি জৱাহৰলালক লগ ধৰাৰ আশাও আনোৱাৰে ত্যাগ কৰিব লগা হ'ল।

পিচৰ সৰু ষ্টেচন খুৰজাত মাত্ৰ কেইজনমান মানুহ গোট খাই আছিল। হঠাৎ আনোৱাৰে উপলব্ধি কৰিলে এই সুবিধাতে সি যদি নেবায় জীৱনত এনে সুযোগ হয়তো আৰু সি নেপাব। পিচৰ ষ্টেচনটোৱেই আলিগড়।

গতিকে যদি যায়,—এতিয়াই ।

"চোব্‌হান, মোৰ লগত আহাঁ ।" চোব্‌হানক প্ৰায় টানি নমাই সি কৈ উঠিল, "আমি পণ্ডিত জৱাহৰলালক লগ ধৰিম ।"

সৰু ডবাটোত দুখন দুৱাৰ । জয়ধ্বনি কৰি থিয় দি থকা স্থানীয় কংগ্ৰেছ স্বেচ্ছাসেৱকসকলৰ মাজে মাজে গৈ আনোৱাৰ আৰু চোব্‌হান জৱাহৰলাল উঠি থকা সৰু ডবাটোত উঠি পৰিল । আনখন দুৱাৰমুখত ৰৈ স্বেচ্ছাসেৱকসকলৰ লগত কথা পাতি ব্যস্ত হৈ আছিল জৱাহৰলাল । ৰেলখন চলাৰ আগলৈকে তেওঁ আনোৱাৰহঁতক লক্ষ্যই নকৰিলে ।

ৰেল চলিল । বিদায়-নমস্কাৰ জনাই ঘূৰি জৱাহৰলালে তেওঁৰ বহি অহা আসনত পৰি থকা কেইবাখনো কিতাপৰ মাজৰপৰা এখন তুলি লৈ বহিব খোজোঁতেই আনোৱাৰহঁতৰ ওপৰত চকু পৰিল । এহাল উজ্জ্বল চকুৰ ল'ৰাই ভয়-ভয় চকুৰে একেথিৰে তেওঁলৈ চাই আছে । একো বুজিব নোৱাৰাৰ দৰে জৱাহৰলালে সহযাত্ৰী মাহমুদলৈ চাই সুধিলে, "মাহমদ্‌, এয়া আকৌ কি কথা ?"

"এওঁলোকক আপোনাক চাবলৈ অহা ছাত্ৰ যেন অনুমান হৈছে । মোৰ পুৰণি শিক্ষাকেন্দ্ৰ আলিগড়ৰ ছাত্ৰ যেন পাইছো । সাজ-পাৰবোৰ তেনেকুৱা ।" আনোৱাৰহঁতে তৎক্ষণাত বুজি পালে—এই মানুহ গৰাকীৰ নাম ডক্টৰ চৈয়দ মাহ্‌মুদ । জৱাহৰলালৰ কেম্ব্ৰিজৰ দিনৰে বন্ধু । আৰু এতিয়া জৱাহৰলালৰ সৈতে নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ যুটীয়া প্ৰধান সম্পাদক ।

নিতান্ত অনিচ্ছাকৃতভাৱে জৱাহৰলালে কিতাপখন থৈ দিলে । তেওঁৰ ধুনীয়া মাৰ্ব্বলত কটা মূৰ্ত্তিৰ দৰে মুখমণ্ডলত স্পষ্ট বিৰক্তিৰ ভাব বিৰিঙি উঠিল । তথাপি ধৈৰ্য্য সহকাৰে এই অপ্ৰত্যাশিত আগন্তুক দুজনলৈ চাই ক'লে, "কিয়, তোমালোক থিয় হৈয়ে থাকিলাযে ! বহাঁ ।" আনোৱাৰহঁত বেঞ্চৰ একেবাৰে এমূৰে আড়ষ্ট হৈ বহিল ।

অৱশেষত আনোৱাৰে তাৰ আদৰ্শৰ প্ৰতিমূৰ্ত্তিক মুখামুখিকৈ ওচৰৰ পৰা দেখিবলৈ পালে । জৱাহৰলাল দেখিবলৈ ঠিক তেওঁৰ ছবিবোৰৰ সমানে ধুনীয়া । মাত্ৰ আনোৱাৰে অনুমান কৰাতকৈ বেছি চাপৰ । মূৰত তেওঁ এটা বগা গান্ধী-টুপী একতীয়াকৈ পিন্ধি আছে । উলৰ খদ্দৰৰ শ্বেৰৱাণীটোৰ তৃতীয় বুতামৰ কাজটোত এপাহ সজীৱ ৰঙা গোলাপফুল খুচি থোৱা আছে । এইজন এজন বিখ্যাত আশ্চৰ্য্য-পিতৃৰ আশ্চৰ্য্য-সন্তান যাক লৈ অসংখ্য আচৰিত-আচৰিত কাহিনী জনসমাজত প্ৰচলিত আছে । এওঁ প্ৰিন্স-অব্‌-ৱেলচৰ লগত একেখন স্কুলতে পঢ়িছিল । এসময়ত এওঁ

পেৰিচত ধোৱাই অনা কাপোৰহে নিয়মিতভাৱে পিন্ধিছিল। অথচ এইজন পুৰুষেই এতিয়া জাতিৰ কাৰণে নিজৰ স্বচ্ছল প্ৰসাৰি আইন ব্যৱসায় আৰু বিলাসপূৰ্ণ সুখৰ জীৱন ত্যাগ কৰিছে! কেইবা বছৰো একেৰাহে তেওঁ কংগ্ৰেছৰ প্ৰধান সম্পাদক হিচাপে কাম কৰি আহিছে। তদুপৰি তেওঁ আৰু কেইবাটাও তাৎপৰ্য্যপূৰ্ণ অনুষ্ঠানৰ লগত বিশেষভাৱে জড়িত। ইণ্ডিপেণ্ডেন্স্-অব-ইণ্ডিয়া লীগ্ আৰু ইয়ুথ্-লীগৰ এৱেঁই জন্মদাতা বুলিব পাৰি। বৰ্ত্তমান কংগ্ৰেছৰ বৃদ্ধ গোড়া নেতৃবৰ্গই আগৰ মত সলাই পূৰ্ণ স্বৰাজৰ আদৰ্শৰ বাবে কাম কৰিবলৈ সাজু হৈছে। ইয়াৰ মূলতে জৱাহৰলালৰেই প্ৰভাৱ বুলি অনেকে বিশ্বাস কৰে। আনকি মানুহৰ মাজত এনে কথাও কোৱা-মেলা কৰা শুনা যায়—যে জৱাহৰলাল অচিৰে কংগ্ৰেছৰ সভাপতিও হব পাৰে।

জৱাহৰলালৰ সুশ্ৰী ভ্ৰূৰ ওপৰৰ ললাটদেশত ধীৰে ধীৰে অধৈৰ্য্যৰ ৰখা বিৰিঙি উঠিল। "তাৰ পিচত? কোৱা, কি কৰলৈ আহিছা। ইমান দূৰ বাট তোমালোকে মোক ৰ-লাগি চাই থাকিবলৈকে নিশ্চয় অহা নাই।"

এশ-এটা প্ৰশ্নই আনোৱাৰৰ মনত খোঁকি-খাথৌ লগাইছে বাহিৰলৈ ওলাই আহিবলৈ। কোনটো সোধে। ভাৰতৰ পূৰ্ণ স্বৰাজ, সমাজবাদ, কমিউনিষ্টবোৰৰ গ্ৰেপ্তাৰ, হিংসা আৰু অহিংসা;—কিন্তু হঠাৎ এই সকলো তল পেলাই যিটো প্ৰশ্ন তাৰ মুখেদি ওলাই আহিল, শুনি সি নিজেই উচপ খাই উঠিল। "পণ্ডিতজী, আপুনি হেনো স্কুলত প্ৰিন্স-অব-ৱেলচৰ লগত একেলগে পঢ়িছিল? সঁচা জানো কথাষাৰ?"

"মূৰ্খামি!" এই এটা মাথোন শব্দ জৱাহৰলালে ইমান জোৰেৰে আৰু ইমান বিৰক্তিৰে চিঞৰি উঠিল যে আনোৱাৰৰ হৃদপিণ্ড কঁপি উঠিল। মুখখন ক'লা পৰি গ'ল। সি অনুমান কৰিলে এইবাৰ সিহঁতক চলন্ত ৰেলগাড়ীৰপৰা নিৰ্ঘাত গতিয়াই পেলাই দিয়া হ'ব। "মূৰ্খামি ব'তমানে! নেজানো কোন বলিয়াই এইবোৰ উৰা-বাতৰি প্ৰচাৰ কৰে! যেন কোনোবা ৰজাৰ ল'ৰাৰ লগত কোনোবা ভাৰতীয়ই পঢ়িবলৈ পোৱাটো এটা মহা গৌৰৱৰ কথা! নাই, মই কেতিয়াও তেওঁৰ লগত পঢ়া নাই। আনকি মই তেওঁক কেতিয়াবা লগ পাই চাৰিৰাৰ কথা পতাৰ সুযোগো পোৱা নাই। হৈছে? ইয়াৰ পিচত কি সুধিবা? মই পেৰিচত ধোৱাই অনা কাপোৰহে হেনো পিন্ধো, কথাষাৰ হয়নে?"

আগৰটো প্ৰশ্নত এনে এটা ভমক পোৱাৰ পিচত এইটো প্ৰশ্ন সোধাৰ সাহস আনোৱাৰৰ থকাৰ কথা নহয়। তথাপি জৱাহৰলালে নিজেই

কথাটো উলিয়ায়লত দোষী-দোষী ভাৱেৰে সি ক'লে, "মানুহেতো তেনেকৈয়ে কয়।"

"মানুহে? কোন মানুহে? অখ্যাত অপৰিচিত সবৰজান মানুহে?" ব্যঙ্গ প্ৰকাশ কৰাত জৱাহৰলাল অতি নিৰ্দ্দয় হ'ব পাৰে। "আমাৰ কাপোৰ পেৰিচলৈ ধুবলৈ পঠাও। ইয়াতোকৈ অৰ্থহীন অলীক-কল্পনা আৰু অসম্ভৱ চিন্তা মানুহে যে কেনেকৈ কৰিব পাৰে মই ভাবিবও নোৱাৰোঁ। শুনা, মোৰ মতে যদি কোনোবা মানুহে এইবোৰ কথাত বিশ্বাস কৰিব পৰাকৈ মূৰ্খ হয় তেন্তে তেওঁক বিশ্বৰ শ্ৰেষ্ঠ মূৰ্খ হিচাবে এটা পুৰস্কাৰ দিয়া উচিত। কিন্তু, কিন্তু তোমালোকক মই এনেকৈ গালি-গালাজ কৰিছো কেলৈ?" পিচ মুহূৰ্ত্ততে এটা অদ্ভূত দৃশ্য আনোৱাৰে দেখিবলৈ পালে। সি দেখিলে চকুৰ পচাৰতে জৱাহৰলালৰ মুখৰ ওপৰৰপৰা সকলো বিৰক্তিৰ মেৰ অন্তাহত হৈছে। তাৰ ঠাইত এটা বন্ধু-বন্ধু লগা মিঠা হাঁহিৰ আবি-ৰ্ভাৱ হৈছে। "আহা, আগে আমি চা-চিনাকি হৈ লওঁ। মোৰ নামটো বোধহয় তোমালোকে জানাই।" এই কথাত আনোৱাৰহঁতে হাঁহি উঠিল। "আৰু এওঁ হ'বাগৈ ডক্টৰ মাহ্‌মুদ।"

আনোৱাৰেও তাৰ নিজৰ আৰু চোবহানৰ পৰিচয় দিলে। কৰমৰ্দ্দন পৰ্ব্ব শেষ হোৱাৰ পাচত এইবাৰ যথেষ্ট নিৰাপদ অনুভৱ কৰি আনোৱাৰ-হঁতে ভালকৈ বহি ল'লে। নিজে চিগাৰেট এটা জলাই লৈ জৱাহৰলালে আনোৱাৰহঁতকো চিগাৰেট যাচিলে। আনোৱাৰে, "ধন্যবাদ, আমি চিগাৰেট নাখাওঁ" বুলি কোৱাত তেওঁ হাঁহি মাৰি ক'লে, "বেচ তেন্তে এটা এটা কমলা মা নাচপতিকে খোৱা।" এই বুলি উঠি কোনোবা গুণমুগ্ধই দি যোৱা খাওৰপৰা দুটা কমলা টেঙা উলিয়াই দুয়োটা আনো-ৱাৰহঁতৰ পিনে দলি মাৰি দিলে। ইমান হঠাতে তেওঁ কমলাকেটা দলি-য়ালে যে কি হৈছে আনোৱাৰে তলকিবই নোৱাৰিলে। চোব্‌হানে কিন্তু তাৰ ভাগৰ কমলাটো বেচ তৎপৰতাৰে ওপৰতে ধৰি পেলালে। আনো-ৱাৰটো তললৈ পৰি গ'ল।

"ফিল্ডিং বেয়া।" এসময়ৰ 'কেন্টাব' পৰাকীয়ে হাঁহি মাৰি ক'লে, "ক্ৰিকেট নেখেলা তাৰ মানে।" ইয়াৰ পাচত স্বাভাৱিকতে তেওঁলোকৰ মাজৰ গাম্ভীৰ্য্যৰ বেৰা খহি পৰিল। এজন স্বনামখ্যাত 'নেতা' আৰু দুজন ছাত্ৰ গুচি একেবোৰ কথাকে ভাল পোৱা তিনিজন ডেকাত পৰিণত হ'ল তেওঁলোক—আনোৱাৰ, চোবহান, আৰু জৱাহৰলাল। বেচ বন্ধু ভাৱে কথা-বতৰা পাতিলেও জৱাহৰলাল কিছু পৰিমাণে গম্ভীৰ বা কিছু পৰিমাণে, হয়তো স্বাভাৱিক ভাৱেই, দ্বিধাগ্ৰস্ত থাকি গৈছিল। আনো-

ৰাৰইঁতক তেওঁ যাইকৈ পুথি-পাঁজি, গ্ৰন্থাকাৰ আৰু কলেজীয়া-জীৱন আদিৰ কথাই ক'লে। ছাত্ৰ আৰু ৰাজনীতিৰ সম্পৰ্কৰ প্ৰশ্নও উলিয়ালে।

"বাৰু কোৱাচোন, তোমালোকে ডেকা ছাত্ৰসকলে দেশৰ বৰ্ত্তমান ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে কেনে দৰে ভাবা?" জৱাহৰলালে এপাকত সুধিলে। সকলো সামৰি চমুকৈ এই প্ৰশ্নৰ উত্তৰ দিয়াটো টান বুলি কৈ আনোৱাৰে ক'লে যে সি নিজে মহাত্মাৰ আদৰ্শত বিশেষ আস্থাশীল। চোব্‌হান মাৰ্ক্সবাদী। "আৰু মোৰেই আন এজন বন্ধুৱে বিচাৰে সাম্রাসবাদী বিপ্লৱ। সি গোটেইবোৰ ইংৰাজ বিষয়াকে মাৰি পেলাব খোজে।" ইচ্ছা কৰিয়েই ৰতনৰ নাম আনোৱাৰে উল্লেখ নকৰিলে।

আনোৱাৰৰ কথাত জৱাহৰলালে যেন চিন্তাৰ খোৱাকহে পালে। অলপ সময় তেওঁ একো নকৈ মনে মনে বহি থাকিল। তাৰ পাচত চিন্তানগ্নভাৱে অন্যমনস্কতাৰে এৰাধৰাকৈ যিখিনি কথা ক'লে তাৰ গোটেই খিনি আনোৱাৰে সেই সময়ত বুজিব নোৱাৰিলে। তেওঁ কৈছিল, "আকাশত মেঘে গাজিছে!" এই বুলি খিৰিকীৰে ডিঙি মেলি আকাশলৈ চালে। আনোৱাৰেও তেওঁৰ দৃষ্টি অনুসৰণ কৰি আকাশলৈ চালে,—সঁচাকৈয়ে মেঘ উঠিছে নেকি। কিন্তু জৱাহৰলালে সম্পূৰ্ণ বেলেগ এটা দুৰ্য্যোগৰ কথা উল্লেখ কৰিছিল। তেওঁ কৈ গ'ল, "চোৱা, মই ভাবো, তোমালোক তৰুণসকলে এখন বিৰাট সংগ্ৰামৰ বাবে ভাল ধৰণে প্ৰস্তুত হোৱা উচিত। ডাঙৰ ডাঙৰ ওজস্বী ভাষাৰে যিবোৰ সাহসিকতাপূৰ্ণ কথা ইমান দিনে কোৱা হ'ল সেইবোৰ কামত ৰূপান্তৰিত কৰাৰ সময় অতি সোনকালেই আহি পাব পাৰে।"

এইবাৰ ওচমানে তাৰ স্বাক্ষৰ-সংগ্ৰহৰ বহীখন উলিয়াই দিলে। পাত লুটিয়াই এফালৰপৰা চাই গৈ ডক্টৰ অধিকাৰীৰ চহীটোত জৱাহৰলাল থমকি ৰ'ল। ভালকৈ পঢ়ি চালে। তাকে দেখি চোব্‌হানে মাত্ৰ কেইঘণ্টামান আগতে গিৰ্ইতে বন্দীদলক লগ ধৰি অহাৰ কথা ক'লে। শুনি জৱাহৰলালে ঔৎসক্য প্ৰকাশ কৰা যেন দেখি সাহস পাই চোব্‌হানে যেন তাৰ মাৰ্ক্সবাদী সতীৰ্থ দলৰ হৈহে সুধিলে, 'পণ্ডিতজী, এই বন্দী হোৱা ট্ৰেড ইউনিয়নৰ নেতাসকলৰ বিষয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব বুলি আপোনালোকে ভাবিছে?"

"মই এতিয়া একো ক'ব নোৱাৰোঁ।" জৱাহৰলালে দোষ-স্বীকাৰ কৰাৰ ভঙ্গীত ক'লে, "সেই বিষয়ে ভাবিবলৈ আমি সদায় সময় পোৱা নাই। হঠাৎ হৈছে। তথাপি মই ভাবো, আমি এখন প্ৰতিৰক্ষা সমিতি গঠন

কৰি যেনে ভাবে পৰা যায় তেওঁলোকক সহায় কৰিবলৈ যত্ন কৰা উচিত।”

এই কথা শুনি আনোৱাৰ আচৰিত হৈ গ’ল। সি শুনি আহিছিল, কংগ্ৰেছ আৰু কমিউনিষ্টৰ সম্বন্ধ হেনো অহি-নকুলৰ দৰে। কংগ্ৰেছক কমিউনিষ্টে ‘প্ৰতিক্ৰিয়াশীল” বুলি ভাবি দোষাৰোপ কৰে। আনকি স্বয়ং জৱাহৰলালকো সিহঁতে চোকা সমালোচনা কৰিবলৈ বাকী থোৱা নাই। গতিকেই সি অসঙ্কোচে সুধি পেলালে, “আপোনাৰ, গান্ধীজীৰ আৰু কংগ্ৰেছৰ বিৰুদ্ধে ইমানকৈ প্ৰচাৰ কাৰ্য্য চলোৱা সত্ত্বেও আপুনি কমিউনিষ্টৰে সহযোগিতা কৰি সহায় আগ বঢ়াব নে?”

জৱাহৰলালৰ সুগঢ়িত ওঁঠৰ একোণে এটা ধুনীয়া মিচিকি বিজুলীৰ দৰে খেলাই গ’ল। “মই জানো, মই জানো। কিছুমান কমিউনিষ্টৰ কথা-কাণ্ড দেখি কেতিয়াবা ধৈৰ্য্য ধৰি থকা টান হৈ পৰে। তেওঁলোকে আনক উত্যক্ত কৰাৰ কিছুমান অদ্ভুত উপায় উদ্ভাৱন কৰিছে। কিন্তু এটা কথা আমি পাহৰি গ’লে নচলিব। এই কমিউনিষ্টসকলৰ সৰহভাগেই বৰ বেয়াকৈ কষ্ট পোৱা মানুহ। অনেক কঠিন সমস্যাৰ বিৰুদ্ধে তেওঁলোকে সংগ্ৰাম কৰিব লগা হৈছে। মতৰ অমিল যিমানেই নহওঁক আমি তেওঁলোকৰ দুৰন্ত সাহস আৰু অফুৰন্ত ত্যাগৰ ক্ষমতাক সম্মান নকৰি নোৱাৰোঁ।”

কিবা এটা লেখি চোৱহানক স্বাক্ষৰ বহীখন ঘূৰাই নি তেওঁ আনোৱাৰলৈ চাই সুধিলে, “বিশ্ববিদ্যালয়ত তুমি কি পঢ়িছা?”

“বুৰঞ্জীত এম-এ।”

“ভাল। পিচে কেনেকৈ পঢ়িছা। গতানুগতিক পাঠ্যক্ৰম পঢ়ি গৈছা নেকি বাৰু—চন তাৰিখ, ৰজা, যুদ্ধ আৰু মানুহৰ বিষয়ে এৰা-ধৰাকৈ দুষাৰ এষাৰ কথা। বুৰঞ্জী বৰ মহত আৰু অতি দৰ্কাৰী বিষয়। কিন্তু মোৰ বোধেৰে আমাৰ বিশ্ববিদ্যালয়বোৰত বৰ বেয়াকৈ বুৰঞ্জী পঢ়োৱা হয়।” আনোৱাৰে ক’ববাত পঢ়িছিল, জৱাহৰলালে কেম্ব্ৰিজত হেনো ‘বায়োলজি’ পঢ়িছিল। অথচ তেওঁৰ বুৰঞ্জীত ইমান ৰাপ দেখি সি অবাক হৈ গ’ল। উৎসাহ পাই আনোৱাৰে ক’লে যে তাৰ ভাৰতৰ ইতিহাসৰ এটা বিশেষ যুগ বাছি লৈ তাৰ ওপৰত মৌলিক গৱেষণা কৰাৰ ইচ্ছা আছে।

“বৰ ভাল কথা। কিন্তু এটা কথা। কেৱল এসোপা কিতাপ পত্ৰ লৈয়েই গৱেষণা নকৰিবা। সেয়া ঠিক গৱেষণা নহয়। নিজে ওলাই যাবা। বুৰঞ্জী প্ৰসিদ্ধ কীৰ্ত্তিচিনসমূহ নিজ চকুৰে চাবা। কুমাৰিকাৰপৰা তক্ষশীলালৈকে সিচঁৰিত হৈ থকা আমাৰ প্ৰাচীন সভ্যতা

সংস্কৃতিৰ প্ৰতীকসমূহ গভীৰভাৱে অধ্যয়ন কৰিবা। কিন্তু এই বোৰতকৈও ডাঙৰ কথা হ'ল,—মানুহক অধ্যয়ন কৰিবা। কাৰণ মানুহৰ মাজতেহে তুমি 'জীৱন্ত বুৰঞ্জী'ৰ জিলিঙনি দেখিবলৈ পাবা।" আনোৱাৰে দেখিলে তাৰ সমুখত বহি থকা মহান নেতা গৰাকী কথা কৈ থাকোতে থাকোতে হঠাৎ ভাবমগ্ন হৈ পৰিল।

জৱাহৰলালৰ কথা শুনি থাকোতেই আনোৱাৰৰ মনলৈ আহিল, সিতো বিশ্ববিদ্যালয়ৰ ইতিহাস সন্থাৰ সম্পাদক। হঠাৎ সি উপলব্ধি কৰিলে সম্পাদক হিচাপে বৰ্ত্তমান সিতো বহুত কামেই কৰিব পাৰে। সমিতিৰ সকলো সভ্যকে লৈ সি অন্ততঃ কিছুমান বুৰঞ্জী প্ৰসিদ্ধ ঠাই পৰ্য্যটন কৰিব পাৰে। সাৰনাথ, বাৰানসী, আগ্ৰা, এলাহবাদ, দিল্লী ইত্যাদি ইত্যাদি ঠাইলৈ শিক্ষামূলক ভ্ৰমণাৰ্থে যাব পাৰে।........

ৰেলখন আহি আলিগড় ষ্টেচনত প্ৰৱেশ কৰিলে। অনিচ্ছাকৃতভাৱে আনোৱাৰহঁতে বিদায় লব লগা হ'ল। ষ্টেচনৰ বাকৰিত অসংখ্য মানুহ; সৰহভাগেই ছাত্ৰ। সেইখন ৰেলেৰে জৱাহৰলাল আলিগড়ৰ মাজেদি পাৰ হৈ যাব বুলি ইতিমধ্যেই সিহঁতে কেনেবাকৈ গ'ম পাই গৈছে। ৰেল আহি ষ্টেচন সোমোৱাৰ লগে লগে 'পণ্ডিত জৱাহৰলাল কি জয়" ধ্বনিত ষ্টেচন তাল-ফাল লাগি পৰিল। যথেষ্ট কষ্ট কৰি আনোৱাৰ আৰু চোব্‌হান নামিবলগীয়া হ'ল। মানুহ, মানুহ আৰু মানুহ। অলপ দূৰৰ পৰা ঘূৰি চাই সিহঁতে দেখিলে ডবাৰ দুৱাৰমুখত ৰৈ সিহঁতলৈ হাঁহি হাঁহি চাই হাত জোকাৰি জৱাহৰলালে বিদায় সম্ভাষণ জনাইছে।

এখন এক্কাত জোকাৰ খাই খাই ছাত্ৰাবাসলৈ গৈ থাকোতে আনো-ৱাৰে চোব্‌হানক জৱাহৰলালে তাৰ স্বাক্ষৰ-বহীটোত কি লেখি দিলে দেখুৱাবলৈ ক'লে। চোব্‌হানে দেখুৱালে। ধুনীয়া চহীটোৰ ওপৰত ডাঙৰ ডাঙৰ হৰফেৰে মাত্ৰ দুটা ইংৰাজী শব্দ লেখা আছে: "লীভ্‌ ডেঞ্জাৰাচলি।" ভয়ঙ্কৰ ভাৱে জীৱন যাপন কৰিবা।

কেৰকেৰাই এক্কা আগবাঢ়িল এক বেকাঁকৈ। আনোৱাৰৰ মনত একাৰ কেৰ্‌কেৰ্‌ শব্দৰ প্ৰতিধ্বনি উঠিল—লীভ্‌ ডেঞ্জাৰাচলি। লীভ্‌ ডেঞ্জাৰাচলি!! লীভ্‌ ডেঞ্জাৰাচলি!!! কিবা এক। প্ৰকাৰে,—কেনেকৈ সি নাজানে,—আনোৱাৰৰ ধাৰণা হ'ল তাৰ জীৱন সি যেনেভাৱে গঢ়ি তুলিব খোজে সেই জীৱনৰ পথনিৰ্দ্দেশ এই দুটা শব্দৰ মাজতে সোমাই আছে।

পিচৰ কেইটামান দিন সকলো কাম কৰিবলৈকে আনোৱাৰে যেন নতুন মনোবল পালে। সকলো কামেৰে একোটা স্পষ্ট লক্ষ্য যেন সি বিচাৰি পালে। এয়া তাৰ জীৱনত নতুন কথা। নিৰুদ্দেশ জীৱনৰ যেন সি উদ্দেশ্যৰ সন্ধান পালে। পণ্ডিত জৱাহৰলাল নেহৰুৰ লগত হোৱা তাৰ সাক্ষাত প্ৰসঙ্গকে লৈ সি এটা প্ৰবন্ধ যুগুত কৰিলে। প্ৰথমবাৰ লেখি ভাল নলগাত কাটি পেলালে। আকৌ নতুনকৈ লেখিলে। ঘূৰাই ঘূৰাই পঢ়ি ভাল নলগা ঠাইবোৰ কাটকুট কৰিলে। তাৰ পাচত নতুনকৈ গোট গোট আখৰেৰে প্ৰবন্ধটোৰ এটা পাণ্ডুলিপি তৈয়াৰ কৰিলে। ওপৰত এটা বেচ কাব্যিক শিৰোনামা দিলে, "নেহৰু : আমাৰ অনাগত দিনৰ আশাৰ দীপ।" তাৰ পাচত খামত ভৰাই দিল্লীৰ "দি হিন্দুস্থান টাইমচ্"ৰ ঠিকনা লেখি নিজ হাতেৰে ডাকত দি আহিলগৈ। অৱশ্যে এইবোৰ কথাৰ কাকো সি কুট এটাকে জানিবলৈ নিদিলে। কম কথা হবনে! যদি কেনেবাকৈ প্ৰবন্ধটো গৃহীত নহয় বদনামৰ বাঁহ হব।

এইখিনি কৰি উঠি সি তাৰ ইতিহাস-সমাজৰ কামত মনোনিৱেশ কৰিলে। হিচাপ-পত্ৰ চাই আনোৱাৰে দেখিলে বিশ্ববিদ্যালয়ৰ কোষাধ্যক্ষৰ হাতত সমাজৰ ছপ্পসাত্তৰতকৈ টকা ন অনা দুই পইচা জমা হৈ আছে। আগৰ বছৰৰ সম্পাদকে একো কাম নকৰা বাবে এটা পইচাও খৰচ হোৱা নাই। গতিকে অৰ্থৰ চিন্তা বিশেষ নাই। মাত্ৰ সি আন দুটা কাম কৰিব লাগিব। তাৰ পৰিকল্পিত ভ্ৰমণৰ বাবে দুজন মানুহৰ সন্মতি গ্ৰহণ কৰিব লাগিব। প্ৰথমজন বুৰঞ্জী-সমাজৰ সভাপতি অধ্যাপক হবিবুৰ ৰহমানৰ অনুমোদন পোৱা যাব। মানুহ গৰাকী ভাল; মৰমীয়াল। কিন্তু উপাচাৰ্য্যৰপৰাহে অনুমতি পোৱা সিমান সহজ নহয়। ইংৰাজ মানুহ। বিপ্লৱীৰ ভয়ত সদায় আতঙ্কিত। তেওঁৰ মতে খেল পথাৰ আৰু শ্ৰেণীৰ বাহিৰে ছাত্ৰই যি কামকে কৰিব নোখোজক সকলো কামেই নিঃসন্দেহ সন্দেহজনক আৰু যিমানদূৰ সম্ভৱ বিপ্লৱী ভাৱাপন্ন। কথা ওলালেই তেওঁ আপাত দৃষ্টিত নিৰ্দোষ কল্যাণকামী বিশ্ববিদ্যালয়ৰ সমাজ-সেৱা বিভাগটোলৈ আঙুলিয়াই দেখুৱায়। জল জল পট পট নিদৰ্শন। এই বিভাগে মাজে মাজে সমাজ-সেৱাৰ আয়োজন কৰে। চাইকেল মাৰি এদল ছাত্ৰ দূৰ গাঁৱলৈ যায়গৈ। আৱশ্যক বুজি জনসেৱা কৰে, ঔষধ-পাতি বিলায়। হয়, দেখাত ভাল কথা। কিন্তু চাওক, এই গোটেই কামটোৱেই বৰ্ত্তমান কি ভয়ানক এটা কমিউনিষ্ট মতাৱলম্বিৰ উদ্ভাৱনৰূপে পৰিগণিত আৰু প্ৰমাণিত হৈছে। কাৰণ, এবাৰ এজন ছাত্ৰই ছাত্ৰসভাৰ সভ্য হবলৈ বুলি নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল।

সেই সন্দৰ্ভত সি সমাজ-সেৱা কৰিবলৈ গৈ দেখা গাৱঁৰ অৱস্থাৰ কথা কৈ জমিদাৰ শ্ৰেণী আৰু চৰকাৰক সমালোচনা কৰি কি মৰ্মান্তিক এটা বক্তৃতাই দি পেলাইছিল। ....এই বিলাক সত্ত্বেও আনোৱাৰে যদি এতিয়া কয় একমাত্ৰ ছাত্ৰৰ জ্ঞানৰ পৰিধি বহলাবৰ কাৰণেই সি এই ভ্ৰমণৰ আয়োজন কৰিছে........

যেই হওক, যথেষ্ট অসুবিধাৰ মাজেদি হ'লেও আনোৱাৰে উপাচাৰ্য্যৰ অনুমতি লাভ কৰিলে। বছা বছা কুৰিজন ছাত্ৰৰপৰা প্ৰয়োজনীয় অৰ্থৰ বৰঙনিও সংগ্ৰহ কৰা হ'ল। এখন যাত্ৰীবাহী 'বাচ' ভেৰণীয়াকৈ লোৱা হ'ল। আৰু মাৰ্চ্চ মাহৰ ছাব্বিশ তাৰিখে ৰাতি পুউৱাৰ লগে লগে সিহঁতে যাত্ৰা আৰম্ভ কৰিলে।

সকলো পিনৰপৰাই এই ভ্ৰমণ অতি উপভোগ্য হৈ উঠিল। আগ্ৰা, ফতেহপুৰ চিক্ৰী আদিৰ ঠাইৰ প্ৰাচীন কীৰ্ত্তিচিনসমূহৰ নিজা আকৰ্ষণতো আছেই মথুৰা, বৃন্দাবন আদি ঠাইলৈ গৈয়ো সিহঁত মুগ্ধ হ'ল। অনেক ছাত্ৰই প্ৰাচীন স্থাপত্য আৰু চিত্ৰ তথা হস্তাক্ষৰ বিদ্যাৰ নমুনা নিজৰ নিজৰ বহীত টুকি ল'লে। বাকীসকলে কেৱল দৃশ্য উপভোগ কৰাতে ব্যস্ত থাকিল।

দিল্লীত থকা কেইদিন আনোৱাৰে নিশা নিজৰ ঘৰত আহি শুইছিল। কিন্তু গোটেই দিন সি বন্ধুবৰ্গক বুৰঞ্জী-প্ৰসিদ্ধ ঠাইবোৰ দেখুৱাই ঘূৰি ফুৰিছিল। নিজেও আগেয়ে নেদেখা অনেক দৃশ্য এইবাৰ সি নতুনকৈ উপভোগ কৰিলে।

সেইদিনা সিহঁত কুতুব-মিনাৰ চাবলৈ বুলি ওলাই গৈছে। বাচখন গৈ বাৰ্ণ-বেষ্টন-ব্ৰীজ পাইছে; হঠাৎ আনোৱাৰৰ চকুত পৰিল এখন চাইন-বোৰ্ড: "দি হিন্দুস্থান টাইমচ্"। সি ড্ৰাইভাৰক কৈ গাড়ীখন ৰাখিলে। এক মিনিটতে আহিছো বুলি বন্ধু-বৰ্গক ৰবলৈ অনুৰোধ কৰি সি নামি গ'ল। সি পোনেই সম্পাদকৰ কোঠা পালেগৈ। সম্পাদক পাঠান যোচেফ্ বহি আছিল। সি অহাৰ উদ্দেশ্য কোৱাত সম্পাদকে আনোৱাৰক জনালে যে তাৰ প্ৰবন্ধটো অতি সোনকালেই প্ৰকাশৰ বাবে গ্ৰহণ কৰা হৈছে। আনোৱাৰহঁতনো দিল্লীলৈ কিয় আহিছে বুলি পাঠান যোচেফে সোধাত সি সকলো কথা বুজাই ক'লে। সম্পাদকে সিহঁতৰ উদ্দেশ্যৰ প্ৰশংসা কৰি পিচ দিনা পুৱাৰ কাকততে এই ভ্ৰমণ এটা বাতৰি প্ৰকাশ কৰিবলৈ উপযাচি গাত ল'লে। তদুপৰি আনোৱাৰক তেওঁ ভ্ৰমণৰ বিতং বিৱৰণীৰে এটি প্ৰবন্ধ যুগুতাই আগ বঢ়াবলৈ বিশেষভাৱে অনুৰোধ কৰিলে।

দিল্লীত আনোৱাৰহঁত থাকোতেই এটা উল্লেখযোগ্য ঘটনা ঘটি গ'ল। এদিন ৰাতিপুৱা। সি সাৰেই পোৱা নাই। এনে সময়তে আব্বাজান আহি তাৰ গাত ধৰি জোঁকাৰি জগাই দি ক'লে বোলে বাহিৰত তাক লগ পাবলৈ আহি তাৰ বন্ধু ৰামলাল বহি আছেহি।

টোপনিৰ জালত প্ৰথমতে সি একে বুজিব নোৱাৰি কৈ উঠিল, "ৰাম লাল? কোন ৰামলাল? মই চিনি নেপাওঁ।" কিন্তু পিচ মুহূৰ্ত্ততে তাৰ স্মৃতি সজাগ হৈ উঠিল। ৰামলালৰ নামটো দুবাৰ উচ্চাৰণ কৰাৰ লগে লগে তাৰ পুৱাৰ চিকুণ টোপনি ফাঁট মাৰিলে। একে জাপে উঠি সি কৈ উঠিল, "ক'ত? ক'ত? আছে?"

ৰতন আব্বাজানৰ 'বৈঠক'ত বহি আছিল। আনোৱাৰ অহাৰ লগে লগে সি কৈ উঠিল, "ভাগ্য ভাল ভাই। তোমাৰ আব্বাজানে মোক একেবাৰে চিনিব পৰা নাই।"

"তোমাৰ কথা ভাবি মই ধৰ চিন্তিত হৈ আছিলো। আৰু তুমি সেইবাৰ তেনেকৈ অ.লিগড় এৰি গুচি যোৱাত মই বেয়াও পাইছো। কিন্তু মই ইয়াত আছো বুলি তুমি কেনেকৈ জানিলা?"

ৰতনে হাতত লৈ অহা পুৱাৰ সংখ্যা হিন্দুস্থান টাইমচখন দেখুৱাই ক'লে, "ইয়াত ইতিহাস-সমাজ আৰু তাৰ বিখ্যাত সম্পাদক আনোৱাৰ আলিৰ বাতৰি ওলাইছে।"

"মোৰ নামটো দিয়াৰ পৰা তেন্তে লাভ হ'ল দেখিছো। বাৰু পুলিচে তোমাৰ অনুসৰণ কৰা নাইতো?"

"সেই বিষয়ে তুমি নিশ্চিন্ত থাকা। দিল্লীত মোক কোনেও চিনি নেপায়।

আব্বাজান মৰমীয়াল মানুহ। পুত্ৰৰ বন্ধুক পুত্ৰৰ চকুৰেই চায়। দুয়োজনৰ জোখাৰে তেওঁ পুৱাৰ জা-জলপান বৈঠকলৈকে পঠিয়াই দিছিল। বহি বহি দুয়ো বন্ধুৱে পেট ভৰি খাই ল'লে। তাৰ পিচত আনোৱাৰে কাপোৰ-কাণি পিন্ধি দিনটোৰ বাবে সাজু হৈ ওলাল। হাঁহি হাঁহি দুয়ো বন্ধু বাটলৈ ওলাই আহিল। ইতিমধ্যে ৰাজপথৰ জীৱন সাৰ পাই উঠিছে। দোকান-পোহৰত বিক্ৰী-বাৰ্ত্তা আৰম্ভ হৈ গৈছে। হ'কাৰে চিঞৰি চিঞৰি বাতৰি কাকত ফেৰি কৰি ফুৰিছে।

প্ৰায় একো নোকোৱাকৈয়ে আহি আহি ওৰিয়াগঞ্জৰ আলিমূৰটো পাই ৰতনে ক'লে, "আনোৱাৰ, তোমাৰ মনত আছেনে বাৰু, এবাৰ তুমি কৈছিলা আমাক সহায় কৰিবলৈ তুমি যি কোনো কামেই কৰি দিবা...."

"আছে। দিমো। কিন্তু মই এইটোও স্পষ্টকৈ কৈ দিছিলো,

তোমালোকৰ কোনো হিংসামূলক কামত মই কেতিয়াও সহযোগ নকৰোঁ।”

“নাই নাই। তেনে কথা নহয়।” ৰতনে লাহে লাহে চিন্তাযুক্ত-ভাবে ক'লে, “কোনো হত্যা-তত্যাৰ কথা মই কব খোজা নাই।”

“তেন্তে কোৱা, মই কি কৰি দিব লাগে।”

“ক'ম। তাৰ আগতে আহাঁ, মোৰ বন্ধু এজনক তুমি লগ পাই লোৱা। আহাঁ, তেওঁ আমাৰ বাবে সৌ মটৰখনতে বহি বাট চাই আছে।”



ৰতনৰ বন্ধু বয়সত সিহঁত দুয়োটাতকৈ সৰু হলেও ডাঙৰ নহব। মুখখনো কোমল, মিঠা, ধুনীয়া। হলেও প্ৰকাণ্ড পকাঁই ওপৰলৈ ঘূৰাই ৰখা মোচ কোছাৰ বাবে তেওঁৰ চেহেৰাটো কঠোৰ কঠোৰ লগা হৈ পৰিছে। গাত এটা সৈনিকৰ দৰে খাকী চোলা, ধূসৰ ৰঙৰ পেণ্ট, মূৰত এটা ফেল্ট-হেট; কাণটো আগফাললৈ নমাই থোৱা বাবে হঠাৎ চকুহাল নেদেখি।

সিহঁতে কৰমৰ্দ্দন কৰিলে। আনোৱাৰে অনুভৱ কৰিলে ডেকাৰ হাতখন বেচ বলিষ্ঠ অথচ কোমল, সুহৃদয়তাসম্পন্ন। কিন্তু ৰতনে ডেকাৰ লগত আনোৱাৰক পৰিচয় কৰাই নিদিলে। আনোৱাৰৰ অনুমান হ'ল সি নিচিনিলেও ডেকাই তাক নিশ্চয় চিনি পায়। আনোৱাৰে জানে এইজাত বিপ্লৱীয়ে কিছুমান বিশেষ কথাত বিশেষ ধৰণৰ সতৰ্কতা অৱলম্বন কৰি চলে। সেয়ে সিও একো নুসুধিলে। সিহঁত তিনিও হেঁচা খেলাকৈ সৰু মটৰখনৰ আগৰ আসনতে বহিল। মোচাল ডেকাই গাড়ী চলাব ধৰিলে। গাড়ী তীব্ৰ বেগে নতুন দিল্লীৰ বাটেদি আগ বাঢ়িল।

আনোৱাৰৰ অলপ অলপ ভয়ো লাগিছিল। অস্থিৰ-অস্থিৰো লাগিছিল। দুফালে দুজন দুৰ্দ্ধৰ্ষ বিপ্লৱীয়ে তাক হেঁচা মাৰি ধৰি বহি আছে।

দুয়োজনকে নিশ্চয় পুলিচে পিট্‌পিটকৈ বিচাৰি ফুৰিছে। ভয়ে ভয়ে সি এবাৰ গাড়ী চলাই থোৱা ডেকালৈ কেৰাহীকৈ চালে। ষ্টিয়েৰিঙত ধৰি থোৱা হাতদুখন সুন্দৰ; মসৃন আৰু পৰিস্কাৰ। আঙুলিবোৰ দীঘল-দীঘল জোঙা-জোঙা; শিল্পীৰ আঙুলিৰ দৰে। কিন্তু ষ্টেয়েৰিঙত থকা মুঠিটোৰ মাজত যেন এক প্ৰচণ্ড অনমনীয় শক্তি প্ৰকাশিত হৈছে। এই দুটা বিপৰীতমুখী গুণ, শক্তি আৰু কোমলতাৰ ডেকাত ঘটা সমন্বয় আন প্ৰকাৰেও প্ৰকাশ পাইছে। হেটটো একতীয়াকৈ পিন্ধা উদ্ধত ধৰণটোৰ লগত ডেকাৰ চেহেৰা-পাতিৰ কোমলতা আৰু সৰলতা কোনো প্ৰকাৰেই খাপ খোৱা নাই। ডেকাৰ গাত সৈনিকৰ সাজ, মুখত ভয়ঙ্কৰ মোচ; অথচ ডেকাই গুণগুণাই গাই আছে গালিবৰ এটা গজল। আকৌ যিটো গজল গাইছে তাৰ নিৰ্ব্বাচনো বৰ সুবিধাজনক নহয়।

আজ্ বান্ তেগ-ব-কফন্ বান্ধে হু-য়ে যাতা হুঁ মৈঁই
উষৰ্ মেৰে কট্‌ল্ কৰ্‌ণা মৈঁ ৰব্ অব্ লা-যেঙ্গে কিয়া ?

("আজি মই মোৰ আপোন কফন আৰু তৰোৱাল লৈ গৈছো—
যদি মোক আজি বধ নকৰে তেন্তে নিজকে সিহঁতে কি বুলি কৈফিয়ৎ দিব?")

এই নাম-নজনা বিপ্লৱীৰ মুখত তাৰ প্ৰিয় কবি গালিবৰ কবিতা শুনি আনোৱাৰৰ ডেকাক আপোন আপোন লাগিল। তীব্ৰ বেগে মটৰ গৈ আছে। আনোৱাৰে ভাবিলে; কিন্তু ডেকাই বাছি বাছি এই বিশেষ গজলটো গোৱাৰ কাৰণ কি? হঠাৎ এনেয়ে মনলৈ আহি যোৱাৰ বাবেই গাইছে নে বাৰু? নে এইটো গজলত বিপ্লৱীৰ আত্মত্যাগ তথা দুৰন্ত সাহসী মনোভাৱ প্ৰকাশ পোৱা বাবেই গাইছে?

হঠাৎ গাড়ীখন বাওঁহাতে ঘূৰি 'প্ৰাচীন দু'ৰ্গৰ পিনে যাবলৈ ধৰিলে। আনোৱাৰৰ চিন্তাৰ সোঁত ছিগি গ'ল।

"ভয় নকৰিবা।" ৰতনে হাঁহি মাৰি ক'লে, "আমি তোমাক ঠিক সময়ত তোমাৰ বন্ধুবৰ্গৰ লগ ধৰাই দিম। তাৰ আগতে আমি অকমান কথা পাতি ল'ব খোজো।"

দুৰ্গৰ ধ্বংসাৱশেষৰ এডোখৰ ছায়াকীৰ্ণ ঠাইত গাড়ীখন ৰ'ল। গাড়ী চলাই অহা ডেকা দুৱাৰ খুলি ওলাই আনোৱাৰহঁতক ভালকৈ বহিবলৈ ঠাই উলিয়াই দিলে।

"কালিলৈ তোমালোক সকলো এচেম্লি চাবলৈ যাবা, নহয়নে?" ৰতনৰ প্ৰশ্নটো আনোৱাৰৰ বৰ অপ্ৰত্যাশিত আৰু আচহুৱা যেন লাগিল। একেবাৰেই সি নুবুজিলে যেন।

"যাম। কিন্তু তাৰ লগত...."

"কৈছো, শুনা। কিন্তু তাৰ আগতে তুমি মোক কোৱাচোন, তোমা-লোকৰ দলটোৰ বাবে একুৰি-এখন প্ৰৱেশ-পত্ৰ তুমি কেনেকৈ যোগাৰ কৰিবা ?"

"মোৰ হাতত আমাৰ অধ্যাপক আৰু মোৰ আব্বাজানে বিভিন্ন সভ্যালৈ দিয়া চিঠি আছে। প্ৰত্যেকজন সভ্যাই দুখনকৈ প্ৰৱেশ-পত্ৰ দিব পাৰে। আমাৰ বিশেষ অসুবিধা বোধহয় নহ'ব।"

"বেচ। তুমি যদি একৈশখন প্ৰৱেশ পত্ৰ যোগাৰ কৰিব পাৰা তেন্তে ইচ্ছা কৰিলেই তেইশখনো যোগাৰ কৰিব পাৰিবা।" ৰতনৰ মাতত কোনো অনুৰোধৰ সুৰ নাই। আছে নিশ্চিন্ত প্ৰত্যয়।

কথাষাৰৰ গুৰুত্ব বুজাত আনোৱাৰৰ অকণো পলম নহ'ল। "নাই। নাই।" সি চিঞৰি উঠিল, "মই তেনে কৰিব নোৱাৰোঁ। তোমালোকে তাত গৈ কিবা এটা মাৰাত্মক কাম কৰি পেলাবা, আৰু আমাৰ আটাইবোৰকে অনাহকতে ধৰি নিব।....নাই....নাই...."

"মনে মনে থাকা। নিচিঞৰিবা।" কঠোৰ মাতেৰে ক'লে ৰতনে, "মইতো তোমাক আগতেই কথা দিছো; কোনো হত্যাকাণ্ড তাত নহয়।"

আনোৱাৰে ৰতনৰ চকুলৈ অসহায়ৰ দৰে চালে। এইটোৱেই জানো সেই মিঠা হাঁহিৰ খেমেলীয়া ল'ৰাটো—যাক আনোৱাৰে অমৃতচৰত লগ পাইছিল, যাৰ লগত ৰুমাল দি বন্ধুত্ব কৰিছিল। আনোৱাৰে দেখিলে ৰতনৰ অভিব্যক্তিৰ এটা অদ্ভুত অথচ চিনাকি কঠোৰতাৰ ভাব; ওঁঠত এক অভিনৱ তিক্ততাৰ বক্ৰৰেখা; চকুৰ দৃষ্টিত নিৰ্মম প্ৰতিজ্ঞা। এই অভিব্যক্তি ইয়াৰ আগতেও আনোৱাৰে এবাৰ দেখিছিল। কিন্তু ক'ত ? আনোৱাৰৰ মনত পৰিল—সেয়া জালিয়ানৱালাবাগত। গুলি চালনাৰ পিচত বাগৰ বুকুলৈ ভৌতিক নিস্তব্ধতা নামি আহিছিল। হালধীয়া পাগুৰীৰ তলেদি কোঁচা কোঁচে চুলি ওলাই থকা এটা সৰু ল'ৰা। মৃত দেউতাকক আগত লৈ বহি থকা সেই মিঠা মুখৰ ল'ৰাটোৰ প্ৰতিজ্ঞা-কঠোৰ অভিব্যক্তি এয়া। সেই এটা আবেলিৰ অবজ্ঞ কৰুণ স্মৃতিয়ে আনোৱাৰ আৰু ৰতনক একেডাল নেদেখা সুতাৰে বান্ধি ৰাখিছে। আৰু সেইবাবেই, আনোৱাৰে জানে, ৰতনৰ অনুৰোধ সি উপেক্ষা কৰিব নোৱাৰে।

"কমৰেড্, মই এটা কথা কওঁ শুনক।" এই প্ৰথম ওৰ মোচাল ডেকাজনে মাত লগালে। এনে এটা আচৰিত আন্তৰিকতাপূৰ্ণ সুৰত ডেকাই 'কমৰেড্' শব্দটো উচ্চাৰণ কৰিলে, শুনি যেন আনোৱাৰৰ আত্মা পৰ্য্যন্ত জুৰ পৰি গ'ল। "আপুনি আমাৰ কাৰণে আনক বিপদত পেলাবলৈ

কেতিয়াও নিৰিচাৰো। বিচৰা নাই। বিশেষ দৰ্কাৰতহে, আৰু নিৰাপদে আপুনি আমাক সহায় কৰিব পাৰে বুলিয়েই, আপোনাক এই অনুৰোধ কৰা হৈছে। কাণত থিলা মাৰি ৰধীৰ হৈ যি বহি আছে তাক আমি শুনিবলৈ বাধ্য কৰিবই লাগিব। আৰু কালিলৈয়ে শুনোৱাব লাগিব। একমাত্ৰ আপুনিয়েই বৰ্তমান আমাক সহায় কৰিব পাৰে।"

ডেকাই নিৰ্ভুল হিন্দীত কথা কলেও উচচাৰণত কিঞ্চিৎ পঞ্জাৰী শ্বাসাঘাত ধৰিব পৰা গৈছিল। কথন ভঙ্গী বেচ বলিষ্ঠ, অথচ বিনয়ী। কথা কোৱাৰ ধৰণটোতে মানুহে সতকাই পেলাব নোৱাৰা আবেদন এটা আছে। হলেও, এই সকলোৰে উপৰিও, ডেকাৰ উজ্জ্বল চকুত প্ৰকট হৈ উঠা অভিব্যক্তি দেখাৰ পিচত আনোৱাৰৰ সমগ্ৰ প্ৰতিৰোধৰ শক্তি যেন থিতাতে জঁয় পৰি গ'ল। আনোৱাৰে দেখিলে সেই হাল চকুৰ দৃষ্টিত আছে এক দুৰন্ত প্ৰতিজ্ঞা। এক অয়স্কান্ত সুলভ মহিমা। অথচ সেইহাল চকুৰ গভীৰতাত যেন লুকাই আছে অসীম বেদনা। কাৰুণ্য। আনোৱাৰে বুজিলে, এইজন এজন মানুহ জীৱনত যি অশেষ যন্ত্ৰণা পাইছে; বিষণ্ণ মৃত্যুক মুখামুখিকৈ দেখিবলৈ পাইছে।

আনোৱাৰে ডেকাৰ মুখৰপৰা চকু আঁতৰাই দূৰলৈ চাই চাই কলে, 'বাৰু ৰতন, তোমালোকে প্ৰৱেশ-পত্ৰ পাবা। কিন্তু মনত ৰাখিবা, তুমি মোক কথা দিছা। কোনো হত্যাকাণ্ড হব নোৱাৰিব।"

গেলেৰীৰ ওপৰৰপৰা সংসদী গৃহটো এটা দ' কুঁৱাৰ দৰে দেখা গৈছিল। তলত বহি কথা পাতি থকা 'সম্মানিত সভ্য' সকলৰ মাতবোৰ পানী লাগি মাত ভাগি থকা অনেক ভেকুলীৰ টোৰ টোৰণিৰ দৰে শুনা গৈছিল। "নাদৰ ভেকুলি"— উপমাটো ভাবি আনোৱাৰৰ ভাল লাগিল। সংসদ চাৰলৈ অহাৰ বিষয়ে এটা প্ৰবন্ধ লিখিলে এইটো নামেই দিব পৰা যাব।

বিৰোধী দলৰ অনেক সভ্যৰ মূৰত বগা বগা গান্ধী টুপি। তেওঁলোকে এজন এজনকৈ উঠি অধ্যক্ষৰ আসনৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন কৰি নিজৰ নিজৰ বক্তব্য দাঙি ধৰি আকৌ আগৰ ঠাইত বহি পৰিছে। কিন্তু চৰকাৰী পক্ষৰ সভ্যসকলৰ গাত সাৰ-সুৰেই নাই। গানেই নে সুহুৰিয়েই কৰই নোৱাৰে। বিৰোধী সভাই অনেক যত্ন কৰি ভাবি-চিন্তি দাঙি ধৰা যুক্তি সমূহৰ প্ৰতি নিৰ্ব্বিকাৰ ভাৱ প্ৰদৰ্শন কৰি স্ফিংক্সৰ দৰে বহি আছে। কোনো ভাবান্তৰ নাই। দিনৌ খবৰ কাগজ পঢ়ি থকা আনোৱাৰে জানে কালিলৈ জাতীয়তাবাদী কাগজবোৰত ডাঙৰ ডাঙৰ হৰফেৰে খবৰ ওলাব, 'ট্ৰেড, ডিচপ্যুট বিল আওাৰ ফায়াৰ"। কিন্তু ইয়াত জুয়ো নাই; বাক-বিতণ্ডাও নাই। এখন তালতো আৰু বাজিব নোৱাৰে। ইয়াত মাত্ৰ আছে কোনোমতেই শেষ নোহোৱা, শুনি শুনি শুনি টোপনি আহি যাব খোজা, বাৰে বাৰে বাৰে কৈ থকা কিছুমান শব্দ, শব্দ আৰু শব্দ।....মাত্ৰ বিৰোধী দলৰ দলপতি পণ্ডিত মতিলাল নেহৰুৱে কথা কবলৈ উঠোঁতেই যি অলপ উত্তেজনাৰ সৃষ্টি হ'ল। গাত কাপ খাই পৰা খদ্দৰৰ বেশ্‌মী শুভ্ৰবৰ্ণী আৰু গান্ধী টুপীৰে দেৱোপম চেহেৰাৰ মানুহজন দেখিলেই মনত সঁচ বহি যায়। বক্তৃতাও দিলে বেচ গৰম। কিন্তু তাৰ পিচতেই আকৌ সংসদলৈ তন্দ্ৰাৰ জাল নামি আহিল আগৰ দৰে। আনোৱাৰেতো দেখি অবাক হৈ গ'ল; চৰকাৰী সভ্যসকলৰ ফালে প্ৰথম শাৰীতে বহি এজন ৰঙামুখীয়া শকত ইংৰাজ সভ্যই সঁচাসঁচিকৈয়ে টোপনিত ষোৰ-ঘোৰাই উঠিছে। তেওঁৰ কাষতে বহি আন এজন ইংৰাজ সভ্যই আকৌ শব্দ-শৃঙ্খলৰ সমস্যা সমাধান কৰাত ব্যস্ত। এওঁলোকৰ পিচৰ শাৰীত বহি আছে চৰকাৰৰ মনোনীত সভ্যসকল। চৰকাৰৰ পক্ষক সমৰ্থন কৰি হাত দাঙি আহিছে। এতিয়াও যেন বান্ধৰ ষোঁৰাৰ দৰে চট্‌ফটাই বৈহে আছে। বাট চাই আছে কেতিয়া মতামত দানৰ বাবে টিলিঙা বাজি উঠে। টিলিঙা বাজিলেই পটাপট্ এজন এজনকৈ গৈ নিৰ্দ্দিষ্ট স্থানত থিয় দিব। আৰু বনুৱা অশান্তি দমনৰ বাবে এখন কঠোৰ আইন সৰ্ব্ব সন্মতিক্ৰমে গৃহীত হৈ যাব। এই ঠগবাজি, এই গণতন্ত্ৰৰ নামত চলোৱা প্ৰবঞ্চনাক বাধা দিবৰ বাবে বিৰোধী দলত থকা জনতাৰ প্ৰতিনিধি কেজনে এটা মাত্ৰ কামেই কৰিব পাৰে। মাত্ৰ কামেই কৰিব পাৰে। মাত্ৰ কথা কব পাৰে। কথা, কথা, আৰু কথা,—যি কথা কোনেও নুশুনে।

এই দ' ভেকুলীয়ে টোৰ-টোৰাই থকা নাদটোলৈ ওপৰৰপৰা চাই চাই বাৰে বাৰে আনোৱাৰৰ মনত এটা দুষ্ট বুদ্ধিয়েই খেলাই-খেলাই গৈছিল: যদি কোনোবাই মাত্ৰ এটা শিলগুটি টুপুং কৰে দলিয়াই দি এই জড়তা

আৰু ভূৰাৰ দ'নাদৰ শান্ত আৰু ঘোলা পানীৰ মৃত্যুৰ নিচিনা স্থিৰতা ভাঙি দিব পাৰিলেহেঁতেন। যদি মাত্র কোনোবাই....

হঠাৎ আনোৱাৰৰ মনলৈ আহিল, ৰতনৰ বন্ধু দুজন ইয়ালৈ কেলৈ আহিছিল? এজন সেই আগদিনাৰ মোচাল ডেকা আৰু আনজন বোধহয় বঙালী যুৱক। এই পৰিমিত্ত সিহঁতে আনোৱাৰক দিয়া কথা ৰাখিছে। সংসদী ঘৰত সোমায়েই সিহঁতে আনোৱাৰক প্ৰৱেশ পত্ৰ দুখন ধুৱাই দিছে আৰু আনোৱাৰেও গোছলখানাত সোমাই টুকুৰা-টুকুৰ কৰি ফালি পানীৰ লগত উটুৱাই দিছে। আনোৱাৰে দেখিছিল সিহঁতে হাতত কিবা লেখা থকা কিছুমান ৰঙচুৰা কাগজৰ নুৰা লৈ আনিছিল। বোধহয় সেইবোৰ ওপৰৰপৰা দলিয়াই দিবলৈকে সিহঁতে ছেগ চাই আছে। যদি সঁচাই দিয়ে বঢ়িয়া হ'ব। 'ৰঙা' বিপ্লৱীৰ ৰঙচুৰা বাৰ্ত্তাবাহী কাগজ ওপৰৰপৰা ছব ছৰাই পৰি সিহঁতৰ টোপনি ভাঙি দিব। জড়তাৰ অৱসান ঘটাব। আনোৱাৰে চাৰিওফালে এবাৰ চকু ফুৰাই চালে। আছে। নাম নজনা ডেকা দুজন সিমুৰে ঠিক চৰকাৰী সভ্যসকলৰ পোনে পোনে ওপৰত গেলেৰীত বহি আছে।

"চোৱা, সৌৱা কোন? ভাইচৰয়ৰ ওচৰত?" ৰাজে তাৰ কাণে কাণে ক'লে, "এয়াই বোধহয় আমাৰ শুভাকাঙ্ক্ষী বন্ধু চাৰ জন চাইমন।"

আনোৱাৰে চালে। ৰাজৰ ভুল হোৱা নাই। সেৰেঙা আধা-পকা চুলি, ধূসৰ কোট-পেণ্টেৰে এইজনেই 'চাইমন কমিচন'ৰ দলপতি। যোৱা বছৰ এইজন মানুহেই দেশৰ জনসাধাৰণৰ চকুত সাম্ৰাজ্যবাদী শোষণৰ জীৱন্ত প্ৰতীকৰূপে দেখা দিছিল। স্বতঃপ্ৰণোদিতভাৱে আনোৱাৰে আকৌ ৰতনৰ বন্ধু দুজনৰ ফালে চালে। কিয় চালে সি নিজেই নেজানে। বেচ মনোযোগেৰে মোচ থকা ডেকাজনে ভাইচৰয়ৰ আসনখনলৈ চাই আছে। যেন কিমান দূৰ হব মনে মনে হিচাপহে কৰিছে। ডেকাৰপৰা ভাইচৰয়ৰ আসন যিমান দূৰত আছে সভাঘৰটোও ঠিক সিমানেই বহল।

হঠাৎ যেন ভয়ানক আতঙ্কত আনোৱাৰৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। বাৰে বাৰে সি নিজকে বুজাব ধৰিলে: 'কিন্তু সিহঁতে যোক কথা দিছে! সিহঁতে প্ৰতিজ্ঞা কৰিছে!'—আনোৱাৰে নবাবিকৈ এবাৰ তলৰ মানুহবোৰলৈ চালে। শব্দ-শৃংখল লৈ ব্যস্ত থকাজনৰ বোধহয় শেষ হ'ল। এতিয়া তেওঁ লাহে লাহে ইনাষ্ট্ৰেটেড্‌ উইক্‌লিখনৰ পাত লুটিয়াইছে। শকত বঙা ইংৰাজজনে এতিয়াও সাৰ পোৱা নাই। এইবাৰ চৰকাৰী পক্ষৰ কোনোবা এজনে বক্তৃতা দিছে। আনোৱাৰে আকৌ গেলেৰীলৈ চালে। দেখিলে

মোচাল ডেকা লাহেকৈ থিয় হ'ল। বোধহয় বাহিৰলৈ যাব খুজিছে। কিন্তু পিচ মুহূর্ত্ততে ক্ষিপ্র হাতেৰে সি দলিয়াই দিলে....

হাত বোমা। কাণ-তাল মৰা শব্দ কৰি সদনৰ মজিয়াত ঠিক চৰকাৰী সভ্যসকলৰ সমুখত হাত-বোমাটো ফুটি উঠিল। লগে লগে অসংখ্য বস্তা বস্তা কাগজ ওপৰৰপৰা তললৈ উৰি উৰি নামি আহিল। সভ্যসকলে, বিশেষকৈ চৰকাৰী সভ্য, বিষয়া আৰু ইংৰাজসকলে আতঙ্কত কলৈ-যাওঁ-গোপাল ক'লৈ-যাওঁ-কৃপাল লগাবলৈ ধৰিলে। কিছুমান দৌৰি বাহিৰ ওলাল। কিছুমানে প্রস্রাৱখানাত সোমাই দুৱাৰ বন্ধ কৰিলে। অনেকে বেঞ্চৰ তলত সোমাল। হুৰামুৰি চিঞৰ-বাখৰ লাগি পৰিল। তৎক্ষণাত গোটেই সদন উগ্ৰ গন্ধৰ ধোঁৱাৰে ভৰি পৰিল। আনোৱাৰে দেখিলে এই ভয়ানক হুলস্থুলৰ মাজতো মাত্ৰ দুজন মানুহ নিৰ্ভীকভাৱে থিয় দি ৰৈ আছে। এজন ভিঠল্‌ভাই পেটেল;—সুন্দৰ দীঘল ডাড়িৰে সংসদৰ অধ্যক্ষ। আৰু আনজন পণ্ডিত মতিলাল নেহৰু। মতিলালে চিঞৰি চিঞৰি দলৰ সভ্য-সকলক কৈছে: "আৰে ভাই, ভাগতে কিঁউ হোঁ, ইয়ে তু কই হমাৰে হি আদ্‌মী হোঙ্গে।" (পলাইছা কিয় ভাইসকল, আমাৰেই কোনোবা মানুহৰ কাম হব।)

এই গণ্ডগোল, নাৰীকণ্ঠৰ আৰ্ত্তনাদ আৰু পুলিচৰ সঘন হুইচেল, সকলো তল পেলাই তীক্ষ্ণ স্বৰৰ এটা ধ্বনিত গোটেই সদন ৰজন জনাই উঠিল: ইন্‌কিলাব জিন্দাবাদ! ইন্‌কিলাব্ জিন্দাবাদ!

চিঞৰিছে সেই মোচ থকা ডেকাজনে। আনোৱাৰে দেখিলে।

আনোৱাৰে সদায় দেখিব। চকু মুদিলেই এই ডেকাক আনোৱাৰে দেখিব। আনোৱাৰৰ মনৰ পটত সেই মুখ মচিব নোৱাৰাকৈ অঙ্কিত হৈ গৈছে।

আনোৱাৰে দেখিলে এখন চকীৰ ওপৰত ডেকা থিয় দি আছে। নিৰ্ভীক। লেশমানো ভয় নাই। যেন প্ৰত্যাহ্বানৰ এটা জলন্ত মূৰ্ত্তি। এজন মানুহ অকলে থিয় দিছে এখন সাম্ৰাজ্যৰ বিৰুদ্ধে। মুখত সেই যি ধ্বনি অচিৰেই এটা জাতিৰ ৰণহুঙ্কাৰত পৰিণত হ'ব।

এজাক পুলিচে ডেকাক বেঢ়ি ধৰিছে। কিন্তু গাত হাত দিবলৈ সাহ কৰা নাই। কোনো আগবাঢ়ি আহিব পৰা নাই। এটা নিৰ্ব্বাক নাটকীয় মুহূৰ্ত্ত। কিন্তু পিচ মুহূৰ্ত্ততে ডেকাই নিতান্ত অৱজ্ঞা প্ৰকাশ কৰিয়েই যেন সিইঁতলৈ ৰিভলভাৰটো দলিয়াই দিলে আৰু সহযোগী বন্ধুৰ লৈতে হাত আগবঢ়াই দিলে গ্ৰেপ্তাৰ কৰিবলৈ। আনোৱাৰ তাৰ বন্ধুবৰ্গৰ লৈতে ওলাই আহিছিল। হঠাৎ তাৰ কাণত পৰিল এজন পুলিচ বিষয়াই ডেকাৰ নাম

কি সুধিছে। আৰু ডেকাই গৰ্ব্বোন্নত শিৰেৰে নিৰ্ভীক স্বৰেৰে উত্তৰ দিলে: মোৰ নাম ভগৎ সিং। ....ওচৰ পাই আনোৱাৰৰ ভয় লাগিল। সিহঁতৰ মাজত চিনা পৰিচয় থকাৰ অকণমান ইংগীত পুলিচে পালেই তৎক্ষণাত আনোৱাৰকো গ্ৰেপ্তাৰ কৰি পেলাব। কিন্তু ভগৎ সিঙে নিতান্ত নিৰ্ব্বিকাৰভাৱে আনোৱাৰহঁতৰ আগেৰে পাৰ হৈ গ'ল। তথাপি আনোৱাৰে দেখিলে ভগৎ সিঙৰ চকুৰ কোণত যেন এটা অপূৰ্ব্ব সুন্দৰ হাঁহি চিক্মিক্ কৰি উঠিছে। হাঁহিটোৱে যেন অতি অন্তৰঙ্গতাৰে আনোৱাৰৰ কাণে কাণে কৈ গ'ল: 'কথা দিলে আমি কথা ৰাখোঁ, নহয় নে বাৰু—ক'মৰেড্।''

পুলিচে ভগৎ সিঙক লৈ গ'ল। কিন্তু চাৰিওফালৰপৰা অজস্ৰ কণ্ঠত বাজি উঠা এটা ধ্বনিয়ে থাকি থাকি যেন সমগ্ৰ সংসদী ভৱনটোকে কঁপাই কঁপাই যাব ধৰিলে: ইন্‌কিলাব্ জিন্দাবাদ।

ভালেমানপৰ নীৰৱে থিয় দি থাকি আনোৱাৰে উপলব্ধি কৰিলে, দ'নাদৰ শান্ত বোলা পানী জোকাৰি দিয়া হৈছে। কাণত থিলা মাৰি ক'লা হৈ থকাবোৰক সঁচাকৈয়ে শুনিবলৈ বাধ্য কৰা হৈছে। বিপ্লৱ আহি পৰিল। ভাৰতবৰ্ষ আৰু এনেকৈ নেথাকে। থাকিব নোৱাৰে। এই এটা বোমা বিস্ফোৰণৰ শব্দই প্ৰতিজন ভাৰতীয়ৰ জীৱন জোকাৰি যাব। চেতনা জোকাৰি যাব। ভাৰতবৰ্ষৰ পৰিবৰ্ত্তন আহিব।



"... সেইবাবে কংগ্ৰেছে যোৱা বছৰৰ কলিকতা অধিবেশনৰ প্ৰস্তাৱ অনুসাৰে ঘোষণা কৰে যে, কংগ্ৰেছৰ সংবিধানৰ প্ৰথম দফাত থকা 'স্বৰাজ' শব্দটোৱে ভাৰতৰ পূৰ্ণ স্বাধীনতা বুজাব..."

এই প্ৰস্তাৱ গৃহীত হোৱাৰ লগে লগে সভাপতিৰ পিচফালে বেৰত ওলমি থকা ঘড়ীত বাৰ বজাৰ ঘণ্টা বাজি উঠিল। সভামণ্ডপ অতি বিশাল হলেও সমবেত অগণন দৰ্শকৰ অনুপাতে ঠাইৰ নাটনি হৈছিল। পোহাৰীৰ খৰাহীৰ পুঠিমাছৰ দৰে মানুহেৰে সভাস্থলি পাণ জপা দিয়া যেন হৈছিল। তথাপি কোনেও বেয়া বা আমনি পোৱা নাছিল। লাহোৰৰ ডিচেম্বৰ মাহৰ নিশাৰ হাঁড় কঁপোৱা জাৰত মানুহবোৰে আৰু নিবিড়ভাৱে ইজনে সিজনৰ কাষ চাপি যাবলৈ যত্ন কৰিছিল। হেজাৰ হেজাৰ মানুহে প্ৰস্তাৱটো গৃহীত হোৱাৰ লগে লগে হৰ্ষধ্বনি কৰি উঠিল। জনতাৰ লগত মিলি গৈ হাত-চাপৰি বজাওঁতে বজাওঁতে আনোৱাৰৰ হাতৰ তলুৱা ভয়ভয়াৰ ধৰিলে। চিঞৰত মাত ভাগিল। দুয়োখন গালেদি আনন্দাশ্ৰু অনিৰ্বাৰ বৈ ধাৰ ধৰিলে। এই এটা মুহূৰ্ত্ত বিচৰা মুহূৰ্ত্তৰ বাবে আনোৱাৰ প্ৰমুখ্যে দেশৰ সমগ্ৰ তৰুণ হিয়াই বছৰ বছৰ ধৰি বাট চাই আছিল। যাৰ বাবে অগণন ডেকাই স্বেচ্ছাই কষ্টভোগ কৰিছে; জীৱন বিপন্ন কৰিছে; মাৰ খাইছে; অত্যাচাৰ সহ্য কৰিছে; আনকি প্ৰাণ পৰ্য্যন্ত আহুতি দিছে।

জনতা যেন উন্মাদ হৈ উঠিল। "মহাত্মা গান্ধী কি জয়", "পণ্ডিত জৱাহৰলাল নেহৰু কি জয়"—ধ্বনিত ঘড়ীৰ ক্ষীণ ঘণ্টাধ্বনি কেনি হেৰাই গ'ল কোনেও ধৰিব নোৱাৰিলে। সংসদী ভৱনত বোমা ফটাৰ পিচত আনোৱাৰে শুনিছিল ভগৎ সিঙে চিঞৰি উঠা: "ইনকিলাব্ জিন্দাবাদ।" সেই দুৰন্ত সাহসিকতাপূৰ্ণ অভিনৱ ধ্বনি আজি সহস্ৰ যুবক কণ্ঠত যেন প্ৰতিধ্বনিত হ'ল, "ইনকিলাব্ জিন্দাবাদ।" এয়া যেন এক নতুন ধৰ্ম্মৰ মন্ত্ৰ। স্বাধীনতাৰ মন্ত্ৰ। অগণন জনতাৰে কণ্ঠস্বৰৰ লগত মিলি যোৱা নিজৰ কণ্ঠস্বৰ শুনি আনোৱাৰৰ শিৰে শিৰে যেন এক উত্তেজিত জড়িত শিহঁৰণ প্ৰবাহিত হৈ গৈছে। বাৰে বাৰে তাৰ মনত পৰিছে ভগৎ সিঙলৈ। ভগৎ সিঙৰ দেশান্তৰৰ হুকুম ইতিমধ্যেই হৈ গৈছে। কিন্তু তেওঁক দেশ এৰি যাবলৈ দিয়া হোৱা নাই। লাহোৰতে ৰখা হৈছে। এখন বিচাৰ এতিয়াও বাকী আছে। চাউণ্ডাৰছক হত্যা কৰা বুলিও অভিযুক্ত কৰা হৈছে ভগৎ সিঙক। এই গণ্ডগোল, হৰ্ষধ্বনিৰ মাজতো বাৰে বাৰে আনোৱাৰৰ

মনৰ চকুত ভগৎ সিং আৰু তেওঁৰ বঙালী বন্ধু বুকেশ্বৰ দত্তৰ মুখ দুখন ভাঁহি ভাঁহি উঠিল। সিহঁতক নিজৰ মাজৰে দুজন বুলি সকলোৱে স্বীকাৰ কৰিছে। "সদনত বোমা নিক্ষেপ" কৰা বাবে সকলোৱে দোষাৰোপ কৰিছে। চৰকাৰী আৰু নিৰপেক্ষ বাতৰি কাকতৰ কথাই নাই আনকি জাতীয়তাবাদী কাকতসমূহেও ভগৎ সিংহহঁতক সমৰ্থন কৰা নাই। মহাত্মা গান্ধীকে আদি কৰি কংগ্ৰেছৰ নেতাসকলেও সিহঁতৰ কামক গৰিহণাই দিছে। কিন্তু তথাপিও। সেইদিনা সিহঁতৰ ওঁঠত যি দুটা নিৰঙ্কুশ শব্দ উচ্চাৰিত হৈছিল সেই দুটা শব্দই আজি দেশৰ কোটি কোটি জনতাৰ ওঁঠে ওঁঠে প্ৰতিধ্বনিত হৈছে। বহি বহি চাৰিওফালে চাই আনোৱাৰে দেখিলে অলেখ মানুহ। দূৰ দক্ষিণৰপৰা আহিছে ঘনকৃষ্ণ বৰণৰ তামিল সকল। বঙ্গৰপৰা আহিছে চটফটীয়া তন্ত্ৰবৰ্তীয়া বঙালী। গুজৰাটৰপৰা শকত-আৱত গহীন গুজৰাটী। খেলুৱৈ-সুলভ দেহাৰ মাৰাঠী। সকলোৱে এককণ্ঠে চিঞৰিছে: ইন্‌কিলাব্‌ জিন্দাবাদ। বিপ্লব দীৰ্ঘজীৱী হওক।

এনে সময়তে ঘোষণা কৰা হ'ল, সভাপতি পণ্ডিত জৱাহৰলাল নেহৰুৱে ৰবি নদীৰ পাৰত এই ঐতিহাসিক বিপ্লৱৰ শপত গ্ৰহণৰ চিন স্বৰূপে এতিয়াই স্বাধীনতাৰ পতাকা উত্তোলন কৰিব। সকলো মানুহ ঠেলা হেঁচাকৈ বাহিৰলৈ ওলাব ধৰিলে।

কংগ্ৰেছ শিবিৰৰ উজ্জ্বল লাইটৰ পোহৰ মোলান হৈ নিশাৰ তন্দ্ৰাচ্ছন্ন নদীৰ পানীত প্ৰতিবিম্বিত হৈছিল। পশ্চিমৰপৰা এজাক হিম-শীতল বতাহ বলিছিল। আনোৱাৰহঁতৰ যেন হাঁড়ৰ মাজৰ মজ্জালৈকে গোট মাৰি যাব খুজিছিল। কিন্তু সিহঁতৰ অন্তৰত আছিল নতুনকৈ জ্বলি উঠা স্বাধীনতাৰ অগণিৰ উত্তাপ। আকৌ এবাৰ নদীৰ পাৰ পাই সিহঁতে চেঁচাত কঁপি কঁপি লাগি ধৰিব খোজা দাঁতৰ মাজেদিয়ে আকাশ নিনাদি জয়ধ্বনি কৰিলে। কেন্দ্ৰীভূত লাইটৰ পোহৰ জৱাহৰলাল নেহৰুৰ গাত পেলোৱা হ'ল। ক'লা শ্বেৰৱানী আৰু কাপ খাই পৰা ছোৰিদাৰ পায়জামা পিন্ধি পতাকাৰ খুটাৰ কাষত থিয় দিয়া মানুহজনক আজি যেন আনকালতকৈ বহুত ওখ-ওখ লগা হৈছে। আনোৱাৰে উপলব্ধি কৰিলে,—এইজন এজন প্ৰকৃত মানুহ; এয়া এটা প্ৰতীক। অনেক কষ্ট কৰি জনতাৰ প্ৰায় সন্মুখ ভাগলৈ আহিও আনোৱাৰে উদ্বোধনী ভাষণৰ প্ৰথম অংশ ভালদৰে নুশুনিলে। জৱাহৰলালৰ কণ্ঠস্বৰ সিমান ডাঙৰ নহয়। কিন্তু খন্তেক পিচতে জনতা সম্পূৰ্ণ নীৰৱ হৈ প'ল। বেজী এটা পৰিলেও শব্দ হোৱা দৰে কাঁহ পৰি ক্ষীণ গ'ল চাৰিওফাল। এইবাৰ সি জৱাহৰলালৰ কথা স্পষ্টকৈ শুনিবলৈ পালে। কি দুৰ্দম, কি নিৰ্ভীক সেই স্বৰ। তাৰ এনে লাগিল যেন তাকেই সম্বোধন কৰি নেহৰুৱে কৈছে:

"আজি আমি এই দেশ বিদেশী-শাসনৰ কবলৰপৰা মুক্ত কৰিবলৈ বুকলি ষড়যন্ত্ৰত লিপ্ত হ'লোঁ। আৰু তাৰ বাবে কমৰেড্‌সকল আপোনা-লোকক, এই দেশৰ প্ৰত্যেক পুৰুষ, প্ৰত্যেক নাৰীক আমি আহ্বান জনা-ইছো। আহক, সকলো আগবাঢ়ি আহক। অহাৰ বিনিময়ত হয়তো আপোনালোকে পাব কষ্ট, লাভ কৰিব কাৰাদণ্ড, হয়তো পাব আনকি মৃত্যুদণ্ডও। কিন্তু তথাপিও আপোনালোকে এই দেশ ভাৰতবৰ্ষৰ প্ৰতি আপোনালোকৰ কৰ্ত্তব্য সম্পাদন কৰি গ'লোঁ বুলি পৰিতৃপ্ত হব। মানৱতাক বন্ধন-মুক্ত কৰি আপোনালোকে প্ৰাণত শান্তি পাব।...."

পতাকা উৰিল। মাজত ৰঙৰ আৰু বগা-বগা-সেউজীয়া তিৰঙা পতাকা উৰিল। অলপ সময় সমগ্ৰ জনতা নিৰ্ব্বাক-স্তব্ধ হৈ ৰ'ল। এই মহান ঐতিহাসিক ঘটনা, বিপ্লৱৰ এই অনমনীয় প্ৰপঞ্চ প্ৰত্যক্ষ কৰি সকলো যেন তধা লাগি গৈছে। খন্তেক পিচত জনতাই যেন পুনৰ চেতনা ঘূৰাই পালে। জয়ধ্বনি গুঞ্জৰি উঠিল। এইবাৰ এটা নতুন ধ্বনিও কৰা হ'ল: "ঝাণ্ডা উঁচা ৰহে হমাৰা।" (আমাৰ পতাকা চিৰকাল উৰি ৰওক।)

একত্ৰিশ ডিচেম্বৰ; ১৯২৯ চন....নিশা বাৰ বজা। স্মৃতিৰ মণিকোঠত সাঁচি ৰাখিবলগীয়া এটি ক্ষণ। এটা পুৰণি বছৰৰ মৃত্যু হ'ল। এটা নতুন বছৰৰ জন্ম হ'ল। কিন্তু সেয়াই তাৰ একমাত্ৰ তাৎপৰ্য্য নহয়। তাৰ লগে লগে এটা পুৰণি যুগৰো অৱসান ঘটিল। নতুন যুগ আহিল। আনোৱাৰ শিবিৰলৈ উভতি আহিল। এটা সৰ্ব্বগ্ৰাসী সাৰ্ব্বজনীন আৱেগৰ স্ৰোতত এতিয়াও তাৰ মন উটি গৈ আছে। ভাঁহি গৈ আছে। তাৰ আনন্দ লাগিছে। ভয়ানক আনন্দ। সি সাক্ষী হৈ ৰ'ল....নহয়-নহয়, কেৱল সাক্ষী মাত্ৰ নহয়,....সি নিজেও অংশ গ্ৰহণ কৰিলে যুৱতীৰ সৃষ্টিত; নতুন দিনৰ পাতনিত।

কোঠাটোত আছিল একেলগে সিহঁত ছজন। প্ৰত্যেকেই বয়সত সমান, তৰুণ। আনোৱাৰৰ উপৰিও আলিগড়ৰপৰা আৰু তিনিজন আহিছে। ওচমান কজলভাই, বাজ আৰু তৃতীয়জন এজন নিচেই সৰু

স্কুলীয়া ল'ৰা, ইউনুচ। ইউনুচ উত্তৰ পশ্চিম সীমান্ত প্ৰদেশৰ ল'ৰা! লাল-কুৰ্ত্তা নেতা খান আবদুল গফ্ফাৰ খানৰ ইউনুচ নিচেই ওচৰ সম্বন্ধীয়। বাকী দুজনৰ এজন ৰয়, কোনোবা এখন বঙালী খবৰ কাগজৰ সংবাদ দাতা; আনজন সুন্দৰম্,—দাক্ষিণাত্যৰ বেজৱাদা নামৰ ঠাইৰ ছাত্ৰকৰ্ম্মী আৰু যুৱক সংঘৰ সভ্য।

এজন এজনকৈ কেউজন উভটি আহিল। ঠক্ঠক্কৈ কঁপি কঁপি সিহঁতে কাপোৰ-কানি সলালে আৰু পোনে পোনে বেজাই তলত সোমাল। কিন্তু এজনৰো টোপনি নাহিল। ওৰে দিন লাল-কুৰ্ত্তা স্বেচ্ছাসেৱকসকলৰ লগত দৌৰাদৌৰি কৰি কৰি ক্লান্ত হৈ পৰা কোমল বয়সীয়া সীমান্তৰ কিশোৰ ইউনুচৰ মাত্ৰ পৰি দিয়াৰ লগে লগে টোপনি গ'ল। ৰয়ে অলপ বেছি ধৰণেই চিগাৰেট খায়। ৰাজো ক'ৰবাত থাকে। এটা চিগাৰেট শেষ হ'লে সেইটোৰেই দ্বিতীয় এটা জলাই লয়। আৰু সুন্দৰমে প্ৰত্যেকটো চিগাৰেট পেলাবৰ সময়ত ৰয়ক সাৱধান কৰি দিয়ে, যতে ত'তে পেলাই সি যেন সিহঁতক কেইটাৰ জতুগৃহৰ দশা নকৰে। ঘটনাবহুল এটা দিনৰ প্ৰতিক্ৰিয়াই ৰাজৰ মনত কবিতাৰ অনুভূতি জগাইছিল। লিখিবলৈ মনে মনে ঠিক কৰি পেলোৱা কবিতা এটা সি গুণগুণাই আবৃত্তি কৰিছিল। ওচমানে দাবী জনালে ৰাজে কবিতাটো চিঞৰি চিঞৰি আবৃত্তি কৰি শুনাব লাগে। সম্পূৰ্ণ নহলেও আধাকে হ'লেও। ৰাজে কিন্তু ৰয় আৰু সুন্দৰমৰ আগত আবৃত্তি কৰিবলৈ আপত্তি কৰিলে। মিছাকে কৰিলে কি হ'ব। ৰয় আৰু সুন্দৰমৰ উৰ্দ্দুৰ জ্ঞান যে শূন্যৰ ঘৰত। কিন্তু তথাপিও গুণগুণাই থাকোতে থাকোতে এপাকত ৰাজে নিজে কৰ নোৱাৰাকৈয়ে চিঞৰি চিঞৰি আবৃত্তি কৰিবলৈ আৰম্ভ কৰি দিলে। ৰাজে কবিতাটোৰ নাম ৰাখিছে "মাজ নিশাৰ তৰা"। কবিতাটোত কবিয়ে আপোন চকুৰে দেখা এই ঐতিহাসিক অধিবেশনৰ কথা প্ৰতীকৰ যোগেৰে মনময় ৰূপত প্ৰকাশ কৰিছে।

আনোৱাৰ ৰাজৰ কবিতাৰ ভক্ত। এতিয়াও ৰাজৰ আবৃত্তি শুনি সি অভ্যস্ত কাব্যানুৰাগীৰ দৰে "বাহ! বাহ!! বাহ! বাহ!!" কৰি উঠিল। আৰু কোনে পায়। সুন্দৰম্ লাগি গ'ল,—কবিতাটো অনুবাদ কৰি বুজাই দিব লাগে। আনোৱাৰে যথাযথভাৱে অনুবাদ কৰি বুজালে। কিন্তু ভাষান্তৰ কৰিলে কবিতাৰ সৌন্দৰ্য্য এনেও কমি যায়। এই কবিতাটোৰো ইংৰাজী ৰূপত ৰসহ্ৰাস ঘটা বাবে ই যথাৰ্থভাৱে আবেদন কৰিব নোৱাৰিলে বঙালী সাংবাদিকজনক। আৰু ৰয়ে ঘপৰাই এনে দুটামান মন্তব্য কৰি পেলালে যে আনোৱাৰে প্ৰথম প্ৰথম একেবাৰে থতমত খাই

গ'ল। তাৰ ধাৰণা হ'ল ৰয়ৰ আদৰ্শৰ সৰ্ব্বসাধাৰণৰ আদৰ্শৰ পৰিপন্থিয়েই নহয় দেশদ্ৰোহমূলকো। ৰয়ৰ মতে পণ্ডিত জৱাহৰলাল নেহৰু কংগ্ৰেছৰ সভাপতি নিৰ্ব্বাচিত হোৱাৰ মূলতে আছে গান্ধীৰ চালাকি। (ৰয়ে আনকি মহাত্মাক 'গান্ধীজী' বুলিও নকয়।) বামপন্থী বিৰোধী দলক দমাই ৰাখি কংগ্ৰেছৰ ওপৰত নিজৰ পূৰ্ব্বৰ প্ৰভুত্ব বজাই ৰখাই গান্ধীৰ উদ্দেশ্য। আনোৱাৰে তাৰ পূজ্যপাদ ব্যক্তিক এনে অন্যায়ভাৱে সমালোচনা কৰা সহ্য কৰিব নোৱাৰি দৃঢ়ভাৱে প্ৰতিবাদ কৰি উঠিল। "সকলোৱেই জানে জৱাহৰলালৰ এই নিৰ্ব্বাচন প্ৰগতিশীল যুৱক শক্তিৰ বিজয় মাথোন বুলি। আৰু আপুনিওতো খন্তেক তেওঁৰ সভাপতিৰূপে দিয়া ভাষণ নিজ কাণেৰে শুনি আহিছে। এনে স্থলতো আপুনি যদি তেওঁ প্ৰতিক্ৰিয়াশীল বুলি ক'ব খোজে, তেন্তে আপোনাক এজন সামান্য স্বাৰ্থপৰ আৰু হিংসুক ব্যক্তিৰ বাহিৰে আন একো আখ্যা দিব নোৱাৰি।"

"আৰু আপুনি এজন মূৰ্খ। কেঁচা বুদ্ধিৰ সোঁতৰ মুখৰ খেৰ-কুটাৰ দৰে অন্ধ বীৰ-পূজক। আবেগৰ দাস।" ৰয়েও খঙেৰে ক'লে, "আপুনি ইমান নিৰ্ব্বোধ যে এতিয়ালৈকে মানুহৰ কথা আৰু কামৰ মাজৰ পাৰ্থক্যকে ধৰিব পৰা শক্তি আপোনাৰ হোৱা নাই।"

কোঁদোৰ বাঁহত জুই দি ল'লে ৰয়ে। ওচমান আৰু সুন্দৰম্ দুয়ো নেহৰুৰ একান্ত সমৰ্থক। ৰয়ৰ কথাত দুয়ো জাঙুল খাই উঠি আগবাঢ়ি আহিল আনোৱাৰৰ সমৰ্থনত। ওচমানে স্পষ্টকৈ ক'লে যে দেশৰ বৰ্ত্তমান অৱস্থাত যি মানুহে নেহৰুৰ নেতৃত্ব মানি লব নোখোজে, সন্দেহৰ চকুৰে চায়, সেই মানুহ বিশ্বাসঘাতক;—দেশদ্ৰোহী। সুন্দৰম্‌ৰ স্মৃতি শক্তি অসাধাৰণ। এটা শব্দও ভুল নকৰাকৈ তেওঁ মুখে মুখে নেহৰুৰ বক্তৃতাটো মাতি গ'ল। বক্তৃতাত নেহৰুৱে ইংৰাজৰ লগত একো সম্বন্ধ নাৰাখি পূৰ্ণ স্বাধীনতা লাভৰ বাবে সংগ্ৰাম কৰাৰ কথা ঘোষণা কৰিছে। খোলাখুলি ভাৱে নেহৰুৱে স্বীকাৰ কৰিছে যে তেওঁ সমাজবাদী। ভাৰতত সমাজবাদৰ প্ৰতিষ্ঠাৰ অৰ্থেই তেওঁ সকলো শক্তি নিয়োগ কৰি কাম কৰি যাব। নবাব, জমিদাৰ, দেশীয় 'ৰজা' আদিক তীব্ৰ আক্ৰমণ কৰি নেহৰুৱে স্পষ্ট ভাষাত গান্ধীবাদী চুক্তি-মীমাংসা আদিৰ চেষ্টাৰ লগত মতানৈক্য প্ৰকাশ কৰিছে। জাতীয় কংগ্ৰেছ আৰু বনুৱাৰ ট্ৰেড-ইউনিয়ন কংগ্ৰেছৰ মাজতো নিকট সম্বন্ধ স্থাপন কৰা হব বুলি তেওঁ স্বীকৃতি দিছে। তাৰ উপৰি এটা কথা পাহৰি গ'লে নচলিব। তেওঁৰ কথা আৰু কামৰ মাজত সামঞ্জস্য থকাৰ প্ৰমাণ জৱাহৰলাল এই বছৰ উক্ত দুয়োটা অনুষ্ঠানেৰে সভাপতি।

"কথা। কথা। আৰু কথা। অন্য একো নাই।" আৰু এটা চিগাৰেট জ্বলাই বয়ে মনৰ বিৰেষ প্ৰকাশ কৰি ক'লে, আৰৌ তিনি-নেহৰু-ভক্তই তাৰ ওপৰত একেলগে জঁপি উঠিল।

"বেচ" আনোৱাৰে বাকী দুজনৰ কথা শুনা পেলাই চিঞৰি ক'লে, "ধৰি লওঁ যেনিবা আপুনি কোৱা কথাই সঁচা। গান্ধীজী প্ৰতিক্ৰিয়াশীল ব্যক্তি। আৰু জৱাহৰলালো দুৰ্ব্বল, মেৰুদণ্ডহীন। তেন্তে আপুনি-য়েই বাৰু এনে এজন নেতাৰ নাম কওক যাৰ হাতত আমি স্বাধীনতাৰ আন্দোলনৰ ভাৰ দি নিশ্চিন্ত হব পাৰো। পাৰিব ক'ব?"

আনোৱাৰে ভাবিছিল বয়ৰ এইবাৰ মুখৰ মাত হেৰাব। তৰ্কবো ইমানতে সামৰণি পৰিব। কিন্তু বয়ে অকণো সভয়.কৈ বেচ আত্ম-প্ৰত্যয়ৰে একে আষাৰেই উত্তৰ দিলে, "নিশ্চয় পাৰো। সকলোৱেই জানে। সুভাষ বসু।"

বোম্বাইৰ ডেকা ওচমানৰ মুখ খুবৰ দৰে। কাৰোবাক আক্ৰমণ কৰি কথা কবৰ হ'লে মুখলৈ নাচায়। "আপোনালোকে বঙালীবোৰে সদায় বঙালীৰ পিনেতো টানিবই। উন্নতি, প্ৰগতি, ৰাজনীতি, যিহৰ বিষয়েই হওক আপোনালোকৰ ধাৰণা তথা আদৰ্শ ঠেক প্ৰাদেশিকতাৰ গণ্ডীৰে সীমাবদ্ধ।"

লগে লগে গোটেই তৰ্কৰ বিষয়টোৱেই পুনৰ মুৰৰপৰা দুগুণ উদ্যমে আৰম্ভ হৈ গ'ল। তৰ্কবাজ বয়ে এখন মুখেৰেই এই তিনিমুখীয়া আক্ৰমণ প্ৰতিৰোধ কৰিব ধৰিলে। উত্তেজনা ক্ৰমাগত বৃদ্ধি পাই আহিল। বঙালী ডেকা খীণ কটাৰীনলীয়া হব পাৰে। কিন্তু খণ্ডত একেবাৰে টিঙিৰি-তুলা। আৰৌঁৰ-গজালি মাৰি ধৰি নিজৰ মত্ এৰি নিদিয়া ক্ষেত্ৰতো বাকী কেজন বদি বাৰ এওঁ তেৰ। অৱস্থাই শেষত এনেদৰে পাগ ধৰি উঠিলগৈ যে নিৰ্ঘাত এখন চুৰ্চুৰীয়া মাৰ-পিট অৱশ্যম্ভাৱী হৈ উঠিল। যেই হওক—কপাল ভাল, ঘটনা সিমানখিনি পাবগৈ লগা নহ'লগৈ। ইউনুচ গাৰ পাই উঠি কি হৈছে সোধোতেই ওচৰৰ কোঠাৰপৰা কোনো-বাই জোৰে জোৰে বেৰত চকিয়াই দিলে। এটা গেৰ্ গেৰীয়া বৃদ্ধ-কণ্ঠৰ মাত শুনা গ'ল: "আৰে ৰাম ৰাম। কি গোল-মাল। মানুহক শুবলৈ নিদিব দেখি। আমি ৰাতিপুৱাই উঠিব লাগে। সংগীত সাদন কৰি পূজা কৰিব লাগে।"

কোনেও আৰু এটাও শব্দও উচ্চাৰণ নকৰি যি যাৰ বেজাই শুনত সোমাই পৰিল। বয় কিন্তু হাৰ মনা ভকত নহয়। শেষ চিগাৰেটটো

মচ কৰে অলাই দাঁতেৰে কামুৰি ক'লে, "সেয়া, তোমালোকৰ সুসম্মানিত প্ৰতিবেশী,........ধাঁহ খোৱা ধৰ্মভীৰু গান্ধীবাদী!"

আনোৱাৰৰ জৱাহৰলালৰ ওপৰত আস্থা দৃঢ়তাৰ ভেঁটিত প্ৰতিষ্ঠিত। ৰয়ৰ কেইটামান নেহৰু-বিৰোধী কথাতে ভাগি পৰিব পৰা বিধৰ নহয়। তথাপি সি মনে মনে ঠিক কৰিলে পিচদিনা পুৱাই বঙালী সাংবাদিকজনক তাক এবাৰ সুভাষ বসুৰ লগ ধৰাই দিবলৈ অনুৰোধ কৰিব। ৰয় যদি সন্মত হয় তেন্তে আনোৱাৰৰ পিচদিনা তিনিজন বিখ্যাত নেতাৰে সাক্ষাত কৰা হব। পাঠান নেতা আব্‌দুল গফ্‌ফাৰ খানক লগ ধৰাই দিব ইউনুচে, সুন্দৰমেও দাক্ষিণাত্যৰ এগৰাকী নেতাৰ ওচৰলৈ আনোৱাৰক লৈ যাম বুলি কথা দি থৈছে। নেতাজনৰ নামটো বেচ দাঁত-ভঙা বিধৰ। আনোৱাৰৰ মনতো নেথাকেই, কৈ দিলেও উচ্চাৰণ কৰিবলৈ টান পায়। অৱশ্যে দক্ষিণ ভাৰতত আৰু তেওঁতকৈ ডাঙৰ ৰাজনীতিবিদ নাই বুলি আনোৱাৰে শুনিছে। তেৱেঁই অলপতে হোৱা বিখ্যাত মাদক-দ্ৰব্য নিবাৰণী সভাত সভাপতিত্ব কৰিছিল।

কোঠাৰ বাকী কেজনৰ সোনকালেই টোপনি গ'ল। কিন্তু আনোৱাৰ সাৰে থাকিল। পৰম উত্তেজনাৰে ভৰপূৰ গোটেই দিনটোত সি দেখা আৰু শুনা সকলো কথা একালৰপৰা ভাবিবলৈ ধৰিলে। ৰয়ৰ দৰে বিদ্বেষী মনৰ মানুহে যিয়েই নকওক লাগে আনোৱাৰে জানে, সময়ৰ সঙ্কেত-শিঙা বাজি উঠিছে। গান্ধী-নেহৰুৰ নেতৃত্বত এটা বিশাল জাতি অচিৰেই স্বাধীনতাৰ তুমুল সংগ্ৰামত জপিয়াই পৰিব। সি ভাবিলে, সেই সংগ্ৰামৰ সি ৰাৰু কি ভূমিকা গ্ৰহণ কৰিব পাৰিব? একাষৰীয়া কৈ থিয় দি সি এজন সাধাৰণ দৰ্শকৰ দৰেই থাকিব নেকি? আনোৱাৰে জানে তেনেকৈ নিচেই হৈ সি থাকিব নোৱাৰে। সি এইটোও জানে, সক্ৰিয়ভাৱে এই আন্দোলনত যোগ দিলেই সি কাৰাগাৰলৈ যাব লাগিব। কোনে জানে হয়তো বিশ্ববিদ্যালয়ৰপৰাও বহিষ্কৃত হব লাগিব। আৰু তেতিয়া হলেই সি আব্বাজানৰপৰা বহুত দূৰলৈ আঁতৰি যাব লাগিব।

কাৰণ আজিকালি আব্বাজান কংগ্ৰেছৰ দুৰ্ঘোৰ বিৰোধী হৈ উঠিছে। তথাপি আনোৱাৰে এই সকলো সমস্যাৰে সন্মুখীন হ'ব লাগিব সাহসেৰে যদি সি তাৰ বিবেক, মনুষ্যত্ব, তাৰ আদৰ্শ, তাৰ বিশ্বাসক অস্বীকাৰ নকৰাকৈ থাকিব খোজে তেন্তে এইবোৰতো সৰু-সৰু কথা, ইয়াতোকৈ বহুত ডাঙৰ মূল্য দিবলৈ সি সাজু হব লাগিব। পথ কান্তাৰ; কিন্তু সুস্পষ্ট। দলে দলে মানুহে কাৰাগাৰলৈ তীৰ্থযাত্ৰা কৰিছে। হেজাৰ হেজাৰ জনতাই অহিংস-সংগ্ৰামত যোগদান কৰি সবেগে আগবাঢ়ি গৈছে। অকণো প্ৰতিবাদ নকৰাকৈ বা ভয়ত পৃষ্ঠ-প্ৰদৰ্শন কৰি উভটি দৌৰ নমৰাকৈ পুলিচৰ লাঠিৰ আগত মূৰ পাতি দিছে (ঠিক জবাহৰলালৰ দৰে); আনকি সময়ত হাঁহি হাঁহি ফাঁচী কাঠলৈকো আগবাঢ়ি গৈছে। আনোৱাৰে অনুভৱ কৰিলে সি যেন নিজেও বন্দী হৈছে; তাৰ মূৰতো পুলিচৰ লাঠি পৰি ভাগি গৈছে; ডিঙিত পৰি থকা কম্বলৰ ধাৰটো যেন ফাঁচীৰ জৰিৰ খোৰোচা গাঁঠিহে।

তাৰ পিচত, প্ৰত্যেক নিশা টোপনি অহাৰ আগমুহূৰ্ত্তৰত ভাঁহি উঠাৰ দৰে, আজিও তাৰ কল্পনা চকুত ভাঁহি উঠিল চান্‌মাৰ কমনীয় লোভনীয় মুখচ্ছবি। হাঁহকণী-আকাৰ এখন সুন্দৰ মুখ, চউখেলা কোমল চুলিৰ মেঘে আবৰি থকা; ডাঙৰ অজলা-অজলা এহাল ক'লা চকু; এহাল আঙুৰ-আঙুৰ শেৱৰী-বঙা ওঁঠ, যি ওঁঠে সিহঁতৰ স্বৰ্গীয় প্ৰেমৰ বান্ধোন স্বাক্ষৰিত কৰি দিছে। আজি যেন আনোৱাৰে দেখিলে চান্‌মাৰ মুখখন চুলিৰে নহয় এটা ডাঙৰ কলা প্ৰশ্নবোধক চিনেৰে আগুৰা, ঠিক গ্ৰহণ লগা চন্দ্ৰমাৰ দৰে। জাতিৰ যি সেৱাৰ বাবে ভয়ঙ্কৰ ত্যাগ স্বীকাৰ কৰিবলৈ তাৰ মন ক্ষন্তেক আগতে মাথোন প্ৰস্তুত হৈছে তাৰ সৈতে চান্‌মাই জানো নিজকে খাপ খুৱাই লব পাৰিব? চান্‌মাৰ বাবা একান্তভাৱে ৰাজ অনুগত। চান্‌মাই নিজে সদায় ৰাজনীতিৰ প্ৰতি কোনো অনুৰাগ নথকা যেন দেখুৱাই থাকে যদিও দৰাচলতে সেই কথা নহয়; তাই আনোৱাৰৰ ৰাজনীতিৰ জগত সংস্পৰ্শ তথা অনুৰাগক ঈৰ্ষাৰ চকুৰে চায়। আনোৱাৰৰ লাহোৰলৈ আহিব খোজা কথাত তাই কোনোমতেই সন্মতি দিব পৰা নাছিল। এয়া তাৰ ৰাজনৈতিক তীৰ্থযাত্ৰা নহয়, যি মাত্ৰ বনভোজ খাবলৈ যোৱাৰ দৰে আনন্দ উপভোগ কৰিবলৈহে লাহোৰ কংগ্ৰেছলৈ যায়, এনে ধৰণৰ কত কথা কৈ শেষত সি তাইক ৰাজি কৰাইছে। এতিয়া সি সক্ৰিয়ভাৱে যি কোনো সাংঘাতিক ৰাজনৈতিক ক্ৰিয়া কলাপত অংশ গ্ৰহণ কৰিবলৈ ওলালে চান্‌মাই যেন মৰি-পৰি বাধা দিব এই কথা আনোৱাৰে জানে। কিন্তু সেইবুলি আনোৱাৰ জানো তাৰ কৰ্ত্তব্যৰপথা পিচ হুহঁকি আহিব। বাইকী মানুহ

এনেকুৱা হয়েই। এয়া স্বাভাৱিক। স্বামী ৰণলৈ ওলাই গ'লে পত্নীয়ে কন্দা-কটা লগাবই। সেইবুলি স্বামী যুদ্ধলৈ নগৈ থাকিব নেকি! চান্দমাই তাক ভাল পায়। তাক বিপদৰ মুখলৈ এৰি দিবলৈ বেয়া পাবই। আনোৱাৰে তাইক ভালকৈ বুজাই দিব এই কাম কিমান আৱশ্যকীয়। এয়া কেৱল আমাৰ কৰ্ত্তব্যই নহয়। ইয়াৰ লগত আমাৰ সন্মানো জড়িত হৈ আছে। চান্দমা বুদ্ধিমতী ছোৱালী। তাই বুজি পাব। চকুলো টুকি তাই তাক বিদায় দিব। সংগ্ৰাম যিদিনা শেষ হ'ব, দেশ যিদিনা স্বাধীন হ'ব, আনোৱাৰ আকৌ উভতি আহিব তাইৰ কাষলৈ। চান্দমাই তাক হাঁহি হাঁহি সম্ভাষণ জনাব। তাৰ পিচত সিহঁতৰ বিয়া হ'ব। আৰু সিহঁতে সুখেৰে জীৱন যাপন কৰিব।....

চকুৰ পতালৈ টোপনি নামি আহিছিল। আনোৱাৰে বাগৰ সলাই শুলে আৰু চান্দমাৰ সুৱদী সপোনবোৰ সাবটি ধৰি টোপনি গ'ল।

আনোৱাৰে দেখিলে কিছুমান ফালৰপৰা সুভাষ বসু আৰু জৱাহৰলাল নেহৰুৰ ব্যক্তিত্ব সমানেই আকৰ্ষণীয়। দুয়োৰো মাজত আচৰিত মিল আছে। অথচ অন্য কিছুমান ফালৰপৰা আকাশ-পাতাল প্ৰভেদ। দুয়োৰেই দেখিবলৈ সুশ্ৰী, স্বাস্থ্যবান। হলেও জৱাহৰলালৰ শৰীৰৰ ভাঁজবোৰ বেছি প্ৰকট; মানুহটো গোটা; খেলুৱৈৰ দৰে। কিন্তু 'অগ্নি-মাৰ্কা' বঙ্গ নেতাজন অলপ গাথনু। আনোৱাৰে সুভাষ বসুৰ বক্তৃতা শুনিছে। বনুৱা অনুষ্ঠান, খেতিয়কসকল আৰু দেশৰ তৰুণ শক্তিক লৈ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱৰ সমৰ্থনত সাম্ৰাজ্যবাদক প্ৰত্যাহ্বান জনাই এখন 'সমান্তৰাল চৰকাৰ' গঠনৰ প্ৰস্তাৱ উত্থাপন কৰি তেওঁ কংগ্ৰেছ মহাসভাত বক্তৃতা দিছিল। বয়োজ্যেষ্ঠ নেতাসকলৰ বিৰোধীতাত এই প্ৰস্তাৱ অৱশ্যে গৃহীত নহ'ল। তথাপি বসুৰ ৰাজশক্তিক শ'ল ঠেকত পেলাব খোজা দুঃসাহসী পৰিকল্পনা

আৰু তেওঁৰ ওজস্বী আৱেগভৰা বক্তৃতাই উপস্থিত তৰুণ শক্তিক অভিভূত কৰি তুলিছিল। এই দুগৰাকী নেতা, বসু আৰু নেহৰুৰ মাজত পাৰ্থক্য কি? দুয়োজনৰে বক্তৃতা শুনি আনোৱাৰে ভাবিছিল। অনেক ভাবি আনোৱাৰে সিদ্ধান্ত কৰিছিল যে যদিও দুয়োজনেই সমাজবাদী তথাপি দুয়োৰে মাজত মৌলিক পাৰ্থক্য আছে। এজনে স্বাধীনতা আৰু সামাজিক ন্যায়ৰ আৱেগৰ চকুৰে চাই মানুহৰ অন্তৰৰ প্ৰতি আবেদন জনায়। আনজনৰ আবেদন মানুহৰ মনৰ প্ৰতি। তেওঁ ঊনবিংশ শতিকাৰ ৰাজনৈতিক দাৰ্শনিকসকলৰ দৰে যুক্তিবাদী দৃষ্টি ভঙ্গীৰে বিশ্বৰ পৰিবৰ্ত্তন সাধন কৰিব খোজে। বক্তৃতা-মঞ্চত বসুক উচ্ছ্বসিত অগ্নিঋষি যেন লাগে। কিন্তু ঘৰত শান্তভাৱে বহি থকা সুভাষ বসুক ওচৰৰপৰা চাই আনোৱাৰে দেখিলে মানুহ গৰাকী সম্পূৰ্ণ বেলেগ। নম্ৰ, সুভাষিত আৰু নিতান্ত সহজ-সৰল। আনকি নেহৰুৰ দৰে হঠাৎ উত্তেজিত হৈয়ো নুঠে। ৰয়ে এই বঙালী নেতা গৰাকীক ঘনিষ্ঠভাৱে চিনি পায়। আনোৱাৰৰ লগত পৰিচয় কৰি দি ৰয়ে ক'লে, "এওঁ আলিগড়ৰ এজন একনিষ্ঠ দেশপ্ৰেমী; আৰু অতি মাত্ৰাই নেহৰু-ভক্ত।" কথাষাৰ শুনি বসুৱে হাঁহিলে। সাংবাদিক ৰয়ে তেওঁৰ কাগজৰ বাবেহে দৰাচলতে সুভাষ বসুৰ লগত সাক্ষাত কৰিবলৈ আহিছিল। কিন্তু এতিয়া তেওঁ প্ৰশ্নসমূহ এনেভাৱে উত্থাপন কৰাত লাগিল যেন আনোৱাৰক প্ৰকৃত পোহৰৰ সন্ধান দিবলৈ—অথবা তাক দিগভ্ৰান্ত কৰিবলৈহে এইবোৰ সুধিছে।

"বসুবাবু", নিৰ্ভাঁজ বঙালী সম্বোধনেৰে বসুক সম্বোধন কৰি ৰয়ে সুধিলে, "লাহোৰ কংগ্ৰেছৰ বিষয়ে আপোনাৰ অভিমত কেনে?"

লাহে লাহে ভাবি-চিন্তি সুভাষ বসুৱে উত্তৰ দিলে, "কংগ্ৰেছে পূৰ্ণ স্বাধীনতা লাভৰ অৰ্থে প্ৰস্তাৱ গ্ৰহণ কৰাটো সুখৰ কথা। মই বিশেষ সন্তোষ পাইছো। কিন্তু আমাৰ সমান্তৰাল-চৰকাৰ গঠনৰ প্ৰস্তাৱ গৃহীত নোহোৱাটো সমানেই দুখৰ কথা। কাৰণ এই প্ৰস্তাৱো গৃহীত নহ'ল, অথচ পূৰ্ণ স্বাধীনতাৰ লক্ষ্যত উপনীত হবৰ বাবে অন্য কোনো বাস্তৱমুখী কাৰ্য্যকৰী পৰিকল্পনাও গ্ৰহণ কৰা হ'ল। অহা বছৰটোত আমি কি কৰিম তাৰ কোনো স্পষ্ট কাৰ্য্যক্ৰমনিকা আমি নেপালোঁ।" তাৰ পিচত তেওঁ এখন্তেক মনে মনে ৰ'ল। ডাঠ চশমাৰ ফাঁকেৰে এবাৰ আনোৱাৰলৈ চালে। তাৰ পিচত অলপ বিৰক্তভাৱে দৃঢ় স্বৰেৰে কবলৈ ধৰিলে, "ৰাজ-নীতিৰ পটভূমিত ইয়াতোকৈ হাস্যকৰ কথা আৰু কল্পনাই কৰিব নোৱাৰি। কেতিয়াবা আমি আমাৰ বাস্তৱ-জ্ঞানেই নহয় সাধাৰণ-জ্ঞানো হেৰুৱাই পেলাব খোজা যেন লাগে।"

বয়ে তৎক্ষণাত অন্য এটা প্ৰশ্ন সুধিলে, "আপোনাক হেনো নতুন কাৰ্য্যকৰী সমিতিৰো অন্তৰ্ভুক্ত কৰা হোৱা নাই। কথাষাৰ সত্য নে?"

প্ৰশ্নটোত আমোদ পাই নেতাজনে বঙালীতে উত্তৰ দিব ধৰিছিল। কিন্তু পিচ মুহূৰ্ত্ততে আনোৱাৰে নুবুজিব বুলি বনত পৰাত ইংৰাজীত আৰম্ভ কৰিলে, "সেইটোতো সকলোৱে জানে। মোৰ নিশা সকলো সভ্যৰে নাম ঘোষণা কৰা হৈছে। কেৱল ময়ে বুলি নহয় সকলো কেজন বামপন্থীকে সযতনে বাদ দিয়া হৈছে।"

এইবাৰ প্ৰথম আনোৱাৰে মাত লগালে, "ক্ষমা কৰিব, আপোনাৰ কথাষাৰ মই ঠিক বুজিব পৰা নাই। এই সভ্য নিৰ্ব্বাচনক তেনেভাৱে চালে ভুল নহব জানো? কাৰণ সভাপতি স্বয়ং যেখোন বামপন্থী আৰু সমাজবাদী? সেয়ে হ'লে তেওঁ সমিতিৰ নিজৰ পক্ষৰ মানুহহে লোৱাটো স্বাভাৱিক।"

"কাৰণ" উত্তৰ দিলে সুভাষ বসুৱে, "নিৰ্ব্বাচন কৰিছে জৱাহৰে নহয়,—মহাত্মাই। সমিতিত মত নিমিলা মানুহৰ মাত শুনি থাকিবলৈ তেখেতে নিবিচাৰে। জৱাহৰলাল সভাপতি মাথোন নামত।" তাৰ পিচতে তেওঁ কথাবোৰ টুকি লোৱা সাংবাদিকজনলৈ চাই ক'লে, "এইখিনি প্ৰকাশৰ বাবে নহয় কিন্তু দেই।"

ইউনুচৰ লগত কৰা বন্দবস্ত মতেই আনোৱাৰে খান আব্দুল গফ্ফাৰ খানকো লগ পালে। ইচ্! ইমান ওখ মানুহ আনোৱাৰে জীৱনত আৰু দেখা নাই। অসংখ্য মানহৰ মাজত থাকিলেও সবুজ জিলিকাদি জিলিকি থাকে। হাকোটাৰ দৰে নাক, শিলত কাটি কৰা দৰে বহুটা দঢ়িয়া মুখ;— দেখিলেই ধৰিব পাৰি উত্তৰ-পশ্চিম সীমান্তৰ বন্ধুৰ পাহাৰী দেশৰ মানুহ বুলি। আকাৰত দৈত্য যেন হলেও ব্যৱহাৰত মানুহজন তাৰ সম্পূৰ্ণ বিপৰীত। এটা অকণমান শিশুৰ দৰেই তেওঁ সৰল; নিৰাধিত। এজন সিদ্ধ মুনিৰ দৰেই তেওঁ সংযত; ধীৰ স্থিৰ। কথা-বতৰাত মানুহ সৰাকী

ইমান বিনয়ী ইমান ভদ্র যে তেওঁৰ লগত কথা পাতিলে পাতোতাজনৰে কেনেবা-কেনেবা অস্বস্তি-অস্বস্তি লাগি যায়।

আনোৱাৰৰ বদ্ধমূল ধাৰণা আছিল,—পাঠান হ'লেই মানুহ দেখিলে ভয় লগা যোদ্ধা-যোদ্ধা লগা মানুহ হবই। কিন্তু আচৰিত। এইজন পাঠান মানুহ অতি বিৰাটাকায় হৈয়ো দেখাত কপোৰ দৰে নির্জ্জু। নিৰ্জ্জু মিঠা মিঠা মাতেৰে কথা কয়। তেওঁ গভীৰভাৱে বিশ্বাস কৰে—একমাত্র গান্ধীবাদী অহিংসাৰ মাজতহে দেশৰ মানুহৰ মুক্তি নিহিত আছে। খদ্দৰৰ শ্বেলৱাৰ আৰু ৰঙা-মুগা চোলা পিন্ধা (এই চোলাৰ বাবেই তেওঁলোকে লাল-কুৰ্ত্তা উপনাম পাইছে) বাৰজনমান মানুহে গফ্ফাৰ খানক বেঢ়ি বহি আছে। পুৰণি চিনাকিৰ দৰে তেওঁ আনোৱাৰৰ লগত কথা পাতিলে। কথাই কথাই নিজ প্রদেশত ঘটা নানান ঘটনাৰ বিবৰণী দিলে। ইংৰাজে তাত পৰ্য্যায়ক্ৰমে "সোণ আৰু বন্দুক'ৰ ব্যৱহাৰ কৰি শাসন-কার্য্য চলাইছে। জনজাতিসকলক য'ত সম্ভৱ হয় ভাৰ-ভেঁটী দি আৰু য'ত আৱশ্যক হয় গোলা-বাৰুদেৰে দমন কৰি ৰখা হৈছে। সীমান্তৰ এই বিভিন্ন বিপদৰে সঙ্কুল প্ৰদেশ হয় বলেৰে নহয় ছলেৰে নিজৰ পূৰ্ণ আয়ত্তত ৰখাৰ কাৰণে শাসক গোষ্ঠী সদায় সচেষ্ট। সষ্টম। আশ্চৰ্য্যত চকুহাল বহলকৈ মেলি আনোৱাৰে শুনি গ'ল, কেনেকৈ ইংৰাজ শাসকে মানুহৰ মাজত লাখ লাখ টকা মুকলি হাতেৰে বিলাই দিয়ে। আনহাতে আকৌ তেওঁলোকে কেনেকৈ মানুহৰ জীৱন আৰু স্থাবৰ সম্পত্তিৰ ওপৰত অখণ্ড কৰ্তৃত্ব ৰাখে; যি মন যায় তাকে কৰিব পাৰে। আনোৱাৰে শুনিলে, কেনেকৈ আবদুল গফ্ফাৰ খানে সমাজ-সংস্কাৰ আৰু শিক্ষাৰ বিস্তাৰৰ বাবে যৎপৰোনাস্তি যত্ন কৰিছে। অথচ এই জনজাতীয় বাইজ অশিক্ষিত আৰু পিচ পৰা হৈ থাকিলে সকলো পিনৰপৰা সুবিধা বাবে চৰকাৰে পাৰেমানে খানৰ কামত হকা-বাধা কৰিছে। কিন্তু পাঠানসকল স্বাভাৱিকভাবেই স্বাধীনতাপ্ৰিয়। কোনো মূল্যৰ বিনিময়ত সেই স্বাধীনতা বিক্ৰী কৰিবলৈ তেওঁলোক সাজু নহয়। সেয়ে সাধাৰণ হাতে-সঁজা বন্দুক লৈয়ে সিহঁতে বৃটিছ সাম্ৰাজ্যবাদৰ অন্যায় সীমান্ত-নীতিৰ বিৰুদ্ধে নির্ভীকভাৱে থিয় দিছে।

"তথাপি খান চাহেব", সাহসত ভৰ দি আনোৱাৰে মাত লগালে, "আপুনি এই নির্ভীক জনজাতীয় ৰাইজে বন্দুক এৰি অহিংস-নীতি গ্ৰহণ কৰা উচিত বুলি কিয় বিবেচনা কৰিছে?"

"নাই নাই, ইয়াত কোনো প্ৰশ্ন নাই। এয়া উচিত।" পাঠান নেতা গৰাকীয়ে লৰালৰিকৈ ক'লে, "অহিংসাৰ পথ ন্যায়ৰ পথ,—ভগৱানৰ পথ। আমি সকলো পাঠান এই আন্দোলনত গান্ধীজীৰ অনুগামী। আৰু

ইনশ্বা-আল্লাহ—ভগৱানে কৰিলে আমি দেখুৱাই দিম স্বাধীনতাৰ কাৰণে কেনেকৈ মৰিব লাগে পাঠানেও জানে।

ইমান আচৰিত ইমান মৰম লগা মানুহ খান আবদুল গফ্ফাৰ খান! ভাবি ভাবি আনোৱাৰ ওলাই আহিল। এইবাৰ সি তৃতীয়জন নেতাৰ ওচৰলৈ যাব। সুন্দৰমে তাক সাক্ষাত কৰাই দিব খোজা এই দাক্ষিণাত্যৰ নেতা গৰাকীৰ নাম ৰাজাগোপালাচাৰিয়াৰ। কাগজত নামটো লিখি লৈ বাৰে বাৰে পঢ়ি পঢ়িহে সি ভালকৈ উচ্চাৰণ কৰিব পাৰিছে। আবদুল গফ্ফাৰ খানৰ তুলনাত এইজন নেতা নিচেই চুটি-চাপৰ। গাৰ ৰঙো সিমান পোহৰ নহয়। মুখটো ডপা। চকুত ক'লা চশমা পিন্ধি থাকে। দেখি আনোৱাৰৰ সিমান ভাল নেলাগিল। হলেও, কথা বতৰা হৈ আনোৱাৰে দেখিলে মানুহ গৰাকীৰ উপস্থিত-বুদ্ধি আৰু ৰাজনীতি-জ্ঞান অতি তীক্ষ্ণ। তদুপৰি দক্ষিণ-পন্থী দলৰ এওঁ সৰাতোতকৈ শ্ৰেষ্ঠ আৰু উগ্ৰ সমৰ্থক। অৱশ্যে ক'লা চশমা পিন্ধি থকা মানুহৰ লগত কথা পাতিবলৈ এনেও অসুবিধা। তেওঁ দেখি থাকে, কিন্তু তেওঁক কোনেও নেদেখে। তদুপৰি মানুহজনে কথা প্ৰসঙ্গতে ইমানবোৰ বিষয় সামৰি ল'লে, ৰাজনীতি-সমাজ নীতিৰপৰা গৈ ধৰ্মত উপনীত হৈ ক্ষীণকায় মানুহজনে গীতাৰ শ্লোক এনেদৰে সৰ্‌সৰাই মাতি যাব ধৰিলে যে আনোৱাৰৰ অঠাই সমুদ্ৰত পৰি কূল হেৰুৱা যেন হ'ল।

সুভাষ বসু; খান আবদুল গফ্ফাৰ খান; ৰাজাগোপালাচাৰিয়াৰ: প্ৰক্ষোভিত বঙালী, সংযত দ্বিধাগ্ৰস্ত পাঠান, চতুৰ অভিজ্ঞ তামিল! এদিনৰ ভিতৰতে আনোৱাৰে এই তিনিজন মানুহক লগ পালে। কংগ্ৰেছৰ নীতিৰ লগত এই তিনি ব্যক্তিৰ ব্যক্তিত্বক খাপ খুৱাই বিচাৰ কৰিবলৈ সি টান পালে। কাৰণ এই পৰিমিত তাৰ ধাৰণাত কংগ্ৰেছৰ নীতি আছিল মহাত্মাৰ ঋষিসুলভ মানৱীয়তাবাদ আৰু জৱাহৰলাল সমাজবাদী আদৰ্শবাদৰ এটা সমন্বয় মাথোন! কিন্তু এইদৰে সম্পূৰ্ণ বেলেগ ধৰণৰ আৰু পৰস্পৰ বিৰোধী শক্তি তথা আদৰ্শৰ প্ৰতিনিধিস্বৰূপ কিছুমান মানুহ একেলগ কৰি ইমান জৰুৰী ইমান বিৰাট এখন সংগ্ৰামত অৱতীৰ্ণ হব পৰা জানো যাব! এয়া যদি সম্ভৱপৰ হয় তেন্তে ই গান্ধীবাদী সংগঠনৰ চূড়ান্ত বিজয়স্বৰূপ হব। এইবোৰ কথা ভাবি ভাবি সেইদিনা নিশা আনোৱাৰৰ টোপনি গ'ল।

বাজ, ইউনুচ আৰু আনোৱাৰ সেইদিনাই আলিগড়লৈ উভটি যোৱাৰ কথা। বিছনা-পাতি বান্ধি সাজু হৈছে এনে সময়তে বতন ওৱকে বামলাল ওলালহি। তাৰ মানে তাক এতিয়াও পুলিচে ধৰিব পৰা নাই। আনোৱাৰ সুখী হ'ল। মনৰ সকলো দুশ্চিন্তা আঁতৰি গ'ল। দুয়ো বন্ধুৱে পৰস্পৰক আলিঙ্গন কৰিলে।

"উৰা, আনোৱাৰ! টালি-টোপোলা বান্ধি ক'লৈ যাবলৈ ওলাইছা? আচৰিত হৈ ক'লে, "সেইটি নচলিব। কংগ্ৰেছৰ অধিবেশন মাত্ৰ দেখিলো; লাহোৰ দেখিলা জানো? আজি চাৰি দিন বিচাৰি বিচাৰি চলাথ কৰাৰ পিচত তোমাক পাইছো। এতিয়া ইমান সহজে এৰি দিম বুলি ভাবিছা নেকি! এইবাৰ তুমি মোৰ আলহী। কেইদিনমান থাকা। এওঁলোক যাওঁকগৈ। বেয়া নেপায় নিশ্চয়।"

এইবুলি কৈ সি আনোৱাৰৰ উত্তৰলৈ বাট নেচাই তাৰ বিছনা-চুটকেচ নি এখন টাঙ্গাত তুলি দিলেগৈ। তাৰ পিচত আনোৱাৰকো তুলি লৈ টাঙ্গাৱালাক কৃষ্ণনগৰলৈ যাবলৈ নির্দেশ দিলে। বাটত সি ক'লে, "মই ইয়াত এটা ঘৰ ভাড়া কৰি আছোঁ। মোৰ লগতে আৰু দুজনমান বন্ধু থাকে।" বন্ধুকেজন কেনেকুৱা হব অনুমান কৰি লোৱাত আনোৱাৰৰ অকণো কষ্ট হোৱাৰ কথা নহয়। সি বুজিলে। বতনৰ ঘৰত সোমাই সি দেখিলে সাংঘাতিক কাণ্ড। এটা কোঠা সম্পূর্ণভাৱে নানা ধৰণৰ আপত্তিজনক বোতল, টেষ্ট-টিউব, মাটিৰ এচিটু খোৱা পাত্ৰ আৰু অনেক সৰু সৰু লোহাৰ টুকুৰা আৰু খালী 'চেল্'ৰে ভৰপূৰ। এইবোৰ বস্তু যে একমাত্ৰ গোপনে বোমা তৈয়াৰ কৰিবৰ কাৰণেই ইয়াত ৰখা হৈছে তাত সন্দেহ নাই। এটা অজান ভয়ত আনোৱাৰ শিয়ঁৰি উঠিল।

"মোক যে ইয়ালৈ আনিলা? কথাটো ভাল হৈছে জানো?" বহি লৈ আনোৱাৰে সুধিলে, "মানে, তোমাৰ-মোৰ কাৰণে মই কোৱা নাই। কিন্তু তোমাৰ দলৰ মানুহে জানো এনেকৈ নাছিৰৰ মানুহ এজনক গুপ্ত ঘাটিলৈ সোমাবলৈ দিয়া কথাটো ভাল পাব?"

"আনোৱাৰ, দিল্লীত তুমি আমাৰ কাৰণে যি কাম কৰি দিলা তাৰ পিচত আৰু তুমি আমাৰ দলৰ বাহিৰৰ মানুহ হই থকা নাই। তুমি আমাৰে এজন।"

সেয়া দহ মাহৰ আগৰ কথা। তাৰ পিচত আনোৱাৰে এই প্ৰথম বতনক লগ পাইছে। আনোৱাৰৰ মনত পৰিল—লগ পালেই এটা কথাত বতনক দোষাৰোপ কৰি দুৱাৰমান কথাৰ লাগিব বুলি সি ইমানদিন মনতে পাঙি থৈছে। "অ'—ঠিক কথা। ঠিক মনত পৰিছে। সেইবাৰ তোমা-

লোকে প্ৰতিজ্ঞা কৰিও প্ৰতিজ্ঞা নেৰাখিলা কিয় ? তোমাৰ নিশ্চয় মনত আছে মই কৈছিলো : কোনো হিংসামূলক কাম তোমালোকে কৰিব নোৱাৰিবা ।"

ৰতনে হো-হোকৈ হাঁহি উঠিল । "বেছ বঢ়িয়াকৈ মনত আছে আনোৱাৰ । সেইকেইটা তোমাৰ মুখৰ শব্দ । আৰু আমাৰ মুখৰ শব্দকেইটাও তোমাৰ নিশ্চয় মনত আছে । আমি কৈছিলো : কোনো হত্যাকাণ্ড আমি নকৰো ।" আনোৱাৰে দেখিলে হাঁহি উঠা ৰতনৰ মুখখন পিচ মুহূৰ্ত্ততে ক'লা পৰি গৈছে । তাৰ মনত পৰিছে ভগৎ সিং আৰু বুকেশ্বৰ দত্তলৈ । মাত্ৰ কেই মাইলমান নিলগৰ লাহোৰ-চেণ্ট্ৰেল-জেলত সিহঁত বন্দী হৈ আছে । আৰু আছে আন আন ভাল্লোমান কমৰেড্‌ । হত্যা আৰু আইন-অমান্য কৰি উচ্ছৃঙ্খলতাৰ সৃষ্টি কৰাৰ অপৰাধত সিহঁতক বিচাৰ কৰা হৈছে । আনোৱাৰে তাৰ মনৰ ভাব ধৰিব পাৰিছে বুলি ৰতনে বোধহয় বুজিছিল । সেয়ে সি কাৰো নাম নলৈ, কোনো ভূমিকা নকৰাকৈ কৈ গ'ল, "তুমি নিশ্চয় সিহঁতৰ কথা সকলোবোৰেই জানা । অনশন কৰি সম্পূৰ্ণ তিনিকুৰি এদিন থকাৰ পিচত হতভগীয়া যতীন্দ্ৰনাথ দাসৰ মৃত্যু হ'ল । কল্পনা কৰি চোৱাঁচোন ভাই, দুমাহতকৈও বেছি দিন পেটত খুদকণ এটাও নপৰাকৈ থাকিলে মানুহৰ অৱস্থা কি হব পাৰে। ইমান ক্ষীণ, ইমান কোমল, ইমান দুৰ্ব্বল হৈ গৈছিল যতীন । 'যতীন, এইবাৰ তুমি একেবাৰে ছোৱালীৰ নিচিনা হৈ গ'লা' বুলি আমি তাক জোকাইছিলো । সি লাজ-লাজকৈ হাঁহিছিল । উহ্‌ আনোৱাৰ। 'আৰ্‌ঠি'ত (চাঙি) তুলি তাক শ্মশানলৈ লৈ যাওঁতে আমি মানুহ এটা লৈ গৈছো বুলি গ'মেই পোৱা নাছিলো । শুকাই জঁকাটোহে আছিল তাৰ । একেবাৰে পাতল এটা শিশুৰ নিচিনা হৈ গৈছিল সি।"

আনোৱাৰে দেখিলে ৰতনৰ দুয়োখন গালেদি দৰ্‌দৰ্‌কৈ চকুপানী বৈ আহিছে । দুৰ্দ্দান্ত এটা বিপ্লৱীয়ে কান্দিছে। কান্দে। আজি ভালেমান দিন ধৰি ৰতনৰ অভিব্যক্তিত আনোৱাৰে যি কঠোৰতাৰ আবৰণ পৰিলক্ষিত কৰি আহিছিল খন্তেকৰ বাবে যেন সেই আবৰণ খহি পৰিছে । আঁতৰি গৈছে । এয়া সেই তাহানিৰ অকমান অন্তৰ্মিক ৰতনে কথা কৈছে, "পুলিচে আমাৰ কমৰেড্‌হঁতক কেনে ব্যৱহাৰ কৰিছে বাতৰি কাকতে তাৰ সকলো কথা প্ৰকাশ কৰা নাই । মাৰি মাৰি অৱশ কৰি এন্ধাৰ অকলশৰীয়া সৰু সৰু কোঠাত সপ্তাহৰ পিচত সপ্তাহ বন্ধ কৰি ৰখা হৈছে । উলঙ্গ কৰি চেঁচা বৰফৰ টুকুৰাৰ ওপৰত শুৱাই ৰাখিছে । নাই নাই আনোৱাৰ ; কমৰেড্‌হঁতক এনেকৈ কষ্ট ভোগ কৰি থাকিবলৈ আমি আৰু দিব নোৱাৰোঁ। কেতিয়াও নোৱাৰো । অতি সোনকালেই আমি....'

ৰতন বৈ গ'ল। যিমান কোৱা উচিত তাতোকৈ বহুত বেছি কোৱা হৈছে বুলি উপলব্ধি কৰি সি নিজকে সংযত কৰিলে। যিমান কোৱা উচিত তাতোকৈ বেছি; যিমান ক'ম বুলি ভাবিছিল তাতোকৈ বেছি। আনোৱাৰ যিমানেই বিশ্বস্ত বন্ধু নহওক, নিৰাপদ নহওক,—এয়া দলৰ অনুশাসনৰ কথা।

"তাৰ মানে তোমালোকে সিহঁতক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিব খুজিছা নেকি?" আনোৱাৰে নুসুধি নোৱাৰিলে। কথাটো কিমান বিপজ্জনক ভাবিলে তাৰ বুকু চপ্‌চপাই উঠিল।

ৰতনে মূৰ দুপিয়ালে। তাৰ পিচত আনোৱাৰে দেখি অহা সিটো কোঠাৰ 'বোমা কাৰখানা'লৈ আঙুলিয়াই ক'লে, "আমি কেইজনমানে তাকে ঠিক কৰিছো। আমাৰ এই দলটো যাই দল নহয়। মই এতিয়া এটা বেলেগ সৰু দলৰ লগ লাগি কাম কৰি আছো। কিন্তু তোমাক এইবোৰ কথা এনেইহে কৈছো। মই তোমাক ৰাখিছো সম্পূৰ্ণ এটা বেলেগ কাৰণে। তুমি আমাক সহায় কৰিব লাগে। এইবোৰ সামান্য কথা। তুমি আমাক অতি বেছি প্ৰয়োজনীয় কাম এটা কৰি দিব লাগে। ভয় নকৰিবা, বিপদ প্ৰায় একেবাৰে নাই।"

কি কথা জানিবলৈ আনোৱাৰ উদগ্ৰীৱ হৈ উঠিল। কিন্তু ৰতনে তেতিয়াই একো নক'লে। "এই বিষয়ে আমি কথা পাতিম। কিন্তু ইয়াত নহয়। বেৰ-চালবো কাণ আছে। তদুপৰি কোনোবা আহি ওলাব পাৰে। এই কথা মোৰ বাকীকেইজন বন্ধুকো জানিবলৈ দিব নোৱাৰি।" তাৰ পিচত ৰতনে থিয় হৈ যিষাৰ কথা ক'লে শুনি আনোৱাৰৰ নিজৰ কাণকে বিশ্বাস কৰিবৰ মন নগ'ল। "এতিয়া ওলোৱা। তোমাৰ আটাই-তকৈ ভাল চুটবোৰ পিন্ধি ওলোৱা। আমি এডোখৰ অতি আভিজাত্যপূৰ্ণ ঠাইত আহাৰ কৰিব লগা হ'ব পাৰে।"

এই সঙ্গীত প্ৰকৃততে আফ্ৰিকাৰ অৰণ্যৱৰ্গৰ অহা। তাৰ আদিম অৰণ্যবাসীসকলে সিহঁতৰ 'টমটম্' বজাই, শিঙা ফুঁকি, ঢোলৰ নিচিনা

নিজৰ ফিটফিটিয়া ক'লা পেটত চপৰিয়াই আৰু ভূত-খেদা ওজাৰ দৰে মুখেৰে অদ্ভুত চিঞৰ মাৰি এক শ্ৰেণীৰ অদ্ভুত সঙ্গীতৰ সৃষ্টি কৰিছিল। এই দুৰ্ভগীয়া আফ্ৰিকাবাসীবোৰক পিচলৈ দাস-বেপাৰীদলে চলে-বলে ধৰি নি সাগৰ পাৰ কৰি নতুন পৃথিৱীৰ উপনিবেশকাৰীবোৰৰ ওচৰত বিক্ৰিবলৈ আৰম্ভ কৰিলে। সকলো হেৰুৱাই যাব লগা হোৱা এই মানুহবোৰে কিন্তু সিহঁতৰ লগত সিহঁতৰ সঙ্গীত বহন কৰি লৈ যায়। আচৰিত ধৰণে নিউইয়ৰ্ক, চিকাগো, চান্‌ফ্ৰান্সিচ্‌কো আদি ঠাইৰ নব্য আধুনিকসকলৰ গেথেলা মৰা স্নায়ুবিত্তিক এই সঙ্গীতে ভালকৈয়ে আকৰ্ষণ কৰে। ফলত দক্ষিণ আমেৰিকাৰ আৰ্দ্ৰ, জলাহময় পৰিবেশ আৰু কাম-সৰ্ব্বস্ব জীৱনৰ মাজত এই সঙ্গীতে খোপনি পুতি লৈ নতুন এক উন্মনা সুৰৰ জন্ম দিয়ে। আৰু কালক্ৰমত এই সৰ্ব্বশক্তিমান ডলাৰৰ দেশখনৰ হলিউদী-চিনেমা, ফোৰ্ডগাড়ী, লিপ্‌ষ্টিক, চুইংগাম আদিৰ লগতে মাউথে উজাই আহি তথাকথিত 'জাজ্‌' সঙ্গীতেও ভাৰতভূমিত পদাৰ্পণ কৰে। ভাৰতৰ বিশেষকৈ লাহোৰত অনকূল পৰিৱেশ পাই ই লহপহকৈ শিপাবলৈ ধৰে। কাৰণ লাহোৰৰ নতুন চহকী জমিদাৰ তনয়সকলে তেওঁলোকৰ নিজৰ ঠাইৰ চহকী আৰু পুৰুষ-জনোচিত লোক-সঙ্গীতৰ লগত এই সঙ্গীতৰ অদ্ভুত যদিও বিকৃত সাদৃশ্য দেখিবলৈ পাইছিল।

বতনে আনোৱাৰক লাহোৰৰ এটা বিখ্যাত নৈশ প্ৰমোদালয়লৈ লৈ গ'ল। কংগ্ৰেছ শিবিৰবোৰৰ লাহোৰৰ যি ৰাজনীতি-সচেতন গম্ভীৰ চেহেৰা আনোৱাৰে দেখিছিল তাৰ লগত এই 'নাইট-ক্লাব'ৰ লাহোৰৰ আকাশ-পাতাল পাৰ্থক্য। এই প্ৰমোদ গৃহ আদি থকা মলৰ ওচৰৰ ঠাই খণ্ড এখন স্বয়ং সম্পূৰ্ণ স্বকীয়া পৃথিৱীৰ দৰে। কাপোৰৰ দোকানত বিধে বিধে বিদেশী কাপোৰ জকমকাই আছে। স্বৰ্ণ শিল্পীৰ দোকান, চাহ-দোকান, মদৰ-আড্ডা, নৈশ প্ৰমোদালয়, ক'ত কি! আল্‌পাক-ডিনাৰ-জেকেট, কলপ খুউৱা কানিজৰ কলাৰ, জৰ্জেট আৰু ক্ৰেপ-ডি-চাইন শাড়ী আৰু চোলা, বন কৰা শেৰ্‌ৱাৰ, মুক্তা খচোৱা কৰ্ণাভৰণ, নিৰুদ্দেশ উচ্ছ্বসিত হাঁহি, গিলাচৰ ঠুং ঠাং, চেম্পেনৰ ভিৰ্‌বিৰণি, গালত গাল লগাই নৃত্য, কঙ্গোৰ সঙ্গীতৰ তালে তালে কামনা অধীৰ দেহৰ নিধুৱন, আৰু এই সকলোকে ঢাকি ৰখা এক আচ্ছাদন চিগাৰেটৰ ধোঁৱা আৰু হুইস্কিৰ বাহপৰ........

বতনে কৈছিল, যি কোনো গোপন কথা আলোচনা কৰিবৰ হ'লেই সিহঁতে একো একোটা নৈশ প্ৰমোদালয়লৈ আহে। ইয়াত অসংখ্য মানুহৰ মাজতো মানুহ সম্পূৰ্ণ অকলশৰে থাকিব পাৰে। কোনেও আমনি নকৰাটো ম

কোনেও লক্ষ্য কৰাৰ বা শুনাৰ ভয় নথাককৈ সকলো কথা পাতিব পাৰি। সৰ্ব্বগ্ৰাসী নিৰুদ্দেশ গুঞ্জনৰ আঁৰত সেই আলোচনা কোনেও নজনাকৈ সমাপ্ত হয়। তথাপিও আনোৱাৰৰ ভাব হৈছিল ইয়াত কথা পতা কেতিয়াও নিৰাপদ হ'ব নোৱাৰে। কিন্তু ইচ্ছাপূৰ্ব্বক ভাবেই কম পোহৰৰ ব্যৱস্থা থকা নৃত-কোঠাৰ এচুকৰ মেজত কেইমিনিটমান বহাৰ পাচত আনোৱাৰৰ বিশ্বাস জন্মিল—স্থান নিৰ্ব্বাচনত ৰতনৰ ভুল হোৱা নাই। এয়া মদৰ দেৱতা 'বেকাচ'ৰ মন্দিৰ। পুলিচে গোটেই পৃথিৱী বিচাৰি চলাথ কৰিলেও এই মন্দিৰত বিপ্লৱী বিচাৰি নাহে।

অলপ সময়ৰ ভিতৰতে আনোৱাৰ প্ৰমোদ-গৃহৰ পৰিবেশত অভ্যস্ত হৈ পৰিল। চাৰিওফালে কি ঘটিছে কাণ নিদিয়াকৈ থাকিব পৰা হ'ল। বন্ধু ৰতনৰ কথাত মনোযোগ দিলে।

ৰতনে ক'লে, জেলৰ ভিতৰে বাহিৰে থকা সিহঁতৰ দলৰ বিপ্লৱী সকলে এতিয়াও কংগ্ৰেছৰ কাৰ্য্য-পদ্ধতিত বিশ্বাস স্থাপন কৰিব পৰা নাই। তথাপি সিহঁতে ভাবে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰি কংগ্ৰেছ নিৰ্দ্দিষ্ট লক্ষ্যত এখোজ স্পষ্টভাৱে আগবাঢ়ি গৈছে। সিহঁতে বিশ্বাস কৰে, নিচেই কমকৈ হ'লেও জৱাহৰলালৰ সভাপতিত্বত কংগ্ৰেছে বাম-পন্থী মনোভাৱেৰে কামত আগ বাঢ়িব।

তাৰ মানে এই দুৰন্ত সন্ত্ৰাসবাদীদলে ঠিক আনোৱাৰে আশা কৰা দৰেই কাম কৰিবলৈ সিদ্ধান্ত কৰিছে বোধহয়। আনোৱাৰৰ ঔৎসুক্য আৰু উৎসাহ অনেক পৰিমাণে বাঢ়ি গ'ল। "কিন্তু মোক তুমি কি কৰিবলৈ ক'ব খুজিছিলা ?"

"সকলো বুজাই কৈছো ; শুনা...." ৰতনে কৈ গ'ল।—এই পৰিমিত সিহঁতৰ বিপ্লৱী দলে সন্ত্ৰাসবাদী কাৰ্য্যাৱলীতে বিশেষ মনোযোগ দি আছিল। কিন্তু এইবাৰ সিহঁতে অলপ ৰাজনীতিৰ কামো কৰিব খুজিছে। "এইবাৰে আমি আমাৰ আৰু সিটো দলৰ মাজত এটা সম্বন্ধ স্থাপন কৰিব খুজিছো। এতিয়ালৈকে আমাৰ দুয়োটা দলেই সম্পূৰ্ণ বেলেগ পন্থানুসৰণ কৰি কাম কৰি গৈছে যদিও বিপ্লৱৰ প্ৰতি অনুৰাগ কোনোটো দলৰেই কম নহয়।"

"তুমি"........আনোৱাৰে সন্দিগ্ধ স্বৰেৰে ক'লে, "কম্যিউনিষ্টসকলৰ কথা কৈছা". ......

"ওঁ—কম্যিউনিষ্ট আৰু ভেনে দল দুই এটা। মই বোধহয় আলিগড়ত থাকোতে তোমাক আমাৰ দলীয় নীতিৰ নতুন সমাজবাদী আদৰ্শ গ্ৰহণৰ কথা কৈ ছিলো। আমাৰ কয়বেজনকলে অনশন কৰোতে বিবাটৰ বন্দী

সকলেও আমাৰ লগত ঐক্যভাৱ প্ৰদৰ্শন কৰি প্ৰতীক অনশন কৰিছিল। তাৰ মানে আমাৰ মাজত সহযোগ হব পৰাৰ ভেঁটি আগৰেপৰা আছেই। এতিয়া কেৱল আমাৰ দলৰ পোনপটীয়া অনুৰোধ হিচাপে এটা খাতৰি মিৰাটলৈ লৈ যাব লাগে।”

এইবাৰ আনোৱাৰে বুজিলে সি কি কৰিব লাগিব।

“তাৰ মানে মই”.......

“ওঁ। একমাত্ৰ তুমিয়েই এই কাম কৰিব পাৰা। আমি কোনো সশৰীৰে মিৰাটৰ আদালতত উপস্থিত হবগৈ নোৱাৰো। কাৰণ এই ছুখন প্ৰদেশৰ সকলো চোৰাংচোৱাৰে মিৰাটৰ আদালত গিজগিজাই থাকিব।”

আনোৱাৰ আৰু ৰতনৰ মাজৰ ব্যক্তিগত সম্বন্ধ আছিল অত্যন্ত নিবিড়। আদৰ্শৰ ফালৰপৰা দুয়োৰো মাজত বিৰাট পাৰ্থক্য থকা কথা জনা সত্বেও ৰতনে আনোৱাৰক এবাৰো নুসুধিলে এই কাম কৰি দিয়াত তাৰ আপত্তি আছে নে নাই। পোনে পোনে কৰি দিবলৈকে ক'লে, অনুৰোধ উপ-ৰোধৰো লৌকিকতা নকৰাকৈ।

“মই সকলো ঠিক কৰি থৈছো।” অলপ ভয় খোৱা অলপ দ্বিধা কৰা যেন দেখি সি আনোৱাৰক ক'লে, “তোমাৰ কোনো বিপদেই নহয়।” কালিলৈ আমাৰ কমৰেড্‌সকলৰ বিচাৰ হ'ব। সেই সময়ত তুমি সাংবাদিক হিচাপে আদালতত উপস্থিত থাকিবা। মই তোমাৰ বাবে সাংবাদিকৰ প্ৰৱেশ-পত্ৰও সংগ্ৰহ কৰি ৰাখিছো। আদালতত কোনোবা এজনে ছেগ বুজি তোমাৰ হাতত এটুকুৰা কাগজ দিব। এই কাগজ লৈ তুমি মিৰাটলৈ যাবা আৰু তাৰ যি কোনো এজন বন্দীক দি দিলেই হৈ যাব। তোমাৰ কাম সিমানেই। অকণো টান নহয়।

আনোৱাৰৰ কিন্তু কামটো সিমান উজু যেন নালাগিল। এনেকুৱা গোপন কাৰ্য্য সম্পাদন কৰাৰ কোনো অভিজ্ঞতাই আনোৱাৰৰ নাই। কিন্তু কংগ্ৰেছক কিছু পৰিমাণে বাম-পন্থী কৰাৰ চেষ্টাৰে কমিউনিষ্ট আৰু সন্ত্ৰাসবাদী একেগোট হ'ব খোজা এই কথাটোৱে তাক বিশেষভাৱে আকৰ্ষিত আৰু উৎসাহিত কৰিছিল। সেয়ে বেছি নাভাবি সি সন্মতি জনালে। এইবাৰ দুয়ো বন্ধুৱে আলোচনা সামৰি নাচৰ মজিয়ালৈ দৃষ্টি নিক্ষেপ কৰিলে। এটা ‘পৰম সুৰ'ৰ তালে তালে হালে-হালে মত্তা মাইকীয়ে হালি-জালি নাচিছে। গাত কাপ খাই পৰা আৰু একালে কৌশলেৰে কাটি কৰজনৰ এভোখৰলৈকে উলিয়াই ৰখা কলা পোছাক

পিছি এজনী বন্দী ছোৱালীয়ে ভূত-খেদা-ওজাৰ—হুঃ হুঃ ছুঃ ছুঃ জাতীয় গান গাইছে অথবা চিঞৰিছে :

"টুচচু ! টুচচু ! টুচচু !!
আই লাভ ইউ চ'মাচচু, চ'মাচচু, চ'মাচচু ।"

পিচ দিনা পুৱাই টাঙ্গা এখন ধৰি আনোৱাৰ কৃষ্ণ নগৰৰপৰা ষ্টেচন পালেহি । তাত বিছনা আৰু চুটকেচটো নিৰ্দ্দিষ্ট ঠাইত জমা দি ৱিৰাণি কোঠাত বহি এনেই এঘণ্টামান সময় কটালে । তাৰ পাচত ৰতনৰ নিৰ্দ্দেশ মতে সাৱধানে অন্য এখন টাঙ্গা লৈ চেণ্ট্ৰেল জেললৈ আহিল । প্ৰকাণ্ড লোহ-কপাট বন্ধ হৈ আছে । আনোৱাৰে তাৰ সাংবাদিকৰ পৰিচয়-পত্ৰ দেখুৱালত এখন সৰু চোৰ-দুৱাৰেদি তাক সোমাই যাবলৈ দিয়া হ'ল । দুৱাৰখন আকৌ তৎক্ষণাত বন্ধ কৰি দিয়া হ'ল । আনোৱাৰৰ এনে লাগিল যেন সি নিজেই বন্দী ৰূপতহে কাৰাগাৰত প্ৰৱেশ কৰিলে ।

বিচাৰ-কোঠা ইতিমধ্যেই উকিল, আদালতৰ কৰ্ম্মচাৰী, সাংবাদিক আৰু দোষীসকলৰ আপোন-পৰিজনেৰে ঠাহ খাই পৰিছিল । আনোৱাৰে সাংবাদিকৰ বাবে আচুতিয়াকৈ ৰখা আসনবোৰৰ এখনত বহি ল'লেগৈ । কেউপিনে চকু ফুৰাই সি দেখিলে যি ঠাইত আচামীবোৰ আনি ৰখা হব সেই ঠাই তাৰ ওচৰতে । সি আশ্বস্ত হ'ল ।

হঠাৎ 'ইনকিলাব জিন্দাবাদ' আৰু আন আন বিপ্লৱী ধ্বনিৰে আদালত মুখৰিত হৈ উঠিল । বিচাৰৰ বাবে বিপ্লৱীসকলক আনি উপস্থিত কৰাৰ লগে লগে সকলো থিয় হৈ তেওঁলোকক সন্মান প্ৰদৰ্শন কৰা দেখি আনোৱাৰ যিমান বিস্মিত হ'ল সিমানেই আনন্দিতো হ'ল । প্ৰত্যেকজন বিপ্লৱী ক্ষীণ, শেঁতা পৰা । দেখিলেই ধৰিব পাৰি সুদীৰ্ঘ অনশনৰ প্ৰতিক্ৰিয়া এতিয়াও তেওঁলোকৰ ওপৰত আছে । অনেকৰ গাত পুলিচৰ নিৰ্ম্মম প্ৰহাৰৰ দাগ জিলিকি আছে । বিৰাট মোচৰ আগদুটা অনমনীয়ভাৱে

ওপৰলৈ বোৰ খাই নথকা হ'লে ভগৎ সিঙক চিনি পোৱা আনোৱাৰৰ পক্ষে অসম্ভৱেই আছিল। সুন্দৰ ডেকাজন শুকাই-খীণাই নাইকিয়া হৈ গৈছে। কিন্তু তেওঁৰ মুখত এটা অভিনৱ ত্যাগী সন্ন্যাসীসুলভ অভিব্যক্তি প্ৰকট হৈ উঠিছে। বহুত দিনৰ আগতে আনোৱাৰে এবাৰ তেওঁৰ চকুত যি আচৰিত কৰুণতাৰ আভাস দেখিবলৈ পাইছিল সেয়া এতিয়া আৰু তাত নাই। তাৰ ঠাইত এটা প্ৰশান্ত আধ্যাত্মিক জ্যোতি জিলিকি উঠিছে। দেখিলে এনে লাগে যেন তেওঁৰ বাবে সংঘাত আৰু তিক্ততা, সংগ্ৰাম আৰু হিংসা, এই সকলোৰে অৰ্থ নাইকিয়া হৈ গৈছে। এতিয়া যাত্ৰা-পথৰ শেষ সীমাত উপনীত হৈ এবাৰ উভতি চোৱাৰ বাহিৰে কৰিবলৈ যেন আৰু একো নাই। উভতি চালেও তেওঁৰ মনত কোনো অনুশোচনা নাজাগে। অনুশোচনাৰ বাবে তেওঁ ছিদ্ৰ ৰাখি অহা নাই। ভগৎ সিঙে দেখিয়েই আনোৱাৰক চিনি পালে। নীৰৱ সম্ভাষণত তেওঁৰ দুচকু খন্তেকৰ বাবে উজ্জ্বল হৈ উঠিল। কিন্তু পিচ মুহূৰ্ত্ততে দৃষ্টি ঘূৰাই তেওঁ আন মানুহলৈ চাবলৈ ধৰিলে। চি-আই-ডি বিভাগৰ মানুহে প্ৰত্যেকটো কথা মনোযোগেৰে লক্ষ্য কৰি আছে। ভগৎ সিঙে নিজৰ দৃষ্টিৰ অৰ্থ সিহঁতক বুজিবলৈ দিব নোৱাৰে। নিদিয়ে।

ইংৰাজ বিচাৰকসকল আহি নিজ নিজ আসন গ্ৰহণ কৰিলে। কাচাৰীৰ এজন বিষয়াই উপস্থিত ৰাইজক সম্মানিত বিচাৰকমণ্ডলীক সন্মান দেখুৱাই থিয় হবলৈ অনুৰোধ কৰিলে। ৰাইজ উঠিলো। কিন্তু ঠেৰো-গেঁঠোকৈ উঠা কাৰ্য্যত কেৱল যে অনিচ্ছাই প্ৰকাশ পালে এনে নহয় স্পষ্ট ঘৃণাও ফৰিং ফুটা হৈ ওলাল।

কেইবাদিনৰো আগৰেপৰাই বিচাৰ চলি আছিল। সাক্ষী-বাদীৰ জেৰা আৰম্ভ হ'ল। আনোৱাৰতো আৰু সঁচাসঁচিকৈ সংবাদ সংগ্ৰহ কৰিবলৈ অহা নাই। সেইবাবে সি প্ৰশ্নোত্তৰৰ আমনি লগা কথাবোৰলৈ বেছি কাণ নিদি বিপ্লৱীকেজনৰ কাৰ্য্য-কলাপলৈ লক্ষ্য কৰি থাকিল। তেওঁলোকেও বিচাৰৰ প্ৰতি অকণো মনোযোগ দিয়া নাই। আনোৱাৰৰ কাষতে বহা এজন স্থানীয় সাংবাদিকে তাক এজন এজনকৈ বিপ্লৱীবোৰৰ পৰিচয় দি গ'ল। ভগৎ সিং আৰু দত্তক সি চিনি পায়েই। অতি খীণ ওখকৈ সেইজন ৰাজগুৰু; পুনাৰ মাৰাঠি মানুহ। তেওঁৰ কাষতে কটিয়াকৈ সেইজন শুকদেৱ; দলৰ অন্যতম কৰ্ণধাৰ। আনোৱাৰে আগৰেপৰা ৰাতৰি কাকতত এই বিচাৰৰ গতি-বিধি নিৰীক্ষণ কৰি আছিল। সি জানে বিচাৰকমণ্ডলীয়ে যিমান পৰা যায় বেছি সংখ্যক বিপ্লৱীক ফাঁচী শাললৈ পঠাবলৈ এনে বিচাৰসমূহত সদায় চেষ্টা কৰি আহিছে। এই

কথা সকলোৱে জানে। বিপ্লৱীসকলেও। অথচ তেওঁলোকৰ প্ৰত্যেক-জনেই, সুস্থ সবল প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰা প্ৰত্যেকজন ডেকাই কেনেকৈ ইমান শান্ত, নিৰ্ব্বিকাৰ আৰু নিৰ্ভীকভাৱে বহি থাকিব পাৰিছে। ভাবি আনোৱাৰ অবাক হৈ গ'ল।

এক বজাত দুপৰীয়াৰ আহাৰৰ বাবে আদালতৰ বিৰতি হ'ল। বতনে দিয়া নিৰ্দ্দেশ মতে নাটকৰ এইটো দৃশ্যতে আনোৱাৰৰ অংশ গ্ৰহণ কৰাৰ কথা। লাহেকৈ উঠি সি আচামীবোৰক বহি থকা ঠাইৰ ওচৰত কোটৰ জেপটো ৰেলিঙৰ কাঠত লাগাই থিয় হ'লগৈ। তাৰ পিচত ভগৎ সিঙৰ চকুৰে চকুৰে চাই এটা প্ৰশ্ন কৰিলে। এই প্ৰশ্নই তাৰ উদ্দেশ্য ভগৎ সিঙক জনাই দিব। "মই বাতৰি কাকতৰ মানুহ। অনুগ্ৰহ কৰি কওকচোন জেলত আপোনালোকক ভাল ব্যৱহাৰ কৰা হৈছেনে ?"

বিপ্লৱীজনৰ চকু দুটা অকণমান জিলিকি উঠিল। তেওঁ উত্তৰ দিলে, "আমাৰ চেহেৰাৰপৰাই জানো কেনে ব্যৱহাৰ আমাক কৰা হৈছে ধৰিব পৰা নাই।" তাৰ পিচত অতি ঘৃণাৰে তেওঁ ডাঙৰ ডাঙৰকৈ কৈ গ'ল, "আমি ডিঙিৰ গুৰিলৈকে খাই-লই বংমনেৰে থকাৰ কথা আমাৰ চেহেৰাৰ পৰাইতো ধৰিব পাৰি। দেখিছেই দেখোন আমি কিমান শকত-আৱত হৈ গৈছো। আপোনালোকৰ কাগজত দয়ালু আৰু সহানভূতীল চৰকাৰক প্ৰশংসাবাদ দি বাতৰি ছপা কৰিব।"

আনোৱাৰে গ'ম পালে তলত এখন কাগজ অকণমানকৈ খৰমৰাই উঠিছে। তাৰ জেপত নিশব্দে এখন চিঠি ভৰাই দিয়া হৈছে।

"ধন্যবাদ। ধন্যবাদ।" এইবুলি আনোৱাৰ আঁতৰি আহিব খোজোতেই পহৰাৰী পুলিচ চাব-ইন্সপেক্টৰ এজন তাৰ ওচৰলৈ আহি খঙেৰে সুধিলে, "হেৰা, কি লাগে তোমাক ইয়াত ?" আনোৱাৰে শান্তভাৱে উত্তৰ দিলে যে সি এজন সাংবাদিক। বন্দীসকলে কেনে ব্যৱহাৰ পাইছে খবৰ কৰিছিল। ভিতৰি ভিতৰি কিন্তু তেতিয়া সি ঘামি উঠিছে। জেপৰ চিঠিখন যেন এটুকুৰা অঙঠাৰ দৰে জ্বলিছে। যদি তাক খানা-তালাচ কৰে। যদি তাৰ জেপত চিঠি খন পায়।

"সিইত ঠিক আছে।" পুলিচ-বিষয়াজনে ক'লে, "যোৱা। ইয়ালৈ আৰু নাহিবা। নহ'লে বাহিৰ কৰি দিম। সাংবাদিক হ'লেও মুখলৈ নেচাও।"

আনোৱাৰে নম্ৰভাৱে ভৱিষ্যতে আৰু নেযাওঁ বুলি কথা দি সকলোৱে শুনাকৈ দুপৰীয়াৰ আহাৰ খাই আহো বুলি কৈ জেলৰপৰা ওলাই আহিল।

ষ্টেচন পাই সি সাংবাদিকৰ পৰিচয়-পত্ৰখন কালি পেলালে। চিঠিখন চুটকেচত ভৰালে। তাৰ পিচত মিৰাটলৈ বুলি টিকট কটালে।

কমিউনিষ্ট ষড়যন্ত্ৰকাৰীসকলৰ বিচাৰে সমগ্ৰ বিশ্বৰেই দৃষ্টি আকৰ্ষণ কৰিছিল। দিল্লী, লাহোৰ, বোম্বাই, কলিকতা, মাদ্ৰাজেই নহয় ইংলণ্ড আৰু আমেৰিকাৰপৰাও 'বৰ্‌ডা' ষড়যন্ত্ৰকাৰীদলৰ বিচাৰৰ খবৰ সংগ্ৰহ কৰিবলৈ বুলি মিৰাটত উপস্থিত হৈছিলহি। আনোৱাৰে নিজকে 'বোম্বে ক্ৰনিক'ল্'ৰ বিশেষ-প্ৰতিনিধিৰূপে চলাই দিয়াত একো অসুবিধা নেপালে। এইখন কাগজৰপৰা কোনো প্ৰতিনিধি অহা নাই বুলি সি জানিছিল।

এখন বিশেষ-আদালতত বিচাৰ কৰা হৈছিল ষড়যন্ত্ৰকাৰীদলক। আচলতে এই বিশেষ-আদালত বহিছিল এটা মানুহ থকা বেচৰকাৰী ঘৰৰ মজিয়াত। ঘৰটোক সকলোৱে 'জেনেৰেল চাহেবৰ বঙলা' বুলিয়ে জানে। সাম্ৰাজ্য-প্ৰতিষ্ঠাৰ কামত বিপুল বৰঙণি যোগোৱা বিখ্যাত জেনেৰেল গৰ্ডন চাহেব এসময়ত এই ঘৰটোতে বাস কৰিছিল। আৰু এতিয়া সেই সাম্ৰাজ্যৰে শত্ৰুদলক তেওঁৰ পবিত্ৰ পদ-ধূলাৰে ধন্য হৈ থকা এটা ঘৰৰ ছাঁয়াত বিচাৰ কৰা কথাটো যথাৰ্থতেই সমীচিন হোৱা বুলি কব লাগিব। দেখিলেই বুকু চিৰিং কৰি উঠা সশস্ত্ৰ পুলিচ পহৰাৰ মাজেদি আনোৱাৰ আগবাঢ়ি গ'ল। ভিতৰ সোমাই দেখিলে বিচাৰ আৰম্ভ হৈ গৈছে। সাংবাদিকৰ বাবে আচুতীয়াকৈ ৰখা ঠাইৰ পিনে আগবাঢ়ি যাওঁতেই আনোৱাৰে এবাৰ গোটেই ঘৰটোত চকু ফুৰালে। ডাঙৰ খোলা ঘৰটোৰ মাজ ভাগতে অস্থায়ীভাৱে এখন কাঠৰ মঞ্চ সাজি দিয়া হৈছে। তাৰ ওপৰতে বিচাৰকৰ আসন। তেওঁৰ সন্মুখতে এখন দীঘলীয়া মেজত পেটুৱা-পেটুৱা আইনৰ পুথি-পাঁজি স্তূপাকাৰ কৰি ৰখা হৈছে। মেজখনৰ দুয়ুৰে দুভাগ হৈ ক'লা ক'লা হ'লৌ চোলা পিন্ধা চৰকাৰ আৰু আচামী পক্ষৰ উকিলসকল বহিছে। বিচাৰকৰ নাম মিঃ মিলনাৰ হোৱাইট্। আকৃতিত সৰু

দেখাত শান্ত-শিষ্ট ইংৰাজলোক। নিমাখিত-নিমাখিত লগা এই মানুহজন যেন এইখন বি.ৰৰ বাবে খাপ-নোখোৱা, বিসদৃশ লগা হৈছে। এইখন বিচাৰৰ খবৰেতো সুদূৰ মস্কৌ পৰ্য্যন্ত আলোড়ন তুলি যাব। ....চৰকাৰী পক্ষৰ উকিলৰ উচ্ছ্বসিত ওজস্বী ভাষাৰ কথাবোৰ টাইপ কৰিবলৈ যত্ন কৰি কৰি আনোৱাৰে ভাবিলে-তাৰৈ যদি কোনোবাই চাই আছে তেন্তে তাৰ অৱস্থা দেখি নিশ্চয় হাঁহি উঠিছে। এই আচহুৱা পৰিৱেশত তাৰ অৱস্থা নিতান্ত পুতৌ লগা হৈ উঠিছে। অতি জাকজমকৰ এটা পৰিৱেশ। অথচ প্ৰত্যেক ক্ষেত্ৰতে এটা নহয় এটা বৈসাদৃশ্য। এই হাস্যকৰ বিসদৃশতা সম্পূৰ্ণ হৈ উঠিল যেতিয়া বিচাৰকৰ বিপুলাঙ্গী পত্নী এপাকত গপগপাই সোমাই আহি স্বামী-দেৱতাৰ ওচৰত বহি লৈ পটাপট হাতত লৈ অহা উলৰ-কামখনত ঘৰবোৰ তুলি যাব ধৰিলে। এদল ডেকাৰ জীৱন-মৰণৰ বিচাৰ চলি আছে। কিন্তু তাৰ প্ৰতি বিশেষ একো উৎকণ্ঠাই প্ৰকাশ নকৰিলে—কৰাৰ আৱশ্যকতা বোধ নকৰিলে ভদ্ৰ মহিলাই।

এই নাটকীয় দৃশ্যটোৰ মুখ্য অভিনেতা নিমাখিত চেহেৰাৰ বিচাৰক জন নাছিল। নাছিল ডেৰকুৰিজন বিপ্লৱী বন্দীও। আদালতক সম্বোধন কৰি বক্তৃতা আৰম্ভ কৰা সুবক্তা ওখ খীণ চৰকাৰী পক্ষৰ প্ৰবীন উকিল জনেই আটাইৰে মনোযোগ আকৰ্ষণ কৰিছিল। মানুহজনৰ নামটো শুনিলে তেওঁক আমেৰিকান যেন লাগে,—জে. লেংফোৰ্ড জেমচ্। কিন্তু এচকুৱা চশমা, বিৰল মদক্কৰা চুলি, তীব্ৰ হাস্যৰস আৰু ব্যঙ্গোক্তিৰে ভৰা কথন ভঙ্গী, এই সকলো লৈ আছিল এজন নিভাঁজ ইংৰাজ। জেম্‌চ্ আগতে কলিকতাৰ বিখ্যাত ইউৰোপীয়-সমাজৰ সভাপতি আছিল। চেহেৰাই পাতিয়ে মানুহজন দেখিলে 'পানস'ৰ কাৰ্টুন এটাইহে জীৱন্ত ৰূপত ওলাই অহা যেন লাগে। এই বিচাৰত তেওঁৰ যি মনোযোগ দেখা গৈছে, সেয়া কেৱল তেওঁৰ ব্যৱসায়ৰ খাতিৰত দেখুৱা মনোযোগেই নহয়। বৰং এই 'ৰঙা' কমিউনিষ্ট দলক হেঁপাহ পলুৱাই সমালোচনা কৰি থকা-সৰকা কৰিবলৈ পাই তেওঁ যেন এক বিশেষ তৃপ্তি লাভ কৰিছিল। নিজকে তেওঁৰ কমিউনিজমৰ বিৰুদ্ধে ধৰ্ম্মযুঁজত অৱতীৰ্ণ হোৱা এক 'ক্ৰুচেডাৰ' যেন লাগিছিল। অৱশ্যে পৰৰ পালে মানুহে অৰৰ গাৰেও খাই যেতিয়া কোনোবাই দিনে চৈধ্য শকৈ (বছৰ দিনতো।) পাৰিশ্ৰমিক পালে জেমচ্ৰ দৰে তলৰ মাটি ওপৰ কৰিবলৈ চেষ্টা কৰাত আচৰিত হবলগীয়া একো নাই !!

প্ৰথমৰেপৰা উপস্থিত থকা দুজনমান সাংবাদিকৰ লগত কথা হৈ আনোৱাৰে এই বিচাৰখনৰ বিষয়ে দুটামান আমোদজনক কথা জানিব

পাৰিলে। জেমচুৰ আজিৰ এই মহাবাহু বীৰৰ ভূমিকাৰ মূলতে সেইবোৰ কথা আছে। এই বিচাৰ চলি থকা আজি ন-মাহৰো অধিক হ'ল। এতিয়ালৈকে তিনি শৰো বেছি সাক্ষীৰ জবানবন্দী গ্ৰহণ কৰা হৈ গৈছে। বিচাৰ শেষ হয় মানে এক লাখ বা ততোধিক টকা ব্যয়িত হ'ব। লেং-ফোৰ্ড জেমচে এই গোটেইবোৰ কথা সামৰি আজি পাঁচ দিন একেৰাহে বক্তৃতা দিছে। আৰু দুদিনমানৰ মূৰতহে বোধহয় তেওঁ বক্তৃতা শেষ কৰিব পাৰিব। আনোৱাৰে মানুহজনৰ আজিৰ কথাখিনিৰপৰা যি বুজিছে, তেওঁৰ বক্তৃতাত কমিউনিজমৰ আদৰ্শক মাত্ৰ আক্ৰমণ কৰিবলৈ যত্ন কৰা হৈছে। বন্দী কেজনৰ বিৰুদ্ধে উত্থাপিত হোৱা অসংখ্য দোষৰ অভিযোগ প্ৰমাণিত কৰিবলৈ অকণো যত্ন কৰা হোৱা নাই।

দীৰ্ঘকায় উকিলজনে শেষত মেজৰপৰা বিৰাট কলেবৰৰ 'কেপিটেল' এখন হাতত তুলি লৈ ৰুছদেশৰ 'ৰঙা' দলে কৰা অকথনীয় নৃশংস কাৰ্য্যাবলীৰ উল্লেখ কৰি খঙেৰে কবলৈ ধৰিলে, "এই....এই মাৰ্ক্সৰ আগ-গুৰি নোহোৱা কাল্পনিক সূত্ৰক বিশ্বৰ ইতিহাসত নোহোৱা কিছুমান কাৰ্য্যকলাপেৰে জোৰ কৰি এটা যুক্তি সন্মত সমাজ-ব্যৱস্থা বুলি প্ৰতিপন্ন কৰা হৈছে।" এইবুলি কৈয়ে নাটকীয়ভাৱে তেওঁ এক মুহূৰ্ত্ত নীৰৱে ৰ'ল। মেজত থেকেচ মাৰি কিতাপখন থ'লে। লেঙেৰাই-লেঙেৰাই গৈ বন্দীহঁতৰ ওচৰ পাই এজন এজনকৈ প্ৰত্যেকৰ মুখলৈ এনেভাৱে চাবলৈ ধৰিলে যেন ৰুছদেশত হোৱা ঘটনাৱলীৰ বাবে সিহঁত প্ৰত্যেকেই ব্যক্তিগতভাৱে দায়ী। "এই....এই দানৱটোৰ প্ৰৰোচনাতেই আঢৈ লাখ মানুহৰ প্ৰাণ নাশ কৰা হয় 'অ-জি-পি-ইউ'ৰ দ্বাৰা।" এক মুহূৰ্ত্ত আকৌ নীৰৱে ৰ'ল। প্ৰত্যেকটো শব্দক শ্ৰোতাসকলৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিবলৈ সময় দিলে। বিচাৰকেও কথাবোৰ টুকি ল'লে। আকৌ উকিলজনে বন্দীবোৰলৈ চালে। তেওঁৰ যেন সিহঁতৰ প্ৰত্যেকৰে ওপৰত ব্যক্তিগত আক্ৰোশ আছে। ঘৃণা আছে। যেন সিহঁতৰ যন্ত্ৰণাময় ঘাঁত নিজৰ বিষ-কটাৰীৰ জোঙা আগেৰে খুচি দি এক ভীষণ আনন্দ লাভ কৰিছে। বেছ আড়ম্বৰেৰেই তেওঁ কাম চলাই গৈছিল। কিন্তু বেচাৰা উকিল চাহেবৰ ভাগ্য বেয়া। তেওঁৰ এচকুৱা চন্মাৰ গম্ভীৰ-সম্মান এইবাৰ হঠাৎ এক চৰম অৱমাননাৰ চৰম বিপৰ্য্যয়ৰ সন্মুখীন হব লগা হ'ল। বিজয়ী যোদ্ধাৰ দৰে নাটকীয় ভঙ্গীৰে এইবাৰ বন্দীসকললৈ চাওঁতেই হঠাৎ গোটেইকেইজন বন্দীয়ে একেলগে বৰ আমনি লগা যেন দেখুৱাই কানীৰ বাগীয়ে ধৰা মানুহৰ দৰে দীঘলীয়াকৈ হামিয়াই উঠিল। পৰিস্থিতিৰ এই বিসঙ্গতিত বিচাৰ-গৃহৰ উপস্থিত সকলোৱে

পক্কেই হাঁহি সামৰা টান হৈ পৰিল। আনকি জেমচুৰ সহকাৰী শকত পেটুৱা ভাৰতীয় উকিলজন আৰু স্বয়ং বিচাৰকেও নেহাঁহি নোৱাৰিলে। খণ্ডেৰে উকিলজনে অধৈৰ্য্য হৈ ৰূপহ কৰে যুৰি 'ৰঙা' বন্দীদললৈ চালে। কিন্তু এইবাৰ আইতকৈ নাইহে চাৰ হ'ল। খঙতে তেওঁ ইমান জোৰেৰে বুৰিলে যে এচকুৱা চশ্মাখন চকুৰপৰা এবাই চিলিচিটি খাই উৰি গৈ কোনোবা এখিনিত পৰিলগৈ। আৰু লগে লগে সকলোৱে আকৌ এবাৰ চেক্‌চেকাই হাঁহি উঠিল।

"ধৰ্ম্মাৱতাৰ। মই তীব্ৰ প্ৰতিবাদ জনাওঁ। মই ধৰ্ম্মাৱতাৰৰ দৃষ্টি আকৰ্ষণ কৰি জনাওঁ......."

হেজাৰ হওক এজলাচত বহি থকা অৱস্থাত বিচাৰকেতো আৰু পাতল হৈ দেখুৱাব নোৱাৰে। অথচ এনে পৰিস্থিতিত গহীন হৈ থকাও টান। কোনোমতে ফাইল এটাৰ আঁৰত মুখ লুকুৱাই উকিলক কথা শেষ কৰিবলৈ নিদি বিচাৰকে কৈ উঠিল, "দুপৰীয়াৰ আহাৰৰ সময় হোৱা বাবে বৰ্ত্তমানৰ বাবে বিচাৰৰ কাৰ্য্য মুলতবী কৰা গ'ল।"

বন্দীসকলক বঙলাৰ পিচপিনে নিৰ্দ্দিষ্ট স্থানত খাবলৈ দিবৰ কাৰণে লৈ যোৱা হ'ল। ৰঙা মুখখনৰে সৈতে দেখিলেই হাঁহি উঠা বিৰাট হেট এটা পিন্ধি থকা আমেৰিকান সাংবাদিক এজনকে আদি কৰি সকলো সাংবাদিক বন্দীসকলক ওচৰৰপৰা চাবলৈ বুলি পিচে পিচে আহিল। এই অচিলা পাই আনোৱাৰেও কাৰ্য্যসিদ্ধিৰ সুযোগ বিচাৰিব ধৰিলে। বন্দীসকলৰ কেইবাজনকো সি পালে। দিল্লী ষ্টেচনত দেখা। বাকী-সকলকো স্থানীয় সাংবাদিক এজনে চিনাই দিলে। স্পেটছ আৰু ব্ৰেড্‌লিৰ উপৰিও আৰু এজন ইংৰাজ সংযোজিত হৈছে। এওঁ এজন সাংবাদিক। নাম হাচিন্‌সন্। বন্দীসকলৰ ভিতৰত সবাতোকৈ বয়সস্থজন হ'ল তিনিকুৰি পাঁচ বছৰ বয়সীয়া ডি-আৰ-থেংডি। মাৰাঠি মানুহ। আগতে ট্ৰেড্‌ ইউনিয়ন কংগ্ৰেছৰ সভাপতি আছিল। সকলোতকৈ আচৰিত চেহেৰাৰ এবাৰ দেখিলে আকৌ এবাৰ চাবৰ মন যোৱা মানুহজন হ'লগৈ ডাক্তৰ মুখাৰ্জ্জি। গোৰখপুৰৰ মানুহ। হোমিওপেথিক ডাক্তৰ। পেটটো অতি ডাঙৰ। লেনিনৰ দৰে ডাড়ি ৰাখিছে। পঞ্জাৱৰ এজন বিপুলাকায় শিখৰ লগতো আনোৱাৰক চিনাকি কৰি দিয়া হ'ল। উদ্‌ভ্ৰান্ত ডাড়ি কোঁচাৰে মানুহজন দেখিলেই ভয়-লগা হৈ আছে। নাম চোহান সিং যোশ্‌; ভগৎ সিঙৰ 'নওজোৱান ভাৰত সভা'ৰ এওঁ সভাপতি আছিল। দুৰৰপৰা ভৰিলৈকে মানুহে শোকত পিন্ধাৰ দৰে সম্পূৰ্ণ ক'লা পোছাক পিন্ধি থকা বগা খীণ ডেকা এজন দেখি কোন বুলি সোধাত আনোৱাৰক সাংবাদিক

বন্ধুজনে ক'লে, "এয়েঁই লাহোৰৰ বিখ্যাত কেদাৰ নাথ কাপুৰ। জন্ম-ভূমিৰ দাসত্বত শোক প্ৰকাশ কৰি সদায় ক'লা কাপোৰ পিন্ধি থাকে।" একুৰি এঘাৰজন বন্দীৰ ভিতৰত নানা ধৰণৰ মানুহ আছে। আনোৱাৰৰ ধাৰণা হ'ল এওঁলোকৰ সকলোৱেই নিৰ্ভেজাল মাৰ্ক্সবাদী নহয়। হব নোৱাৰে। ভুল কৰি জনচেৰেক স্বভাৱতে আদৰ্শবাদী অথচ কোনো মতবাদত আত্মনিয়োগ নকৰা আত্মকেন্দ্ৰিক মানুহকো এনেই সাঙুৰি অনা হৈছে। দুই চাৰিজন নিচেই কম-বয়সীয়া ছাত্ৰ;—কলেজৰপৰা ওলাই আহিছেহে মাথোন দুই চাৰিজন। আনোৱাৰে তাৰে এজনৰ কাষ চাপি গ'ল। প্ৰায় তাৰে সমান বয়সীয়া এজন ল'ৰা; চকুত ডাঠ চশমা পিন্ধিছে, মুখখন পুৰঠ। অন্যমনস্কভাৱে আনোৱাৰে লৰাজনৰ ওচৰ পাই নিজকে কোৱা দৰে ক'লে,—মিৰাটত লাহোৰৰ দৰে জাৰ পৰা নাই।

"আপুনি লাহোৰৰপৰা আহিছে?" যৌৱনদীপ্ত উছাহেৰে ল'ৰাজনে সুধিলে। ল'ৰাজন অলপ খোনা।

"ওঁ।" আনোৱাৰে এবাৰ পিচলৈ চালে। ওচৰত কোনো নাই। অনুচ্চ কণ্ঠে এইবাৰ সি ক'লে, "আপোনালোকৰ বাবে মই সন্ত্ৰাসবাদী বন্দীদলৰপৰা এখন চিঠি আনিছো। আপোনাৰ নাম কি?"

"পি-চি-যোশী। চিঠিখন মোক দিব পাৰে।"

ল'ৰালৰিকৈ আনোৱাৰে চিঠিখন দি দিলে। কিন্তু পিচ মুহূৰ্ত্ততে সি দেখিলে এজন পুলিচ-ইন্সপেক্টৰ শেনটো অহাদি সিহঁতৰ পিনে আহিছে। তাৰ অন্তৰাত্মা কঁপি উঠিল। যোশীয়ে কিন্তু নিৰ্ব্বিকাৰ ভাৱ দেখুৱাই মোকোৰা-মোকোৰে খোৱাত লাগিল। "আহকনা ভাই। দুগৰাহমান খাওক। আমাৰ আহাৰৰ জুতি কেনে পায় চাওক।" ইতিমধ্যে খাওঁ-খাওঁ চেহেৰাৰে আইন আৰু শৃংখলাৰ অভিভাৱক গৰাকী ওচৰত খিয় হ'লহি।

"তুমি কি চিঠি দিছা এওঁক? কিয় দিছা?" তেওঁ প্ৰথমতে আনো-ৱাৰক ক'লে। তাৰ পিচত যোশীলৈ চাই ক'লে, "ক'ত? উলিওৱা। কি চিঠি চাওঁ।"

যোশীয়ে নিৰ্ব্বিকাৰভাৱে আৰু এবোকোৰা চাপাতি-ভাজি মুখত ভৰাই মোকৃমোকাই ক'লে, "কিহৰ কথা কৈছে চাৰ-ইন্সপেক্টৰ চাহাব? চিঠি? আপুনি সপোন দেখা নাইতো।".. আনোৱাৰ বৈ বৈ প্ৰায় ঠক্ ঠক্কৈ কঁপিছিল। পুলিচ বিষয়াজনে তন্ন তন্নকৈ যোশীক খানাতালাচ কৰিলে। কিন্তু একোৱেই নোলাল। "বেয়া নেপাব। এওঁ তোমাক কিবা এটা দিয়া যেন দেখিলো।" এই বুলি কৈ বিষয়াজন আঁতৰি গ'ল।

সপ্ৰশ্ন দৃষ্টিৰে আনোৱাৰে যোশীলৈ চালে। যোশীয়ে আৰু এগৰাহ মুখত ভৰাই ক'লে, "চিন্তা নকৰিব। মোৰ পেটত কাগজ সহজেই হজম হয়।"

তাৰ মানে! তাৰ সকলো কষ্ট অথলে গ'ল। পুলিছে তাক ধৰিব নোৱাৰা বাবে সি আনন্দই পাব নে ইমান কষ্ট কৰি অনা চিঠিখন এনেই খোৱা বাবে হতাশেই হব সি ধৰিব নোৱাৰিলে। দুখ মনেৰে তাক উভটি যাব ধৰা দেখি যোশীয়ে লাহে লাহে ক'লে, "চিন্তা নকৰিব ভাই। আমি জানো। এইবাৰ আমি একেগোট হবৰ বাবে কিবা কৰিমেই।"

আনোৱাৰৰ কাম ফলপ্ৰসূ হওক নহওক—শেষ হ'ল। আবেলিৰ ৰেলত সি গাজিযাবাদলৈ যাত্ৰা কৰিলে। তাৰপৰা আলিগড়ৰ ৰেল ধৰিব। তাৰ লগত একেলগে সেই আমেৰিকান সাংবাদিকজনো উঠিল। তপা-মূৰীয়া মধ্য-বয়স্ক এজন মানুহ। হলেও বেছ স্বাস্থ্যবান, চটফটীয়া। কথাবোৰ অলপ নাকেৰে কয়। কোনো ভূমিকা নকৰাকৈয়ে তেওঁ নিজৰ পৰিচয় দি আনোৱাৰৰ লগত কথা পাতিব ধৰিলে, "মোৰ নাম ৰবাৰ্ট মিলচ। মই 'আমেৰিকান নিউজ ফিচাৰ্চ' কাগজৰ সংবাদদাতা।"

"আপুনি এই বিচাৰখনৰ বাবেই ইমানদূৰ মিৰাটলৈ আহিছে নেকি?"

"নিশ্চয়। অৱশ্যে বৰ্ত্তমান মই দিন-দিয়েক ভাৰতবৰ্ষত থাকিম বুলি ভাবিছো। স্বাধীনতা লাভৰ অৰ্থে গান্ধীজীয়ে যি বলিষ্ঠ অভূতপূৰ্ব্ব দৃষ্টি-ভঙ্গী গ্ৰহণ কৰিছে তাৰ ফলত দেশখনত অনেক ডাঙৰ ডাঙৰ ঘটনা ঘটিব বুলি মোৰ অনুমান হৈছে। তেখেতে আনকি স্বাধীনতাৰ শপত গ্ৰহণৰ বাবেও আবেদন জনাইছে। আজিৰ কাগজ পঢ়িছে?"

সিদিনাৰ কাগজ পঢ়িবলৈ আনোৱাৰে সময়েই পোৱা নাছিল। মিলচৰ পৰা কাগজখন লৈ লৰালৰিকৈ সি প্ৰধান প্ৰধান বাতৰিবোৰত চকু ফুৰাই গ'ল। কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান-সভাসমূহৰ সকলো সদস্যই পদত্যাগ কৰিছে। কংগ্ৰেছৰ নতুন কাৰ্য্যকৰী সমিতিয়ে ছাব্বিছ জানুৱাৰীৰ দিনটো পূৰ্ণ-স্বাধীনতা দিবসৰূপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেইদিনা সকলো ঠাইতে মুকলি সভা পাতি পূৰ্ণ স্বাধীনতাৰ দাবী বাজহুৱাভাৱে উত্থাপিত কৰা হব আৰু ৰাইজক স্বাধীনতাৰ শপত গ্ৰহণৰ বাবে আহ্বান জনোৱা হব।

"চাওঁক! চাওঁক!" কথাই-কথাই আমেৰিকানজনে কৈছিল, "জেফাৰ-চন আৰু ট'ম্ পেইনৰ কাহিনীৰ পুনৰাবৃত্তাৱণা হৈছে। আপোনালোকৰ এই সুপ্ৰাচীন দেশত অতি সোনকালে অতি আচৰিত আচৰিত ঘটনা ঘটিব বুলি মই ধৰিব পাৰিছো। কওঁক, দিল্লীলৈ আহিলে আপুনি মোক লগ ধৰিব? মই চিচিলত থাকিম।"

আনোৱাৰে কিন্তু মানুহজনৰ কথালৈ অকণো কাণ দিয়া নাছিল। লাহোৰৰ এটা বাতৰি পঢ়ি সি বাহ্যিকজ্ঞানশূন্যৰ দৰে হৈ পৰিছিল। "আৰু ভালেমান সন্ত্ৰাসবাদী গ্ৰেপ্তাৰ—পুলিচদ্বাৰা কৃষ্ণনগৰৰ গোপন বোমাৰ কাৰখানা কবায়ত্ত।" এই শিৰোনামত প্ৰকাশিত হোৱা বাতৰিটোত কোৱা হৈছে অন্যান্য অনেকৰ লগতে ৰামলাল ওৰফে ৰতন সিঙকো গ্ৰেপ্তাৰ কৰা হৈছে। বিশ্বস্তসূত্ৰে জানিব পৰা গৈছে, ভগৎ সিং আৰু তেওঁৰ সহযোগীসকল ধৰা পৰাত নতুনকৈ গঠিত হোৱা সন্ত্ৰাসবাদীদলৰ এই ৰতন সিঙেই নেতা।

আলিগড় পোৱাৰ পিচত আনোৱাৰৰ আকৌ পূৰ্ব্বৰ এক-সুৰীয়া জীৱন আৰম্ভ হ'ল। নিয়মীয়াকৈ শ্ৰেণীত হাজিৰা দিয়া; ৰাজ-চোধ্‌হান-ওচমানৰ লগত কোনোদিন অন্ত পৰিবৰ আশা নথকা ৰাজনীতিৰ চুলিছিঙা আলোচনা কৰা; আৰু বেলি মাৰ যোৱাৰ লগে লগে "যাণ্ড" মদপীৰ ভাব নিজে নিজে মদৰ ভাঁটিৰ পিনে যোৱাৰ দৰে আনোৱাৰৰ ভৰিয়েও তাক নিজে নিজে লৈ যায় মেৰিচ ৰাজপথলৈ। নিতৌ এবাৰ চাল্‌মাক লগ পোৱাটো আনোৱাৰৰ এটা নিচাত পৰিণত হৈছিল। এদিনো নোযোৱাকৈ থাকিব নোৱাৰে। দেহ-মন চট-ফট কৰি উঠে। চাল্‌মাৰ লগত তাৰ সম্বন্ধ হৈ উঠিল 'দৰ্দ্দ-এ-বে-দাৱা'। নিবাৰয়-বিহীন অসুখ।

জীৱনৰ নাটকত দ্বৈত-ভূমিকাত অভিনয় কৰি গৈছিল আনোৱাৰে। এনে ভূমিকাৰ অন্তৰালত নিহিত হৈ থাকিব পৰা বিপদৰ কথা সি কাচিৎহে ভাবি চাইছিল। বাহিৰত বন্ধু-বান্ধৱৰ মাজত সি সদায় আগৰ ৰাজনীতি-সচেতন আনোৱাৰটোৱেই। দেশৰ মঞ্চত আগন্তুক যি মহান নাটকৰ অভিনয়ৰ সূচনা হৈছে তাত যি কোনো ধৰণৰে অংশ গ্ৰহণ কৰিবলৈ ভয়ানকভাৱে ইচ্ছুক। ৰাম আৰু আন জনচেৰেক ছাত্ৰবন্ধুৰ লগ লাগি সি ইতিমধ্যেই স্থানীয় কংগ্ৰেছ সমিতিৰ সভ্য হৈছে। আজিকালি মিলনকেন্দ্ৰ

বন্দৰ পিন্ধি থাকে। অৱশ্যে ৰাজহুঁতে কাৰাগাৰৰ বাবে নিজকে প্ৰস্তুত কৰি ৰাখিবলৈ বুলি এতিয়াৰপৰাই মাটিত শোৱাৰ অভ্যাস কৰাৰ দৰে সি কৰা নাই। কিন্তু সন্ধ্যা হলেই এই আনোৱাৰ বেলেগ আনোৱাৰ হৈ পৰে। অধ্যাপক চেলিমৰ ঘৰত এইবোৰ ৰাজনীতিৰ কথা ঘূণাক্ষৰেও নুলিয়ায় সি। কেতিয়াবা কথা-প্ৰসঙ্গত ৰাজনীতি আহি পৰিলেও সি সযতনে তাৰপৰা আঁতৰি থাকি অন্য কথা উলিওৱাৰ চেষ্টা কৰে। আনোৱাৰে জানে চাল্‌মা বা চাল্‌মাৰ বাবা কাৰো তাৰ ভাৱধাৰাৰ প্ৰতি সমৰ্থন নাই। ৰাজনীতিৰ কথা ওলালেই তৰ্ক হব। তৰ্ক হলেই অবাঞ্ছিত পৰিস্থিতিৰ সৃষ্টি হ'ব। সেয়া সি নিবিচাৰে। সেয়ে সি চাল্‌মাৰ আগত অন্য এখন পৃথিৱীৰ মানুহৰ দৰে হৈ পৰে। য'ত কেৱল সপোন আছে। বছা-বছা ৰোমাণ্টিক কবিতাসমূহ আবৃত্তি কৰে। কথাছবিৰ কথা আলোচনা কৰে। কাজল ৰঙৰ চুৰেটাৰটো পিন্ধিলে কিমান ধুনীয়া কিমান অপাৰ্থিৱ দেখি কৈ তাইৰ ৰূপ-কীৰ্ত্তন কৰে। আৰু কেতিয়াবা একো কথা নকৈ নীৰৱে বহি থাকে চাল্‌মাৰ ওচৰত; চাল্‌মাৰ সান্নিধ্যৰ মিঠা নীৰৱতা যেন ৰাজনিশাৰ কোনো অনামী সৌৰভ হৈ তাৰ প্ৰাণ-মন আমেজ-মদিৰ কৰি তোলে। যেন তাইৰ অতুল ৰূপৰাজি স্নিগ্ধ নিৰ্য্যাতনত পৰ্য্যৱসিত হৈ তাৰ আকুল দুচকুৰ তৃষ্ণা প্ৰশমিত কৰি শীতলতা বৰ্দ্ধন কৰে। এনে লাগে যেন ৰাজনীতি, বিপ্লৱ, কোলাহল, এইবোৰ হৈ পৰে কোনো দূৰ-দূৰান্তৰ অবান্তৰ সাধু। কেৱল সঁচা হৈ উঠে বাস্তৱ হৈ উঠে আনোৱাৰ আৰু চাল্‌মা, এহাল আদিম ডেকা-গাভৰুৰ নিভাঁজ প্ৰেম!

তথাপি তথাপিও। প্ৰত্যেক দিনাই চাল্‌মাৰ কাষলৈ যোৱাৰ আগতে আনোৱাৰে ভাৱে আজি সি চালমাক তাৰ মনৰ সকলো কথা অকপটে খুলি কব। তাৰ জীৱনৰ আনটো দিশৰ ছবি তাইৰ আগত দাঙি ধৰিব। সকলো সপোনৰ কথা কৈ দিব। "চাল্‌মা, তোমাৰ অবিহনে জীৱন ধাৰণ কৰা মোৰ পক্ষে অসম্ভৱ।" ঘূৰাই ঘূৰাই নিজৰ মনতে সি আখৰা কৰে চাল্‌মাক কথাবোৰ কেনেকৈ কব। "কিন্তু চাল্‌মা তথাপিও, দেশৰ প্ৰতি মোৰ কৰ্ত্তব্যক,মোৰ প্ৰতি দেশৰ আহ্বানক মইতো আওকাণ কৰিব নোৱাৰোঁ। মোৰ অন্তৰত দ্বন্দ্বৰ সৃষ্টি হৈছে চাল্‌মা, সংঘাতৰ জন্ম হৈছে। এই দ্বন্দ্ব এই সংঘাতৰ সমাধান তুমিয়েই কৰি দিব পাৰা, চাল্‌মা। একমাত্ৰ তুমি। তুমি মোক এনেভাৱেই, এজন ভবিষ্যত বিপ্লৱী হিচাবেই গ্ৰহণ কৰিব জানো নোৱাৰিবা।" আনোৱাৰে প্ৰায়ে ভাৱে, ভাবি ভাল পায়,—কোনে জানে হয়তো এনেওতো হব পাৰে,—চাল্‌মাৰো আপাত-নিলিপ্ত অভিব্যক্তিৰ অন্তৰালত লুকাই আছে এটা দুৰন্ত বিপ্লৱী মনোবৃত্তি। চাল্‌মাও বিপ্লৱী। অকণ-

মান উজ্বালি দিলেই, মৰম-সিক্ত অকণমান আবেদন জনালেই, বিপ্লৱী চাল্‌মা সাৰ পাই উঠিব। ফিৰিঙতিৰপৰা খাণ্ডৱৰ জুই জ্বলি উঠিব। হয়তো হব পাৰে........হয়তো নহয়.... ? পৰীক্ষা কৰাৰ সাহস আনোৱাৰৰ নাছিল।



'স্বাধীনতা দিবস'ৰ দুদিন আগতে ৰাজে আনোৱাৰক ক'লে যোলে, যদি এই দিনটো বিশ্ববিদ্যালয়তো পালন কৰা নহয় তেন্তে সিহঁত গোটেই-খোৰৰে লাজ ধৰৰ ঠাই নোহোৱা হ'ব। আন হক নহক সেইদিনা অন্ততঃ এখন সাধাৰণ সভা আহ্বান কৰিবলৈ ছাত্ৰ একতা সভাক টানি ধৰিবই লাগিব। উপ-সভাপতিৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষলৈ বৰ ভয়। আন কথা বাদেই, বিশ্ববিদ্যালয়ৰ ভিতৰুৱা অনুষ্ঠানৰ বাহিৰে অন্য যি কোনো বিষয়ৰে সভা পাতিবলৈ সভাঘৰটো দিবলৈ তেওঁ মান্তি নহ'ল। কথাষাৰ কিন্তু তৎক্ষণাত চাৰিওফালে বিয়পি পৰিল। দ'লে দ'লে ছাত্ৰ আনোৱাৰহঁতৰ কোঠালৈ আহিবলৈ ধৰিলে। চোৱ্‌হানৰ 'ৰাছীয়ান' দলো আহিল। সকলোৱে সভা অনুষ্ঠিত হবই লাগিব বুলি জোৰ দি ধৰিলেহি। এনেয়ে সকলো তৰুণ-হৃদয় উত্তেজিত হৈয়ে আছেই। তাতে পঁচিচ তাৰিখৰ দিনা সিহঁতে যেতিয়া শুনিলে, বিশ্ববিদ্যালয়ৰ ইংৰাজ উপাচাৰ্য্যই হেনো স্পষ্ট কৈ দিছে চৰকাৰ-বিৰোধী কোনো সভা-সমিতি তেওঁ পাতিবলৈ নিদিয়ে, তেতিয়া সকলো ছাত্ৰৰ তেজ একেবাৰে উতলি উঠিল।

"স্বাধীনতাৰ বাবে কাম কৰাৰ যোগ্যতা মোৰ আছে নে নাই প্ৰমাণ কৰাৰ এইটোৱেই প্ৰথম পৰীক্ষা," আনোৱাৰে বাৰে বাৰে নিজকে কবলৈ ধৰিলে, "এই পৰীক্ষাত মই উত্তীৰ্ণ হবই লাগিব। মই পিচ হুহঁকিলে নচলিব।"

সেইদিনা চাল্‌মাৰ ঘৰলৈ যাওঁতে তাৰ বুকুখন দুৰু দুৰুকৈ কঁপিছিল। মনটো উদভ্ৰান্ত-উদভ্ৰান্ত লাগিছিল। আজি চাল্‌মাক সি সকলো কথা কবই লাগিব। সকলো কথা সি ক'ব। "মাথোন—মাথোন চাল্‌মাই যদি মোক সমৰ্থন কৰে," ধাতুবীৰ দৰে অবিৰাম এটা চিন্তাই তাৰ মগজুত খুন্দিয়াই খুন্দিয়াই গৈছিল. "যদি মাথোন চাল্‌মা মোৰ কাষৰত থিয় দিয়ে—একোলৈয়ে আৰু মোৰ ভয় নাই! একোলৈকে!" আজিয়েই চাল্‌মাক সি সকলো কথা কব;—তাৰ আদৰ্শ, তাৰ আশা, পৰিকল্পনা, তাৰ সপোন! তাইক নক'লেতো নচলিব! চাল্‌মাযে তাৰ জীৱন-সঙ্গিনী! তাৰ প্ৰেমিকা! কোনে জানে কালিলৈ কি হব!

আনোৱাৰে ভাবিছিল এই সময়ত সি চাল্‌মাক অকলেই ঘৰত পাব। তাইৰ বাবা এই সময়ত ক্লাচলৈ যায়। কিন্তু সি দেখি আচৰিত হ'ল, অধ্যাপকতো ঘৰতে আছেই, আৰু এজন আলহীও আছে। আলহীজন ডেকা লৰা। ধুনীয়া চেহেৰাৰ শকত-আৱত ওখ-পাখ মানুহ। গাৰ গঠনো বেছ মজবুত। ৰংটোও মুকলি। কেৱল বৰ অকালতেই মূৰটো তপা হৈ পৰিছে। আনোৱাৰে ডেকাক ইযাৰ আগতে কেতিয়াও দেখা নাই। তথাপি তাৰ ভাব হ'ল ডেকা যেন চাল্‌মাহঁতৰ বহুদিনীয়া চিনাকি। বেচ সহজভাবে আৰাম কৰি চোফাত বহি আছে। অকণো আড়ষ্টতা নাই। চাল্‌মাই চাহ দিছে। অন্য এজন ডেকাৰ লগত চাল্‌মাই হাঁহি-মাতি কথা পতা দেখিলেই ঈৰ্ষান্বিত হব পৰাকৈ আনোৱাৰ ঠেকমনা হোৱাৰ কথাই নহয়। তথাপিও কিয় যেন কিবা এক অস্বস্তিকৰ বেদনাই তাৰ বুকুখনত খোচা-বিন্ধা কৰি উঠিল।

"অ' আনোৱাৰ। আহাঁ আহাঁ!" অধ্যাপকে তাক স্বাভাৱিক ভাবেই আদৰ জনালে, "এওঁ মনজুৰ। চা-চিনাকি হোৱা। মোৰ এগৰাকী পুৰণি নলে-গলে লগা বন্ধুৰ পুতেক।"

আনোৱাৰে মনজুৰৰ লগত কৰমৰ্দ্দন কৰিলে। চাল্‌মাই ধুনীয়াকৈ হাঁহি ক'লে, "মাথোন মনজুৰ বুলি নকবা বাবা। কোৱা, মিষ্টাৰ মনজুৰ আলম, ডি-এচ-পি। ইচ্ছা কৰিলে এওঁ আমাৰ প্ৰত্যেককে জেললৈ পঠাব পাৰে বন্দী কৰি।"

আনোৱাৰক চমুকৈ অন্যমনস্কভাৱে "আপোনাক লগ পাই ভাল পালো" বুলি কৈয়ে মনজুৰে ঘূৰি চাল্‌মালৈ চাই হাঁহিলে আৰু নিৰ্লজ্জৰ দৰে কৈ উঠিল, "তোমাক বন্দী কৰিবলৈ পালে যি কোনো পুলিচ বিষয়াৰে সুখী হব, চাল্‌মা!"

এনে এটা মন্তব্যত খঙে-লাজে মৰি যোৱা হোৱা দূৰৰ কথা চাল্‌মাই

বৰং পেটে পেটে আনন্দহে পোৱা যেন দেখি আনোৱাৰৰ মনটো গধুৰ হৈ উঠিল।

এই ওখ অহঙ্কাৰী অতিমাত্ৰাই আত্ম-বিশ্বাসী পুলিচ বিষয়াজনৰ সমুখত আনোৱাৰৰ নিজকে বৰ অপদাৰ্থ নিচেই সৰু-সৰু যেন লাগিল। তাৰ সকলো গুৰুণি সঙ্কোচ ভয় দ্বিধা আকৌ উভতি আহি যেন তাক জুমুৰি দি ধৰিলেহি। সি যেন আন্তঃ বিশ্ববিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অনেক সম্মান লাভ কৰা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ আনোৱাৰ আলি নহয়। জৱাহৰ-লাল—সুভাষ বসুৰ লগত মুখামুখিকৈ বহি কথা পতা, অনেক দুৰ্দ্ধৰ্ষ বিপ্লৱী, অনেক বিদগ্ধ ৰাজনীতিজ্ঞৰ লগত একেলগে উঠা-বহা কৰা এটা ডেকা নহয়। শ্ৰেণীৰ ডাঙৰ ডাঙৰ ল'ৰাবোৰৰ মাজত অসহায় বোধ কৰা অকণমান এটা স্কুলীয়া ল'ৰাৰ দৰে হৈ গৈছে সি। চাল্‌মাৰ অনেক কথা ক'ম বুলি ভাবি আহিছিল আজি আনোৱাৰে। কিন্তু তাৰ সকলো পৰিকল্পনা মুকলি বতাহৰ কৰ্পূৰ-চূৰ্ণৰ দৰে কেনিবা উৰি গ'ল। অতি সোনকালেই সি গ'ম পালে আজি নিশা মনজুৰ চাল্‌মাইতৰ ঘৰৰ আলহী। কেৱল সেয়ে নহয়, এতিয়া খাই-বই উঠি চিনেমা চাবলৈ যাবলৈকো সিহঁতে ঠিক কৰি থৈছে।

কথাই-কথাই ৰাজনীতিৰ কথা ওলাল। আৰু অধ্যাপক চেলিমে পিচদিনা কংগ্ৰেছে পালন কৰিবলৈ লোৱা স্বাধীনতা-দিৱস সম্পৰ্কে দুটামান অতি শ্ৰুতিকটু মন্তব্য কৰি পেলালে।

"নাই নাই। আপুনি কোনো চিন্তাই নকৰিব অধ্যাপক চাহেব।" মনজুৰে মাতত অৱজ্ঞা ফুটাই তুলি কৈ উঠিল, "এইবাৰ এই কংগ্ৰেছীসখাৰ ভালকৈ এশিকনি দিয়া যাব। আপুনি চাই থাকক আমি কেনেকৈ ৰঙলি-কিতে গান্ধীৰ স্বৰাজ আন্দোলন উৰুৱাই দিওঁ। সকলো দিহা বন্দিয়াকৈ কৰি থোৱা আছে। আনকি আমি কি কি কৰা যাব তাৰ দুবাৰমান আখৰাও কৰি থৈছোঁ।"

তাৰ পিচত হঠাৎ কিবা এটা আমোদজনক কথা মনত পৰাৰ দৰে খিচিক কৰে হাঁহি ক'লে, "ভাল কথা এটা মনত পৰিছে। এইবোৰৰ ঔষধ আমাৰ আছে। এবাৰ কি হ'ল জানে। মোৰ এলেকাৰে এটা সৰু ঘটনা। জৱাহৰলালে মাথামুণ্ড নোহোৱা জঘন্য বক্তৃতাবোৰ দি গাৱেঁ গাৱেঁ ঘূৰি ফুৰিছে। ইচ্ছা কৰা হ'লে আমি তৎক্ষণাত গ্ৰেপ্তাৰ কৰি ভৰাই থব পাৰিলোহেঁতেন। পিচে ওপৰৰপৰা পৰাপক্ষত কিছুদিনলৈ একো নকৰিবলৈ নিৰ্দ্দেশ থকা বাবে গ্ৰেপ্তাৰ কৰা নাই। বক্তৃতা দি জৱাহৰলাল মোৰাৰ দুদিনমান পিচত জমিদাৰবোৰে আহি মোক গোচৰ

দিলেহি বোলে কংগ্ৰেছত যোগ দিয়া খেতিয়ক কিছুমানে গণ্ডগোল লগাইছে। এনেই কাম কৰি দি 'বেগাৰ' খাটিবলৈ অস্বীকাৰতো কৰিছেই আকৌ মুখৰ ওপৰত বৰ বৰ কথাও কবলৈ ধৰিছে। মই মানুহ পঠিয়াই বাছি বাছি ববকৈ কংগ্ৰেছী খালোৰা এক ডজন মানুহ ধৰাই আনিলো। তাৰে নজন আছিল সাধাৰণ খেতিয়ক। লানুকিলৈ তপত পানী নেলাগে বাবে সিহঁতক দহোটাকৈ বেত দিয়াই এৰি দিলো। কিন্তু বাকী তিনিজন আছিল পঢ়ি থকা কম বয়সীয়া ল'ৰা। পঢ়া-শুনা এৰি কংগ্ৰেছত ধৰিছে। গাৱঁত গণ্ডগোলৰ সৃষ্টি কৰিবলৈকে এলাহবাদৰপৰা আহিছে একেবাৰে। মঞো যেনে কুকুৰ তেনে টাঙোন দিয়াৰ সুবন্দবস্ত কৰিলো। কুঁজ চাই কিল!"

খগুত আনোৱাৰৰ কাণমূৰ ভমভমাব ধৰিছে। কি কৰোঁ কি কওঁ লাগিছে। মনজুৰ এইখিনিতে এখন্তেক বৈ চিগাৰেট এটা জ্বলালে। ঘটনাটোৰ প্ৰতি সকলোৰে উৎকণ্ঠা বঢ়াবলৈকে আচলতে সি ব'ল। "বাকী কেটাক কি কৰিলা, মনজুৰ?" স্ফূৰ্তি পোৱাৰ দৰে অধৈৰ্য্য হৈ চানুমাই সুধিলে "সিহঁতকো বেতালা নেকি?"

"নাই নাই। সিমান কেঁচা শাস্তি দি এৰি দিমনে সিহঁতক।" চিগা-ৰেটৰ ধোঁৱা উক্মাই হাঁহি হাঁহি মনজুৰে ক'লে, "বেচ চিন্তা কৰি চিৰ-দিনলৈ মনত থকাকৈ কঠোৰ শাস্তি দিয়া হ'ল সিহঁতক। কি কৰিলো জানা? নগৰৰপৰা বাছি বাছি এটা কুখ্যাত 'বদমায়েচ' গুণ্ডা বিচৰাই আনিলো। গাই পতি সিহঁতক একো বোতলকৈ দেশী মদ দিয়া। জানেতো অধ্যাপক চাহেৰ, দেশী-মদৰ জান। খাই যেতিয়া কেউটা টং হৈ উঠিল তেতিয়া কংগ্ৰেছী তিনিটাৰ লগত একেটা কোঠাতে ভৰাই তলা লগাই দিয়ালো। পিচদিনা পুৱা সত্যাগ্ৰহী বাছাইঁতৰ অৱস্থাৰ কথা নক'লেও হব আৰু। কাৰো মাত মাতিবৰ শক্তি নাই। গাৰ বং বেঙুনীয়া হৈ গৈছে। আমাৰ পুলিচে কাৰো গাত হাত নলগোৱাকৈয়ে কাম হৈ গ'ল। কওঁক, জেলৰ ভিতৰত যদি বাতি কয়দীয়ে কয়দীয়ে কাজিয়া কৰি মুৰ ফলাফলি কৰে, কোনোবাই কাৰোবাক গুন্দাগুন্দলকৈ পিটে তাৰ বাবে আমি কিয় দায়ী হ'ব?"

নিজৰ বুদ্ধিৰ গৰ্ব্বত আৰু নিজৰ কথাৰ বসত মনজুৰে চেকুচেকুকৈ হাঁহিব ধৰিলে। নৃশংসতাৰ এই প্ৰপঞ্চত আনোৱাৰৰ অন্তৰ মৌন-বিদ্ৰোহত গুমৰি উঠিল।

"বুজিছে অধ্যাপক চাহেৰ, কালিলৈ বিশ্ববিদ্যালয়ত কিবা গণ্ডগোল হোৱাৰ আশঙ্কা দেখিলে বোক জনাই দিব। মই সিহঁতৰ গত লগাই

দিয়। অৱশ্যে মোৰ বোধেৰে আপোনালোকৰ ইয়াত তেনেকুৱা ৰাজদ্ৰোহী বলিয়া নাই হ'বলা। আছে নেকি ৰাৰু?"

অধ্যাপকে উত্তৰ দিয়াৰ আগতে আনোৱাৰ খপহকৈ উঠিল আৰু মনজুৰৰ মুখামুখিকৈ থিয় দিলে। যি কাম কৰিম বুলি সি থিয় দিছে আনোৱাৰে জানে সেই কাম কৰা তাৰ বাবে সহজ নহয়। এটা অবাঞ্ছিত পৰিস্থিতিৰ সৃষ্টি হব। তদুপৰি উত্তেজনাত তাৰ গা পুৰিব ধৰিছে। এনে অৱস্থাত যি কোনো কাম কৰা উচিত নহয়। নিজক সংযত ৰখা টান হয়। তথাপি সি কৰিবই লাগিব। নিজৰ উত্তেজনা দমাই ৰাখি এই আমন্ত্ৰণ পুলিচ-বিষয়াক সমুচিত প্ৰত্যুত্তৰ সি দি যাবই লাগিব। নহলে জীৱনত কোনোদিন সি আৰু নিজকে নিজে মানুহ বুলি গণ্য কৰিব নোৱাৰিব। "মিষ্টাৰ মনজুৰ।" উত্তেজনাত তাৰ মাতটো কঁপিছিল। তথাপি সি এনেভাৱে কথাখিনি ক'লে যেন সি সেয়া কথা কোৱা নাই ঘৃণাত থুহে পেলাইছে। "আমি কালিলৈ আমাৰ ছাত্ৰসভাৰ মিটিং হলত স্বাধীনতা-দিবস পালন কৰিম। তালৈ মই আপোনাক নিমন্ত্ৰণ জনালোঁ। যদি পাৰে যাব। গৈ আমাক প্ৰমাণ দি আহিব—এজন পুলিচ-বিষয়াৰ সঁচাকৈয়ে ধাতু আছে! কলিজা আছে!"

"আনোৱাৰ!" চান্‌মাই চিঞৰি উঠিল, "তুমি মনজুৰক অপমান কৰিছা!"

চান্‌মাৰ মাতটো যেন আনোৱাৰৰ কাণত পৰা নাই চৰ হৈ গালতহে পৰিছেহি। সি কিন্তু তাইলৈ উভতি নেচালে। উভতি চোৱাৰ বাট আৰু নাই। "নিশ্চয়! আৰু ভাবি-চিন্তিয়েই অপমান কৰিছো!" এইবুলি কৈয়ে আনোৱাৰে দুৱাৰৰ পিনে খোজ ললে।

"আনোৱাৰ!" অধ্যাপক চেলিমে তাক মাতিলে।

"আনোৱাৰ!" চান্‌মাই মাতিলে, "আনোৱাৰ! নেযাবা! মোৰ কথা শুনা; এইফালে আহাঁ, আনোৱাৰ!"

এবাৰো থমকি নৰৈ আনোৱাৰ ওলাই গ'ল। সি জানে, যি কাম সি আজি কৰিলে সেয়া অত্যন্ত মাৰাত্মক! তাৰ নিজৰ বাবেই মাৰাত্মক! অথচ সেয়া অতিশয়ো গৌৰৱময়ো! এই ত্যাগ নিচেই সামান্য নহয়। এই প্ৰথম বাৰ সি চান্‌মাই মতাতো চপনীয়া কুকুৰৰ দৰে নেগুৰ জোঁকাৰি-জোঁকাৰি ওচৰ চাপি নগৈ আঁতৰি আহিব পাৰিলে।

"কমৰেড্ আৰু বন্ধুসকল।" আনোৱাৰে আৰম্ভ কৰিলে। অজানিত-ভাৱেই সি ঠিক জৱাহৰলালে ব্যৱহাৰ কৰা শব্দকেইটাৰেই বক্তৃতা আৰম্ভ কৰিলে। "মই বৰ দুঃখীত যে আজি আমি এনে অবাঞ্ছিত পৰিৱেশৰ মাজত সভা পাতিব লগা হৈছে। আমি ইয়াৰ ছাত্ৰ। এই সভাগৃহ আমাৰ। ইয়াৰ ওপৰত আমাৰ সম্পূৰ্ণ দাবী আছে। অথচ ইয়াত সোমাব-লৈকে আমাক বাধা দিয়া হৈছে। বলপ্ৰয়োগ কৰি আমি ইয়ালৈ সোমাব লগীয়া হৈছে...."

মোৰ মাতটো কঁপি উঠিছে কিয়? সোনাখোনি লাগিছে কিয় মোৰ? এক মুহূৰ্ত্ত বৈ আনোৱাৰে ভাবিলে। এইটো ঘৰতেতো মই অনেকবাৰ বক্তৃতা দিছো। আজিৰ বক্তৃতাৰ পৰিণতিৰ কথা ভাবি মোৰ ভয় লাগিছে নেকি? কিহৰ ভয়! মইতো আৱশ্যক হ'লে বিশ্ববিদ্যালয়ো এৰি দিব-লৈকো সিদ্ধান্ত কৰি থৈছো। আৰু যদি কিবা বিপদ হয়ো, ভয় কি! মইতো অকলে নহওঁ। সৌৱা ৰাজ। সৌৱা চোব্হান। সৌৱা ওচমান মজনভাই। কোনেওতো মোৰ দৰে ভয় কৰা নাই। মই ধৈৰ্য্য ধৰিবই লাগিব! ধৈৰ্য্য......

"সেই চিৰস্মৰণীয় নিশা ৰবি নদীৰ পাৰত স্বাধীনতাৰ ত্ৰিৰঙ্গ-পতাকা উত্তোলন কৰি জৱাহৰলাল নেহৰুৱে কোৱা কথাই আজি বাৰে বাৰে মোৰ মনলৈ আহিছে। তেওঁ কৈছিল, 'আজি আমাৰ দেশ অন্যায় বিদেশী শাসনৰপৰা মুক্ত কৰিবলৈ আমি খোলাখুলিভাৱে ষড়যন্ত্ৰত লিপ্ত হৈছো। আৰু কমৰেডসকল, আপোনালোকক তথা সমগ্ৰ দেশবাসীক মুক্তবাহুৰে আমি আহ্বান জনাইছো এই ষড়যন্ত্ৰত যোগ দিবলৈ। প্ৰতিদানত আমি হয়তো মাথোন পাম, অত্যাচাৰ, কাৰাগাৰ, আৰু হয়তো মৃত্যুও।'......এয়াই আজিৰ দিনত আমাৰো কৰণীয়। এইবাৰ মই স্বাধীনতাৰ শপত পাঠ শুনাম; আপোনালোকে সকলোৱেই মোৰ লগে লগে পঢ়ি এই শপত গ্ৰহণ কৰিব...."

"আমি দৃঢ়ভাৱে বিশ্বাস কৰো যে ভাৰতীয়লোকৰ, কেৱল ভাৰতীয়ৰে কিয় পৃথিৱীৰ প্ৰত্যেক দেশৰে মানুহৰে, স্বাধীন হোৱাৰ জন্মগত অধিকাৰ আছে! এই কথাত কোনো মতভেদ হব নোৱাৰে। প্ৰত্যেক মানুহেই নিজৰ পৰিশ্ৰমৰ ফল ভোগ কৰিবলৈ পাব লাগিব। জীৱনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী লাভ কৰিব পাৰিব লাগিব। নিজক বিকাশ কৰাৰ সকলো সুবিধা ৰাইজে পাব লাগিব। আমি বিশ্বাস কৰোঁ যে যদি কোনো চৰকাৰে ৰাইজৰ অধিকাৰত হস্তক্ষেপ কৰে, ৰাইজক অন্যায় ভাৱে অত্যাচাৰ কৰে...."

"....চৰকাৰৰ দোষ-ত্ৰুটি সংশোধন কৰাৰ অধিকাৰ ৰাইজৰ আছে।

দৰ্কাৰ পৰিলে অন্যায়-চৰকাৰ ভাঙি দিয়াৰো অধিকাৰ ৰাইজৰ আছে। ভাৰতবৰ্ষত ইংৰাজ চৰকাৰে ভাৰতীয় জনগণৰ স্বাধীনতাৰ অধিকাৰকেই কেৱল কাঢ়ি লোৱা নাই, তেওঁলোকক পুৰামাত্ৰাই শোষণ কৰিছে। অৰ্থ-নীতি, ৰাজনীতি, সংস্কৃতি তথা চৈতন্যৰ পিনৰপৰাও ভাৰতবৰ্ষক ধ্বংস কৰি পেলোৱা হৈছে। সেইবাবে ভাৰতবৰ্ষই ইংৰাজৰ লগত সকলো সম্বন্ধ ত্যাগ কৰি পূৰ্ণ-স্বাধীনতা লাভ কৰিবই লাগিব বুলি দৃঢ় মত পোষণ কৰো...."

"....অৰ্থনীতিৰ পিনৰপৰা ভাৰতৰ স্বাৰ্থক সম্পূৰ্ণৰূপে ধ্বংস কৰা হৈছে। আমাৰ জনগণৰপৰা যি পৰিমাণৰ ৰাজহ আদায় কৰি লোৱা হয় তাৰ সৈতে জনমূৰি উপাৰ্জ্জনৰ কোনো প্ৰকাৰৰ সমতাই নাই। আমি জনমূৰি দিনে সাত পইচাকৈ উপাৰ্জ্জন কৰোঁ। কৃষক ৰাইজৰপৰা উপাৰ্জ্জনৰ শতকৰা কুৰি ভাগকৈ মাটিৰ ৰাজহ হিচাপে লোৱা হয়। লোণকৰ দিব লাগে শতকৰা তিনি ভাগকৈ। এই কৰভাৰ দুখীয়া ৰাইজৰ বাবে দুৰ্ব্বহ...."

"....গাৱঁৰ তাঁত-সূতকে আদি কৰি সৰু সৰু হস্তশিল্প, কুটিৰ-শিল্প সম্পূৰ্ণৰূপে নষ্ট কৰা হৈছে। ফলত খেতিয়কসকলে বছৰৰ অন্তত তিনিটা মাহ নিকৰ্ম্মা হৈ কটাব লগাত পৰে। এহাতে তেওঁলোক যুগ-সঞ্চিত অতুলনীয় শিল্পৰ ঐতিহ্যতো লোপ পাইছেই, অন্যহাতেদি তেওঁলোকৰ প্ৰতিভা আন ফলপ্ৰসূ কামত নিয়োগ কৰিবৰ বাবে পৃথিৱীৰ স্বাধীন প্ৰগতি-শীল দেশসমূহৰ দৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। বহিঃশুল্ক আৰু পত্ৰমুদ্ৰাৰ পদ্ধতিও এনেভাৱে নিৰ্দ্ধাৰিত কৰা হৈছে যে মুঠিপকি আকৌ সেই দুখীয়া খেতিয়ক ৰাইজেই সকলো কৰৰ বোজা বহন কৰিব লগা হয়। আমাৰ আমদানিৰ সৰহভাগ বস্তুৰেই ইংৰাজ সকলে উৎপাদন কৰে। ইংৰাজসকলৰ বস্তুৰ ক্ষেত্ৰত বহিঃশুল্ক গ্ৰহণ কৰাত স্পষ্ট পক্ষপাতিতা দেখা যায়। আকৌ যি অলপ কৰ এনেভাৱে পোৱা যায় তাকো যদি ভাৰতীয়ৰ পিঠিৰ পৰ্ব্বত-প্ৰমাণ কৰৰ বোজা লাঘৱ কৰিবৰ বাবে ব্যৱহাৰ কৰা হ'লহেঁতেন তেও এটা কথা আছিল। কিন্তু এই ধন শাসক গোষ্ঠীৰ আৰাম আৰু বিলাস-প্ৰমোদৰ বাবে ব্যয় কৰা হয়। বিনিময়ৰ ক্ষেত্ৰতো এনে স্বাৰ্থজড়িত পদ্ধতি অৱলম্বন কৰা হৈছে যে বছৰি কোটি কোটি টকা দেশৰ পৰা বাহিৰলৈ ওলাই গৈছে...."

আনোৱাৰ এক মুহূৰ্ত্ত নীৰৱে ৰ'ল। সভাত উপস্থিত সকলোৰে গুণ গুণাই উঠিছে। সেই গুণগুণনি তল পেলাই অদূৰত উপাচাৰ্য্যৰ মটৰৰ হৰ্ণ বাজি উঠিল। ঠিক আছে। আহক। এই গৰাকী ইংৰাজ

ভদ্রলোকেও নিজ কাণেৰে শুনক চাৰিশ ভাৰতীয় যুৱকে স্বাধীনতাৰ মহান শপত গ্ৰহণ কৰা।... লাহে লাহে স্পষ্ট কণ্ঠেৰে সি কৈ গ'ল:

"...ৰাজনীতিৰ পিনৰপৰা চালে দেখা যায় ভাৰতীয়ৰ সন্মান ইংৰাজৰ শাসন কালত হোৱাৰ দৰে আৰু কোনো যুগতেই ইমান অধঃপতিত হোৱা নাছিল। আইন সংশোধন অনেক বাৰ কৰা হৈছে। কিন্তু প্ৰকৃত অৰ্থত কোনো ৰাজনৈতিক শক্তি ভাৰতীয় লোকক কেতিয়াও দিয়া হোৱা নাই। চৰকাৰৰ সৈতে সংশ্লিষ্ট আমাৰ ভাৰতীয়ৰ সৰাতোকৈ উচ্চ-পদবিশিষ্টজনেও বিদেশীৰ ওচৰত মূৰ দোৱাৰ লাগে। মুখ খুলি দুষাৰ কথা কোৱাৰ, নিজৰ মনোমতকৈ সমাজ পতাৰ অধিকাৰ আমাৰ নাই। সামান্য কাৰণত আমাৰ অনেক দেশবাসীক দেশান্তৰ কৰা হৈছে। নিজৰ ভাই-ভনীৰ ওচৰলৈকো অহাৰ অধিকাৰ সিহঁতৰ নাই। শাসনৰ কামত কৃতিত্ব দেখুৱাৰ পৰা প্ৰতিভা কাৰোবাৰ যদি আছেও তাক অদ্ভূত প্ৰক্ৰিয়াৰে পঙ্গু কৰি দিয়া হৈছে। এটা সুস্থ-সবল জাতিক তিল-তিলকৈ কেৰাণী মনোবৃত্তিৰ কৰি গঢ়ি তোলা হৈছে..."

আনোৱাৰে দেখিলে বাহিৰত বাৰাণ্ডাত অধ্যাপক চেলিম বিষণ্ণ মনেৰে থিয় দি আছে। এপাকত এজন অচিনাকি মানুহ তেওঁৰ ওচৰ চাপি আহি কুচকুচাই কিবা এটা সুধিলে। নিশ্চয় চোৰাংচোৱা বিভাগৰ কোনোবা হ'ব। হওক। ঠিক আছে। আনোৱাৰে নিজকে ক'লে।—ইহঁতেই নকৰিলে চৰকাৰক আৰু কোনে সহায় কৰিব?

"সংস্কৃতিৰ পিনৰপৰাও,—আমি আজি যি শিক্ষা পাইছো এই শিক্ষাই আমাক আমাৰ দেশৰ মাটিৰপৰা বিচ্ছিন্ন কৰি পেলাইছে। আত্ম-পৰিচয় আমাৰ হেৰাই গৈছে। শিকলি শিকলিয়ে আমাক বান্ধি বন্দীত্বৰ গ্লানিত পৃথিৱীৰ আগত মুখ দেখুৱাব নোৱাৰা কৰিছে আমাৰ শিক্ষাই আমাক সেইভাল শিকলিকে প্ৰেমৰ আলিঙ্গন ৰূপে জ্ঞান কৰিবলৈ প্ৰশিক্ষণ দিছে।"

"...অস্ত্ৰৰ শক্তিৰ পিনৰপৰাও বাধ্যতামূলক নিৰস্ত্ৰীকৰণে আমাক ভয়াতুৰ অমানুহ কৰি পেলাইছে। আমাৰ প্ৰতিৰোধ শক্তিক বধিৰ কৰি দিয়াৰ কাৰণে নিয়োজিত এদল সৈন্যৰ উপস্থিতিয়ে..."

আনোৱাৰৰ মনত পৰিল অমৃতচৰলৈ যোৱা সুদীৰ্ঘ বিবাট শুকুলা ৰাজপথেদি ধূলি উৰুৱাই যোৱা অশ্বাৰোহী সেনাদলৰ কথা....বণ্ডাবুখীয়াই "ফাৱাৰ" বোলাৰ লগে লগে অসংখ্য বন্দুকে নিৰ্বিচাৰে মৃত্যু বৰষা কথা.... জালিয়ানৱালাবাগ .....তেনেকুৱা নৃশংস কাণ্ড আকৌ হ'ব নেকি? হ'ব পাৰে নে....এক মুহূৰ্ত্ত সি ৰ'ল। তাৰ চকুৰ কোণত অশ্ৰুৰ মুকুতা জিলিকি উঠিল। আবেগ-বিহ্বল ভাৱে চিঞৰি চিঞৰি সি কবলৈ ধৰিলে:

"....আমাক ভাবিবলৈ বিশ্বাস কৰিবলৈ শিকাইছে আমি আমাৰ নিজৰ দায়িত্ব গ্ৰহণ কৰিব নোৱাৰো বুলি। বিদেশীৰ আক্ৰমণ প্ৰতিৰোধ কৰাৰ ক্ষমতা আমাৰ নাই। চোৰ, ডকাইত, গুণ্ডাৰ হাতৰপৰা আমাৰ নিজা ঘৰ-বাৰী পো-পোৱালী ৰক্ষা কৰাৰ শক্তিও আমাৰ নাই"....

"এইদৰে আমাক চাৰিও ফালৰপৰা ধ্বংস কৰি অন্য এটা শক্তিৰ হাতত আত্ম-সমৰ্পণ কৰাক আজি আমি ঈশ্বৰ আৰু মানৱতাৰ ওচৰত অপৰাধ বুলি উপলব্ধি কৰিছো। হ'লেও, আমি এটা কথা নিশ্চিত জানো যে স্বাধীনতা লাভৰ বাবে আমাৰ সকলোতকৈ প্ৰশস্ত পথ হিংসাৰ পথ নহয়...."

সেইবাবে আজি আমি সাজু হৈছো আমাৰ বাটত আগবাঢ়িবলৈ ইংৰাজ চৰকাৰৰ লগত সকলো প্ৰকাৰে অসহযোগ কৰি। আমি প্ৰস্তুত হৈছো আইন অমান্য কৰিবলৈ। খাজনা দিয়াৰপৰা আমি বিৰত থাকিম। আমাৰ দৃঢ় বিশ্বাস আছে, যদি আমি বিদেশী চৰকাৰক সকলো প্ৰকাৰৰ সহায় কৰিবলৈ বন্ধ কৰি দিওঁ, কোনো হিংসাত্মক পন্থা গ্ৰহণ নকৰাকৈ কৰ দিবলৈ অস্বীকাৰ কৰোঁ, আনে আমাক জোকাই ললেও আমি যদি উত্যক্ত নহৈ সদায় শান্ত অহিংস হৈ আদৰ্শত বিচলিত হৈ থাকিব পাৰোঁ, তেন্তে এই অমানুষিক শাসন নিজে নিজেই শেষ হৈ যাবলৈ বাধ্য। সেইবাবেই আজি আমি দৃঢ় প্ৰতিজ্ঞা গ্ৰহণ কৰিছো, পূৰ্ণ স্বৰাজ প্ৰতিষ্ঠাৰ কাৰণে আমি দৃঢ়তাৰে কাম কৰি যাম আৰু এই অৰ্থে কংগ্ৰেছে সময়ে সময়ে দি যোৱা নিৰ্দ্দেশাৱলী প্ৰকৃত অৰ্থত কামত খুৱাবলৈ যত্ন কৰিম...."

আনোৱাৰে উপস্থিত সকলোৰে মুখলৈ চালে। প্ৰত্যেকখন মুখ স্বাধীনতাৰ অদ্ভুত দ্যুতিত উজলি উঠা দেখি আনোৱাৰ আচৰিত হৈ গ'ল। সি দেখিলে, ৰাজৰ দুচকুৰ পৰা ধাৰাসাৰে অশ্ৰু ওলাই দুগালেদি বৈ গৈছে। চোৰহানটো 'চিনিক'। কোনো আৱেগকেই সি যৎসামান্যও মূল্য দিব নোখোজে। আনকি সেই বিশ্বনিন্দুক চোৰহানো উপলক্ষটোৰ গভীৰতাত যেন অভিভূত হৈ পৰিছে; সজল হৈ উঠা চকুহাল অনাৰী উজলতাত চিক্‌চিক্ কৰিছে। কিন্তু....কিন্তু তাৰ নিজৰ গালেদি আকৌ এইবোৰ কি বৈ আহিছে? ঘাম নেকি? এই জানুৱাৰী মাহত মানুহ ঘামে? "হ'ব পাৰে"—সি নিজকে ক'লে, "যিহে উত্তেজিত হৈছে সি। আৰু যদি নহয়, তেন্তে এয়া চকুপানী। নাই-নাই। এইবোৰ সি মচি পেলাবই লাগিব। একো চিন থাকিব নোৱাৰে। সৌৱা....সৌৱা সিহঁত আহিছে। উপাচাৰ্য্য, অধ্যাপক চেলিম, অধ্যাপক নবী বক্স, ছাত্ৰাবাসৰ অধ্যক্ষ, ছাত্ৰসভাৰ উপ-সভাপতি, আৰু সকলোৰে শেষত চূড়ান্ত আৱতৰি পুলিচ-

বিষয়া মন্‌জুৰ। এয়া হ'ব নোৱাৰে। মোৰ চকুত চকুপানী মন্‌জুৰক দেখিবলৈ দিয়াৰ আগতে লাগিলে মই মৃত্যুকে বৰণ কৰিম"



আনোৱাৰে আশা কৰা দৰে কোনো নাটকীয় অথবা আৱেগপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি নোহোৱাকৈয়ে সকলো শেষ হৈ গ'ল।

আনোৱাৰ, ৰাজ. চোব্‌হান, আৰু ওচমান ফজলভাইক বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰি চৌবিশ ঘণ্টাৰ ভিতৰত ছাত্ৰাবাস এৰি গুচি যাবলৈ নিৰ্দ্দেশ দিয়া হ'ল। সেই তথাকথিত বেআইনী সভাত চাৰি-শ ছাত্ৰই যোগ দিছিল। কিন্তু এই চাৰিজন ছাত্ৰৰ লগত যোগ থকা বুলি খোলা-খুলিকৈ স্বীকাৰ কৰি বহিষ্কৃত হবলৈ আগবাঢ়ি আহিব পৰা সাহস মাত্ৰ বাৰজন ল'ৰাৰ বাহিৰে কোনেও দেখুৱাব নোৱাৰিলে। খন্তেক আগতে স্বদেশ-প্ৰেমৰ উদ্দাম জোৱাৰত যিসকল ছাত্ৰ মতলীয়া হৈ উঠিছিল খন্তেকতে সেইসকল ছাত্ৰ ভয়ৰ ভাঁটাত কোঁচ খাই গ'ল। ভীতি, দুৰ্ব্বলতা আৰু শাসক গোষ্ঠীৰ ৰক্তচকুৱে আকৌ এবাৰ যুবক শক্তিৰ উচ্ছ্বাস প্ৰদমিত কৰি দিলে।

বহিষ্কৃত হোৱা বাবে নিজৰ পিনৰ পৰা বেছি চিন্তা কৰিব লগা বা অনুতপ্ত হব লগা একো নাছিল আনোৱাৰৰ। কাৰণ ইতিমধ্যেই সি স্নাতক হৈ গৈছেই। তদুপৰি চৰকাৰী চাকৰি কৰাৰ কথা সি কেতিয়াও ভবাও নাই। কিন্তু এই ঘটনাই তাৰ আব্বাজান আৰু চাল্‌মাৰ মনত কেনেভাৱে প্ৰতিক্ৰিয়া কৰে সেই কথা ভাবিহে সি অস্থিৰ হৈ পৰিল। এটা ৰাজদ্ৰোহীৰ হাতত নিজক সঁপি দি নিজৰ ভবিষ্যত স্বাচ্ছন্দ্যৰ জীৱন নষ্ট কৰি দিবলৈ আগবাঢ়ি আহিব পাৰিব জানো চাল্‌মা? কিন্তু....কিন্তু.... নিশ্চয়....নিশ্চয় তাই আহিবই! ৰাজনীতি চাল্‌মাই ভাল নেপাব পাৰে। কিন্তু তাকতো ভাল পায়। আৰু এবাৰ যদি তাই উপলব্ধি কৰিব পাৰে যে তাইৰ আনোৱাৰ ৰাজনীতিৰ কাঁইটীয়া বাটেদি আগবাঢ়ি যাবলৈ বদ্ধ-পৰিকৰ, তেন্তে তাইৰ অকলুষ প্ৰেমে তাইকো এইবাটেই আগুৱাই আহিবলৈ

বাধ্য কৰিব। নাহি তাই থাকিব কেনেকৈ। প্ৰেমৰ আহ্বানক আওকাণ কৰাৰ, অস্বীকাৰ কৰাৰ শকতি এইখন পৃথিৱীত কাৰ আছে। কাৰো নাই। অৱশ্যে তাইৰ বাবেই যে অথালি-পথালি লগাব তাত সন্দেহ নাই। কাৰণ জোৱাই ল'ৰা এজন আই-চি-এচ বিষয়া হব—এই উচচ আশা ডেওঁ অন্তৰত সদায়েই পুহি ৰাখিছে। আনোৱাৰৰ বৰ্ত্তমানৰ গতি-বিধিয়ে তেওঁক নিৰাশ কৰাটো স্বাভাৱিক। আৰু সেইবাবে আনোৱাৰৰ সলনি মজুৰৰ নিচিনা অন্য কাৰোবাক গ্ৰহণ কৰিবলৈকো চালমাক পৰামৰ্শ দিব পাৰে। কিন্তু কি হব। আনোৱাৰে ঠিক জানে, যি কোনো কাৰণেই নহওঁক নিজৰ প্ৰেমক সৰ' হৈ যাবলৈ চালমা এৰি দিব পৰা ছোৱালীয়েই নহয়।

এইবোৰ কথা ভাবি থাকোতেই চালমানপৰা এখন চিঠি লৈ অধ্যাপক চেলিমৰ চাকৰ এটা ওলালহি। অকণমান কথা লেখিছে চালমাই: "এই-মাত্ৰ সকলো কথা গম পালোঁ। তুমি একো চিন্তা নকৰিবা, আনোৱাৰ। সকলো ঠিক হৈ যাব। মোৰ ওচৰলৈ তুমি কেতিয়া আহিবা? মই তোমালৈ বাট চাই আছোঁ।" কিমান ভাল, উদাৰ, কিমান চিন্তাশীলা এজনী ছোৱালী এই চালমা। ভাগ্যৰ এই অভিসম্পাত, এই বিপৰ্যয়ৰ সময়ত তাক ৰক্ষা কৰিবলৈ, উৎসাহ দিবলৈ, তাক শান্তি-নিৰ্ভয় দিবলৈ এয়া তাৰ কাষত থিয় দিছে চালমাই: আৰু কি লাগে তাক। তৎক্ষণাত সি মেৰিচ ৰাজপথলৈ ৰাওনা হ'ল।

চালমাই তালৈ বাট চাই আছিল। দুৱাৰ মুখৰপৰা তাক হাতত ধৰি পোনেই নিজৰ শোৱা কোঠালৈ লৈ গ'ল। আনোৱাৰে দেখিলে তাইৰ চকুহাল অস্বাভাৱিকৰূপে ৰঙা পৰি আছে। বুকুখন তাইৰ মোচোৰা খাই উঠিল। চালমাই কান্দিছিল। তাই দুৱাৰখন বন্ধ কৰি দিয়াৰ লগে লগে সি তাইক সাবটি ধৰি তাইৰ উষ্ণ উৰ্ধহি থকা চকুৰ পতাত আকুলভাৱে চুমা আঁকি দিলে। বেচাৰী! ইমান অকণমান ইমান মৰম-লগা চালমাজনী! তাই তাৰ বুকুত সোমাই উচুপিবলৈ ধৰিলে। তাৰ অন্তৰখন ভাগি বাহিৰ ওলাই আহিব খোজা যেন লাগিল।

কোনেও একো কথা নোকোৱাকৈ কেইবাটাও মিনিট নীৰৱ সান্নিধ্যৰ মাজেদি পাৰ হৈ গ'ল। বাৰে বাৰে আনোৱাৰে চালমাৰ অশ্ৰুৰ ধাৰ চুমাৰ ডেঁটাৰে ৰোধ কৰিবলৈ যত্ন কৰিব ধৰিলে। আবেগেৰে সি চুমা আঁকি 'ল তাইৰ সিক্ত চকুত, কম্পিত ওঠত, বিনম্ৰ গ্ৰীৱাত, সুকোমল সুস্বাদু কাণৰ লতিত। সি অনুভৱ কৰিলে প্ৰত্যেকটো চুমাৰ লগে লগে যেন তাৰ মনৰ কোমলতাবোৰ গলি গলি নিঃশেষ হৈ গৈ তাৰ ঠাইত

ধীৰে ধীৰে জ্বলি উঠিব ধৰিলে কামনাৰ লালসাৰ এক উত্তাল বহ্নিশিখা। আৱেগ-বিভোৰা ভাৱে চাল্‌মাই নিজকে সম্পূৰ্ণভাৱে এৰি দিলে তাৰ আলিঙ্গনৰ মাজত। আৰু আনোৱাৰে লৌহ-পেষণেৰে তাইক চেপি ধৰিলে। দুৰন্ত কামনাত অধীৰ হৈ সি যেন তাইৰ কম্পমান বুকুৰ শৃঙ্গদ্বয় নিজৰ বুকুত মোহাৰি ভাঙি পেলাব খুজিছে। ...চাল্‌মাৰ প্ৰতি তাৰ এই আদিম ক্ষুধা আনোৱাৰে চিনি পায়। উমি উমি জ্বলি থকা তুষানলৰ দৰে এই ক্ষুধা তাৰ অন্তৰত সদায় আছে। আছিল। কিন্তু আজি এই মুহূৰ্ত্তত হঠাৎ আনোৱাৰে অন্য এটা কথা উপলব্ধি কৰিলে। তাৰ আদৰ্শৰ দেহাতীত প্ৰেম দেহজ স্তৰলৈ নামি অহা মুহূৰ্ত্তত সি বুজি উঠিল, কিমান গভীৰভাৱে চাল্‌মাই তাক ভাল পায়। তাৰ বাবে তাই নিজক নিঃশেষ কৰি দিব পাৰে। তাক দিবলৈ তাইৰ অদেয় একো নাই...একোৱেই...একোৱেই...

কামনাৰ তাড়নাত উত্তাৱল আনোৱাৰ যেন ওলমি ৰ'ল কোনো এক অতল কন্দৰৰ অন্তিম ধাৰৰপৰা। যি কোনো মুহূৰ্ত্ততে সি খহি পৰিব পাৰে, হেৰাই যাব পাৰে নিৰঙ্কুশ গভীৰতাত। এনে সময়তে চাল্‌মাই দীঘলকৈ হুমুনিয়াহ এটা ক'লে, "আনোৱাৰ। আনোৱাৰ, তুমি মোক ভাল পোৱা। সঁচাই ভাল পোৱা, আনোৱাৰ?"

"তুমিয়েই মোৰ প্ৰেম, মোৰ জীৱন, চাল্‌মা। সন্দেহ কৰা কিয়?" এইবুলি তাৰ কথাক সি যেন এটা দীৰ্ঘস্থায়ী আকুল চুমাৰে সপ্ৰমাণ কৰিবলৈ যত্ন কৰিলে।

আৱেগ-মধুৰ ভাৱেৰে চকুহাল মেলি চাল্‌মাই চালে। কামনাৰ অধীৰতাত সেই চকুৰ দৃষ্টিও যেন উদভ্ৰান্ত বজ্ৰাভ হৈ উঠিছে। কিন্তু আচৰিতভাৱে তাই সম্পূৰ্ণ বেলেগ এটা কথাৰ অৱতাৰণা কৰিলে: "তেন্তে তুমি শুচি নোযাবা। তুমি ক্ষমা প্ৰাৰ্থনা কৰিবা? মোৰ কাৰণে এইখিনি তুমি নিশ্চয় কৰিবা, নহয় আনোৱাৰ?"

চাল্‌মাৰ ওঁঠৰ মাজেৰে সৰকি অহা শব্দবোৰৰ প্ৰকৃত অৰ্থ বুজাত আনোৱাৰৰ অলপ সময় লাগিল। কিন্তু বুজাৰ লগে লগে যেন তাৰ শৰীৰৰ পৰা কামনাৰ সকলো উত্তাপ নিমিষতে কেনিবা আঁতৰি গ'ল। উত্তপ্ত লোহাত কোনোবাই যেন চেঁচাপানী ঢালি দিলে। এটা পঙ্গুতাৰ, বিজলৰ দৰে যেন এটা ক্লীৱতাৰ স্ৰোত তাৰ বাজহাড়ৰ মাজেদি পাৰ হৈ গ'ল। এয়া সঁচা? নে তাৰ শুনাত ভুল হৈছে?

"এয়া তুমি কি কৈছা, চাল্‌মা?" তাইৰ চকুত চকু ৰাখি সি সুধিলে, "তুমি নিশ্চয় কেতিয়াও মোক বিশ্বাসঘাতকতা কৰিবলৈ ক'ব নোৱাৰা।"

"তাৰ মানে তুমি মোক ভাল নোপোৱা। তোমাৰ কথা সকলো

মিছা। মই ঠিক বুজিছোঁ।" অভিমান দেখুৱাই অতি মৰম লগাকৈ তাই গাল দুখন ওফন্দালে। আকৌ এবাৰ আনোৱাৰক কামনাৰ মকৰাজালে আবৰি ধৰিলে। "মোক ভালপোৱা হ'লে ক্ষমা খুজি মাত্ৰ দুটামান শব্দ লেখি দিবলৈ তুমি কেতিয়াও সঙ্কোচ নকৰিলাহেঁতেন। বাবাই উপাচাৰ্য্যৰ লগত সকলো বন্দবস্ত কৰি থৈছে। উহ আনোৱাৰ, ইমান গোৱাঁৰ নহ'বাচোন। একেটা কথাকে মানুহে এনেকৈ ধৰি থাকেনে। এবাৰ ভাবি চোৱা, মোক এৰি তুমি কেনেকৈ গুচি যাবা। মোৰ কি হ'ব?"

আনোৱাৰে ভাবিলে, তাক আৰু তাইৰ প্ৰেমক হেৰুৱাৰ ভয়তে বেচাৰীয়ে ইমান যুক্তিহীন কথাবোৰ কৈছে। "কিন্তু চাল্‌মা—তুমিতো জানাই—মই য'তেই নেথাকো, কাৰাগাৰত, দ্বীপান্তৰত, আনকি কাঁচীকাঠত ওলমিব লগা হ'লেও—মোৰ এই অন্তৰ চিৰকাল তোমাৰেই। আজি মই যি আছো বা ভবিষ্যতে মই যি হ'ম,—মই যিহকে নকৰো....তুমি-তুমি সদায় মোৰ লগত থাকিবা। থাকিব লাগিব চাল্‌মা। নহলেযে তোমাৰ অবিহনে মই অসম্পূৰ্ণ থাকি যাম। এই আন্দোলন চিৰকালতো চলি নেথাকে, চাল্‌মা। জেললৈ গ'লেও এদিন মই ওলাই আহিম। তেতিয়া আমাৰ বিয়া হ'ব আৰু..."

"নাই নাই নাই!" চাল্‌মাই চিঞঁৰি উঠিল, "ইমান দিন মই বাট চাই থাকিব নোৱাৰোঁ!"

"বেচ তেন্তে" আনোৱাৰে মন স্থিৰ কৰি লৈ ক'লে, "আহাঁ। আমি আজি, এতিয়া, এই মুহূৰ্ত্তে বিবাহ বান্ধোনত আৱদ্ধ হওঁ।" আনোৱাৰে জানে তাৰ আব্বাজানে চাল্‌মাৰ দৰে এজনী আধুনিকা ছোৱালীক বোৱাৰী কৰিবলৈ কেতিয়াও সহজে মান্তি নহয়। হ'লেও, সি তেওঁক যেনে তেনে সন্মত কৰাব পাৰিব। "সঁচা, মই তোমাক এতিয়া বিশেষ একো দিব নোৱাৰিম। তথাপি মোৰ যি আছে—ভবিষ্যতে যি হ'ব—মোৰ বৰ্ত্তমান ভবিষ্যতে সকলো তোমাৰ চাল্‌মা। আহা চাল্‌মা—আমি বিবাহ বান্ধোনত আৱদ্ধ হৈ পৃথিবীক অস্বীকাৰ কৰোঁ।"

অলপ সময় একো নকৈ চাল্‌মা নীৰৱে বৈ থাকিল। তাৰ পিচত ভাবি ভাবি লাহে লাহে কবলৈ ধৰিলে। তাইৰ কথা কোৱাৰ সুৰটো অস্বাভাৱিক আৰু ভয়-লগা যেন লাগিল আনোৱাৰৰ। "মোৰ একো আপত্তি নাই, আনোৱাৰ। কিন্তু তাৰ আগতে তুমি মোক এটা কথা দিব লাগিব। তুমি এইবোৰ আগঙুৰি নোহোৱা অৰ্থহীন ৰাজনীতিৰ লগত সকলো সংশ্ৰৱ ত্যাগ কৰি বাবাৰ কথামতে চলিব লাগিব। আই-চি-এচ পৰীক্ষাৰ বাবে..."

"নাই। সেইটো হ'ব নোৱাৰে।" একে আষাৰে আনোৱাৰে কৈ উঠিল। চাল্‌মাৰ অনুভূতিহীন ব্যৱসায়ী সুলভ কথা বন্ধ হৈ গ'ল। আনোৱাৰে যেন তাৰ চকুৰ আগত এটা মৰীচিকাময় বীভৎস দৃশ্যহে দেখিবলৈ পাইছে। সি কঁপি উঠিল।

"তাৰ মানে এয়ে হ'ল যে তোমাৰ মোৰ প্ৰতি ভালপোৱা এটা বিৰাট ফাঁকি। ইয়াত কোনো সন্দেহ নাই। তোমাৰ বাবে তোমাৰ ৰাজনীতি, গান্ধী, জৱাহৰলাল আৰু এইবোৰ স্বাধীনতা যুদ্ধৰ পাগলামিৰ দাম মোৰ প্ৰেমতকৈ বহুত বেছি।" তাই উচুপি উচুপি কৈ গ'ল, "মই বহুত আগতেই এই কথা বুজা উচিত আছিল। সকলোৱেই মোক এই কথা কৈছিল। মই কাকো বিশ্বাস কৰা নাছিলো। মই ভাবিছিলো তুমি মোক সঁচাকৈয়ে ভাল পোৱা। কিন্তু সিহঁতেই ঠিক; মোৰেই ভুল।"

"সিহঁত!" বহুবচনৰ এই শব্দটোত আনোৱাৰে যেন কিবা অমঙ্গলহে গোন্ধ পালে. "সিহঁত কোন?"

হঠাৎ সোধা এনে এটা প্ৰশ্নত চাল্‌মাক বিব্ৰত হৈ পৰা যেন দেখা গ'ল। খোঁতা-মোঁজা লগাই তাই ক'লে, "সিহঁত···মানে···সকলো···বাবা··· মনজুৰ···" কিন্তু আৰু কাৰো নাম নকৈ তাই নিজকে সংযত কৰিলে।

আনোৱাৰৰ চকুৰ আগৰপৰা যেন এখন পৰ্দাহে ছ্যাঁত কৰে আঁতৰি গ'ল। তাৰ মানে যাই কথা এইটো। এজন প্ৰেমিক এজন স্বামী হিচাপে আনোৱাৰ তেতিয়ালৈকে গ্ৰহণীয় যেতিয়ালৈকে ভবিষ্যৎ আই-চি-এচ বিষয়া হোৱাৰ আশা তাৰ আছে। কিন্তু এটা মানুহ হিচাপে 'আনোৱাৰ' হিচাপে—তাৰ কোনো মূল্য নাই। তাক ইচ্ছা মতে বাটৰ দাঁতিৰ জাবৰৰ দ'মত দলিয়াই পেলাব পাৰি। এয়াই 'সিহঁত'ৰ প্ৰেমৰ ধাৰণা। এয়াই মাপকাঠি। অধ্যাপক চেলিম, মনজুৰ, আনকি চাল্‌মাৰো কাৰণে প্ৰেম, বিশ্বাস, সন্মানৰ মূল্য ইমানেই। ছিঃ!

তথাপিও আনোৱাৰে এবাৰ শেষ চেষ্টা কৰি চাবলৈ যত্ন কৰিলে। চাল্‌মা, মোৰ তোমাৰ কোনো প্ৰয়োজন নাই বুলি তুমি নিশ্চিত নে? মই নোহোৱাকৈ তুমি চলিব পাৰিবা? নে মনজুৰৰ খাকী পোছাকৰ আকৰ্ষণত···"

"চুপ থাকা।" চাল্‌মাই চিঞৰি উঠিল। আনোৱাৰে দেখিলে এইজনী তাৰ চিনাকি চাল্‌মাজনী নহয়। এইজনী এজনী বেলেগ ছোৱালী। খঙে-ৰাগে উন্মাদিনী প্ৰায় হৈ উঠা এইজনী চাল্‌মাক আনোৱাৰে চিনি নেপায়। "মনজুৰৰ নাম ইয়াৰ মাজলৈ টানি আনিবলৈ তোমাৰ কোনো অধিকাৰ নাই। আন বিষয়েই নহওক তেওঁ অন্ততঃ এজন ভদ্ৰলোক। আৰু তুমি··· তুমি···প্ৰেমৰ ইমানবোৰ তুৱা প্ৰতিশ্ৰুতি দি মোক প্ৰতাৰণা কৰা তুমি···

তোমাক মই ঘিণ্ করো···তোমাক···তোমাক মই ঘিণ করো·· "

আনোৱাৰে জানে ইয়াৰ পিচত আৰু কথা কোৱাৰ একো অৰ্থ নহয়। পাগলীৰ লগত যুক্তি-তৰ্ক কৰিবতো আৰু মানুহে পাৰ পাব নোৱাৰে।

মনৰ সকলো বেদনা, সকলো তিক্ততা মনৰ মাজতে চেপি ৰাখি আনোৱাৰে লাহে লাহে ক'লে, "যাওঁ চাল্‌মা, বিদায়! মই এতিয়া যাওঁ। তোমাৰ খং মাৰ গ'লে মোৰ কথা এবাৰ মৰম আৰু অনুকম্পাৰে বিবেচনা কৰিবা। ভাবি চাবা। আৰু মই···মই তোমাক মৃত্যুৰ দিনলৈকে মনত ৰাখিম···মৰমেৰে···কৃতজ্ঞতাৰে।" তাৰ পিচত তাৰ মুখৰপৰা সি কব নোৱাৰাকৈয়ে, ক'ম বুলি নভবাকৈয়ে এযাৰ কথা ওলাই পৰিল; কোনোবা অনিৰ্দ্দিষ্টক কোৱাৰ দৰে সি ক'লে, "এদিন···বহুত দিনৰ পিচত···হয়তো এদিন তুমি বুজি পাবা কিমান গভীৰভাৱে কিমান অকৃত্ৰিমভাৱে কিমান সম্পূৰ্ণ সৰ্ব্বগ্ৰাসীৰূপে তোমাক মই ভাল পাওঁ।"

চাল্‌মাই একো উত্তৰ নিদিলে। ধীৰ খোজেৰে আনোৱাৰ ওলাই গ'ল। দুৱাৰখন সি নজপালে। সি আশা কৰিছিল চাল্‌মাই তাক মাতিব। কিন্তু সি মজিয়া পাৰ হৈ গ'লতো তাইৰ মাত আহি তাৰ কাণত নপৰিল। হতাশ হৈ এবাৰ উভতি চাব খোজোতেই তাৰ কাণত পৰিল চাল্‌মাই সজোৰে দুৱাৰখন বন্ধ কৰি দি খিলি লগাই দিছে।

ছাত্ৰাবাস। ঘড়ি-স্তম্ভ। মচজিদৰ মিনাৰ-গম্বুজ। সকলোবোৰ এটা এটাকৈ আনোৱাৰৰ চকুৰ আগেদি পাৰ হৈ গ'ল। লাহে লাহে ৰেলখনে তাক আলিগড়ৰপৰা আঁতৰাই আনিলে। কেৱল যেন বিশ্ববিদ্যালয়-নগৰখনেই নহয় এয়া যেন তাৰ যৌৱনৰ অনেক ৰং অনেক সুৰভি ধীৰে ধীৰে ধূসৰ দিগন্তৰ সিপাৰে দূৰ অতীতত মিলি গৈছে। ধীৰে ধীৰে অদূৰৰ আমবনৰ সিপাৰে সুউচ্চ ঘড়ি-স্তম্ভৰ চূড়া দৃষ্টি পথৰ আঁৰত ডুবি ডুবি একেবাৰে নেদেখা হৈ যোৱাৰ লগে লগে অন্তৰ জুৰি এক অ···মী ৰিক্ততাই হাঁহাকাৰ কৰি উঠিল।

আবেলিৰ আকাশখন এনেও নিচেই চাপৰ-চাপৰ যেন লাগে। সেই আকাশ ক্ৰমে নিশাৰ এন্ধাৰত গাঁঢ় বৰণীয়া হৈ অহাৰ লগে লগে আনোৱাৰৰ মনৰ বিষণ্ণ ভাবো ক্ৰমে গাঢ়তৰ হৈ আহিব ধৰিলে। মধ্যম শ্ৰেণীৰ সৰু গাপ-মৰা কোঠাটোৰ লাইটৰপৰা বিচ্ছুৰিত অনুজ্জ্বল ক্ষীণ পোহৰবোৰো যেন বিষণ্ণ। বিষাদ মলিন। ৰেলৰ চকাবোৰে একেবাহে একেসুৰে তাৰ মগজুত বাৰম্বাৰ এটা শব্দৰ প্ৰতিধ্বনি তুলি তুলি গৈ থাকিব ধৰিলে,-চাল্‌-মা। চাল্‌-মা। চাল্‌-মা। অন্তৰত তাৰ এটা বন্ধ্যা যন্ত্ৰণা; বিষ,—হতাশাৰ। নিৰাশাই যেন তাৰ উৎসাহবোৰ গধুৰ কৰি দিছে। বন্ধ কৰি

দিব খুজিছে। জানুৱাৰী মাহৰ চেঁচা বতাহৰ বাবে খিৰিকীবোৰ বন্ধ কৰি ৰখা হৈছিল। কোঠাটো আনোৱাৰৰ মনত এটা অন্ধকূপ যেন বোধ হ'ল। এনে লাগিল তাৰ যেন আৰু অলপ সময়; অলপ পিচতে সি মৰি থাকিব।

হেঁচা মাৰি সি খিৰিকী এখন খুলি দিলে। জোৰেৰে এছাটি হিমচেঁচা বতাহ সোমাই আহি যেন তাৰ গালত চৰ মাৰিহে দিলেহি। চকুহাল তাৰ পুৰি উঠিল। অভাৰকোটৰ ডিঙিয়েদি চেঁচা বতাহ সোমাই তাৰ গোটেই গাটো জিকাঁৰ খুৱাই তুলিলে। তথাপিও, আচৰিতভাৱে তাৰ অকণো বেয়া নেলাগিল। সি যেন পৰিৱেশটো উপভোগহে কৰিছে। মনটো যেন উৎফুল্ল হৈ উঠিল। ক'লা আকাশ। হিম-শীতল বতাহ। ৰেলৰ অনুপ্ৰাসিক শব্দ। এই সকলোৰে মাজত তাৰ প্ৰতি যেন এটা নামহীন প্ৰত্যাহ্বান সোমাই আছে। ধীৰে ধীৰে তাৰ উত্তপ্ত মগজু প্ৰশান্ত হৈ আহিল। মনৰ হেৰোৱা উদ্যম ঘূৰাই পালে। দূৰত বহুত আগত দিল্লীৰ পিনে আকাশখন ক'লা। ক'লা মেঘে ঢাকি থৈছে। থাকি থাকি চিকিমিকি বিজুলীৰ সাপৰ দৰে ৰেখাই আকাশৰ বুকু ফালি চিৰাচিৰ কৰিছে। ক'ৰবাত বৰষুণ দিছে। হঠাৎ আনোৱাৰৰ অনুমান হ'ল সি আহি থকা ৰেলখন যেন জোৰেৰে এটা প্ৰচণ্ড ধুমুহাৰ বুকুফালি সোমাই পৰিছে। খিৰিকীৰে ডিঙি মেলি চাই আনোৱাৰে দেখিলে দিল্লীৰ অগণন বিজুলী-চাকিয়ে দূৰৰপৰা হাঁহি হাঁহি যেন তাক আহ্বান জনাই তিৰবিৰ কৰি উঠিছে।

এখন হালধীয়া আকাশৰ পিনে পাখী-লগা বোঁৱাত উঠি আনোৱাৰ যেন উৰি গৈ আছে। আচৰিত! অথচ এই আকাশ এই যাত্ৰা সকলো তাৰ ইমান চিনাকি-চিনাকি লাগিছে! এয়া যেন দূৰ শৈশৱৰ ফিৰা দূৰণীয়া সোণোৱালি স্মৃতিৰ ৰাজ্যতহে সি বিচৰণ কৰিছে।...হলেও সেয়া তাৰ বাবে সপোনৰ বল পোৱা আয়াস-বিহীন স্বচ্ছন্দ আকাশ-বিহাৰ নাছিল। অনেক কষ্ট অনেক বেদনা সহ্য কৰি আকাশ ৰগাৰ লগা হৈছে আনোৱাৰে। যি কোনো মুহূৰ্ত্তত ভাৰসাম্য ৰাখিব নোৱাৰি মহাশূন্যৰ মাজেদি সি খহি পৰিব পাৰে অতল তলিলৈ। হঠাৎ এপাকত বোঁৱাটো নাইকিয়া হৈ গ'ল। ত্ৰিশঙ্কুৰ দৰে সি মাজশূন্যত ওলমি ৰ'ল। ওপৰলৈ উঠি যাবলৈকো তাৰ শকতি নাই। তলৰ পৃথিৱীলৈ নামি আহিবলৈকো ভয়। চাৰিও ফালৰপৰা তাৰ পিনে সঙ্কুচিত হৈ অহা যেন লগা দিগন্ত ৰেখা উজ্জ্বল হালধীয়া। ঠিক যেন,...ঠিক যেন চাল্‌মাৰ গাত কাপ খাই পৰা চুৰেটাৰটোৰ দৰে! কথাষাৰ মনলৈ অহাৰ দৰে কোনোবাই যেন তাৰ বুকুত এখন সুতীক্ষ্ণ চুৰিহে বহুৱাই দিলে। যন্ত্ৰণা-কাতৰ দৃষ্টিৰে সি দেখিলে, নাই—আকাশ আৰু নাই। দিগন্তও আৰু কাষ চাপি অহা নাই। সকলো অন্তৰ্হিত হৈছে। তাৰ সলনি কোমল উশাল চাল্‌মাৰ বুকুৰ মাজতহে সি সোমাই আছে। ইমান ওচৰ। ইমান নিবিড়। সি একো দেখা নাই। মাত্ৰ চাল্‌মাৰ স্তনৰ ওপৰত ফিট্‌ফিটিয়াকৈ লাগি থকা তাইৰ চুৰেটাৰৰ আটল গোঁঠনিবোৰহে দেখিছে। চাল্‌মাকো সি দেখা নাই। তাইৰ বুকুৰ মাজৰ সৰু খাঁজটোত তাৰ মুখখন সোমাই আছে। তাইৰ উপস্থিতি মাত্ৰ সি অনুভৱ কৰিছে। তাইৰ কুমাৰী-দেহাৰ মিঠা আমেজ-মদিৰ গোন্ধবোৰ তাৰ নাকত লাগিছে। এয়া—এয়া তাইৰ উষ্ম নিশ্বাস আহি তাৰ কাণ তাৰ গাল চুই-চুই গৈছে। দুৰন্ত কামনাত আনোৱাৰৰ শৰীৰ ঠক্‌ঠককৈ কঁপি উঠিল। হেজাৰ মধুৰ স্মৃতি বেদনাই তাৰ মন উৰাউল কৰি তুলিলে। আৰু সি তাইৰ বুকুত মুৰ গুজি এটা ভয়াতুৰ অসহায় শিশুৰ দৰে হুক্‌হুকাই কান্দি উঠিল।...

মিঠা সপোন ভাগি গ'ল আনোৱাৰৰ। তাৰ তপত গালত ভিজা গাৰুটোৰ চেঁচা পৰশ লাগিছে। এয়া চকুপানী নে ঘাম,—নে দুয়োটাই আনোৱাৰে ঠিক ধৰিব নোৱাৰিলে। সময়ৰ ধাৰণা তাৰ হেৰাই গৈছিল। এনে লাগিল তাৰ যেন সি বহুত সপ্তাহ ধৰি এইখন বিছনাতে পৰি আছে। সকলোৰে বিশ্বাস বেলত বেছি ধৰণে চেঁচা লগা বাবে তাৰ প্ৰথমতে ইনফ্লু-

যোৱা হৈছিল। সেয়ে পিচলৈ বাড়ি টাইফয়েদলৈ বাগৰ সলালে। কিন্তু সি জানে সেয়াই একমাত্র কাৰণ নহয়। প্ৰথম কাৰণো নহয়। বিশ্ব-বিদ্যালয়ৰপৰা বহিষ্কাৰ আৰু তাৰ অব্যবহিত পিচতে পোৱা চাল্‌মাৰে বিচ্ছেদ-জনিত প্ৰচণ্ড আঘাতে তাৰ স্নায়ুমণ্ডলীৰ ওপৰত কৰা বিৰূপ প্ৰতিক্ৰিয়াৰ ফলতে তাৰ স্বাস্থ্য এনেভাৱে ভাগি পৰিছে। আনোৱাৰৰ নিজৰে ভাবি আচৰিত লাগে—আলিগড়ত থকা সেই সময়খিনি সি কেনেকৈ ইমান শান্ত.ইমান অনুত্যক্ত হৈ থাকিব পাৰিলে। তাৰ অহঙ্কাৰে তাৰ মনোবেদনাৰ কথা অনেক জানিবলৈ দিয়া দূৰৰ কথা নিজকো সেই বেদনা স্বীকাৰ কৰি লবলৈ দিয়া নাছিল। ৰেলেৰে আহোতে প্ৰচণ্ড বেগেৰে ধুমুহাৰ মাজলৈ সোমাই যোৱা কথা উপলব্ধি কৰি তাৰ বৰং মনত উল্লাসহে জাগিছিল। কিন্তু বাহিৰত ৰক্তক্ষয় প্ৰকট নোহোৱা ভিতৰি-ভিতৰি হোৱা কোনো মাৰাত্মক জখমৰ দৰে এক অদৃশ্য ধ্বংস-লীলা তাৰ মাজত বহুত আগতেই আৰম্ভ হৈ গৈছিল। ফলত ঘৰ পোৱাৰ অলপ পিচতেই প্ৰচণ্ড জ্বৰত আনোৱাৰ অজ্ঞান হৈ পৰিছিল। বিশ্ববিদ্যালয়ৰপৰা সিনো কেনেকৈ বহিষ্কৃত হবলৈ পালে তাৰ কোনো কৈফিয়তো আব্বাজানক দিবলৈ সি সময় নেপালে।

৩৩

অদ্ভুত নিলিপ্ততাৰে শান্তভাৱে আকবৰ আলিয়ে পুতেক বহিষ্কৃত হোৱা খবৰটো গ্ৰহণ কৰিলে। আনোৱাৰে জানে তাৰ আব্বাজান আজিকালি নতুনকৈ সংগঠিত হোৱা 'মুছলিম কনফাৰেন্স'ৰ লগত বিশেষভাৱে জড়িত। ইয়াৰ নেতা সেই বিখ্যাত দুৰ্বোধ্য চৰিত্ৰ আগা খান;—যি পৰ্য্যায়ক্ৰমে দেৱতা, নবী, চুড়ান্ত অভিজাত আৰু 'ইংলণ্ড'ৰ পৰম ভক্ত-বন্ধু। কংগ্ৰেছ, মহাত্মা গান্ধী আৰু অসহযোগ আন্দোলনৰ বিৰুদ্ধে দৃঢ়ভাৱে থিয় দিয়াই এই অনুষ্ঠানৰ প্ৰধানতম আদৰ্শ। অৱশ্যে আকবৰ আলিৰ দৰে এজন মানুহেৰে আগা খাৰ নিচিনা সন্দেহজনক চৰিত্ৰৰ এজন ব্যক্তিৰ নেতৃত্ব মানি লৈ সন্তুষ্ট হৈছিল এনে বুলি ক'লে ভুল হ'ব। হলেও, তেওঁৰ কথা

আছিল মুছলমান এক হব লাগে। নিজা মত নিজা আদর্শ যিয়েই নহওক সকলো মুছলমান একেলগ হৈ "হিন্দুৰ ষড়যন্ত্ৰ"ক যেনে-তেনে বাধা দিবই লাগিব। কাৰণ তেওঁলোকৰ ধাৰণা হিন্দুসকলে স্বাধীন হব খুজিছে মুছলমানক নিস্পেষণ কৰিবলৈহে। আকবৰ আলিয়ে ভাবিছিল আগা খান যদিও একান্ত ইংৰাজ-ভক্ত তথাপি তেওঁ নিজে বা আলি ভ্ৰাতৃদ্বয়ৰ দৰে সবল ইংৰাজ-বিৰোধী লোক থাকিলে মুছলিম-কনফাৰেন্সক ইংৰাজৰ হাতৰ অস্ত্ৰ বিশেষ কৰি তুলিব খোজা চেষ্টাক আগা খানক বাধা দিব পাৰিব।

তাৰ আৰু তাৰ আব্বাজানৰ মাজত থকা চিন্তাধাৰা আৰু ৰাজনৈতিক আদৰ্শৰ বিৰাট খাদটোৰ বিষয়ে আনোৱাৰ বহুত দিনৰপৰাই সচেতন আছিল। বিশ্ববিদ্যালয়ৰপৰা সি বহিষ্কৃত হোৱাৰ কাৰণটো আব্বাজানক জনোৱাৰ লগে লগে ঘৰখনত এখন কুৰুক্ষেত্ৰৰ অৱতাৰণা হ'ব বুলি সি মনে মনে সাজু হৈয়ে আছিছিল। তাৰ ভয় হৈছিল, আব্বাজানে হয়তো খঙৰ ভমকত তাক ঘৰৰপৰাই ওলাই যাবলৈ ক'ব। তাক ত্যাগ কৰি ত্যাজ্যপুত্ৰ কৰিব। সেই সময়খিনিৰ কথা ভাবি নিজলৈকে তাৰ দয়া উপজিছিল। তথাপি সি আত্মোৎসৰ্গ কৰা শ্বহীদসকলৰ দৰে সেৱা আৰু ত্যাগৰ জীবন আকোৱালি লবলৈ সাজু হৈ আছিল। কিন্তু এটা মুহূৰ্ত্তত সকলো ওলট-পালট হৈ গ'ল। এজন মানুহৰ মন কিমান উদাৰ হব পাৰে ভাবি সি অবাক হৈ গ'ল। আব্বাজানে তাক মাখোন ক'লে, "আনোৱাৰ তুমি এতিয়া ডাঙৰ হ'লা। ডেকা হ'লা। তোমাৰ সকলো কামৰ দায়িত্ব এতিয়া তুমি নিজেই ল'ব লাগিব। তুমি জানা, মোৰ ৰাজ-নীতিৰ দৃষ্টিভঙ্গী তোমাৰপৰা বেলেগ। কিন্তু মোৰবোৰেই সত্য বুলি কৈ সেইবোৰ গ্ৰহণ কৰিবলৈ মই তোমাক জোৰ নকৰোঁ। এটা কথা ভাবি কিন্তু মই অতিশয় আনন্দ পাইছো আনোৱাৰ,—নিজক ৰক্ষা কৰিবলৈ গৈ মোৰ ল'ৰাই নিজৰ অহঙ্কাৰ ক্ষুণ্ণ কৰা নাই। সেও হৈ কাৰো ওচৰত ক্ষমাভিক্ষা কৰা নাই! শ্বাব্বাচ্ বাছা।" এইবুলি আব্বাজানে তাৰ পিঠিত হাত ফুৰালে। আৰু এই অকণমান মৰমৰ পৰশেই আনোৱাৰৰ আত্মৰক্ষাৰ লৌহ-প্ৰাচীৰ ভাঙি পেলালে। তাৰ ইতিমধ্যেই ভিতৰি-ভিতৰি ক্ষত-বিক্ষত হৈ থকা মনোবলৰ শেষ প্ৰতিৰোধৰ ক্ষমতাকণো এইবাৰ ভাগি পৰিল। যদি আব্বাজানে তাক খং কৰিলেহেঁতেন, বকিলেহেঁতেন, ভয় দেখুৱাই তিৰস্কাৰ কৰিলেহেঁতেন হয়তো তাৰ মনোবল অটুটেই থাকিলহেঁতেন। হয়তো উভটি সিও নিজৰ সমৰ্থনত যুঁজ দিলেহেঁতেন। কিন্তু এই নিভাঁজ মৰম, নিস্বাৰ্থ সহানুভূতি আৰু বিৰল আত্মীয়তাৰ পৰশত তাৰ যেন সকলো শক্তি নিমিষতে নোহোৱা হৈ গ'ল। আনোৱাৰ অৱশ হৈ পৰিল। যোৱা

কেইদিনবপৰা গোট খাই থকা এখন পৃথিৱীৰ সমান দুখ-সাগৰ-বেদনাই আহি যেন তাক হেঁচা মাৰি ধৰিলেহি। মূৰটো ঘূৰাব ধৰিলে। কোনোমতে সি সেঁৎহাই-সেঁৎহাই ক'লে, "আব্বাজান, চোৱাচোন, মোৰ জ্বৰ-জ্বৰ লাগিছে।"

অতি সাৱধানেৰে আকবৰ আলিয়ে খোৱা-শোৱা এৰি নিজ হাতেৰে আনোৱাৰক পৰিচৰ্য্যা কৰি গ'ল। জুই-ছাঁই জ্বৰ। অবিৰাম প্ৰমাদ বকি থাকে। তাৰ মাজতে কেতিয়াবা এখন্তেক শাঁত হৈ আনোৱাৰে দেখে বৃদ্ধ মানুহ গৰাকীয়ে তাক চেঁচা পানীৰ পটি সলাই সলাই দি আছে; জ্বৰ জুখিছে; নিয়মমতে ঔষধ খুৱাইছে; বৰকৈ মূৰ বিষোৱা দেখিলে মূৰ পিটিকি দিছে। আৰু…আৰু দিনো পাঁচ-বক্ত নামাজৰ শেষত পুত্ৰৰ আৰোগ্যৰ বাবে আকুলভাৱে প্ৰাৰ্থনা কৰিছে। য'ৰে ব্যৱসায় ত'তে পৰি ৰ'ল। বন্ধু-বান্ধৱক লগ ধৰিবলৈকো তেওঁ সম্পূৰ্ণেই বাদ দিলে। হেকিম বেদিল মাজে মাজে আহে। মানুহ গৰাকীৰ চুলিবোৰ একেবাৰে বগা হৈ গৈছে। কঁকাল পৰিছে। তেওঁ আহি বহি লৈ কবিতা গাই, বিস্তৰ খুহতীয়া কথা কৈ আকবৰ আলিৰ মনত ৰং লগাবলৈ যত্ন কৰে। উৎসাহ যোগায়। এদিন প্ৰচণ্ড জ্বৰত অৰ্দ্ধ-চেতন হৈ থকা অৱস্থাতে সি গ'ম পালে, কাকা ৰামেশ্বৰো আহি তাৰ খবৰ কৰি গ'লহি। আজিকালি হেনো তেওঁ 'শুদ্ধি' আন্দোলনৰ এজন প্ৰধান পৃষ্ঠপোষক। হিন্দুৰ পৰা মুছলমান হোৱা দুখীয়া তল-শ্ৰেণীৰ মুছলমানক পুনৰ হিন্দু-ধৰ্ম্মলৈ ঘূৰাই অনাই এই আন্দোলনৰ প্ৰধান উদ্দেশ্য। শক্তিশালী আৰ্য্য-সমাজৰ যোগেৰে এই আন্দোলন পৰিচালনা কৰা হৈছে। গতিকে আকবৰ আলিয়ে (এওঁ নিজেও এতিয়া 'শুদ্ধি'ৰ মুছলমান সংস্কৰণ 'তবলীগ'ৰ সমৰ্থক) আজিকালি তেওঁৰ একালৰ পৰম বন্ধু আৰু ব্যৱসায়ৰ অংশীদাৰ ৰামেশ্বৰ দয়ালৰ লৈতে সকলো সংশ্ৰৱ ত্যাগ কৰিছে। কেৱল সেয়ে নহয়, মাজে মাজে অনেক কঠোৰ অপ্ৰিয় মন্তব্যও প্ৰকাশ কৰে তেওঁৰ বিপক্ষে।

কথা কব পৰা শক্তি আনোৱাৰৰ নাছিল। কোনোমতে চকুহাল মেলি চাই সি দেখিছিল কাকা ৰামেশ্বৰ আৰু আব্বাজানে নিচেই ওচৰা-উচৰিকৈ বহি আছে। এটা কোমল স্বস্তিৰ হাঁহি তাৰ ওঁঠেদি বাগৰি গৈছিল। "তাৰ মানে, ৰাজনীতিয়ে পৰস্পৰক বহুত দূৰলৈ আঁতৰাই নিলেও ভিতৰি-ভিতৰি এওঁলোক এতিয়াও অন্তৰঙ্গ বন্ধু।" ৰামেশ্বৰে কোৱা কথা তাৰ কাণত পৰিছিল, "ল'ৰাটোক ইমানকৈ ঢিলাই দিয়া ভাল হৈছে জানো, আকবৰ। আইন-অমান্য আন্দোলনত লগা বাবে কেনেবাকৈ তাক গ্ৰেপ্তাৰ কৰিলে, পিচত কি পাকত পেলাই কি কৰে কি ঠিক। কত নিৰ্দোষীক

সিইঁতে এনেই কঁাচীকে দি দিছে একেবাৰে। আকবৰ আলিয়ে লাহেকৈ হাঁহি উত্তৰ দিছিল, "সি ৰাজনীতি কৰাটো তুমিয়েই নহয় ময়ো ভাল নেপাওঁ। কিন্তু সি নিজে বিটো সত্য বুলি ভাবে, তাৰ কৰ্ত্তব্য বুলি ভাবে, সেই সত্য বা কৰ্ত্তব্যৰ কাৰণে কেতিয়াবা যদি সি প্ৰাণো বিসৰ্জ্জন দিয়ে তেতিয়া হ'লেওতো বেজাৰ কৰাৰ কোনো কাৰণ নাই। বৰং তেনে দিন কেতিয়াবা আহিলে সেয়া আমাৰ কাৰণে অতি গৰ্ব্বৰ দিন অতি মহৎ দিনেই হ'ব।" আমাৰ কাৰণে? আব্বাজানে নিজৰ লগত এই মানুহজনক সাঙুৰি কথা কৈছে কিয়! ৰামেশ্বৰ দয়াল দুৰ্ব্বল মানুহ। বিদেশী কাপোৰৰ ব্যৱসায় কৰে। কংগ্ৰেছ স্বেচ্ছাসেৱকে অতি সোনকালেই তেওঁৰ দোকানৰ আগত পিকেটিং আৰম্ভ কৰিব। আনোৱাৰৰ মনত এটা অস্পষ্ট প্ৰশ্নই কুণ্ডলী পকাই উঠিল। কিন্তু পিচ মুহূৰ্ত্ততে আব্বাজানৰ মুখৰ এষাৰ কথাত সেই প্ৰশ্ন কেনিবা উৰি গ'ল। "নাই ৰামেশ্বৰ; আনোৱাৰক মই কেতিয়াও বাধা নিদিওঁ। দিয়া উচিত নহয়। সি গান্ধীৰ দলত ভৰ্ত্তি হ'লেও নিদিওঁ। মোৰ মাত্ৰ তাৰ স্বাস্থ্যলৈহে চিন্তা হৈছে।"

আনোৱাৰৰ শৰীৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে এক অনামী উত্তেজনাৰ সোঁত বিয়পি গ'ল। সি থাৰি উঠিল। হঠাৎ তাৰ ধাৰণা হ'ল তাৰ যেন শৰীৰৰ ৰোগৰ সকলো যন্ত্ৰণা পাতলি আহিছে। ভাল লাগিছে।··· এক ঐন্দ্ৰজালিক মন্ত্ৰ প্ৰভাৱত তাৰ যেন জীয়াই থকাৰ বাসনা হঠাৎ প্ৰবল হৈ উঠিল। বাৰে বাৰে সি নিজকে কবলৈ ধৰিলে: মই মৰিব নোৱাৰো। মই ভাল হৈ উঠিবই লাগিব। ভাল হবই লাগিব। হবই লাগিব!!!

আৰু লাহে লাহে আনোৱাৰ ভাল হৈ উঠিল। জ্বৰ একেবাৰে এৰিল। দুৰ্ব্বল ঠৰক-বৰক ভৰিৰে অ'ত ধৰি ত'ত ধৰি লৰিব-চৰিব পৰা হ'ল। সি ভাবিলে স্থানীয় কংগ্ৰেছত সত্যাগ্ৰহী-স্বেচ্ছাসেৱক হিচাপে নাম ভৰ্ত্তি কৰাৰ আগতে কথাটো আব্বাজানক জনাই লোৱা তাৰ উচিত হ'ব। হেজাৰ হওক তাৰ আব্বাজান আব্বাজানেই। কথাষাৰ শুনি আকবৰ আলি এখন্তেক তলকা মাৰি মনে মনে থাকি কিবা ভাবিলে। তাৰ পিচত ক'লে, "তোমাৰ ইচ্ছাত মোৰ কবলৈ একো নাই। কিন্তু এনে কৰিলে তুমি যদি জেললৈ যাব লগা হয়? তাৰ আগতে একেবাৰে ভাল হৈ সুস্থ-সবল হৈ লোৱা উচিত হ'ব নেকি? মই কওঁ নাম ভৰ্ত্তি কৰাৰ আগতে তুমি এবাৰ ডাক্তৰ চাহেবক লগ ধৰি তেওঁৰ লগত পৰামৰ্শ কৰা।" ডাক্তৰ চাহেব মানে ডাক্তৰ আনচাৰি। আকবৰ আলিয়ে অৰ্থপূৰ্ণ হাঁহি এটা মাৰি কৈ গ'ল, "তেওঁক লগ ধৰাত তোমাৰ নিশ্চয় কোনো আপত্তি থাকিব নোৱাৰে। তেওঁ তোমাৰ শাৰীৰিক আৰু ৰাজনৈতিক দুয়ো অসুখৰ বাবে ঔষধৰ

ব্যৱস্থা কৰিব পাৰিব।"

পিতা-পুত্ৰ দুয়ো মন খুলি হাঁহিলে। তাৰ পিচত আনোৱাৰ এখন টাঙ্গাত উঠি ডৰিয়াগঞ্জৰ ডাক্তৰ আনচাৰিৰ নতুন বঙলা-ঘৰলৈ বুলি ওলাই গ'ল। ঘৰটো যমুনা নদীৰ পাৰত; পুৰণি নগৰ-বেৰাৰ কাষতে। ঘৰটো দেখিয়েই আনোৱাৰৰ ভাল লাগিল। বেচ আহল-বহল; ডাঙৰ। বাৰাণ্ডা-বোৰো বহল-বহল; চকচকীয়াকৈ ৰং কৰা; চকুত লগাকৈ সুন্দৰ ৰঙীন উপলখণ্ড খটোৱা। কালহী আৰু বোগীৰ বাবে ভাগে ভাগে সুন্দৰ বেতৰ আৰামী-চকী ৰখা হৈছে। আলহী আৰু ৰোগী ডাক্তৰ আনচাৰিৰ ঘৰবপৰা নুগুছেই। এতিয়াও আছে। ডাক্তৰ আনচাৰি যেনেকৈ এজন নামজলা ডাক্তৰ তেনেকৈয়ে এজন স্বনামখ্যাত দেশনেতাও। আনোৱাৰে ব্যক্তিগত-ভাৱে ডাক্তৰ আনচাৰিৰ জীৱন-কাহিনী গভীৰভাৱে জানিবলৈ প্ৰথমৰে পৰাই যত্ন কৰি আহিছিল। দুবছৰৰ আগতে মাদ্ৰাজ কংগ্ৰেছৰ সভাপতিৰ আসনৰপৰা তেওঁ হিন্দু-মুছলিম ঐক্যৰ বাবে জনোৱা উদ্দাত্ত আহ্বানে আনোৱাৰক অভিভূত কৰি তুলিছিল। এই দেশপ্ৰেমীক-ডাক্তৰজনৰ লগত চিনাকিতো তাৰ আছিলেই। কিন্তু এই সম্বন্ধকে নতুনকৈ গাঢ়ৰূপে গঢ়ি তোলাৰ আশা সি মনে মনে পোষণ কৰিছিল।

কেৱল ৰোগীৰ দেখুৱাবলৈকে অহা খীণ শেঁতা বেমাৰীবোৰৰ উপৰিও বাৰাণ্ডাত বহি আছে ভালে কেগৰাকী ডাঢ়িয়া মৌলানা আৰু খদ্দৰ পৰিহিত কংগ্ৰেছ কৰ্ম্মী। মৌলানা কেজন বোধহয় কংগ্ৰেছৰ সমৰ্থক ইংৰাজ-বিৰোধী গোড়া মুচলিমৰ অনুষ্ঠান জমিয়ত-উল-উলেমাৰ সভ্য। কিন্তু তাৰ মাজতে এজন সাগৰ-নীলা চকুৰ ইংৰাজ ডেকাকো বহি থকা দেখি আনোৱাৰ আচৰিত হৈ গ'ল। এই ডেকা নিশ্চয় উপৰোক্ত দুয়ো দলৰে অন্তৰ্ভুক্ত হ'ব নোৱাৰে। অৱশ্যে ডেকাৰ গাত সৰ্ব্বসাধাৰণ ইংৰাজ ভদ্ৰলোকৰ সাজ-পাৰ নাই। তেওঁ খদ্দৰৰ হাত-কটা কামিজ আৰু হাফপেণ্ট পিন্ধিছে। কামিজৰ ওপৰত এটা নীলা খদ্দৰৰে স্পোৰ্টচ্ জেকেট। মোজা নাই। ভৰিত এযোৰ পেশুৱাৰী চেণ্ডেল। আৰু আচৰিতভকৈয়ো আচৰিত কথা ডেকাৰ মূৰত এটা বগা গান্ধী টুপি। সোণবৰণীয়া ৰেশমৰ দৰে পাহ-কটা চুলিৰ ওপৰত একতীয়াকৈ বহুওৱা আছে। কোনো 'পক্কা' চাহেবেই এনেকুৱা দেশী কাপোৰৰ আৰু বিশেষকৈ এনেকৈ সৰ্ব্বজন-বিদীত ৰাজদ্ৰোহীৰ সাজ-পোছাক নিপিন্ধে। এওঁ বাৰু ইয়ালৈ কিয় আহিব পাৰে?

অনতিপলৰেই অৱশ্যে আনোৱাৰৰ মনৰ সকলো উৎকণ্ঠিত সমস্যাৰ সমাধান হৈ গ'ল। যেজতে সিদিনাৰ সংখ্যা 'হিন্দুস্থান টাইমচ'খন পৰি

আছিল। তুলি লৈ চকু ফুৰায়েই আনোৱাৰে দেখিলে প্ৰথম পৃষ্ঠাতে বৰ বৰ হৰফেৰে বাতৰি ওলাইছে: "মহাত্মাৰ ভাইচ্‌ৰয়লৈ চিঠি। 'সুসংগঠিত হিংস্ৰ ইংৰাজ শক্তিৰ শাসন'ৰ বিৰুদ্ধে অহিংস আইন-অমান্য আন্দোলন—সত্যাগ্ৰহ আঁচনিৰ কাৰ্য্যাৰম্ভ—যুৱক ইংৰাজ শিষ্যৰ যোগে ঐতিহাসিক 'শেষ-সিদ্ধান্ত' প্ৰেৰণ।"

মহাত্মাৰ চিঠিৰ সম্পূৰ্ণ পাঠ ছপা কৰা হৈছে। তাৰ কাষতে ডাক্তৰ আনচাৰিৰ বাৰাণ্ডাত বহি থকা এই নীলা-চকুৰ ডেকাৰ এখন ছবি। তলত টোকাত লেখা হৈছে: "ইংৰাজ কুৱেকাৰ মি: ৰেজিনাল্ড্‌ ৰে'নল্ডচ্‌ সবৰমতী আশ্ৰমৰ বাসিন্দা। এওঁ নিজ হাতে মহাত্মা গান্ধীৰ ঐতিহাসিক পত্ৰ লৰ্ড আৰউইনৰ হাতত অৰ্পণ কৰে।"

আনোৱাৰে আকৌ এবাৰ ডেকাৰ পিনে চালে। ৰেজিনাল্ড্‌ ৰে'নল্ডচ্‌ৰ উজ্জ্বল নীলা-চকুত এক অদ্ভুত কোমলতাৰ আৰ্দ্ৰ-আভাস। এই কোমলতা কোনোমতেই ইংৰাজ-সুলভ হ'ব নোৱাৰে! হয়তো ভাৰতীয় আদৰ্শৰ জ্যোতিয়ে ডেকাৰ দৃষ্টিক সস্নেহ মহিমা দিছে; আধ্যাত্মিক অভিব্যক্তি দান কৰিছে! এইজন ইংৰাজ ডেকাৰ লগত এবাৰ কথা পতাৰ লোভ আনোৱাৰে কোনো পধ্যেই দমন কৰিব নোৱাৰিলে।

"মিষ্টাৰ ৰে'নল্ডচ্‌!" ডেকাৰ কাষৰ চকী এখনত বহি পৰি আনোৱাৰে মাতিলে।

"কি কয়?" ডেকাৰ মাতটোও সুকোমল। বিনয়ী। তথাকথিত "বৰা"-চাহেবৰ কৰ্কশ মই বৰ ভাব অকণমানো নাই।

"কথা এষাৰ কওঁ, বেয়া নেপাব। আপোনাৰ দৰে এজন নিৰ্ভাঁজ ইংৰাজ ডেকাৰ পক্ষে এনেকৈ নিজৰ মানুহৰ বিপক্ষে গৈ আমাক সমৰ্থন কৰা কথাটো আচৰিত নহয় নে? আপুনি এনে কৰিছে কিয় বাৰু?"

ডেকাই আনোৱাৰৰ চকুৰে চকুৰে চালে। আনোৱাৰতকৈ তেওঁ বয়সত বৰ বেছি তিনি-চাৰি বছৰে ডাঙৰ হব পাৰে। "ঠিক কৈছে, বন্ধু—সঁচাই আচৰিত। আৰু সেই কাৰণেই ই অতি আৱশ্যকীয়ও। চাওক, আমি গোটেই ইংৰাজ জাতিৰ নামত আমাৰ চৰকাৰে যি পাপ কৰিছে তাৰ বাবে আমাৰেই এদল মানুহে অন্ততঃ যদি প্ৰায়শ্চিত্ত নকৰো তেন্তে কোনে কৰিব।"

ডাক্তৰ আনচাৰিৰ সহকাৰী এজন ওলাই আহি আনোৱাৰক ভিতৰলৈ মাতিলে। ইংৰাজ ডেকাৰপৰা বিদায় লৈ আনোৱাৰে ক'লে, "মোৰ নাম আনোৱাৰ আলি। আপোনাক লগ পাই নথৈ সুখী হৈছো। জানে মিষ্টাৰ ৰে'নল্ডচ্‌, এই প্ৰথম মই ইংৰাজ লোকেৰে সৈতে কৰমৰ্দ্দন কৰিছো।"

কৰমৰ্দন কৰি কৰি শেষৰ কথাষাৰ কৈ উঠিয়েই তাৰ মনত পৰিল বিশ্ব-বিদ্যালয়ৰ ইংৰাজ অধ্যাপকসকলৰ কথা। আৰু নবালবিকৈ সি কৈ উঠিল, "অৱশ্যে,—বন্ধু ভাৱেৰে। মৰমেৰে!" অসন্তুৰ খুনীয়াকৈ হাঁহিলে বেন'ল্ডচে: "আৰু, মই আশা কৰো, এয়াই যেন শেষ নহয়!"

ডাক্তৰ আনচাৰিৰ কোঠাত সোমাবলৈ লৈয়ে আকৌ এবাৰ আচৰিত হ'ল আনোৱাৰ। একেটা পুৱাবে দ্বিতীয় আশ্চৰ্য্য। ভেঁটা ভেঁটি হৈ বৈ থকা নগা হ'ল আনোৱাৰ কোঠাৰপৰা ওলাই অহা মিৰাটত সি লগ পোৱা আমেৰিকাৰ সাংবাদিক ৰবাৰ্ট মিল্‌চৰ লগত।

"উৱা, আপুনি!" মিল্‌চে তেওঁৰ অনুনাসিক স্বৰেৰে সম্ভাষণ জনাই ক'লে, "যাওক। সোমাই যাওক। ডাক্তৰ আছে। অতি মহান লোক তেওঁ।"

বেনাৰী চোৱাৰ ডাক্তৰ আনচাৰিৰ নিজস্ব বৈশিষ্ট্য আছে। আনো-ৱাৰকো তেওঁ খুটি-নাটি মাৰি পৰীক্ষা কৰিলে। পৰীক্ষা কৰি থাকোঁতেই তেওঁ আনোৱাৰক তাৰ স্বাস্থ্যৰ উপৰিও আব্বাজানৰ কথা, ৰাজনীতিৰ কথা, বিশ্ববিদ্যালয়ে তাক বহিষ্কাৰ কৰাৰ কথা আৰু গান্ধীজীৰ চিঠি আৰু আইন-অমান্য আন্দোলনৰ প্ৰতি তাৰ মনোভাৱৰ কথা,—ইত্যাদি নানান কথা সুধিলে; আলোচনা কৰিলে। ষ্টেথ'স্কোপেৰে তাৰ বুকুখন পৰীক্ষা কৰি উঠাৰ পিচত তেওঁৰ কপালৰ গাঁঠি হঠাৎ থুপ খাই উঠিল। "উঁহু! এই শব্দটোৰে মোৰ বুঠেই ভাল লগা নাই।" এইবুলি তেওঁ আনোৱাৰক তাৰ হাওঁফাওঁৰ যত্ন লবলৈ ক'লে। কিন্তু আনোৱাৰক অলপ চিন্তিত হৈ পৰা যেন দেখি হাঁহি মাৰি ক'লে, "নাই নাই। ভয়ৰ কাৰণ একো নাই। তথাপি, ইমানদিন টাইফয়েডত ভোগাৰ পিচত মানুহ এনেও সাৱধান হোৱা উচিত। মই তোমাক এটা টনিক দিম। কিন্তু ঔষধতকৈ আৱশ্যকীয়

কথা হ'ল এতিয়া তুমি যথেষ্ট পৰিমাণে জিৰণি লব লাগিব। যিমান পাৰা মুকলি বতাহ সেৱন কৰিবা। ফলমূল বেছিকৈ খাবা…"

আনোৱাৰে এইখিনিতে মাত লগালে, "কিন্তু ডাক্তৰ চাহেব, মই সত্যাগ্ৰহ কৰিম বুলি স্বেচ্ছাসেৱক দলত নাম ভৰ্ত্তি কৰিছো। জেলত মই ফলমূল আৰু মুকলি বতাহ কেনেকৈ পাম?"

"নোপোৱা। আৰু সেই কাৰণেই জেললৈ যাব লগা হ'ব পৰা যি কোনো কামেই বৰ্ত্তমান তোমাৰ বাবে নিষিদ্ধ। আমি তোমাক স্বেচ্ছাসেৱক ৰূপেই গ্ৰহণ নকৰোঁ। নহ'লে অন্ততঃ আৰু ছমাহৰ কাৰণে কাৰাগাৰৰ সপোন তুমি পাহৰি যোৱা।"

এই কথা শুনি ভৱিষ্যত-শ্বহীদৰ সপোন দেখা আনোৱাৰৰ মন সেমেকি উঠিল। "এই আদেশ আপুনি এজন ডাক্তৰ হিচাপে দিছে নে এজন কংগ্ৰেছ নেতা হিচাপে দিছে?"

"দুয়ো।" তৎক্ষণাত উত্তৰ দিলে ডাক্তৰ আনচাৰিয়ে। আনোৱাৰৰ তাৰ আব্বাজানে কোৱা কথা মনত পৰি গ'ল। অতিমাত্ৰাই হতাশ হৈ পৰা সত্বেও সি নেহাঁহি নোৱাৰিলে।

"হাঁহিছা যে? কি ৰস পালা?" ডাক্তৰে তাৰ চকুলৈ চালে।

আনোৱাৰে ক'লে, কেনেকৈ তাৰ আব্বাজানে ডাক্তৰ আনচাৰিয়ে শাৰীৰীক আৰু ৰাজনৈতিক বেমাৰৰ ঔষধ দিয়াৰ কথা কৈছিল। কথা-ষাৰ শুনি ডাক্তৰেও চেক্ চেক্‌কৈ হাঁহিবলৈ ধৰিলে। আনোৱাৰেও হাঁহিলে। কিন্তু ভিতৰি-ভিতৰি তাৰ মনটো একেবাৰেই মৰহি গ'ল। যি সময়ত প্ৰত্যেকজন দেশপ্ৰেমিকে প্ৰাণ আগ কৰি দি এজন এজনকৈ কাৰাগাৰলৈ আগবাঢ়ি যাব ধৰিছে সেই সময়ত সি একো নকৰাকৈ কেনেকৈ হাত-সাবটি বহি থাকিব। যাবলৈ উঠি দুখ মনেৰে সি ক'লে, "আপোনাৰ কথা মই পেলাব নোৱাৰোঁ, ডাক্তৰ চাহেব। কিন্তু আগন্তুক মহান সংগ্ৰামত একো অংশই গ্ৰহণ কৰিবলৈ নেপালে মই মনত বৰ দুখ পাম। আপুনি জানেই, মই এই কাৰণেই বিশ্ববিদ্যালয়ো ত্যাগ কৰিলো।" সি নক'লে। কব নোৱাৰিলে। কিন্তু সি জানে, বিশ্ববিদ্যালয় সামান্য এই কাৰণে তাৰ প্ৰাণপ্ৰিয়া চালুনাৰে বিচ্ছেদ ঘটিল। তিল তিল কৰি গঢ়ি তোলা তাৰ প্ৰেমৰ মধুৰ সপোন চুৰমাৰ হৈ গ'ল।

"চিন্তা নকৰিবা, আনোৱাৰ।" ডাক্তৰ দয়ালু সহানুভূতিশীল মানুহ। আনোৱাৰৰ মনৰ বেদনা বুজি, তাৰ গাত হাত ফুৰাই ক'লে, "মই তোমাক মাত্ৰ কেইমাহ মানলৈহে এইবোৰৰপৰা আঁতৰি থাকিবলৈ কৈছো। তোমাৰ স্বাস্থ্য ঘূৰি আহক। যি ইচ্ছা কৰিবা। তদুপৰি এটা কথা।

কেৱল জেললৈ গলেই যে দেশসেৱা কৰা হয় ভাবতো কোনো মানে নাই। সেইটো এটা ভুল ধাৰণা।"

ব্যগ্ৰ হৈ আনোৱাৰে সুধিলে, "মই তেন্তে অন্য কিবা কাম কৰি দিব পাৰিম নেকি ? মই কি কৰি দিব পাৰো, অনুগ্ৰহ কৰি মোক কওক ডাক্তৰ চাহেব।"

"অনেক কাম আছে, বাছা।" আনোৱাৰৰ ঐকান্তিক ব্যগ্ৰতা দেখি ডাক্তৰে মৰমেৰে ক'লে। তাৰ পিচত মেজৰপৰা কিবা এটুকুৰা কাগজ লৈ চাই চাই খন্তেক ভাবি ৰ'ল। কাগজখনৰপৰাই কিবা সন্ধান পোৱাৰ দৰে তাৰ পিচত উৎসাহেৰে কৈ উঠিল, "ঠিক কথা। বাৰু তোমাক যদি ৰবাৰ্ট মিল্‌চৰ লগত গোটেই ভাৰতবৰ্ষ ভ্ৰমণ কৰি তেওঁৰ দোভাষীৰূপে কাম কৰিবলৈ দিয়া হয় তুমি পাৰিবানে ? কেনে পাৰা ?"

ভ্ৰমণৰ প্ৰতি আনোৱাৰৰ সৰুৰেপৰা দুৰ্ব্বলতা আছে। যি কোনো ধৰণৰ ভ্ৰমণ কৰিবলৈ পালে সি পিচ নোহঁহকে। তদুপৰি মিল্‌চক বিশেষ ভালকৈ নেজানিলেও যি অলপ জানে তাৰপৰা মানুহজন বেচ অমায়িক ভদ্ৰ আৰু বন্ধুভাবাপন্ন বুলিয়েই তাৰ বিশ্বাস। মিল্‌চৰ লগত থাকিলে সি সাংবাদিকতাও শিকিব পাৰিব। এনেকৈ আপত্তিৰ কোনো কাৰণ নাই। কিন্তু এই আকৌ কেনেকৈ দেশ-সেৱাৰ কামৰ পৰ্য্যায়ত পৰিব পাৰে ?

ডাক্তৰ আনচাৰিয়ে ধৈৰ্য্য ধৰি লাহে লাহে তাক সকলো কথা বুজাই ক'লে। অতি সোনকালেই মহাত্মা গান্ধীয়ে ভাৰত স্বাধীনতাৰ চুড়ান্ত সংগ্ৰাম আৰম্ভ কৰিব। গতিকে এই সংগ্ৰামৰ প্ৰকৃত স্বৰূপ সমগ্ৰ বিশ্বই বুজি পোৱাটো বিশেষ আৱশ্যকীয় কথা। কোনেও যাতে ভাৰতৰ মহান সংগ্ৰামক ভুল বুজি বেয়া চকুৰে নেচায়। স্বাৰ্থান্ধ ইংলণ্ডৰ বাতৰি-কাকত সমূহে স্বভাৱিক ভাবেই এই সংগ্ৰামৰ বৈশিষ্ট্যক আওহেলা কৰিবলৈ বা সৰু কৰি দেখুৱাবলৈ যত্ন কৰিব। আমেৰিকা মহাদেশ নিৰপেক্ষ। তেওঁ-লোকক সত্য কথা ভাল ধৰণে বুজাব পাৰিলে তেওঁলোকৰ বন্ধুত্ব ভাৰতবৰ্ষই লাভ কৰিব পাৰিব। এনে স্থলত ৰবাৰ্ট মিল্‌চৰ দৰে এজন বিখ্যাত নিস্বাৰ্থ আৰু উদাৰ সংবাদদাতাক সহায় কৰি দিয়াটো বিশেষ আৱশ্যকীয় আৰু দেশ-সেৱাৰে কথা। তেওঁ ভাৰতলৈ আহিছে যাইকৈ এই আইন-অমান্য আন্দোলনৰ স্বৰূপ নিৰিক্ষণ কৰিবলৈকে। তেওঁ যাতে আন্দোলনৰ প্ৰত্যেকটো স্তৰ সুন্দৰকৈ দেখি বুজি নিৰ্ভুল ভাবে বিশ্বৰ আগত সংবাদ পৰিবেশন কৰিব পাৰে তাৰ বাবে লক্ষ্য ৰখা বাঞ্চনীয়। "বুধিমন্ত দেশপ্ৰেমী এজন ডেকাই ৰবাৰ্ট মিল্‌চৰ দোভাষী হৈয়েই নিজৰ দেশৰ বাবে

হয়তো কাম কৰি দিব পাৰে। তুমি ভাৰতবৰ্ষৰ প্ৰাণৰ খবৰ, ভাৰতীয়ৰ আশা-আকাঙ্ক্ষা মৰ্ম্মবেদনাৰ কথা আমেৰিকাৰ কোটি কোটি জনতাক বুজাই দিবা। জনাই দিবা। ইতিহাস আৰু পৰম্পৰতাই এই এটা মহান জাতিক স্বভাৱতে আমাৰ প্ৰতি সহানুভূতিশীল কৰি ৰাখিছে। আমি পাহৰি গ'লে নচলিব, মহাত্মাই এই আন্দোলনৰে মাথোন এমুঠি ইংৰাজ শাসকক ব্যতি-ব্যস্ত কৰি তুলি ভাৰতৰ পৰা খেদি পঠিয়াৰ খোজা নাই। ইয়াৰে তেওঁতে সমগ্ৰ বিশ্বৰ বিবেকক জোকাৰি সাৰ পোৱাই তুলিব বিচাৰিছে।"

আনোৱাৰক সন্মত কৰাবলৈ ইয়াৰ বেছি আৰু একো কোৱাৰ আৱশ্যক নাছিল। ডাক্তৰৰ "হুকুম" পালন কৰিবলৈ সি প্ৰতিশ্ৰুতি দিলে যাবলৈ ওলাই সি ক'লে, "খোদা হাফিজ, ডাক্তৰ চাহেব। মোৰ শক্তিৰে মই যি পাৰো কৰিম। আপোনাক আৰু মিলচক মই নিৰাশ নকৰো।"

আনোৱাৰ ওলাই গ'ল। ডাক্তৰ আনচাৰিয়ে তেওঁৰ সহকাৰীজনক চিচিল হোটেললৈ পঠিয়াই দি মিলচলৈ এটা খবৰ দিলে যে তেওঁৰ বাবে এজন ভাল দোভাষী বন্দোবস্ত কৰা হৈছে। এনে সময়তে মেজৰ টেলি-ফোনটো বাজি উঠিল।

"হেল্লো···হয় মই আনচাৰি···কোন? অ' আকবৰ চাহেব···হয়, সকলো ঠিক ঠিক মতে কৰি দিছো। পৰীক্ষা কৰিলো। মুকলি বতাহ আৰু জিৰণি···নাই চিন্তা নকৰিবা···অন্তত: দিনচেৰেকলৈ জেললৈ যাব নেলাগে। মই তাক বেলেগ ব্যৱস্থা-পত্ৰ দিছো।···

কেইবামাহো আনোৱাৰে আমেৰিকান গৰাকীৰ লগত দেশ-ভ্ৰমণ কৰিলে। দেখাত এজন হলেও প্ৰকৃততে দুজন'আমেৰিকানৰ সাহচৰ্য্য সি লাভ কৰিলে। এজন বত্তা-মুখীয়া একনিষ্ঠ সংবাদ-চিকাৰী ৰবাৰ্ট মিলচ। বিশ্বৰ নানান যুদ্ধ, গৃহ-যুদ্ধ, বিপ্লৱ আদিৰ খবৰ সংগ্ৰহ আৰু সৰবৰাহ কৰি তেওঁ জীৱনৰ সুদীৰ্ঘ পঁচিশ বছৰ কাল অতিবাহিত কৰিছে। এইবাৰ তেওঁ ভাৰতবৰ্ষলৈ

আহিছে এক অভিনৱ যুদ্ধ এক নতুন ধৰণৰ বিপ্লৱৰ খবৰ বিচাৰি। মিলচৰ যশতে আন যি জন আমেৰিকানক চিনি পোৱাৰ সৌভাগ্য হ'ল আনোৱাৰৰ তেওঁৰ কোনো থকা ঠাই নাই। তেওঁ যেন এটা অশৰীৰী আত্মা, এটা বিচৰণশীল স্মৃতিমগ্নতা। তথাপিও তেওঁ সদায় আনোৱাৰহঁতৰ লগতে আছিল। দিল্লী, আহমদাবাদ, ৰাজপুতনাৰ উষৰ মৰুভূমি সকলোলৈকে তেওঁ গৈছিল। অতি মৰমীয়াল, অতি জ্ঞানী, প্ৰাজ্ঞ এই বৃদ্ধ সত্ত্বাৰ লগত আনোৱাৰ নিচেই চিনাকি হৈ পৰিছিল। মুখত তেওঁৰ বৈ পৰা সুন্দৰ ডাড়ি। মূৰত এটা আওপুৰণি উৰ'লা হেট। সোলোক-ঢোলোক পোছাক। হাতত এডাল লাখুটি। অবিৰাম মানুহৰ প্ৰাণৰ গীত গাই গাই তেওঁ ঘূৰি ফুৰিছিল। ঈশ্বৰ-অনুৰক্ত ভক্তৰ প্ৰাৰ্থনা সঙ্গীতৰ যি আবেগ অনুৰূপ বিহ্বল-আবেগ প্ৰকাশ পাইছিল তেওঁৰ গীতৰ সুৰে-সুৰে। আব্ৰাহাম লিঙ্কনৰ সমসাময়িক কবি ৱাল্ট্ হুইট্‌মেনৰ নাম ইয়াৰ আগতে আনোৱাৰে শুনাই নাছিল। সিহঁতৰ নিম্ন-স্নাতক শ্ৰেণীৰ ইংৰাজী পাঠ্যক্ৰমত কোনো আমেৰিকান কবিৰ ৰচনা অন্তৰ্ভুক্ত কৰা হোৱা নাছিল। আৰু অন্য ধৰণে আন কাৰো মুখতো সি কেতিয়াও শুনা নাছিল। তাৰ সন্দেহ হয়, সিহঁতৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক সকলেও কিজানি হুইট্‌মেনৰ নাম শুনা নাই। আৰু শুনিছে যদিও, তেওঁলোকে কেতিয়াও এই বিপ্লৱী কবিতাত ভাল চকুৰে চাই প্ৰকৃত সম্মান যাচিব পৰা নাই। নোৱাৰাই স্বভাৱিক। কাৰণ এইজন কবিয়ে তেওঁৰ কাৰ্য্যত মানুহৰ জীৱনৰ আৰু সাহিত্যৰ সকলো ধৰাবন্ধা ৰীতি-নীতি ভাঙি পেলাই সৰ্ব্বমানৱীয় ভ্ৰাতৃত্বৰ আইন বিহগিত যশগান কৰিছে।

দূৰ-ভ্ৰমণৰ বাবে মিলচ এজন অতি আদৰ্শ সঙ্গী। তেওঁৰ জ্ঞান আৰু অভিজ্ঞতাৰ ভঁৰাল আছিল অক্ষয়-অব্যয়। সপ্ত সমুদ্ৰ দহ দিগন্তৰ মণি-মুকুতা আহৰণ কৰি সেই ভঁৰাল তেওঁ চহকী কৰিছে। বিস্তৰ পঢ়াশুনাও কৰিছে মানুহ গৰাকীয়ে। বিশ্বৰ অনেক ঐতিহাসিক ঘটনাৰ তেওঁ প্ৰত্যক্ষ সাক্ষী। বিপ্লৱৰ অব্যৱহিত পিচৰ কালছোৱা তেওঁ ৰুছ দেশত থাকি আহিছে। বলশ্বেভিকসকলৰ সাম্যবাদৰ প্ৰতি তেওঁৰ অনুৰাগ প্ৰবল। কিন্তু নিজে গোড়া 'কুৱেকাৰ' (খৃষ্টীয় ধৰ্ম্মৰ শাখা-বিশেষ) হোৱা বাবে সিহঁতৰ নাস্তিক মনোভাৱ আৰু হিংসাত্মক কাৰ্য্যকলাপক কোনোমতেই সমৰ্থন কৰিব নোৱাৰিছিল। আৰু সেইবাবেই গান্ধীবাদে তেওঁক ইমানকৈ আকৃষ্ট কৰিছে। "তোমালোকে ভাৰতবৰ্ষতহে মোৰ বোধেৰে লেনবনি পৱিত্ৰ আদৰ্শক যথাৰ্থ ৰূপত সফল কৰি তুলিব পাৰিবা।" তেওঁ প্ৰায়ে আনোৱাৰক কৈছিল, "অহিংসাৰ মাজেদিয়ে যদি তোমালোকে

বিপ্লৱ সম্ভৱ কৰি তুলিব পাৰা তেন্তে ই অভূতপূৰ্ব্ব ঘটনা হ'ব। আৰু সেয়ে হলে যীশুখৃষ্টৰ পৰা আৰম্ভ কৰি পিচৰ সকলো বিপ্লৱী তথা উদ্ধাৰ-কৰ্ত্তাৰ সপোন ইয়াতে সফল হৈ উঠিব। "যীশুখৃষ্টৰ কথা ওলালেই মিলচ উচ্ছ্বসিত হৈ উঠে। অনৰ্গল তেওঁ কৈ যাবলৈ ধৰে"....জানা, গীৰ্জ্জাৰ ৰঙীণ কাঁচৰ ফাঁকেদি তুলি যি গৰাকী চিক্কণ পোছাক পিন্ধা বুৰ্জ্জোৱা সাধুপুৰুষৰ প্ৰতিকৃতি দেখা সেইজন প্ৰকৃত মুক্তিৰ বাৰ্ত্তাবাহক যীশুখৃষ্ট নহয়। প্ৰকৃত যীশু হ'ল এজন গাৰঁলীয়া কৰ্ম্মঠ কাঠমিস্ত্ৰী মানুহ যি লেনিনে ৰুছদেশৰ পৰা পুঁজিপতি দলক খেদি পঠোৱাৰ দৰে ধৰ্ম্ম-মন্দিৰৰ পৰা ধন-লোভী ধৰ্ম্ম-ব্যৱসায়ী দলক বাহিৰ কৈ খেদি পঠিয়ালে।" কিন্তু যীশুৰ সেই বিপ্লৱী শিক্ষা আজি বিকৃত হৈ গৈছে। তাত অনেক কেৰোণ সোমাইছে। সূক্ষ্মদৰ্শী ৰবাৰ্টচে গান্ধীবাদৰ উৎস বিচাৰি বুদ্ধৰ পৰা যীশু-খৃষ্টলৈকে সকলোৰে আদৰ্শ ফঁহিয়াই ফঁহিয়াই চাব। "কিন্তু তুমি ঠিক জানিবা আনোৱাৰ, আমাৰ আমেৰিকানবোৰবো গান্ধীৰ এই আদৰ্শৰ জন্ম দিয়াত নিচেই অৱদান নোহোৱা নহয়।" গান্ধী শব্দটো মিলচৰ মুখত নুকুটে; "গাণ্ডী" বুলি কয়। শুনিলে কিন্তু খং নুঠে। সম্ভ্ৰমেৰে কয়। "গান্ধীয়ে নিজেই এমাৰ্চন আৰু টলষ্টয়ৰ ওচৰত তেওঁৰ ঋণ স্বীকাৰ কৰিছে।"

কথা ক'বলৈ পালে মিলচে খোৱা-শোৱা পাহৰে। সকলোতকৈ তেওঁ যেচি ভাল পাইছিল আনোৱাৰক হুইটমেনৰ কবিতা আবৃত্তি কৰি শুনোৱাবলৈ তেওঁৰ হাতত সদায় দুখন গ্ৰন্থ থাকেই। এখন বাইবেল। আৰু আনখন ৱাল্ট হুইটমেনৰ কবিতাৰ প্ৰকাণ্ড সংকলন "লীভচ অব গ্ৰাচ"। প্ৰায়বোৰ কবিতাই মিলচৰ কণ্ঠস্থ। কবো বুলিলেই আবৃত্তি কৰি আনোৱাৰক শুনোৱাব পাৰে। হুইটমেনৰ সৰহভাগ কবিতাই মুক্তক ছন্দত ৰচিত। এই ছন্দ আনোৱাৰৰ বাবে একেবাৰে নতুন বস্তু। হলেও কাব্যানুভূতি প্ৰকাশৰ এক অদ্ভুত শক্তি আছে এই মাধ্যমৰ। সেয়ে ই আনোৱাৰক বিশেষ ভাৱে আকৃষ্ট কৰিছিল। আবৃত্তি কৰি কৰি আমনি লাগিছে মিলচে কেতিয়াবা কবিজনা জীৱন-কাহিনী ক'বলৈ আৰম্ভ কৰি দিয়ে। অতি মাত্ৰাই বৰ্ণাঢ্য ৱাল্ট হুইটমেনৰ জীৱন। কাঠমিস্ত্ৰী, কেৰেণীৰ পৰা নাৱিক আৰু সৈনিকলৈকে বিভিন্ন জীৱনৰ সোৱাদ গ্ৰহণ কৰাৰ সুযোগ পাইছিল হুইটমেনে। সৰ্বোপৰি তেওঁ আছিল এজন নিৰুদ্দেশ-পদযাত্ৰী। যি সময়ত দাস প্ৰথা সুপ্ৰচলিত আছিল, নাৰীয়ে ভোট দিয়াৰ কথা কোনেও সপোনতো ভৱা নাছিল, সেই সময়তেই তেওঁ খোলাখুলি ভাৱে নাৰী-পুৰুষৰ সমস্বত্বৰ কথা ঘোষণা কৰিছিল; মুক্তকণ্ঠে সমান

এক বিশ্ব-মানৱ জাতিৰ জয়গান গাইছিল। হুইটমেনৰ 'পেচেজ টু ইণ্ডিয়া' ভাৰত-যাত্ৰা নামৰ কবিতাটো মিলুচৰ আটাইতকৈ প্ৰিয় আছিল। চুয়েজ খাল মুকলি কৰা প্ৰসঙ্গৰ বৈশিষ্ট্যৰ প্ৰতি দৃষ্টিপাত কৰিয়ে এই কবিতা ৰচনা কৰিছে। এই খাল মুকলি কৰা অনুষ্ঠানক তেওঁ "অনেক মহা-সাগৰ, অনেক মহাদেশ আৰু অনেক জলবায়ুৰ মাজত বিবাহ" বুলি অভি-হিত কৰিছে। আৰু এই প্ৰসঙ্গতে তেওঁ ভাৰতৰ সংস্কৃতি আৰু চিন্তা-ধাৰাৰ প্ৰতি অভূতপূৰ্ব্ব শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছে।

"সুদূৰ প্ৰসাৰী দীপ্ত আত্মাৰ দীপনা,
অবিক্ষিপ্ত স্বপ্নৰ সম্ভাৰ,
কত কথা, কত গাথাঁ, অতল পৰশা
কবিৰ কতনা গীত, দুৰ্ব্বাৰ, প্ৰাচীন ধৰ্ম্মৰ"

'ৰঙ্গ-গোলাপ-মহানগৰী' জয়পুৰ পাই তাৰ ৰৌদ্ৰকৰোজ্জ্বল ৰাজপ্ৰাসাদ আৰু মঠ-মন্দিৰবোৰ দেখি মিলুচে গাই উঠিছিল হুইটমেনৰ কবিতা—

"পদুমতকৈয়ো চৰা এইযে মন্দিৰবাজি
চিকমিক পোহৰত নবীন সূৰ্য্যৰ
আকাশ পৰশা কত অত্যুজ্জ্বল স্তম্ভ-গম্বুজ
গোলাপৰ দৰে ৰঙা, সোণৰ পানীৰে চবোৱা"

"আৰু যমুনা তীৰৰ জোনাক নিশাৰ তোমালোকৰ তাজমহলৰ দৰে সুন্দৰ বস্তু পৃথিবীত মই দ্বিতীয় এটা দেখা নাই। কিন্তু ইয়াৰ বৰ্ণনা হুইটমেনতকৈ ধুনীয়াকৈ তুমি মই দিব পাৰিমনে। হুইটমেনে কি কৈছে জানা: 'অমৰ ৰূপকথাৰ সৌধ—মৰণশীল স্বপ্ন গাঁথি সজা'।"

জোনাক নিশাৰ তাজমহল।

কতেকতে স্মৃতি-পাখীত উৰি আহি অনেক মৰণশীল-স্বপ্ন'ই আলো-ৰাৰৰ হিয়াত হাহাঁকাৰ তুলি গ'লহি। সেই নিশা হোটেলৰ বিচনাত চাটি-ফুটি কৰি বাগৰি-বাগৰি প্ৰায় বিনিদ্ৰ ভাৱেৰে কটাই দিলে। ওৱে নিশা যেন ওপৰৰ চিলিং ফেনখনে অবিৰাম এটা শব্দই তাৰ কাণত ফুচ-ফচাই কৈ থাকিল: চাল্ যা! চাল্ যা!! চাল্ যা!!!

এথাৰ মাৰ্চৰ দিনা পুৱা-বেলিকা আনোৱাৰইঁত আহি আহমদাবাদত নামিলহি। এখন পুৰণি নগৰ। নগৰ নহয় যেন অসংখ্য ওখ-ওখ চিমনীৰে ভৰা এখন কাৰখানাৰ অৰণ্যহে। "কল্পিত সামন্ত-যুগৰ ধ্বংস-স্তূপৰ মাজত শিল্পৰ প্ৰসাৰৰ এই কূটাভাস লক্ষ্য কৰিছা, আনোৱাৰ ?" মিলচে সুধিছিল হাঁহি হাঁহি, "বিপ্লৱৰ আগৰ পেট্ৰোগ্ৰাৰ্ডৰ বিশেষ পাৰ্থক্য একো নাই।"

ডাকঘৰলৈ গৈ আনোৱাৰইঁতে নিজৰ নিজৰ চিঠি-পত্ৰ সংগ্ৰহ কৰি আনিলেগৈ মিলচৰ বাতৰি প্ৰতিষ্ঠানৰ পৰা "গান্ধী-যাত্ৰা"ৰ বিতং বাতৰি পঠিয়াবলৈ নিৰ্দ্দেশ আহিছে তেওঁলৈ। গান্ধীজীৰ কাৰ্য্য-পদ্ধতিয়ে ইতি-মধ্যেই আমেৰিকাৰ জনগণৰ মনত যথেষ্ট আগ্ৰহৰ সৃষ্টি কৰিছে। আব্বাজানে আনোৱাৰৰ তাৰ অনুপস্থিতিত ঘৰৰ ঠিকনাত অহা সকলো চিঠি ভৰাই পেটুৱা কৰি এটা লেফাফা তালৈ পঠাই দিছে। চিঠিবোৰ সি মেলি ল'লে। প্ৰথমখন চোৱহানৰ। ট্ৰেড-ইউনিয়নৰ কাম কৰিবলৈ বুলি সি কানপুৰলৈ গৈছে। সি লেখিছে, "ইয়াত, ভাৰতবৰ্ষৰ এই নতুন শিল্প প্ৰধান কল-কাৰখানাৰে পূৰ্ণ ঠাইবোৰতহে দেশৰ কৰ্মী-বনুৱাৰ প্ৰকৃত বিপ্লৱ সংঘটিত হ'ব। কোনোবা 'আশ্ৰমত' বহি কোনোবা সন্ন্যাসীয়ে বৃটিশ সিংহৰ নেজত দিবলৈ হাতেৰে নিমখ তৈয়াৰ কৰিলেই বিপ্লৱ নাহে।" বেচেৰা চোৱহানক্তিটো। একেবাৰে একেই আছে সি। আনোৱাৰে তাৰ বন্ধুৰ অতি-পৰিচিত উচ্ছ্সিত মনটোৰ কথা মনত পেলাই নিজে নিজে হাঁহিলে। তাৰ পিচত সি লক্ষ্ণৌৰ পৰা অহা পোষ্ট-কাৰ্ড এটা তুলি ল'লে। বাজে লেখিছে। চিঠিখনত মাত্ৰ দুশাৰী কথা। গালিবৰ এক-ছত্ৰ কবিতা। বাজৰ ধুনীয়া গোট গোট ছোৱালী হাতৰ আখৰৰ নিচিনা আখৰেৰে দেখিলে চুমা খাই দিবৰ মন যোৱাকৈ লেখিছে। কিন্তু কথা খিনি ছোৱালীৰ নিচিনা কোমল নহয়। সত্যাগ্ৰহত যোগ দি কাৰাবৰণ কৰিবলৈ সি প্ৰস্তুত হোৱা মনোভাব স্পষ্ট ভাৱে প্ৰকাশ পাইছে।

খানাজাদ এ-জুলফ হেঁই যঞ্জীৰ চে ভাগেজে কিউঁ ?
হেঁই গিৰিফতাৰ -এ-ৱফা জিন্দন চে ঘাবৰায়েজে কিউঁ ?
(তোমাৰ চুলিৰ পাশতে আমি বন্দী,—শিকলিৰ ভয়ত পলাম কিয় ? প্ৰেমৰ কাৰাগাৰত আমি বন্দী হৈয়ে আছো,—কাৰাগাৰলৈ আকৌ ভয় কৰিম কিয় ?)

ঠিক সময়তে আহি আনোৱাৰইঁত পাইছেহি। সেই নিশাই মহাত্মাই যাত্ৰা আৰম্ভ কৰাৰ কথা। গোটেই নগৰ তলওপৰ লাগিছে। কেনেকৈ কেতিয়া কি কি কৰা হ'ব আগতীয়াকৈ ঘোষণা কৰি 'শক্ৰ'ক

সকলো কথা জানিবলৈ দিয়া হৈছে। পুলিচে আনকি গান্ধীবাহিনীত যাবলৈ ওলোৱা সত্যাগ্ৰহীদলৰ নাম সংখ্যা পৰ্য্যন্ত জানে। সাগৰৰ পাৰত অৱস্থিত ডাণ্ডিলৈ কোন বাটে যাব, এই দুশ মাইল বাট যাওঁতে বাটত কোনখন গাৱঁত কেতিয়া জিৰণি ল'ব তাকো জানে। এয়া এক অভিনৱ সৈন্য বাহিনী। এয়া এক নতুন যুদ্ধ। পৃথিবীৰ যুদ্ধৰ ইতিহাসত এনে ধৰণৰ বৰ্ণ কৌশল প্ৰয়োগৰ নিদৰ্শন নাই। এই যুদ্ধৰ তাৎপৰ্য্য বুজাবলৈ এটা নতুন শব্দৰ সৃষ্টি কৰা হ'ল,—'সত্যাগ্ৰহ'। সত্যৰ প্ৰতি আগ্ৰহ। দৰাচলতে এয়াই 'সত্যৰ যুদ্ধ'।

হোটেলৰ পৰা টেক্সি এখন ভাৰা কৰি আনোৱাৰহঁত ওলাই আহিল। সবৰমতী নৈৰ ওপৰৰ ঠেক দলং পাৰ হৈ কিছুদূৰ বাট ধূলিয়ে ঢকা বাটেদি অহাৰ পিচত সিহঁত 'আশ্ৰম' পালেহি। সৰু আশ্ৰম। কেইটামান বগা চূণমৰা খেৰৰ সৰু সৰু ঘৰ আৰু বহুত নিম গছৰ বাহিৰে বিশেষ একো নাই। আনোৱাৰে মন কৰিলে আশ্ৰমখনত এটা শান্তব্যস্ততাৰ ভাৱ পৰিলক্ষিত হৈছে। নিৰ্ব্বাচিত তিনিকুৰি পোন্ধৰজন স্বেচ্চাসেৱকে ইতি মধ্যেই প্ৰস্তুত হৈ ওলাইছে। যাত্ৰাৰম্ভৰ প্ৰাকমুহূৰ্ত্তৰ দুটাএটা বাকী থকা কাম কৰি লৈছে। মহাত্মাই তেওঁৰ দৈনন্দিন দুপৰীয়াৰ জিৰণি উপভোগ কৰিছে। এজন সহকাৰীৰ পৰা আনোৱাৰহঁতে আৱশ্যকীয় খবৰখিনি সংগ্ৰহ কৰিলে। বাহিনীটো মহাত্মাই নিজে অতি সাৱধানে ভাবি-চিন্তি স্বেচ্ছাসেৱক নিৰ্ব্বাচন কৰি গঠন কৰিলে। দলটোত অন্তৰ্ভুক্ত প্ৰত্যেক জন স্বেচ্ছাসেৱক অহিংসাৰ আদৰ্শত একান্তভাৱে আত্মোৎসৰ্গ কৰা লোক। দলটোত হিন্দু-মুছলমান-হৰিজন সকলো শ্ৰেণীৰ মানুহ আছে। তেওঁ-লোকক জীৱন ধাৰণৰ বাবে এৰাব নোৱাৰা দুপদ-এপদ অত্যাৱশ্যকীয় বস্তুৰ বাহিৰে আন একো লগত নিনিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শেষৰ কথাখিনি কব ধৰোতেই মহাত্মাৰ সহকাৰীজনক বাধা দি আমে-ৰিকান গৰাকীয়ে কৈ উঠিল, "ৰ'ব। মই কওঁ শুনক। তেওঁলোকে লগত এডাল লাঠিৰ বাহিৰে অন্য একোৱেই নিয়াৰ আৱশ্যক নাই; কোনো জোলোঙা, খোৱা-বস্তু বা টকা-কড়িবো আৱশ্যক নাই; মাত্ৰ তেওঁলোকে ভৰিত পাতল চেণ্ডেল পিন্ধিব পাৰিব; গাত এটাৰ বাহিৰে দুটা চোলা নেথাকে'।"

"ঠিক!" সহকাৰীজন আচৰিত হৈ গ'ল, "কিন্তু এইবোৰ আপুনি জানিলে কেনেকৈ?"

"এইটো এটা অতি পুৰণি সাধু। উনৈশ-শ ত্ৰিশ বছৰীয়া পুৰণি সাধু।" সহকাৰীজনৰ মুখত আশ্চৰ্য্যৰ ভাৱ দেখি মিলুচে হাঁহি হাঁহি

ক'লে, "মই অলপ আগতে আপোনাক যিখিনি কথা ক'লো সেয়া মোৰ কথা নহয়,—বাইবেলৰ উদ্ধৃতিহে। যীশুৱে তেওঁৰ বাৰজন প্ৰধান শিষ্যক ওলাই যাওঁতে ঠিক এনেকৈ এইখিনি মাত্ৰ বস্তু লগত লৈ ওলাই যাবলৈ আদেশ কৰিছিল।"

"গান্ধীজীয়ে কিন্তু এই সামঞ্জস্যটোৰ কথা জানে বুলি মোৰ ধাৰণা নহয়। তেখেতে শুনিলে বৰ ৰং পাব। তেখেত সাৰ পালেই মই ক'ম।"

"অনুগ্ৰহ কৰি ক'ব। আৰু তেখেতক মোৰ অভিনন্দন জনাব। আজি মই আৰু তেখেতক আমনি নকৰো। কত কথা চিন্তা কৰিবলৈ আছে তেখেতৰ। কিন্তু বাটত মই তেখেতক এবাৰ লগ ধৰিবলৈ পালে বৰ সুখী হ'ম।"

নগৰ পায়ে মিলচে গান্ধী-বাহিনীৰ সকলো কথা বৰ্ণাই টেলিগ্ৰাম কৰিলে। হোটেলত আৰু দুজনমান ইংৰাজ আৰু আমেৰিকান সাংবাদিকো আছিল। গতিকে মিলচে পলম নকৰি বাতৰি পঠোৱাত ব্যস্ত হৈ পৰিল। একোটা পৃষ্ঠা লেখে আৰু আনোৱাৰক টেক্সিৰে ডাকঘৰলৈ পঠিয়াই টেলিগ্ৰাম কৰিবলৈ। আকৌ আহি পালেই অন্য এটা পৃষ্ঠা দি পঠায়। এয়া একনিষ্ঠ আমেৰিকান সাংবাদিকতা। খৰচৰ প্ৰশ্ন তাত নুঠে।

নিশা থাই-বই আনোৱাৰহঁত আকৌ আশ্ৰমলৈ ওলাল। বাটত অসংখ্য মানুহ। মৰমৰ মহাত্মাক শুভেচ্ছা জনাই আগবঢ়াই নিবলৈ যি য'ত আছিল সকলো ওলাই আহিছে। চাৰিওফালে চকুৱে মনে মানে অসংখ্য জোৰ, যেন হেজাৰ হেজাৰ জোনাকী—পৰুৱাহে। হাতে হাতে জোৰ-লৈ গাওঁ-নগৰৰ সকলো মানুহ সৰৰমতীৰ পাৰৰ আশ্ৰমৰ সমুখত গোট খাইছেহি। তেতিয়া প্ৰায় মাজনিশা। অলপ বিচাৰ-খোচাৰ কৰাৰ পিচত আনোৱাৰহঁতে মহাত্মাৰ দিনত লগ পোৱা সহকাৰীজনক আকৌ লগ পালে। তেওঁৰ পৰা জানিব পৰা গ'ল যে মহাত্মাই বাইবেলৰ কথা-যাৰ শুনি অভিভূত হৈছে। কিন্তু তেখেতে অনুৰোধ কৰিছে, মিলচে যেন এই কথাষাৰ ক'তো উল্লেখ কৰি প্ৰচাৰ নকৰে। কাৰণ তেখেতে ভাৱে তেখেতক যীশুৰ লগত তুলনা কৰিবলৈ যোৱা কেৱল ভুলেই নহয় পাপো হব।

"গান্ধী যদি মহান নহ'লহেঁতেন নিজেই যদি ঈশ্বৰৰ দূত নহ'ল-হেঁতেন তেন্তে তেখেতে নিজকে কেতিয়াও ইমান সৰু বুলি ভাবিব নোৱাৰিলেহেঁতেন।" মিলচে নিজকে কোৱাৰ দৰে ক'লে।

তেতিয়া পূবৰ আকাশ পোহৰি-পোহৰি হৈছে। সকলো বৈ আছে।

অৱশেষত আঁঠুৰ বুৰতে এডোখৰ চুৰিয়া পিন্ধি অৰ্দ্ধ-নগ্ন ফকীৰ মহাত্মা গান্ধী ওলাই আহিল। মহাত্মাক দেখাৰ লগে লগে সহস্ৰ সহস্ৰ কণ্ঠই ব্যাকুল-আনন্দত একেলগে চিঞৰি আকাশ কঁপাই তুলিলে :—"মহাত্মা গান্ধী কি জয়!" ৰাবাওাৰ পৰা সোলা-মুখৰ শিশু-শিশু আশ্চৰ্য্য হাঁহিটোৰে মহাত্মাই জনতাক অভিবাদন জনাই হাত ডাঙি সকলোকে নীৰৱ হ'বলৈ ক'লে। স্বেচ্ছাসেৱক সকলে চকুৰ পচাৰতে তেখেতক বৃত্তাকাৰে বেঢ়ি ধৰিলে কোনেও বেচি ওচৰলৈ আমনি কৰিব নোৱাৰাকৈ। মহাত্মাই এইবাৰ সবৰমতীৰ পাৰলৈ আগবাঢ়ি গ'ল। তাত যথা নিয়মে প্ৰাৰ্থনা কৰাৰ পিচত যাত্ৰা আৰম্ভ হ'ব। চকু মুদি সমাধিস্থ হৈ অকণমান মানুহ গৰাকী এখন ওখ মঞ্চত বহিল। অসংখ্য জোৰৰ কম্পমান পোহৰত তেখেতৰ অনাবৃত ক্ষীণ দেহাটো মসীকৃষ্ণ ৰূপত জিলিকি উঠিছে। প্ৰাৰ্থনা আৰম্ভ হ'ল। প্ৰথমে গীতাৰ পৰা শ্লোক পাঠ কৰা হ'ল। তাৰ পিচত ক্ৰমে এজন পকা-দাড়িয়া বৃদ্ধ মৌলবীয়ে উদাত্ত কণ্ঠে কোৰাণ পাঠ কৰিলে। পাৰ্চী সকলৰ ধৰ্ম্ম গ্ৰন্থৰ পৰাও অংশ বিশেষ পাঠ কৰা হ'ল। সকলোৰে শেষত আৰম্ভ হ'ল খ্ৰীষ্টিয়ান ধৰ্ম্মগীত : "লীড, কাইণ্ডলি লাইট্।" মিল্‌চে এই সমস্বৰ গীতত যোগ দিয়াৰ লোভ কোনোমতেই সামৰিব নোৱাৰিলে। তেওঁ অনুনাসিক উচ্চ স্বৰে ভাৰতীয় সকলৰ আত্ম-সচেতন মাত তল পেলাই বজনুজনাই উঠিল। আনোৱাৰে দেখিলে মহাত্মাই নিসন্দেহে এই অচিনাকি মাতত আচৰিত হৈ এবাৰ চকু মেলি চালে। হিশাল বপু হটঙা আমেৰিকানজনক চকু মুদি গদগদ ভাৱে প্ৰাৰ্থনা-গীত গাই থকা দেখি মহাত্মাৰ মুখত এটি পবিত্ৰ তৃপ্তিৰ হাঁহি বিৰিঙি উঠিল।

প্ৰাৰ্থনা শেষ হোৱাৰ লগে লগে মহাত্মা উঠিল। লাখুটিডাল তুলি ললে। আৰু এন্ধাৰৰ মাজে মাজে নিৰ্দ্দিষ্ট বাটেদি' যাত্ৰা আৰম্ভ কৰিলে। গান্ধী-বাহিনীৰ বাকী পঁয়সত্তৰজন সৈনিকে সুসংবদ্ধৰূপে দুশাৰী হৈ তেখেতক অনুসৰণ কৰিলে। উপস্থিত জনতাই 'মহাত্মা গান্ধী কি জয়" ধ্বনিত আকাশ কালো কালো লগালে। মহাত্মাৰ ঐতিহাসিক যাত্ৰা আৰম্ভ হ'ল।

তবানৰা ছিঙি মিল্‌চ আহি হোটেলত সোমাল আৰু টাইপ কৰাত লাগি গ'ল। ইয়াৰৰ পিচত সিবাৰলৈ আনোৱাৰ ডাকঘৰলৈ যাবলৈ ধৰিলে। সেইদিনাৰ আবেলিৰ কাকতত নিউ-ইয়ৰ্কত এই বাতৰি ওলাবই লাগিব। বাটত কথাখিনি পঢ়ি আনোৱাৰৰ শিৰে-শিৰে শিহঁৰণ জাগি উঠিল।

ৱৰ্ল্ড নিউজ : নিউ-ইয়ৰ্ক

ভাৰতৰ গাৰঁৰ বাটত যীশুখৃষ্টৰ পদযাত্ৰা আৰম্ভ। নিৰঙ্কুশ আত্মাৰ শক্তিৰে আকৌ সমুখা-সমুখি হ'ব লগা হৈ আধুনিক পণ্টিয়াচ পিলেট

সকলে নতুন-দিল্লীৰ ৰাজপ্ৰাসাদত বহি ভয়ে ভয়ে চাই ৰৈছে। নিদ্ৰিত সবৰমতীৰ পাৰত ৰাতিপুৱা হয়। পঁয়সত্তৰজন শিষ্যৰে সৈতে মহাত্মা গান্ধীয়ে যাত্ৰা আৰম্ভ কৰে খ্ৰীষ্টিয়ান ধৰ্মগীত গোৱাৰ পিচত, "লীড্ কাইণ্ডলি লাইট্"। দেশৰ কোটি কোটি জনতাৰ বাবে এই কৃশকায় মানুহ গৰাকী চাৰিওফালৰ এন্ধাৰৰ মাজত পোহৰ আৰু আশাৰ দৰে। ইংৰাজৰ লোণ-আইন অমান্য কৰিবৰ বাবে গান্ধীয়ে সাগৰ-পাৰলৈ যাত্ৰা কৰাৰ লগে লগে দেশৰ জনতাৰ যাত্ৰাও আৰম্ভ হৈছে। পূৰ্ণ বিবৰণী অনতিপলমে পঠোৱা হব। ই-ও-এম।

মটৰেৰে কেইবাদিনো আনোৱাৰহঁত মহাত্মাৰ পিচে পিচে গ'ল। কিন্তু মহাত্মাৰ সত্যাগ্ৰহৰ আধ্যাত্মিক ৰূপ দেখি আনোৱাৰৰ প্ৰথমৰ উচ্ছ্বাস পিচলৈ যথেষ্ট কোঁচ খাই গ'ল। এয়াতো স্বাধীনতাৰ যুদ্ধলৈ বীৰদৰ্পে আগবাঢ়ি যোৱা সৈন্য-বাহিনী হব নোৱাৰে। বৰং এয়া যেন এদল তীৰ্থ-যাত্ৰীহে। এগৰাকী ধৰ্মপ্ৰাণ মানুহে বাট দেখুৱাই লৈ গৈছে কোনো তীৰ্থভূমিলৈ। যি বাটেদিয়েই তেওঁলোক গৈ হেজাৰ হেজাৰ গাৱঁৰ ৰাইজ ওলাই আহি দেখিবলৈ ভাল নলগাকৈ মহাত্মাৰ ভৰি চুই সেৱা কৰিবলৈ হেতা-ওপৰা লগাইছে। যি পৰা নাই তেখেতৰ ভৰিৰ পৰশে পবিত্ৰ কৰা ধূলিকে অকণমান লৈ গৈছে। মহাত্মাৰ মুখলৈ চাই আনোৱাৰে ধৰিব পাৰিছিল এই কাম তেখেতে অকণমানো ভাল পোৱা নাছিল। তথাপি মহাত্মাই মানুহৰ এনে সাধাৰণ ভাৱৰ ভক্তি প্ৰদৰ্শনৰ উচ্ছ্বাস কিয় নীৰৱে সহ্য কৰি গৈছিল আনোৱাৰে বুজিব পৰা নাছিল। এনে এটা অৰ্থহীন পৰিৱেশৰ সৃষ্টি হ'বলৈ তেখেতে এৰি দিছে কিয়? এনে কৰাৰ ফলত নিৰক্ষৰ ৰাইজৰ চকুত তেখেতৰ আধ্যাত্মিক ৰূপ এটাহে ধৰা পৰিছে যাহোক; সিহঁতকো ঘৃণনীয় চৰকাৰৰ বিৰুদ্ধে স্বাধীনতাৰ কাৰণে যুঁজ দিবলৈ উদগনি দিয়া হোৱা নাই। বিশেষকৈ গাৱঁৰ মাজেদি মহাত্মা গৈছে সেই সকলোবোৰ গাৱেঁই অতিশয় দাৰিদ্ৰ-গ্ৰস্ত। কিয় বাৰু তেখেতে

এইবোৰ গাওঁৰ ৰাইজক অত্যাচাৰী বিদেশী চৰকাৰ, জমিদাৰ আৰু সুদ-খোৰ ধন-ধাৰে দিয়া মহাজনবোৰৰ বিপক্ষে বিদ্ৰোহ কৰিবলৈ আহ্বান জনোৱা নাই ? কিয়, কিয় ?

এঠাইত মহাত্মাই ৰাইজক সম্বোধন কৰি দিয়া এটা বক্তৃতাত আনোৱাৰে তাৰ মনৰ প্ৰশ্নবোৰৰ আংশিক উত্তৰ পালে ; মহাত্মাই গুজৰাটী ভাষাত বক্তৃতা দিছিল। এজন স্বেচ্ছাসেৱকে লগে লগে হিন্দুস্তানীলৈ অনুবাদ কৰি কৈ গৈছিল আৰু আনোৱাৰে মিলচক ইংৰাজীৰে বুজাই যাব লগা হৈছিল। তিনি জোৰা দিয়া এই কামটোত আনোৱাৰ দেখা-দেখিকৈ অসুবিধাত পৰিছিল। বহুত শব্দও বাদ পৰি গৈছিল। তথাপিও তাৰ এটা কথা লক্ষ্য কৰি ভাল লাগিছিল। মহাত্মাই যিখিনি কথা ক'লে সেয়া কোনো সন্যাসী সুলভ ধৈৰ্য্য-সংযমৰ বাণী নাছিল ; বৰং সেয়া আছিল প্ৰতাৰণাৰ বিৰুদ্ধে সমুখ সংগ্ৰামৰ বাবে ৰাইজলৈ উদাত্ত আহ্বান।

মহাত্মাই কৈছিল : ...."ভাৰতত বৃটিছ শাসনে এই বিশাল দেশখনৰ নৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, আধ্যাত্মিক আদি সকলো দিনৰ পৰা ধ্বংস সাধন কৰিছে। এই শাসনক মই এটা বিৰাট অভিশাপ বুলিহে ভাবোঁ। এই শাসন-ব্যৱস্থা ধ্বংস কৰি দিয়াৰ সংকল্পৰে মই আজি ওলাই আহিছো। এটা সময় আছিল যেতিয়া মই নিজেও 'গড্ চেভ্ দি কিং' গাইছিলো, আনকো গাবলৈ শিকাইছিলো। মই আগতে নীতিগত ভাৱে আবেদন কৰা, সন্মতি দল পঠোৱা, বন্ধুভাৱে আলোচনা কৰি এটা সিদ্ধান্তত উপনীত হোৱা ইত্যাদি ধৰণৰ কথাৰ ওপৰত বিশ্বাস কৰিছিলো। কিন্তু এইবোৰ সকলো গৰুৰ আগত টিলিঙা বজোৱাৰ দৰে কথা বুলি আজি মই বুজি উঠিছো। আজি মই জানো এই চৰকাৰৰ সুবুদ্ধিৰ উদয় কৰাবলৈ এই-বোৰ কামেৰে একো নহয়। সেই বাবে আইন-অমান্যই আজি মোৰ ধৰ্ম। আমাৰ যুদ্ধ অহিংসাৰ যুদ্ধ। আমি কাকো হত্যা কৰিবলৈ ওলোৱা নাই। তথাপি দেশৰ পৰা ইংৰাজ চৰকাৰ ৰূপী এই অভিশাপ যাতে মোচন হয় তাৰ প্ৰতি লক্ষ্য ৰখাই আজি আমাৰ ধৰ্ম।"

আনোৱাৰে ভাবিলে : যদি মহাত্মাৰ দৰে এগৰাকী ধীৰ শান্ত মানু-হেও এনেদৰে কথা কব পাৰিলে তেন্তে সদনত বোমা দলিয়াই ভগৎ সিঙে যি বিপ্লৱ ঘোষণা কৰিছিল সেই বিপ্লৱ এইবাৰ প্ৰকৃত অৰ্থত আৰম্ভ হ'ল। কেৱল মাজে মাজে জয়ধ্বনি কৰাতে এই বিপ্লৱ ইমান দিন সীমাবদ্ধ হৈ আছিল। কিন্তু এইবাৰ আৰু তেওঁলোক সিমানতে ক্ষান্ত নেথাকে। মহাত্মাৰ বক্তৃতা শেষ হোৱাৰ লগে লগে প্ৰায় বাৰজন ভাওৰ ডাঙৰ পাগুৰী মৰা মানুহ মঞ্চৰ ওপৰত জপিয়াই পৰিলহি। এওঁলোক 'পেটেল', অৰ্থাৎ

চৰকাৰে নিয়োগ কৰা গাওঁবুঢ়া। মঞ্চত উঠি তেওঁলোকে সেই মুহূৰ্ত্তৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰিলে। তেওঁলোকৰ এজনে চিঞৰি চিঞৰি কবলৈ ধৰিলে, "মহাত্মাৰ আদেশ আমি পাইছো। এই ধূৰ্ত্ত চৰকাৰৰ গোলামী আমি আৰু নকৰোঁ।" কেউকালৰ উঠা মুহুৰ্মুহু হৰ্ষ-ধ্বনিয়ে আকাশ কঁপাই তুলিলে। সোৰা-পোচা কৰি আনোৱাৰইঁতে জানিব পাৰিলে, এইবাৰ জনকে ধৰি গোটেই গুজৰাটত হেনো সেই পৰিমিত দুশজনমান মুখিক 'পেটেল' পদত্যাগ কৰিছে। ফলত চৰকাৰ বাইজৰ অসহযোগ সম্পৰ্কে সচেতন হৈ উঠিবলৈ বাধ্য হৈছে।

কেইবাদিনৰো পিচত মিল্‌চে মহাত্মাৰ লগত সাক্ষাত কৰাৰ সুযোগ লাভ কৰিলে। প্ৰথমতে পৰাই অৱশ্যে তেওঁ সুযোগ বিচাৰি আছিল। কিন্তু আন আন বিদেশী সাংবাদিকসকল অধিবাম সত্যাগ্ৰহী দলৰ লগত জেলুক লগাদি লাগি থকা বাবে ইচ্ছা কৰিয়ে তেওঁ আঁতৰি আঁতৰি আছিল। কেইদিনমানৰ পিচত উৎপাত গৰমত আৰু দিনে পোন্ধৰ মাইলকৈ খোজ কাঢ়ি আমনি লগাত ইংৰাজ আৰু আমেৰিকান সাংবাদিক কেজন আহমদাবালৈ উভটি গ'লগৈ। এইবাৰ সুযোগ বুজি এদিন আবেলি আনোৱাৰ আৰু ৰবাৰ্ট মিলচ মহাত্মাক লগ ধৰিবলৈ আছিল। মহাত্মাই জবুচৰ নামৰ গাৰঁত এজোপা আমগছৰ ছাঁত বহি একান্তমনে সূতা কাটি আছিল। আনোৱাৰে মহাত্মাক সি আগতেই এবাৰ তেখেতক লগ পোৱাৰ কথা মনত পেলাই দিলে। মহাত্মাৰ মনত পৰিল, "অ' হয়, হয়; মোৰ ঠিক মনত পৰিছে। তুমি কিন্তু ইতিমধ্যে একেবাৰে ডেকা হৈ গ'লা দেই। কৈ নিদিলে চিনাই টান।" তাৰ পিচত আনোৱাৰে মিলচৰ লগত মহাত্মাক চিনাকি কৰি দিলে। ডাক্তৰ আনচাৰিয়ে দোভাষী ৰূপে তাক মিলচৰে লগ লগাই দিয়াৰে পৰা মিলচৰ ভাৰতৰ প্ৰতি সহানু-ভূতিলৈকে সকলো ভাঙি-পাতি ক'লে, শুনি মহাত্মাই হাঁহি মাৰি "আচ্ছা! আচ্চা। বৰ ভাল কথা!" বুলি সন্তোষ প্ৰকাশ কৰিলে। কাষতে বহি পূৰ্ব্বোক্ত সহকাৰীজনে এইবাৰ ক'লে, মিলচেই মহাত্মাৰ এই যাত্ৰাৰ লগত যীশুখৃষ্টৰ মিল থকা কথা কৈছিল বুলি। শুনি মহাত্মাই যীশু-খৃষ্টৰ কথা কবলৈ আৰম্ভ কৰি দিলে। যীশুৰ প্ৰতি তেখেতৰ শ্ৰদ্ধা অসীম। তাৰ পিচত ক্ৰমে টলষ্টয় আৰু এমাৰচনৰ কথাও ওলাল। কথাই-কথাই মিল্‌চে ৱাল্ট হুইটমেনৰ কথাও ক'লে। কিন্তু মহাত্মাই হুইটমেন পঢ়া নাই বুলি স্বীকাৰ কৰিলে। মিল্‌চে তেতিয়া হুইটমেনৰ বিষয়ে চমুকৈ অলপ কথা মহাত্মাক জনালে। লিঙ্কনে ব্যৱস্থা গ্ৰহণ কৰাৰ আগতেই কেনেকৈ হুইট্‌মেনে দাসপ্ৰথাৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য্য

চলাইছিল বিবৰি ক'লে। মহাত্মাইয়ো বিশেষ আগ্ৰহ দেখুৱাই সকলো কথা কাণ পাতি শুনিলে। সাক্ষাতৰ বাবে মিলৃচৰ হাতত এঘণ্টা মধ্য সময়। অথচ এইবোৰ অৰাজনৈতিক আলোচনাতে সৰহ ভাগ সময় গ'লেই। এই কথা উপলব্ধি কৰি তেওঁৰ শেষৰ কেইটা মিনিট পাৰ্যা-মানে ৰাজনৈতিক প্ৰশ্ন কিছুমান সুধি লোৱাত তৎপৰ হ'ল।

"মহাত্মা গান্ধী, এটা কওকচোন," মিলৃচৰ মুখত এতিয়াও 'গান্ধী' নুফুটে. 'গাণ্ডী' বুলি কয়। হলেও তেওঁ বাকীবোৰ সাংবাদিকৰ দৰে নাচ-বিচাৰ নোহোৱাকৈ সকলোতে ব্যৱহৃত হোৱা 'মিষ্টাৰ' শব্দটো ব্যৱ-হাৰ কৰা নাছিল। "আপোনাৰ ইংৰাজৰ বিপক্ষে ইমান বিৰূপ মনোভাৱৰ মূল কাৰণ কি?"

মহাত্মাই মঁতৰ ঘূৰাই ঘূৰাই লাহে লাহে উত্তৰ দিলে: "চমুকৈ এটা শব্দতে কবৰ হ'লে,—শোষণ। তেওঁলোকে ভাৰতবৰ্ষৰ জীৱন-ৰক্ত শুহি নিছে। মই লৰ্ড আৰউইনলৈ দিয়া চিঠিৰ কথাকে ধৰক। ভাৰতবৰ্ষৰ ভাইচ্‌ৰয়ে মাহে ২১,০০০ টকাতকৈ বেচি দৰ্মহা পায়। তাৰ মানে তেওঁ দিনে ৭০০৲ টকা উপাৰ্জ্জন কৰে। অথচ এজন ভাৰতীয় লোকে দিনে গড়ে দুই অনাকৈও উপাৰ্জ্জন কৰিব নোৱাৰে। ভাইচ্‌ৰয়ে দিনে এজন সাধাৰণ মানুহতকৈ পাঁচ হেজাৰ গুণ বেছি অৰ্থ উপাৰ্জ্জন কৰে। আনহাতে ইংলণ্ডৰ প্ৰধান মন্ত্ৰীয়ে দিনে ১৮০ টকা উপাৰ্জ্জন কৰে। আৰু ইংলণ্ডৰ মানুহৰ দৈনিক আয় গড়ে দুটকা। ইয়াক শোষণ বুলি নকৈ আপুনি কি বুলি কব। মই মাত্ৰ এটা সাধাৰণ দৃষ্টান্ত দেখুৱাইছো। কিন্তু এইখন দেশত প্ৰচলিত শাসনৰ গোটেই পদ্ধতিটোৱেই স্বাৰ্থ, অন্যায়, অবিচাৰ আৰু নিষ্পেষণৰ ওপৰত প্ৰতিষ্ঠিত।'

"বাৰু। ইংৰাজৰ প্ৰভুত্বক আপুনি অস্বীকাৰ কৰিছে। তাৰ বাবে আইন-অমান্য আন্দোলন আৰম্ভও কৰিলে। কিন্তু চৰকাৰৰ যি লোন-আইন তুলনামূলকভাৱে ই অতি সাধাৰণ। এনে স্থলত আপুনি এই আন্দোলনৰ প্ৰতীক হিচাপে লোন-আইনকে অমান্য কৰিবলৈকে কিয় বাচি ল'লে?"

"কাৰণ দৰিদ্ৰ ভাৰতীয়ৰ কালৰপৰা চালে এই কৰকে মই সকলো কৰতকৈ অন্যায় বুলি ভাবোঁ। আমাৰ স্বাধীনতাৰ এই আন্দোলন যিহেতু প্ৰধানকৈ দেশৰ সবাতোকৈ দুখীয়া জনসাধাৰণক মুক্তি দিবৰ কাৰণেই, সেইবাবেই আমি এই কৰৰ পৰাই আৰম্ভ কৰিছো।"

"আপোনাক যদি গ্ৰেপ্তাৰ কৰা হয়, তেতিয়া কি হ'ব?"

"মোক গ্ৰেপ্তাৰ কৰিব পাৰে, আনকি ফাঁচীও দিব পাৰে;—কিন্তু

মোৰ বিশ্বাস মোৰ পিচতো এই কাম সুশৃঙ্খলিত ভাৱে আগবঢ়াই নিবলৈ দেশত হেজাৰ হেজাৰ মানুহ সাজু হৈ আছে।"

"আপুনি ঠিক থিওড'ৰ পাৰ্কাৰৰ দৰে কথা কৈছে।"

"মই এজন সাধাৰণ অজ্ঞানী মানুহ" মহাত্মাই বিনয়েৰে ক'লে, "তেখেতনো কোন ?"

মিল্‌চে তেতিয়া পাৰ্কাৰৰ জীৱন সম্পৰ্কে সকলো কথা বিবৰি ক'লে। পাৰ্কাৰ আছিল এজন ধৰ্ম্মভীৰু আমেৰিকান মানুহ। যি কোনো প্ৰপঞ্চ বিচাৰ নকৰাকৈ ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কৰা এজন "থেইষ্ট"। লিঙ্কন আৰু হুইট্‌মেনৰ সমসাময়িক। দাসপ্ৰথা উন্মোচনৰ বাবে মাত মতা সকলৰ ভিতৰত তেখেত অন্যতম। দাসপ্ৰথাক তেখেতে খৃষ্টিয়ান ধৰ্ম্মৰ পৰিপন্থী কথা বুলি মন্তব্য কৰিছিল। কিন্তু প্ৰপঞ্চক ভিত্তি কৰি ঈশ্বৰৰ অস্তিত্ব বিচাৰ কৰা 'থিওলজিষ্ট' সকলে দাসপ্ৰথা স্বাভাৱিক বুলি কৈ পাৰ্কাৰক মুকলি তৰ্কলৈ প্ৰত্যাহ্বান জনাইছিল। পাৰ্কাৰৰ বন্ধুবৰ্গই তেখেতক সেই সভালৈ যাবলৈ হাক দিছিল। পাৰ্কাৰক হত্যা কৰিবৰ বাবে তলে তলে এটা ষড়যন্ত্ৰ চলা বুলি তেওঁলোকে গ'ম পাইছিল। কিন্তু পাৰ্কাৰ যাবলৈ দৃঢ়প্ৰতিজ্ঞ। উপায় নেপাই বন্ধুবৰ্গই তেখেতক এটা ঘৰত বন্ধ কৰি ৰাখিলে। সভাত নিৰ্দ্দিষ্ট সময়ত উপস্থিত নোহোৱা বাবে শত্ৰু দলে পাৰ্কাৰ কাপুৰুষ বুলি ঘোষণা কৰিলে। কিন্তু হঠাৎ পাৰ্কাৰে সভা-স্থলীলৈ দৌৰি সোমাই আহি মঞ্চত জঁপিয়াই উঠি চিঞঁৰি চিঞঁৰি কবলৈ ধৰিলে: "যদি পাৰা তোমালোকে মোক হত্যা কৰা। কিন্তু মনত ৰাখিবা মোৰ শৰীৰৰ প্ৰত্যেকটো ৰক্ত কণিকাৰ পৰা এহেজাৰ এহেজাৰ পাৰ্কাৰ ওলাই আহি দাস সকলৰ মুক্তি দিবহি।"

অভিভূত হোৱাৰ দৰে মহাত্মা খন্তেক নীৰৱে ৰ'ল। তাৰ পিচত লাহে লাহে কলে: "অহিংসাৰ শক্তিৰ সেই এটা উজ্জ্বল নিদৰ্শন।" কিন্তু মিল্‌চে সেই বিষয়ে কথা নবঢ়াই তৎক্ষণাত আকৌ ৰাজনৈতিক প্ৰসঙ্গৰ অৱতাৰণা কৰিলে।

"লৰ্ড আৰউইনৰ আপোনাৰ চিঠিৰ উত্তৰ সম্পৰ্কে আপোনাৰ অভিমত কি ?"

"নতজানু মই এটুকুৰা ৰুটি খুজিছিলো। মোলৈ এটা শিল দলিয়াই দিয়া হৈছে। মই অৱশ্যে অকণো আচৰিত হোৱা নাই। ইংৰাজ জাতি-টোৱেই এনে। যেতিয়ালৈকে শক্তি প্ৰযোগ কৰা নহয় তেতিয়ালৈকে তেওঁলোকে গাকে নলবায়।"

মহাত্মাৰ সহকাৰীজনে এনে সময়তে এজাপ চিঠি-পত্ৰ আনি তেখেতৰ

আগত থলেহি। মিল্চে এইবাৰ সুধিলে, "ইংৰাজবোৰে কয় ভাৰতত সিহঁতৰ শাসন কল্যাণময়তাৰ ওপৰত প্ৰতিষ্ঠিত। দেশত সিহঁতে শান্তি প্ৰতিষ্ঠা কৰিছে। এই বিষয়ে আপুনি কি কয়।"

"ইংৰাজ শাসনৰ তলত আমাৰ জাতিয়ে যদি কিবা শান্তি পাইছে সেয়া একমাত্ৰ কাৰাগাৰ আৰু কবৰস্থানৰ শান্তি। সিহঁতে গোটেই ভাৰত-বৰ্ষকে এটা সুবৃহৎ কাৰাগাৰত পৰিণত কৰিছে।"

হঠাৎ মহাত্মাই কাটি থকা সূতা দাল ছিগি গ'ল। আনোৱাৰৰ এনে লাগিল যেন সেয়া মহাত্মা আৰু মিল্চৰ কথোপকথনৰ সময় শেষ হৈ যোৱাৰহে নিৰ্দ্দেশ। কৰ্কালত ওলোমাই থোৱা সন্তীয়া ৰূপীয়া ঘৰিটো ডাঙি ধৰি তেখেতে সাংবাদিকজনক দেখুৱালে। "আপুনি পাঁচ মিনিট সময় বেছি ল'লে।" এইবুলি কৈ তেখেতে এটা সৰল শিশুৰ দৰে হাঁহিবলৈ ধৰিলে।

বাহিৰলৈ ওলাই আহি আনোৱাৰে সুধিলে, "কেনে লাগিল আপোনাৰ আমাৰ মহাত্মাক?"

"আৰু অলপ সময় কথা পাতিব পৰা হ'লে ভাল আছিল। বহুত কথা মই এতিয়াও বুজি পোৱা নাই। উদাহৰণ স্বৰূপে—তেখেতে সূতা কটাৰ ওপৰত ইমান জোৰ দিছে কিয়? এই কথাটো মোৰ প্ৰগতিৰ ঘড়িক পিচুৱাই দিব খোজা যেন লাগে। কিন্তু তেখেতৰ লগত কথা পতাৰ পিচত এটা বিষয়ত মোৰ দৃঢ় বিশ্বাস জন্মিছে। তেখেতৰ আন্ত-ৰিকতা আৰু সততাত মোৰ আৰু থনিষ্ঠামানো সন্দেহ নাই। এক কথাত তেখেত নিভাঁজ ভাল মানুহ। ইমান ভাল ইমান সৎ হোৱাটো কিন্তু বিপজ্জনক।"

"বিপজ্জনক? কাৰ বাবে?"

"হোঃ? অ', নাই-নাই। মই কব নোৱাৰো। হয়তো তেখেত নিজৰে বাবে।"

মিল্চে কি ভাবি কথাষাৰ ক'লে আনোৱাৰে ধৰিব নোৱাৰিলে। "আপুনি কি ক'ব খুজিছে মই ঠিক ধৰিব পৰা নাই?"

"ময়ো ক'ব নোৱাৰো।" আবেৰিকান গৰাকীয়ে বিষণ্ণভাৱে ক'লে, "মোৰ মনলৈ আকৌ যীশুখৃষ্টৰ কথা আহিছে।"

আনোৱাৰহঁত থুবি আছি যেতিয়া এলাহাবাদ পায় তেতিয়া নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ অধিবেশন শেষ হৈ গৈছে। জাতীয়তাবাদী কাকতবোৰে ইতিমধ্যেই কংগ্ৰেছক "জাতীয়-সংসদ" বুলি উল্লেখ কৰিবলৈ আৰম্ভ কৰি দিছে। এই অধিবেশনত শ-শ কংগ্ৰেছ সভ্য মোট খাই আইন-অমান্য আন্দোলন পৰিপূৰ্ণভাৱে সফল কৰি তুলিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আনোৱাৰহঁতে সভাপতি জৱাহৰলাল নেহৰুক খন্তেকৰ বাবে মাথোন দেখিলে। সকলো সহকৰ্মীৰপৰা বিষাদ মনেৰে জৱাহৰলালে বিদায় লৈছিল। কাৰণ তেওঁলোকে জানিছিল এই বিদায়ৰ পিচত হয়তো তেওঁ-লোকে কেইবা বছৰলৈ পৰস্পৰক দেখিবলৈ নেপাব পাৰে। অৱশ্যে একেটা কাৰাগাৰতে যদি থাকিবলগীয়া হয় তেতিয়া হ'লে বেলেগ কথা। বিদায়ৰ পৰিবেশ সদায় করুণ। সিদিনাও হৈছিল। সকলোৰেই নিজ নিজ পৰিণতিৰ কথা জানে। যুদ্ধৰ গতিৰেখা নিৰ্দ্ধাৰিত কৰি দিয়া হৈছে। বিদায়-আলিঙ্গন কৰোঁতে প্ৰত্যেকৰে চকু চল্‌চলীয়া হৈ উঠিছে। হলেও সেই চকুত যেন জিলিকি উঠিছে শত্ৰুক আপোন শক্তিৰ পৰিচয় এইবাৰ সুন্দৰ ভাৱে দিবলৈ কৰা প্ৰতিজ্ঞাৰ উজ্জ্বল দীপ্তি। তেওঁলোকৰ দুই এজনে এই পৰিবেশতো হাঁহি-ধেমালি কৰিবলৈকো বাদ দিয়া নাই। কবিত্ব-শক্তি, ৰাজনীতিজ্ঞান, সূক্ষ্ম-হাস্যৰসজ্ঞান আৰু বীৰাঙ্গনা-সুলভ প্ৰবৃত্তিৰ আশ্চৰ্য্য সমন্বয় মধ্য-বয়সীয়া, স্থূলাঙ্গী অথচ চট্‌ফটীয়া সৰোজিনী নাইডুৱে চিয়ঁৰি চিয়ঁৰি কোৱা দূৰৰ পৰাই আনোৱাৰে শুনিলে : "বিদায় তেন্তে, জৱাহৰ। সোনকালে বোৱা। আমিও যাওঁ। জেল-তীৰ্থযাত্ৰাৰ সময় হ'লেই। সোনকালে টালি-টোপোলা বান্ধি সাজু হৈ নেথাকিলে পিচত পলমেই হৈ যাব।"

এলাহাবাদ এৰি সকলো দিহা-দিহি গ'লগৈ। আনোৱাৰহঁতেও নিশাৰ বেলেৰে বোম্বাইলৈ যাওনা হ'ল।

বোম্বাই। আনোৱাৰৰ কাৰণে যেন এই নামটোতে কিবা এটা যাদু সোমাই আছে। বোম্বাইৰ পৰিৱেশত যেন শক্তিবৰ্দ্ধক ঔষধৰ গুণ নিহিত আছে। অভ্ৰভেদী বিৰাট বিৰাট অট্টালিকা। জনাকীৰ্ণ ৰাজপথ। ট্ৰাম। বাচ। বিজুলী-চালিত ৰেলগাড়ী, চাহৰ দোকান ৰেষ্টুৰা আদিৰ জাতি-বৰ্ণ মুক্ত আব-হাওৱা। ঝমকজমক দোকান-পোহাৰ। সকলোতে এনে এটা নামহীন আধুনিকতা বৰ্ত্তমান যে দেখি আনোৱাৰ মুগ্ধ হৈ পৰিছিল। তাৰ লোভ লাগিছিল। এইখন মহানগৰ যেন এটা প্ৰতিশ্ৰুতি এটা প্ৰত্যাহ্বানৰ দৰে অনুভূত হৈছিল আনোৱাৰৰ মনত। এই মহানগৰ সি জয় কৰিবই লাগিব।

আনোৱাৰহঁত আহি তাজমহল হোটেলত উঠিলহি। সাধাৰণ এটা ছাত্ৰৰ কাপোৰ-কানি তাৰ গাত। হোটেলৰ অতিমাত্ৰাই আভিজাত পৰিৱেশৰ লগত তাৰ নিজকে খাপ নোখোৱা যেন লাগিল। অতি খৰচী ঠায়ো তাজমহল হোটেল। আনোৱাৰে ভাবিলে তাৰ লগতে মিছাতে মিল্‌চে ইমানবোৰ ধন কেনেকৈ খৰছ কৰিব লাগিছে। তাতোকৈ সিতো সহজেই তাৰ বন্ধুৰ লগত গৈ থাকিব পাৰে। এই ভাবি সি ওচমান ফজলভাইৰ বাপেকৰ সুগন্ধিৰ কাৰখানালৈ ফোন কৰিলে। সিমূৰত তাৰ মাতটো শুনিয়ে ওচমান উচপ খাই উঠা ধৰিব পাৰি আনোৱাৰে আমোদ পালে। আৰু এঘণ্টাৰ ভিতৰতে তাৰ একলগে বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কৃত হোৱা বন্ধু ওচমান আহি ওলালহি আনোৱাৰক নিজৰ ঘৰলৈ লৈ যাবলৈ বুলি। মিল্‌চৰ আনোৱাৰক এৰি দিবলৈ অকণো মন নাছিল। একে লগে থাকোঁতে থাকোঁতে আনোৱাৰ তেওঁৰ প্ৰতি আপোনৰ দৰে হৈ পৰিছিল। আনোৱাৰক তেওঁ বিশেষভাৱেই মৰমো কৰিছিল। তাৰ প্ৰতি তেওঁৰ নিজা দায়িত্ব থকা বুলিও ভাবিছিল। হলেও ওচমানে ৰবকৈ কেৰজেৰ কৰাত শেষত যাবলৈ দিবলৈ বাধ্য হ'ল। তদুপৰি আনোৱাৰে মিল্‌চক বুজাই দিলে, তাজত সোমাই থাকিলে তেওঁলোকে বোম্বাইৰ প্ৰকৃত খবৰ একো নেপায়। ওচমান নিজে বোম্বাইৰ ওলানলা জনা আৰু বোম্বাই কংগ্ৰেছৰ লগত বিশেষভাৱে সংশ্লিষ্ট ডেকা। গতিকে তাৰ পৰা অনেক ভিতৰুৱা খবৰ সংগ্ৰহ কৰি সি মিল্‌চক দিব পাৰিব।

এপ্ৰিল মাহৰ ছয় তাৰিখে খবৰ আহিল, মহাত্মা গৈ ডাণ্ডিত উপস্থিত হৈছে আৰু পৰিকল্পনা মতে সাগৰ পাৰত লোণ তৈয়াৰ কৰি লোণ-আইন অমান্য কৰিছে। লগে লগে দেশ জুৰি আইন-অমান্য আন্দোলন পৰ্ব মাত্ৰাত আৰম্ভ হৈ গৈছে। মহাত্মাৰ লোণ-আইন ভঙ্গ যেন সমগ্ৰ দেশৰ

প্ৰতি আইন অমান্য কৰিবৰ বাবে সঙ্কেতহে আছিল। প্ৰত্যেক ঠাইতে অগণন সভা-সমিতি পতা হব ধৰিলে। ইটোৰ পাচত সিটো শোভাযাত্ৰা উলিওৱা হ'ল। বিদেশী কাপোৰ আৰু মদ্যবস্তুৰ দোকানৰ আগত পিকেটিং আৰম্ভ হ'ল। দেখাদেখিকৈ মানুহে নিমখ তৈয়াৰ কৰিব ধৰিলে। চৰকাৰে নানান গুণা-গঁঠা কৰি এই বিপ্লৱৰ প্ৰধান নেতাজনৰ গাত হাত দিবলৈ সঙ্কোচ কৰি থাকিলেও তেওঁৰ অনুগামী সকলক নিষ্ঠুৰ হাতেৰে দমন কৰিবলৈ প্ৰচেষ্টা চলাব ধৰিলে।

ওচমানৰ এজন বন্ধু দি-বোম্বে-ক্ৰনিক্‌ল কাকতৰ সহকাৰী সম্পাদক আছিল। তেওঁৰ লগত গৈ আনোৱাৰে বাতৰি কাকতৰ অফিচত বহি বহি দেশৰ বিভিন্ন অঞ্চলৰ পৰা অহা বাতৰিবোৰ চাই চাই দিনৌ ভালেমান সময় কটাবলৈ ধৰিলে। কৰাচীৰ এটা বাতৰি মতে কোনো এখন আদালতত দুজনমান সত্যাগ্ৰহীৰ বিচাৰ চলি থকা অৱস্থাত পুলিচে আদালতৰ সন্মুখত গোট খোৱা নিৰস্ত্ৰ জনতাৰ ওপৰত অন্যায়ভাৱে গুলি চালনা কৰে। দুজন ডেকাৰ থিতাতে মৃত্যু হয় আৰু সাতজন গুৰুতৰভাৱে আহত হয়। আহতসকলৰ ভিতৰৰ এজন জয়ৰাম দাস দৌলতৰাম। সিন্ধু প্ৰদেশৰ এই সৰবৰহী লোদোৰ-পোদোৰ চাপৰ নেতাজনক মাত্ৰ কেইদিনমানৰ আগতে আনোৱাৰে এলাহাবাদত দেখি আহিছিল। পাটনা, কলিকতা, মাদ্ৰাজ, বহৰ-গিৰি, শ্বিৰোডা আদি ঠাইৰ পৰাও এনে গুলি চালনাৰ বাতৰি আহিছিল। পেশ্বাৱৰত পুলিচ আৰু সৈন্য বিভাগৰ গুলিত ভালেমান মানুহৰ মৃত্যু হৈছে। কোলাৰ কেচুৱাই গাখীৰ খাই থকা অৱস্থাতে এহাল মাক-পুতেকৰো মৃত্যু হৈছে। আনোৱাৰক উক্ত কাকতৰে এজন সহকাৰী সম্পাদকে এদিন কথাই-কথাই ক'লে, "জানে, প্ৰথম-প্ৰথম পুলিচে গুলি চলোৱাৰ সংবাদে বেচ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। আমি প্ৰথম পৃষ্ঠাত সাত আঠটা স্তম্ভ জোৰাকৈ এইবোৰ খবৰ ছপাইছিলো। আজিকালি দিনৌ ইমানবোৰ ঠাইৰপৰা গুলিচালনাৰ খবৰ অহা গ'ল যে কেইশাৰীমানতে এফোটা খবৰ প্ৰকাশ কৰি পাৰ মাৰিব লগা হৈছে। লাঠি-চালনাৰ খবৰ যে গোটেইবোৰ দিবই নোৱাৰি। ডাঙৰ ডাঙৰ চাই দুটা এটা পিচৰ পিনে কেতিয়াবা দিয়া হয়।"

বোম্বাই তথা গোটেই দেশ জুৰি যেন বিপ্লৱৰ জুই বিয়পি পৰিছে। যি কোনো মুহূৰ্ত্তত এই জুই সৰ্ব্বগ্ৰাসী ৰূপত লক্‌লকাই জ্বলি উঠিব পাৰে। বোম্বাইৰ কংগ্ৰেছ বিশেষভাৱে সুসংঘবদ্ধ অনুষ্ঠান। সেয়ে আন ঠাইতকৈ বহুত বেচি শক্তিশালী। ওচমানৰ কথাৰপৰা জানিব পৰা

গ'ল, তাত ইতিমধ্যেই এখন অস্বীকৃত সমান্তৰাল চৰকাৰ গঠন কৰা হৈ গৈছে। বোম্বাই কংগ্ৰেছৰ স্বেচ্ছাসেৱক দলো অতি শক্তিশালী। হেজাৰ হেজাৰ মতা-মাইকী উভয় শ্ৰেণীৰ স্বেচ্ছাসেৱক আছে। আহত লোকৰ বাবে এম্বুলেন্স, প্ৰাথমিক চিকিৎসা কেন্দ্ৰ, হস্পিতাল ইত্যাদি সকলোৰে ব্যৱস্থা কৰা হৈছে। কংগ্ৰেছ-ভৱনৰ নিৰ্দেশ ক্ৰমে কোটি-কোটি টকাৰ বিদেশী কাপোৰ থকা একো একোটা গুদাম বন্ধ কৰি স্বেচ্ছাসেৱক সকলে দিনে-নিশাই পহৰা দি আছে। মদৰ ভাঁটিবোৰত পিকেটিং কৰা হৈছে। মদৰ দোকানবোৰৰ ব্যৱসায় এক প্ৰকাৰ অচল হৈ গৈছে। বাতৰি কাকত-বোৰে সকলো খবৰ ছপাব নোৱাৰে। অনেক প্ৰকাৰৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেইবাবে 'চাইক্লোষ্টাইল' কৰা অসংখ্য বেআইনী প্ৰচাৰ-পত্ৰ প্ৰচাৰ কৰা হৈছে। পুৱা-গধূলি সকলো সময়তে এইবোৰ প্ৰচাৰ-পত্ৰ প্ৰকাশ্যে ৰাজপথত বিক্ৰী কৰা হৈছে। এইবোৰতো এইবোৰেই। তাতোকৈ আচৰিত কথা হ'ল কংগ্ৰেছৰ এটা নিজা অনাতাঁৰ কেন্দ্ৰই গোপনে কাম কৰি যোৱাটো। বিপ্লৱৰ সকলো বাতৰি এই কেন্দ্ৰৰপৰা প্ৰচাৰ কৰা হৈছিল। আৰু অসংখ্য মানুহে পুলিচৰ চকুৰ আগতে এই বাতৰিবোৰ শুনিছিল।

বোম্বাইৰ এই অভিনৱ জাগৃতিৰ এক অদ্ভুত প্ৰপঞ্চ এদিন আনোৱাৰে আপোন চকুৰে দেখিলে তাজমহল হোটেলত। সেইদিনা সি মিল্‌চৰ লগত একেলগে বহি আহাৰ কৰিছিল। উপস্থিত সকলৰ বেছি ভাগেই গাৰ্ডেন-জেকেট পিন্ধা ইংৰাজ বা আমেৰিকান। মাজে মাজে মাত্ৰ দুজন-এজন পাৰ্চী, অনচেৰেক এংলো-ইণ্ডিয়ান আৰু কেইজনমান পশ্চিমীয়া বেশ-ভূষাৰে চাহেব সাজিবৰ আপ্ৰাণ চেষ্টা কৰা আন-আন ভাৰতীয়। সকলো বহি আছে। হঠাৎ তাৰ মাজলৈ এজন ওখ শকত-আৱত সুশ্ৰী ডেকা সোমাই আহিল। ডেকাৰ গাত ভগ-বগা পৰিষ্কাৰ খদ্দৰৰ কুৰ্ত্তা-চুৰিয়া, মূৰত গান্ধী-টুপি। নিৰ্ব্বিকাৰ ভাবে ডেকাজন আহি সকলোৰে মাজ ভাগত বহি চিঞৰি খোৱা বস্তু দিবলৈ নিৰ্দ্দেশ দিলে। প্ৰধান বেহেৰাটোৱে ডেকাক দেখি চক খাই উঠি হোটেলৰ মেনেজাৰক মাতিবলৈ লৰ ধৰিলে। উপস্থিত কেইবা-শ যোৰ চকুৰ দৃষ্টি ডেকাত নিবদ্ধ হ'ল। ডেকাৰ চক্ চক্ কৰে বগা পোছাক যেন অসংখ্য ক'লা আহাবৰ সময়ত পিন্ধা পোছাকৰ সাগৰত এটা সৰু দ্বীপহে। আনোৱাৰৰো ক'লা শ্বেৰৱাণী আছে। অৱশ্যে এইখন সমাজত এনেকৈ থাকি তাৰ ভাল লগা নাছিল। মনটো আগৰে পৰা উচখুচাই আছিল। খবৰ পায়ে মেনেজাৰ শেনটো অহাদি ডেকাৰ পিনে আগবাঢ়ি আহিল। আনোৱাৰে মেনেজাৰৰ গতি

দেখি ভাবিলে এইবাৰ কিজানি সকলোৱে লগ লাগি ডেকাক গতিয়াই মেলি উলিয়াই দিব। কিন্তু ডেকাৰ ওচৰ পোৱাৰ লগে লগে যেনেজাৰৰ মুখৰ অভিব্যক্তি সলনি হ'ল। খং ভাবৰ ঠাইত এটা সকৃতজ্ঞ হাঁহি বিৰিঙি উঠিল। অতি বিনম্র প্রায় শ্ৰদ্ধা-ভক্তিত কাণ্ড-কাও কৰাৰ দৰে অভিবাদন কৰি তেওঁ কৈ উঠিল: "মহাশয়! কি দিম মহাশয়! আহাৰ..." এইবুলি পিচ হুইঁকি হুইঁকি যেনেজাৰ আঁতৰি গ'ল। আনোৱাৰৰ ওচৰতে বহি থকা এজন পাৰ্চী ভদ্ৰলোকে তাৰ মনোভাৱ লক্ষ্য কৰি ক'লে, "আচৰিত হৈছে, নহয়? যুৱকৰ নাম মোহন শ্বাহ। এওঁ বাৰটা কাপোৰৰ মিলৰ মালিক। মন গ'লে এওঁ এনেকুৱা কেবাখনো হোটেল এতিয়াই কিনি পেলাব পাৰে।"

খাই উঠি মোহন শ্বাহে বিলৰ পয়চা দিলে। বেহেৰাক বখ্‌চিচ দিলে। জেপৰ পৰা এটা সোণৰ চিগাৰেট কেচ উলিয়াই তাৰ পৰা এটা বিড়ি লৈ প্লেটিনামৰ লাইটাৰেৰে জ্বলালে। তাৰ পিচত খাবলৈ খিয় হ'ল। আনোৱাৰে দেখিলে তেওঁৰ হাতত এনুৱা কাগজ আছে। আনোৱাৰইঁতৰ কাষেদি যাওঁতে তাৰে এখন কাগজ মাটিত পৰি গ'ল। ডেকাই ইচ্ছা কৰিয়েই পেলালে নে নিজেই পৰি গ'ল সি ধৰিব নোৱাৰিলে।... লৰালৰিকৈ আনোৱাৰে কাগজখন তুলি ল'লে। এখন গোপন প্রচাৰ-পত্ৰ। ডাঙৰ ডাঙৰ আখৰেৰে ওপৰত লেখা আছে:

পণ্ডিত জৱাহৰলাল নেহৰু গ্রেপ্তাৰ প্রতিবাদত কালিলৈ মহানগৰীত বিৰাট শোভাযাত্ৰা আৰু জনসভা...

কাক আগতে দোখছিল আনোৱাৰৰ ঠিক মনত নাই। ছোৱালীজনীক নে পতাকাখনক। কিন্তু গোটেই শোভাযাত্ৰাটোৰ ভিতৰত এই দুটা বস্তুৱেহে তাক আটাইতকৈ আকৰ্ষণ কৰিছিল। হয়তো, এনেও হব পাৰে, দুয়োটাকেই

সি একেলগে দেখিছিল। কাৰণ……কাৰণ সেয়াতো দুটা বস্তু নহয়। একেটাই। দুটা ৰূপ যাৰ্যোন প্ৰকাশ কৰিছে এটা আদৰ্শ। এটা অনমনীয় উদ্যম। ছোৱালীজনী। তাই ঠিক এখন পতাকাৰ দৰেই। উন্নত। ঋজু। দৃঢ়। সেউজীয়া ব্লাউজ, বগা শাড়ী, আৰু গেৰুৱা শাড়ীৰ পাৰি। তায়ো যেন এখন পতাকাই। ইমান তন্বী। ইমান লাস্যময় গতি যে দেখিলে এনে লাগে যেন তাই বতাহত হালি-জালি উৰিছে গৈছে। আৰু পতাকাখনো ঠিক তাইৰ দৰে। ৰঙীন; উজ্জ্বল; সজীৱ, গৰ্ব্বিতা; নৃত্য-ছন্দ লীলায়িত।

শোভাযাত্ৰাৰ সমুখৰ পতাকাখন দুফালে দুদাল দণ্ড লগাই দুজন স্বেচ্ছা-সেৱকে কঢ়িয়াই নিছিল। এজন কেঁচা সুন্দৰ দাড়িৰে শিখ যুৱক। যুৱত আকালি দলৰ ক'লা পাগুৰী। (আনোৱাৰৰ তৎক্ষণাত ৰতনলৈ মনত পৰি যায়। কোনে জানে বেচেৰাই এতিয়া কোন কাৰাগাৰত বন্দি হয়তো মৃত্যুৰ ক্ষণ গণি গণি কাল কটাইছে।) আনজন এজন পাঠান ডেকা। গেৰুৱা ৰঙৰ খদ্দৰৰ শ্বেলৱাৰ আৰু ৰঙা কামিজ পিন্ধিছে। পতাকাখনৰ ঠিক তলৰে পৰা আৰম্ভ কৰি এদল ছোৱালী স্বেচ্ছাসেৱিকা। আৰু তাই সিহঁতৰ সকলোৰে আগত। ছোৱালী দলটোৰ পিচত চাই পঠিয়ালে যিমান দূৰলৈ দেখা যায় সিমান দূৰলৈকে দলে দলে হেজাৰ হেজাৰ স্বেচ্ছাসেৱক; পঞ্জাবৰ আকালি, সীমান্ত প্ৰদেশৰ পাঠান "লাল-কুৰ্ত্তা।"

সকলো স্তব্ধ হৈ ৰৈ গৈছে। যান-বাহনৰ চলাচল অচল। মাত্ৰ শুনা গৈছে দুশ-হেজাৰ বিপ্লৱী ভৰিৰ গেৰেপ-গেৰেপ পদশব্দ। আনো-ৱাৰে উপলব্ধি কৰিলে, তাৰ জীৱনত সি ইমান সুন্দৰ ইমান অনুপ্ৰেৰণা-দায়ক দৃশ্য আৰু কাহানিও দেখা নাই। যি সাম্ৰাজ্যবাদে জাতিৰ মৰমৰ নেতা জৱাহৰলালৰ গাত হাত দিবলৈ আস্পৰ্দ্ধা কৰিছে সেই সাম্ৰাজ্য-বাদ এয়া যেন এটা জাতিৰ প্ৰত্যাহ্বান। প্ৰত্যুত্তৰ। এয়া অভিযাত্ৰী ভাৰতবৰ্ষ। আৰু এই শোভাযাত্ৰাৰ যি উদ্দেশ্য, এই শোভাযাত্ৰাই যি কথা ঘোষণা কৰিব খুজিছে, সেই কথা সেই আদৰ্শ যেন খুপ খাই সুপ্ৰকট ৰূপত প্ৰকাশ পাইছে, অভিব্যক্ত হৈছে, তাইৰ—সেই এজনী ছোৱালীৰ নিৰ্ভীক মুখমণ্ডলত।

দূৰ আকাশত বেৰে প্ৰকাণ্ড দৰে শোভাযাত্ৰাৰ নেদেখা অংশৰ পৰা ভাঁহি আহিছে এটা ধ্বনি—'ইন্‌কিলাব জিন্দাবাদ।' সেই ধ্বনি যাৰ যোৱাৰ লগে লগে এই যুৱক শোভাযাত্ৰীয়ে সেই ধ্বনি প্ৰতিধ্বনিত কৰি উঠিছে। যেন সোণাৰত এদল মানুহে মন্ত্ৰ শিকিছে। একাণৰ পৰা

দাবি পঠিয়ালে সিফালৰ পৰাও ওভটাই দাবি পঠিওৱা হয়। সেই ধ্বনিয়ে কঁপাই-কঁপাই তুলিছে ক্ৰফ'ৰ্ড বজাৰৰ প্ৰতিখন বেৰ। বোম্বাইৰ আকাশ।

ইন্-কি-লাআআব জিন্দা-বাআআদ! পাঠান ডেকাবোৰে আৰবী 'ক'টো এনে গভীৰভাৱে উচ্চাৰণ কৰিছে যে শুনিলে ধাৰণা হয় যেন সিহঁতে পৰম ভক্তিৰে কোৰাণহে পাঠ কৰিছে।

ইন্-কি-লাআআব জিন্দা-বাআআদ!—চুলিত বগা বগা ফুল গুঁজি অহা গুজৰাটী ছোৱালীদলে তীক্ষ্ণ স্বৰে চিঞৰিছে।

ইন্‌ন্-কি-লাআআব···স্বেচ্ছাসেৱক সকলৰ এজন নেতাই লগাই দিয়ে। কেইবাহেজাৰো কণ্ঠই লগে লগে চিঞৰি উঠে—জিন্দা-বাআআদ!

বাৰ-বৰণীয়া ৰাইজৰ সমদল। বাৰ-বৰণীয়া উচ্চাৰণ। সকলোৱে একে দুটা শব্দ উচ্চাৰণ কৰিছে পবিত্ৰ মন্ত্ৰৰ দৰে। ৰণ-হুঙ্কাৰৰ দৰে। দুটা সৰু শব্দই যেন সহস্ৰ সহস্ৰ মানুহক মন্ত্ৰমুগ্ধ কৰি পেলাইছে। সকলোকে;—হিন্দু আৰু মুছলমান, শিখ আৰু পাৰ্চী, গুজৰাটী ব্যৱসায়ী, মাৰাঠি মিল-বনুৱা, সীমান্তৰ বগা পাঠান, দক্ষিণৰ কৃষ্ণাঙ্গ তামিল,—সকলোকে। এটা কথা ভাবি আনোৱাৰ আচৰিত হৈ গ'ল। 'ইন্‌কিলাব' শব্দটো আৰবী। 'জিন্দাবাদ' পাৰ্চী শব্দ। অথচ এই দুটা শব্দ একেলগ কৰি গোটেই পৃথিৱীৰ বনুৱা সম্প্ৰদায়ে ব্যৱহাৰ কৰা "বিপ্লৱ দীৰ্ঘজীৱী হওক!" কথাষাৰ বুজাবলৈ এনে এটা শক্তিশালী ভাৰতীয় শব্দ কোনে সৃষ্টি কৰিলে বাৰু? কোনো প্ৰসঙ্গ-সঙ্গতি নোহোৱাকৈ তাৰ ভগৎ সিঙলৈ মনত পৰি গ'ল। কৰুণ-কৰুণ চকুৰ সেই অমায়িক ডেকাজনেই দেশক এই ধ্বনি দিলে, আৰু অতি সোনকালেই দেশৰ বাবে নিজৰ প্ৰাণো দিব। আনোৱাৰৰ মনত পৰিল মিৰাটৰ সেই একুৰি-এঘাৰজন বন্দীলৈ যি যত্ন কৰিছিল আজি দেশৰ কোটি-কোটি মানুহে মুক্ত কণ্ঠে ঘোষণা কৰা এই বিপ্লৱ আনয়ন কৰিবলৈকে। ক্ষীণকায় মহাত্মা গান্ধীলৈ মনত পৰিল তাৰ। সাগৰৰপৰা পানী তুলি নিমখ তৈয়াৰ কৰাৰ দৰে দেখাত সামান্য হাঁহি উঠা কাম এটা কৰিয়েই মহাত্মাই অসাধ্য সাধন কৰিছে। ভাৰতবৰ্ষৰ দৰে এখন সুবিশাল দেশৰ কোটি কোটি প্ৰাণত বিপ্লৱৰ জুই জ্বলাই দিছে। আনোৱাৰৰ মনত পৰিল জৱাহৰলাল নেহৰুৱে চোৱাজনৰ অটোগ্ৰাফ-বহীত লেখি দিয়া এষাৰ কথালৈ: আৰু আজি যেন এই জাতিটোৱেই "বিপজ্জনকভাৱে" জীয়াই থাকিবলৈ পণ গ্ৰহণ কৰিছে। এইলোকৰ প্ৰত্যেকৰে হয়তো 'ইন্‌কিলাব'ৰ ধাৰণা বেলেগ। মহাত্মাই গোটেই জাতিটোকে সত্য কহিবলৈ শিকাব। কমিউনিষ্ট সকলে

দেশত সমূহীয়া কৃষিৰ প্ৰচলন কৰি দেশখনক শিল্প-প্ৰধান কৰাৰ প্ৰচেষ্টা চলাব। কিন্তু আজি এই এটা মুহূৰ্ত্তত সকলোৱে এক হৈ এটা বস্তু বিচাৰিছে। প্ৰথম এটা বস্তু লাগে : বিদেশী চৰকাৰৰ অৱসান হবই লাগিব।

ভিক্টোৰিয়া-টাৰ্মিনাচ পাই শোভাযাত্ৰা থমকি ৰ'ব ল'গা হ'ল। সমুখত প্ৰায় এহেজাৰ পুলিচৰ এটা বিৰাট বাহিনী। সিহঁতৰ হাতে হাতে লাঠি আৰু ৰাইফেল। বিষয়াবোৰৰ হাতত বিভল্‌ভাৰ। "শুনা, আনোৱাৰ"—মিল্‌চে ফুচফুচাই ক'লে, "গুলি-চালনা হ'ব পাৰে। অকণমান সাৱধানে থাকিবা।" আনোৱাৰৰ বুকুখন চপ্‌চপাই উঠিল। যদি কিবা হয়। তাইবে প্ৰথম শাৰীতে আছে। প্ৰথম গুলি তাৰেই যাব।

এজন পুলিচ বিষয়া আগবাঢ়ি আহি ক'লে, শোভাযাত্ৰা নিষিদ্ধ কৰা হৈছে। সকলো ঘৰাঘৰি যাব লাগে। প্ৰথম শাৰীত থকা নাৰী কেপ্তাকীয়ে উত্তৰত জনালে যে তেওঁলোকে আলিমুৰুটোৰ সিপাৰে থকা আজাদ-ময়দানত সভা পাতিবলৈ আহিছে। তেওঁলোকে উভতি নেযায়। কোনেও তেওঁলোকক ওভতাই পঠিয়াব নোৱাৰে। বিষয়াজনে তেতিয়া নিজৰ ঘড়ীটো চাই ক'লে,—পাঁচ মিনিট সময় দিয়া হৈছে। সকলো ভালে ভালে গুচি যাওক। উত্তৰত মুখেৰে একো নকৈ প্ৰথম শাৰীৰ তিৰোতাসকল মাটিত আঠু কাঢ়ি বহি পৰিল। দুজনমান কংগ্ৰেছৰ ৰব-মুৰীয়া আৰু তাইকে আদি কৰি নাৰী-বাহিনীৰ দুজনমানে আলোচনা কৰি সিদ্ধান্ত কৰিলে যে একমাত্ৰ মাইকী মানুহ কিনিয়েই সত্যাগ্ৰহ কৰিব। বাকী সকলো শান্তিপূৰ্ণভাৱে গুচি যাব। সেইমতেই কাম হ'ল। মাত্ৰ

পতাকাধাৰী দুজন আৰু আকালি আৰু পাঠান স্বেচ্ছাসেৱকসকলে বাটত বহি থকা নাৰীদলক বেঢ়ি ধৰি ৰৈ থাকিল।

তেতিয়া আবেলি চাৰি বাজিছিল। লাহে লাহে সন্ধিয়া হ'ল। বাটে-পথে চাকিবোৰ জ্বলি উঠিল। নাৰী-বাহিনী বহিয়ে থাকিল। ওচৰৰ সহানুভূতিশীল চাহ-দোকানীবোৰে চাহ-জলপানৰ যোগান ধৰিব ধৰিলে। দুগৰাকীমান সত্যাগ্ৰহীয়ে যৰত এৰি থৈ অহা কেচুৱা অনাই লৈ গাখীৰ দিবলৈ ধৰিলে। দেখি আনোৱাৰ অবাক হ'ল। তাৰ মন-প্ৰাণ জুৰ পৰি গ'ল। এইবোৰ দেখি অৱশ্যে পুলিচ-বিষয়াসকলক মুঠেই বুদ্ধ হোৱা যেন দেখা নগ'ল। হ'ব কেনেকৈ? তেওঁলোকৰ যে আহাৰৰ সময় চৰি গৈছে। লঘোনে-ভোকে ৰৈ থাকিব লগা হৈছে।

লাহে লাহে নিশা আগ বাঢ়িল। দূৰত ক'ৰবাত ৰাতি বাৰ বজাৰ ঘণ্টা বজা শুনা গ'ল। এইবাৰ নাৰী-বাহিনীয়ে নতুন উদ্যম প্ৰকাশ কৰি উলাহৰ দেশপ্ৰেমমূলক গীত চিঞঁৰি-চিঞঁৰি গাবলৈ ধৰিলে! "আঠ ঘণ্টা! আঠ ঘণ্টা! আঠঘণ্টা মানুহ এনেকৈ একেথৰে বহি থাকিব পাৰে!" নেদেখা-নুশুনা কথা এটা দেখাৰ দৰে অবাক হৈ মিল্‌চে কৈ উঠিল. "পৃথিবীয়ে এই খবৰ পাৰই লাগিব!" এই বুলি তেওঁ এটা লাইট পোষ্টৰ তলত বহি টেলিগ্ৰাম লেখাত লাগি গ'ল। আনোৱাৰে লগে লগে পঢ়ি গ'ল।

···বোম্বাইত এতিয়া নিশা বাৰ বজা। যোৱা আঠঘণ্টা ধৰি পাঁচ হেজাৰ মাইকী মানুহ বাটত আঠুকাঢ়ি একেথৰে বহি আছে। এওঁলোকে কেৱল বোম্বাইৰ পুলিচকে অস্বীকাৰ কৰা নাই ইংৰাজ শাসনৰ বিৰুদ্ধে ভাৰতৰ জনগণৰ অহিংস-যুদ্ধ ঘোষণাৰ প্ৰতীক হিচাবে থিয় দিছে······

বোম্বাইত এতিয়া ৰাতি পুৱাল। নাৰীসকল একে ঠাইতে এতিয়াও বহি আছে। অকণো নিৰুৎসাহ-নিৰুদ্যম হোৱা নাই। একেই সজীৱ। একেই অনমনীয় ভাব। চৈধ্য ঘণ্টা পাৰ হৈ গ'ল। ওবে নিশা শুবলৈ নেপাই পুলিচ বিষয়াসকলৰ চকু ওৰ-ফুল যেন হৈছে। ধৈৰ্য্যৰ বান্ধ ছিগি-যাওঁ ছিগি-যাওঁ হৈছে। আকৌ এবাৰ এজন আহি নাৰীদলক জনালেহি, এইবাৰ তেওঁলোক যাবই লাগিব। নহ'লে এইবাৰ···,··কিন্তু নাৰী-বাহিনীয়ে তেওঁৰ কথালৈ কাণ নিদি যেন খিজাৰ দিয়েই সমস্বৰে গাই উঠিল:

নহীঁ ৰাখ্‌নি নহীঁ ৰাখ্‌নি
চৰকাৰ জালিম নহীঁ ৰাখ্‌নি

(সহ্য নকৰোঁ, সহ্য নকৰোঁ, অত্যাচাৰী চৰকাৰ আৰু সহ্য নকৰোঁ।।)

পুৰা আঠ বজাত আনোৱাৰ আকৌ এখন টেলিগ্ৰাম কৰিবলৈ ডাকঘৰলৈ গ'ল। আগৰখন টেলিগ্ৰামৰ উত্তৰ আহিছে। আমেৰিকাৰপৰা লেখিছে :

—"বোম্বাইৰ নাৰী সত্যাগ্ৰহীদললৈ অভিনন্দন। সকলো কাগজৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত বাতৰিয়ে আমেৰিকাত চাঞ্চল্যৰ সৃষ্টি কৰিছে। যদি বিক্ষোভ প্ৰদৰ্শন চলি থাকে তেন্তে প্ৰত্যেক দুঘণ্টাৰ আঁতৰে আঁতৰে যাতে বাতৰি পঠাই থকা হয়।......"

খিয়দি খিয়দি ধৈৰ্য্য হেৰুৱাই পেলোৱা এজন পুলিচ চাৰ্জ্জেণ্টে এবাৰ সিহঁতৰ ওচৰলৈ আহি খঙেৰে সুধিলে, "এই,—তোমালোকে ইয়াত কি কৰিছা?" উত্তৰত একো নকৈ মিল্‌চে নিউইয়ৰ্কৰপৰা অহা টেলিগ্ৰাম খন আগবঢ়াই দিলে। চাৰ্জ্জেণ্টজনৰ মুখখন পোৰা-বেঙেনাৰ দৰে কোঁচ খাই গ'ল। উৰহৰ খং ভগা চাৰীত তোলাৰ চেষ্টাত এইবাৰ তেওঁ আনোৱাৰহঁতক এৰি ইতিমধ্যে বাটত গোট খাবলৈ আৰম্ভ কৰা মানুহবোৰকে চিয়ঁৰিবলৈ ধৰিলে। কিন্তু তেওঁৰ চিয়ঁৰ আৰু লাঠিডাল ঘূৰোৱা ভঙ্গী দেখি ভয় খাওক ছাবি মানুহবোৰে হাঁহিবলৈহে ধৰিলে। তাকে দেখি চাৰ্জ্জেণ্টবো খং দুগুণে চৰি গ'ল। কিন্তু খং উঠিলে কি হ'ব। কৰো বুলিতো আৰু বপুৰাই একো কৰিব নোৱাৰে। হঠাৎ মিল্‌চৰ মনত এটা কথা খেলালে। এটুকুৰা সৰু কাগজত তেওঁ লেখিলে। ভদ্ৰমহিলাসকল, আপোনালোকলৈ গোটেই বিশ্বই আগ্ৰহেৰে চাই আছে।" আৰু তাৰ লগতে আমেৰিকাৰপৰা অহা টেলিগ্ৰামখন গাঠি এজন স্বেচ্ছাসেৱকৰ মাৰফত নাৰী সত্যাগ্ৰহীসকললৈ পঠিয়াই দিলে। মিল্‌চে দেখিলে নাৰীসকলৰ মাজত টেলিগ্ৰামখনৰ কথা বিয়পি পৰাৰ লগে লগে সকলোৰে মুখবোৰ যেন জিলিকি উঠিল। নতুন আনন্দ নতুন উদ্যমে তেওঁলোকক যেন উৎসাহিত কৰি তুলিছে। আনোৱাৰে ক'লে, "এই টেলিগ্ৰামে তেওঁলোকৰ ধৈৰ্য্য-শক্তি আৰু কেইবা ঘণ্টাৰ বাবে বঢ়াই তুলিব!"

এনে সময়তে হুৰহুৰাই বৰষুণ নামি আহিল। বাৰিষাৰ প্ৰথম বৰষুণ। বৰষুণজাকে যেন পুলিচৰ অঁঘ পৰি থকা উদ্যমহে সাৰ পোৱাই দিলে। ছাতি আৰু পানীকোট পিন্ধি-তেওঁলোকে মহিলা দলৰ গতিবিধি চাই ৰ'ল। বাইৰুৰী মানুহবোৰ তিতি-বুৰি জুৰুলি-জুপুৰি হৈছে। পুলিচ দলে আশা কৰিছিল পানী-হাঁহেও আশ্ৰয় বিচাৰি উৰা মৰা এই বৰষুণত এইবাৰ নিশ্চয় সত্যাগ্ৰহীদল আঁতৰি যাব। লাহে লাহে বাটৰ ওপৰত পানী ডোঙা বান্ধিবলৈ ধৰিলে। কিন্তু সত্যাগ্ৰহীদল সেই পানীৰ ওপৰতে

বহি থাকিল। জাবত কোনো কোনো কঁপি উঠিছে। গাত কাপোৰ-কানি জেপেটা-জেপেট লাগি ধৰিছে। কিন্তু কোনেও এক ইঞ্চিও লৰচৰ কৰা নাই। আনোৱাৰে প্ৰথম শাৰীত বহি থকা ছোৱালীজনীলৈ চালে। তাইৰ অপূৰ্ব্ব সুন্দৰ শিল্পীৰ-হাতৰ তন্বী দেহাৰ ভাঁজবোৰ সুপ্ৰকট হৈ উঠিছে। একেথৰে সি চিত্ৰাৰ্পিতৰ দৰে এখন্তেক চাই ৰ'ল। ইমান সুন্দৰ। কিন্তু পিচ মুহূৰ্ত্ততে তাৰ নিজৰে লাজ লাগি গ'ল। ছিঃ। কি সময়ত সি কি চাইছে।

বৰষুণ দিয়েই থাকিল। আকাশত যিমান মেঘ আছিল সকলো গলি শেষ হৈ নোযোৱালৈকে বৰষুণ দিলে। অৱশেষত মেঘৰ বুকুত পানী শেষ হ'ল। লগে লগে যেন পুলিচবো সকলো ধৈৰ্য্য শেষ হৈ গ'ল। হুৰহুৰকৈ নমা বৰষুণ এইবাৰ কমি কিন্‌কিন্‌কৈ পৰিব ধৰিলে। চাৰি বজাৰ লগে লগে একেবাৰেই এৰি দিলে। আকাশ মুকলি হ'ল। কিন্তু নাৰী সত্যাগ্ৰহী দল তেতিয়াও বহি থাকিল। "চৌব্বিশ ঘণ্টা।" চিঞৰি উঠিল মিলচে, "এইটোতো এটা নতুন ধৰণৰ ৰেকৰ্ড। ৰবা, মই এখন বিশেষ টেলিগ্ৰাম কৰি আহোঁ। আনোৱাৰ' তুমি ইয়াতে থাকা। কি হয় চাই থাকিবা। মই এঘণ্টাৰ ভিতৰতে উভটি আহিম।"

আৰু আধাঘণ্টা গ'ল। পুলিচ-বিষয়াইঁতৰ এইবাৰ সম্পূৰ্ণ ধৈৰ্য্যচ্যুতি ঘটিল। সিইঁতে শেষ বাৰলৈ কলে, আৰু পাঁচ মিনিটৰ ভিতৰত যদি সত্যাগ্ৰহীবোৰ গুচি নেযায় তেন্তে পুলিচে লাঠি-চালনা কৰিবলৈ বাধ্য হ'ব। হুইছেল বজাই সঙ্কেত দিয়া হ'ল। সকলো পুলিচে যুদ্ধং-দেহি মূৰ্ত্তিৰে নিজ নিজ ঠাই ল'লে। কঠিন ৰাজপথত টুকুৰিয়াই লাঠিবোৰ পৰীক্ষা কৰি ল'লে। আকালি আৰু পাঠান ডেকাসকলে মহিলাদলক আৰু নিৰাপদকৈ বেঢ়ি ধৰি থিয় হ'ল। পতাকাধাৰী দুজন আকৌ আগৰ দৰে থিয় হৈ পতাকাখন মেলি ধৰিলে। বৰষুণৰ পৰা বচাবলৈ পতাকাখন নমাই ৰখা হৈছিল। এটা অদ্ভুত উৎকণ্ঠা-গাঢ় মুহূৰ্ত্ত। কাৰো কতো মাত নাই। লৰচৰ নাই। গছৰ পাতবোৰো যেন স্তব্ধ হৈ গৈছে। এক মিনিট! দুই মিনিট! পাঁচ মিনিট! লগে লগে আকাশ বিদাৰি সত্যাগ্ৰহী-দলে হুঙ্কাৰ কৰি উঠিল, "জয় মহাত্মা গান্ধী কি, জয়!"

আৰু আৰম্ভ হৈ গ'ল অজস্ৰ লাঠীৰ প্ৰচণ্ড প্ৰহাৰ।

আনোৱাৰে লাঠী-চালনাৰ কথা অনেক শুনিছে। পঢ়িছে। কিন্তু নিজ চকুৰে দেখা নাছিল। সেইবাবে সি বস্তুটোৰ প্ৰকৃত ৰূপো উপলব্ধি কৰিব পৰা নাছিল, জঘন্য এটা কথা বুলি জানিছিল, কিন্তু কিমান জঘন্য হব পাৰে তাৰ একো ধাৰণা নাছিল। সি ভাবিছিল অবাধ্য জনতাক বিশেষ আৱশ্যক বোধ কৰিলে পুলিচে আইনৰ দোহাই দি লাঠীৰে কোবাই ছত্ৰভঙ্গ দিবলৈ বাধ্য কৰে। এনে ক্ষেত্ৰত কোনো ধৰণৰ আক্ৰোশৰ প্ৰশ্ন উঠিবই নোৱাৰে। কিন্তু এতিয়া সি নিজ চকুৰে দেখি বুজিলে,—এয়াতো প্ৰয়োজনৰ তাগিদত সাধাৰণভাৱে লাঠীৰে কোবোৱা নহয়। এয়া স্পষ্ট শত্ৰুতা। প্ৰত্যেকটো কোব বঢ়িয়াকৈ চাই-চিতি মানুহৰ মূৰত, বুকুত, পিঠিত বা ভৰিত মৰা হৈছে। আৰু সেই মাৰ খোৱাসকল একো একোজন কোমল তেজ-মঙহৰ জীৱন্ত মানুহ। মাৰ খালে যাৰ হাড় ভাগে, গাৰ পৰা হোলোকা-হোলোকে তেজ ওলায়। সেই মানুহৰ প্ৰত্যেকেই কাৰোবাৰ পুত্ৰ, কাৰোবাৰ ভাই, কাৰোবাৰ বন্ধু-ক'ৰবেড্, কাৰোবাৰ স্বামী; কাৰোবাৰ প্ৰিয়া-প্ৰিয়তম। পুলিচৰ নিৰ্ম্মম লাঠিৰ প্ৰত্যেকটো মাৰে একো একোটা কাহিনীৰ সৃষ্টি কৰিছে;—কাহিনী বেদনাৰ, কাহিনী বীৰত্বৰ। কি অদ্ভুত ধাতুৰে নিৰ্ম্মিত এই স্বেচ্ছাসেৱকৰ দল,—এই আকালি-পাঠান-গুজৰাটী-মহাৰাষ্ট্ৰীইঁত? ভাগিব পাৰে অথচ বেঁকা নহয়! এখোজ পিচ হুহঁকি, এষাৰ 'উহ' শব্দও নকৰি, প্ৰচণ্ড বেগত নামি অহা লাঠী দেখিও চকুৰেলি চাই চাই এনেকৈ মাৰ সহি যাব পৰা এইবোৰ জানো এইখন পৃথিবীৰে মানুহ? কিন্তু, কিন্তু এয়াতো সত্য। সিহঁত সকলোৱেইতো একোজন অতি সাধাৰণ মানুহ। হয়তো নিচেই নগণ্য কোনোবা কেৰেণী, কোনোবা ছাত্ৰ, কোনোবা দোকানী, কোনোবা মিল-বনুৱা! নহয় নহয়! সিহঁত সাধাৰণ নহয়। সিহঁতক সাধাৰণ বোলাৰ সাহস কাৰো নাই। সিহঁত বীৰ! সিহঁতে প্ৰমাণ কৰি দেখুৱাই দিছে সিহঁত বীৰ!

দলে দলে স্বেচ্ছাসেৱক বাগৰি বাগৰি পৰিব ধৰিলে ৰক্তাক্ত অজ্ঞান হৈ হৈ। তৎক্ষণাত অদূৰত ৰৈ থকা এম্বুলেন্স লৈ ষ্ট্ৰেচাৰত তুলি জাকে জাকে আহত ডেকাক লৈ যোৱা হ'ল। এয়া যুদ্ধ। এয়াও যুদ্ধ। কেৱল ইয়াত আঘাত হানিছে এক পক্ষই আৰু অন্য পক্ষই পৰম ধৈৰ্য্য সহকাৰে সেই আঘাত সহ্য কৰি গৈছে। আনোৱাৰে দেখিলে এজন পাঠান ডেকাই উপৰ্য্যুপৰি লাঠীৰ আঘাত বুকু পাতি গ্ৰহণ কৰিছে। পুলিচে যিমানে মৰিয়াইছে ডেকাই সিমানে বিপ্লৱৰ ধ্বনি উচ্চাৰণ কৰিছে। শেষত অসহনি হৈ পুলিচজনে এটা প্ৰচণ্ড মাৰ শোধাই দিছে ডেকাৰ মূৰত! যেটেকৃকৈ

টেকেলি ভগাৰ দৰে এটা শব্দ কৰি ডেকাৰ মূৰৰ পৰা তেজ ওলাই আঁহিছে। ডেকা মাটিত বাগৰি পৰিছে। তৎক্ষণাত এজন শিখ ডেকা আহি পাঠান ডেকাৰ ঠাইত থিয় দি চিঞৰি উঠিছে। আৰু এইবাৰ পুলিচজনে প্ৰথম কোবটোৰেই গাৰ জোৰেৰে বহুৱাই দিছে ডেকাৰ মূৰত। এজন গুজৰাটী ডেকা দৌৰি আহিছে আহত ডেকা দুজনক শুশ্ৰূষা কৰিবলৈ। কিন্তু পুলিচজনৰ মূৰত তেতিয়া তেজ উঠিছে। আৰু একো নোচোৱাকৈ একে মাৰেই গুজৰাটী ডেকাজনকো বগৰাই পেলাইছে। অলপ পিচত চতুৰ্থ এজন ডেকাই এজন এজনকৈ তিনিওজনকে এম্বুলেন্সলৈ লৈ গৈছে। আৰু আনোৱাৰে দেখিছে তিনিজন ডেকা পৰি থকা ঠাইত বৃহৎ এডোখৰ তেজ ক'লা হৈ গোট মাৰিবলৈ আৰম্ভ কৰিছে

ক্ৰমে পুৰুষ-স্বেচ্ছাসেৱীৰ সংখ্যা ক্ষীণ হৈ আহিল। দুজন এজন মাত্ৰ পুলিচৰ দয়াৰ পাত্ৰ হৈ তেতিয়াও থিয় দি আছে। এইবাৰ আহিল মহিলা সত্যাগ্ৰহীৰ পাল। এগৰাকী মধ্য-বয়সীয়া গুজৰাটী নাৰীয়ে তেজ দেখি দেখি সহ্য কৰিব নোৱাৰা হৈ প্ৰায় পাগলিনীৰ দৰে চিঞৰিবলৈ ধৰিলে: "বাছাহঁতক মাৰিছ কিয়? মোক মাৰ। মাৰ। একেবাৰে মাৰি পেলা!" লজ্জিত হৈয়েই যেন পুলিচৰ দল কন্তেকলৈ ক্ষান্ত হ'ল। কিন্তু সেই সুযোগতে অসীম সাহসেৰে মহিলাৰ দল ময়দানৰ পিনে আগবঢ়া দেখি সিহঁত আকৌ নিৰ্মম ভাৱে সিহঁতৰ ওপৰত জঁপিয়াই পৰিল। গুজৰাটী মহিলা গৰাকীৰ ভৰিৰ কলাফুলত মাৰ পৰিল। ট্ৰাম লাইনৰ ওপৰত বাগৰি পৰি তেওঁ চিঞৰিবলৈ ধৰিলে: "মাৰ! মাৰ! একেবাৰে মাৰি পেলা!" ইতিমধ্যে এজাক গাভৰু ছোৱালী পতাকাধাৰী দুজনৰ সৈতে কোনোক্ৰমে পুলিচৰ কোৰ আওকাণ কৰি গৈ আজাদ-ময়দান পালেগৈ। একে দৌৰে আনোৱাৰো গৈ ময়দান পালেগৈ। সি দেখিলে তাত সকলোৰে পতাকাৰ চাৰিওপিনে ঘূৰণীয়া হৈ ৰহিল। আৰু তৎক্ষণাত সেই ৰেতজ্ঞ নেতাৰ দৰে তন্বী গাভৰুজনীয়ে বক্তৃতা দিবলৈ আৰম্ভ কৰিলে। ছোৱালীজনীক দেখিবলৈ ঠিক এটুকুৰা জুইৰ দৰে লগা হৈছে। যেন এটা বিপ্লৱৰ স্ফুলিঙ্গ। স্বয়ং বিপ্লৱৰ আত্মাৰ যেন প্ৰতীক তাই। জনতাৰ জয় হৈছে। পুলিচৰ প্ৰচণ্ড বাধা অতিক্ৰম কৰি তেওঁলোকে আজাদ-ময়দানত জনসভা অনুষ্ঠিত কৰিলে!

এই কাণ্ড দেখি পুলিচৰ দল বলিয়া হোৱাদি হ'ল। চিকাৰী কুকুৰ জহাদি সিহঁতৰ দুটামান আহি পতাকাধাৰী দুজনৰ ওপৰত জঁপিয়াই পৰিছহি। এজন বঙালি এজন পাঠান—দুজন ডেকাই কিন্তু পতাকাৰ দণ্ড খামুচি ধৰি শিলৰ স্তম্ভৰ দৰে অলৰ-অচল হৈ থিয় দি থাকিল। ধূৰ্ত্ত পুলিচহঁতে

পো-তে ডেকা দুজনৰ ভৰিত মৰিয়াবলৈ ধৰিলে। দুই যুৱক মাটিত পৰি গৈয়ো পতাকা তুলিয়ে ধৰি থাকিল। কেটেক্ কৰে শব্দ কৰি এবাৰ এজনৰ লাঠিৰ মাৰত হাতৰ ঠাৰি ভাগি গ'ল। আৰু পৰম গৰ্ব্বেৰে এতিয়াও উৰি থকা পতাকাখন কঁপি কঁপি মাটিলৈ নামি আহিব ধৰিলে। ৰৈ থকা ইংৰাজ চাৰ্জ্জেণ্টজনৰ মুখত দৈত্যৰ হাঁহি বিৰিঙি উঠিল।

কিন্তু পতাকা মাটিত পৰি যাবলৈ দিয়া নহ'ল। বক্তৃতা দি থকা সেই ছোৱালীজনী একে কোবে আহি পতাকাখন আকৌ দাঙি ধৰিলে। ক্ষীণ দুডাল মাৰিৰ দৰে শঙ্খ-শুভ্ৰ দুখন হাতেৰে দৃঢ়ভাৱে পতাকাখন দাঙি ধৰি তাই পুলিচৰ পিনে মুখ কৰি থিয় হ'ল। চকুৰ পচাৰতে এই কাণ্ড ঘটি গ'ল। এজন পুলিচে আকাশতে এপাক নিজৰ লাঠিডাল ঘূৰাই মাটিলৈ নমাই আনিলে। এজনী গাভৰু ছোৱালীৰ শৰীৰত মাৰ শোধাবলৈ হয়তো বেয়া পালে। হয়তো সাহ নহ'ল। ইংৰাজ চাৰ্জ্জেণ্টজনে চিঞঁৰি কৈ উঠিল: "ভালে ভালে পতাকাখন পেলাই দিয়া!" ছোৱালীজনীয়েও নিৰ্ভীকভাৱে সমান জোৰেৰে চিঞঁৰি উঠিল: "মহাত্মা গান্ধী কি জয়!" চাৰ্জ্জেণ্টৰ ধৈৰ্য্যচ্যুতি ঘটিল। পুলিচটোৰ হাতৰ পৰা লাঠিডাল কাঢ়ি লৈ খঙত বিকৃত হৈ পৰা মুখেৰে ছোৱালীজনীৰ পিনে চোঁচা ল'লে। হঠাৎ আনোৱাৰে নিজকে পাহৰি গ'ল। কি হ'ল একো কবই নোৱাৰিলে। তাৰ স্বাভাৱিক ভীৰুতা যেন হঠাৎ ক'ৰবালৈ পলাই ফাঁট মাৰিলে। অহিংসাত তাৰ প্ৰগাঢ় বিশ্বাসৰ কথাও পাহৰি গ'ল। মানুহে দেখিব, দেখি কিবা কব, এই ভয়তে সি অনেক সময়ত অনেক কাম কৰিব নোৱাৰিছিল। সেই ভয়ৰ কথাও সি পাহৰি গ'ল। সাপৰ গাৰপৰা মোট খহি পৰাৰ দৰে তাৰ আত্ম-সংযম আত্ম-সচেতনতা খহি পৰিল। এটা মাত্ৰই চিন্তাই সেই মুহূৰ্ত্তত তাক বলিয়া কৰি তুলিলে: এই ছোৱালীজনীৰ গাত কোনেও হাত দিব নোৱাৰে। হাত দিবলৈ সি এৰি দিব নোৱাৰে। কাৰণ এই মুহূৰ্ত্তত তাই মাথোন এজনী সাধাৰণ ছোৱালী হৈ থকা নাই। তাই জাতিৰ পতাকাৰ গৌৰৱ, সন্মান। তাই ভাৰতবৰ্ষৰ আত্মা। চকুৰ আগত আনোৱাৰৰ ৰঙা-হালধীয়া স্ফুলিঙ্গ উৰিবলৈ ধৰিলে। ভূতে-পোৱা মানুহৰ দৰে হৈ সি ইংৰাজ চাৰ্জ্জেণ্টজনৰ ওপৰত জঁপিয়াই পৰিল ক্ষুধিত বাঘৰ দৰে।

পিঠিত পৰা প্ৰথম মাৰটোৱেই আনোৱাৰৰ বাবে যথেষ্ট আছিল। প্ৰচণ্ড মাৰটো পিঠিত পৰাৰ লগে লগে তাৰ গোটেই শৰীৰেদি যেন এটা বাৰুদৰ বিষৰ সোঁতহে বৈ গ'ল। দ্বিতীয়টো মাৰ কান্ধত পৰিল। চকুৰেদি তাৰ সংজ্ঞাৰ্হীন চকুপানী বৈ আহিল। তথাপি দাঁত কামুৰি সি বৈ

থাকিল। "নাই নাই। ইমানবোৰ মানুহৰ আগত···তাইৰ আগত···মই কাপুৰুষালি দেখুৱাব নোৱাৰো। পুলিচবোৰক মই হাঁহিবলৈ সুযোগ দিব নোৱাৰোঁ।" দাঁতেৰে সি জোৰেৰে নিজৰ ওঁঠ কামুৰি ধৰিলে। তৃতীয়, চতুৰ্থ, পঞ্চম মাৰ তাৰ পিঠি ভৰি হাতত পৰাৰ লগে লগে সি জিভাত তেজৰ লুনীয়া স্বাদ অনুভৱ কৰিলে। কিন্তু সি নিজেই আচৰিত হৈ গ'ল—এতিয়া যেন আৰু মাৰবোৰত সি একো ·ৰ পোৱা নাই। মাৰক। কিমান মাৰিব। মাৰি মাৰি লাঠী ভাঙি পেলাওক। মাৰক। মাৰক। সি দেখিলে ছোৱালীজনীক মাৰিবলৈ উদ্যত হোৱা চাৰ্জ্জেণ্টজনে ক্ৰুদ্ধ দৃষ্টিৰে তালৈ চাইছে। লাঠীদাল মাৰাৰক ভঙ্গীত আকাশলৈ উঠিছে। বোঁ-কৰে আকাশতে এটা শব্দ হৈছে। আৰু ছোৱালীজনীয়ে অতি ভয়াৰ্ত্ত-ভাবে চিঞৰ মাৰি উঠিছে। সি দেখিলে—প্ৰথম বাৰ তাইক দেখাৰ পৰা এই প্ৰথম সি দেখিলে তাইৰ চকুত আতঙ্ক ফুটি উঠিছে।···পৃথিৱীখন এবাৰ কঁপি উঠিল। লাঠীদাল তাৰ ৰবত কেৰেক্ কৰে শব্দ কৰি ভাগি গ'ল। চকুৰ আগত অগণন ৰঙা তৰা নাচি উঠিল। তাৰ পিচতে সূচীভেদ্য এন্ধাৰে আনোৱাৰক আবৰি ধৰিলে···

. যন্ত্ৰণাই যেন তাৰ দৃষ্টিশক্তি যেন আচ্ছন্ন কৰি ৰাখিছিল। ছাঁয়া-ছাঁয়া ৰূপত আনোৱাৰে হঠাৎ তাইক দেখিবলৈ পালে। এই চাৰিটা দিন আনোৱাৰ হস্পিতালত পৰি আছে। আচৰিত ধৰণৰ কিছুমান শব্দ। ঔষধৰ গোন্ধ। বগা বগা চূণ-মৰা বেৰ। এমূৰৰ পৰা চাই পঠিয়ালে সিমূৰ নেদেখা যেন লগা দুশাৰী বিছনা। কাৰোবাৰ উচুপনি। হুমুনিয়াহ। কোনোবা আহতৰ মৃত্যু-কাতৰ গোঁ-গোঁৱনি। আৰু এই সকলোৰে ওপৰত বীজাণু-নাশক ঔষধৰ তীব্ৰ গোন্ধ। আৰু একো নাই। একো নাই। আঁৰু তাৰ মাজতে হঠাৎ তাইক দেখিবলৈ পোৱাটো···এয়া যেন···এয়া যেন এটা পৰম শক্তি-বৰ্দ্ধক 'টনিক'।

অজ্ঞান অৱস্থাত আনোৱাৰক কংগ্ৰেছ-হস্পিতাললৈ লৈ অহা হয়। পুলিচৰ লাঠিৰ মাৰ খাই ময়দানত পৰি থকাৰ পৰা দুজনমান স্বেচ্ছাসেৱকে তাক তুলি আনে। সি জ্ঞান পোৱাৰ আগতেই তাৰ মূৰৰ ঘা চিলাই বেণ্ডেজ কৰি দিয়া হৈ গৈছিল। জ্ঞান পাই সি অনুভৱ কৰিছিল অসম্ভৱ ধৰণে তাৰ মূৰ কামুৰিছে। কিন্তু কিয় আৰু আগদিনা আবেলিয়েইবা কি ঘটনা ঘটিছিল ভালেমান পৰলৈকে তাৰ মনত পৰা নাছিল। মনত পৰাৰ পিচতো তাৰ বুকুখন্ কিয় বিষাব পাৰে ভাবি উলিয়াব পৰা নাছিল। বুকুৰ বিষটোৰ কথা খদ্দৰ পিন্ধা ডেকা ডাক্তৰ এজনক জনালত তেওঁ কলে, বোধহয় জ্ঞান হেৰুৱাই পৰি যোৱাৰ পিচতো তাক মৰিওৱা হৈছিল। ভয় নাই, ঠিক হৈ যাব। আৰু গঁচাই তাইক নিজৰ পিনে আগবাঢ়ি অহা দেখাৰ লগে লগে যেন সি সকলো বিষ-কোৰৰ কথা একেবাৰে পাহৰি গ'ল।

শাৰীৰিক যন্ত্ৰণাতকৈও আনোৱাৰৰ অসহ্য হৈছিল নিঃসঙ্গতাৰ যন্ত্ৰণা। হস্পিতালত অসংখ্য মানুহ। তথাপিও তাৰ মাজতো তাৰ ভয়ানকভাৱে অকলশৰীয়া বোধ হৈছিল। দুভাগখিনি আহত লোকেই অজ্ঞান হৈ পৰি আছে। আৰু অজ্ঞান অৱস্থাত নথকাখিনিও বিষৰ কোবত কথা পাতিব পৰা অৱস্থাত নাই। অকণমান যিসকলে ভাল পাইছে তেওঁলোকে তৎক্ষণাত 'ৰণক্ষেত্ৰ'ৰ পৰা অবিৰাম আহি থকা নতুন নতুন আহত লোকক ঠাই এৰি দি গুচি গৈছে। অকণো শাম নকটাকৈ বাহিৰত এতিয়াও পূৰ্ণবেগে সংগ্ৰাম চলি আছে। আনোৱাৰৰ সোঁহাতৰ বিছনাখনত এটা সৰু খীণ গুজৰাটী ল'ৰা পৰি আছে। তুলি অনাৰ আগতেই ল'ৰাটোৰ

মূৰৰ পৰা ইমান বেচি পৰিমাণে তেজ গৈছিল যে ডাক্তৰসকলে স বচাৰ কোনো আশাই দেখা নাছিল। কিন্তু দুৰন্ত মনোবলৰ প্ৰভাৱত ডাক্তৰ-সকলক আচৰিত কৰি দি ল'ৰাটো বাচি থাকিল। ল'ৰাটোৰ মুখখন এখন বগা কাগজৰ দৰে হৈ পৰিছে। এবাৰলৈয়ো সি চকু মেলি চোৱা নাই। চকুৰ পাহি দুটা লৰাবলৈকো হয়তো তাৰ শকতি নাই। বাওঁহাতৰ বিছনাখনত প্ৰকাণ্ড একোচা ক'লা দাড়িৰে এজন শিখ পৰি আছে। তেওঁৰ দেখিয়ে আনোৱাৰৰ লাহোৰত বিচাৰাধীন হৈ থকা ৰতনলৈ মনত পৰি গ'ল। শিখজনৰ লগত কথা পাতিবৰ বৰ ইচ্ছা গৈছিল আনোৱাৰৰ। কিন্তু উপায় নাই। মানুহজনক এনেভাৱে গোটেই গাতে গুৰুলা-গুৰুল কৰি মৰিওৱা হৈছে যে বিষত জ্বৰে ভক্‌ভকাই আছে। থাকি থাকি ভ্ৰম বকিছে। মাজে মাজে তেওঁ প্ৰতিজ্ঞা কৰি কিবাকিবি কয়। জয়ধ্বনি কৰে। আকৌ মাজে মাজে পঞ্জাৱী ভাষাত অতি কাতৰভাৱে চিঞঁৰি উঠে। আনোৱাৰে পঞ্জাৱী ভাষা ভালকৈ নুবুজে। তথাপি যি বুজিছিল তাৰ অৰ্থ এনেকুৱা: "মাৰ! মোক মাৰ! চালা চুৰৰ বাচচাহঁত!"... "তহঁতে কি ভাব, গাহৰিহঁত। তহঁতক মই এটা এটাকৈ মোহাৰি পিছি পেলাব পাৰো।...হোঃ...কিন্তু...মহাত্মাক যে মই কথা দিছো...মহাত্মাক মই কথা দিছো আঘাত পালেও প্ৰত্যাঘাত নকৰো বুলি...মই কথা দিছো..." লাহে লাহে শিখজনৰ মাত সক বুজিব নোৱাৰা হৈ যায়। আনোৱাৰে পাহৰি যায় তাৰ নিজৰ বিষৰ কথা। অবাক হৈ সি ভাবে,—কি দুৰন্ত মনৰ মন! মহাত্মাত কি পৰম ভক্তি! যাৰ বলত শিখ-পাঠানৰ দৰে উতলা-তেজৰ যুদ্ধপ্ৰাণ জাতিৰ মানুহেও তেনেকুৱা অৱস্থাত মাৰত গুৰুলা-গুৰুল হৈয়ো অহিংস হৈ থাকিব পাৰে যেনেকুৱা অৱস্থাত তাৰ নিচিনা স্বভাৱতে শান্ত ভয়াতুৰ ল'ৰায়ো উভতি আঘাত কৰাৰ লোভ সংবৰণ কৰিব নোৱাৰিলে।

বেমাৰী চোৱাৰ নিৰ্দিষ্ট সময়ত ৰবাৰ্ট মিল্‌চ আহি ওলাইছিলহি। বৃদ্ধ মানুহ গৰাকী। আনোৱাৰৰ কাৰণে তেওঁ বৰ ব্যতিব্যস্ত হৈ উঠিছে। পুলিচৰ হাতত আনোৱাৰে মাৰ খাব লগা হোৱা বাবে তেওঁ নিজকেই দোষী বুলি ভাবিছে। মিল্‌চেই আনোৱাৰক ক'লে, বিদেশী কাপোৰৰ এটা গুদামৰ আগত পিকেটিং কৰিবলৈ এদল স্বেচ্ছাসেৱক লৈ যাওঁতে ওচমানক পুলিচে গ্ৰেপ্তাৰ কৰিছে। মিল্‌চৰ নিজৰো যথেষ্ট অসুবিধা হৈছে। এই অদ্ভুত যুদ্ধই চূড়ান্ত মূৰ্ত্তি ধাৰণ কৰিছে। এনে সময়ত আনোৱাৰৰ এই দুৰ্ঘটনা ঘটাৰ ফলত তেওঁ অকলেই সকলো খবৰ ৰাখিব লগা হৈছে। অথচ দোভাষী এজন নথকা বাবে পদে পদে অসুবিধা

হৈছে। নিসচৰ কামৰ গুৰুত্ব আনোৱাৰে জানে। সেয়ে সি অসহায়ৰ দৰে ক'লে, তেওঁ যাতে তাৰ বাবে বেচি চিন্তা নকৰি বাৰে বাৰে হস্পিতাললৈ আহি থাকি সময় নষ্ট নকৰে।

আনোৱাৰ বিচনাত পৰি থাকে একেখিৰে ওপৰলৈ চাই চাই নানান কথা ভাবি-ভাবি; কেতিয়াবা খিড়িকীৰে বাহিৰলৈ চায়,—আকাশৰ বুকুত সূৰ্য্য মেঘ আৰু বৰষুণৰ খেদাখেদি নকৈ দেখে। প্ৰত্যেকটো মুহূৰ্ত্ত হৈ পৰে তাৰ বাবে নিঃসঙ্গ। নেযায়-পুৰায়। আৰু নিশা চোৰৰ দৰে অতি সন্তৰ্পণে গোপনে-গোপনে কাষ চাপি আহে চাল্মাৰ স্মৃতি। সুন্দৰী স্মৃতি। নহয়, নহয়। তাৰ যন্ত্ৰণা-কাতৰ মনত সান্ত্বনাৰ কোমল পৰশ বুলাই দিবলৈ নহয়। আহে যন্ত্ৰণা দিবলৈ। অধিক যন্ত্ৰণা। কেতিয়াবা তাৰ এনে লাগে যেন তাৰ মন আৰু দেহাৰ অসহ্য যন্ত্ৰণাতকৈ বুকুৰ মাজৰ এই বিক্তৃতাৰ হাহাকাৰময় বেদনা অধিকতৰ অসহ্য।

আৰু ঠিক এনে এটা সময়তে তাই আহিছিল। আহিছিল। সেউজীয়া ব্লাউজ। বগা খদ্দৰৰ গেৰুৱা পাৰিৰ সাড়ীৰে এটুকুৰা জুইৰ দৰে মোহনীয়া ধুনীয়া হৈ দুৱাৰেদি তাই সোমাই আহিল। দূৰৰ পৰা আনোৱাৰে দেখিলে। দেখি যেন তাৰ অন্তৰখন অনামী ঈৰ্ষাত পুৰি উঠিল। এইজনী ছোৱালী মূৰ্ত্তিমান সহানুভূতিৰ দৰে হৈ যাক চাবলৈ খবৰ কৰিবলৈ আহিছে তেওঁ কিমান ভাগ্যৱান। কিন্তু পিচ মুহূৰ্ত্ততে তাৰ আশ্চৰ্য্যই পাৰ ভাঙি যাব লগা হ'ল। সি গম পালে তাই আহিছে তাকেই বিচাৰি। অবিশ্বাস্য!

সিইঁত যেন অনেক দিনৰ দূৰ শৈশৱৰ চিনাকি এনে এক মৰম-পগলা অন্তৰঙ্গ হাঁহিৰে তাক সম্ভাষণ জনাই তাই অসঙ্কোচে কৈ উঠিল, "এয়া, তুমি ইয়াত। আৰু মই গোটেইখন বিচাৰি ফুৰিছো। মই তোমাক কৃতজ্ঞতা জনাবলৈ আহিছো। তুমি মোৰ প্ৰাণ ৰক্ষা কৰিলা। নহ'লে বোধহয় মই মৰিয়েই থাকিলোহেঁতেন।"

আনোৱাৰৰ আনন্দও লাগিছিল, অস্বস্তিও লাগিছিল। কি কোৱা বা কি কৰা উচিত ঠিক ধৰিব নোৱাৰি কোনোমতে সি ক'লে যে সি তাৰ কৰ্ত্তব্য মাথোন কৰিছে।

"তাৰ পিচত. কেনে আছা এতিয়া? যিমান জোৰেৰেহে তোমাক আঘাত কৰিছিল. দেখিয়েই মোৰ ধাতু উৰি গৈছিল একেবাৰে। এতিয়া পিচে তোমাক বেচ ভালেই দেখিছো।" এই বুলি তাই আলফুলকৈ তাৰ বেণ্ডেজ-বন্ধা মূৰত হাত ফুৰাই দিলে। ক্ষন্তেকতে যেন আনোৱাৰৰ সকলো যন্ত্ৰণা অনেক গুণে কমি গ'ল। লাহেকৈ তাই আনোৱাৰৰ কাষতে বিচনাত

বাহি পৰিল। তাইৰ চুলিৰ পৰা এটা মিঠা স্নিগ্ধ সুবাস আহি তাৰ নাকত লাগিলহি।

হঠাৎ কথা এষাৰ মনত পৰাত তাৰ মুখত এটা হাঁহি বিৰিঙি উঠিল। নিজেই কব নোৱাৰাকৈয়ে সি হাঁহিলে।

"হাঁহিলাযে? কি হ'ল?"

"নাই, একো নাই। হঠাৎ মোৰ গালিবৰ কবিতা এফাঁকি মনত পৰি গৈছিল।" গালিবৰ কথাষাৰো সি নভবাকৈয়ে কৈ দিলে। কিন্তু পিচ মুহূৰ্ত্তে কথাষাৰ ভাল নহ'ল যেন ভাবি অস্বস্তি অনুভৱ কৰিব ধৰিলে।

"গালিব?"

"উঁ। মই ভাল পোৱা এজন কবি।"

"কি কবিতা মনত পৰিছিলে তোমাৰ?"

ছোৱালীজনীৰ মাতত নিঃসঙ্কোচ উচ্ছ্বাসপূৰ্ণ বন্ধুত্বৰ ভাব। দেখি আনোৱাৰৰো মনৰ লাজ-সঙ্কোচ নাইকিয়া হৈ গ'ল। লাহে লাহে সি কবিতা ফাঁকি আবৃত্তি কৰিলে:

"উনকে দেখে চে জো আ-জাতি হেই
মুঁহ পৰ ৰৌণক
ৱহ চমঝতে হেইঁ কে বিমাৰ
কা হাল আচ্চা হেই।"

"তাৰ মানে" আনোৱাৰে ক'লে, "তোমাক দেখিলে যি কোনো ৰোগীৰে ৰোগ ভাল হৈ আহিবই।"

আনোৱাৰে ভাবিছিল ইমান খোলাকৈ প্ৰশংসা কৰা বাবে ছোৱালীজনীয়ে নিশ্চয় লাজ পাব। কিন্তু তাই মাথোন হাঁহিলে।

"সঁচা কৈছা? মই বৰ ভাল পাইছো।" হাঁহি হাঁহি ক'লে, "কিন্তু এতিয়া উঠা। পাৰিবানে নোৱাৰা? মইযে তোমাক লৈ যাবলৈ আহিছো আমাৰ ঘৰলৈ।"

বিৰাট হালধীয়া মটৰখনত সিইঁত ওচৰা-ওচৰিকৈ বহি গৈছিল। তাই নিজেই গাড়ীখন চলাই নিছিল। আনোৱাৰে মাজে মাজে তাইলৈ চাই-চাই থৈছিল। কি অদ্ভুত ছোৱালী। ইমান সহজ ভাৱে তাক তাই বন্ধু ৰূপে কেনেকৈ গ্ৰহণ কৰিব পাৰিছে! শোভাযাত্ৰাত সি তাইক দেখিছিল এখন পতাকা—এটা প্ৰতীকৰ দৰে। এতিয়াহে তাইক এজনী ছোৱালীৰ দৰে চোৱাৰ সুযোগ পালে সি। অকণমান ক্ষীণ এজনী ছোৱালী। ডাঠ ক'লা চলিকোচা মাজতে সেওঁতা ফালি দুকালে বোৱাই নি গলধনৰ ওপৰত এটা খোপা চিলাকৈ বান্ধি থৈছে। খোপাৰ ওপৰত এথোপা বগা চন্দ্ৰমল্লিকা ফুল গোঁজা আছে। নাকটো সৰু, কেঁচুৱাৰ দৰে; আগটো কিঞ্চিত ওপৰলৈ উঠা। হাঁহিলে ওঁঠ টাৰ দুয়োফালে গালৰ ওপৰত দুটা সুন্দৰ টোল পৰে। বোম্বাইৰ সকলো সাধাৰণ ছোৱালীৰ দৰেই তাইৰ গাৰ ৰং,—শেঁতা, অনুজ্জ্বল। কোনো ধৰণৰ ৰুজ, পাউডাৰ বা লিপ্‌ষ্টিক তাই ব্যৱহাৰ কৰা নাই। তাই সুন্দৰী সন্দেহ নাই। কিন্তু চাল্‌মাৰ পৰা সম্পূৰ্ণ বেলেগ। চাল্‌মাৰ এটা সাংঘাতিক যৌন-আকৰ্ষণ আছে। তাইৰ অকণমানো নাই। অথচ সেই আকৰ্ষণ নথকাকৈয়ে তাই মানুহৰ মনোযোগ তৎক্ষণাত আকৰ্ষণ কৰিব পাৰে। ছোৱালীজনীৰ পৰিচ্ছন্ন লাহী কোমল দেহা, নাকৰ শিশু-শিশু ভাঁজ, ৰঙীয়াল অনাড়ম্বৰ মুকলিমূৰীয়া কথা-বতৰা আৰু ইমান আত্ম-প্ৰত্যয়েৰে অৱলীলাক্ৰমে গাড়ী চলাই নিব পৰা ক্ষমতা, এই সকলোবোৰ মিলি যেন তাইক এটা অনস্বীকাৰ্য্য সুন্দৰ ব্যক্তিত্বৰ মহিমা দান কৰিছে।

"তোমাক প্ৰথমৰে পৰা 'তুমি' বুলিছোঁ, তুমিও মোক 'তুমি' বুলিছা; অথচ জানা—এই পৰিমিত মই তোমাৰ নামটোও নেজানো।" জনাকীৰ্ণ ক্ৰফ'ৰ্ড মাৰ্কেটৰ বাটেৰে কৌশলেৰে গাড়ী চলাই নিয়া ছোৱালীজনীলৈ চাই অৱশেষত সি ক'লে।

"ওঁ—ঠিকেই কৈছা। কিন্তু তাত আচৰিত হব লগা কি আছে।" তাই হাঁহি মাৰি ক'লে। গালৰ টোল দুটাত যেন অনেক দুষ্টামি থুপ খাই উঠিল। "মযোতো তোমাৰ নাম নেজানো। গতিকেই আমি দুয়ো সম্পূৰ্ণ স্বাধীন।"

তাৰ পিচত ষ্টিয়েৰিঙত দৃঢ় হাত দুখন ৰাখি আনোৱাৰৰ ফালে ঘূৰি চাই হাঁহি-উঠা ধৰণে অতি সৰু সৰু আৰু অদ্ভুত বগা দাঁত দুপাৰি উলিয়াই হাঁহি মাৰি ক'লে, "মোৰ নাম আশা। আশা শ্বাহ। তোমাৰ?"

"আনোৱাৰ আলি।"

ষ্টিয়েৰিঙৰ পৰা তাইৰ হাত দুখন যেন অকমান এৰাই আহিল। আকৌ

ধৰিলে। মুখত যেন এটা নিৰাশা আৰু আশ্চৰ্য্যৰ এটা মিশ্ৰিত অভিব্যক্তি ফুটি উঠিল। "তাৰ মানে তুমি মুছলমান।"

আশাৰ এনে কথাত ঠিক বেয়া পোৱা উচিত নে অনুচিত আনোৱাৰে ধৰিব নোৱাৰিলে। তথাপি যি অকমান কঠোৰভাবেই কৈ উঠিল, "ঐ—মই মুছলমান। তোমাৰ কিবা আপত্তি আছে নেকি?"

ছোৱালীজনী অন্যমনস্ক হৈ পৰিছিল। লৰালৰিকৈ নিজক সংযত কৰি গাড়ীখন কেঁকুৰি এটাইদি ঘূৰাই ক'লে, "নাই—নাই। আপত্তি কিহৰ আকৌ। মোৰ সৰহভাগ অন্তৰঙ্গ বন্ধুৱেই মুছলমান। মই কেৱল আচৰিত হৈ পৈছিলো,—তোমাক দেখিলে কোনেও খিতাতে মুছলমান বুলি ধৰিব নোৱাৰে।"

এইষাৰ কথাও কেনেভাবে লব আনোৱাৰে ধৰিব নোৱাৰিলে। ভালেই পাব নে খঙেই কৰিব? গতিকে সি কথাৰ মোৰটোকে ঘূৰাই দিবলৈ যত্ন কৰিলে, "কিন্তু তুমি মোক এতিয়া নিছা ক'লৈ?" গাড়ীখন বজাৰৰ পিনেহে যোৱা যেন লগাত সি সুধিলে।

"প্ৰথমতে তোমাক মই এজন ডাক্তৰৰ ওচৰলৈ নিম।" আশাই সহজভাবে ক'লে, "কংগ্ৰেছ হস্পিতালৰ ডাক্তৰবোৰ নিচেই ডেকা, অনভিজ্ঞ। তদুপৰি তেওঁলোকে ইমান খৰখেদাকৈ কাম কৰিব লগা হৈছে যে কাকোৱেই মনপুতি চাব পৰা নাই। তেওঁলোকে তোমাৰ ঘাবোৰ চিলাই-মেলি দিছে। কিন্তু ডাক্তৰে মোক ক'লে, তেওঁলোকে তোমাৰ বুকুৰ অৱস্থাত বোলে সন্তুষ্ট হব পৰা নাই। কোনোবা বিশেষজ্ঞক এবাৰ দেখুৱালে ভাল বুলিছে।

বুকুৰ বেমাৰৰ বিশেষজ্ঞ বাজোচিত চেহেৰাৰ পাৰ্চী ডাক্তৰজনো খন্দৰ পিন্ধা মানুহ। তেওঁ আনোৱাৰক ভালকৈ পৰীক্ষা কৰিলে। স্টেথ'-স্কোপেৰে বুকুৰ স্পন্দনৰ শব্দ শুনি শুনি তেওঁৰ মুখৰ চেহেৰা যথেষ্ট গম্ভীৰ হৈ উঠিল।

"তোমাক সিহঁতে বৰ বেয়া ধৰণে মাৰিলেহে।" পৰীক্ষা শেষ কৰি তেওঁ ক'লে—"কিন্তু তথাপিও তোমাৰ বুকুৰ অৱস্থা ইমান দুৰ্ব্বল হৈ পৰাৰ কাৰণ কি মই ধৰিব পৰা নাই।" তাৰ পিচত হঠাৎ কিবা এটা মনত পৰাৰ দৰে সুধিলে, "বাৰু, তোমাৰ ঘৰায়েৰাৰ কিবা বুকু বা হাওঁফাওঁৰ বেমাৰ আছে নেকি? এই ধৰা ব্ৰংকাইটিচ্, এজ্‌মা, নিউমোনিয়া বা টি-বি, এনে কিবা?"

বিৱানন্দুৰ আনোৱাৰৰ মনত পৰে তাৰ আব্বাজানৰ জীৱনত কেতিয়াও তেনে কোনো ডাক্তৰ বেমাৰ হোৱা নাই। তিনি কুৰি বছৰ বয়সতো তাৰ আব্বাজান এতিয়াও সু-স্বাস্থ্যৰ গৰাকী। গাঁলত এতিয়াও স্বাস্থ্যৰ

উজ্জ্বলতা বিদ্যমান। ভাল ঘি আৰু নিৰ্ভেজাল গাখীৰৰ গুণ বুলি কৈ আব্বাজানে এতিয়াও নিজৰ স্বাস্থ্য লৈ গৰ্ব্ব কৰে। আৰু আনোৱাৰে এই এটা বিষয়ত তেওঁক হিংসা কৰে। আনোৱাৰে ডাক্তৰক সকলো কথা খুলি ক'লত বিশেষজ্ঞ গৰাকী অলপ বিপাঙত পৰাৰ দৰে হ'ল। এইবাৰ তেওঁ আনোৱাৰক তাৰ মাকৰ কথা সুধিলে। আনোৱাৰে স্বীকাৰ কৰিলে, তাৰ আম্মাজানৰ বিষয়ে সি বিশেষ একো নেজানে। তাৰ জন্মৰ সময়তে তেওঁৰ মৃত্যু হয়।

"হয়তো তোমাৰ মাতৃৰ পৰাই তুমি দুৰ্ব্বল বুকু উত্তৰাধিকাৰী সত্ৰে পাইছা।" ভাবি ভাবি ডাক্তৰে ক'লে ...."যদিও পিতৃৰ পৰাহে এনে হোৱা স্বাভাৱিক...." এই বুলি তেওঁ আনোৱাৰক দুটা মান টনিক, লেখি দিলে। "এইখিনি খোৱাগৈ। এসপ্তাহতে ঠিক হৈ যাব। কিন্তু তুমি সদায় সাৱধানে থাকিবা। তোমাৰ হাওঁফাওঁ আৰু হৃৎপিণ্ড দুয়োটাই দুৰ্ব্বল। বেচি চেষ্টা নলগাবা। ভাল সজীৱ বস্তু খাবা। গাখীৰ, কণি শাক-পাচলি,—আৰু ৰাতিপুৱা সদায় অকণমান প্ৰাণায়াম কৰিবা। এটা কথা, সাধাৰণতে অসুখ-বিসুখ হ'লে তোমাক কোনে চায়? পৰিয়ালৰে ডাক্তৰ আছে নেকি?"

আনোৱাৰে ডাক্তৰ আনচাৰিৰ কথা ক'লে।

"অ' আনচাৰি। বেচ্ বেচ্। ডাঙৰ ডাক্তৰ। ডাঙৰ মানুহ। আমি এডিনবাৰ্গত একেলগে পঢ়িছিলো। তেওঁতকৈ ভাল চিকিৎসা আৰু তুমি কাৰো হাতত নোপোৱা। পিচে তেওঁতো বৰ্ত্তমান জেলত হ'বলা। গতিকে অলপ সাৱধানে থাকিবা।"

আনোৱাৰে কি ভাবি সাহসত ভৰ দি ক'লে বোলে সিও বোধহয় অতি সোনকালেই জেললৈ যাব লাগিব। ডাক্তৰে কিন্তু শুনিয়েই দপ্-দপাই উঠিল। "বলিয়া হৈছা নেকি? আনচাৰিয়ে তোমাক কেতিয়াও তেনে কাম কৰিবলৈ নিদিয়ে।" এই বুলি তেওঁ আশালৈ চাই ক'লে, "আশা, তোমাৰ এই বন্ধুৰ সাৱধানতা ল'বা। কোনো প্ৰকাৰৰ উত্তেজনা কৰিবলৈ নিদিবা। এতিয়া তোমালোক যোৱা। দেখিছাতো বাহিৰত কিমানবোৰ ৰোগী বৈ আছে। তোমাৰ পিতাৰা-মায়েৰাক নমস্কাৰ জনাবা।"........

...."ডাক্তৰ জামছেদজীক কেনে লাগিল তোমাৰ? অতি মৰমিয়াল বৃদ্ধ নহয়নে? মটৰত বহি লৈ আশাই সুধিলে।

"ওঁ, ভাল মানুহ।" অলপ খঙেৰেই যেন আনোৱাৰে উত্তৰ দিলে, "কিন্তু মোক ইমান বেমাৰী বুলি তেওঁ ভাবিব কিয়। তেওঁৰ এই কথা

মই মুঠেই ভাল পোৱা নাই।" কিন্তু পিচ মুহূৰ্ত্তত সি উপলব্ধি কৰিলে আশাৰ আগত এইবোৰ কথা কৈ তাইৰ প্ৰতি নিষ্ঠুৰতা প্ৰকাশ কৰাৰ একো অৰ্থ নাই। বৰং অন্যায়। কিমান মৰমেৰে বেঁচেৰীয়ে তাক ইমান ডাঙৰ এজন বিশেষজ্ঞৰ ওচৰলৈ লৈ আহিছিল। লাহে লাহে তলমূৰ কৰি সি ক'লে, "চোৱা আশা, মই এনেকৈ কোৱা বাবে তুমি বেয়া নেপাবা। ডাক্তৰ আনচাৰিয়ে মোৰ বাবে কাৰাগাৰ নিষিদ্ধ কৰি দিয়া দিন ধৰি মই ডাক্তৰ মাত্ৰেই দেখিব নোৱাৰা হৈ পৰিছোঁ।"

"গাড়ীত মাকো তুলি ল'লে তুমি বেয়া পাবা নেকি?" গাড়ীখন চলাই দি আশাই ক'লে, "মোক তুমি পুলিচৰ মাৰৰপৰা ৰক্ষা কৰাৰ কথা শুনাৰে পৰা তোমাক চাবলৈ মা ব্যগ্ৰ হৈ আছে। আচলতে মায়েই তোমাক আমাৰ ঘৰলৈ আনিবলৈ ক'লে। মোৰ মাক তোমাৰ বেচ ভাল লাগিব।"

আনোৱাৰেও মন্তব্য কৰিলে,—"ভাল নলগাৰ কোনো কাৰণ নাই।"

"ওঁ। মাক তুমি ভাল পাবা। পিচে দেউতাকহে কিজানি ভাল নেপাবা।" তাইৰ মাতত কোনো কাৰণ নোহোৱাকৈয়ে যেন এটা ক্ষমা প্ৰাৰ্থনাৰ সুৰ স্পষ্ট হৈ উঠিছে।

আনোৱাৰে সুধিলে, "কিয় তেওঁক ভাল নেলাগিব।"

"মই ঠিক ক'ব নোৱাৰোঁ।" কেনিও নেচাই পোনে পোনে বাটলৈ চাই তাই কৈ গ'ল; "মই ক'ব নোৱাৰোঁ। প্ৰথম কথা তেওঁ কংগ্ৰেছী নহয়, আৰু এই বিপ্লৱো সমৰ্থন নকৰে। দ্বিতীয়তে তেওঁ এজন পুঁজি-পতি। তুমি পুঁজিপতিক নিশ্চয় সমৰ্থন নকৰা। মইয়ো নকৰোঁ। কিন্তু বাৰ দিয়া এইবোৰ কথা। অন্য কথা কোৱাঁ। তোমাৰ নিজৰ কথা কোৱাঁ।"

আনোৱাৰে ক'লে বোলে তাৰ নিজৰ কথা বুলিবলৈ একো কথাই তেনেকৈ নাই। মাত্ৰ ইমানেই যে সি আলিগড়ৰ ছাত্ৰ আছিল। স্বাধীনতা

দিবসত শপত গ্ৰহণ কৰা অপৰাধত তাক বহিস্কাৰ কৰা হয়। তাৰ পিচত কিছুদিন টাইফয়েডত ভোগাৰ পিচত এতিয়া আমেৰিকান সাংবাদিক ৰবাৰ্ট মিলচৰ দোভাষী স্বৰূপে দেশ ভ্ৰমণ কৰিছে। এইখিনি কৈ উঠি সি আশাৰ কথা সুধিলে। তাই ক'লে যে তাই কিছুদিনৰ আগলৈকে নিম্ন মাতকৰ ছাত্ৰী আছিল। কিন্তু মহাত্মাৰ কথা শুনাৰ দিনৰে পৰা তাইৰ একমাত্ৰ পৰিচয়,—এজনী স্বেচ্ছাসেৱিকা। "আমাৰ ইয়াত কেইবা হাজাৰো স্বেচ্ছাসেৱিকা আছে। তাৰ ভিতৰতে সকলোতকৈ সাহসী বুলি বিখ্যাত চফিয়া চৌধুৰী। তাই বৰ্ত্তমান কাৰাবাস কৰিছে। নামটোৰ পৰাই নিশ্চয় ধৰিব পাৰিছা,—তাই মুছলমান। তাই মোৰ বৰ ডাঙৰ বন্ধু।" আনোৱাৰে আশাৰ মাতত আত্ম-সচেতনতাৰ স্পষ্ট আভাষ ধৰিব পাৰিলে।

মুছলমান অধ্যুষিত ভেণ্ডিবজাৰ এৰি, বাইকুলা দলং পাৰ হৈ সিহঁতৰ মটৰ লালবাগ সোমাল। আনোৱাৰে দেখিলে সন্মুখতে ওখ ওখ কাৰখানাৰ চিমনীবপৰা অবিৰাম ক'লা ক'লা ধোৱাঁ ওলাই আকাশলৈ উবি যাব ধৰিছে। বাটটো ক্ৰমাগত ঠেক, অপৰিষ্কাৰ আৰু বন্ধুৰ হৈ আহিছে। দুয়ো দাঁতিয়ে ছয়-সাত তলাৰ দীঘলীয়া শাৰী-শাৰী অট্টালিকা। মৌ-মাখিৰ বাহৰ দৰে অসংখ্য মানুহেৰে কিলবিল কৰিছে। বতাহত এটা মিশ্ৰিত গোন্ধ—পেট্ৰোল, ধোৱাঁ, নাৰিকল তেল, নয়ানজুলি আৰু শৰীৰৰ ঘামৰ। আশাই নাকত তাইৰ সুগন্ধি ৰুমাল উলিয়াই ল'লে। বাওঁফালে এপাক ঘূৰি গাড়ীখন এডাল ৰেললাইন পাৰ হ'ল। তাৰ পিচত এটা সৰু ঠেক গলিত প্ৰৱেশ কৰিয়ে গাড়ীখন বৈ যাব লগা হ'ল। বাটৰ মাজ ভাগত এদ'ম আবৰ্জ্জনা। সিফালে পকাৰ ওপৰত তামোলৰ পিক কল-বাকলি আদিৰ মাজত লোটি-পেটিকৈ শুই আছে কেইবাটাও গৃহহীন ল'ৰা। গলিটোৰো দুয়োকাষে ঘৰ। কিন্তু এইবোৰ ঘাই-বাটৰ দৰে ওখ বিৰাট বিৰাট নহয়। দুতলাৰ। পুৰণি, ভাগি যাবলৈ আৰম্ভ কৰা। প্ৰথমেই সজাৰ পিচত ঘূৰিবাৰ আৰু কেতিয়াও মেৰামতি কৰা বা বংচং দিয়া হোৱা নাই। ইটোৰ গাত সিটোৱে ভেঁজা দি থিয় হৈ থকা মদপীৰ দৰে ঘৰবোৰ কোনো মতে বৈ আছে ওচৰা-ওচৰিকৈ। আৰু দুখীয়াৰ দুখীয়া আত্মীয়-পৰিজনৰ দৰেই সেই ঘৰবোৰৰ ওচৰে-পাজৰে চাৰিওফালে সৰু সৰু টিন-কাঠৰ ভালেমান জুপুৰি ঘৰ। তাৰে এখনৰ বেৰ কোনোবা কথাছবিৰ "আবেগৰ-বাণী"ৰ এখন পোষ্টাৰ জিলিকি আছে। আন এঠাইত এজাক অৰ্দ্ধনগ্ন অস্থি-চৰ্ম্মসাৰ ল'ৰাই কিবা এটা খেলিছে। একমাত্ৰ পানী টেপটোৰ চাৰিওকালে এজাক মাইকী মানুহ গোট খাই

বৈ আছে। টেপটোৰ পৰা জিৰজিৰকৈ অকণ অকণ পানী ওলাইছে। এই পানীৰেই গোটেই অঞ্চলটো ডুবিব লাগিব।

"আমাৰ বিখ্যাত—মহানগৰীৰ গৌৰৱ এয়াই তথাকথিত 'স্লাম'।" মাতত পৰম বিতৃষ্ণা প্ৰকাশ কৰি আশাই ক'লে। আনোৱাৰে চাৰিওফালে চকু ফুৰালে।

"তুমিতো কিন্তু তোমাৰ মাক গাড়ীত তুলি ল'বলৈ অহা বুলিছে কৈছিলা।"

"ল'ম। তাৰ আগতে তোমাক এইবোৰ দেখুৱালোঁ।" তাই আকৌ গাড়ী চলাব ধৰিলে। কিন্তু আনোৱাৰে দেখি আচৰিত হ'ল গাড়ীখন এইবাৰ আৰু কদৰ্য্য আৰু সংকীৰ্ণ এটা গলিতহে প্ৰৱেশ কৰিছে। ৰেল লাইনৰ ওচৰৰ এডোখৰ সৰু আৱণিৰ মুখতে গলিটো শেষ হৈছে। ঠিক এনে সময়তে কোনো আগ-জাননী নোহোৱাকৈ হঠাৎ হুৰহুৰাই বৰষুণ নামি আহিল। আনোৱাৰহঁতে মটৰৰ আয়নাবোৰ তুলি দিলে। আনোৱাৰে এতিয়াও ধৰিব পৰা নাই আশাৰ প্ৰকৃত উদ্দেশ্য কি। মাকক তুলি লবলৈ আহি আনোৱাৰক এনে এডোখৰ লেতেৰা ঠাইলৈ কিয় লৈ আহিছে। উগুল-থুগুল মন দমাব নোৱাৰি এপাকত সি সুধি পেলালেও। কিন্তু তাই একো উত্তৰ নিদি এটা সাধাৰণ ঘৰৰ জুপুৰি ঘৰলৈ আঙুলিয়াই দেখুৱালে। পানী পৰি অৰ্দ্ধ-অস্পষ্ট হৈ থকা আয়নাৰ মাজেদি সি অস্পষ্টকৈ দেখিলে ঘৰটোৰ সমুখত এজুম মানুহ গোট খাই আছে। আশাই পানী-মচা দুডাল চলাই দিলে। আনোৱাৰে স্পষ্টকৈ দেখিবলৈ পালে। সেইখন এখন সৰু মদৰ দোকান। বৰষুণত তিতি জুৰুলি-জুপুৰি হৈ এগৰাকী বগা কাপোৰ পিন্ধা সম্ভ্ৰান্ত চেহেৰাৰ মহিলাই হাতযোৰ কৰি গুণ্ডা-গুণ্ডা চেহেৰাৰ গ্ৰাহকসকলক ভিতৰলৈ নেযাবলৈ অনুৰোধ কৰিছে।

"তুমি মোক সঁচা কথা কোৱা আশা। সেইয়াই জানো তোমাৰ মা?"

আনোৱাৰে জানে অনেক ভদ্ৰ-মহিলা সত্যাগ্ৰহীয়ে মদৰ ভাটি আৰু মদ বিক্ৰী হোৱা হোটেলৰ আগত পিকেটিং কৰিছে। কিন্তু আশাৰ মাকৰ দৰে সম্ভ্ৰান্ত অতি ধনী লোকৰ পত্নীয়ে এনেকুৱা ঠাইলৈ আহি মহাত্মাৰ মাদক-দ্ৰব্য বৰ্জ্জনৰ আদৰ্শৰ কথা প্ৰচাৰ কৰিব পাৰে বুলি সি কল্পনাই কৰিব পৰা নাছিল।

"মহানগৰৰ এই জঘন্য ঠাইবোৰলৈ গাভৰু গাভৰু ছোৱালীবোৰে আহিবলৈ ভয় কৰে যে। সেই কাৰণেই আমাৰ মা আৰু আন আন বৃদ্ধাসকলে এই স্লামত পিকেটিং কৰাৰ ভাৰ লৈছিল। মোৰ মাৰ......."

হঠাৎ এখন বিজুলী চালিত ৰেলগাড়ী বিকট শব্দ কৰি পাৰ হৈ যোৱাবাবে আশাৰ বাকীখিনি কথা সি শুনিবলৈ নেপালে।

"তুমি কি কৈছিলা?" আনোৱাৰে সুধিলে।

"মই কৈছিলো" ৰেলৰ শব্দ দূৰত নোহোৱা হৈ গ'লত তাই ক'লে, "আমাৰ মাই মদৰ দোকানত পিকেটিং কৰাৰ এটা বিশেষ কাৰণ আছে। দেউতাক লগ পালে তুমি বুজি পাবা।"

আনোৱাৰে আৰু প্ৰশ্ন নকৰিলে। মনে মনে সি এখন অসুখী ঘৰৰ ছবি কল্পনা কৰি ল'লে। পত্নী অতিশয় ধৰ্ম্মপৰায়ণা,—পতি মদাহী। মনে মনে বৈ সি দূৰলৈ চাই থাকিল। লাহে লাহে বৰষুণৰ কোব চৰিহে আহিল। ভদ্ৰমহিলা গৰাকীৰ খদ্দৰৰ সাড়ী তিতি জুৰুলি জুপুৰি হৈছে। অৱশ্যে কষ্ট কৰাৰ ফলো নোপোৱা নহয়। ইতিমধ্যে প্ৰায়খিনি গ্ৰাহককে তেওঁ লাজ দিয়ে হওক, বুজনি দিয়ে হওক ওভটাই পঠোৱাত কৃতকাৰ্য্য হৈছে। কিন্তু এজন ওখ পাখ মানুহ কোনোমতেই নেযায়। তেওঁ বোধহয় ইতিমধ্যেই কৰবাত এটুপি ধৰি আধা আধি মাতাল হৈয়ে আহিছে।

"শুনা। মই ভাবো ইমানতে তেখেতক লৈ অনাই ভাল। তিতিব লৈকো চাগে আৰু বাকী নাই। এগৰাকী মানুহে এদিনত ইয়াতোকৈ বেচি মানুহক উদ্ধাৰ নকৰিলেও চলিব।"

আশাই ঘড়ীটো চালে। "আৰু পাঁচ মিনিট ৰ'বা। দোকান বন্ধ হব এতিয়াই। পানী নহৈ বৰফ পৰিলেও তাৰ আগতে মাক আনিবলৈ যত্ন কৰা মিছা। মই আজিকালি মাৰ লগত একো কথাতে তৰ্ক নকৰোঁ। মাই নুবুজে। একেবাৰে অনৰি।"

অৱশেষত দোকান বন্ধ হ'ল। আজি বোধহয় আনোৱাৰৰ আচৰিত হোৱাৰে দিন। সি দেখিলে যাৰ দোকানৰ সকলো গ্ৰাহকক আজি যি গৰাকী মানুহে মুখৰ কথাৰে ঘূৰাই পঠাই দোকানৰ বিক্ৰীকে বন্ধ কৰি দিলে সেইজন মানুহেই ওলাই আহি সেই গৰাকী মানুহকে হাতযোৰ কৰি অতি শ্ৰদ্ধাৰে নমস্কাৰ জনালেহি।

"এয়া বৰ অস্বাভাৱিক আচৰিত ভদ্ৰতা!" আনোৱাৰে মন্তব্য কৰিলে।

"এয়া" আশাই গুধৰাই দি ক'লে, "এখন বৰ আচৰিত দেশ।"

বৃদ্ধা মটৰখনৰ ওচৰলৈ আগবাঢ়ি আহিল। তেওঁক উঠিবলৈ সহায় কৰি দিবলৈ আনোৱাৰক নমা দেখি চিনাকি নোহোৱাকৈয়ে তেওঁ তাক ধমকি মাৰি উঠিল; "তু কিউঁ ভিগতা হেই, বেটা? বৈঠ অন্দৰ।" ("তোমাক আকৌ তিতিবলৈ পাইছে কিহে? বহাঁ ভিতৰত।") মানুহ

গৰাকীৰ হিন্দুস্তানী উচ্চাৰণত গুজৰাটী শুাগাঘাতৰ ভাঁজ আছে। হলেও মাতটো বৰ মিঠা, বৰ মৰম লগা।

আনোৱাৰে বৃদ্ধাৰ লগতে পিচৰ ফালে বহিল। বৃদ্ধাই এখন গুৰুকান ভাৱেৰে হাতমুখ মচাত লাগিল। সেই ছলতে আনোৱাৰে মানুহ গৰাকীক ভালকৈ চাই ল'লে। বয়স নিশ্চয় আঢৈ কুৰিৰ ওপৰ হব। হলেও তেওঁৰ সুন্দৰ নিমজ গাৰ ছাল অকণো সোঁতোৰা পৰা নাই। মুৰত অ'ত ত'ত এডাল-দুডাল বয়সৰ ৰূপোৱালি ৰেখা। উজ্জ্বল সৰু সৰু চকুৰ কেউফালে ক'লা দাগ পৰিছে। নাকটো সাইলাখ জীয়েকৰে দৰে। উদ্ধত। আৰু প্ৰথম দেখিয়েই আনোৱাৰে বুজিলে গালৰ সুন্দৰ টোল দুটা আশাই মাকৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পাইছে।

মানুহ গৰাকীয়ে "জীয়েকৰ প্ৰাণ ৰক্ষা" কৰা বাবে বাৰে বাৰে কৃতজ্ঞতা জনাই আনোৱাৰক ব্যতিব্যস্ত কৰি তুলিলে। আৰু তেনেকৈ নতবা-নিচিন্তাকৈ, অৱশ্যে বীৰৰ দৰে হ'লেও, পুলিচৰ মাৰত গা পাতি দিয়া বাবে ভালকৈ বকনিও দিলে। অৱশেষত বিষয় সলনি কৰি তেওঁ সুধিলে, "বাছা, তোমাৰ নাম কি?" আনোৱাৰেও এতিয়াহে তৎ পাই স্বস্তিৰ নিশ্বাস পেলালে।

আনোৱাৰে নিজৰ নাম ক'লে। জীয়েকৰ দৰে মাকে সি মুছলমান বুলি জানি আচৰিত নোহোৱা দেখি তাৰ ভাল লাগিল।

"ঈশ্বৰে তোমাক দীৰ্ঘায়ু কৰক, বাছা!" বৃদ্ধাই তাক আশীৰ্ব্বাদ কৰিলে।

'বাছা'। এই বৃদ্ধাৰ মুখত এই শব্দটো শুনিবলৈ ইমান মিঠা ইমান অবৰ্ণনীয় ভাৱে মিঠা লাগিছে কিয়। জীৱনত প্ৰথমবাৰৰ বাবে আনোৱাৰৰ বুকুখনে তাৰ প্ৰাণৰ এটা অপ্ৰকাশিত অতৃপ্ত তৃষ্ণাত হাহাকাৰ কৰি উঠিল।—মাতৃৰ মৰমৰ তৃষ্ণা,—যি মৰমৰ স্বাদ জীৱনত সি কাহানিও নেপালে।

এসপ্তাহৰ পিচৰ কথা। খিড়িকীৰ বাহিৰকালে এজাক ঘৰ-চিৰিকাৰ চিঞঁৰ বাখৰত তাৰ টোপনি ভাগি গ'ল। চকুহাল মুদি থাকিয়েই সি মনত পেলাবলৈ যত্ন কৰিলে, কি দেখিছিল বাৰু সি? সি যেন বহুত সময় ধৰি এটা দীঘল অত্যন্ত মৰমলগা সপোন দেখিছিল। শৰীৰৰ ভৰৰ তলত সুকোমল স্প্ৰিং থকা বিছনাখনৰ আৰামটো সি এবাৰ অনুভৱ কৰিবলৈ চেষ্টা কৰি চালে। তাৰ পিচত চকুহাল মেলি দিলে। বেৰৰ কাষত থিয় দি থকা অতি মূল্যবান সুন্দৰ ড্ৰেচিং আয়নাখনত চকু পৰিল। দীঘলকৈ উশাহ এটা লৈ সি গ'ম পালে ফুলনিৰ পৰা ভাঁহি কিবা ফুলৰ সৌৰভে কোঠাটোৰ বতাহবোৰ মদিৰ কৰি ৰাখিছে। সি ক'ত আছে ভালেমান পৰ ধৰিব নোৱাৰিলে। তাৰ পিচত মনত পৰিল। সি মাল্‌বাৰ হিল্‌চৰ শেঠ মাণিকলাল শ্বাহৰ প্ৰাসাদোপম ঘৰত আলহী হৈ আছেহি। আগদিনা সি কণীৰ ওপৰখনৰ দৰে তপা মূৰৰ সুভাষিত এই খ্যাতনামা-ব্যৱসায়ী গৰাকীক লগ পাইছিল। তেওঁৰ উজ্জ্বল দীপ্তমণিৰ দৰে চকু হালত সি দেখিছিল প্ৰখৰ বুদ্ধিৰ দীপ্তি আৰু দুৰ্ব্বাৰ অৰ্থলোলুপতাৰ চিহ্ন। আৰু দেখিছিল অতিৰিক্ত মদ্যপান হেতু সেই চকুৰ চাৰিওফালে স্পষ্ট কালিমাচক্ৰ। গোটেই দিনটো তেওঁ তেওঁৰ দালাল ৰাজপথত থকা অফিচত বা ষ্টক-এক্‌চেঞ্জত চেয়াৰ বেচা-কিনা কৰি অথবা নহ'লে পাৰলত থকা তেওঁৰ কেইবাটাও কাপোৰৰ কলৰ কাম পৰিদৰ্শন কৰি কটায়। আৰু সন্ধ্যা হয় তাজত নহয় জুহুত এই উদ্দেশ্যেই নিৰ্ম্মাণ কৰি ৰখা এটা বিশেষ ঘৰত মদ খাই কটায়। জুহুৰ ঘৰত কোনোবা উপপত্নী থকা আৰু প্ৰায়ে মদ-জুৱাৰ আড্ডা বহাৰ উপৰিও মাজে মাজে ব্যৱসায়ীসকলৰ আনন্দ বিনোদৰ অৰ্থে বিখ্যাত নৰ্ত্তকীহঁতৰো আবিৰ্ভাৱ ঘটাৰ কথা লোকৰ কুৎসা চৰ্চ্চাকাৰীহঁতৰ মুখত শুনা যায়। নিশা দুই বজাৰ আগতে মাণিকলাল শ্বাহ কোনো দিন ঘৰলৈ ঘূৰি অহা নাই। আৰু তেওঁৰ পত্নীও কেতিয়াও দুই বজাৰ আগতে বাতি শুবলৈ যোৱা নাই,—আনকি শৰীৰ অসুখ কৰিলেও। তথাপিও আনোৱাৰে লক্ষ্য কৰিছিল মানুহজনে যেন এই ক্ষীণ, অকণমান, ধৰ্ম্মভীৰু মানুহজনীলৈ বেচ ভয় কৰি চলে। ঘৰত থকা সময়খিনিত কোনো ক্ষেত্ৰতে পত্নীৰ বিৰোধীতা বা প্ৰতিবাদ কৰাতো দূৰৰ কথা ডাঙৰকৈ কথা এষাৰ কোৱাও আনোৱাৰে নুশুনিলে।

মাত্ৰ এবাৰেই আনোৱাৰে তেওঁক লগ পাইছিল। অতি সযত্ন-নম্ৰভাৱে তেওঁ কথা-বতৰা পাতিছিল। হলেও যেন তেওঁৰ কথা কোৱাৰ ভঙ্গীটোতে কিবা এটা পুতৌ কৰাৰ ভাব ডাঙৰ মানুহৰ পৃষ্ঠপোষকতাৰ বিলাসৰ ভাৱ নিহিত হৈ আছে ক্ষীণ ভাৱে। বেচ মৰম দেখুৱাই তেওঁ

আনোৱাৰক "যিমান দিন ইচ্ছা সিমান দিন" থাকিবলৈ অনুৰোধ জনাইছিল। কিন্তু আনোৱাৰৰ এনে লাগিছিল যেন মানুহজনে পৰোক্ষে বুজাব খুজিছে পত্নী আৰু জীয়েকৰ এনে ধৰণৰ অদ্ভুত ইচ্ছা অথবা বিলাস পূৰণ কৰাৰ সামৰ্থ্য তেওঁৰ আছে। আশাই আগতেই তাক তাইৰ 'পিতাজী' সম্পৰ্কে সাৱধান কৰি দিছিল। তথাপিও সি আশাৰ দৰে এজনী ছোৱালী আৰু 'মা-জী'ৰ দৰে এগৰাকী মানুহৰ স্বামী যে এনে হ'ব পাৰে কথাষাৰ বিশ্বাস কৰিবলৈকে টান পালে।

ঘৰখনত আৰু এজন মাত্ৰ মানুহ আছে। আশাৰ ককায়েক মোহন শাহ। এই মোহনকে আনোৱাৰে তাজত আহাৰ কৰিবলৈ গৈ নিষিদ্ধ প্ৰচাৰ-পত্ৰ বিতৰণ কৰি ফুৰা দেখিছিল। মোহনক তাৰ ভাল লাগিল নে বেয়া লাগিল আনোৱাৰে ঠিক ধৰিব নোৱাৰিলে। মোহন হেনো তেনেকুৱাই। অলপতে মাথোন সি পেৰিচৰ পৰা উভটি আহিছে। 'আৰ্ট' শিকিবলৈ গৈ তাত থাকি মোহনে দুটা কাম শিকিলে। প্ৰথমতে দীঘলকৈ চুলি ৰাখিবলৈ আৰু দ্বিতীয়তে বন্য 'বোহেমিয়ান' জীৱন যাপন কৰিবলৈ। পেৰিচৰ পৰা অহাৰ পিচৰে পৰা সি খদ্দৰ কাপোৰ 'এ-লা-মʼড' অৰ্থাৎ যুগোচিত এটা পোছাক হিচাবে ব্যৱহাৰ কৰিবলৈ ধৰিছে। বিপ্লৱৰ যিবোৰ পোষ্টাৰ সি আঁকি দিছে সেইবোৰ অতি ৰংচঙীয়া হোৱাৰ বাহিৰে তাৰ কোনো বৈশিষ্ট্য নাই। দেখিলেই ধৰিব পাৰি সেইবোৰ অতি কেঁচা হাতৰ ছবি বুলি। অপূৰ্বঠ আৰু বহুত কথা জনা মানুহৰ ভাও জুৰি থকা এজন মানুহৰ এটা অদ্ভুত সংমিশ্ৰণ সি। বহুত জনাৰ ভাও জুৰি থাকে সি। অথচ অতি আন্তৰিকতাশূন্য একোকে নজনাও নহয় সি। খদ্দৰ পিন্ধে। অথচ কেৱল সাজ-পাৰকে লৈ ব্যস্ত থকা এটা ফটুৱা ডেকাৰ পৰা বিশেষ পাৰ্থক্যও নাই তাৰ। মোহনে এনে এক দেশপ্ৰেমিক ডেকা যি হাঁহি হাঁহি ফাঁচীশাললৈকে আগবাঢ়ি যাব-লৈকো সাজু—যদি মাথোন সি জানে তাৰ শ্বহীদ হোৱা সময়ৰ ছবি বাতৰি কাকতত ছপাবৰ বাবে কেমেৰা লৈ এদল ফটোগ্ৰাফাৰ সাজু হৈ থকা বুলি। মোহনে আনোৱাৰক সহৃদয়তা দেখুৱাইছিল। অৱশ্যে খং উঠি যোৱাকৈ নহয়,—অভিজ্ঞ এজন ককায়েকৰ দৰেই। "জীৱন কাক কয় তুমি জনাই নাই ভাই;" সুবিধা পালেই সি আনোৱাৰক কৈছিল, "জীৱন কাক কয় আনন্দমুখৰ 'পেৰি'ত অন্ততঃ এবছৰ থাকি নাহিলে তুমি কেনেকৈ বুজিবা!" কিন্তু পিচ মুহূৰ্ত্ততে সেই কথা সি পাহৰি যায় আৰু নিষিদ্ধ-পত্ৰ বিতৰণৰ বাবে সি উদ্ভাৱন কৰা অভিনৱ এটা উপায়ৰ কথা গভীৰভাৱে আলোচনা কৰাত মগ্ন হৈ পৰে।

অলসভাৱে বিছনাত পৰি থাকি আনোৱাৰে ভাবিছিল মানুহৰ জীৱনৰ আচৰিত পাকচক্ৰৰ কথা। কি অদ্ভুতভাৱে ঘটনাই তাক আনি এইখন ঘৰত সুমুৱাইছেহি। এনে সময়তে তাৰ কাণত এটা সুমধুৰ মূৰ্চনাৰ দৰে আহি পৰিলহি আশাৰ 'মাজী'ৰ মাত: "উঠ্‌ গয়ে বেটা? (সাৰ পালা বাচা?) চাহ দিবলৈ ক'মনে?"

"কওক মা-জী। মই উঠিছোঁ।" গাৰ কাপোৰখন দলিয়াই পেলাই একেজাপে আনোৱাৰ উঠিল আৰু ডাক্তৰ জামছেদজীৰ নিৰ্দ্দেশ মতে প্ৰাণায়াম কৰাত লাগিল। তাৰ বুকুৰ বিষ ইতিমধ্যে প্ৰায় নাইকিয়া হৈছে। কপালৰ খাডোখৰো শুকাল। দাগটো অৱশ্যে থাকি যাব। তাৰ সম্পূৰ্ণ সুস্থ বোধ হৈছে। উলাহত প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰপূৰ যেন লাগিছে নিজক।

চাহ আহিল। লগে লগে আশা আৰু মোহনো সোমাই আহিল। আশাৰ গাত ল'ৰাৰ নিচিনা পায়জামা। অবিন্যস্ত চুলি স্কন্ধদেশ জুৰি পৰি আছে। দেখিলে হাঁহি উঠা অথচ অতি মৰম লগা হৈছে। মোহনৰ গাত মিশ্ৰিত পোছাক। খদ্দৰৰ পোছাকৰ ওপৰত এটা চৈনিক 'কিম'ন' পিন্ধি লৈছে। মুখত দীঘল নল লগোৱা চিগাৰেট।

"আনোৱাৰ, তুমি আমাক এটা ডাঙৰ কাম কৰি দিব লাগে। আমাৰ লগত ওলাই যাব পাৰিবাতো? একেবাৰে ভাল পাইছা আজি?" সোমায়েই বেচ উচ্ছ্বাসেৰে কৈ উঠিল আশাই।

"উৱা! নোৱাৰিব কিয়? আনোৱাৰ ঠিক হৈ গৈছে।" উৎসাহ দেখুৱাই ক'লে মোহনে, "তুমি দেখিছো আনোৱাৰক একেবাৰে কেচুৱা যেন ভাবা।"

"আনোৱাৰ কেচুৱা নহয়, কিন্তু অসুস্থ। জানা, ডাক্তৰ জামছেদ জীয়ে...."

"ৰাখা শুনি বুঢ়াৰ কথা। জামছেদজীৰ কথা মতে চলিবৰ হ'লে, বুজিছা আনোৱাৰ, তুমি ওৰে জীৱন পেং লৈ লেংকুচিয়াই ফুৰিব লাগিব।"

ককায়েক ভনীয়েকৰ এনে ধৰণৰ কোনোদিন শেষ হব নজনা বাক্-বিতণ্ডাৰ লগত আনোৱাৰ ইতিমধ্যে অভ্যস্ত হৈ পৰিছে। কিন্তু আজিৰ এই তৰ্ক তাকলৈয়ে আৰম্ভ হোৱা দেখি সি মাত লগালে, "তোমালোকে কাজিয়া কৰিয়ে থাকিবা নে কথাটোনো কি মোকো কবা, আশা?"

"শুনা, আনোৱাৰ ভাইটি...." মোহনে ধীৰে সুস্থিৰে বিষয়টোৰ গুৰুত্ব সম্পৰ্কে সচেতন ভাব প্ৰকাশ কৰি কবলৈ আৰম্ভ কৰিলে।

"ৰখা!" আশাই চিঞঁৰি উঠিল, "মই আগে দুৱাৰখন বন্ধ কৰি দিওঁ। কোনোবাই শুনিব লাগিলে সৰ্ব্বনাশ।"

আশা-মোহনৰ এই শৃংখলিক্ হোম্‌চৰ সতৰ্ক কথা-কাণ্ডত আনোৱাৰ অবাক হ'ল।

"কথাটো অতি গুৰুত্বপূৰ্ণ আনোৱাৰ ভাইটি...." মোহনে দ্বিতীয়বাৰ ক'বলৈ আৰম্ভ কৰিলে। কিন্তু বপুৰাক আকৌ চট্‌চটী ভনীয়েকে মুখতে ধৰিলে।

"নহয়, তুমি মনে মনে থাকা, মোহনদা! মই কওঁ।"

"কিয়, মই ক'লেনো কি মহাভাৰত অশুদ্ধ হয়।"

"নহয়। তুমি গোটেইখন পণ্ড কৰিবা।"

অৱশেষত কথাটোনো কি আনোৱাৰক কোৱা হ'ল। স্বৰূপতেই গুৰুতৰ কথা। সিহঁতে গুপুত কিন্তু বিশ্বস্ত সূত্ৰৰ পৰা জানিব পাৰিছে যে সেইদিনা নিশালৈ মহাত্মা গান্ধীক চৰু্চনা নামে ঠাইত গ্ৰেপ্তাৰ কৰি পুনাৰ ওচৰৰ য়েৰৱাডা জেললৈ লৈ যোৱা হ'ব।

"গতিকে তুমি এবাৰ মহাত্মাক লগ ধৰিব লাগে।" মোহনে আশাৰ কথাৰ ওপৰতে ক'লে, "আমি সকলোৰে ওপৰত পুলিচে চোকা দৃষ্টি ৰাখিছে। বোম্বাইৰ পৰা ওলালেই সন্দেহ কৰি পিচ ল'ব। তুমি পাৰা। তোমাক স্থানীয় পুলিচে বা চি-আই-ডিয়ে এতিয়াও চিনিব পৰা নাই।"

"তুমি যাবই লাগিব, আনোৱাৰ!" ছোৱালী-সুলভ আব্‌দাৰ আৰম্ভ কৰি দিলে আশাই। "যেনে-তেনে মহাত্মাৰ পৰা তুমি তেখেত জেললৈ যোৱাৰ আগ মুহূৰ্ত্তৰ এটা বাণী সংগ্ৰহ কৰি আনিবই লাগিব। সেই বাণী আমি ছপা কৰি বিলাই দিম। আমাৰ কংগ্ৰেছ অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰিম। বেচ চাঞ্চল্যৰ সৃষ্টি হ'ব। বিপক্ষক নিৰ্ম্মম আঘাত হনা হ'ব।"

এনে এটা কাম কৰি দিব পাৰিলে আনোৱাৰ নিজেই সুখী হ'ব বুলি সি সিহঁতক আশ্বাস দিলে। কিন্তু নিশাৰ আগতে চৰ্‌চনা সি পাবগৈ কেনেকৈ?

"সেইবোৰ চিন্তা কৰি আমাৰ, ভাইটি। কিন্তু কথা হৈছে, তুমি মহাত্মাক তেখেত বন্দী হোৱাৰ পিচতহে সাক্ষাত কৰিব লাগিব। সেইটোৱেই আচল কথা। তুমি আমাক এই কামটো কৰি দিয়া, তাৰ পিচত তুমি মোক তোমাৰ হৈ যি কামকে কৰিবলৈ কোৱা তাকেই কৰি দিম, ভাইটি।"

"ঠিক কৰিব?" আনোৱাৰে সুধিলে।

"নিশ্চয়। কথা দিলোঁ।" মোহনে ক'লে।

"তেনেহলে আপুনি মোক অকণমান ল'বাৰ দৰে 'ভাইটি-ভাইটি' নকৰিব।

"ঠিক আছে। ঠিক আছে। নকওঁ তেন্তে। সেইটোনো কি বৰ ডাঙৰ কাম, ভাইটি।"

সকলোৱে এবাৰ হাঁহি উঠিল। তাৰ পিচত আনোৱাৰক এৰি আশা মোহন ওলাই গ'ল। আনোৱাৰো গা ধুবলৈ থিয় হ'ল। দুৱাৰমুখতে এবাৰ থমকি ৰৈ আশাই ক'লে, "মই এতিয়াই এবাৰ কংগ্ৰেছ অফিচলৈ যাব লাগিব। গতিকে তুমি যোৱাৰ আগতে আকৌ তোমাক লগ নেপাবও পাৰোঁ। শুভেচ্ছা ব'ল দেই।"

আনোৱাৰে ভাবিলে, তেনেহ'লে চৰকাৰে অৱশেষত মহাত্মাকো গ্ৰেপ্তাৰ কৰিবলৈকে সিদ্ধান্ত কৰিলে। তাৰ মানে চৰকাৰ আৰু বিপ্লৱীসকলৰ মাজত সোনকালে আৰু কোনো আপোচ হোৱাৰ আশা নাই। তদুপৰি চৰকাৰে এবাৰ জনতাৰ প্ৰাণৰ নেতাৰ গাত হাত দিলে জনতা আৰু ৰৈ নেথাকে। তেওঁলোক জাঙুল খাই উঠিব। তেওঁলোকৰ সপোন, তেওঁলোকৰ ইন্‌কিলাবৰ লক্ষ্য,সাৰ্থক কৰি তুলিবৰ বাবে দ্ৰুত নিৰ্ভীক পদক্ষেপে আগবাঢ়ি যাব।

আজিৰ দিনটোৰ কথা বুৰঞ্জীত সোণৰ আখৰেৰে চিৰকাললৈ লেখা থাকিব। আনোৱাৰে এবাৰ কেলেণ্ডাৰখনলৈ চালে। চাৰি মেই, শনিবাৰ, ১৯৩১ চন।

আনোৱাৰে যিমান সহজ বুলি ভাবিছিল কামটো কিন্তু সিমান সহজ নাছিল। মোহন আৰু আশাৰ লগত আলোচনা কৰি সকলো কথা আগতে ৰবাৰ্ট মিল্‌চক জনাই লবলৈ ঠিক কৰিছিল। কাৰণ হেজাৰ হওক, আনোৱাৰে এতিয়াও তেওঁৰ লগতে কাম কৰি থকাৰ নিচিনাই হৈ আছে। কথাষাৰ শুনিয়ে মিল্‌চ আনন্দত জঁপিয়াই উঠিল। সিহঁতে যি চাঞ্চল্যৰ সৃষ্টি কৰিব খুজিছে তাৰ হৈ আগতীয়াকৈয়ে সিহঁতক অভিনন্দন জনাই ধ'লে। তাৰোপৰি তেওঁৰ আনোৱাৰহঁতৰ কৰ্ম্ম-ক্ষমতাৰ ওপৰত ইমানেই

আস্থা আছিল যে তৎক্ষণাত তেওঁ নিউ-ইয়র্কলৈ অনতিপলমে অদ্ভুত সংবাদ এটা পঠোৱা হ'ব বুলি এখন টেলিগ্রামকে কৰি ঠাই ৰাখি থবলৈ ক'লে। আবেলি আনোৱাৰ-মিলুচ দুয়ো শেঠ মাণিকলাল শ্বাহৰ বিৰাট মটৰগাড়ীত উঠি চুৰাটলৈ যাত্রা কৰিলে। বাটতে এঠাইত ভালকৈ পেট ভৰাই খাই ল'লে। প্রায় দুসপ্তাহৰ মূৰত আজি আনোৱাৰৰ আকৌ আগৰ দৰে শৰীৰ কৰ্ম্মক্ষম বোধ হৈছে। তাৰ বিশেষকৈ ভাল লাগিছে এই ভাবি যে সামান্য-ভাৱে হলেও সি নতুন দিনৰ বুৰঞ্জী ৰচনাৰ কামত অংশ গ্রহণ কৰিব পাৰিছে।

নিশা দহ বজাৰ আগতে সিহঁত চুৰাট ষ্টেচন পালেগৈ। সশস্ত্র পুলিচ বাহিনীৰে ষ্টেচন প্রায় ঠাঁহ খাই আছে। আনোৱাৰহঁতে বুজিলে সিহঁতে পোৱা খবৰ মিছা নহয়। মহাত্মাক বৰোডা-এক্সপ্রেচেৰেই বোম্বাইলৈ নিয়া হব। অৱশ্যে পুলিচৰ একো ঠিক নাই। তেখেতক বাটৰ কোনোবা সৰু সৰু ষ্টেচনত মাজে মাজে নমাই নমাই নিবও পাৰে। কাৰণ জনাজনিকৈ নি বহুত মানুহ গোট খাবলৈ সুবিধা দিবলৈ সিহঁতে ভয় কৰা স্বাভাৱিক।

ঠিক মাজনিশা ৰেল আহি পালেহি। কিন্তু নির্দ্দিষ্ট সময়ত এৰিবলৈ নিদি ৰেলখন ৰাখি থোৱা হ'ল। একমান বজাত ফেৰীৱালাকে আদি কৰি যাত্রীৰ বাহিৰে বাকীবোৰ মানুহ গৈ গৈ ষ্টেচনটো এক প্রকাৰ খালী হৈ পৰিল। এইবাৰ গার্ডে হুইচেল বজালে। যাত্রীসকলে যি য'ত পাৰে উঠি আসন ল'লে। লাহে লাহে চকা ঘূৰিল। কি কৰোঁ কি নকৰোঁ ভাবি যি হয় হওক বুলি আনোৱাৰ আৰু মিলুচো এটা ডবাত উঠি পৰিল। কিন্তু কেইগজমান গৈয়ে ৰেলখন আকৌ ৰৈ গ'ল। আনোৱাৰ আৰু মিলুচে দেখিলে এদল সশস্ত্র পুলিচে বেঢ়ি-কুৰি প্রায় নেদেখা কৰি আনি বগা খদ্দৰ পিন্ধা মহাত্মাক এটা ডবাত তুলিলেহি। আকৌ ৰেলৰ চকা ঘূৰিল....

মহাত্মাক যিখন ৰেলেৰে বন্দীশাললৈ লৈ যোৱা হৈছে সেই একেখন ৰেলতে আনোৱাৰো গৈ আছে। এতিয়া কোনোমতে এবাৰ মহাত্মাক লগ ধৰিব পাৰিলেই হয়। এটা সৰু ষ্টেচনত ৰেল ৰলত আনোৱাৰহঁত নৰালৰিকৈ নামি আহিল। কোনটো ডবাত এই মহান বন্দী গৰাকী আছে চাবলৈ। ষ্টেচনত পোহৰ নিচেই কম। ধোঁৱাই ধোঁৱাই দুটামান কেৰাচিনৰ লেম্প জ্বলি আছে। ওৱে নিশা জ্বলি যেন ভাগৰি পৰিছে। সিহঁতে দেখিলে 'ডাইনিং' কাৰৰ সমুখত দুজনমান সশস্ত্র পুলিচ অহা যোৱা কৰি আছে। "তাতেই আছে।" মিলুচে ফুচ্‌ফুচাই ক'লে, "মহাত্মা গান্ধী তাতেই আছে।" এতিয়া সমস্যা হ'ল তেখেতৰ ওচৰলৈ যোৱা ধায়

কেনেকৈ ? ৰেলখন পুৰাই-পুৰাই বোম্বাই পাবগৈ। আৰু তাৰ আগতে পুলিচে মাজৰ কোনোবা ষ্টেচনত মহাত্মাক নমাই নিব। গতিকে যিমান সোনকালে পৰা যায় কিবা এটা কৰিব লাগিব। মিল্‌চে পোনপটীয়াকৈয়ে পুলিচক ঠগাৰ চেষ্টা কৰিলে। দৃঢ় খোজেৰে তেওঁ পুলিচকেটালৈ কাণকে নকৰাৰ দৰে গৈ 'ডাইনিং কাৰ'ৰ দুৱাৰমুখত থিয় দি "বয়। বয়!!" বুলি 'পক্কা' চাহেবৰ ভঙ্গীত চিয়ঁৰি উঠিল।

"কিয়া চাহিয়ে, চাব ? এজন পুলিচে বাট ভেঁটা দি বিশেষ নম্রতা প্রদর্শন নকৰাকৈ সুধিলে।

অলপ দূৰত বৈ আনোৱাৰে মিল্‌চৰ প্রত্যুৎপন্নমতিতাত আমোদ পাই মিচিকিয়াই হাঁহি উঠিল। "হুইস্কি-চ'ডা মাংতা। জল্‌দি। বুজিছে ?" এইবুলি তেওঁ দুৱাৰখন খুলিবলৈ যত্ন কৰিলে। কিন্তু দুৱাৰখন ভিতৰৰ পৰা বন্ধ।

"নাই নাই, চাহেব। ডাইনিং-কাৰ বন্ধ হৈ গৈছে। এতিয়া হুইস্কি-চ'ডাৰ সময় নহয়।" পুলিচজনৰ মাততে ৰবার্টে বুজিলে তেওঁৰ চালাকি নেখাটিব। বেচি কেৰ্‌জেৰ নকৰি তেওঁ উভটি আহিল।

আকৌ হুইচেল বাজি উঠিল। দৌৰাদৌৰিকৈ আনোৱাৰহঁত আহি নিজৰ ডবাত সোমাল। ৰেলখন চলাৰ লগে লগে মুৰ উলিয়াই চাই আনোৱাৰে দেখিলে ডাইনিং-কাৰৰ দুৱাৰখন মেল খাইছে আৰু পুলিচ কেজন জঁপিয়াই জঁপিয়াই সোমাই পৰিছে।

মাজত আৰু মাত্র এটা সৰু ষ্টেচন আছে। সেইটো এৰি গ'লেই পিচৰটো ডাডাৰ আৰু তাৰ পিচতে বোম্বাই। গতিকে যিমান দূৰ সম্ভৱ ডাডাৰ পোৱাৰ কেইমাইলমান আগতে কৰবাত এখন্তেক ৰেলখন ৰখা হ'ব আৰু মহাত্মাক মনে মনে নমাই বন্ধ মটৰত ভৰাই লৈ যোৱা হব। ভাবি-চিন্তি আনোৱাৰে পিচৰ ষ্টেচনটোত মিল্‌চক নামিবলৈকে হাক দিলে। এইবাৰ সি নিজে চেষ্টা কৰি চাব।

শান্ত-নিৰৱ ঘুমন্ত অকণমান ষ্টেচন এটাত ৰেলখন ৰ'ল। হাতত খালী পানীৰ ফ্লাস্ক এটা লৈ আনোৱাৰ নামি পৰিল। নামিয়েই পানী বিচাৰি ইফালে সিফালে দৌৰাদৌৰি কৰিব ধৰিলে। ৰেল-ষ্টেচনবোৰত পানী-যোগানৰ সুব্যৱস্থা নথকাৰ কথা কৈ মুটিয়াৰ পৰা আৰম্ভ কৰি গার্ড, টি-টি-চি, ষ্টেচন মাষ্টৰ সকলোৰে আগত অভিযোগ তুলিলে। পুলিচৰ প্রতি অকণো দৃকপাত নকৰি এইবোৰ কথাকে কৈ কৈ গুপ্‌ গুপাই সি ডাইনিং কাৰৰ কাষেৰেই পাৰ হৈ গ'ল ইঞ্জিনৰ পিনে। যাওঁতে সি দেখিলে পূৰৱ আকাশত ন সূৰ্য্যৰ উন্মেষ চাই খিড়িকীৰ কাষত বহি আছে

এটা সমাধিস্থ ছায়ামূৰ্ত্তিৰ দৰে সমগ্ৰ ভাৰতৰ নিচেই চিনাকি আপোন মহান নেতা গৰাকী। গৈ গৈ আনোৱাৰ ইঞ্জিনৰ ওচৰ পালেগৈ। এনে সময়তে গাৰ্ডৰ হুইছেল বাজি উঠিল। লগে লগে ৰেলৰ চকা ঘূৰিল। ভয়ানক বিপদত পৰাৰ দৰে চিঞৰ বাখৰ কৰি আনোৱাৰ নিজৰ ডবাৰ পিনে দৌৰিব ধৰিলে। কিন্তু যদি উপায়হীন হৈ নাইবা- দৌৰাদৌৰিত ভুল কৰি হঠাৎ সি পুলিচ দুজনৰ পিচতে দুৱাৰ খোলা পাই ডাইনিং-কাৰতে উঠিব পৰে তেন্তে তাক বাৰু কেনেকৈ দোষ দিব পৰা যায়? পুলিচইঁতে তলকিবই নোৱাৰিলে ঘটনাটো কি হ'ল। উঠিয়ে পোনেই আনোৱাৰ গৈ মহাত্মাৰ সমুখ পালেগৈ।

মহাত্মাই চিনি পালে। মিচিকিয়াই হাঁহি ক'লে: "এনেকৈ চলন্ত ৰেলত জঁপিয়াই উঠি জীৱন বিপন্ন কৰা উচিত নহয়।"

"জানো।" জেপৰপৰা নোটবুক আৰু পেন্সিল উলিয়াই-উলিয়াই অনুচচ কণ্ঠে ক'লে আনোৱাৰে: "কিন্তু নহলেযে আপোনাৰ ওচৰলৈ আহিব নোৱাৰি। আমাৰ কংগ্ৰেছৰ 'বুলেটিন'ৰ বাবে আপোনাৰ বাণী লাগে। আপুনি গ্ৰেপ্তাৰ হোৱাৰ পিচত দেশবাসীয়ে কি কৰাটো আপুনি বিচাৰে?"

"সংগ্ৰাম চলি থাকিব।" মহাত্মাই প্ৰত্যেকটো শব্দ যেন জুখি জুখি লাহে লাহে ক'লে. "ত্যাগ নকৰাকৈ লাভ কৰা স্বৰাজ বেচি দিন টিকিব নোৱাৰে। গতিকে দেশবাসীয়ে অসীম ত্যাগ স্বীকাৰ কৰিব লাগিব। প্ৰকৃত ত্যাগত যন্ত্ৰণা সদায় একপক্ষীয়। কাকো হত্যা নকৰাকৈ আমি মৃত্যু বৰণ কৰিব লাগিব। এই মহান আদৰ্শ সফল কৰি তোলাত ভাৰতবৰ্ষ সক্ষম হওক। বৰ্ত্তমান ভাৰতৰ সন্মান তথা সকলো ভবিষ্যত এমুঠি নিমখৰ ভিতৰত লুকুৱাই ৰখা হৈছে। মৰিয়াই সেই মুঠি ভাঙি দিব পৰা যাব, কিন্তু সেই মুঠি কেতিয়াও মেলিব নোৱাৰে।"

ৰেলৰ বেগ ক্ৰমে কমি আহিছিল। বোম্বাইৰ ওচৰ-কাষৰীয়া ঠাইৰ চিন ধৰিব পৰা গৈছিল। মহাত্মাই যথেষ্ট কৈছে। কিন্তু ইয়াতোকৈ স্পষ্ট আৰু দৃঢ় কিবা কথা উলিয়াই লব যদি পৰা যায়। লৰালৰিকৈ সি সুধিলে, "সত্যাগ্ৰহ কেৱল লোণ-আইন অমান্য কৰাতে সীমাবদ্ধ থাকিব নে বাইজে অইন কামো কৰিব?"

মহাত্মাই যি উত্তৰ দিলে সেই উত্তৰ শুনি আনোৱাৰৰ উত্তেজনাত গোটেই গা কঁপি উঠিল। এয়া, অহিংস-যুদ্ধৰ সেনাপতিয়ে তেওঁৰ অগণন সেনাদলক স্পষ্টকৈ আগবাঢ়ি যোৱাৰ নিৰ্দ্দেশ দিছে। "প্ৰত্যেকখন গাৱঁৰ

ৰাইজে নিজ হাতে নিমখ তৈয়াৰ কৰি ল'ব। প্ৰত্যেক গৰাকী নাৰীয়ে মদ, কানি আৰু বিদেশী কাপোৰৰ দোকানত পিকেটিং কৰিব। বিদেশী কাপোৰ ৰাজহুৱা ভাৱে পোৰা হওক। হিন্দুসকলে কাকো অস্পৃশ্য বুলি নেভাবিব। হিন্দু, মুছলমান, পাৰ্চী, খৃষ্টান, সকলোৱে পৰস্পৰক আনন্দ মনেৰে আঁকোৱালি লওক। গুজৰাটৰ সাহসী 'পেটেল' আৰু 'ওলাটি'-সকলৰ দৰে সকলোৱে চৰকাৰী চাকৰি ইস্তফা দি জনগণৰ সেৱাত আত্ম-নিয়োগ কৰক।"

কথাবোৰ লেখি-লেখিয়েই আনোৱাৰে লক্ষ্য কৰিলে পুলিচ-বিষয়া কেজনৰ মুখ বন্ধ্যা-আক্ৰোশত ৰঙা হৈ উঠিছে। সিহঁতে বোধহয় আনোৱাৰক তাতে গ্ৰেপ্তাৰ কৰিবলৈকে মনস্থ কৰিছিল। কিন্তু এনে সময়তে হঠাৎ জোৰেৰে ব্ৰেক মাৰি ৰেলখন ৰৈ গ'ল। খিড়িকীৰে চাই আনোৱাৰে দেখিলে সিফালৰপৰা অহা আলিটোৰ মূৰত কেবাখনো মটৰ ৰৈ আছে। মহাত্মাক নমাই নিবৰ বাবে পুলিচ বিষয়া কেইজন ইমানেই ব্যস্ত হৈ পৰিল যে খন্তেকৰ বাবে সিহঁতে আনোৱাৰৰ কথা পাহৰিয়ে থ'ল।

নীৰৱে আনোৱাৰে হাতযোৰ কৰিলে। মহাত্মাৰ মুখৰপৰা যেন হাঁহি হৈ মৰম-সিক্ত আশীৰ্ব্বাদ নিজৰি ওলাল। গাত খদ্দৰৰ শ্বালখন লৈ মহাত্মা ডবাৰপৰা নামি পৰিল।

আনোৱাৰে দেখিলে আলিটোৰ মূৰত দুজন বিদেশী সাংবাদিক ৰৈ আছে। আনোৱাৰৰ মনে-মনে হাঁহি উঠি গ'ল। বপুৰাহঁতে যেতিয়া গ'ম পাব সিহঁতকৈয়ো আগতে কোনোবাই মহাত্মাক লগ ধৰি যথেষ্ট সংবাদ গোটাই নিছে বুলি কিমানেইয়ে আচৰিত নহ'ব সিহঁত!

"মিঃ গান্ধী, কিবা ক'বনে আমাক?" আনোৱাৰে শুনিলে সিহঁতৰ এজনে সুধিছে। মহাত্মাই উত্তৰত ক'লে, "আপোনালোকে ইংলণ্ড আৰু আমেৰিকাৰ ৰাইজক আজি এই পুৱা যি ঘটনা ঘটিছে তাৰ তাৎপৰ্য্য হৃদয়ঙ্গম কৰিবলৈ কব। এয়া স্বাধীনতা?...."

সাংবাদিক দুজনে আৰু একো শুনিবলৈ নেপালে। পুলিচে মহাত্মাক প্ৰায় ঠেলি নিয়াদি নি গাড়ীত সুমুৱালেগৈ। তৎক্ষণাত গাড়ী চলিবলৈ ধৰিলে। ইতিমধ্যে ৰেলৰ প্ৰত্যেকটো ডবাৰপৰা যাত্ৰীবোৰে মূৰ উলিয়াই উলিয়াই চাবলৈ আৰম্ভ কৰি দিছে। সেই মুহূৰ্ত্তত সংঘটিত হৈ যোৱা এই ঐতিহাসিক ঘটনাৰ কথা সকলোৱে গ'ম পাই গৈছে। পুলিচ আৰু সাংবাদিক কেজনে মহাত্মা অহা ডাইনিং-কাৰৰ পৰা মূৰ উলিয়াই থকা আনোৱাৰলৈ চালে। বিষয়া কেজনৰ এতিয়াহে তালৈ মনত পৰিল।

"অ'। ইয়াৰ কথা পাহৰিছিলোঁৱেই। ই কোন নো?" এজনে

আনন্দজনক ক'লে। সিহঁতে তাক সন্দেহতো কৰিছেই, আচৰিতো হৈছে। অথচ এতিয়া কি কৰা উচিত ধৰিবও পৰা নাই। ধৰিবলৈ উপায়ো নাছিল। ৰেল ইতিমধ্যে কোবেৰে চলিব ধৰিছে।

আনোৱাৰৰ মনত দুষ্ট-বুদ্ধি এটা খেলালে। হাতেৰে পানীৰ খালী ফ্লাস্কটো জোঁকাৰি-জোঁকাৰি সিহঁতে শুনাকৈ চিঞৰি চিঞৰি সি কৈ উঠিল:

"বাও দেই। মই সেই কৃষ্ণাজ ডেকা—পানী বিচাৰি ফুৰা। চিনি পাইছাতো।"

মহাত্মাৰে সাক্ষাত কৰি আনোৱাৰ উভটি আহিল। তাৰ কৃতকাৰ্যতাত আশা আনন্দ আৰু কৃতজ্ঞতাত অভিভূত হৈ পৰিল। তৎক্ষণাত তাই তাক তাইৰ লগতে কংগ্ৰেছৰ গোপন অনাতাঁৰ-কেন্দ্ৰলৈ যাবলৈ লগ ধৰিলে। সেই দিনাই মহাত্মাৰ বাণী প্ৰচাৰিত হ'ব।

"কিন্তু মোক এনেকৈ তোমালোকৰ ইমান গোপন এডোখৰ ঠাইলৈ নিয়া তোমাৰ বাবে অনুচিত আৰু বিপজ্জনক নহব জানো। তুমি কেনেকৈ জানিছা,—মই কিজানি চি-আই-ডি বিভাগৰে মানুহ।" আশাক জোকাই লৈ পৰীক্ষা কৰি চাওঁ বুলি আনোৱাৰে ক'লে।

"বলিয়া নেকি। তুমি আমাৰ এজন। আশাৰ মাতত আনোৱাৰে বন্ধুত্ব-সুলভ আত্মাতকৈয়ো বহুত বেচি কিবা এটাৰ সুৰ শুনিবলৈ পালে। "তুমি বিয়েই নোহোৱা অন্ততঃ চি-আই-ডি হব নোৱাৰা। কোনো চি-আই-ডিয়ে এজনী স্বেচ্ছাসেবিকাক বচাবলৈ গৈ পুলিচৰ মাৰত নিজৰ মূৰটো গুড়ি হ'বলৈ এৰি নিদিয়ে বুলি মই বুজোঁ।"

"কিন্তু তাৰ অন্য কাৰণোতো থাকিব পাৰে? প্ৰথম কথা, তুমি এজনী 'কেৱল' স্বেচ্ছাসেৱিকা মাথোন নোহোৱা। অতি প্ৰতাৰক নিষ্ঠুৰ শত্ৰুৰো অন্তৰ বোলা এটা পদাৰ্থ থকাৰ অনেক দৃষ্টান্ত পোৱা যায়।" আনোৱাৰৰ এই বুদ্ধিদীপ্ত প্ৰশংসাত আশা ৰঙা পৰি উঠিল। কিন্তু তাই মাৰ্জ্জিত সুৰুচি সম্পন্না গাভৰু। কাৰো ছলাহী কথাত আত্মহাৰা হোৱাৰ কথাই নুঠে।...."দ্বিতীয়তে," আনোৱাৰে কৈ গ'ল, "মানুহৰ বিশ্বাস অৰ্জ্জন কৰিবৰ বাবে চি-আই-ডিয়ে মাজে মাজে মোৰ দৰে মাৰ খাব লগাত পৰে! তুমি নেজানা, এইকেটা সামান্য কোবৰ বাবেই মোৰ কিমান পদোন্নতি হব পাৰে।"

এটা কম বয়সীয়া ধুনীয়া ল'ৰাৰ দৰে মৰম লগাকৈ হাঁহিলে আশাই। আশাৰ এই কথাটোৱেই আনোৱাৰৰ আটাইতকৈ ভাল লাগে। তাইৰ লগত ইচ্ছা মতে ধেমালি কৰিব পাৰি, হাঁহিব পাৰি, ঠিক সম-বয়সীয়া এটা ল'ৰাৰ দৰে। তাই যে এজনী ধুনীয়া গাভৰু এই কথাষাৰ এবাৰো মনলৈ নাহে।

দুপৰীয়া খাই-বই সিহঁত ওলাই গ'ল। এপ'লো বন্দৰলৈকে সিহঁত নিজৰ গাড়ীত গ'ল। তাৰে পৰা ড্ৰাইভাৰৰ হাতত গাড়ীখন ঘূৰাই পঠালে! কতো কোনো নাই। মাত্ৰ গেটৱে-অব্-ইণ্ডিয়াৰ তলৰ ছাঁত কোনোবা ঘৰ-বাৰী নোহোৱা মানুহ কেজনমান শুই আছে। আনোৱাৰহঁতে ওচৰেৰে তাঞ্জ-হাৰ্বাৰৰ 'বাৰ'লৈ গৈ অলপ কেক্ আদি খোৱা-বস্তু কিনিলে। তাৰ পিচত পানী-খুৰলিলৈ নামি গৈ বৈ থকা এখন সৰু পানী-মটৰত উঠিল। আনোৱাৰে মন কৰিলে চালকজনে বোধহয় আশাক চিনি পায়। দাম-দৰ একোতো নকৰিলেই আনকি.ক'লৈ যাব লাগিব তাকো নুসুধিলে।

পানী-মটৰখন ভট্‌ভটাই যাব ধৰিলে। আনোৱাৰে সুধিলে: "কোনেও সন্দেহ কৰি অনুসৰণ নকৰেতো?"

"কৰিব পাৰে। তোমাকতো চিনিয়েই নেপায়। মোকে সন্দেহ কৰিব। শেঠ মাণিকলাল শ্বাহৰ জীয়েক আশা শ্বাহ গোপন প্ৰেমৰ অভিসাৰত সাগৰৰ মাজলৈ যোৱা বুলি এটা কেলেঙ্কাৰী ওলাব। তাৰ বেচি একো নহয়।"

"কিন্তু কেলেঙ্কাৰী এটা ওলালে তুমি জানো বেয়া নেপাবা?"

"ওহোঁ। বৰং ভাল পাম। সেয়ে হ'লে কংগ্ৰেছ অনাৰ্তাৰ কেন্দ্ৰৰ ৰহস্য গোপনে থকাত সহায়তাহে হ'ব।"

সিহঁত সাগৰৰ বহুদূৰ মাজ পালেগৈ। আনোৱাৰে মনতে ভাবিলে নিশ্চয় অদূৰৰ কোনোবা এটা সুন্দৰ সৰু দ্বীপতে অনাৰ্তাৰ কেন্দ্ৰটো হব।

চালকজনে যেন তাক অলপ সন্দেহৰ চকুৰে চাইছে। যেন অলপ উচ্‌পিচ্‌ কৰি আছে। আনোৱাৰে ভাবিলে, বেচেৰাৰ গাত দোষ নাই। হেজাৰ হ'লেও বিপ্লৱৰ কামত লাগি থকা সকলোৱেই অতি সাৱধান হবলৈ বাধ্য। তাতে অচিন কাঠৰ থোৰা লগোৱা সদায় বিপজ্জনক। অৱশেষত চালকজনে আৰু নিজকে সংযত ৰাখিব নোৱাৰিলে। আনোৱাৰক দেখুৱাই আশাক কিবা এষাৰ মাৰাঠি ভাষাৰে সুধিলে। আনোৱাৰে মাৰাঠি নুবুজিলেও তাৰ কথাইযে সুধিছে বুজাত তাৰ অসুবিধা নহ'ল। আশাই কিন্তু হিন্দুস্থানীতে উত্তৰ দিলে। আনোৱাৰক এজন বিপ্লৱী বুলি চিনাকি কৰি দি সি বিপ্লৱৰ কাৰণে অনেক কাম কৰাৰ কথা ক'লে। আনকি সিদিনা পুৱা সি অনা সংবাদৰ কথাও ক'লে। সকলো শুনি চালকজনে আনোৱাৰৰ মুখলৈ চালে। তেওঁৰ মুখত বন্ধুত্বৰ হাঁহি বিৰিঙি উঠিল। এইবাৰ তেওঁ কোৱেৰে দূৰৰ এখন পাল-তৰা নাওৰ পিনে পানী-মটৰখন চলাই দিলে। দূৰৰ পৰা আনোৱাৰৰ অনুমান হ'ল পাল-তৰা নাওখনে যেন সাগৰত মাছ মাৰি আছে।

এইখন নাওৰ পৰাই কংগ্ৰেছ্‌-অনাতাঁৰৰ কাম চলোৱা হয়। ওখ ওখ পালৰ খুটাবোৰে প্ৰেৰক 'এৰিয়েল'ৰ কাম কৰে। ভিতৰত বেটাৰী, মাইক্ৰফ'ন আদি লুকুৱা আছে। মহাত্মাৰে তাৰ সাক্ষাতৰ কথা আকাশেদি বিয়পি পৰা নিজ চকুৰে দেখি আনোৱাৰ আনন্দত আত্মহাৰা হৈ উঠিল।....
"এয়া আপোনালোকে শুনিছে কংগ্ৰেছ্‌-ৰেডিওৰ কথা! এয়া কংগ্ৰেছৰ-ৰেডিও!! এতিয়া আপোনালোকলৈ আমি আগ বঢ়াইছোঁ আমাৰ মৰমৰ নেতা মহাত্মা গান্ধীৰ বাণী,—অকণো সংক্ষিপ্ত নকৰাকৈ। আজি পুৱা মহাত্মা গ্ৰেপ্তাৰ হোৱাৰ অব্যবহিত পিচতে এই বাণী আমাৰ প্ৰতিনিধিয়ে সংগ্ৰহ কৰে...."

মহাত্মাই ইমান গোপনে এদল যুৱক-যুৱতীয়ে নিজ বুদ্ধিৰে চলোৱা এনে এটা দুঃসাহসিক কামৰ কথা শুনিলে সমৰ্থন কৰিব নে নকৰে আনোৱাৰে ঠিক ধৰিব নোৱাৰিলে। এই ডেকা-ডেকেৰীৰ দলে অবিৰাম সিহঁতৰ অনাতাঁৰ কেন্দ্ৰৰ স্থান পৰিবৰ্ত্তন কৰি থাকি পুলিচৰ চোৰাংচোৱা বিভাগ আৰু চৰকাৰী অনাতাৰ-বিশেষজ্ঞদলক বান্দৰ নচুৱাদি নচুৱাই চলুৰে-চলুৰে পানী খুৱাইছে। কেতিয়াবা সিহঁতে গাৱঁৰ কোনোবা অকলশৰীয়া ঘৰৰ পৰা বাতৰি প্ৰচাৰ কৰিছে। কেতিয়াবা মটৰেৰে বহুত দূৰলৈ গুচি গৈ বাটৰ ওপৰৰ পৰাই কাম চলাইছে। কেতিয়াবা হয়তো এলিফা-ণ্টা দ্বীপৰ প্ৰাগ ঐতিহাসিক কোনো গুহাৰ নিভৃতলৈ গুচি গৈছে। কিন্তু এনেদৰে পানীত ওপঙি থকা অনাতাঁৰ কেন্দ্ৰই সকলোতকৈ সুবিধাজনক যেন বিবেচনা হৈছে সিহঁতৰ।

আনোৱাৰহঁত উভটি আহিল। তেতিয়াও প্ৰেৰক যন্ত্ৰ পূৰামাত্ৰাই চলি আছে: "এয়া কংগ্ৰেছ ৰেডিও! কংগ্ৰেছ ৰেডিও!! স্বাধীনতাৰ সংবাদ শুনক!"....

এপলো বন্দৰলৈ উভটি আনোৱাৰহঁতে দেখিলে গাড়ীখন আহি সিহঁতৰ বাবে বৈ আছেহি। ড্ৰাইভাৰক যাবলৈ কৈ এইবাৰ আশাই নিজেই গাড়ী চলাবলৈ ল'লে।

"অলপ ওচৰৰে এখন গাৱঁলৈ এবাৰ যাবা, আনোৱাৰ?" আশাই সুধিলে। আনোৱাৰে উত্তৰ দিবলৈ নৌ-পাওঁতেই আশায়ে আকৌ কৈ উঠিল। "খেৰত মোৰ এজন বন্ধু বাস কৰে। তুমি তেওঁক লগ পালে বৰ ভাল পাবা।"

হৰ্ণ-বি ৰোডৰ অফিচৰবোৰৰপৰা ওলাই অহা মানুহৰ মাজে মাজে গৈ, ক্ৰমে ভিক্টোৰিয়া টাৰ্মিনাচ, ক্ৰফোৰ্ড-বজাৰ, ভেণ্ডি-বজাৰ, লাল-বাগ, পাৰেল পাৰ হৈ সিহঁত ডাডাৰ পালহি। তাৰেপৰা ঘূৰি তিলকব্ৰীজেদি গৈ মহিম-ক'জৱে' পালেগৈ। তাৰপৰা গাৱঁৰ বাট ধৰিলে। গোটেই বাট ছোৱা আনোৱাৰে ভাবি গৈছিল ইয়াত থকা আশাৰ বন্ধুজন কেনেকুৱা হ'ব পাৰে। তাইৰ কথাৰ সুৰতে সি বুজিছে এই বন্ধু কেৱল এজন সাধাৰণ বন্ধু মাথোন নহয়। এই বন্ধুৰ প্ৰতি আশাৰ বিশেষ আকৰ্ষণ আছে। সন্মান আছে। হয়তো....হয়তো এই বন্ধুক আশাই ভাল পায়! আনোৱাৰ আচৰিত হৈ প'ল,—এই কথা ভবাৰ লগে লগে কিয় যেন তাৰ বুকুখন অকণমানকৈ বিষাই উঠিল। সি যেন অকণমানকৈ ঈৰ্ষান্বিত হৈ উঠিল। অকাৰণ অস্বস্তি বোধ কৰিলে। কিয় এনে হ'ব পাৰে বাৰু? নে সি নিজেই নিচেই অকণমানকৈ হ'লেও আশাক ভাল পাই পেলাইছে—নিজেই নজনাকৈ?

এইবোৰ কথা ভাবি নিজকে সৰু কৰি নেপেলাবলৈ সি নিজকে বুজনি দিব ধৰিলে। নেপায়!.......এনে সময়তে গাড়ীখন আহি এটা

সৰু আটোমটোকাৰি বঙলাঘৰৰ চৌহদত প্ৰৱেশ কৰিলে। “ইয়াতে তেওঁ থাকে।” আশাই ইঞ্জিনটো বন্ধ কৰি নামি ক’লে : “অ’ আৰু এটা কথা তোমাক কোৱাই নাই। তেওঁৰ নাম যশৱন্ত দেশাই।”

এই বুলি কৈ তাই আগবাঢ়ি গ’ল। আনোৱাৰে পিচ ল’লে। কিন্তু সি দেখি আচৰিত হৈ গ’ল, আশা ঘৰটোৰ পিনে নগৈ চৌহদৰ ভিতৰতে থকা দূৰৰ এটা গেৰেজৰ পিনেহে গৈছে। তাৰ মুখ দেখি আশাই লাহেকৈ হাঁহি ক’লে, “আচৰিত হৈছা? তেওঁ বৰ বুঢ়া মানুহ; বুজিছা। তদুপৰি আজিকালি থকা ঘৰ পাবলৈ ইমান টান হৈ গৈছে দিন দিন।” গেৰেজ পাই সিহঁত ভিতৰ সোমাই গ’ল। দুৱাৰত টুকৰিওৱাৰ লৌকিকতাখিনিও আশাই নেদেখুৱালে। ভিতৰ সোমাই আনোৱাৰে এক অত্যদ্ভুত পৰিবেশত এজন অত্যদ্ভুত মানুহ দেখিবলৈ পালে।

আনোৱাৰে দেখিলে যশৱন্ত দেশাই এজন সম্পূৰ্ণভাৱে পঙ্গু মানুহ। বিছনাৰপৰা উঠিব নোৱাৰে। শুকাই হাঁড়-ছাল মাত্ৰ আছে। দাড়ি-চুলিৰে ভোৰোকাৰ এটা জীৱন্ত জঁকা। মানুহটো দেখিলে সততকাই জীয়া নে মৰা ধৰিব নোৱাৰি। এনে লাগে যেন তেওঁৰ শৰীৰৰ এটা অঙ্গ মাত্ৰ জী আছে,—চকুহাল। টেল্‌টেলকৈ ওলোৱা এহাল চকু। ভয়লগা। অথচ কিবা এক অনামী ভয়ত নিয়ত-চঞ্চল সেই হাল চকুত যেন আছে কিবা এক আচৰিত বন্য আকৰ্ষণ। চকুৱে চকুৱে পৰিলে চকু ঘূৰাই আনিব নোৱাৰি।......আশাই আনোৱাৰক চিনাকি কৰি দিলে। মানুহজনে হাঁহিবলৈ যত্ন কৰি কম্বলৰ তলৰপৰা অত্যন্ত ক্ষীণ হাতোঁৱাৰ দৰে হাত এখন উলিয়াই আনোৱাৰলৈ আগবঢ়াই দিলে। হাতখন আনোৱাৰৰ যেন ভয়ত শিহঁৰি উঠিল। এনে লাগিল তাৰ যেন সি সাক্ষাত মৃত্যুৰ লগতহে কৰমৰ্দ্দন কৰিলে।

“বহঁা। মোৰ ৰাজপ্ৰাসাদ তোমাৰ কেনে লাগিছে?” মানুহজনৰ কৌতুক-জ্ঞান আছে। হয়তো বিকৃত। মাতটো ৰুগ্ন শিশুৰ দৰে চিঁ-চিঁউৱা।

আনোৱাৰে চাৰিওপিনে চকু ফুৰালে। বেৰত অসংখ্য ছবি। কাৰ্লমাৰ্ক্স, টলষ্টয়, লেনিন, ষ্টেলিন। এঠাইত এখন হাঁতুৰী আৰু কাঁচিৰে বঙা পতাকা। কাশ্মিৰৰ বয়ন-শিল্পৰ এখন ছবি শিপিনীয়ে সৈতে। আৰু এখন অবৰ ক্ৰম-পৰিমাপ লেখি বখা কাগজ। চাৰিওকালে অসংখ্য কিতাপ। চেল্‌ফত, মেজত, বিছনাৰ ওচৰৰ এখন দীঘলীয়া বেঞ্চত, বিছনাতো। কিতাপ আৰু কিতাপ। আনোৱাৰে বুজিলে যশৱন্ত মাৰ্ক্স-বাদী আৰু এজন পণ্ডিত ব্যক্তি। যশৱন্তে আশাক কথা কোৱাৰ সুৰটো

অতিমাত্রাই কোমল অথচ তাইৰ ওপৰত যেন তেওঁৰ পূৰ্ণ অধিকাৰ আছে এনে ধৰণৰ। যশৱন্তে যে আশাক ভাল পায় আৰু বিশেষ গভীৰ ভাৱেই ভাল পায় এই কথা বুজাত আনোৱাৰৰ অকণো অসুবিধা নহ'ল।

আনোৱাৰে ক'লে—"এনে এটা আচৰিত কোঠালি জীৱনত সি এই প্ৰথম দেখিলে। কিতাপবোৰবো সংগ্ৰহ বেচ চিত্তাকৰ্ষক। ডাঙৰ ডাঙৰ লাইব্ৰেৰী একোটাও ইমান চহকী নহয়।" আনোৱাৰৰ কথাত পঙ্গু মানুহজন সন্তুষ্ট হোৱা যেন দেখা গ'ল।

কথা-বতৰা নকৈ আশাই কোঠাটো পাৰেমানে চিজিলকৈ থোৱাত ব্যস্ত হৈ পৰিল। কিতাপবোৰৰ ধূলি জাৰি-জোকাৰি চেল্‌ফত ঠাক-ঠাককৈ সজাই থলে। ছবিবোৰ পোনাই-মেলি দিলে। বিছনাখনো ঠিক কৰি দিলে। যশৱন্তক আসুফুলকৈ ধৰি অলপকৈ দাঙি তেওঁক আওজাই বহুৱালে। তাৰ পিচত বেঞ্চত পৰি থকা লেতেৰা গিলাচ পিৰিচ-পিয়লা এসোপা থুবলৈ বুলি লৈ গা-ধোৱা ঘৰত সোমালগৈ। আনোৱাৰে দেখিলে যশৱন্তই আশাৰ সকলো কাম মালিকৰ দৰে গৰ্ব্বিত দৃষ্টিৰে নিৰীক্ষণ কৰি আছে। অন্য পৰিবেশত হোৱা হ'লে তাৰ হয়তো হাঁহি উঠি গ'লহেঁতেন কিন্তু বৰ্ত্তমান অৱস্থাত গোটেই ঘটনাটোৱেই অত্যন্ত কৰুণ যেন বোধহ'ল তাৰ।

আশা গাধোৱা ঘৰত সোমোৱাৰ লগে লগে পঙ্গু মানুহজনে আনো-ৱাৰক হঠাৎ এনে এটা প্ৰশ্ন সুধি পেলালে যাৰ বাবে সি অকণো সাজু নাছিল। কি কৰোঁ কি নকৰোঁ হৈ সি প্ৰায় ঘামি উঠিল। "তুমি আশাৰ প্ৰেমত পৰিছা নেকি?" প্ৰশ্নটো ইমান অপ্ৰত্যাশিত আৰু ইমান অনুচিত যে ভালেমান পৰলৈ সি একো উত্তৰেই দিব নোৱাৰিলে। তাৰ পিচত থোতামোজা লগাই অযথা জোৰ দি কোনোমতে ক'লে, "নাই নাই। সেইটো কি কথা।....নাই নাই....আপুনি এনে এটা কথা সুধিছে কিয়.... আমি মাত্ৰ....আমি মাত্ৰ চিনাকি হোৱা কেইদিনমানহে হৈছে।...."

যশৱন্তে অৱশ্যে পিচতে নিজৰ দোষ বুজি পাই অনুতপ্ত হৈছিল আৰু আনোৱাৰক বেয়া নেপাবলৈ অনুৰোধ কৰি ক্ষমা খুজিছিল। "মোৰ বৰ ভুল হৈ গ'ল। বেয়া নেপাবা। তুমি অৱশ্যে মোক ক্ষমা কৰি দিবই লাগিব। মোৰ বাবে মোৰ বৰ্ত্তমান অৱস্থাত তাইৰ মৰমৰ মূল্য কিমান বেচি তোমাক কেনেকৈ বুজাম। জানা, কেতিয়াবা অকাৰণতে যুক্তিহীন ভাৱে মই ঈৰ্ষান্বিত হৈ উঠোঁ। মই এজন অতি বেমাৰী মানুহ। তুমিতো দেখিছাই। ইমান বেমাৰী যে মাৰ্ক্স অধ্যয়নেও মোৰ ধীৰ-স্থিৰ যুক্তিশীল

কৰি ৰাখিব নোৱাৰে।" ইমানখিনি কথা একেবাহে কৈ যশৱন্ত অৱশ হৈ পৰিল। এইবাৰ আনোৱাৰৰ অনুতাপ—এনে এজন মানুহৰ কথাত বেয়া পোৱা তাৰ ভুল হৈছে।

বাচন-বৰ্তন ধোৱা শেষ কৰি আশা সোমাই আহিল। মুখত সেই ধুই গুচাব নোৱাৰা মিঠা হাঁহি। "তোমালোকে কি কথা পাতিছা?" তাই সুধিলে। কিন্তু কথা সুধি উত্তৰলৈ বাট চোৱাৰ অভ্যাস তাইৰ নাই। তাৰ পিচত যশৱন্তলৈ চাই আকৌ সুধিলে: "তুমি পিচে কামত ইতি-মধ্যে আগবাঢ়িব পাৰিছানে নাই?" যশৱন্তে মূৰ দুপিয়ালে। "তেন্তে মোক এতিয়া পঢ়ি শুনোৱাব লাগিব।" আশাৰ কথাত যশৱন্তৰ মুখখন জিলিকি উঠিল।

যশৱন্তই তুলিৰ তলৰপৰা এজাপ কাগজ উলিয়াই আনিলে। আশাই আনোৱাৰক ক'লে, "যোৱা এবছৰ ধৰি যশৱন্তই মাৰ্ক্সৰ কেপিটেলখন গুজৰাটী ভাষালৈ ভাঙনি কৰি আছে। আৰু বেচি নাই। কাম শেষ হৈ আহিছে।" যশৱন্তেও ক'লে, "ময়োতো কিবা এটা কৰিব লাগিব। এনেকৈ পৰি থাকিব লগা নোহোৱা হ'লে মই কমিউনিষ্ট দলত যোগ দিলোঁহেঁতেন। নহ'লে ট্ৰেড-ইউনিয়নৰ কাম কৰিলোঁহেঁতেন। এতিয়া মাত্ৰ শুই শুই অলপ লেখা-পঢ়া কৰাৰ বাহিৰে একোকেই কৰিব নোৱাৰোঁ। বৰ্ত্তমান যুগটোৱেই ৰোগী বুজিছা,—একেবাৰেই ভিতৰলৈকে পঁচা—ঠিক মোৰ দৰে,—আৰু এই যুগৰ মৃত্যু ঘটিবই লাগিব যিমান সোনকালে হয় সিমানে মঙ্গল।"

তাৰ পিচত অনুচচ দুৰ্ব্বল মাতেৰে যশৱন্তই তেওঁৰ নতুনকৈ লেখা-খিনি পঢ়ি যাব ধৰিলে। আশাই একেথিৰে তেওঁৰ মুখলৈ চাই শুনি গ'ল। মাজে মাজে তাই সপ্ৰশংস হৈ উঠে। মাজে মাজে অলপ অদল-বদল কৰিবলৈ পৰামৰ্শ দিয়ে। আনোৱাৰে গুজৰাটী বুজি নেপায়। কিন্তু এটা সি ধৰিব পাৰিলে। এই অনুবাদ কাৰ্য্যই আশা আৰু যশৱন্তৰ মাজত যেন এডাল নেদেখা সূতাৰ দৰে কাম কৰিছে। এজনে পঢ়া আৰু আন জনে শুনাৰ মাজত যেন সিহঁতৰ অৱৰুদ্ধ প্ৰেমে মানসিক পূৰ্ণতা লাভ কৰিছে। ভালেমান পৰ পঢ়ি থকাৰ শক্তি যশৱন্তৰ নাই। লাহে লাহে তাৰ মাতটো দুৰ্ব্বল অস্ফুট হৈ আহিল। অসামৰ্থ্যৰ ক্লান্তিত তাৰ চকু দুটা গধুৰ হৈ উঠিল। "যশৱন্ত, আজিলৈ ইমানতে থক দিয়া। বাকী-খিনি মই কালিলৈ আহি শুনিম।" এই বুলি কৈ আশাই উঠি যশৱন্তৰ হাতৰপৰা খহি খহি পৰা কাগজবোৰ গোটাই গাৰুৰ তলত ভৰাই থ'লে যশৱন্তই চকু দুটা নেমেলাকৈয়ে মুখৰ ভিতৰতে কিবা-কিবি ক'লে।

আশাই লাহে লাহে তাৰ কপালখন পিছি দি বিদায় ল'লে। তাৰ পচত নিঃশব্দে দুয়ো ওলাই আহিল।

বাহিৰ ওলাই আনোৱাৰে দেখিলে ইতিমধ্যে বেলি মাৰ গৈছে। বাটৰ লাইটবোৰ জ্বলি উঠিছে। আশাৰ সত্তাৰ যেন কিবা এক অনামী তন্ময় স্তব্ধতা নামি আহিছে। ভালেমান বাট একো নকৈ দুয়ো মনে মনে গৈ থাকিল। শেষত আর্দ্র নিশ্বাস এটা এৰি দি আশাই মাত লগালে: "অলপ সময়ৰ বাবে জুহুলৈ যাবা আনোৱাৰ? আজি নিশা তাত সুন্দৰ জোন উঠিব।"

আনোৱাৰে একো নক'লে। দুয়ো আকৌ নীৰবে শাৰী শাৰী ঘৰৰ মাজেদি গৈ থাকিল। খন্তেক পিচত এইবাৰ তাই যশৱন্তৰ কথা উলিয়ালে: "অতি অদ্ভুত ধৰণৰ মানুহ যশৱন্ত, নহয় নে? তেওঁৰ শৰীৰটো ৰোগে খাই পেলাইছে। কিন্তু মনটো পৰিষ্কাৰ উজ্জ্বল হীৰাৰ দৰেই হৈ আছে।"

"তেওঁৰ বেমাৰ কি?"

"টি-বি।"

"টি-বি? কিন্তু ইমান পৰে মই যে এবাৰো কহা নুশুনিলোঁ!"

"কহা হ'লে ভালেই আছিল। মেৰুদণ্ডৰ টি-বি হৈছে। আৰোগ্যৰ কোনো পথ নাই।"

"ডাক্তৰে কি কয়?"

"অতি বেচি আৰু কেইমাহমান। কিন্তু মোৰ বিশ্বাস কেপিটেলখনৰ অনুবাদ শেষ নহয় মানে যশৱন্ত নমৰে। এইখনেই তেওঁক জীয়াই ৰাখিছে—"আশাৰ মাতটো সেমেকি উঠিল।

"আৰু তুমি? মই সোধা বাবে বেয়া নেপাবা। তুমি নিশ্চয় জানা, যশৱন্তই তোমাক প্ৰাণেৰে ভাল পায়?"

আশাই অতি বিষাদ মনেৰে মূৰ দুপিয়ালে।

"তোমাৰ মনোভাব কেনে? তুমিও ভাল পোৱা?"

খন্তেক নীৰবে থাকি আশাই ক'লে, "প্ৰথমতে পৰাই যশৱন্তৰ মেধা আৰু মৌলিকতাই মোক আকৰ্ষণ কৰি আহিছে। আমাৰ কলেজৰ

ভিতৰতে তেওঁ ছাত্র হিচাপে সৰ্ব্বশ্রেষ্ঠ আছিল। অতি দৃঢ় মতৰ মানুহ। এবাৰ পৰিয়ালৰ মানুহে অনেক যৌতুক লৈ এজনী ধনী মানুহৰ ছোৱালী বিয়া কৰবালৈ জোৰ কৰা বাবে ঘৰকে এৰি গুচি আহে। কিছুদিন শিক্ষকতা কৰি কটাইছিল। এনে সময়তে এই বেমাৰটো হয়। যোৱা এবছৰৰো ওপৰ কাল তেওঁ বিছনাত পৰি আছে।"

"মোৰ প্ৰশ্নৰ উত্তৰ তুমি দিয়া নাই, আশা।"

"উত্তৰ দিয়াযে টান, আনোৱাৰ। তেওঁৰ গুণৰ মই অনুৰক্তা। তেওঁৰ দুৰৱস্থাই মোক অভিভূত কৰি তুলিছে। কিন্তু ভালপোৱাৰ অৰ্থ জানো এয়ে? নহয়, আনোৱাৰ। মই ভাবোঁ ভালপোৱা ইয়াৰ উপৰিও আৰু বহুত কিবাকিবি। তাৰোপৰি কোনো মানুহৰ গুণ-গৰিমাৰ প্ৰতি অতিমাত্রাই অনুৰক্তা হ'লে সেই মানুহক ভাল পাব নোৱাৰি। প্ৰেম সমানে সমানেহে হব পাৰে। তেওঁৰ মেধাক মই সদায় ভক্তাৰ চকুৰে চাই আহিছো। মই তেওঁৰ গুণৰ পূজাৰিণী।"

"কিন্তু যশৱন্তে ভাবে তুমি তেওঁক ভাল পোৱা। এই কথা তুমি নিশ্চয় জানা?"

"জানো। তেনেকৈ ভাবি তেওঁ যদি জীয়াই থাকিবলৈ মনোবল পায়, আশা পায় তেন্তে মই কিয় আপত্তি কৰিম।"

মটৰখন নাৰিকল বনৰ তলত থৈ স্নিগ্ধ কোমল জোনাকে ধোৱা বালিৰ ওপৰত আনোৱাৰহঁত বহিলগৈ। জোৱাৰৰ ঢৌবোৰ নাচি-নাচি আগ বাঢ়ি আহিছিল। জোনাকত ঢৌৰ শিখৰবোৰ একোডাল ৰূপোৱালী ৰেখাৰ দৰে হৈ জিলিকিছিল। বহি বহি আনোৱাৰৰ এনে লাগিল যেন এই শান্ত-নিৰৱ পৰিবেশৰ সৈতে অনেক অনামী গভীৰ বেদনা নিহিত হৈ আছে। তাৰ মনটোও বিষণ্ণ হৈ উঠিল। সি ভাবিলে হয়তো আজি যশৱন্তক লগ পোৱা আৰু এই পঙ্গু মানুহজনৰ নিৰৰ্থক প্ৰেমৰ কৰুণ ছবি দেখিবলৈ পোৱা বাবেই তাৰ মন হয়তো এনেকৈ বিষণ্ণ হৈ উঠিছে। কিন্তু সি অনুভৱ কৰিলে কেৱল সেয়াই যেন একমাত্ৰ কাৰণ নহয়। যেন তাৰ ভিতৰি ভিতৰি এটা পৰম হতাশাৰ ভাবে হাহাঁকাৰ কৰি উঠিছে। বাৰে বাৰে তাৰ চান্‌মালৈ মনত পৰিছে। সি ভাবিছিল আশাৰ উপস্থিতিয়ে সান্নিধ্যই তাক চান্‌মাৰ কথা পাহৰাই ৰাখিব পাৰিব। কিন্তু ঠিক বিপৰীত ভাবে সমুদ্ৰ পাৰৰ সেই অদ্ভুত-সুন্দৰ পৰিবেশত বাৰে বাৰে তাৰ কল্পনাত আশাৰ ঠাইত চান্‌মাৰ মূৰ্ত্তিয়েই ভাঁহি উঠিব ধৰিলে। আশাই যি কৈছে সকলোৱেই তাৰ মনত চান্‌মাৰ স্মৃতি সজাগ কৰি তুলিছে।

আশাই খন্তেক পিচত মাত লগালে, "কোৱা, আনোৱাৰ। এইবাৰ

মোক তুমি তোমাৰ কথা কোৱা। তোমাৰ ঘৰ, বন্ধু, শৈশৱ, কলেজ, তোমাৰ ভৱিষ্যত' জীৱন, সকলো মোক কোৱা।"

আনোৱাৰে ক'লে। জীৱনৰ সকলো কথা ক'লে। সকলো,— আঞ্জুম আৰু তাৰ লৰালিৰ কথা, সেই আঞ্জুম এদিন মৰি থকাৰ কথা, তাৰ সকলো বিশ্বাস মষিমূৰ হৈ যোৱাৰ কথা সি আশাক ক'লে। সি সাম্প্ৰদায়িক সংঘৰ্ষ, মহাত্মাৰে সাক্ষাত, বিশ্ববিদ্যালয়, তাৰপৰা বহিষ্কাৰ, আব্বাজান, ৰতন, ওচমান, চোব্‌হানস্থি, এইবোৰ কথাও ক'লে। চোব্‌হানস্থিৰ নামটো শুনি আশাই হাঁহিলে। আনোৱাৰে স্বীকাৰ কৰিলে নিজৰ ভবিষ্যতৰ কথা সি তেনেকৈ একো ভবা নাই। হয়তো সাংবাদিকতাকে গ্ৰহণ কৰা তাৰ উচিত হ'ব। কিন্তু নিজৰ শক্তিৰ ওপৰত তাৰ অকণো আস্থা নাই। জীৱনত বিশেষ কিবা কৰিব পাৰিব বুলি সি নিজেই বিশ্বাস নকৰে।

"আনোৱাৰ" অতি কোমলকৈ মৰমেৰে আশাই ক'লে, "নিজক ইমান সৰু বুলি নেভাবিবা। তোমাৰ গাত সেই শক্তি সেই মনোবল আছে যাৰ দ্বাৰা তুমি তোমাৰ দেশৰ বাবে মহৎ সেৱা আগবঢ়াব পাৰিবা। অৱশ্যে সেই সেৱা কেনে ৰূপত কৰা হব সেই কথা এতিয়াই হয়তো তুমি নেজানিব পাৰা। তথাপি....আজি তুমি মোক প্ৰতিশ্ৰুতি দিয়া আনোৱাৰ, তুমি কেতিয়াও আত্ম-বিশ্বাস যেন নেহেৰুৱা।"

আনোৱাৰে মূৰ তুলি চালে। আশাৰ দুচকুত তাৰ চকু পৰিল। পৃথিবীৰ অনুকম্পা সেই চকুত যেন থুপ খাই আছে। কোমল চেচাঁ বালিত কিলাকুটিৰ ভেজা দি আউজি বহি তাই তালৈ চাই আছে। ৰিব্‌ৰিব্ মলয়াই তাইৰ চুলিবোৰ আউল-বাউল কৰি পেলাইছে। জোনাক, সাগৰ, খজুৰ পাতৰ ছবি ছবি ছাঁয়া—সকলোবোৰ সেই মুহূৰ্তৰ আশাৰেই একো একোটা অংশ যেন বোধ হ'ল আনোৱাৰৰ। অতীব মোহনীয় কমনীয় ৰূপত তাৰ চকুত ধৰা দিছে আশাই। তাৰ প্ৰাণত এটা দুৰন্ত কামনাই হাহাকাৰ কৰি উঠিল। তাৰ মন গ'ল আশাৰ ডিঙিৰ ছায়াকীৰ্ণ ভাঁজবোৰত, গালৰ টোল দুটাত, চকুৰ শান্ত সিক্ত পাহিবোৰত অজস্ৰ চুমা আঁকি দিবলৈ। কিন্তু ক'তা? সেয়াতো নহয়। সিটো সেয়া আশাক দেখা নাই। আশাক পাবলৈ আশা কৰা নাই। সেয়া যে চাল্‌মা। ঠিক এনে ৰূপতে চাল্‌মাক সি দেখিছিল। এনে ৰূপতে দেখিবলৈ বাঞ্ছা কৰিছিল। এই আশাক এতিয়া যদি সি চুমা খায়—সেয়া চৰম আত্ম-প্ৰবঞ্চনা হ'ব। আশাক সি সন্মান কৰে। ইমান বেচিকৈ সন্মান কৰে যে তাইক আন কাৰো বিকল্প ৰূপে সি ব্যৱহাৰ কৰিব নোৱাৰে। নোৱাৰিব। আশা আশাই....

আনোৱাৰে এমুঠি বালি তুলি লৈ আঙুলিৰ কাঁকে কাঁকে সেইবোৰ সৰি পৰিবলৈ এৰি দিলে। জুৰ্-জুৰ কৈ সৰি বালি মুঠি নাইকিয়া হৈ গ'ল। চেচাঁ বালিৰ পৰশে তাৰ মনৰ উত্তাপ প্ৰদমন কৰাত তাক সহায় কৰিলে। লাহে লাহে সি ক'লে, "জানা আশা, যশৱন্তই মোক কি সুধিছিল ? সুধিছিল মই তোমাক ভাল পাওঁ নেকি ?"

"তুমি কি উত্তৰ দিলা ?" শান্ত সহজ মাতেৰে আশাই সুধিলে।

"মই ক'লোঁ........মই ক'লোঁ........" আনোৱাৰে ভাবিছিল যশৱন্তক সি যি কথা ক'লে সেই কথা নকৈ যি কথা কোৱা উচিত আছিল সেই কথাই আশাক কোৱা উচিত হ'ব। সি ক'লে, "মই ক'লো, তুমি ইমান ইমান বেচি ভাল আৰু মই তোমাক ইমান বেচি সন্মান কৰোঁ যে তোমাক ভালপোৱাৰ প্ৰশ্ন নুঠে। তাৰোপৰি মই এনে এজনী ছোৱালীক ভাল পাওঁ যি তোমাৰ আধাও জোৰ নেপায়। ৰূপে-গুণে। আনকি সেইজনী ছোৱালীয়ে মোক ভাল পায় বুলিও মই নেভাবোঁ। তথাপিও তাইক মই ভাল পাওঁ। আচৰিত লাগিছে তোমাৰ ? নে মোৰ ভুল হৈছে ?"

"নাই। ভুল বা আচৰিত বুলি মই নেভাবোঁ। মানৱী আবেগ-অনুভূতি এনেকুৱাই। অতি জটিল। কোনো নিয়ম ভালপোৱাই নেমানে।"

আশাই সৰুকৈ এটা হুমুনিয়াহ কাঢ়িলে। সমুদ্ৰৰ কল্লোল আৰু খজুৰ পাতৰ মাজত মলয়াৰ গীতৰ লগত সেই হুমুনিয়াহ মিলি হেৰাই গ'ল। লাহেকৈ উঠি তাই ক'লে, "বহুত সময় হ'ল। যাওঁগৈ ব'লা আনোৱাৰ।"

বোমা বিস্ফোৰণৰ দৰে প্ৰচণ্ড শব্দত যেন মহাত্মাৰ গ্ৰেপ্তাৰৰ সংবাদত গোটেই ভাৰত কঁপি উঠিল। অবিলম্বে বিপ্লৱে চূড়ান্ত ৰূপ ধাৰণ কৰিলে। হৰতাল-শোভাযাত্ৰা, লোণ-সত্যাগ্ৰহৰ প্ৰসাৰ, বিদেশী কাপোৰ বৰ্জ্জন আৰু দাহ, মদৰ দোকানত অবিৰাম পিকেটিং, ইত্যাদিৰ মাজেদি জনতাৰ ক্ষোভ সুপ্ৰকট হৈ উঠিল। গ্ৰেপ্তাৰ, লাঠিচালনা আৰু গুলীচালনাও দিন দিন বাঢ়ি যাব ধৰিলে।

পিচদিনা পুৱা বৰাৰ্টৰ ওচৰলৈ আহি আনোৱাৰে দেখিলে বৃদ্ধ

সাংবাদিক গৰাকী খণ্ডত অলি-পকি আছে। আগদিনা আবেলি তেওঁ নিজ চকুৰে পুলিচৰ জঘন্য লাঠিচালনা দেখিবলৈ পালে। ময়দানত কিবা এখন প্ৰতিবাদ সভা পাতিবলৈ শান্ত সত্যাগ্ৰহীসকল গোট খাইছিল। আৰু পুলিচে কোনো বিচাৰ নোহোৱাকৈ নিৰ্দ্দয়ভাবে প্ৰহাৰ কৰি শই শই সত্যাগ্ৰহীক মূৰ্চ্ছিত অৱস্থাত ময়দানত পেলাই থৈ যায়।

"ইচ্ ভগৱান! আনোৱাৰ" মিল্‌চে চিঞৰি উঠিছিল, জীৱনত মই বহুত ঘটনা দেখিছোঁ। কিন্তু এনেকুৱা বীভৎস কাণ্ড কেতিয়াও দেখা নাই। জানা, সিহঁতে এটা প্ৰায় কুৰি বছৰীয়া ল'ৰাক মৰা মই নিজ চকুৰে দেখিলোঁ। বাৰে বাৰে মাৰৰ কোবত ল'ৰাটো মাটিত লুটি খাই লুটি খাই পৰে। তেজেৰে তুমুবলি হৈ গৈছে। কিন্তু বাৰে বাৰে উঠি সি আকৌ মাৰিবলৈ আহ্বান জনাইছে। অদ্ভুত। মৰিয়াই মৰিয়াই ত্যক্ত হৈ শেষত আনকি ইংৰাজ পুলিচ-বিষয়াজনেও হাতৰ লাঠী পেলাই দিবলৈ বাধ্য হয়।'

মিল্‌চে পুঙ্খানুপুঙ্খৰূপে লেখি এই লাঠীচালনাৰ সংবাদ নিজৰ কাগজলৈ পঠিয়াইছিল। কিন্তু চৰকাৰৰ চেন্সৰ বিভাগে বাতৰিটো বন্ধ কৰি ৰাখিছে। তাতে খং উঠি বৃদ্ধই টেলিফোনত চিঞৰ-বাখৰ লগাইছে। তৎক্ষণাত বাতৰিটো পঠোৱা নহলে ইঙ্গ-মাৰ্কিণ কূটনৈতিক সম্বন্ধই ভাগি যাব পাৰে বুলি ভাবুকি দিছে। আনোৱাৰে মিল্‌চেনো টেলিগ্ৰামখন যোৱা নাই বুলি কেনেকৈ জানিলে সোধাত তেওঁ কলে বোলে, ৰাতিপুৱাই কোনোবাই এখন চমু নাম নোহোৱা চিঠি তেওঁৰ হাতত দি গ'লহি। তাত লেখা আছিল, "আপুনি পঠোৱা সংবাদ চৰকাৰে বন্ধ কৰি ৰাখিছে। অনুগ্ৰহ কৰি হোম-চেক্ৰেটৰীৰ দপ্তৰত খবৰ কৰিব।" তৎক্ষণাত মিল্‌চেও টেলিফোনেৰে খবৰ কৰিছিল। সিফালৰপৰা উত্তৰত স্পষ্ট ভাষাত জনাই দিছে বোলে সংবাদটো অতিমাত্ৰাই সত্যৰ অতিৰঞ্জন। এনে সংবাদ কোনোমতেই যাবলৈ দিব নোৱাৰি।

"মোক এনেকৈ কবলৈ সাহ কৰে।" বৃদ্ধ মানুহ গৰাকী খণ্ডত যেন তমককৈ এতিয়াই জলিহে উঠিব: "মোক!—মই ৰবাৰ্ট মিল্‌চক! সকলো কথাই নিৰ্ভুল আৰু সংযত ভাবে সদায় প্ৰত্যক্ষদৰ্শীৰূপে সংবাদ পৰিবেশন কৰা বুলি যাৰ খ্যাতি বিশ্বজোৰা। পাঁচখন মহাদেশে যাক চিনি পায়!"

খণ্ডত অগ্নিশৰ্মা হোৱা বৃদ্ধ আমেৰিকান গৰাকী আনোৱাৰৰ অনেক বুজনিত আৰু কেইবা গিলাচো চেঁচা পানী খোৱাৰ পিচত অলপ শান্ত হ'ল। তেতিয়া আনোৱাৰে ক'লে, "চাওক। টেলিগ্ৰামখন নগ'ল কি

হ'ল। সাধাৰণ ডাক যোগেওতো আপুনি এই সংবাদ পঠাব পাৰে। আকাশী ডাকেৰে পঠালে ...."

"ঠিক কৈছা।" মিল্‌চে চিঞৰি উঠিল : "ধন্যবাদ আনোৱাৰ। খণ্ডতে মই একো ভাবিবই পৰা নাছিলো। এই এই একচকুৱা কণাদলৰ অলপ শিক্ষা হব। চাওঁ টেলিফোনটো দিয়া।

আকৌ তেওঁ হোম-চেক্রেটৰীলৈ ফোন কৰিলে। "মই ৰবার্ট মিল্‌চ। ....ওঁ....মোৰ সেই বন্ধ কৰি ৰখা সংবাদ......ও........কিন্তু ধৰক, মই যদি এতিয়াই প্লেনেৰে পাৰস্যলৈ যাওঁগৈ আৰু তাৰপৰা টেলিগ্রাম কৰো? লগতে যদি এই সংবাদ বন্ধ কৰি ৰখাৰ সংবাটটোও প্রকাশ কৰো........ওহো, মই ধেমালি কৰা নাই। মই বিমান-বন্দৰলৈ ওলাইছোৱেই। যোৱাৰ আগতে ভাবিলো আপোনাক এবাৰ কৈ চাওঁ। কিজানি আপুনি মত বদলায়েই।....কি ক'লে?......সংবাদটো? ....মই শপত খাই কব পাৰো, তাত থকা এটা শব্দও অতিৰঞ্জিত নহয়। নিজ চকুৰে দেখাৰ বাহিৰে একোকেই মই লেখা নাই। আৰু, সঁচা কৰলৈ গ'লে, বিশ্বাস কৰক, মই যথেষ্ট কম কৰিয়ে লেখিছো।....কি ক'লে? যাবলৈ দিব সংবাদটো? ধন্যবাদ। বহুত ধন্যবাদ।"

টেলিগ্রামখন যাব। তথাপিও সিফালৰপৰা মাতত মিল্‌চে এনে এটা সুৰ শুনিবলৈ পালে যে তেওঁৰ মুখখন চিন্তান্বিত হৈ উঠিল।

পিচদিনা আনোৱাৰে কেইবাখনো চিঠি পালে। এখন আব্বাজানৰ! তেওঁ লেখিছে, ডাঙৰ-আব্বাৰ জীয়েক বিল্‌কিচৰ চালাৰপুৰৰ যুৱৰাজৰ লগত বিয়া হৈ গ'ল। মদপী যুৱৰাজৰ চৰিত্রৰ কথা আনোৱাৰে ভালকৈ জানে। খবৰটো পাই তাৰ অকণমানো আনন্দ নেলাগিল। বেচাৰী বিল্‌কিচজনী। সি ভাবিলে, সোণৰ সঁজাত তাই বন্দী হ'ল। ...... পেশ্বোৱাৰৰপৰা ইউনুচেও এখন চিঠি লেখিছে। পেশ্বোৱাৰত ঘটা আচৰিত আচৰিত ঘটনাবোৰৰ কথা বৰ্ণাই দীঘলকৈ চিঠিখন দিছে। পাঠান

সকলে বাদশ্বাহখান উপাধি দিয়া খান আবদুল গফ্ফাৰ খানৰ কথা জনাই সি লেখিছে : "বাদশ্বাহখানে আমি পাঠানবোৰক এক অভিনৱ সাহসৰ শিক্ষা দিছে। অকণো ভয় নকৰাকৈ, আক্ৰমণকাৰীক প্ৰত্যাক্ৰমণ নকৰাকৈ নিৰ্ভীকভাৱে মৃত্যু বৰণ কৰিবলৈ শিকাইছে। আমাৰ জাতিৰ এই অভূত-পূৰ্ব্ব চাৰিত্ৰিক পৰিবৰ্ত্তন তুমি দেখিবলৈ পোৱা হ'লে অতি আনন্দ পালা-হেঁতেন।" বেহৰাড়াৰ জেলৰপৰা সুন্দৰমেও এখন চিঠি দিছে। আইন অমান্য কৰা বাবে তাৰ দুবছৰ কাৰাদণ্ড হৈছে।

তাৰ পিচৰ চিঠিখন হাতত লৈয়ে ওপৰৰ আখৰবোৰ দেখিয়ে আনোৱাৰ চক খাই উঠিল। এইখন চাল্‌মাৰ চিঠি। তাৰ বুকুখন চপচপাব ধৰিলে। তাৰ বিশ্বাস আছিল এদিন চাল্‌মাই চিঠি লেখিব। অৱশেষত তাই লেখিলে। কত কথাই হয়তো লেখিছে তাই। তাক ভুল বুজা বাবে ক্ষমা খুজি হয়তো নিজৰ প্ৰেমক পুনৰ প্ৰতিষ্ঠা কৰিবৰ বাবে আকূতি জনাইছে। আব্বাজানে দিল্লীৰপৰা চিঠিখন তালৈ পঠিয়াই দিছে। উত্তেজনাত থক্‌থক্‌কৈ কঁপি উঠা হাতেৰে সি চিঠিখন খুলিলে........

"আনোৱাৰ!" পঢ়ি থকা কাগজ এখনৰ পৰা মূৰ ডাঙি চাই ৰবার্টে মাতিলে, "এইবাৰ ওলোৱা, ভাৰতবৰ্ষৰ প্ৰত্যেক ডোখৰ ঠাই ভ্ৰমণ কৰিম আমি। ভাল পাবা? যাবা নে নোযোৱা? আমাৰ প্ৰতিষ্ঠানে মোক এই অদ্ভুত যুদ্ধ চাবৰ কাৰণে সৰু-ডাঙৰ প্ৰত্যেক ঠাইলৈ যাবলৈ নিৰ্দ্দেশ দিছে।"

আনোৱাৰে উত্তৰ নিদিলে। হয়তো ৰবার্টৰ কথা তাৰ কাণতেই সোমোৱা নাছিল। দৃষ্টিহীন চাৱনিৰে সি মাথোন নিলৰ হৈ হাতৰ সৰু কাগজখনলৈ চাই থাকিল একেথৰে। নহয়, সেইখন চাল্‌মাৰ চম্পাকলিৰ দৰে আঙুলিৰে ভৰ দি বুকু গলাই লেখা মৰমৰ চিঠি নহয়। ৰূপোৱালী চিয়াঁহিৰে ছপা কৰা এখন ধুনীয়া নিমন্ত্ৰণী পত্ৰ মাথোন :

নিবেদন, অহা ১০ মে ১৯৩১ তাৰিখে মোৰ একমাত্ৰ কন্যা চাল্‌মাৰ মিঃ মনজুৰ আহমদ ডি-এচ-পিৰ লগত শুভ-বিবাহৰ দিন ধাৰ্য্য কৰা হৈছে। তদুপলক্ষে আপোনাক সাদৰ নিমন্ত্ৰণ জনোৱা হ'ল। ইতি—

অধ্যাপক মোহাম্মদ চেলিম

চেলিম মঞ্জিল : মেৰিচ ৰোড : আলিগড়

কেইবামাহো জোৰা ভ্ৰমণৰ বাবে বোম্বাই এৰিবলৈ আনোৱাৰ সাজু হ'ল। যোৱাৰ আগতে মাত লগাবলৈ গৈ সি দেখিলে প্ৰাশাইঁতৰ ঘৰত কোনো নাই। মাক আৰু মোহন দুয়ো বোধ হয় কংগ্ৰেছৰ কামত কেনিবা ওলাই গৈছে। নিৰাশ হৈ সি উভটি আহিব খুজিছে, এনেতে চাকৰ এটা আহি তাক ক'লেহি বোলে ঘৰৰ মালিকে তাক এবাৰ লগ পাব খুজিছে। আনোৱাৰ আচৰিত হৈ গ'ল। এই প্ৰথম বিখ্যাত ব্যৱসায়ী শেঠ মাণিক-লাল শ্বাহে উপযাচি তাৰ খবৰ কৰিছে। তাক কবলৈ তেওঁৰ কি কথা থাকিব পাৰে বাৰু? তাৰ ভয় ভয় লাগিল। হয়তো শেঠে তাক আকৌ পুতৌ দেখুৱাই এনে সুৰত কিবা কথা কব যে তাৰ পক্ষে সহ্য কৰি থকা টান হৈ পৰিব। অথচ খঙত কিবাকিবি টান কথা কৈ দিয়া বা কিবা অনুৰোধ কৰিলে উপেক্ষা কৰাও সম্ভৱ নহব। হেজাৰ হওক, এইখন ঘৰত এসপ্তাহৰো বেচি দিন আলহী হৈ থাকি সি এক প্ৰকাৰে তেওঁৰ "নিমখ" খাই থৈছে। এনে স্থলত মাতিলে সি নোযোৱাকৈ থাকিব নোৱাৰে। তদুপৰি কিয় মাতিছে জানিবৰ বাবেও তাৰ ঔৎসক্য নোহোৱা নহয়। কিয় মাতিব পাৰে বাৰু? এনেই অৰ্থহীন ভদ্ৰতা দেখুৱাইয়ে মাতিছে নে কিবা বিশেষ কথা কবলৈ আছে?

আনোৱাৰ শেঠৰ কোঠাত সোমালগৈ। এইটো হেনো তেওঁৰ "পঢ়া-কোঠা।" (সঁচাকৈয়ে বৃহৎ কোঠাটো অসংখ্য মূল্যবান কিতাপেৰে মোক-পঢ় মোক-পঢ়কৈ সজোৱা, কিন্তু সেই সকলো কিতাপ সজাবলৈকে অনা। চেল্‌ফবপৰা সেইবোৰ কাচিৎহে নামে। আৰু নামিলেও শেঠৰ হাতৰ সহযোগত নহয়। তেওঁৰ সাহিত্য-পিপাসা টাইম্‌চ-অব-ইণ্ডিয়া কাগজৰ অৰ্থনীতি আৰু বাণিজ্যৰ পৃষ্ঠায়েই পৰিতৃপ্ত কৰিবলৈ যথেষ্ঠ।) উজ্জ্বল চৈনিক-বেশমৰ কুৰ্ত্তাচোলা, মচ্‌লিনৰ ধুতি, তিনিটা হীৰাৰ আঙঠি পিন্ধি থকা, দুটা দাঁত সোণেৰে বন্ধোৱা সুপুৰুষ মাণিকলালে আনোৱাৰক দেখি সম্ভাষণ জনাই থিয় দিলে। প্ৰথমতে আনোৱাৰক বহুৱাই তাৰ স্বাস্থ্যৰ খা-খবৰ ল'লে। তাৰ পিচত সি মাণিকলালৰ ঘৰৰপৰা তাজলৈ গুচি গৈ অযথা ধনবোৰ ভঙা বাবে অভিযোগ তুলিলে। উত্তৰত আনোৱাৰে ক'লে, সি দোভাষীৰ কাম কৰে। ৰবাৰ্ট মিল্‌চৰ লগে লগে সকলো সময়তে নেথাকিলে অনেক সময়ত অসুবিধা হয়। তদুপৰি খৰচৰ বিষয়ে সি চিন্তা কৰিব নেলাগে। সকলো ধন আমেৰিকাৰ সংবাদ-সংস্থায়ে বহন

কৰে। এই কথা শুনি শেঠে বিশেষ আনন্দ প্ৰকাশ কৰিলে। সকলো মানুহৰে মূল্য অৰ্থৰ তৰ্জ্জুৰে জুখি চোৱাই তেওঁৰ অভ্যাস। আমেৰিকাৰ পৰা ধন অহা কথা শুনি তেওঁৰ মানত আনোৱাৰৰ সন্মান আৰু দাম অনেক গুণে বাঢ়ি গ'ল।

"এই আমেৰিকান সাংবাদিকজনৰ লগত থাকি তুমি চাগৈ অনেক কংগ্ৰেছী ৰৰমূৰীয়াক লগ পোৱাৰ সুযোগ পাইছা, নহয়নে? মই শুনিছোঁ তুমি হেনো আনকি গান্ধীৰ মানে মহাত্মাৰ লগতো কথা পাতিছা। সঁচা নে বাৰু কথাষাৰ?"

আনোৱাৰে বিনীত ভাৱে স্বীকাৰ কৰিলে, সেই সৌভাগ্য তাৰ হৈছে।

"তদুপৰি তুমি আমি শুনিবলৈকো নোপোৱা ৰাজনীতিৰ অনেক গুপুত কথা জানা।"

এই কথা শুনি অৰ্দ্ধ-সাংবাদিক আনোৱাৰে (আজিকালি সি নিজৰ চিনাকি অৰ্দ্ধ-সাংবাদিক বুলি দিয়ে।) ক'লে বোলে সেই কথা সিমান সঁচা নহয়। কাৰণ সিহঁতে যি দেখে, যি শুনে, জানে সকলো বাতৰি কাকতত প্ৰকাশ কৰি দিয়ে।

শেঠে ভাবিলে বিনয়ী আনোৱাৰে লাজ কৰিহে তেনে কথা কৈছে। আচলতে কাকতত প্ৰকাশ পোৱাতকৈ বহুত বেচি কথা সাংবাদিকবোৰে জানে। "চোৱা" এইবাৰ তেওঁ নিজৰ মনোভাৱ ব্যক্ত কৰি ক'লে, "মই তোমাৰপৰা কংগ্ৰেছ আৰু এই গা-গা মানে মহাত্মাই পৰিচালনা কৰা আন্দোলনৰ বিষয়ে সকলো কথা জানিব খোজোঁ।"

আনোৱাৰ আচৰিত হৈ গ'ল। তেন্তে কি এই ধন-সোণৰ পোক মানুহজনৰ ভিতৰি ভিতৰি অন্তৰখনৰ ৰূপান্তৰ ঘটিছে। দেশক ভাল পাবলৈ শিকিছে। সি লাহে লাহে ক'লে, "আপোনাৰ ঘৰতে দেখোন তিনি গৰাকী দুৰ্ধোৰ কংগ্ৰেছী আছে। তেওঁলোকে আপোনাক মোতকৈ বহুত ভালকৈ সকলো কথা ক'ব পাৰিব।"

"বাদ দিয়া সিহঁতৰ কথা।" অৱজ্ঞাৰ সুৰেৰে তেওঁ কৈ উঠিল, "মোৰ পত্নী অতি ধৰ্ম্মভীৰু চেৰা-বলিয়া তিৰোতা। মহাত্মাক একেবাৰে দেৱতাৰ দৰে পূজা কৰে। আশা অকণমান ছোৱালী। ৰাজনীতিৰ তাই কিটো বুজে। উচ্ছ্বাসতে কিবা এটা কৰি এতিয়া জেললৈ গৈছে। কিন্তু জেললৈ যোৱাইতো আৰু ৰাজনীতি নহয়। আৰু মোহন। তাৰ বাবে এইবোৰ মাত্ৰ এটা খেলা। এটা নতুন 'ফেশ্যন।' ঘৃণাত কোৱা কথা হ'লেও আনোৱাৰৰ ধাৰণা হ'ল শেঠে তেওঁৰ পৰিয়ালৰ মানুহখিনিৰ যি বিশ্লেষণ তাৰ আগত দাঙি ধৰিলে সেয়া নিচেই ভুল বোধ হয় নহয়।

"আপুনি বাৰু ঠিক কি কথা জানিব খুজিছে ?" আনোৱাৰে সুধিলে ।

"প্ৰথমতে কোৱা এই আন্দোলন কিমান দিন টিকিব ? দীঘলীয়াকৈ চলিব নে ৰাজনীতিৰ আতচবাজিৰ দৰে জলি উঠিয়ে নুমাই যাব ? চৰকাৰৰ লগত দীঘলীয়াকৈ যুঁজ দিব পৰাকৈ কংগ্ৰেছে দেশৰ মানুহৰপৰা কিমান সমৰ্থন পাইছে ? ডি টাইমচ-অব-ইণ্ডিয়াৰ মতেতো এমুঠি মাথোন বুদ্ধিহীন মানুহ, এদল ৰাজনৈতিক সুবিধাবাদী আৰু কিছুমান দায়িত্বজ্ঞানহীন ছাত্ৰ মাত্ৰ কংগ্ৰেছৰ সমৰ্থক ।"

আনোৱাৰে শেঠক ভালকৈ বুজাই ক'লে যে টাইমচ-অব-ইণ্ডিয়া চৰকাৰী পৃষ্ঠপোষকতাত চলা কাগজ । সকলো কথাত চৰকাৰক সম-ৰ্থন কৰিবলৈ বাধ্য । এনে স্থলত এইখন কাকতে দেশৰ সৰহভাগ মানুহেই কংগ্ৰেছৰ সমৰ্থনত থকা কথাটো স্বীকাৰ কৰিব বুলি আশা কৰা ভুল । কিন্তু প্ৰকৃততে সেইটোৱেই সত্য । আনোৱাৰে জানে মাণিক লালৰ দৰে মানুহে বিদেশীৰ দৃষ্টিভঙ্গীক শ্ৰদ্ধাৰ চকুৰে চায় । তেওঁলোকে কিবা ভুল কৰিলেও তাকে সত্য বুলি ভাৱে । সেয়ে শেষত সি ক'লে, "এয়া কেৱল মোৰ বা মিল্‌চৰে মত নহয় । ভাৰতত থকা সকলো ইংৰাজ আৰু আমেৰিকান সাংবাদিক এই বিষয়ত এক মত ।"

"সঁচা !" কথাষাৰ শুনি শেঠক আচৰিত হোৱা অথচ বিশ্বাসো কৰা যেন ধাৰণা হ'ল আনোৱাৰৰ ।

"ভাৰতত কেইবামহো থাকি যোৱা এজন ইংৰাজ সাংবাদিকে তেওঁ-লোকৰ কাগজত কি লিখিছে জানে ?—'কাৰাৰুদ্ধ মহাত্মাই ভাৰতৰ আত্মাক পুনৰ্জন্ম দান কৰিছে ।' আকৌ এগৰাকী আমেৰিকানৰ মতে ভাৰত-বৰ্ষত এতিয়া চৰকাৰতকৈ কংগ্ৰেছৰ শক্তি অনেক গুণে বেচি ।

আনোৱাৰৰ কথাত যেন টাইমচ্‌-অব-ইণ্ডিয়াৰ নিয়মিত পাঠক শেঠৰ মনোভাৱ সম্পৰ্কে পৰিবৰ্ত্তন হ'ল । "তেন্তে তুমি মোক কি উপদেশ দিয়া ।" মেজৰ কাগজৰ মাজৰপৰা এখন সৰু ছপা ফৰ্ম্‌ উলিয়াই তেওঁ আনোৱাৰক সুধিলে, "মই এই প্ৰতিজ্ঞা-পত্ৰত চহী কৰাই ভাল হ'ব নেকি বাৰু ?"

আনোৱাৰে কাগজখন পঢ়ি চালে । এই প্ৰতিজ্ঞা-পত্ৰৰ কথা ভালেমান দিনৰপৰাই শুনি আহিছে আজিহে সি প্ৰথম দেখিলে । এখন ঘোষণা পত্ৰ । সকলোবিলাক কাপোৰৰ কাৰখানাৰ মালিকে চহী কৰিবৰ বাবে কংগ্ৰেছে ছপা কৰি উলিয়াইছে । তাত প্ৰথমতেই লেখা আছে : "দেশৰ জনগণৰ লক্ষ্য আৰু আদৰ্শৰ প্ৰতি আমাৰ পূৰ্ণ আৰু অকুণ্ঠ সহানুভূতি আছে ।" ভাৰতীয় লোকৰ মালিকস্বত থকা কাপোৰৰ কলবোৰক পূৰা

মাত্ৰাই ভাৰতীয় ৰূপদান কৰাই এই প্ৰতিজ্ঞা-পত্ৰৰ মূল লক্ষ্য। ইয়াৰ লগত সংশ্লিষ্ট সকলো মানুহেই ভাৰতীয় হ'ব লাগিব। ভাৰতীয় বীমা কোম্পানী, ভাৰতীয় বেঙ্ক আৰু ভাৰতীয় জাহাজ কোম্পানীৰ যোগেদিহে এই কাপোৰৰ প্ৰতিষ্ঠানসমূহে কাম চলাব পাৰিব। লগতে মালিকসকলে এই বুলিও ঘোষণা কৰিব লগা হৈছে: "আমি স্বদেশী বস্তুৰ প্ৰসাৰত পূৰ্ণ সহযোগ আগবঢ়াম। হাতে-কটা সূতা আৰু হাতে-বোৱা খদ্দৰৰ লগত যাতে যন্ত্ৰ-উৎপাদিত সূতা-কাপোৰৰ কোনো ধৰণৰ প্ৰতিদ্বন্দ্বিতা নহয় তাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিম। এই আন্দোলনৰ ফলত কাপোৰৰ দাম আৰু মানৰ পিনৰপৰা উন্নত হব পৰা যি কোনো পৰিস্থিতিতেই নিজৰ স্বাৰ্থক ত্যাগ কৰি লাভ কৰাৰ লোভৰপৰা বিৰত থাকিম।"

"পঢ়িলা? এতিয়া কোৱা, মই কি কৰা ভাল হ'ব বুলি তুমি ভাবা। আমি নিজে আমাৰ মৃত্যুদণ্ডৰ এই আজ্ঞাপত্ৰত চহী কৰা উচিত হব নেকি বাৰু?"

"মই ভাবো চহী কৰাৰ বাহিৰে আপোনালোকৰ আন উপায়ো আৰু নাই। কংগ্ৰেছে এখন বিস্তাৰিত তালিকা প্ৰস্তুত কৰিছে। যিসকল মিল-মালিকে চহী নকৰিব তেওঁলোকৰ কাৰখানাৰ উৎপাদন ঠিক বিদেশী কাপোৰৰ দৰেই বয়কট কৰা হ'ব।"

"মই জানো। আৰু সেই ভয়তেই আমাৰ অনেকে চহীও কৰিছে। কিন্তু মই ভাবিছোঁ এনেকৈ এটা ৰাজনৈতিক দলৰ হেঁচাত পৰি সৈমান হৈ নিজকে বিক্ৰী কৰি দিয়াটো জানো জ্ঞানীৰ কাম হব?"

আনোৱাৰে তেওঁক অভয় দিবলৈ যত্ন কৰিলে। মানুহ গৰাকী বেচ চিন্তিত হৈ পৰিছে। বিপদো মিছা নহয়। সি ক'লে, "চাওক, সকলো পিনৰপৰা বিচাৰ কৰি চালে আপোনাৰ প্ৰতিজ্ঞা পত্ৰত চহী কৰাৰ পৰা বিশেষ অপকাৰ হব বুলি মই নেভাবোঁ। হেজাৰ হলেও হাতে বোৱা কাপোৰে দেশৰ বিৰাট চাহিদাৰ অৰ্দ্ধেকো পূৰণ কৰিব নোৱাৰে। এই কথা আনকি গান্ধীজীয়েও নিশ্চয় স্বীকাৰ কৰি ল'ব। বয়কট কৰি বিলাতী আমদানী সম্পূৰ্ণে বন্ধ কৰি ৰাখিব পাৰিলে, দেশী মিলবোৰে বেচ ভাল ব্যৱসায়েই চলাব পাৰিব। আৰু এটা কথা। আপুনি কৈছে নিজকে এটা ৰাজনৈতিক দলৰ হাতত বিক্ৰী কৰি দিয়াৰ কথা। কিন্তু মোৰ জন-চেৰেক কমিউনিষ্ট বন্ধু আছে। তেওঁলোক বৰ 'চিনিক'। তেওঁলোকৰ মতে এমুঠিমান মিল-মালিকেহে হেনো ইতিমধ্যেই কংগ্ৰেছক কিনি পেলাইছে। আপোনালোকৰ দৃষ্টিৰপৰা চালে এই কাৰবাৰটো কিন্তু মোৰ অকণো লোকচানজনক নেলাগে।"

"সকলো নির্ভৰ কৰে কংগ্ৰেছ কিমানদিন টিকি থাকিব পাৰে এই কথাৰ ওপৰত।" এতিয়াও সন্দিহান ভাবে মাণিকলাল শ্বাহে হুমুনিয়াহ এটা পেলাই ক'লে, "এই যোঁৱাটোতে বাজি ধৰাত মোৰ একো আপত্তি নাই। কিন্তু কেৱল যদি নিশ্চিত হ'ব পাৰিলোহেঁতেন এই ক'লা-যোঁৰাটোৱেই দৌৰত প্ৰথম হব বুলি!"

"মোৰ কথাত বিশ্বাস কৰক। ঘোঁৰ-দৌৰত যদি বাজি ৰাখেই তেন্তে ইয়াতোকৈ ভাল ঘোঁৰা আপুনি আৰু নেপায়।" আনোৱাৰে ক'লে। বোম্বাইলৈ অহাৰ পিচৰপৰা ঘোঁৰা-দৌৰৰ শব্দ-তত্ত্বৰ লগত তাৰ বেচ পৰিচয় ঘটিছে। "ভাল, মই এতিয়া উঠোঁ.হে। মা-জীক মোৰ শ্ৰদ্ধা জনাব।"

পত্নীৰ উল্লেখে মাণিকলালক বিশেষ সন্তোষ দিয়া যেন দেখা নগ'ল। মুখৰ ভিতৰতে তেওঁ ক'লে, "বাৰু বাৰু। তেওঁক লগ পালেই মই তোমাৰ কথা কম।" আনোৱাৰে জানে পিচদিনা ৰাতিপুৱাৰ আগতে দুয়োৰে মাজত দেখা-দেখি হোৱাৰ কোনো সম্ভাৱনাই নাই।

তাজ পাওঁতে-পাওঁতে আহাৰৰ সময় চৰি গৈছিল। ৰবাৰ্ট ইতিমধ্যেই ভোজন-কক্ষলৈ গৈছে। আনোৱাৰে গৈ দেখিলে তেওঁৰ লগত একেখন মেজতে বহি এজন অচিনাকি মানুহে আহাৰ কৰি আছে। মানুহজনৰ চুলিকোছা অতি ঘন। বুদ্ধিজীৱীৰ দৰে সুপ্ৰশস্ত কপাল। একোছা উজ্জ্বল ৰঙচুৱা ডাড়ি। আনোৱাৰৰ কোনোবা অধ্যাপক বুলি ধাৰণা হৈছিল। কিন্তু পৰিচয় হৈ জানিলে মানুহজনৰ নাম জৰ্জ্জ ব্লুকছ্। ডেইলী-হেৰাল্ড কাকতৰ বিশেষ প্ৰতিনিধি। ৰবাৰ্ট আৰু ব্লুক'ছ্ পুৰণা বন্ধু। পৃথিবীৰ অনেক প্ৰখ্যাত ঘটনাৰ দুয়ো প্ৰত্যক্ষদৰ্শী। এতিয়া বহি বহি দুয়ো পেৰিচৰ শান্তি সন্মিলন, লেনিন, ট্ৰটস্কি, লয়ড জৰ্জ্জ, ব্ৰায়াণ্ড, আদি আদিৰ নানান মধুৰ-স্মৃতি ৰোমন্থন কৰিছে। আনোৱাৰে জানে ব্লুক'ছৰ কাগজখন লেবাৰ পাৰ্টিৰ সমৰ্থক। এই দলটো আগতে ভাৰতৰ জাতীয়তাবাদী আন্দোলনৰ সমৰ্থক আছিল। কিন্তু যেতিয়াৰেপৰা শাসনৰ ক্ষমতা তেওঁ লোকৰ হস্তগত হ'ল তেতিয়াৰেপৰা তেওঁলোকে ভাৰতকে ধৰি সকলো

উপনিবেশৰ ক্ষেত্ৰত আগৰ টৰী-দলৰ নীতিকে অনুধাৱন কৰিবলৈ ধৰিছে। পৃথিৱীৰ সকলো জাতিৰ মাজত সমতা আৰু সমাজবাদৰ প্ৰতিষ্ঠা কৰিব খোজা এটা দলে হঠাতে বাগৰ সলাই সাম্ৰাজ্যবাদৰ পুৰণা নীতিকে অনুসৰণ কৰাত প্ৰবৃত্ত হোৱা দেখি ভাৰতৰ সকলো জাতীয়তাবাদী কাকতে তেওঁ-লোকক কঢ় ভাৱে সমালোচনা কৰিবলৈ ধৰে। এখন কংগ্ৰেছৰ মুখপত্ৰত স্পষ্টকৈ সম্পাদকীয় ভাৱে এনেকৈ কোৱা হৈছে: "ইংলণ্ডৰ বনুৱা-দলৰ চৰকাৰে ভাৰতৰ স্বাধীনতাৰ দাবীক অস্বীকাৰ কৰি প্ৰমাণ কৰিছে যে সমাজবাদী বুলি ঘোষণা কৰা ইংৰাজ সকলো দৰাচলতে মুখা-পিন্ধা সাম্ৰাজ্য-বাদীহে।"

স্বাভাৱিকতে আনোৱাৰৰো পেটে পেটে এই শ্ৰেণীটোলৈ খং আছিল। এতিয়া একেখন মেজতে এজন ইংৰাজ শাসক দলৰ মানুহ বহি থকা পাই বেচ দুষাৰমান কথা শুনাই দিব পৰা হ'লেই সি আটাইতকৈ ভাল পালে-হেঁতেন। কিন্তু স্লক'ম্ব অনেক দেশ ভ্ৰমণ কৰা মানুহ। অভিজ্ঞ। জ্ঞানী। তেওঁৰ দৃষ্টিভংগীও উদাৰ। কথা-বতৰাতো তেওঁৰ কোনো সাম্ৰাজ্যবাদী দৃষ্টিভংগী প্ৰকাশ নেপায়েই, আনকি ভাৰতলৈ আহি কেনে লাগিছে সেই কথা কৈ থকা মানুহজনকো ভাৰতৰ ৰাজনীতি-প্ৰসঙ্গ আলোচনাত প্ৰবৃত্ত কৰোৱা নিচেই সহজ নাছিল। কথাই-কথাই তেওঁ কৈছিল মাত্ৰ দুঘণ্টাৰ আগতে নিৰ্দ্দেশ পাই যেনে আছিল তেনে পেৰিচৰপৰা লণ্ডনলৈ দৌৰ ধৰিব লগা হৈছিল। আৰু তাৰপৰা থিয়ৈ থিয়ৈ উৰাজাহাজেৰে ভাৰতলৈ যাত্ৰা আৰম্ভ কৰিব লগা হৈছিল। বাটত ধুমুহাৰ কবলত পৰি জাৰ্ম্মানীৰ নুৰেমবাৰ্গত ৰাত্ৰি-যাপন কৰিব লগাত পৰিছিল। তেওঁ কৈ গৈছিল: "পিচদিনা আমি ভিয়েনাত পুৱাৰ জলপান খাই বুডাপেষ্টত দুপৰীয়াৰ আহাৰ কৰিছিলোঁহি। আৰু ৰাতিৰ সাজ একেবাৰে বেলগ্ৰেডত।" গ্ৰীচৰ মাজেদি তেওঁ কাইৰো পৰ্য্যন্ত উৰাজাহাজেৰে আহে। তাৰপৰা মোটৰেৰে পোৰ্ট-চৈয়দলৈকে গৈ জাহাজেৰে ভাৰতলৈ যাত্ৰা কৰে। বিখ্যাত বিখ্যাত ঠাইবোৰৰ নাম অভিজ্ঞ সাংবাদিকজনে উশাহতে এনেভাৱে আওৰাই গৈছিল যে শুনি আনোৱাৰৰ গা ইচাটি-বিচাটি কৰি উঠিছিল। এনে এটা দুঃসাহসী জীৱন যাপন কৰিবলৈ সিও যদি পালেহেঁতেন!

কফি খাই-খাই শেষত ক'লে, ভাৰতলৈ আহি তেওঁ মহাত্মাৰ এই দেশৰ কোটি কোটি জনতাৰ ওপৰত থকা অসীম প্ৰভাৱৰ কথা ভাল ভাৱে উপলব্ধি কৰিছে। আকৌ এসোহা কফি খাই তেওঁ লাহে লাহে ক'লে, কিন্তু কিছুমান প্ৰশ্ন মোৰ মহাত্মাক সোধাৰ ইচ্ছা আছে।"

খন্তেক বৈ তেওঁ আকৌ নিজকে সোধাৰ দৰে ক'লে, "যথেষ্ট পৰিমাণে

স্বায়ত্ত শাসনৰ ক্ষমতা ভাৰতীয়ৰ হাতত অৰ্পণ কৰাৰ যিটো সম্ভাৱনা আছিল আৰু ইংৰাজৰ পক্ষে যিটো সম্ভৱো তাক বাৰু মহাত্মাই মৰীচিকা সদৃশ পূৰ্ণ স্বাধীনতাৰ আদৰ্শৰ বাবে একেবাৰেই প্ৰত্যাখ্যান কৰিব পাৰে নেকি? থোৰতে মোৰ জ্ঞাতব্য হ'ল, কিঁ পালে মহাত্মাই এই আইন-অমান্য আন্দোলন উঠাই ল'ব? সত্যাগ্ৰহ বন্ধ কৰি অহা শৰৎ কালত লণ্ডনত হব লগা ঘূৰণীয়া মেজ-মেলত যোগ দিবলৈ তেওঁ কি চৰ্ত্তত ৰাজি হ'ব?"

কংগ্ৰেছৰ স্বাধীনতাৰ দাবীক উলাই কৰি মহাত্মাক আপোচলৈ আনিব খোজা এই মনোভাৱত আনোৱাৰৰ খং উঠি গ'ল। সি বেচ উগ্ৰভাৱেই কৈ উঠিল, "সমগ্ৰ ভাৰতৰ জনগণৰ হৈ মহাত্মা তথা কংগ্ৰেছে তেওঁলোকৰ দাবী স্পষ্টকৈ জনাই দিছে। এতিয়া ইংৰাজ চৰকাৰ তথা ৰাইজে দাবীৰ উত্তৰ দিব লাগিব;—অৱশ্যে যদিহে লাঠি আৰু বন্দুকৰ বাহিৰে অন্য কিবা উত্তৰ দিবৰ শক্তি তেওঁলোকৰ থাকে। কোনো আপোচৰ প্ৰশ্ন ইয়াত নুঠে।"

আনোৱাৰৰ উত্তেজিত স্বৰত গ্লুক'ৰ অকণো বেয়া পোৱা যেন দেখা নগ'ল। তেওঁ স্বীকাৰ কৰিলে—পুলিচৰ লাঠি-চালনাৰ স্বৰূপ তেওঁ নিজ চকুৰে দেখিছে আৰু নিজে এজন ইংৰাজ হিচাপে যথেষ্ট লাজো পাইছে। ইংলণ্ডতো অনেক মানুহে এই কথা ভাল পোৱা নাই। বৰ্ত্তমান পৰিস্থিতিৰ পৰিবৰ্ত্তন হোৱাটোৱেই সকলোৱে কামনা কৰে। আৰু সেই কাৰণেই তেওঁ এই প্ৰশ্ন কেইটা তুলিছে।

"আপোনাৰ প্ৰশ্নৰ উত্তৰ একমাত্ৰ মহাত্মাইহে দিব পাৰিব। কিন্তু তেখেতক এতিয়া জেলত ভৰাই ৰখা হৈছে। আৰু মই জানো, চৰকাৰে আপোনাক এইবোৰ প্ৰশ্ন মহাত্মাক সুধিবলৈ কেতিয়াও সুবিধা নিদিয়ে।"

কিন্তু তাৰ পিচতে যিষাৰ কথা কৈ বিদায় লৈ গ্লুক'ৰ খোৱামেজৰপৰা উঠি গ'ল সেই কথাৰ অৰ্থ আনোৱাৰে ঠিকভাৱে বুজিব নোৱাৰিলে। তেওঁ ক'লে, "মই কিন্তু সিমান নিশ্চিত নহওঁ। সুবিধা পাবও পাৰোঁ। দেখা য'কচোন বাৰু!"

দুদিনমানৰ পিচত ৰবার্টে এদিন আনোৱাৰক মাতি ক'লে, ''আনোৱাৰ, মই ভাবিছোঁ। আমাৰ ভাৰত ভ্ৰমণৰ কাম বৰ্ত্তমানলৈ স্থগিত ৰখাই বোধহয় ভাল হ'ব। অতি সোনকালেই কিবা এটা চুক্তি সম্পাদন হ'ব আৰু শান্তিৰ বেলুন উৰুৱা হব বুলি মোৰ ধাৰণা হৈছে। এনে অৱস্থাত বৰ্ত্তমান আমি বোম্বাইতে থকা ভাল হব। মোৰ বন্ধু জৰ্জ্জে, মহাত্মাক জেলত সাক্ষাত কৰিবলৈ গৈছে।''

''কিন্তু,....কিন্তু সেয়া অসম্ভৱ।'' আইন অমান্য কৰি কাৰাবাস কৰা বন্দীৰ লগত বাতৰি কাকতৰ সাংবাদিকক সাক্ষাৎ কৰিবলৈ চৰকাৰে দিব পাৰে বুলি বিশ্বাস কৰিবলৈ টান পালে আনোৱাৰে।

''কোনো কথাতেই ইমান নিশ্চিত নহবা, আনোৱাৰ। চৰকাৰ আৰু তিৰোতা জাতি একে শ্ৰেণীৰ বস্তু। নিজৰ সুবিধা অনুসৰি বাবে বাবে মত পৰিবৰ্ত্তন কৰিবলৈ তেওঁলোকে একো বেয়া নেপায়। সঁচাকৈয়ে জৰ্জ্জে সাক্ষাতৰ অনুমতি লাভ কৰিছে আৰু ইতিমধ্যে পুনালৈ যাত্ৰাও কৰিছে।''

''স্লক'মে যদি অনুমতি পাব পাৰে আপুনি কিয় সাক্ষাতৰ বাবে আবেদন নকৰে? এজন ইংৰাজতকৈ মহাত্মাই নিশ্চয় এজন নিৰপেক্ষ আমেৰিকানৰ লগত বেচি মুকলি ভাবেৰে কথা পাতিব।''

''আৰু ঠিক সেই কাৰণেই হয়তো কৰ্ত্তৃপক্ষই মোৰ আবেদন মঞ্জুৰ নকৰিব। জৰ্জ্জৰ এই সাক্ষাত কেৱল এজন সাংবাদিকৰ সাক্ষাত বুলি মই নেভাবোঁ। ইয়াৰ ৰাজনৈতিক তাৎপৰ্য্যও আছে। ইংলণ্ডৰ শাসনত অধিষ্টিত দলটোৰ মুখপত্ৰৰ লগত জৰ্জ্জ সংশ্লিষ্ট। জৰ্জ্জ ভাৰতবৰ্ষলৈ কাৰো প্ৰতিনিধি স্বৰূপে অহা নাই যদিও বোম্বাই চৰকাৰে হয়তো তেওঁক দুয়োদলৰ মধ্যস্থ ব্যক্তি ৰূপেই গণ্য কৰিছে।''

''কিন্তু, এই গোটেই কথাটোৱেই মোৰ মুঠেই ভাল লগা নাই।'' আনোৱাৰে চিন্তিত ভাবে ক'লে, ''মহাত্মা শান্তিপ্ৰিয় কোমল মনৰ সৰল মানুহ। স্লক'মে হয়তো তেওঁক বুজাই মেলি বৰ্ত্তমানলৈ পূৰ্ণ স্বাধীনতাৰ ঠাইত আংশিক স্বায়ত্ত শাসন বা তেনে কিবা এটা গ্ৰহণ কৰিবলৈ মান্তি কৰাব।''

''চেষ্টা তেওঁ নিশ্চয় কৰিব।'' ৰবার্টে কৈ উঠিল, ''কিন্তু মহাত্মা কিয় মান্তি হব?''

''মই ঠিক নেজানো। কিন্তু এটা কথা। মহাত্মা অতি বেচি ভাল মানুহ। ইমান ভাল মানুহ চাল-চাতুৰিৰে ভৰা কূটনীতিৰ বাবে নিৰাপদ নহয়। আন হাতে ইংৰাজবোৰ ভয়ানক চতুৰ।''

"ইমান সোনকালে আশা নেহেৰুৱাবা, আনোৱাৰ।" ৰবাৰ্টে উপ-দেশৰ সুৰত ক'লে, "দেখা যাওক ক'ৰ পানী ক'লৈ যায়।"

পিচদিনা স্নুক'ম্ব পুনাৰপৰা উভটি আহিল। তেওঁৰ সাক্ষাতৰ বিষয়ে বাতৰি কাকতত একো সংবাদ নোপোৱাত আনোৱাৰে ভাবিলে মহাত্মাক সন্মত কৰোৱাত স্নুক'ম্ব নিশ্চয় ব্যৰ্থ হৈছে। সি আশ্বস্ত হ'ল আৰু ৰবাৰ্টক ভাৰত ভ্ৰমণাৰ্থে ওলাই পৰিবলৈ চেপি ধৰিলে। ইমানকৈ জোৰ কৰাৰ তাৰ এটা ব্যক্তিগত কাৰণো আছিল। নিৰলসভাৱে একে ঠাইতে বহি নেথাকি দূৰ-দূৰান্তত নিৰুদ্দেশ ভাৱে ঘূৰি ফুৰিবলৈ মন গৈছিল তাৰ। চাল্‌মাৰ বিয়াৰ খবৰে তাৰ অন্তৰত গভীৰ আঘাত হানি গ'ল। তাৰ ধাৰণা হৈছিল নতুন নতুন ঠাইলৈ গৈ নতুন নতুন মানুহেৰে চা-চিনাকি হৈ নিজকে ব্যস্ত ৰাখিব পাৰিলে হয়তো সেই ঘা শুকাবও পাৰে।

দুদিনমানৰ ভিতৰতে বোম্বাই এৰাৰ আশ্বাস দিলে ৰবাৰ্টে। অৱশ্যে এৰিবই বুলি খাটাং কৈও একো নক'লে। আৰু এনে সময়তে সেই মাৰাত্মক ঘটনাটো ঘটি গ'ল। এদিন ঘাতিপুৱা ইণ্ডিয়ান-ডেইলি-মেইল কাকতত স্নুক'ম্বৰ মহাত্মাৰে দ্বিতীয়বাৰ সাক্ষাতৰ বাতৰি ওলাল। আনোৱাৰে যি ভয় কৰিছিল সেয়ে হ'ল। মহাত্মাৰ পক্ষে এনে এটা কথাত সন্মত হোৱা যেন বহুত উচ্চ স্থানৰপৰা অনেক তললৈ নামি অহা কথা,—এনে লাগিল আনোৱাৰৰ। স্নুক'ম্বৰ মতে চাৰিটা চৰ্ত্তত "মহাত্মা গান্ধীয়ে কংগ্ৰেছক আইন-অমান্য আন্দোলন স্থগিত ৰাখি ঘূৰণীয়া মেজমেলত যোগ দিবলৈ অনুমোদন জনাব।" এই চাৰিটা চৰ্ত্তৰ ভিতৰত সবাতোকৈ গুৰুত্বপূৰ্ণ চৰ্ত্ত হ'ল "মেজমেলত ভাৰতক আংশিক স্বাধীনতা দিবৰ অৰ্থে এখন সংবিধান প্ৰণয়ন কৰা।"

"আপোনাৰ বন্ধুৱে কি কৰিলে দেখিছে।" আনোৱাৰে বিহ্বলাত কাটি হৈ থকা ৰবাৰ্টক কাগজখন দেখুৱাই ক'লে, "কিন্তু এইবোৰ কথাত মহাত্মা কিয় সন্মত হৈছে মই বুজিব পৰা নাই।"

"মহাত্মাই নিশ্চয় নভবা-নিচিন্তাকৈ সন্মতি দিয়া নাই। কিবা যুক্তি থাকিবই।" ৰবাৰ্টে আনোৱাৰক শান্তনা দিয়াৰ সুৰত ক'লে, "তেখেততো আৰু মূৰ্খ নহয়। মোৰ কিন্তু এনেহে লাগিছে যেন এই আশ্চৰ্য্য-মনীষী-জনাই শেষ বিজয়ৰ বাবে সাময়িক ভাৱে কিঞ্চিত সেও হৈহে দেখুৱাইছে।"

আনোৱাৰ কিন্তু এই শান্তনাত আশ্বস্ত নহ'ল। সি নিজকে অন্য ধৰণেৰেহে বুজাবলৈ যত্ন কৰিলে। "আপোচৰ বাবে মহাত্মা ৰাজি হব পাৰে; কিন্তু জৱাহৰলাল ক'লৈ গৈছে! ইংৰাজে তেওঁৰ লগতো এখুন্দা ভালকৈ যুঁজিব লাগিব। আপুনি পাহৰি নেযাব জৱাহৰহে কংগ্ৰেছৰ

সভাপতি। পূর্ণ-স্বাধীনতাৰ দাবী তথা ইংৰাজৰ সকলো স্বত্ব ত্যাগৰ বাহিৰে একোৱেই তেওঁ গ্ৰাহ্য নকৰে বুলি ই নিশ্চিত।”

ৰবাৰ্টে আনোৱাৰৰ মুখলৈ চাই পিতৃ-সুলভ মৰমেৰে হাঁহিলে। তাৰ পিচত লাহে লাহে ক’লে: “কোনো কথাতে, বিশেষকৈ ৰাজনীতিৰ ক্ষেত্ৰত কেতিয়াও কোনো বিষয়তেই অতি মাত্ৰাই নিশ্চিত নহ’বা, আনোৱাৰ।”



কিবা অলপ বিশেষ কথা পাতিবলৈ বুলি ফোনেৰে মোহনে আনোৱাৰক মাতি পঠিয়ালে। সি আহি দেখিলে এটা এটাকৈ মোহনৰ সকলো বন্ধু আহি তাৰ কোঠাত গোট খাইছেহি। সংবাদটোত প্ৰকাশ পোৱা মহাত্মাৰ আপোচৰ মনোভাৱে সকলোকে চিন্তিত কৰি পেলাইছে। আনোৱাৰেও আলোচনাত যোগ দিলে। সকলোৰে দৰে তাৰ মনটোও মহাত্মাৰ সিদ্ধান্তত সন্তুষ্ট হব পৰা নাছিল। তথাপি সি নিজেই আচৰিত হৈ গ’ল তাৰ নিজৰে কাণ্ডত। আৰামী-চকীত বহি ৰাজনীতি কৰা এই ডেকাদলৰ প্ৰচণ্ড আক্ৰমণৰ বিপক্ষে সি অকলেই মহাত্মাৰ পক্ষ লৈ থিয় দিলে। আনোৱাৰে জানে এই ডেকাদলৰ প্ৰত্যেকেই এজন এজন ধনীৰ দুলাল। খাই-বই একো কৰিবলৈ নথকা ল’ৰা। জীৱনত সিহঁতে কেতিয়াও পুলিচৰ মাৰ এটাও খোৱা নাই। জেলৰ ভিতৰখননো কেনেকুৱা কেতিয়াও দেখি পোৱা নাই। “হেজাৰ হ’লেও মহাত্মাতো আৰু মূৰ্খ নহয়,” নিজেই কৰ নোৱাৰাকৈয়ে সি ৰবাৰ্টৰ যুক্তিকে দাঙি ধৰি ক’লে, “হয়তো এই মনীষীজনাই শেষ-বিজয়ৰ কাৰণেই এতিয়া অকণমান সেও হৈ দেখুৱাইছে। আপোচৰ প্ৰতি আগ্ৰহ দেখুৱাই তেখেতে বিশ্বক দেখুৱাই দিছে, প্ৰকৃততে ইংৰাজ চৰকাৰৰহে সকলো দোষ। আমি শান্তিৰে পক্ষপাতী।”

বাকীসকল গুচি যোৱাৰ পিচত আনোৱাৰ-মোহনে ঘৰুৱা কথা উলিয়ালে। আশাৰ ছমাহ কাৰাদণ্ড হৈছে। মাকে তাইৰ চিঠি পাইছে। তাইৰ ভাল। উত্তৰ ভাৰতৰ কোনো এগৰাকী স্বেচ্ছাসেৱিকাৰপৰা হিন্দী শিকি সময়বোৰ কটাইছে। এইখিনি কৈ উঠি মোহনে ডাক ক’লে, “পিচে এইবাৰতো

সাধাৰণ কথা। আচল আৰু সৰাতোকৈ চাঞ্চল্যকৰ খবৰটো বোধ হয় তুমি পোৱাই নাই। কংগ্ৰেছে মিল-মালিকবোৰলৈ যে এখন প্ৰতিজ্ঞা-পত্ৰ আগ বঢ়াইছিল পিতাজীয়ে সেইখনত চহী কৰিলে।"

আনোৱাৰে মোহনক এই সংক্ৰান্তত তাৰ আৰু শেঠৰ মাজত হোৱা আলোচনাৰ কথা কৈ ক'লে, "মই তেতিয়াই অনুমান কৰিছিলোঁ। তেওঁৰ মনোভাৱ সলনি হৈছে।"

"মনোভাৱ সলনি? ঘাইটোকে কৈছা।" মোহনে খেক্‌-খেকাই হাঁহি উঠিল, "মা-জীৰপৰা ৰক্ষা নেপাই বাধ্যত পৰি চহী কৰিছে।"

"কেনেকৈ?"

"নেজানা? পিতাজীয়ে চহী নকৰিলে তেওঁৰ কাৰখানাৰ সমুখত অনশন কৰিব বুলি মা-জীয়ে ভাবুকি দিছিল। নিজৰ স্বামীয়ে এনেকৈ দেশদ্ৰোহৰ কাম কৰি থাকিলে পত্নী হৈ তেওঁ কেনেকৈ আনৰ দোকানৰ আগত পিকেটিং কৰিবলৈ যাব পাৰে?"

পত্নীৰ অনশনৰ ভাবুকিতে এই সচতুৰ ব্যৱসায়ী গৰাকীয়ে এনে এটা কাম কৰা বুলি আনোৱাৰৰ মনে নধৰিলে। মুখেৰে একো নকলেও সি বুজিলে মাণিকলালে কংগ্ৰেছত যোগ দি খদ্দৰ পিন্ধিবলৈ আৰম্ভ কৰাৰ মূলতে পত্নীলৈ ভয় নহয়, স্বাৰ্থ আৰু তীক্ষ্ণ ব্যৱসায়ী বুদ্ধি মাথোন সোমাই আছে।

"সেই হওক, বেয়া হোৱা নাই। ইয়াত ব্যৱসায় হিচাপেও তেওঁৰে লাভ।" সি কেৱল এই বুলি মন্তব্য কৰি থ'লে। মোহনে বাৰে বাৰে সোধা স্বত্বেও ৰাজনৈতিক দল কিনি লোৱা কথাটো আনোৱাৰে তাক নক'লে।

আপোচৰ কথাত আনোৱাৰ আৰু তাৰ দৰে অসংখ্য ডেকাই যি ভয় কৰিছিল সেয়া অৱশ্যে সঁচা হৈ নুঠিলগৈ। কাৰণ মহাত্মা সন্মত হোৱা

সত্ত্বেও ইংৰাজৰ তৰফৰপৰা বিশেষ উৎসাহ দেখা নগ'ল। সকলোৱে কেইবাদিনো উৎকণ্ঠিত হৈ বাট চাই ৰ'ল নতুন কি হয় জানিবলৈ। সত্যা-গ্ৰহৰ উছাহো যেন কিঞ্চিৎ পৰিমাণে চেঁচা পৰি গ'ল। কিন্তু একোৱেই নঘটিল। দুদিনমানৰ পিচত আকৌ পূৰ্ণোদ্যমে বিপ্লৱ আগ বাঢ়ি গ'ল। বেচনাৰ সাগৰ-পাৰ পুলিচ আৰু অহিংস স্বেচ্ছাসেৱক দলৰ অবিৰাম ৰণ-থলীত পৰিণত হ'ল। দিনৌ অগণন স্বেচ্ছাসেৱক আহি লোণ-আইন অমান্য কৰিবলৈ ধৰিলে।

ইতিমধ্যে অনেক বিদেশী সাংবাদিক আহি বোম্বাইত গোট খাইছেহি। তাৰে এটা দলৰ লগ-লাগি আনোৱাৰ আৰু মিল্‌চ এদিন সাগৰ-পাৰলৈ গ'ল। ইমান বাট কষ্ট কৰি যোৱা তেওঁলোকৰ সাৰ্থকো হ'ল। তাত তেওঁলোকে স্বনামধন্যা কবি, ৰাজনীতিজ্ঞা, সুবক্তা শ্ৰীমতী নাইডুক লগ পালে। আধাঘণ্টা সময় নানান ধুহুতীয়া কথা কৈ তেওঁ আনোৱাৰহঁতক হঁহুৱাই হঁহুৱাই পেটৰ নাড়ী ছিঙিলে। শেষত তেওঁক আন আন সত্যা-গ্ৰহীসকলৰ লগত গ্ৰেপ্তাৰ কৰা হ'ল। আৰু তাৰ পিচতে বাকী উপস্থিত স্বেচ্ছাসেৱক দলৰ ওপৰত নিৰ্ম্মম ভাৱে লাঠি চলোৱা হয়। পুলিচৰ অত্যাচাৰৰ কথা আগতে শুনিও বিশ্বাস নকৰা ন-কৈ অহা সাংবাদিকসকল এই কাণ্ড দেখি অবাক হ'ল। কি নৃশংস! অশ্বাৰোহী ইংৰাজ সেনাদলে পূৰ্ণবেগত স্বেচ্ছাসেৱকসকলৰ ওপৰেদিয়ে ঘোঁৰা দৌৰাই পাৰ হৈ গ'ল। অনেক নাৰী আৰু শিশুও ঘোঁৰাৰ খুৰাৰ তলত পৰি আহত হ'ল। আনো-ৱাৰে দেখিলে ৰেব্‌মিলাৰ নামৰ নতুনকৈ ভাৰতলৈ অহা কোমল মনৰ আমেৰিকান সাংবাদিক এজন আতঙ্কত প্ৰায় কঁপি উঠিছে। চকু-মুখ শুকাই গৈছে। পিচত তাজলৈ আহি মিলাৰে বন্ধু বাৰ্ক কোৱা আনোৱাৰে শুনিলে, যোৱা ওঠৰ বছৰ ধৰি পৃথিৱীৰ ছৌৰ্বিশখন দেশ ভ্ৰমণ কৰি তেওঁ বাতৰি সৰবৰাহ কৰিছে, কিন্তু এনেকুৱা নিৰ্ম্মম ঘটনা তেওঁ ক'তো দেখা নাই।

তেওঁৰ কথা শুনি থকা ইংৰাজ এজনে উৎকণ্ঠিত হৈ প্ৰশ্ন কৰিছিল। "কিন্তু এইবোৰ কথা আপুনি নিশ্চয় নেলেখে। লেখিব নেকি বাৰু।" শান্ত গহীন লোক মিলাৰো উত্তেজিত হৈ চিঞৰি উঠিছিল, "উৰা! নেলে-খিম কিয় আকৌ! মই তেন্তে ইয়ালৈ আহিছোঁ। কি কৰিবলৈ?"

সেই সময়তে পণ্ডিত মতিলাল নেহৰু বোম্বাইলৈ আহিল। পুতেক কাৰাগাৰত থকা বাবে বৰ্ত্তমান তেৱেঁই কংগ্ৰেছৰ সভাপতিৰ কাম অস্থায়ী ভাবে চলাই আছে। তেওঁক বোম্বাইৰ বাইজে যেনেদৰে সম্বৰ্দ্ধনা জনালে দেখিলে যি কোনো ৰজা-মহাৰাজাৰ ঈৰ্ষা ওপজা কথা। অন্যান্য সাংবা

দিকৰ পৰাতে আনোৱাৰেও সুসন্মানিত ব্যক্তি গৰাকীক লগ ধৰিলে। আধৰ তেওঁৰ সৰ্ব্বজনখ্যাত বণ্ড-ষ্ট্ৰিট-চুটৰ সলনি নেতা গৰাকীয়ে আজি-কালি হাতে বোৱা খদ্দৰ পিন্ধি থাকে। হলেও সেই জখলা পোছাকৰ মাজেদিয়েই যেন তেওঁৰ আঙুলিৰ মূৰলৈকে মূৰ্ত্তিমন্ত আভিজাত্যই চিক্-মিক্ কৰি আছে। ৰঙীয়াল হাঁহি মুখৰ মানুহ গৰাকীক সকলো বিদেশী সাংবাদিকেই বৰ ভাল পাইছিল। মহাত্মাৰ ঋষিসুলভ গম্ভীৰ আৰু আধ্যাত্মিক ভাব-ভঙ্গি তথা কথা-বতৰা এওঁলোকে ভালকৈ বুজিব নোৱাৰি-ছিল। কিন্তু মতিলালৰ প্ৰাঞ্জল ফৰ্ ফৰীয়া কথা-বতৰা বুজাত তেওঁ-লোকে কোনো অসুবিধা পোৱা নাছিল। সেই সাংবাদিকৰ সভাত বৃদ্ধ ভিঠলভাই পেটেলো উপস্থিত আছিল। প্ৰকাণ্ড ডাঢ়িৰে এই মানুহ গৰাকীক আনোৱাৰে প্ৰথম দেখিছিল সংসদত ভগৎ সিঙে বোমা দলিওৱাৰ দিনা। সেই কৰি-কৰি চকুৰ দুৰ্দ্ধৰ্ষ বিপ্লৱীজনৰ কথা মনত পৰি আনো-ৱাৰৰ মনটো সেমেকি উঠিল। বেচাৰাৰ সুদীৰ্ঘ বিচাৰ ক্ৰমে শেষ পৰিণতিৰ পিনে আগ বাঢ়িছে। মৃত্যু-দণ্ড অৱধাৰিত।

সাংবাদিক সভা শেষ কৰি আনোৱাৰহঁত ওলাব খোজোঁতেই এখন মটৰ আহি পদূলিত ৰ'লহি আৰু তাৰপৰা এগৰাকী সম্ভ্ৰান্ত চেহেৰাৰ মানুহ নামি আহিল। গাত চিক্কৰ দামী চুট। এজন স্থানীয় সাংবাদিকে আনোৱাৰক ক'লে, এয়াই মিঃ এম-আৰ-জয়াকৰ। উদাৰ-পন্থী এই নেতা-জনে ইংৰাজ আৰু কংগ্ৰেছৰ মাজত এটা আপোচ কৰি দিবলৈ যত্ন কৰিছে। জৰ্জ্জ স্লক'ম্বৰো এওঁৰ লগত যোগ থকা যেন লাগিল আনোৱাৰৰ। কাৰণ বাহিৰতে এখন্তেক কথা পাতি তেৰেঁা জয়াকৰৰ লগতে পুনৰ ভিতৰ সোমাই গ'ল।

দুদিনৰ পিচত বাতৰি ওলাল, এটা আপোচলৈ আহিবৰ বাবে "তৃতীয় দল" এটাক গুৰি ধৰিবলৈ দিবলৈ মতিলালো সন্মত হৈছে আৰু সেই অনুক্ৰমেই জয়াকৰ চিমলালৈ ৰাওনা হৈছে ভাইচৰয়ক লগ ধৰিবলৈ। আকৌ এবাৰ আনোৱাৰ সন্ত্ৰস্ত হৈ উঠিল। কোনে জানে, হয়তো এইবাৰ আপোচ হৈয়ো যাব পাৰে। অনামী বেদনাত তাৰ মনটো, সেমেকিল। কিন্তু চৰকাৰক এই আপোচৰ কথা লৈ বিশেষ ব্যতিব্যস্ত হোৱা যেন দেখা নগ'ল। বেচেৰা জয়াকৰ সুদূৰ চিমলাৰ বাটত থাকোঁতেই ইফালে উত্তৰ প্ৰদেশ চৰকাৰৰ পৰোৱানা অনুসাৰে মতিলালকো গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থোৱা হ'ল।

"এইবাৰ আৰু কোনো আপোচৰ প্ৰশ্নই উঠিব নোৱাৰে!" বিজয় উল্লাসেৰে আনোৱাৰে চিঞৰি উঠিল।

"বেছ্‌। তালি-টোপোলা বান্ধি লোৱা তেন্তে।" ৰবার্টে হাঁহি মাৰি ক'লে, "এই যুদ্ধ অতি দীঘল আৰু আমনি লাগি যোৱা বিধৰ হব যেন পাইছোঁ। আৰু আমি এই সংগ্ৰামত প্ৰত্যেক ঘটনাৰ প্ৰত্যক্ষদৰ্শী হ'ব লাগিব।"

খবৰ পোৱা গৈছিল যে গুজৰাটৰ গাওঁসমূহৰ ৰাইজে একমুঠ হৈ কৰ দিয়াৰপৰা বিৰত থাকিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। আনোৱাৰহঁত চুৰাটলৈকে ৰেলেৰে আহিল। তাৰপৰা গাৱেঁ গাৱেঁ ঘূৰি ফুৰিবলৈ বুলি এখন মটৰ বন্দোবস্ত কৰিলে। মটৰখনো সাংঘাতিক। কেইমাইল মান গ'লেই ভাগি পৰিব খোজে। প্ৰত্যেকখন গাৱঁলৈ সিহঁত গ'ল। গুজৰাটৰ মাটি উৰ্ব্বৰ। কপাহ, কুঁহিয়াৰ আৰু পাতৰ বাবে আদৰ্শ মাটি। উত্তৰ প্ৰদেশৰ গাৱঁৰ যি অৱস্থা আনোৱাৰে দেখিছিল তাৰ লগত ইয়াৰ একো মিল নাই। মানুহবোৰৰ অৱস্থা যথেষ্ট ভাল। প্ৰায়বোৰ ঘৰেই পকী। আনকি দুই-তিনি তলাৰ ঘৰো আছে। দুৱাৰবোৰ সুন্দৰকৈ ভাঁজ কৰা। বেৰত ৰঙীন ছবি। প্ৰায়বোৰ ছবিয়েই পৌৰাণিক কৃষ্ণ আৰু গোপী, ৰাম আৰু সীতা, বা কপি-দেৱতা হনুমন্তৰ। মাজে মাজে আধুনিকতাৰ ছাপো নপৰা নহয়। ৰেলগাড়ী বা উৰাজাহাজৰ ছবিয়েও দুই-এখন বেৰ শুৱনি কৰিছে। এঠাইত এখন বেৰততো আনোৱাৰহঁতে একেবাৰে সমসাময়িক বৈশিষ্ট্যপূৰ্ণ ছবি এখনকে দেখিবলৈ পালে। ছবিখনৰ মাজ ভাগত মহাত্মা গান্ধী বহি আছে। (তেখেতৰ মূৰৰ চাৰিফালে ঐশ্বৰিক জ্যোতিৰ প্ৰকাশ।) এজাক মানুহক মহাত্মাই হাত দাঙি আশীৰ্ব্বাদ কৰিছে। মানুহজাকৰ মাজত ভাৰতবৰ্ষৰ সকলো ধৰ্ম্ম সকলো ভাষা-ভাষী মানুহ আছে;—হিন্দু, মুছলমান পাৰ্চী খৃষ্টান নাঙলধাৰী কৃষক, কৃষ্ণকায় হৰিজন,—সকলো।

এইখণ্ড গান্ধীজীৰ নিজা ঠাই। আদি ক্ৰীড়াভূমি। অনেক বছৰ তেখেতে ইয়াত কটাইছে। ইয়াৰ মানুহৰ ভাষা আৰু মহাত্মাৰ ভাষা একে, গুজৰাটী। এওঁলোকৰ প্ৰায় সকলোৱেই মহাত্মাক দেখিছে। তেখেতৰ কথা নিজ কাণেৰে শুনিছে। সান্নিধ্য লাভ কৰিছে। মহাত্মাৰ প্ৰধান

সহকর্মী বল্লভভাই পেটেলেও ইয়াত সংগঠনৰ কাম কৰি অনেক বছৰ কটাইছে। বৰ্ত্তমান খেতিৰ উৎপাদনৰ মূল্য হঠাৎ নামি যোৱা বাবে এওঁলোকৰ অনেকৰ আৰ্থিক অৱস্থা আগতকৈ বেয়া হৈছে। আৰু তেওঁলোক সচেতন হৈ উঠিছে। দুবছৰৰ আগতে বৰদলি জিলাৰ কৃষক ৰাইজে ভাৰত-বুৰঞ্জীত প্ৰথম বাৰৰ বাবে কোনো হিচাব নোহোৱাকৈ লগোৱা চৰকাৰৰ অন্যায় কৰনীতিৰ প্ৰতিবাদ কৰি কৰ দিবলৈ অস্বীকাৰ কৰিছিল। আৰু অতি আচৰিত ভাৱে একেমুঠে চৰকাৰৰ সকলো ধৰণৰ চেষ্টা ব্যৰ্থ কৰি থিয় দি থকাৰ ফলত শেষত বাধ্য হৈ চৰকাৰেই কৰৰ পৰিমাণকে কমাই দিবলৈ বাধ্য হৈছিল।

আৰু এইবাৰ গুজৰাটী ৰাইজে ঘৃণনীয় চৰকাৰক একেবাৰে কৰকে শোধাবলৈ অস্বীকাৰ কৰিছে। আনহাতে যেনে-তেনে কৰ উচল কৰিবলৈ চৰকাৰো বদ্ধপৰিকৰ হৈছে। মুখীয়াল চাই অনেক কৃষিজীৱী লোকক গ্ৰেপ্তাৰ কৰিছে। বাকীবোৰকো পুলিচে যেনেকৈ পাৰে তেনেকৈ হাৰা-শাস্তি কৰিছে। কাৰো মাটি, কাৰো, বয়বস্তু, কাৰো গৰু-মহকে বাজে-য়াপ্ত কৰি কৰ আদায়ৰ নামত নিচেই অল্লপ মূলীয়াকৈ নিলাম কৰি দিছে। ফলত সমূহীয়া প্ৰব্ৰজন আৰম্ভ হৈ গৈছে। হেজাৰ হেজাৰ লোকে নিজৰ গাওঁ নিজৰ মাটি-ভেটি এৰি ইংৰাজ সাম্ৰাজ্যকে ত্যাগ কৰি চুবুৰীয়া বৰোডা ৰাজ্যত প্ৰৱেশ কৰিছেগৈ। প্ৰত্যেক দিনেই ইদলৰ পিচত সিদল মানুহ বাট ধৰিছে। অনেক গাওঁ একেবাৰে জনশূন্য হৈ পৰিছে। সেইবোৰ গাৱঁৰ মাজেদি যাওঁতে আনোৱাৰৰ বাবে বাৰে ফতেহপুৰচিক্ৰীলৈ মনত পৰিছিল। কেউপিনে ভৌতিক-নিৰৱতা। চৌদিশ ৰিক্ত। সুন্দৰ ভাবে সংৰক্ষিত ঘৰবোৰে যেন উৎকণ্ঠাৰে বাট চাই আছে বাসিন্দাসকল আকৌ উভতি আহিবলৈ।

আনোৱাৰহঁতে একেবাৰে গুজৰাটৰ সীমান্তলৈকে গ'ল। সীমান্তত থিয় দি সিহঁতে দেখিলে ভগনীয়া খেতিয়কসকলে সৰু সৰুকৈ পঁজাৰৰ সাজি লৈছে থাকিবৰ বাবে। আনোৱাৰে দেখিলেই ভয় লগা প্ৰকাণ্ড বগা মোচৰ এজন বয়সস্থ মানুহৰ কাষ চাপি সুধিলে, তেওঁলোক কেতিয়া আকৌ নিজ গাৱঁলৈ উভটি যাব। তৎক্ষণাত মানুহজনে উত্তৰ দিলে, "যেতিয়া আমাৰ মহাত্মাৰ শাসন প্ৰতিষ্ঠিত হব।"

এনে সময়ত এদিন খবৰ পোৱা গ'ল, বল্লভভাই পেটেলক এৰি দিয়া হৈছে। এখন সৰু নগৰত তেওঁ বক্তৃতা দিব বুলি শুনি আনোৱাৰহঁতে তৎক্ষণাত মটৰেৰে আঢ়ৈ কুৰি মাইল দূৰৰ সেই নগৰলৈ যাত্ৰা কৰিলে। এই "বৰদলীৰ বীৰ" জনাক আনোৱাৰে সেয়ে প্ৰথম দেখিলে। অদ্ভুত।

শিলত খোদাই কৰা যেন লগা মুখমণ্ডলৰ সুদৃঢ় ৰেখাই ৰেখাই যেন প্ৰচণ্ড শক্তি বিয়পি আছে। জনতাক সম্বোধন কৰি তেওঁ হিন্দুস্তানীৰে বক্তৃতা দিলে। ভাইচৰয়ে কিছু দিনৰ আগতে এটা বিবৃতিত কৈছিল যে কংগ্ৰেছে যদি আইন-অমান্য আন্দোলন উঠাই নলয় তেন্তে পৰিণতি অতি ভয়াবহ হৈ উঠিব। সেই বিবৃতিৰ উত্তৰ স্বৰূপে ওজস্বী ভাষাৰে পেটেলে যি বক্তৃতা দিলে তাৰ শব্দে শব্দে প্ৰচণ্ড ঘৃণা আৰু নিৰঙ্কুশ প্ৰতিজ্ঞা দীপ্ত ৰূপত প্ৰকাশ পাইছে। সৰ্ব্বসাধাৰণ ৰাজনীতিবিদৰ দৰে ঘূৰাই-পকাই সাৱধানে কথা কব নেজানে পেটেলে। হোজা খেতিয়কৰ দৰে যি কয় পোন-পটিয়াকৈ খোলাখুলি ভাবে কয়। আনোৱাৰে বুজিলে অনাখৰী খেতিয়ক ৰাইজৰ মাজত পেটেলৰ বিপুল প্ৰভাৱৰ মূল কাৰণো এয়ে।

সভাৰ পিচত ৰবাৰ্টে আনোৱাৰক ক'লে, "মানুহ গৰাকীৰ কথা মই একো বুজা নাই যদিও এটা কথা ভাবি মোৰ আচৰিত লাগিছে। এইজন মানুহ মহাত্মা গান্ধীৰ প্ৰধানতম শিষ্য হ'ব পাৰে কেনেকৈ !!"

"কিয় ?" আচৰিত হৈ আনোৱাৰে সুধিলে।

"মহাত্মা ইমান কোমল। ইমান মানৱীয়। আৰু পেটেল ইমান কৰ্কশ। ইমান কঠুৱা। দেখিলেই বিশ্ব-নিন্দুক যেন লগা।"

"এয়া বোধহয় ভালৰ কাৰণেই। এওঁৰ কঠোৰতাই মহাত্মাৰ অতি মাত্ৰাৰ কোমলতাক কিছু পৰিমাণে দৃঢ় কৰি ৰাখে। এয়া ভাৰতবৰ্ষৰ বাবে সৌভাগ্যৰ কথা।

"তুমি ঠিকেই কৈছা। এয়া বোধহয় ভগবানৰে ইচ্ছা।"

গুজৰাট ভ্ৰমণে ৰবাৰ্ট মিলচৰ মনত গভীৰভাৱে ৰেখাপাত কৰিলে। গুজৰাটী কৃষকৰ বীৰত্বৰ কথা লৈ তেওঁ এলানি সুন্দৰ আবেগপূৰ্ণ কবিতা ৰচনা কৰি পেলালে। দিল্লীলৈ উভটি অহাৰ বাটত তেওঁ আনোৱাৰক কলে "আনোৱাৰ, মই এটা কথা ভাবিছোঁ ; এবাৰ চিমলালৈ গৈ ভাই-

ভাইছ্‌বয়ক লগ ধৰা বোধ হয় মোৰ উচিত হব। মোৰ অনুমান হৈছে দেশত যে এইবোৰ ঘটনা ঘটি আছে তেওঁ বোধহয় সঠিক ভাবে নেজানে। তেওঁক সকলো কথা ভালকৈ বুজাই কোৱা উচিত। আৰু কোনেও নকয় যেতিয়া মযেই কম।"

ইয়াৰপৰা কিবাযে লাভ হ'ব সেই বিষয়ে সন্দেহ আছিল আনোৱাৰৰ। নিজৰ মনৰ কথা ৰবাৰ্টক সি ক'লেও।

"মই কিন্তু তেনেদৰে নেভাবোঁ। লাভ হবও পাৰে। তদুপৰি চেষ্টা কৰি চোৱাত হানি কি? যিমান দূৰ মই শুনিছোঁ লর্ড আৰউইন ধৰ্ম্মভীৰু লোক। জানি-শুনি তেওঁ এনেকৈ পুলিচক অত্যাচাৰ কৰিবলৈ এৰি দিব বুলি মোৰ বিশ্বাস নহয়।"

আনোৱাৰে কিন্তু ৰবাৰ্টৰ লগত কোনোমতেই একমত হ'ব নোৱাৰিলে। সি ক'লে, ব্যক্তিগত জীৱনত অতিমাত্ৰাই ধৰ্ম্মপ্ৰাণ শাসনকৰ্ত্তাও ভয়ানক নিষ্ঠুৰ আৰু অত্যাচাৰী হোৱাৰ নিদৰ্শন বুৰঞ্জীত অনেক আছে। আনোৱাৰৰ কথাত অধৈৰ্য্য হোৱাৰ দৰে হৈ ৰবাৰ্টে কৈ উঠিল, "আনোৱাৰ, তোমাৰ নিচিনা মানুহকে ইংৰাজীত 'এগ্‌নষ্টিকচ্' বুলি কয়। এয়া তোমাৰ ভুল ধাৰণা। যি কোনোদিন হোৱা নাই সি কোনোদিন যে নহবও তাৰ কি অৰ্থ আছে। মোক অন্ততঃ এবাৰ তেওঁক এজন সাংবাদিক হিচাপে লগ ধৰি চাবলৈতো দিয়া। যদি মই কথাৰ চলতে তেওঁক দুটামান সত্য ঘটনা কওঁৱো তাত তোমাৰ কি আপত্তি থাকিব পাৰে।"

ৰবাৰ্টে চিমলালৈ পোনাই দিলে। আনোৱাৰ দিল্লীত নামি পৰিল পিচত তেওঁক লগ ধৰিম গৈ বুলি কথা দি। কেইবা মাহো সি আব্বাজানক দেখা নাই। আব্বাজানেও তাক অন্ততঃ দুদিনমানৰ বাবে হলেও এবাৰ ঘৰলৈ আহি যাবলৈ দঢ়াই দঢ়াই চিঠিত লেখিছে।........

....বিৰাট বিক্ত ঘৰটোত একেবাৰে অকলশৰে থাকি থাকি আকবৰ আলি যেন বহুত বিষণ্ণ বহুত বুঢ়া হৈ পৰিছে।

দুপৰিয়া খাই-বই উঠি ভিতৰৰ শীতল কোঠাত বহি আনোৱাৰে অভিযোগ তুলিলে, আব্বাজান আজিকালি তুমি স্বাস্থ্যৰ যত্ন একেবাৰে নোলোৱা হ'লা। কিয়? ইমান দুৰ্ব্বল আৰু অসুস্থ হৈ পৰিছা।'

"নাই বাচা। মোৰ তেনে একো অসুখ বিসুখ হোৱা নাই। স্বাস্থ্যৰ যত্নও লওঁৱেই। পিচে বুঢ়া হৈছোঁ নহয়। দুৰ্ব্বলতো হ'মেই। দিনে

দিনে এতিয়া আৰু মই কিবা ডেকা হৈ আছিম নে? নিজৰ নহয়, ৰামেশ্বৰৰ কথা ভাবিহে মই অলপ চিন্তিত হৈছোঁ।।"

"কিয়, ৰামেশ্বৰ কাকা কেনে আছে?"

"তুমিতো জানাই। তেওঁৰ স্বাস্থ্য এনেও সদায়েই বেয়া। কাঁহ আৰু এজ্‌মা আগৰে পৰাই আছিলেই। মাজে মাজে জ্বৰো হৈছিল। পিচে যোৱা কেইমাহ ধৰি তেওঁৰ একেবাৰে শয্যাগত পৰি থকা অৱস্থা। অৱ নুগুচাই হ'ল। তদুপৰি মাজে মাজে কাঁহৰ লগত তেজো পৰিছে। ডাক্তৰে কৈছে কেইবা বছৰৰো আগৰে পৰাই তেওঁৰ হেনো টি-বি হৈছে। এফালৰ হাওঁ-ফাওঁখন একেবাৰে নষ্ট হৈ গৈছে।"

সকলোপৰাই এই শান্ত দুৰ্ব্বল মানুহ গৰাকীক আনোৱাৰে বৰ ভাল পায়। এতিয়া তেওঁৰ অৱস্থাৰ কথা শুনি তাৰ বৰ দুখ লাগিল।

"আব্বাজান, আমি এবাৰ ক্যাকা চাবলৈ যোৱা জানো উচিত নহয়।"

"নিশ্চয় বাচা। মই কালি মাত্র গৈ খবৰ কৰি আহিছোঁ।। আজি থাকা। কালিলৈ তুমিও গৈ এবাৰ চাই আহিবা। ৰামেশ্বৰেও তোমাৰ খবৰ লৈ আছে।"

বৃদ্ধ ৰামেশ্বৰ কাকাই ইমান দিন ধৰি টি-বিত ভুগি থকা শুনি আনোৱাৰৰ বৰ বেজাৰ লাগিল। কিন্তু হঠাৎ অন্য এটা কথা মনত পৰি যোৱাত, সি ভয়ত প্রায় কঁপি উঠিল। ডাক্তৰ জামছেদজীয়ে কৈছিল তাৰ হাওঁ-ফাওঁখনো হেনো অত্যন্ত দুৰ্ব্বল। যদি সি সাৱধানে নেথাকে তেন্তে ভবিষ্যতে........

"আব্বাজান!" ডাক্তৰে কোৱা অন্য এটা কথা ভাবি সি সুধিলে, "আজি তুমি মোক মোৰ আম্মাজানৰ বিষয়ে অলপ কথা কোৱাচোন।"

কিন্তু পিচ মুহূৰ্ত্ততে সি বুজিলে এনেকৈ এই কথা সোধা ঠিক নহ'ল। হঠাৎ আব্বাজানৰ মুখখন অতি করুণ হৈ উঠা সি দেখিলে। চকুহাল তিৰবিৰ কৰি উঠিল। নিৰুদ্দেশ দৃষ্টি দূৰ দিগন্তত নিবদ্ধ কৰি তেওঁ ক'লে, "কিয় বাচা? কি ক'ম মই? তেখেতৰ আম্মাজান অতি ভাল মানুহ আছিল।"

"নহয় আব্বাজান, মই তেওঁৰ স্বাস্থ্যৰ কথা সুধিছোঁ। আম্মাজানৰ বাৰু হাওঁফাওঁৰ দুৰ্ব্বলতা বা টি-বিৰ দৰে কিবা ৰোগ আছিল নেকি?"

"নাই! নাই!" আকবৰ আলিয়ে জোৰেৰে চিঞৰি উঠিল। মৃতা পত্নীক লৈ এনে এটা ভুল প্রশ্ন উত্থাপিত হোৱা তেওঁ যেন সহিব

পৰা নাই। কোনে কৈছে? তেওঁৰ স্বাস্থ্য অতি সুন্দৰ আছিল। তোমাৰ জন্মৰ সময়ত ধাইৰ ভুলৰ দোষতে তেওঁৰ মৃত্যু ঘটে। কিন্তু আনোৱাৰ, তুমি এনে কথা সুধিছা কিয়?"

"নাই—নাই আব্বাজান। এনেই। এনেই কিবা এটা ভাবি সুধিলোঁ।"

আনোৱাৰ যেতিয়া আহে তেতিয়া ৰামেশ্বৰ দয়ালৰ মুখলৈ মৃত্যুৰ ছায়া ঘন হৈ নামি আহিছে। বিছনাত অলৰ হৈ তেওঁ পৰি আছে। চাৰিও-কালে অসংখ্য ঔষধৰ বোটল। ৰোগীৰ কোঠাত সোমোৱাৰ আগতেই সি ৰামেশ্বৰৰ পত্নী লজ্জাৱতীক লগ পালে। মানুহ গৰাকী আগতকৈ বহুত খীণাইছে। কেইবাদিনো একে লেথাৰিয়ে যে শোৱা নাই দেখিলেই ধৰিব পাৰি। তেওঁ আনোৱাৰক ক'লে, সকলো বিখ্যাত ডাক্তৰৰ হতুৱাই ৰোগীক চোওৱাৰ উপৰিও এলোপেথি, হোমিওপেথি আয়ুৰ্ব্বেদ, ইউনানি, কোনো চিকিৎসা বাকী ৰখা হোৱা নাই। উচুপি উচুপি শেষত তেওঁ কৈছিল, "এতিয়া মাত্ৰ ভগবানৰ নাম লোৱাৰ বাহিৰে কৰিবলৈ একো নাই।"

"কাকা।" কোমলকৈ মাতিলে আনোৱাৰে, "মই আনোৱাৰ। মই, আনোৱাৰ।"

মানুহজনৰ মৃত্যুম্লান চকুহালত যেন এক অনামী উজ্জ্বলতা চিক্‌মিকাই উঠিল।

"বঁহা বাচা।" লাহে লাহে তেওঁ ক'লে। আনোৱাৰৰ এনে লাগিল যেন বহুত দূৰ অন্য এখন পৃথিবীৰ পৰাহে মাতটো ভাঁহি আহিছে। "তুমি বোম্বাইৰপৰা কেতিয়া আহিলা-?"

ইমান অসুখতো তেওঁ আনোৱাৰ ক'ত আছে খবৰ ৰখা দেখি সি অভিভূত হৈ পৰিল।

"এতিয়া কেনে পাইছা কাকা?" আনোৱাৰে জানে এই প্ৰশ্নৰ কোনো অৰ্থ নাই। তথাপি সি সুধিলে। সুধিব লাগে।

শেঁতা ক্ষীণ মুখখনত এটা অদ্ভুত হাঁহি খেলাই গ'ল। নিতান্ত লৌকিকতাৰ খাতিৰতে এই প্ৰশ্ন কৰা হৈছে বুলি যেন তেওঁ জানে। এই ব্যৱসায়ী মানুহ গৰাকীয়ে সৰুতে পঢ়াশালীত আকবৰ আলিৰ লগতে উৰ্দু আৰু পাৰ্চী শিকিছিল। এসময়ত তেওঁ নিজেই কবি হোৱাৰ স্বপ্নও দেখিছিল। আনোৱাৰৰ প্ৰশ্নৰ উত্তৰত তেওঁ ইকবালৰ একাঁকি কবিতা গালে, "চেৰাগ-এ-ছ্হৰ হুঁ—বুঝা চাহ্‌তা হুঁ"—পুৱঁতি নিশাৰ মমৰ শিখা মই;—নুমাই যাবলৈ মাথোঁ বাট চাই আছো।

কিয় জানো আনোৱাৰৰ ধাৰণা হ'ল তাৰ কাকা ৰামেশ্বৰৰ প্ৰকৃত ৰূপ এইটোৱেই,—মৃত্যুৰ শয্যাত পৰি যি কবিতা আবৃত্তি কৰিব পাৰে। ঘণ্টাৰ পিচত ঘণ্টা দোকানত বহি টকা-অনা-পইচাৰ হিচাব কৰি কটোৱা মানুহজন অন্য এজন মানুহ।

"আকবৰৰ কেনে?" ৰামেশ্বৰে সুধিলে। আনোৱাৰে ক'লে ব্যৱসায়ৰ কাম থকা বাবে তাৰ আব্বাজান আজি আহিব পৰা নাই। পিচদিনা আহিব। ভাল।

"প্ৰকৃত বন্ধু।....আকবৰ মোৰ প্ৰকৃত বন্ধু। মোৰ কাৰণে তেওঁ বহুত ৰ-হু-ত কৰিলে। অহা জনমতো মই আকবৰৰ উপকাৰৰ ধাৰ শুজিব নোৱাৰিম।" এখন্তেক ৰৈ তেওঁ উশাহ সলালে। তাৰ পিচত যেন শৰীৰৰ সকলো শক্তি প্ৰয়োগ কৰি তেওঁ যিকেষাৰ কথা ক'লে, শুনি আনোৱাৰ অবাক হৈ গ'ল। কথাকেষাৰৰ প্ৰকৃত অৰ্থ সি যেন বুজিব নোৱাৰিলে।—"আকবৰৰ যত্ন ল'বা, বাচা। আৰু আজি তুমি মোক কথা দিয়া—প্ৰতিজ্ঞা কৰা—কেতিয়াও কোনো অৱস্থাতেই তুমি আকবৰক এৰি নেযাবা। ত্যাগ নকৰিবা।" আনোৱাৰে নুবুজিলে। একো নুবুজিলেও অসুস্থ মানুহ গৰাকীক সন্তুষ্ট কৰিবলৈকে সি ক'লে, "আপুনি একো নেভাবিব, কাকা। মই আব্বাজানক কেতিয়াও এৰি নেযাওঁ।"

ৰামেশ্বৰ ইমানেই দুৰ্ব্বল হৈ পৰিছিল যে এইখিনি কথা কৈয়েই তেওঁ অৱশ হৈ পৰাৰ দৰে হৈছিল। কিন্তু তেওঁৰ পত্নীয়ে এতিয়াও আশা কৰে পৰিচৰ্য্যা কৰি যত্ন লৈ হয়তো তেওঁৰ স্বাস্থ্য ঘূৰাই আনিব পাৰিব। কি কৰুণ সেই আশা। অতি শান্ত ভাবেই তেওঁ বৃদ্ধক বেচি কথা পাতিবলৈ হাক দিলে। আনোৱাৰেও বিদায় লৈ যাবলৈ থিয় হ'ল। মুখেৰে একো নকৈ চকুৰেই ৰামেশ্বৰে তাক বিদায় দিলে।

"মই আকৌ আহিম, কাকা।" এই বুলি আনোৱাৰ ওলাই আহিল। কিন্তু সি জানে—এয়া সি মিছা কথা কৈছে। এয়াই তাৰ শেষ অহা হয়তো।

হ'লো। আৰু আহিব লগা নহ'ল। পিচদিনা কাকা বামেশ্বৰ দয়ালৰ মৃত্যু হ'ল। শ্মশানৰপৰা উভটি আহোঁতে সি লক্ষ্য কৰিলে তাৰ আব্বাজান যেন একেদিনাই দহ বছৰৰ বেচি বুঢ়া হৈ গৈছে।



এই সময়ত আব্বাজানক এৰি যাবলৈ আনোৱাৰৰ অকণো মত নগ'ল। প্ৰাণৰ বন্ধুৰ বিয়োগত মানুহজন যেন একেবাৰে ভাগি পৰিছে। সেয়ে চিমলাত থকা ৰবাৰ্টলৈ সি লেখি দিলে, বিশেষ অসুবিধাত, বৰ্ত্তমান সি দুসপ্তাহমান দিল্লীত থাকিব লাগিব। তাৰ পিচত চিমলাতে হওক বা আন ঠাইতে হওক সি গৈ তেওঁক লগ ধৰিবগৈ।

দিল্লীত থাকি কিন্তু তাৰ আগৰ দৰে অকণো ভাল নলগা হ'ল। আজি-কালি আব্বাজানৰ বৈঠকত পুৰণি সভ্য নায়েই। নতুন এদল মানুহ গোট খায়। ভাবাদৰ্শত অতি গোড়া এই দলটোৰ যেন পৰচৰ্চা কথাৰ বাহিৰে কৰিবলৈ কামেই নাই। সৰুতে আনোৱাৰে দেখিছিল, এই বৈঠক এদল সুৰুচি-সম্পন্ন সংস্কৃত মানুহৰ অৱসৰৰ মধুৰ আড্ডাৰ দৰে আছিল। হেকিম বেদিলে তেওঁৰ কবিতা আবৃত্তি কৰি শুনাইছিল। কাকা বামেশ্বৰে শলাগ লৈ কৰতলত চপৰিয়াই "বাহ! বাহ!" কৰিছিল। কোনোবা এজনে হয়তো খবৰ কাগজৰ একাংশ পঢ়ি শুনাইছিল। আৰু চাহৰ পিয়লা বা ৰবত কৰা চৰবতৰ গিলাচৰ ওপৰেদি ৰাজনীতি, সমাজনীতি, সাহিত্যৰ মাৰ্জ্জিত সুসংযত আলোচনাৰ ধুমুহা বৈ গৈছিল। কিন্তু আজি? তেহিনু দিবসা গতাঃ। কাকা বামেশ্বৰৰ মৃত্যুৰ লগে লগে যেন এটা যুগ এই মধুৰ জীৱন পদ্ধতিৰে অৱসান ঘটিল। পুৰণি বন্ধুবৰ্গৰ মাখোন চৌধুৰী মোহাম্মদ ওমৰেই নিয়মমতে আহে। পণ্ডাৱৰ

এই ব্যৱসায়ীজনে আজিকালি 'খানবাহাদুৰ' উপাধিধাৰী। চৰকাৰৰ ডাঙৰ ডাঙৰ ঠিকা লয়। স্থানীয় নিকায়ৰো সদস্য। ব্যৱসায়ৰো বহুত প্ৰসাৰ হৈছে। তেওঁৰ ল'ৰাই আজিকালি মটৰগাড়ী নহ'লে খোজ এটালৈয়ো কেনিও নেযায়। নিৰ্লজ্জভাৱেই মোহাম্মদ ওমৰ আজি-কালি চৰকাৰৰ সমৰ্থক। ভক্ত। কংগ্ৰেছ আৰু মহাত্মাক আইন অমান্য আন্দোলনৰ বাবে খোলাখুলিকৈ মুখত লেকাম নোহোৱাকৈ গালি পাৰে। এই আন্দোলনৰ বাবেইতো আজিকালি দিনৌ-দিনৌ চাৰিওফালে নতুন নতুন ধৰ্মঘটবোৰ হ'ব ধৰিছে। আৰু এই ধৰ্মঘট মানেতো আন একো নহয়;—মাত্ৰ মানুহৰ ব্যৱসায়ৰ লোকচান। চৰকাৰৰ নোম এডালো নলৰে। অৱশ্যে তেওঁ জানে আকবৰ আলি এসময়ত অসহযোগত অংশ গ্ৰহণ কৰা মানুহ। এতিয়াও তেওঁ চৰকাৰক ভাল নেপায়। এই কথা মনত ৰাখি তেওঁ সদায় কংগ্ৰেছ বিৰোধী কথাবোৰক সাম্প্ৰদায়িকতাৰ পোছাক পিন্ধাই কয়। "মই যদি হিন্দু হ'লোহেঁতেন তেতিয়া বেলেগ কথা আছিল। গান্ধীক মানি চলাত তেতিয়া এটা যুক্তি থাকিলেহেঁতেন।" আনোৱাৰে এদিন তেওঁক স্পষ্টকৈ কোৱা শুনিলে। "কিন্তু মই মুছলমান হৈ এই বলিয়াটোৰ নেতৃত্ব কিয় মানি ল'ম। মুছলমানবোৰক ধ্বংস কৰাইতো এই আন্দোলনৰ মুখ্য উদ্দেশ্য।" আৰু এনে ধৰণৰ বি কথাই তেওঁ যেতিয়াই নকওক তেওঁক সমৰ্থন জনাবলৈ সদায় কমেও আধা-ডজন মানুহ আব্বাজানৰ বৈঠকত উপস্থিত থাকিছিলেই।

তথাপি কোনোৰকমে দিনবোৰ পাৰ হৈ গৈছিল। কিন্তু যেতিয়া কিবা চৰকাৰী কামত এমাহমান দিল্লীত থাকিবলৈ বুলি ডাঙৰ আব্বা আমজাদ আলি আহি দিল্লী ওলালহি তেতিয়া আৰু দিল্লী তাৰ বাবে অসহনীয় হৈ উঠিল। মানুহজন যেন অহঙ্কাৰত একেবাৰে ফাটিহে পৰিছে। এলাপেচাই ওচৰকে চাপিব নোৱাৰে। অহঙ্কাৰেইবা নহ'ব কিয়। এতিয়াতো তেওঁ কেৱল চৰকাৰৰ উচ্চ পদবীধাৰী মুখপত্ৰ একজনেই নহয়, স্বয়ং যুৱৰাজৰো শহুৰেক। আনোৱাৰৰ কংগ্ৰেছী দৃষ্টিভঙ্গীৰ কথা তেওঁ জানে। সেয়ে তাৰ খং তোলাবলৈকে হওক বা তাক ভয় খুৱাবলৈকে হওক সুবিধা পালেই কংগ্ৰেছ নেতাসকলৰ নিন্দা কৰে। ভাবুকি দিয়ে। আকবৰ আলিয়ে কিন্তু এইবোৰ ভাল নেপায়। আনহাতে বয়সে ডাঙৰ সদায় সন্মান কৰি অহা ককায়েকক বাধা দিবলৈকো তেওঁ বেয়া পায়। সেয়ে ভাবি-চিন্তি আৰু আনোৱাৰৰ অৱস্থা বুজি পাই এদিন তাক মাতি আনি ক'লে, "বাচা, দিল্লীত বোধহয় তোমালৈ সদায় বাট চাই আছে। মোৰতো এতিয়া একেবাৰেই ভাল। কেবাজনো আহি আছেহি। তুমি

নহ'লে চিমলালৈকে গুচি যোৱাগৈ। চিমলাৰ জলবায়ু ভাল। স্বাস্থ্য-নিবাস। তোমাৰ স্বাস্থ্যৰো উপকাৰ হব।"

সেই দিনা নিশাই আনোৱাৰ চিমলালৈ যাওনা হ'ল।

আনোৱাৰক পাই মিল্‌চে পৰম সন্তোষ পালে। এই কেইমাহ একে-লগে থাকি থাকি তেওঁৰ আনোৱাৰৰ প্ৰতি বিশেষ মৰম সোমাই গৈছে। "আনোৱাৰ! আহিলা?" তেওঁ আনোৱাৰক আঁকোৱালি ধৰি পিঠিত হাত বুলাই ক'লে, "কি ভাবিছা? তুমি অহাত মোৰ ভাল লাগিছে নে বেয়া লাগিছে? জানা, এইখনতো এখন মহানগৰ নহয়। ভিভিলৈকে বুতামমৰা অসংখ্য চৰকাৰী চোলাৰ এটা বিৰাট গুদামঘৰ এইটো। ইয়াত মানুহ নাই। তোমাক দেখি অলপ চকুৰ পোৱণিৰেই শাঁত হৈছে তেও।"

আনোৱাৰৰো ভাল লাগিল সাংবাদিকতাৰ উত্তেজনাপূৰ্ণ জীৱনৰ মাজলৈ উভটি আহিবলৈ পাই। মিল্‌চ চেচিল হোটেলত আছে। হোটেলখন নৰম-পন্থী ৰাজনীতিক, উচ্চপদস্থ চৰকাৰী বিষয়া, বিদেশী ভ্ৰমণকাৰী, নানান কাকতৰ বিশেষ প্ৰতিনিধি আদিৰে ঠাহ খোৱা।

"প্ৰথমতে কওকচোন, আপুনি ভাইচ্‌ৰয়ক লগ ধৰিলে?" আনো-ৱাৰ অধৈৰ্য্য হৈ পৰিছিল। খাই-বই কোঠাত সোমাই মিল্‌চক অকলশৰে পায়ে সি সুধিলে।

"ওঁ ওঁ। পালোঁ।" ম্‌লিচে উত্তৰ দিলে। তাৰ পিচত ভাই-চৰৰ এ-ডি-চিৰ দৰে অভিনয় কৰাৰ ভঙ্গীত তেওঁ কৈ গ'ল, "....মহামান্য লাট-বাহাদুৰ, গৱৰ্ণৰ-ইন্-কাউন্সিল, ভাৰতৰ ভাইচৰয়ে, ভাইচৰয়-ভৱনৰ তিনিনম্বৰী ভোজন-কক্ষত আপুনি তেখেতৰ লগত দিনৰ আহাৰত যোগ দিলে, অনুগ্ৰহ কৰি তেখেত সন্তুষ্ট হ'ব। পেণ্ট পিন্ধা জৰুৰী। পিন-ষ্ট্ৰাইপচ্ আৰু পেটচ্ পিন্ধিব পাৰিলে ভাল। নিপিন্ধিলেও অৱশ্যে দোষ-নীয় নহয়।......"

"তাৰ মানে?" এই বৃদ্ধ মানুহ গৰাকীৰ কিশোৰ-সুলভ এই ধৰিকাৰ,

স্বভাৱটো আনোৱাৰে সদায় ভাল পায়। আজিও কোনোমতে হাঁহি সামৰি সি সুধিলে, "আপোনাক আহাৰলৈ নিমন্ত্ৰণ কৰিছিল? আৰু কোন কোন আছিল?"

"তিনিজঁাই গুলীৰ সন্মানৰ অধিকাৰী এক বিখ্যাত মহাৰাজা, ভাৰতত ধৰ্মান্তৰ গ্ৰহণকাৰীৰ হাৰ উপযুক্ত পৰিমাণে নবঢ়াত অসন্তুষ্ট এজন পাদ্ৰী, ভাৰতত থাকি প্ৰথম বাঘটো কেনেকৈ চিকাৰ কৰা উচিত সেই সম্পৰ্কে বিশেষজ্ঞৰ অভিমত দিব পৰা অসমৰ এজন চাহ-খেতিয়ক, আৰু মিচেছ্ বিম্‌বোল-বি-ডি-ব'নেট,—যি পঙ্গু-মাৰ্জ্জাৰী-কল্যাণ অনুষ্ঠানৰ সাহায্যাৰ্থে অৰ্থ সংগ্ৰহ কৰিবৰ বাবে এক বিশেষ 'মেড্-হেটাৰ'ৰ চাহ-মেল আয়োজনাৰ্থে আপ্ৰাণ চেষ্টা কৰিছে।" আনোৱাৰে বুজিলে ৰবাৰ্ট মিল্‌চ সেইদিনা বেচ আনন্দত আছে।

সিও ধেমালিৰ সুৰতে ক'লে, "বেচতো তেনে। আপোনাৰ বাওঁহাতে হয়তো বহিছিল মিচেছ্ বিম্‌বোল-বি; সোঁহাতে বহিছিল পাদ্ৰী চাহেব। তাৰ মাজৰপৰা আপুনি কেনেকৈ ক'লে বাৰু, 'হে মহামান্য লাট বাহাদুৰ! পঙ্গু-মাৰ্জ্জাৰী আৰু পতিত-আত্মাৰ কথা আপোনাৰ দ্বাৰা অনুগ্ৰহ কৰি শুনা গ'ল। এইবাৰ অনুগ্ৰহ কৰি যদি এই অভাজনে কব খোজা আইন-অমান্য আন্দোলনৰ কথাৰ প্ৰতি কৰ্ণপাত কৰে!...."

"তুমি ঠিক কৈছা। তেওঁলোকৰ ৰসেৰে টুপ্‌টুপীয়া আলোচনাৰ মাজলৈ ৰাজনীতিৰ কাঁইটীয়া কথা টানি অনা সহজ নাছিল। চাহ-খেতিয়ক বন্ধুৱেই হওঁতে এবাৰ এটা সুবিধা দিছিল। কথাই কথাই তেওঁ কৈছিল বোলে সুবিধাই-সুবিধাই পোৱা হ'লে তেওঁ হেনো 'গান্ধী-বুঢ়া'ক গুলীকে কৰিলেহেঁতেন। তথাপি ক'ম বুলি যোৱা একো কথাই ক'ব পৰা নগ'ল। আহাৰৰ এ-ডি-চিয়ে আমাক এজন এজনকৈ কথা-পতা কোঠাত পাঁচ মিনিট কথা পাতিবলৈ দিবলৈ লৈ লৈ যাবলৈ ধৰিলে। ঠিক কাঁটাই-কাঁটাই পাঁচ-মিনিটকৈ আমি সময় পাইছিলোঁ। মই অৱশ্যে পোন্ধৰ মিনিট সময় ল'লো। ভাইচৰয়ৰ সময়-তালিকাত দহ মিনিট সময়ৰ খেলিমেলি লগাই দিয়াৰ বাবে বিটোহে চাৰনি এ-ডি-চিয়ে মোৰ ওপৰত নিক্ষেপ কৰিলে তোমাক কি ক'ম। যেন মই সমগ্ৰ বৃটিচ সাম্ৰাজ্যই লণ্ডভণ্ডহে কৰি দিছোঁ।"

পিচে, ভাইচৰয়ৰ লগত আপোনাৰ কথা-বতৰানো কি হ'ল?"

"প্ৰথমতেই ভাইচৰয়ৰ ভুল হৈ গ'ল। তেওঁ মোক ভাৰতলৈ আহি মই কি কি দেখিলোঁ সুধিলে।"

"আৰু আপুনি দেখা সকলো কথা পুংখানুপুংখ ভাবে ক'লে?"

"নিশ্চয় । খবচি মাৰি । বোম্বাইৰ নাৰী-বাহিনীৰ কথা, পুলিচৰ লাঠি-চালনাৰ কথা, গুমৰাটী কৃষকৰ বিদ্ৰোহৰ কথা,—ইত্যাদি সকলোবোৰৰ কটকটীয়া ছবি মই দাঙি ধৰিলোঁ । শেষত তেওঁক মই সাৱধান-বাণী শুনাই ক'লোঁ যে চিমলাৰ শিখৰত বাস কৰা লাট বাহাদুৰ দৰাচলতে এটা আগ্নেয়-গিৰিৰ ওপৰত বহি আছে ;—আৰু এই আগ্নেয়গিৰিৰ বিস্ফোৰণ আৰম্ভ হৈ গৈছে ।"

"আপোনাৰ কথাত চাগৈ তেওঁ অকণমানো সন্তুষ্ট নহ'ল ?"

"নহয় আনোৱাৰ । মোৰ ধাৰণা এইবোৰ কথা মই জনোৱাত তেওঁ ভালেই পাইছে । কিন্তু এটা কথা, বুজিছা আনোৱাৰ । বেচাৰা মানুহজনৰ প্ৰতি মোৰ পুতৌহে জন্মিছে । যিখন দেশ তেওঁ শাসন কৰিছে বুলি সকলোৱে জানে সেইখন দেশৰে ক'ত কি হয় তেওঁ একো ক'বই নোৱাৰে । চিমলাৰ মানুহে পৃথিৱীৰ খবৰ ইমান কম পাই বুলি তুমি ভাবিবই নোৱাৰা ।"

"ইয়াৰ বাবে দায়ী কোন ?"

"কোন হ'ব আৰু,—শাসন পদ্ধতি । এই পদ্ধতিয়ে তেওঁলোকক ধুলি আৰু তাপৰপৰা আঁতৰাই পৰ্ব্বতৰ টিঙত তুলি ৰখাৰ লগে লগে দেশৰ বাস্তৱ পটভূমিৰ পৰাও বিচ্ছিন্ন কৰি ৰাখিছে । চিমলাত কোনেও বাতৰি কাকত নপঢ়ে । কাৰণ কাকতবোৰ তিনি-চাৰি দিনৰ মূৰতহে আহি পায়হি । ভাইচৰয়কে আদি কৰি শাসনৰ শিখৰত অধিষ্ঠিত সকলোকে যি খবৰ পৰিবেশন কৰা হয় সেয়া একমাত্ৰ ৰয়টাৰে পঠোৱা । চমু, বঢ়া আৰু সদায় একপক্ষীয় । সকলো খবৰ নেপায় । গৃহ-দপ্তৰৰ পৰাও ভাইচৰয়লৈ প্ৰদেশসমূহৰপৰা অহা শাসনৰ বিবৃতিবোৰ পঠোৱা হয় । কিন্তু তাতো যি কোনো ঘটনাৰে থূলমূল আভাস এটা মাত্ৰ থাকে আৰু সিও তেওঁৰ ওচৰ পাওঁতে পাওঁতে এসপ্তাহৰো বেচি দিন সময় লাগে ।"

কিন্তু এইবোৰতকৈ ভাইচৰয়ে কি ক'লে জানিবলৈহে আনোৱাৰ বেচি ব্যগ্ৰ হৈ উঠিছিল ।

"মই তেওঁক তেওঁৰ মহাত্মাৰ বিষয়ে ধাৰণা কি সুধিছিলোঁ । তেৰেঁা ক'লে । অৱশ্যে একান্ত ব্যক্তিগতভাৱে । প্ৰচাৰৰ বাবে নহয় । যি কোনো সাংবাদিকেই ভাইচৰয়ক লগ ধৰৰক এই মহান ব্যক্তিজনাই কোৱা কোনো কথাই প্ৰকাশ নকৰিবলৈ প্ৰথমতেই স্পষ্টকৈ জনাই দিয়া হয় । অৱশ্যে তোমাৰ আগত কৰলৈ মোৰ একো ভয় নাই । জানা, তেওঁ কোৱা প্ৰত্যেকটো শব্দ মোৰ মনত আছে । ভাইচৰয়ৰ কথাখিনি বুদ্ধিদীপ্ত সন্দেহ নাই । কিন্তু এজন ভাইচৰয়ৰ পক্ষে তেনেকৈ কোৱা মুঠেই উচিত নহয় । কথাখিনি অলপ কেনেবা-কেনেবা লগা বিধৰো । তেওঁ কৈছিল: 'প্ৰথমবা'ৰ

যেতিয়া মই গান্ধীক দেখোঁ তেওঁৰ ধাৰ্মিকতাই মোক বিশেষভাৱে আকৃষ্ট কৰিছিল। দ্বিতীয়বাৰ দেখোঁতে তেওঁৰ আইনৰ অগাধ জ্ঞানে মোক অবাক কৰি তুলিছিল। আৰু তৃতীয়বাৰ দেখি মই নিশ্চিত হৈছিলোঁ।'—তেওঁ কিহৰ বিষয়ে নিশ্চিত হৈছিল মই জানিব খোজাত তেওঁ হাঁহি মাৰি উত্তৰ দিছিল: 'সেয়া ভাবি উলিওৱাৰ ভাৰ আপোনাৰ ওপৰত।''

ভাইচৰয়ৰ কথাত আনোৱাৰে কিন্তু মিলচৰ দৰে উচ্ছ্বসিত হোৱাৰ খোৰাক একো নেপালে। "তাৰ মানে, মোৰ বোধেৰে কোনো আপোচ কৰাৰ ইচ্ছা চৰকাৰৰ নাই। মই অৱশ্যে ব্যক্তিগতভাৱে এই কথাত ভালেই পাইছোঁ।"

"মোৰ কিন্তু ভাইচৰয়ৰে সাক্ষাত কৰি তেনে ধাৰণা হোৱা নাই। মই ভাবো, ভাইচৰয়ে যিমানেই ভুল খবৰ নেপাওক, তথাপি গান্ধীবাদী অহিংস-বিপ্লৱক দমন কৰাৰ বাবে পুলিচে যি পদ্ধতি অবলম্বন কৰিছে সেই কথা শুনি তেওঁ যথেষ্ট অস্বস্তি অনুভৱ কৰিছে। এটা কথা আমি পাহৰি গ'লে নচলিব। এজন 'খৃষ্টান' ভাইচৰয় হিচাপে তেওঁ তেওঁৰ সন্মান ৰক্ষা কৰি চলিব লাগিব। আৰু সেই সন্মানৰ যোগ্য ব্যক্তিৰূপে কাম কৰিব লাগিব। সময় যেতিয়া আহিব, অহিংস বিপ্লৱৰ প্ৰভাৱে যেতিয়া লণ্ডনৰ 'হোৱাইট-হলতো' প্ৰৱেশ কৰিব, তেতিয়া তেওঁ নিশ্চয় গান্ধীৰ লগত আলোচনা কৰিবলৈ বং মনেৰে আগবাঢ়ি আহিব।"

"অহিংসাবাদৰ প্ৰভাৱ নে বিলাতী-বস্ত্ৰ বৰ্জন আন্দোলনৰ প্ৰভাৱ?"

"ইংৰাজ চৰকাৰৰ বাবে এই দুয়োটা বস্তুৰ মাজত বিশেষ পাৰ্থক্য নাই।"

এনে ধৰণৰ আলোচনা, বুদ্ধিৰ প্ৰতিযোগিতা আৰু জ্ঞান আহৰণ, এয়েই আছিল আনোৱাৰৰ পক্ষে ৰবাৰ্ট মিলচৰ লগত কাম কৰাৰ সবাতোকৈ উপভোগ্য বিষয়। ইয়াৰ ফলত আনোৱাৰৰ বুদ্ধি দিন দিন তীক্ষ্ণতৰ হৈ আহিছিল। কাম আৰু জীৱন দুয়োটাৰ প্ৰতি তাৰ অনুৰাগ বৃদ্ধি পাইছিল।

চিমলা ভাৰতবৰ্ষৰ গ্ৰীষ্ম-কালীন ৰাজধানী হ'লেও নতুন-খবৰ-সন্ধানী সাংবাদিকৰ কাৰণে একেবাৰে দুখীয়া ঠাই। গতানুগতিক জীৱন। একো বৈচিত্ৰ নাই। সেই বাবে ইয়াৰ সুন্দৰ জলবায়ু পৰ্য্যাপ্ত মাত্ৰাত উপভোগ কৰি উঠাৰ পিচত আনোৱাৰহঁতে নামি আহি দেশৰ প্ৰত্যেক প্ৰদেশত আইন-অমান্য আন্দোলনে কেনে ৰূপ ধাৰণ কৰিছে নিৰীক্ষণ কৰিবলৈ মনস্থ কৰিলে। তাৰ আগতে এদিন চেচিল হোটেলত আনোৱাৰ আৰু ৰবাৰ্টে সন্ধ্যাৰ আহাৰ কৰি আছিল। হঠাৎ এজন মানুহ দেখি আনোৱাৰে তেওঁৰ কাণে কাণে ক'লে, "চাওঁক, সৌৱা চাৰ তেজ বাহাদুৰ চাপ্ৰু। এওঁ

ইয়াৰ লৈ আহাৰ কিবা ৰাজনৈতিক কাৰণ থাকিব পাৰে নেকি বাৰু ?” সপ্ৰশ্ন দৃষ্টিৰে ৰবাৰ্টে তালৈ চালে। সি বুজাই কলে যে মানুহৰ মতে চাপ্ৰু আৰু জয়াকৰ হেনো “ৰাজনীতিৰ ষাঁড় কৰাই-ভাই”ৰ দৰে। জয়াকৰে যেতিয়া কংগ্ৰেছ আৰু চৰকাৰৰ মাজৰ সাঁকোৰ দৰে কাম কৰিছে চাপ্ৰুও নিশ্চয় তেওঁৰ লগত যোগ থাকিব লাগিব।

খাই উঠি নিজৰ কোঠালৈ আহি ষ্টেটচমেন কাকতত চকু ফুৰাই দুয়ো দেখিলে আগদিনা নিশা চাপ্ৰুৱে ভাইচৰয় সদনত আহাৰ কৰিছে। পিচ দিনা পুৱাই আনোৱাৰহঁতে হোটেলৰ মেনেজাৰৰপৰা জানিব পাৰিলে সেইদিনাই হেনো চাৰ তেজ যাবগৈ—এলাহাবাদলৈ।

“এলাহাবাদতেই তেওঁৰ বাসস্থান নহয় জানো ?”

“হয়। কিন্তু তাতেই নাইনি জেলত জৱাহৰলালো বন্দী হৈ আছে।” আনোৱাৰে ইংগিতপূৰ্ণভাৱে ক’লে, “যদি চাপ্ৰু প্ৰকৃততে মধ্যস্থ হৈ গ’ল-হেঁতেন তেন্তে চিমলাত মাত্ৰ দুদিন থাকি ইমান খৰখেদাকৈ গুচি নগ’ল-হেঁতেন।”

দুদিনমানৰ পিচত এদিন শেষ নিশা দেখা গ’ল, পণ্ডিত মতিলাল নেহৰু, জৱাহৰলাল আৰু ডক্টৰ মাহমুদক এখন বন্দী অনা গাড়ীত ভৰাই আনি অকণমান নাইনি ষ্টেচন পোৱালেহি। তাৰপৰা তেওঁলোকক ওচৰৰে এটা চাইডিঙলৈ নিয়া হ’ব আৰু তাৰপৰা বিশেষ ৰেলেৰে পুনালৈ পঠাই দিয়া হ’ব। সেই সময়ত আনোৱাৰ আৰু মিলচৰ বাহিৰে ষ্টেচনত আৰু কোনো সাংবাদিক উপস্থিত নাছিল। আনোৱাৰে মন কৰিলে, মতিলাল মানুহ গৰাকী যেন অতি শেঁতা পৰি গৈছে। অসুস্থ-অসুস্থ দেখাইছে। কিন্তু সেই সময়ত সি ভুলক্ৰমেও ভাবিব পৰা নাছিল যে এই দেখাই তাৰ সেই মহান দেশপ্ৰেমিক নেতা গৰাকীক শেষ দেখা! অনেক যত্ন কৰি সি এপাকত কোনোমতে জৱাহৰলালৰ ওচৰ চাপি লৰালৰিকৈ সুধিলে: “আপুনি বাৰু কিবা আপোচ হব পাৰে বুলি আশা কৰে নেকি ?” কিন্তু ঠিক তেনে

সময়তে ৰেলখন চলিবলৈ আৰম্ভ কৰিলে। জৱাহৰলালে তাৰ পিনে আসনৰ পৰা সিদিনাৰ বাতৰি-কাকতখন লৈ মেলি ধৰি তিক্ত স্বৰে ক'লে: "এয়াই আপোনাৰ মনত আপোচৰ চিন যেন লাগিছে নেকি?" লাহে লাহে গৈ থকা ৰেলখনৰ কাষে কাষে গৈ আনোৱাৰে দেখিলে প্ৰথম পৃষ্ঠা-টোতে অভূতপূৰ্ব্ব লাঠী-চালনা আৰু বল্লভভাই পেটেল, অস্থায়ী কংগ্ৰেছ সভাপতি পণ্ডিত মালবীয়, তচদ্দুক শ্বেৰৱানী আৰু অন্যান্য কংগ্ৰেছ কাৰ্য্যকৰী সমিতিৰ সদস্যবৰ্গৰ গ্ৰেপ্তাৰৰ খবৰ ওলাইছে। বন্দী নেতাসকলৰ ছবিও ছপা হৈছে। জেলৰ সন্মুখত শাৰী পতাই নেতাসকলৰ ছবি তোলা হৈছে। তেওঁলোকৰ পিচফালে থকা এখন ডাঙৰ চাইনবোৰ্ডৰ আখৰবোৰো ছবিত উঠিছে। পঢ়ি চাই আনোৱাৰে নিজে নিজেই আমোদ পালে: 'বয়কুন্না,-শোধন-গৃহ'।

ৰেলখন গুচি গ'লত মিল্‌চে মাত লগালে, "মোৰ কি মনত পৰিছে জানা, আনোৱাৰ? বিপ্লৱৰ আগ মুহূৰ্ত্তত ঠিক এনেকৈয়ে এদিন বন্ধ ৰেলগাড়ীত লেনিনক লৈ অহা হৈছিল জাৰ্ম্মানীৰপৰা ৰুছিয়ালৈ।"

"বলক, আমিও ভাৰতৰ এই বিপ্লৱৰ বাতৰি সৰবৰাহ কৰাত আত্ম-নিয়োগ কৰোঁগৈ।" আনোৱাৰে উচ্ছ্বাসেৰে কৈ উঠিল, "জৱাহৰলালৰ মুখৰ চেহেৰা দেখি কোনো প্ৰকাৰৰ আপোচ হব নোৱাৰে বুলি মই নিশ্চিত হৈছোঁ।"

আকৌ এবাৰ প্ৰবীণ সাংবাদিকজনে মিচিকিয়াই হাঁহি আনোৱাৰক সোঁৱৰাই দিলে, "ৰাজনীতিৰ ক্ষেত্ৰত কেতিয়াও একেবাৰে নিশ্চিত নহ'বা, আনোৱাৰ।"

আনোৱাৰহঁতে গোটেই যুক্তপ্ৰদেশ ভ্ৰমণ কৰিলে। কংগ্ৰেছৰ নেতৃত্বত ইয়াতো কৃষকসকলে ৰাজহ দিয়াৰপৰা বিৰত থাকিবলৈ সিদ্ধান্ত কৰিছে। কংগ্ৰেছে জমিদাৰসকলকো চৰকাৰক ধন নিদিবলৈ অনুৰোধ কৰিছিল। কিন্তু তেওঁলোক আছিল চৰকাৰৰ পোষ্যম্ন ৰবে। সেয়ে তেওঁলোকৰ

এজনেও কংগ্ৰেছৰ অনুৰোধ নেৰাখিলে। আনকি গোপনে কংগ্ৰেছক সহানুভূতি দেখুৱা দুই-চাৰিজন জমিদাৰেও ভয়তে ধন নিদিয়াকৈ নেথাকিল। কিন্তু অনাখৰী-দুখীয়া খেতিয়ক ৰাইজে অদ্ভুত ভাৱে একেমুঠ হৈ দৃঢ়তাৰে সৈতে চৰকাৰক কৰ দিবলৈ অস্বীকাৰ কৰিলে। হয়তো তেওঁলোকৰ দৰিদ্ৰতাইয়ে তেওঁলোকক নির্ভয় হবলৈ মনোবল যোগাইছিল। হেৰুৱাব-লৈতো তেওঁলোকৰ এনেও একো নাই; তেনেও নাই।

"....ভাৰতৰ গাৱেঁ-ভূঁয়ে কংগ্ৰেছে সমাজবাদৰ বীজ সিঁচি দি কৃষক সম্প্ৰদায়ক জগাই তুলিছে।" এটা বাতৰিত ৰবার্ট মিল্‌চে লেখিছিল। "ইয়াৰ বাবে কিন্তু ভবিষ্যতে এদিন কংগ্ৰেছে অনুতাপ কৰিব লাগিব। কাৰণ কংগ্ৰেছৰ নিজৰ স্বার্থই এদিন সমাজবাদী আন্দোলনৰ উত্তাৰত বিপন্ন হৈ উঠিব।...." এই কথাখিনি পঢ়ি আনোৱাৰে কৈ উঠিছিল, "আপুনি.... আপুনি অতিমাত্ৰাই 'চিনিক' মিঃ মিল্‌চ।"

আনোৱাৰহঁতে গাৱেঁ গাৱেঁ ঘূৰি ফুৰাৰ উপৰিও মাজে মাজে একো একোবাৰ এলাহাবাদ আদি নগৰলৈকো অহা-যোৱা কৰি থাকিল। প্ৰাচীন গঙ্গা উপত্যকাৰ এই বুৰঞ্জীপ্ৰসিদ্ধ নগৰ এলাহাবাদৰ পুৰণি নাম প্ৰয়াগ। ইয়াতেই গঙ্গা-যমুনাৰ পবিত্ৰ সঙ্গম ঘটিছে। গোমতিৰ পাৰত আছে লক্ষ্ণৌ। ইয়াতেই পুৰণি আউধৰ নৱাবসকলে ইংৰাজ চৰকাৰৰ পেন্‌সন খাই প্ৰাচীন যশ-গৌৰৱৰ অর্থহীন সপোন দেখি দেখি কাল কটায়। এই উপত্যকাৰে শিল্প-নগৰী কাণপুৰলৈকো আনোৱাৰহঁত গ'ল। কানপুৰত বনুৱা-বিক্ষোভ ইতিমধ্যেই আৰম্ভ হৈ গৈছে। এই কানপুৰতে সাত বছৰৰ আগতে ভাৰতৰ প্ৰথম কমিউনিষ্ট সন্মিলন অনুষ্ঠিত হৈছিল। এইদৰে অকণো বিশ্ৰাম নোহোৱাকৈ ভ্ৰমণ কৰি আৰু ৰাজনীতিৰ তপত তপত বাতৰি সৰবৰাহ কৰি ব্যস্ত হৈ থকাৰ ফলত আনোৱাৰে তাৰ অন্তৰৰ গভীৰ বেদনাৰ কথা এক প্ৰকাৰ পাহৰি পেলোৱাৰ দৰেই হৈছিল। এনে সময়তে এদিন হঠাৎ এটা ঘটনা ঘটি গ'ল। কানপুৰ ষ্টেচনৰ জিৰণি কোঠাত বহি সি এখন পুৰণি ইলাষ্ট্ৰেটেড্ উইক্‌লিৰ পাত লুটিয়াই আছিল। হঠাত এপাকত তাৰ 'অধুনা বিবাহিত'ৰ পৃষ্ঠাত দুখন অতি চিনাকি মুখৰ ছবি চকুত পৰি গ'ল। চাল্‌মা আৰু মনজুৰ। চাল্‌মাৰ মুখত যেন পৰম পৰিতৃপ্তিৰ সুন্দৰ দীপ্তিয়ে খেলা কৰিছে। চাল্‌মাৰ মুখৰ সেই অপূৰ্ব্ব অভিব্যক্তিয়ে আনো-ৱাৰৰ পিঠিত যেন নির্ম্মম চৌকাৰ কোবহে বহুৱাই দিলে। ছবিখনৰ তলত লেখা আছে: "আলিগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক এম-চেলিমৰ দুহিতা চাল্‌মা খাতুনৰ অলপতে উত্তৰ প্ৰদেশ পুলিচ বিভাগৰ বর্ত্তমান কানপুৰত থকা ডি-এচ-পি মনজুৰ আহমদৰ লগত শুভ-পৰিণয় সমাধা হৈ যায়।"

সেইদিনাই আবেলি এখন টাক্সাৰে বাটেদি যাওঁতে এঠাইত এটা সুন্দৰ মেহ্‌দি গছৰ বেৰা দিয়া বঙলা-ঘৰৰ পদূলিত আনোৱাৰে এখন নেমপ্লেট দেখিলে: "মন্‌জুৰ আহমদ,—ডি-এচ-পি"। তাৰ মানে ইয়াতে চানুৱা আছে। ইমান ওচৰতে। ইয়াৰপৰা যদি সি চিঞৰি দিয়ে তাই তাৰ মাত শুনিব। এইখন গে'টেদি [illegible] সোমাই গ'লেই সি তাইক দেখিবলৈ পাব। ইমান ওচৰ। ইমান ওচৰ। কিন্তু তথাপিও ই-মা-ন দূৰ।

"তোমাৰ কি হৈছে, আনোৱাৰ?" আনোৱাৰৰ মুখলৈ চাই মিলুচে উৎকণ্ঠাৰে সুধিলে, "তোমাৰ মুখৰ চেহেৰা দেখিলে মানুহে ভাবিব যেন তুমি কিবা প্ৰেতাত্মাহে দেখিছঁ।"

আনোৱাৰৰ মুখত এটা কৰুণ ম্লান হাঁহি বিৰিঙি উঠিল। "বোধহয়,.... বোধহয় মই প্ৰেতাত্মাই দেখিছেঁা।"

সেইদিনা নিশাই আনোৱাৰহঁত কলিকতালৈ গ'লগৈ। গুচি যাবলৈ পাই সি যেন বহুত সকাহ পালে। তাৰ মন গৈছিল কানপুৰৰপৰা যিমান পৰা যায় সোনকালে যিমান পৰা যায় দূৰলৈ আঁতৰি যাবলৈ, পলাই যাবলৈ।

পিচৰ দুটা মাহ যেন বেলৰ চকাৰ ঋক্‌ঋক্‌ ছন্দই আনোৱাৰহঁতৰ জীৱন যাত্ৰাৰ ছন্দত পৰিণত হ'ল। সমগ্ৰ ভাৰত সিহঁতে পৰিভ্ৰমণ কৰিলে। কোনোবা এজন বিখ্যাত প্ৰকাশকে ৰবাৰ্ট মিলুচক ভাৰত সম্পৰ্কে এখন পুথি প্ৰণয়ন কৰিবলৈ অনুৰোধ জনাইছিল। সেই বাবে য'লৈকে যায় তাতে তেওঁ বেচি বেচি দিন থাকিবলৈ ধৰিলে। ওপৰে ওপৰে কেৱল ৰাজনীতিৰ খবৰকে সংগ্ৰহ কৰি ফুৰাত ব্যস্ত নেথাকি ভাৰতীয় জীৱনৰ গহনলৈকো দৃষ্টি নিক্ষেপ কৰিবলৈ যত্ন কৰিব ধৰিলে। কলিকতাত থাকোঁতে আনোৱাৰে বয়ক লগ ধৰিবলৈ চেষ্টা কৰিছিল। পিচে সি তেতিয়া জেলত। হ'লেও অনেক উগ্ৰপন্থী কোৱাল ডেকাক আনোৱাৰে লগ পালে। সিহঁতে খোলাখুলিভাৱেই আনোৱাৰক জনাই দিলে যে

সিইঁতৰ ধৈৰ্য্য হেৰাই গৈছে। মহাত্মাৰ এই অহিংসা আন্দোলনৰ কাৰ্য্যকাৰীতা সপ্ৰমাণ কৰিবৰ বাবে সিইঁতে সময় বান্ধি দিছে। তাৰ ভিতৰতে যদি চয়-নিচয় কিবা এটা নহয় তেন্তে সিইঁতক আৰু কোনেও বাঁধিব নোৱাৰে। বোমা আৰু-বিভলভাৰৰ পথ সিইঁতে গ্ৰহণ কৰিব। সিইঁতৰে এচামেতো এই আইন অমান্য আন্দোলনৰ শামুকীয়া গতিত অসন্তুষ্ট হৈ প্ৰত্যক্ষ পন্থা গ্ৰহণ কৰিছেই ইতিমধ্যে। পূৰ্ব্ববঙ্গৰ চিটাগঙৰ ওচৰৰ খাৰ-বাৰুদৰ কুঠি ইতিমধ্যে লুট কৰা হৈ গৈছে। আৰু ত্ৰিপুৰাৰ যুৱক্রীত এই দুঃসাহসিক কামে বিশেষ ঠাই লাভো কৰিব বুলি আশা কৰা হৈছে।....
আনোৱাৰহঁতে শান্তি-নিকেতনলৈ গৈ বিশ্বকবি ঠাকুৰকো লগ ধৰিলেগৈ। পৰম সুন্দৰৰ সাধক এই মহান কবি-দাৰ্শনিক গৰাকীৰ লগত কথা পাতি আনোৱাৰে বুজিলে আদৰ্শৰ পিনৰ পৰা তেখেতৰ মহাত্মাৰ লগত মতৰ অমিল আছে। হলেও দুয়োৰো প্ৰতি দুয়োৰে শ্ৰদ্ধা অপৰিসীম। এটা সম্পূৰ্ণ বছৰ ৰাজনীতিৰ উত্তাল ঘূৰ্ণীৰ সৈতে যুঁজি আনোৱাৰৰ মনো যেন অশান্ত হৈ পৰিছিল। শান্তিনিকেতনৰ শান্ত পৰিবেশে তাৰ মন আকৌ প্ৰশান্ত কৰি তুলিলে। ৰিম-ঝিম-ঝিম অবিৰাম অবিশ্ৰাম বৰষাৰ দিনবোৰ তেতিয়া শেষ হৈছিল। চাৰিওপিনে চকুৰে মনে এনে যেন সুবিমল সেউজৰ পোহাৰহে বহি গৈছিল। মনৰ আনন্দেৰে কেতিয়াবা সি গৈ গছৰ ছায়াত যাঁহনিত বহি আলোচনা কৰি থকা ছাত্ৰৰ মাজত বহি নিজকে পাহৰি পেলায়। কেতিয়াবা তন্বী গভীৰ-কাজল-নয়না লাস্যময়ী বঙালী গাভৰুৰ নৃত্যৰ আখৰা চাই তন্ময় হৈ পৰেগৈ। আৰু কেতিয়াবা কোনোবা সাধক শিল্পীৰ গভীৰ কণ্ঠত ৰবীন্দ্ৰ সঙ্গীতৰ মূৰ্চ্ছনা শুনি সুৰ-সাগৰত উটি-ভাঁহি যায়।

ৰবষাৰ পিচত শৰৎ আহিছে। ভ্ৰমণো এতিয়া সুখদায়ক হৈ পৰিছে। জমিদাৰসকলৰ সুপ্ৰশস্ত ধাননী-পথাৰৰ মাজে মাজে আহি আহি সিইঁত বঙ্গদেশৰ পৰা বিহাৰ পালেহি। এয়া ভগৱান বুদ্ধৰ বিহাৰৰ ঠাই। যীশু খৃষ্টই নাজাৰেথত অহিংসাৰ বাণী প্ৰচাৰ কৰাৰো আগতেই ভগৱান বুদ্ধই এই দেশত সেই বাণীৰ মহিমা প্ৰচাৰ কৰিছিল। বিহাৰৰপৰা উত্তৰ-প্ৰদেশ আৰু তাৰ পিচত দিল্লীৰ মাজেদি গৈ আনোৱাৰহঁত যেঁহৰ পথাৰেৰে ভৰা পঞ্জাব পালেহি। আনোৱাৰে মিলচক যুৱক্রী-প্ৰসিদ্ধ জালিয়ানৱালাবাগলৈ লৈ গ'ল। বেৰবোৰত অসংখ্য গুলীয়ে কৰা ফুটা। এতিয়াও মাৰ যোৱা নাই। নেযায়। আনোৱাৰৰ মনৰ চকুতো ভাঁহি উঠিল এখন মাৰ নোযোৱা ছবি। ভয়ঙ্কৰ। দহ বছৰৰ আগৰ।

অনেক বিজয়ী বীৰ অনেক আক্ৰমণকাৰী যি পথেদি যুগে যুগে অহা-

যোৱা কৰি গ'ল সেই বাটেদি আনোৱাৰহঁত লাহোৰৰপৰা পেশ্বাৱাৰলৈ আহিল। আনোৱাৰহঁতৰে সৌভাগ্য বুলিব লাগিব,—ঠিক সেই সময়তে ইউনুচো জেলৰপৰা মুক্তি পাই ওলাই আহিছে। এবছৰৰ ভিতৰতে সি যথেষ্ট ওথ আৰু দেখিবলৈ প্ৰাপ্ত-বয়স্কৰ দৰে হৈ পৰিছে। ইউনুচে সিহঁতক চাবলগীয়া সকলো বস্তু দেখুৱালে। ঠাইখনৰ কেনেকৈ দিনে-দিনে আশ্চৰ্য্য-জনকভাৱে পৰিবৰ্ত্তন হৈ আহিছে বুজাই দিলে। প্ৰাচীন যুঁজাৰু জাতি পাঠান সকল যে কেৱল অহিংস হৈ উঠিছে, ৰক্তপাতৰ প্ৰতি বীতশ্ৰদ্ধ হৈ পৰিছে, এনে নহয়, তেওঁলোকৰ মাজৰ বিভিন্ন ফৈদ আৰু পৰিয়ালৰ যুগ-বিয়পা সংঘৰ্ষৰো অৱসান ঘটিছে। তেওঁলোকৰ মাজত ঐক্যৰ প্ৰতিষ্ঠা হৈছে। এক হৈ থিয় দিছে। কংগ্ৰেছৰ লগত নিবিড়ভাৱে জড়িত এওঁলোকে নিজকে 'খোদাই-খিদ্‌মতগাৰ' অৰ্থাৎ ভগৱানৰ ভৃত্য বুলি অভিহিত কৰিছে। শিক্ষা-বিস্তাৰ, সমাজ-সংস্কাৰ, ঐক্য আৰু ৰাজনীতি-সচেতনতাৰ বাবে খোদাই-খিদ্‌মতগাৰ দলে একাণপতীয়াকৈ কাম কৰি গৈছে। চৰকাৰে সীমা-মূৰীয়লী এই ঠাইখণ্ডক স্বাভাৱিকতে বিশেষ গুৰুত্বপূৰ্ণ ঠাইৰূপে গণ্য কৰে। এনেয়ে বাসিন্দাসকল অশান্ত মনৰ যোদ্ধা জনজাতীয় মানুহ। সীমান্ত-ৰেখাৰো কোনো স্পষ্ট পৰিমাপ নাই। আনহাতে কাষতে আছে ভয়ঙ্কৰ ৰুছ দেশ। যি কোনো মুহূৰ্ত্ততে আফগানিস্তানৰ মাজেৰে সংহাৰ মূৰ্ত্তি ধৰি সোমাই আহিব পাৰে। গতিকে দমন-নীতি ইয়াত অন্য ঠাইতকৈ বহুত বেচি কঢ়া। অন্য ঠাইত যি অৱস্থাত লাঠি চলোৱা হয় ইয়াত তেনে অৱস্থাত ৰাইফেল চলোৱা হয় নিৰ্ব্বিচাৰে।

ইউনুচে সিহঁতক এটা বিশেষ ঘটনাৰ কথা ক'লে। বাতৰি কাকতত ইয়াৰ এটা আভাস মাত্ৰ প্ৰকাশ পাইছিল। পাহাৰীয়া গাঢ়ৱালী সৈন্যসকল পৰম্পৰাগতভাৱেই বিশ্বস্ত বুলি জনাজাত। এবাৰ এনে এদল গাঢ়ৱালী সেনাক ইংৰাজ বিষয়াই পেশ্বাৱাৰ ৰাজপথত বিক্ষোভ প্ৰদৰ্শনকাৰী এদলৰ ওপৰত গুলী চলাবলৈ আদেশ দিয়ে। কিন্তু গাঢ়ৱালীদলে গুলীয়াবলৈ অস্বীকাৰ কৰে। আনকি সামৰিক বিধি অনুযায়ী শাস্তি বিহাৰ ভয় দেখুৱায়ো সিহঁতক বাধ্য কৰিব পৰা নগ'ল। এতিয়া সেই গোটেই সৈন্যদলক সুদীৰ্ঘ কাৰাদণ্ড দিয়া হৈছে। কিন্তু এই ঘটনাই ৰাইজক প্ৰভূত উদ্যম যোগাইছে।

ছাব্বিশ জানুৱাৰী,—১৯৩২ চন। আকৌ এবাৰ স্বাধীনতা-দিবস আহিল। ইউনুচে সিহঁতক এখন ভিতৰুৱা গাৱঁলৈ লৈ গ’ল। এই গাওঁ লাল-কূর্ত্তা দলৰ ক্রীড়াভূমিৰ দৰে। সিদিনা তাত সকলোৱে স্বাধীনতাৰ শপত গ্রহণ কৰি পতাকা উত্তোলন কৰাৰ কথা।

কেইবা-শও সবল সুঠাম পাঠানৰ আগত শুনিবলৈ আচৰিত লগা পুষ্টু ভাষাত শপত পাঠ কৰা হ’ল। প্রায় সকলোৰে গাত গেৰুৱা খদ্দৰৰ কামিজ চোলা। এই কামিজৰ বাবেই তেওঁলোকে শুনিলেই ভয় লগা লাল-কূর্ত্তা আখ্যা লাভ কৰিছে। তেওঁলোকৰ পশ্চাভূমিত আছে বিখ্যাত খাইবাৰ গিৰি-শঙ্কট। আনোৱাৰে উপলব্ধি কৰিলে কঠোৰ আৰু শুকান পৰ্ব্বতীয়া ঠাইত যুগ যুগ ধৰি বাস কৰি অহাৰ ফলত এই সবল সুঠাম জাতিটোৰেই কঠোৰ হৈ পৰিছে।

অনুষ্ঠান শেষ হ’ল। এনে সময়তে আনোৱাৰহঁতে শুনিলে দূৰত খাইবাৰ শঙ্কটৰ পিনৰপৰা বৈ বৈ মেচিন-গ্নানৰ গুলী চলোৱাৰ শব্দ হৈছে। খন্তেক পিচতে দুখন উৰাজাহাজ নিচেই তলেৰেই পাহাৰৰ ওপৰেদি উৰি যোৱা দেখা গ’ল। দূৰত পাহাৰৰ মাজত বোমা বিস্ফোৰণ শব্দ হ’ল। ‘অশান্ত সীমান্ত’ত আৰু-এ-এফে ‘শান্তিমূলক ব্যৱস্থা’ গ্রহণ কৰিছে। ভাৰতত উত্যক্ত হৈ পৰা সাম্রাজ্যবাদী পূৰ্ব্বৰে পৰা সচেষ্ট হৈ থকা নীতি সীমান্ত পৰ্য্যন্ত বিয়পি পৰিছে।

আনোৱাৰহঁত পেশ্বোৱাৰলৈ উভটি আহিল। সিহঁতে মন কৰিলে বাটে-পথে ঘূৰি ফুৰা সকলো মানুহেই যেন কিবা এটা কথাত বিশেষভাবে উত্তেজিত হৈ পৰিছে। ডাঙৰ কিবা এটা নিশ্চয় হৈছে। আনোৱাৰহঁতে মটৰ ৰাখি এজন মানুহক ঘটনাটোনো কি সুধিলে। সবল পাঠানজনে উত্তেজনাত পষ্টু ভাষাৰে চিঞৰি উঠিল:

“গান্ধী খানক এৰি দিয়া হৈছে।

“জৱাহৰ খানকো এৰি দিয়া হৈছে।

“ইন্‌কিলাব খানক কিয় এৰি নিদিব।”

আনোৱাৰহঁত লৰালৰিকৈ দিল্লীলৈ আহিল। ইতিমধ্যে গান্ধী-আৰ্উইন আলোচনা আৰম্ভ হৈ গৈছে। ভাৰতত থকা সসাগৰা পৃথিবীৰ অধীশ্বৰ বৃটিচৰ সম্রাটৰ প্ৰতিনিধিৰ লগত সমানে-সমানে বহি কথা পাতিবলৈ এজন 'অৰ্দ্ধ-নগ্ন-ফকীৰ' ভাইচৰয়-সদনলৈ সোমাই যোৱা কথাত উইন্‌ষ্টন চাৰ্চিল আতঙ্কিত হৈ উঠিছে।

সকলো কেইগৰাকী মুখ্য' কংগ্ৰেছ নেতা ডাক্তৰ আনচাৰিৰ ঘৰতে আছেহি। এইখন ঘৰলৈ আনোৱাৰে অবাধে অহাযোৱা কৰিব পাৰে। একেবাৰে ভিতৰ পায়গৈ নিজৰ ঘৰৰ দৰে। গতিকেই বাকী বাৰাণ্ডাত বৈ থাকিব লগা হোৱা সাংবাদিকবোৰতকৈ সি কিছুমান বিশেষ সুবিধা লাভ কৰিলে। আনোৱাৰে দেখিলে জৱাহৰলাল যেন শোক-বেজাৰ-উদ্বিগ্নতাত একেবাৰে মৰহি পৰিছে। কেইদিনমানৰ আগতে মাথোন তেওঁ পিতৃহাৰা হৈছে। মহৎ-হৃদয় মতিলালে জেলৰপৰা মুক্তি পোৱাৰ কেই-দিনমানৰ পিচতে ইহলীলা সম্বৰণ কৰিলে।.... সৰোজিনী নাইডুক দেখি কিন্তু আনোৱাৰে বিশেষ আমোদ পালে। বৃদ্ধা কবি গৰাকীয়ে এচুকত এদল পুৰণি বন্ধু-বান্ধৱ গোটাই লৈ নানান খুহুতীয়া কথা কৈ সকলোকে হঁহুৱাই আত্মহাৰা কৰি ৰাখিছে। এই সকলৰ উপৰিও প্ৰত্যেকখন প্ৰদেশৰ প্ৰধান নেতাসকলো আহিছে। সকলোতকৈ হাৰাশাস্তি হৈছে ডাক্তৰ আনচাৰিৰ ৰান্ধনি কেটাৰ। তৰা-নৰা ছিঙি দৌৰিও তৎ পোৱা নাই। বেলেগ-বেলেগ ধৰণৰ আহাৰ। বেলেগ-বেলেগ ৰুচি-অভিৰুচি। কেইপিনে চাব ৰপুৰাহঁতে। তাল ৰাখি চলাই টান হৈছে। আৰু কংগ্ৰেছ নেতা-সকলৰো আহাৰৰ ধৰণ-কৰণৰ কথা কৈ ওৰ পেলাব নোৱাৰা বিধৰ। মহাত্মাই কেৱল ছাগলী-গাখীৰ আৰু খেজুৰ খায়। দুজনমান নেতাক আকৌ প্ৰত্যেক পদ খাদ্যৰ লগতে দৈ লাগেই। এজনে আকৌ ৰাৰটা সুমথিৰা আৰু ছটা নাচপতি হ'লেই চলি যাব পাৰে।

ঘৰটো যেন ঘৰ গুচি এটা নোহোৱা-নোপোজা ৰাজনৈতিক-পান্থশালাত পৰিণত হ'ল। ৰাজনীতিজ্ঞ, সাংবাদিক, ফটোগ্ৰাফাৰ, নানান বিদেশী লোকৰ উপৰিও অসংখ্য সুবিধাবাদীৰ দল দিনে-নিশাই চৌহদৰপৰা নুগুচা হ'ল। সুবিধাবাদী দলৰ দোভাগখিনিয়েই চৰকাৰৰ ভক্ত। কিন্তু সিহঁতে বুজি উঠিছে যে ৰাজনীতিৰ চকা এইবাৰ বিপৰীত মুখে ঘূৰিবলৈ আৰম্ভ কৰিছে। আৰু সেয়ে থিতাতে ৰাপুলি-জুটি মাৰি সময় থাকোঁতেই কংগ্ৰেছক সহানুভূতি দেখুৱাই ভবিষ্যতৰ বাবে সাৱধান হৈছে। ....আলোচনা ক্ৰমাৎ দীঘলীয়া হৈহে গৈছে। দিনৰপৰা সপ্তাহৰ হিচাবত পৰিছেগৈ। তথাপি কোনো সিদ্ধান্তত উপনীত হব পৰাগৈ নাই। প্ৰত্যেক দিনা মহাত্মা ভাইচৰয়-

ভৱনৰপৰা অহাৰ পিচত নিশা বন্ধ কোঠাত কংগ্রেছৰ কার্য্যকৰী সমিতিৰ বৈঠক বহে। সেই গোপন বৈঠকলৈ কোনো সাংবাদিকক সোমাবলৈ দিয়া নহয়। আৰু সেয়ে প্রত্যেক দিনাই কাকতৰ বিশেষ প্রতিনিধিসকলে আপোন কল্পনা শক্তিৰ বলত নতুন নতুন সম্ভাব্য কাহিনীৰ উদ্ভাৱন কৰিব লগা হয়। পৰস্পৰৰ প্রতি সন্মান আৰু শুভেচ্ছাৰ ভিত্তিতে আলোচনা আগ বাঢ়িছে! পৰিণতি আশাপ্রদ। কেইটামান কথাত সামান্য মত-বিৰোধৰ বাবেই সিদ্ধান্তত উপনীত হওঁতে পলম হৈছে। ভাইচ্ৰয়ে নির্দেশ বিচাৰি হোৱাইট-হ'ললৈ তাঁৰবার্ত্তা পঠাইছে। মহাত্মা কার্য্যকৰী সমিতিৰ সভ্য-সকলৰ লগত আপোচৰ চর্ত্ত নির্দ্ধাৰণ কৰাত ব্যস্ত!

প্রত্যেক নিশা সকলো সাৰে থাকি বাট চাই থাকে। কেতিয়া মহাত্মা ভাইচ্ৰয় ভৱনৰপৰা উভটি আহে! আহি কয় চুক্তি-পত্রত চহী কৰা হৈ গৈছে! কেতিয়াবা মহাত্মা শেষ নিশা উভটি আহে। যিমানে পলম হয় সিমানে আশা আৰু উৎকণ্ঠা বাঢ়ি যায়। সকলো সাংবাদিকে মহাত্মাৰ গাড়ী পদূলী মুৰতে বেঢ়ি-কুৰি ধৰি সোধে, "শেষ হৈছে?" মহাত্মাই মিচিকিয়াই হাঁহি মুখ জোকাৰি কয়, "নাই; দুদিন পিচত মই আকৌ ভাইচ্ৰয়ক লগ ধৰিব লাগিব।" কোনোবা এজনে হয়তো তেতিয়া প্রশ্ন কৰে, "আপুনি এতিয়াও আশা কৰেনে?" মহাত্মাই উত্তৰত কয়, "মই সদায়েই আশাবাদী।" অধৈর্য্য হৈ আন এজনে হয়তো কৈ উঠে, "কিন্তু গান্ধীজী, সিদ্ধান্তত আপোনালোক কেতিয়া উপনীত হব?" মহাত্মাই আকাশলৈ চাই লাহে লাহে কয়, "সকলো ভগৱানৰ হাতত!"

ভগৱান! আলোচনাত অংশ গ্রহণ কৰা দুয়োপক্ষৰ লোক ভগৱানৰ ওপৰত অটল বিশ্বাসী। আপোন মনেৰে আলোচনা কৰি গ'ল দুয়ো। তিনি সপ্তাহ ৰুদ্ধশ্বাসে বাট চাই ৰ'ল সমগ্র বিশ্বই। ভয়াবহ সেই উৎকণ্ঠা। ইমান পলম হোৱাৰ সম্ভাব্য নতুন নতুন কাৰণ উদ্ভাৱন কৰিবলৈ চেষ্টা কৰি কৰি সাংবাদিকসকল ভাগৰি পৰিল। ডাক্তৰ আনচাৰিৰ ভিতৰ-চ'ৰালৈ অবাধ বিচৰণৰ স্বাধীনতা থকা সত্ত্বেও আনোৱাৰে বাকী সকলতকৈ বিশেষ একো বেচি জানিব পৰা নাছিল। মাজতে এবাৰ আলোচনা একেবাহে

কেইবাদিনো বন্ধ হৈ ৰৈছিল। সকলোৱে ভাবিছিল বোধহয় আপোচৰ প্ৰচেষ্টাই ব্যৰ্থ হৈ গ'ল। জনচেৰেক নেতাকো টালি-টোপোলা বান্ধি যাবলৈকে সাজু হোৱা দেখা গৈছিল। এদিন কংগ্ৰেছৰ কাৰ্য্যকৰী সমিতিয়ে দীঘলীয়াকৈ আলোচনা কৰাৰ পিচত সংগ্ৰাম পুনৰ আৰম্ভ কৰিবলৈকে এক প্ৰকাৰ স্থিৰ কৰিছিল। কিন্তু এনে সময়তে ভাইচৰয়ৰ এজন দূতে চিল-মোহৰ মৰা এটা শকত খাম আনি মহাত্মাক দিলেহি। অনতিপলমে জনা গ'ল সেইদিনা নিশাই মহাত্মা আৰু ভাইচৰয়ৰ মাজত আকৌ এবাৰ আলোচনা হ'ব।

আবেলি মহাত্মাই আনচাবিৰ ঘৰৰ ওপৰৰ চটত বহি প্ৰাৰ্থনা কৰিলে। তাৰপৰা দূৰত যমুনা নদীৰ দৃশ্য সুন্দৰকৈ দেখা যায়। অসংখ্য মানুহে মহাত্মাৰ লগত প্ৰাৰ্থনাত যোগ দিলে। প্ৰাৰ্থনা অন্তত সকলো দিহাদিহি যাবলৈ ধৰিলে। হঠাৎ আনোৱাৰৰ শুধ্-বগা খদ্দৰৰ পোছাক পিন্ধা এজন মানুহত চকু পৰিল। চিনো চিনো লগা সত্বেও প্ৰথমতে সি কোন ধৰিবই নোৱাৰিলে। ভালকৈ চাই দেখে, উৰা,—এয়া দেখোন শেঠ মাণিকলাল শ্বাহ। এওঁ আকৌ ইয়াত কিয়?

"কি খবৰ, আনোৱাৰ? ভাল?" প্ৰয়োজনতকৈ বহুত বেছি উচ্ছাস প্ৰদৰ্শন কৰি তেওঁ আনোৱাৰক সম্ভাষণ জনালে। সিকথা-ইকথাৰ পিচত কেওঁ ক'লে, আচলতে ব্যৱসাৰৰ কামতে হেনো তেওঁ দিল্লীলৈ আহিছে। এইবোৰ দেখি ক'ব পাৰী ক'লৈ যায় চাবলৈ ৰৈছে। আনোৱাৰেও আশা, মোহন মা-জীৰ খবৰ ল'লে। তাৰ পিচত মাণিকলালে তাক পোন-পটীয়াকৈয়ে সুধি পেলালে, "বাৰু আনোৱাৰ, তোমাৰ কি বিশ্বাস, কি জানা? আপোচ হোৱাৰ আশা আছেনে?"

এই কথা আনোৱাৰে জনাব কোনো প্ৰশ্নই উঠিব নোৱাৰে। তথাপি সি ক'লে, "মহাত্মালৈ আজিও ভাইচৰয়ৰ ভৱনৰপৰা আমন্ত্ৰণ আহিছে। গতিকে আশা কৰা নিশ্চয় ভুল নহ'ব।"

"ধন্যবাদ ভাই!" এই বুলি ব্যৱসায়ী শৰাকী সাউত কৰে আঁতৰি গুচি গ'ল। আৰু একো কবলৈকে আনোৱাৰে সময় নেপালে। নিজৰ ভাবতে সি মগ্ন থাকোঁতেই গ'ল।

সেইদিনা নিশাই সকলো প্ৰশ্নৰ সমাধান হৈ গ'ল। সকলো উৎকণ্ঠাৰ পৰিসমাপ্তি ঘটিল। যি হ'ল সেয়াও হ'ব পাৰে অনিশ্চয়তাই ;--তথাপি সেই অনিশ্চিত-নিশ্চয়তাই আছিল এই দাৰুণ তমসাবৃত উৎকণ্ঠাতকৈ শ্ৰেষ্ঠ।

মাজনিশা হৈ যোৱাৰ খন্তেক পিচতে দূৰত এন্ধাৰ ফালি তীব্ৰ বেগেৰে আগুৱাই অহা এখন মটৰৰ হেড্‌লাইট দেখা গ'ল। মহাত্মা আহিল বুলি সকলো ওলাই আহিল পদূলিলৈ। মহাত্মা নহয়। এজন স্থানীয় কাকত এখনৰ প্ৰধান সংবাদদাতাহে। উত্তেজনাত প্ৰায় কঁপি কঁপি তেওঁ কৈ উঠিল, "হৈ গৈছে। সকলো হৈ গৈছে! মই পোনে পোনে ভাইচৰয়-ভৱনৰপৰা আহিছোঁ। তেওঁলোকে কাগজ-কলম বিচাৰিছে।"

এঘণ্টামানৰ পিচত মহাত্মাও আহিল। ভাইচৰয়ৰ চৰকাৰী মটৰ গাড়ীত উঠি আহিছে। মহাত্মাৰ হাতত এখন নুবিওৱা ডাঙৰ কাগজ। মাজনিশাৰ অলপ আগতে জৱাহৰলাল শুবলৈ গৈছিল। তেওঁক জগাই দিয়া হ'ল। টোপনিত উখহা-উখহা চকুৰে জৱাহৰলালে মহাত্মাক লগ ধৰিবলৈ ওলাই আহিল। দুয়ো ভিতৰ সোমাই গ'ল। তৎক্ষণাত কাৰ্য্যকৰী সমিতিৰ সভ্যসকলো গোট খালে। আপোচৰ চৰ্ত্তসমূহ থূলমূলকৈ এবাৰ পৰ্য্যালোচনা কৰা হল। তাৰ পিচত সেই নিশাৰ কাৰণে সকলোৱে জিৰণি ল'বলৈ গ'ল।

আনোৱাৰে কোনো ৰকমে চুক্তিপত্ৰৰ এটা কপি সংগ্ৰহ কৰি আনিলে। বিভিন্ন দফাসমূহ এফালৰপৰা পঢ়ি চাই তাৰ মনটো জঁয় পৰি গ'ল। চৰকাৰক যে অসীম শক্তিশালীৰ স্থানৰপৰা নমাই আনি মহাত্মা তথা কংগ্ৰেছৰ শক্তি আৰু সন্মানক চুক্তিপত্ৰখনত প্ৰতিষ্ঠা কৰা হৈছে তাত সন্দেহ নাই। কিন্তু কতো বিচাৰি সি ভাৰতবৰ্ষৰ মুক্তি আৰু স্বাধীনতাৰ অধিকাৰৰ কথা এষাৰো উল্লেখ কৰা উলিয়াব নোৱাৰিলে। 'ভাৰতৰ সাংবিধানিক চৰকাৰ গঠনৰ আঁচনি'ৰ উল্লেখ হওঁতে আছে। হ'লেও 'প্ৰতিৰক্ষা, বৈদেশিক নীতি, সংখ্যালঘুৰ অৱস্থা, মুদ্ৰা-বিনিময়' আদি বিশেষ বিশেষ ক্ষেত্ৰত সেই আঁচনিক অনেক 'সাহায্য'ৰ বেৰাৰে আবৰি ৰখা হৈছে। এঠাইত অৱশ্যে মহাত্মাই 'ভাৰতৰ স্বাৰ্থ-সাপেক্ষে' কথাষাৰ সুমুৱাই দিয়াত সমৰ্থ হৈছে। কিন্তু সেয়াও এটা দুৰ্ব্বল আত্ম-প্ৰবোধ মাত্ৰ। কাৰণ ইয়াৰ অৰ্থও দুই ৰকমে কৰিব পাৰি। সাম্ৰাজ্যবাদী ইংৰাজে জানো দাবী কৰা নাই,—ভাৰতক স্বাধীনতা দিয়াৰপৰা সিহঁত বিৰত আছে "ভাৰতৰ স্বাৰ্থ"ৰ বাবেই বুলি?

ঘৰলৈ উভটি যাবলৈ তেতিয়া বহুত পলম হৈ গৈছিল। সেই কাৰণে

সি ফোনেৰে মিল্‌চক চুক্তিৰ সাৰাংশটো জনাই বাহিৰৰ কোঠাৰ চোফাতে শুই বাকীছোৱা নিশা কটাবলৈ ঠিক কৰিলে। ওচৰৰে আনটো কোঠাত লাইট জ্বলি আছে। দুৱাৰৰ আয়নাৰ মাজেৰে জুপি চাই সি দেখিলে জৱাহৰলালো শোৱা নাই। সাৰে আছে। খিৰিকীৰ ওচৰত নিলৰ হৈ বহি আছে। টেবুল-লাইটৰ পোহৰত তেওঁৰ দেহাবয়ব উদ্ভাসিত হৈ উঠিছে। দূৰৰ এন্ধাৰ দিগন্তলৈ চাই তেওঁ বহি আছে ভাবত তন্ময় হৈ। আনোৱাৰে অনুমান কৰিবলৈ যত্ন কৰিলে জৱাহৰে কি ভাবিব পাৰে। হয়তো তেওঁৰ মনত পৰিছে—ৰাবি-নদীৰ পাৰৰ সেই অবিস্মৰণীয় নিশাটোলৈ; সেই ওজস্বী বক্তৃতাবোৰলৈ; দেশৰ জনতাৰ অসীম সাহসী কাৰ্য্যাৱলীলৈ; ত্যাগসমূহলৈ; সহ্য কৰা যন্ত্ৰণাবোৰলৈ! সেই মুহূৰ্ত্তত আনোৱাৰৰ, তাৰ সকলো আশা ভাব-অনুভাব উপলব্ধিৰ প্ৰতীক স্বৰূপ সেইখন সুন্দৰ মুখত প্ৰতিভাত হৈ উঠা সকলো বেদনা সকলো বিষাদ তাৰ নিজৰ বেদনা নিজৰ বিষাদ যেন অনুভৱ হ'ল।

ভাবি ভাবি আনোৱাৰ ক'ব নোৱাৰাকৈয়ে কেতিয়াবা টোপনিৰ মাজত হেৰাই পৰিল। যেতিয়া সি আকৌ সাৰ পালে তেতিয়া ভালকৈ ৰাতি পুওৱা নাই। নদীৰ পিনৰপৰা ফেৰ্‌ফেৰ্‌কৈ এজাক শীতল বতাহ বলিছে। হঠাৎ বতাহ লাগি এখন খিৰিকী সশব্দে খুলি গ'ল। তাৰ চেঁচা লাগিল। খিৰিকীখন বন্ধ কৰোঁ বুলি উঠি সি দেখিলে জৱাহৰলালৰ কোঠাত কোনো নাই। তাৰ মনত পৰিল এই সময়ত জৱাহৰলাল সদায় মহাত্মাৰ লগত প্ৰাতঃ ভ্ৰমণাৰ্থে ওলাই যায়। কি ভাবি সি সাহসত ভৰ দি জৱাহৰৰ কোঠালৈ সোমাই গ'ল। মেজৰ ওচৰলৈ গৈ সি দেখিলে ৰাতি য'ত জৱাহৰ বহি আছিল সেই ঠাইৰ ওচৰতে এখন কাগজত ঘূৰাই ঘূৰাই অনেক বাৰ দুশাৰী কবিতা লেখা আছে:

"দিছ্‌ ইজ দি রে' দি ৱৰ্ল্ড্‌ এ'ণ্ড্‌,
নট্‌ উইথ্‌ এ' বেং বাট্‌ এ হুইম্পাৰ।"
(এনেকৈয়ে এদিন পৃথিবীৰ শেষ হব,
সশব্দে নহয় অনুচ্চ কান্দোনেৰে।)

ৰাৰাণ্ডালৈ ওলাই আহি আনোৱাৰে দেখিলে গান্ধীজী আৰু জৱাহৰলাল ফুৰি উভতি আহিছে। মহাত্মা অন্য দিনাৰ দৰেই প্ৰশান্ত, সৌম্য, হাঁহি-মুখীয়া। বিনিদ্ৰ ৰজনী যাপন কৰা স্বত্বেও জৱাহৰলালকো বেচ সুস্থ-শান্ত আৰু প্ৰফুল্লই দেখা গৈছে। আনোৱাৰে ভাবিলে, খেলুৱৈ-সুলভ

মনোবৃত্তিৰে পৰাজয় স্বীকাৰ কৰি লব পৰা বাবেই হয়তো তেওঁলোক এনেকৈ প্ৰশান্ত হৈ থাকিব পাৰিছে।

যমুনাৰ সিপাৰে পুব দিগন্তত পোহৰৰ ক্ষীণ ৰেখা জিলিকি উঠিল। এটা নতুন দিনৰ জন্ম হ'ল। অলপ শীত-শীত অনুভৱ কৰি আনোৱাৰে কোটৰ কলাৰটো তুলি লৈ এপিয়লা চাহৰ সন্ধানত ৰান্ধনিশালৰ পিনে খোজ ল'লে।

ৰবাৰ্ট মিলচক চৈচনত আগবঢ়াই থৈ আনোৱাৰ ঘৰলৈ উভটি আহিল। বেলেৰে বোম্বাইলৈকে গৈ মিল্চ তাৰপৰা নিউ-ইয়র্কৰ জাহাজত উঠিব। ঘৰলৈ উভটি আহোঁতে আনোৱাৰে অনুভৱ কৰিলে কিবা যেন এক অনামী ৰিক্ততাত তাৰ অন্তৰখনে হাহাকাৰ কৰি উঠিছে। দোভাষীৰ কাম কৰি আৰু ভাৰতবৰ্ষক বুজাত মিলচক সহায় কৰি আনোৱাৰে তেওঁৰ লগত প্ৰায় এবছৰ কাল কটালে। এই আদৰ্শবাদী, মুখে পেটে এক আমেৰিকান মানুহজনৰ লগত কাম কৰি আনোৱাৰৰ অতি ভাল লাগিছিল। এটা ঘটনাবহুল বছৰ উত্তেজনা আৰু ব্যস্ততাৰ মাজেদি কেতিয়ানো পাৰ হৈ গ'ল সি তলকিবই নোৱাৰিলে। সিহঁত দুয়ো একেলগে অনেক আচৰিত দেখিলে গাৰ নোম শিহঁৰি উঠা ঘটনা নিজ চকুৰে দেখিলে। অনেক কংগ্ৰেছ কৰ্মীৰ লগত সাক্ষাত কৰি কথা পাতিলে। আন্দোলনৰ প্ৰকৃত ৰূপ উপলব্ধি কৰি যথাৰ্থ আৰু বিশ্বস্তৰূপে পৃথিবীৰ চকুত দাঙি ধৰিবলৈ যত্নৰ কোনো ত্ৰুটী কৰা নাছিল সিহঁতে। এই এটা বছৰে দেশৰ প্ৰখ্যাত প্ৰখ্যাত লোকসকলৰ স্বৰূপ বুজি তেওঁলোকৰ কথা আৰু কামৰ প্ৰকৃত মূল্যাংকনৰ চেষ্টা কৰিছিল আনোৱাৰহঁতে। হ'লেও, সিহঁতে সৰ্ব্বসাধাৰণ জনতাৰ কথাও পাহৰি যোৱা নাছিল। সিহঁতৰ মনত আছিল, সাধাৰণ মানুহক বাদ দিলে এই বিপ্লৱৰ কথা 'একো' জনা নেযায়। তেওঁলোকৰ অবিহনে এই আন্দোলনৰ সকলো গৌৰৱ তথা বৈপ্লৱিক শক্তি অনেকগুণে কমি গ'লহেঁতেন। ৰবাৰ্টে প্ৰায়েই আনোৱাৰক কৈছিল, "নেতাসকলৰ কথা বেচি নেভাবিবা, আনোৱাৰ। তেওঁলোকৰ বক্তৃতা পৰিবেশন কৰিবলৈ অনেক সাংবাদিক আছে। আমি জনসাধাৰণৰ প্ৰকৃত ৰূপ অধ্যয়ন কৰাটোহে মাই কথা।" এবাৰ এটা বিশেষ উপলক্ষ্যত মিল্চে কৈছিল, "জনসাধাৰণ যেনে নেতাৰ উপযুক্ত সদায় ঠিক তেনে নেতাই তেওঁলোকে পায়। কাৰণ কোনো নেতাই সৰগৰপৰা নামি নাহে। মানুহৰ মাজৰ পৰাই নেতাৰ উদ্ভৱ হয়। সৰ্ব্বসাধাৰণৰ ব্যক্তিত্ব, শক্তি-দুৰ্ব্বলতা, আশা আৰু সমূহীয়া আকাঙ্ক্ষাৰ প্ৰতীক স্বৰূপ একো একোজন নেতা।"

এই কথা আৰু এনে অনেক সুন্দৰ সুন্দৰ কথা আনোৱাৰে শিকিছিল ৰবাৰ্ট মিল্চৰ পৰা। আনোৱাৰে প্ৰায়ে ভাবিছিল, ৰবাৰ্টৰপৰা সিতো বহুতেই পালে। এইবোৰ মহৎ শিক্ষাও পালে। তেওঁক দেশ-ভ্ৰমণত সঙ্গ-সুখ দিয়াৰ বাহিৰে এইবোৰৰ প্ৰতিদানত আৰু জানো কিবা দিব

পাৰিলে। হয়তো নোৱাৰিলে। কিন্তু ৰবাৰ্টে তাৰপৰা ব-হু-ত পোৱা বুলি ভাবিছিল। সেই কথা মুক্তকণ্ঠে স্বীকাৰো কৰিছিল। আনকি তেওঁৰ 'দি জায়েণ্ট এৱে'কচ্' (দৈত্যৰ নিদ্ৰাভঙ্গ) নামৰ ছপাখানালৈ পঠোৱা কিতাপখন আনোৱাৰৰ নামত উচৰ্গা কৰি এই বুলি লেখিছিল; "আনোৱাৰলৈ,—ভাৰতত যি মোৰ দৃষ্টিশক্তি, মোৰ শ্ৰৱণেন্দ্ৰিয়, আনকি মাজে মাজে মোৰ কণ্ঠস্বৰৰ দৰেই কাম কৰিছিল।"

ঘৰলৈ গৈ গৈ আনোৱাৰে এই পুথিখনৰ উচৰ্গৰ কথা ভাবিলে। দেশখনৰ ইমুৰৰপৰা সিমূৰলৈ ঘূৰি ফুৰোঁতে ৰবাৰ্টৰ লগত হোৱা তাৰ অসংখ্য তৰ্কাতৰ্কিবোৰৰ কথা আনোৱাৰৰ মনত পৰিল। নিৰুদ্দেশ ভাবে তাৰ ওঁঠত এটা হাঁহি বিৰিঙি উঠিল। সেই ৰবাৰ্ট মিলচ আজি গুচি গৈছে। হয়তো জীৱনত কোনোদিন আৰু সি তেওঁক লগ নেপাব। কথাষাৰ ভাবিবলৈকে তাৰ ভয় লাগে। এটা অচিন বিষত বুকুখন গধুৰ হৈ উঠিব খোজে। অৱশ্যে আমেৰিকাত থাকিও যে ৰবাৰ্টে পাৰ্য্যমানে ভাৰতৰ স্বাৰ্থৰ হকেই কাম কৰিব সেই কথা আনোৱাৰে জানে। আমেৰিকাৰ বিভিন্ন ঠাইত এলানি বক্তৃতা দিয়াৰ ব্যৱস্থা কৰিয়ে তেওঁ গৈছে। ভাৰতত থাকি তেওঁ যি শুনিলে আৰু যি শিকিলে সকলো বিবৰি ক'ব। কেথেৰিণ মেয়োৰ দৰে মানুহে ভাৰতৰ বিকৃত ছবি দাঙি ধৰি আমেৰিকাবাসীৰ মনত যি বিৰূপ ধাৰণাৰ সৃষ্টি কৰিছে সেই ধাৰণা সংশোধন কৰাৰ চেষ্টা তেওঁ কৰিব। ৰবাৰ্ট মিলচ ভাৰতৰ বন্ধু। আৰু সদায়েই বন্ধু হৈ থাকিব....

আনোৱাৰে নিজৰ ভাববোৰ সংযত কৰিবলৈ যত্ন কৰিলে। নাই, এনেকৈ ভবা তাৰ ভুল হৈছে। কি ঠিক? হঠাৎ ৰবাৰ্টেই অনেক বাৰ কোৱা এষাৰ কথা মনত সি আকৌ আপোন মনে হাঁহি উঠিল: "আনোৱাৰ, কেতিয়াও কোনো কথাতেই একেবাৰে নিশ্চিত নহবা।"

ৰবাৰ্টে কোৱা কথা সঁচা। অনেক কথাত সি সম্পূৰ্ণ নিশ্চিত হৈয়ো জীৱনত অনেকবাৰ হতাশ হ'ব লগাত পৰিছে। ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ দাবীৰ ওপৰত কোনো প্ৰকাৰৰ আপোচ হব নোৱাৰে বুলি সি নিশ্চিত আছিল। কিন্তু এতিয়া? আনোৱাৰৰ এতিয়া নিজৰেই বৰ অসহায়-

অসহায় বোধ হৈছে। এই নতুন পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাবলৈ টান পাই তাৰ ক'লৈ-যাওঁ কি কৰোঁ লাগি থাকিলে কেইবাদিনো। বন্দৰৰ ঠিকনা যেন হেৰাই গৈছে তাৰ। পাৰাপাৰহীন সাগৰত যেন তাৰ অকল-শৰীয়া নাও নিৰুদ্দেশভাৱে উটি ভাহি গৈ আছে। বহুত দূৰত আকাশৰ একোণত এটা ক্ষীণ তৰাও নাই পথনির্দ্দেশেৰে তাক শান্বনা দিবলৈ।

"এতিয়া আমি ক'লৈ যাম?" আনোৱাৰৰ মনত পৰিল চুক্তি সম্পাদনৰ পিচদিনা পুৱা এই প্রশ্নটো তুলিছিল। মহাত্মাৰে সাক্ষাৎ কৰিবলৈ আহি বৈ থকা আঠ নজন সাংবাদিকৰ এজনেও উত্তৰ দিবলৈ সাহস কৰা নাছিল।

চান্দনী-চৌকৰ মূৰ পাই আনোৱাৰে জামে-মছজিদৰ পিনে ঘূৰিলে। সশব্দে এখন ট্রাম তাৰ কাষেদিয়ে পাৰ হৈ গৈ অলপ আগত ৰ'লগৈ। আনোৱাৰে ট্রামখনত উঠিবলৈ যত্ন নকৰিলে। গোটেই বাটছোৱা ঘৰলৈকে খোজ কাঢ়ি যাবলৈকে সি ঠিক কৰিলে। বহুত কথা ভাবিবলৈ আছে। অকলশৰে ভাবি ভাবি গৈ সি তাৰ মনৰ চিন্তাৰাজি পৰিপাটি কৰি ল'ব পাৰিব।

"ইয়াৰ পাচত আমি ক'লৈ যাম? বাস্তৱিক। ক'লৈ যাম?"

এই চুক্তি ক্ষণস্থায়ী। শিথিল। সন্দেহ নাই। ইয়াৰ পিচত আকৌ আইন-অমান্য আন্দোলনেই গতি নেকি?

স্বাক্ষৰিত চুক্তিপত্রত স্পষ্টভাৱে উল্লেখ থকা কেইবাটাও চৰ্ত্ত কাৰ্য্যক্ষেত্রত চৰকাৰে পালন কৰা নাই বুলি ইতিমধ্যেই মানুহে কোৱা-মেলা কৰিছে। কিন্তু এবাৰ এনেকৈ পূর্ণ স্বাধীনতাৰ দাবীক আপোচেৰে বাধাপ্রাপ্ত হবলৈ এৰি দিয়াৰ পিচত আকৌ সেই দাবীক জানো আগৰ উদ্যম আৰু জন-সাধাৰণৰ পূর্ণ সমৰ্থনেৰে উত্থাপন কৰিব পৰা যাব? হেজাৰ হেজাৰ কংগ্রেছী পুৰুষ-মহিলা কাৰাগাৰৰপৰা ওলাই আহি এই নতুন পৰিস্থিতি-টোক কেনেভাৱে গ্রহণ কৰিব আনোৱাৰে অনুমান কৰিবলৈ যত্ন কৰিলে। গুজৰাট আৰু উত্তৰ প্রদেশৰ কৃষকসকল, যাৰ বাবে পেটৰ ভোকৰ চাৰিখন ঘূৰণীয়া ৰুটিয়েই আচল কথা, ঘূৰণীয়া মেজমেলৰ কোনো মূল্য নাই,— সেই কৃষকসকলক এই চুক্তিয়ে কি আশা কি আশ্বাস দিব পাৰিব? অহিংস-বিপ্লৱৰ তেজ্ঞে ইমানতে শেষ নেকি? স্বাধীনতাৰ শপত গ্রহণ কৰি আৰম্ভ কৰা সংগ্রাম কি আকৌ সংসদ আৰু সন্মিলনৰ নেতাৰ ডাঙৰ ডাঙৰ বক্তৃতাৰ মাজতে সীমাবদ্ধ হৈ পৰিব—বাইজৰ মাত্র হাত-বজোৱাৰ অধিকাৰৰ বাহিৰে তাত অংশ লোৱাৰ আৰু কোনো বাট নেথাকিব? বহুত দিনৰ আগতে, এতিয়াও য'ত নৰম-পন্থী আৰু সংবিধানভক্তৰ দল থিয় দি আছে তেনে এটা অৱস্থাৰপৰা যি বিপ্লৱ আৰম্ভ হৈ ইমান দূৰ আগবাঢ়ি আহিল সেই অৱস্থা-লৈকে জনতা আকৌ উভটি যাব লাগিব নেকি?

"ইয়াৰ পিচত আমি ক'লৈ যাম?" এই বহল অৰ্থৰ সমগ্ৰ জাতিৰ সন্মুখত উপস্থিত হোৱা প্ৰশ্নৰ লগতে আনোৱাৰৰ ব্যক্তিগত প্ৰশ্নও জড়িত হৈ আছিল। এতিয়া সি ক'লৈ যাব? বিশ্ববিদ্যালয়লৈ? আপোচ হোৱাৰ পিচত তাক হয়তো বিশ্ববিদ্যালয়ে আকৌ গ্ৰহণ কৰিব। কিন্তু এই এটা বছৰ বহল পৃথিৱীৰ বুকুত মুকলি মনেৰে বিচৰণ কৰাৰ পিচত এতিয়া শ্ৰেণীৰ ঠেক কোঠাৰ ভিতৰত সোমাই থাকিবলৈ তাৰ যে শ্বাসৰুদ্ধ হোৱা যেন লাগিব। তাত যি শিক্ষা সি পাব সেয়াও এতিয়া নিতান্ত অকিঞ্চিৎকৰ যেন বোধ হ'ব। তেন্তে? ৰাজনীতি? কিন্তু ইয়াত জানো সি বিশ্ববিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতাৰ কেঁচা অভিজ্ঞতাৰে কিবা সুবিধা কৰিব পাৰিব? 'নেতৃত্ব'ৰ বাবে যিখিনি গুণৰ দৰ্কাৰ সেয়া তাৰ নাই। জীৱনত আনকি সি এবাৰ কাৰাগাৰলৈয়ো গৈ পোৱা নাই। তাৰ বয়সো নিচেই ক'ম; টকা-পইচাৰ ফালেও একোৱেই নাই। আনতো বাদেই, নিজকেই সি কেনেকৈ ভৰণ-পোষণ দিব। তেন্তে সি কি সাংবাদিকেই হ'ব নেকি? সাংবাদিকৰ ৰোমাঞ্চকৰ জীৱন তাৰ ভাল লাগে। কিন্তু এই ভাল লগাৰ বাহিৰে সাংবাদিকতা কৰিব পৰাকৈ তাৰ কিবা বিশেষ অৰ্হতা আছে নে নাই সি নিজেই নেজানে। জীৱনত এই পৰিমিত সি মাত্ৰ এটা প্ৰবন্ধ ৰচনা কৰিছে। কিন্তু সেইটো প্ৰবন্ধৰ ওপৰতে নিৰ্ভৰ কৰি তাক কোনখন কাকতৰ সাংবাদিকৰূপে গ্ৰহণ কৰিব? তদুপৰি এজন সাংবাদিকে সুন্দৰ ভাৱে জানিব লগা বিষয় অৰ্থনীতি, ৰাজনীতি বা সাংবিধানিক আইনৰ জ্ঞানো তাৰ নিচেই সামান্য। বিদেশলৈ এবাৰ যদি সি যাব পাৰিলেহেঁতেন। কিন্তু যাব জানো সি পাৰিব? যোৱা জানো উচিত হব? তথাকথিত 'উচ্চ শিক্ষা লাভাৰ্থে' হওক নহওক অন্ততঃ বহল পৃথিৱীখনক এবাৰ চিনি আহিবৰ কাৰণে যদি সি দেশৰপৰা ওলাই যাব পাৰিলেহেঁতেন। কিন্তু সি ভালকৈ জানে তাৰ আব্বাজানে সিমানখিনি খৰচ বহন কৰিব নোৱাৰে। আনহাতে কোনো ধৰণৰ চৰকাৰী বৃত্তি পোৱাৰতো একো বাটেই নাই!

"ইয়াৰ পিচত আমি ক'লৈ যাম?"....সাময়িকভাৱে সি তাৰ প্ৰশ্নৰ উত্তৰ পালে সিহঁতৰ ঘৰলৈ সোমাই যোৱা পদূলিটোৰ মাজত।

যশবন্ত তেতিয়া আত্মাজ্ঞান নাছিল যেতিয়া তাঁৰ নামত এনেকুৱা চিঠি পৰি থকা দেখি সি আচৰিত হৈ গ'ল। আশাৰ কোমল হাতৰ আখৰবোৰ চিনিব পাৰি পোনতে সি তাইৰ চিঠিখনকে খুলি ল'লে। জেলৰপৰা তাই মুক্তি পাইছে। কিন্তু ওলাই আহি বৰ অশান্তিত সময়বোৰ কটাব লগা হৈছে। তাইৰ অনুপস্থিতিত যশবন্তৰ অৱস্থা ক্ৰমাত বেয়াৰ পিনে চাল লৈ এতিয়া প্ৰায় অন্তিম অৱস্থাত উপনীত হৈছেহি।" মই মোৰ অসহ্য বেদনাৰ ভাগ তোমাকো দি মোৰ কষ্ট লাঘৱ কৰিবলৈকে এই চিঠি লেখিছোঁ। উহ্ আনোৱাৰ! মইযে ভাবিবই পৰা নাই। ইমান সাহসী, ইমান সুন্দৰ ইমান মেধাবী গজ্‌গজীয়া এজন ডেকা আমাৰ চকুৰ আগতে তিল্‌তিলকৈ মৰি শেষ হৈ যাব। অথচ আমি একো এ-ৰো-ৰে-ই কৰিব নোৱাৰোঁ। কি সাংঘাতিক কথা! তেওঁৰ ইয়ান অসুখৰ সময়ত এনেকৈ জেললৈ গুচি গৈ নিজৰে মোৰ ইমান দোষী-দোষী লাগিছে। কিন্তু মোৰ বোধেৰে, মই কিয় তেনে কৰিছিলোঁ—মোৰ দুৰ্ব্বলতা ক'ত, তুমি নিশ্চয় জানা।" আনোৱাৰে জানে। আশাৰ কাৰণে তাৰ দুখ লাগিল।

চিঠিখনৰ শেষৰ পিনে পুনশ্চ বুলি আকৌ লেখা হৈছে: "যশবন্তৰ মৃত্যু হৈছে। আজি পুৱা এই চিঠি ডাকত দিয়াৰ আগতে তেওঁৰ মৃত্যু হ'ল। এটা কথাত মই শান্তনা লাভ কৰিছোঁ, আনোৱাৰ। যোৱা নিশা তেওঁ 'কেপিটেল'ৰ অনুবাদ শেষ কৰি গৈছে।" আশাৰ চকুপানী পৰি চিঠিখনৰ মাজে মাজে আখৰবোৰ বিয়পি গৈছে।

আনোৱাৰে এবাৰ চকুহাল মুদি যশবন্তৰ চেহেৰাটো মনত পেলাবলৈ যত্ন কৰিলে। মৃত্যুৰ আগ মুহূৰ্ত্তটো নিজে অন্তৰেৰে বিশ্বাস কৰা কিবা এটা সৃষ্টিমূলক কাম সমাধা কৰি যাবলৈ কিমান সাহস কিমান বীৰত্বৰ প্ৰয়োজন হব পাৰে এজন মানুহৰ! ভাবি ভাবি আনোৱাৰে আন-এখন চিঠি মেলি ল'লে। ইয়াতো বোম্বাইৰ চাব-মোহৰ মৰা। অতি দামী ৰঙীন কাগজত কিনো লিখিছে সহজে পঢ়াই টান। "আনোৱাৰ ভাইটি"—চিঠিতো আকৌ সেই 'ভাইটি'—"তেনেহলে যুদ্ধ-বিৰতি ঘোষণা কৰা হ'ল। যুদ্ধৰ পতাকাবোৰ মেৰিয়াই থোৱা হ'ল। গতিকে এইখন দেশত আৰু থকাৰ একো আৱাম নাই। মোক আশীৰ্ব্বাদ কৰিবা। অহা সপ্তাহৰ প্ৰথম ভাগতে মই জাহাজেৰে যাত্ৰা কৰিম। তুমি যদি কেতিয়াবা 'গে পেৰি' (ৰঙীন পেৰিচ) লৈ আহা মোক 'আমেৰিকান এক্সপ্ৰেচ'ৰ ঠিকনাত খবৰ কৰিবা। মই তোমাক শিকাই দিম—এখন মহানগৰ কেনেকৈ 'ৰঙা' কৰি দিব পাৰি।" এয়া মোহন! সুপৰিচিত! কাণৰ লতিত আঁতৰ খঁহি

অহা দেশপ্রেমিক। যি প্লেটিনামৰ চিগাৰেট-কেচৰপৰা বিড়ি উলিয়াই খায়। তাৰৰ ভোজন-কক্ষত বে-আইনী কাগজ বিলি কৰে।

ইয়াৰ পিচত মোহন ক'লৈ যাব? প্লেৰিচৰ আনন্দ-মুখৰ বুল্‌ভাৰলৈ।

আনোৱাৰৰ বাহিৰে সকলোৰেই নিজ নিজ পৰিকল্পনা লৈ ব্যস্ত। বাজে লক্ষ্ণৌৰপৰা লেখিছে,—জেলত থাকোঁতেই সি এখন কবিতাৰ পুথি ৰচনা কৰি সম্পূৰ্ণ কৰিছে। অলপতে প্ৰকাশ হৈছো ওলাব। নামটোৰ পৰাই ধৰিব পাৰি পুথিখন বেচ তপত বিধৰ হব,—"খুন আওৰ আঁশু" (ৰক্ত আৰু অশ্ৰু)। এই পুথি ওলোৱাৰ পিচত বাজে গাৱেঁ-গাৱেঁ লোকগীত আৰু গ্ৰাম্য-কবিৰ অপ্ৰকাশিত কবিতা সংগ্ৰহ কৰিবলৈ ওলাই যাব বুলি ভাবিছে। চোব্‌হানে লেখিছে সত্যাগ্ৰহে হেনো তাক আৰু আমুৱাইছে। মাৰ্ক্সৰ সি একান্ত ভক্ত। এইবাৰ সি কানপুৰৰ চামৰাৰ কাৰখানাৰ বনুৱা সংগঠনত আত্ম-নিয়োগ কৰিব। "জানা, ইতিমধ্যে পুলিচে মোৰ খা-খবৰ ৰাখিবলৈ আৰম্ভ কৰিছেই।" সি এঠাইত লেখিছে, "মোক ইয়াৰ ভিতৰতে দুবাৰ সাৱধান বাণী শুনাইছে সিহঁতে। আৰু এটা কথা, ইয়াত পুলিচৰ ডি-এচ-পি কোন ক'ব পাৰা? মনচুৰ আহমদ। চাল্‌মাৰ গিৰিয়েক। মোক অফিচত প্ৰশ্ন সুধি থাকোঁতেই এদিন হঠাৎ চাল্‌মা আহি ওলাইছিলহি। তাই বেচ নিপোটলজনী হৈছে। দেখিবলৈ ভালকৈ খাবলৈ পোৱা তেল-পৰি-পিছলা এজনী চেঁউৰী গৰুৰ দৰে চট্‌ফটীয়া তজ্‌বজীয়া হৈছে।" মৰোমক উপমাটোত আনোৱাৰৰ চকু খাই উঠিল। কিন্তু পিচৰ শাৰী কেটা পঢ়ি এহাতে যেনেকৈ তাৰ ভয় লাগিল আনহাতে তেনেকৈ আমোদো পালে সি। "তোমাৰ নিশ্চয় মনত আছে মই যে তোমাক কৈছিলোঁ, জীৱনৰ প্ৰকৃত সত্য 'হৰমোন' হে। ৰোমাণ্টিক কবি মথাই অনামী কিবা এটা লৈ আবেগৰ মায়াজাল ৰচনা কৰাত মূৰ্খামীৰ বাহিৰে একো নাই। অতি সাধাৰণ এপ্‌ছিলাচ চেঁচা পানীৰ দৰে বুলি নকৈছিলোঁ?"

পৃথিবীখন নিচেই সৰু। আনোৱাৰে যিমানেই চেষ্টা নকৰক চাল্‌মাৰ দুৰন্ত অবিস্মৰণীয় স্মৃতিৰপৰা পলাই থকা তাৰ পক্ষে অসম্ভৱ আছিল। কিয় বাৰু সি তাইক পাহৰিব নোৱাৰে? এবাৰ; মাত্ৰ এবাৰলৈকো যদি সি ভাৰতৰপৰা ওলাই যাব পাৰিলেহেঁতেন। অন্ততঃ কিছুদিনৰ কাৰণেও। অন্ততঃ আংশিকভাৱেও হয়তো সি পাহৰিব পাৰিলেহেঁতেন। যদিও, তেতিয়া হলেও, তাক তাৰ শুভাকাঙ্ক্ষী বন্ধু চোব্‌হানহঁতে নিশ্চয় মনত পেলাই দিলেহেঁতেন,—এয়া নিৰ্ভাজ পলায়নবাদ মাত্ৰ বুলি। এয়া আনোৱাৰৰ সামন্ত-যুগীয়া ভাবধাৰাৰ আৰু এটা নিদৰ্শন মাত্ৰ বুলি।

চিঠিখোৰ পঢ়ি উঠি সি বাতিপুৱাৰ কাগজখনত চকু ফুৰালে। প্ৰথম

পৃষ্ঠাতে ডাঙৰ ডাঙৰ আখৰেৰে ওলাইছে: "ফাঁচীৰ আদেশ পোৱা সন্ত্ৰাসবাদী বন্দীৰ পলায়ন!" উত্তেজনাত প্ৰায় কঁপি কঁপি আনোৱাৰে বাতৰিটো পঢ়িলে। পলাতক আন কোনো নহয়—তাৰ বন্ধু ৰতন। ৰতনৰ ফাঁচীৰ হুকুম হৈছিল। জেলৰপৰা উলিয়াই ফাঁচীশাললৈ নিওঁতেই পুলিচৰ চকুত ধূলি দি সি পলাই যায়। তাক বিচাৰি পুলিচে চাৰিওফালে পিট-পাট লগাইছে। আনোৱাৰে জানে ৰতনে নিজে ধৰা নিদিলে তাক ধৰাৰ সাধ্য পৃথিৱীৰ কোনো পুলিচৰ নাই। আনোৱাৰে কাগজখন পঢ়ি গ'ল।

আন এটা বাতৰিত কোৱা হৈছে, ভগৎ সিং, সুখদেৱ আৰু ৰাজগুৰুক মৃত্যুদণ্ডৰপৰা ৰক্ষা কৰিবলৈ কৰা মহাত্মা গান্ধীৰ সকলো চেষ্টা অথলে গৈছে। ক্ষমা বিচাৰি আবেদন কৰিবলৈ অস্বীকাৰ কৰা বাবে সিহঁতৰ মৃত্যু অৱধাৰিত হৈ পৰিছে। তাৰ মানে অন্ততঃ এই তিনিজন ডেকাই আজি আৰু নিজক সোধাৰ প্ৰয়োজন নাই: ইয়াৰ পিচত আমি ক'লৈ যাম। মৃত্যুৰ পথ বহুত আগতেই সিহঁতে বাছি লৈছে। সেই পথে আগ বাঢ়ি যাওঁতে সিহঁতৰ শেষ পদক্ষেপ পৰ্য্যন্ত ধনিষ্ঠামানো কঁপি উঠা নাই।

সেই নিশা প্ৰাৰ্থনা কৰি আকবৰ আলি মছজিদৰপৰা অহাৰ পিচত বাপেক-পুতেক দুয়ো একেলগে খাবলৈ বহিল। আকবৰ আলিয়ে সুধিলে, "আনোৱাৰ, এতিয়া পিচে তুমি কি কৰোঁ বুলি ভাবিছা? এম-এ পঢ়িবলৈ পুনৰ যাওঁ বুলিলে বোধহয় বিশ্ববিদ্যালয়ে তোমাক এতিয়া ঠাই দিব।"

"নাই আব্বাজান, আলিগড়লৈ মই আৰু নেযাওঁ। কেইবছৰমান ভাৰতৰ বাহিৰত কটাই আহিবৰ মোৰ একান্ত ইচ্ছা আছিল। কিন্তু বৰ্ত্তমান অৱস্থাত মোক পঠোৱা আপোনাৰ পক্ষে টান হব বুলি মই জানো।

গতিকে ইয়াতে থাকি কিবা চাকৰি এটা পাওঁ নেকি যত্ন কৰি চাওঁ। খবৰ-কাগজৰ চাকৰি পালে ভাল হয়।"

"কিন্তু, খিতাতে তুমি বাতৰি কাকতৰ চাকৰি এটা পাবা বুলি মোৰ মনে নধৰে। তাতোকৈ বাহিৰলৈ কিবা উচ্চ-শিক্ষাৰ্থে যোৱা কথাটোৱেই মোৰ বেচি ভাল লাগিছে। পৃথিবীখনো চোৱা হব। অভিজ্ঞতাও বাঢ়িব। ভৱিষ্যৎ-জীৱন গঢ়াত যথেষ্ট কামত আহিব।"

"সঁচা আব্বাজান। কিন্তু টকাৰ যোগাৰ কেনেকৈ হব? আপোনাক ধাৰ কৰিবলৈ বা বন্ধকত কিবা থবলৈ মই নিদিওঁ।"

"তাৰ প্ৰয়োজন নহ'ব।" আকবৰ আলিয়ে লাহে লাহে ক'লে কণ্ঠ-নকওঁকৈ: "তুমি তোমাৰ নিজৰ টকাৰেই যাব পাৰিবা। শুনা, আনোৱাৰ, তোমাৰ ধৰমৰ কাকা ৰামেশ্বৰে তোমাৰ নামত দহ হেজাৰ টকা দি থৈ গৈছে।"

"দহ হেজাৰ টকা।" আনোৱাৰে চিঞৰি উঠিল। ইমানবোৰ টকা! অবিশ্বাস্য। "কিন্তু কিয় দিছে তেওঁ?"

"তুমিতো জানাই, ৰামেশ্বৰৰ ল'ৰা-ছোৱালী নাই। তোমাক তেওঁ বৰ মৰম কৰিছিল। সেই কাৰণে তেওঁৰ বিপুল সম্পত্তিৰ এটা ভাগ তোমাক দি গৈছে। এয়া তোমাৰ নিজৰ টকা। ইয়াৰে তুমি যি ইচ্ছা কৰিব পাৰা।"

আনোৱাৰৰ মানস চকুত অসুস্থ বৃদ্ধ মানুহ গৰাকীৰ চেহেৰাটো ভাহি উঠিল। কৃতজ্ঞতাৰ চকুলোৰে তাৰ দুচকু চলচলীয়া হৈ উঠিল। ইমান মৰমিয়ালো হ'ব পাৰে মানুহ। আনোৱাৰৰ মনত পৰিল কেনেকৈ তাৰ ককাই তাক সদায় এযোৰ সোণৰ বুতাম দিম বুলি প্ৰতিশ্ৰুতি দিছিল। আকবৰ আলিয়ে পুতেক বিলাসী হয় বুলি ভয়ত বাধা নিদিয়া হ'লে নিশ্চয় দিলেওহেঁতেন। কিন্তু সেই বুলি দহ হেজাৰ টকা। ৰামেশ্বৰ দয়াল যথেষ্ট ধনী আছিল সন্দেহ নাই। হলেও দহ হেজাৰ টকা এনেকৈ দি যোৱা মুখৰ কথা নহয়।

"মই তেন্তে ইংলণ্ডলৈকে যাম আব্বাজান।" অলপ বৈ সি ক'লে, "তাত লণ্ডন স্কুল-অব্-ইকনমিক্সত পঢ়িম। লগতে পাৰিলে সাংবাদিকতাও অধ্যয়ন কৰিম। কিন্তু মই প্ৰধানকৈ এবাৰ পৃথিৱী ভ্ৰমণ কৰাৰ ওপৰতহে বেচি জোৰ দিম। অৱশ্যে, আব্বাজান, তুমি যদি সেয়া অৰ্থৰ অপচয় বুলি নেভাবা।"

আকবৰ আলি ধৰ্ম্মপ্ৰাণ মুছলমান। আনোৱাৰৰ ভ্ৰমণ-ইচ্ছাক তেওঁ বাধা দিবলৈ বাৰু নকৰিলেই, বৰং উৎসাহ দি ভ্ৰমণ সম্পৰ্কে হজৰত

মোহাম্মদে কৈ যোৱা কথা ক'লে। নবী হজৰত প্ৰকৃত মুছলমানক জ্ঞান আহৰণৰ বাবে আৱশ্যক হ'লে 'সুদূৰ চীন দেশলৈকো যাবলৈ" নিৰ্দ্দেশ দি গৈছে। তেৰশ বছৰৰ আগৰ আৰবী লোকৰ চকুত চীন দেশ পৃথিৱীৰ আনটো সীমাৰ দৰে আছিল।

"আৰু এটা কথা তোমাক মই ক'ম ক'ম বুলি ভাবি আছোঁ আনোৱাৰ। তোমাৰ আম্মাজান থকা হ'লে তেৱেঁই ক'লেহেঁতেন। এইবোৰ মাকে ক'ব লগা কথা....।" অস্বস্তি বোধ কৰি আব্বাজান ৰ'ল। আনোৱাৰে বুজিলে তেওঁ কি ক'ব খুজিছে। তথাপি সি কাণ পাতি ৰ'ল।

"তুমি এতিয়া ডাঙৰ হৈছা।" আকৌ আকবৰ আলিয়ে কথাৰ সুৰ সলাই কৈ গ'ল, "এনে সময়তে মানুহে....মানে....মানে মানুহে বিয়া-বাৰুৰ কথা ভাবে। ঘৰ-সংসাৰ পাতে। গতিকে তুমি মত দিয়া মই তোমাৰ বাবে এজনী ভাল ছোৱালী চোৱা-চিতা...."

"নাই, আব্বাজান, নাই।" আনোৱাৰে ব্যস্তভাৱে কৈ উঠিল, "ইমান সোনকালে নহয়।"

"সোনকাল মানে? তোমাৰ বয়স একুৰি এবছৰ হ'ল।" আকবৰ আলিয়ে মিচিকিয়াই হাঁহি ক'লে, "বিয়াৰ সময়ত মোৰ বয়স আছিল উনৈশ বছৰ।"

"সেইটো সম্পূৰ্ণ বেলেগ কথা," আনোৱাৰে তৰ্কৰ সুৰত ক'লে, "আজিকালি দিন সলনি হৈ গৈছে। ইমান কম বয়সতে আজিকালি মানুহে বিয়া নেপাতে। অন্ততঃ আব্বাজান মোক তুমি ইংলণ্ডৰপৰা ঘূৰি আহিবলৈ দিয়া।"

আকবৰ আলিয়ে তাক আৰু জোৰ নকৰিলে। ক'লে, "বেচ, তোমাক মই জোৰ নকৰোঁ। তোমাৰ ইচ্ছা; যেতিয়াই ভাল দেখা। তথাপি এটা কথা মোক কোৱা....মানে...তুমি....মানে. কোনোবা বিশেষ...." এনে এটা কথা পুতেকক কেনেকৈ কব লাগে ধৰিব নোৱাৰি খোতামোজা লগাই কোনোমতে তেওঁ ক'লে, "তোমাৰ কোনোবা বিশেষ ছোৱালী যদি মনে খাইছে....ক'বাত যদি লগ পাইছা...."

"নাই আব্বাজান, তেনে কোনো ছোৱালী নাই।" কণ্ঠস্বৰ অকণো নকঁপাকৈ আনোৱাৰে কৈ উঠিল। কৈ উঠি সি ভাবিলে,—তাৰ ভুল হোৱা নাই। তেনে কোনো ছোৱালী নাই। সেয়াই সত্য ...এতিয়া।

গান্ধী-আৰউইন চুক্তি প্ৰকাশিত হোৱাৰ লগে লগে দেশৰ বিভিন্ন অঞ্চলত বিভিন্নভাৱে তাৰ প্ৰতিক্ৰিয়াই দেখা দিলে। বিপ্লৱী সমান্তৰাল চৰকাৰ প্ৰতিষ্ঠাৰ স্বপ্ন দেখা উগ্ৰপন্থী ডেকাদল বিশেষভাৱে হতাশ হ'ল। নৰমপন্থীদলে চাপ্ৰু আৰু জয়াকৰৰ শান্তি-প্ৰতিষ্ঠাৰ প্ৰচেষ্টাত কৃতকাৰ্য্য হোৱা বাবে আত্ম-প্ৰসাদ লাভ কৰিলে। পৰম্পৰাগতভাৱে ৰাজভক্ত দলে ভাইচৰয়ে এনেকৈ এজন সামান্য ৰাজদ্ৰোহীক সমান ব্যৱহাৰ কৰি সন্মান কৰা কথাত অধৈৰ্য্য হৈ উঠিল। তেওঁলোকৰ মানত এয়া তেওঁলোকৰ শ্ৰেণীটোৰেই ভৱিষ্যৎ পতনৰ আগজাননী যেন বোধ হ'ল। খদ্দৰ-পিন্ধা কংগ্ৰেছী আহি তেওঁলোকৰ ওপৰত চৰ্দ্দাৰী কৰিব,—এই চিন্তাত উচ্চ-পদস্থ চৰকাৰী কৰ্ম্মচাৰীসকলৰ চকুত টোপনি নাইকিয়া হ'ল। হিন্দু সাম্প্ৰদায়িকতাবাদীসকলে ভাবিলে এতিয়া কেৱল চৰকাৰৰ ওপৰতে নিৰ্ভৰ নকৰি তেওঁলোকক স্বাৰ্থৰক্ষাৰ বাবে কংগ্ৰেছৰো ওচৰ চাপিব লগা হ'ব পাৰে। মুছলমান সাম্পদায়িকতাবাদীসকলে ঘোষণাই কৰিলে,—এয়া নিখুঁত প্ৰতাৰণা; আত্মবিক্ৰয়। সমগ্ৰ ভাৰতবাসীৰ প্ৰতিনিধিৰূপে মাত মতাৰ ভাও জোৰা পাৰতগঞ্জা "বণিয়া গান্ধী" প্ৰতিপত্তি খৰ্ব্ব কৰিবৰ মানসেৰে এইবাৰ তেওঁলোক উঠি পৰি লাগিল। ছ-শৰো ওপৰ দেশীয় ৰাজ্যৰ ৰাজকুমাৰসকলে অনুভৱ কৰিলে যেন এটা প্ৰচণ্ড ভূমিকম্পতহে তেওঁলোকৰ স্বৰ্ণ-সিংহাসনবোৰ কঁপি উঠিছে। কংগ্ৰেছ-ৰাজৰ বিভীষিকাই তেওঁলোকক আতঙ্কিত কৰি তুলিলে। চকুৰ আগত তেওঁলোকে যেন দেখিলে গণতন্ত্ৰ নামৰ এটা দৈত্যাই তেওঁলোকক গ্ৰাস কৰিবলৈ আগ বাঢ়ি আহিছে। জনচেৰেকেতো ইমানেই ভয় খালে যে হয় নিজেই দৌৰি আহি নতুবা প্ৰতিনিধিকে পঠিয়াই তেওঁলোকক গান্ধীৰ কবলৰপৰা ৰক্ষা কৰিবলৈ নতুন দিল্লীৰ সৰ্ব্বশক্তিমান ভাইচৰয়ক কাবৌ-কোকালি কৰিবলৈ ধৰিলে।

ভয়ত পেটতে হাত-ভৰি লুকুৱা দলৰ এজন আছিল চালামুপৰৰ নবাৰ। তেওঁ আমজাদ আলিক প্ৰতিনিধি স্বৰূপে দিল্লীলৈ পঠালে। আনোৱাৰে তেতিয়া ইংলণ্ডলৈ যাবলৈ পৰম উৎসাহেৰে প্ৰস্তুতি চলাইছে। আমজাদ আলিৰ আগমনে যেন তাৰ উৎসাহত অনেক পৰিমাণে চেঁচা পানী ঢালি দিলে। আমজাদ আলিয়ে আনোৱাৰ বিদেশলৈ যোৱা কথাটো সমৰ্থন নকৰিলে। পেটে পেটেই নহয়; আনোৱাৰৰ মুখৰ আগতে খোলাখুলিকৈ সেই কথা কৈয়ো দিলে। ডেকা ল'ৰা ইংলণ্ডলৈ যোৱা মানেই হেনো নিৰ্ঘাত নষ্ট হোৱা। তালৈ গ'লে মানুহ নাস্তিক হয়। বয়সস্থ মানুহ আমজাদ আলি। তেওঁক সন্মান দেখুৱাই মুখৰ আগত আনোৱাৰে একো

প্রতিবাদ নকৰিলে। কিন্তু অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ ভয়ত কোঠাটোৰ পৰাই নিৰৱে ওলাই গ'ল।

ভালেমান পৰৰ মূৰত আকৌ উভতি আহি দেখিলে আমজাদ আলিয়ে আব্বাজানৰ লগত কিবা কথা বিশেষ গভীৰ ভাৱেৰে আলোচনা কৰি আছে। আনোৱাৰক দেখি শেষৰ কথা কেষাৰ তেওঁ প্ৰায় ফুচফুচাই কৈ নিৰৱ হ'ল। আনোৱাৰৰ কাণত মাত্ৰ এই কেটা শব্দ পৰিল, "মই খবৰ পাইছোঁ, ভাইজান, কিন্তু এয়া কেতিয়াও হ'ব নোৱাৰে।" তেওঁলোকে কিহৰ কথা কৈছে আনোৱাৰে ধৰিব নোৱাৰিলে। কি হ'ব নোৱাৰে?

সেইদিনা নিশা ডবিয়াগঞ্জৰ মুছলমানসকলৰ এখন সভা আছিল। এনে সভাবে কেৱল দিল্লীৰ ঠায়ে ঠায়ে হৈছে এনে নহয়, গোটেই দেশ জুৰি এনে সভা হবই ধৰিছে। 'অপবিত্ৰ' গান্ধী-আৰউইন চুক্তিৰ প্ৰতিবাদ জনাই ঘূৰণীয়া মেজমেলত গান্ধীজীয়ে 'কংগ্ৰেছৰ হিন্দু'সকলৰ বাহিৰে আনৰ প্ৰতিনিধিত্ব কৰাৰ যৌক্তিকতাক প্ৰত্যাহ্বান জনোৱা হৈছে। আনোৱাৰে জানে এই সভাবোৰৰ শেষৰ পিনে সদায় এটা কথা ঘোষণা কৰা হৈছে যে ভাৰতৰ মুছলমানসকলৰ ঘূৰণীয়া মেজমেলত স্বনামধন্য আগাখানৰ নেতৃত্বত যোগ দিবলৈ যোৱা মুছলমান প্ৰতিনিধি দলৰ ওপৰত পূৰ্ণ বিশ্বাস আছে।

এই সভাত সভাপতিত্ব কৰিবৰ বাবে আকবৰ আলিক আহ্বান জনোৱা হৈছে। ঘূৰণীয়া মেজমেলত মহাত্মাই ভাৰতক প্ৰতিনিধিত্ব কৰাৰ যৌক্তিকতাক খৰ্ব্ব কৰিব খোজা এনে প্ৰতিক্ৰিয়াশীল মনোভাবাপন্ন এটা প্ৰচেষ্টাত আব্বাজান জড়িত হৈ নপৰাই আনোৱাৰে বাঞ্ছা কৰিছিল। কিন্তু অতি সোনকালেই সি ভাৰত এৰি গুচি যাব। যোৱাৰ আগতে এনে এটা নীতি-বিৰোধৰ প্ৰশ্ন লৈ আব্বাজানৰ লগত কোনো তৰ্কা-তৰ্কি নকৰি নিৰৱে সি আঁতৰি থাকিবলৈ ঠিক কৰিলে।

আমজাদ আলিয়ে কিন্তু ভতিজাকক জোকাই লোৱাৰ লোভ সামৰিব নোৱাৰিলে। খাই-বই দুয়ো ককাই-ভাই যাবলৈ ওলাল। ওচৰৰে এটা মছজিদত সভা হ'ব। আমজাদ আলিয়ে আনোৱাৰলৈ চাই ক'লে, "ক'তা, তুমি ওলোৱা নাইযে; নোযোৱা নেকি?"

আকবৰ আলিয়ে শেৰৱাণীৰ বুতাম মাৰিছিল। আনোৱাৰে নেযাওঁ বুলিলেই এটা অবাঞ্ছিত পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি সন্দেহ কৰি তেওঁ তাক একো কবলৈ সুবিধা নিদি কৈ উঠিল, 'সি থাকক দিয়া, কাকাজান। আমাৰ এইখোৰ সভাত তাৰ এনেও কাম নাই।"

আনোৱাৰে ভাবিছিল, ইয়াৰ পিচত আৰু আমজাদ আলিৰ একো

কৰলৈ থকাৰ কথা নহয়। কিন্তু ইমান সহজে হাৰ মনা ভকত নহয় তাৰ ডাণ্ডৰ-আব্বা। তেওঁ কৈ উঠিল, 'সেইটো কি কথা! কংগ্ৰেছী হ'ল বুলি সি মাজে-মধ্যে আমাৰ মুছলমানবোৰৰ ক'বলৈ থকা কথাখিনিও শুনিব নেপায় নেকি?" তাৰ পিচত আনোৱাৰলৈ চাই ক'লে, "নে তোমাৰ লাজ লাগে, তোমাৰ আব্বাজানে সভাপতিৰ কৰা সভাত নিজৰ চিনাকি দিবলৈ?"

নিতান্ত নীচ পৰোক্ষ আততায়ীৰ দৰে আক্ৰমণ এয়া। উদাৰমনা আকবৰ আলিয়ে এনে কথা পুতেকৰ আগত কোৱা কোনোপধ্যেই সমৰ্থন নকৰে বুলি সি জানে। কিন্তু যি কথা কোৱা হৈ গ'ল তাকতো আৰু নোকোৱা কৰি দিব নোৱাৰি। তদুপৰি তাৰ আৰু আব্বাজানৰ মাজত কোনো প্ৰকাৰৰ ভুল বুজাবুজিৰ সৃষ্টি কৰিবলৈ সি এৰি দিব নোৱাৰে আমজাদ আলিক। লাহেকৈ উঠি সি শুবৰাণীটো ল'লে। আমজাদ আলিক যেন মনেই কৰা নাই এনে ভাব দেখুৱাই আকবৰ আলিলৈ চাই ক'লে, "মযো যাওঁনে আব্বাজান? তুমি নিশ্চয় হাক নিদিয়া?"

এনেকুৱা সভাৰ গতিবিধিৰ লগত আনোৱাৰ সুপৰিচিত। প্ৰথমতে মানুহৰ মন ধৰ্ম্মৰ প্ৰতি ঢাল খুৱাই দুৰ্ব্বল কৰি লোৱা হয় কোৰাণ পাঠ কৰি। তাৰ পিচত কবিতা আবৃত্তি কৰা হয়। স্পেইনৰপৰা চীন দেশলৈকে ইছলামৰ গৌৰৱ আৰু বিশ্ব-জয়ী মহিমা প্ৰকাশ কৰা তেজ উতলোৱা কবিতাৰ আবৃত্তিয়ে মাইকৰ সিৰে সিৰে তপত তেজৰ সোঁত বোৱাই দিয়ে। আজিও তাৰ ব্যতিক্ৰম নহ'ল। তাৰ পিচত আকবৰ আলিক সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হ'ল।

প্ৰস্তাৱ উত্থাপন কৰিবলৈ গৈ তাৰ আব্বাজানে যিখিনি কথা ক'লে তাৰ সৰহভাগেৰে সৈতেই আনোৱাৰ একেমত হ'ব নোৱাৰিলে। তথাপি এটা কথা লক্ষ্য কৰি তাৰ ভাল লাগিল। আব্বাজানে আগৰ নোহো-ৱাকৈ আৰু একো নভৰা-নিচিন্তাকৈ মহাত্মা বা আন কংগ্ৰেছ নেতাসকলক ব্যক্তিগত আক্ৰোশ প্ৰকাশ কৰি গালি-শপনি পৰাৰপৰা বেচ সম্ভ্ৰমেৰে বিৰত থাকিল। তেওঁৰ আগৰ সাম্ৰাজ্যবাদ বিদ্বেষী মনোভাৱ এতিয়াও

একেবাৰে হেৰুৱাই পেলোৱা নাই। মুছলমানসকলক কেৱল ভাৰততে বুলি নহয় সমগ্ৰ বিশ্বতে ধ্বংস কৰিবলৈ ষড়যন্ত্ৰ কৰা বুলি তেওঁ কংগ্ৰেছক নহয় ইংৰাজসকলকহে তীব্ৰভাৱে সমালোচনা কৰিলে। মধ্য প্ৰাচ্যৰ দেশসমূহত চলোৱা সাম্ৰাজ্যবাদী ষড়যন্ত্ৰৰ কথা কৈ তেওঁ অতি অদ্ভুত যুক্তিৰে তাক গান্ধী-আৰউইন চুক্তিৰে সংশ্লিষ্ট কৰি দেখুৱালে।

আকবৰ আলিৰ পিচত অন্যান্য বক্তাৰ ক্ষেত্ৰত বক্তৃতাৰ সুৰ ক্ৰমে-ক্ৰমে বেয়া হৈ আহিল। যিসকল স্বনামধন্য নেতাক আনোৱাৰে শ্ৰদ্ধা কৰে ভাল পায় সেইসকল নেতাৰ বিৰুদ্ধে প্ৰয়োগ কৰা অন্যায় মন্তব্যসমূহ শুনি শুনি তাৰ নিজৰে অপবিত্ৰ হৈ যোৱা যেন লাগিল। দুজনমান বক্তাৰ, যাইকৈ তাৰ ডাঙৰ-আব্বাৰ বক্তৃতাত উল্লেখ কৰা কথাবোৰ শুনি তাৰ গা জিকাৰ খাই খাই উঠিব ধৰিলে। ভাৰতত মুছলমান শাসনৰ প্ৰশংসাত পঞ্চমুখ হৈ বুকু ফিন্দাই তেওঁ কবলৈ ধৰিলে, "....আমি ইংৰাজৰ দৰে এই দেশলৈ বেপাৰ কৰিবলৈ অহা নাছিলোঁ। আমি আহিছিলোঁ বিজয়ীৰ বেশেৰে, হাতত খোলা তৰোৱাল লৈ...." আৰু তেওঁ ঘোষণা কৰিলে আৱশ্যক হ'লে এতিয়াও 'ইছলামৰ তৰোৱাল' আকৌ মুক্ত হ'ব লাগিব। আৱশ্যক হ'লে তেজৰ নদী বোৱাই দি হ'লেও মুছলিম সাম্ৰাজ্য পুনৰ প্ৰতিষ্ঠা কৰিবই লাগিব। তাৰ ডাঙৰ-আব্বাৰ কথাই সৃষ্টি কৰা ৰক্তাক্ত দৃশ্য কল্পনা চকুৰে দেখি আনোৱাৰ শিঁহৰি উঠিল। হাত-ভৰি জোকাৰি আমজাদ আলিয়ে চিঞৰিয়ে গৈছে। সভাপতিৰ আসনৰপৰা আব্বাজানে তেওঁক সংযত কৰিবলৈ বৃথাই চেষ্টা কৰিছে। দুগুণ উৎসাহেৰে বক্তাই চিঞঁৰি কৈছে: "আমি চৰকাৰক জনাই দিব লাগিব আমাৰ মুছলমানৰ গান্ধীৰ লগত কোনো সম্বন্ধ নাই। কোনো হিন্দুৰ লগতেই আমাৰ সম্বন্ধ নাই। আমি এটা বেলেগ জাতি। আমাৰ ভাষা বেলেগ। সংস্কৃতি বেলেগ। চিৰদিন আমি স্বকীয়া হৈ আছোঁ; চিৰদিন আমি স্বকীয়া হৈয়ে থাকিম।"

আমজাদ আলিয়ে তাৰ পিচত আৰু কি কৈছিল আনোৱাৰে নুশুনা হৈ আহিল। মানুহজনো ধীৰে ধীৰে তাৰ দৃষ্টিৰপৰা অন্তৰ্হিত হৈ গ'ল। চকুৰ আগত সি মাথোন দেখিলে অসংখ্য আমজাদ আলি। হিন্দু আমজাদ আলি। মুছলমান আমজাদ আলি, পাৰ্চী, শিখ, খৃষ্টান, হৰিজন,—আমজাদ আলি। কাৰো ডাঢ়ি। কাৰো টুপি। কাৰো টিকনি। কাৰো লগুণ। কাৰো 'ক্ৰচ'। সকলোৱেই সমানে চিঞৰি উঠিছে, "আমি এটা স্বকীয়া জাতি।" কাৰো হাতত ইছলামৰ তৰোৱাল। কাৰো হাতত হিন্দু ধৰ্ম্মৰ তৰোৱাল। শিখ ধৰ্ম্মৰ তৰোৱাল। সকলোৰে নিজ নিজ তৰোৱাল

স্থবিৰাই দিছে ভাৰত মাতৃৰ দেহাত। বক্তাক্ত হৈ উঠিছে সেই শাণিত তৰোৱাল।

জঘন্য সেই দৃশ্য। চকুহাল সি মুদি দিলে। খন্তেক বৈ আকৌ চকু মেলি চাই সি দেখিলে আমজাদ আলি বহি পৰিছে। এইবাৰ সভাপতিয়ে প্ৰস্তাৱটো ভোটলৈ দিলে। "কিন্তু আপোনালোকক হাত দাঙিবলৈ কোৱাৰ আগতে—" আনোৱাৰে দেখিলে আব্বাজানে পোনে পোনে তাৰ চকুলৈকে চাই কথাবোৰ কৈছে, "মই অনুৰোধ কৰিছোঁ, যদি আপোনালোকৰ কাৰোবাৰ প্ৰস্তাৱটোৰ ওপৰত আপত্তি আছে আৰু যদি কিবা কবলৈ ইচ্ছা কৰে তেন্তে তেওঁ যাতে আপোন বক্তব্য আজিৰ সভাত প্ৰকাশ কৰেহি।" আব্বাজানৰ মাতত সি স্পষ্ট প্ৰত্যাহ্বানৰ সুৰ শুনিবলৈ পালে।

"আনোৱাৰ!" কোনোবাই তাক পিচফালৰ পৰা মাতিলে। সি ঘূৰি চালে। ৰহমত চাচা। শুভ্ৰ খদ্দৰৰ কাপোৰ পিন্ধা পকামূৰীয়া বৃদ্ধ তাঁতীজন। আকবৰ আলিৰ খিলাফৎ আৰু অসহযোগ আন্দোলনৰ দিনৰ প্ৰধানতম্ সহযোগী। তেওঁ এতিয়াও কংগ্ৰেছতে আছে। জেলৰ পৰা চুক্তি-সম্পাদনৰ পিচত মাথোন ওলাই আহিছে। "আনোৱাৰ," বৃদ্ধই সকলোৰে শুনাকৈয়ে তালৈ চাই ক'লে, "তুমি নুঠা কিয়? আমাবোতো কথা আছে। উঠা। আমাৰ কথাও এই চৰকাৰৰ বন্ধুবৰ্গই শুনিবলৈ নিদিয়া কিয়?

"ঠিক কৈছে, ৰহমত চাচা। মই ক'ম।" এই নিভাঁজ সৰল দেশ-প্ৰেমিক বৃদ্ধ গৰাকীৰ প্ৰতি সহানুভূতিত তাৰ মন গলি গ'ল। নিৰ্ভীকভাৱে থিয় দি সি আকবৰ আলিৰ চকুলৈ চাই ক'লে, "সভাপতি মহাশয়, মই প্ৰস্তাৱটোৰ বিপক্ষে অলপ কথা কব খোজোঁ।'

আব্বাজানৰ নিচেই কাষত গৈ সি থিয় দিলে। সি অনুভৱ কৰিলে তাৰ কাৰ্য্যই সভাত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিছে। কেইবা-শযোৰ চকু পলক নপৰাকৈ তাৰ ওপৰত নিক্ষেপিত হৈছে। সি মন কৰিলে সেই

চকুৰ কিছুমানত অপৰিসীম আশ্চৰ্য্য। কোনোবাই সিনো কি কব পাৰে জানিবলৈ ব্যগ্ৰ। কোনো কোনো বিৰক্ত। কোনো কোনো মুগ্ধ। কোনো কোনো আকৌ ভীত;—যেন এটা অদ্ভুৎ ভয়ঙ্কৰ অচিনাকি জন্তুহে চকুৰ আগত দেখিবলৈ পাইছে। আমজাদ আলি খঙত জ্বলি-পকি উঠিছে। কব নোৱাৰা হৈ নিজৰ দীঘল জোঙা মোচকোচাৰ আগ এটাকে চোবাবলৈ ধৰিছে। পৰা হ'লে যেন তেওঁ তেওঁৰ এই নিৰ্লজ্জ ভতিজাকটোকো এনেকৈয়ে চোবাই পেলালেহেঁতেন। ৰাইজৰ আগতে ধৰি সৌকা লগাই দিলেহেঁতেন। কিন্তু আনোৱাৰ অতিকৈ আচৰিত হ'ল তাৰ আব্বাজান আকবৰ আলিৰ মুখৰ অভিব্যক্তি দেখিহে। তেওঁৰ মুখত তাৰ প্ৰতি কেৱল উৎসাহৰ হাঁহিহে যে ফুটি উঠিছে এনে নহয়, বৰং অবিশ্বাস্য ভাৱেই, পুতেকৰ এই অদ্ভুত সাহস দেখি গৰ্ব্বিত যেন তেওঁ ওফন্দি উঠিছে।

তাৰ সকলো সংশয় সকলো দ্বিধা খিতাতে নোহোৱা হৈ গ'ল। সি বিহুকে নকওক তাৰ বক্তৃতাৰ বাবে আব্বাজানে বেজাৰ নেপাই বৰং আনন্দহে পাব, এই কথা ভবাৰ লগে লগে তাৰ এটা নিৰাপদ দুৰ্গৰ ভিতৰত সোমাই পৰা যেন লাগিল। তাৰ প্ৰথম কথাষাৰৰ লগে লগেই সভাস্থলিত আকৌ এটা চাঞ্চল্যৰ সোঁত বৈ গ'ল। "মই দেখিলোঁ, আজিৰ সভাৰ প্ৰত্যেক বক্তাই গান্ধী-আৰউইন চুক্তিক আক্ৰমণ কৰিয়েই বক্তৃতা দিলে। এই চুক্তি ব্যক্তিগতভাৱে মই নিজেও অকণমাণো ভাল পোৱা নাই।" এখন্তেক সি ৰ'ল। ৰাইজৰ গুণ্‌গুণনি মাৰ গ'লত সি আকৌ আৰম্ভ কৰিলে। "কিন্তু এই কাৰণে মই বেয়া পোৱা নাই যে চৰকাৰে মহাত্মা গান্ধী বা কংগ্ৰেছৰ কিছুমান দাবী মানি লৈছে। কিন্তু এই কাৰণেই যে আন ভালেমান বেচি গুৰুত্বপূৰ্ণ দাবী মানি নোলোৱাকৈয়ে এই চুক্তি সম্পাদিত হৈ গৈছে। মহাত্মাই আমাৰ স্বাধীনতাৰ মূল দাবীটোৰ ওপৰত কোনো আপোচ মানি নোলোৱা হ'লেই মই সুখী হ'লোহেঁতেন।"

বহুত দিনৰ মূৰত বক্তৃতা দিবলৈ সি থিয় দিছে। নতুন ঠাই। নতুন মানুহ। ফলত তাৰ মনত যি প্ৰাথমিক দ্বিধাৰ সৃষ্টি হৈছিল সেয়া এইখিনি কৈ উঠাৰ পিচত সি জয় কৰি পেলাইছে। এইবাৰ সি দুৰন্ত সাহসেৰে কংগ্ৰেছক "হিন্দুৰ অনুষ্ঠান" ৰূপে অভিহিত কৰি বক্তৃতা দিয়া বক্তাসকলক স্পষ্ট আৰু নিৰ্ম্মমভাৱে আক্ৰমণ কৰাত প্ৰবৃত্ত হ'ল। বিশ্ববিদ্যালয়ৰ তৰ্ক সভাসমূহত ব্যঙ্গ, ব্যাজস্তুতি আৰু বাক-চাতুৰ্য্যৰ অন্যান্য যি চোকা অস্ত্ৰ সমূহৰ ব্যৱহাৰৰ আখৰা ইমানদিনে সি কৰি আহিছিল আজি প্ৰকৃত ৰণ-ক্ষেত্ৰত তাক নিৰ্ভয় মনেৰে প্ৰয়োগ কৰাত লাগি গ'ল।

"তেনেহলে ৰাইজসকল, কংগ্ৰেছ একমাত্ৰ হিন্দুৰ অনুষ্ঠান। এয়া

সৰ্ব্বসন্মত অভিমত। পূৰ্ব্ববৰ্ত্তী বক্তাসকলে মোৰ বোধেৰে কংগ্ৰেছত কোনো মুছলমান নায়েই বুলি কৰলৈয়ো পিচ নুহুহকিব। কিন্তু মোৰ মনত আছে, মোৰ মৰমৰ আব্বাজানেই আগেয়ে খিলাফৎ আন্দোলনৰ সময়ত মৌলানা আবুল কালাম আজাদক ইমাম-উল-হিন্দ্ অৰ্থাৎ ভাৰতবৰ্ষৰ নেতা বুলি অভিহিত কৰিছিল। আজিৰ কথাবোৰ শুনি মোৰ ধাৰণা হৈছে, তেখেতে বোধহয় মই কব নোৱাৰাকৈয়ে কেতিয়াবা হিন্দু হৈ গৈছে। তেনেদৰেই বোধহয় স্বনামধন্য মৌলানা হুছেইন আহমদ্ মদানী আৰু জমিয়ৎ উল-উলেমাৰ আন আন ধাৰ্ম্মিক মুছলমান সকলো হিন্দু হৈছে। ন্যায়াধীশ আব্বাচ তৈয়ব্জী আৰু ইমাম চাহেব দুয়ো নিশ্চয় হিন্দু,—কাৰণ তেওঁলোক দুয়ো মহাত্মা গান্ধীৰ অন্তৰঙ্গ বন্ধু। আৰু মই মোৰ বন্ধু আচগৰ হুছেইন, ৰাজ, চোবহান বা ইচনুচ আদিৰ কথা নকৰেঁই; কাৰণ ক'লেও নাস্তিক বুলি সিহঁতক ফু-মাৰি উৰুৱাই দিয়া হ'ব। কিন্তু মই আপোনালোকক সুধিছোঁ, সীমান্তৰ 'খোদাই খিদমত্গাৰ'সকল আৰু তেওঁলোকৰ নেতা খান আব্দুল গফ্ফাৰ খানো কি আপোনালোকৰ চকুত নাস্তিক? দিল্লীৰ এই ডবিয়াগওহৰে আচফ আলি চাহাবৰ বিষয়ে আপোনালোকৰ মত কি? আপোনালোকৰ সকলোৰেইতো তেওঁক মৰুৱা ভাবেই চিনি পায়। তেওঁকো আপোনালোকে হিন্দু বুলি কব নেকি?" আনোৱাৰে লক্ষ্য কৰিলে সি কোৱা নামবোৰ লৈ মানুহে তলমুৰ কৰি গুণা-গঁঠা কৰিছে। এইবাৰ ছেগ বুজি সি তাৰ তাচ খেলৰ 'ট্ৰাম্প কাৰ্ড'খন উলিয়াই দিলে। অতি নাটকীয় ভাবেই। আনোৱাৰৰ মাৰাত্মক ব্যঙ্গত আমোদ পাই হাঁহি হাঁহি বহি থকা বৃদ্ধ পকা দাড়ীয়া তাঁতীজনলৈ চাই সি চিঞৰ মাৰি সুধিলে, "আৰু ৰহমত চাচা, আপুনি বাৰু মুছলমান ধৰ্ম্ম কেতিয়া ত্যাগ কৰিলে? আমিতো ধৰবেই নেপাওঁ!" আনোৱাৰৰ এই প্ৰশ্নই তাৰ যুক্তিসমূহক নিতান্ত মৰুৱা স্থানীয় পৰ্য্যায়লৈ টানি আনিলে। ৰহমতৰ উত্তৰত সভাৰ সকলো মানুহেই গিৰ্জনী মাৰি হাঁহি উঠিল, "কিয়? তুমি নেজানানে আনোৱাৰ বোপা? বাইজক সোধা। সকলোৱে জানে। মোৰ 'শুদ্ধি' আজি এই মচজিদতে 'ইছা' নমাজৰ পিচতে হৈ গৈছে। মই এই সভা আৰম্ভ হোৱাৰ আগে আগে মাত্ৰ হিন্দু হৈ গৈছোঁ।" ৰহমতৰ উত্তৰ এপাত চোকা কাঁড়ৰ দৰে আহি সকলোৰে অন্তৰ বিদ্ধ কৰিলেহি। কাৰণ সকলোৱেই জানে এই অঞ্চলত ৰহমত সমান একান্ত ধৰ্ম্মভক্ত মানুহ অতি কমেই আছে। প্ৰত্যেক দিনৰ পাঁচ 'ৱক্ত' নমাজো তেওঁ মছজিদতহে আহি পঢ়েহি।

আনোৱাৰে বুজিলে শ্ৰোতাসকল তাৰ হাতৰ মুঠিলৈ আহি গৈছে।

এইবাৰ সি তাৰ ৰাজনীতিৰ যুক্তিসমূহ ৰাইজৰ আগত উপস্থাপিত কৰিবলৈ সাজু হ'ল। প্ৰথমতে সি কংগ্ৰেছৰ চমু বুৰঞ্জী তেওঁলোকৰ আগত দাঙি ধৰিলে। হিন্দু আৰু মুছলমান একেমুঠ হৈ কেনেকৈ এদিন এই অনুষ্ঠান গঢ়ি তুলিছিল তাৰ কথা বিবৰি ক'লে। "কিন্তু....অৱশ্যে" তাৰ ডাঙৰ-আব্বাৰ মুখলৈ চাই শ্লেষৰ সুৰেৰে ক'লে, "কিছুমান মুছলমান আৰু কিছুমান হিন্দুৱে আগতে কেতিয়াও কংগ্ৰেছত যোগ দিয়া নাছিল। তেওঁলোক সেই শ্ৰেণীৰ মানুহ যি সদায় চৰকাৰী চাকৰিৰ যশতে জীয়াই আছে।" তাৰ পিচত চৌধুৰী মোহাম্মদ ওমৰলৈ চাই ক'লে, "অথবা সেই শ্ৰেণীৰ মানুহ যাৰ চকু সদায় চৰকাৰৰ শকত শকত ঠিকাৰ ওপৰত।" তাৰ পিচত হঠাৎ সি টিঙিৰি-তুলাৰ দৰে জ্বলি উঠিল, "আপোনালোকে মুছলামৰ তৰোৱাল কোষমুক্ত কৰাৰ কথা কৈছে। বেচ কথা। কিন্তু মোক কওক-চোন, এই তৰোৱাল খুলি লব কাক বধ কৰিবলৈ? আপোনালোকৰ ঘৰৰ কাষতে থকা একেই ভাৰতীয় ভ্ৰাতৃজনক? কিন্তু মই কিয় দেখিবলৈ পোৱা নাই এই তৰোৱাল ব্যৱহৃত হোৱা সেইসকলৰ বিৰুদ্ধে যি মোগলৰ হাতৰ পৰা সিংহাসন কাঢ়ি ল'লে? আপোনালোকে যাক লৈ গৰ্ব্ব কৰে সেই মোগলৰ শেষ সম্ৰাটক যি ব্ৰহ্মদেশলৈ বহিষ্কাৰ কৰি দিলে? যি আপোনা-লোকৰ চেনেহৰ যুৱৰাজ আৰু অমাত্যবৰ্গক এই ডৰিয়াগঞ্জৰ এই মছজিদৰ সন্মুখতে ফাঁচীৰ কাঠত ওলোমালে? আপোনালোকৰ অসূৰ্য্যম্পশ্যা ৰাজকুমাৰী-সকলৰ সন্মান অপহৰণ কৰিলে? অ'....নহয়। মোৰ ভুল হৈছে। মোক ক্ষমা কৰিব। আপোনালোকৰ ইছলামৰ তৰোৱাল ইংৰাজৰ বিপক্ষে উঠিব নোৱাৰে। কাৰণ আজিৰ প্ৰস্তাৱ মতে বুজা গৈছে আপোনালোকৰ নেতা স্বনামধন্য আগা খান। ইংৰাজৰ জন্ম-জন্মান্তৰৰ বন্ধু। পৰম ভক্ত। মই, মোৰ ব্যক্তিগত ফালৰপৰা ক'বলৈ হ'লে, মই ভাবোঁ, যদি প্ৰকৃত মুছলমানকেই মুছলমানৰ নেতা বাছিব লগা হয় তেন্তে ৰহমত চাচা বিখ্যাত আগাখানতকৈ লাখ লাখ গুণে শ্ৰেষ্ঠ আৰু যোগ্য নেতা।"

আনোৱাৰে ভাবিছিল তাৰ কথাত চাৰিওফালৰ পৰা জাউৰিয়ে জাউৰিয়ে প্ৰতিবাদ উঠিব। কিন্তু আচৰিত ভাৱে কোনেও এষাৰ মাত নেমাতিলে। আনোৱাৰে তাৰ আব্বাজানলৈ চালে। তলমূৰকৈ তেওঁ কিবা ভাবি বহি আছে। মাত্ৰ ডাঙৰ-আব্বা আমজাদ আলিয়েহে দাঁত কৰচি তালৈ চাই আছে পোপোৱাই। আনোৱাৰৰ মনত পৰিল তেওঁৰ বক্তৃতাৰ বজ্ৰাক্ত-গৰ্জ্জন সদৃশ শেষৰ অংশটোলৈ।

"আজিৰ এই সভাতে পূৰ্ব্ববৰ্ত্তী বক্তাই কৈ গৈছে—মুছলমান এটা সুকীয়া জাতি। ইয়াৰ লগত হিন্দু বা আন কোনো জাতিৰ একো সম্বন্ধ

নাই। কিন্তু মই কওঁ শুনক কি সম্বন্ধ আছে।" স্মৃতিৰ মাজৰপৰা আজুৰি আনি জালিয়ানৱালাবাগৰ সেই হিন্দু-মুছলমান-শিখৰ তেজ এক হৈ গোট মাৰি যোৱাৰ কৰুণ কাহিনী পুনৰ বিবৃত কৰোঁতে আবেগ-কৰুণাত্ত তাৰ মাত ক্ৰমাৎ বিলীয়মান হৈ আহিল। "সেই এক হৈ যোৱা তেজ বেলেগ বেলেগ কৰিবলৈ আপোনালোকে এবাৰ চেষ্টা কৰি চাওক। চেষ্টা কৰক।" আবেগত তাৰ মাত ডিঙিতেই নাইকিয়া হৈ যাব যেন। গধুৰ আৰ্দ্ৰ মাতেৰে সি কোনোমতে কৈ গ'ল, বোম্বাইত সি কি দেখিছিল;— বৰষুণৰ দৰে পৰা লাঠীৰ কোবৰ তলত কেনেকৈ শিখ-পাঠান-হিন্দু মৰ্দিত হৈ গৈছিল। "এনেকৈয়ো....এনেকৈয়ো এইখন ৰক্তপাত হৈছে, বাইসকল। অথচ কিয়, কিয় এই সভাত উপস্থিত অনেকে শিখ আৰু মুছলমান আৰু হিন্দুৱে পৰস্পৰে পৰস্পৰক হত্যা কৰি ৰক্তপান কৰিলেই আনন্দ পায়।"

যথেষ্ট পলম হৈছিল। আনোৱাৰে উপলব্ধি কৰিলে ইমানতে সি থমা ভাল। সেয়ে বক্তৃতা সামৰি সি ক'লে, ভাৰতত আজি যি ভেদাভেদ দেখা দিছে সেয়া প্ৰকৃততে হিন্দু আৰু মুছলমানৰ মাজৰ ভেদাভেদ নহয়। হ'ব নোৱাৰে। সেই ভেদাভেদ মাত্ৰ দুই শ্ৰেণীৰ মানুহৰ মাজৰ ভেদাভেদ। এটা শ্ৰেণীয়ে ভাৰতক স্বাধীন কৰিব বিচাৰে। আনটোৱে নিবিচাৰে। অৱশ্যে অন্য ধৰণৰ এক ভেদাভেদো আছে। অনাহাৰে থকা কৃষক আৰু দিনটোত এগছ কুটাও দুগছ নকৰি লোকৰ মুৰত কঠাল ভাঙি খাই পেট বঢ়োৱা জমিদাৰৰ মাজত বিভেদ আছে। কপালৰ ঘাম মাটিত পেলাই কাৰখানাত কাম কৰা বনুৱা আৰু সেই বনুৱাৰ পৰিশ্ৰমৰ ফলৰ পৰাই ধনী হোৱা পুঁজিপতিৰ মাজত ভেদাভেদ থাকিবই। মই কাকো একো নকওঁ। আপোনালোকে কাৰ পক্ষ সমৰ্থন কৰে নিজেই বাছি লওঁক। আপোনালোকৰে কোনোবাই হয়তো নিজৰ ধন-মান-প্ৰতিপত্তি ৰক্ষা কৰিবৰ আশাৰে কংগ্ৰেছক নেওচা দি বিদেশী চৰকাৰক সমৰ্থন কৰিবও পাৰে। কৰক। কোনেও বাধা নিদিয়ে। কিন্তু মই আপোনালোকক হাতযোৰ কৰি অনুৰোধ কৰিছো ইছলাম ধৰ্মৰ নাম্ কৈ সুবিধা আদায় কৰাৰ যত্ন নকৰিব। এই ধৰ্ম মহান। উদাৰ। আপোনালোকৰ স্বাৰ্থ, আপোনালোকৰ ভীৰুতা ঢাকি ৰাখিবৰ বাবে ইছলাম ধৰ্মক আঁৰ কাপোৰৰ দৰে ব্যৱহাৰ কৰি ধৰ্মৰ পবিত্ৰতা কলঙ্কিত নকৰিব।"

সি বহি পৰিল। তাৰ ভাগৰ লাগিছিল। আব্বাজানলৈ চাই সি দেখিলে তেওঁৰ দুচকু অশ্ৰুৰে চল্‌চলীয়া হৈ পৰিছে। নাহেকৈ থিয় দি তেওঁ আবেগ-কম্পিত অনুচ্চ কণ্ঠে কব ধৰিলে, "আনোৱাৰে যিখিনি

কথা ক'লে তাৰ সকলোখিনিৰে সৈতে হয়তো মই একেমত হ'ব নোৱাৰিম। কিন্তু মোৰ পুত্ৰই তাৰ বিশ্বাসৰ কথা ইমান নিৰ্ভীকভাৱে প্ৰকাশ কৰিব পৰা সাহস আৰু শক্তি দেখি মই গৰ্ব্ব বোধ কৰিছো।। পিতৃ হোৱা মোৰ সাৰ্থক হৈছে। এতিয়া যিসকলে....''

তেওঁৰ কথা শেষ নহ'ল। আমজাদ আলি জঁপ মাৰি উঠি চিঞৰি উঠিল, ''যিসকলে প্ৰস্তাৱটো সমৰ্থন কৰে তেওঁলোকে তিনিবাৰ 'আল্লাহ-আকবৰ' বুলি ধ্বনি কৰক।''

সকলোৱে 'আল্লাহ-আকবৰ' ধ্বনি কৰিলে। সভাপতিয়ে ঘোষণা কৰিলে,—প্ৰস্তাৱটো গৃহীত হৈছে। লগে লগে আমজাদ আলিয়ে কৈ উঠিল, ''সৰ্ব্ব সন্মতি ক্ৰমে।''

গ্ৰীষ্মৰ ফৰকাল বতৰত পূৰ্ব্ব জাননী নোহোৱাকৈ হঠাৎ ধুমুহা অহাৰ দৰেই নিতান্ত অপ্ৰত্যাশিত ভাৱেই কোনো এক বিশেষ মুহূৰ্ত্তত সেই ভীষণ ঘটনাটো ঘটি গ'ল।

সভাৰ পিচত তিনিও ঘৰলৈ উভতি আহিল। অতিপাত অসহ্য অনামী এক সুখৰ নিৰৱতাৰ মাজেদি তেওঁলোক আহিব লগা হ'ল। কোনেও ওৰে বাটত এষাৰ কথাও নক'লে। অথচ প্ৰত্যেকেই জানে প্ৰত্যেকে কি কথা ভাবিছে। চোতাল পাই আনোৱাৰেই বাহিৰৰ দুৱাৰৰ ডাং ডাল তুলি দিলে। কিন্তু ভিতৰ সোমাই আৰু আমজাদ আলি নিৰৱে থাকিব নোৱাৰিলে। কুৎসিত ব্যঙ্গৰ হাঁহি এটা মাৰি তেওঁ কৈ উঠিল, ''তুমি ভাবিছিলা হ'বলা তোমাৰ বৰ বৰ কথাৰ বকলা শুনি ৰাইজ ভোল যাব। দেখিলা,—তোমাৰ ফালে তুমি এটাও ভোট নিব নোৱাৰিলা।''

এইখিনি কথা আকবৰ আলিয়ে নুশুনিলে। সোমায়েই তেওঁ কাপোৰ সলাবলৈ ভিতৰলৈ গৈছিলগৈ। তেওঁৰ অনুপস্থিতিৰ সুযোগ লৈ আমজাদ আলিয়ে আনোৱাৰক উত্যক্ত কৰাত লাগিল। আনোৱাৰে অৱশ্যে বিশেষ কাণ দিয়া নাছিল তেওঁৰ কথাত। তথাপি মানুহজনৰ কথা-কাণ্ডত তাৰ

ইমান তিতা-কেঁহা লাগি আছিল যে অন্যমনস্কভাৱে সি বি এষাৰ উত্তৰ দিলে সেয়ে আমজাদ আলিক আঘাত দিবৰ বাবে যথেষ্ট আছিল। "কিন্তু আপুনি ঘোষণা কৰাৰ দৰে, ডাঙৰ-আব্বা, প্ৰস্তাৱটোতো কোনোমতেই সৰ্ব্ব সন্মতিক্ৰমে গৃহীত হোৱা বুলি কব নোৱাৰি।" বোধ হয় আনোৱাৰে নিজেই কব নোৱাৰাকৈয়ে 'আপুনি শব্দটোৰ ওপৰত সি বিশেষ জোৰ দি কথাষাৰ কৈ পেলালে। আৰু লগে লগে জলা জুইত তপত ঘি পৰিল। অধৈৰ্য্য আমজাদ আলিৰ ধৈৰ্য্যৰ বান্ধ সম্পূৰ্ণৰূপে ছিণ্ন হৈ গ'ল।

"তাৰ মানে তই মোক মিছলীয়া বুলি কৈছ, হোঁ। চিঞঁৰি উঠিল তেওঁ, "তেন্তে মই কি কৈছো শুন। মই মিছা কোৱা নাই। কোনো প্ৰকৃত মুছলমানে প্ৰস্তাৱটোৰ বিৰোধিতা কৰা নাই। এইখন সভা আছিল মুছলমানৰ সভা। আমি মুছলমানৰ মত লৈছিলোঁ। তোৰ দৰে 'হাৰাম-জাদা হিন্দুৰ কথাত আমাৰ একো দৰ্কাৰ নাই।"

"কাকাজান!" ভীষণ আতঙ্কত চিঞঁৰ মাৰি যেন কোঠালৈ সোমাই আহিল আকবৰ আলি।

ইমানেই মাৰাত্মক এক অপমান তাক কৰা হৈ গ'ল, ইমানেই গভীৰ আৰু অপ্ৰত্যাশিত আছিল সেই আঘাত যে ভালেমান পৰলৈ আনোৱাৰৰ বোধশক্তিও যেন পঙ্গু হৈ বৈ গ'ল। ডাঙৰ-আব্বাই ব্যৱহাৰ কৰা 'হাৰাম-জাদা' অৰ্থাৎ জহৰা এই শব্দটোৱে তাক যেন খিতাতে কোনোবা পাছৰা অতীতৰ বুকুলৈহে টানি লৈ গ'ল। সি নিজেই গ'ম নোপোৱাকৈ তাৰ মনলৈ আহিল, বহুত দিনৰ আগতে এদিন সি ঠিক এই শব্দটোৰে অৰ্থ আব্বাজানক সুধিছিল। অনেক বছৰৰ আগৰ ঠিক সেই দিনটোৰ দৰে একেই বিড়ম্বিত অভিব্যক্তি আজিও যেন ফুটি উঠিল তেওঁৰ মুখমণ্ডলত।

"কাকাজান!" মুখত দাৰুণ যন্ত্ৰণা আৰু ভয়ৰ ভাব ফুটাই তুলি তেওঁ চিঞঁৰি উঠিল, "মোৰ ল'ৰাক তেনেকৈ কবৰ তোমাৰ কোনো অধিকাৰ নাই।" এই বুলি তেওঁ সৰগ পৰা মানুহৰ দৰে থিয় দি থকা আনোৱাৰক বাউসীত ধৰি আনটো কোঠালৈ টানি নিবলৈ যত্ন কৰিলে।

"মোক ক্ষমা কৰিবা, আব্বাজান!" এইবুলি সি আকবৰ আলিৰ হাতৰপৰা এৰাই আমজাদ আলিৰ সমুখত থিয় দি লাহে লাহে কিন্তু স্পষ্ট মাতেৰে ক'লে, "আপোনা এষাৰ কওঁকচোন, কি কৈছিল।"

'আনোৱাৰ! আনোৱাৰ! নেপায়!" আকবৰ আলি যেন উন্মাদৰ দৰে হৈ উঠিল, "তেওঁৰ কথা নুশুনিবা। তেওঁৰ মুখৰ ঠিক নাই। পাগল!" তাৰ পিচত আমজাদ আলিৰ ওচৰলৈ আহি প্ৰায় কান্দি কান্দি কৈ উঠিল,

"কাকাজান। কি কৰিছা তুমি। অনুগ্ৰহ কৰা। দয়া কৰা। মোকে শপত। মোৰ ল'ৰাক তুমি মোৰপৰা কাঢ়ি নিনিবা।"

আমজাদ আলিয়ে কিন্তু নিৰ্বিকাৰ ভাৱে একেই বিদ্বেষপূৰ্ণ স্বৰে কৈ গ'ল, "তাৰ মানে? সিতো তোমাৰ ল'ৰা নহয়। আৰু আজি সি সুন্দৰকৈ প্ৰমাণ কৰি দেখুৱাই দিলে একুৰি এবছৰৰ তোমাৰ শিক্ষা-দীক্ষা ভৰণ-পোষণ কোনো কামতেই নহা বুলি। আজি সি দেখুৱাই দিলে অপবিত্ৰ তেজৰ দাগ মচা নেযায়। যাৰ গুৰি-গোষ্ঠি ঘৃণনীয় সি সদায় ঘৃণনীয়ই। এটা বিধৰ্মী কাফেৰ আৰু বেশ্যাৰ পেলাই দিয়া ল'ৰা কেতিয়াও ভাল হ'ব নোৱাৰে।" শিলৰ মূৰ্ত্তিৰ দৰে নিলৰ হৈ থিয় দি আছিল আনোৱাৰ। আমজাদ আলিয়ে পুনৰ কৈ গ'ল তালৈ চাই, "শুনিলি। আৰু শুনিবি নেকি? বাপেৰ কোন শুনিবি? তোৰ বাপেৰ বেমাৰী কুকুৰ কাফেৰ—ৰামেশ্বৰ। সিটো জাহান্নামলৈ গ'লেই। কিন্তু মাৰ আছে। মাৰৰ তালৈ তই নেযাৱ কিয়? তোৰ মাৰ ছামিয়াতো এজনী বিখ্যাত মানুহ। চৌদি বন্দৰত থকা তোৰ মাৰৰ বেশ্যালয় কোনে চিনি নেপায়।"

তালেমান পৰ থিয় হৈ থকাৰ পিচত আনোৱাৰে যেন সম্বিত ফিৰাই পালে। আকবৰ আলিৰ মুখলৈ চাই সি সুধিলে, "এই কথা সঁচা?" চকুৰ পানীৰে আকবৰ আলিয়ে একো নেদেখা হৈ গৈছিল। "কিন্তু.... আনোৱাৰ....কিন্তু...." তেওঁ কব খুজিছিল সেইবোৰ যিয়েই নহওক—যেয়ে যিহকে নকওক—আনোৱাৰ তেওঁৰ পুত্ৰ। তেওঁৰে হৈ থাকিব। কিন্তু তেওঁৰ কথা শুনিবলৈ আনোৱাৰ আৰু তাত বৈ নেথাকিল।

এটাও শব্দ আৰু নকৈ সি দৌৰি ঘৰৰপৰা ওলাই গ'ল।

আকবৰ আলিয়ে আমজাদ আলিলৈ চালে। চকুত চকুলো। কিন্তু খঙত সেই চকুৰপৰা যেন জুইৰ ফিৰিঙতিহে ওলাইছে। জীৱনত প্ৰথম বাৰ ককায়েকৰ প্ৰতি কোনো সন্মান নেদেখুৱাকৈ তেওঁ চিঞঁৰি উঠিল, "মোৰ পুত্ৰক মোৰ পৰা কাঢ়ি ল'লা। এতিয়াতো তোমাৰ হেঁপাহ পলাল? ওলাই যোৱা। এতিয়াই মোৰ ঘৰৰপৰা বাহিৰ হৈ যোৱা। কোনোদিন আৰু মোৰ আগলৈ নাহিবা।"

ঘৰৰপৰা ওলাই নিৰুদ্দেশভাৱে নিস্তব্ধ বাটে-বাটে ঘূৰি ঘূৰি আনোৱাৰে নিজকে ক'বলৈ ধৰিলে, "নাই নাই নাই। এয়া হ'ব নোৱাৰে। অসম্ভৱ। অবিশ্বাস্য! এয়া হ'ব নোৱাৰে। এটা মুহূৰ্ত্তৰ দুটামান অৰ্থহীন কথাই এজন মানুহৰ তিল তিলকৈ গঢ়ি তোলা জীৱন ধ্বংস কৰি দিব নোৱাৰে। এনে ঘটনা পৃথিৱীত ঘটিব নোৱাৰে। নঘটে। ভুল হৈছে। ডাঙৰ-আব্বাৰ পাপী-মনৰ এইবোৰ জঘন্য উদ্ভাৱনা। হয়তো....হয়তো এয়া এক দুঃস্বপ্নৰ বিভীষিকা। সপোনতে সি এইবোৰ শুনিছে।"

তাৰ খোজৰ তালে তালে তাৰ বুকুখনেও যেন চপ্‌চপাই কৈ যাব ধৰিলে, "নাই! নাই! নাই! এনে নহয়! হব নোৱাৰে! অসম্ভৱ! অসম্ভৱ!"

কিন্তু তথাপি! তথাপিও! লাহে লাহে তাৰ মনৰ ভিতৰৰপৰা যেন কোনোবাই তাক বুজাই ক'ব ধৰিলে—এই কথা—যি কথা খন্তেক আগতে মাখোন তাক কৈ দিয়া হ'ল—সেই কথা সঁচা। অবিশ্বাস্য,—কিন্তু সত্য! অসম্ভৱ,—কিন্তু সেয়াই এদিন বাস্তৱত ঘটিছিল!

ল'ৰালিৰ অনেক স্মৃতি, তেতিয়া নুবুজা অনেক শব্দৰ প্ৰতিধ্বনি অতীতৰ বুকুৰপৰা নতুন অৰ্থ লৈ আহি যেন অলপ আগতে সি শুনা ভয়ঙ্কৰ কথাষাৰকে সমৰ্থন জনাই তাৰ আগত উপস্থিত হ'লহি।

চৌৰি বজাৰৰ সেই "জঘন্য মাইকী মানুহবোৰ!" বাবাওাত ৰং ধঁহি থিয় দি থকা মাইকী মানুহবোৰৰ কথা আনোৱাৰে সোধাৰ পিচৰপৰা এই কাৰণেই আব্বাজানে সেই বাটে নাহিবৰ কাৰণে ইমান সাৱধান হৈছিল নেকি?

এই কাৰণেই আনোৱাৰে তেওঁক 'জহৰা' শব্দটোৰ অৰ্থ সোধোতে তেওঁ ইমান অপ্ৰস্তুত হৈ পৰিছিল নেকি?

এইবাৰ সি বুজি পালে তাৰ দুৰ্ব্বল স্বাস্থ্যৰ হেতু কি! ডাক্তৰ জানছেদ-জীৰ দৰে মানুহো বিবুধি হৈ যোৱা তাৰ এই দুৰ্ব্বল স্বাস্থ্য সি তাৰ প্ৰকৃত বাপেকৰপৰা উত্তৰাধিকাৰী সূত্ৰে পাইছে! আৰু এই কাৰণেই কাকা ৰামেশ্বৰে তাক সদায় ইমান মৰম কৰিছিল! এই কাৰণেই তাৰ নামত তেওঁ দহ হেজাৰ টকা দি থৈ গৈছে!

দহ হেজাৰ টকা! এটা মানুহৰ জীৱনৰ দাম! জহৰা কপত জন্ম দিয়াৰ ক্ষতি-পূৰণ! ধনী দুশ্চৰিত্ৰ শেঠে এই দৰে আপোন পাপৰ প্ৰায়শ্চিত্ত কৰি নিৰ্ব্বাণ লাভ কৰিলে! আনোৱাৰ মন তিক্ততাৰে ভৰি উঠিল।

ৰিক্ত পথ! ভৌতিক নিৰৱতা! তাৰ মাজে মাজে আনোৱাৰ গৈ থাকিল। ক'তো কোনো নাই। মাজে মাজে মাত্ৰ দুটা-এটা গৃহহীন কুকুৰ তাৰ পিচে পিচে আহে। কিন্তু কিছুদূৰ আহি আকৌ আঁতৰি যায়। হঠাৎ আনোৱাৰে উপলব্ধি কৰিলে এই পৃথিবীত সি নিতান্ত অকল-শৰীয়া। নগ্ন! তাৰ এই পৃথিবীৰ আয়ুস শেষ হৈ গৈছে। ইমান দিনে সি মূল্য দি অহা, মূল্য দিবলৈ শিক্ষা পাই অহা জীৱনৰ সকলো আদৰ্শ—ৰুচি আৰু সৰলতা, মৰম আৰু উদাৰতা, দয়া আৰু মানৱতা,—সকলো এটা মুহূৰ্ত্ততে লোকৰপৰা ধাৰ কৰি আনি পিন্ধা গাত নোখোৱা সোলোক-চোলোক কাপোৰৰ দৰে তাৰ গাৰপৰা যেন খহি পৰিল এটা আজোৰতে। তাৰ সত্তাত থাকিল মাখোন ঘৃণা! দাৰুণ জুগুপ্সা!

লাহে লাহে তাৰ ঘৃণনীয় জন্মৰ ছবি তাৰ মনত পৰিষ্কাৰভাৱে ভাঁহি উঠিল। কবিতা ভালপোৱা, ৰোমাণ্টিক, ৰক্তহীন, দুৰ্ব্বল মনৰ এজন ডেকাই এদিন গোপনে পাপৰ পথাৰত বনৰীয়া ফলৰ বীজ বপন কৰিলে। পিচত এই অবৈধ প্ৰেমৰ নিষিদ্ধ তিতা ফল নিজে হজম কৰিব নোৱাৰি তেওঁৰ পুত্ৰহীন এক বন্ধুক গতাই দিলে। আৰু সেই বন্ধুৱে আপোন পুত্ৰৰ দৰে বুকুৰ উমেৰে সেই পাপৰ ফলক লালন-পালন কৰিবলৈ ধৰিলে। পৃথিৱীৰ ঘৃণাৰ পাত্ৰ সেই পুৰুষ আৰু সেই নাৰী—এজনী বেশ্যা আৰু এটা কামুক লম্পট—যি তাক এই পৃথিৱীৰ পোহৰ দেখুৱালে মুখত কলঙ্কৰ ছাই সানি দি—কিমান ঘৃণনীয়—কিমান ঘৃণনীয় সিহঁত।

আনোৱাৰে হঠাৎ গ'ম পালে দীঘল দীঘল খোজ পেলাই সি যাব ধৰিছে। সি দৌৰিছে। কিন্তু কিয়? যি অতীতে ইমান আকস্মিক ইমান ভয়ঙ্কৰ ৰূপে আহি তাক খামুচি ধৰিছেহি সেই অতীতৰপৰা সি জানো পলাই সাৰিব পাৰিব?

"ইয়াৰ পিচত আমি ক'লৈ যাম?" সেই একেটা পুৰণি প্ৰশ্নই সম্পূৰ্ণ বেলেগ বীভৎস অৰ্থ লৈ তাৰ মুখত উপস্থিত হোৱা দেখি হঠাৎ তাৰ চেক্‌চেককৈ হাঁহিবৰ মন গ'ল। সি দেখিলে তাৰ ভৰি দুখনে নিজেই তাক আনি চৌবি-বজাৰত উপস্থিত কৰিছেহি। সি অকণো আচৰিত নহ'ল। শান্ত ভাৱেৰে সি মাথোন নিজক সুধিলে,—ইয়ালৈ সি কিয় আহিল বাৰু? তেজৰ আকৰ্ষণত নে উত্তৰাধিকাৰীসূত্ৰে পোৱা পাপী-মনৰ তাড়নাত?

"নবাব চাহেব।" এজন দালালে অৰ্থ-ব্যঞ্জক দৃষ্টিৰে তালৈ চাই সুধিলে, "কেনেকুৱা বগৰী লাগে আপোনাক? কেঁচা নে পকা? বিলাতী, পাঞ্জাৱী নে কাশ্মীৰী?...."

"ছামিয়া বাঈৰ ঘৰটো মোক দেখুৱাই দিব পাৰানে?"।

"ছামিয়াতো বুঢ়ী হৈ গৈছে নবাব চাহেব। কাৰবাৰ নকৰে আজি-কালি। অৱশ্যে তেওঁৰ ঘৰত কেইবাজনীও সুন্দৰী গাভৰু আছে। আপুনি যদি কয়...."

"মোক তালৈ লৈ ব'লা।"

এবাৰ মাথোন মুখখন চাবলৈকে সি আহিছিল। কিন্তু হঠাৎ তাৰ মনত এতিয়া এটা ভয়ঙ্কৰ অমানৱীয় ভাৱৰ উদ্ৰেক হ'ল। গোটেই জীৱন সি নিজকে ৰক্ষা কৰি আহিছে যি সি 'পাপ' বুলি শিক্ষা পাই আহিছে সেই পাপৰ পৰা। তাৰ দেহা সি অকলুষ পবিত্ৰ কৰি ৰাখিছে এটা সুসভ্য পৰিয়ালৰ মস্তক-মণিৰূপে নিজকে কল্পনা কৰি লৈ। আৰু

আজি সি আৱিষ্কাৰ কৰিলে যি পাপৰপৰা সি নিজকে ৰক্ষা কৰি আহিছিল সেই পাপৰ শিখৰতে তাৰ জন্ম। সেই পাপৰ এটা সামান্য ফলৰ বাহিৰে সি আৰু আন একো নহয়। তাক লৈ নিয়তিয়ে এক নিৰ্মম প্ৰহসন খেলিছে। আনোৱাৰে সিদ্ধান্ত কৰিলে সেই মুহূৰ্তত সি প্ৰতিশোধ ল'ব। নিৰ্মম প্ৰতিশোধ ল'ব তাৰ নিজৰ ওপৰত। তাৰ মাকৰ ঘৰলৈ এজনী ছোৱালী লৈ....কল্পনা-চকুৰে আগন্তুক এটা ঘটনাৰ দৈত্য ৰূপ দেখি তাৰ চেক্‌চেককৈ হাঁহি উঠিবৰ মন গ'ল।

লেতেৰা, অন্ধকাৰ, দুৰ্গন্ধময় চিৰিয়েদি সি ওপৰলৈ উঠি গ'ল। উঠি যাওঁতে সি লক্ষ্য কৰিলে কন্তেক আগৰ তাৰ মনৰ সেই বে-পৰোৱা উচ্ছৃংখল মনোভাৱ যেন ধীৰে ধীৰে নাইকিয়া হৈ আহিছে। জীৱন-জোৰা তাৰ স্বভাৱসিদ্ধ ভীতিয়ে লাহে লাহে আকৌ আত্ম-প্ৰকাশ কৰিব ধৰিছে। দুৱাৰ দলিত থিয় দি সি গ'ম পালে তাৰ মনৰ সকলো প্ৰতিশোধৰ ভাৱ নাইকিয়া হৈ গৈছে। জীৱনত প্ৰথম বাৰ এজনী বেশ্যাৰ ঘৰলৈ অহা এটা ভয়াতুৰ অনভিজ্ঞ ডেকাত সি পৰিণত হৈছে।

মজিয়াত পৰা থকা এখন মলিয়ন বগা কাপোৰত এটা গাৰুত হেলান দি বহি পান সজাই আছে এজনী অকালতে বুঢ়ী হৈ যোৱা মাইকী মানুহ। চাপৰ; কিন্তু অদ্ভুত ধৰণে শকত। গাৰ ছাল এতিয়াও দেখিলে কোমল হৈ থকা বুলি ধৰিব পাৰি। কিন্তু তাত অজস্ৰ অত্যাচাৰৰ আঁক-বাঁক প্ৰকট হৈ ওলাইছে। পকা চুলিত 'হেনা' ঘঁহি ক'লা কৰি ৰখা হৈছে।

"ছামিয়া বাঈ" দালালটোৱে মানুহজনীক মাতিলে, "নৱাব চাহেবে তোমাৰ ছোৱালী কেজনী চাব খুজিছে।"

ছামিয়াই মুখ তুলি চালে। ইমান কম বয়সীয়া এজন গ্ৰাহক দেখি যেন মানুহজনী চক্‌ খাই উঠিল। "বহক, নৱাব চাহেব"—নিজৰ কাৰবাৰৰ চিৰ-অভ্যস্ত অতিৰঞ্জিত বিনয় দেখুৱাই মানুহজনীয়ে আনোৱাৰক আহ্বান জনালে।

এয়াই তেন্তে তাৰ মাক। আনোৱাৰৰ মনটো পৰম তিক্ততাৰে ভৰি উঠিল। আনোৱাৰে শুনিছিল যি কোনো মাকেই হেনো পুতেকক আঠে-কুৰি বছৰৰ পিচত দেখিলেও চিনিব পাৰে। কিন্তু তাৰ মাকে তাক চিনি নেপালে। হয়তো এই জঘন্য ব্যৱসায়ে তাৰ মাকক ইমানেই অমানুহ কৰি পেলাইছে যে মানুহৰ স্বাভাৱিক প্ৰবৃত্তি সমূহো তেওঁৰ বাবে অপৰিচিত হৈ পৰিছে। অৱশ্যে আনোৱাৰে এই শ্ৰেণীৰ তিৰোতাবোৰ যেনে কঠুৱা, ঘিণ লগা আৰু ইতৰ বুলি ভাবিছিল তেনে যেন লগা নাই ছামিয়াক। তথাপিও মানুহজনীৰ প্ৰতি তাৰ মনত কোনো পুত্ৰ-সুলভ অনুভূতিৰ উদ্ৰেক নহ'ল। বৰং সি মাত্ৰ অনুভৱ কৰিলে ঘৃণা। গভীৰ অসীম ঘৃণা।

তাৰ ভাগৰ পুৰস্কাৰ আদায় কৰি লৈ দালালটো দুপ্‌দুপাই চিৰিয়েদি নামি গ'ল। আনোৱাৰ আৰু ছামিয়া মুখামুখি হ'ল এইবাৰ। এইজনী মানুহেই তাৰ 'আত্মাজান'—যত্ন কৰিও এইষাৰ কথাক সি মনত ঠাই দিব নোৱাৰিলে।

"বিজুলী! শ্যামা! তহঁত ওলাই আহ...." ছামিয়াই মাতিলে। লগে লগে বিজুলী গতিৰে দুজনী ষোল বছৰৰো কম বয়সৰ ছোৱালী সোমাই আহিল। ইমান ডাঠকৈ দুয়োজনীয়ে মুখে-গায়ে ৰং ঘঁহিছে যে সিহঁতৰ প্ৰকৃত ৰংটো কেনে ধৰাৰ কাৰো সাধ্য নাই। ছোৱালী দুজনী দেখি আনোৱাৰৰ এনে লাগিল যেন সিহঁত সৌন্দৰ্য্যৰ অপমান দুটা চং হে। বেচেৰীহঁতক দেখিলে পুতৌ জন্মে। হাট-বজাৰৰ বিক্ৰীৰ গৰু-ছাগলীৰ মাংসৰ দৰে যেন গ্ৰাহকৰ মন খাব পৰাকৈ সজাই-পৰাই থিয় কৰি দিয়া হৈছে। এনেকৈ মানুহৰ মাংস বেচা-কিনা কথাটো মনলৈ অহাৰ লগে লগে তাৰ গাটো বাই-জাই লাগি গ'ল। এবাৰ সিহঁতলৈ চায়ে সি চকু ঘূৰাই আনিলে। ঘূৰিবাৰ আৰু সিহঁতলৈ চাবৰ তাৰ শক্তি নহ'ল। খন্তেকলৈ আনকি সি পাহৰিয়ে গ'ল সি কিয় ইয়ালৈ আহিছিল। এজনী ছোৱালীয়ে লাস্যময় ভঙ্গীমাৰে তাৰ সন্মুখত 'পাণ'ৰ বঁটা দাঙি ধৰিলে। সি নল'লে। এনে ক্ষেত্ৰতযে বঁটাত অলপ পইচা উপহাৰ দিয়াটো নিয়ম সেই কথা জানিও সি পাহৰি গ'ল।

"কি হ'ল? তুমি্‌ বৰ লাজকুৰীয়া দেখিছোঁ।" মানুহজনীয়ে অকণমান হাঁহি ক'লে। আনোৱাৰে একো নক'লে। এফেৰথৰে মজিয়াৰ লেতেৰা বগা কাপোৰখনৰ তামোলৰ পিকৰ দাগবোৰলৈ চাই ৰহি থাকিল। কিবা এটা ভাবি মানুহজনীয়ে বিজলী-শ্যামাক ওলাই যাবলৈ ইঙ্গীত দিলে।

নেপুৰৰ ৰুণ্‌ঝুণ্‌ শব্দ তুলি ছোৱালী দুজনী কঁকাল-ভঙা খোজেৰে ওলাই গ'ল। তাৰ কাণত পৰিল ওচৰৰ কোঠাত ছোৱালী দুজনীয়ে খিল্‌-খিলাই হাঁহি বাগৰি পৰিছে। সি বুজিলে সিহঁতে তাৰ পুৰুষত্বক ইতিকিং কৰিছে।

"তুমি বোধহয়....মানে....এই প্ৰথম....মানে....এনেকুৱা ঠাইলৈ আহিছা?" আনোৱাৰে অনুভৱ কৰিলে মানুহজনীৰ মাতত কোনো ধৰণৰ ব্যৱসায়ী চাতুৰ্য্য নাই। প্ৰথনৰ কৃত্ৰিম বিনয়ো নাই। তাৰ ঠাইত সহজ মানৱীয় উৎসুকতা প্ৰকট হৈ পৰিছে।

আনোৱাৰে মূৰ দুপিয়াই শলাগিলে। তাৰ কাণ-মূৰ ৰঙা পৰি উঠিছে। জেপৰপৰা ৰুমাল উলিয়াই সি মুখৰ ঘাম মচিলে।

"তোমাক দেখিয়েই মই বুজিছোঁ। তুমি নিশ্চয় কোনোবা অতি ভদ্ৰ

ভাল পৰিয়ালৰ ন'বা।" মানুহজনীয়ে লাহে লাহে ক'লে। তাৰ এনে লাগিল যেন মানুহজনীয়ে তাক কথাবোৰ কোৱা নাই, বৰং নিজকে নিজে কৈছে। উত্তৰত সি একো কোৱাৰ প্ৰয়োজন বোধ নকৰিলে।

অলপ সময় একো নকৈ কিবা ভাবি মানুহজনী মনে মনে বহি থাকিল। যেন মনে মনে কিবা এটা বিশেষ সিদ্ধান্ততহে উপনীত হ'বলৈ যত্ন কৰিছে। তাৰ পিচত অত্যন্ত কোমল মৰম-পিগলা সুৰেৰে মানুহজনীয়ে যি কেষাৰ কথা ক'লে শুনি আনোৱাৰ অবাক হৈ গ'ল। তাৰ ধাৰণা হ'ল যেন তাৰ সন্মুখত এজনী কুখ্যাত স্খলিত চৰিত্ৰৰ তিৰোতা বহি থকা নাই। এইজনী এজনী বেলেগ মানুহ। বেলেগ পৰিচয়ৰ। আগৰ মানুহজনীৰ ৰূপান্তৰ ঘটিছে।

"যাও, বেটা, ঘৰ যাও।" মানুহজনীয়ে ক'লে, "ঘৰলৈ যোৱাগৈ, বাচা। ঘৰলৈ। ইয়ালৈ আৰু কেতিয়াও নাহিবা।"

একো নকৈ একেজাঁপে আনোৱাৰ উঠিল আৰু এন্ধাৰ চিৰিয়েদি প্ৰায় দৌৰি খুন্দা-খুন্দুলিখাই নামি আহিল। সি শুনিলে দুৱাৰ মুখত বৈ মানুহ-জনীয়ে তাক আশীৰ্ব্বাদ দিছে: "দীৰ্ঘজীৱী হোৱা, বাচা। ভগৱানে তোমাৰ মঙ্গল কৰক।"

বাচা।

মানুহজনীয়ে তাক 'বাচা' বুলি মাতিলে। অনেকেই তাক মৰমেৰে 'বাচা' বুলি মাতে। কতেক আগলৈকে তাৰ আত্মাজান হৈ থকা আকবৰ আলিয়ে তাক 'বাচা' বোলে। কতেক আগতে তাৰ প্ৰকৃত পিতৃ বুলি পৰিচিত হোৱা ৰামেশ্বৰে তাক 'বাচা' বুলি মাতিছিল—তাক নিজৰ পুত্ৰ বুলি জানি শুনিয়েই। বোম্বাইৰ মা-জীয়েও তাক 'বাচা' বোলে। কিন্তু এই এটা শব্দ ইমান মিঠা ভাবতো কোনোদিন লগা নাছিল। ইমান কোমল, জীৱনৰ আদিম আবেগৰ স্বাদেৰে পূৰ্ণ যেন কাহানিওতো লগা

নাছিল,—যেনে বাগিল আজি এই পতিতা স্খলিতা পাপীনী তাৰ মাক ছালিমাৰ মুখত শুনি!

যদি মানুহজনীয়ে জানিলেহেঁতেন আনোৱাৰ তাইৰে সন্তান বুলি তেতিয়া হবে হয়তো এনে নহ'লহেঁতেন। তেতিয়া হ'লে ইয়াত একো আশ্চৰ্য্যৰ একো বৈশিষ্ট্যৰ থল নেথাকিলেহেঁতেন। পৃথিৱীৰ কোটি কোটি মাকে পুতেকতক সদায়েই মৰম দেখুৱাই আহিছে। কিন্তু এইজনী মানুহৰ বাবে আনোৱাৰ তাইৰ ওচৰৰপৰা 'মাল' কিনিবলৈ অহা 'কেঁচা' অনভিজ্ঞ এক গ্ৰাহক মাথোন! তথাপি মানুহজনীয়ে নিজৰ ব্যৱসায়ী-স্বাৰ্থ জলাঞ্জলী দি, তাক পাপলৈ প্ৰলোভন নেদেখুৱাই, পাপৰ মজিয়াৰপৰা ওভটাই পঠিয়ালে। ঘৰলৈ। তাক 'বাচা' বুলি মাতি মাতৃসুলভ আকুতিৰে প্ৰাৰ্থনা কৰি তাক আশীৰ্ব্বাদ কৰিলে। কোনো স্বাৰ্থ নোহোৱাকৈ মানুহজনীয়ে তাৰ প্ৰতি এই মানৱীয় সহানুভূতি প্ৰদৰ্শন কৰিছে। তেওঁ যেন হৈ পৰিছে সৰ্ব্বকালৰ সনাতন এক চিৰমাতৃ। এইবাৰ, এইখিনি কথা ভবাৰ পিচত আনোৱাৰৰ মানুহজনীক 'আম্মাজান' ৰূপে কল্পনা কৰিবলৈ অকণো লাজ অকণো দ্বিধা নহ'ল।

চিৰিৰ এদ্মাৰৰপৰা বাটৰ পোহৰত প্ৰৱেশ কৰি আনোৱাৰে অনুভৱ কৰিলে পৃথিৱীখন সোমাই যাওঁতে সি যেনে দেখি গৈছিল তেনে হৈ থকা আৰু নাই। পৃথিৱীখনৰ ৰূপ বেলেগ হৈ গৈছে। কেৱল ঘৃণা, কেৱল লোভ, কামনা আৰু স্বাৰ্থৰেই পৰিপূৰ্ণ নহয় এই পৃথিৱী। কেৱল এজনী নাৰী এজনী সামান্য নাৰীয়ে তাৰ বাবে পৃথিৱীৰ ৰূপেই সলনি কৰি দিছে। মাত্ৰ এটা শব্দৰেই পৃথিৱীৰ মুখৰ চেহেৰা পৃথিৱীৰ অৰ্থ বেলেগ কৰি দিছে।

তাৰ 'আম্মাজান' যেনে আৱৰ্জ্জনাময় যেনে পতিত পৰিবেশত বাস কৰে তেনে পৰিৱেশতো মানৱীয়তা থাকিব পাৰে। থাকে!—এই এষাৰ কথাৰ উপলব্ধিয়ে যেন আনোৱাৰৰ এঘণ্টাৰ আগতেও পৰম তিক্ততাৰে ভৰপূৰ হৈ থকা অন্তঃকৰণ ধুই ফটিকৰ দৰে নিকা কৰি দিলে। তাৰ জীৱনৰ এই অদ্ভুত নাটকত অংশ গ্ৰহণ কৰা চৰিত্ৰসমূহক সি নতুন সহানুভূতিপূৰ্ণ পোহৰত বিশ্লেষণ কৰি চাবলৈ মনত নতুন বল পালে। ৰামেশ্বৰ দয়াল এজন ভঙ্গুৰ দুৰ্ব্বল মনৰ মানুহ সঁচা। কিন্তু তথাপিও এখন বহল উদাৰ অন্তঃকৰণৰ অধিকাৰী। যৌৱনৰ এক উচ্ছৃঙ্খলতাৰ ফল আনোৱাৰক তেওঁ অন্য দহজনৰ দৰেই সহজেই অস্বীকাৰ কৰিব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি তেওঁ তাৰ বাবে এখন ঘৰ, এটা সুউচ্চ পৰিয়ালৰ বাতাবৰণৰ ব্যৱস্থা কৰি দি গৈছে। আনকি মৃত্যুৰ সময়তো তাৰ ভবিষ্যতৰ বাবে সংস্থানৰ যোগান দি যাবলৈ পাহৰা নাই। ছালিমাক অজ্ঞাত নিঠুৰ

পাৰিপাৰ্শ্বিকতাই হেয় নীচ জীৱন যাপন কৰিবলৈ বাধ্য কৰাইছে। কিন্তু তথাপিও, পঙ্ক-নিমজ্জিত হৈ থাকিও ছানিয়াই আদিম মানৱীয়তা, সোণৰ দৰে অন্তৰৰ সততা হেৰুৱাই পেলোৱা নাই। আৰু আকবৰ আলি! এক মহান, অতুলনীয় দেৱতা সদৃশ ব্যক্তি! এক মৰমী উদাৰ-হৃদয়-আত্মা! আনৰ অবৈধ সন্তানক নিজৰ সন্তানৰ দৰে লালন-পালন কৰি তাক ইমানেই মৰম ইমানেই ভালপোৱা দিছে যে সেই মৰম-ভালপোৱাৰ একাংশও পিতৃৰ-পৰা পালে পৃথিৱীৰ যি কোনো পুত্ৰয়ে নিজকে ধন্য মানিব পাৰে।

কিন্তু সি নিজে কি? বিদেশী (সে কেৱল অসংযত) ভাগ্যৰ সৃষ্টি, সি কি? এনেকুৱাও বাৰু হ'ব পাৰে নেকি? তাৰ জন্ম আৰু তাৰ লালন-পালনৰ এই অত্যাশ্চৰ্য্য কাহিনীত কোনোবা অজান শক্তিৰ কিবা নিগূঢ় স্বাৰ্থ নিহিত হৈ থাকিব পাৰে নে বাৰু? স্বাভাৱিক ভাৱেই জন্ম পোৱা এজন হিন্দুৰ সন্তান সি; এজনী অভাগী ঘৃণনীয় শ্ৰেণীৰ তিৰোতা তাৰ মাতৃ, আৰু সি ডাঙৰ-দীঘল হৈছে মুছলমান হিচাবে এটা সম্ভ্ৰান্ত মুছলমান পৰিয়ালত। ঐক্যৰ সি এক আশ্চৰ্য্য নিদৰ্শন। মানুহৰ ৰক্ত আৰু সংস্কৃতিৰ বিপৰীত ধাৰাৰ মিলন হোৱা কোনো এক অনামী মানৱী-সত্তাৰ সি প্ৰতীক। তাৰ মনত পৰিল দেশজুৰি পাক লৈ উঠা সম্প্ৰদায়-সমূহৰ মাজৰ অনৈক্য আৰু শত্ৰুতাৰ কথা। হিন্দু আৰু মুছলমানৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ প্ৰতিক্ৰিয়াশীল মহলে চলোৱা চেষ্টাৰ কথা। আজি নিশাৰ মছজিদৰ সেই জনসভা এই আসন্ন দুৰ্যোগৰ এটা বিপদ-সংকেত মাত্ৰ। এনে অনেক ভয়াবহতাৰ সংকেত ইতিমধ্যে পোৱা গৈছে। আমজাদ আলিৰ দৰে মানুহে মুছলমান-সাম্ৰাজ্যৰ সপোন দেখিছে। তেনেকৈয়ে অনেকে দেখিছে হিন্দু-ৰাজৰ। সকলোৰে মনত ঘৃণা। আৰু ঘৃণাতকৈয়ো ভয়ঙ্কৰ সকলোৰে মনত ভয়। হিন্দুৱে ভয় কৰে মুছলমানলৈ। মুছলমানে ভয় কৰে হিন্দুলৈ। আৰু এই ভয়ে যেতিয়া মানুহক শক্তি আহৰণৰ সপোন ৰচিবলৈ উদগনি দিয়ে তেতিয়াই দেশত ৰক্তপাত হয়। হবলৈ বাধ্য হয়।

আজি এই বিপদৰ আশঙ্কা হয়তো নিচেই সৰু হৈ আছে। এমুঠি মানুহ আৰু মানুহৰ শত্ৰুতাৰ মাজতে সীমাবদ্ধ হৈ আছে। কিন্তু ইয়েই বাঢ়ি কালত মাৰাত্মক ৰূপ লব পাৰে। যি স্বাধীনতাৰ কাৰণে আজি দেশবাসীয়ে সংগ্ৰাম কৰিছে সেই স্বাধীনতাকে বিপন্ন কৰি তুলিব পাৰে। কেৱল সেয়ে নহয়। যি সামাজিক ন্যায়ৰ বাবে সংগ্ৰাম আৰম্ভ হবলৈ এতিয়াও বাকী সেই সামাজিক ন্যায়ৰ মহান আদৰ্শকো ই ক্ষুণ্ণ কৰি দিব পাৰে।... এনেও হব পাৰেনে বাৰু? যি হেতু সি প্ৰকৃততে হিন্দুও নহয় মুছলমানো নহয়—অথবা ভাৰত-মাতৃৰ সন্তানৰ প্ৰতীক ৰূপে

দুয়োটাৰেই বাবে এই দুয়োটা জাতিকে বুজাব আৰু বুজি উপলব্ধি কৰাৰ সুবিধা তাৰ আছে। আৰু এই বাবেই সি তাৰ মাজত প্ৰতিফলিত হোৱাৰ দৰেই, হিন্দু-মুছলমানৰ সমন্বয়ৰ বাবে কাম কৰি যাব পাৰে। তাৰ লগতে তাৰ মাতৃৰ স্মৃতিয়ে তাক দুৰ্ভগীয়া, নিষ্পেষিত, ভাগ্যৰ হাতৰ পুতলা মানুহশ্ৰেণীৰ স্বাৰ্থ প্ৰতিষ্ঠাৰ বাবে নিজকে উছৰ্গীকৃত কৰি দিবলৈ শক্তি যোগাব পাৰে।

"ইয়াৰ পিচত আমি ক লৈ যাম?'

বাট-পথ তেতিয়া আৰু জনশূন্য নিস্তব্ধ হৈ থকা নাছিল। দিল্লীৰ ৰাজপথত জীৱনে সাৰ পাই উঠিছে। ভাগৱত ক্লান্ত হৈ পৰা খোজেৰে সি আগবাঢ়ি গ'ল—ঘৰলৈ।

কাষত গাখীৰৰ ভাৰবোৰ লৈ গুৱালবোৰ অহা-যোৱা কৰিছে। ৰাতিৰ কাম শেষ কৰি কাৰখানাৰ বনুৱাবোৰে কোবা-কুবিকৈ ঘৰলৈ খোজ ধৰিছে। চাহ-দোকান আৰু ৰেষ্টোৰাঁৰ দুৱাৰ-খিড়িকীবোৰ এখন এখনকৈ খুলি দিয়া হৈছে। অলপৰ কোনোবা ভণ্ডুৰৰপৰা নতুনকৈ সেকা পাওৰুটিৰ লোভনীয় সেমেকা সজীৱ সুগন্ধ ভাঁহি আহিছে।

জীৱন! জীৱন! জীৱন!

সি অনুভৱ কৰিলে। সি জীৱন অনুভৱ কৰিলে। জীৱনৰ ছন্দ অনুভৱ কৰিলে। উপলব্ধি কৰিলে। তাৰ ক্লান্ত দেহাতো সি নতুন জীৱনৰ উচ্ছ্বসিত গতি-স্পন্দন অনুভৱ কৰিলে। সি ভাবিলে। আকৌ নতুনকৈ ভৱিষ্যতৰ কথা ভাবিলে। ইংলণ্ডত গৈ অধ্যয়ন কৰিব লগা, গোটেই পৃথিৱী ভ্ৰমণ কৰিব লগা অনাগত বছৰবোৰৰ কথা ভাবিলে। তাৰপৰা এদিন সি উভটি আহিব। আহি নতুন উদ্যমেৰে ভাৰতত অধিক পৰিশ্ৰম কৰিব। বিৰাট সংগ্ৰামৰ সন্মুখ হ'ব। কল্পনাৰ ৰঙীন ছবি দেখি তাৰ মন উৎফুল্ল হৈ উঠিল।

ৰাতিৰ কামৰপৰা ঘৰলৈ ওভটা দুটা বনুৱা তাৰ কাষেদিয়ে আগবাঢ়ি গ'ল। সিহঁতৰ কথোপকথনৰ টুকুৰা-টুকুৰ অংশ তাৰ কাণত পৰিল।

"....দহ-ঘণ্টা....অথচ গোটেই পৃথিৱীতে মাত্ৰ আঠ-ঘণ্টা....আমাৰ কাৰণে মালিকে কিয় চিন্তা কৰিব?.... অতিৰিক্ত সময়ৰ বাবে অতিৰিক্ত মজুৰীতো নায়েই...."

"....ভয় নাই, ভাই....কথা চলিছে....মোৰ কৈছোঁ....মনত ৰাখিবা.... সংগ্ৰাম হ'বই লাগিব....অনতিপলমে...."

জীৱন আৰু সংগ্ৰাম। এয়েই ভৱিষ্যত। এয়েই ভৱিষ্যতৰ আঁচনি। আনোৱাৰে তাৰ প্ৰশ্নৰ উত্তৰ পালে,—ইয়াৰ পিচত আমি ক'লৈ যাব লাগিব।

দুৱাৰখন খোলা আছিল। যেন তাৰ বাবেই খুলি থোৱা হৈছে দুৱাৰখন।

আকবৰ আলি তেতিয়ালৈকে সাৰেই আছে। ভিতৰ কোঠাত ইফালৰ-পৰা সিফাললৈ অহা-যোৱা কৰি আছে। তাৰ বাবেই নিশ্চয় বাট চাই আছে। তেওঁৰ পকা ডাড়িৰ আগত টোপাটোপে চকুপানী জিলিকি উঠিছে। বাহিৰৰ দুৱাৰখন কেৰেক্‌কৈ উঠাৰ শব্দ শুনি তেওঁ বৈ ঘূৰি চালে।

"আগয়ে, বেটা?" আনোৱাৰক নেদেখাকৈয়ে তাৰ ভাবৰ খোজৰ তাক চিনি পাই তেওঁ সুধিলে, "আহিলা, বাচা?"

"আহিলো আব্বাজান।"

চকুৰ পানীৰে বাট নেদেখা হৈ সি তেওঁৰ ওচৰলৈ দৌৰ মাৰিলে। তেওঁৰ উন্মুক্ত দুবাহুৰ মাজলৈ। আকুলভাৱে, নিবিড়ভাৱে তেওঁ তাক সাৱটি ধৰিলে—জোৰেৰে, আৰু জোৰেৰে।

মূল ৰচনাৰ সময়:—বোম্বাই : মে', ১৯৪২
কুমাৰিকা অন্তৰীপ : ১৮ মে', ১৯৪৯
অনুবাদৰ সময়:—শিৱসাগৰ : ১৩ ফেব্ৰুৱাৰী, পুনা, ১৯৬৩
শিৱসাগৰ : ১৫ মে', পুনা, ১৯৬৩